নিৰ্বাচিত অসমীয়া গল্প

সংকলন সম্পাদনা

অৰিন্দম বৰকটকী

ক্ৰান্তিকাল প্ৰকাশন। নগাঁও - ১

n i r b a c h i t a   a s o m i y a   g a l p a

a collection of assamese short stories of selected writers,
compiled by arindom borkotoki, published by kailash kumar rajkhowa,
krantikaal prakashan, m. g. road, nagaon, assam.

1st edition 2006. price : 650/ only

নি ৰ্বা চি ত অ স মী য়া গ ল্প
সংকলন। সম্পাদনা অৰিন্দম বৰকটকী

প্ৰকাশক কৈলাশ কুমাৰ ৰাজখোৱা
ক্ৰান্তিকাল প্ৰকাশন, এম, জি, ৰোড, নগাঁও- ১।। সংকলন স্বত্ব প্ৰকাশক
প্ৰচ্ছদ মনোজ ৰাজকুমাৰ।। আৰ্হিপাঠ হেমন্ত কুমাৰ বৰা, প্ৰাঞ্জল কুমাৰ মহন্ত
অক্ষৰ বিন্যাস যতীন, নিৰোজ, মিহিৰ

মুদ্ৰণ অজন্তা প্ৰেছ, হয়বৰগাঁও, নগাঁও- ২।। বেচ ৬৫০.০০ টকা

ক্ৰা ন্তি কা ল প্ৰ কা শ ন । নগাঁও - ২

উ চ র্গা

'দুটি গল্প ভালপোৱা
অসমীয়া বাইজৰ জৰিয়তে
নিখিল বিশ্বৰ গল্প ৰসিকসকললৈ'

সূচী

ৰমা দাশ □ অচল টকা। ৫। কৃষ্ণ ভূঞা □ যাদুঘৰ। ১৯।
স্নেহ দেৱী □ নাম দিয় কল্যাণী। ২৯।
চৈয়দ আব্দুল মালিক □ লাইফ্‌টো - আই মীন। ৩৭।
বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য □ কলং আজিও বয়। ৫৯। মহিম বৰা □ টোপ। ৭৯
শীলভদ্ৰ □ বিবৰ্তন। ৯১। যোগেশ দাস □ কলপটুৱাৰ মৃত্যু। ৯৭।
সৌৰভ কুমাৰ চলিহা □ সিহঁতেও পাহাৰ বগায়। ১০৭।
ড° ভবেন্দ্ৰ নাথ শইকীয়া □ বৃন্দাবন। ১১৫।
হোমেন বৰগোহাঞি □ গৰখীয়া। ১৩৯।
লক্ষীনন্দন বৰা □ এবাৰাবীৰ লেছেৰি। ১৫৯।
নিৰুপমা বৰগোহাঞি □ নালন্দা বিশ্ববিদ্যালয়ৰ ছাত্ৰ। ১৭৫।
অতুলানন্দ গোস্বামী □ হামদৈ পুলৰ জোন। ১৮৯।
নগেন শইকীয়া □ আন্ধাৰত নিজৰ মুখ। ২০৩।
মামণি ৰয়ছম গোস্বামী □ সংস্কাৰ। ২১১।

সূচী

অপূৰ্ব শৰ্মা □ হঠাৎ নদীত ঢল। ২২৯। □ বাহিৰলৈ যোৱা বাট। ২৫১।

হৰেকৃষ্ণ ডেকা □ প্ৰাকৃতিক। ২৮৩। □ ৰোমাণ্টিক। ২৯৩।

দেবব্ৰত দাস □ দীঘাত দুদিন। ৩০৩। □ তুলাচনীত তাগিদা এটা। ৩০৯।

মনোৰমা দাস মেধি □ ক্ৰান্তি-কালৰ কথা। ৩১৯। □ গোসাঁনী। ৩২৯।

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য্য □ কচুপাতত এজনী কাউৰী। ৩৪৩।

□ হিপক্ৰেটৰ লগত এজন হতাশগ্ৰস্ত। ৩৫৬।

বিপুল খাটনিয়াৰ □ সোণৰ দাঁত ৰূপৰ দাঁত। ৩৭১।

□ চুলিবোৰ খুৰাই লওঁ। ৩৭৬।

শিবানন্দ কাকতি □ আমৃত্যু অমৃত। ৩৮৭। □ সৰুণীয়া আলিবাট, মায়াময়। ৪০৩।

অৰুণা পটঙ্গীয়া কলিতা □ কেতিয়াবা নুমলী এদিন। ৪১৭।

□ দৈৱকীৰ দিন। ৪৩৫।

জয়ন্ত কুমাৰ চক্ৰবৰ্তী □ সূৰ্যাস্তত স্নান। ৪৪৭। □ পৃথ্বীপাৰৰ প্ৰাৰ্থনা। ৪৫৫।

সূচী

জ্যোতিষ শিকদাৰ ☐ হত্যা। ৪৬৫। ☐ শৈশৱ। ৪৭০।
ফুল শইকীয়া ☐ সময় সন্ধ্যা। ৪৭৭। ☐ সিহঁতৰ চিঠি। ৪৮৮।
ৰবীন শৰ্মা ☐ লখেতৰা। ৫০১। ☐ ৰং পিণ্ডা-খং পিণ্ডা। ৫০৯।
মনোজ কুমাৰ গোস্বামী ☐ মোক জুইশলা বাহটো দিয়ক। ৫১৯।
☐ সমীৰণ বৰুৱা আহি আছে। ৫২৭।
অপূৰ্ব কুমাৰ শইকীয়া ☐ মনোহৰ বুঢ়াৰ পঢ়াশালি। ৫৪১। ☐ মেটামৰফছিছ। ৫৫১।
ইমৰান হুছেইন ☐ জিঘাংসা। ৫৬৩। ☐ 'যাত্ৰা। ৫৭৬।
নৱনীতা গগৈ ☐ নীলা চৰাই। ৫৯১। ☐ তামসিক। ৬০৬।
প্ৰশান্ত কুমাৰ দাস ☐ মহানিৰ্বাণ। ৬১৫। ☐ মজো কাকাৰ কাহিনী। ৬২৭।
মৌচুমী কন্দলী ☐ লাম্বাদা নাচৰ শেষত। ৬৩৭।
☐ দলঙৰ ওপৰৰ কথোপকথন। ৬৪৭।

☐ লেখক পৰিচিতি। ৬৫৭।

পাতনি

আধুনিক অসমীয়া গল্পৰ প্ৰতিনিধিত্বমূলক আৰু পৰিচয়সূচক সংকলন হিচাপে এই গ্ৰন্থখনি প্ৰস্তুত কৰা হৈছে। নতুন প্ৰজন্মৰ অসমীয়া গল্পকাৰসকলৰ হাতত অসমীয়া গল্পই কিদৰে এক নতুন সমৃদ্ধ আয়তন লাভ কৰিছে তাৰ লক্ষ্য কৰি এইসকল গল্পকাৰৰ দুটাকৈ গল্প অন্তৰ্ভুক্ত কৰা হৈছে। এইসকল গল্পকাৰৰ গল্পৰ নিজস্ব আৰু ভিন্নমুখী চৰিত্ৰৰ পৰিচয় আৰু উত্তৰ ৰামধেনু যুগৰ অসমীয়া গল্প 'আৱাহন' আৰু 'ৰামধেনু' যুগৰ শ্ৰেষ্ঠ অসমীয়া গল্পৰ ঐতিহ্যৰ বাহক বুলি এই সংকলনখনৰ নিৰ্বাচিত গল্পসমূহে দাবি ধৰিব পাৰিব বুলি আশা কৰিছোঁ।

সংকলনখনৰ গল্পসমূহে ছটা দশক সামৰি লৈছে। এই সময়ছোৱাত আৰু বিভিন্নজনে অসমীয়া গল্পৰ সৃষ্টি আৰু পুষ্টি সমৃদ্ধ কৰিছে। এই সংকলনখনত গল্পৰ মানদণ্ডৰ লগতে ৰচনাৰ ধাৰাবাহিকতাৰ প্ৰসংগলৈও লক্ষ্য ৰাখি নিৰ্বাচিত গল্পৰ লগতে গল্পকাৰকো নিৰ্বাচন কৰাৰ হাবিয়াস কৰিছোঁ।

এনে এখন সংকলন প্ৰকাশৰ প্ৰস্তাৱ লৈ আগবাঢ়ি অহাৰ বাবে প্ৰকাশক কৈলাশ কুমাৰ ৰাজখোৱাৰ ওচৰত কৃতজ্ঞ।

অঃ বঃ

বমাদাশ

অচল টকা

অচল টকা

আচল হ'লেও সময়ৰ সোঁতত টকা কেতিয়াবা অচল হৈ যায়। ওজনৰ অলপ লঘুভাৱ, গাত দেখা-নেদেখা ক'ৰবাত অলপ ঘুণ, দাঁতিত অজ্ঞাত হাতৰ কিঞ্চিত দাগ, তাৰে অভিশাপ লৈ সি এদিন উদ্ধাৰ নোহোৱা হয়। দেহত তাৰ কেঁচা ৰূপৰ তেজ জকমকাই উপচি থাকিলেও গতি তাৰ ৰুদ্ধ হৈ যায়, যাত্ৰা-পথৰ অন্ত পৰে। জীৱন-কাহিনী এন্ধাৰ অদৃশ্য বাকচৰ চুকত নীৰৱ হুমুনিয়াহৰ মাজত লীন হৈ যায়।

তেনে এটি টকাৰে কথা। দিনৰ পিছত দিন ধৰি মোৰ গুপুত এটি বাকচৰ এন্ধাৰ চুকত নিশ্চল হৈ পৰি থাকে সেই টকাটি। সম্বন্ধ তাৰ জীৱনৰ মোৰ এটি ডাঙৰ অভিজ্ঞতাৰ লগত, পৰিচয়ৰ লগত, মৰ্মন্তুদ কাহিনীৰ লগত। কোনে জানে, হয়তোবা মোৰ প্ৰথম অজানিত প্ৰেমৰ লগত। কিন্তু অচল আজি সি। আৰু সেই প্ৰেম?

বিয়াৰ ঠিক এসপ্তাহ পিছত। বতাহত উৰি-ফুৰা শিমলু তুলাৰ দৰে লঘু মোৰ মনৰ গতি সেই সময়ত। অন্তৰত মোৰ উন্মুক্ত ঝৰণাৰ অবাধ ছন্দ। চকুত ৰঙীন মেঘৰ ৰাগী। কাণত সৰুগৰ বেউলাৰ নৃত্যৰ শিঞ্জিনী।

অকলে অকলে মই অনাই-বনাই ঘূৰি ফুৰোঁ — নিমজ, পিছল শিলঙৰ পিচ ঢলা আলিৰ ওপৰত। গধুৰ কৰ্তব্যময় জীৱনৰপৰা দুমাহৰ জিৰণি লৈছোঁ। মূৰৰ ওপৰত মোৰ সৰলৰ পাতৰ গধুৰ সৰ্‌সৰীয়া শব্দ, গা-মুখত আবেশ সানি দিয়া ব'হাগী বাসন্তীৰ উতলা সমীৰণ।

লাইটুমখ্ৰাৰ অজান দুৰণি কোণত এটি ভেকশীয়া ঘৰ। তাতে আহি আজি দুদিনমানৰপৰা লগত চাকৰৰ ল'ৰা এটি লৈ মই নতুনকৈ বসতি কৰিছোঁ। তাকে সজাই-পৰাই, তাতে এপদ-দুপদকৈ আহিলা-পাতি গোটাই, নতুন সংসাৰ এখন পাতিবলৈ যো-জা কৰিছোঁ। ইচ্ছা, সংসাৰখন অলপ নিয়াৰি লাগি উঠিলেই তৈয়ামৰ ঘৰলৈ বাতৰি দিম। তেতিয়া মোৰ নৱ-বিবাহিতা পত্নী, বৃদ্ধা মাতৃদেৱী আৰু নুমলীয়া ভনী ইলা আহিব। আৰু এয়েই হ'ব মোৰ শুভ-বিবাহিত জীৱনৰ মধু আৰম্ভণি, বহু দিনৰপৰা অন্তৰত পুহি থকা হেঁপাহ, শিলঙৰ শৈল শিখৰৰ ওপৰত সংসাৰত মোৰ প্ৰথম প্ৰবেশ। পাশ্চাত্য জীৱনৰ জানিবা ৰোমান্সৰ উপন্যাসৰ মধু যামিনী। অথবা আল্পছৰ তুষাৰ শিখৰত স্কিয়িং অভিযান, ভূমধ্য সাগৰৰ বুকুত ৰাটিং ক্ৰুইজ, বিভিয়েৰাৰ সাগৰৰ উপকূলত আতপ-স্নান, মণ্টিকাৰলোৰ উদ্দাম ৰজনী।

গৱৰ্ণমেণ্ট হাউচৰ কাষত অলপ আগেয়ে মহেন্দ্ৰজীৰ বোম পৰি গৈছে। লাবানৰপৰা

বাটত অগণিত অফিচৰ 'বাবু'ৰ দলৰ লানি ধৰিছে। মই সেই সোঁতৰ লগত উজাই আহি আহি ডাকঘৰৰ আগত থিয় হৈছোঁ। মোৰ হাতত নীলা ৰঙৰ গধুৰ বন্ধ চিঠি এখনি। তাৰে ওপৰত ৰঙা ৰঙৰ টিকট এখনি কিনি লগাই মই এতিয়াই বাকচত পেলাই যাম। খিলঙলৈ অহা দিনৰে পৰা এদিন বাদে এদিন সদায় মই এই সময়তে চিঠি এখনি এইদৰে লিখি আনো আৰু চিঠি বাকচত পেলাই দি যাওঁ। ডাকঘৰৰ দীঘল খট্‌খটিটোৰে নামি, ঘৰৰ ভিতৰত সোমাই, টিকট বেচা মানুহজনৰ কাঠগৰাৰ আগত আহি বৈ মই থিয় দিলোঁ। টিকট কিনা মানুহৰ সিদিনা কি অভূতপূৰ্ব জুমুৰি! কিমান বিভিন্ন ধৰণৰ লোকৰেই বা সমাগম! পিতলুৱা চকুৰ, কুট্‌কুৰা চুলিৰ বুঢ়ী, কেটেঙী মেম, গহীন, গপচ, সুঠাম, সুপুৰুষ ইমৰাজ; পেটাল, বিৰাট বাপু, পাগুৰি মৰা, মাৰোৱাৰী 'বাবু'; কৰ্কশ, বিকৃতকণ্ঠী, শ্ৰীহট্টবাসী; উৰ্দি পিন্ধা অফিচৰ চাপ্ৰাচীৰ দল; আৰু কত অগণিত বৈচিত্ৰ্যৰ প্ৰাণী।

মই অব্যক্তভাৱে নীৰবে, নিজঞ্জালে জনতাৰ এমূৰত একাষৰীয়াকৈ ঠাই এডুখৰি লৈ থিয় দিলোঁ আৰু নিৰ্বিবাদে নিজৰ সুযোগৰ কাৰণে অপেক্ষা কৰিবলৈ ধৰিলোঁ।

মোৰ ঠিক সমুখতে দৰ্‌ৰীয়া, পাগুৰি-মৰা, ছফুট দীঘল এজন শিখ; আৰু তাৰ সিপিনেই যোড়শী, সুন্দৰী, বোধকৰোঁ এগৰাকী ফিৰিঙী দুহিতা। নীলা আকাশী ৰঙৰ আঁঠুলৈকে পৰা এটি ফ্ৰক। সুঠাম, সুগঢ়ী, লাৱণী, উদং এযুৰি কলাফুল। ক'লা 'স্যুয়েদৰ' চাপৰ হিলৰ জোতা। বগা, চুটি, নীলা বৰ্ডাৰৰ পাৰ ভাঙি দিয়া এযোৰ মোজা, কোনোদিনে তেলৰ পৰশ নোপোৱা কুমৰ ওপৰত সোণালী চুলিৰ উন্মুক্ত মধুৰ হিল্লোল। দুয়োটি চকুতে প্ৰখৰ স্বচ্ছ ভাবাভৰা চাৱনি। দেহৰ মুকলি সকলো অঙ্গতে সানি দিয়া যেন সোণালী আভা।

মই চাওঁ। চাই চাই একোবাৰ অতৰ্কিতে নিজকে পাহৰি যাওঁ। কোনোৰে গম নোপোৱাকৈয়ে বিৰাট অতিকায় শিখৰ দেহৰ প্ৰাচীৰ উলঙ্ঘন কৰিও একোবাৰ গাভৰুৰ নিচেই গাৰ কাষ চাপোঁগে। অপৰিচিত গাভৰুৰে কোনো কুণ্ঠা নেদেখুৱাই নিৰ্ভীকভাৱে এৰোজা চিঠিৰ কাৰণে এজাপ টিকট কিনে আৰু সেই কাঠগৰাৰ কাঠৰ ওপৰতেই পেলাই লৈ এখন এখনকৈ চিঠিবোৰত টিকট লগাই যায়।

মই চাওঁ। মোৰ কৌতূহল লুকুৱাবলৈ কোনো চেষ্টা নকৰি উদং মনেৰে গাভৰুৰ চিঠিৰ ঠিকনাবোৰ চাই যাওঁ আৰু পঢ়িবলৈ যত্ন কৰোঁ। সুদূৰ বিলাতৰ ঠিকনাৰ এয়াৰ মেইলৰ ছাবমৰা চিঠি, কলিকতাৰ লৰেটোৰ ঠিকনাত লিখা লেফাফাৰ চিঠি, মাদ্ৰাজৰ ৰেডক্ৰছ নাৰ্ছিং হোমলৈ লিখা গধুৰ চিঠি আৰু লগতে কিমানখন! মই গাভৰুৰ কাষত থিয় হৈ চিঠিৰ ঠিকনাৰ আখৰবোৰ নিৰ্বিবাদে পঢ়ি যাওঁ। সেউজীয়া চিয়াঁহীৰে লিখা গাভৰুৰ হাতৰ অকোৱা-পকোৱা দীঘল দীঘল আখৰকেইটি চাই মোৰ ভাল লাগে। টিকটত আঠা লগোৱা গাভৰুৰ ব্যস্ত হাতৰ ল-নি লিহিৰা-লিহিৰী আঙুলিকেইটি চাই চাই মই তন্ময় হওঁ।

জনতাৰ মাজত এটি চাঞ্চল্যই দেখা দিয়ে। টিকট বেচা মানুহজনে মুখেৰে অলপ বিৰক্তি প্ৰকাশ কৰে আৰু গাভৰুৰ ঠিক সমুখতে চিঠিবোৰৰ ওপৰত টকা এটা শব্দ কৰি আফালিয়াই পেলাই দিয়ে। মুখেৰে খোঁতা-মোজা লগা চুটি চুটি ইংৰাজীৰে কয় — আপোনাৰ এই টকাটো অচল, ই নচলে।

শেষ চিঠিখনিত টিকট এটা আধা লগোৱা কৰি গাভৰুৱে হঠাতে বাধা পোৱাৰ দৰে চকু তুলি চায় আৰু' মানুহজনলৈ লক্ষ্য কৰি সুস্থিৰভাৱে প্ৰশ্ন কৰে, নিমজ, সৰল, সুৱলা ইংৰাজীত — অচল টকা? কাৰ? মোৰ নে?

টিকট বেচা মানুহজনে সেই একে নীৰস ভঙ্গীৰে কাঠগৰাৰ সিপিনে থিয় হৈ থাকে আৰু সেই একে থোকা-থুকি লগা ইংৰাজীত কণ্ঠেৰে ক'লে — হয়, আপুনিয়েই এতিয়াহে দিয়া টকাটো অচল। মানুহৰ হাই-উকমিত দিবৰ সময়ত মোৰ চাই ল'বলৈ নহ'ল; এতিয়া দেখিছোঁ তাত খুঁত আছে। আপুনি অবিশ্বাস কৰে যদি মোৰ বাকচৰ ভিতৰখনলৈ জুমি চাব পাৰে। তাত এইটোৰ বাহিৰে দ্বিতীয় টকা আৰু নাই। বাকী সকলোবোৰ নোট আৰু ভঙনীয়া পইছা।

গাভৰুৱে অবিশ্বাস নকৰি নীৰৱে টকাটো তুলি লৈ অলপ পৰ নিৰীক্ষণ কৰি বিমোৰত পৰাৰ দৰে নিৰৰ্থকভাবে এবেলি এনেয়ে মিচিকিয়াই হাঁহিলে আৰু তেনেকৈ হাঁহি থৈয়ে সৰু সৰু ঘন জিক্‌মিকীয়া দাঁতেৰে তল ওঁঠটি কামুৰি বৈ বহুপৰ ভাবিলে। ভাবি ভাবি কোনো উৱাদিহ নাপাই, অতি সম্ভ্ৰমেৰে ধীৰে ধীৰে ক'লে — তেনেহ'লে মই অলপ বিপদত পৰিলোঁ যেনেই পাইছোঁ মোৰ হাতত এইটোৰ বাহিৰে আৰু দ্বিতীয় টকা এটিও নাই। তাৰ উপৰিও পলম হোৱা কাৰণে ইয়াৰ ভিতৰতে প্ৰায় গোটেইখিনি টিকটতে আঠা লগাই পেলাইছোঁ। যদি আপোনাৰ ল'বলৈ আপত্তি নাই মই আঠা লগোৱা টিকটবোৰকে আকৌ তুলি ওভতাই দি যাব লাগিব। নহ'লে...

এটা অদ্ভুত সমস্যাৰ কুৎচিত পৰিস্থিতিৰ উদ্ভৱ হ'ল। টিকট বেচা মানুহজনেও বিমোৰত পৰি এটা কৰ্কশ বিকৃত ভঙ্গী ধাৰণ কৰিলে। অস্থিৰ জনতাই দুকাষৰপৰা ঢলি পৰি অযাচিতভাৱে নানা সমালোচনাত যোগ দিলে। গাভৰুৰ স্বচ্ছ আৰু উজ্জ্বল চকুৰে-মুখে লাজ আৰু অসহায়তাৰ কৰুণ ছবি স্পষ্ট হৈ বিৰিঙি উঠিল। অতল — ঘন — বহল দুয়োটি চকুৰ তাৰকাত বিপদ কাতৰতা আৰু মিনতিৰ নানা চিত্ৰ আৰু কবিতা ইটোৰ পিছত সিটোকে বাগৰি যাবলৈ ধৰিলে।

মই সুদৃঢ়ভাৱে আৰু কাষ চাপি আগবাঢ়ি গ'লোঁ, সম্ভ্ৰমেৰে, সম্মানেৰে, গাভৰুৰ চকুলৈ চাই উপযাচি ক'লোঁ, নিভাঁজ ইংৰাজীৰে — যদি আপুনি অনুমতি দিয়ে, মই আপোনাৰ টকাটো সলাই ল'ব খোজোঁ। মোৰ বিশ্বাস টকাটো অইন ঠাইত চলিবও পাৰে; আৰু নচলিলেও ই এবাৰ নোৱাৰা বিপদত একেবি মাথোন আপোনাৰ সাহায্য হ'ল। ভদ্ৰতাৰ খাতিৰত ই সমাজত সচৰাচৰ চলি থাকে। তাত বেয়া পাবলৈ বা অস্বীকাৰ কৰিবলৈ বোধকৰোঁ আপোনাৰ কোনো হেতু নাই।

গাভৰুৱে সুস্নিগ্ধ দৃষ্টিৰে কৌতূহলত মোৰ চকুলৈ চকু তুলি চালে, শ'লাগসনা সুমধুৰ এটি হাঁহি মাৰি, কোনো কুণ্ঠা নোহোৱাকৈ মোৰ মুখলৈ চাই ক'লে — আপুনি অনুগ্ৰহ কৰি যেতিয়া ইমান বদান্যভাৱে মোক সহায় কৰিবলৈ আগবাঢ়িছে, বোধকৰোঁ তাক উপেক্ষা কৰাটো মোৰ অন্যায় হ'ব। আৰু সঁচা কথা খুলি ক'বলৈ লাজ কি, মই কি কৰিম নকৰিম ভাবি একো উৱাদিহে পোৱা নাছিলোঁ। এয়াৰ মেইলৰ চিঠিকিখন মোৰ আজি নগ'লেই নহয়। আঠা লগোৱা টিকটবোৰ যে মানুহজনে ওভতাই ল'ব, মোৰ বিশ্বাস নহয়। চিঠিবোৰ ইয়াতে এৰি আকৌ যে ঘৰলৈ গৈ টকাটো সলাই আনিম, সিমান পৰিশ্ৰমো কৰিবলৈ টান পাইছোঁ।

গাভৰুৱে অতি পৰিচিতৰ দৰে কথাখিনি কৈ, সুস্নিগ্ধ, সৰল হাঁহিৰেই মোৰ চকুলৈ চাই ৰ'ল। মই সগৰ্বে কাঠগৰাৰ ওপৰত পৰি থকা গাভৰুৰ অচল টকাটো সামৰি লৈ মোৰ নিজৰ মনিবেগৰপৰা সচল টকা এটি উলিয়াই দিলোঁ। আৰু নতুন এটা পৰিচয়ৰ অধিকাৰ

পোৰাৰ দৰে কোনো অনুমতি নোলোৱাকৈয়ে কাঠগৰাৰ ওপৰত সিঁচৰতি হৈ পৰি থকা গাভৰুৰ চিঠিবোৰ নিজে চিঠিৰ খোবোঙত পেলাই দিবলৈ যত্নাই থুপাই থ'লোঁ।

গাভৰুৱে অবিচলিত দৃষ্টিৰে কোনো প্ৰতিবাদ নকৰি অকল মাথোন মোৰ পিনে কৌতূহলেৰে চাই ৰ'ল। মই এখন এখনকৈ গাভৰুৰ প্ৰত্যেকখন চিঠিৰেই টিকটবোৰ পৰ্যবেক্ষণ কৰি মোৰ হাতৰ চিঠিখনৰ কাৰণে বেলেগ টিকট এটা কিনি আনিলোঁ আৰু গাভৰুৰ আগতে মোৰ চিঠিৰ ওপৰত টিকটটো লগাই ঠিকনাটো বহুপৰে যতনেৰে লিখি, আটাইকেউখন চিঠিকেই একেলগে নি খোবোঙত পেলাই দি আহিলোঁগৈ।

ডাকঘৰ এৰি খট্‌খটিৰে আকৌ আলিবাটলৈ উঠি আহোঁতে গাভৰুৱে বিনা সঙ্কোচে মোৰ লগত একেলগে ভৰি মিলাই ওপৰলৈ উঠি আহিল আৰু বাটৰ কাষত থিয় দি উঠি, এবেলি ৰহস্যেৰে হাঁহি মোৰ চকুলৈ চাই সুধিলে — সেই একে নিখুঁত ইংৰাজীত — মই সুধিব পাৰোঁনে, আপুনি অসমীয়া নেকি?

মই বিস্ময়েৰে গাভৰুৰ চকুলৈ চাই হঠাতেই কথাষাৰ শুনি যেন বৈ গ'লোঁ আৰু মোৰ দেহৰ ওপৰত থকা মহাৰ্ঘ বেণকিনৰ ছুটযোৰৰ আৰু সম্পূৰ্ণ চাহাবী সাজটোৰ ওপৰত এবেলি নিৰাশভাৱে দৃষ্টি পেলাই, ভয়ে ভয়ে উত্তৰ দিলোঁ — অৱশ্যে পাৰে। প্ৰকৃততে মই অসমীয়াই। কিন্তু আপুনি সুধিলে কেনেকৈ মই বুজি নোপালোঁ।

গাভৰুৱে নিচেই সৰু ছোৱালী এজনীৰ দৰে মোৰ চকুলৈ চাই, আত্মপ্ৰসাদত কিছুপৰ আপোনমনে হাঁহি ল'লে আৰু সৰু ছোৱালী এজনীৰ দৰেই বিনা সঙ্কোচে মোৰ চকুলৈ চাই হাঁহি হাঁহি কৈ গ'ল। নিভাঁজ সৰল অসমীয়াৰে — সুধিছোঁ এই কাৰণেই যে,ময়ো নিজে অসমীয়া। বোধকৰোঁ মোৰ দেহৰ সাজ-পাৰ দেখি কেতিয়াও সেই বুলি মোক সন্দেহ কৰা নাই। নগাঁৱৰ অসমীয়া খৃষ্টান ছোৱালী। মোৰ নাম মিনি এগুৰুজ বৰুৱা। মোৰ বাইদেউ লৰেটৰ মিষ্ট্ৰেছ্। ময়ো তাতে ছিনিয়ৰ কেম্ব্ৰিজ পঢ়োঁ। আপুনি যালৈ এতিয়া চিঠিখন পোষ্ট কৰিলে, তেওঁক মই অতি সৰুৰেপৰা চিনি পাওঁ। লতিকা মোৰ সৰুৰেপৰা একেলগে খেমালি কৰি ডাঙৰ হোৱা বন্ধু। আজি চাৰিবছৰমান হ'ল মাথোন, নগাঁও এৰি মই বিদেশে-বিদেশে ফুৰিছোঁ। তথাপি মই লতিকাৰ সকলো খবৰ পাওঁ। মই জানো লতিকাৰ অলপতে সিদিনা মাথোন নগাঁৱত বিয়া হৈ গ'ল। কোনোবা এম-বি ডাক্তৰ এজনৰ লগত, তাৰো মই খবৰ পাওঁ। আগেয়ে লতিকাই দুবৰা লিখিছিল। এতিয়া চিঠিত আপুনি বৰুৱা লিখিছে। বোধকৰোঁ, লতিকাৰ দৰাৰ নাম কোনোবা ডাক্তৰ বৰুৱা হ'ব পায়। মোৰ প্ৰথমতে অলপ সন্দেহ হ'লেও শেহলৈ সমূলি নোহোৱা হৈছে। কাৰণ, চিঠিত স্পষ্টকৈ লতিকাৰ দেউতাকৰ নামটো লিখা মই দেখিছোঁ। আৰু তেতিয়াৰে পৰা কথাষাৰ সুধিবলৈ মনটো খু-দুৱাই আছিল। আপুনি নিশ্চয় লতিকাৰ কোনোবা সম্বন্ধৰ মানুহ হ'ব যেন পাইছোঁ।

মই কি ক'ম সতকাই কোনো কথা বিচাৰি নেপাই একেথৰে গাভৰুৰ মুখলৈ ৰ-লাগি চাই ৰ'লোঁ। গাভৰুৱে সেই খট্‌খটিৰ মূৰতে থিয় হৈ, অবিচ্ছেদ্য সুৰৰ অমৃত সুৰমাৰে অনৰ্গল কথাখিনি কৈ গ'ল। মই নিৰ্বাক নিস্পন্দ হৈ গাভৰুৰ চঞ্চল ওঁঠৰ হাঁহিৰ তৰল হিল্লোলখিনি পৰম গভীৰভাৱে উপভোগ কৰিলোঁ মাথোন। আৰু গাভৰুৱে কথা শেষ কৰি কিছুপৰ বোৱাৰ পিছত হাঁহি-ৰগৰ কৰি অলপ ৰহস্যেৰে ক'লোঁ, — পৃথিৱীৰ সকলো ডাঙৰ ঘটনা আকস্মিকভাৱে হোৱাৰ দৰে আপোনাৰ আৰু মোৰ পৰিচয়টোও সম্পূৰ্ণ আকস্মিক। কিন্তু তাৰ ভিতৰত ইমান আত্মীয়তাৰ যোগসূত্ৰ এগছি আছে যেতিয়া, আশা

কৰোঁ এই পৰিচয়ো এদিন আত্মীয়তাত পৰিণত হ'বলৈ সুযোগ পাব। আপোনাৰ ইমান পৰিচিত বাল্যবন্ধু লতিকাৰ মই অকল সম্বন্ধীয়াই নহওঁ, নিচেই ওচৰ সম্বন্ধীয় মানুহ। আৰু আপুনি বোধকৰোঁ শুনি সুখ পাব যে লতিকাইতৰ খিলঙলৈ অহাৰ বন্দবস্ত কৰিবলৈকেই মই আগ ধৰি এইখিনি পাইছোঁহি। সেই বন্দবস্ত আজিলৈকে হৈ উঠা নাই কাৰণেই লতিকাইত এতিয়াও ইয়ালৈ আহিব পৰা নাই।

ক্লাৰ্কছৰ দোকানৰপৰা খিলং টেইলাৰিং; খিলং টেইলাৰিংৰপৰা লালচাঁদ; লালচাঁদৰপৰা ঘোষালৰ ফটোৰ দোকান সকলোতে একেলগে মিনি এণ্ডৰুজৰ লগত গভীৰ আত্মীয়তাৰে সৈতে ফুৰি, লাইটুমখ্ৰালৈ যোৱা চমু বাটেৰে পাহাৰখন পাৰ হৈ আপলেণ্ডৰ ওচৰত যেতিয়া মিনি এণ্ডৰুজক বিদায় দিলোঁ, তেতিয়া গৱৰ্ণমেণ্ট হাউচৰ কাঁহত বাৰটাৰ কোৰ পৰি গৈছে আৰু মূৰৰ ওপৰত বেলিটোও কিছু কিছু ঢোকা হৈ উঠিছে।

অকলে অকলে নিৰ্জন বাটেৰে খোজ কাঢ়ি, জেপৰ অৱশিষ্ট টকিকেইটা চোৱাই গৈ গৈ হঠাতে মোৰ মনটো কিবা এটি অজান বিষাদত বৰ গধুৰ হৈ উঠিল।

মই বৰ বিষণ্ণমনে ভাবিবলৈ ধৰিলোঁ, আচল খাটি ৰূপৰ টকা এটাও সময়ৰ সোঁতত এদিন কিয় হঠাতে অচল হৈ যায়? আৰু যদি হয়েই, মিনি এণ্ডৰুজৰ দৰে এনে এগৰাকী নিৰ্ভীক উন্মুক্তা, শুৱনি, সুঠাম গাভৰুক বিপদত পেলাই অচল হয় কেনেকৈ?

আৰু এসপ্তাহ বাগৰি যায়। কিবা কাৰণত লতিকাইতক খিলঙলৈ মাতি পঠোৱা চিঠিখন খিলঙৰপৰা নাযায়। ঘৰটোৱেও যেন সম্পূৰ্ণ সাজু হৈ অপেক্ষা কৰি থাকে। আগৰদৰেই নিয়মিতভাৱে লতিকালৈ চিঠি যায়। আৰু তাৰ প্ৰত্যুত্তৰো আহে। কিন্তু কিবা কাৰণে খিলঙলৈ অহা কথাবাৰ হঠাতেই যেন তল পৰি যায়।

এপ্ৰিল মাহৰ উজ্জ্বল স্নিগ্ধ এটি ৰাতিপুৱা। চৌহদৰ চাৰিওপিনে ফুলনিবোৰ অফুৰন্ত ৰূপৰ বিচিত্ৰ ফুলেৰে জাতিষ্কাৰ। নিয়ৰৰ টোপালবোৰ তেতিয়াও গছে-পাতে ওলমি আছে। তৰিৰ তলৰ নিমজ দূবৰিৰ ভিজা দলিচাখনি তেতিয়াও ৰ'দ পৰি শুকোৱা নাই।

ফুলনিৰ মাজত বাহিৰত, ৰ'দত পৰা সৰু এখন তেনেষ্ট্ৰৰ টিপ'য় আৰু সন্মুখা-সমুখিকৈ পৰা দুয়ো কাষে দুখন চকী।

মিনি এণ্ডৰুজৰ গাত বগা ফুলৰ পাৰি দিয়া ঘন নীলা ৰঙৰ পাটৰ অসমীয়া সাজ এযোৰ। অতি ঢোকা ৰঙা ৰঙৰ হাত-চুটি এটা ব্লাউজ। তৰিত মেখেলাৰ ৰং মিলাই পিন্ধা বাটাৰ নীলা ৰঙৰ হেণ্ডেল ছু এযোৰ। মূৰত অবাধ্য সোণালী চুলিবোৰ অতি কষ্টেৰে পিন্ মাৰি গাৰ চাদৰৰ আঁচলৰ তলত লুকাই থোৱা। শুভ্ৰ ৰূপৰ টি-পট এটাৰপৰা মোৰ কাৰণে মিনি এণ্ডৰুজে সেউজীয়া বেকলৰডৰ কাপত চাহ ঢালে আৰু নিজে হাতেৰেই চামুচেৰে চেনি ঘুঁটি ঘুঁটি কয় — মানুহৰ পৰিচয়বোৰ জগতত বাস্তৱিকে কেনে অদ্ভুত। সিদিনাৰ সামান্য সেই ডাকঘৰৰ ঘটনা বা দুৰ্ঘটনাটো! তাৰ পিছৰপৰাই ইমান গভীৰ সম্ভ্ৰম আৰু প্ৰীতি। অথচ তাৰ এক মুহূৰ্ত আগলৈকে আমি কোনেও সেই কথাৰ গম নাপাইছিলোঁ।

মই তন্ময়েৰে চাহৰ কাপটো তুলি লওঁ আৰু মিনি এণ্ডৰুজে আগবঢ়াই দিয়া থালখনৰপৰা গুডেটিৰ ক্ৰীম ৰোল এটা তুলি লৈ অতি অন্যমনস্কতাৰে কওঁ — কিন্তু আটাইতকৈ দুখ লাগে এই কাৰণেই যে আমাৰ প্ৰায়বোৰ পৰিচয় জীৱনত অতি অসময়ত ঘটে। সদায় হয় সময়ৰ কিছু আগ, নহয় কিছু পিছ। যেন ইচ্ছা কৰিয়েই জগতত ট্ৰেজেডিবোৰ

ঘটাবলৈ কোনো কুটিল নিয়তিয়ে সদায় অসময়ত আহি আমাৰ পৰিচয়ৰ দৌত্য কৰে।

মিনি এণ্ডৰুজে আবদাৰ কৰি মোৰ কথাৰ জটিলতাৰ প্ৰতিবাদ কৰি কয় যে মই হেনো সদায় কথাত এনেকুৱা অতি দুৰূহ, জটিল। অতি সামান্য কথা এটাকে আঁহ টানি নি দুৰ্বোধ্য জটিলতাৰ মেৰপাকত পেলাবলৈ ভাল পাওঁ। ই অকল মোৰেই নহয়, সমগ্ৰ পুৰুষ জাতিটোৰ এটি বদগুণ।

মই আত্মপ্ৰসাদত হাঁহো। অতি নিৰ্ভীকভাৱে আত্মীয়তাৰ দাবী লৈ মিনি এণ্ডৰুজৰ চকু দুটিৰ সৰল স্বচ্ছ দ্যোতিখিনিলৈ মই একেথৰে চাই থাকোঁ।

এটি জটিল কথা সৰল, স্বচ্ছ, স্পষ্টভাৱে কৈ দিবলৈ প্ৰাণত অদম্য বাসনা ওপজে। কিন্তু সংস্কাৰৰ প্ৰাচীৰত সি বাধা পাই বৈ যায়।

ৰামকৃষ্ণ মিশ্যনৰ কাষেৰে, বিজুলীবাঁহৰ তলে তলে, স্প্ৰেদ্ ঈগল্‌ছ ফল্‌ছলৈ যোৱা লুংলুঙীয়া পাহাৰুৱা ঠেক বাটটো।

টকলা পাহাৰৰ ওপৰত শুদা বাঁহনিৰ বহল পথাৰখন। আকৌ ঘন সৰলৰ শাৰী।

পৰিশ্ৰমত মিনি এণ্ডৰুজৰ চকুৰ তাৰকা দুটি আৰু বেছি স্বচ্ছ হৈ জ্বলি উঠে। নাকৰ পাহ দুটি আৰু বেছি প্ৰস্ফুটিত হয়। গালৰ হেঙুলীয়া আভা আৰু বেছি মনোলোভা হৈ বিৰিঙি পৰে। পুলকত কথাৰ অমৃত নধৰা হয়। গোটেই অঙ্গতে বাসনাৰ প্ৰবল অনলশিখা ধোঁৱাব ধৰে।

দুয়ো গৈ যোৰ পাতি নিজৰাৰ ওপৰত, বহল শিলটোত বহোঁগৈ। মিনি এণ্ডৰুজে ভৰিৰ জোতাযোৰ খুলি নিজৰাৰ পানীত ক্লান্ত, ৰক্তাভ ভৰিৰ আঙুলিকেইটি মেলি দিয়ে আৰু শুভ্ৰ নিপোটল আঙুলিকেইটাৰে পানীৰ ওপৰত ঢৌ তোলে। স্বচ্ছ পানীৰ দাপোণৰ মাজেদি মই সেই শোভা চাই চাই তন্ময় হৈ বহি থাকোঁ।

মিনি এণ্ডৰুজে মোৰ গাত ঢকা মাৰি মোৰ তন্ময়তা ভাঙি দি সোধে — আপুনি কবিৰ দৰে ইমান ভাবে কি?

মই নিজৰাৰ তলৰ কুৰুণ্ডৰ স্থিৰ নিশ্চল দ ঘন ক'লা পানীখিনিলৈ চাই চাই চিত্ৰাবিষ্টৰ দৰে কওঁ — ভাবোঁ, সৌন্দৰ্যই মানুহক ইমান বিহ্বল কৰে কেনৈ, দুৰ্বল কৰে কেনৈ? তাৰ মনৰ লুপ্ত আদিম অবচেতনাবোৰ আকৌ জ্বলাই তোলে কেনৈ? অসীম অপৰিমিত সৌন্দৰ্যৰ আগত মানুহে তাৰ শিক্ষা, সভ্যতা, সংস্কাৰ সকলো পাহৰি গৈ আকৌ সেই আদিম সৃষ্টিৰ প্ৰথম প্ৰভাত উন্মুক্ত নিৰঙ্কুশ মানৱ শিশুটো হ'বলৈ বিচাৰে কেনৈ?

মিনি এণ্ডৰুজে দুষ্টালিভৰা হাঁহিৰে মোৰ চকুলৈ চায় আৰু বেছি ওচৰলৈ গা ঠেলি বহে আৰু সোধে — কেনে লাগে?

মই অনিশ্চয়তাত পৰি সোধোঁ — কি?

মিনি এণ্ডৰুজে সেই একে দুষ্টালিভৰা হাঁহিৰে কয় — নিজৰাৰ তলৰ কুৰুণ্ডৰ পানীখিনি?

মই মিনি এণ্ডৰুজৰ চকুলৈ আবেশভৰা দৃষ্টিৰে চাই কওঁ — অতল স্তব্ধ, ঘন, নিবিড়, মৰ্মস্পৰ্শী।

মিনি এণ্ডৰুজে মোৰ হাতৰ সাৱথি লৈ শেলুৱে-ঢকা, ভিজা শিলৰ কাষে কাষে বগুৱা বাই, টেকীয়াৰ হাবি ভাঙি ভাঙি, জুবিৰ পাৰত আহি থিয় হয়। ভিজা দুবৰিৰ ওপৰত থিয় হৈ ভৰিৰ জোতাযোৰ খুলি পেলাই হাতত লয় আৰু কয় — শুদা ভৰিৰে ভিজা বাঁহৰ

সজীৱ পৰশখিনি বৰ ভাল লাগে। তাত যেন গোটেই শৰীৰকে উতলা কৰি অনা, লঘু কৰি অনা, এটি মাদকতা আছে। সঁচাকৈয়ে জুবিৰ কাষত পানী যুৱলিত গুদা ভৰিৰে খোজ কাঢ়ি কাঢ়ি মিনি এগুৰুজ উতলা হয়, অধীৰা হয়, চঞ্চলা হয়। উলাহতে হাঁহি হাঁহি মোৰ গাত ধৰি বাগৰি পৰে, ভাগৰি পৰে, হালি পৰে, উৰলি পৰে। উৰণীয়া পখিলাৰ পাছে পাছে সৰু ছোৱালীৰ দৰে লৰি যায় আৰু মোকো টানি নিয়ে। চুকি নোপোৱা লতাৰ ফুল আঁজুৰি ছিঙিবলৈ যত্ন কৰে; নোৱাৰিলে মোৰ হতুৱাই ছিঙায়। মূৰণীয়া শিলগুটি কোঁচ ভৰাই বুটলি লয় আৰু মোৰ গালৈ, নহ'লে পানীলৈ দলিয়ায়।

হাঁহি হাঁহি মিনি এগুৰুজে জুবিৰ মাজলৈ শিলৰ ওপৰে ওপৰে লৰি যায়। খোপনি হেৰাই পিছলি পৰিব খুজিলে মোক চিঞৰি মাতে। ওচৰত গৈ থিয় হ'লে, গোটেই গাৰেই ভৰটো দি মোক পেলাব খোজে। মই পৰিব খুজিলে মোক টানি তোলে, হাঁহে, মিছাকৈ ভয়তে চিঞৰে। দুয়ো ধৰাধৰি কৰি কোনো ৰকমে পাৰ হৈ আহোঁ। পৰো পৰোঁকে নপৰি কথমপি বৈ যাওঁ।

ভাগৰি-জুগৰি মিনি এগুৰুজে আহি দীঘল দি থাঁহনিত অৱশ হৈ শুই পৰে। মৰো আবেশত কাষত বহি আশ্ৰয় লওঁ। শুই শুই সৰল গছৰ শুকান পাতবোৰ মিনি এগুৰুজে হাতেৰে গুড়ি কৰি শুঙে। গুড়িবোৰ দুয়োখন হাতৰ মাজত লৈ হাঁহি হাঁহি, মুখেৰে ফু দি বতাহত উৰুৱাই দিয়ে, মোৰ মুখলৈ মাৰি পঠিয়ায়, নিজে নিজে চুলিৰ মাজত সানি লয়। লেতেৰা হোৱা মূৰটো মোৰ কোলাৰ ওপৰত আনি তুলি দিয়ে আৰু চুলিৰ মাজৰপৰা পাতৰ গুড়িবোৰ বাছিবলৈ কয়।

মই বহি বহি মূৰটো কোলাৰ ওপৰত তুলি লৈ বৰ যতনেৰে চুলিবোৰ সিৰিকি-বিদাৰি শুকান পাতৰ গুড়িবোৰ বিচাৰোঁ। মিনি এগুৰুজে একোবেলি বৰ সুস্থিৰে মূৰটো মোৰ কোলাৰ ওপৰত পেলাই থয় আৰু একোবেলি হঠাতে বিদ্ৰোহ কৰি হাঁহি হাঁহি মূৰটো হোঁহোকাই টানি লৈ যায়। কিছুপৰ নিশ্চিতভাৱে চুলিবোৰ টৌৰ দৰে মোৰ কোলাৰ ওপৰত মেলি থয় আৰু কেতিয়াবা আচম্বিতে মূৰটো তুলি আঙুলিৰ মাজৰপৰা চুলিৰ কোছাবোৰ একৰাই নি হাঁহে।

মিনি এগুৰুজৰ চুলিৰ মদিৰ-গন্ধ মোৰ সৰ্বাঙ্গত লাহে লাহে উপচি পৰি মোক মতলীয়া কৰে। মোৰ হাতৰ আঙুলিৰ ভিতৰত নিহিত শক্তিবোৰ সজাগ হৈ উঠে। মোৰ দুয়ো হাতৰ আবেশ বন্ধন ক্ৰমে দৃঢ় হৈ যায়।

হাজাৰ চেষ্টা কৰিও মিনি এগুৰুজে মোৰ দুয়ো হাতৰ কঠিন বান্ধ মোকোলাই আৰু মূৰটো মোৰ কোলাৰপৰা একৰাই নিব নোৱাৰে।

মিনি এগুৰুজে তথাপি হাঁহে, কেৱল হাঁহে। হাঁহি হাঁহি যেন অজান হ'বলৈ বিচাৰে। আউলি-বাউলি হৈ সিঁচৰতি হৈ পৰা চুলিবোৰৰ ফাঁকেদি হাঁহি হাঁহি এবেলি মোৰ চকুলৈ চায় আৰু নাহাঁহিবলৈ চেষ্টা কৰে।

মিনি এগুৰুজৰ মূৰটো জাদ হৈ, ভাগৰি, হাৰ মানি, মোৰ কোলাৰ ওপৰত পৰি থাকে।

মিনিৰ নাকৰ ঘন নিশ্বাসে তপ্ত জুবিৰ পাৰৰ শীতল গধূৰ বতাহখিনিও উতলা কৰি তোলে।

আৰু এসোঁতহ অতিবাহিত হৈ যায়। তথাপি লতিকাইত নাহেে। যেন অন্যাৰ কোনো লক্ষণে একেবাৰে নোহোৱা হয়।

সজোৰা ঘৰটো হতাশ হৈ পৰি থাকে। মই তালৈ যেন লক্ষ্য নকৰি অইন কিবা এটা ভাবোঁ। ভাবোঁ, সদায় সকলো সময়তে ভাবোঁ। উৰ্ধক্ষিপ্ত, উদ্‌ভ্ৰান্ত হৈ ভাবোঁ; কিন্তু তাৰ মীমাংসা যেন মোৰ ভাবনাতে বৈ যায়। কেতিয়াও একো গঢ় ল'ব নোৱাৰে।

মিনি এগুৰুজে সকলো লক্ষ্য কৰে, কৌতূহল দেখুৱায় আৰু সোধে — আপুনি ইমান বিহ্বল হৈ সদায়নো ভাবে কি?

মই পৰাপক্ষত উত্তৰ নিদিওঁ। কিন্তু অগত্যা নিদি নোৱাৰিলে কওঁ — ভাবোঁ লতিকাৰ কথা। তেওঁ অতি সহজতে তাৰ প্ৰতিবাদ কৰে আৰু কয় — কিন্তু আপুনি লতিকাৰ কথা ইমান ভাবিব কিয়? লতিকাৰ কাৰণে বেছিকৈ ভাবিবলৈতো লতিকাৰ স্বামী আছে। আপুনি তেওঁৰ এজন ওচৰ সম্বন্ধীয় মানুহহে।

প্ৰাণৰ ৰুদ্ধ আবেগ যেন বোধি ৰাখিব নোৱাৰি মই হঠাতে কৈ পেলাওঁ — কিন্তু লতিকাৰ স্বামীয়ে বৰ্তমান লতিকাৰ কথা ভাবিবলৈ এৰি দিছে, নাভাবে। তেওঁ অইন এঠাইত প্ৰণয়াবদ্ধ।

মিনিয়ে অতিকৈ কৌতূহল দেখুৱায় কয় — অসম্ভৱ; অস্বাভাৱিক। বিয়াৰ এমাহ পূৰ নৌহওঁতেই এনেকুৱা কথা এটি মই বিশ্বাস কৰিব নোৱাৰোঁ।

মই কথাৰ গুৰুত্ব ৰাখি প্ৰতিবাদ কৰি কওঁ — কিন্তু তথাপি সকলো সম্ভৱপৰ হৈ গৈছে। মই লতিকাৰ স্বামীৰ নিজৰ মনৰ স্বীকাৰোক্তি পাইছোঁ। মই জানো, লতিকাৰ স্বামীৰ অমলিন মনৰ ভিতৰত লতিকাৰ বিয়াৰ আগেয়ে কোনো প্ৰকাৰৰে বিকৃত নাছিল। লতিকাৰ বিয়াৰ এসপ্তাহ পিছলৈকেও তাত সেই একে পবিত্ৰতাই বিৰাজ কৰিছিল।

মিনি এগুৰুজে বেছি উৎসুকতা দেখুৱাই সোধে — তাৰ পিছত?

মই সেই একে সুৰৰ গাম্ভীৰ্য লৈ কওঁ — তাৰ পিছত, অতি অকস্মাতে তেওঁৰ সকলো সজ্ঞানতা, চেষ্টা পুৰুষাৰ্থৰ বিপক্ষেও তেওঁ এগৰাকী অজ্ঞাতা, সম্পূৰ্ণ অপৰিচিতা গাভৰুৰ প্ৰতি আকৃষ্ট হৈ পৰে, এটা আকস্মিক ঘটনাৰ ভিতৰেদি। বেলেগ কুলৰ, বেলেগ ধৰ্মৰ, সম্পূৰ্ণ বিভিন্ন পাৰিপাৰ্শ্বিকতাৰ মাজত প্ৰতিপালিত যুৱতীৰ।

তেনেহ'লে তেওঁ এতিয়া লতিকাক এৰিব বা অৱজ্ঞা কৰিবলৈ বিচাৰিছে? — মিনি এগুৰুজে চিন্তিত হৈ সোধে।

মই সুদৃঢ়ভাৱে উচ্ছ্বাসেৰে কওঁ — বিচৰা নাই আৰু তেওঁ কেতিয়াও নিবিচাৰেও? সেইখিনিতেই তেওঁৰ ভাঙিব নোৱাৰা এটা ডাঙৰ সমস্যা আহি পৰিছে। তেওঁ লতিকাক এতিয়াও আগৰ দৰে সমানে ভাল পায়, স্নেহ কৰে, পুতৌ কৰে। লতিকাৰ প্ৰতি তেওঁৰ মৰম, চিন্তা এতিয়াও এধনিচামানো সলনি হোৱা নাই। সেই কাৰণেই তেওঁ বিচাৰিছে এটি দোমোজাৰ বাট, এটি মাজ সুঁতি, দুটি পৰস্পৰবিৰোধী মনস্তত্ত্বৰ ভিতৰত এটি সুস্থিৰ মীমাংসা।

মিনি এগুৰুজে যেন সমস্যাৰ ভিতৰত অকণো প্ৰৱেশ নকৰাকৈয়ে এনেয়ে কয় — যদি সেয়ে হয়, তেনেহ'লে তাৰ নিষ্পত্তি অতি সহজতে আপোনা-আপুনি ওলাই আছে। প্ৰেম আৰু বৈবাহিক সম্বন্ধ দুটা সদায় পৰস্পৰ বিভিন্ন বস্তু; যদিও আমি সকলো সময়তে ভুলকৈ আৰু বলেৰে দুয়োটিকে একে ঠাইতে আবদ্ধ কৰি ৰাখিব খোজোঁ। লতিকাৰ স্বামীৰ যেতিয়া যদি দুয়োটি ইমান সহজতে আৰু কোনো বিবাদ নোহোৱাকৈ বিভিন্ন হৈ পৰিছে, তেনেহ'লে তেওঁৰ প্ৰকৃত কৰ্তব্য হ'ব, সিহঁত দুয়োটিকে সৌহৃদৰে সদায় কোনো

অন্যায় নকৰাকৈ বিভিন্ন কৰি ৰখা।

মই আবেগেৰে প্ৰতিবাদ কৰি কওঁ — কিন্তু সেইটো যে সম্পূৰ্ণ অসম্ভৱ মিনি। কল্পনাত হ'লেও বাস্তৱত একেটি মন্দিৰত কেতিয়াও দুখনি একে প্ৰতিমাৰ পূজা সম্ভৱপৰ নহয়।

মিনি এগুৱকজে উচ্ছ্বাৰে তত্তালিকে প্ৰত্যুত্তৰ দি কয় — একে মন্দিৰত বুলি আপোনাক ক'লে কোনে? সাধাৰণ দৃষ্টিত আপুনি একে দেখিলেও দুযোটি বস্তুৰে পৰিধি আৰু বৃত্ত সুকীয়া সুকীয়া। গৃহিণী বুলি যাৰ লগত আপোনাৰ সম্বন্ধ তাৰ স্থান অকল আপোনাৰ গৃহৰ মাজত। গৃহ বুলিলে ঠিক যিটো আয়তন উপলব্ধি কৰা যায়, ঠিক তাৰ ভিতৰত। কিন্তু মৰমৰ অধিষ্ঠাত্ৰী আপোনাৰ কি দেৱী, কি বন্ধু, তাৰ পূজাৰ কোনো নিৰ্দিষ্ট স্থান নাই — আপোনাৰ অন্তৰৰ অসীম, অনন্ত মৰমৰ সকলো কেন্দ্ৰত তেওঁ বিয়পি থাকিব।

উচ্ছ্বাসেৰে কথাবাৰ শেষ কৰি মিনি এগুৱকজে হঠাৎ মোৰ চকুলৈ এবেলি চকু তুলি চালে আৰু কিছুপৰ চায়ে লাজত, সঙ্কোচত চকু দুটি নমাই নি জড়িত কণ্ঠেৰে ক'লে — মোক ক্ষমা কৰিব, তৰ্কৰ চলতে ভুল কৰি মই 'আপুনি' বুলি কৈ পেলাইছোঁ। অৱশ্যে আপুনি নহয়। লতিকাৰ স্বামীৰ কথাহে মই কৈছিলোঁ।

বিমূঢ় চিত্তে মই কেৱল মিনি এগুৱকজৰ চকুলৈ একেদৃষ্টিৰে চাই ৰ'লোঁ। অব্যক্ত অন্তৰৰ ব্যথা আৰু বেদনাত মুখৰপৰা এটা কথাও মোৰ সৰি নপৰিল।

আৰু কিছুদিন বাগৰি যায়। মিনি এগুৱকজে যেন আক্ৰোশ কৰি কৰি মোক সদায় অবিৰল অনুৰোধ কৰিবলৈ ধৰে, লতিকাক মাতি পঠিয়াবলৈ। লগতে লতিকাৰ স্বামী আৰু তেওঁৰ বান্ধৱীকো। সদায় মোক তৰ্ক কৰি বুজায়, মই যিটো সমস্যা মীমাংসাৰ অতীত বুলি ভাবিছোঁ, তাক অতি সহজতে তেওঁ সমাধান কৰি দিব পাৰে। অকল তেওঁক লাগে লতিকা, লতিকাৰ স্বামীক আৰু তেওঁৰ বান্ধৱীক।

মই তথাপি বাধা দিওঁ আৰু কওঁ — সি সম্পূৰ্ণ অসম্ভৱ কথা, মিনি। জগতত বহুতে তেনে চেষ্টা কৰিছিল; কিন্তু কোনেও কৃতকাৰ্য হ'ব পৰা নাই। এজন পুৰুষ দুগৰাকী তিৰোতা, দুজন পুৰুষ এগৰাকী তিৰোতা — ইয়েই জগতত আবহমান কালৰপৰা চলি থকা 'চিৰন্তন ত্ৰিভুজ'। চিৰন্তন দিক্-চক্ৰাবালৰ দৰে সদায় আছে আৰু সদায় থাকিবও। বিবাহ-বন্ধ এনে এটা সীমাহীন অনিৰ্দিষ্ট বস্তু যে তাৰ দোহাই দি, বিবাহিত পত্নীয়ে স্বামীৰ ওপৰত বাস্তৱ, কাল্পনিক 'সৰ্বস্বত্বকে' দাবী কৰে। তাৰ এধনিতামানো আন কাকো ক'তো এৰি দিবলৈ সন্মত নহয়। বান্ধৱীৰ বন্ধুত্ব নালাগে বন্ধুৰ বন্ধুত্বও বিবাহিতা পত্নীৰ মনত এটা ঈৰ্ষাৰ বস্তু।

মিনি এগুৱকজে তথাপি হাৰ নামানে আৰু কয় — ঈৰ্ষা আদিম মানুহৰ এটা প্ৰাচীন বিকৃত অনুভূতি। শিক্ষিতা, প্ৰগতিশীলা, আধুনিকা নাৰীয়ে তাৰ অস্তিত্ব অস্বীকাৰ কৰে। তেওঁ জানে, লতিকা শিক্ষিতা, উদাৰ, অতি বহল মনৰ ছোৱালী।

মই পৰাস্ত হৈ কেৱল হাঁহো। মিনি এগুৱকজে তথাপি অনুৰোধ নেৰে।

অগত্যা হাৰ মানি মই হঠাতে এদিন সন্মতি দি পেলাওঁ। মিনি এগুৱকজে আনন্দত অধীৰা হয়!

লতিকা আহে। লগত মোৰ সৰু ভনী ইলা আৰু মাতৃদেৱী। মিনি এগুৱকজে ইচ্ছা

কৰিয়েই নিজে মটৰ ষ্টেশ্যনলৈ আগবঢ়াই আনিবলৈ নাযাওঁ বুলি ক'লে। কাৰণ, সন্ধিয়া হঠাতে আহি ওলাই লতিকাক বিস্মিত কৰা তেওঁৰ অভিপ্ৰায়। মই অকণো তাত বাধা নিদিওঁ। বৰং সন্মুখৰ ডাঙৰ বিপদ এটাৰপৰা ৰক্ষা পৰা যেন পাওঁ। ক্ৰমান্বয়ে মিনি এণ্ডৰুজৰ কথা ভাবোঁতে ভাবোঁতে মোৰ অন্তৰত দুৰ্বলতা আহি পৰে।

লতিকা আহি ঘৰত উঠিয়েই মোক একেবাৰে অতিষ্ঠ কৰি তোলে। বিয়াৰ ঠিক এমাহ পিছৰ মিলন; — বাধাৰ অন্তত ভেটা-ভঙা যৌৱনৰ অফুৰন্ত সম্ভাৰ লৈ মোক বিহ্বল কৰি পেলায়। মোৰ ঘৰত প্ৰথম পদাৰ্পণ কৰিয়েই মোৰ ওপৰত গৃহিণীৰ, সঙ্গিনীৰ মৰম, দৌৰাত্ম্য আৰু কৰ্তৃত্ব চলাবলৈ উন্মুখ হৈ উঠে। লতিকাই সঁচাকৈ এডালি পল্লৱিত লতিকাৰ দৰে মোৰ দেহত মেৰাই নিজৰ সত্তা হেৰুৱাবলৈ সুযোগ বিচাৰি জৰ্জৰিত কৰি তোলে।

মই অকল পলাই ফুৰোঁ, আঁতৰি ফুৰোঁ, ভালকৈ কাষ চাপি যাব নোৱাৰোঁ। অদৃশ্য এটি আত্মাৰ ব্যৱধানে মোৰ বাট ভেটি ধৰে।

লতিকাই সহজ-সৰলভাৱে মুকলি অন্তৰেৰে আহি মোৰ ওচৰত হাবিয়াস কৰি থিয় হয়। মই লুকাই পলাই গৈ মোৰ ড্ৰয়াৰৰ ভিতৰত সুমুৱাই থোৱা মিনি এণ্ডৰুজৰ বাষ্ট ফটোখিনি চাওঁ আৰু ভাবোঁ।

কিন্তু ভাবি ভাবি একো পাৰ নাপাওঁ। শেষ হৈ যোৱা দিনৰ কিৰণশিখালৈ চাই চাই, মিনি এণ্ডৰুজ আহি ওলোৱা ঘটনাটো মনতে কল্পনা কৰি, মই ভয়ত উচুপি উঠোঁ।

সাজৰ এন্ধাৰ লাহে লাহে গঢ়ি আহে। পথৰ ক্লান্তিত, অধীৰ হৈ পৰি আই আৰু ইলাই সোনকালে পাটীৰ আশ্ৰয় লয়গৈ।

দূৰণিত শাৰী শাৰী পাহাৰৰ, বস্তিৰ ওপৰত, সন্ধিয়াৰ দীপাৱিতা জ্বলি উঠে। সৰল গছৰ ঘন বেখা বাতিৰ এন্ধাৰ মহীৰ লগত ক্ৰমে মিহলি হৈ যায়। পাহাৰৰ গায়ে গায়ে বগাই উঠা অকোৰা-পকোৰা সেন্দূৰীয়া আলিবোৰ ক্ৰমে ধোঁৱাৰ লগত অস্পষ্ট হৈ নেদেখা হয়।

খিৰিকীৰ কাষত থিয় হৈ লতিকাই কোনোদিনে নেদেখা সেই নিস্তব্ধ, নিবিড় দৃশ্যলৈ তন্ময় হৈ চাই থাকে। ময়ো কাষতে থিয় হৈ মোৰ নিজৰ চিন্তাৰ মাজত বুৰ গৈ থাকোঁ।

ভাবোঁতে ভাবোঁতে মোৰ মনলৈ এটা দৃঢ়তা আহে আৰু ভৱিষ্যতৰ কাৰণে সাজু হ'বলৈ বুকু ডাঠি লতিকাক মোৰ নিজৰ কোঠালিলৈ আগবঢ়াই নিওঁ আৰু ড্ৰয়াৰ খুলি মিনি এণ্ডৰুজৰ ছবিখনি হাতত দি সোধোঁ — নিশ্চয় এওঁক চিনি পোৱা? তোমাৰ সৰুকালৰপৰা ডাঙৰ বন্ধু বুলি মই অন্ততঃ গম পাওঁ।

লতিকাই ছবিখন হাতত লৈ যথেষ্ট কৌতুক দেখুৱায় আৰু সোধে — কিন্তু আপোনাৰ হাতলৈ ই আহিল কেনেকৈ? মই জানো, আজি চাৰিবছৰ মিনি মাদ্ৰাজত। তাইৰ ডাঙৰ বায়েকৰ লগত।

কৌতূহল অযথা বঢ়াবলৈ চেষ্টা নকৰি মই ৰহস্য ভাঙি দি ক'লোঁ — তেওঁ বৰ্তমানে শ্বিলঙত। আমাৰ ঘৰৰপৰা বেছি দূৰৈত নহয়। আৰু বোধকৰোঁ, এই মুহূৰ্তত তোমাক লগ পাবলৈ এইখিনি ওলাবও পাৰে। তাৰে আগজাননী দিবলৈ মোৰ হাতত ছবিখনি আহে।

মিনি এণ্ডৰুজক ইমান আকস্মিকভাৱে লগ পোৱাৰ আনন্দত লতিকাই মোক কৰিবলগীয়া সকলো প্ৰশ্নই পাহৰি গ'ল। কেৱল উচ্ছ্বসিত হৈ বন্ধুৰ গুণ-গান কৰি ক'লে — মিনিজনী নিৰ্ভীক, পোনপটীয়া আৰু স্বাধীনচিতীয়া ছোৱালী। তাইৰ নিজৰ এটা ব্যক্তিত্ব

বা বিশেষত্ব আছে। পানীৰ দৰে যি পাত্ৰতে থোৱা হয় সেই পাত্ৰৰে গঢ় লোৱা বিধৰ মিনি সাধাৰণ ছোৱালী নহয়।' মিনিৰ লগত বন্ধুত্ব তেওঁৰ অতি সৰু কালৰে। তেওঁ নিশ্চয় জানে, মিনিয়ে কেতিয়াও তেওঁক পাহৰিব নোৱাৰে। তেওঁ অহা খবৰ শুনি কেতিয়াও মিনি নহাকৈ থাকিব নোৱাৰে। যদি সঁচাকৈ তেওঁ মিনিৰ লগ পায়, তেনেহ'লে অতি আনন্দেৰে তেওঁ দিনকেইটা খিলঙত কটাব পাৰিব।

ইচ্ছা থাকিলেও লতিকাৰ উচ্ছ্বাসত মই বাধা দিব নোৱাৰিলোঁ। প্ৰাণৰ উদ্বেলিত আৱেগৰ থৌকি-বাথৌৰপৰা কোনো সংলগ্ন ভাষাৰ বাক্য মোৰ মুখেৰে ফুটি নোলাল। কেৱল অসহায় দৃষ্টিৰে লতিকাৰ চকুত জ্বলি উঠা পুলকৰ বিজুলীখিনিলৈ মই চাই ৰ'লোঁ।

লতিকা বুলি উচ্ছ্বাসত চিঞৰি, ক'ৰবাৰপৰা এছাটি তীব্ৰ বা-মাৰলীৰ দৰে মিনি এগুৰুজে কোঠালিৰ ভিতৰলৈ সোমাই আহিল আৰু ঘৰৰ সকলো পাৰিপাৰ্শ্বিকতাৰ এটা নতুন সলনি আনি বন্ধুৰ ডিঙিত সাৱটি ধৰিলে। লতিকায়ো সেই একে উচ্ছ্বাসত, আনকি মোৰো অস্তিত্বলৈ পাহৰি গৈ, বন্ধুক নিজৰ বুকুলৈ সাদৰি আনিলে আৰু বহুদিনৰ সঞ্চিত মৰম-স্নেহ উজাৰি দিবলৈ চেষ্টা কৰিলে।

মই নিজেও নিজৰ অস্তিত্ব পাহৰি গৈ, সেই দুয়ো বন্ধুৰে সৌহাৰ্দ্য প্ৰীতি, আৱেগ, আনন্দ, ৰগৰ, নিশ্চল শি'লৰ মূৰ্তিৰ দৰে একেথৰে চাই থাকিলোঁ; আৰু বহুপৰ সেইদৰে চাই চাই শি'লৰ মূৰ্তিৰ নিচিনাকৈ এবেলি কঠিন হৈ বহু কষ্টেৰে মাতিলোঁ — মিনি এগুৰুজ!

কেবাবেলিও মোৰ মাত উপেক্ষা কৰি মিনি এগুৰুজে অতি অনিচ্ছাৰে যেন এবেলি মোৰ চকুলৈ চালে আৰু উলাহতে নিচেই সৰু ছোৱালীৰ দৰে, সুৰৰ বিকৃত ভঙ্গী উলিয়াই ক'লে — মিষ্টাৰ চলিহা!

অতি আচৰিত, অদ্ভুত কিবা এটি কথা শুনাৰ দৰে লতিকাই বন্ধুৰ ডিঙিত ধৰি অসংযতভাৱে হাঁহিবলৈ ধৰিলে। আৰু বন্ধুৰ দুয়োটি ওঁঠ হাতেৰে টিপি ধৰি, এটি এটিকৈ ক'বলৈ শিকালে — মিষ্টাৰ চলিহা নহয়, আঁকৰী — ডক্টৰ বৰুৱা, এম. পি বৰুৱা। এম. বি. ডি. পি. এইচ। মোৰ... মোৰ...

মিনি এগুৰুজে অতি দ্বিধাত, সঙ্কোচত, ভীষণ ভয়ে ভয়ে মোৰ চকুলৈ চাই, কষ্টেৰে কথাষাৰ কোনোৰকমে সম্পূৰ্ণ কৰিলে — তোৰ... তোৰ... অৱশ্যে স্বামী।

তাৰ পিছত কিছু চঞ্চলতাৰে, কিছু ব্যস্ততাৰে, কিছু অন্তৰৰ খেলি-মেলিত, লাজেৰে, কুণ্ঠাৰে, বৈ বৈ মোৰ চকুলৈ চাই, হাঁহি হাঁহি ক'লে — ক্ষমা কৰিব ডক্টৰ বৰুৱা। আপোনাৰ নামটো মই ভুলকৈ জানিছিলোঁ। কিন্তু মোৰ নামটো বোধকৰোঁ শুদ্ধকৈ জানে। মই মিনি এগুৰুজ — লতিকাৰ প্ৰিয় বন্ধু। ইচ্ছা কৰিলে আপুনিও বন্ধু বুলি ভাবিব পাৰে।

তাৰ পিছদিনা ৰাতিপুৱা। ফুলনিৰ মাজত সেই ভেনেষ্টাৰ সৰু টিপ'য়খন আৰু সমুখত চাহৰ সৰঞ্জামবোৰ। দূৰত পাহাৰৰ ওপৰত জিলিকি উঠা নতুন সূৰুযৰ কুমলীয়া পোহৰৰ ছাঁ।

লতিকাৰ চকুত তেতিয়াও টোপনিৰ জড়িত আৱেশসনা দুই-এডাল আউল ভঙা চুলি এনি-তেনি চকুৰ ওপৰত বাগৰি পৰি আছে।

লতিকাই মোৰ সমুখত চাহ পৰিবেশন কৰি থয়। মই অনুচ্ছ্বাসেৰে কাপটো নীৰৱে হাতত লওঁ আৰু লাহে লাহে সঙ্কোচেৰে সোধোঁ — মিনিজনী বৰ মুকলিমূৰীয়া সৰৱৰহী ছোৱালী। তুমি নিশ্চয় কালি ইমান আচম্বিতে লগ পাই বৰ সুখ পাইছিলা।

লতিকাৰ উত্তৰ আহে — সুখেই নহয়, পুলকতে নিজকে নিজে পাহৰি গৈছিলোঁ।

খিলঙলৈ আহি যে মিনিক লগ পাম মই সপোনতো নভবা কথা। মই জানিছিলোঁ তাই মাদ্ৰাজতে ইমান দিন আছিল। খিলঙলৈ আহি তাই এবছৰ হ'ল পঢ়িছিল মই তাৰ খবৰকে নাপাইছিলোঁ।

অলপ নীৰৱতা। কাপ, প্লেট, চামুচৰ সজীৱ টুং-ঠাং শব্দ। মই নিজেই সেই নীৰৱতা ভাঙি আকৌ প্ৰশ্ন কৰোঁ — পঢ়িছিল বুলি ক'লা যে? বোধকৰোঁ মিনিয়ে এতিয়াও ইয়াতেই পঢ়ে। অন্ততঃ পঢ়ে বুলিয়েই মই এতিয়ালৈকে জানিছিলোঁ।

লতিকাই উত্তৰ দিলে — পঢ়িলেও আৰু ইয়াত নপঢ়ে বুলি কালি তাই মোক ক'লে। কিবা কাৰণে আকৌ তাই মাদ্ৰাজলৈ যোৱাটোকে ঠিক কৰিবলগীয়া হৈছে হেনো। আজিয়েই তাই খিলং এৰি যোৱাৰ কথা। মাত লগাবলৈ সময় কৰিব নোৱাৰিব বুলি কালি ৰাতিয়েই মোক মাত দি গৈছে।

এইবেলি বহুপৰ ভাঙিব নোৱাৰা গধুৰ নীৰৱতা। আনকি কাপ, প্লেট, চামুচৰ শব্দও জীৰ্ণ হৈ নিস্তব্ধ হয়।

সেই কুণ্ঠিত মৌনতা ভাঙি ময়ে বহু যত্নেৰে আকৌ ক্ষীণ সুৰে কওঁ — তেনেহ'লে মিনিয়ে এবেলি মোক মাত লগাই যোৱা উচিত আছিল। সেই তুমি মোৰ নামটো শুধৰাই দিয়াৰ পিছত, যি তোমাৰ লগত কথা পাতি পাতি ভিতৰ কোঠালিলৈ সোমাই গ'ল, তাৰ পিছত মোৰ লগত আৰু দেখা দেখিয়েই নহ'ল। ময়ো তোমালোকৰ গল্পৰ কিবা বিঘিনি ঘটে বুলি কোনো প্ৰতিবন্ধকতা নজন্মালোঁ। যোৱাৰ সময়ত মিনিয়ে নিশ্চয় মোৰ কথা একো কৈ যোৱা নাই।

লতিকাই মুৰ জোকাৰি ক'লে — নহয়, কৈ গৈছে। আপোনাক ক'বলৈ কৈছে যে তাই যি বিষয় এদিন সম্ভৱপৰ বুলি আপোনাৰ লগত তৰ্ক কৰিছিল, তাই তাত হাৰ মানিছে। আপোনাৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছে আৰু তাৰ বাবে তাইক ক্ষমা কৰিবলৈ অনুৰোধ কৰি গৈছে।

তাৰ বহুদিন পিছৰ কথা। প্ৰাণৰ সকলো উদ্দাম, উত্তেজনা, স্পৃহা কালৰ সোঁতত স্থৱিৰ হৈ আহিছে। জীৱন কোনোৰকমে এটি মন্থৰ গতিত পৰি মন্দাক্ৰান্তা ছন্দত বাগৰি গৈছে। লতিকায়ো লাহে লাহে মোৰ ওপৰত কৰা সহজ কৰ্তৃত্বৰ আনন্দ এৰি দি, চাৰিটি ল'ৰা-ছোৱালীৰ শাসনভাৰত বেছি মনোনিবেশ কৰিছে।

মই তথাপি সেই অচল টকাটিৰ কথা পাহৰিব পৰা নাই।

কেতিয়াবা সময় পালেই তাৰ কথা নীৰৱে মই ভাবোঁ আৰু লতিকাৰ ড্ৰয়াৰৰ ওপৰত থিয় কৰি থোৱা, মিনি এগুৰুজৰ ধোঁৱা লাগি প্ৰায় উৰলি যোৱা বাষ্ট ফটোখনি চাই চাই চিন্তা কৰোঁ, মিনি এগুৰুজে যে এদিন কৈছিল — ঈৰ্ষা আদিম মানৱৰ অতি পুৰণি এটি বিকৃত অনুভূতি। শিক্ষিতা, উদাৰমনা নাৰীয়ে তাক অস্বীকাৰ কৰে — সেই কথাষাৰিত কোনো সত্যতা আছেনে?

কৃষ্ণ ভূঞা

যাদুঘর

যাদুঘৰ

বেৰখনৰ একো নথকা বগা ৰংটোৰ ওপৰৰ পৰা তাৰ তন্ময় চাৱনিটো তুলি আনি অমলে স্থিৰভাৱে মোৰ মুখৰ ওপৰত থৈ ক'লে, "নীহাৰক ভাল পাওঁ নে নাপাওঁ ক'ব নোৱাৰোঁ; কিন্তু কিৰণ, এতিয়াৰ জীৱনৰ দিনবোৰ অহা-যোৱাৰ গতিৰ সূতাডালত অতি কোমল আৰু বেগাতে মৰহি যোৱা হ'লেও নীহাৰৰ কথাবোৰ একো একোপাহ ফুলৰ দৰে মালা কৰি গাঁথি থৈছোঁ। শুকাই যোৱাত মোৰ একো আফচোচ নাই।"

"ছিঃ অমল, তোৰ বিদ্যা-বুদ্ধি, জ্ঞানৰ গৌৰৱখিনি ক'ত ৰাখিলি? তোৰ দৰে এটা মানুহেও যে নীহাৰৰ দৰে এজনী নাৰীৰ ভালপোৱাক আদৰ কৰিবি তাক মই ভাবিবই নোৱাৰোঁ। সঁচাকৈয়ে যদি ভালপোৱাৰ সাৰ্থকতাখিনি উপভোগ কৰিব খুজিছ, তেনে উপযুক্ত এজনী ছোৱালীক তোৰ অন্তৰৰ ভালপোৱা ঢালি দে, তাত মোৰ আপত্তি নাই। কিন্তু নীহাৰৰ দৰে এজনী...।"

অমলে বাধা দি ক'লে,"বুজিছোঁ কিৰণ, মই জানো তাইৰ মৰম-স্নেহবোৰ কৃত্ৰিম, কোৱাভাতুৰীৰ গুটিৰ দৰে বাহিৰখন কেৱল দেখিবলৈ ধুনীয়া। তাই যেতিয়া তাইৰ চকুৰ মৰমসনা চাৱনিটো মোৰ মুখত থৈ মোক ভাল পায় বুলি কয়, মই তেতিয়া তাইৰ কথাত এটা প্ৰৱঞ্চনাৰ আঘাত অনুভৱ কৰোঁ। আলিংগনৰ কাৰণে আগবাঢ়ি অহা তাইৰ হাত দুখনৰ নিজকে পাহৰি যোৱা স্পৰ্শ-সুখৰ মাজতো মই এইটো নাপাহৰোঁ যে মোৰ দৰে আনকো তেনেকৈ বুকুৰ মাজলৈ সাবটি ল'বলৈ তাইৰ সেই হাত দুখনি সংকুচিত নহয়। তথাপি-তথাপি কিৰণ, মই যেন তাৰ কাৰণে অকণো দুখিত নহৈ তাইক ক্ষমা কৰোঁ।"

অমলৰ আবেগসনা কথাখিনি শুনি থাকিবৰ ধৈৰ্য হেৰুৱাই পেলালোঁ। খঙেৰে ক'লোঁ, "বেচ কৰিছ অমল, জানি-শুনিও ধ্বংসৰ বাট বিচাৰি লৈছ। বুজিছোঁ, তোৰ অন্তৰত ভালপোৱা নাই, আছে এটা পিয়াহ। পিয়াহ লগা এটা বনৰীয়া জন্তুৰ দৰে তই নীহাৰক এডোখা পানীৰ দৰে ব্যৱহাৰ কৰিছ। তাৰ বাহিৰে আৰু তাইৰ মাজত তোৰ কাৰণে একো নাই।"

"তাইৰ মাজত মোৰ কাৰণে একো নাই," অধীৰভাৱে অমলে ক'লে, "মই জানো কিৰণ, তাইৰ মাজত মোৰ কাৰণে একো নাই। দূৰলৈ আঁতৰি গৈ মই যেতিয়া তাইৰ ফালে ঘূৰি চাওঁ, তেতিয়া বৰ হতাশ হৈ দেখোঁ, তাই অন্তঃসাৰশূন্য, কিন্তু কেতিয়াবা কেনেবাকৈ

আহি তাইৰ নিচেই ওচৰ পালে দেখোঁ, তাই মোৰ কাৰণে পৰিপূৰ্ণ হৈ আছে।"

"পৰিপূৰ্ণ।... ইমান নীচ তই! ইমান তললৈ নামি গ'লি! বেচ, তই এতিয়া মোৰ ইয়াৰপৰা গুচি যা, তোৰ লগত কথা ক'বলৈ মোৰ ধৈৰ্য নাই — ঘিণ লাগিছে।" বৰ বিৰক্তি আৰু বিতৃষ্ণাৰে চকীখনৰপৰা খপ্ কৰে উঠি আঁতৰি যাব খুজিলোঁ।

অমলো উঠিল। মোৰ মুখলৈ চাই গহীনভাৱে ক'লে, "বেচ কৰিলি কিৰণ, অৱশেষত তয়ো মোক ঘৃণাৰে দূৰলৈ আঁতৰাই দিলি।" সি লাহে লাহে ওলাই গুচি গ'ল।

অমলৰ শেষ কথাটোৰ কঁপনিটো তেতিয়াও বতাহত বাজি আছিল। সি যোৱাৰ পিছত বেয়া লাগিল। বৰ আঘাত পালে সি। মোৰ মৰমৰ অমল, মোৰ বন্ধু অমল — মোৰ ভাইৰ দৰে আপোন কৰি জীৱনৰ কত দিন তাৰ লগত কটাই আছিলোঁ। আৰু আজি তাক হঠাতে এনেকৈ মোৰ কাষৰপৰা তললৈ খহি যোৱা চাই থাকিব পাৰিমনে? সি ভুল কৰিছে, মই তাৰ ভুল ভাঙি দিম। সি বাট বুলি অবাটে যাব ধৰিছে — মোৰ কৰ্তব্য তাক বাট দেখুৱাই দিয়া। সি সোণ বুলি পিতলৰ চাক-চিক্যত ভোল গৈছে, মই তাক বুজাই দিব লাগিব। সি যেতিয়া বুজিব তাৰ ভুল, সি তেতিয়া মোকো বুজিব পাৰিব।

তাকেই ভাবোঁ, মাইকী মানুহৰ সকলো সম্পদৰ মাজত ৰূপটোৱেই জানো শ্ৰেষ্ঠ! নীহাৰ দেখিবলৈ ধুনীয়া — অমলৰ দৰে ময়ো তাইক ধুনীয়া দেখোঁ। কিন্তু শুদা ৰূপৰ ৰহণসনা কাপোৰখনৰ তলত ঢাকি থোৱা নীহাৰৰ কুৎসিত কুৰূপ জীৱনটো দেখিও, সি কিয় আওকাণ কৰে...। য'তে-ত'তে পৰি থকা পাথৰৰ দৰে সহজপ্ৰাপ্য তাইৰ নাৰীত্বখিনি অমলে দুষ্প্ৰাপ্য মুকুতাৰ দৰে কিয় ডিঙিত আঁৰি ল'ব খোজে।

গধূলি ফুৰি ফুৰি অমলৰ ঘৰ পালোঁগৈ। বাতি তেতিয়া দহমান বাজিছে। অমলক দেখি আচৰিত হ'লোঁ। সি সাজি-পাৰি ক'ৰবালৈ যাবলৈ ওলাইছে। মোক দেখি সি হতাশভাৱে মোক বহিবলৈ কৈ নিজেও বহিল।

"ইমান ৰাতি তই কিয় আহিলি কিৰণ?" সি সুধিলে। বুজিলোঁ, সি সেই সময়ত মোক আশা কৰা নাছিল।

"ইমান ৰাতি তই ক'লৈ যাবলৈ ওলাইছ?" তাৰ কথালৈ মন নকৰি মই সুধিলোঁ।

"মোৰ এঠাইত নিমন্ত্ৰণ আছে কিৰণ।"

নিমন্ত্ৰণ বুলি কোৱাত সন্দেহ হ'ল। বুজিলোঁ, ক'লৈ তাৰ নিমন্ত্ৰণ হ'ব পাৰে। মনটোক বলেৰে দমাই ৰাখি ক'লোঁ, "বেচ, মই তেনেহ'লে ভাল সময়তে ওলালোঁহি। ময়ো যাম তোৰ লগতে — মোকো লৈ ব'ল।"

অমলে ধীৰভাৱে হাঁহি ক'লে, "মোৰ নিমন্ত্ৰণ আছে আৰু তই বিনা নিমন্ত্ৰণে...?

"ওঁ, বিনা নিমন্ত্ৰণে — মই বিনা নিমন্ত্ৰণেই যাম।" ভাবিলোঁ, যদি সি নীহাৰৰ ঘৰলৈকে যাবলৈ ওলাইছে, তেন্তে নিশ্চয় মই যাবলৈ ওলালে তাৰ আৰু যোৱা নহ'ব।

"অৱশ্যে কিৰণ, মই য'লৈ যাবলৈ ওলাইছোঁ তালৈ সকলো বিনা নিমন্ত্ৰণেই যায় আৰু নিমন্ত্ৰণ থাকিলেও সি সকলোৰে কাৰণে। তহঁতৰ নিচিনা ভাল মানুহে তাক ঘৃণাৰে আওহেলা কৰিব পৰাটো তহঁতৰ বৈশিষ্ট্য। তই যাব নোৱাৰিবি কিৰণ।"

"তই নীহাৰৰ ঘৰলৈ যাবলৈ ওলাইছ নহয়?" খং প্ৰকাশ নকৰাকৈ চেপা দি ৰাখি সুধিলোঁ।

সি তলালৈ মূৰ কৰি জোতাৰ ফিটা বান্ধিবলৈ ধৰিলে। তাৰ পিছত যাবলৈ ওলায়ো চকীখনৰ পৰা উঠিবৰ কাৰবাৰ নকৰিলে। তাৰ মনৰ কথা বুজিলোঁ।

"মিছাকৈয়ে বহি থাকিলে আৰু কি হ'ব অমল? মই যাম বুলিছোঁ যাম।" দৃঢ় প্ৰতিজ্ঞভাবে কথাষাৰ কৈ মই উঠি আহিলোঁ। নীৰৱে সি মোৰ পিছে পিছে ওলাই আহিল। গেৰেজৰপৰা গাড়ীখন উলিয়াই আনিলে। আমাৰ হাঁচতে দুয়ো বহিলোঁ। ৰাতিৰ আন্ধাৰে ভাব আৰু মৌনতাক বেছি গভীৰ কৰি তুলিলে।

সি নীহাৰৰ ফালে যাবৰ বাট নলৈ আনফালে ঘূৰি-পকি যাবলৈ ধৰিলে। তাৰ উদ্দেশ্য বুজিব নোৱাৰি সুধিলোঁ, "ক'লৈ যাব অমল?"

"তোক ঘৰত থৈ আহোঁগৈ।" গাড়ীখনৰ গতি অলপ ধীৰ কৰি সি ক'লে।

তেতিয়া মাত্ৰ এটা কথা মনত স্পষ্টভাৱে আছিল যে আজি কেতিয়াও তাক অকলে যাবলৈ এৰি নিদিওঁ। তৰ্ক-যুক্তিলৈ অপেক্ষা নকৰি ক'লোঁ, "ওহোঁ, সেইটো হ'ব নোৱাৰে ভাই, তই য'লৈ যাব মোকো লৈ ব'ল।"

"তই নীহাৰৰ ঘৰলৈ ঠিক যাবি কিবল?" জোৰ দি সি সুধিলে।

"নিশ্চয় যাম।" মই ক'লোঁ।

ঘূৰি-পকি আহি এটা ৰাজআলিৰ ঘূৰণিত (turning) থকা এটা বিজুলী চাকিৰ তীব্ৰ পোহৰত চকু পৰিল। চাকিৰ পোহৰত আলিৰ মূৰটো কিছু দূৰলৈকে পোহৰ হৈ আছে, যেন সেই বাটেদি যাবলৈ পোহৰখিনিয়ে মানুহক নিলাজভাৱে নিমন্ত্ৰণ কৰিছে। সেইপিনেই অমলে ষ্টিয়াৰিং ঘূৰাই দিলে। মনত হ'ল যেন মটৰখন এতিয়া আপোনা-আপুনি ঘূৰি আহি আকৌ অহা বাটেদিয়েই যাব। কিন্তু চাকিৰ পোহৰত ইঞ্জিনটোৰ ওপৰখন কেইবাৰমান চিক্‌চিক্ কৰি সেই বাটেদিয়েই সোমাই গ'ল। বাটেদি দুই-চাৰিটা মানুহ অহা-যোৱা কৰিছিল। মটৰৰ জোৰ পোহৰত সিহঁতৰ মুখবোৰ জিলিকি পৰিছিল। সেই মানুহবোৰে যেন পোহৰৰ মাজৰপৰা মটৰৰ আন্ধাৰ ভিতৰখনত আমাৰ মুখলৈ তীক্ষ্ণ দৃষ্টিৰে চাই অসভ্য হাঁহিৰে হাঁহি গ'ল। অমলৰ চুলিকোছাত ধৰি তাক আঁতৰাই দি মই নিজে ষ্টিয়াৰিং ধৰি সেই বাটেদি গাড়ী চলাবৰ মন গ'ল। কিন্তু বহুত যে আহিলোঁ। তেন্তে সঁচাকৈয়ে মযো নীহাৰৰ ঘৰলৈকে আহিলোঁ নেকি? অমলক কিবা এটা ক'ম ক'ম বুলি ভাবোঁতেই গাড়ীখন আহি নীহাৰৰ ঘৰৰ সন্মুখত ৰ'ল। ষ্টাৰ্ট বন্ধ নকৰাকৈ অমলে নামি ক'লে, "তই এতিয়া গাড়ী লৈ উভতি যা কিবল।"

কিবা এটা ক'বৰ চেষ্টা কৰিও ক'ব নোৱাৰি গাড়ীখনৰ ষ্টাৰ্ট বন্ধ কৰি মযো নামিলোঁ। আন্ধাৰত অমলৰ একেবাৰেই ওচৰ চাপি গৈ তাৰ গাত হাত দি ক'লোঁ, "মযো যাম অমল।" সি একো নক'লে। মটৰ গাড়ীৰ লোহাৰ ইঞ্জিনটোৰ দৰেই আমাক ভৰি দুখনে টানি আনি একেবাৰেই নীহাৰৰ কোঠালিৰ ভিতৰ পোৱালেহি।

দুয়োজনকে বহিবলৈ দিলে। অমলক ফ্ৰেকাখনত বহি লোৱা দেখি মযো কেনেবাকৈ বহিলোঁ। তাই যেনৰ ভুইচটো টিপি দি আমাৰ আগতে বহিলাহি। কিবৃকিবকৈ কলা কেনখনৰ বতাহে শৰীৰৰ তীব্ৰ উত্তাপখিনিৰ অকণো কমাব নোৱাৰিলে।

"এওঁ কোন?"

তাইৰ কোমল মাত আমাৰত চক্ খাই উঠি মুখৰপৰা যাম যোচা কমালখন গুচাই

তাইৰ মুখলৈ চালোঁ। তাই তাইৰ আচৰিত ধুনীয়া চকুৰ চাৱনিটো মোৰ মুখত কিবা ৰকমে থৈ অমলক সুধিছে।

"এওঁ মোৰ বন্ধু, মোৰ একমাত্ৰ মৰমৰ বন্ধু, যাৰ কথা মই তোমাক মাজে-সময়ে ক'বলগা হয়।"

"নমস্কাৰ, মোৰ বৰ সৌভাগ্য যে মোৰ ঘৰত ভৰিৰ ধূলি দি মোক কৃতাৰ্থ কৰিলে।"

মোৰ ইচ্ছা-অনিচ্ছালৈ অপেক্ষা নকৰি হাত দুখনৰ সিৰবোৰ আপোনা-আপুনি কোঁচ খাই হাত দুখন কপালত উঠি তাইক প্ৰতি নমস্কাৰ জনালে। এটা কথাও ক'ব নোৱাৰিলোঁ।

অমল আৰু নীহাৰে কথা পাতিছে। অমলে ক'লে, "চোৱা নীহাৰ, মোৰ বন্ধু আহিছে, তোমাৰ কেইটামান গান শুনিবলৈ।"

গান শুনিবলৈ মই নাই অহা বুলি ক'ব খুজিছিলোঁ। পিছে কি কৰিবলৈ আহিছোঁ তাক নাজানো...।

"অ' হয় নেকি, আপুনি মোৰ গান শুনিবলৈ আহিছে?" নীহাৰে আগৰ দৰেই মোৰ মুখলৈ চাই ক'লে। অমলৰ চকু দুটাও মোৰ ওপৰত।

"হয়" বুলি কৈ মাতটোৰ অস্বাভাৱিকতাত নিজেই আচৰিত হৈ শুনিলোঁ যেন সেই কথাটো মই নকৈ মোৰ ভিতৰৰ পৰা আন কোনোবাই কৈ দিলে।

"মই বৰ সুখী হ'লোঁ, কিন্তু মই বিশেষ ভাল গাব নাজানো। আপোনাক যে সন্তুষ্ট কৰিব পাৰিম সেই বিষয়ে সন্দেহ। বাৰু চেষ্টা কৰি চাওঁ।"

তাই গৈ অৰ্গেনৰ আগত বহিল।

তাই আঁতৰি যোৱাত কোঠালিটোৰ চাৰিওফালে এবাৰ চাবলৈ সুবিধা পালোঁ। 'ফ্লাৱাৰ-ভেছ'ত আমাৰ দৰেই ফুল থৈছে — টেবুলত আমাৰ দৰেই টেবুল ক্লথ; ড্ৰেছিং টেবুলত প্ৰসাধনৰ বস্তু। পালেং, বিছনা সকলো আমাৰ দৰেই। আমাৰ দৰেই ইইতো থাকে। নীহাৰৰ ওপৰত চকু পৰিল। তাই গান গাইছে, ধুনীয়াকৈ কাপোৰ-কানি পিন্ধিছে, মূৰ আঁচুৰিছে, অলঙ্কাৰ পিন্ধিছে... আন জীৱোতা মানুহৰ দৰে। তথাপি যেন মই কাহানিও সম্ভেদ নোপোৱা ক'ৰবাৰ কিবা এটা অভিনৱ যাদুঘৰত সোমাইছোঁহি।

তাইৰ গানৰ সুৰ উঠি-নামি গোটেই বিয়পি পৰিছিল। নিস্তব্ধ নিশা তাইৰ ভৈৰৱী গানৰ সুৰ বাজি উঠি বাহিৰৰ আন্ধাৰত মিলি গৈছে। তাই আপোন মনে গাইছে — বিজুলী চাকিৰ পোহৰত তাইৰ মুখখন জিলিকি পৰিছে। মূৰৰ চুলিত তাইৰ সুৰৰ ঢৌবোৰ নাচি ফুৰিছে; কপালত, চকুত সুৰৰ কঁপনি ফুটি উঠিছে। ওঁঠত, ডিঙিত সুৰৰ অধীৰতা, চকুত সুৰৰ আবেশ, যেন গোটেই দুনিয়াৰ সুৰ-মাধুৰী তাই টানি আনি তাইৰ গোটেই দেহত সানি লৈছে।

তাইৰ গান বন্ধ হ'ল। অমলে তাৰ তন্দ্ৰালসৰ দৰে চকু দুটা মেলি ক'লে, "আৰু এটা নীহাৰ, বৰ ভাল লাগিছে।"

আকৌ তাই গালে। সকলো পাহৰি শুনি থাকিলোঁ। গান শেষ হ'লত অমলে তাৰ হাত-ঘড়ীটোলৈ চাই ক'লে, "যাওঁ কিবল।"

বাহিৰ ওলাই দেখিলোঁ, বাহিৰৰ বতাহ সহ্য কৰিবলৈ শৰীৰৰ শক্তিখিনি হেৰুৱাই

পেলালোঁ। লবালৰিকৈ মটৰৰ পিছৰ ছীটত বহিলোঁ — কিজানি অমলৰ ওচৰত বহিলে মোৰ দুৰ্বলতাখিনিৰ সি কিবা গম পায়। মাজতে এবাৰ অমলে সুধিলে, "নীহাৰে খুব ভাল গান গায়, নহয়নে?"

সৰুকৈ এটা 'হুঁ' বুলি চকু মুদি বহিলোঁ। ৰাজবাটৰ বিজুলী চাকিবোৰে চকুত জুয়ে পোৰাদি পুৰিছিল।

নিজৰ ওপৰত যথেষ্ট বিশ্বাস আছে। প্ৰথম দিনা বাদ দি আৰু তিনিদিন মই অমলৰ লগত নীহাৰৰ ঘৰলৈ গৈছোঁ। হয়তো অমলে ভাবিছে, ময়ো তাৰ পথৰ পথিক হ'ব খুজিছোঁ। সি ভয় কৰিছে। কিন্তু যেতিয়া শেষলৈকে সি নিজ চকুৰে দেখিব, তেতিয়াহে বুজিব। অমলক সেই পথৰপৰা ঘূৰাই আনিবই লাগিব। তাৰ ছাঁটোৰ দৰে তাৰ পিছে পিছে ফুৰিব লাগিব। মই তাৰ লগত থকাৰ কাৰণে শেষত গৈ তাৰ আৰু নীহাৰৰ মাজত গানৰ সম্বন্ধটোহে থাকিব।

এদিন নিশ্চয় নীহাৰে মোকো ভাল পাবলৈ বিচাৰিব, সেইদিনা তাই বুজিব নাৰীৰ নাৰীত্বৰ দৰে পুৰুষত্বও কিমান দুষ্প্ৰাপ্য। আৰু বুজিব পাৰিব, যদি তাইৰ হেৰুৱাই পেলোৱাখিনিৰ কাৰণে অনুশোচনা কৰে — যদি তাই আঘাত পাই তাইৰ জীৱনৰ গতিটোকে নতুন পথেদি ফিৰাই দিয়ে, সেইদিনা মোৰ জয়ৰ আনন্দ। অমল আৰু নীহাৰ দুয়োজন তেতিয়া পৰাজিত।

নীহাৰজনী ইমান ধুনীয়া দেখিবলৈ — ইমান সুন্দৰ...। ইমান সুন্দৰ গান গায় — ইমান মিঠা মাতেৰে কথা কয় — ইমান ভাল তাইৰ ব্যৱহাৰবোৰ। কেতিয়াবা পাহৰিয়েই যাওঁ, তাইৰ সকলো থকাতো কি নাই। জগতৰ আনবোৰ তিৰোতা মানুহৰ দৰে হৈও কোনখিনিত তাইৰ প্ৰভেদ। কিয় বাছি ল'লে তাই জীৱনৰ এই হেয় অসুন্দৰ কুৰূপ ছলনাটো। পানীৰ ফেনৰ দৰে কিয় তাই তাইৰ ভাল মানুহ হোৱাৰ সাৰ্থকতাখিনি লোকৰ ইচ্ছাৰ সোঁতত উটি যাবলৈ দিলে...। কি হৈ থাকিবৰ, কি পাবৰ আশাই তাইক সেইপিনে টানি নিলে।

আচৰিত হওঁ ভাবি, কোনখিনিত তাইৰ জীৱনৰ সাৰ্থকতা — কোনখিনিত তাইৰ জীয়াই থকাৰ আৱশ্যকতা। সমাজে বিচাৰ কৰিব, দুনিয়াই বিচাৰ কৰিব বাহিৰত স্পষ্টভাৱে ওলাই থকা তাইৰ জীৱনৰ আন্ধাৰ ফালটো। মানুহৰ অনাদৰ-আওহেলাৰ মাজতে থাকি তাই তাইৰ জীৱনৰ সাৰ্থকতাখিনি ক'ত বিচাৰি পাব?

জীৱন...! বোধকৰোঁ তাইৰ জীৱন বোলা এটা বস্তু নাই। হয়তো পশুৰ দৰে তাই জীয়াই আছে, কেৱল নিজৰ কাৰণে। তথাপি তাই তেনেকৈ থাকিও মানুহৰে ভাল-বেয়াৰ হিচাবৰ মাজত সোমাই মানুহ বুলি পৰিচয় দিব পাৰিছে।

মানুহে তাইক মানুহ বুলিয়েই ক্ষমা নকৰে। মানুহৰ ধৰা-বন্ধা নিয়ম নমনাতে তাইৰ দোষ; কিন্তু তাই নিজৰ কাৰণে যিবোৰ নিয়ম বান্ধি থৈছে, সেইবোৰ আনে মানি নলয়। যেন তাইৰখিনি বাদ দি আনবোৰ মানুহৰ নিয়মবোৰহে চিৰন্তন নিয়ম। যেন মানুহতকৈও আগ সেইবোৰ নিয়ম।

নিয়ম আগ নে মানুহ আগ? নিয়মে মানুহ চলাব নে মানুহে নিয়ম চলাব? সদায় এনেকৈয়ে চলি অহা নাই। চিৰকালতো এনেকৈ চলি নাথাকে। হয়তো এনে এদিন আছিল,

হয়তো এনে এদিন আহিব, যিদিনা মানুহে তাইৰবোৰেই সৰ্বোৎকৃষ্ট নিয়ম বুলি মানিব। সেইদিনা হয়তো ভাল মানুহৰ মাজত তাই সৰ্বোচ্চ স্থান অধিকাৰ কৰি ল'ব।

হঠাৎ অমলক অহা দেখি মনলৈ কিবা এটা অৰ্থহীন আনন্দৰ পুলক আহিল। যদি অমলে আজিও নীহাৰৰ ঘৰলৈকে যাবলৈ মোক লগ ধৰিবলৈ আহিছে!

মৰমৰ অমলৰ মংগলৰ কাৰণে বেয়াৰ মাজত সোমায়ো যদি কিবা এটা ভাল বস্তু হেৰাই পাওঁ তাক বুটলি লোৱাত মোৰ কি দোষ হ'ব পাৰে! নীহাৰৰপৰা আঁতৰে আঁতৰে থাকি তাইৰ মধুৰ গানৰ আৰামখিনি উপভোগ কৰাত মোৰ কি ক্ষতি হ'ব পাৰে!

অমলক বহিবলৈ দি সুধিলোঁ, "কি অমল, নীহাৰৰ ঘৰলৈকে যাবলৈ আহিলি নেকি?"

"পাহৰিয়েই আছিলোঁ নীহাৰৰ কথা। যাবৰ ইচ্ছা নাই কিৰণ। মই এনেয়েহে তোৰ ওচৰলৈ আহিছোঁ।" অমলে ক'লে।

"তোৰ ইচ্ছা নাই? তোৰ যে সমস্ত ইচ্ছা নৈৰ সোঁতৰ দৰে নীহাৰৰ অভিমুখে ব'ব লাগিছে, তাক মই বেচ জানো। মোক তই কি ফাঁকি দিবি ভাই।"

অমলে সহজভাৱে ক'লে, "তই মোক কি বুলি ভাবিছ কিৰণ। মইতো ভাই এতিয়াও মোৰ ইচ্ছা শক্তিটোক নীহাৰৰ গোলাম হ'বলৈ দিয়া নাই যে তাই যেনি ইচ্ছা তেনি চলাব। সেই কাৰণে যদিও আজি নীহাৰক সমাদৰ কৰি বুকুৰ মাজলৈ টানি লৈছোঁ, হয়তো ইচ্ছা হ'লে কাইলৈ অনাদৰ আৰু অবহেলাৰে তাইক ভৰিৰ তললৈ ঠেলি পেলাবও পাৰোঁ।"

"এয়ে তোৰ ভালপোৱা নহয়? ইমান নিষ্ঠুৰ তই!" অমলৰ কথাত আচৰিত হৈ কৈ পেলালোঁ।

অমলে মোক ঠাট্টা কৰাৰ ছলেৰে হাঁহি ক'লে, "ভালপোৱা! বৰ হুঁচৰালি কিৰণ তই। কেলেই তয়েচোন এদিন মোক কৈছিলি নীহাৰক ভালপোৱা মোৰ অন্যায় কাম। আৰু আজিচোন তয়ে আকৌ দাবোৱান বেশেৰে তাইৰ ভালপোৱাৰ দুৱাৰমুখত হাজিৰ।"

"নহয় ভাই অমল, সঁচাকৈয়ে তই যদি অনাদৰ আৰু অবহেলাৰে নীহাৰক বাদ দিব পাৰ, সি বেচ কথা। তেতিয়া তোৰ মংগল। কিন্তু ভাবিছোঁ ভাই তায়োতো এজনী মানুহ, বৰং কোমল প্ৰাণৰ তিৰোতা মানুহহে। তাইতো এটা ফুটবল নহয় যে মানুহে মূৰে-ভৰিয়ে তলে-ওপৰে তাইক গুৰিয়াই-লথিয়াই ফুৰিব।" ভাবিলোঁ মোৰ কথাত আবেগ নাছিল।

"তই যে বৰ নতুন কথা ক'লি। তাইৰ কাৰণে তোৰ আজি ইমান দৰদ কিহৰ? ভুলতে যেনিবা সোণ বুলি পিতলকে তুলি লৈ এতিয়া আচল ৰূপ চিনিব পাৰি দলিয়াই পেলাব খুজিছোঁ। তাত আকৌ তোৰ কি আপত্তি থাকিব পাৰে?"

"মোৰ একো আপত্তি নাথাকিলহেঁতেন অমল, যদি নীহাৰ পিতলৰ দৰে এটুকুৰা নিস্পন্দ পিতলেই হ'লহেঁতেন। তাইকতো তেনেকৈ দলিয়াই পেলোৱাটো বৰ সহজ কাম নহয়।"

"বুজিছোঁ কিৰণ, বুজিছোঁ; কিন্তু এটা কথা, কেতিয়াবা যদি মই নীহাৰৰ ঘৰলৈ যাওঁ তই আৰু মোৰ লগত যাব নোৱাৰ।" মোৰ ওপৰত অবিশ্বাস কৰি কিজানি সি ক'লে।

"কিয়, মই গ'লে তোৰ অসুবিধা হয় কাৰণে? মই যামেই — যাবই লাগিব।" কথাষাৰ কৈ মোৰ অলপ বেয়া লাগিল, মোৰ সজ উদ্দেশ্যটো সি নাজানে।

"সেই বাটেদি তোক আৰু আগবাঢ়িবলৈ দিব নোৱাৰোঁ কিৰণ।"

"বাঃ, তই আজি আকৌ মোক বাট দেখুৱাবলৈ আহিছ। মোক ভুল নুবুজিবি অমল — মই সেই আন্ধাৰ আৰু ভয়াবহ বাটৰ তোৰ লগৰীয়া। তোক মই অকলে যাবলৈ এৰি দিব নোৱাৰোঁ।"

"তই মোক বৰ ভাল পাব, মই জানো ভাই। সেই কাৰণেই তই মোক অকলে এৰি দিবলৈ ভয় কৰিছ। মই বুজিছোঁ। কিন্তু ভাই, সেই পথটো বৰ নিৰাপদ নহয় — হয়তো দুয়োজনেই পথভ্ৰষ্ট হৈ পৰিম। সেই কাৰণে কিৰণ, মই আৰু সেই পথ এৰিবলৈ বাধ্য হ'লোঁ।" অতি গহীনভাৱে সি কথাবোৰ কৈ গ'ল।

"কি — ইমান সহজে তই নিজক নীহাৰৰ মাজৰপৰা মুক্ত কৰিব পাৰিবি?" আচৰিত হৈ মই সুধিলোঁ।

"খুব পাৰিম কিৰণ, আজি এই মনৰ অৱস্থা যিমান পৰ, যিমান দিন থাকিব, সিমান সময় পাৰিম, মই তোক নিশ্চিতভাৱে কৈছোঁ।"

সেই পথেদি নোযোৱাকৈ থকাটো খুব সহজ, কিন্তু গৈ আধা বাটৰপৰা ঘূৰি অহাটো ভয়ানক টান। অমলে মোক প্ৰবঞ্চনাকে কৰিলে নেকি? মোৰ আগত নাযাওঁ বুলি ফাঁকি দি সি মোক এৰি অকলে যাবলৈ বুদ্ধি কৰিলে। বৰ বেয়া লাগিল। ইমান নীচ হ'ব পাৰিলে সি। শেষত মোক ফাঁকি দিবলৈকো সি কুণ্ঠিত নহ'ল...। অমলৰ দৃঢ় প্ৰতিজ্ঞ মুখখনলৈ চাই চাই ভাবিছিলোঁ, তাক খুব সহজে জয় কৰিব পাৰিলোঁ। অন্তৰখন তাৰ বৰ ওখ। কিন্তু সি যোৱাৰ পিছতহে বুজিলোঁ, সি মোক ফাঁকি দি গ'ল।

ভাবিলোঁ যদি মনে মনে গৈ তাক নীহাৰৰ ঘৰত ধৰা পেলাব পাৰোঁ। ঠিক হ'ব — খুব ভাল হ'ব, তাৰ মংগলৰ কাৰণে এয়ে মোৰ শেষ চেষ্টা।

বাহিৰ ওলাই মনটো কিবা কিবা লাগিল। কেতিয়াও তেনে উদ্দেশ্যেৰে অকলে বাহিৰ ওলোৱা নাছিলোঁ। ৰাতি যথেষ্ট হৈছিল। আকাশৰ শেঁতা তৰাবোৰে আৰু অসম্পূৰ্ণ জোনটোৱে বিৰাট অন্ধকাৰক পোহৰাবলৈ মিছা চেষ্টা কৰিছিল। আন্ধাৰেই ভাল লাগিল। অন্তৰত এটা মহৎ উদ্দেশ্যেৰে যদিও ওলাইছিলোঁ তথাপি কিয় জানো মানুহৰ চকুৰ আঁতৰে আঁতৰে আন্ধাৰৰ মাজতে নিজক লুকাই থৈ যাবলৈ বৰ মন গৈছিল। যাওঁ-নাযাওঁকৈ কেনেবাকৈ গৈ নীহাৰৰ ঘৰৰ মুখ পালোঁগৈ। এবাৰ তাৰেপৰা উভতি আহিব খুজিলোঁ। কিন্তু মনত পৰিল অমললৈ। অমলক মাজত সুমাই তাইৰ সৰু ঘৰটো এটা প্ৰকাণ্ড কাৰাগাৰৰ দৰে মোৰ চকুত পৰিল। অলপ বৈ শুনিলোঁ, বতাহত যেন নীহাৰৰ প্ৰাণ মাতোৱাৰ কৰা স্নিগ্ধ গানৰ সুৰ বিৰিপি পৰিছে।

দুৱাৰত হাত দিলোঁ — দুৱাৰ মেলি দিলে। নীহাৰৰ ওচৰ পালোঁগৈ। নীহাৰত চকু পৰিল... চাৰিওকালে চালোঁ, অমল নাই। অমল তেনে নাই অহা? পালেঙৰ ওপৰত সুকোমল বিছনাত নীহাৰ আধাশোৱা অৱস্থাত পৰি আছে। মোক দেখি উঠি আহিবৰ কোনো প্ৰয়াস নকৰি তাৰেপৰা ব্যস্তভাৱে তাই ক'লে, "অ' আপুনি, আহক, আজি কি বুলিনো আমালৈ মনত পৰিল?"

তাইৰ কথাৰ উত্তৰ দিবলৈ পাহৰি সুধিলোঁ, "অমল আপোনাৰ ইয়ালৈ অহা নাই?"

তাই তাইৰ ধুনীয়া মুখখন মোৰ আটাইখিনি দৃষ্টিশক্তিৰ মাজত থৈ ক'লে, "তেওঁ

দেখোন আজি ভালে দিন এইফালে অহা নাই।"

"অ' হয় নেকি? বাৰু মই তেনে আহোঁ" বুলি আহিবৰ কোনো উদ্যোগ নকৰি অবাক হৈ চাই থাকিলোঁ বিছনাখনত অযত্নেৰে পৰি থকা তাইৰ দেহটো।

"আও! যায়েইনে? যদি আজি অকলে আহি মোক কৃতাৰ্থ কৰিলে তেনে অকণমান পৰ বহি গ'লে সন্তোষ পাম।" তাতকৈ মিঠা মাত মাতিবৰ আৰু শক্তি কিজানি তাইৰ নাছিল। আগেয়ে গমেই পোৱা নাছিলোঁ যে তাইৰ এটা সামান্য মিঠা অনুৰোধ ৰক্ষা নকৰিবৰ কাৰণে মোৰ মনত জোৰ নাই। জোৰ দি ক'লোঁ, "মই যাওঁ নীহাৰ, মোৰ কাম আছে। মই অমলক বিচাৰিহে আহিছিলোঁ।" ক'ব নোৱাৰোঁ কথাষাৰ তাই শুনিলে নে নাই।

"বুজিলোঁ, আপুনি মোক ঘিণ কৰে। নহ'লে অলপ সময় বহি এটা গান শুনি যোৱাত আপোনাৰ কি আপত্তি থাকিব পাৰে।" বৰ করুণ সুৰেৰে তাই ক'লে।

"তোমাক মই ঘিণ কৰিম" বুলি ক'ব খুজিও সাৱধানে থাকিলোঁ। "মোৰ একো আপত্তি নাই নীহাৰ, পিছে মই সোনকালে যাব লাগিব।"

"বেচ। বৰ সন্তোষ পালোঁ — বহক তেন্তে।" পালেংখনৰ এদাঁতিলৈ আঁতৰি গৈ মোক আন দাঁতিত বহিবলৈ তাইৰ চকু দুটাৰে ইংগিত দিলে। গোটেই দেহৰ তেজসোপা যেন মূৰৰ ওপৰলৈ উঠি আহিব ধৰিলে। কিছু দূৰত চকী এখন নিস্পন্দ হৈ পৰি আছিল। সিমান দূৰ খোজ কাঢ়ি গৈ বহিবলৈ মোৰ ভৰি দুখন অকৰ্মণ্য হৈ পৰিল। মাত্ৰ যেতিয়া আয়নাখনত নিজৰ ছবিটো দেখিলোঁ তেতিয়াহে বুজিলোঁ, মই নীৰৱে ক'ব নোৱাৰাকৈয়ে নীহাৰৰ পালেঙৰ এচুকত বহি পেলাইছোঁ। বিছনাত এছৰাজখন পৰি আছিল, তাই হাতত তুলি ল'লে, কিন্তু গান গাবৰ কোনো চেষ্টা নকৰিলে। মাত্ৰ বুকুৰ মাজত এছৰাজখন সাৱটি ধৰি আচৰিতভাৱে মোৰ মুখলৈ চাই থাকিল যেন মইহে তাইক কিবা এটা শুনাব লাগে।

কাহানিও নীহাৰৰ ইমান ওচৰলৈ আহি পোৱা নাছিলোঁ। দূৰৈৰপৰা নীহাৰৰ ৰূপ বহুত দিন দেখিছোঁ, কিন্তু ইমান ওচৰৰ পৰা তাইৰ গোটেই দেহৰ সামান্য ওখ-চাপৰ অকণবো তাৰতম্য ইমান স্পষ্টভাৱে চোৱাৰ সুবিধা কাহানিও পোৱা নাছিলোঁ। চাকিৰ নীলা বাল্বটো আগেয়ে তাত আছিল নে নাই ক'ব নোৱাৰোঁ। নীলা পোহৰটোৱে তাইৰ সু-সজ্জিত দেহৰ ওপৰত কমনীয় বৰ্ণ এটি সানি দিছিল। ডিঙিৰ মণিবোৰত, হাতৰ বালাবোৰত, সাজ-পৰিচ্ছদত, তাইৰ গাৰ ওলাই থকা শুদা ঠাইবোৰত নীলা আভা — যেন তাই চিৰকালেই তেনেকুৱা নীলা। নীলা পোহৰটো যেন তাইৰ গাৰপৰাহে ওলাই কমটোৰ আনবোৰ বস্তুত পৰিছে।

ইমান সুন্দৰ লাগিল তাইক! মূৰৰ চুলিৰপৰা ভৰিৰ তলুৱালৈকে তাই ধুনীয়া হৈ পৰিছে। উশাহ লওঁতে উঠা-নমা বুকুখনত, এছৰাজৰ ব'ডাল লৈ ব্যস্ত থকা হাত দুখনত, সংকুচিত কৰি বহা ভৰি দুখনত, মোৰ ফালে চাই থকা তাইৰ মুখখনত আজি অতদিনে মোৰ চকুৰ আঁৰত ইমান ৰূপ লুকাই আছিলনে? ॥



স্নেহ দেবী

নাম দিম কল্যাণী

নাম দিম কল্যাণী

ব্যস্ততাপূৰ্ণ বিয়াঘৰ। কইনাঘৰ, গতিকে আবেলিৰপৰা ব্যস্ততা বাঢ়ে। গাত লাগি কাম কৰাবিলাকে কাম কৰিছে। কিছুমানে এনেয়ে ঘূৰা-ঘূৰি কৰিছে; কথা পাতিছে। দায়িত্ব লৈ কাম কৰা বিলাকেও মাজে মাজে কথা পাতিছে, কিন্তু সেইবোৰ দৰকাৰী কথা, কামৰ কথা।

সন্ধ্যা লগাৰ আগতেই বিয়াঘৰৰ বিজুলী চাকিবোৰ জ্বলাই দিয়া হ'ল। লগে লগে উখল-মাখল আৰু হাই-উৰুমিও বাঢ়িল। গোটেই দিনটো কিনকিনীয়া বৰষুণ হৈ থকা বাবে নানা ধৰণৰ অসুবিধায়ো দেখা দিছিল।

কইনাৰ সম্পৰ্কীয়া মামীয়েক এগৰাকী সেইদিনাই আহি পাইছে। বয়সস্থা মহিলা; তেওঁৰ গাটোও বৰ ভাল লাগি থকা নাছিল। যেন বেলৰ ভাগৰ মৰাই নাই। তেওঁৰ অকমান সময় বিছনাত পৰি থাকিবৰ মন গ'ল; কিন্তু বিয়াঘৰত তেনে সুযোগ পোৱাও টান হয়। তথাপি ভিতৰলৈ এডোখৰ ঠাই বিচাৰিলে — য'ত তেওঁ এখন্তেক বাগৰিব পাৰে। আটাইকেইটা কোঠা মানুহ আৰু বস্তুৰে ঠাহ খাই আছে। মাজৰ ভাঁড়াৰ কোঠাটো নিমন্ত্ৰিত মানুহক খুৱাবলৈ আজৰোৱাৰ বাবে সেই ভাঁড়াৰ কোঠাৰ বস্তুবোৰ য'তে ত'তে আনি থোৱা হৈছে। ক'তো সুবিধা নাই। শোৱা পালেংকেইখন খুলি থোৱা আছে। বিয়াঘৰত ৰাতি মাটিত ঢলা-বিছনা কৰি লোৱাৰ ব্যৱস্থা, কিন্তু আজি ৰাতি হয়তো শোৱাৰ কথা কোনেও ভৱা নাই।

তেওঁ ঘূৰি-ঘূৰি এমূৰৰ কোঠা এটালৈ সোমাই গ'ল। কোঠাটোত পোহৰ কম। তাত এখন ভাঁড়াৰ বিছনা। আঁঠুৱা তৰা আছে। আঁঠুৱাৰ ওপৰত চাৰিওকালে মেলি থোৱা আধা শুকান কাপোৰ কিছুমান ওলমি আছে। তেওঁ ওচৰ চাপি গৈ আঁঠুৱাখন অলপকৈ দাঙি চাই দেখিলে কেইবাটাও সৰু ল'ৰা-ছোৱালী টোপনিত লালকাল হৈ পৰি আছে। তেওঁ বুজিলে কেঁচুৱা থকা মাকবোৰে ইয়াতে নিজৰ নিজৰ কেঁচুৱা শুৱাই থৈছে। আন সময়ত হোৱা হ'লে তেওঁ তেতিয়াই তাৰপৰা ওলাই আহিলেহেঁতেন; কিন্তু তেওঁৰ বৰ ভাগৰ লাগিছিল বাবে বিছনাৰ দাঁতিতে লাহেকৈ অকণমান ঠাই উলিয়াই হাতৰ বাউসিত মূৰ থৈ কাতি হ'ল। চকু দুটা মুদি দিলে, হওক — কোনোমতে অলপ সময় পৰি থাকিব

পাৰিলেই হয়, ক্ষন্তেক জিৰণি লাগে।

এটা চিন্তাই তেওঁৰ ভাগৰ বঢ়াইছিল।

এই বয়সত তেওঁ বিয়া খাই ফুৰিবলৈ অহা নাই। মানুহে অৱশ্যে নাজানে। আজি প্ৰায় এমাহৰ আগতে তেওঁৰ চিৰৰুগ্না ভনীয়েকে তেওঁক চিঠি দি মাতি পঠাইছিল। তেওঁ আহিল। ভনীয়েকৰ ঘৰ ইয়াৰ পৰা ষাঠি মাইলমান দূৰৈত। তাৰেপৰাই আজি বিয়াঘৰলৈ আহিছে। বিয়াৰ নিমন্ত্ৰণ বহুদিন আগতেই পাইছিল। ... মানুহে ভাবিব এই বুঢ়া বয়সতো বিয়া খাবলৈ ইমান হেঁপাহ। ভাবক, কাৰ ভাবক বাধা দিব? এই যে এতিয়া তেওঁ নিজে চিন্তাৰ সূত্ৰ মেলি দিছে, তাক জানো নিজেই বাধা দিব পাৰিছে। কেৱল মনত পৰিছে ভনীয়েকৰ কথা—ৰজতৰ কথা। ৰজতৰ বিয়া পতাৰ কথা।

ভনীয়েকে তেওঁক কৈছিল, "বাইদেউ, মোৰ অৱস্থা দেখিছাই; তুমি ভাল ছোৱালী এজনী চাই ৰজতৰ ঘৰখন পাতি দিয়া। মই চাই যাওঁ। মই সংসাৰত কেইদিন আছোঁ ঠিক নাই, এই ভাৰ তুমি লোৱা।" ভনীয়েকৰ কথাত তেওঁ ব্যথিত হৈ পৰিছিল। ৰুগীয়া ভনীয়েকৰ গাত হাত ফুৰাই সান্ত্বনা দিছিল।

ৰজতক তেওঁ সুধিছিল — "ৰজত, তোৰ বিয়াখন সোনকালে পাতিব লাগে নহয়।"

"পাতক জেঠাই।"

"পাতক মানে? মাৰে কৈছে অতবোৰ ছোৱালীৰ প্ৰস্তাৱ আহিছে, তোৰ কেনেকুৱা পচন্দ তই হেনো নকৱ। তইহে পচন্দ কৰিব লাগে। আমাক ক'ব লাগে।"

"জেঠাই, আপোনালোকে যাকে ভাল দেখে মোৰ আপত্তি নাই। আপোনালোকে মোৰ বেয়া এটা নকৰে। মাক মই এই কথা আগতেই কৈছোঁ।"

তেওঁৰ চিন্তা হ'ল বহুত ল'ৰাই মাক-বাপেকক এনেকৈ কয় — অথচ মন ক'ৰবাত বন্ধ থাকে। শেষত বিয়া হ'ব, — বিয়াৰ পিছত অশান্তি হয়। কেতিয়াবা বিবাহ বিচ্ছেদো হয়গৈ। সেয়ে তেওঁ ৰজতক আকৌ কৈছিল — "পিছে আমি পচন্দ কৰা ছোৱালী বিয়া কৰাই পিছত যদি অশান্তি পাৱ।"

বাধা দি ৰজতে কৈছিল, "আপোনালোকৰ ওপৰত বিশ্বাস আছে জেঠাই। তথাপিও যদি অশান্তি পাওঁ নিজৰ ভাগ্যদোষ বুলি ভাবিম।"

তেওঁ কৈছিল যে ৰজতৰ কথাবোৰ আজিকালিৰ ল'ৰাৰ কথাৰ দৰে লগা নাই। আজিকালি অভিভাৱকৰ ইচ্ছামতে বিয়া কৰোঁৱা ৰবকৈ দেখা নাযায়। সেইবাবে তেওঁৰ মনত সন্দেহ হৈছে। ক'ৰবাত তাৰ মন বান্ধ খাই আছে নেকি সেই কথা একো নুলুকাই অকপটে ক'বলৈ তাক অনুৰোধ কৰিছিল। কিন্তু ৰজতৰ সেই একে উত্তৰ। একো নাই তাৰ ক'তো একো সম্পৰ্ক নাই। আৰু মাক-জেঠায়েকৰ ওপৰত তাৰ পূৰা বিশ্বাস আছে।

তেওঁ তীক্ষ্ণ দৃষ্টিৰে ৰজতৰ ফালে চাই তাৰ যেন অন্তৰৰ ভাবা পঢ়িবৰ চেষ্টা কৰিছিল, কিন্তু তেওঁৰ অনুমান হ'ল ৰজতে মিছা কথা কোৱা নাই। সি সঁচাকৈয়ে মাক-জেঠায়েকৰ ওপৰত সকলো এৰি দিছে।

তেওঁ যেনেকৈ এটা স্বস্তিৰ নিশ্বাস এৰিলে তেনেকৈয়ে আকৌ এটা গধুৰ দায়িত্বৰ

বোজাই মন ভাৰাক্ৰান্ত কৰি তুলিলে। শেষত তেওঁ আকৌ সুধিলে — "তই তেন্তে তোৰ বিয়াৰ সকলো চিন্তা আমাৰ ওপৰত এৰি দিছ?"

ৰজতে বহাৰ পৰা উঠি অলপ হাঁহি ক'লে, "জেঠাই, মই মাৰ অসুখৰ চিন্তা, নিজৰ ব্যৱসায়ৰ চিন্তা, ঘৰখন চলোৱাৰ চিন্তা এইবোৰৰ ওপৰত আৰু নিজৰ বিয়াৰ চিন্তা কৰিব নোৱাৰোঁ। মই যাওঁ জেঠাই।"

ৰজতলৈ তেওঁৰ মৰম লাগি গ'ল। ভনীয়েকৰ কথা ভাবিলে—এই ল'ৰাটোক লৈয়েতো মাকৰ যত আশা-ভাৰসা। নহ'লে নিজৰ অকাল বৈধব্যৰ দুঃখ, ৰুগীয়া দেহৰ বেদনা, তাৰ ওপৰত যদি ৰজত অবাধ্য হ'লহেঁতেন বা মাকৰ মনত দুঃখ পোৱা কিবা কাম কৰিলেহেঁতেন তেন্তে সেই মানুহজনী জীয়াই থাকিব পাৰিলেহেঁতেন জানো? এতিয়া পুত্ৰৰ সুখৰ জীৱন চাবলৈকেতো নিজৰ দুঃখ পাহৰি আছে।

ছোৱালীৰ প্ৰস্তাৱ অহা চিঠিবোৰ তেওঁ পঢ়ি চালে। কেইটামান প্ৰস্তাৱ তৎক্ষণাৎ নাকচ কৰিবলগীয়া; কেইটামান বিবেচনা কৰি চাবলগীয়া। তেনেবিলাক ঠাইত তেওঁ পৰোক্ষভাৱে খবৰ ল'লে। ক'তো তেওঁৰ মনে বিচৰা ধৰণৰ পোৱা নাই। কোনোৱে ছোৱালীৰ বয়স মুখেৰেতো কমাই কয়েই সোঁৱৰণী পৰ্যন্ত সলাই বয়স কমাই দেখুৱায়। সেইবোৰ মানুহলৈ তেওঁৰ ঘৃণা ওপজে। ফাঁকি-ফুকাৰ কাৰবাৰ ভাল নাপায়। ৰজতৰ দৰে ল'ৰা এটালৈ এজনী ছোৱালী লাগিব, যিজনী হ'ব লাগিব ঘৰ ধৰিব পৰা, স্বাস্থ্যৱতী, মনৰো বল থকা হ'ব লাগিব। আৰু হ'ব লাগিব সৰল। আৰু ৰূপ ... ৰূপৰ কথা তেওঁ এই সময়ত একো ভাবিব নোৱাৰিলে।

এই প্ৰায় এমাহে তেওঁ তলে তলে যেন ৰজতলৈ ছোৱালী চাই ফুৰিছে। কিন্তু ক'তো দেখোন মন খোৱা নাই।

এই কথাবোৰ ভাবি তেওঁ সেই কেঁচুৱাবোৰৰ লগত বিছনাখনত পৰি আছিল। এইখন বিয়াঘৰতো — ৰভাতলত গোটা খোৱা বিবাহযোগ্য ছোৱালীবিলাকলৈ তেওঁ চকু দিছিল; কোনজনী কাৰ ঘৰৰ ছোৱালী অৰ্থাৎ সম্বন্ধ পাতিব পৰা যায়নে নাযায় — বংশে চোৱে নেকি এইবোৰ কথাৰ সন্তেদ আগতে তলে তলে লৈছিল; কিন্তু তেওঁ একো সিদ্ধান্ত কৰিব নোৱাৰে। কোনোবাজনী দেখাত ধুনীয়া কিন্তু কাপোৰ-কানি পিন্ধাৰ ধৰণ দৃষ্টিকটু, কোনোবাজনী আনফালে ভাল হ'লেও অলপ কথাতে হাঁহি প্ৰায় বাগৰি পৰা ধৰণৰ পাতল। কোনোবাজনীয়ে আকৌ কইনাৰ ওচৰত বহি অনবৰত নিজৰ মুখকে আইনাত চাই মাজে মাজে কাপোৰ-চুলি ঠিক কৰিছে।

চিন্তাৰ শেষ নাই, তথাপিও অলপ সময় সকলো চিন্তা বাদ দি তেওঁ জিৰাবলৈ আহিছিল। মনে মনে ঈশ্বৰৰ নাম ল'লে — "প্ৰভু মোক কি দায়িত্বত পেলালা।"

কিছু সময় পাৰ হ'ল।

হঠাৎ কোঠাৰ দুৱাৰখন মেল খালে। তেওঁৰ তন্দ্ৰাৰ ভাব কাটি গ'ল। তেওঁ কাণ কৰিলে, ভাবিলে কোনোবা মাকে চাগে নিজৰ কেঁচুৱাক চাই যাবলৈ আহিছে। কিন্তু নহয় — শুভ্ৰা আনে কইনাৰ বৰ বান্ধৱেক — যি সকলো ফালে চকু দি দিয়াৰিকৈ কাম কৰাইছে, সেই শুভ্ৰা, লগতে আৰু কোনোবা এজনী আহিছে। সৰু সৰুকৈ কথা কৈছে, "এই কোঠাতে

হ'ব বুজিছ, মেজ এইখন আছেই, চকীও এইয়া কেবাখানো আছে। সিফালে ঠাই আজৰি হওঁতে পলম হ'ব, দৰা অহাৰ আগতে আজৰি হ'ব লাগে। সিহঁত কেইজনীক ইয়াতে দে। যন্ৰা ছোৱালী, বেয়া নাপায়।"

তেওঁ বুজিলে এই কোঠাটোত কাৰোবাক খুউৱাৰ ব্যৱস্থা কৰিছে। দৰা আহিবৰ সময়, সেয়ে লৰালৰি। কোঠাত কেঁচুৱা শুই থকা বাবে কথাবোৰ সৰু সৰু।

তেওঁ আগৰ দৰেই পৰি থাকিল। কোঠালৈ আৰু কোনোবা অহাৰ গম পালে। চকী-মেজ সাৱধানে টনা-টনি কৰাৰ শব্দ হ'ল।

"তোমালোকক ইয়াতে দিছোঁ; বেয়া নাপাবাহক দেই — খোৱা, লাজ নকৰিবা।" —এয়া শুভ্ৰাৰ মাত।

ছোৱালীহঁতে খোৱাৰ লগে লগে সৰু সৰুকৈ পতা কথাবোৰ লাহে লাহে অলপ ডাঙৰ হ'ল। শুভ্ৰা নিশ্চয় কোঠাৰ পৰা ওলাই গ'ল। তাইৰ মাত শুনা নাই। ছোৱালীহঁতে কথা পাতিছে। কাৰোবাৰ বিয়াৰ কথা ওলাইছে। কোনোবা পুষ্পাৰ 'এনগেজমেণ্ট' হৈ আছে। কোনোবা নীৰাৰ কথা ওলাইছে।

এজনীয়ে কৈছে, "নীৰাই কি কৰিলে দেখিলা নহয় কিযে সাহ ভাই!"

আন এজনীয়ে কৈছে, "নকৰি কি কৰিব; কিমান দিনৰ পৰা সিহঁতৰ চিনাকি, কথা দিয়া দিয়ি।"

"সেই বুলি আৰু সেইটো ভাল কাম বুলিব নোৱাৰি দেই। মাক-দেউতাকৰ কথা ভাবিব লাগে, মাক-দেউতাকক অশান্তি দিলে নিজে জানো শান্তি পায়?"

এটা মিহি অথচ গহীন মাত। এই মাতৰ, এই মতৰ গৰাকিনী কোন? মনত লাগি যোৱা কথা কৈছে।

ছোৱালীজনী কোন চাবৰ তেওঁৰ ইচ্ছা হৈছিল। ক'ৰ ছোৱালী বিবাহিতা নে অবিবাহিতা জানিবৰ ইচ্ছা হৈছিল; কিন্তু আঁঠুৱাখন অলপকৈ দাঙিলেও আঁঠুৱাত মেলি থোৱা সেমেকা কাপোৰবোৰে আঁৰ কৰি আছে। তেওঁ আঠুৱা দাঙিবৰ চেষ্টা নকৰিলে। কথাবোৰ শুনি থাকিল। যেন ৰেডিঅ' নাটকহে শুনিছে।

এবাৰ কোনোবা এজনী আহি সিহঁতক কিবা লাগিব নেকি খবৰ কৰি গ'লহি। চাহ দি গ'লহি।

আকৌ আগৰ প্ৰসংগৰে আলোচনা। "নিতুৱে যে শান্তি-অশান্তিৰ কথা কৈছা, এইবোৰৰ একো মানে নাই; এইবোৰ এনেয়ে কোৱা কথা। নীৰাইত নিজেতো সুখী হৈছে আৰুনো কি লাগে?"

"নহয় মই তেনেকৈ নাভাবোঁ দেই। মানুহ পশু নহয়— ঈশ্বৰে বিবেচনা শক্তি দিছে। সকলো ফালে ভাবি চাব লাগে। নীৰাইতে এতিয়া হয়তো নিজক সুখী বুলি ভাবিছে।"

বাধা দি এজনীয়ে ক'লে, "তুমি বৰ বয়সস্থৰ দৰে কথা কৈছা।"

"মইতো তোমালোকতকৈ বয়সত ডাঙৰেই।" একেলগে সৰা হাঁহি শুনা গ'ল।

"অ' হয়নে নিতু, শুনিছিলোঁ কোনোবা এজনৰ লগত বোলে তোমাৰ প্ৰায় ঠিক হৈছিল, বয়সত তোমাতকৈ সৰু বাবে হেনো বিয়া নহ'ল। কথাটো হয়নেকি বাৰু?" এইয়া

যেন আক্ৰমণাত্মক প্ৰশ্ন।

কিন্তু সেই মিহি আৰু গহীন কণ্ঠস্বৰৰ গৰাকিনীৰ স্বাভাৱিক উত্তৰ — "কোনোবা ২৩/২৪ বছৰীয়াই যদি মোক বিয়া কৰিব খুজিছিল, তেন্তেতো সেইটো হ'বই।"

"তাৰ মানে তোমাৰ বয়স ২৩/২৪ তকৈ বেছি?"

"নিশ্চয়। এতিয়া ২৬ বছৰ চলি আছে। বহুত মাকে নিজৰ ছোৱালীৰ বয়স কমাই কয়, মই পিছে কথাটো অলপো ভাল নাপাওঁ।"

আন এজনীয়ে মন্তব্য কৰিলে, "এবছৰ-দুবছৰ যেনিবা ডাঙৰেই হ'লা কি হ'বনো? এবাৰ মেগাজিন এখনত পোৱা মনত আছে নাৰ্গিচ হেনো সুনীল দত্ততকৈ এবছৰৰ ডাঙৰ।"

খোৱাৰ মাজে মাজে কথা চলিয়ে আছে। কোন কেইজনী বিয়া শেষ হোৱালৈকে থাকিব, কোন কোন দৰা অহাৰ পিছতে অৰ্থাৎ দৰা চায়েই গুচি যাব, — এইবোৰ আলোচনা হৈছিল।

'মই কিন্তু নৰও, এতিয়াই যামগৈ। মাৰ গা ভাল নহয়, মা আহিব নোৱাৰা বাবে মোকে পঠালে।" — এইয়া নিতুৰ কণ্ঠ।

কোনোবা এজনীয়ে সুধিলে, "দৰা নোচোৱা?"

"পিছতো দেখিমেই।"

"তোমাৰ মাৰৰ কি হৈছেনো?"

"ইনফ্লুয়েঞ্জাৰ দৰে; জ্বৰ আছেই।"

"একো নহয় দিয়া।"

"নহয়, মই মাক কৈ আহিছোঁ সোনকালে আহিম বুলি।"

"ধৰা, তোমাৰ বিয়া হৈ গ'ল। তেতিয়া তুমি ঘৰত নাথাকিলে মাহীদেউ অসুখ হ'লে কি কৰিলাহেঁতেন? তেতিয়া তুমি ওচৰত থাকিব পাৰিবা জানো?"

"তেতিয়াৰ কথা তেতিয়া হ'ব। এতিয়া মোৰ এটা কৰ্তব্য আছে।"

আকৌ আগৰ কথা ওলাইছে — "বাৰু নিতু, তুমি যে নিজে পচন্দ কৰি কৰা বিয়াত শান্তি নোপোৱাৰ কথা কৈছা, মাক-বাপেকে পাতি দিয়া বিয়াও দেখোন কেতিয়াবা অশান্তিৰ হয়। নহয় জানো?"

"হয় কেতিয়াবা।"

"তেনেহ'লে তুমি কিয় তেনে বিয়াৰ ওপৰত ইমান গুৰুত্ব দিছা?"

"নহয় তুমি ভুল বুজিছা। নিজৰ পচন্দক মই বেয়া বোলা নাই। কিন্তু মাক-দেউতাকৰো সমৰ্থন লাগিব। তেতিয়াই মংগল হয়। মোৰ কথা হ'ল — মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালীৰ ভালটোকে সদায় চিন্তা কৰে; তথাপিও যে কেতিয়াবা অশান্তি হয়, সেইটো নিজৰ কপালৰ কথা। সেই বুলিয়েই মাক-দেউতাকৰ অমতে গৈ তেওঁবিলাকৰ মনত আঘাত দিয়া আৰু তেওঁবিলাকৰ আশীৰ্বাদৰ পৰা বঞ্চিত হোৱা দুৰ্ভাগ্যৰ কথা। অন্ততঃ মই তেনেকৈয়ে ভাবোঁ।"

আঁঠুৱাৰ ভিতৰত মানুহগৰাকীৰ উৎকণ্ঠা বাঢ়িল। এই ছোৱালীজনী কোন? আঁঠুৱাৰ ভিতৰৰ পৰা চাবলৈ যত্ন কৰিলেও মিছা, কিন্তু চাবই লাগিব। বয়স ২৬ বছৰ, নাম নিতু,

মাক-বাপেক আছে। ছোৱালীজনী শিক্ষিতাও। আৰু তাইৰ কথা — তাইৰ চিন্তাধাৰা; তাইৰ কথাৰ সুৰ যে ৰজতৰ কথাৰ লগত মিলি যোৱা। তাইৰ কথা শুনি তেওঁ মোহ গৈছে, তাইক পচন্দ কৰিছে। ছোৱালীজনী চাব লাগিল কিন্তু, কিন্তু তাইক দেখি যদি অপচন্দ হয়; যদি — যদি —।

তেওঁ ঘপ্‌কৈ বিছনাৰপৰা উঠিল, আঁঠুবা দাঙি বাহিৰ ওলাল। ছোৱালীহঁতে তেওঁক দেখি অলপ অপ্ৰস্তুত হ'ল; এগৰাকী বয়সস্থা মহিলা সেই কোঠাতে আছিল বুলি সিহঁতে একেবাৰে গম পোৱা নাছিল। সিহঁতৰ কথা-বতৰাবোৰ এওঁ শুনিলে বুলি সংকোচ হ'ল।...

তেনে সময়তে শুভ্ৰা সোমাই আহি তেওঁক দেখি ক'লে — "অ' বৰমামী, আপুনি ইয়াত আছে। মই আপোনাক বিচাৰি ফুৰিছো কিবা এটা খুৱাওঁ বুলি —"

মই নিজেই বিচাৰি লৈ খাম গৈ নহয়, তহঁত ব্যস্ত হ'ব নালাগে। এই বিছনাখনতে অলপ জিৰালো অ'।

এওঁবিলাক ওচৰৰে নেকি? চিনাকি কৰি দেচোন।

শুভ্ৰাই আটাইকেইজনীৰে চিনাকি দিলে, তেওঁ নিতুক চালে, ভালকৈ মন কৰিলে। তাইৰ বিষয়ে শুভ্ৰাই কোৱা সকলো কথা মন দি শুনিলে। ছোৱালীজনী নিয়মীয়া ওখ-পাখ; চেহেৰা মজলীয়া; কাপোৰ-কানি পিন্ধাৰ ধৰণেও সুৰুচিৰ পৰিচয় দিছে। নিতুৰ দেউতাকৰ নামটো আকৌ এবাৰ সুধিলে। পাহৰি যায় বুলিয়ে মনত ৰখাৰ বাবে দুবাৰ সুধি ল'ব লগা হ'ল। ক'লে — "নামটো চিনাকি যেন লাগিছে।" মনতে নিজকে ক'লে ঃ দৰকাৰত এবাৰ মিছা কথা ক'ব লগা হ'ল। অৱশ্যে এই মিছা নিৰ্দোষ।

বাধা নাই — কেনিও বাধা নাই। তেওঁ মনতে আকৌ নিজকে ক'লে — 'পালোঁ। পালোঁ। এইজনী ছোৱালীকে মই বিচাৰি ফুৰিছোঁ। জন্ম, মৰণ, বিবাহ এই তিনিটাত মানুহৰ হাত নাই। ভগৱানৰ ইচ্ছাতে সকলো হয়। মই আৰু ৰজতলৈ ছোৱালী বিচাৰি নুফুৰোঁ।

ছোৱালী কেইজনীৰ আৰু অলপ ওচৰ চাপি গৈ তেওঁ সুধিলে — "তোমালোকৰ ভাল নামকেইটা কি কোৱাচোন। তোমাৰ? তোমাৰ?" কোনোজনীৰ একেটাই নাম; ঘৰতো বাহিৰতো। কোনোজনীৰ বেলেগ, আটাইকেইজনীয়ে নিজৰ নাম ক'লে। নিতুৰ নাম 'কনকা'। 'কনকা' 'কনকা' তেওঁ মনতে উচ্চাৰণ কৰিলে।

তেওঁ মনতে ক'লে "নামটো ভাল, তথাপিও মই তোমাৰ নাম দিম কল্যাণী। সঁচাকৈয়ে কল্যাণী তুমি।'...

"বৰমামী ব'লক কিবা এটা খাওকগৈ। গাটো ভাল পাইছেনে বাৰু এতিয়া?" শুভ্ৰাই সুধিলে।

তেওঁ হাঁহি উত্তৰ দিলে, "পাইছোঁ আই, গা-মন দুয়োটাই ভাল লাগিছে। বৰ পাতল লাগিছে। ব'ল আই, দৰা আহি পাববো সময় হ'বহি এতিয়া।"



সৈয়দ আব্দুল মালিক

লাইফ্ টো—আই মীন

লাইফ্‌টো — আই মীন

নান্‌খাটা — ঘৰত কৰা — প্ৰায় আধা সেৰ, ছৈৰে — ঘৰত কৰা — এপোৰামান, তাৰ উপৰি বজাৰৰপৰা ল'লোঁ সৰু এটা ব্ৰিটানিয়া বিস্কুটৰ টিন, দুপেকেট কিচ্‌মিচ্‌ — পেকেটত আঠ অনা, আৰু এক ছটাক লং আৰু এলাচি। টোপোলা গধুৰ হ'লে আপত্তি নাই, ডাঙৰ হ'লে অসুবিধা।

বিছনাখন লগত নিনিয়াকে ঠিক কৰিলোঁ। ষ্টেশ্যনৰপৰা এমাইলমো বেছি যাব লাগিব — গাড়ী-ঘোঁৰাৰো কিবা দিহা আছে নে নাই ক'ব নোৱাৰোঁ। টোপোলাটোৰে মানুহটোৰে যোৱাই টান — তাৰ উপৰি হ'ল্ডল কঢ়িয়াব নোৱাৰি!

ভন্টিয়ে কাপোৰ এসাজো জাপি বান্ধি দিছে, 'একেদিনাই ঘূৰি আহিব পাৰিবি নে কিবা! ৰাখিলে দুই-তিনিদিনো থাকিবলগীয়া হ'ব পাৰে, আৰু নেৰাখিব যে তাৰ কোনো মানে নাই। পাৰিলে বিছনাখনো নিবহে লাগিছিল।'

ছোৱালীবোৰে আমাতকৈ কথা বেছি জানে। টোপোলাটো আৰু শকত হ'ল।

হস্কিলে-মস্কিলে লাগে, টকাও ল'লোঁ পঁচিশটা! অৱশ্যে আৰু বেছি নাছিলও। পাঁচ কম এশ টকাৰে এক কম এক ডজন মানুহে খাই-পিন্ধি চলিব লাগে। এমাহৰ দৰমহা এড্‌ভান্স আনিছিলোঁ — ঈদ বুলি। সেয়ে ইমানখিনি কৰিব পাৰিছোঁ।

চিঠি দিয়া নাই। দৰকাৰো নাই। তাক কৈয়ে পঠিয়াইছোঁ যে ঈদৰ পিছদিনাই জৰুৰ গৈ মই তাৰ ঘৰ ওলামগৈ। দুই-তিনি বছৰ যাওঁ যাওঁ কৰিও যাব পৰা নাই। এইবাৰ যামেই। আৰু এটা কৌতূহলো আছে।

হায়দৰ আৰু তাৰ ঘৈণীয়েক নাজ্‌মাক একেলগে প্ৰথম দেখা পাইছিলোঁ জাফৰইতৰ ঘৰৰ বিয়াত। নাজ্‌মা ছোৱালীজনী দেখি ময়েই নহয়, বিয়া-ঘৰৰ সকলোৱেই থমক খাই গৈছিল। বৰ ধুনীয়া ছোৱালী — মানে, বৰ ধুনীয়া ছোৱালী— সঁচাকৈয়ে। নাকে-মুখে, চেহেৰাই-পানীয়ে, কথাই-কামে ছোৱালীজনী চালে চকু ৰোৱা, অথচ বৰ চাধা-চিধা। কাপোৰ-কানিও সাধাৰণ, অলঙ্কাৰ-পাতিও বৰ বেছি নাই। কিন্তু অলঙ্কাৰে জানো ছোৱালীবোৰক ধুনীয়া কৰে? ছোৱালীৰ নিজৰ ৰূপেহে অলঙ্কাৰৰ জেউতি বঢ়ায়।

ছোৱালীজনী দেখিয়ে আপোন যেন লাগিছিল। তাৰ পিছত যেতিয়া আমাৰ ঘৰলৈ

ফুৰিবলৈ আহিল, আৰু ঘৰুৱাভাৱে মোক জোৰ কৰি ধৰিলে যে মই জৰুৰ এবাৰ যাবই লাগিব, মই 'না' কৰিবৰ শক্তি বিচাৰি নেপালোঁ। হায়দৰটো সঁচাকৈয়ে সৌভাগ্যবান। নাজ্‌মাৰ নিচিনা ভাল ছোৱালী এজনী পালে যেই কোনো মানুহ সুখী হ'ব পাৰিব। তাতে সিহঁতৰ কোনো জা-জঞ্জালো নাই। হায়দৰ অকলশৰীয়া, কিবা এটা কাম কৰে, কি জানি কি কাম কৰে। ইহঁতৰ ঘৰত এদিনৰ কাৰণে হ'লেও আলহী হৈ নিশ্চয় ভাল লাগিব।

নাজ্‌মা ছোৱালীজনীয়ে সঁচাকৈয়ে মোহ লগাই থৈ গ'ল।

চিঠি-পত্ৰ সেইদেখি নিলিখিলোঁ। ঈদত বন্ধুৰ ঘৰলৈ যাম, চিঠিৰ দৰকাৰেই বা কি?

পদুলিমূৰ পাওঁতে ভন্টিয়ে চিঞৰি কৈছিল, 'ডাড়ি খুৰোৱা চে'টটো লৈ যা—।'

ধেৎ তেৰি। হায়দৰে এতিয়াও ডাড়ি ৰখা নাই, আৰু তাৰ ঘৰলৈও যদি লোটা-গামোচা, ছেভিংচেট-পাউডাৰ টোপোলা বান্ধি লৈ যাবলগীয়া হয়, তেন্তে পৃথিৱীৰ অন্য ঠাইলৈ গ'লে কি লৈ যাম? জাফৰহঁতৰ ঘৰৰ বিয়াত তাৰ চিকুণকৈ খুৰোৱা মুখখন দেখি তাৰ যে ২৮ বছৰ হৈ গ'ল, ধৰিববে উপায় নাছিল। হায়দৰৰ চেহেৰা কিন্তু বেছ ভালেই আছে, এতিয়াও। আৰু নাজ্‌মাৰ নিচিনা ধুনীয়া ছোৱালী এজনীৰ লগত ঘূৰি ফুৰা মানুহটোৰ চেহেৰা-পাতি ভাল নহ'লে চলে নে?

এক বাজি পোন্ধৰ মিনিটত ৰেল এৰিলে। ৰেলত বেয়া নেলাগিল। দুপৰীয়াৰ এইখন গাড়ীত যাত্ৰী কম। 'আৰাম্‌চে' যোৱাত বিশেষ অসুবিধা নাছিল।

হায়দৰৰ ঘৰ কেনেকৈ ওলাবগৈ লাগিব, তাৰ দিহা সি দি গৈছে। আৰু পাঁচখন দোকান আৰু দুখন পাণ-বিৰিৰ দোকান লৈ হোৱা 'টাউন' এখনত মানুহ বিচাৰি উলিওৱা একো অসুবিধাৰ কথা নহ'ব।

'ষ্টেশ্যনৰ দক্ষিণফালে ৰাস্তাটো, অলপ দূৰতে ৰাইচ্‌ মিলটো, তাৰপৰা পশ্চিমলৈ এটা ৰাস্তা গৈছে, সেইটোৰেদি এক মাইল গ'লেই আমাৰ ঘৰ পাই যাবি!'

প্ৰথম কথা সিহঁতৰ ষ্টেশ্যনটো পোৱা। অৱশ্যে ৰাতি আঠমান বাজিব কিজানি। টৰ্চটো থাকি আহিল। জোন কিজানি তেতিয়ামানে মাৰ যাব।

হায়দৰে ময়ে একেলগে পঢ়িছিলোঁ। সি পঢ়িছিল ক্লাছ চেভেনলৈকে, মই পঢ়িলোঁ মেট্ৰিকলৈকে। প্ৰথমবাৰ ফেল্‌ কৰি পিছৰ বাৰ চেকেণ্ড ডিভিজনত পাছ কৰিলোঁ। ভালেমান দিন হ'ল। লোকেলবৰ্ড অফিচত কেৰাণী কামত সোমাবৰে আজি কত বছৰ হ'ল। দিনবোৰ গৈছে আছে।

হায়দৰে ভালেমান কিবা-কিবি কৰিলে। চাইকেল ভাল কৰা দোকান খুলিলে, বাছৰ কণ্ডাক্টৰ সোমাল, মাজতে টকী হলৰ গেট-কীপাৰও আছিল কিছুদিন, চেকেণ্ড শ্ব'ত ডিউটি কৰে। আৰু অন্যান্য কিবা-কিবি কামো কৰিছিল, সেইবোৰৰ বিশেষ নাম নাই। এবাৰ নাপিতৰ 'চেলুন' খোলাৰ কথাও ভাবিছিল — বেছ লাভ আছে! কিন্তু কোঠালিটোৰ কাৰণে দিব লগা আগতীয়া ভাৰা আৰু কেঁচী-ফনী-আচী-চাবোনৰ ব্যৱস্থা কৰিব নোৱাৰিলে। 'দি হিমালয়ান হেয়াৰ কাটিং চেলুন' বুলি সি নিজেই লিখা চাইনবৰ্ডখন পিছত ঘৰৰ আগৰ

বোকাডোখৰত সাঁকো ৰূপে ব্যৱহৃত হ'ল। নানীয়েক ঢুকোৱাৰ পিছত সি 'আজাদ' হ'ল — তাক 'হয়' বোলোতাও কোনো নাই, 'না' বোলোতাও কোনো নাই। 'পৃথিবী আমাৰে চায়, বেঁধনা বেঁধে আমায়।'...

হায়দৰৰ কেইবাটাও ভাল গুণ আছিল (আশাকৰোঁ এতিয়াও আছে)। সি কেতিয়াবা অভাৱ-অসুবিধাত পৰিছে বুলি তাৰ সাত শতৰুৱেও গম নেপাইছিল। হাঁহি তাৰ মুখৰপৰা নুগুচিছিল, লাগিলে তিনিদিনো তাৰ মুখত বিৰি এটা নপৰক। নিজৰ চেহেৰা সদায় সি চিকুণ কৰি ৰাখিছিল — চেহেৰাটো লাগে। তাৰ নীলা কামিজটোৰ কলাৰভাল ঘাৰৰ ওপৰত উঠাই লৈ সি যেতিয়া বুকু ফিন্দাই খোজ কাঢ়ি যায়, তাক বেছ ডাঙৰ মানুহৰ ল'ৰা যেন দেখি। তাৰ উপৰি, পূৰা বাক্য ক'ব নোৱাৰিলেও অসমীয়া বাক্যৰ মাজত যি কেইটা ইংৰাজী শব্দ প্ৰায়েই কয় — সেই কেইটা চেন্ট পাৰ্চেন্ট শুদ্ধ।

এটা নিউ আইডিয়াই প্ৰায়ে তাক ষ্ট্ৰাইক কৰে। আৰু সেই কাৰণে সি প্ৰায়ে ভকেচন চেঞ্জ কৰি থাকে। মেন্টেলিটি ঠিক নেথাকিলে কাম কৰি কোনো ইন্টাৰেষ্ট নেলাগে। মনি আৰ্নিঙটো মেইন কথা নহয়, আচল কথা হ'ল লিভিং।

বন্ধুতে হায়দৰক ভাল পাইছিলো, মযো। অৱশ্যে এই কাৰণে ককাইটিয়ে প্ৰায়ে মোক সাৱধান কৰি দিছিল। 'হায়দৰৰ নিচিনা মানুহৰ লগত বন্ধুত্ব কৰাৰ কোনো দৰকাৰ নাই, কেতিয়াবা সি ইজ্জত হানি কৰিব। মদ-তদ খায় নেকি কোনে জানে?' কিন্তু মদতকৈ মানুহ ডাঙৰ। আৰু হায়দৰৰ যে মদ খোৱাৰ নিচিনা বেয়া অভ্যাস হোৱা নাই, সেইটো মই জানো।

আৰু, ল'ৰা কালৰে বন্ধু। পৰীক্ষাত সি সহায়ো কৰিছিল। অৱশ্যে তাৰ পৰিণাম এবাৰ সাংঘাতিকেই হৈছিল।

ক্লাছ ফাইভত হ'বলা। অসমীয়াৰ পৰা ইংৰাজীলৈ ট্ৰেন্সলেচন কৰিবলৈ দিছিল কিবা বাক্য এশাৰী। অসমীয়া 'বোকা' শব্দটোৰ ইংৰাজী লিখিবলগীয়া হৈছিল। Mud মানে বোকা মই জানো — তথাপি নিশ্চিত হ'বৰ মনেৰে একে বেঞ্চতে বহা হায়দৰক সুধিলোঁ, 'এই বোকাৰ ইংৰাজী কি?'

সি ফুচ্‌ফুচাই ক'লে, 'Stupid' (ষ্টুপিড)।'

'কি?'

সি প্ৰশ্ন-কাকতত লিখি দিলে, 'Stupid'.

ভাবিলোঁ মই জনা Mud শব্দতকৈ এই Stupid-টো কিজানি বেছি ভাল শব্দ। লিখি দিলোঁ।

ইংৰাজীৰ মাষ্টৰে দুয়োটাকে মাতি নিলে। 'বোকাৰ ইংৰাজী কি লিখিছ তইঁতহালে?'

হায়দৰে ক'লে, 'ষ্টুপিড।'

'ক'ত পালি?'

'বঙালী ন'ট বুকত।'

মাষ্টৰে হায়দৰ আৰু মোৰ দুয়োৰে দুখন কাণ কচাকচ কৰি ক'লে, Stupid অসমীয়া

বোকা আৰু বঙালী বোকা একে নহয়।' হায়দৰে বুজিলে নে নাই ক'ব নোৱাৰোঁ, মই কিন্তু বুজিলোঁ যে অসমীয়া বোকা বৰষুণত নহয়, চকুৰপৰা ওলোৱা পানীৰেহে হয়। বঙালী বোকাই এপালি শিকালে।

ৰেলত মনে মনে বহি আহি ল'ৰাকালৰ কথাবোৰ মনলৈ আহিছিল। ছবছৰমানৰ আগতে হায়দৰ ক'ৰবালৈ গুচি গ'ল — মানে, অলপ চেঞ্জৰ কাৰণে, 'ট্ৰেভেল ইজ এ গুড্ একচাৰচাইজ।'

যাবলৈ মাত লগাবলৈ আহি সি মোক মুৰব্বীয়ানাৰ সুৰত ক'লে, 'ফেড্ আপ্ বুজিছ। ইয়াত আৰু নোৱাৰি। ন্' বিস্ক, ন' গেইন, অলপ ঘূৰি আহোঁ। তই খবৰ ৰাখিবি পাৰিলে। মই ভাল কিবা এটা ষ্টাৰ্ট কৰোঁ বহু, তোক লৈ যাম। নহ'লে লোকেলৰ'ৰ্ডৰ কেৰাণী হৈ কিমান বট্ কৰিবি?'

সি যোৱাৰ পিছত গম পালোঁ যে ডেৰশ নে দুশ টকাত সি ঘৰে-বাৰীয়ে সকলো বেচি থৈ গৈছে। তাৰ মানে ইয়াত 'বট্ কৰিবলৈ' সি আৰু নাহে।

কেইবাবছৰো তাৰ কোনো খবৰ-বাতৰি নাছিল, প্ৰায় পাহৰি গৈছিলোঁ হায়দৰৰ কথা। অফিচৰ ফাইল আৰু ঘৰৰ জঞ্জালৰ মাজত হায়দৰৰ কথা মনত ৰাখিবৰ অৱসৰেই নাছিল। তাৰ ভাষাতে ক'বলৈ গ'লে, 'গন্ উইথ্ দি উইণ্ড।' ভাগ্যে বিয়া এতিয়াও কৰোঁৱা নাই।

জাফৰহঁতৰ বিয়াত হায়দৰ আহি ওলালহি সস্ত্ৰীক। জাফৰ তাৰ পেহাকৰ ল'ৰা, ককায়েক।

হায়দৰ আগৰ দৰেই আছে। কামিজৰ কলাৰ এতিয়াও তুলি লয়, চুলি আগৰ দৰেই বেকব্ৰাচ কৰে, চিগাৰেট হোপাৰ আগৰ ষ্টাইলটোৱেই আছে, আৰু কথাত ইংৰাজীৰ মিক্সাৰ আগৰ সমানেই আছে। তাৰ বাইফক লৈ সি বেছি দিন থাকিব নোৱাৰে। চিঙ্গল হোৱা হ'লে চিয় ৰলি কিছুদিন থাকি গ'লহেঁতেন। এতিয়া বহুত ট্ৰাবোল।

সেইদেখি সি আৰু নাজমা দুয়ো লগ লাগি মোকে মাতি গ'ল সিহঁতৰ ঘৰলৈ। 'ইউ মাষ্ট গ', এবাৰ তই যাবই লাগিব।'

'জৰুৰ যাব কিন্তু। নগ'লে খুব বেয়া পাম —' নাজমাই ক'লে।

হায়দৰৰ যেই হওক, নাজমাৰ নিচিনা ছোৱালী এজনীক বেয়া পাবলৈ দিব নোৱাৰি। ঘৰত বিয়াৰ কথা চলিছে। নাজমাৰ যদি ভনীয়েক আছে, থকাই স্বাভাৱিক, আৰু নাজমাতকৈও ধুনীয়া হ'ব হয়তো, তেন্তে মই হায়দৰৰ দৰেই এটা ভাল কাম কৰি পেলাবলৈ অকণো পিছ নোহোঁহকো। এতিয়া নাজমা 'নবৌ' সম্পৰ্কীয় হৈছে, হায়দৰ মোতকৈ কেইমাহমানৰ ডাঙৰ। তেতিয়া হয়তো নাজমা হ'ব বাইটি। আইডিয়াটো আনন্দদায়ক।

ষ্টেশ্যনত ৰেল ৰওতে ন বাজিল। জোন ইতিমধ্যে পৰিছে। মানুহ নামিল মাত্ৰ কেইজনমান। হাই-উৰমি বিশেষ নাই। কুলী-মালী নাই। হ'ৰ্ভল নানি জানীৰ কাম কৰিছোঁ। টোপোলাটোৱেই যথেষ্ট শকত আৰু গধুৰ হৈছে।

দখিল কোনফালে আন্দাজ কৰিব নোৱাৰিলেও, দূৰত লণ্ঠন আৰু এটা নে দুটা

পেট্ৰ'মাক্স জ্বলি থকা দেখি বুজিবলৈ অসুবিধা নহ'ল যে সেইখনেই 'টাউন'।

যুদ্ধ শেষ হ'লেও মিলিটাৰীৰ কিট্‌বেগ্‌ কঢ়িওৱা কেহ'নেবল অভ্যাসটো অটুট ৰাখিবৰ কাৰণে যুদ্ধোত্তৰ সংস্কৃতিৰ ডাঙৰ অৱদান বৈ গ'ল — বেগ। মোনা। নগা মোনা, খাম্‌তি মোনা, খৈলাৰ মোনা, প্লাষ্টিকৰ মোনা, হেণ্ডলুম কাপোৰৰ মোনা — সকলো নিৰ্বিশেষ হৈ কেৱল 'বেগ' বোলা যিটো সাৰ্বজনীন বস্তুৰ প্ৰচলন হ'ল — তাৰ স্থান হ'ল সকলোৰে কান্ধত — ডেপুটি কমিচনাৰ, চাপ্ৰাচী, প্ৰফেচাৰ, ছাত্ৰ — আপামৰ সকলোৰে। এই সাৰ্বজনীন নতুন উদ্ভাৱনে আমাৰ দেশৰ 'কেৰেজ এণ্ড ট্ৰেন্সপৰ্ট' সমস্যাৰ বহুখিনি সমাধান কৰিলে। কান্ধত ওলোমাই লোৱা বেগত জেলেপিৰপৰা জোতালৈ, আলুৰপৰা আলোৱানলৈ সকলো ভৰাব পাৰি।

মোৰ বেগটোও সেই দেখি বিশেষ জঞ্জাল যেন নেলাগিল। অৱশ্যে গাটো একালে অলপ বেঁকা হৈ গৈছিল। নান্‌খাটা, হেঁৰে, কিচ্‌ মিচ্‌...

হায়দৰৰ ঘৰলৈ হয়তো শুদা হাতে অহাত কোনো অপৰাধ নাই। কিন্তু কালি ঈদ্‌ হৈ গৈছে। আজি আহিছোঁ — নাজ্‌মাৰ ঘৰলৈ — নতুন মানুহ শুদা হাতে অহা মানে অভদ্ৰামিৰ পৰিচয় দিয়া। কাৰ নো কি নাই? সেইবুলি নিজৰ ইজ্জততো বচাব লাগিব।

টাউনৰ লাইটৰ পোহৰ এক ফাৰ্লঙৰ ভিতৰতে শেষ হ'ল। তাৰ পিছত বেছ ঘন আন্ধাৰ। অলপ দূৰ গৈ এটা ক'লা ডাঙৰ ঘৰ দেখিলোঁ, বোধকৰোঁ সেইটোৱেই মিল। তাৰ পিছত আকৌ আন্ধাৰ। দুই-এঘৰ মানুহ আছে, কিন্তু প্ৰায় ঘৰৰে দুৱাৰ বন্ধ। খিৰিকীয়েদি অহা লেমৰ পোহৰৰ পৰাহে ঘৰৰ ধাৰণা কৰিব পাৰি। অলপ আচহুৱা যেন লাগিল। হয়তো আহিম বুলি হায়দৰলৈ এখন চিঠি দিয়াহি ভাল আছিল। সি ষ্টেশ্যনৰপৰা আগবঢ়াই নিলেহিহেঁতেন।

আৰু কিছুদূৰ আগবাঢ়ি বাটৰ কাষৰ মানুহ এঘৰলৈ সোমাই গৈ সুধিলোঁ, 'হায়দৰৰ ঘৰলৈ আৰু কিমান দূৰ আছে?'

অলপ বিস্ময়েৰে চকু তুলি চাই মানুহজনে ক'লে, 'আমাৰ ইয়াত নহয় কিজানি। আপুনি ক'ৰপৰা আহিছে?'

আৰু আগবাঢ়িলোঁ। এৰি থৈ অহা নাইতো? এটা সৰু জুপুৰি ঘৰৰ মজিয়াত চাকি জ্বলি থকা দেখি সোমাই গ'লোঁ।

'হায়দৰ? কি কাম কৰে?'

ওলাই আহিলোঁ। হায়দৰে কি কাম কৰে মই কেনেকৈ জানিম, কিবা ভাল কাম কৰে নিশ্চয়।

বিৰি কি চিগাৰেট হুপি হুপি কোনোবা এজন আহি আছিল সন্মুখৰপৰা।

'শুনকচোন।'

মানুহজন বৈ গ'ল। সুধিলোঁ।

'দেখিবলৈ কেনেকুৱা বাৰু?'

'ধুনীয়া, শুখ, বগা, চুলি বেকব্ৰাচ কৰে, ইত্যাদি।'

মানুহজন অলপ থমকি ৰ'ল।

'মই ভালকৈ ক'ব নোৱাৰিম। আৰু অলপ আগবাঢ়ি যাওক। অকলশৰীয়া এটা সৰু ঘৰ পাব। তাতে এজনী ছোৱালী থাকে। তাই জানিব পাৰে।'

অস্বস্তি লাগিল। টোপোলাটোও যেন আগতকৈ ক্রমে গধুৰ হৈ গৈছে। আঙ্গাৰবোৰো আগতকৈ ডাঠ হৈ পৰিছে। বাতি দহমানেই বাজিল কিজানি।

অকলশৰীয়া ঘৰ এটাত ছোৱালী এজনী থাকে, তাই জানিব পাৰে। ক'ৰ বা ছোৱালী।

ৰাস্তাৰ দুই কাষে চাই যাব ধৰিলোঁ। দীঘলীয়া ঘৰ দুটা, তিনিটা। অকলশৰীয়া ঘৰ নাই।

কিন্তু মোকতো ছোৱালী থকা অকলশৰীয়া ঘৰ নেলাগে, হায়দৰৰ ঘৰহে লাগে। হায়দৰৰ ঘৰ কোনটো?

এইটো অকলশৰীয়া ঘৰ নহয় নে? ইফালে? নাই। সিফালে? নাই। এইটোৱেই ঘৰ কিজানি।

লেমটো হাতত লৈ ছোৱালীজনী দুৱাৰমুখলৈ ওলাই আহিল।

'ভিতৰলৈকে আহক —'

থতমত খাই গ'লোঁ। ইমান বাতিখন কোনে মোক ভিতৰলৈ মাতিছে?

'হায়দৰৰ ঘৰ বিচাৰিছোঁ। কোনফালে আছে?'

'আহক বহকচোন বাৰু। তেওঁৰ ঘৰ পাব।'

'বৰু।' মই ভিতৰ সোমাই গ'লোঁ।

ছোৱালীজনীয়ে লেমটো সৰু মেজখনৰ ওপৰতে থ'লে। পিন্ধি থকা শাৰীখনৰ আগটোৱে ছোৱালীজনীয়ে মুখখন মচি ল'লে। মই এতিয়ালৈকে ছোৱালীজনীৰ মুখলৈ চোৱা নাছিলোঁ; অকলশৰীয়া ঘৰত থকা অকলশৰীয়া ছোৱালী এজনীৰ মুখলৈ চোৱাটো ভাল কথা নহয়।

কিন্তু ভিতৰত বহিও ছোৱালীজনীৰ মুখলৈ নোচোৱাটো বেয়া কথা — যেই হওক ছোৱালীজনী।

অচিনাকি ছোৱালী। অলপ খীণ, কলডিলীয়া মুখখন, মিঠা বৰণীয়া। পিন্ধি থকা শাৰীখন সিমান পৰিপাটি নহয়। অলপ মলিন, আৰু বৰ সাধাৰণভাৱে পিন্ধা।

'আপুনি ক'ৰপৰা আহিছে?'

ক'লোঁ।

হায়দৰক কেনেকৈ চিনি পালোঁ, সুধিলে।

চমুকৈ ক'লোঁ।

'কিয়নো বিচাৰি আহিল?'

'বিচাৰি অহা নাই। তাৰ ঘৰলৈ আহিছোঁ। মাতি আহিছিল। ঈদ খাবলৈ আহিছোঁ। সিহঁতে মাতিছিল।'

ছোৱালীজনী মনে মনে থাকিল। মইো মনে মনে থাকিলোঁ। অলপ পৰৰ নীৰৱতাৰ

পিছত ক'লোঁ, 'বাতি ভালেমান হ'ল?'

হোৱালীজনীয়ে ক'লে, 'আহক।'

'ক'লৈ?'

হোৱালীজনীৰ লগে লগে ভিতৰ সোমাই গ'লোঁ, কিসদৃশ লাগিল। হায়দৰটোনো ক'ত যোকোটত সোমাই থাকে।

'হায়দৰৰ ঘৰনো কোনটো?'

'আহি থাকক।'

'এইটোনো কাৰ ঘৰ?'

'বাতি এঘাৰ বাজিল নে বাৰু?'

বাবীখন পাৰ হ'লোঁ। আমাৰ চাৰিওফালে এখন আন্ধাৰ পৃথিবী। লেম লোৱা হোৱালীজনীৰ পাছে পাছে মই। এটা সৰু ঠেক বাট, দুয়োপিনে জেওৰা দিয়া, প্ৰায় এক ফাৰ্লং।

ঘৰটোৰ সন্মুখত আমি ৰ'লোঁ। এটা সৰু ঘৰ। দুৱাৰ বন্ধ।

'অহাই নাই।'

'ক'লৈ গৈছেনো?'

'ৰ'ব অকণমান, মই পাছফালৰপৰা দুৱাৰ মেলিব পাৰিম কিজানি।'

মই আন্ধাৰতে থিয় দি থাকিলোঁ।

নাজমা ঘৰত নাই নেকি?

ভিতৰৰ পৰা হোৱালীজনীয়ে বাহিৰ দুৱাৰখন মেলিলে।

'ভিতৰলৈ আহক।'

সৰু চকীখনতে কোনোমতে বহিলোঁ। অলপ প্ৰস্তুত হ'লোঁ। নাজমা ওলাই আহিব নিশ্চয়।

কোনো নাই। হোৱালীজনীয়ে কি যেন এটা চিন্তা কৰিছে। তাই খুব শান্ত।

'আপোনাৰ বেগটো দিয়ক —' হোৱালীজনীয়ে কিছুপৰৰ মূৰত ক'লে।

হোৱালীজনীয়ে কোনো সৌজন্য নকৰি বেগটো ভিতৰলৈ লৈ গ'ল। ভিতৰত অন্য এটা চাকি জ্বলাই, তাই হাতৰ লেমটো আনি মেজখনৰ ওপৰত থ'লেহি।

নাজমাৰনো ইমান লাজ নে, ভিতৰৰ পৰা জুমি চাইছে চাগে।

ভিতৰৰ পৰা হোৱালীজনীয়ে ক'লে, 'অকণমান তাতে বহক। মই এটোপা চাহ কৰোঁ।'

নাজমাৰ গা ভাল নাই নেকি? ঘৰৰ গিৰিহঁতনী থাকোঁতে এই বাহিৰা হোৱালীজনীয়ে চাহ কৰি আলহীক খুৱাবলগীয়া হ'ল কিয়?

ঘৰটো পুৰণি, বেৰবোৰ ভগা-ছিগা, উৰলি যোৱা। বেৰ-চালত যোঁৱা, এলাহু। মজিয়াখনো জেকা।

'দুৱাৰখন বন্ধ কৰি থওক —' হোৱালীজনীয়ে ভিতৰৰ পৰাই ক'লে।

হোৱালীজনীৰ কথাবাৰ নুশুনাৰ দৰে মই বহি থাকিলোঁ। কোনো নোহোৱা ঘৰ এটাত মই নীৰবে বহি আছোঁ। এজনী অচিনাকি ছোৱালীয়ে মোৰ কাৰণে চাহ বনাইছে — ৰাতি এবাৰ বজাত।

পৃথিবীখন স্তব্ধ। এনে সময়ত মই কি ভবা উচিত, মই নিজেই ঠিক কৰিব নোৱাৰিলোঁ। ৰাতি এঘাৰ বজাতো হায়দৰটো নাই, সিনো ক'লৈ গ'ল? সদায় এইদৰে ৰাতি সি ঘৰত নেথাকে নেকি? এৰা, আগৰে পৰাইতো সি ভেনেকুৱা।

পিয়লা এটাত গাখীৰ নোহোৱা এপিয়লা ৰঙা চাহ আৰু এখন সৰু পিৰিচত দুটা নান্‌খাটা আনি ছোৱালীজনীয়ে মোৰ আগত থ'লেহি।

নান্‌খাটাটো হাতত লৈ বুজিলোঁ — মোৰ টোপোলাৰপৰাই খুলি দিছে। মই বেয়া নাপালোঁ। হয়তো আলহী ছোৱালীজনীয়ে হায়দৰৰ ঘৰৰ ক'ত কি আছে ক'ব নোৱাৰে। কিন্তু নাজ্‌মা ভেন্তে ঘৰত নাই। হয়তো নাজ্‌মা হায়দৰ দুয়োটা কাবোবাৰ ঘৰত ঈদ্ খাবলৈ গৈছে।

ছোৱালীজনীলৈ অলপ মৰম লাগিল। হয়তো ওলাই যাবৰ সময়ত হায়দৰহঁতে কৈ গৈছিল কোনোবা আহিলে ঘৰ দেখুৱাই দিবৰ কাৰণে। ঈদৰ সময়ত কত মানুহ হয়তো তাৰ ঘৰলৈ আহিবৰ কথা। কিজানি ময়ো আহিব পাৰোঁ বুলি কৈ গৈছে।

ক'লোঁ, 'তুমিও নোখোৱা জানো? হায়দৰহঁততো এতিয়াও নোলালহি।'

'আপুনি খাওক। ময়ো খাম বাৰু।'

'সিহঁতনো ক'লৈ গ'ল?'

মোৰ কথাবাৰ নুশুনাৰ দৰে ছোৱালীজনী ভিতৰ সোমাই গ'ল। বান্ধনিশালত অলপ ঘুটুং-ঘাটাং শব্দ শুনি বুজিলোঁ — ছোৱালীজনীয়েও চাহ বাকি খাইছে। নান্‌খাটাও খাইছেতো?

শেহৰ চাহঢোকা খাই অনুমান কৰিলোঁ — চাহত চেনিও নাছিল। খোৱাবস্তু মিটচে'ফত ভৰাই বন্ধ কৰি থৈ গ'ল নিশ্চয়। বাহিৰত নেথাকিলেনো ছোৱালীজনীয়ে ক'ত পাব?

আকাৰত সৰু কৰি ছোৱালীজনীয়ে মোৰ বেগটো আনি হাতত দিলেহি। টেঙৰ ছোৱালী, খোৱা-বস্তুৰ টোপোলাটো উলিয়াই ৰাখিলে।

'আপুনি কাপোৰ সলাওক, মই আপোনাৰ কাৰণে বিছনা কৰোঁ। আজি ৰাতি আৰু ভাত খোৱাৰ দিহা নহ'ব বোধহয়।'

আপত্তি নাই। অলপ ভাগৰে ধৰিছে, শুই থাকিম। নাজ্‌মাহঁতৰ লগত বেছ স্ফূৰ্তি কৰা যাব। কোন আহি সিহঁতৰ ঘৰত শুই আছোঁ — দেখি আমোদ পাওক।

'হায়দৰহঁত আজি নাহিবই নেকি?'

সেই বিষয়ে সুধিলেই ছোৱালীজনীয়ে অন্য কথা উলিয়ায়। তাই হয়তো নেজানে হায়দৰ আৰু মই কিমান দিনৰ বন্ধু।

ছোৱালীজনীয়ে ভিতৰৰপৰাই মাতিলে, 'আপুনি ইয়ালৈকে আহক।'

বিনা দ্বিধাই ভিতৰলৈ গ'লোঁ। হায়দৰৰ ঘৰত মোৰ কোনো সংকোচৰ কাৰণ নাই। আৰু নাজমা যেতিয়া ঘৰত নাই।

এখন তক্তাপোছৰ ওপৰত বিছনা কৰিছে। বিছনা-চাদৰখন যথেষ্ট পুৰণি আৰু মলিয়ন। গাৰুটোৰ গিলিপ নাই, তেল-চিকটি লাগিছে। সেই কাৰণে বিছনা চাদৰেৰে গাৰুটো ঢাকি দিছে। আঁঠুৱা নাই।

বিছনা-পত্ৰ সকলো লৈ হায়দৰ কিজানি শহুৰেকৰ ঘৰলৈ গ'ল। ঈদ খাবলৈ গৈছে। আজি আহি মই ভাল কৰা নাই। আৰু ভণ্টিৰ কথাবাৰো নেমানি ভুল কৰিছোঁ। বিছনাখন আনিব লাগিছিল।

একাষৰীয়া হৈ থিয় দি থকা ছোৱালীজনীৰ পৰিচয় বিচাৰিবৰ মন গ'ল। তাই হায়দৰৰ নিশ্চয় একো নহয়, কিন্তু নিশ্চয় নাজমাৰ কিবা আপোন হয়।

'তোমাৰ নাম কি?'

'আপুনি ইয়াতে শুব, মহ নাই। জেপত জুইশ'লা আছে নে?'

'আছে, কিয়?'

'লেমটোত তেল বেছি নাই। শুলে নুমাই থ'ব। দৰকাৰ হ'লে বাত্তি জ্বলাই ল'ব।'

বৰ সংসাৰী উপদেশ। কিন্তু ছোৱালীজনীয়ে নিজৰ নামটো নক'লে।

কোঠাটোত এটা টিনৰ চুটকেচৰ বাহিৰে আৰু একো নাই। ছোৱালীজনীয়ে চাহ খোৱা পিয়লাটো ধুই তাতে এপিয়লা পানী আনি থ'লে। গিলাছো নাই বোধকৰোঁ।

'পানী —'

'অ' বাৰু —'

'মই তেন্তে যাওঁ?'

'যোৱা মানে, মানে?'

এই ৰাতি বাৰ বজাত অকলে ছোৱালীজনী ক'লৈ যায়? যাবলৈ ভয় নকৰিব নে?

'ৰাতিতো বহুত হ'ল?'

'হয়, আপুনি শোৱক।'

'হায়দৰ তেন্তে আজি নাহে?'

'দুৱাৰখন বন্ধ কৰি থ'ব।'

ছোৱালীজনীয়ে বাহুনিশালৰ দুৱাৰ বন্ধ কৰিলে।

'তুমি এতিয়া ঘৰলৈ যাবাগৈ?'

কোনো অৰ্থ নাই। তাৰ মানে এই নহয় যে ৰাতি তুমি ঘৰলৈ যাব নেলাগে, ইয়াতে থাকা।

মই অকলেই শুই থাকিম। ছোৱালীজনীক থৈ অহা ভাল হ'ব।

'তোমাক ঘৰত থৈ আহোঁ ব'লা —'

ছোৱালীজনীয়ে কিবা এটা ক'ব খুজিছিল, এনেতে বাহিৰত শুনিলোঁ কাৰোবাৰ মাত, 'জীনু—

'তেওঁ আহিল।' হোৱালীজনীৰ মাতত আনন্দ।

হায়দৰ সোমাই আহিল।

'অ' তই দেখোন, তই কেতিয়া পালিহি। জীনু ইয়াক, আই মীন, এওঁক চিনি পাইছ নে নাই? সেই যে, মই যে তোক কৈছিলোঁ — আছুৰফ। কেতিয়াবাই পালিহি নেকি?'

হায়দৰৰ হাতত এটা সৰু টোপোলা।

জীনুৱে — নামটো জানি পেলাইছোঁ — টোপোলাটো তাৰ হাতৰপৰা লৈ গ'ল বান্ধনিশাললৈ।

'তইতো একো — জীনু, — ই, আই মীন, এওঁ কিবা খালে জানো?'

মোৰ কাৰণে অলপ ব্যস্ত হৈ পৰা যেন দেখি হায়দৰক ক'লোঁ, 'খালোঁ। তইনো ক'লৈ গৈছিলি? অকলে ঘূৰি আহিলি যে?'

'অকলে মানে, অ' আই ছী — বাৰু —' সি অলপ ৰ'ল, তাৰ পিছত ক'লে, 'ক'তা ঈদৰ একো নানালি?' সি কিজানি হাঁহিবৰ চেষ্টা কৰিছিল। মই বুজিব নোৱাৰিলোঁ।

চাহ খাই লোৱাহি — ভিতৰৰপৰা জীনুৱে তাক মাতিলে। — 'ৰাইট্, গৈছোঁ জীনু, আচ্ছা তই এতিয়া শো। বহুত ৰাতি হ'ল। ড'ন্ট্ ব'ডাৰ ফৰ্ মি —'

সি বান্ধনিশাললৈ সোমাই গ'ল।

হায়দৰে ভাত নিশ্চয় ক'ৰবাত খাই আহিছে। ঈদ্ হৈছে, সি চাগে কত ঘৰত পোলাও-কোৰ্মা খাই ফুৰিছে। চাহ খায়ে ৰাতিটো থাকিব পাৰিব। ৰাতি আকৌ মোৰ ভোক লাগিব নেকি? দুটা নান্‌খাটা আৰু এপিয়লা ফিকা চাহ।

'তই যে ওলালিহি, বৰ ভাল কৰিলি বুজিছ, তোৰ কথা জীনুক কৈছিলোঁৱেই। চাওঁ, বিৰি আছে নে এটা দেচোন।'

তালৈ চিগাৰেট আৰু জুইশ'লা আগবঢ়ালোঁ। চিগাৰেট এটা জ্বলাই লৈ সি মোৰ সমুখতে বহিল। জীনুৱে বান্ধনিশালত কিবা কৰি আছে। ওলাই নাহিল।

'ভাল নহয় সকলোৰে?'

'ওঁ, আৰু তইঁতৰ?'

'ভাল ভাল। কোৱাইট ৱেল। ঘৰৰপৰা কিমান সময়ত আহিলি?'

চমুকৈ ক'লোঁ।

'ঘৰত ভাত খাই আহিছিলি নহয়?'

দিনৰ এঘাৰ বজাতে। কেইবা ঘন্টাও হ'ল। কিন্তু তাক নক'লোঁ।

'ওঁ, ওঁ, খালোঁ। মোৰ খোৱাৰ কাৰণে তই চিন্তা নকৰিবি।'

'তই তেনেহ'লে শো। ভাল লাগিল তই আহিলত। বহুত কথা আছে, মেনি থিংচ টু টেল্ ইউ। তই কিন্তু কেইদিনমান থাকিব লাগিব। জীনু, আহ —'

জীনুক ঘৰত থৈ আহিবগৈ — মই ভাবিলোঁ।

'দুৱাৰখন বন্ধ কৰি থ'বি —'

'তই ঘূৰি নাহ জানো?'

'মোৰ কথাচোন ভাবিব নেলাগে। তই শুই থাক।'

জীনু আৰু হায়দৰ ওলাই গ'ল। চোতালৰপৰা সি দীঘলীয়াকৈ মাত লগালে — 'গুড্ নাইট্।'

কেইদিনমান নহ'লেও নাজ্‌মা নহালেকৈ থাকিব লাগিব। মই হায়দৰক চাবৰ কাৰণেতো অহা নাই। নাজ্‌মাৰ ধুনীয়া মুখখনৰ কথা মনত পৰিল বাৰে বাৰে। ঈদ খাবলৈ গৈছে যদিও, মই অহা গম পালে নিশ্চয় ঘৰলৈ আহিব।

হয়তো ৰাতি চাহপানী খোৱাৰ কাৰণেই টোপনি নধৰা হ'ল। বিছনাখন টান। গাৰুটোও অলপ ভেঁকুৰা গোন্ধাইছে। আৰু গোটেই ঘৰটোৱেই অলপ বেয়া গোন্ধাইছে। মহো আছে। ভন্টিৰ উপদেশলৈ আকৌ মনত পৰিল। সকলো উপদেশৰ বোজা কঢ়িয়াব পাৰি নেকি?

কাণে সাৰ পালে। ৰান্ধনিশালত ঘুটুং-ঘাটাং চলিছে। ৰাতি ভালকৈ পুওৱা নাই। হায়দৰটোনো ৰাতি ক'ত শুলে। দুৱাৰখন হেঁচা মাৰি মেলি জীনু সোমাই আহিল। তাই খাৰৰ মাত মই চিনি পালোঁ। মোৰ বিছনাখনৰ কাষত বৈ বৈ তাই মোৰ মুখলৈ চালে — টোপনি গৈ আছোঁ নে সাৰ পালোঁ, জানিবৰ কাৰণে। মই চকু মেলি দিলোঁ।

'সাৰ পাইছে যদি উঠক। চাহ হৈছে।'

ৰাতি টোপনি নাই, অলপ পৰি থাকিবৰ মন আছিল। কিন্তু উঠি আহিলোঁ। জীনুৱে মুৰ-চুৰ ফণিয়াই আহিছে। এখন বেলেগ শাৰীও পিন্ধিছে। ৰাতি দেখাতকৈ ছোৱালীজনী ধুনীয়া।

মুখ-হাত ধুই চাহ খাবলৈ বহিলোঁ।

ঠিক ৰাতিৰ নিচিনা এপিয়লা ৰঙা চাহ আৰু দুটা নান্‌খাটা। লগতে দুটমান কিচ্‌মিচ্। মানে মই নিয়া বস্তু।

'হায়দৰ উঠাই নাই নেকি?'

'উঠিছে, আপুনি বাৰু খাওক?'

তাৰ আৰু জীনুৰ ওপৰত অলপ অসন্তুষ্ট হ'লোঁ। বন্ধু হ'লোঁ বুলি মোক ইহঁতে আলহী বুলি নধৰিবই নেকি? ঈদৰ আলহীক এইদৰেহে সোধ-পোছ কৰে নেকি?

পিন্ধিবলৈ বিচাৰি ৰাতি সোলোকাই থোৱা কামিজটো বিচাৰিলোঁ, নাই দেখোন। ৰাতি চোৰে নিলে নেকি?

'ইয়াতে মোৰ কামিজটো থৈছিলোঁ?'

'অ' ভুলতে তেওঁৰটো বুলি পিন্ধি গ'ল হ'বলা। আন্ধাৰে-মুন্ধাৰে নেচালেই কিজানি। এতিয়াই ওলাবহি।'

হায়দৰ ক'ৰবালৈ গৈছে নিশ্চয়। কিজানি মই অহাৰ কাৰণে নাজ্‌মাক আনিবলৈ যাব পায়।

সুধিয়ে পেলালোঁ, 'হায়দৰে নাজ্‌মাক আনিবলৈ গ'ল নেকি?'

জীনুৱে ক'লে, 'কেগটোত আপোনাৰ আৰু এটা কামিজ আছে হ'বলা। আপোনাক গা ধোৱা পানী দিম নেকি?'

'অলপ পিছত ধুম।'

কামিজটোৰ জেপত ডেৰ টকামানৰ ভঙা পইছাও আছিল। বাকী টকা-কেইটা গাৰু তলত থৈছিলোঁ। — আছে।

এঘাৰ বাজি যোৱাৰ পিছত হায়দৰ ওলালহি — অকলে। নাজ্‌মা নাহিল।

'এইটো তোৰ কামিজ, নহয়?' কামিজটো সোলোকাই থৈ সি ক'লে। তাৰ বনিয়নটো যথেষ্ট ফটা আৰু মলিয়ন, ভৰিত জোতাও নাই। হাতৰ টোপোলাটো সি বাৰন্দিশালত থৈ আহিল।

'বৌ ক'ত? লৈ নাহিলি কেলেই? মই অহাৰ কথা কোৱা হ'লে আহিলহেঁতেন।'

'বৌৱেৰ? ইউ মীন্ — অ' বুজিছোঁ। বাৰু হ'ব দেচোন। গা ধুলি নহয়? অলপ ফুৰি আহোঁ আহ। আমাৰ টাউনখন এপাক চাই নাহ জানো?'

'আবেলি যাম। এতিয়া দুপৰীয়া —'

'একো নহয় আহ। অলপ ঘূৰি আহিম। হাফ এন্ আৱাৰ।'

আকৌ সি মোৰ কামিজটোকে পিন্ধি ল'লে। মই একো নেভাবিলোঁ। তাৰ বা চোলা-কাপোৰ ক'ত এৰি থৈ আহিছে!

জীনুহঁতৰ ঘৰেদিয়ে আহিলোঁ। জীনু বিছনাতে পৰি আছে অকলে। ছোৱালীজনী অকলেই থাকে হ'বলা সদায়। কম সাহসো নহয়।

'জীনু শুইছ নেকি?'

তাই বিছনাৰপৰা নামি আহিল।

'কেনিবা যায় নেকি?' মোকে সুধিলে জীনুৱে।

'অলপ ফুৰি আহোঁ।'

ছোৱালীজনীয়ে সৰুকৈ হাঁহিলে। বোধকৰোঁ হায়দৰৰ গাত মোৰ কামিজটো আকৌ দেখি — তাত হাঁহিবলগীয়া একো নাই।

'তই অলপ থাক জীনু। আমি সোনকালেই আহিম। আমি ভেৰি চুন্ ঘূৰি আহিম।'

বাটত আহোঁতে মই মাত্ৰ ভাবি আহিলোঁ জীনু আৰু হায়দৰৰ সম্বন্ধটোৰ কথা। ইহঁত দুটা কোনটো কাৰ কি হয়, মইতো একো নুবুজিলোঁ।

ভাবিলোঁ হায়দৰে মোক নাজ্‌মাহঁতৰ ঘৰলৈ নিবলৈ ওলাইছে ঈদ্ খাবলৈ। মনটোত ভাল লাগিল।

'টাউন' সোমালোঁ। টিনৰ চালিৰ সৰু চাপৰ ঘৰ এটাৰ সন্মুখত টিন এডোখৰত লিখা আছিল — 'দি গ্ৰেণ্ড হোটেল।'

সেইফালে খোজ চলাই সি ক'লে, 'আহ —'

'ক'লৈ — ?'

'গ্ৰেণ্ড হোটেল। মেনেজাৰ মোৰ চিনাকি। ভাল পৰঠা বনায়।'

মাংস, পৰঠা, দৈ, আনকি দুটা ৰসগোল্লাও। মোৰ পেট ভৰি গ'ল। দুপৰীয়ানো এইদৰে পেট ভৰাই চাহ খায় নে? ভাতনো কোনটো পেটত খাম?

অৱশ্যে কালি দুপৰীয়া ঘৰতে পেট ভৰি খোৱা। আৰু ভাল খোৱা হোৱাই নাই। পেট ভৰাই খাবলৈ পাই বেয়া নেলাগিল, কিন্তু নাজ্‌মাইতৰ ঘৰলৈ আহি এইদৰে খাই গ'লে, তাতনো কি ঈদ্ খামগৈ? মইতো হায়দৰৰ নিচিনাকৈ খাব নোৱাৰোঁ।

প্ৰেশু হোটেলৰপৰা আহিবলৈ ওলালোঁ।

'কিমান হ'ল?'

'দুটকা বাৰ অনা।'

সহজভাৱে হায়দৰে ক'লে, 'পইছা আছে নহয় তোৰ হাতত — দি দেচোন। দুটকা বাৰ অনা, নহয়?'

কৈ সি হোটেলৰ বাহিৰলৈ ওলাই আহিল। মই জেপৰপৰা উলিয়াই টকা তিনিটা দিলোঁ। মেনেজাৰে ঘূৰাই দিয়া সিকিটো মোৰ হাতৰপৰা লৈ সি ক'লে, 'চিগাৰেট কিনো বহ্।'

আলিবাটত উঠি তাক সুধিলোঁ, 'তইনো এতিয়া কি কৰিছ্ হায়দৰ?'

'এ, বহুত কাম বেষ্ট নাই বুজিছ্। লাইফটো, মানে —'

সি দেখোন ঘৰৰ ফালেহে ঘূৰিছে। নাজ্‌মাৰ ঘৰলৈ ভেন্তে নেযায়? অৱশ্যে মোৰ যে নাজ্‌মাৰ ঘৰৰ ফালে যাবৰ মন গৈছে, তাক ক'বলৈ সঙ্কোচ লাগিল। কিজানি সি কি ভাবি পেলাব!

জীনুৰ ঘৰৰ আগ পাই সি ক'লে, 'তই অলপ বেষ্ট ল'। মোৰ অকণমান কাম আছে। বেগেতে আহিম। চাওঁ, পাঁচ টকীয়া নোট এখন নাই নে?'

উলিয়াই দিলোঁ।

'ওঁ, হ'ব দে। তই ভেন্তে জিৰাগৈ। জীনুৰে কথা-বতৰা হ'গৈ। বৰ ভাল ছোৱালী জীনু। ভেৰি গুড গাৰ্ল।'

মোক এৰি সি আকৌ টাউনলৈ খোজ আগবঢ়ালে।

জীনুৰ ঘৰলৈ সোমাই গ'লোঁ। নাজ্‌মাৰ লগত চোলা-কাপোৰ, টকা-পইছা সকলো এৰি থৈ আহি বেচেৰা হায়দৰটো বিপদত পৰিছে। নহ'লে মোৰ পইছা খুজি নিব কিয়?

হয়তো পাঁচ টকাৰে টেক্সি ধৰি নাজ্‌মাক লৈ আহিবগৈ।

'জীনু —' ছোৱালীজনীক নাম কাঢ়িয়ে মাতিলোঁ।

'কি কৈছে?'

'আমাৰ ঈদৰ বন্ধ আৰু এদিনহে আছে। কালিলৈ মই যামগৈ।'

'হয়।'

'নাজ্‌মা বৌইতৰ ঘৰনো কিমান দূৰত?'

জীনুৰে ক'লে, 'আজি আপুনি থাকক আৰু, কালিলৈ যাবগৈ।'

'এৰা। নিচেহ হায়দৰটোৱেনো কি ঘূৰি ফুৰিছে। মই আহিলোঁ, অথচ দেখোন মোৰ লগত কথা পাতিবলৈকে আজৰি নাই। সিনো আজিকালি কি কাম কৰে? ঈদতো ছুটী নাই নে?'

মোৰ কথাৰ কোনো উত্তৰ নিদি জীনুৰে দুটা এলাচি দিলে। জীনুৰ ঘৰতো মাত্ৰ

এখন বিছনা। আৰু কোনো ঘৰটোত নায়েই নেকি? তাইনো অকলেই থাকে নে?

জীনুৱে ক'লে, 'ৰাতিও আপোনাৰ টোপনি নাই। আপুনি অলপ শোৱক।' তাইৰ বিছনাখন তাই দেখুৱাই দিলে।

মোৰ অলপ বেয়া লাগিল। অৱশ্যে জীনুৰ বিছনাখন কালি ৰাতিৰ হায়দৰৰ বিছনাখনতকৈ চাফা। কোনোবা মানুহে আহি যদি মোক জীনুৰ বিছনাত শুই থকা দেখেহি!

'নাই, মোৰ দিনত শোৱা অভ্যাস নাই।'

'ৰাতি টোপনি খতি কৰাৰ অভ্যাসোতো নাই —' নইঁহাকৈয়ে জীনুৱে ক'লে।

ছোৱালীজনীয়ে কথা বেছ জানে!

নির্জন দুপৰীয়াটো। বাহিৰত ৰ'দ। নগৰ-কাষৰীয়া এই সৰু ঘৰটোৰ ভিতৰৰ শান্ত নির্জনতাখিনি ভাল লাগিল। জীনু পাছফালৰ অকণমান বাৰাণ্ডাডোখৰতে বহি আছে। তাই বৰ কম কথা কয়। তাই আকৌ হায়দৰৰ খুলশালীয়েক নেকি? চেহেৰা-পানী নাজমাৰ লগত একেবাৰে নিমিলে।

টোপনিয়ে হেঁচি ধৰিলে। দুৱাৰেদি পাতল বতাহজাক আহি গাত লাগিলহি। নাজমাই বা কি ভাবে, মই জীনুৰ বিছনাত শুই থকা বুলি জানিলে।...

বাৰাণ্ডাত দুজনী তিৰোতা মানুহৰ চেপা মাত।

'এখেতেই নেকি?'

'ও।' 'হায়দৰ ক'লৈ গ'ল পিছে?'

'বজাৰ কৰিবলৈ। ঈদ খাবলৈ আহিছে।'

'ৰাতি ক'ত থাকিল?'

'তাত।'

'কিবা খুৱাব পাৰিলি নে?'

মোৰ টোপনি ভাগিছিল। তথাপি লৰচৰ নকৰি টোপনিৰ ভাও ধৰি পৰি থাকিলোঁ। কাণ দিলোঁ।

'কিনো খুৱাম। ঘৰখনত কিবা এটা হ'লেহে! তেখেতেই কিবা-কিবি আনিছিল — তাৰেই চাহ দিলোঁ — ৰাতিও, ৰাতিপুৱাও!'

'এতিয়া দুপৰীয়া পিছে কি খালে?'

'হোটেলত কিবা খুৱাই আনিলেগৈ।'

'আৰু তই কিবা খালি নে নাই?'

'ৰাতি চাউল এসেৰে বেঙেনা দুটাই আনিছিল — তাৰেই ভাত দুগৰাহমান খালোঁ, খাবৰ মন নেযায় —'

'ৰাতিকৈ পিছে?'

'তাকেতো ভাবিছোঁ। ইমান দূৰৰ পৰা আলহীজন আহিছে। তাকো ঈদত। এসাজ ভালকৈ নুখুৱালে কম বেয়া কথা হ'ব নে?'

মই একেবাৰে নিশ্চল হৈ পৰিলোঁ। যেন ঘৰটোত মই নাই।

'এঃ দেহি! কষ্টহে পালেহি মানুহজনে। আমাৰ ঘৰতো নাই যি নাই কুটা এগছ নাই। কালিনো কি ঈদ কৰিলোঁ আল্লাইহে জানে। বছৰেকৰ ঈদৰ দিনাও চাহ-ভাত এমুঠিৰ যোগাৰ নহয়।'

জীনুৰ মাতটো সেমেকা, 'আমাৰ দুখীয়া মানুহৰনো কিহৰ ঈদ। তেখেতে আকৌ আজি নাজ্‌মাৰ কথা সুধিছিলে।'

'ক'বই নোৱাৰে হ'বলা।'

'কেনেকৈনো জানিব? আৰু সেইবোৰ কথা নুলিওৱাই ভাল। আমাকনো কি ভাবিব? অ' তেখেতৰ সাৰ পাবৰ হ'ব পায়। মই চাহ এটোপা বনাওঁ, তই বহ দেই।'

'ময়ো যাবেই। ৰাতিলৈ একো যা-যোগাৰ নহয়গৈ যদি বাৰু খবৰ এটা কৰিবিচোন, আমি জানোছা কিবা এটা কৰিব পাৰোঁৱেই।...'

নীৰৱতা। মানুহজনী গ'লগৈ হ'বলা। মোৰ মুখটোত গৰম উঠিছিল। তথাপি লৰচৰ নকৰাকৈ পৰি থাকিলোঁ। নাজ্‌মাৰ কিবা এটা হ'ল নেকি? কিন্তু এনে কি হ'ল যে মোক জনাবলৈ লাজ পাইছে ইহঁতে?

চাহ খাওঁতে জীনুৰ মুখলৈ ভালকৈ চালোঁ। তাইৰ শুকান মুখখন করুণ। কিবা এটা যেন দুশ্চিন্তাত আছে। হয়তো ৰাতি মোক কি খুৱাব তাৰে চিন্তা! ঈদ খাবলৈ অহা আলহীকতো দাইল-ভাত খুৱালে নহ'ব।

জীনুহঁতৰপৰা বিদায় লৈ তেতিয়াই মোৰ ঘৰলৈ ঘূৰি আহিবৰ মন গৈছিল। কিন্তু সিহঁতে নিশ্চয় বেয়া পাব।

'জীনু —'

'কি কৈছে?'

'এইখিনিত জানো তোমালোকৰ কোনোবা আপোন মানুহ নাই? অলপ চা-চিনাকি হ'লোঁহেঁতেন কেতিয়াবা আগলৈকো লাগে।'

'কাৰ ঘৰলৈনো যাব, আমাৰ আপোন মানুহ তেনেকৈ নাই? অকলে বহি থাকি আমনি লাগিছে নহয়?'

'নহয়, মানে ইয়াৰতো কাকো চিনিয়েই নেপাওঁ।'

'তেনেকৈ চিনাকি হ'বলগীয়া মানুহ নায়ো। সকলো দুখীয়া মানুহ।'

জীনুৰ কথাবাৰত মোৰ হাঁহি উঠিব খুজিছিল। ধনী মানুহৰ লগতহে চিনাকি হ'ব লাগে নেকি? জীনুৱে বেয়া পাব বুলি নেহাঁহিলোঁ।

কিন্তু কথা-বতৰা নপতা ছোৱালী এজনীৰ লগত নিমাও-মাও হৈ বহি থাকিবৰ কাৰণেতো মই অহা নাছিলোঁ। নাই নাজ্‌মা, নাই হায়দৰ, নাই ঈদ, নাই আনন্দ। ক'ৰবাত যেন এটা দিন মই বন্দী থাকি যাবৰ কাৰণেহে আহিছিলোঁ। আৰু জীনু ছোৱালীজনীও অলপ অদ্ভুত। সিহঁতৰ কথা সুধিলে অন্য কথা কয়।

চাহৰ লগত খাবলৈ দিয়া টেৰেবিনি যে মত্ৰে অলপ সেই কথা বুজাত মোৰ কষ্ট নহ'ল।

সন্ধিয়া লাগি আহিল। হায়দৰ নোলালহি। মই তাৰ ওপৰত অলপ অসন্তুষ্ট হ'লো।

ঈদত জানো মই তাৰ ঘৰত খাবলৈকে কেৱল আহিছিলোঁ? সিতো মোৰ লগত বহি দুষাৰ কথা পাতিব পাৰে। থৈ গ'ল এই জীনুজনীৰ লগত। তাই বা ক'ব কি ছোৱালী। হায়দৰটো বেয়া হৈ গৈছে।

'অলপ ফুৰি আহোঁ দেই —'

অনুমতি বিচাৰি নহয়, জাননী দিয়াৰ ভাবেৰে জীনুক কথাষাৰ কৈ 'টাউন'ৰ ফালেই ওলাই গ'লোঁ। জীনুৰেও হয়তো সকাহ পালে।

ৰাতিকৈও কিজানি হোটেলতে খাব লাগিব। বেয়া হোৱা নাই। ভণ্টিয়ে জানিব পাৰিলে এনেকুৱা ঈদ খোৱাৰ কাৰণে নিশ্চয় এজাউৰি দিব। আজি ৰাতিও হয়তো কালিৰ হায়দৰৰ সেই বেয়া গোন্ধোৱা বিছনাখনতে শুব লাগিব।

পুৰাতে ঘূৰি যামগৈ — পুৰাতে।

সকলো দুখীয়া মানুহ, চিনাকি হ'বৰ উপযুক্ত নহয়। মমোতো লোকেলবৰ্ড অফিচৰ কেৰাণী। চহকী মানুহ নে কিবা?

বিশেষ নেভাবি বাটৰ কাষৰ মানুহ ঘৰলৈ সোমাই গ'লোঁ।

'ঘৰত কোন আছে?'

'বাহিৰত কোনোবাই মাতিছে, চাচোন।'

লেম লৈ আদহীয়া তিৰোতা এগৰাকীয়ে দুৱাৰমুখত দেখা দিলে।

'কাক বিচাৰিছে?'

'ইয়াত হায়দৰ আছে নেকি?'

এনেয়ে সুধিলোঁ। জানো ইয়াত হায়দৰ নাই। হায়দৰ ক'ত আছে হয়তো তাৰ বাহিৰে অইন কোনোৱে নেজানে।

'ইয়াত নাই নহয়। ৰাতিপুৱাতে এবেলি আহিছিল। তাৰ পিছত জানো ঘৰলৈ যোৱা নাই?'

'গৈছিল। এতিয়াহে নাই।'

'আপুনিনো ক'ৰপৰা আহিছে? আহকচোন বাক বহকহি।'

সোমাই গ'লোঁ। ভিতৰলৈ মতাৰ কাৰণে ভাল পালোঁ।

নিজৰ চিনাকি দি ক'লোঁ, 'অলপ ফুৰিবলৈ আহিলোঁ।'

'হায়দৰে কিবা টকা-পইছা দিবলগীয়া আছে নেকি?' মানুহজনীয়ে সুধিলে। 'নহয় নহয়। হায়দৰ মোৰ ল'ৰাকালৰে বন্ধু।'

'অ' ভালেই ভেনেহ'লে। বেচেৰাৰ বৰ বিপদ, গম পাৰই পায়।'

কি হৈছেনো? মোৰ বুকুখন অলপ থিৰ্থিৰাই উঠিল।

'আপুনি জানো ক'ব নোৱাৰে?'

'ওহোঁ, কথা পাতিবলৈ ভাক ভালকৈ লগকে পোৱা নাই।'

'এনে, কিনো ক'ব, লাজ-বিজৰে কথা। কিছুমান দিনৰ আগতে নাজমা নামে ছোৱালী এজনী বিয়া কৰাই আনিছিল নহয়?'

ওঁ, ক'ব পাৰোঁ। কি হ'লনো?'

'তাই বৰ ডাইল্ ছোৱালী। তেতিয়া হাৱদৰৰ কাম-কাজো আছিল, আ-উপাৰ্জনো আছিল। পিছে তাই বৰ উৰণীয়া বিধৰ ছোৱালী। তাক গোটেইখনে ঘূৰাই লৈ ফুৰায়।'

মই এবাৰ নাজ্‌মাৰ ধুনীয়া মুখখন মনত পেলালোঁ।

'হয়?'

'এইদৰে ঘূৰি-ফুৰি তাৰ কাম-কাজ গ'ল। খোৱা-মেলাৰ কষ্ট হ'বলৈ ধৰিলে—' 'অ' এইবোৰ কথা মই ক'বই নোৱাৰোঁ। পিছত?'

'তাৰ ঘৰৰ ওচৰতে জমীৰ থাকে। এৰা, আপুনি নিচিনিব কিজানি। সেই যে তাৰ ঘৰলৈ সোমাই যাওঁতে বাটতে সৰু ঘৰটো পায়। জীনু যে থাকে। খীণোৱাকৈ ছোৱালী এজনী যে থাকে, তাইৰ গিৰিয়েক।'

দুখীয়া মানুহবোৰে কথাবোৰ এনেকৈ পোনপটীয়াকৈয়ে কয় হ'বলা।

'তাৰ আকৌ জানো কি মোহ সোমাল। ঈদলৈ এসপ্তাহ আছিল হ'বলা — হেৰ' আজিৰে দহ দিন হোৱা নাই নে?'

ভিতৰৰ পৰা উত্তৰ আহিল, 'হ'ব পায়।'

'এৰা, নাজ্‌মা বাতি সেই জমীৰৰ লগতে ক'ৰবালৈ পলাই গ'ল।'

লেমটোৰ সৰু জুইকুৰাই যেন মোৰ চকুৰ আগত নাচিব ধৰিছে। মোৰ মূৰটো ঘূৰোৱা যেন লাগিল।

'সি জমীৰে বাৰু নিজৰ ঘৈণীয়েকজনীক এৰি থৈ যাব পায় নে, এতিয়া তাইৰো কেও-কিছু নাই। সিও সিহঁতহালক বিচাৰি ফুৰিছে। পিছে বেজী হেৰালে পায়, মানুহ হেৰালে পায় নেকি?'

'চাহটোপা দেগে নে।' ভিতৰৰ পৰা কোনোবাই ক'লে। মোৰ ডিঙিটো শুকাই গৈছিল। চাহ নেলাগে বুলি ক'ব নোৱাৰিলোঁ।

'এতিয়া তেন্তে নাজ্‌মা নাই?'

'ক'বনো থাকিব? আ-অলঙ্কাৰ, ধন-পইছা সকলো লৈ গ'ল। তাইক আৰু ঘূৰাই পোৱাটো হৈছে। হাৱদৰ মানুহটো আধামৰা হ'ল।'

অবোধ্য পৃথিৱীৰ কাহিনী। এই নাজ্‌মায়েই মোক ঈদলৈ জৰুৰ মাতিছিল।

অলপপৰ নীৰৱে থকাৰ পিছত ক'লোঁ, 'এইবোৰ কথাতো হাৱদৰইতে মোক কোৱা নাই।'

'কিনো ক'ব? এইবোৰ জানো ভাল কথা। পিছে হাৱদৰটোও বৰ বেলেগ ধাতুৰ মানুহ। জমীৰৰ ঘৈণীয়েকজনী — জীনু যে, তাই এতিয়া তাৰ লগতেহে থাকিবলগীয়া হৈছে। তাইৰ আকৌ কেও-কিছু নাই নহয়। এতিয়া সি আকৌ তাৰ নিজতকৈ জীনুৰ কাৰণেহে বেছি ভাবিবলগীয়াত পৰিছে।'

আৰু দুআষাৰমান কথা পাতি মানুহজনীকণৰ বিদায় লৈ গুচি আহিলোঁ — জীনুৰ ঘৰলৈ। জীনুক মই বিয়া নোহোৱা ছোৱালী বুলি ভাবিছিলোঁ।

ঘৰত জীনু নাই। পাছফালেদি হায়দৰৰ ঘৰলৈ খোজ দিলোঁ। অলপ দূৰৰপৰাই কিবা ভজা গোন্ধ আহি নাকত লাগিলহি। হায়দৰৰ ঘৰত বোধকৰোঁ কিবা বান্ধিছে।

'তই ক'লৈ গৈছিলি আছুৰফ?' মাতত আনন্দ সানি হায়দৰে সুধিলে।

'অলপ ফুৰি আহিলোঁ। তইনো দিনটো গৈছিলি ক'লৈ?'

'জীনু, ই আহিল। জীনুৱে আকৌ ভয় কৰিছিল তই গুচিয়ে গ'লিগৈ বুলি। মই কৈছিলোঁ, 'নহয়, আই ন' আছুৰফ।' এপিয়লা চাহ খাবি নেকি?'

'এতিয়া চাহ নেখাওঁ।'

'এবা চাহ খালে ভোক মৰি যায়। আন্টাইম্‌লি চাহ খোৱা হেল্‌থৰ কাৰণে বেয়া। একেবাৰে ভাতেই খাম, নহয় জানো?'

তাৰ কথাত ক'তো বেজাৰ বা বিমৰ্ষতাৰ সুৰ নাই।

'ঢেৰ বজাৰ কৰিলোঁ। পাপৰ আনিছোঁ, খাবি নেকি দুখনমান?'

'এতিয়া নেখাওঁ।'

নাজ্‌মা ক'লৈ গ'ল? তই এতিয়া কি কৰি খাইছ? জীনু তোৰ কি হয়? তইঁত এতিয়া কেনেকৈ আছ? কেইবাটাও কথা সুধিবৰ ইচ্ছা হৈছিল, কিন্তু তাৰ মনত আঘাত দিবৰ ইচ্ছা নহ'ল।

ভাত খাবলৈ বহি দেখিলোঁ সঁচাকৈয়ে বহুত কিবা-কিবি দিহা কৰিছে। পৰতা, পোলাও, কোৰ্মা, কোপ্তা, কণী ভজা, চালাড, চাট্‌নি, পুডিং, কল, আপেল — মানে ঈদৰ খানা।

'ইমানবোৰ কেলেই কৰিলি মিছাতে!'

তাক ক'বলৈ নিদি জীনুৱে ক'লে, 'কালিৰপৰা যে ঈদ খায়ে আছে, আজি অলপ অন্য খাওক।'

মই হাঁহিবৰ চেষ্টা কৰিলোঁ।

'বেল কিমান সময়ত যায়?'

'যাবিচোন বাৰু। দুদিনমান নেথাক জানো?'

'ছুটী নাই নহয়।' নথকাৰ অন্য কাৰণ ক'বলৈ বেয়া লাগিল।

দুয়োটাই লগ লাগি মোক একপ্ৰকাৰ জোৰ কৰিয়ে বহুত খুৱালে। মই যে সিহঁতৰ ঘৰত ঈদৰ আলহী, সেই কথা সিহঁতে বাৰে বাৰে মনত পেলাই দিলে, 'ইউ মাষ্ট ইট্।'

ভাতে ভোক নেমাৰে, মাতে মাৰে।

হায়দৰৰ ঘৰলৈ আহিছিলোঁ, হায়দৰে অভ্যৰ্থনা কৰিছে। নাজ্‌মাক বিচৰাৰ কোনো যুক্তি নাই। নাজ্‌মা নেথাকিলে যদি হায়দৰৰ শূন্য নেলাগে, মোৰ শূন্য লাগিবৰ কোনো কাৰণ নাই।

চিগাৰেট দিলে।

জমীৰৰ বৈণীয়েক জীনু!

'মই জীনুক থৈ আহোঁ, তই শো —'

'বাৰু —'

জীনুৱে ক'লে, 'আজি বিছনা-চাদৰখন ধুই দিছিলোঁ।'

মই শুৱৰ চেষ্টা কৰিলোঁ। হয়তো সি জীনুক থৈ আহিব। হয়তো নাহিবই কিজানি। একেই কথা। ইয়ালে আহিলেও তাৰ শুৱলৈ বিছনা নাই, জীনুৰ ঘৰতো মাত্ৰ এখন বিছনা।

শুই শুই ভাবিছিলোঁ, হায়দৰটো পশু হৈ গৈছে নেকি? জমীৰৰ ঘৈণীয়েক জীনুজনীক এইদৰে ৰখাটো জানো ভাল কথা হৈছে।

সি ঘূৰি আহিল।

'টোপনি গ'লি নেকি?'

'নাই যোৱা, আহ।'

লেমটো সি অলপ বঢ়াই দিলে আৰু মূঢ়াটোতে বহিল। অলপ বেছি খোৱাৰ কাৰণেই বোধকৰোঁ মোৰ গৰম লাগিছিল। বিছনাতে বহিলোঁ।

'তোৰ লগত কথা পাতিবলৈকে পোৱা নাই।'

'এৰা, তই বাহিৰে বাহিৰে ঘূৰি ফুৰিছ আৰু।'

'কি কৰিবি অ'; চাকৰি-বাকৰি কিবা ৰোজকাৰ এটা নহ'লেনো কেনেকৈ চলোঁ। আজি এমাহ-ডেৰমাহ এক পইছা আৰ্জন নাই। কাম এটাৰ খবৰ পাই ইদৰ আগদিনাহি ওলাই গ'লোঁ। পিছে ইউচ্‌লেছ, এনেই গ'লোঁ। ইপিনে জীনুও অকলে থাকিবলগীয়া হয়, ঘৰত চাউল-পাতো একো নাই।'

এইবাৰ সুযোগ পাই সুধিলোঁ, জীনুনো কেনে?'

'ছোৱালীজনী বৰ ভাল জানিছ। নাইচ গাৰ্ল। দুখীয়া পিছে। অ' তই তেনেহ'লে কালিলৈ থাকিব নোৱাৰ?'

'কেনেকৈনো থাকিম। চাকৰি কৰা মানুহ। আৰু থাকিলোঁৱেই নহয় দুৰাতি।'

'এৰা, বৰ ট্ৰাবোল বুজিছ। কাম হ'লেও দিগদাৰি, নহ'লেও দিগদাৰি। লাইফটো মানে —'

অলপ পৰ দুয়ো মনে মনে থাকিলোঁ

'তই তেনেহ'লে এতিয়া অকলেই আছ?' সুধিলোঁ।

'এৰা, জীনুৱে-ময়ে।'

মই আৰু নেমাতিলোঁ। হায়দৰ বেয়া হৈ গৈছে।

মই শুই শুই ভাবিলোঁ — নাজ্‌মাই হায়দৰক এৰি কিয় পলাল? খোৱা-পিন্ধাৰ দুখত? জমীৰৰ প্ৰতি কিবা বেছি আকৰ্ষণত, নে হায়দৰৰ জীনুৰ প্ৰতি কিবা দুৰ্বলতা দেখি?

নাই, নাজ্‌মাৰ লগত জীনুৰ কোনো তুলনাই নহয়। পৃথিৱীত কোনো কামৰ কাৰণে কাকো দোষ দিয়া নেযায়।

বাহিৰৰ পৰা দুৱাৰখন মাৰি হায়দৰ ওলাই যোৱাৰ বহুত পৰৰ পিছতহে মোৰ টোপনি আহিল।

আজি বিছনাখন কালিৰ সমান বেয়া গোন্ধোৱা নাই।

ষ্টেশ্যনলৈ আগবঢ়াই থ'বলৈ আহিল অকল হায়দৰ। জীনু নাহিল। ইচ্ছা কৰিয়ে

মই তাৰ ঘৰতে মোৰ মোনাটো, কামিজটো আৰু পেণ্টটো এৰি থৈ আহিলোঁ। সিমানখিনি কৰাৰ দৰকাৰ আছিল।

টিকট কিনি ৰেলত উঠাৰ পিছত হায়দৰো ওচৰলৈ আহিল। সি ক'লে, 'একো নাই বুজিছ! মোৰ টকা-পইছাৰ দিগদাৰি হ'ল — সকলোৰে হয়েই কেতিয়াবা। তাতে নাজমা জমীৰৰ লগত গুচি গ'ল। কিন্তু বুজিছ, জমীৰৰো কাম-কাজ নাই, দুদিনমান থাকি আকৌ ঘূৰি আহিব। আৰু নাহিলেনো কি কৰিবি!'

মই নীৰৱে শুনি গ'লোঁ। আৰু দুই মিনিটতে ৰেল এৰিব।

'জীনু মোৰ আপোন মাহীৰ জীয়েক — ভনী। এতিয়া জমীৰটোৱে তাইকো আথানি কৰি গ'ল। সি এৰি গ'ল বুলি নিজৰ ভনীজনীক এৰি দিব পাৰি নে? তাইৰো আকৌ নাই যে নাই; কোনোৱেই নাই।'

হঠাৎ মোৰ হায়দৰৰ ওচৰত ক্ষমা খুজিবৰ মন গ'ল। হায়দৰৰ নিচিনা এটা মনৰ অধিকাৰী হ'বলৈ মোৰ আৰু বহুত দিন লাগিব।

লাহে লাহে ৰেলৰ চকা ঘূৰিল। হায়দৰে ক'লে, 'টকা দুটামান নাই নে? দেচোন। তয়ে দিয়া টকা পাঁচোটাৰে সেয়া বাতিৰ সাজ খোৱা হ'ল। পিছে এটকা দুই অনা ধাৰ হে লাগিল।'

মনিবেগটোৰপৰা টিকটটো উলিয়াই পইছাই স'তে বেগটো তাক দি দিলোঁ। কিমান পইছা আছিল হিচাপ নাই।

ৰেলৰ বেগ আৰম্ভ হ'ল। লগে লগে আহি থাকি সি ক'লে, 'মোৰ কাম-কাজ এটা যোগাৰ হ'লেহে তোৰ পইছাকেইটা ঘূৰাই দিব পাৰিম আৰু' দেই। তই বেয়া নেপাবি।'

মই কি ক'লোঁ, ক'ব নোৱাৰোঁ।

চিঞৰি চিঞৰি সি ক'লে, 'নাজমাইতক যদি ক'ৰবাত লগ পাব — এইবোৰ কথা নক'বি দেই। লাইফটো আই মীন —

ৰেল তেতিয়া ভালেমান আঁতৰি আহিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

কলং আজিও বয়

কলং আজিও বয়

সোণৰ কলং, ৰূপৰ কলং — সৌতৰ ছেৰে ছেৰে নাচে। ৰূপে তিৰেবিৰাই, জোনে ভুমুকিয়ায়, নিশা কেতেকীয়ে মাতে। পাৰৰ বালি ভুবি গোহৰে উমলি নাচে। নিয়ৰত কুমলি ধৰণী শীতলি পৰে। শীতলা ধৰণীৰ এপাৰে দূৰণিত গাঁৱৰ ঘৰবোৰে মাতে। ঘৰৰ আশে-পাশে সেউজী গছনিত হেজাৰ বছৰে হাঁহে। ইপাৰে কাৰতে বহল ৰাজআলিয়ে নগৰ বিচাৰি লৰে।

মাজতে কলঙে অকোৰা-পকোৰা পানী বাট বাগৰি বয়। মনিচ্ছৰ পাৰঘাট পুৰা বা গধূলি কথাৰে মুখৰিত হয়। পুৱাৰে কলঙত গঞাই গা-ধোৱে, গধূলি কলহৰ বুৰ। ভৰ দুপৰীয়া অতীতে বিণ্ডিয়ায় কতনো উতলা সুৰ...।

"মোৰ পাৰে পাৰে বজাৰ ৰাজচকী, হেজাৰ বাহুৰে বল?
কলঙৰ পাৰৰে দ'লে দেৱালয় মনিচ্ছৰ গড়নৰ ধন।"
কলঙৰ ক'লীয়া বৰ
তাৰে তলতে গদাধৰ হেজাৰৰ ঘৰ।
কলং আজিও বয়, অতীত পিছতে থৈ।

০ ০ ০

বুঢ়া ঠগীৰামৰ মনত বাৰে বাৰে ভাবৰ ঢৌ উঠে — কলং আজিও বয়। সৰু কালৰে পৰা আজি তিনিকুৰি আঠবছৰে সি কলঙৰ বেহৰূপ দেখিছে; এনে এটি দিন, এনে এটি মাহ নাই, এনে এটি বছৰ নাই, যেতিয়া কলঙৰ কথা এবাৰ নহয় এবাৰ মনত নপৰে। বাহিৰলৈ দুটি দিন ওলাই গ'লেও চেৰেংচেৰেংকৈ মনত পৰে পাৰঘাটৰ পাৰৰে ভামোল-পাণৰ মৰমৰ বাৰীখন, মনত পৰে বাপেক-মাক, ককাক আৰু ওচৰ-চুবুৰীয়া শয়েক গঞাৰ দিন ধৰি, লৰা-লুৰি আৰু নাতি-পুতিৰ দিনলৈকে দেখি অহা, পাই অহা কটিয়াই অনা, বুৰ দি যুৱা কলঙৰ পুৱা-গধূলিৰ পানী। পানীৰ চৌদাতিয়ে থকা কলঙৰ ফুৰফুৰীয়া বতাহৰ গা জুৰ কৰা পৰশ। পুৱাতে হাল লৈ ওলাই গৈ লুতুৰীয়া গাঁৱলীয়া বাটেৰে গৈ থাকোঁতে সাউৎ কৰে হাবিজনাৰ মাজৰ পৰা ভুমুক কৰে কলঙে দেখা দি, মিচিক কৰে হাঁহিটি মাৰি

আকৌ হাবিৰ আঁৰ হয়।

হালৰ ফালেৰে মাটি চহাই তাত সি ৰস সঞ্চাৰ কৰে। আথে-বেথে তাত বীজ ৰোপণ কৰা হয় আৰু কাতি বিহুৰ লগে লগে ন-ধানৰ গজালিয়ে সঁজাল ধৰে। কলংপৰীয়া মাটিত অমিয়া সুৰভি ফুটি ওলায়। লখিমীয়ে আঘোণৰ বতাহৰ ছেৱে ছেৱে নাচে, গঞাসকলে লখিমী চপাই ভঁৰালে ভঁৰালে সোমায়। আনন্দত ঘৰে ঘৰে, নামঘৰে নামঘৰে মেজি-জ্বলে, ভোজ হয়,ভোগৰ মাজত মনিছৰ জীৱন ৰঙে-ৰসে ভৰপূৰ হৈ উঠে। ডেকা ঠগীৰামে হাঁহে, নাচে, গীত গায়।

কেঁচুৱা কালৰে পৰা বুঢ়া কাললৈকে তাৰ গোটেই জীৱনটো মৌ-মিঠা স্মৃতিৰে ভৰপূৰ; কলঙৰ পাৰৰ আম-জামু-কঁঠাল, লেটেকু-পনিয়লৰ সোৱাদত তাৰ লুভীয়া জিভাৰ পৰা সদায় পানী পৰিছিল; পইতা ভাত এমুঠি খাই গৰু চৰাবলৈ যাওঁতে সি সদায় চাই যায় কাৰ বাৰীত আম পকিছে, কাৰ বাৰীত জামু! ম'হৰ পিঠিত উঠি কেতিয়াবা ম'হ চৰায়। কেতিয়াবা বাপেকৰে সৈতে নগাঁও চহৰলৈ ৰেলগাড়ীত উঠি যায়। কেতিয়াবা —

শৈশৱ তেনেকৈয়ে পাৰ হয়। তাৰ পিছত কলঙৰ বান অহাদি শৰীৰত যৌৱনৰ এছাটি বান উঠে; গা-মন নতুন উচাহত নাচি উঠে। দা লৈ বাঁহনিত বাঁহ কাটিবলৈ সোমালেও, ভাগৰলৈ আওকাণ কৰি সি একান্ত মনে গীত জোৰে —

'বাঁহৰে আগলৈ চাইনো পঠিয়ালোঁ
বাঁহৰ কোন ডালি পোন
শপত দি সুধিলোঁ, কোৱা প্ৰাণেশ্বৰী
তোমাৰ মৰমিয়াল কোন?'

বাঁহ কাটোতেই কিয়, গৰু চৰাবলৈ যাওঁতে, নিশা পেঁপা বজাওঁতে ঘাটত গৈ বুৰ মাৰোঁতে মনৰ পৰা আপোনা-আপুনি কত গীত ওলাই আহে, কত গীত ওলাওঁ ওলাওঁ বুলি মনতে মাৰ যায়। ঠাওকাল চেহেৰা, গাঠলু শৰীৰ, মুখত সৰল, সুস্থ হাঁহি লৈ ঠগীৰাম যেনি যায় তেনিয়ে গাঁৱৰ গাভৰুহঁতৰ মন জিনি যায়। গাভৰু মেলত, পানী অনা ঘাটত সোণপাহি-পদুমীহঁতে এবাৰ নহয় এবাৰ তাক দিনটোৰ ভিতৰত দেখা পাবই। কলঙক সাক্ষী ৰাখি সিহঁতে মৰমৰ খনীয়া বয়; খেনোৰে বনকৰা ফুল বাছে, খেনোৰ আকৌ আউল লাগে।

কিন্তু ঠগীৰাম আউল লগা বিধৰ ডেকা নহয়। ৰূপত যেনে ধুনীয়া মনটোও তাৰ তেনে ফৰকাল। গাঁৱৰ বিজুলী চকুত লগা গাভৰু, সেইজনীকে সি জালত পেলাবৰ বাবে মনত পাঙিলে। তাইৰ নাম সোণপাহি। সোণপাহি আহোঁতে, যাওঁতে, গা-ধোওঁতে, কলহ বুৰাওঁতে, এচমকা নিৰ্জন ঠাই পালেই সি ভমক কৰে ক'ৰবাৰ ভাৱৰ এছাটি অহাদি সোণপাহিৰ আগত ওলাবহি। কোনোবা দিনা কলঙৰ ঘাটত, কোনোবা দিনা বাটৰ মূৰত, কোনোবা দিনা আকৌ ভাওনা-ঘৰত। সোণপাহিক সি নানা ৰকমে জোকাব, ঠাৰে-চিঞাৰে নানা ৰকমে সুধিব 'হয়নে অ' সোণপাহি, ইমান লৰালৰিকৈ কাৰ গুৰিলৈ যাব? আমাকো এবাৰ মাত দেচোন।'

সোণপাহিয়ে খঙত মুখখন ওফোলাই ক'ব 'নিধকটো ক'ৰবাৰ, বাটৰ ভূতৰ দৰে

য'তে পাই ত'তে ধৰিবিহি।'

ঠগীৰামে খিল্‌খিলকৈ হাঁহি ক'ব 'এই সোণপাহি, তোক নেদেখিলে দিনটো ভালেই নালাগে, বুইছনে?'

'ইহ, মৰাটো ক'ৰবাৰ। চুপতি মাৰিবলৈ আৰু ঠাই নেপালে।'

এই বুলি খং-লাজ-অভিমান আৰু বোধহয় বুজিব নোৱাৰা কিবা এটা প্ৰাণময় আনন্দতে মিচিকিয়া হাঁহিৰে ৰং-বেৰং আবেগৰ ছবি দেখুৱাই সোণপাহি লাহে লাহে চকুৰ আগৰ পৰা আঁতৰ হৈ যায়গৈ। ঠগীৰামে আকৌ কোনোবা ফালে লৰ ধৰে, যাওঁতে গাই যায় —

'বৰ ধান লেচিয়া বানিবি কেতিয়া
ডলাৰ আগত উৰিব তুঁহ
তোমাক খুজিবলৈ গ'লোহেঁতেন লাহৰী
মই হ'লোঁ দুখীয়াৰ পো।'

...দিন যায়। এদিন সোণপাহিয়ে নৈৰ ঘাটত সঁচাকৈয়ে সুধি পেলালে, 'হয়নে অ' ঠগী, সদায় যে মোক বাটে-ঘাটে দিগদাৰি কৰ, তই জানো মোক বিয়া কৰাবি?'

ঠগীয়ে দুষ্টালি কৰি অভিমানৰ সুৰেৰে ক'লে 'ইঃ এইৰ কথাবোৰ। তোৰ চকু বা আকৌ কোন পিলিকা ডেকাৰ ওপৰত।'

'ধেৎ এৰি। গোসাঁইৰ শপত, কচোন ক।'

'সঁচাকৈ কৈছ নে?' ঠগীয়ে আশা-দাশাৰে সুধিলে।

'কলগুৰু সাক্ষী কৰি কৈছোঁ।'

'কৰাম' — সি একেবাৰেই ক'লে। আৰু কৈয়েই কুমলীয়া গৰু-পোৱালিৰ দৰে আনন্দত জঁপিয়াই জঁপিয়াই সোণপাহিৰ চকুৰ আঁৰ হৈ কোনোবাখিনি পালেগৈ।

দুমাহৰ ভিতৰতে বিয়া হৈ গ'ল।

বিয়াৰ পিছতো সি সোণপাহিক ৰক্ষা নিদিয়ে। মাক-বাপেক নোহোৱাত ছল চাই, ৰৰঘৰৰ ভিতৰলৈ সোমাই গৈ সি সোণপাহিক জোকাই জোকাই গাব—

'চাউল চিটা মাৰি   পাৰ বন্দী কৰোঁ
শালত বন্দী কৰোঁ হাতী
ৰৰঘৰৰ ভিতৰত   মইনাক বন্দী কৰোঁ
দেহে কৰে উজনি-ভাটি।'

সোণপাহিয়ে বণ্ডত আৰু খণ্ডত অধীৰ হৈ মুখৰ আকাশখনত ততালিকে ৰ'দ-বৰষুণৰ সৃষ্টি কৰে। ঠগীৰামে মনৰ আনন্দত মুকলি মনেৰে হাত চাপৰি বজাই হাঁহে।

সিহঁতৰ কালত যৌৱনৰ বতৰ মুকলিমূৰীয়া আছিল; মনমত কোনো মল নাই, হাঁহি আৰু সম্ভোগৰ এটি বৈ থকা সুঁতি। ইটোৱে সিটোক এৰি থকাৰ কথা ভাবিবকে নোৱাৰে।

০ ০ ০

এনেদৰেই আনন্দত জীৱনৰ একুৰি দহোটা আঘোণ পাৰ হৈ গ'ল। ঠগীৰামে জীৱনৰ আধা কাল পাৰ কৰিলে। কলঙৰ পাৰৰ এজাৰ ফুল তাৰ মৰমত, তাৰ হাঁহিত, তাৰ চাৱনিত নাচে। তাৰ কোপত অথিৰ-অবিৰ হৈ সৰি পৰে। কলঙৰ পাৰত বুৰ দি নিতৌ আনন্দৰ সপোন দেখে।...

কিন্তু হঠাতে এদিন কলঙৰ ৰূপ সলনি হ'ল। তাৰ ঘৰখনৰ বুকুৰেদি এটি মৰণৰ ধুমুহা বৈ গ'ল। তাৰ বাপেক, মাক, ককায়েক আটাইকেউজন হাইজা লাগি মৰিল। অকল এঘৰতে নহয়, গাঁৱৰ শ ঘৰত; ওচৰৰ গাঁওবোৰৰ পৰাও হাইজা লগাৰ কথা সিহঁতে শুনিবলৈ ধৰিলে। কলঙৰ চেঁচা পানী বৰ বিহৰ দৰে হ'ল, বাট-পদূলি নিজান নিজান যেন লগা হ'ল, সকলোৰে ঘৰত একোটি কান্দোনৰ দীঘলীয়া ৰাউচি শুনিবলৈ পোৱা গ'ল। ঠগীৰামে ঘৰে ঘৰে গৈ যাক য'ত যিমান দূৰ পাৰে সহায় কৰিলে; মৰাশ শ্মশানলৈ নি খৰি দিয়াৰে পৰা আৰম্ভ কৰি নগৰীয়া ডাক্তৰৰ হতুৱাই বেজী দিওৱাৰ ব্যৱস্থা কৰালৈকে সকলোতে সি আগ-ভাগ লৈ কাম কৰিবলৈ ধৰিলে।

এদিন সন্ধিয়া দুৰণিবটীয়া গাঁও এখনৰ পৰা চহৰীয়া ডাক্তৰ মণি বৰাক লগত লৈ ঠগী কলঙৰ পাৰে পাৰে আহি থাকোঁতে নিশা ভালেখিনি হ'ল।

ঘৰ সোমাই ডাক্তৰক চ'ৰাঘৰতে পাটী-ঢৰা এখন দি বহুৱাই ঠগী ভিতৰলৈ সোমাই গ'ল। কেউফালে আন্ধাৰ...

'সোণপাহি!'

কাৰো উত্তৰ নেপালে।

'অ' মালী!' বুলি ল'ৰাটোক মাতিলে।

এইবাৰো কাৰো মাত নাই।

কি হ'ল? এবাৰ পাছফালে ওলাই পিছ চোতালৰ পৰা খুব ডাঙৰকৈ বিড়িয়ালে, 'হেৰ, ক'লৈ গ'লিহঁক ঔ?'

দুবাৰমান চিঞৰাৰ পাছত কোনোবা এফালৰ পৰা কোনোবাই তাক জনালে সঁহাৰি। অলপ পৰ বৈ সি বুজিব পাৰিলে যে সোণপাহিৰ মাতেই হয়। সোণপাহি অন্ততঃ নমৰি জীয়াই আছে বুলি জানিবলৈ পাই তাৰ অন্তৰ শাঁত পৰিল। ভিতৰত চাহৰ জুহালত জুইকুৰা ধৰি থৈ সি টিপ্ চাকি এটা হাতত তুলি ল'লে আৰু লাহে লাহে ডাক্তৰক শুশ্ৰূষা কৰিবলৈ গ'ল।

ডাক্তৰৰ বৰ ভাগৰ লাগিছিল, সেই কাৰণে পাটী-ঢৰাতে টোপনিয়াবলৈ ধৰিলে। ঠগীয়ে ভাবিলে, মানুহজনে ভাগৰত লাল-কাল দি আছিছে, অলপ শোৱক। এই ভাবি পদূলি মুখলৈ ওলাই গৈ সোণপাহি আহিছেনে নাই চালে। কিছুপৰ বোৱাৰ পিছতেই সোণপাহি ওলালহি।

তাই উধাতু খাই অহা যেন দেখি ঠগীয়ে মৰম কৰি সুধিলে, 'কি হ'ল অ' তোৰ? আদ বয়স গ'ল, এতিয়াও ভয় নুগুচিল।' — এই বুলি সন্ধিয়াৰ অন্ধকাৰত বৈণীয়েকৰ মুখখনলৈ চাই সি গৌৰৱৰ এটি হাঁহি মাৰিলে।

কিন্তু সোণপাহিয়ে তাক দেখিয়েই, 'আই ঔ, ক'তনো মৰিবাগে ঔ' বুলি ডাঙৰ ডাঙৰকৈ বিননি জুৰিবলৈ আৰম্ভ কৰিলে। তাকে দেখি ঠগীয়ে তাইক সুধিলে, 'কি হ'ল?'

'কি হ'ব আৰু?' মৌজাদাৰৰ টেকেলা আহি আমাৰ মণিপুৰী গৰুহাল লৈ গ'ল।' সোণপাহিয়ে কথা কোৱা লগে লগে কান্দিবলৈ ধৰিলে।

'কেতিয়া আহিছিল টেকেলা?'

'দুপৰীয়া।' সোণপাহিয়ে উচুপি উচুপি কান্দি আছিল।

ঠগীৰ টিঙিচ কৰে খং উঠি গ'ল। কিন্তু কাৰ ওপৰত খং কৰিব, সি একো ঠিক কৰিব নোৱাৰিলে। মৌজাদাৰে যোৱা দুবছৰৰ খাজনা দিব নোৱাৰা বাবে আগতেই নটিছ দি থৈছিল। আচলতে টেকেলা ক্ৰোক্ কৰিবলৈ আহিব বুলি সি সদায় সন্দেহ কৰি আছিল। সেই কাৰণে সি নগৰৰ কোনোবা উকীলৰ পৰা বা কেএগ্ৰা মহাজনৰ পৰা টকা অলপ ধাৰলৈ আনিবলৈ যাম বুলি ঠিক কৰিছিল; কিন্তু তেনেতে কেউফালে হাইজা হ'ল।

এই মহামাৰীৰ মাজত যে মৌজাদাৰৰ টেকেলাই ক্ৰোক্ কৰিবলৈ আহিব পাৰে, তাক সি সপোনতো ভাবিব পৰা নাছিল। মৌজাদাৰবোৰ ইমান নিৰ্দয় হ'ব নোৱাৰে, অন্ততঃ সিহঁতো মানুহ। মানুহৰ কাৰণে সিহঁতৰ প্ৰাণে জানো অকণো নেকান্দে? কিন্তু তাৰ আশা অথলে গ'ল। তাৰ খেতিৰ সম্বল আচল গৰুহালিও মৌজাদাৰৰ মানুহে লৈ গুচি গ'ল।

খঙত তাৰ মন বিদ্ৰোহী হৈ উঠিল। দুবছৰৰ খাজনা ধৰিলে মুঠতে একুৰি দহ টকা হয়গৈ। তাৰ দায়ত মাৰি গৰুহাল কিয় লৈ যাব মৌজাদাৰে? কিয়? সি বুজি নেপায়, কি যুক্তিৰ বলত এই শাসন চলিছে? আজি গৰুহাল ক্ৰোক কৰি লৈ যোৱাৰ ফলত তাৰ খেতি কৰাৰে মূৰ মৰিল। আকৌ গৰু কিনিবলৈ তাৰ কি শক্তি আছে?

সি কেউফালে আন্ধাৰ দেখিবলৈ ধৰিলে। নিমিষতে তাৰ মন বিষাদেৰে ভৰি পৰিল। কলঙৰ বতাহত যেন ক'ৰবাৰ কিছুমান দুখৰ সুৰ উটি ফুৰিছে।...

০ ০ ০

টিপ চাকিৰ পোহৰত ঠগীৰ ভাতৰ মজিয়া বৰ ভালকৈ পোহৰ হোৱা নাই। সদায় নগৰীয়া পোহৰত থাকি মণি বৰাই এনে কম পোহৰ ভাল পোৱা নাছিল; তাতে কলেৰা লাগি গাঁৱৰ মানুহবোৰ যেন মৰি আছিল। সন্ধিয়াৰ পৰা লাহে লাহে যেতিয়া নিশাৰ বুকুলৈ পৃথিৱীখন সোমাই গৈ আছিল, তেতিয়া লগে লগে যেন বিষাদৰ এটি সুৰো ক'ৰবাৰ পৰা ক্ৰমে ডাঙৰ হৈ আহিছিল। গাঁৱলীয়া চৰাইৰ মাত, ক'ৰবাৰ দূৰত কাৰোবাৰ চিএৰ, শিয়ালৰ হোৱা, — এই সকলোবোৰ মিহলি হৈ যেন এটি অনন্ত ক্ৰন্দনত পৰিণত হৈ গৈছিল; — ডাক্তৰৰ তেনেই অনুমান হ'ল।

ভাতৰ গৰাহ মুখত লৈ ঠগীবায়ে ক'লে, 'বুজিছেনে ডাক্তৰ, আজি বৰ ডাঙৰ অঘটন এটি ঘটিল।'

ডাক্তৰে ভাবিলে কোনোবা কলেৰা বেমাৰীৰ কথা ক'ব, সেইবাবে লাহেকৈ সুধিলে, 'কিনো হ'ল?'

ঠগীৰামে এটি হুমুনিয়াহ ছাৰি ক'লে তাৰ মণিপুৰীয়া গৰুহাল নিয়াৰ স-করুণ কাহিনী। খেতি কৰি পোৱা ধনেৰে যোৱাবেলি সি সেই গৰুহাল কিনিছিল; চেঙা গৰু, বয়সো কম সেই ভাবি সি গাঁৱৰে এজনৰপৰা ধাৰ কৰি তিনি কুৰি ৰূপত গৰুহাল কিনিলে। কিন্তু কি হ'ব সাঁচতিয়াৰ ধন আৰু এটিও নৰ'লগে। বৰং পিছৰ বছৰটোও ধান বেচি পোৱা ধনেৰে ধাৰৰ শোধ কৰিব লগাত পৰিল। সেই কাৰণে ৰজাৰ খাজনা দুয়ো বছৰ শোধাব নোৱাৰিলে। মৌজাদাৰে বাৰে বাৰে টেকেলা পঠাই শেহত এমাহমানৰ আগতে ক্ৰোকৰ নটিচ জাৰি কৰিলে। আৰু তাৰ পিছতেই এই দুৰ্ঘটনা। লগতে মৌজাদাৰৰ নিৰ্দয়তাৰ বিষয়ে দুষাৰ কথা কৈ সি, তাৰ কাহিনীৰ সামৰণি মাৰিলে।

ডাক্তৰে খন্তেকপৰ ঠগীলৈ চাই কিবা এটা ভাবিলে; তাৰপিছত ক'লে, 'এতিয়া টকা পালে গৰুহাল মোকলাব পাৰিবা নে নোৱাৰা?'

ঠগী আচৰিত হ'ল। তথাপি ক'লে, 'পাৰি। এনেয়ে নোৱাৰিলে নীলামতো ল'ব পাৰিম।'

'তেন্তে মই টকা দিম।' বুলি ডাক্তৰে খোৱা শেষ কৰি মুখ ধুবলৈ গ'ল। ঠগীৰাম আৰু আচৰিত হ'বলৈ বাধ্য হ'ল।...

...গাঁও এৰি যাবৰ দিনা ডাক্তৰে ঠগীৰামক নগৰলৈ লৈ গ'ল আৰু ঘূৰি আহোঁতে হাতত এশ টকাৰ নোট এখন দি পঠালে।

o o o

উভতি আহোঁতে, কলঙৰ পাৰত কলহ বুৰাই থকা অৱস্থাতে সোণপাহিক সি লগ পালে। নিমিষতে তাৰ অন্তৰলৈ আনন্দ ঘূৰি আহিল।

কিন্তু আগৰ জীৱন আৰু ঘূৰি নাহিল; মনৰ আনন্দত এবছৰ খেতি কৰাৰ পাছত হঠাতে বানপানী আহিল। কলঙৰ ৰূপ দেখি গঞাই ভয় খালে। বানপানী উঠি ঘৰ-দুৱাৰবোৰ তল নিয়ালে, ভঁৰালত ধান তিতিল, খেনোৰ গৰু-ম'হ উটি গ'ল। সকলো মানুহৰে অন্তৰ নিৰাশাৰে ভৰি পৰিল।

ঠগীৰামৰ ঘৰখনো পানীৰে বুৰ গ'ল। কিন্তু সি নিৰাশ নহ'ল; সোণপাহিঁতক লৈ পানীয়ে নোপোৱা ঠাই এটুকুৰাত উঠিলগৈ। যাওঁতে মোকলোৱা গৰুহালো কোনোৰকম খেদি লৈ গ'ল। অলপ শুকান ঠাই পায়েই ঠগীৰামে ওচৰৰ গাঁৱলৈ গৈ সহায় খুজিলে আৰু বাঁহ-খেৰ আনি এটুকুৰা ছালি দিলে; — তাতে পুনৰ নতুনকৈ তাৰ এখন ঘৰ আৰম্ভ হ'ল। তাৰ কাম দেখি বানপানীত ভাগি অহা মানুহবোৰেও উচাহ পালে। সিহঁতেও সেইদৰে এটুকুৰা এটুকুৰা ছালি সাজি তাতে বহিল।

দিনে দিনে মানুহ বাঢ়ি অহাত খোৱা-বোৱা লৈ মহা সমস্যাই দেখা দিলে। কলঙৰ বান তেতিয়াও শাম কটা নাই। ওচৰৰ গাঁৱৰ মানুহে যিমান পাৰে চাউল-পাত দি সহায় কৰিলে, কিন্তু সেইদৰে বেছি দিন চলা টান হৈ উঠিল।

পোন্ধৰ দিন মানৰ মূৰত বানপানীৰ বুকুত এখন নাও দেখা গ'ল। দেখা মাত্ৰকে

বাইজে হৈ-ধ্বনি দি নাওখনক বিস্তিয়াই মাতিলে। লাহে লাহে নাওখন ওচৰ চাপি আহিল।

নাওখনৰ পৰা পোন প্ৰথমে নামি আহিল ডাক্তৰ মণি ৰৰা, আৰু কেইজনমান চহৰীয়া ডেকা ল'ৰা। ডাক্তৰে ঠগীবামক দেখিয়েই হাঁহি মাৰি ক'লে, 'আকৌ আহিলোঁ।'

ঠগীবামে আথে-বেথে এটি প্ৰণাম জনাই ক'লে, 'চাউল-পাত কিবা আনিছেনে?' ডাক্তৰে উত্তৰ দিলে, 'আনিছোঁ।'

গঞাৰ মুখলৈ পানী আহিল। ডাক্তৰে ঠগীবামক আকৌ সুধিলে, 'কাৰোবাৰ বেমাৰ-আজাৰ হৈছে নেকি?'

ঠগীবামে উত্তৰ দিলে, 'নাই হোৱা।'

ডাক্তৰে অলপ সকাহ পালে। ডেকাকেইজনক চাউল বিতৰণ কৰিবলৈ কৈ, কোন, ক'ত, কেনি যাব, সেই বিষয়ে এটি দিহা-পৰামৰ্শ দি ডাক্তৰে হঠাতে ক'লে, 'ব'লাচোন ঠগীকাই, কথা আছে।' দুয়ো লাহে লাহে গৈ এটি টিপত বহিলগৈ।

কলঙৰ বানপানীত উটি অহা এডাল জাঁজৰি ধৰি ডাক্তৰে ক'লে, 'কলঙৰ এইবাৰ বৰ খং।'

ঠগীবামে শ'লাগিলে। কলঙৰ পাৰত তাৰ আজি একুৰি দহবছৰ বাস। অকল বাসেই কিয়, ইয়াৰ পাৰতে তাৰ জীৱনৰ সকলো ঘটনা ঘটিছে। কলঙৰ সিপাৰ হৈ সি মাজে মাজে নগৰলৈ যায়। কিন্তু সি নগৰৰ কথা নুবুজে; নগৰৰ চাল-চলন বেলেগ; সিহঁতৰ কথাত ভাঁজ আছে, কলমত বিহ্ ওলায়। কলঙৰ পাৰলৈ ঘূৰি নহালেকে তাৰ প্ৰাণত শান্তি নেলাগে।...

ভাবৰ জুমুৰি ভাঙি দি ডাক্তৰে মাত লগাব লগা হ'ল, 'তোমালোকৰ এই ধুনীয়া গাঁওখনিলৈ এবাৰ আহিয়েই ভাল লাগি গৈছিল। কিন্তু এইবাৰ আহোঁ আহোঁ বুলি থাকোঁতেই চৈধ্য দিন লাগিল। দেখিছোঁ কলঙে তোমালোকক নকৰিবৰ চকৰি কৰিছে। মোৰ অহা যথেষ্ট পলম হ'ল, কি কৰিবা?'

'কেলেই?' ঠগীয়ে সৰলভাৱে সুধিলে।

'চৰকাৰী কৰ্মচাৰীবোৰৰ লগত কাজিয়া কৰি কৰিও চাউল-পাত আৰু কাপোৰ নেপালোঁ সোনকালে। কি কৰিম? কোনোবা মানুহ মৰিছে নেকি ইয়াত?'

'নাই মৰা। কিন্তু চৰকাৰী কৰ্মচাৰীয়ে কিয় নিদিয়ে? আমাৰ দুখৰ কথা সিহঁতে গম নেপায় নেকি?'

'নেপায়। সিহঁত বিদেশী মানুহ, আমাৰ মানুহৰ কথা কি বুজিব?' ঠগী স্তব্ধ হৈ গ'ল। ৰজাই প্ৰজাৰ কথা নুবুজিলে, কোনে বুজিব? তাৰ সন্দেহ মাৰ নগ'ল, 'আপোনালোকে এইবোৰ চাউল-পাত ক'ত পালে?'

'ঘৰে ঘৰে, দোকানে দোকানে তুলি আনিছোঁ।'

'মানুহবোৰে কি বুলি কৈছে আমাৰ কথা?'

ডাক্তৰে এই সকল প্ৰশ্নটোৰ উত্তৰত হাঁহিলে। তাৰ পিছত ক'লে, 'তোমালোকে বহুত কথা নেজানা। গাঁৱৰ মানুহে নগৰৰ কথা নেজানে, নগৰৰ মানুহে গাঁৱৰ কথা নেজানে।

কিন্তু এটা কথা বুজিবা, মানুহৰ দুখ দেখিলে মানুহৰ অন্তৰ ৰ'ব নোৱাৰে।' ঠগীৰামে মানৱতাৰ এই বতৰা পাই বৰ ভাল পালে। অন্ততঃ দেশৰ মানুহে সিহঁতক মৰিবলৈ এৰি দিব নোৱাৰে।

ডাক্তৰে ইতিমধ্যে নৈৰ পানীত উটি অহা একোছা আধা তিতা খেৰ ধৰি তুলি আনি ক'লে, 'কাৰোবাৰ ঘৰৰ পৰা খহি আহিছে চাগে নহয়নে?'

'নহয়, কোনোবাই ঘৰ সাজিবলৈ থোৱা খেৰ এই কোছা। দেখাতে চিন।' কথা কোৱাৰ লগে লগে ঠগীৰ মনত পৰি গ'ল ঘৰ সজাৰ কষ্টবোৰ, খেৰ কাটি অনাৰে পৰা আৰম্ভ কৰি ন ঘৰ লোৱালৈকে কত কষ্ট যায়, কৈ থাকিলে অন্ত নপৰে। গএগৰ ভাগিপৰা সেইহেন ঘৰবোৰ আকৌ সাজিবলৈ কত কষ্ট হ'ব। বছৰেকলৈ গএগৰ আৰু আন কাম নহ'বই। আনকি খেতিও নহ'ব।

'খেতি!' বুলি ঠগীয়ে এটা হুমুনিয়াহ ছাৰিলে। ডাক্তৰে চক্ খাই উঠিল।

০ ০ ০

হাইজা হওক, বানপানী হওক, খেতি হওক-নহওক ৰজাৰ খাজনা শোধাবই লাগিব। বানপানীৰ পৰা উঠা বাইজৰ ভগা ঘৰৰ দুৱাৰে দুৱাৰে গৈ টেকেলা থিয় হ'ল। ক্ৰোকত খেনোৰ মণি-কেৰু, খেনোৰ লোটা-বাটি, খেনোৰ গৰু-ছাগলী নি গাঁওবোৰ লাওলোৱা কৰিলে। ঠগীৰামৰ মোকলোৱা মণিপুৰী গৰুহাল পুনৰ লৈ গ'ল। ঠগীৰাম খঙত জ্বলি গ'ল, 'আমাৰ দুখ হ'লে কুকুৰইও নাহে, খাজনা নিবৰ বেলিকা চাহাবৰ পৰা টেকেলালৈকে সকলো জাঁপ মাৰি পৰিবহি। ইহঁতক...' বুলি সি দাঁত কৰচিবলৈ ধৰিলে। গএগই তাৰ কথাতে হয়ভৰ দিলে, কিন্তু উপায় কি?

মনৰ খঙত ঠগীৰাম এদিন ডাক্তৰৰ ঘৰ ওলালগৈ। ডাক্তৰে দুপৰীয়া ভাত খাই শুবলৈ ধৰিছিল, সুধিলে, 'কি হ'ল হে ঠগীকাই?'

ঠগীয়ে সংক্ষেপে সিহঁতৰ দুখৰ কথা বৰ্ণাই গ'ল —। ডাক্তৰে মন দি শুনিলে। তাৰ পিছত হাঁহি হাঁহি ক'লে, 'বিদেশী ৰজাই আমাৰ দুখ নুবুজে, ঠগীৰাম।'

ঠগীৰামে মনৰ খঙত কৈ গেলালে, 'এনে ৰজাৰ তলত থকাতকৈ মৰাই ভাল। গৰু নাই, ম'হ নাই, খেতি কৰোঁ কিহেৰে? আনকি বছৰেকৰ বিহুৰ দিনা ছোৱালীহঁতৰ কাণত পিন্ধিবলৈ থুৰীয়া এযোৰো নোহোৱা হ'ল।' খন্তেক বৈ সি আকৌ আৰম্ভ কৰিলে, 'আমি আৰু নিগমে মৰিলোঁ, ডাক্তৰ দেউতা। আপোনালোকে কিবা এটা উপায় কৰক।'

ডাক্তৰে খন্তেক পৰ বৈ ভাবিলে। তাৰপিছত লাহে লাহে ক'লে, 'তোমালোকে এখন সভা পাতা। তালৈ বুদৰাম উকীলক মাতা। আৰু তাত তোমালোকৰ অভাৱ-অভিযোগৰ বিষয়ে এটি প্ৰস্তাৱ লৈ চৰকাৰৰ ঘৰলৈ পঠোৱা। তেনে কিবা এটা কৰি চোৱাচোন, কি হয় দেখা যাওক।'

তেতিয়া অসহযোগৰ দিন। কেউফালে সভা-সমিতি হৈছে, কাগজে-পত্ৰই অভাৱ-অভিযোগৰ নানাবিধ প্ৰস্তাৱ প্ৰকাশ হৈছে। সেইবাবে ডাক্তৰে তাকে কৰাটো উচিত বুলি

ভাবি ঠগীৰামক পেটৰ কথা ক'লে।

ঠগীৰামে হাতত সৰগ ঢুকি পোৱাদি পালে। 'আপুনিও যাব লাগিব আকৌ সেই ডাক্তৰ দেউতা। জানেই নহয় আমি নিচলা মানুহ। নগ'লে শয়েক বাইজৰ শাও লাগিব। সভাৰ খবৰ মই আপোনাক দি যামহি।'

ডাক্তৰৰ কপালত চিন্তাৰ ৰেখা ফুটি উঠিল।

০ ০ ০

সভা হৈ গ'ল। চৰকাৰৰ ঘৰলৈ প্ৰস্তাৱো গ'ল। কিন্তু একোটো নহ'ল। মাথোন মৌজাদাৰে মাতি আনি ঠগীৰামক ক'লে, 'তোৰ নাম চৰকাৰ ঘৰত উঠিছে। দিন-কাল বৰ বেয়া। শুনা নাইনে, হালে হালে সাঙুৰি নি জেলত সুমাই থৈছেগৈ? সাৱধানে চলিবি।' ঠগীৰামে আচৰিত হৈ সুধিলে, 'মোক আকৌ কিয় জেললৈ নিব?' 'মিটিং কৰা বাবে। স্বৰাজৰ মিটিং কৰা মানা।' — মৌজাদাৰে ক'লে। 'কিয় দেউতা? আমি খাজনাৰ মিটিঙহে কৰিছিলোঁ।'

মৌজাদাৰে চকু পোন্দোৰাকৈ ক'লে, 'খাজনাৰ মিটিং আৰু স্বৰাজৰ মিটিং একে।'

ঠগীৰামে সেইদিনা ঘৰলৈ ঘূৰি আহোঁতে আগৰ দৰে আৰু সাধাৰণ ভাব লৈ উভতিব নোৱাৰিলে। খেতি কৰিব নোৱাৰি গাঁওৰ সকলোৰে অন্তৰত ৰোষ-দ্বেষ, খং-বেজাৰৰ ঢউ উঠি থৌকি-বাথৌ লাগি আছিল। সকলোৰে মুখত ৰজাৰ বিৰুদ্ধে গালি-শপনি ওলাবলৈ ধৰিলে। এনে অৱস্থাত ঠগীৰামৰ মনত কি কৰোঁ কি নকৰোঁ ভাব হ'ল। যেনিয়ে চাই তেনিয়েই যেন আন্ধাৰে পৃথিৱীখন আগুৰি থোৱা আছে। কলঙৰ উতুওালিও কমি গ'ল, নৈত আগৰ দৰে সোঁত নাই, শুকাই-খীণাই যেন চেৰেলা গৰু পোৱালিৰ দৰে যাওঁ-নেযাওঁকৈ খোজ পেলাইছে।

ঘৰ সোমায়েই সি দেখিলে, ডাক্তৰে একান্তমনে বহি কিবা এখন কাকত পঢ়ি আছে আৰু সোণপাহিয়ে বহি বটাত তামোল কাটিছে! 'আপুনি — আপুনি কেতিয়া আহিল?'

ডাক্তৰে ঠগীৰ মোলান মুখখনিলৈ চাই হাঁহিলে, ক'লে 'ঠগীকাই, বৰ ডাঙৰ কাম এটাৰ নিমিত্তে আহিলোঁ, মুখ-হাত ধুই কিবা দুটামান খাই-বৈ আহা, বহি কথা পাতোঁ।'

নিশা ভালেমান পৰলৈ সিহঁতৰ মাজত মেল চলিল। স্বৰাজৰ মেল। ডাক্তৰে উজনি আৰু নামনি অসমৰ গাঁৱত হোৱা সভা-শোভাযাত্ৰাবোৰৰ কথা সাধুকথাৰ দৰে কৈ গ'ল। মাজতে জেপৰ পৰা ভাৰতৰ সৰু মেপ এখন উলিয়াই আঙুলি দি দি, প্ৰথমতে বিচাৰি বিচাৰি নগাঁওখন উলিয়ালে, তাৰ পিছত ক্ৰমে গুৱাহাটী, কলিকতা, পাটনা, এলাহাবাদ, পঞ্জাব, বোম্বাই আৰু মাদ্ৰাজৰ গাঁৱে গাঁৱে হোৱা সভা-শোভাযাত্ৰাৰ কথা বৰ্ণনা কৰিলে। বৰ্ণনাৰ শেষত যোৰহাট, গুৱাহাটী আদি ঠাইৰ আন্দোলনৰ বিষয়ে এটি চমু আভাস দিলে। তাৰ পিছত ডাক্তৰে হাঁহি আৰম্ভ কৰিলে, 'এইবাৰ আমাৰ পাল, কলংপৰীয়াহঁতৰ।' এইবুলি কলঙৰ পাৰে পাৰে মেপখনত আঁকি থোৱা এডাল ৰেখা দেখুৱাই কৈ গ'ল, 'কলিয়াবৰৰ

পৰা নগাঁও, নগাঁৱৰ পৰা গুৱাহাটী।'

ঠগীৰাম আচৰিত হ'ল। ওচৰতে সোণপাহিয়েও বৈ বৈ কথা-বতৰা শুনি আছিল। পুতেক মালীয়েও ওচৰতে বহি বাপেকহঁতৰ কথা-কাণ্ড নিৰীক্ষণ কৰিছিল। সিহঁতো ডাক্তৰৰ কথাত আচৰিত হ'ল।

'কি কৰিব লাগিব, ডাক্তৰ দেউতা?'

'শোভাযাত্ৰা। কলিয়াবৰৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৰে হৈ-ধ্বনি কৰি আগবাঢ়ি যাব প্ৰথমতে নগাঁৱলৈ আৰু নগাঁৱৰ পৰা গুৱাহাটীলৈ।' ডাক্তৰে ক'লে — 'গুৱাহাটীত গোটেই অসমৰ প্ৰজা গোট খাব।'

'তাৰ পৰা কি হ'ব?'

'কি হ'ব? বগা বগুলৰ ৰাজ্যৰ সাঁফি লৰিব। খেতিয়কৰ সমাৰোহ দেখি সিহঁতে ভয় খাব। স্বৰাজৰ বাট মুকলি হ'ব।' — ডাক্তৰে উত্তৰ দিলে।

'আমাৰ খাজনা মাফ হ'বনে?'

ডাক্তৰে ঠগীৰামৰ বাউসি দুটাত চপৰিয়াই দিলে, 'সকলো কথা বাউসিৰ ওপৰত নিৰ্ভৰ কৰে। আগেয়ে কাম কৰোঁ, তাৰ পিছত ফল বিচাৰিম।'

০ ০ ০

কলিয়াবৰৰ খেতিয়ক ৰাইজৰ সমদলৰ কোৰত কলঙৰ পাৰৰ বাজআলি কঁপি গ'ল। 'স্বৰাজ আমাৰ জন্মস্বত্ব,' 'সাম্ৰাজ্যবাদ ধ্বংস হওক' আৰু 'মহাত্মা গান্ধী কী জয়' আদিৰ কঁপনিত কলঙৰ বায়ুমণ্ডল নাচি উঠিল। কলঙৰ পাৰ বহুত দিনৰ মূৰত ৰণৰ ধ্বনিৰে মুখৰিত হ'ল। সেইদিনা কাৰো চকুলৈ টোপনি নাহিল; গাভৰুৰ কাৰৰ কলহ কাষতে ৰ'ল; গৰখীয়াই গৰু বান্ধি লৰি আহিল; বাজআলিৰ কাষে কাষে ৰাইজৰ জুম। হৈ-ধ্বনি। নতুন ভাৱত মনিছৰ মন-প্ৰাণ হেন্দোলি উঠিল। ঘৰৰ মানুহ আহি গাঁৱত মিলিল, গাঁৱৰ মানুহ আহি নগৰত মিলিল আৰু নগৰৰ মানুহ জিলা প্ৰদেশত মিহলি হৈ এক অপূৰ্ব জনসৌতৰ সৃষ্টি কৰিলে। গুৱাহাটী চহৰৰ অভিমুখে কলঙৰ প্ৰাণ চৰাই হৈ উৰি গ'ল, কলঙৰ ভাষা বতাহ হৈ ডাপলি মেলিলে, কলঙৰ আশা উথলি উঠিল। গাঁৱে গাঁৱে স্বৰাজৰ হেজাৰ-বিজাৰ সেনা ওলাল; গুৱাহাটীত স্বৰাজৰ নেতাসকলে বিতিয়াই মাতিলে, কলিয়াবৰ সেই বিণনিত জাগিল, ধীৰে ধীৰে খোজ দিলে; খোজ লাহে লাহে প্ৰবল বেগত পৰিণত হ'ল, জনতাৰ জীৱন নতুন তেজেৰে নাচি উঠিল।... কলং গৈ লুইতত মিলিলগে। লুইতৰ পাৰত নতুন মনিছৰ সৃষ্টি হ'ল। সোণৰ লুইত, ৰূপৰ লুইত সোঁতৰ হেৰে হেৰে নাচে। ঠগীৰামৰ বুকুত নতুন কঁপনি লাগে। সি অনুভৱ কৰে গুৱাহাটীত গোট খোৱা বিৰাট ৰাইজৰ আশাৰ কথা।...

ওৰে বাটটোত ডাক্তৰে তাক কৈ গ'ল স্বৰাজৰ কথা। জনতাৰ বুকুত হোৱা হেজাৰ হেজাৰ সমদলৰ লক্ষ্যৰ কাহিনী। সকলো মানুহৰ জীৱনৰ স্মৃতি যেন আজি এটাই। আজি কলং আৰু লুইতৰ মাজত একো ভেদাভেদ নাই। স্বৰাজৰ সমমত দুয়ো ধাৰা আজি মিলি গ'ল।

ঠগীৰামে বুজিলে গাঁৱে গাঁৱে মানুহৰ দুখ হৈছে, খাজনা তৰি সৰ্ব্বস্বান্ত হোৱা মানুহ অকল সিহঁতেই নহয়, কলঙৰ দুৱে-ওচৰে, ইমূৰে-সিমূৰে আজি দুখত বাইজ ভুকুৱা, সেই কাৰণেই সিহঁতে বিচাৰিছে স্বৰাজ।

এইবাৰ ঠগীৰামে জন-লুইতৰ মাজত নতুন জীৱন-সোঁত বিচাৰি পালে।

০ ০ ০

লুইত বৈ ব'ল। আৰু দহোটি আঘোণো গ'ল। কিন্তু প্ৰতি আঘোণত গঞাৰ ধান কমি আহিবলৈ ধৰিলে। গৰু-ম'হ কিনিবলৈ টকা নাইকিয়া হ'ল। প্ৰায়বোৰৰেই টৈটুৰ গুৰিলৈকে ধাৰ লাগিল। অথচ ৰজাৰ খাজনা নকমিল। ঠগীৰামৰ ঘৰত আৰু মানুহ বাঢ়িল। মালীয়ে ছোৱালী অনিলে আৰু নিজৰো এজনী ছোৱালী ওপজিল। মালীৰ ছোৱালী অনাৰ কাহিনী ঠগীৰামৰ দৰে ধুনীয়া নহয়। হ'বই বা কেনেকৈ? আগৰ দৰে ধনেই আছে নে ধানেই আছে? মণি-কেকুৰেই আছে নে ছোৱালীয়ে আছে? সকলোবোৰ বস্তুৰে মোহ আৰু গুণ কমি আহিল। পুৱা-গধূলি জা-জলপান নেপাই মালীয়ে কেতিয়াবা বৈণীয়েকক মাৰধৰো কৰে আৰু কেতিয়াবা গালিৰ কোবত বাপেক-মাকৰ সাত-পুৰুষ উধাৰে। আগৰ দিন, আগৰ মৰম-ধৰম সকলোবোৰ আঁতৰি গ'ল। ঠগীৰাম আৰু সোণপাহিৰ মনত দুখৰ ডাৱৰে দেখা দিলে। ...আগৰ দৰে মাত্ৰ চলি ব'ল ক্ৰোক্, মাটি নীলাম, কাবুলী আৰু মহাজনৰ অত্যাচাৰ...

ঠগীৰাম এতিয়াও ডাক্তৰৰ ওচৰলৈ যায়। বুদৰাম উকীল আজি-কালি আগৰ দৰে নহয়, গাঁৱৰ সভালৈ মাতিলে নাহে। একমাত্ৰ ডাক্তৰেহে তাক সদায় হাঁহি মুখে মাতে, দৰৱ-জাতি দিয়ে, সভা-সমিতি পাতিবলৈ কয় আৰু স্বৰাজৰ বিষয়ে নতুন কথা পাতে।

যৌৱন গ'ল দুখ নাই; কিন্তু জীৱনত যে সুখ নাই; ল'ৰা-ছোৱালীহঁতৰ নিমিত্তে ধন-সম্পত্তি নটা হ'ল। সোণপাহিৰ কেৰুমণিও ক্ৰোক্‌ত শোধাৰ লগা হ'ল। তথাপি তাৰ মনৰ আশা মাৰ নেধায়। এদিন আকৌ ভাল দিন আহিব, মাটিত আগৰ দৰে খেতি হ'ব, গৰুৰ দাম কমিব, খাজনা মাফ দিব, কলঙৰ পাৰৰ মাটি আকৌ শস্যেৰে নদন-বদন হৈ পৰিব। ধুনীয়া আশা কিন্তু কেতিয়া ফলিয়াব? কেতিয়া খাজনা মাফ দিব? ৰজাৰ মন কেতিয়া সলনি হ'ব? আকৌ কেতিয়া খেতি কৰিবলৈ স্বৰাজ পাব সিহঁতে? কেতিয়া?

এবেলি আঘোণত ধান চপাই উঠোঁতেই হঠাতে এদিন নগৰৰ পৰা ডাক্তৰ ওলালহি। বাইজ বহুবাই খাজনাৰ কথা আলোচনা কৰিলে। গঞাই স্পষ্টভাৱে জনালে আৰু ধ'ব নোৱাৰি; খাজনা মাফৰ আবেদন জনোৱা আজি দহবছৰ হৈ গ'ল। ক'তা ৰজাঘৰৰ একো দেখোন সাৰ-সুৰেই নাই। নাই, এইদৰে আৰু আশা পালি পালি বৈ থাকিব নোৱাৰি, খাজনা বন্ধ আন্দোলন চলাব লাগে।

ডাক্তৰে বাইজৰ কথাত গুৰুত্ব দিলে। সেইদিনা পদুলি। তেলেংগনা ভাৰতৰ যেগৰন উলিয়াই তেওঁ আকৌ নগাঁও, গুৱাহাটী, কলিকতা, বোম্বাই, পঞ্জাব সকলো ঠাইতে আঙুলি দি খেতিয়কৰ আন্দোলন হোৱাৰ কথা কৈ গ'ল; ঠগীৰামৰ মনত পৰিল আগৰ সকলোৰ

কথা, মনত পৰি আকৌ এবাৰ আশাৰে অন্তৰ ভৰি পৰিল।

ঠিক কথা, খাজনা দিয়া বন্ধ কৰিব লাগিব। ডাক্তৰে সন্তোষেৰে হাঁহিলে।

কলংপৰীয়া বাইজ আকৌ এবাৰ জঁকি উঠিল। আকৌ এবাৰ কলঙৰ মাটিত স্বৰাজ-সেনাৰ জন্ম হ'ল। ৰণ-শিঙা বাজি উঠিল।

০ ০ ০

কলং পাৰ শুদা হৈ পৰিল। ঘৰত থাকিল কেৱল সোণপাহি আৰু সোণপাহিৰ দৰে গৃহিণীসকল। ভঁৰালবোৰত ধান নোহোৱাই হ'ল। ধনো ৰজাই হৰি নিলে। এইবাৰ হৰি নিলে কলংপৰীয়া তেজী খেতিয়কসকলক। ঠগীৰাম, মালীৰ দৰে কেইবাযোৰা বাপেক-পুতেকো গৈ চৰকাৰৰ পোতাশালত বন্দী হ'লগৈ। ৰজাৰ টেকেলাইতে পুলিচ-মিলিটেৰী আনি আনি বাইজৰ পৰা খাজনা তুলিলে। ঠগীৰামৰ ঘৰত এইবাৰ বোৱাৰীয়েকৰ যৌতুকত অহা অয়-অলঙ্কাৰ সোপাকে টেকেলাক গটাই দিব লগা হ'ল।

কলঙত আগৰ দৰে ৰঙৰ সুৰ নুশুনা হ'ল। বিহু-সংক্ৰান্তিয়ে বাইজে আগৰ দৰে ৰং-ৰহইচ নকৰে। কেউফালে বেজাৰেৰে ভৰা।...

...জেলৰপৰা ওলাই আহি ঠগীৰামে গঞাৰ মন দেখি আকৌ নিৰাশ হৈ পৰিল।

মালীয়েও ঘৈণীয়েকৰ কাণ শুদা দেখি কান্দিবলৈ ধৰিলে।

সোণপাহিয়ে বাপেক-পুতেকহালৰ মন মৰা দেখি অস্থিৰ হৈ পৰিল। ভাবিলে এই পৃথিৱীখনত আৰু ধৰ্ম নাই, অধৰ্মৰ ৰাজত্ব ভৰি পৰিছে। ইয়াত দুখ কৰিলেও পেট নভৰে। ঈশ্বৰে কিবা শাওপাত। কেৱল সিহঁতৰ আজলী সৰু জীয়েক কাচনমতীয়ে তেতিয়াও দুখ-সুখৰ কথা ভালদৰে গম ধৰিব পৰা নাছিল।

০ ০ ০

তথাপি ঠগীৰাম নিৰাশ নহ'ল। যিমানে কলঙৰ পাৰ শুদা হৈ আহিল, সিমানে তাৰ অন্তৰত চিন্তা লাগিল মালীৰ কথা, বোৱাৰীয়েকৰ কথা, জীয়েকৰ কথা আৰু সিহঁতৰ দৰে গাঁৱৰ ডেকা-গাভৰুৰ কথা, কি হ'ব সিহঁতৰ? খেতি কৰিবলৈ গৰু-ম'হ নাই, ধন নাই, বহুতৰে ঘৰত বছেৰেক জোৰাকৈ ধান নোলায়। মায়াৰাম ওজাৰ দৰে মানুহবোৰৰ আৰু চিন্তা হ'ল, মায়াৰামে পকী ঘৰ-দুৱাৰ সাজি ধনী গঞাৰ পৰা দুই-এপইছা পাইছিলে, তাৰেই কোনোৰকম পেট প্ৰবৰ্তাইছিল, খেতিত মনো নাছিল আৰু মাটিও নাছিল। কিন্তু গঞাৰ ভঁৰালত ধন-ধান নাইকিয়া হোৱাত, পকী ঘৰ-দুৱাৰ সজা মানুহ নাইকিয়া হ'ল। লগে লগে মায়াৰামৰো দুৰ্ভিক্ষ উপস্থিত। উপায় নেপাই সি ঢোকাৰী এখন লৈ গীত গাই গাই মাগি-খুজি ফুৰিবলৈ ল'লে। — মায়াৰামক দেখিলে ঠগীৰামে বৈ বৈ হুমুনিয়াহ ছাৰে; ইমান গুণী ল'ৰাটোৰ কি অৱস্থা হ'ল দেহী!...

...তথাপি খেতি কৰিবই লাগিব যেনে-তেনে। লোকৰ গৰুৰে মৰকীয়া বাই মালীয়ে,

সিয়ে দুয়ো মিলি খেতি কৰে; কিন্তু আগৰ সময়ৰ মাটিও কৰ নোৱাৰে আৰু ধানো কম পায়; যিখিনি পাই তাৰে আধা আকৌ খেতি কৰিবই লাগিব।...

ঠগীয়ে আৰু মালীয়ে মাজে মাজে বহি ডাক্তৰৰ কথা পাতে। তেওঁ আকৌ কেতিয়াবা গাঁৱলৈ আহিবনে? শুনিছিল বোলে চৰকাৰে তেওঁকো জেলত ভৰাইছিল, আই ঐ দেহী, বেচেৰাৰ কি কষ্ট আমাৰ লগত লাগি।

আৰু কেইবাটাও আঘোণ গ'ল। ধন-ধান কমি গ'ল। ইতিমধ্যে মালীৰো এটা ল'ৰা হ'ল। নাতিনীয়েকক পাই ঠগী-সোণপাহিৰ মৰম ওপজক চাবি ওলটাটোহে হ'ল। ল'ৰাহঁতৰ কাৰণেই দিন-কাল বেয়া হ'ল, আকৌ নাতিনীয়েকৰ কাৰণে কি কৰা হয়? দিনক দিনে কাপোৰ-কানি, লোণ-তেলৰ দাম বাঢ়ি গৈ আছে — বহুতো সময়ত তেল-নিমখৰ বাবে ভাতবো লঘোণ হয়।

সোণপাহিয়ে এদিন জুহালৰ গুৰিত বহি দুখৰ কথা পাতি থাকোঁতেই বাহিৰত কোনোবাই 'ঠগী কাই' বুলি মাত দিলে। ঠগীৰামে মাততেই ধৰিলে ডাক্তৰ বুলি। ঠগীহঁতৰ ঘৰত সেইদিনা নিমখ-তেলৰ অভাৱত ভাতো লঘোণ হৈছিল।

ডাক্তৰে ভিতৰলৈ সোমায়েই ক'লে, 'কেনে আছা?'

ঠগীৰামে মুখেৰে একো নকৈ কপালত হাত দি বহিল। সোণপাহিয়ে ডাক্তৰলৈ এখন পীৰা আগবঢ়াই দিলে। ডাক্তৰে বহি ক'লে, 'ঠগীৰাম, মূৰে-কপালে হাত দিবৰ সময় নহয়। দেশ মিলিটেৰীৰে ভৰি পৰিল। বস্তুৰ দাম জুই-ছাই। চৰকাৰক দখল কৰিব নোৱাৰিলে নহৈছে। ময়ো ওলাইছোঁ, তুমিও ওলোৱা, সকলোকে ওলাবলৈ কোৱা।' ডাক্তৰৰ কথাৰ সুৰ দেখি ঠগীৰাম-সোণপাহি আচৰিত হ'ল। কোনোবা ফাঁকত মালী আৰু বোৱাৰীয়েকো আহি সিহঁতৰ কাষত থিয় দিলেহি। মাত্ৰ ঠগীৰ জীয়েক কাঞ্চনমতীয়েহে ভিতৰত বহি চাহপানী তপতাবলৈ ধৰিলে।

ডাক্তৰে আকৌ ক'লে, 'বোম্বাইত স্বৰাজৰ সভা বহিছিল, বুজিলা। তাত ঠিক হৈছে এইবাৰ আমি যেনে তেনে ফিৰিঙ্গীহঁতক দেশৰ পৰা খেদিব লাগিব। মৰিয়ে হওক বা তৰিয়ে হওক।'

ঠগীৰামে একো নেমাতিলে। মালীয়ে ডাক্তৰক সুধিলে, 'সিহঁতক কেনেকৈ খেদাব?' ডাক্তৰে মালীৰ মুখলৈ খন্তেকপৰ ৰ লাগি চালে। তাৰপিছত ক'লে, 'মোক কিয় সুধিছা? নিজকে সোধা; তোমালোকৰ মাটি, তোমালোকৰ দেশ। তোমালোকে কাৰোবাক থানা পাতি, কাছাৰী পাতি থাকিবলৈ দিলে কোনোবা থাকিব পাৰিব, নহ'লে নোৱাৰে।'

'কিন্তু সিহঁতে জানো আমাৰ কথা শুনিব?' — মালীয়ে আকৌ সুধিলে।

'নুশুনিব? কিয় নুশুনিব? দেশত পুলিচ-মিলিটেৰী কেইজন আছে? সিহঁতৰ এটা হ'লে তোমালোকৰ হেজাৰটা হ'ব; দলে দলে যোৱা, থানা দখল কৰা। স্বৰাজ তেতিয়াহে স্থাপন হ'ব। তেতিয়াহে আপোন খুচিত খেতি কৰিবলৈ পাবা।' — ডাক্তৰে উত্তেজিত স্বৰেৰে কৈ গ'ল।

মালীয়ে এবাৰ ঠগীৰামলৈ চাই মাতিলে, 'পিতাই কি কৰিবি?'

ঠগীৰামে ভয়ঙ্কৰ স্বৰেৰে ক'লে, 'কি কৰিবি? আজি যদি বিদেশী নেখেদ, কাইলৈ কি খাবি?' — বুলি ডাক্তৰৰ ফালে চাই ক'লে, 'ডাক্তৰ দেউতা, এই ৰজাৰ লগত এনেকৈ নুযুঁজিলে উপায় নাই। দুর্ভিক্ষত মৰিব নোৱাৰি। কি কৰিব লাগে আমাক কওক। অকল ময়ে নহয়, মোৰ ল'ৰা-সুৰি, ঘৈণী সকলোৱে যুঁজিব।'

ডাক্তৰৰ মুখত নতুন সংকল্পৰ ৰেখা ফুটি উঠিল। ঠগীৰ ঘৰৰ জুহালৰ চাৰিওফালে এটি নতুন পোহৰ জিলিকিল। সকলোবোৰৰে মুখ গহীন, সিহঁতৰ সকলোৰে মুখত এক মহান কৰ্তব্যৰ দায়িত্ব...

০ ০ ০

পাঁচোটা মৰাশ। আন্ধাৰ নিশা।

প্ৰথমটোৰ ওচৰত ডাক্তৰে থিয় হৈ লেখিলে, 'মালীৰাম, ঠগীৰামৰ পুতেক, ঠাই কলিয়াবৰ; নগাঁও থানাত পতাকা তুলিবলৈ যাওঁতে পুলিচৰ গুলীত মৰিল। মৃত্যু বাহিনীৰ দ্বাৰা মৰাশ অপসাৰণ; বয়স ২৬; ৫০০০ মানুহৰ শোভাযাত্ৰাৰ নেতৃত্ব কৰি গৈছিল।'

তাৰপিছত দুজন মৃত্যু-বাহিনীৰ মানুহে মৰাশটো দাঙি লৈ গ'ল।

দ্বিতীয়টোৰ ওচৰত থিয় হৈ ডাক্তৰে খন্তেকপৰ ভালকৈ মুখখন চালে, তাৰপিছত লাহে লাহে ক'লে, 'মালীৰামৰ ঘৈণীয়েক; বয়স কুৰি; ফিৰিঙী মিলিটেৰীয়ে পাশবিক অত্যাচাৰ কৰোঁতে ছুৰীৰ আঘাতেৰে এটা সৈন্যক মাৰে; তাতে খং খাই কেপ্তেইন ব্ৰিষ্টলৰ গুলী বৰ্ষণ।'

তাৰপিছত মৰাশটো মৃত্যু-বাহিনীৰ দ্বাৰা স্থানান্তৰিত হয়।

তৃতীয় মৰাশটোৰ ওচৰত থিয় হৈ ডাক্তৰে দেখিলে, এটা সৰু ল'ৰা, বয়স প্ৰায় ১৪ মান হ'ব। খুব ওচৰলৈ টৰ্চটো দি মুখখন চাই ডাক্তৰৰ গাৰ নোম শিয়ৰি উঠিল। 'ই দেখোন সূৰ্য' — অস্ফুট স্বৰেৰে ডাক্তৰে ক'লে।

হঠাতে আন্ধাৰৰ মাজেদি মাত আহিল, 'কি হ'ল ডাক্তৰ?' ডাক্তৰে ক'লে, 'ই দেখোন মোৰ ল'ৰা।'

মৃত্যু বাহিনীৰ ল'ৰা এজনে ক'লে, 'সি আমাৰ সদস্য আছিল যোৱা নিশা টাউনৰ পৰা বাইকত কামপুৰৰ দলং অতিক্ৰম কৰোঁতে মিলিটেৰীৰ গুলীত মৰিছে।'

ডাক্তৰৰ চকুৰ পৰা টোপাটোপে পানী পৰিবলৈ ধৰিলে; তথাপি তেওঁ লেখি গ'ল — '...ডাক্তৰ মণি বৰাৰ ল'ৰা; বয়স চৈধ্য; দশমমান শ্ৰেণীৰ ছাত্ৰ; মিলিটেৰীৰ গুলীত প্ৰাণনাশ।'

চতুৰ্থ আৰু পঞ্চম দুয়োটা মৰাশ কলিয়াবৰৰ দুজন খেতিয়কৰ। ডাক্তৰে কোনো ৰকমে সিহঁতৰ নাম-ধাম লেখিলে।

তেতিয়া ৰাতি পুৱাবলৈ অনেক দেৰি বাকী। মৃত্যু বাহিনীৰ ল'ৰাবোৰে সুধিলে, 'খৰি দিম নে পুতিম?'

খৰি দিলে মিলিটেৰীৰ চকুত পৰিব পাৰে; তেতিয়া কথা ভয়ানক হ'ব, 'নাই, পোতাই ভাল হ'ব।' ডাক্তৰৰ চকুৰ পৰা তেতিয়াও চকুপানী পৰি আছে। কিন্তু, ঠগীৰামৰ

মতামত —' বুলি ডাক্তৰ হঠাতে বৈ গ'ল। তেনেতে ডাক্তৰৰ কান্ধত হাত দি কোনোবাই ক'লে, 'ডাক্তৰ দেউতা, আপুনি যি কৰিছে সেয়ে ভাল, খৰি দিলে শত্রুৱে আমাৰ পুং পাব, পোতাই ভাল' ডাক্তৰে বুজি পালে ই ঠগীৰামৰ মাত। ঠগীৰামৰ স্থিৰ মাত শুনি সম-দুখী ডাক্তৰৰ পিতৃ প্ৰাণে অলপ সান্ত্বনা পালে।

শেহনিশা কলঙৰ পাৰত আটাইকেউটা মৰাশ পোতা হ'ল। শ্বহীদৰ মৰণভূমিত লাহে লাহে নতুন দিনৰ তেজীৰঙা পোহৰৰ ৰেখা পৰিলহি।

ঠগীৰাম আৰু ডাক্তৰ দুয়োৱে শ্বহীদৰ শয়নভূমিত আঁঠু কাঢ়ি দু-আঁজলি ফুল দিলে। তাৰপিছত পাঁচ গছি ধূপ জ্বলালে।

ঠগীৰামে চকুপানী টুকি টুকি ক'লে, 'আমাৰ আবাল-বৃদ্ধ-বনিতাই আমাৰ কাৰণে কেঁচা তেজ দান কৰিছে। আমাৰ যিবোৰৰ শৰীৰত এতিয়াও তেজ বাকী আছে, সেইবোৰৰ এইবাৰ মৰিবৰ পাল, আহক, সকলোৱে আজি ইয়াত সংকল্প লওঁ — কৰিম, কিম্বা মৰিম।'

ৰঙা বেলিৰ প্ৰথম পোহৰ আহি শ্বহীদ স্থানৰ ওপৰৰ ফুলবোৰ উজলাই দিলে। মৃতকসকলৰ উদ্দেশ্যে মৃত্যু বাহিনীয়ে এটি ছেলিউট্ দিলে। তাৰপিছত সিহঁত তাৰপৰা আঁতৰি গ'ল...

আৰু পাঁচোটি আঘোণ গ'ল। ঠগীৰামৰ ঘৰত কাচনমতী, সোণপাহি আৰু নাতিনী ল'ৰাটো। বাকী দুয়োটা স্বৰাজৰ শ্বহীদ হৈ গ'ল।

হঠাতে এদিন মাজ নিশা গাঁৱৰ নামঘৰত বৰকাঁহ বাজি উঠিল; ঠগীৰামে সাৰপাই সুধিলে, 'কি হ'ল!'

সোণপাহিয়ে ক'লে, 'কেলেই, কালি নগৰৰ সেই মানুহজনে স্বৰাজ হ'ব বুলি জানো কৈ যোৱা নাই? সেয়া স্বৰাজৰ সবাহ।'

ঠগীৰাম শোৱাৰ পৰা উঠি বহিল; বুঢ়াৰ বয়স তিনিকুৰি আঠৰো ওপৰ; তাতে স্বৰাজৰ ৰণত মাৰ খাই কঁকালৰ বিষ হ'ল। তথাপি স্বৰাজৰ নামত সি উঠি বহিল। কাচনমতী আৰু অকণমান নাতিনীয়েকটোক জগালে। বাহিৰৰ জুইকুৰা ধৰি লৈ বুঢ়াই ঘৈণীয়েক, জীয়েক আৰু নাতিনীয়েকৰ আগত স্বৰাজৰ কথা ক'বলৈ আৰম্ভ কৰিলে। কলিয়াবৰত সেই বিৰাট সমদল হ'বৰ দিনাৰে আৰম্ভ কৰি খাজনা বন্ধ আন্দোলনৰ কথা আৰু মালীৰামহঁতৰ ৰণৰ কথা কওঁতে কওঁতে ঠগীৰামৰ চকুৰ পৰা চকুপানী টপৰ টপৰকৈ পৰিবলৈ ধৰিলে।

কাচনমতীয়ে ঠগীৰামক সুধিলে, 'আজিৰ পৰা আমাৰ তেনে সুখ হ'ব পিতা?'

ঠগীৰামে ক'লে, 'হ'ব, হ'ব, আই, এতিয়াৰে পৰা খাজনা মাফ হ'ব, গৰু-ম'হৰ দাম সস্তা হ'ব। কাপোৰ-কানি, নিমখ-তেলৰ দাম কমিব আৰু আমি মনৰ সুখত খেতি কৰিবলৈ পাম।'

তাৰপিছতেই বুঢ়াই ক'লে, 'মই এতিয়া অকলেহে খেতি কৰিব লাগিব। কৰিম, তথাপি ধান পালে, কোনে খেতি নকৰিব?'

মালীৰামৰ কথা মনত পৰি সোণপাহিৰ চকুৰ পৰা পানী পৰিবলৈ ধৰিলে।

০ ০ ০

তিনিটি আঘোণ আকৌ পাৰ হৈ গ'ল; ক'তা খাজনাও নকমিল, গৰু-ম'হ, বস্ত্ৰ-বস্তুবো দাম নকমিল। ঠগীৰামহঁতবো মন মৰি গ'ল। অতবোৰ ৰণ কৰিও শেষত একো

নহ'ল। হায়, হায়, আমাৰ বোপাইঁতে-আইদেউইঁতে মিছাতে প্ৰাণ দিলে।...

ঘৰে ঘৰে দুখ-কষ্ট বাঢ়িল। বেছিভাগৰ ঘৰতে গৰু-ম'হ নাই। ধানৰ ভঁৰাল শুদা; তাতে আকৌ খাওতাৰ সংখ্যা বাঢ়ি গ'ল। ঠগীৰামে এতিয়া নিজেই খুজি-মাগি খাব লগা হ'ল। কিন্তু খুজিলেও কোনে দিব, আটাইৰে সেই একে অৱস্থা...

মায়াৰাম ওজাই এদিন ঠগীৰামৰ চোতালত বহি বহি ক'লে, 'বান্ধ, কি ক'বা, আমাৰ গাঁৱতে তিনিকুৰি ডেকা ল'ৰা খেতি কৰিব নোৱাৰি বহি আছে। মাটিও নাই, গৰু-ম'হো নাই, কি কৰিবা? মোৰে তিনিটা ল'ৰা আছে নহয়, সিহঁতে বুজিছা, সাত পুৰুষৰ নকৰা কামত ধৰিছে।' বুলি সৰুকৈ ঠগীৰামৰ কাণৰ গুৰিত ক'লে, 'চুৰ কৰিবলৈ লৈছে, বুজিছা? তোমাৰ আগত লুকাবলৈ আৰু কি আছে?'

ঠগীৰামে তৎক্ষণাৎ মায়াৰামৰ পুতেকহঁতক মতাই আনি বঢ়াই-বুজাই ক'লে 'বোপাইহঁত এইবোৰ স্বভাৱ এৰ। আমি খেতিয়কৰ ল'ৰা, খেতি কৰ।' ল'ৰাহঁতে ঠগীৰামক সেৱা এটি জনাই উত্তৰ দিলে, 'দদাই সেইবোৰ কথা জানো আমি নুবুজোঁ। কিন্তু কি কৰিম, মাটি-বাৰীও নাই। গৰু-ম'হো নাই। উপায় নেপাই নগৰৰ ধনী কেএজন মহাজনৰ তাত চুৰি-চাপ্ৰাচীকে কৰিছোঁ।' ঠগীৰামে ক'লে, 'বোপাইহঁত চুৰি-চাপ্ৰাচী কৰিব নাপাই নহয়, বিশেষকৈ আমাৰ মানুহ নহয় জানো সেইবোৰ?'

ল'ৰাহঁতে এইবাৰ পোনকোৱেই উত্তৰ দিলে, 'ইহঁতকে লুটি নেখালে আমাৰ একো উপায় নাই। তেহেলৈ যি হওক'...

ঠগীৰামৰ অন্তৰ বিষাদেৰে ভৰি গ'ল। কি কৰিব, কি নকৰিব ভাবি বুঢ়াই নিতৌ গএগৰ ঘৰে ঘৰে গৈ আলোচনা কৰেগৈ। সকলোৱে কয়, 'স্বৰাজৰ ৰণ কৰি কি হ'ল আমাৰ? নাই খাজনাই কমিল নে বস্তুৰ দামেই কমিল।' কোনোৱে ক'লে, 'মাটি দিয়া, চুৰি-চাপ্ৰাচী এদিন বন্ধ হৈ যাব।' ঠগীৰাম নিৰাশ মনে ঘৰলৈ উভতিল। আকৌ এইবোৰ বিষয়ে চিন্তা কৰিবলৈ ধৰিলে...

হঠাতে এদিন ডাক্তৰ ওলালহি। ঠগীৰামে হাততে সৰগ ঢুকি পোৱাদি পালে। বহুবাই লৈ সকলো কথা কৈ অঁতাই শেষত লাহে লাহে সুধিলে, 'ক'তা ডাক্তৰ দেউতা, এয়া জানো স্বৰাজ? ইয়াৰ কাৰণেই জানো আমাৰ ল'ৰাহঁত মৰিল।'

ডাক্তৰে হঠাতে ক'লে, 'নাই, এয়া স্বৰাজ নহয় ককাইটি, স্বৰাজ হ'বলৈ আৰু দিন আছে।'

ঠগীৰামৰ মুখখন শেঁতা পৰি গ'ল। 'কেতিয়া স্বৰাজ হ'ব ডাক্তৰ দেউতা? গাঁৱে গাঁৱে দুৰ্ভিক্ষ; ডেকা ল'ৰাবোৰ সকলো চোৰ হৈছে। কি যে কৰিম, একো ক'ব পৰা নাই। নিজৰো একো কৰিব নোৱাৰিলোঁ; লোকৰো একো কৰিব নোৱাৰিলোঁ।'

ডাক্তৰে উত্তৰ দিলে, 'তথাপি আমাৰ ল'ৰাহঁতৰ আধৰুৱা কাম আমি কৰিবই লাগিব। আনে যি নকৰক, মই মৰালৈকে স্বৰাজৰ বাবে যুঁজিম।'

ঠগীৰামে ডাক্তৰৰ মুখলৈ চাই অকণমান পোহৰ দেখা পালে। হঠাতে ডাক্তৰে ক'লে, 'আমি আকৌ স্বৰাজৰ মেল পাতিব লাগিব।' ঠগীৰামে সুধিলে, 'ক'ত?'

ডাক্তৰে উত্তৰ দিলে, 'ইয়াত, কলঙৰ পাৰত, ঠিক সেই শ্বহীদভূমিৰ ওচৰতে। আমি পাতিবই লাগিব; নহ'লে —' ডাক্তৰৰ চকু-মুখ হঠাতে কঠোৰ হৈ উঠিল। 'তিনি বছৰে আমাৰ দেশত ধনীৰ ৰাজত্ব চলিছে। দুখীয়াৰ ক'তো মাত নাই।' তাৰপিছত অলপ পৰ ৰৈ ক'লে, 'তুমি ভয় নেখাবা ককাইটি, এইবাৰ আমি নিশ্চয় জিকিম। এক শত্ৰু গ'ল, ইবোৰ শত্ৰুও যাব।'

ঠগীৰামৰ বুকুত আকৌ আশাৰ সপোন ফুটি উঠিল।

০ ০ ০

ন-স্বৰাজৰ মেলৰৈ সদৌ অসমৰ বহুতো মানুহ আহি কলঙৰ পাৰত গোট খালেহি, সভা পাতিলে, নতুন সংকল্প গ্ৰহণ কৰিলে; স্বৰাজৰ নতুন আন্দোলনৰ সূচনা হ'ল।

সভাৰ পিছত শ্বহীদভূমিত আঁঠু লৈ গঞাই আৰু স্বৰাজৰ মেলুৱৈসকলে শপত খালে, 'খেতিয়কে যেতিয়ালৈকে স্বাধীনতা নেপায়, যিদিনালৈকে খাজনা মাফ নহয়, যিদিনালৈকে গাঁৱৰ ডেকা ল'ৰাবোৰে মাটি নেপায়, সেইদিনালৈকে আমাৰ স্বৰাজৰ আন্দোলন শেষ নহয়। যেতিয়ালৈকে দুবেলা-দুমুঠি সুখেৰে খাবলৈ-খ'বলৈ ব্যৱস্থা নহয়, তেতিয়ালৈকে আমাৰ ৰণ চলি থাকিব। যেতিয়ালৈকে আমাৰ পিতা-মাতা, বাই-ভনী, ভাই-ককাইহঁতৰ আধৰুৱা কাম সম্পূৰ্ণ কৰিবলৈ আমি যত্ন কৰিম।'

ঠগীৰামে নতুন পথ দেখা পালে। বয়স ভাটি দিলেও বুঢ়াৰ শৰীৰত স্বৰাজৰ তেজ ব'বলৈ নেৰিলে। সি ভাবিলে সি মৰি যোৱাৰ পিছত নাতিনী-জীহঁতৰ কি হ'ব? গাঁওখনৰ অৱস্থা যদি এনেদৰেই বেয়া হৈ গৈ থাকে তেন্তে সিহঁত জীয়াই থাকিব কেনেকৈ? 'পাৰোঁ-নোৱাৰোঁ, মৰালৈকে যুঁজিম; স্বৰাজৰ বাবে যুঁজিম; আমাৰ গাঁৱৰ উন্নতি আমাত বাদে কোনে কৰিব?'

০ ০ ০

ঠগীৰামে ডাক্তৰৰ পৰা বিদায় লৈ লাহে লাহে সভাৰ শেষৰ জোনাক নিশা, হাতত লাখুঁটিডাল লৈ কলঙৰ পানীঘাটত নামিলহি। হঠাতে সি শুনিলে।

'কলঙত নচলে নাও মোৰ ভৈয়াই ঐ
বাইজৰ নচলে পাও;
সন্ধিয়া আন্ধাৰত বত্তি নজ্বলে
বুকু শুদা শুদা পাওঁ।'

ঠগীৰামে অধৈৰ্য হৈ মাতিলে, 'মায়াৰাম বান্ধ, এইফালে মাত দিয়া।' মায়াৰাম ওচৰৰ পঁজা এটাৰ পৰা লাহে লাহে ওচৰ চাপি আহিল। 'বান্ধ, এইবোৰ গীত নাগাবা।'

'কেলেই?' — মায়াৰামে সুধিলে।

'বাইজৰ পাও চলিব লাগিব, কলঙতো নাও চলিব লাগিব। মই কৈছোঁ, শুনা, — নহ'লে আমাৰ গাঁৱৰ উন্নতি নহয়।' ঠগীৰামে কলঙৰ পানীত লাখুঁটিডাল জোৰেৰে কোবালে...

মায়াৰামে একো উত্তৰ নিদিলে; ঠগীৰামে আকৌ ক'লে, 'বান্ধ, আজি ডেৰকুৰি বছৰৰ মূৰত গম পাইছোঁ আমাৰ স্বৰাজ আমিয়ে ল'ব লাগিব।' মায়াৰামে এইবাৰ সুধিলে, 'কেনেকৈ?' ঠগীৰামে একো নকৈ লাহে লাহে মায়াৰামক মাতি নিলে শ্বহীদৰ শয়নভূমিলৈ। 'মোৰ বোপাইহঁত ইয়াতে আছে; ইহঁতৰ কথা নোগোৱা কেলেই বান্ধ?' মায়াৰামৰ গা ৰোমাঞ্চিত হৈ পৰিল। 'বান্ধ, এইবোৰ মালীহঁতৰ মৰিশালি নহয়নে?'

'হয় বান্ধ। সিহঁতৰ শপত দিছোঁ বান্ধ; বেজাৰৰ গীত নেগাবা। সিহঁতৰ আত্মাই শান্তি নেপাব।' — ঠগীৰামে ক'লে।

মায়াৰামে শয়নভূমিৰপৰা এমুঠি ধূলি তুলি মূৰত ল'লে। ঠগীৰামৰ চকুত পানী বিৰিঙিবলৈ ধৰিলে।

০ ০ ০

ঠগীৰামে কলঙৰ পাৰে পাৰে জোনাকত লাহে লাহে খোজ কাঢ়িবলৈ ধৰিলে। লগে লগে তাৰ গোটেই জীৱনৰ কাহিনী মনত পৰি গ'ল। কলঙৰ বালিত, কলঙৰ পাৰত আজি জীৱনৰ তিনিকুৰি আঠটা বছৰ অতিবাহিত হৈছে। গঞাৰ সুখৰ-দুখৰ কলং সাক্ষী। কত দিনৰ পৰা এই কলং বৈ আহিছে। কত যুগলৈ ব'ব। গাঁৱৰ বুকুত হেজাৰ ঠগীৰাম যাব, হেজাৰ ঠগীৰাম আহিব, কিন্তু কলঙৰ পাৰৰ মাটিত নতুন খেতিয়ক ওলাবই। বাপেকহঁত গ'লে পুতেকহঁত আহিব; পুতেকহঁত গ'লে নাতিয়েকহঁতে হাতত নাঙল তুলিব। তাৰ জীৱনৰ ত্ৰিশটি আঘোণত হয়তো লখিমীৰ আৱিৰ্ভাৱ হোৱা নাই। কিন্তু পুতেক-নাতিনীয়েকহঁতৰ জীৱনত আৰু কত ত্ৰিশ আঘোণ আহিব লাগিছে, সেইবোৰ আঘোণত যাতে লখিমী আৱিৰ্ভাৱ হয়, তাৰ বাবে যত্ন কৰিব লাগিব, প্ৰাণ থাকে মানে, জ্ঞান থাকে মানে। জীৱন এটা নহয়, শটা। কলঙৰ দৰে বহুত পানীৰ কণিকাৰ দীঘলীয়া সুঁতি — এই কলংপৰীয়া জীৱন।...

তাৰপিছত বুঢ়াৰ অন্তৰত এটা নতুন আহিব লগা আনন্দৰ সপোন জিলিকি উঠিল।...

০ ০ ০

সোণৰ কলং, ৰূপৰ কলং, সোঁতৰ ছেৰে ছেৰে নাচে। কলং আজিও বয়, অতীত পিছত থৈ।...



মহিম বৰা

টোপ

টোপ

শিঙি পুখুৰীত শ'লমাছ পৰিছে। বহুতে অকল শ'ল টোপায়ে পকা পকা শ'লমাছ আনিছে।

বেণুৱে তাৰ সমনীয়া চেনিক খবৰটো জনাবলৈ লৰ দিলে।

চেনিয়ে তাতকৈও আগতেই জানে খবৰটো।

দুয়ো নিৰুপায়। বৰশী এটাৰো নাই। ককায়েকহঁতৰ বৰশী চুবলৈ নিদিয়ে।

মই ডোল বটিব জানো। বৰশী ডাঁৰি দুডাল তিনিমাহ মানৰ আগতে কাটি থৈছো। কৰালি অলপ সেকি পোন-পাজৰ কৰি ল'লেই হ'ল। বেণুৱে উপায় উলিয়ালে।

কিন্তু সূতা ক'ত পাব? মুগা সূতা লাগিব। এই একোটা পকা শ'ল — শণ বা মুগা সূতা নহ'লে ছিঙি লৈ যাব।

চেনিয়ে হাতেৰে মাছৰ আকাৰ-প্ৰকাৰ দেখুৱাই দিয়াৰ লগে লগে বেণুৱে মাছটো দেখিলে। পেটৰ ফালে বগা দীঘলীয়া, ক্ৰমাৎ লাহী শ'লমাছ—মাজে মাজে ক'লা দাগ — দীঘলীয়াকৈ আৰম্ভ হোৱা মূৰৰ খোলাটো, পানীৰ তলে তলে ফিচ্ছা কোবাই কোবাই সি আহিছে — কাঁড় এপাট অহাদি। তাৰ বৰশীৰ টোপৰ ওচৰত অলপ সময় উঁকি দি পৰীক্ষা কৰিছে তাৰ বস্তুটো। খন্তেকতে সি কামোৰ মাৰি ধৰিব, লগে লগে তাৰ বহল মুখখনেদি টামচিং বৰশী গৈ পেট পাবগৈ। শ'লমাছে বস্তুটো লৈ চুপি নাথাকে, একেবাৰে গিলি পেলায়। তাৰ পুঙা গুচি যাব পানীৰ তললৈ, বহুত তললৈ, লগে লগে পুঙাৰ ওচৰত বুৰবুৰণি উঠিব —এই—এই—নাই, ৰ'ব নোৱাৰি। বেণুৱে মুগাৰ সূতা যোগাৰ কৰিব। মাকৰ মুগাৰ সূতা আছে। তাৰে এডাল ৰছী চেনিকো দিব। কথা হ'ল — মুগাৰ সূতাৰ ৰছী বটা সহজ কথা নহয়। পাক দিয়াৰ উনৈছ-বিছ হ'লেই নষ্ট হ'ব। কেনেবাকৈ বেছি পাক দিলে আৰেমুৰীয়াও হ'ব পাৰে।

দুয়ো গভীৰ চিন্তাত লাগিল।

এটা মাত্ৰ উপায় আছে।

গাঁৱৰ হবিবল ককাৰ ওচৰলৈ গৈ আঁঠু লোৱা। "সেই পাত। সোণোনা বুঢ়াৰ ওচৰলৈ কোন যাব! ইমান গালি পাৰে আৰু লাজ কথা মাতে!"

বেণুৱে নাক কোঁচালে।

"সেইখিনি সহ্য কৰিবই লাগিব। নহ'লে কাৰ্য সিদ্ধি হ'ব কেনেকৈ?"

বুঢ়াক গৈ চাহটোপা কৰি দি ভালকৈ ধঁপাত এচিলিম লগাই দিলেই কাম শেষ।

দুয়ো মুগাৰ সূতাৰ মহৰা লৈ বুঢ়াৰ ঘৰ পালেগৈ। গাঁৱৰ 'হৰিবল বুঢ়া' বুলি জনাজাত, ল'ৰা-ছোৱালীৰ 'হৰিবল ককা' গাঁৱৰ এমূৰত অকলে থাকে। দোকমোকালিতে উঠিয়ে 'হৰিবোল' বুলি যিটো চিঞৰ মাৰে গাঁৱৰ ইটো মূৰ সৰকি যায়গৈ। সকলোৱে জানে, হৰিবল বুঢ়া উঠিল। ৰাতি পুৱাল। মূৰৰ চুলিবিলাক দীঘল, চাৰিওফালৰ পৰা আঁচুৰি ওপৰলৈ খোপা বান্ধি থোৱা। খোপাৰ ওপৰত ফুল এপাহ। দীঘলীয়া দাড়িকোছাই বুকু চুইছেহি। কপালত ৰঙা-বগা ফোঁট। মুখত হৰিনাম পুৱা এবাৰ আৰু সন্ধিয়া এবাৰ মাত্ৰ শুনা যায়। বাকী কথাৰ প্ৰতি দুটা শব্দৰ অন্তৰত এটাকে 'অভইচ' কথা থাকে। সকলো সময়তে খিৰিখিটীয়া বুঢ়াক গাঁৱৰ ল'ৰাবোৰে আঁতৰৰ পৰা জোকায় — সেই সময়ত বুঢ়াৰ প্ৰতিটো কথাৰ পাছত দুটাকৈ 'অভইচ' কথা বাহিৰ হয়। ওচৰত অৱশ্যে ল'ৰাবিলাক নৈমান। গাঁৱৰ জীয়ৰী-বোৱাৰীৰ খোজ-কাটল, পিন্ধা-উৰাৰ অলপ হেৰফেৰ বাটে-পথে দেখিলেই বুঢ়াৰ মুখত এনেকুৱা সংস্কৃতৰ আখৰ ফুটে যে সিহঁতে কেতিয়াবা কান্দি কান্দি ঘৰ সোমায়গৈ। তথাপি বুঢ়াক কোনেও বেয়া নাপায় অৰ্থাৎ বেয়া পালে নচলে কাৰো। ল'ৰাৰ স্কুলীয়া সঁজুলি, বাঁহৰ চুঙা, স্কেল, স্কুলৰ হাতৰ কাম, খৰাহি—চালনি বুঢ়াই সাজি দিব বা দেখুৱাই দিব। তিৰোতাৰ তাঁতশালৰ সঁজুলি —মুকাছিৰি, নাচনী, ফুলচেৰেকী, টাকুৰী, শলি, টোলোঠা জৰী আদি মিহি কামবিলাক বুঢ়াই নকৰিলে নহয়। ভাওনা হ'লে ভাৱৰীয়াৰ মুকুট-মণি, ভীম আদিৰ গদা, অৰ্জুন আদি বীৰসকলৰ ধনু-কাঁড়, তূণ এই সকলো কাম বুঢ়াৰ ওপৰত। কাৰবাৰ ঘৰত সবাহ পাতিলে মাহ-প্ৰসাদ তিওৱা, ধোৱা, কলৰ দোবোলা সজা কাম বুঢ়াৰ। তাৰ উপৰি পানী জাৰি দিয়া, তেল জাৰি দিয়া, গাজঠিত চূণ জাৰি দিয়া, মাছমৰীয়াৰ গল-বৰশী জাৰি দিয়া, পৰীক্ষাৰ সময়ত ল'ৰা-ছোৱালীৰ পেঞ্চিল-কলম জাৰি দিয়া কাম নিতৌ লাগি আছেই। সেই কাৰণে গাঁওখনে বুঢ়াক ধান চাউল, বস্ত্ৰ-বস্তু দি সহায় কৰে। বুঢ়াৰ গাইজনী পালত ৰখি দিয়ে, তাৰ বাবে বুঢ়াৰ পালৰ কোনেও হেতা নধৰে।

চৰম জেকা অৱস্থাতে বুঢ়া এই গাঁৱলৈ প্ৰথম আহে। দুকুৰি বছৰৰ আগৰ কথা। চল্লিশ বছৰ বয়সৰ পৰা গাঁৱৰ এমহীয়া কেঁচুৱালৈকে, এনে এজন মানুহ নাই যাৰ জন্মৰ সময়ত মাকে বুঢ়াৰ হাতৰ তেল এডাল বা মজিয়াৰ মাটি গোলা পানী এঢোক খোৱা নাই। তুঁহকণ হ'লে মজিয়াৰ পৰা দাঁতেৰে কামুৰি মাটি আনিব লাগে, সেই মাটি বুঢ়াই জাৰি দিয়ে। তাৰ পানী খালে সু-প্ৰসৱ হয়। বুঢ়াই বিয়া নকৰালে। গাঁওখনে জোৰ কৰিছিল, ছোৱালীও পাইছিল। এবাৰ বাইকে জোৰ কৰাত বুঢ়াই গাঁও এৰি গুচি যাবলৈকে ওলাল। তেওঁ হেনো সন্ন্যাসীৰ দৰে থাকিব। বুঢ়াৰ শত্ৰু নাই, খৰা হ'লেও কোনেও বুঢ়াৰ চৰিত্ৰ সম্পৰ্কে একাষাৰো কথা ক'ব নোৱাৰিলেহেঁতেন। নামাতিলে (অৰ্থাৎ দৰকাৰ নপৰিলে) বুঢ়া কাৰো ঘৰলৈ নাযায়। কাৰো লগত বেছি হাঁহি-গলি নকৰে। মুখৰ আগত সকলোকে খৰখচ কথা কয়, অন্তৰ-সৰু বাছ-বিচাৰ নাই। সকলোৱে বুঢ়াক অলপ চলকনিয়া সাৱস্ত কৰিয়ে থৈছে। মুঠতে, বুঢ়াৰ অতীত কাহিনী আৰু তেওঁৰ পৰা ৬৫ বছৰ হোৱালৈকে মানুহজন, সকলোৰে কাৰণে ৰহস্য হৈয়ে থাকিল। বুঢ়াৰ ঘৰ কিয় অতীত কাহিনী আছিলো, কি অতীতত ব'ল,

শ'ল টোপোৰাদি টোপাই কোনেও তাক পাবলৈ আনিব পৰা নাই বা আনিবৰ চেষ্টাও কৰা নাই।

বুঢ়াই বাত্তিপুৱাই উঠি ঘৰ-দুৱাৰ সাৰি-মচি, চোতাল চিকুণাই, গৰু বান্ধাই, গাইজনী বাটৰ দাঁতিত এবাল দিয়ে। গৰু মেলাৰ সময়ত মোকলাই দিব। গোহালি নামৰ চালিখনো মু-মাৰি ভাত খাব পৰা কৰি থয়। তাৰ পাছত গা-পা ধুই কেৱল আঁৰি লোৱা থাপনাত সেৱা কৰি চাহৰ খোলাত বহে। চাহ টোপাই বুঢ়াৰ জীৱনৰ প্ৰধান আকৰ্ষণ। আনে কৰা চাহ বুঢ়াৰ মুখত নালাগে।

পিতলৰ সৰু ঘটিটোৱেই আজি দুকুৰি বছৰ ধৰি চাহৰ কেটলিৰ কাম কৰি আহিছে। এগিলাছ পানী উতলাই তাত জোখৰ গুৰকণ দি দিয়ে। অলপ পাছত ফেনখিনি কাটি পেলায় তেজপাত এটা আৰু এচিকটা নিমখ দিয়াৰ পাছত চাহপাতকেইটা দি দিব। সদৌ শেহত, কেৰাহীত উতলাই ডাঠ কৰি থোৱা গাখীৰ দুচামোচ দি বাঁহৰ ছেকনিৰে পিতলৰ গিলাছত ছাকি পেলালেই হৈ গ'ল বুঢ়াৰ চাহ টোপা। "এ ৰাম কৃষ্ণ" বুলি চাহত ঢোক দিবলৈ ধৰোঁতেই দুৱাৰমুখত উপস্থিত বেণু আৰু চেনি। "হৰিবল কাকা" — এই সৰু মাতযাৰ শুনি বুঢ়াই মূৰ দাঙি সিহঁতলৈ পোন্দোৰাকৈ চাই ৰ'ল।

"কটাৰ পো কটা যোৱাহঁত, ঠিক খাবৰ পৰে পৰে হাজিৰ হ'বি। এখন কৰাৰ সময়ত পকৰা এটাও পাবলৈ নাই।"

চেনিয়ে লৰালৰিকৈ হাতত অনা জেওনি খৰিৰ বোজাটো জুহালৰ ওচৰত ৰাখিলে। বেণুৰ হাতত দুচিলিমমান খামিবা দিয়া ধঁপাত। কৌটিকলীয়া বাঁহৰ চুঙাটোত ধঁপাতখিনি থৈ দিলে। বুঢ়াই মুখখন চাহৰ গিলাছতে ৰাখি চকু ঘূৰাই কাণ্ড-কাৰখানাবোৰ চাই গৈছিল মাত্ৰ। খামিবা দিয়া ধঁপাতৰ গোন্ধ ইতিমধ্যে নাক পাইছিলগৈ।

"হেৰ জহৰা পোৱালিহঁত, ধঁপাত আৰু অলপ সৰহকৈ আনিব নোৱাৰিলি? খৰি সেই কেইডালহে পালিনে? সেই ঘটিতে অলপ চাহ আছে, দুইটাই ভগাই খা।"

বুঢ়াই এটা হাতেৰে ঘটিটো আগবঢ়াই দিলে। বুঢ়াৰ এই স্বাভাবিক কথা-বতৰাৰ মাজতো স্বাভাবিকভাৱেই অভিধানত নথকা শব্দবিলাক সোমাই থাকিবই।

বেণু আৰু চেনিয়ে চকুৰে চকুৰে চাই ল'লে। তাৰ পিছত ঘটিৰ চাহ বাকি দুয়ো পৰম তৃপ্তিৰে খাই, এটাই ধঁপাত লগালে, এটাই বাটি-গিলাছ ধুই আনিলে।

বুঢ়াৰ চাহৰ আমেৰি ভগাই নাই। দুডালকৈ বৰণী ডোল বাটিব লাগিব, দুটা ডাঁবি কৰাশিব লাগিব, টোপ বিচাৰিব লাগিব, এক মাইল দূৰৰ শিঙিপুখুৰী পাবগৈ লাগিব। ইয়াৰ ভিতৰতে ভাতখোৱা, গা-ধোৱাৰ নিচিনা লেতেৰা কাম দুটাও আছে। বুঢ়াৰ আমেৰিত দুয়ো ভিতৰে ভিতৰে জ্বলি উঠিছে আৰু দকচি গালি পাৰিছে।

অৱশেষত ধঁপাতৰ হোঁকাটো লৈ ভালকৈ টান কেইটামান দিয়াৰ পাছত সিহঁতে সকিনয়ে নিবেদন কৰিলে মুগাৰ সূতাৰ মহৰা দুটা আৰু লগত অনা টাকুৰী এটা।

চিলিমৰ আগত ভমককৰে জুই জ্বলি গ'ল।

"ধনুৱাৰ পোৱালিহঁত, এনেয়ে ভবিকে দিবলৈ নাহ। আহোঁতেই বুজিছোঁ নহয় কিবা এটা পাতি আহিছ। মই বৰণীও নাবাওঁ, মাছো ধৰিবলৈ নুচুওঁ। নাজান নেকি?"

"বৰণাই আগতে আমাক বৰণী বোৱাৰ কথা কব নহয়? তাই ডেকা হৈ থাকোঁতে

তহঁতৰ দেশৰ দীঘলী বিলত বৰশীৰে বৌমাছ ধৰাৰ কথা, কাছ ধৰাৰ কথা।"

কথাখিনি দুইটাই ভাগ পাতি ক'লে। বোধহয় আওবাই আহিছিল।

"হেৰৌ বান্দৰৰ পোৱালিহঁত, আজিকালি তহঁতে দুটা চেঙেলি মাৰিবলৈ শিকিছ। মই তহঁতৰ বয়সতে বৌমাছ বগৰাইছিলোঁ। মোৰ বৰশীৰ মাছ আনিবলৈ লগত ভাৰী যাব লাগিছিল।" বুঢ়াৰ চিলিমত কমাৰৰ শালৰ দৰে ভমক্ ভমক্ জুই জ্বলিবলৈ ধৰিলে। চেনিয়ে মহৰা দুটা, টাকুৰীটো, আৰু বুঢ়াৰ নালীয়া কটাবীখন বেৰৰপৰা আনি বুঢ়াৰ ওচৰতে থ'লে। বুঢ়াই আৰু দুজাউৰিমান গালি উৰাই কটাবীখন বেণুৰ ফালে ঠেলি দিলে — "যা, তিনিটা সৰু খুঁটি কাটি আন।"

তিনিটা খুঁটি পুতিলে বুঢ়া বহা ঠাইৰ পৰা দুৱাৰ মুখেদি পোনে পোনে দহ হাত আঁতৰত—চোতালত। প্ৰতিটো খুঁটিত তিনি ডালকৈ মুগা সূতা দি টাকুৰীত গাঁঠি-বান্ধি পকাই বেণুক ধৰি থাকিবলৈ দিলে, যাতে পাক সুলকি নাযায়। তিনিও ডাল পকাই হোৱাৰ পাছত তিনিওটা মূৰ একেলগে টাকুৰীৰ হাঁকোটাত বান্ধি পেলালে। এতিয়াহে আচল ডোলডাল বটা হ'ব। হাতৰ তৰ্জনী আৰু মধ্যমা আঙুলি দুটা তিনিডাল বৰ্হীৰ ফাঁকত বুঢ়াৰ নিৰ্দেশমতে চেনিয়ে এনেভাৱে সুমুৱাই ধৰিলে যাতে ডোলকেইডালৰ ইডালৰ গাত সিডাল নালাগে। টাকুৰীৰ পৰা এহাত মান আঁতৰত এইদৰে আঙুলিকেইটা ৰাখি তাৰ এবেগেতমান আঁতৰত টাকুৰীৰ ফালে তিনিওডাল ডোল বাওঁহাতৰ তৰ্জনী আৰু বুঢ়া আঙুলিৰ নখেৰে এনেভাৱে টিপা দি ধৰিলে যাতে বৰ্হীৰ পাক সেই টিপা পাৰ হৈ আগবাঢ়িব নোৱাৰে। বুঢ়াই টাকুৰী পকাই থাকিব। ডোলৰ পাকে গৈ আঙুলিৰ টিপাত প্ৰথমে টান দিব। বুঢ়াই টাকুৰীটো গাৰফালে টানি ইঙ্গিত কৰাৰ লগে লগে চেনিয়ে বাওঁহাতৰ আঙুলি টিপাটো ওপৰলৈ আঁজোৰ মাৰি অনাদি এৰি দিব। লগে লগে কটং শব্দ কৰি পাকবোৰ সোঁহাতৰ আঙুলি থকা ঠাইখিনি পাবগৈ। পাক বোৱা ঠাইত আকৌ বাওঁহাতেৰে টিপা দি সোঁহাতৰ আঙুলিকেইটা এবেগেত আঁতৰত ৰাখিব। গোটেই বৰ্হীডালত এই ব্যৱস্থা। কেনেবাকৈ যদি টিপা পিছলিল বা সময়ত এৰি নিদিলে, বা এৰি দিওঁতে কটং কৰে শব্দ নুঠিল, তেনেহ'লে বৰ্হীও বটা হ'ল, শ'লমাছো খালে; সিহঁতৰ চৌদ্ধ পুৰুষেও একোটা পিণ্ড পালে। কলিজাত ওজন নথকাই বুঢ়াৰ ওচৰত অন্ততঃ বৰশীৰ ডোল বটাবলৈ নাযায়।

"মই বটা ডোলে বৰশীৰ আগত এনেয়ে কন্‌কনাই থাকিব লাগিব। ডাঙৰ বৌমাছে যেতিয়া ধৰিব, আধামাইল আঁতৰৰ মানুহে ভাবিব ক'ৰবাত টোকাৰী বজাইছে বা বীণ বজাইছে। কন্‌কনাই থাকিব শণ সূতাৰ বৰ্হীয়ে।"

বুঢ়াই টাকুৰী পকোৱাৰ লগে লগে কথাও পকাই যায়, এবাৰ টাকুৰী কৰঙনত লৈ পকাওঁতে নোম কেইডালমানো পাক খাই গ'ল। তাৰ পিছৰ পৰা হাতৰ তলুৱাতে টাকুৰী পকাবলৈ ধৰিলে।

"ককা, তেনেহ'লে বৌমাছে ধৰিলে চিপ মাৰিব নালাগে?" চেনিয়ে সুধিলে। চেনিয়ে জানে, তথাপি বুঢ়াক ভালৰি বোলাবলৈ এই ব্যৱস্থা।

"হুঃ" বুলি বুঢ়াই মুখখন গোঁ কৰি টাকুৰী পকাই গ'ল। সিহঁতে জানে বুঢ়াই এতিয়া সকলোখিনি কথাই কৈ যাব। বুঢ়াই অৱশ্যে সিহঁতক উদ্দেশ্য কৰি নকয় — ক'ব অদৃশ্য তৃতীয় পুৰুষ এজনক। "বৰ বৰশীটো ম'হখুঁটি বিলৰ মাজলৈ পেলাই লিটামচিং বৰশীৰে

কিনাৰে কিনাৰে বাই থাকা। শ'ল, খৰীয়া, পাত তাৰেই এসাজৰ হৈ যাব। অলপ পাছত দেখিবা বৰ বৰশীৰ বৰ্হীত জোকাৰ পৰিছে। বহু — ভাবিটো দাণ্ডি লৈ বৰ্হী ডাল ঢিলাই দি থাকা। মাছে টানি নি থাকিব। মাজে মাজে একোবাৰ পাবলৈ টানিবা। জোৰ দিলেই আকৌ এৰি দিবা। আকৌ টানিবা। শণৰ সূতাৰ ডোলে কন্‌কননি ল'ব — ছিগি যাওঁ, ভাগি যাওঁ। ওচৰৰ পামত থকা মানুহে শব্দ শুনিয়ে বুজিব মাছ লাগিছে, উপযাচি আহিব সহায় কৰিবলৈ। কেতিয়াবা মানুহে সৈতে টানি নিব নহয় পানীৰ মাজলৈ। কিন্তু হাজাৰ হ'লেও মাছ, সি কিমান ভুৰি-মুৰি কৰিব? বৰ বৰশীয়ে কলত ধৰিছে। এবাৰ ঢেল-ওপঙ্গা দিবই দিব।

"কাছ হ'লে কিন্তু আৰু বিপদ। কেনেবাকৈ তলিত গৈ এবাৰ খোপনি পুতিব পাবিলে উঠোবা বৰ টান। বৰ্হী টান হৈ থাকিবই লাগিব, ঢিলা পালে কামুৰি ছিঙিব।"

বেণু ওচৰতে বহি ককাৰ মুখলৈ চাই শুনি আছিল। বুঢ়াৰ পোনছাটে খং উঠি গ'ল। "হেৰৌ অগিয়ানৰ সঁচ, সোণৰবীয়াল ক'ত?"

বেণু উধাতু খাই লৰ ধৰিলে।

প্ৰথমডাল বৰ্হী বটা প্ৰায় শেষ। এজোপা সোণৰবিয়াল লৈ বেণু উভতি আহিল। বৰ সোণৰবিয়াল। বুঢ়া আকৌ টিঙিৰি তুলা হৈ পৰিল। "সৰু সোণৰবিয়াল নাপালি, মাইকীয়ে নেচেলেকাৰ সঁচ? তই যা হেৰৌ ছাগলী পোৱালি।" ছাগলী পোৱালি অৰ্থাৎ চেনিও লৰ মাৰিলে। ডোলডাল বটা শেষ হৈছিল। গতিকে পাছে পাছে, বেণুও। অলপ পাছত দুটাই দুজোপা সৰু সোণৰবিয়াল গছ লৈ উভতি আহিল। ডোলডাল টাকুৰীত বন্ধাই আছিল। বুঢ়াই টানি ধৰিলে। চেনিয়ে পাত কিছুমান লৈ আগবঢ়াৱা গুৰিলৈ ডোলডালত ঘঁহি যাবলৈ ধৰিলে। বেণুৰে খুঁটি তিনিটাৰ পৰা ডোলৰ মূৰ তিনিটা একেবাৰে মাজৰ খুঁটিটোত লগাই মহৰাৰ দৰে মেৰিয়াই মেৰিয়াই আনি ককাৰ ওচৰ পালেহি।

বুঢ়াৰ গালি মতে বেণুৰে চাহৰ পানী বহালে। ধঁপাত এচিলিমো লগাই দিলে। দ্বিতীয়ডাল ডোল বটাৰ আয়োজন পূৰ্ব্ব দৰে চলিবলৈ ধৰিলে। চেনিয়ে এই ছলতে কাছৰ গাত বৰশী লগাই দিলে, "কাছই যদি তলিত গৈ খোপনি পোতে?"

বুঢ়াই সোলামুখৰে এখৰাহিমান হাঁহিলে। "আছে আছে, তাৰো উপায় আছে।" হোঁকা-চিলিমযোৰ বেণুলৈ আগবঢ়াই দিলে — বেৰত থ'বলৈ। টাকুৰীত সূতা পকাই আৰম্ভ কৰিলে দ্বিতীয়ডাল ডোলৰ কাম।

"মন্ত্ৰ আছেনে কি ককা?" বেণুৰে হোঁকা-চিলিমযোৰ থৈ সুধিলে, "মন্ত্ৰও আছে। তহঁত আজিকালিৰ ইংৰাজী পঢ়া ল'ৰাই মন্ত্ৰ বিশ্বাস কৰিবিনে? তহঁত বিলাতী হ'লি। মাছে খোৱাৰো মন্ত্ৰ আছে।" বুঢ়াই পাকটো ঠিকেই হৈছেনে এবাৰ পৰীক্ষা কৰিলে। তাৰ পাছত তলুৱা দুখনত টাকুৰীটো লৈ পকাবলৈ লাগি গ'ল। "টান—ধৰিৰি—এৰিৰি—কটং।" সাপৰ দৰে পাকবিলাক উজাই যাবলৈ ধৰিলে।

"তেনেহ'লে কাছ ধৰাৰো মন্ত্ৰ আছে?" বেণুৰে আকৌ সোধাবিলে। "মাটিকলহৰ ডিজিটো বা বাঁহৰ এথাৰি এটা লৈ যাব লাগে। টিপ ভালেদি শুমুৱাই দিলে সি গৈ কাছৰ গাত পৰিবগৈ। খোপনি এৰি দিব। সেইটোৱে মন্ত্ৰ। ... মই বিলৰ বৰকাছটো লগাইছিলোঁ, তিনি তিনিটা মকৰ ভাগৰাই দিলে। দিনৰ আন্দাজ দুইমান বজাৰ পৰা ৰাতি আন্দাজ দহমান বজালৈ ৰণ চলিল। কেহো বলে নুহি কীণ।"

"সেইটো কাছ তিনিটা মানুহে কেঁকো-জেঁকোকে ভাৰ কৰি আনিছিলোঁ। এখন গাঁৱে খালে। বৰশী আৰু গুৰা আনিছনে নাই, এই বান্দৰ পোৱালিহঁত?"

সিহঁতে শেহৰ আধাৰ কথাও কাছ ধৰাৰ লগবে কথা বুলি ভাবিছিল। অলপ পিছতে চমক খাই পেণ্টৰ জেপৰ পৰা দিয়াচলাই এটা উলিয়াই বেণুৱে বুঢ়াৰ হাতত দিলে।

বৰশী বন্ধা কামটো বছী বটাৰ সমানেই টান। কৌশ'লটো অৱশ্যে সহজ। গাঁঠিটো সাধাৰণ — কিন্তু তাৰ পিছত বৰশীটো হাতেৰে ধৰি পাক দিওঁতে সাৱধান নহ'লে বৰশী আঙুলিত লাগি যাব পাৰে। বৰশী বান্ধি সীহৰ গুৰা বন্ধাৰ লগে লগে বুঢ়াক সুধিলে চেনিয়ে, "ককা, আমাৰ লগত আজি ওলা তয়ো।"

"মই বৰশী এৰা আজি দুকুৰি বছৰ হ'ল—"

ককাৰ সুৰটো অলপ ঢিলা পাই দুয়োটাই চিঞৰি উঠিল, "নহয় ককা, তই মাথোন ওচৰত বহি থাকিবি, আমি তামোল-ধঁপাত লগাই দি থাকিম। তই তাহানিৰ বৰশী বোৱা সাধু কৈ থাকিবি।"

"বৰশী বাওঁতে কথা পাতিলে মাছে খুঁটিবনে? সিহঁতে মানুহৰ মাত সহজে বুজিব পাৰে। চঁকে।"

আচলতে ককাই বৰশী বাওঁতে মাছে খোঁটা মন্ত্ৰ জানে বুলি দুয়োৰো গভীৰ বিশ্বাস। তাৰ উপৰি ককাই বছীডাল জাৰি দিলেও মাছে খোঁটে। ককাক লগত নিব পাৰিলে মন্ত্ৰৰ সহায়ত বহুতো শ'ল বগৰাব পাৰিব — এয়ে সিহঁতৰ ধাৰণা।

ককাই নীৰৱে বৰশী বন্ধা আৰু সীহ লগোৱা কাম শেষ কৰিলে। পুঙা দুটা বান্ধিবৰ সময়ত এবাৰ মাত্ৰ সুধিছিল, "ভোগ এহাতনে ডেৰ হাত দিব লাগিব। কিমান দ পানীত বাবি?"

বৰশীৰ পৰা পুঙাটো যিমান আঁতৰত বন্ধা যায়, সিমান তাৰ ভোগ। দ পানীত ভোগ বেছি।

"তেনেহ'লে যাবি ককা?"

"মই বৰশী এৰা বহুত দিন হ'ল?"

ককাৰ মাতটোত ককশ সুৰ এটা ধৰা পৰোঁ পৰোঁ। সিহঁতে ককাক এনে ৰূপত দেখা পোৱা নাই। সদায় গোন্দোৰা মুখৰ খিংখিঙীয়া মানুহটো, এই মুহূৰ্তত যেন অলপ বেলেগ। বেয়া কথা মতা নাই, সিহঁতক গালি পৰাও নাই। সিহঁতৰ ভয় লাগিল — কথা সুধিবলৈ। কিজানি ককাই পূৰ্বৰ ৰূপত আকৌ দেখা দিয়ে। বেণুৱে ইতিমধ্যে চাহৰ পানী গৰম কৰিছিল। ককাই দেখুৱা জোখমতে গুৰ, চাহপাত আদি দি চাহ তৈয়াৰ কৰি তিনিও খাবলৈ বহিল।

"তহঁতে কি টোপ লৈছ? বৰল?" চাহ খাই খাই ককাই সুধিলে।

"কোকাটোপ অলপো ভাজি ল'ম। বৰল এবাহ বেণুহঁতৰ গোহালিত আছে। তাকো ভাজি নিম।"

"চাৰিটামান খলা ভাজি ল'বি। অলপ দ ঠাইত। কোকাটোপবোৰ ভাজি দিবি পানীৰ তলত। অলপ বোকাবোৰ ঘোদা কৰি দিলে ডাঙৰ ডাঙৰ মাগুৰ আহিব পাৰে।" চাহ এঢোক-দুঢোক পি ককাই কৈ গ'ল।

“শ'ল একা?” দুয়োটাই একেলগে চিঞৰি উঠিল।

“শ'ল ভেকুলী দি টোপাব পাৰিলে ভাল। সেই কাৰণে দুটা বৰশী লাগে। কাৰে, মাগুৰৰ কাৰণে এটা ফুল বৰশী, খলাত পাতি থ'ব লাগে। শ'ল টোপাবৰ কাৰণে এটা টামচিং।”

সিহঁতৰতো দুটা বৰশী নাই! মনটো অলপ সেমেকি উঠিল দুয়োৰে। যি নহক, শ'ল একোটা পালেও। ককাই কিন্তু ইমান খোলা দিলেৰে কেতিয়াও কাৰো লগত কথা পতা নাই। দুয়োটাৰ বৰশী ডোল ককাই মন্ত্ৰেৰে জাৰি তিনিবাৰকৈ ফুঃ মাৰি দিলে। ককাক আঁকৌ এবাৰ অনুৰোধ কৰিলে।

বুঢ়া এইবাৰ প্ৰায় ভাগি পৰিল। মাতটো বৰ কোমল কৰি ক'লে, “সেইদিনাৰ পৰা মই বৰশী হাতত দিয়া নাই। তাহানি ডেকা কালত ময়ো এদিন এনেকৈ শ'ল টোপাবলৈ বুলি ওলাইছিলোঁ। কোকাটোপ ভাঙিবলৈ পুৰণাবাৰী এখনলৈ গৈছিলোঁ। তাৰ পিছৰ পৰা বৰশী চোৱা নাই।”

“কি হ'ল ককা? তাৰ পাছত কি হ'ল?” দুয়ো উদ্বেগ আৰু আগ্ৰহেৰে চিঞৰি উঠিল। ককাই কিন্তু চাই আছে বহু দূৰলৈ — ইকবাৰ বেৰৰ জলঙা এটাইদি।

“তাত কি হ'ল ককা? তাত কি দেখিলি?” বেণুৱে সেহাই সেহাই সুধিলে।

তাত দেখিলোঁ বহুতো ক'লা পৰুৱা। বৰমুৰীয়া টোকা পৰুৱা যে? সিহঁতে কিবা এটা বস্তু আৱৰি ধৰিছে। ওচৰ চাপি গ'লোঁ। বোধ হয় আগদিনা পুৱতি ৰাতি কোনোবাই ওচৰত পুতি থৈছিল। শিয়ালে বোধ হয় উলিয়ালে। মই যোৱা কাৰণেই কিজানি শিয়াল পলাল। গাঁৱত কিন্তু দেখাদেখিকৈ কৰোঁ কেঁচুৱা হোৱা নাছিল। কোনোবা পাষণ্ড, পাপীৰ কাম।”

ককাৰ কথাৰ সিহঁতে প্ৰথমে একো অৰ্থকে ধৰিব নোৱাৰিলে। তাৰ পিছত লাহে লাহে বুজিবলৈ আৰম্ভ কৰিলে। যেতিয়া বুজিলে — ডাঙৰ এজনে কিবা নক'বলগীয়া গোপন কথা এটা কৈ পেলাইছে, এনে এটা অস্বস্তিৰ ভাবৰে সিহঁতৰ মন চট্‌ফটাবলৈ ধৰিলে।

“চকু দুটা ওলাই আছে, ঠৰঙা। মই বৰশী এৰিলোঁ — দুদিনমানৰ পাছত গাঁৱো এৰিলোঁ। তইঁত যা বোপাইহঁত, বেলি হ'ব।”

সিহঁতো যেন যাব পাৰিলেই ৰক্ষা পৰে। লৰালৰিকৈ দুয়ো গুচি গ'ল। বাটত কোকাটোপ ভঙাৰ কথা আছিল; কিন্তু কাৰো আগ্ৰহ নাই। বেণুহঁতৰ গোহালিত বৰল ভাঙোতে দুয়োটাৰে দুটা টেমুনা উঠিল। অৱশেষত দুয়ো কুকুৰ লৰৰে যাত্ৰা আৰম্ভ কৰিলে। পুখুৰী যেতিয়া পাইগৈ, দেখে যে দুজন মানুহে বৰশী বাবই লাগিছে। ওচৰৰ গাঁও দুখনৰ চিনাকি মানুহ। সিহঁতক দেখি দুয়োজনেই গম্ভীৰ হৈ পৰিল। যদিও ৰাজহুৱা পুখুৰী আৰু পানীৰ তলৰ মাছ, তথাপি বৰশী বাওঁতাই নতুন আগন্তুকক প্ৰথমে প্ৰতিদ্বন্দ্বী হিচাপেই লয়। দুয়োজনেই চিনাকি মানুহ, তথাপি সিহঁতে মাতিব খোজা নাই।

অগত্যা সিহঁতৰ এটায়ে মাত লগালে, “কেনে, খাইছেনে ককাইদেউ?”

দুয়ো গহীন হৈ মুখ দুখন সামান্য বিকৃত কৰি তুলিলে মাত্ৰ যেন সিহঁতৰ মাত শুনা মাত্ৰেই এইমাত্ৰ আহি খোঁট দিব খোজা শ'লমাছ দুটা ভিৰাই ধৰি লৰ মাৰিলে।

বেণুহঁতে নতুনকৈ একো নুসুধি এজনৰ খালৈটো চালে। খালৈৰ গিৰিহঁত গৰ্জি উঠিল। মাছ চালে কিজানি মুখ লাগে। কিন্তু সিহঁতৰ হাতত বৰল টোপ দেখি সুৰ নমাই সুধিলে, "বৰল আনিছ হ'বলা ? তেনেহ'লে আশা আছে?"

লগৰজনে এই ছলতে গৰ্জি উঠিল, "বাৰে ঠাইৰ মানুহে বাৰে ধৰণৰ টোপদি মাছবোৰ বলিয়া কৰিলে। আগৰ এই শিঙি পুখুৰীতে কেঁচুটোপ দিয়েই মাগুৰ, কাৱৈৰে খালৈ ভৰাইছিলোঁ।"

প্ৰথমজনে তেওঁৰ কথাত মৌখিক সমৰ্থন নিদি সিহঁতক দুটামান বৰল টোপ খুজিলে। ইহঁতেও আনন্দ মনেৰে বাৰটামান বৰল টোপ দিলে। সিহঁতৰ উদ্দেশ্য নতুনকৈ দুটামান খলা ভঙ্গাৰ। এইদৰে হাত কৰি নল'লে খলা ভাঙিবলৈ নিদিব; কাৰণ পানীত টৌ উঠিব। গতিকে লগৰজনকো নোখোজাকৈয়ে বাৰটামান বৰল টোপ দিলে। তেওঁলোকৰ হাতত কোকাটোপ আছিল। অলপ অলপ দুয়ো ল'লে। তাৰ পাছৰপৰা কথা-বাৰ্তাৰ আঁহ-পাহ মুকলি হ'ল। ডিঙি চেপি কথা ক'বলৈ এৰি চাৰিও স্বাভাৱিকভাৱে কথা পাতিবলৈ ধৰিলে।

"আজি মাছে নাখাব হ'বলা। বৰকৈ কমাইছে।" প্ৰথমজনে মাত লগালে। "তাতে বাৰটো হ'ল শনিবাৰ। শনিবাৰে শিঙিপুখুৰীত মাছে নোখোঁটে, দেখ দেখ কথা। আজি তাৰ প্ৰমাণ পাইছোঁ।" দ্বিতীয়জনে ক'লে।

"তাতে চুকত ডাবৰেও দেখা দিছে। ডাবৰৰ গোন্ধ পালেও মাছে নাখায়। আঁউসী পূৰ্ণিমাতো নাখায়। এদিন ভুলতে পূৰ্ণিমাত আহি দিনটো নষ্ট কৰিলোঁ। দৰৱত দিবলৈ যদি চেঙেলি এটাও।"

প্ৰথমজনে বৰশীটো আন এটা খলাত পাতি পানীৰপৰা বামলৈ উঠি আহিল। সৰু গাঁঠিত সাৱটি অহা মস্ত চেলাপেতি জোক এটা থু দি এবন্বাই পুখুৰীৰ মাজলৈ দলি মাৰি পঠিয়ালে। দলৰ ওপৰত 'জপ'কৈ শব্দ হ'ল। হাতটো ধুই বিড়ি এটা জ্বলালে, এটা লগৰটোকো দিলে। বেণু আৰু চেনিহঁতে তামোলৰ টোপোলা উলিয়ালে। সিহঁতে বিড়ি খাই থাকোঁতেই বেণু আৰু চেনিয়ে পুখুৰীলৈ নামি গৈ দুটা খলা ভাঙিলে। অৰ্থাৎ এক বৰ্গ হাতমান ঠাইৰ দল আঁতৰাই হাতেৰে বোকা ঘোদালি দি, অলপ কোকাটোপ ভাঙি পানীৰ তলত আঙুলিৰে দুবাৰমান টোকৰ মাৰি দিলে। মাছ আহে এনে শব্দ শুনিলে। বৰশী দুটা পাতি, ভৰিৰ চেলাপেতি জোক এবন্বাই দুয়ো আহি পাৰত বহিলহি। পাছফালে এজোপা আঁহত গছ। তাৰ ছাঁতে দুয়ো বহিল। ডাল এটা পুখুৰীৰ পানীৰ ওপৰলৈ আগবাঢ়ি আহিছে।

পুখুৰীৰ কোনোবা চুকত বেতনিৰ কাষত 'ঘপ' 'ঘপ' শব্দ উঠিছে। শ'ল মাছ। দলত পৰা ফৰিং আদি ধৰি খাইছে। বেণুহঁতৰ বুকুৰ ভিতৰতহে যেন শ'ল মাছে মাৰি উঠিছে। দেহ ৰোমাঞ্চিত হৈ পৰিল। আহ, আহ, ঘপ কৰে টোপটো গিলি দে। হৰিবল ককাৰ মন্ত্ৰৰ দোহাই।...... ককাৰ মন্ত্ৰই গুণ নিদিয়নে চাগে!

লাহে লাহে আৰু তিনি-চাৰিজন 'বৰশীৱালা' আহি পুখুৰীৰ আনটো মূৰত বৰশী পাতিছেহি। মাছে খোঁটাৰ আচল সময় আহি পৰিছে। কোনেও কাঁহ এটা মৰা নাই। বেণু আৰু চেনিৰ চকুকেইটা বৰশীৰ পুঙাত গোঁজ মাৰি থৈ দিছে। কপালত খোপা। সিৰ কেইডাল উঠি পৰিছে। চকুত পচাৰ নাই।

জ'ত ত'ত টিপ মৰাৰ শব্দ। দুই-এটা কাৰে মাছ উঠিছে। সিহঁতৰ বৰশীত কেতিয়াবা

দুই-এখোট পৰিলেও টোপটো ওলমি যায়। আচলতে টামচিং বৰশীত শ'ল টোপোৱাৰ বাহিৰে পুখুৰীত আন মাছ ধৰিব নোৱাৰি। বৰশীটো ডাঙৰ হোৱাত আন মাছে গিলিব নোৱাৰে। কিনাৰত টানি টানি শুং অকণ উলিয়াই টোপ একেবাৰে লৈ লব যাবে।

ওচৰৰ মানুহজনে চিপ মৰাৰ লগে লগে ডোলডাল শূন্যতে চাৰিপাক মান চক্ৰাকাৰে ঘূৰাই আনে। সেইটোকে বোলে "কল-চিপ।" মাছৰ কলত লাগি ধৰিব বোলে। যি চিপেই নহওক, সৰু-সুৰা মাছৰ কল ছিগি বহুত দূৰত পৰিবগৈ। আনজন মানুহৰ চিপ মৰাৰ কায়দায় বেলেগ। কঁকালটো ভাঁজ কৰি এনেভাৱে চেলচেলি ঘূৰাই চিপ মাৰিব, যেন ভয়ঙ্কৰ মাছ এটাহে উঠালে। হয়তো কাৰে টিলা এটা, নাইবা শুদা বৰশীটো। চেনিৰ কিন্তু সম্পূৰ্ণ বেলেগ নিয়ম। তাৰ পুঙাটো তিনিবাৰ মান লৰিলেই হ'ল। ডাঁবিটো এনেভাৱে কিবা এটা পাকত লৰাই দিব, সিল-সিলিয়া আগটো কেঁৱাবাৰো জোকাৰ খাই উঠিব। লগে লগে পানীৰ তলৰ বৰশীটো এনেভাৱে লৰিবলৈ ধৰে যে মাছ সাবি যাব নোৱাৰে। এবাৰ পেটেদি চিলাই মাছ এটা আনিছিল বুলি সি সদায় গৌৰব কৰে। সি চিপ মাৰিব নালাগে, বৰশীটো দাঙি আনিলেই হ'ল। ইয়াৰ ভিতৰতে দুটামান কাৰে মাছ সি ধৰিলেই। বেণু কিন্তু চিপ মাৰি মাৰি হায়ৰাণ হ'ল। পানীত নামিব লগা হোৱাত কেঁৰাটাও জোকে তাক খালে। খং উঠি বৰশীত দুটামান বাঁহটোপ সী খলাত পাতি থৈ পাৰলৈ আহি বাঁহৰ ওপৰত পেট পেলাই পৰি থাকিলহি। লগে লগে তামোলৰ টোপোলাটোও মেলি ল'লে। তামোলৰ লোভত এজন এজনকৈ চাৰিওজনেই চাপি আহিল। তামোল খোৱাৰ পিছত বাকী দুজনে বিড়ি জ্বলালে। সকলোৰে মুখত বিৰক্তি আৰু হতাশা। সোনকালেই যে যাব লাগিব তাৰ আলোচনা চলিল।

এনেতে বেণুৰ হঠাৎ চকুত পৰিল তাৰ বৰ্হীডাল যেন লৰিছে, পুঙাটো যেন নাই। কেউজনৰ চকু তাললৈ গ'ল। "মাৰ মাৰ, চিপ মাৰ", তিনিও একেলগে চিঞৰি উঠিল।

বেণুৱে শোৱা ভাঁজেৰেই এছোৰা চুঁচৰি ঘৰামুটি খাই গৈ পোনেই চিপ মাৰি দিলে। ডাঁবিৰ আগ ভিৰ খাই গ'ল, নতুন মুগাৰ সূতাৰ ডোলে কন্‌কনাবলৈ ধৰিলে। পকাশ'ল এটাৰ বগুচুৰা পখৰা বুকুখন চাং কৰে সকলোৰে চকুৰ আগেদি পাৰ হৈ গ'ল। কিন্তু মাছ যে নামি নাহিল!

দহহতীয়া ডাঁবিৰ আগৰ দহহতীয়া ডোল গৈ আঁহতৰ ডালত পাক খাই ধৰিলেগৈ। ডালত ওলমি ধৰ্‌ফৰাই আছে শ'লমাছটো।

এনে এটা দুৰ্যোগৰ কাৰণে আনকি শ'লমাছটোও প্ৰস্তুত নাছিল। সকলোৱে ডাঙৰকৈ হাঁহিবলৈ ধৰিলে। এজন এজনকৈ প্ৰত্যেকেই চেষ্টা কৰিলে। "গছত উঠি ডালৰ আগলৈ বগাবলৈ কাৰো সাধ্য নাই। গতিকে একমাত্ৰ উপায় হ'ল বৰ্হীডাল ছিঙি শুদা ডাঁবিটো লৈ ঘৰলৈ যোৱা, মাছটোলৈ মনত পেলাই ভাত এসাজ খালেই হ'ল"। সিটো মূৰৰ পৰা এটাই বিজিয়ালে। সময় বেছি নাই, সকলোৱে নিজ নিজ বৰশীলৈ গ'ল। বেণুৱে কমুটি কেইডালমান যোগাৰ কৰি আনিলে। মাছটোলৈ লক্ষ্য কৰি কমুটিৰাবলৈ ধৰিলে। এবাৰ কমুটিৰ এটা পূৰ্ণহতীয়া কোবত মাছটো ডালটোত আওপাকে ঘূৰি গ'ল। তাৰ ফলত ডোলডাল এপাক মুকলি হ'ল। লগে লগে মাছটোৱেও ধৰ্‌ফৰাবলৈ এৰি দিলে। ডোলডাল ডালটোত এপাক লাগি থকাৰ কাৰণে মাছটোৰ ভৰত বৰ্হীডাল তললৈ নামি অহাৰ লক্ষণ

দেখা গ'ল। এতিয়া ডাঁৰিডালৰ পৰা ডোলডাল এৰুৱাই দিব পাৰিলে বা ছিঙি দিব পাৰিলে মাছটো নামি আহিব।

চেনিক মাতি আনি বুধিটো ব্যাখ্যা কৰিলে। চেনিয়ে নিজৰ ডাঁৰিটোৰ গুৰি ডালৰে বেণুৰ ডাঁৰিৰ ঠিক আগত ডোলডালত কোবাবলৈ ধৰিলে। ডোলে কন্‌কনাই উঠিল। এবাৰ কটং কৰে শব্দ কৰি ডোল ছিগি গ'ল। কোঁ কোঁ কৰে মাছ নামি আহি ধপ্ কৰে মাটিত পৰিলহি। মাছ মৰি আছে। ফমুটি মুৰত পৰিছিল। মুখ ফালি পেটৰ পৰা বৰশী এৰুৱাই আনিব লগা হ'ল। কিন্তু পকাশ'ল; খাবলৈ মাংস যেন লাগিব—সকলোৱে মন্তব্য কৰিলে। ইতিমধ্যে কেউজনে বৰশী সামৰি যাবলৈ সাজু হৈছিল।

হঠাৎ বেণুৰ সকলো উচাহ জঁয় পৰি গৈছে। ডোলডাল আকৌ বৰশীত লগাই হাত-ভৰি ধুই আহি যাবলৈ ধৰি কৈ উঠিল, "মাছটো লাগে যদি তয়ে ল চেনি, মোক নালাগে।"

কি আচৰিত? সকলোৱে তালৈ ঘূৰি চালে।

"ধেৎ! বলিয়া হৈছনে কি?"

"নিনিয় যদি, আন কাৰোবাক দি দে।"

নিৰুপায় হৈ চেনিয়ে মাছটো লানি এডালত চিলাই ল'লে। গোটেই বাটছোৱা দুয়ো নিমাতে আগবাঢ়িল। ককাৰ পদুলিত সন্ধ্যা লাগিছে। ককা বাটতে ওলাই আছিল। মাছ দেখুৱাই গোটেই বৃত্তান্ত বৰ্ণনা কৰিলে চেনিয়ে। বেণু মাত্ৰ থিয় হৈ ৰ'ল। যেতিয়া শুনিলে চেনিক মাছটো দিছে বুলি, ককাই একেথৰে বেণুলৈ চাই ৰ'ল।

"এনেয়ে। মোৰ ভাল লগা নাই।" ককাৰ চকুৰ ভাষাৰ উত্তৰ বেণুৱে মুখেৰে দিলে।

"হেৰ' কিয়?" ককাই আৰু এখোজ ওচৰ চাপি বেণুৰ চকুত চকু ৰাখি সুধিলে।

বেণুৱে চকু দুটা আঁতৰাই আনিলে। গাটো ভাঁজ এটা কৰি উত্তৰ দিলে — "মোৰ ভাল লগা নাই। চকু দুটা ... কেনেকুৱা ঠৰঙা"।

সন্ধিয়াৰ আন্ধাৰত ককা যেন মায়া হৈ গ'ল। মাত্ৰ চকু দুটা বৰালি মাছৰ বুকুৰ দৰে বগা হৈ একেথৰে জিলিকি উঠিল। সেই চকুত দৃষ্টি নাই। বেণুৱে সেই চকুহাললৈ চাব নোৱাৰে।

দুয়ো ঘৰলৈ উভতিল। দুয়ো কথা পাতিব খোজে, কিন্তু কথাবিলাক বুকুৰ ওচৰত ধপ্‌ধপাই নাইকিয়া হৈ যায়। চেনিয়ে মাছটো লৈ বাঁহতললৈ দলি মাৰি দিলে।

দুয়োৰো সীমাবদ্ধ অভিজ্ঞতাৰ মাজত কেবাটাও প্ৰশ্নই বৰলৰ দৰে বেঢ়ি বেঢ়ি বিন্ধিবলৈ ধৰিলে : ... "সেই চকু দুটা কাৰ? ককাৰ লগত তাৰ কি সম্পৰ্ক?"



শীলভদ্র

বিবর্তন

বিবৰ্তন

সকলো ধৰণৰ পোক-পৰুৱা সম্বন্ধে দীপ্তিৰ ভয়ানক আতংক। ৰমেনে ভাবে, তাই অলপ বেছিকৈ দেখুবায় নেকি? ভয় নহয়, ভয়ৰ অভিনয়।

"খায়, খায় তোমাক? কেনেকৈ খায়, চাওঁ।" সি পইতাচোৰা এটা তাইৰ গাত দলি মাৰি দিলে। তাই আতংকত তীক্ষ্ণ চিঞৰ এটা মাৰিয়েই মূৰ্চ্ছকৈ গ'ল। ওঁঠ দুটা একেবাৰে নীলা হৈ পৰিল। ৰমেন নিজেই আতংকিত হৈ পৰিল।

দূৰত এটা বিছা দেখিলে দীপ্তিৰ গাত চকলা-চকল বাম্বি উঠে, গাত খজুৱতি আৰম্ভ হয়। আজিকালি পিছে একোৱেই নহয়। ক'ৰ পৰা যে ইমান বিছাৰ আমদানি হৈছে ক'বই নোৱাৰি। গোটেই ঘৰখন বিছাৰে ভৰি পৰিছে। প্ৰকাণ্ড প্ৰকাণ্ড একো একোটা বিছা, আঢ়ে ইঞ্চি, তিনি ইঞ্চিমানকৈ হ'ব। মজিয়াত, দেৱালত, চকী-মেজত, চিলাইকলৰ ওপৰত। অতি ব্যস্তভাৱে, গোটেই গাত ঢৌ তুলি হাজাৰে হাজাৰে বিছাই অনবৰত ইফালৰ পৰা সিফালে, সিফালৰ পৰা ইফালে অহা-যোৱা কৰিয়েই আছে। বাঢ়নিৰে কোবাই কিমাননো মাৰিবা! দীপ্তিয়ে সেই চেষ্টা বাদ দিছে। কোবাই মাৰিলে যি ৰস ওলাই তাৰ দুৰ্গন্ধই আৰু হাজাৰ হাজাৰ বিছাক আকৰ্ষণ কৰি আনে। একো একোটা ক'লা দ'মৰ সৃষ্টি হয়।

চৰাই-চিৰিকটিবোৰ নোহোৱা হৈছে। কাউৰী এটাও চকুত নপৰে। ক'ত গ'ল, মৰিল নেকি? কেৱল বিছা আৰু গুবৰুৱা পোক। এইবোৰ গুবৰুৱা পোক হয় জানো! বহুতো ডাঙৰ আৰু টান। আগতে দিনত দেখা নগৈছিল। আন্ধাৰ হোৱাৰ লগে লগে ক'ৰ পৰা যে ঢৌৰ দৰে জাকে জাকে ওলাই আহে ক'বই নোৱাৰি। প্ৰথম প্ৰথম জোতাৰ গচকত খোলাবোৰ মৰ্‌মৰ্‌কৈ ভাগি গৈছিল। আজিকালি পোকবোৰৰ খোলাবোৰ টান হৈছে। নাভাগে। এইবোৰৰ আকৃতিও দেখ্‌দেখকৈ আগতকৈ ডাঙৰ হৈ আহিছে। প্ৰতিটো পোকৰ মুখৰ আগত একোটাকৈ দীঘল শুং। মানুহৰ উপস্থিতিৰ সংকেত পোৱাৰ লগে লগে শুঙৰ সৈতে মুখখন ভিতৰলৈ টানি লৈ তৎক্ষণাত এটা গোলকত পৰিণত হয়। লোৰ গোলক। হাতুৰীৰে কোবাই ভাঙিব নোৱাৰি। এই গুবৰুৱা পোকবোৰ বা গুবৰুৱা পোকৰ দৰে পোকবোৰো সূচকীয় অনুপাতত বাঢ়ি আছে।

আজি বহুত দিনৰ পৰা চহৰত বিদ্যুত সৰবৰাহ বন্ধ হৈছে। গোটেই ৰাতি ৰমেন বৰকাৰ টোপনি হোৱা নাই। কি প্ৰচণ্ড গৰম! প্ৰেছাৰ কুকাৰত ভৰাই কোনোবাই যেন তাক সিজাই আছিল। কাষৰ বিছনাখনত দ্বীপ্তিয়ে পানীৰ পৰা তোলা মাছৰ দৰে মুখেৰে কাপ কাপ কৰি আছে।

আন্ধাৰ থাকোঁতেই সেহাই সেহাই ৰমেনে প্লাষ্টিকৰ বাল্টি এটা কলৰ তলত পাতি থ'লে। পানীৰ যোগানো প্ৰায় বন্ধ হোৱা উপক্ৰম। অতি অনিয়মিত। কোনদিন কোন সময়ত পানী আহে ঠিক নাই। কেতিয়াবা ৰাতিপুৱা পাঁচমান বজাতেই আহে, কেতিয়াবা নাই, নাই, নায়েই। হঠাতে আঠমান বজাত দুটোপমান পানী আহি গ'ল। সূতাৰ দৰে ক্ষীণ ধাৰা। আকৌ বন্ধ হৈ গ'ল। অলপ সময়ৰ মূৰত আকৌ কেইটোপমান, আকৌ বন্ধ। হঠাতে আকৌ অলপ ক্ষীণ ধাৰা, আকৌ টপ্ টপ্। সম্পূৰ্ণ বন্ধ। মুঠতে বাল্টিত কেই ইঞ্চিমান পানী জমা হ'ল। পানীয়েই, ৰং যিয়েই নহওক কিয়।

ৰ'দ ওলোৱাৰ পিছত বাহিৰৰ ফালে চাব নোৱাৰি। বিভিন্ন ঘনত্ব আৰু অপবৰ্তনাংক। বিশিষ্ট গেছৰ মাজেৰে সঞ্চাৰিত হোৱা কাৰণে পোহৰবোৰ অস্থিৰ স্পেকট্ৰামৰ দৰে কঁপি থাকে। প্ৰতিটো দৃশ্যমান বস্তুক বিভিন্ন তীব্ৰতা সমন্বিতে অসংখ্য আলোক-বলয়ে আবৰি ৰাখে। কোনো এটা বস্তুৰেই নিৰ্দিষ্ট আৰু অপৰিবৰ্তিত ৰূপ এটা নাই যেন লাগে। চকু নামিলে পোহৰৰ ফালে চালে যি অস্বস্তি সেই একেই অস্বস্তি। কেৱল হাজাৰ গুণ বেছি। সূৰ্যৰ পোহৰ যেন বিষাক্ত হৈ পৰিছে।

ঘৰৰ ভিতৰত সোমাই থাকিও শান্তি নাই। ৰমেনৰ মনত ভাব হয় যে পৰুৱাৰ দৰে গাঁত এটাত সোমাই থাকিব পাৰিলেই যেন ভাল আছিল। অজ্ঞাতে তাৰ মুখখন মেল খাই যায়। প্ৰয়োজন অনুসাৰে বতাহ নাই। উশাহ বন্ধ হৈ আহে। তাক একোৱেই নালাগে, মাত্ৰ লাগে এবাৰ বুকু ভৰাই এক বুকু মুক্ত আৰু নিৰ্মল বতাহ। পিছে ক'ত! ৰমেন আতংকিত হৈ উঠিল। আকৌ আৰম্ভ হ'ল। কুঁৱলিৰ দৰে ডাঠ গেছবোৰ কুণ্ডলী পকাই ধীৰে ধীৰে আহি আছে। তৎক্ষণাৎ গোটেই অঞ্চলতে এটা আতংকৰ ঢৌ বিয়পি পৰে। কুকুৰবোৰৰ ভুকভুকনি আৰম্ভ হৈ যায়। ঠিক ভুকভুকনি নহয়। চাইৰেনৰ দৰে ধাৰাবাহিক কিনিনি। আতংক আৰু হতাশাৰ জীৱন্ত প্ৰকাশ। অধৈৰ্য হৈ ৰমেনে দাখন লৈ ওলাই যাবলৈ বিচাৰে। দ্বীপ্তিয়ে তাৰ হাতত ধৰি টানি ৰাখে।

"কি কৰা? ক'ত যোৱা?"

কেতিয়াবা গেছবোৰ মেঘৰ দৰে মাটিৰ পৰা কেইহাতমান ওপৰত নিশ্চল হৈ ওপঙি থাকে। তলৰ পৰা দেখিলে ভাব হয় যেন এখন চন্দ্ৰতাপ তৰি থোৱা হৈছে। অকল গেছবোৰেই নহয়, গোটেই প্ৰকৃতিয়েই থমথমীয়া হৈ পৰে। অনিশ্চিত আৰু অজ্ঞাত আতংকৰ বাতাবৰণ।

তাৰ পিছতেই হঠাতে আৰম্ভ হয় ধুমুহা, বালি আৰু কঁকৰৰ ধুমুহা। ক্ৰুৰ আৰু অবিচ্ছিন্ন। যেনেকৈ আৰম্ভ হয়, হঠাতে তেনেকৈ আকৌ বন্ধ হৈ যায়। জুতুলা আৰু কণা যি কেইজোপা গছ থিয় হৈ আছে তাৰেই কেইজোপামান বাগৰি পৰে। গছ প্ৰায় নোহোৱা হৈ

আহিছে। নতুনকৈ কোনো গছ গজা নাই। নতুনকৈ যিবোৰ গছ গজিছে সেইবোৰ গছ নহয়, গছৰ প্ৰহসন। লতাৰ দৰে ক্ষীণ আৰু লেহেৰী। হাতেৰে টানি উঘালি আনিব পাৰি।

ৰমেন আৰু দ্বীপ্তিয়ে মুমূৰ্ষু জন্তুৰ দৰে মুখ মেলি প্ৰাণপণে উশাহ লোৱাৰ চেষ্টা কৰে। সামান্য কাৰণত, কেতিয়াবা কোনো কাৰণ নোহোৱাকৈ জন্তুৰ দৰে পৰস্পৰক আক্ৰমণ কৰে। পৰস্পৰক হত্যা কৰাত কাৰো বিন্দুমাত্ৰ দ্বিধা নাই। বেছিপৰ মাৰপিট কৰাৰ শক্তি নাই কাৰণেহে সিহঁত ক্ষান্ত হয়। বস্তাহৰ কাৰণে আকুলি-বিকুলি হৈ থকা অৱস্থাতো সিহঁতে পৰস্পৰৰ প্ৰতি তীব্ৰ ঘৃণাৰ দৃষ্টিৰে চাই থাকে।

আজিকালি আকবৰৰ সবোদ বা বিচমিল্লা খানৰ চেহ্নাই বজাই দিলে সিহঁতে যন্ত্ৰণাত চিএৰি উঠিব। ৰমেনৰ একমাত্ৰ বিলাসিতা আছিল কিতাপ কিনা। বাহিৰলৈ ক'ৰবাত ফুৰিবলৈ গ'লে মানুহে কাপোৰ কিনে, ইলেক্ট্ৰনিকচ্ বস্তু কিনে, ৰমেনে বিচাৰি বিচাৰি কিতাপ কিনিছিল। কাঠমাণ্ডুলৈ গৈও সি জাপানী কেমেৰা বিচৰা নাছিল, ইয়াত নোপোৱা বিদেশী কিতাপ পায় নেকি তাৰে খা-খবৰ লৈছিল। এতিয়া তাৰ কিতাপৰ দ'মৰ ফালে বিস্মিত দৃষ্টিৰে চাই সি আচৰিত হৈ যায়। এইবোৰ কি? দ্বীপ্তিয়ে তাইৰ চেতাৰৰ ফালে চাই বুজিবলৈ চেষ্টা কৰে, এই অদ্ভুত বস্তুটোনো কি?

কিছুদিনৰ পৰা লাহে লাহে ৰমেনৰ যন্ত্ৰণা কিছু পৰিমাণে কমি আহিবলৈ ধৰিছে। দ্বীপ্তিৰ শান্তিৰো অলপ উপশম হৈছে। বহুত দিনৰ মূৰত ৰমেনে সহজ দৃষ্টিৰে দ্বীপ্তিৰ ফালে চালে। সি নিজৰ চকু দুটাক বিশ্বাস কৰিব নোৱাৰিলে। দ্বীপ্তিৰ গোটেই গা ক'লা ক'লা দীঘল নোমেৰে ভৰি গৈছে। ক'ত দ্বীপ্তি! এটা বিৰাট আকাৰৰ বিছা।

যন্ত্ৰণাত ছটফটাই থাকিবলগীয়া নোহোৱাত বহুত দিনৰ মূৰত দ্বীপ্তিয়ে সহজ দৃষ্টিৰে ৰমেনৰ ফালে চালে। ৰমেনৰ গাৰ ছাল ইমান ডাঠ হৈছে যে তাক ৰমেন বুলি ধৰিব পৰাটো অসম্ভৱ। ক'ত ৰমেন! প্ৰকাণ্ড এটা গুবৰুৱা পোক।





যোগেশ দাস

কলপটুবাব মৃত্যু

কলপটুৰাৰ মৃত্যু

কৃষ্ণ কৃষ্ণ! থুঃ থুঃ। গেটতে ধনীৰাম ৰয়। দিনে-পোহৰেই এই প্ৰকাণ্ড ঘৰটো গম্ভীৰ হৈ থাকিব পায় নে? পুৰণি দুমহলীয়া কাঠৰ ঘৰ, পিছত পকী কৰা একুকুৰা ভেটিটোত শে'লাই গজিছে। ওপৰলৈ যোৱা খটখটিডাল পৰি যাওঁ পৰি যাওঁকৈ আছে। দুৱাৰ-খিৰিকী সকলো খোলা কিন্তু মানুহৰ নাম-গোন্ধেই নাই। ফুলগছবোৰ বেচ কেঁচাই, ফুলো ফুলিছে, কিন্তু থম্‌থমকৈ বৈ আছে। বতাহ এছাটিও মাৰিব নেপায় নে? বহল গেটখনৰ কাঠ এছটা এৰি আছে, দাঁত নিকটাই থকাৰ দৰে দেখি। অমঙ্গলৰ চিন বুলি ভাবিবলৈ তাৰ ভয় লাগে। বুকুখন কঁপি উঠে। কৃষ্ণ কৃষ্ণ। থুঃ থুঃ!

তথাপি সি আগ বাঢ়ে। যাবই লাগিব। হোঁহোকা-পিছলা কৰিলে নচলিব। মৌজাদাৰ দেউতাক লগ ধৰিবই লাগিব। মৌজাদাৰ দেউতাক নহ'লেও বৰ বোপাক। মৌজাদাৰ দেউতা বৰ মৰমিয়াল, হিচাবী অৱশ্যে হয়, অবাবত ফুটা পইছা এটাও খৰচ নকৰে। কিন্তু এতিয়া বৰ বুঢ়া হৈছে। সেই দেখি মৌজা বৰ বোপাই চলায়। বৰ বোপা বৰ খঙাল। এইখন ঘৰৰপৰা তাক তেৱেঁইতো খেদি দিলে। এদিন বিড়ি খাই নিজৰ আঁঠুৱা-গাৰু পুৰিলে, বৰ বোপাৰ কি খং! এদিন ফুলনিত গৰু সোমাল, বৰ বোপাই মাৰেই আৰু। এদিন পুৱা সি জগাই নিদিয়াত তেওঁ গাড়ী ধৰিব নোৱাৰিলে। উভতি আহি ধনীৰামে পালে এক চৰ, এমাহৰ দৰমহা আৰু জবাব।

বৰ বোপাৰ খং অৱশ্যে অন্য কথাতহে। সি জানে. কিন্তু কাকো কোৱা নাই। ৰূপেক অৰ্থাৎ ৰূপেচৰীক অৰ্থাৎ ৰূপেশ্বৰীক বিয়া কৰাবলৈ ধনীৰামে পাঙিছিল।

বৰ বোপাৰ ল'ৰা-ছোৱালী হৈছিল। সেই দেখি ধনীৰামে সিহঁতৰ গাঁৱৰ ওচৰৰ মাউৰী ৰূপেক বিচাৰি আনি দিছিল। দিন যোৱাৰ লগে লগে ৰূপেচৰী অপেচৰীজনী হৈ আহিব ধৰিলে। ধনীৰামৰ চকু জলক-তবক লাগি যায়। হাত-ভৰিবোৰ কেনে চিকণ চিকণ হৈছে, চকু দুটা বৰ দ দ হেন লাগে, মুখৰ হাঁহিটোত যেন মৰি যাওঁ মৰি যাওঁ লাগে। সি গোটেই মানুহটো কঁপি উঠে। ৰূপে গাভৰু হৈছে। গাভৰু। তাইক বিয়া কৰাই ধ'ৰ মন যায়। কিন্তু বৰ বোপাই এদিন তাক অকলশৰে মাতি নি আঙুলি জোকাৰি জোকাৰি ক'লে,

“খবৰদাৰ, আকৌ যদি ৰূপেৰ ওপৰত চকু দিয় তোৰ প্ৰাণ নেথাকে।”

ধনীৰামে প্ৰাণটো ৰাখি ৰূপেচৰীত এৰি দিছিল।

এবুকুৱা ভেটিটোত নুঠি সি দাঁতিয়েদি আগচোতালৰ ফাললৈ ভয়ে ভয়ে যায়। বৰ বোপাই জানো দয়া কৰিব? সৰু বোপা থকা হ'লেও এক কথা আছিল; ক'লে মনে মনে টকা দিছিল। পিছে তেওঁ বিলাতত। অ' নহয় আমেৰিকাত। তথাপি সি যাব লাগিব। খাজনা মাফ নেপালে সি মৰিল, বেচেৰী ভনীয়েকজনী বিধৱা হৈ, বেমাৰী হৈ তাৰ লগতে আছেহি, ল'ৰা-ছোৱালীও দুটা। মাকতো একেবাৰে বুঢ়ী, তিনি-মূৰীয়া, লাখুটি লয়। ভনীয়েকে দুদিন যদি ভাত ৰান্ধি খুৱালে তেন্তে চাৰিদিন বিছনা ল'লে। তাক সহায়কে কৰিব নোৱাৰে, একোতে। কিন্তু কি কৰা যায়? ভনী ছোৱালীজনীকনো ক'ত পেলাই দিয়ে? দুখীয়া গিৰিয়েকৰ লগত কোনো মতে চলিছিল, সিও মৰিল। বিয়া হোৱাৰ আগতে তাই সৰু ছোৱালীৰ দৰে তাৰ পৰা কিমান বস্তুৰ আশা কৰিছিল। ককায়েকে চহৰত চাকৰি কৰে, মৌজাদাৰৰ ঘৰত, কিমান ভাল ভাল বস্তু পায়, আনি দিব। সিতো একোকে দিব নোৱাৰিলে। চৰ, দৰমহা আৰু জবাব লৈ এদিন ভুৰুংকৈ ঘৰ ওলাওঁতে তাই গিৰিয়েকৰ ঘৰত, তেতিয়ালৈ তাইক সি একো দিব নোৱাৰিলে। ছি ছি ছি, বৰ লাজৰ কথা।

তাতে এইবাৰ বানপানীয়ে শালি খেতি তেনেই মাৰিলে। আধখান হৈছে। ঈশ্বৰে কৰিলে হ'ব। কিন্তু ধান বেচি খাজনা দিয়া আৰু নহৈছে। ইফালে ভনীয়েকৰ বাবে ডাক্তৰ লগাই সাঁচতীয়া টকাও শেষ কৰিলে। খাজনা নিদিলেও নচলে। বানপানীয়ে ধান মাৰিব বুলিনো কোনে জানিছিল? খাজনা অন্ততঃ কিছু দিনলৈ মাফ নেপালে মৰণ। বৰ বোপাই ইচ্ছা কৰিলে মাফ কৰি দিব পাৰে। মণি আৰু টুনি, ভনীয়েকৰ ল'ৰা-ছোৱালী দুটাক স্কুলত নাম লগাই দিছে। নোখোৱা-নোবোৱাকে যাব নে? আঐ দেহি, মণিকনো হাল বাবলৈ লগাই দিব পাৰি নে? আৰু দুটামান টকা খৰচ কৰিলে তাহাঁতৰ মাকো ভাল হৈ উঠিব। ৰূপেকতো সি বৰ বোপাৰ ওচৰতে গতাই থৈ গৈছিল। ৰূপেক সি নেপালে। ৰূপেক বৰ বোপাক লাগে। তাইৰ লগত নিজানত কিমান দিন দেখিছে বৰ বোপাই চুপতি কৰি থকা। মৌজাদাৰ দেউতাক খবৰৰ কাগজখন ওপৰৰপৰা আনি দিবলৈ যাওঁতেও দেখিছে, বৰ বোপাক বজাৰৰ খৰচ খুজিবলৈ যাওঁতেও দেখিছে। মুচিয়ে মেৰামত কৰিবলৈ আইদেউৰ চেণ্ডেলযোৰ বিচাৰি যাওঁতেও দেখিছে। ৰূপেই ৰঙা-চঙা পৰি ভালকৈয়ে থকা চেলেংখন বুকুৰ ওপৰত ভালকে দিয়ে, বৰ বোপাই সেমেনা-সেমেনি কৰি হাঁহে, তাৰ বুকুখনৰ ভিতৰত কোনোবাখিনিত বৰ বিষায়।

ভিতৰ চোতালতো কোনো নাই। আচৰিত। আঠ বছৰ চাকৰালি কৰা ঘৰটো একেদৰেই আছে। তেওঁ কিবা অচিনাকি অচিনাকি যেন লাগে। বাহিৰ ফালৰ দৰে এইফালেও দীঘল দীঘল কাঠৰ খুঁটাবোৰ আৰু পৰি যাওঁ পৰি যাওঁকৈ থকা খট্খটীডাল আগৰ দৰেই আছে, ধোঁৱা আৰু এলান্ধু লগা পাকঘৰটো ঠিক আগৰ দৰেই বৰ এলাহত থিয় হৈ থকাৰ দৰে আছে। মাই ঘৰ আৰু পাকঘৰৰ মাজত আৰি দিয়া কাপোৰ মেলা তাঁৰডালো আছে। তথাপি কিবা নথকা কিবা নথকা যেন লাগে।

সি বাৰাণ্ডাত উঠে। ভয়ে ভয়ে বেলিঙত চাপৰ এটা মাৰি শব্দ কৰে। কাৰো সঁহাৰি নাই। সি বৰ বিমোৰত পৰে। খট্‌খটীয়েদি চাই পঠিয়ালে ওপৰ মহলাৰ বাৰাণ্ডা এখন দেখি, বৰ বোপাৰ কোঠাৰ দুৱাৰখনো দেখি। কিন্তু ধনীবামে বতাহ নলগা ডাঠ কলপতীয়া পৰ্দাখনহে দেখিলে। আৰু কোনো নাই।

বেলিঙত ধৰি সি চোতাললৈ মুখ কৰি বৈ থাকিল। কাৰোবাক লগ পাবই লাগিব। শালিধান, আহুতলি। বেমাৰী ভনীয়েক। মণি। টুনি। খাজনা।

অ' সৌজনী কোন? পাকঘৰটোৰ পাছফালৰপৰা কোনোবা ছোৱালী এজনী আহিছিল, তাক দেখি থত্‌মত্ খাই বৈ গ'ল, আকৌ উভতি পাছফাললৈ বেগাবেগিকৈ গ'লগৈ। ৰূপে নহয় জানো? পাছফালে কাঁহী-বাটি ধোৱা পকাডোখৰ আছে, ওচৰত খাৱৰ দ'ম এটা আৰু পানী থোৱা পিপা এটা, ওচৰতে খেৰী ঘৰটোৰ লগালগিকৈ অকণমানি শাকনি বাৰী, সিফালে এজোপা কৰ্দৈ, এজোপা পাণ বগোৱা মদাৰ, দেশৰ তামোল গছ, তলত ঘাঁহ-বন আৰু বিহলঙনি। অ' লেটেকুজোপাও আছে, আৰু দাঁতিয়ে দাঁতিয়ে মাটিকঁঠালৰ গছ। সেইজনী ৰূপেই হয়। গোটেইজনী ডাঙৰ হৈ আছে। হ'বই, সুখত আছে। আগতকৈ শকত হৈছে নেকি? কি জানি, শকত শকত যেন লাগেতো।

তাক দেখি পলাই ফাট মাৰিলে। পলাবই। বৰ বোপাই খং কৰিব। তাই অৱশ্যে তাৰ লগত হাঁহি-ধেমালি কৰিছিল। ঠাট্টা-মস্কৰাও চলিছিল। মদাৰ-তলত সি পৰা পাণ বোটলোঁতে তাইক হাতত ধৰিছিল এদিন, তাই লাহেকৈ একবাই ডাঙৰ পৰি কৈছিল, যা মৰাটো। সি আৰু এদিন কৈছিল, তোক খোঁৰা-গাড়ীত তুলি একেবাৰে পলুৱাই ঘৰ পামগৈ ৰ। তাই চলি-খৰি এডাল গালৈ দলি মাৰি পঠাইছিল। পাকঘৰৰ খিৰিকীয়েদি অকস্মাৎ দেখি আইদেৱে মিচিক্ কৰে হাঁহি দিলে। তাৰ যে এনে লাজ লাগিল। তাই পলাল।

বিয়া কৰোৱাৰ কথা অৱশ্যে কোৱা নহ'ল। তাৰ আগতে বৰ বোপাই প্ৰাণ নেথাকে বুলি কৈ দিলে, দৰমহা দি জবাব দি পঠাই দিলে। যাওক। কি দৰকাৰ ছোৱালী এজনী লৈ বৰ লোকৰ লগত ফেপেৰি পতাৰ? কত আছে গাভৰু ছোৱালী। ৰূপেৰ দৰে, ৰূপেতকৈ ভাল, ৰূপেতকৈ বেয়া। আৰু চাকৰি এৰি গাঁৱলৈ গৈ সি দেখিলে, ছোৱালীৰ কথা ভাবিলে তাৰ নহ'ব। ঘৰটো ভাগি গৈছে। বুঢ়া নাই। বুঢ়ীয়ে লাখুটি লৈছে। খেতি কৰিব লাগিব। চাকৰালি আৰু নকৰে। লোকক আধি দিয়া মাটিখিনি ল'ব লাগিব, নিদিও-নথও কৰিছে।

কি ছোৱালীৰ কথা ভাবিবা? বাদ দিয়া। বিধৱা ভনীয়েকজনীও চাপিলহে, বেমাৰ, ভোক, মণি আৰু টুনিক লৈ।

তথাপি সি ৰূপে যোৱাৰ ফালে চাই থাকে। মাইকী মানুহবোৰ বৰ আচৰিত বস্তু। বিয়ানেই বিপদ-আপদ নহওক, চাবলৈ সময় ওলাবই; চাবলৈ মন যাবই।

খট্‌খটীয়েদি ধুম ধুমকৈ গুদা ভৰিবে কোনোবা নামি আহে। সি চক্ খোৱাৰ দৰে ঘূৰি চায়। আইদেউ। চকুৰে চকুৰে পৰে। ওৰণিখনত এনেয়ে হাত দিয়ে। কিয় জানো তাক দেখি ঘপ্ কৰে খট্‌খটীৰ বেলিঙত ধৰি বৈ যায়। ওপৰলৈ উভতি যাব খোজা যেনো লাগিল, অৱশ্যে নগ'ল। 'আইদেউ' বুলি মাতো মাতো বুলিও সি মাতিব নোৱাৰিলে।

ডিঙিটো শুকাই কৰ্কৰীয়া মৰা যেন পালে। এবাৰ তালৈ আৰু খট্খটীৰ খাপবোৰলৈ চাই আইদেউ লাহে লাহে নামি আহিল। পূৰঠ মুখখন অলপ শেঁতা পৰা যেন লাগে নেকি? বৰ গহীন কিন্তু। তাক মতা নাই। হঁহাও নাই। এই ঘৰৰ চাকৰি এবাৰ পিছত সি কেবাবাৰো আহিছে। আইদেউৱে তেতিয়া বেছি হাঁহি-মাতি কথা কৈছিল, চাহ-জলকৰা দিছিল আৰু নিজে কাটি তামোল এখন দিছিল, ধঁপাত একণো, আনকি এবাৰ ঘৰ নেপাতা নেকি বুলিও সুধিছিল। আইদেৱে তাক তুমি-তামাকৈহে মাতে।

'আজি জৰুল কিবা এটা হৈছে। অ' আই, আইদেউৰ চকু দুটাচোন ঢুলঢুলীয়া। চকুৰ দীঘল নোমবোৰ সেমেকি আছে। ডাঙৰ চকু দুটাৰ দাঁতিবোৰ ৰঙা।'

নিশ্চয় কান্দিছিল। আই ঐ দেহি! আজি বেয়া লগাতহে সি জানিলে আইদেউজনীক কিমান ভাল পায়। আইদেউ তল পোৱাহিৰ লগে লগে সি মাত লগালে, "আইদেউ!" আইদেউৱে হাঁহিবলৈ যত্ন কৰি ক'লে, "কি হে ধনী?"

ওহোঁ, সেইটো আইদেউৰ হাঁহি হ'বই নোৱাৰে। কি হৈছে বাৰু? মস্কিল, সুধিবও নোৱাৰি নহয়।

আইদেৱে ক'লে, "বহা। কেতিয়াবাই আহিলা নেকি?"

বেঞ্চখনত লাহেকৈ বহি সি ক'লে, "নাই আইদেউ, এইমাত্ৰ আহিছোঁ। দেউতাহঁত নাই নেকি?" আইদেৱে বেলিঙত ধৰি তাৰ দৰেই চোতাললৈ চাই আছিল। একো নক'লে। সি মাতিলে, "আইদেউ"

"হেঁ? অ' আছে, আছে ধনী। দেউতাহঁত আছে। কিবা দৰকাৰত আহিছিলা?" সি বৰ আচৰিত হয়। আইদেৱে কেনেকুৱাখন কৰিছে। কি হৈছে বাৰু? মস্কিল, সুধিবও নোৱাৰি নহয়। সি ক'লে, "হওঁতে অলপ দৰকাৰ আছিলতো।" হঠাৎ তাৰ ল'ৰা-ছোৱালীকেইটাৰ কথা মনত পৰিল। আচৰিত, ইমান পৰে সি পাহৰি আছিল। সি টপৰাই সুধিলে, "মইনাহঁত ক'ত আইদেউ? দেখা নাইচোন।"

আইদেৱে ক'লে, "কালি নবৌ আহিছিল। লগত গ'লগৈ। তুমি তামোল খোৱা, সেয়া বটাতে আছে, কাটি খোৱা। মই দেউতাক কওঁগে বাৰু।" সি বহা বেঞ্চখনতে থকা বটাটোলৈ এবাৰ চায়। তেওঁ ওপৰলৈ লাহে লাহে উঠি যায়। তামোল কাটিবলৈ ধৰি সি ভাবে, মইনাহঁতনো লোকৰ ঘৰত কালিৰপৰা থাকিব পাৰিছে নে! পাৰিবও পাৰে, ডাঙৰ হৈছে আৰু মামীয়েকৰ ঘৰো কিবা দূৰত নে? সৌৱাহে।

তামোলখন খাই শেষ হ'বৰ হ'লহি, তথাপি ওপৰৰপৰা কোনো নাহিল। আনকালে মৌজাদাৰ দেউতাই তাক ওপৰলৈ মাতি নিয়ে, নহ'লে বৰ বোপা নামি আহি মাত লগায়। আজি আইদেৱো ঘূৰি নহা হ'ল। বাপেনো বাৰু ক'ত অন্তৰ্ধান হ'ল? ইমান পৰে কোনেও বাচন মাজি নেথাকে। খৰি-ঘৰতো কৰিবলৈ একো নাই। বাৰীতো তাইৰ কোনো দৰকাৰেই নাই। নে মাটিকঁঠাল বিচাৰি ফুৰিছেগৈ!

ওপৰৰ কাঠৰ মজিয়াত খৰমৰ গহীন শব্দ শুনি ধনীৰাম জাঁপ মাৰি উঠিল। মৌজাদাৰ দেউতা। ওখই-পাখই বেছ সুন্দৰ মানুহজন। চকুত শকত ফ্ৰেমৰ চচ্‌মা। গাত

সেই দুটা পকেট থকা লংক্লথৰ চোলাটো, ধপধপীয়া। হাতত এই মস্ত বেঁকা ৰাইডাং বেতডাল। খট্‌খটীৰ চাবি খাপ মান আহি তেখেত ৰ'ল। থিৰ চকুৰে তাৰ ফালে চাই থাকিল। তলত ধনীৰামে বেঁকা হৈ সেৱা এটা জনালে। আজিয়েই সি প্ৰথম জনাইছে, আগতে আহিলে ঘৰৰ পুৰণি চাকৰ হিচাপে সেৱা নকৰাকৈয়ে চলিছিল ; কিন্তু আজি ঘৰটো কিয় ভয় লগা ভয় লগা হৈ আছে। আইদেউজনীয়ে কেনেকুৱা কৰিছে। বৰ বোপাৰ ভয়ত ৰূপে নোলোৱা হ'ল ; তদুপৰি সি খাজনা মাফ বিচাৰি আহিছে।

মৌজাদাৰ দেউতাই ক'লে, "ওপৰলৈ আহ"। তেখেত আকৌ উঠি গ'ল। খৰমৰ গহীন শব্দকেইটা সি শুনিলে। তেখেতে নিজৰ বহা কোঠালৈ গৈছে। দৰকাৰী কথা তাতে পাতে। সি ভয়ে ভয়ে আগবাঢ়িল। মৌজাদাৰ দেউতা গহীন মানুহ হয়। কিন্তু আজিৰ দৰে কম কথা কাহানিও কোৱা নাই। চিৰিত ভৰি দিয়াৰ আগতে এবাৰ সি ঘূৰি চায়। সি মানুহটো ঘামিছিল। নাই, কোনেও দেখা নাই, ৰূপেয়ো।

খাপকেইটা ভাঙি সি ওপৰ পায়গৈ। বৰ বোপাৰ কোঠাটো বন্ধ। আইদেউ ক'ত লুকাল বাৰু? বৰ বোপা ঘৰতে আছে নেকি? মইনাইত নেথাকিলে ঠিক নেলাগে। সিহঁতক মৰম কৰি মনটোক পাতলাই ল'ব পৰা গ'লহেঁতেন।

মৌজাদাৰ দেউতাৰ বহা কোঠাৰ দুৱাৰ-মুখত সি থিয় হয়গৈ। বেতৰ চকী একনত বহি তেখেতে একেথৰে খিৰিকী এখনেদি বাহিৰলৈ চাই আছে। ৰাইডাং বেতডাল তেখেতৰ কোলাতে আঁউজি আছে। সেই ফালৰপৰা সি মাত লগালে, "দেউতা!" তেখেতে তাৰ ফালে ঘূৰি চাই আকৌ খিৰিকীলৈ চকু দিলে। এক মিনিটমান একো কথা নাই। ধনীৰাম ভীষণ ধৈৰ্যৰে বৈ থাকে।

"তই আহিবি বুলিয়েই ভাবি আছিলোঁ। কেনৈ আহিলি ক?" তাৰ প্ৰথমে অলপ খোকোজা লাগে। কিন্তু লাহে লাহে সকলো কথা কয়। অতি হিচাবী মৌজাদাৰ দেউতাই কি কয়, কি ঠিক! তাৰ ভয় লাগে। তাৰ কোৱা হ'লত দুয়ো কিছু সময় আকৌ নিমাত। পিছত তেখেতে তাৰ ফালে নোচোৱাকৈয়ে ক'লে, "ভনীয়েৰৰ ইমান দিন বেমাৰ, ডাক্তৰ লগাইছ নে নাই?"

হাত দুখন মোহাৰি সি ক'লে, "টকা কেইটামান আছিল, তাকে খৰচ কৰি ডাক্তৰকে দেখুৱালোঁ। অলপ ভাল পাইছে। পিছে আৰু দৰব খাবলৈ কৈছে। শালিধান পানীয়ে মাৰিব বুলি ভবাই নাছিলোঁ। নহ'লে খাজনাৰ বাবে টকাখিনি থ'লোঁহেঁতেন।"

তেখেতে ক'লে, "কাগজ-পেঞ্চিল আন।" সি টপৰাই হাউলি তেখেতৰ আগেদি পাৰ হৈ যায়। চুকৰ টেবুলৰপৰা কাগজ-পেঞ্চিল আনে, ওপৰত পাৰি লিখিবলৈ ডাঠ ডাঙৰ কিতাপ এখনো। আঠ বছৰ কাম কৰোঁতে সি বহুতবাৰ এইদৰে কাগজ-পেঞ্চিল আনি দিছে। তেখেতে লিখে, সি অলপ আঁতৰি বৈ থাকে। লিখোঁতে চাই থাকিব নেপায়। কিন্তু দেউতাই চিঠি লিখিলে কিয় বাৰু? আনকালেতো বৰ বোপাক মুখেৰেই কয়, কিবা ক'ব লগা থাকিলে। তাৰ মনত খপ্ কৰে খেলালে, সি আহিব বুলি ভাবিও মৌজাদাৰ দেউতাই, কেলেই আহিলি ক বুলি কিয় ক'লে বাৰু? জানো কেও, একো বুজিবই নোৱাৰি।

লিখা কাগজখন জাপি তেখেতে ক'লে, "এইখন বৰ বোপাক দেগে।" সি চিঠিখন ল'লে। কাগজ-পেঞ্চিল আগৰ ঠাইত থৈ আহিল। মৌজাদাৰে ক'লে "আকৌ লগ পাই যাবি ধনী।"

"ভাল দেউতা।"

কিন্তু বৰ বোপাক লগ ধৰা যায় কেনেকৈ? দুৱাৰ মাৰি সোমাই আছে। অ' দুৱাৰখন মেলা, আচৰিত! মৌজাদাৰ দেউতাৰ চিঠি যাব বুলিয়েই খুলি গ'ল নেকি? ডাঠ কলপতীয়া পৰ্দাখন লৰি আছে। নিশ্চয় এইমাত্ৰ দুৱাৰ খুলিছে। পৰ্দাখন দাঙি সি সোমাই গ'ল।

ৰাম ৰাম! ৰাম ৰাম! প্ৰকাণ্ড পালেংখনৰ দাঁতিত বৰ বোপা বহি তলমূৰকৈ আছে। সি সোমোৱাৰ লগে লগে মূৰ দাঙি চালে। চুলি আউল-বাউল। ডাড়ি চাৰিদিনমান খুৰোৱা নাই। পিৰঠিৰে সৈতে চকু দুটাৰ চাৰিওফালে ক'লা পৰিছে। পাতল বেঙুনীয়া খদ্দৰ পাঞ্জাবীটোৰ বুতাম মৰা নাই। চুৰিয়াখন মলিয়ন।

খঙাল প্ৰতাপী বৰ বোপাৰ এইহেন চেহেৰা? ৰাম ৰাম! ৰাম ৰাম! সদায় ভয় কৰা বৰ বোপালে আজি তাৰ বৰ পুতৌ হয়। আই ঐ দেহি!

বৰ বোপাই কয়, "আহ্ ধনী।"

আ ঐ দেহি, বৰ বোপাৰ মাতটো ইমান কোমল। কিয় নহ'ব। আইদেউ সাক্ষাৎ গোসানী। লখিমী। চিঠিখন আগবঢ়াই দি সি সোধে, "বৰ বোপাৰ কিবা অসুখ হৈছে নেকি?"

"নাই, তেনেকৈ একো হোৱা নাই। তই বহ।"

বহিব? বৰ বোপাই নিজৰ কোঠাত তাক বহিবলৈ কৈছে? আচৰিত! বৰ বোপাই বাকচৰ ওচৰত থকা টুলখন দেখুৱাই দিয়ে। সি কিন্তু নবহে। কেতিয়াও বহা নাই। বৰ বোপাই চিঠিখন পঢ়ে। ঘৰটো কেনে আন্ধাৰ আন্ধাৰ হৈ আছে। খিৰিকীৰ পৰ্দাবোৰ ফিট খুৱাই মেলি দিয়া হৈছে। মাত্ৰ এখন পৰ্দা কোঁচাই থোৱা আছে। বৰ বোপাৰ মুখখন ক'লা পৰি আছে।

তেওঁ পঢ়াৰপৰা মূৰ তুলি তালৈ চায়। ক'লাখিনিৰ মাজত চকু দুটা ৰঙা পৰি আছে। তাৰ চকুলৈ একে থৰে চাই থাকে। সি চকু নমাই লয়। তেওঁ কয়, "বহ না ধনী!"

টুলখন অলপ আঁতৰাই অগত্যা সি বহে। বৰ বোপাই আকৌ তাৰ চকুলৈ চায়। চিঠিখন আকৌ পঢ়ে। মৌজাদাৰ দেউতাই খাজনা মাফৰ কথা নিলিখিলে নেকি? কি লিখিলেনো? সি তাৰ কথাবোৰ আকৌ বৰ বোপাৰ আগত কয়। শালিধান, বানপানী, আহুধান, ভনীয়েক, মণি। টুনি।

অৱশেষত বৰ বোপাই কয়, "ধনী, ভনীয়েৰৰ চিকিৎসা নকৰালে বেয়া হ'ব। বৰ বেয়া বেমাৰ যেন লাগিছে। ডাক্তৰক দেখুৱাই থাক। আজি-কালি বেমাৰৰ কি আকাল হৈছে? ধেমালি নহয়। খাজনাৰ কথাও ভাবিবলগীয়া।"

মৰণ পৰা মানুহৰ দৰে ধনীৰাম থম্ থমকৈ বহি থাকে। মৌজাদাৰদেউতাই কথাবোৰ লিখি দিলে নেকি? ওহোঁ, ইমানবোৰ কথা তেখেতে কেতিয়াও লিখা নাই। তেনেহ'লে

বৰ বোপাইনো একেবোৰ কথাকে ক'বলৈ পালে কেনেকৈ? জানো দেও, একো বুজিব নোৱাৰি। লাহে লাহে আন্ধাৰ হৈ আহিছে, বাহিৰত ৰ'দ হেলনীয়াকৈ পৰিছে, গধূলি হ'লহি আৰু। বৰ বোপা খিৰিকী এখনৰ ওচৰলৈ গৈছিল, তাৰপৰাই ক'লে "ধনী, দেউতাই তোক ৰূপেৰ কথা কৈছিল নেকি?"

"ৰূপেৰ কথা? ক'তা, নাই কোৱা বৰ বোপা।"

হৰি হৰি! ৰূপেৰ কথা? সি ভাবিলে, খাজনা মাফৰ মাজত আকৌ ৰূপে ওলাল ক'ৰপৰা? তাই দেখোন বৰ বোপাৰ ভয়তে তাৰ আগৰপৰা পলাল? বৰ বোপাই ক'লে, "শুন ধনী। তই আমাক উদ্ধাৰ কৰ। তই নকৰিলে আৰু উপায় নাই। খাজনাৰ বাবে তই চিন্তা কৰিব নেলাগে। কোনো ভয় নাই তোৰ। ভনীয়েৰৰ চিকিৎসাৰ বাবে টকা দুশ লৈ যা। তই একো ভাবিব নেলাগে।"

একেবাৰে নতুন কথা। বৰ বোপাৰ মুখৰ এনে কথা তাৰ কাণত এয়ে প্ৰথম পৰিল। বিশ্বাস নহয়, কিন্তু বিশ্বাস নকৰিও উপায় নাই। ডাঙৰ মানুহৰ মন। বৰ বোপাই ক'লে, "তই ৰূপেক লৈ যা। তাইৰ গাত চাৰি মাহ।"

সি টুলখনৰপৰা ঘপৰাই উঠি পৰে। ৰূপেৰ গাত চাৰি মাহ।

অ' সেয়ে অথনি তাইক সি শকত শকত দেখিছিল। সেয়ে তাই পলাই ফাট মাৰিছিল। সেয়ে ঘৰটো দিন দুপৰতে জয়াল। সেয়ে মইনাহঁত মামীয়েকৰ ঘৰত। সেয়ে আইদেউৰ চকু ঢুলঢুলীয়া। সেয়ে মৌজাদাৰদেউতা আৰু বৰ বোপাৰ কথাবোৰত ইমান মিল। সেয়ে দেউতাই সি আহিব বুলি ভাবি আছিল।

তাৰ ফালে নোচোৱাকৈ বৰ বোপাই ক'লে, "তই যদি মান্তি নহৱ, তেন্তে আমি মৰিলোঁ ধনী। উদ্ধাৰ কৰিব পাৰ অকল তইহে। আমাকো, ৰূপেকো।"

বৰ বোপাই ওচৰলৈ আহি জেপৰপৰা এজাপ দহটকীয়া নোট উলিয়াই তাৰ হাতত গুজি দিয়ে। দুশটকা কিজানি। তাৰ হাতৰ ছালত নোট জাপ লগাত তাৰ মনটো ভাল লাগি যায়। দুশ টকাৰে বহুত কাম হ'ব। ভনীয়েকৰ বেমাৰত দুকুৰিমান হ'লেই হ'ব। বাকীখিনি থাকি যাব। মণি-টুনিক কাপোৰ দিব পাৰিব। কিন্তু ৰূপে? তাইৰ গাত চাৰি মাহ। তাইক কেনেকৈ ৰাখিব?

বৰ বোপাই মাত লগায়, "ধনী!" সি কয়, "মই দেউতাৰ লগত কথা পাতোঁগৈ বৰ বোপা।" সি ওলাই আহে। দুৱাৰ মুখৰপৰা বৰ বোপাৰ মুখখন ভালদৰে নেদেখি। কিন্তু ইমান দুখ লগাকৈ থিয় হৈ চাই আছে যে তাৰ বৰ বেয়া লাগি যায়।

বাহিৰত আইদেউৰ লগত মুখামুখি হৈ যায়। তেওঁ খট্‌খটীয়েদি উঠি আহিছিল। উখহা চকুহালিৰে তাৰ ফালে চাই কয়, "গুচি নাযাবাগৈ দেই। মই চাহ কৰিছোঁ। ভাতত বহিবা অলপ।"

আই ঐ দেহি, আইদেউজনী ইমান ভাল! বৰ বেয়া লাগে। নাই লৈয়েই যোৱা যাওক ৰূপেক।

বি হয় হ'ব। সি কয়, "ভাল আইদেউ।"

নিচেই ওচৰত থিয় কৰাই লৈ মৌজাদাৰ দেউতাই কয়, "ধনী, ৰূপেক তই লৈ গ'লে অকল আমাৰেই যে ভাল হ'ব এনে নহয়; তাইৰ নিজৰো ভাল হ'ব। তাই ভালদৰে থাকিব পাৰিব; অৱশ্যে অলপ বুধিৰে চলিব লাগিব। আৰু তই যদি মন কৰ, তোৰো কম লাভৰ কথা নহ'ব। ঘৰ-সংসাৰৰ ভাৰ লৈছ যেতিয়া তিৰোতা এজনী নহ'লে কেনেকৈ চলিবি? তাইক নিলে আমাৰ লগতে তয়ো পাৰ পাবি।"

সি মনে মনে থাকে। ৰূপেক নিলে মৌজাদাৰ দেউতা, বৰ বোপা, বিলাত — অ' নহয়, আমেৰিকাত থকা সৰু বোপা, আইদেউ আৰু ৰূপে, সকলোৱে পাৰ পাব। মৌজাদাৰ দেউতাই কৈছে, সিও পাৰ পাব। তুলসীৰ লগত কলপটুৱাৰো মুক্তি হ'ব। সি কলপটুৱা। বাকীবোৰ তুলসী। ঠিকেই, কামটো কৰিলে সকলোৱে ভাল হ'ব। সিও ঘৈণী এজনী পাব।

সি যেতিয়া তলৰ বেঞ্চখনত বহি আইদেউৰ হাতৰ পৰা চাহ-সন্দৰা লয়, তেতিয়া একেবাৰে গধূলি হৈছে। ওপৰত লাইট এটা জ্বলি আছে। সেই পিতলৰ গিলাছটোতে আজিও আইদেৱে তাক চাহ দিছে। সন্দৰাও কাগজতে দিছে। সি আইদেউলৈ বৰ মৰমেৰে চায়। আইদেৱে উপকাৰ বিচাৰি মৰম নকৰে। আজিও নাই কৰা — বৰ বোপা আৰু দেউতাৰ দৰে। গিলাছটো ধুই সি পাকঘৰৰ বাৰাণ্ডাত থয়। আইদেউৰ হাতৰ পৰা তামোলখন লৈ সি বৰ স্বাভাৱিকভাৱে সুধিব খুজিছিল, ৰূপে ক'ত। কিন্তু অকস্মাৎ দেখিলে চোতালৰ আন্ধাৰত টোপোলা এটা লৈ তাই বৈ আছে। আইদেউক সি আৰু নুসুধিলে। তেওঁৰ লগত এই বিষয়ে কথা পতা নাই যেতিয়া কি দৰকাৰ? তদুপৰি আইদেউ গোসানী। তুলসী।

সি "আহোঁ আইদেউ" বুলি ঘপ্ কৰে আইদেউৰ ভৰি দুটা চুই সেৱা কৰি খৰকৈ নামি যায়। আইদেউ উচপ্ খাই উঠে। কিন্তু মুখেৰে একো মাতিব নোৱাৰে।

সি চোতালৰ আন্ধাৰত থিয় হৈ থকা ৰূপেচৰীক কয়, "আহ ৰূপে।" তাৰ পিছে পিছে তাই এবুকু ওখ ভেটিটোৰ দাঁতিয়েদি যায়। সি আৰু নেমাতে। উভতি নেচায়।

ঘৰৰ পদূলিত ঘোঁৰা গাড়ী এখন বৈ আছিল। আন্ধাৰত থিয় হৈ আছিল বৰ বোপা। গাড়ীৰ দুৱাৰখন খুলি সি ৰূপেক উঠিবলৈ দিয়ে। তাৰ পাছত সিও উঠি দুৱাৰ মাৰি দিয়ে। বৰ বোপাই যোৱা বুলি কোৱাত কাচোৱানে গাড়ীখন চলাই দিয়ে। সি বৰ বোপাক মাত লগাবলৈ পাহৰিলে। সি ভাবিছিল: এদিন মদাৰ তলত পাণ বোটলোঁতে সি ৰূপেক ঘোঁৰা-গাড়ীত পলুৱাই নিম বুলি চুপতি কৰি কৈছিল। ■

সৌৰভ কুমাৰ চলিহা

সিহঁতেও পাহাৰ বগালে

সিহঁতেও পাহাৰ বগালে

"দূৰত বাক সেইয়া কিহৰ পোহৰ?"

"সেইয়া জোৰ পোহৰ। সেইয়া এখন খাচীয়া গাঁও, শ্মিট্ নে তেনেকুৱা কিবা নাম। হয়তো লাইট্কৰ্। বা লুম্ চিয়েম্।"

"তুমি ভালদৰে নাজানা?"

"বহুদিন হ'ল, পাহৰিছোঁ।"

"কি হৈছে তাত?"

"আজি উৎসৱৰ ৰাতি।"

"নংক্ৰেম নাচ?"

"নহয়, নংক্ৰেম নাচৰ সময় বোধকৰোঁ এতিয়া নহয়। হয়তো খাড্ চুক্ মিৎল্চিয়েম্। বা অন্য কিবা উৎসৱ।"

"আৰু সেইয়া কিহৰ শব্দ?"

"সেইয়া ঢোলৰ শব্দ — আৰু বাঁহী, আৰু শুনা, সেইয়া গানৰ সুৰ, আৰু শুনিছানে? সেইয়া গীটাৰৰ ঝংকাৰ।"

"বা দুইতাৰা। খাচীয়া বাদ্যযন্ত্ৰ। স্পেনিচ গীটাৰৰ দৰে।"

"ইমান দূৰৰ পৰা বৰ ভাল শুনি।"

"আৰু ইমান দূৰৰ পৰা জোৰৰ সৰু সৰু পোহৰবোৰো বৰ ধুনীয়া দেখি। আৰু অলপ উঠিলেই দেখা পাবা তলত, নামনিত, অসংখ্য সৰু সৰু পোহৰৰ বিন্দু, অযুত অযুত পোহৰৰ বিন্দু।"

"সেইয়া কি?"

"সেইয়া ছিলং।"

"তুমি এই পাহাৰখনৰ ক'ত কি আছে সকলো জানা? সৌ গাঁওখনলৈ কেনেকৈ যাব লাগে জানা?"

"সকলো নাজানো, অলপ অলপ জানো।"

"এইখনেই তুমি মোলৈ লিখা পাহাৰখন? ইয়াকেই তুমি অকলে অকলে বগাবলৈ আহিছিলা?"

"এইখনেই মই তোমালৈ লিখা পাহাৰখন। ইয়াকেই মাজে মাজে বগাবলৈ আহিছিলোঁ, যেতিয়া তোমাৰ কথা বৰকৈ মনত পৰিছিল। প্ৰথমে অকলে অহা নাছিলোঁ। প্ৰথমে বিভা-নিভাহঁতৰ লগত ৰাতিপুৱা ৰাতিপুৱা ইয়াত ফুৰিবলৈ আহিছিলোঁ। খুব ৰাতিপুৱা। পাছত নিজে নিজেই পাহাৰখন চিনিব পৰা হ'লোঁ।"

"বিভা—নিভাহঁত তেতিয়া একেবাৰেই সৰু আছিল, নহয়?"

"ছয় বছৰ; আঠ বছৰ। এতিয়া ৰব একোজনী হ'ল। পাঁচ বছৰৰ আগৰ কথা। ভাগৰ লাগিছে?"

"নাই লগা, একেবাৰে নাই লগা।"

"আৰু অলপ বগাব পাৰিবা?"

"পাৰিম। পাৰিম। তোমাৰ শ্বিলঙৰ পোহৰবোৰ চাবৰ মোৰো মন গৈছে।"

"এই পাহাৰখনলৈ আহিলেই মনত পৰে বহুদিন আগেয়ে এটা গল্প পঢ়িছিলোঁ, গল্পটো মনত নাই, মাথোঁ তাৰ নামটো মনত আছে — সিহঁতে পাহাৰ বগালে।"

"সিহঁতে পাহাৰ বগালে। কি ধুনীয়া নাম!"

"মই তোমাৰ কথা ভাবিছিলোঁ। মই ভাবিছিলোঁ, তুমি আৰু মইও পাহাৰ বগাম, আটাইতকৈ ওখ আটাইতকৈ বন্ধুৰ পাহাৰখন বগাম। ভবাই নাছিলোঁ, কেতিয়াবা সম্ভৱ হ'বগৈ।"

"কিন্তু আজিতো মই তোমাৰ লগে লগে পাহাৰ বগাইছোঁ — "

"এৰা, কিন্তু এতিয়াও মোৰ বিশ্বাস হোৱা নাই, এতিয়াও মোৰ বিশ্বাস হোৱা নাই আমি এনেকৈ পাহাৰ বগাই থাকিব পাৰিম। মই অকল পাহাৰখন বগাব নোখোজোঁ, মোক অকল পাহাৰখন নালাগে, পাহাৰখনৰ লগতে তাত মোক তোমাকো লাগে, যেনেকৈ পাহাৰখন লগত মোক তাৰ শিলংটিয়োৰ আৰু জুৰিবোৰ লাগে, তাৰ ঘাঁহ আৰু সৰলগছবোৰ লাগে।"

"পাহাৰখন তোমাৰ, তাৰ জুৰিবোৰ আৰু তাৰ সৰলগছবোৰ তোমাৰ।"

"মোৰ এটা ইচ্ছা আজি পূৰণ হ'ল।"

"আৰু ইটো ইচ্ছা?"

"ইটো ইচ্ছা কৰিবলৈ আৰু সাহ নহয়। পাঁচ বছৰৰ আগৰ ইচ্ছা। এতিয়াও ইচ্ছাটো কৰিবৰ মন যায়, কিন্তু আজিকালি আৰু সাহ নহয়, অধিকাৰ নাই। কিবা দেখিছা?"

"নাই দেখা। কি?"

"এৰা, এজাৰ জন হৈ আহিছে। একো মনিব নোৱাৰি। অলপ পাছতে কুঁৱলি পৰিব। তোমাৰ ভৰিৰ লগত শিলংটিয়োৰৰ শব্দ শুনিছানে?"

"শুনিছোঁ।"

"আৰু সৰলগছবোৰৰ মাজেৰে বতাহৰ সোঁ সোঁ শব্দ?"

"অ।"

"আৰু ক'ৰবাত জিলিৰ মাত?"

"সেইয়া জিলিৰ মাত?"

"ঠিক নাজানো, বোধকৰোঁ জিলিৰেই মাত।"

"সেইয়াও শুনিছোঁ।"

"আৰু এখন কিতাপৰ নাম মনত পৰিছে। জাপানী কবিতা। 'তৰা জোন আৰু জিলিৰ মাত।' আজি আকাশত জোন নাই। কিন্তু তৰা আছে।"

"তৰা আৰু জিলিৰ মাত। ধুনীয়া নাম। তুমি কিমান পঢ়িছা।"

"আৰু লিখিছোঁ। মোৰ পাঁচবছৰ আগৰ চিঠিবোৰ মনত আছেনে? কেনেকৈ মই মাজে মাজে মাহীদেউৰ ঘৰলৈ বুলি শ্বিলঙলৈ গুচি আহিছিলোঁ, আৰু তোমাৰ কথা ভাবিছিলোঁ?"

"মনত আছে। তুমি লিখিছিলা, তুমি সন্ধিয়া এন্ধাৰ হোৱাৰ আগে আগে পাহাৰখনৰ শি'লএটাৰ ওপৰত বহিছা। বহু নামনিত এডাল মোটা সূতাৰ দৰে এটা নিজৰা বৈ গৈছে, তাৰ কুলুকুলু শব্দই নির্জন পাহাৰৰ সন্ধিয়াটো ভৰাই দিছে, ঘন্টাৰ পাছত ঘন্টা কোনো মানুহৰ দেখাদেখি নাই, মাজে মাজে মাথোঁ কেতিয়াবা হঠাৎ একোটা খাচীয়া খৰিকটীয়াই কান্ধত খৰিৰ বোজা লৈ পাহাৰৰ মোৰ এটাৰ পৰা ওলাই নামি আহিছে আৰু তোমাৰ কাষেৰে এঁকাই-বেঁকাই নামি গৈ তলত অদৃশ্য হৈ গৈছে — আৰু এই পাহাৰ আৰু নিজৰা আৰু সৰলগছ আৰু তোমাৰ সকলো চিন্তা আৰু অভীপ্সাৰ ওপৰেৰে হু হু শব্দেৰে বতাহ বৈ গৈছে, তোমাৰ চুলিবোৰ আৰু তোমাৰ গলৰ মাফলাৰখন বাৰে বাৰে বিশৃঙ্খল আউল-বাউল হৈ গৈছে।"

"তোমাৰ ঠিক মনত আছে। সেই চিন্তা আৰু সেই অভীপ্সাৰ শেষ হোৱা নাই, কিন্তু তাৰ বাবে আগৰ দৰে সাহস নাই, অধিকাৰ নাই। জাৰ লাগিছে?"

"নাই লগা। বতাহখিনি চেঁচা নহয়, বৰং ভালহে লাগিছে। তোমাৰ মাফলাৰখন আনিছা?"

"অ। তুমি মোৰ অ'ভাৰকোটটো ল'বা?"

"নালাগে। তোমাৰ জোতাৰ তলত শি'লগুটি আৰু বাঁহৰ শব্দ মইও শুনিছোঁ। বাতি নিয়ৰ পৰিলে বাৰু এনেকুৱা বাঁহৰ শব্দ হ'ব নে?"

"নাই, বাতি এনেকুৱা শব্দ নহয়। তুমি উচ্চ উচ্চ থামৰ নাম শুনিছানে?"

"উচ্চ থাম? নাই শুনা। খাচীয়া নাম?"

"এজন খাচীয়া কবি। ঢুকাইছে। তেওঁৰ এটা কবিতা মনত পেলাই দিলা; 'বাতিপুৱা নিয়ৰবোৰ গোহৰত বালমল কৰি উঠে। মইও মুকুতা বিচাৰি ঘৰৰ পৰা

বহুদূৰলৈ যাম। ঘৰৰ পৰা আঁতৰত মোৰ অন্তৰে কষ্ট পাব। তেতিয়া জমা হোৱা চকুপানীবোৰেই মোৰ মুকুতা হ'ব।' মইও আজি পাঁচবছৰ ঘৰৰ পৰা আঁতৰত কিমান ঘূৰিলোঁ ... তুমি উজুটি খাইছা আকৌ। মোৰ হাতত ধৰা। আৰু দুটা ঢাপ মাত্ৰ, তাৰ পাছত তুমি এটা ধুনীয়া বস্তু দেখা পাবা।"

"বিলৰ পোহৰ?"

"নহয়, অন্য এটা পোহৰ। বহুদিনৰ আগৰ পোহৰ। হয়তো আজিও আছে।"

"কি? কি সেয়া?"

"অলপ পাছতেই গম পাবা। আহাঁ, মোৰ হাতত ধৰাঁ, আৰু অলপ বগালেই হ'ব। আহাঁ।"

"কি পোহৰ জানিবলৈ বৰ মন গৈছে, বৰ কৌতূহল হৈছে।"

"আৰু অলপ দূৰ মাত্ৰ।"

"তোমাৰ ইচ্ছাটো নকৰাঁ কেলেই? এই কেইবছৰে চাৰি-পাঁচবাৰ তোমাক মই উভতাই পঠিয়াইছোঁ, পঠিয়াবলগীয়া হৈছোঁ। কিন্তু এতিয়াতো মই তোমাৰ লগত, আজিতো মই তোমাৰ লগত তোমাৰ পাহাৰখন বগাইছোঁ—?"

"ঠিক। আৰু চাৰি-পাঁচবাৰৰ শেষত তুমি মোক কৈ দিছিলা, যি ইচ্ছা পূৰণ হোৱাৰ কোনো আশ্বাস নাই, কোনো প্ৰতিশ্ৰুতি নাই, সেই ইচ্ছা যেন মই আৰু নকৰোঁ। মই তোমাক কৈছিলোঁ, বাৰু সেয়ে হ'ব।"

"সঁচা। অৱস্থাৰ চাপত মই তেনেকৈ কৈছিলোঁ। অৱস্থাৰ চাপত।"

"অ, সেই কথাও সঁচা।"

"মোৰ সেই কথাতেই তুমি ধৰি থাকিবা?"

"ধৰি নাথাকিলে তুমি ভাল পাবা? তোমাক কথা দিছিলোঁ।"

"অ। তুমি মোক কথা দিছিলা। সেই কথাত তুমি নিশ্চয় ধৰি থাকিবা... আৰু কিমান দূৰ? কি পোহৰ, বৰ জানিবলৈ মন গৈছে।"

"আৰু অলপ মাত্ৰ। তিমানপৰে বাৰু আকৌ এইবোৰকে শুনা, দূৰৰ সৌ খাটীয়া গাঁৱৰ ঢোল আৰু গীটাৰ, আমাৰ গৰু আৰু তেওঁলোকৰ গান, আৰু জিলিৰ মাত, তিৰ্‌বিৰ জোনৰ পোহৰ আৰু বাশি বাশি স্থিৰ, শান্ত তৰা ... এইয়া আমি পালোহি ... এই ঢাপটোৰ ওপৰলৈ উঠি আহাঁ, এই সকলগছ দুডালৰ মাজেৰে চোৱাঁ — দেখিছানে?"

"অ, দেখিছোঁ। এটা তৰা। এটা ধুনীয়া তৰা।"

"সকলগছ দুডালৰ মাজতে হেলনীয়াকৈ কেনেকৈ বৈ আছে। কেতিয়াবা তৰাটো তাৰ পৰা আঁতৰি যায়, তেতিয়া মই বেলেগ এটা শিলৰ ওপৰলৈ যাব লাগে, বা অইন ফালৰ পৰা চাবলগীয়া হয়। কিন্তু তৰাটো ঠিক এনেদৰে গছ দুডালৰ মাজত। কেতিয়াবা তৰাটো বহু ওপৰলৈ বা বহু তলালৈ গুচি যায়, সেইদিনা আৰু কোনোমতেই

তাক আগৰ ঠাইলৈ আনিব নোৱাৰোঁ।”

“তেতিয়া তোমাৰ খুব বেয়া লাগে?”

“তেতিয়া মোৰ খুব বেয়া লাগে।”

“এটা ইমান ধুনীয়া তৰা!”

“মোৰ তৰা, মোৰ পোহৰ, মোৰ সত্তা। তোমাৰ তৰা।”

“মোৰ তৰা?”

“তোমাৰেই তৰা। তৰাটো তোমাক দিলোঁ।”

“ধন্যবাদ। এইটো তেনেহ'লে এতিয়া মোৰ সম্পত্তি? মই যি দৰে ইচ্ছা ব্যৱহাৰ কৰিব পাৰিম? সি মোৰ কথা শুনিবনে?”

“কিয় নুশুনিব? লাগিলে তোমাৰ কাৰণে জীৱন দিব।”

“অ। তুমি মোক দিয়া তৰা! নিশ্চয় মোৰ কথা শুনিব, নিশ্চয় লাগিলে নিজৰ জীৱনো দিব।”

“তুমি মোক মোৰ পাহাৰখন দিলা, মই তোমাক তোমাৰ তৰাটো দিলোঁ। আজি খাচীয়া গাঁৱত উৎসৱৰ ৰাতি, আজি জিলিৰ মাত আৰু নিজৰাৰ কুলুকুলু আৰু সৰলগছৰ সুহুৰি টনা বতাহ তল পেলাই পাহাৰৰ বুকুত প্ৰতিফলিত হৈছে খাচীয়া ডেকা-গাভৰুৰ গান আৰু গীটাৰ আৰু ঢোলৰ ছেও, আজি খাচীয়াসকলৰ আনন্দৰ ৰাতি, আজি তেওঁলোকৰ প্ৰাপ্তিৰ ৰাতি, আজি তৰাভৰা আকাশ আৰু চহৰৰ আলোকমালা নিষ্প্ৰভ কৰি হাজাৰ হাজাৰ জোৰৰ পোহৰ, আজি এতিয়া খাচীয়া ডেকা-গাভৰুৰ অঙ্গে অঙ্গে উত্তেজনা, তেওঁলোকৰ বাহুত আৰু ভৰিত স্বতঃস্ফূৰ্ত নৃত্যৰ ছন্দ, আজি এতিয়া দ্ৰুতৰ পৰা দ্ৰুততৰ হৈ আহিছে ঢোলৰ ছেও, আজি এতিয়া তোমালৈ সাঁচি থোৱা তোমাৰ তৰাটো তোমাক দিলোঁ, তোমাক দিয়াৰ ইচ্ছা মোৰ পূৰ হ'ল —।”

“আৰু মোৰ পৰা বিচৰাৰ ইচ্ছাটো? মোৰ পৰা বিচৰাৰ ইচ্ছাটো কিয় পূৰ নকৰা?”

“তোমাক মই কৈছোঁ, সেই ইচ্ছা মই আৰু কৰিব নোৱাৰোঁ, তাৰ কাৰণে এটা নিশ্চয়তাৰ প্ৰতিশ্ৰুতি লাগে, মোৰ ইচ্ছা পূৰণ হ'ব বুলি আশ্বাস লাগে, সুনিশ্চিত আশ্বাস লাগে—।”

“কি হ'লে বাৰু তুমি আশ্বাস পাবা? কিহে তোমাক বিচৰা বস্তু পোৱাৰ প্ৰতিশ্ৰুতি দিব? ”

“মই ক'ব নোৱাৰোঁ, মই নাজানো।”

“মইয়েই সেই প্ৰতিশ্ৰুতি নহয় নে?”

“নহয়, তুমি সেই প্ৰতিশ্ৰুতি নোহোৱা, কাৰণ তোমাৰেই প্ৰতিশ্ৰুতি মোক লাগে। অন্য কিবা, অন্য কিবা।”

“অন্য কিবা? বাৰু, অন্য কিবা তেনেহ'লে। অলপ পাছতেই আমি পাহাৰৰ

আটাইতকৈ ওখ শিখৰত উঠিম, খিলঙৰ পোহৰবোৰ আমাৰ চকুত পৰিব, আমি পুনৰ চহৰলৈ আমাৰ জীৱনলৈ উভতি যাম। তাৰ আগতে আকৌ এবাৰ তেনেহ'লে চাই লোৱাঁ দূৰৰ সৌ উৎসৱৰ পোহৰ, আকৌ এবাৰ শুনা সৌ দূৰৰ নাচৰ তাল, ইচ্ছা পূৰণৰ সঙ্গীত — তোমাৰ ইচ্ছা পূৰণৰো এয়ে সঙ্গীত, মইয়েই তাৰ প্ৰতিশ্ৰুতি, তুমি বিচৰা আশ্বাস মইয়েই তোমাক দিব পাৰিম — তুমি মানা, নামানা জানো, যে আকাশৰ পৰা পপীয়া-তৰা খহি পৰা দেখিলে যি ইচ্ছা কৰা যায় সেয়ে ফলে? চোৱাঁ, চোৱাঁ, সৰলগছ দুডালৰ মাজেৰে কেনেকৈ মোৰ তৰাটো খহি পৰিছে, কেনেকৈ সি মোৰ বাবে জীৱন দিছে ...”



ড° ভবেন্দ্ৰ নাথ শইকীয়া

বৃন্দাবন

বৃন্দাবন

উপেনে চহৰৰ এমূৰৰ পৰা আৰম্ভ কৰি প্ৰতিটো চুবুৰিৰে মানুহবোৰৰ নাম এফালৰ পৰা ভাবি আনিলে। অফিছত একেলগে কাম কৰা মানুহবোৰৰ কথাও পাৰে মানে মনত পেলালে। ক'ৰবাত কেনেবাকৈ পাহৰাত কোনোবা বাদ পৰিলে বিয়াৰ পাছত কথা শুনিব লাগিব। কোনোবাই হয়তো বাটত লগ পালে ক'ব, "মনে-মনে বিয়া পাতিলে নহয়! বাৰু..."

নাইবা দূৰৰ পৰা, — বিয়ালৈ মাতিবলৈ নহ'ল — এনেকুৱা মানুহ এজনক দেখি মিছা কথা ক'বলৈ সাজু হ'ব লাগিব ; উপযাচি সুধিব লাগিব, "বিয়ালৈ নাহিল দেখোন!" মানুহজনে হয়তো অভিমানত ক'ব, "মাতিলে ৰণলৈকো যাবা, নামাতিলে ভোজলৈকো নাযাবা।"

তেতিয়া উপেনে ক'ব, "কিয়, চিঠি পোৱা নাই জানো? এই ল'ৰাবিলাক বৰ ইৰেস্পন্সিবল বুইছে! অকল আপোনাকেই নহয় বহুতকে সিহঁতে দিলোঁ-দিলোঁ বুলি চিঠি দিয়া নাই। অথচ মই নিজ হাতেৰে সকলো নাম-ঠিকনা লিখি দিছোঁ।"

ইমানবোৰ জঞ্জালৰ সম্ভাৱনালৈ যোৱাতকৈ, এতিয়া সময় থাকোঁতেই স্থিৰ মগজেৰে নামবোৰ মনত পেলোৱা ভাল ; অন্ততঃ যিমানদূৰ সম্ভৱ। সন্মুখৰ মেজখনত এজাপ ছপা কৰা নিমন্ত্ৰণী চিঠি, এজাপ লেফাফা ; কিছুমানত ঠিকনা লিখা হৈছে ; অলপ দূৰৰ বন্ধু-বান্ধৱৰ কাৰণে কিছুমানত বুক-পʼষ্ট বুলি লিখি ডাক টিকটো লগোৱা হৈছে। কলমডাল চিঠিবিলাকৰ ওপৰতে থৈ উপেনে ভাবিছে — কাক-কাক নিমন্ত্ৰণ কৰিবলৈ বাকী থাকিল। এনে সময়তে ভিতৰফালৰ দুৱাৰৰ পৰ্দাখন আঁতৰাই দুৱাৰডলিত নিজৰা থিয় হ'লহি ; তাই মাতিলে, "মামা!"

উপেনে মাৰোৱাৰী চুবুৰিটোৰ কথা ভাবিছিল। 'বাবুজী বাবুজী' বুলি মুখৰ চিনাকি তাৰ বহুতৰ লগতে আছে; আনকি দোকানত সোমালেই ইলাচি-ডালচেনিৰ বাটিটো আগবঢ়াই দিয়া চিনাকিও বহুতৰ লগত আছে ; কিন্তু মুস্কিল হ'ল, — নামবিলাক সি সম্পূৰ্ণকৈ নাজানে। এজনক যদি মুৰাৰীলাল বুলি জানে, উপাধিটো নাজানে ; এজনক আগৰৱাল বুলি জানে, কিন্তু তেওঁ কি লাল সেইটো নাজানে।

নিজৰাই আকৌ মাতিলে, এইবাৰ অলপ ডাঙৰকৈ, — "মামা!"

উপেনে শুনিলে, সুধিলে, "কি হ'ল অ' নিজৰা?"

"ই—স, এবাৰ মাতিলে নুশুনেই!" কথাষাৰ কৈ নিজৰা মেজখনৰ কাষলৈ আগবাঢ়ি আহিল। উপেনে ক'লে, "মই কিবা এটা ভাবি আছিলোঁ অ'। কি হ'ল, কিয় মাতিছিলি?"

মেজৰ ঠিকনা লিখা চিঠিকেইখনমান এনেয়ে লুটিয়াই-বগৰাই চাই নিজৰাই সুধিলে, "সেই হেৰিক চিঠি দিছে?"

"কোন হেৰিক?"

"সেই যে এদিন আবেলি আমাৰ ঘৰলৈ আহিছিল!" নিজৰাই মনত পেলাই দিবলৈ চেষ্টা কৰিলে।

উপেনে ক'লে, "আমাৰ ঘৰলৈ আবেলি-আবেলি কিমান মানুহ আহে! জানো তই কাৰ কথা কৈছ!"

"নহয় নহয়, সেই যে লগত সৰু ছোৱালী এজনী আহিছিল; চাহ খাওঁতে যে বগা কাপটোৰ নালডাল ভাঙিলে; আপোনাৰ সমান ওখ যে, — ক'লা চছমা পিন্ধা মানুহটো যে—"

উপেনে অলপ সময় মনত পেলাবলৈ চেষ্টা কৰিলে; তাৰপাছত ডাঙৰকৈ ক'লে, "অ' — চন্দ্ৰ ৰাজখোৱা! হয় নে নহয়, ভাল মনত পেলালি দে; মই একেবাৰে পাহৰি গৈছিলোঁ।"

উপেনে লগে-লগে চকীত পোন হৈ বহি কলমডাল তুলি ল'লে; লেফাফা এটা চপাই লৈ সি ঠিকনা লিখিবলৈ লাগিল।

"ইস্, চব পাহৰি যায়!" বুলি নিজৰাই মেজৰ কিনাৰটোত তাইৰ থুঁতৰিটো লগাই লৈ জাপি-জাপি থোৱা চিঠিবোৰৰপৰা লেফাফা এটা তুলি ল'লে, এনেয়ে লিৰিকি-বিদাৰি চালে, তাৰ পাছত আকৌ থৈ দিলে। পিছবাৰত শুদা চিঠি এখন লৈ ভাঁজবোৰ খুলিলে, আৰু অংকশাস্ত্ৰত বিদগ্ধ পণ্ডিতে উজু ধাৰাপাতৰ পাত লুটিওৱাৰ নিচিনা অত্যন্ত উদাসীন দৃষ্টিৰে চিঠিখনৰ ছপা আখৰবোৰৰ ওপৰত চকু বুলালে। তাৰ পাছত সুধিলে, "ইয়াত আপোনাৰ নাম আছে নহয় মামা?"

উপেনে লেফাফা এটা ওপৰত চন্দ্ৰ ৰাজখোৱাৰ নামটো লিখি তলত ইংৰাজীৰ লোকেল শব্দটো লিখিছিল, সি তলমুৰকৈয়ে সুধিলে, "ক'ত অ'?"

নিজৰাই চিঠিখন দাঙি দেখুৱালে, "ইয়াত।"

উপেনে মুৰ তুলি ক'লে, "ওঁ।"

পাছ মুহূৰ্ততে নিজৰাই মেজৰ কিনাৰত কিলাকুটিৰ ভেজা দি, অলপ ওখ হ'বৰ চেষ্টা কৰি সুধিলে, "আৰু কাৰ নাম আছে মামা?"

আগ্ৰহত তাইৰ চকু দুটা জিৰ্‌বিৰাই উঠিল।

উপেনে বুজিলে 'তোৰ নামো আছে' বুলি ক'লে নিজৰাই ভাল পাব; সেই আশাতেই তাই কথাষাৰ সুধিছে; কিন্তু সেইবাৰ কথা কোৱাৰ লগে-লগে কি কাণ্ড হ'ব সেইটোও

উপেনে বুজে। লগে-লগে তাই দৌৰ মাৰি ওলাই যাব, চিএৰি-চিএৰি কথাবাৰ আইত্ৰাকক ক'ব, বৃন্দাবন বুঢ়াক ক'ব, বিয়া বুলি কেইদিনমানৰ আগৰে পৰা যি দুই-এক আত্মীয়-কুটুম ঘৰত গোট খাইছেহি,তেওঁলোকৰ এটাইকে ক'ব, তাৰ পাছত পদূলিলে ওলাই গৈ লগৰীয়া এমখা গোটাই লৈ সিহঁতক বুজাব, "বুইছা, মামাই বিয়াৰ চিঠিত মোৰ নামটোও লিখি দিছে।" এইখিনিলৈকে ঘটনাটো যেন-তেন। কিন্তু তাইৰ ফূৰ্তি সহ্য কৰিব নোৱাৰি কোনোবা হিংসাকুৰীয়া ছোৱালীয়ে যদি ঘটনাটোৰ আঁতি-গুৰি লৈ তাইক কয়হি, — "আমাৰ ডাঙৰ বাইদেৱে কৈছে চিঠিখনত বোলে তোমাৰ নাম নাই", — তেনেহ'লে কিছুসময়ৰ কাৰণে নিজৰাৰ মোমায়েক ডাঙৰ নে, হিংসাকুৰীয়া ছোৱালীজনীৰ বাইদেৰেক ডাঙৰ, তাকে লৈ এখন ডাঙৰ তৰ্ক হ'ব। শেষ পৰ্যন্ত যদি প্ৰমাণিত হয় যে মোমায়েকে নিজৰাক ফাঁকি দিছিল, তেনেহ'লে আইতাক, বৃন্দাবন বুঢ়াই ভৰিত ধৰিও তাইক ভাত খুৱাব নোৱাৰিব। কোনোবাই মৰম কৰিবলৈ হাত মেলিলে এচাৰ মাৰি হাত আঁতৰাই দিব ; নাকান্দে, কিন্তু তাইৰ মুখখন দেখিলে এনেকুৱা লাগিব, — গোটেই আকাশখন এনেকৈ ওন্দোলাই আনিছে যেন কোন মুহূৰ্তত কি হয়, ঠিক নাই, — যেন এই ঘৰ-দুৱাৰ উটুৱাই নিয়ে নিয়ে—।

বহুত লেঠা। এই ছোৱালীজনীক লৈ উপেনৰ যিমান লেঠা, মাহেকৰ মূৰত চৰকাৰী মালখানাৰ টকা-পইচাৰ হিচাব পাই-পাইকে মিলোৱাতো সিমান লেঠা নাই। এই ছোৱালীজনীৰ লগত অকণমান অসাৱধান হোৱাত যিমান লেঠা, হেজাৰ-হেজাৰ চৰকাৰী টকা চন্দুকত ভৰাই থৈ, চাবিটো জেপত লৈ পিক্‌নিক খাবলৈ গৈ কিছুমান অসাৱধান ঘণ্টা কটাই অহাতো সিমান লেঠা নাই।

গতিকেই উপেনে প্ৰথমতে মূৰটো ইফালে-সিফালে লৰালে, তাৰ পাছত ক'লে, "নাই অ', আৰু কাৰো নাম নাই।" সি ভাবিছিল, কথাষাৰ শুনিয়েই নিজৰা হতাশ হৈ যাব; চকু দুটা ঘোপা কৰি তালৈ চাব। কিন্তু একো নহ'ল। সি ইমান সহজে তাইক বুজিব পৰা হ'লে কথাই নাছিল। তাই নিৰ্বিকাৰভাৱে চিঠিখন আকৌ জাপিলে, য'ৰ পৰা লৈছিল তাতে থ'লে আৰু ডাকটিকট লগোৱা চিঠি এখন তুলি লৈ কেৱল সুধিলে, "আইতাৰ নামটো কিয় নিদিলে?"

উপেনৰ হাঁহি উঠি গ'ল। নিজৰাৰ কথাষাৰৰ উত্তৰ নিদি সি লৰালৰিকৈ ক'লে, "থ থ, থান-বান নকৰিবি, মই চিজিল লগাই জাপি থৈছোঁ, থ।"

"ক'তনো থান-বান কৰিছোঁ, মই চাইছোঁহে।" নিজৰাই ক'লে।

মই লিখা হ'লে তেতিয়া বাৰু চাবি, এতিয়া তই ভিতৰলৈ যাগে যা।"

"ইস্ নালাগে, মই আপোনাৰ ওচৰতে থাকিম।"

"অ—, মই তোৰ লগত কথা পাতি থাকিলেই হ'বনে কি? কিমানবোৰ চিঠি লিখিবলৈ আছে দেখা নাই?" উপেনে মেজখনৰ ওপৰৰ চিঠিবোৰ দেখুৱালে।

নিজৰাই ক'লে, "কালৈ চিঠি লিখিব লাগে মইহে মনত পেলাই দিছিলোঁ তেওঁ!"

"মনত পৰিলে বাৰু আকৌ আহিবি, এতিয়া আইতাৰে কি কৰিছে চাগে যা ; — আৰু আইতাৰৰ ওচৰতে বহি ভাবি থাকিবি, আৰু মনত পৰিলে মোক কৈ যাবিহি, যা।"

“ইস্ বাম”, — নিজৰা আচলতে মহা সমস্যাত পৰিছিল। তাই আচল কথাটো বিৰক্তিৰে প্ৰকাশ কৰিলে, “আইতাই মোক আপোনাৰ ওচৰত থাকিবলৈ পঠিয়াই দিছে।”

কথা সেইটো। উপেনে অনুমান কৰিবলৈ চেষ্টা কৰিলে কি সুখত মাকে তাইক তাৰ ওচৰলৈ পঠিয়াই দিছে। সি তাইক ওচৰলৈ মাতিলে, “চাওঁ শুনচোন।” নিজৰা লৰালৰিকৈ তাৰ ওচৰ চাপি গ'ল। বৰ ডাঙৰ অথচ অতি গোপনীয় পৰামৰ্শ এটা লোৱাৰ ভংগীৰে বেঙা মেলি তাই কাণখন উপেনৰ মুখৰ ওচৰ চপাই দিলে। উপেনে ক'লে, “তই আইতাৰ ওচৰলৈ যাবি বুইছ?”

“ওঁ”, নিজৰাই কিবা এটা ৰহস্যৰ সন্ধান পালে, মূৰ দুপিয়ালে, আৰু পাছৰ কথাখিনি শুনিবলৈ কাণখন আৰু অলপ ওচৰ চপাই দিলে। বৃন্দাবন বুঢ়া শুই থাকিলে নাকত সূতা এডালেৰে সুৰসুৰাই দিয়া, আইতাকৰ চাদৰৰ আগত ৰছী এডাল বান্ধি ইটো মূৰ চকী এখনৰ লগত সাঙুৰি দিয়া, — এনেধৰণৰ কথাৰ গোপন পৰামৰ্শ উপেনৰ লগত নিজৰাৰ প্ৰায়েই হয়।

উপেনে মনে-মনে ক'লে “গৈ ক'বি, মামাই মোক আপোনাৰ ওচৰতে থাকিবলৈ কৈছে আৰু একো গণ্ডগোল নকৰোঁ বুলি ক'বলৈ কৈছে।” পাছ মুহূৰ্ততে সি তাইক “যা যা, দৌৰ মাৰ” বুলি পিঠিখনত হাত এটা দি ঠেলি দিলে।

অলপ দূৰৰ পৰা নিজৰাই ওঁঠ দুখন জোঙা কৰি, কপালখন থুপ খুৱাই দীঘলীয়াকৈ ‘ওঁ—হ’ বুলি শব্দ এটা কৰি মোমায়েকলৈ চালে, তাৰ পাছত পৰ্দাখন আঁতৰাই ওলাই গ'ল। যাওঁতে ওৰে বাটটোৰে তাই ভোৰভোৰাই গ'ল, — “আইতাই ক'ব মামাৰ ওচৰলৈ যা, — মামাই ক'ব আইতাৰ ওচৰলৈ যা, — ইমান যে দিগদাৰ।”

নিজৰাই ভোৰভোৰালে গোটেই ঘৰে শুনে। কথা ক'লে কেইবা ঘৰলৈকে শুনি। আইতাক সুৰ্বৰ্ণলতাই সুধিলে, “কি দিগদাৰ হ'ল অ' নিজৰা?”

এনেকুৱা সময়ত প্ৰশ্নৰ উত্তৰ ততালিকে দি দিয়াটো খং মাৰ যোৱাৰ চিন। নিজৰাই মাজে-মাজে সেইটো ভাল নাপায়। তাই আইতাকৰ ওচৰতে তভক মাৰি বৈ থাকিল।

সুৰ্বৰ্ণলতাই নিজৰ পুৰণিকলীয়া বাকচটো মেলি লৈ ইটো-সিটো বস্তুৰ মাজৰ পৰা শৰাই-ঢাকনি কেইখনমান উলিয়াইছিল। এই বাকচটো বহুত দিন খোলাই হোৱা নাই। বহুত দিনৰ আগতে থোৱা বস্তুবোৰ তেনেকৈ খেলিমেলি হৈয়েই পৰি আছে ; কফুৰৰ গোন্ধটোৰেও বস্তুবোৰ খামোচ মাৰি ধৰি আছে। সুৰ্বৰ্ণলতাই বহুত দিন বাকচটো খুলি বস্তু-বাহানিবোৰ ভালকৈ চিজিল লগাই জাপি থোৱাৰ কথা ভাবিছে, কিন্তু এলাহেই লাগে নে কিয়েই, সেই ভবাতে আছে, থোৱা হোৱা নাই। পুতেকৰ বিয়াৰ কাৰণে সৰু-সুৰা বস্তুবোৰৰ কথা ভাবোঁতে আজি হঠাতে শৰাই-ঢাকনিকেইখনৰ কথা তেওঁৰ মনত পৰিল। আটা-ময়দা, টিনপাত, মটৰ গাড়ী, বেগুনাৰ্চি-বুলীয়া, — এইবোৰ ডাঙৰ-ডাঙৰ বস্তুৰ লগত সুৰ্বৰ্ণলতাৰ কোনো কাৰবাৰ নাই। এই কিছুমান টুক-টাক বস্তু, বিৰিলাকলৈ সময় থাকোঁতে কোনেও মনেই নকৰে, কিন্তু সময়ৰ মূৰত নাই বুলিলেই নাই, ধৰমূৰা লাগে, — তই চাইকেলখন লৈ এইফালে যা, তই অমুকৰ ঘৰলৈ যা, তই অমুকৰ তালৈ যা, — সেই

তেনেকুৱা বস্তু — যেনে ধানৰ থোক, শৰাই-ঢাকনি, অকণমান কটাৰী এখন, হাতত লৈ ফুৰিব পৰা ফণি এখন, শলিতা বটিবলৈ কেঁচা সূতা এমুঠি, — এইবোৰক লৈ তেওঁৰ চিন্তা। উপেনে হয়তো গোটেই দিনটো টলৌ-টলৌকৈ ঘূৰি-ঘূৰি পি. ডব্লিউ. ডি. অফিছত চাৰিখন ত্ৰিপাল আৰু নাট্যমন্দিৰত পঞ্চাছখন চকী বিয়াৰ পাছ দিনাই ওভোতাই দিয়াৰ প্ৰতিশ্ৰুতিত যোগাৰ কৰি আহিছে, ঘৰ সোমোৱাৰ লগে-লগে সুবৰ্ণলতাই সুধিব, "চন্দ্ৰ গোসাঁইৰ ঘৰত দুণৰিটোৰ খবৰ কৰিছিলিনে?"

নাই কৰা। খং তালুত উঠেগৈ, — উপেনৰো — মাকৰো। উপেনৰ ভাব, — ইমানবিলাক বস্তুৰ চিন্তাত মোৰ মূৰ ঘূৰাব লাগিছে, — তাৰ ওপৰত আকৌ ক'ৰ দুণৰি ক'ৰ কি! মাকৰ ভাব, — ঘূৰি ফুৰাহে দেখিছোঁ, কামৰ একোটো হোৱা নাই। আজিলৈকে দুণৰিটোৰেই ঘৰ নোসোমালহি!

গতিকেই শৰাই-ঢাকনিকেইখন উলিয়াবলৈ সুবৰ্ণলতাই বাকচটো খুলি ল'লে। লগতে সৰু-সুৰা বস্তু আৰু দুটা-এটা ওলাব পাৰে। কিন্তু বাকচৰ ঢাকনিখন খোলাৰ লগে-লগে তেওঁৰ বুকুখন যেন মোচোকা খাই উঠিল। জীয়েক মনোৰমাৰ বিয়াৰ পাছত বাকচটো যেনেকৈ এৰিছিল, সেই চিনেই আছে। ইটো-সিটো বস্তু আঁতৰাই শৰাই-ঢাকনিকেইখন উলিয়াওঁতে তেওঁৰ বুকুত গোট খাই থকা বহুত কথাৰ জাপ আঁতৰাই যেন তলিৰ পৰা আগৰ বিয়াখনৰ কথাবোৰ ওলাই আহিল। এনে সময়তে নিজৰাই তোৰতোৰণি তুলিলে, — ইমান যে দিগদাৰ।

তাই উত্তৰ নিদিয়া দেখি সুবৰ্ণলতাই এবাৰ তাইৰ মুখলৈ চালে; কিন্তু মুখৰ চেহেৰা দেখি একো সুধিবলৈ সাহ নকৰিলে। কি ঠিক, সুধিলে ডাবিও খাব পাৰে।

এখন-এখনকৈ কেইবা বণ্ডৰ কেইবাখনো শৰাই-ঢাকনি উলিওৱাৰ পাছত যেতিয়া কিনাৰত ওলমি থকা সৰু-সৰু মণিবোৰে তিৰ্‌বিৰাবলৈ ধৰিলে, তেতিয়া নিজৰাই ওচৰ চাপি কাপোৰকেইখন লিৰিকি-বিদাৰি চাবলৈ ধৰিলে। তাৰ পাছত তাই হঠাতে মূৰ তুলি উচ্ছ্বসিত মাতেৰে ক'লে, "বুইছে আইতা, মামাই বিয়ালৈ কাক মাতিব লাগে পাহৰি গৈছিল, মই মনত পেলাই দিলোঁ।"

"ভাল কৰিলি আই, —" সুবৰ্ণলতাই ক'লে, "ঘৰখনত তোৰহে মগজটো ভালে আছে; বাকী এটাইখন বলিয়া হ'ল।"

কিনাৰত মণি লগোৱা শৰাই-ঢাকনি এখনেৰে মূৰটো ঢাকি নিজৰা বাৰাণ্ডালৈ ওলাই গ'ল। দুবাৰমান ইফালে-সিফালে অহা-যোৱা কৰি হঠাতে তাই ঠিক কৰিলে — এনেকৈ থাকিলে নহ'ব, কাম কৰিব লাগে।

বিয়াখন ওচৰ চাপি আহিছে মানে কাম-বন বাঢ়ি গৈছে। সেই হিচাপে ঘৰত মানুহো গোট খাইছে। উপেনৰ বিধবা খুড়ীয়েক কুৰিদিনমানৰ আগতে আহিল। পেহীয়েকৰ জীয়েক সুৰমাই ককায়েকৰ বিয়াৰ চেলুটোকে লৈ শহুৰেকৰ ঘৰৰ পৰা প্ৰথম মাক-বাপেকৰ ঘৰলৈ আহিছে, আৰু আহি এটাইখিনি সময় উপেনহঁতৰ ঘৰতে কটাইছে। বজা-চালি, মানুহক খুওৱা-বুওৱাৰ দায়িত্ব যোৱায়েক মহীধৰে কেতিয়াবাই নিজৰ অভিজ্ঞ কান্ধত তুলি লৈছে।

ফলস্বৰূপে অকলশৰীয়া উপেনে অলপ সকাহ পাইছে। সুবৰ্ণলতাই গোটেই পাকঘৰটো সুৰমাক গতাই দি অকণমান উশাহ লৈছে। অন্ততঃ যি কেইদিন তাই আছে।

উশাহ পোৱা নাই নিজৰাই। যিয়ে যিমান কামেই নকৰক, তাই হাত নিদিলে একো চিজিলেই নালাগে। সুৰমাই ভাত ঠিকেই ৰান্ধিব, তৰকাৰী ভাজি সকলো খাবলৈ ভালেই হ'ব, কিন্তু আইতাকে যে বেঙেনা-ভাজি নাখায়, মোমায়েকক যে কিনাৰত ফুলকটা কাঁহীখনত ভাত দিব লাগে, সেইখিনি কথা নিজৰাই শিকাই নিদিলে নহয়। ওচৰৰ মানুহকেইঘৰত তামোল-পাণেৰে মাতি আহোঁ বুলি সুবৰ্ণলতা নিজে ওলাব, তামোল-পাণৰ খৰাহিটো বৃন্দাবনে লগে-লগে লৈ যাব, কিন্তু বটাটো? আৰুনো কোনে নিব, — মাত নিজৰাক।

"মই লগত নগ'লে আইতা যে ক'লৈকো যাবই নোৱাৰে" — বুলি নিজৰাই যেতিয়া ভিতৰৰ পৰা চিএৰটো মাৰে, তাৰ আগতেই অৱশ্যে তাইৰ ফ্ৰকটো সলোৱা হৈ যায়, কেৱল ফণিখন লৈ সুৰমাৰ ওচৰলৈ যাবলৈ বাকী।

মুঠৰ ওপৰত নিজৰাই চকু নিদিলে এইখন ঘৰ ঘৰ হৈ থাকে নে নাথাকে সন্দেহ। মূৰৰ পৰা শৰাই-ঢাকনিখন আঁতৰাই তাই ওচৰৰ চকীখনতে থ'লে আৰু বাৰাণ্ডাৰ পৰা নামি গ'ল।

বৃন্দাবন বুঢ়াই পিছফালে, যিখিনিত দৰাক গা ধুৱাবলৈ বেই সজা হ'ব সেই ঠাইডোখৰ ঠিক কৰিছিল। বেছিভাগ কাম দিনহাজিৰা দি লগোৱা মানুহে কৰি থৈ গৈছে, অ'ত-ত'ত ওখ-চাপৰ হৈ থকা মাটিবোৰ কোৰখনেৰে চুককি সমান কৰিবলগীয়া হৈ আছে, বৃন্দাবনে আকে কৰিছিল। নিজৰা সেইখিনিত থিয় হ'লগৈ। অকণমান সময় বৃন্দাবনে কোৰ চলোৱা চাই থাকি তাই ক'লে, "হেৰা ককাই, মোৰ তুলসী-পুলিটো নাকাটিবা হ'লে, কৈ দিছোঁ।"

পিছফালে অকলে-অকলে কাম কৰি-কৰি বৃন্দাবনৰ অলপ আমনি লাগিছিল। মাজতে কেৱল সুৰমাই এবাৰ পাচলিৰ বাকলি পেলাবলৈ আহি সুধিছিল, "চাহ অকণমান খাবা নেকি ককাই?" তাৰ বাহিৰে বহুত সময় সি কাৰো মাত এষাৰ শুনা নাই। এতিয়া নিজৰাৰ মাত শুনি সি এনেকৈ মূৰ তুলি চালে যেন তাইৰ কাৰণেই সি মনে-মনে বাট চাই আছিল। মুখৰ খজুৰতি মাৰিবলৈ নিজৰাতকৈ উপযুক্ত মানুহ বৃন্দাবনৰ কাৰণে আৰু কোনো নাই।

অকণমান সময় তভক মাৰি চাই থাকি সি ক'লে, "কিয় নাকাটিম? কোৰৰ আগত যি পৰে এফালৰ পৰা চব থৈয়াই নিয়। ইস্, বৰ একেবাৰে মহাৰাণীগৰাকী আহিছে হুকুম দিবলৈ! এত-তিয়াই চব কাটি পেলাম।" শেষৰ কথাষাৰ সি এনেকুৱা সুৰত ক'লে যেন গোটেই পৃথিবীখন সমান কৰাৰ উদ্দেশ্যেৰে আজি সি কোৰ হাতত লৈছে; নিজৰা কিয়, তেত্ৰিছ কোটি দেৱতায়ো তাক ধৰি ৰাখিব নোৱাৰে। সন্মুখৰ মাটিত সি ইমান খৰখৰকৈ কোৰ চলাবলৈ ধৰিলে যেন অনতিপলমে তুলসী পুলিটোৰ ওচৰত উপস্থিত হোৱাটোৱেই তাৰ মনৰ একমাত্ৰ কামনা।

"ইস্, মোৰহে পুলি কেঁও!" নিজৰা চিঞৰি উঠিল।

"হ —স, এওঁৰহে পুলি।" — বৃন্দাবনৰ নাক কোঁচ খাই, তলৰ ওঁঠখন লুটি খাই,

শোটোৰা-শোটোৰ মুখখন — গৰুৰে আক্ৰমণ কৰা, অথচ একামোৰতকৈ বেছি খাব নোৱৰা পকা কঁঠালৰ নিচিনা বিকৃত হৈ পৰিল। সেই বিকৃত মুখেৰেই সি ক'লে, "এওঁ মাটিৰ তলৰ পৰা তুলসী পুলিটো লৈ আহিছে!"

কোনো কম নহয়। আঁঠুলৈকে পৰা ফ্ৰক পিন্ধা নিজৰা যি, আঁঠুৰ মূৰলৈকে চুৰিয়া পিন্ধা বৃন্দাবনো সেই। কিন্তু এইবাৰ নিজৰা অলপ মস্কিলত পৰিল। তুলসী গছজোপা যে মাটিৰ তলৰ পৰা ওলাইছে, সেইটো তাই নিজেই দেখিছে আৰু তাই যে মাটিৰ তললৈ গৈ গছজোপা লৈ অহা নাই সেইটোও তাই ভালকৈ জানে; গতিকে কি ক'ব ভাবি, বৃন্দাবন বুঢ়াৰ মুখলৈ চাই তাই থত্‌মত্ খালে। লাহে-লাহে তাইৰ আত্মসম্মানত আঘাত লাগিল, তাৰ পাছত খং উঠি গ'ল। তাই ক'লে, "কেনে পাত কৰে এইডালে! বৰ একেবাৰে কাম কৰি দেখুৱাইছে!"

"দেখুৱামতো", বৃন্দাবনে মুখত ধৰিলে, "কাম কৰিছোঁ যেতিয়া দেখুৱামেই। তোমাৰ নিচিনা নে কি?"

"ইস্, মই কাম কৰা নাই?"

"কিটো কাম কৰিছাহে, কিটো কাম কৰিছা?" বুঢ়াই পাৰিলে চোঁচা মাৰি খেদি আহেই!

নিজৰাই বৃন্দাবনক জব্দ কৰিবৰ মনেৰে ডিঙিটো আগবঢ়াই, মুখখন জোকাৰি ক'লে, "কালি যে — তোমালোকে — সেই তাত — আগফালে — গাঁত খানিছিলা, তেতিয়া মই কাম কৰা নাই?"

কৰিছিল। মহীধৰ আৰু বৃন্দাবনে আগফালে ৰভাখনৰ খুঁটা পোতাৰ ব্যৱস্থা কৰিছিল; খুঁটাবোৰ একে শাৰীতে পেলাবলৈ বুলি বছী এডাল টানি লৈ চিন দি লোৱাৰ দৰকাৰ হৈছিল; নিজৰা ওচৰতে আছিল আৰু তাইক মহীধৰে অকণমান সময় বছীডালৰ মূৰটো ধৰি থাকিবলৈ দিছিল। গতিকেই নিজৰাই কাম কৰিছিল। কিন্তু এতিয়া তাই কথাষাৰ কৈ শেষ কৰাৰ লগে-লগে "বৰ কামটো কৰিছিলা" — এনেকুৱা তাচ্ছিল্যৰ সুৰত বৃন্দাবনে দীঘলীয়াকৈ "উ" — বুলি চিঞৰি উঠিল।

নিজৰা তৎক্ষণাত ঘূৰি গোঁ-গোঁৱাই গুচি আহিল। বৃন্দাবন সদায় বদমাচ; কিন্তু আজি সি ইমান বদমাচ হৈছে যে নিজৰা তাৰ ওচৰত থকাই উচিত নহয়। বাটে-বাটে তাই কৈ আহিল, "ৰ'বাচোন, মামী আহিলে কৈ দিম নহয়।"

তাই যোৱাৰ ফালে অকণমান সময় চাই থাকি বৃন্দাবন বুঢ়াই মুখখন মেলি হো-হোকৈ অকলে-অকলে হাঁহিলে। অদ্ভুত তৃপ্তিৰ হাঁহি। তৃপ্তি অকল তাৰ হাঁহিতেই নহয়, কপালৰ পৰা বৈ অহা ঘামৰ টোপালবিলাকতো যেন মিহলি হৈ ওলাই আহিল। এনেকুৱা এখন কাজিয়া কৰাৰ পাছত তাৰ এনেকুৱা এটা বল পোৱা যেন লাগে যে নোখোৱা-নোবোৱাকৈও সি যেন গোটেই দিনটো কোৰ মাৰি থাকিব পাৰিব।

নিজৰাই গা-ধোৱা ঘৰত সোমাই লৰালৰিকৈ ভৰিত পানী অলপ ঢালিলে। পিছফালৰ পৰা আহি ভিতৰ সোমোৱাৰ আগতে ভৰি ধুই সোমাব লাগে। ভিতা ভৰিৰেই

তাই থপথপকৈ দৌৰ মাৰি পাগঘৰলৈ গ'ল। চৰুৰ ওপৰত পাচলিয়ে চেনচেন কৰি আছে। সুৰমাই তাই অহা গম পোৱা নাছিল ; উভতি চালে মাত শুনি, — "মই পাচলি কুটি দিম পেহীদেউ ?"

"—ই, এতিয়া আহিছা! মোৰ পাচলি কুটা হ'ল নহয়।" সুৰমাই হাঁহি-হাঁহি ক'লে।

"ভাজি নকৰে ?" একেবাৰে আশা এৰি নিদি নিজৰাই সুধিলে।

"ভাজি-তৰকাৰী-দাইল এটাইবোৰ হ'ল। তুমি বাৰু গধূলিকৈ কুটি দিবা ; মই মাতি আনিম বাৰু তোমাক।"

"আজি ভাত-তৰকাৰী খুব সোনকালে হ'ল নহয় ?" — বুলি সেমেকা মাতেৰে সুধি নিজৰা আঁতৰি আহিল।

আজি তাই ক'তো হাত দিবলগীয়া হোৱা নাই যদিও ঘৰখনৰ কাম-বন ঠিকেই চলিছে, — অৱশ্যে বৃন্দাবনৰ কথা বাদ দি। কেৱল চোতালত মাটিৰ গিলাছবোৰ এনেকৈ পৰি থকাটো ঠিক হোৱা নাই। বহুত গিলাছ। ইমানবোৰ গিলাছ কিয় বুলি সোধাৰ উত্তৰত মামাই কৈছিল — বিয়ালৈ বহুত মানুহ আহিব, সেই কাৰণে গিলাছো বহুত। বিস্নাৰ পৰা নমাই পিছফালৰ চোতাললৈ আনোতে কেইটামান ভাগিলেই। বাকীখিনি এদ'ম হৈ পৰি আছে। মামাই কৈছে, একেবাৰে ধুই-পখালি গিলাছবোৰ জাপি থ'ব লাগিব। নিজৰাই ভাবিলে ধোৱাৰ আগতে এনেকৈ দ'ম হৈ পৰি থকাতকৈ চোতালত শাৰী শাৰী হৈ থকানো কি বেয়া ? ইটোৰ গাত সিটো লগাই তাই গিলাছবোৰ শাৰী-শাৰী কৰাত লাগিল। মাজতে সুৰমাই এবাৰ তাইক মানা কৰিলে। তাই ক'লে, "ৰ'বচোন, কিমান ধুনীয়া হৈছে।"

সুবৰ্ণলতাই বহুদিন জাপত সোমাই থকা শৰাই-ঢাকনিকেইখন ৰ'দত দিবলৈ বুলি আহি দেখে, চোতালত গিলাছে মৌ-বাহ সাজিছে। তেওঁ সুৰমাক লাহেকৈ সুধিলে, "তাইক আকৌ সেইটো কামত লগালে কোনে ?"

"তাই নিজেই লাগিছেগৈ ; মই মানা কৰিলোঁ, নুশুনলে, কি কৰিম ?"

দুৱৰপৰাই সুবৰ্ণলতাই মাতিলে, "চাওঁ নিজৰা, এইফালে আহচোন।"

নিজৰাই মূৰেই নুতুলিলে।

"শুনিছ ?"

"অকণমান পাছত যাম ৰ'ব।"

"ৰ'ব নালাগে আহ, বেগেই আহ।"

"ইস্ ৰাম, কাম এটা কৰিবলৈ নিদিয়ে! খালি চিএগৰি থাকিব, চিএগৰি থাকিব!"— বুলি মহা অস্বস্তিৰে নিজৰা উঠি আহিল। অকল আজিয়েই নহয়, তাই অকনী কাম একোটা কৰিলে আইতাকে যে মাতিবই, সেইটো ধৰাবন্ধা কথা।

"চোলাত সেইবোৰ কি লগালি ?" সুবৰ্ণলতাই তাইৰ ফ্ৰকটোৰ পিছফাললৈ দেখুৱালে। চোতালত বহি-বহি গিলাছ সজাওঁতে ধূলি এসোপা লাগিল, বাওঁহাতেৰে জোকাৰি নিজৰাই ধূলিবোৰ উৰুৱাই দিলে।

"কাপোৰ কিয় লেতেৰা কৰ ?" সুবৰ্ণলতাই আৰু কিবা ক'ব খুজিছিল, নিজৰাই

ক'লে, "কাম কৰিলে কাপোৰ লেতেৰা নহয় নে কি!"

"তই যে সেইবোৰ কামত লাগিছ্গৈ, দৰা-কইনাক গা ধুৱালি?" সুবৰ্ণলতাই সুধিলে।

সৰ্বনাশ। নিজৰাই জিভা উলিয়াই পেলালে। আচল কামটোকে তাই পাহৰি গৈছিল। "ইস ৰাম" বুলি যিটো বিৰক্তি প্ৰকাশ কৰি তাই দৰা-কইনাৰ ওচৰলৈ লৰ মাৰিলে, তাৰ পৰা বুজা গ'ল কামৰ জুমুৰিত তাই একো চম্ভালিব পৰা নাই; চাৰিওফালে সমানে চকু দিবলৈ যাওঁতে যদি ক'ৰবাত কিবা কাম থাকি গৈছে, সেইটো তাইৰ দোষ হ'বই নোৱাৰে। এজনী মানুহে কিমান কৰিব।

ডাঠ কাগজৰ বাকচ এটাত এটা-দুটা নহয়, প্ৰায় পোন্ধৰটামান দৰা আৰু সোতৰ-ওঠৰজনীমান কইনাই, যাৰ যেনে ইচ্ছা তেনেকৈ শুই আছে। কোনোবা দৰাৰ ভৰি, কোনোবা কইনাৰ নাকৰ ওপৰত উঠি আছে যদিও কাৰো আপত্তি নাই। কেৱল যি হালৰ কালি বিয়া হৈ গৈছে, সিহঁতে বাকচটোৰ কিনাৰত পিঠি দি থিয় হৈ আছে; সিহঁতৰ একমাত্ৰ ভাগ্যনিয়ন্তা নিজৰাই যেনেকৈ থাকিবলৈ কৈ গৈছে, তেনেকৈয়ে আছে, হাত এখনো কোনেও কাৰো ফালে আগবঢ়োৱা নাই।

ইমান জাক দৰা-কইনাৰ ভিতৰত কোনদিনা কাৰ বিয়া হ'ব, সেইটো নিজৰাই ঠিক কৰে। মাজে-মাজে কেৱল তাই আইতাকৰ পৰামৰ্শ লয়। কালি যিটোৰ বিয়া হৈ গৈছে, কেইদিনমানলৈ সি বহি-বহি লোকৰ বিয়া চাব লাগে; কেতিয়াবা বিয়া বুলি কিবা-কিবি অৱশ্যে খাবলৈও পায়। দহ-পোন্ধৰদিন মান হৈ নাযায় মানে তাৰ আকৌ বিয়া নহয়। কেতিয়াবা নিজৰাই চিন ৰখাত ভুল কৰিলে অৱশ্যে চাৰি-পাঁচ দিনৰ ভিতৰতে তাৰ আৰু এবাৰ বিয়া হৈ যাব পাৰে; কিন্তু মাজভাগতে ধৰা পৰিলে বিয়া বন্ধ হৈ যাব। বহুত বদমাচ দৰাৰ বিয়া হওঁ-হওঁ অৱস্থাতো ভাগি গৈছে। নিজৰাই হয়তো দৰাটোক বাকচৰ কিনাৰত পিঠি দি থিয় হৈ থাকিবলৈ কৈছে, কিন্তু সি নাথাকে, বাৰে-বাৰে তাক খালি শুবলৈ লাগে। "কথা ক'লে নুশুনে!" বুলি নিজৰাই তালৈ অলপপৰ চাই থাকি যদি থেকেচা মাৰি শুৱাই থ'লে, তেনেহ'লে আৰু তাৰ নহ'ল। কিমান সাধনাৰ ফলত কপালত পৰা প্ৰজাপতিয়ে ভুৰুংকৈ উৰা মাৰিলে; সেই প্ৰজাপতি আকৌ কেতিয়া পৰেহি ঠিক নাই।

ইমানজাক দৰা-কইনাৰ জঞ্জালটো নিজৰাক চপাই দিছে সুবৰ্ণলতাই। নিজৰাই যেতিয়া মেজৰ ওচৰত বহি লৈ মোমায়েকে আধা লিখাকৈ এৰা লিখাখিনি শেষ কৰিবলৈ ওলায়, সুবৰ্ণলতাৰ তাঁতশালত বহি মাকো চলাব খোজে, নাইবা গৰম দিনত বাহিৰত শুবলৈ বুলি বৃন্দাবনে সজা তক্তাপোচখনত গজাল মাৰিবলৈ ওলায়, তেতিয়া সুবৰ্ণলতাই মাতে, "চাহিচোন চাহি — এইটো কি।"

নিজৰা ওচৰ চাপি আহিলে সুবৰ্ণলতাই কটা চাদৰৰ কাপোৰেৰে পুতলা এটা সাজি দেখুৱায়। পুতলাটোৱে কিছু সময় নিজৰাক ধৰি ৰাখিব পাৰে। তাৰ পাছত এদিন উপেন মোলা এটা লৈ ওলাল, আৰু চিনাকি দৰ্জিৰ দোকান-দোকানে ঘূৰি-ঘূৰি বং-বিৰঙৰ টুকুৰা কাপোৰ এমোনা লৈ উভতি আহিল। দুপৰীয়া বহি-বহি প্ৰথম কিছুদিন সুবৰ্ণলতাৰেই দৰা-কইনা সাজি দিলে, পাছলৈ নিজৰাই নিজে সাজিব পৰা হ'ল। কিন্তু তাই বৰ মস্তিকলত পৰে

কাপোৰ পিন্ধাৰৰ সময়ত। তাইৰ পচন্দৰ হালধীয়া চিক্কৰ কাপোৰ আছে মাত্ৰ এটুকুৰা। সেইটুকুৰা কোনজনী কইনাক চাদৰ কৰি দিব, এই বিষয়ে আইতাকৰ লগত তাইৰ বহুত কথা কটাকটি হৈছে। শেষত অৱশ্যে ঠিক হৈছেগৈ, যিদিনা যিজনীৰ বিয়া, সেইদিনা সেইজনীয়ে সেইখন চাদৰ পিন্ধিব, বিয়া হৈ গ'লেই খুলি দিব লাগিব। তেনেকুৱা আৰু কেইখনমান চাদৰৰ কথা তাই মোমায়েকক কৈ আছে, কিন্তু উপেনে হেনো দোকানত সদায় খবৰ কৰি জানিব পাৰিছে — তেনেকুৱা কাপোৰৰ পাৰ্ছেলটো মাৰোৱাৰীৰ গুদাম আহি পোৱাহি নাই; দুই-এদিনতে পাবহি পাৰে, ঠিক নাই।

কিন্তু এইটো কথা ঠিক যে দৰা-কইনাৰ লগত নিজৰাৰ মন বহিছে। সেই কাৰণে তাই বৰ বেছি কাম কৰা যেন দেখিলে সুবৰ্ণলতাই দৰা-কইনাক গা ধুউৱাৰ কথা কয়।

কপালত এটোপাল পানী দি নিজৰাই দৰা-কইনাক গা ধুৱায়। তাৰ পাছত কাপোৰ পিন্ধাই দিয়ে। মাজতে হয়তো কেতিয়াবা হঠাতে পাগঘৰৰ ফালে আগবাঢ়ি যোৱা মেকুৰীজনীক ডাবি দি উঠে, "অ'ই চুৰুণী, ক'লৈ গৈছ? ৰ'বি গৈছোঁ।" মেকুৰী হয়তো আনফালে গুচি যায়, কিন্তু ইফালে হয়তো আঁউজাই থোৱা দৰাটো কাতি হৈ যায়। নিজৰাই লৰালৰিকৈ কয়, "আয়ে দেহি খং উঠিছে? তোমালৈ থোৱা গাখীৰখিনি খাবলৈ মেকুৰীজনী আহিছিল নহয়, মই তাইকহে কৈছোঁ, তোমাক কোৱা নাই নহয়।"

পিন্ধোৱা-উৰোৱা হৈ যোৱাৰ পাছত যেতিয়া শুভলগ্ন উপস্থিত, তেতিয়া আইতাকৰ পাল। সুবৰ্ণলতাই বিয়ানাম গাব লাগে।

সুবৰ্ণলতাই একালত বিয়ানাম গাইছিল ; এতিয়া এটাইবোৰ খেলিমেলি হৈ গ'ল। বহুত পৰৰ মূৰতহে নতুন এফাঁকি মনত পৰে। কিন্তু যেতিয়া যি নাম গাব লাগে, সেই নাম মনত নপৰে। কইনা হোমৰ থলিত বহিবৰ সময়ত হয়তো পানী তুলিবলৈ যোৱাৰ নাম এফাঁকি গাই দিয়ে। দুশাৰীমান নামকে ঘূৰাই-ঘূৰাই গোৱাৰ পাছত প্ৰায়েই সুবৰ্ণলতাৰ মুখৰ মাত লাহে-লাহে নুশুনা হৈ আহে, বহুত দূৰৰ কিবা এটাত চকুৰ দৃষ্টি বান্ধ খাই যায়, চকুৰ টিপ মাৰিবলৈও তেওঁৰ যেন সংজ্ঞা নাথাকে, মুখৰ গুণগুণনি যেন বিয়ানামৰ জনক বজাৰ জীয়ৰীজনীৰ লগতে পাতাললৈ সোমাই যায়।

নিজৰাই চিএৰি উঠে, "কি হ'ল আইতা? গাওক আৰু। মনে-মনে আছে কিয়?"

কিয়? কিয় সুবৰ্ণলতা মাজে-মাজে নিমাত হৈ যায়, সেই কথাটো তেওঁ এই ছোৱালীজনীক কেনেকৈ বুজাব? কেতিয়াবা বুকুখন কিবা এটাই এনেকৈ হেঁচা মাৰি ধৰা যেন লাগে যে তেওঁ নিজৰাক ওচৰত বহুৱাই লৈ যেন এটাইবোৰ কথা এফালৰ পৰা কৈ পেলাব ; নিজৰাই বুজক নুবুজক, কৈ শেষ হোৱাৰ পাছত তেওঁ তাইক বুকুত সাৱটি লৈ পাৰেমানে কান্দিব, হেঁপাহ পলুৱাই এবাৰ কান্দিব পাৰিলে কিজানি বুকুৰ ওপৰৰ হেঁচাটো পাতল-পাতল লাগিব।

এইখন ঘৰতে, এইখন চোতালতে, মনোহৰাৰ বিয়াত, এইখন চহৰৰ আটাইতকৈ পাকৈত বিয়ানাম গাব পৰা ছোৱালীহঁতে বিয়ানামৰ এনেকুৱা জাউৰি তুলিছিল যে শেষ ৰাতি বভাতলিৰ বুঢ়ীহঁতে কৈছিল, "আও, এই কেইজনীৰ মুখ বিষোৱা নাইনে?" দৰাৰ

লগত অহা নামতীহঁতে মুখ বন্ধ কৰি কেৱল মুগ্ধ আৰু অভিভূত দৃষ্টিৰে ছোৱালীহঁতলৈ চাই আছিল। উপস্থিত সুৰশিল্পী এজনে ছোৱালী কেইজনীৰ লগত বহুতপৰ কথা-বতৰা পাতি সৰু ন'টবুক এখনত কিবাকিবি লিখি লৈছিল। দৰা হোমৰ গুৰিত বহাৰ লগে-লগে তেওঁৰ চুলি, কপালৰ পৰা আৰম্ভ কৰি মুখ ঢাকি ৰখা ৰুমালখনলৈকে বৰ্ণাই সিহঁতে এনেকুৱা যোৰানামৰ সৃষ্টি কৰিছিল যে মিলিটেৰীত কাম কৰা প্ৰসন্নও লাজত ঘামি গৈছিল।

সেয়েই শেষ; তাৰ পাছত আৰু সুবৰ্ণলতাই বিয়ানাম শুনা নাই, শুনাৰ ইচ্ছাও কৰা নাই। তথাপি কেতিয়াবা হঠাতে, শেষ ৰাতি বহুত দূৰত মতা কেতেকীৰ মাতৰ দৰে তীব্ৰ, মৰ্মস্পৰ্শী আৰু কৰুণ অনুভূতি লৈ পাঁচবছৰৰ আগৰ সেই বিয়ানামৰ জাউৰি তেওঁৰ কাণত সোমায়হি।

যোৰানামত ছোৱালীহঁতে গাইছিল, মনোৰমাৰ ওচৰত বহি থকা প্ৰসন্নক হেনো ধুনীয়া সেন্দূৰৰ টেমা এটাৰ ওচৰত মামৰে খোৱা টিনৰ ছুটকেছ এটাৰ নিচিনা লাগিছিল। সেয়া নিতান্ত বিয়াৰ আনন্দতে বলিয়া হোৱা ছোৱালীহঁতৰ যোৰানামৰ বৰ্ণনা। পাছত সিহঁতৰে এজনীয়ে কৈছিল, প্ৰসন্নতকৈ আধা-ধুনীয়া মানুহ এটা পালেও তাই পাছদিনাই বিয়া কৰি পেলাব।

আৰু মনোৰমাৰ চেহেৰা ; — মনোৰমাক লৈ সুবৰ্ণলতাৰ কোনোদিনাই চিন্তা নাছিল। মানুহে কৈছিল, — ছোৱালী হৈ যদি জন্মিবই লাগে, তেনেহ'লে মনোৰমাৰ নিচিনা হৈ জন্মিব লাগে।

গতিকেই প্ৰসন্নৰ লগত মনোৰমাক বিয়া দি সুবৰ্ণলতা সুখী হৈছিল, আৰু আটাইতকৈ বেছি সুখী হৈছিল মনোৰমা নিজে। য'ত প্ৰসন্নই চাকৰি কৰে তালৈ গৈ তাই মাকলৈ দীঘলীয়া চিঠি লিখিলে ; ককায়েক উপেনলৈ অৱশ্যে চুটি-চুটিকৈ লিখিলে। চিঠিৰ ভাষা আৰু সুৰৰ পৰা সুবৰ্ণলতাই বুজিলে, ছোৱালী জন্ম দি তুলি লোৱা দায়িত্ব সোণৰ জখলাইদি তেওঁৰ কান্ধৰ পৰা নামি গ'ল।

বিয়াৰ পাছত মনোৰমাই দেখিলে, প্ৰসন্নক জীৱনৰ পাত্ৰ হিচাপে পাবলৈ বহুত দিনৰে পৰা তাই আশা কৰি আছিল সঁচা, কিন্তু প্ৰসন্নৰ ভিতৰত ইমান আপোন, ইমান মায়াময়, ইমান স্বপ্নময় মানুহ এটাই যে তাইলৈ উন্মুক্ত হৃদয়েৰে, অসীম উৎকণ্ঠাৰে, উজ্জ্বল প্ৰেম-পাত্ৰৰে আদৰি ল'বলৈ বাট চাই আছিল, সেইটো তাই ভাবিবই পৰা নাছিল। জীৱন-যৌৱনক পূৰাকৈ উপভোগ কৰাৰ কথা তাই সঁচাকৈয়ে ভাবিছিল, কিন্তু এটা সময়ৰ কাৰণে যে ইমান আনন্দ, ইমান শান্তি, ইমান বিহ্বলতা গোট খাই আছিল, এটা সময়ত যে সাত-সমুদ্ৰৰ গৰ্জনক তল পেলাব পৰা মৰমৰ মৃদু গুণগুণনিৰ তালে-তালে তাই নাচিব পাৰিব, — এইবোৰ কথা তাই সপোনতো ভবা নাছিল। সেইবোৰ দিনত ঘনে-ঘনে তাই মাকলৈ লিখিছিল, "উপেন ককাইদেউৰ বিয়া অহা বছৰতে কিন্তু পাতিবই লাগিব মা। আমি এমাহৰ আগতে যাম।"

উপেনৰ বিয়াৰ কাৰণে নহ'লেও মনোৰমা ঘৰলৈ আহিল। তেতিয়া তাইৰ গাত ছমাহ ; আৰু কিছুদিনৰ পাছত অহা হ'লেও হ'লেহেঁতেন, কিন্তু প্ৰসন্নক চকুৰে ক'বৰ

সীমান্তলৈ পঠিয়াই দিলে ; সীমান্তত বোলে কিছুমান মানুহে অস্ত্ৰ-শস্ত্ৰ লৈ চৰকাৰক আমনি কৰিছে ; প্ৰসন্নৰ নিচিনা কৌশলী ডেকা মানুহৰ তাত বৰ প্ৰয়োজন হৈছে।

প্ৰসন্ন সীমান্তলৈ গুচি যোৱাৰ দিনা মনোৰমাই বৰ কান্দিছিল। পাছৰ দিনবিলাকত তাই খবৰ কাগজত সদায় তন্নতন্নকৈ সীমান্তৰ খবৰ বিচাৰিছিল।

নাৰীত্বই তিলতিলকৈ সজাই লাহে-লাহে মনোৰমাক পূৰ্ণ কৰি তুলিছিল। পানীকলৰ পৰা এবাল্টি পানী লৈ পাগঘৰলৈ সোমাই যোৱা মনোৰমালৈ চাই ওচৰ-চুবুৰীয়া অভিজ্ঞা তিৰোতাই সুবৰ্ণলতাক ফুচফুচাই কৈছিল, "তাইক এতিয়া গধুৰ বস্তু বেছিকৈ দঙা-পৰা কৰিবলৈ নিদিব।" — আৰু কথাবাৰে সুবৰ্ণলতাৰ কাণত মৌ-বৰষা দি বৰবিছিল।

তাৰ পাছত এই ছোৱালীজনীৰ জন্ম হৈছিল। সীমান্তৰ পৰা প্ৰসন্নই লিখি পঠিয়াইছিল, "তাইৰ নাম নিজৰা ৰাখিবা।" লগতে বৰ্ণাইছিল — হাবি-বন-কাঁইট ভাঙি-ভাঙি দুৰ্গম পৰ্বতীয়া বাটেদি গৈ গৈ অকণমান নিজৰা এটাৰ পাৰত থিয় হ'লে কেনেকুৱা লাগে, তোমালোকে কি বুজিবা?

তাৰ পাছত কেনেকৈ কি হ'ল কোনেও একো বুজিব নোৱাৰিলে ; মনোৰমাই খবৰ-কাগজত তন্ন-তন্নকৈ বিচাৰিবলগীয়া নহ'ল ; প্ৰথম পৃষ্ঠাতে জল-জলকৈ খবৰটো ছপা হ'ল ; অলপ পাছতে চৰকাৰৰ মানুহে আহি উপেন-মনোৰমা-সুবৰ্ণলতাক দেখা কৰিলে। বিদ্ৰোহীয়ে প্ৰসন্নক দুৰ-সুৰণিৰ আন কোনোবা সীমান্তলৈ পঠিয়াই দিলে। প্ৰসন্ন আৰু নাহে।

তাৰ পাছত পাগলী হ'ব লাগিছিল মনোৰমা, কিন্তু পাগলী হ'ল সুবৰ্ণলতা, পগলা হ'ল উপেন, বৃন্দাবন। তিনিমহীয়া নিজৰাক কোলাত লৈ সুবৰ্ণলতাই মনোৰমাৰ আত্মাক অভিশাপ দি চিঞৰি-চিঞৰি সুধিলে, "এয়েই তইঁতৰ জ্ঞাননে? এয়েই তইঁতৰ মৰম-মায়া নে? এই ফুলহেন কেঁচুৱাটোৰ, তোৰ পেটৰ পোৱালিটোৰ মুখলৈ তই চাব নোৱাৰিলি নে? পেটৰ পোৱালিৰ মায়াই যদি তোক বান্ধি ৰাখিব নোৱাৰিলে তেনেহ'লে মাক হৈছিলি কিয়? এই সংসাৰত কোনজনী মাকে এনেকৈ কোলাৰ কেঁচুৱা পেলাই থৈ..." সুবৰ্ণলতাৰ আকাশ খহি পৰা কান্দোনৰ মাজত আৰু কথা শুনা নগ'ল।

কোনো মাকে পৰা উচিত নহয়। কিন্তু মনোৰমাই কেনেবাকৈ পাৰিলে। ৰাতি পাৰিলে। কিমান ৰাতি কোনেও ক'ব নোৱাৰে, তাই কাগজ এটুকুৰাত লিখি থৈ গৈছিল, — উপেন আৰু সুবৰ্ণলতাৰ হাতত নিজৰাক গতাই দি তাই সম্পূৰ্ণ নিশ্চিন্ত হৈ গৈছে। সম্পূৰ্ণ ভাৰসা ৰাখি গৈছে। এই ছোৱালীজনীৰ জীৱনৰ কাষত তাই উপস্থিত হৈ থকাটোৱে অতি নিষ্ঠুৰভাৱে দেউতাকৰ অনুপস্থিতিটোহে পৰিস্ফুট কৰি ৰাখিব। সেইটো ছোৱালীজনীৰ কাৰণে এটা পূৰাব নোৱৰা ক্ষতি। তাইৰ জীৱনৰ ভালৰ কাৰণে উপেন-সুবৰ্ণলতাই যি কৰিব, মনোৰমা জীয়াই থাকিও তাতকৈ বেছি একো কৰিব নোৱাৰিব। গোটেই জীৱনৰ আশীৰ্বাদ তাইক তাই দি গৈছে। এই পৃথিৱীৰ পৰা গৈ ক'ৰবাত যদি থাকেগৈ, তাৰপৰাও যেন তাই তাইক আশীৰ্বাদ দিবলৈ পাৰে।

কাগজটুকুৰাৰ শেষৰফালে মনোৰমাই ককায়েক আৰু মাকৰ ক্ষমা বিচাৰিছিল।

সুবৰ্ণলতাৰ প্ৰাণ-শক্তি তেতিয়াই যেন শেষ হৈ গৈছিল। কান্দি-কাটি বহি থাকিবলৈ তেওঁ অৱশ্যে সময় পোৱা নাছিল ; তিনিমহীয়া নিজৰাৰ কাৰণে তেওঁ মনোৰমা হ'বলগীয়া হৈছিল। তাৰ পাছত নিজৰা ডাঙৰ হৈছে, তাইৰ কাৰণেই সুবৰ্ণলতাই আকৌ হাঁহিবলগীয়া হৈছে।

মনোৰমা যোৱাৰ পাছত কিছুদিনলৈ বৃন্দাবনৰ চকুৰ ফালে চাব নোৱৰা হৈছিল। সিয়েই মানুহৰ ফালে চাবলৈ ভয় কৰিছিল নে মানুহে তাৰ ফালে চাবলৈ ভয় কৰিছিল ঠিক নাই, কিন্তু কোনেও কাৰো ফালে নাচাইছিল। মনোৰমাৰ পৰীক্ষাৰ সময়ত এই বৃন্দাবনেই দুপৰীয়া স্কুলত তাইক টৈমা এটাত খোৱা-বস্তু দি আহিছিলগৈ। এই বৃন্দাবনৰ লগতে প্ৰত্যেক দিনেই কাজিয়া, কঢ়া-আঁজোৰা, সাবটা-সাবটি কৰি মনোৰমা ডাঙৰ হৈছিল। মনোৰমাই তাৰ চকুৰ আগতে তিলতিলকৈ দেহাৰ ঐশ্বৰ্য গোটাইছিল ; ফ্ৰক এৰি ব্লাউজ পিন্ধিছিল আৰু পিছফাল-খোলা ব্লাউজৰ পিছফালৰ হেফটিপিন তিনিটা বহুদিন এই বৃন্দাবন বুঢ়ায়েই মাৰি দিছিল।

কোনোবা এদিন এইখন ঘৰলৈ যে বৃন্দাবন বন-কৰা মানুহ হৈ আহিছিল সেই কথাটো মনোৰমায়েই তাক পাহৰাই দিছিল। শেষত যেতিয়া বৃন্দাবনে নিজৰাক কঢ়া-আঁজোৰা কৰি আকৌ মনোৰমাৰ লগত কাজিয়া লগোৱাৰ কথা পাতি আছিল, তেনে দিনতে সি তাইৰ পিছে-পিছে, হাতত কোৰ এখন লৈ শ্মশানলৈ যাবলগীয়া হ'ল।

বহুত দিন সুবৰ্ণলতা-উপেন-বৃন্দাবনে কোনোমতে কটাই দিলে, কিন্তু যেতিয়াই নিজৰাৰ মুখত মাত ফুটিল, তাই কথা বুজি পোৱা হ'ল ; তেতিয়া তিনিওটা প্ৰাণী ভীষণ সন্ত্ৰস্ত হৈ উঠিল। ছোৱালীজনীৰ গালেদি এটোপাল চকুপানী বৈ গ'লে সুবৰ্ণলতাৰ ডিঙিয়েদি এটোপাল বিষ পাৰ হৈ যোৱা যেন লগা হ'ল ; তাইৰ গাটো অলপ তপত যেন লাগিলেই উপেন লৰি-লৰি ডাক্তৰৰ পদূলিত বয়গৈ ; আৰু বৃন্দাবন বুঢ়াই সাৰে থকা সময়খিনিত তাইৰ পিছ নেৰেই।

উপেনে তাইক এজাপ ৰংচঙীয়া ছবি থকা কিতাপ আনি দিলে আৰু সুবৰ্ণলতাই বহি-বহি পুতলা সাজি দি দৰা-কইনাত তাইৰ অলপ মনটো বহুয়ালে। নহ'লে তাই এফালৰ পৰা এনেকৈ ঘৰৰ কাম কৰিবলৈ আৰম্ভ কৰে যে বৃন্দাবন আৰু সুবৰ্ণলতালৈ কেতিয়াবা কাম বাকী ৰ'বই নোখোজে!

আৰু দৰা-কইনাৰ বিয়া পাতি থাকোঁতেই এদিন আইতাকে নিজৰাক সুধিলে, "মোমায়েৰৰ বিয়া নহয়, তই ক'ব পাৰ নে নোৱাৰ?"

নিজৰাই সেইদিনা ভাবিলে, কেইবাদিনো যি কেইটা দৰাৰ বিয়া হোৱা নাই, সিহঁতৰ বিয়াকেইখন লৰালৰিকৈ পাতি দি মাজতে মোমায়েকৰখন পাতি পেলাব। কিন্তু লাহে-লাহে যেতিয়া দেখিলে যে মোমায়েকৰ বিয়াৰ আয়োজন বেলেগ ধৰণে আৰম্ভ হৈছে, তেতিয়া তাই অলপ থমক খালে। তাৰ পাছত যি মুহূৰ্তত তাই শুনিলে যে মোমায়েকৰ বিয়াৰ পাছত সিহঁতৰ ঘৰলৈ মামীয়েক এজনী আহিব, তাৰ কেইঘণ্টামানৰ ভিতৰতে

ওচৰ-চুবুৰীয়া সকলোৱে গম পাই গ'ল যে উপেনৰ বিয়া উলা-মূলা বিয়া নহয়; এই বিয়াৰ ফলস্বৰূপে সিহঁতৰ ঘৰলৈ মানুহ এজনী আহিব ; সেই মানুহজনী উপেনৰ কি হয় ঠিক নাই, কিন্তু নিজৰাৰ যে মামীয়েক হ'ব সেইটো ধুৰুপ।

চাওঁতে-চাওঁতে ঘৰখনত নিজৰাই মামীয়েক এজনী সৃষ্টি কৰি পেলালে। ওলাওঁতে মামী, সোমাওঁতে মামী, ভাত খাওঁতে মামী, শোওঁতে মামী — কেৱল মামী। উপেন যদি বিস্নাত উঠি ক'ৰবালৈ যাবৰ সময়ত নিজৰাক লগতে নিনিলে, তাই ওফোন্দ নাপাতে, কেৱল ঘোষণা কৰি থয়, "মামী আহিলে কৈ দিম নহয়।" জোৰকৈ গাখীৰ খুউৱা, চকুত চাবোন সোমাওঁতে কন্দা সত্ত্বেও গা ধুবাবলৈ নেৰা ইত্যাদি ধৰণৰ বহুত অপৰাধত নিজৰাৰ মামীয়েকৰ আদালতত সুবৰ্ণলতায়ো অপৰাধী হৈ বিচাৰলৈ বাট চাই ৰ'ল। বৃন্দাবনৰতো কথাই নাই। তাৰ অতপালি ইমানকৈ বাঢ়িছে যে নিজৰাই তাৰ সাৱধান ল'বলৈ এৰি দিছে। তাক তাই কৈ দিছে, "কিমান জোকোৱা জোকাই থাকা ; মামী আহিলে চাম নহয়।" মুঠৰ ওপৰত অৱস্থাটো এনেকুৱা হৈ আছে যে মামীয়েক অহাৰ দুই-এদিনৰ ভিতৰতে নিয়মমতে বৃন্দাবনৰ ফাঁচী হৈ যোৱা দৰকাৰ ; উপেনে জীয়াই থাকিবলৈ পায়নে নাপায় সেইটো মামীয়েকৰ কৰুণা আৰু তাৰ কপালৰ ওপৰত নিৰ্ভৰ কৰিছে ; সুবৰ্ণলতা অৱশ্যে ঘৰতে থাকিব, কিন্তু কেইসাঁজ লঘোনে থাকিব লাগে ঠিক নাই।

পাছলৈ উপেনৰ এনেকুৱা লগা হ'ল যেন ওচৰৰ কোঠালিটোতে নিজৰাৰ মামীয়েক এজনী বহি আছে। এদিন আবেলিপৰত বিয়াখনৰ কথা ভাবি থাকোঁতে হঠাতে সি পুলকিত অনুভৱ কৰি নিজৰাক একেবাৰে ওচৰলৈ মাতি আনি মনে-মনে সুধিলে, "তোৰ মামীয়েৰজনী কেনেকুৱা অ'?"

সৰ্বস্বত্ব সংৰক্ষিত কৰি ৰখা প্ৰকাশকৰ দৰে নিজৰাই "নকওঁ যাওক ; আৰু মামী আহিলে আপোনাক নেদেখুৱাওঁ" — বুলি কৈ উচাট মাৰি গুচি আহিল। চিএৰ-বাখৰৰ ভয়ত উপেনো মনে-মনে থাকিল।

বিয়াৰ আয়োজন প্ৰায় শেষ হৈ আহিল, বিয়াও পালেহি। কিছুমান সৰু-সুৰা বস্তুৰ কাৰণে সুবৰ্ণলতাৰ মনত অৱশ্যে খুঁত থাকি গ'ল। তাৰ কাৰণে উপেনে গালিও খালে কিছু। অতিষ্ঠ হৈ যদি সি কিবা ক'ব খোজে, নিজৰাই হয়তো সেই সময়তে কৈ দিয়ে,— "হয়নে নহয়, মামাই একো কাম নকৰে, খালি অফিছলৈ যায় আৰু ঘৰলৈ আহে।" তাৰ পাছত আৰু তৰ্কাতৰ্কিৰ কোনো আশা নাথাকে।

একালত চহৰৰে জীয়াৰী, ভিতৰুৱা ঠাইলৈ দিয়া হৈছিল, এনেকুৱা লগা-ভগা ভালেমান তিৰোতা ঘৰত গোট খালেহি। তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰক লৈ নিজৰাৰ কামৰ আদি-অন্ত নোহোৱা হ'ল। মাকহঁতে লুচি ভাজিছে, ল'ৰা-ছোৱালীহঁতে ওচৰতে ঘূৰা-পকা কৰি ফুৰিছে ; এখন-এখন লুচি হাতে-হাতে দিয়াৰ পাছত সিহঁতে চোতাললৈ লৰ মাৰিছে ; লৰা-ঢপৰাত আধাখোৱা লুচি হাতৰপৰা পৰি গৈছে, তুলি লৈ খাব খোজোঁতে নিজৰাই মানা কৰি ভিতৰৰ পৰা ভাল লুচি আনি দিছে ; কামৰ মাজতে সময় উলিয়াই

এইবোৰ কথা সুৰ্বৰ্ণলতাক কৈ তাই আশ্চৰ্য প্ৰকাশ কৰিছে। কেইজনীমান অকণ-অকণ ছোৱালীয়ে নিজৰাৰ দৰা-কইনাৰ বাকচটো কেনেবাকৈ পাই উলিয়াই আনিছিল, তাই কোনোমতে বুদ্ধি কৰি সিহঁতৰ হাতৰ পৰা বাকচটো লৈ মোমায়েকৰ বাকচৰ তলত লুকুৱাই থ'লেগৈ। এইবিলাক কামৰ উপৰিও ঘৰত গোটা খোৱা ডাঙৰ-সৰু সকলোকে তাইৰ যে মামীয়েক আহিব এই কথাটো বুজাবলৈও তাই বৰ কষ্ট কৰিবলগীয়া হৈছিল। সকলোৱে অৱশ্যে এবাৰ-দুবাৰ কওঁতেই কথাটো বুজিছিল কাৰণে তাইৰ ভাল লাগিছিল।

কিন্তু এটা কথাত নিজৰাৰ বৰ খং উঠিছিল। এবাৰ তাই তাইৰ শোৱা কোঠালিলৈ গৈ দেখে — সিহঁতৰ বিছনাখনত কোনোবাই বোকা ভৰিৰে উঠি দাগেই দাগ কৰি থৈছে। মোমায়েকৰ ডাঙৰ গাৰু দুটাৰ ওচৰতে থকা তাইৰ অকণমান গাৰুটো কোনোবাই বেঁকাকৈ পেলাই থৈ গৈছে। এই বিছনাখন অকণমান লেতেৰা হৈ থাকিলেও মোমায়েকে বৃন্দাবনক বকে। এতিয়া বিছনাখনৰ এনেকুৱা অৱস্থা দেখি তাই তৎক্ষণাত সুৰ্বৰ্ণলতাৰ ওচৰলৈ গৈ ক'লে, "আইতা, আমাৰ বিছনাখন কোনোবাই বোকাভৰিৰে উঠি লেতেৰা কৰিলে।"

সুৰ্বৰ্ণলতাই লগে-লগে কাপোৰখন সলাই দিয়ালে। কিন্তু ৰাতি শুবলৈ গৈ নিজৰাই দেখে বিছনাখন আকৌ কোনোবাই সোতোৰ-মোতোৰ কৰি থৈছে। খঙত তাই কান্দি পেলাব খুজিছিল। আকৌ এবাৰ চাদৰখন সলাই দিয়াৰ পাছত নিজৰ অকণমান গাৰুটোত মূৰ থৈ নিজৰা শুলে। বিয়াৰ দিহা-পৰামৰ্শ দিবলৈ অহা মানুহ ঘৰা-ঘৰি যোৱাৰ পাছত মাজনিশা উপেন শুবলৈ আহিল। নিজৰাৰ গাৰ কাপোৰখিনি ভালকৈ জাপি দি সি সাৱধানে শুই থাকিল, যাতে তাইৰ টোপনি নাভাগে।

নিজৰাৰ দাবী অনুসৰি বিয়াৰ দিনা তাই পিন্ধিবলৈ এযোৰ নতুন মেখেলা-চাদৰ আনি থোৱা আছিল ; ৰাতিপুৱাই তাই সেইযোৰ পিন্ধি ল'লে। কাপোৰযোৰ পিন্ধাওঁতে সুৰমাৰ এপৰমান লাগিল, দহোটামান ছেফটিপিন খৰচ হ'ল। কিন্তু দুপৰীয়াৰ অলপ পাছতেই তাই আকৌ ফ্ৰক পিন্ধি ল'লে। বহুত দিগদাৰ। প্ৰথম কথা, যেয়ে দেখে সেয়ে তাইক কইনা বুলিবলৈ আৰম্ভ কৰিলে। দ্বিতীয়তে উদুলি-মুদুলি বিয়াঘৰত তাইৰ যি পৰিমাণে কৰিবলগীয়া কাম ওলাল, সেই পৰিমাণে তাই লৰা-ঢপৰা কৰি ফুৰিব পৰা নাই; ভৰিত জোটাপুটি লাগে। সন্ধিয়া সময়ত জীয়ৰী-বোৱাৰীহঁতে পানী তুলিবলৈ যাওঁতে, অকণমান মাটিৰ কলহ এটা কাষত লৈ মেখেলা-চাদৰ পিন্ধা নিজৰা সকলোৰে আগে-আগে গ'ল। তাই কলহত নৈৰপৰা ভৰাই অনা পানীখিনিৰ বেছিখিনি নিজে মোমায়েকৰ গাত ঢালি দি, তলিত অকণমান সময় পালে তাইৰ দৰাকেইটাক গা ধুবাবলৈ বুলি থৈ দিলে।

সমনীয়া ল'ৰা-ছোৱালীবিলাকে ঠিকমতে লুচি-দাইল-মিঠাই খালেনে নাই তাকে লৈ নিজৰা গোটেই আবেলিটো ব্যস্ত হৈ থাকিল। ল'ৰা-ছোৱালীহঁতক মাতি-মাতি তাই সুধিলে, "আই, তহঁতে লুচি-মিঠাই খালি?" "নাই খোৱা" বুলি কোৱাৰ লগে-লগে তাই কথাটো বৃন্দাবনক কয়; বৃন্দাবনে ব্যৱস্থা কৰে। অলপ পাছতে হয়তো আন এজনী ছোৱালীয়ে নিজৰাক কাণে-কাণে কয়, "সিহঁতে এবাৰ খাইছিল বুইছা? ইমান মিছা কথা কয় তাই।"

মাজে-মাজে নিজৰা এনেয়ে মোমায়েকৰ ওচৰলৈ লৰ মাৰে; তাৰ পাছত হয়তো

সুবৰ্ণলতাৰ ওচৰত ধপকৈ বহি তাই কয়, "ইস ৰাম ইমান ভাগৰ লাগিছে!" সুবৰ্ণলতাই তাইক সাবটি ধৰি ওচৰত অকণমান বহুৱাই ৰাখিবলৈ বিচাৰে ; নোৱাৰে ; হঠাৎ তাই লৰ মাৰে।

ৰাতিপুৱাই উপেন আৰু সুবৰ্ণলতাই বৃন্দাবনক কৈ থৈছিল, "তাই ক'ত কি কৰি ফুৰে ঠিক নাই ; তই আন একো কৰিব নালাগে ; দিনটো তাইৰ লগে-লগে থাকিবি।" বৃন্দাবন আছে। ল'ৰা-ছোৱালী, গাভৰু, বোৱাৰী, বুঢ়ী — সকলোৰে মাজে-মাজে নিজৰাৰ পিছে-পিছে সি ঘূৰি ফুৰিছে। আৰু গোটেই দিনটো, তাৰ নিজৰ বিয়াখন কেতিয়া পাতিব, সেই কথাবাৰৰ উত্তৰ দি দি তাৰ আমনি লাগি গৈছে। বিশেষকৈ এই গাভৰু ছোৱালীমখাৰ যে কি তেল লাগিছে সি ধৰিব পৰা নাই। সিহঁতে কেৱল তাৰ লগত চুপতি মাৰিবলৈ চেলু বিচাৰি ফুৰিছে। সিও দুজনীমানক ভাল উত্তৰ দিছে। দুজনীমান ছোৱালীৰ ধেমালিবোৰ তাৰ অৱশ্যে ভালো লাগিছে। কলেজত পঢ়া সোণবৰণীয়া ছোৱালীজনীয়ে তাক সুধিছিল, "হেৰা বৃন্দাবন, তোমাৰ নামটো বৰ ধুনীয়া দিয়া। তোমাৰ ভিতৰত চাগে কিমান লীলা-খেলা!"

বৃন্দাবনে বৰ সেমেকা হাঁহি এটা মাৰিছিল ; তাৰপাছত লাহে-লাহে কৈছিল, "এ আই আমাৰ বৃন্দাবনৰ লীলা-খেলাৰ কথা কি ক'বা? গোপীসকলক গোটাই লৈ লীলা-খেলা কৰি শ্ৰীকৃষ্ণ মতলীয়া হয়, ইফালে কোনোবা গুৱালৰ মৰণ হয়। আমাৰ বৃন্দাবনত সেই কপাল ফুটা গুৱালৰহে লীলা-খেলা আই!"

"এইখন ঘৰত এটাইৰে পকা-পকা কথা, কাকো টৌৱাবই নোৱাৰি" বুলি, বটাত তামোল-মছলা সজাই বাহিৰলৈ দি পঠিওৱাৰ দায়িত্ব লৈ থকা ছোৱালী নিজৰ কামত লাগিল।

কইনাঘৰ ত্ৰিছ মাইলমান দূৰত। নিজৰা উপেনৰ কাষতে বহি কইনাঘৰলৈ গ'ল। বহুত চেষ্টা কৰিও তাই আৰু থাকিব নোৱাৰিলে, এসময়ত দৰাৰ ঠিক পাছতে সুৰমাৰ কোলাত মূৰ থৈ শুই থাকিল। কইনাক যেতিয়া হোমৰ ওচৰলৈ অনা হ'ল, তেতিয়া তাই চকু মোহাৰি-মোহাৰি আকৌ উঠিল। বিয়া ভগাৰ পাছত কইনা যেতিয়া আকৌ ভিতৰলৈ গ'ল, তেতিয়া নিজৰাই সুৰমাক বাৰে-বাৰে ক'বলৈ ধৰিলে — "মামীক চাম।" সুৰমাই তাইক ভিতৰলৈ লৈ গ'ল ; নিজে হাঁহি-হাঁহি কইনাক নবৌ বুলি মাতি ল'লে আৰু তাৰ পাছত নিজৰাক আগবঢ়াই দি চিনাকিটো দিলে। কইনা ৰূপালীয়ে মূৰ তুলি নিজৰালৈ চালে। নিজৰায়ো চালে। একেথৰে তাই চাই ৰ'ল। নতুন মামীয়েক তাইৰ কেনেকুৱা লাগিল, তাই ক'ব নোৱাৰিলে ; কিন্তু তাই মন্ত্ৰমুগ্ধৰ নিচিনাকৈ চাই ৰ'ল। এনেকৈ তাইৰ ফালে কোনো মানুহে কেতিয়াও চাই থকা নাই। হঠাতে তাইৰ লাজ লাগি গ'ল। মামীয়েকৰ চকুৰ পৰা চকু নাঁতৰোৱাকৈ তাই অকণমান সুৰমাৰ কাষ চাপি আহিল। ৰূপালীৰ হাতখন আগবঢ়াই নিজৰাক কাষলৈ চপাই আনিবৰ মন গৈছিল, কিন্তু তাইৰো লাজ লাগিল। তাইৰ কান্দি-কান্দি উখহি থকা চকুৰে কেৱল তিৰ্‌বিৰাই উঠিল।

ৰাতিপুৱা বিয়া আহি পদূলিত বোৱাৰ লগে-লগে সুবৰ্ণলতাই হাতত কাঁহী এখন

লৈ পুতেক-বোৱাৰীয়েকক আদৰিবলৈ ওলাই আহিল। তেওঁৰ হাতদুখন থৰ-থৰকৈ কঁপিবলৈ ধৰিলে; মুখৰ কথাবিলাক এক অপূৰ্ব উত্তেজনাত থোকাথুকি হৈ গ'ল। উপেন মটৰৰ পৰা নমাৰ লগে-লগে তেওঁৰ দুয়োগালেদি ধাৰাসাৰে চকুপানী বৈ গ'ল।

দবা-কইনাক বেৰি ধৰা মানুহবোৰৰ পিছফালে থিয় হৈ, গোটেই নিশা বিয়া-ঘৰৰ বস্তু-বাহানি ৰখি থকা বৃন্দাবনে গামোচাৰ আগেৰে চকুবোৰ এবাৰ মচি ল'লে। সৌ সিদিনাখনলৈকে তাৰ কঁকালত গামোচাখনৰ এটা মূৰ বান্ধি — "অ' মা চাহি এইটো চোৰ ধৰি আনিছোঁ" — বুলি ধেমালি কৰা উপেনে আজি বিয়া কৰাই আনিছে।

দবাৰ লগত যোৱা সকলো লৰালৰিকৈ ঘৰা-ঘৰি গ'ল; যিবিলাকে যাবলৈ নাপাইছিল সিহঁতে এতিয়া কইনাক বেৰি ধৰিলে। এখন ফুলাম পাটীৰ ওপৰত ৰূপালী হাত-ভৰি কোঁচাই বহি আছিল; চাৰিওফালে বহি ছোৱালীবোৰে নবৌ, মামীদেউ ইত্যাদি নিজৰ-নিজৰ সম্বন্ধ ঠিক কৰি মাতি যাবলৈ ধৰিলে; ঢেৰ কথা-বতৰা পাতিলে। শেষত ৰূপালীক গান এটা গাবলৈও কোনো-কোনোৱে জোৰ কৰিলে। ৰূপালীয়ে কেৱল মাজে-মাজে হাঁহিলে আৰু চুটি-চুটি উত্তৰ দিলে। তাই প্ৰায় সকলোকে তুমি বুলি সম্বোধন কৰিলে। দুপৰীয়াৰ পাছত ৰূপালী পাটীখনতে শুই পৰিল। ছোৱালীবিলাক নিজৰ-নিজৰ কথাত ব্যস্ত হৈ চাৰিওফালে বহিয়েই থাকিল।

নিজৰাই বাহিৰত সমনীয়াহঁতৰ আগত নতুন মামী দেখিবলৈ কিমান ভাল তাকে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰি-কৰি এসময়ত শুই থাকিলহি।

সন্ধিয়াৰ আগে-আগে সুবৰ্ণলতাই তাইক লাহে-লাহে ঠেলি জগৱাই দিলে। গাৰুৰ পৰা মূৰ তুলিয়েই তাই সুধিলে, "মামী ক'ত আছে আইতা?"

এই প্ৰথমবাৰৰ কাৰণে হঠাতে সুবৰ্ণলতাৰ বুকুখন যেন কিবা অজ্ঞাত কাৰণত ধককৈ উঠিল। এক মুহূৰ্তৰ কাৰণে তেওঁৰ এনেকুৱা লাগিল যেন জীৱনৰ জমা-খৰচৰ হিচাব কৰাৰ সময় তেওঁৰ হৈ গ'ল।

পাছদিনা খোৱা-খুৱনী। বহুত মানুহ আহিছে, তেওঁলোকে কইনা চাইছে, দবা-কইনাক লৈ বহুত ধৰণৰ হাঁহি-ধেমালি চলিছে। সকলো এনেকৈ কিবা আমোদ-প্ৰমোদত ডুবি থাকিলে। আৰু কৰিবলগীয়া কাম-বন নাথাকিলে বৃন্দাবনে বৰ অকলশৰীয়া অনুভৱ কৰে। অলপ দূৰৰ বেঞ্চ এখনত বহি সি মানুহৰ মাজত বহি থকা উপেন আৰু ৰূপালীলৈ চাই আছিল; হঠাতে কোনোবাফালৰ পৰা নিজৰা আহি তাৰ ওচৰতে ৰ'ল। ৰভাৰ তলৰ লাইটবোৰৰ ওচৰে-ওচৰে উৰণীয়া পোকে জুম বান্ধিছে, তাৰে এটা নিজৰাৰ চকুত সোমাল, উলিয়াই দিব লাগে। বৃন্দাবনে আথে-বেথে তাইক ভিতৰৰ লাইট এটাৰ তললৈ লৈ গ'ল। আজি দিনটো নিজৰাৰ লগত তাৰ মুখামুখিয়েই হোৱা নাই। সি ফুৰিছে তাৰ কামৰ পিছে-পিছে, নিজৰা ফুৰিছে ৰূপালীৰ লগে-লগে। আৰু ৰূপালীৰ লগত বৃন্দাবনৰ এতিয়াও চা-চিনাকি হোৱাই নাই। গামোচাৰ আগ এটা জোঙা কৰি লৈ তাৰে পোকটো উলিয়াবৰ সময়ত সি নিজৰাৰ গালৰ পৰা অহা ধুনীয়া গোন্ধ এটা পালে; একেবাৰে যেন চিনাকি হেৰোৱা গোন্ধ। মনোৰমা যোৱাৰ পাছত এইখন ঘৰত সেইবোৰ গোন্ধ-তাপৰ ব্যৱস্থা

উঠি গৈছিল; উপেনে ডাড়ি খুৰাই মুখত কিবা এটা ঘঁহে, কিন্তু সেইটো নিজৰাৰ গালত উঠিব পৰা বস্তু নহয়।

কিবা এটা ভাবি হঠাতে বৃন্দাবনে সুধিলে, "তই দেখোন আজি গোটেই দিনটো মোক মতাই নাই, কিয় ?"

"নামাতো যোৱা, তুমিনো জোকাই থাকা কিয় ?" বুলি কৈ নিজৰাই আকৌ লৰ মাৰিলে। এইটো উত্তৰ বৃন্দাবনে তাইৰ পৰা বহুত দিন বহুত বাৰ পাইছে, কিন্তু আজি মনটোৱে ক'ব খুজিলে, — আৰু নোজোকাওঁ আই, কেতিয়াও নোজোকাওঁ ; তই মোক মাতিবি—। তাৰ এনেকুৱা লাগিল — যেন আজিলৈকে নিজৰাক সি যিমান জোকাইছে, তাৰ কাৰণে সি তাইক ক্ষমা খুজিব, কাকুতি কৰিব, — তথাপিও যেন তাই তাক মাতে।

খোৱা-খুবুনী খাই মানুহবোৰ গ'লগৈ। কেৱল দুজনীমান চুবুৰীয়া ছোৱালী কইনাৰ লগত ভাত খাবলৈ থাকি গ'ল। প্ৰথমতে সুৰ্বণলতা, নিজৰা আৰু উপেনে খাই ল'লে, তাৰ পাছত কইনাক মাজত লৈ গাভৰুহঁত বহিল। ভাতৰ গৰাহেপেতি প্ৰত্যেকজনীৰ মুখৰপৰা কথাৰ ফুলজাৰি ছিটিকি-ছিটিকি পৰিল। সুৰমাই নিজৰ বিয়াৰ স্মৃতি খুচৰি-খুচৰি উলিয়াবলৈ চেষ্টা কৰিলে ; মুখত ভাত আৰু হাঁহি একেলগে লৈ কুমাৰী কেইজনীৰ ভৱিষ্যৎ বিয়াত কেনে ধৰণৰ আয়োজন হ'ব, তাৰ একো-একোখন কাৰ্যসূচী ঠিক কৰিলে। ৰূপালীয়ে বেছিভাগ সময় হাঁহিলে ; মাজতে কেৱল ক'লে — তাইৰ বিয়াখন আয়োজন কৰাত বৰ লৰালৰি হ'ল ; ককায়েকে ঠিক সময়ত অফিচৰ ছুটী নোপোৱাত বেছিভাগ কাম দেউতাকে অকলে কৰিবলগীয়া হ'ল — ইত্যাদি।

গোটেইখিনি সময় নিজৰা তেওঁলোকৰ ওচৰতে বহি আছিল। এবাৰ তাই উঠি চিচাৰ গিলাচ এটাত পানী এগিলাচ ভৰাই লৈ,পানী আৰু গিলাচ কোনোটো যাতে নপৰে, তেনেকুৱা সাৱধানেৰে সিহঁতৰ শোৱনি কোঠালৈ সোমাই গ'ল। কোঠালিটোৰ বিছনা-পাতিবোৰ যে ইফাল-সিফাল কৰা হৈছিল, এইটো তাই আবেলিৰপৰা দেখি আছিল, কিন্তু এতিয়া শেষ অৱস্থা দেখি তাইৰ চকুযোৰ ভিৰ্‌মিৰাই উঠিল। বিছনাখন অপূৰ্ব ধুনীয়া হৈছে, অকল কাপোৰ-কানিয়েই নহয়, বৰং কাঠৰ বিছনাখনো সলনি হৈ গৈছে। কিবাকিবি বৰ ধুনীয়া গোন্ধাইছে। পানী গিলাছ মেজৰ ওপৰত থৈ, কাগজ এখনেৰে ঢাকি তাই ওলাই আহিল। গা-ধোৱা ঘৰলৈ গৈ তাই ৰহি-ৰহি ভৰি দুখন ধুই অকণমান চেণ্ডেলযোৰ ভৰিত সুমুৱাই ল'লে। তাৰ পাছত আকৌ পাকঘৰৰ দুৱাৰমুখলৈ গৈ দেখিলে — মামীয়েকহঁতৰ ভাত খোৱা হৈ গ'ল, ভাত খোৱা হাত শুকাই কৰকৰীয়া হৈ গ'ল, কিন্তু কথা শেষ হোৱা নাই।

বাৰাণ্ডাত সুৰ্বণলতা অকলে-অকলে বহি আছিল, নিজৰা তেওঁৰ ওচৰলৈ আহিল; পিৰিকালৰ পৰা তাই তেওঁক সাৱটি ধৰিলে। কিবা এটা যেন অপূৰ্ব পৰশ পাইছে, এনেকুৱা ভাবত সুৰ্বণলতাই চকুযোৰ মুদি দিলে। তাৰ পাছত নিজৰাই ক'লে, "কুইছে আইতা, মামীয়ে কৈছে মোক যোৱে মটৰত ক'ৰবালৈ লৈ যাব।"

কিয় ক'ব নোৱাৰে, সুৰ্বণলতাৰ বুকুটোৱে যেন লগে-লগে চিঞৰি উঠিল —

"নাযাবি আই, তই নাযাবি।" কিন্তু তেওঁ কেৱল ক'লে, "যাবি বাৰু, এতিয়া শোওঁগে ব'ল। ৰাতি বহুত হৈছে নহয়, তোৰ টোপনি ধৰা নাই?"

"ধৰিছে শোওঁগে" বুলি নিজৰাই কোৱাৰ লগে-লগে সুবৰ্ণলতা বহাৰপৰা উঠিল। "আহ" বুলি কৈ তেওঁ ভিতৰলৈ সোমাই আহিল ; পিছে-পিছে নিজৰাও আহিল। মাজৰ কোঠালিটোৰ পৰা সোঁফালে সোমালে উপেনহঁতৰ শোৱনিকোঠা, বাওঁফালৰ দুৱাৰেদি সোমালে সুবৰ্ণলতাৰ শোৱনিকোঠা। বাওঁফালে ঘূৰি সুবৰ্ণলতাই সিটো কোঠালৈ যাব খোজা নিজৰাক মাতিলে, "আহ আকৌ, ক'লৈ গৈছ?"

"মই শুই থাকোঁগে" বুলি নিজৰা আৰু এখোজ আগবাঢ়িল।

"শুবলৈকেতো মাতিছোঁ। আহ, তই মোৰ লগতে শুবি।"

"ই—স" বুলি নিজৰাই অত্যন্ত অবিশ্বাস আৰু তাচ্ছিল্যৰ শব্দ এটা কৰিলে আৰু মুখখন বিকটাই দিলে।

"কি আকৌ ইস্! চাহিচোন, তোৰ বিছনা কিমান ধুনীয়াকৈ মোৰ লগত পাৰি থৈছোঁ।" — বুলি সুবৰ্ণলতাই উপেনৰ কোঠালিৰ দুৱাৰৰ সিফালে এটা ভবি দিয়া নিজৰাৰ হাতখনত ধৰি টানি আনিলে। নিজৰাই এনেকুৱা ধেমালিৰ একো অৰ্থ নুবুজি আইতাকৰ মুখলৈ চালে আৰু যেতিয়া আইতাকে "নাপায় নহয়, আহ" বুলি তাইক সঁচাকৈয়ে টানিলে, তেতিয়া তাইৰ অবিশ্বাস যেন নিমিষতে উৰি গ'ল ; লগে-লগে তাই চিঞৰি উঠিল, "ইস্ নালাগে মই মামাৰ লগত শুম।" আইতাকে তাইক যিমানবাৰ নিজৰ গাৰ ফালে টানিলে, সিমানবাৰ তাই চিঞৰিলে, — "মই মামাৰ লগত শুম—।"

অইন এটা কোঠালিত বহি থকা উপেনৰ বুকুখন ধকৰকৈ উঠিল। কিম্বা এটা তীব্ৰ অনুভূতিয়ে যেন তাৰ বুকুখন ঠেলি ওপৰলৈ উঠি আহিবলৈ বিচাৰিলে।

লৰালৰিকৈ বাটিটোতে পানী ঢালি হাতখন ধুই সুষমা দৌৰি পাগঘৰৰ পৰা ওলাই আহিল ; আহিয়েই তাই নিজৰাক কোলাত তুলি ল'লে। সুবৰ্ণলতাৰ বিছনাত তাইক বহুৱাই তাই ক'লে, "চাচোন তোৰ বিছনাখন কিমান সুন্দৰকৈ পাৰি দিছোঁ ; সৰু-সৰু ছোৱালী আইতাকৰ লগতহে শোৱে ; আইতাই তোক মৰম কৰিব নহয়। ধেৎ বেয়া ছোৱালী —"

ইমানদিনে উপেনৰ কাষত নিজৰাৰ বিছনা যিমান ধুনীয়া আছিল, সঁচাকৈয়ে আইতাকৰ ওচৰত তাতকৈ বহুত ভাল বিছনাৰ ব্যৱস্থা হৈছে। আইতাকে তাইৰ অকণমান গাৰুটোৰ ওপৰত বগলী পাখি-যেন বগা কাপোৰ এটুকুৰা পাৰি দিছে, অকণমান ধুনীয়া ফুলাম বিছনা-চাদৰো বেলেগে দিছে। কিন্তু নিজৰাই হাত-ভৰি জোকাৰি গোটেই বিছনাখন কোঁচ-মোচ খুৱাই পেলালে। সুবৰ্ণলতা আৰু সুষমাৰ বহুত বুজনিৰ মাজে-মাজে তাই "নালাগে, নালাগে, মই মামাৰ লগত শুম" বুলি চিঞৰি উঠিল।

পাগঘৰত কাহীৰ কিনাৰত লাগি থকা ভাত চিকুটি-চিকুটি বগালী মানুহজনী ভৰিৰ পৰা মূৰলৈকে যেন ঘামি উঠিল। গোটেই গাৰ তেজ যেন তাইৰ মুখখনত গোট খালে। কেৱল নিজৰাৰ মাতহে তাইৰ কাণত পৰিছিল।

মুখ বিবৰ্ণ হৈ গৈছিল উপেনৰ। যোৱা তিনিবছৰে, যেতিয়াৰ পৰা নিজৰাই কথা

ক'ব পৰা হৈছে, তেতিয়াৰ পৰা তাই তাৰ লগত শুই আহিছে। সি নিজে তাইৰ কাৰণে অকণমান গাৰু এটা কৰাই আনিছে। টোপনি নোযোৱা সময়খিনি সদায় সি তাইক সাধুকথা কৈছে। যিদিনা নতুন সাধু মনত নপৰে, সেইদিন — "এখন দেশত নিজৰা নামেৰে এজনী ছোৱালী আছিল" বুলি কোৱাৰ লগে লগে তাই "ইস্ মিছা" বুলি কৈছে। মাজনিশা সপোন দেখিয়েই নে কি, — ওঁহ আহ কৰা নিজৰাক সি লাহে-লাহে মাতিছে — কি হ'ল নিজু? — নিজু। কোনো উত্তৰ নিদি নিস্তব্ধ হৈ শুই পৰা নিজৰাৰ গাৰ কাপোৰ ঠিককৈ দি তাইৰ গাত হাত এখন থৈ সি শুই পৰিছে। যোৱা এবছৰে শোৱাৰ আগতে সি নিজৰাই আনি দিয়া পানী গিলাছ খাইছে। সেই নিজৰা আজি কি কাৰণত তাৰ লগত নুশুব? তাই কিয় বুজিব? কি বুজিব?

চোতালৰ লাইটবোৰ নুমুৱাই দিয়াৰ পাছত বাহিৰখন অলপ এন্ধাৰ হৈছিল। সেই এন্ধাৰত থিয় হৈ বৃন্দাবনে ডিঙি মেলি খিৰিকীয়েদি নিজৰাক চাবলৈ চেষ্টা কৰিলে। ভিতৰ সোমাই আহিবলৈ সি সাহস বিচাৰি পোৱা নাছিল। নিজৰাই কিয় কান্দিছে, তাক যেন একমাত্ৰ সিহে বুজিছিল, সিহে মৰ্মে-মৰ্মে উপলব্ধি কৰিছিল। তাইৰ নিচিনাকৈ সিও যেন কান্দিব পাৰিব লাগিছিল। গা ধোৱাৰ আগতে উপেনক সি গাত তেল ঘঁহি দিছে, অফিছলৈ যোৱা কাপোৰ উলিয়াই দিছে, তামোল কাটি চোলাৰ জেপত ভৰাই দিছে, — কিমান কি কৰিছে; কাইলৈ সি কি কৰিব? বাওঁহাতৰ তলুৱাৰে বুকুখন মোহাৰি-মোহাৰি সি দীঘলকৈ নিশাহ এৰিলে; যেন মনে-মনে ক'লে, — "কান্দ আই, কান্দ।"

কান্দি-কান্দি এসময়ত নিজৰা শুই পৰিল; বোধহয় ভাগৰি পৰিল। তাই গাৰুত মুৰ থৈ শোৱা নাছিল, পাছত সুবৰ্ণলতাই গাৰুলৈ তাইৰ মুৰটো তুলি দিলে। তেওঁৰ নিজৰো বহুত ৰাতিলৈকে টোপনি যোৱা নাছিল। মাজতে এবাৰ উপেনৰ কোঠালিৰ দুৱাৰখন বন্ধ কৰাৰ সৰু শব্দ এটা হ'ল। গোটেই ঘৰটোত তেতিয়া ধূপ গোন্ধাইছিল। ধূপৰ গোন্ধ লৈ-লৈ সুবৰ্ণলতাৰ এসময়ত টোপনি গ'ল; বৃন্দাবনৰো।

কিমান ৰাতি ঠিক নাই, হঠাতে সুবৰ্ণলতাৰ টোপনি ভাগি গ'ল। লৰালৰিকৈ উঠি গৈ লাইটটো জ্বলাই বিছনাৰ কাষলৈ উভতি আহি তেওঁ দেখিলে নিজৰা বিছনাত বহি আছে। অসংখ্য কৰুণ কাকুতিয়ে যেন তাইৰ চকু দুটাত চলচল কৰি আছে। তাই যেন বহুত কিবাকিবি ক'ব খুজিছে, কিন্তু তাইৰ যেন চিনাকি মানুহ কোনো নাই, এনেকুৱা অসহায় চাৱনিৰে ভয়ে-ভয়ে তাই আইতাকৰ চকুলৈ চাই আছে।

সুবৰ্ণলতাই বিছনাত উঠি লৈ তাইক হাত এখনেৰে ওচৰ চপাই ধৰিলে। কিছু সময় তেওঁ একো ক'ব নোৱাৰিলে। তাৰ পাছত তাইৰ থুঁতৰিত ধৰি মুখখন লাহেকৈ তুলি ধৰি তেওঁ সুধিলে, "কি হ'ল আই?"

নিজৰাৰ নাকৰ পাহি দুটা ফুলি উঠিল, ওঁঠ দুখন কঁপি উঠিল; বাগৰি নপৰাকৈ চকুৰ কোণত পানী দুটোপাল জিলিকি উঠিল। তাই এটা-এটাকৈ ক'লে, "মই মামাৰ লগলৈ যাম।"

সুবৰ্ণলতাই জোৰেৰে তাইক বুকুত সাৱটি ধৰিলে। শোকত, দুখত নিজৰা যেন

জহি-খহি গ'ল। তাইৰ কান্দোনৰ অকণো শব্দ নোলাল, এই নিশাৰ মৌনতাক আমনি কৰিব নাপায় বুলি তাই যে বুজিছিল। কেৱল তাইৰ গোটেই গাটো কান্দোনৰ প্ৰত্যেকটো ঢৌৰ লগে-লগে জোকাৰ খাই-খাই উঠিল। আৰু কান্দোনৰ প্ৰতিটো ঢৌ অনুভৱ কৰিলে সুবৰ্ণলতাৰ বুকুৱে।

ধাৰাসাৰে বৈ অহা সুবৰ্ণলতাৰ চকুপানী নিজৰাৰ মুখৰ ওপৰত পৰিছিল, আৰু তেওঁ তাইৰ মুৰত হাত বুলাই দি চুলিবোৰ সেমেকা কৰি তুলিছিল। আকৌ এবাৰ তেওঁ মনোৰমাক পাৰেমানে গালি পাৰিলে। এই শেষ নিশা, এইৰূপ ছোৱালীৰ চকুপানী চাবলৈ মনোৰমা য'তে আছে ত'বেপৰা যেন অকণমান সময়ৰ কাৰণে আহে।

ৰাতিপুৱাই ৰূপালীয়ে নিজৰাক বিছনাৰ পৰা নমাই নি নিজে হাত-মুখ ধুৱাই দিলে; দুপৰীয়া আগত বহি ভাত খুৱালে ; আবেলি তেল-কাঁকৈ লৈ তাইৰ চুলি বন্ধাত লাগিল। মুখত পাউডাৰ অকণমান ঘঁহোতে নিজৰাই মামীয়েকৰ মুখলৈ চাই সুধিলে, "কালি ৰাতি মামাই পানী খাইছিল মামী ?"

গোটেই দিনটো ৰূপালীয়ে তাকে ভয় কৰি আছিল। তাইৰ মুখখন বগা পৰি গ'ল। ক'লে, "খাইছিল"।

খাইছিল। উপেনে স্যাচলতে ৰাতি শোৱাৰ আগতে এগিলাচ কুহমীয়া গাখীৰ খাইছিল।

নিজৰাই অলপ সময় মনে-মনে থাকি আকৌ সুধিলে, "মামাই আপোনাক সাধুকথা কৈছিল ?"

এই সময়তে যদি পৃথিবীয়ে ৰূপালীক লুকাবলৈ ঠাই অকণমান উলিয়াই দিলেহেঁতেন ? যি সাধু উপেনে তাইক কৈছিল, সেই সাধু যেন আজিলৈকে কোনেও কোৱা নাই, কোনেও শুনা নাই। তাই ক'লে, "কৈছিল নিজৰা। তোমাৰ বগা ফিটা কেইডাল আছে ?"

নিজৰাক সজাই-পৰাই এৰি দিয়াৰ আগতে ৰূপালীয়ে তাইৰ মুখখন বুকুৰ মাজত এবাৰ সাৱটি ধৰিলে। ৰূপালীৰ উষ্ণ আৰু কোমল বুকুৰ অপূৰ্ব পৰশে তাইক বোধহয় মৌন কৰি পেলালে।

সন্ধিয়া সময়ত আইতাকৰ ওচৰ চাপি নিজৰাই ভয়ে-ভয়ে সুধিলে, "আজি মই মামাৰ লগত শুম নে কি আইতা ?" আইতাকে তাইক দৰা-কইনাৰ বাকচটো ক'ত থৈছিল বিচাৰি আনিবলৈ পঠিয়ালে।

নিজৰা দৰা-কইনা লৈ আৰু বলিয়া নহ'ল, ৰাতি উচুপিবলৈও যেন তাইৰ ভাগৰ লাগিল। কিন্তু এই বলিয়া ছোৱালীজনী ইমান মৌন হৈ গ'ল যে ঘৰখনত কি নাই কি নাই কৰি বৃন্দাবনে হাঁহাকাৰ কৰি উঠিল। বিয়াখন হৈ যোৱাৰ পাছত তাৰ বহুত কাম ওলাইছে, কিন্তু কোনেও যদি তাৰ কামত দোষ নধৰে, কাম কৰি থাকোঁতে মনে-মনে যদি তাক কোনেও আমনি নকৰে, তেনেহ'লে সি কাম কৰে কেনেকৈ ? দৰাক নোওৱা ঠাইৰ ওচৰৰ তুলসী পুলিটো যে সি কাটি পেলোৱা নাছিল, বৰং শুকিত মাটি চপাই পোনাইহে দিছিল,

তাক চাবলৈও ছোৱালীজনী এবাৰ তাৰ ওচৰলৈ নাহিল। উপেনে আনি দিয়া ৰং-চঙীয়া কিতাপবোৰৰ পাত লুটিয়াই-লুটিয়াই নিজৰাই কি বং পাইছে বৃন্দাবনে বুজি নাপালে। কিতাপবিলাক তাৰ মহাশত্ৰু যেন লাগিল।

উপেনে দূৰত থকা সময়খিনি পাবেমানে আঁতৰি-আঁতৰি ফুৰিবলৈ ধৰিলে। অকণমান ছোৱালী এজনীৰ মুখামুখি হোৱাৰ সাহসকণো তাৰ নাছিল। আঁৰৰ পৰা নিজৰাক দেখি তাৰ নিজকে দুৰ্দান্ত অপৰাধত অপৰাধী যেন লাগিছিল।

তাৰ পাছত আঠমঙলালৈ যোৱাৰ দিন আহিল। ৰূপালীয়ে আকৌ বিয়াৰ সাজ পিন্ধিলে ; উপেনেও পিন্ধিলে ; — যেনেকৈ নিজৰাৰ এহাল পুতলাই কেইদিনমানৰ পাছত আকৌ বিয়া হ'লে পিন্ধে। উপেনহঁত ঘৰৰ পৰা বিয়াত গৈ মটৰত উঠিব। আগফালে দুৱাৰমুখলৈ সুবৰ্ণলতা আৰু নিজৰা ওলাই আহিল। গুৱালে গাখীৰ দিবলৈ সোমোৱা বাটটোৰ মুখত বৃন্দাবনো থিয় হৈ ৰ'ল। উপেন আৰু ৰূপালী দুয়ো সুবৰ্ণলতাক একোটা সেৱা কৰিলে ; তাৰ পাছত ৰূপালীয়ে নিজৰাক গালখনত হাত ফুৰাই মৰম কৰোতে নিষ্প্ৰভ দৃষ্টিৰে মামীয়েকৰ মুখলৈ চাই তাই সুধিলে, "আপুনি আকৌ আহিব নে কি মামী?"

সুবৰ্ণলতাই নিজৰাক কাষলৈ চপাই নিলে। ৰূপালী নিঃশব্দে গৈ বিয়াত বহিল। বিয়াত উঠিবৰ সময়ত চকাৰ মাডগাৰ্ডত পাটৰ মেখেলাখন লাগি ধৰোঁতে ভৰিখন অকণমান ওলাই গৈছিল, তাই লৰালৰিকৈ হাতেৰে একৰাই ল'লে।

বিয়াৰ পৰা নিজৰালৈ এবাৰ উভতি চাবলৈ ৰূপালীৰ সাহ নহ'ল।



হোমেন বৰগোহাঞি

গৰখীয়া

গৰখীয়া

বুধিৰাম অৰুণহঁতৰ ঘৰত পাঁচ বছৰ গৰখীয়া হৈ আছিল। সি যেতিয়া প্ৰথম অৰুণহঁতৰ ঘৰত থাকিবলৈ আহে, তেতিয়া অৰুণে স্কুলত নাম লগোৱাই নাই। এতিয়া অৰুণ গাঁৱৰ পাঠশালাৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ। এদিন অৰুণে স্কুলৰ পৰা আহি দেখিলে যে বুধিৰামে ঘৰৰ পিৰালিত মাটিতে লেপেটা কাঢ়ি বহি কেঁকুৰি কেঁকুৰি কান্দিব ধৰিছে; অৰুণক দেখা মাত্ৰকে সি হ্ৰাও-হ্ৰাওকৈ কান্দিবলৈ ধৰিলে। অৰুণ খুব আচৰিত হ'ল। প্ৰথমতে তাৰ মনত ভাব হ'ল যে বুধিৰামে কিবা বেয়া কাম কৰাৰ কাৰণে তাৰ দেউতাক বা মাকে বোধহয় দুটামান লগা-থপা দিছে; গাত বেছি দুখ নাপালেও মনৰ বেজাৰতে সি তেনেকৈ কান্দিছে। কিন্তু পিছ মুহূৰ্ত্ততে তাৰ মনলৈ ভাব আহিল যে সেইটো তেনেই অসম্ভৱ। বুধিৰাম সৰু হৈ থাকোঁতে কেতিয়াবা কাচিৎ দেউতাকে তাক দুই-এটা চৰ-চাপৰ মাৰিলেও সি চুৰিয়া পিন্ধিব পৰা হোৱাৰ দিন ধৰি দেউতাকে তাৰ গাত এদিনো হাত লগোৱা নাই; দাবি-ধমকিও কাচিৎহে দিয়ে। অৰুণ হতভম্ব হৈ কেইমুহূৰ্ত্তমান সময় বুধিৰামৰ সন্মুখত থিয় হৈ ৰ'ল। 'তই কিয় কান্দিছ' বুলি বুধিৰামক সুধিবলৈ তাৰ মন গৈছিল, কিন্তু হঠাৎ এবাৰ বুধিৰামৰ নতুনকৈ ঠুঁটিওৱা দাড়িৰ কোমল ক'লা কেঁথাটোৰ ওপৰত তাৰ চকু পৰিল আৰু ইমান ডাঙৰ ল'ৰা এটাই এনেকৈ হ্ৰাও-হ্ৰাওকৈ কন্দা দেখি অৰুণৰ নিজৰে খুব লাজ লাগি গ'ল। সি একে জাঁপেই ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

কিতাপ-পত্ৰখিনি আলমাৰিত দলি মাৰি সি অৰুণে মাকক বিচাৰি একেলৰে মাকৰ-ঘৰ পালেগৈ। সি জানে মাকে তাক পদূলিমুখত দেখা মাত্ৰে তাৰ কাৰণে ভাত সজাবলৈ পাকঘৰত সোমাইছে। মাকক দেখা পাই সি সুধিলে, "আই, বুধিৰামে কিয় কান্দিছে? তই তাক মাৰিছিলি নেকি?"

অৰুণে দেখি আচৰিত হ'ল যে তাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে মাকেও আঁচলৰ আগেৰে চকু দুটা মোহাৰিব ধৰিছে। কপোন-মিহলি মাতেৰে তেওঁ উত্তৰ দিলে, 'তই ক'ব নোৱাৰ নেকি — বুধিৰাম কাইলৈ একেবাৰেই ওভতি যাবগৈ নহয়।"

অৰুণে যেন নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰিলে। ওভতি যাবগৈ? ক'লৈ ওভতি যাবগৈ? এটি দহবছৰীয়া ল'ৰাৰ জীৱনত পাঁচবছৰ কাল ইমান দীঘল যে তাৰ এটা সম্পূৰ্ণ

জীৱনেই বুলি ক'ব পাৰি। সুদীৰ্ঘ পাঁচবছৰ কাল বুধিৰাম অকণহঁতৰ ঘৰত আছে; তাৰ যে এখন বেলেগ ঘৰ আছে আৰু এদিন সি নিজৰ ঘৰলৈ ঘুৰি যাব পাৰে, সেইকথা অকণহঁতে সপোনতো কোনোদিন ভবা নাই। বছৰত এবাৰ কি দুবাৰ সি অৱশ্যে ঘৰলৈ যাওঁ বুলি কোনোবা এখন ঠাইলৈ যায়; ঠাইখন ইমান দূৰত যে ৰাতিপুৱা বেলি উঠাৰ লগে লগে যাত্ৰা কৰিলে বেলি পৰিবৰ সময়তহে বোলে গৈ পায়। কিন্তু অকণৰ দেউতাকেওতো বছৰত এবাৰ কি দুবাৰ বাহিৰত ফুৰিবলৈ যায়, — কেতিয়াবা ডিব্ৰুগড়ৰ পেহীয়েকৰ ঘৰলৈ, কেতিয়াবা লক্ষীমপুৰৰ সৰু দেউতাকৰ ঘৰলৈ। দেউতাক যেনেকৈ দুদিনমানৰ মূৰত নিজৰ ঘৰলৈ ঘুৰি আহে, বুধিৰামো ঠিক তেনেকৈয়ে ঘুৰি আহে। তেনেহ'লে সি এইবাৰ আৰু কোনোদিনেই ঘুৰি নাহিবলৈ গুচি যাবগৈ? কিয় যাবগৈ? মাকৰ পৰা কিবা এটা উত্তৰ শুনাৰ আগতেই অকণে তাৰ ডিঙিত কিবা এটাই সোপা মাৰি ধৰা যেন অনুভৱ কৰিলে।

চকুপানীখিনি মচি মাকে ক'লে, "সি কিবা মাইকী ছোৱালী নেকি যে বিয়া দি উলিয়াই দিয়াৰ লগে লগে চিৰকাললৈ নিজৰ ঘৰ ত্যাগ কৰিব লাগিব? আজি তাৰ বাপেক আহিছে। বাপেকটো বুঢ়া হৈছে, তাতে বেমাৰীও। নিজে কৰি-মেলি খাব নোৱাৰা হৈছে। সেই কাৰণে পুতেকক লৈ যাবলৈ আহিছে। এতিয়া তই ভাতকেইটা সোনকালে খাই শেষ কৰি বুধিৰামৰ ওচৰলৈ যা। ঘৰলৈ ঘুৰি যাব লাগিব বুলি গম পাবৰ পৰা বেচেৰা ল'ৰাটো কান্দি আধা-মৰা হৈছে। তই অলপ ধেমালি-ধুমুলা কৰি তাৰ মনটো ভাল লগাবলৈ চেষ্টা কৰগৈ।"

কথাকেইটা কৈ শেষ কৰি অকণৰ মাক বাহিৰলৈ ওলাই গ'ল।

অকণে ভাত খাবলৈ বহিল, কিন্তু তিনি-চাৰি গৰাহমান খোৱাৰ পিছতো সি গম নাপালে যে সি হৰিণৰ মাংসৰে ভাত খাইছে। এবাৰ সি অনুভৱ কৰিলে যে তাৰ বুকুৰ গভীৰৰ পৰা ডিঙিলৈকে উজাই অহা কান্দোনৰ বেগটো ঠেলি ভাতখিনি কোনোমতেই ভিতৰলৈ সোমাব পৰা নাই। তাৰ এনেকুৱা অভিজ্ঞতা আগতে কেতিয়াও হোৱা নাই। কিছু সময়ৰ মূৰত সি আধা-খোৱা ভাতৰ কাঁহীত পানী ঢালি চোলাৰ আগেৰে হাত-মুখ মচি দৌৰ মাৰি বাহিৰলৈ ওলাই গ'ল।

বুধিৰাম তেতিয়াও আগৰ ঠাইতে জলকা লাগি বহি আছিল। তেতিয়া তাৰ কান্দোন বন্ধ হৈছে, কিন্তু চকু দুটা উখহি আছে, গাল দুখনত শুকোৱা চকুপানীৰ দাগ জিলিকি আছে। অকণে তাৰ আগত থিয় হৈ নিজৰ মাতটো জোৰ কৰি কৰ্কশ কৰি ক'লে, 'ঐ বুধি, গৰু বিচাৰিবলৈ যাওঁ ব'ল।'

তেতিয়া কাতিমাহৰ প্ৰায় মাজভাগ; শালিধানৰ পথাৰবোৰত ধানবোৰ গাৰ্ভৱতী হ'বলৈ আৰম্ভ কৰিছে মাত্ৰ। মাঘবিহুৰ আগে আগে ধান দাই শেষ নোহোৱা পৰ্যন্ত গাঁৱৰ পথাৰত গৰু-ম'হৰ প্ৰৱেশ নিষেধ। কিন্তু নৈৰ সিপাৰৰ চাপৰিটো তেতিয়া গৰু-ম'হৰ কাৰণে সম্পূৰ্ণ মুকলি। ৰাতিপুৱা গাখীৰ খীৰোৱাৰ পিছত গাই-দামুৰিবোৰ নি নৈ পাৰ কৰি থৈ আহিলেই হ'ল। হালোৱা গৰুবোৰতো ৰাতিপুৱাৰে পৰা চাপৰিতে থাকে, কাৰণ সেই সময়ত চাপৰিত মাহ-সৰিয়হৰ কাৰণে হাল বোৱাৰ বতৰ। হাল মেলি হালোৱাই

সিহঁতক চাপৰিতে এৰি থৈ আহে। গোটেই দিনটো গৰুবোৰ চাপৰিত মুকলি মনেৰে চৰি ফুৰে। কেৱল আবেলিপৰত কোনোবাই গৈ সিহঁতক বিচাৰি আনিব লাগে। বেছিভাগ গৰু-গাই নিজে নিজেই ঘৰলৈ ঘূৰি আহে; কিন্তু সিহঁতৰে ভিতৰত উভনুৱা স্বভাৱৰ দুই-এটাই যদি পেট ফাটি যোৱাকৈ চাপৰিৰ বসাল মিঠা ঘাঁহ খাই মৌজ কৰি চাপৰিতে শুই থাকিব খোজে, তেন্তে গৰু আৰু গিৰিহঁত দুয়োৰে বিপদ। গৰুৰ বাঘৰ পেটলৈ যোৱাৰ ভয়, গিৰিহঁতৰ হাল খতি হোৱাৰ ভয়।

বুধিৰামে এবাৰ পছিমৰ আকাশৰ ফালে চালে। হয়তো বেলি পৰিবৰেই হ'ল দেখোন। সি প্ৰায় জাঁপ মাৰি থিয় হ'ল আৰু অকণৰ ফালে চাই ক'লে, "খন্তেক ৰ, মই মোৰ দাখন লৈ আহোঁ।"

বুধিৰামৰ এখন মিট-দা আছে, সেইখন হাতত নোলোৱাকৈ সি ক'লৈকো এখোজো নাযায়। দাখন আনিবলৈ বুলি সি ভিতৰলৈ সোমাই গ'ল। অলপ সময়ৰ পিছত যেতিয়া সি ওলাই আহিল, তেতিয়া তাৰ এটা সম্পূৰ্ণ বেলেগ ৰূপ। নাদৰ পানীৰে হাত-মুখ ধুই সি বুকু-ভঙা কান্দোনৰ চিন-মোকাম সমূলি নোহোৱা কৰিছে। গামোচাখন কঁকালত টঙালি বন্ধাৰ দৰে বান্ধি মিট-দাখন তাতে গুজি লৈছে; মুখত তামোল এমোকোৰা ভৰাই লৈ পৰম তৃপ্তিৰে পাগুলিবলৈ আৰম্ভ কৰিছে। অকণে তাৰ মুখৰ ফালে কেইমুহূৰ্তমান সময় অতি আচৰিত হৈ চাই থকা দেখি বুধিৰামে ভেকাহি মাৰি ক'লে, "কিবা নেদেখা দেখাৰ দৰে কি চাই আছ এনেকৈ? ম'হবুলি চাপৰিত আজিয়েই শেষবাৰলৈ গৰু বিচাৰিবলৈ ওলাইছোঁ সেই কথা নাজান নেকি?"

অকণে তেতিয়াহে মন কৰিলে যে ৰ'দ পৰি চিক্‌মিকাই উঠা নিয়ৰৰ টোপালৰ দৰে বুধিৰামৰ চকুৰ কোণত দুটোপাল চকুৰ পানী তিৰ্‌বিৰাব ধৰিছে। অকণে দেখিও নেদেখাৰ ভাও ধৰি ইফালে-সিফালে চাই মাতটো সৰু কৰি ক'লে "বস্তাটো লৈছনে নাই?"

বুধিৰামে অকণৰ প্ৰশ্নটোৰ কোনো উত্তৰ দিয়াৰেই প্ৰয়োজন অনুভৱ নকৰিলে। এই পেন্দুকণা ল'ৰাটোৱে আকৌ মোক শিকাবলৈ আহিছে — মুখত এনে এটা ভাব ফুটাই তুলি বুধিৰাম পদূলিমুখৰ ফালে আগবাঢ়িল।

নৈ পাৰ হৈ ইকৰা-খাগৰি আৰু বিৰিণানিৰ মাজৰ লুংলুঙীয়া বাটেৰে প্ৰায় আধা মাইলমান গৈ সিহঁত দুয়ো শিঙিমাৰি বিলৰ পাৰত ভৰি দিলেগৈ। বিলখন বৰ ডাঙৰ নহয়; এটা পাৰত থিয় হ'লে বিনিকি-বিনিকি ইটো পাৰ দেখা যায়। বিলৰ কেউপাৰে চকুৰে মনিব পৰালৈকে ঘাঁহনি পথাৰ; তাৰ মাজে মাজে কঁৰৈ, উৰিয়াম, পুঁজা, মজ আদি ওখ ওখ গছবোৰ। বেছিভাগ গৰু-ম'হ বিলৰ পাৰৰ ঘাঁহনি পথাৰতেই চৰি থাকে; দুঃসাহসী অভিযানৰ লোভত ডাঠ হাবিৰ মাজলৈ যোৱা গৰু-ম'হবোৰেও আবেলিৰ লগে লগে বিলৰ পাৰলৈ ঘূৰি আহে। বুধিৰামহঁত বিলৰ পাৰত গৈ উপস্থিত হোৱাৰ সময়ত যাব যাব ধৰা বেলিটোৰ পোহৰ কোমল সোণোৱালী ৰং ল'বলৈ আৰম্ভ কৰিছিল; বিলৰ কজলা পানী আৰু পাৰৰ বিশাল সেউজীয়া ঘাঁহনিৰ ওপৰত সেই সোণোৱালী পোহৰ পৰি এখন মায়াপুৰীৰ সৃষ্টি হৈছিল; বগা-কণা-ক'লা-শখৰা আদি বিচিত্ৰ বৰ্ণৰ গৰুবোৰে গোটেই ঘাঁহনিখনত সিঁচৰিত হৈ পৰি দিনটোলৈ শেষবাৰৰ কাৰণে পৰম নিবিষ্ট চিত্তে ঘাঁহ খোৱাত

ব্যস্ত হৈ পৰিছিল। সিহঁতৰ ঘাঁহ খোৱাৰ চপ্‌চপনি শব্দৰ বাহিৰে চাৰিওদিশে এক গভীৰ নীৰৱতা বিৰাজ কৰিছিল। বুধিৰাম আৰু অকণ দুয়ো খন্তেক সময় তভক্ মাৰি ৰ'ল। খন্তেকৰ কাৰণে দুয়ো উশাহ বন্ধ হৈ যোৱা যেন অনুভৱ কৰিলে। এনেকৈ কেইমুহূৰ্তমান থকাৰ পিছত বুধিৰামে হঠাৎ এবাৰ বহুত দূৰৰ ফালে আঙুলি টোঁৱাই চিঞৰি উঠিল, 'সৌ কৰৈ গছজোপাৰ তলত সেইজনী আমাৰ বাঙলী নহয়নে? আৰু এদিন কি দুদিনৰ ভিতৰতেই নিশ্চয় তাইৰ পোৱালি জগিব; কিন্তু মইহে তাইৰ ফেঁহু খাবলৈ নাপাম।"

অকণে বুধিৰামৰ কথাতে যোগ দি ক'লে, "কৰৈজোপাৰ তলত সেইজনী বাঙলী; তাইৰ পৰা দুনলমান দূৰত তৰানিখনত গাটো যে আধা লুকাই আছে সেইজনী মিৰিয়নী; বিলৰ পাৰত শুই মৌজ কৰি ঘাঁহ পাগুলি থকাজন আমাৰ দঁহা মহাৰাজ; আৰু সৌযে জাক-যুৰা গাইজনী — এইমাত্ৰ নলনিখনলৈ সোমাই গ'ল — সেইজনীও আমাৰে বগীজনী হ'বলা।"

ঘাঁহনিত চৰি থকা আৰু দূৰৰ পৰা দেখিবলৈ প্ৰায় একে দেখা শ শ গৰুৰ মাজতো সিহঁতে চকুৰে বিণিকি-ৰিণিকি দেখা দূৰৰ পৰাই নিজৰ আটাইবোৰ গৰু চিনি উলিয়ালে।

আটাইবোৰ গৰু পথাৰতে থকা বুলি জানি নিশ্চিন্ত হৈ বুধিৰামে ক'লে, "আৰু অলপমান পিছতে গাঁৱৰ বাকীবোৰ গৰখীয়া আহি ওলায়হিহে লাগে। আহ, সিহঁত অহাৰ আগতেই বিড়ি একোটাহঁত হুপি লওঁ। তোৰ লগত কিজানি এইটোৱেই মোৰ শেষ বিড়ি হোপা।"

অকণৰ মুখখন উজ্জ্বল হৈ উঠিল। ইমানপৰে সি এই মুহূৰ্তটোলৈকে ব্যাকুলভাৱে অপেক্ষা কৰি আছিল। বুধিৰামৰ লগত চাপৰিত গৰু বিচাৰিবলৈ অহাৰ এশ-এবুৰি প্ৰচণ্ড আকৰ্ষণ আছে; কিন্তু আজি ছমাহমানৰ আগতে বুধিৰামে তাক বিড়ি খাবলৈ শিকোৱাৰ দিন ধৰি অকণৰ কাৰণে বিড়ি খোৱাটোৱেই আটাইতকৈ ডাঙৰ আকৰ্ষণ হৈ পৰিছে। যোৱা ব'হাগ বিহুৰ কেইদিনমানৰ আগতে সিহঁত দুয়ো চাপৰিত দীঘলতী আৰু মাখিলতী বিচাৰি গৈছিল। চাপৰিত বহুত পৰ অনাই-বনাই ঘুৰি ফুৰি ভাগৰ লগাত সিহঁত দুয়ো জোপোহা ঔ গছ এজোপাৰ ছাঁত ঘাঁহনিত দীঘল দি শুই পৰিল। ঘাঁহ-বনৰ মিঠা গোন্ধ কঢ়িয়াই অনা ৰিব্‌ৰিব্ বতাহে সিহঁতৰ গাৰ ভাগৰ উটুৱাই নিয়াৰ পিছত বুধিৰামে মুখৰ দীঘল এঙামুৰি এটা টানি বহি লৈ ক'লে, "বহু, ঘৰলৈ ঘূৰাৰ আগতে সুখেৰে বিড়ি এটা খাই লওঁ" চকু দুটা মুদি লৈ বুধিৰামে পৰম তৃপ্তিত বিড়ি হুপিবলৈ ধৰিলে। এবাৰ সি নাকেৰে দীঘলকৈ বিড়িৰ ধোঁৱাখিনি উলিয়াই চকু দুটা মেলোঁতেই তাৰ চকুত পৰিল — অকণে মুগ্ধ দৃষ্টিৰে একেথিৰে তাৰ মুখলৈ চাই আছে। তাৰ চকুৰ চাৱনিত যেন একে সময়তে লোভ, ঈৰ্ষা আৰু বিস্ময় আদি বহুতো বিচিত্ৰ ভাব ফুটি উঠিছে। হঠাতে বুধিৰামৰ মনত এটা মতলব খেলালে। কেনেবাকৈ যদি অকণক বিড়ি খাবলৈ শিকাই ল'ব পৰা যায়, তেন্তে তাৰ বিড়ি কিনা পইচাৰ সমস্যাৰ এটা স্থায়ী সমাধান হ'ব। আন একো কৰিব নোৱাৰিলেও অকণে ছল চাই ঘৰৰ পৰা মাজে সময়ে দুই-চাৰিটা পইচা চুৰ কৰিব পাৰিব। সি অকণৰ ফালে চাই সহজভাৱে সুধিলে, "কি অ' অকণ, খাই চাবি নেকি বিড়ি এটা?"

বুধিৰামৰ কথা শুনি অকণ ভীষণভাৱে উচপ্ খাই উঠিল। বুধিৰামে যেন তাক

বিড়ি খোৱাৰ কথা কোৱা নাই, বৌ বৌ নৰকত পৰিবলগীয়া এটা মহাপাপ কৰাৰহে প্ৰস্তাৱ কৰিছে; কথাষাৰ শুনা মাত্ৰেই তাৰ মূৰৰ পৰা ভৰিলৈকে তৰৰ এটা বিজুলী সোঁত বৈ গ'ল। আধা-শোৱা অৱস্থাৰ পৰা একেচাটে পোন হৈ বহি সি নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰা মানুহৰ নিচিনাকৈ সেপ ঢুকি প্ৰশ্ন কৰিলে, "কি ক'লি?"

অকণৰ ভাও-ভঙ্গী দেখি বুধিৰামৰ ইমান হাঁহি উঠিল যে হাঁহিত ৰ'ব নোৱাৰা হৈ সি খাঁহনিতে চাৰি-পাঁচটামান বাগৰ দিলে। বেছিকৈ হাঁহি উঠিলেই তাৰ দুটা চকুৰেদি সৰু সৰুকৈ পানী ওলাবলৈ ধৰে। এবাৰ সি বহি লৈ কঁকালৰ গামোচাখনেৰে চকু দুটা মচি মচি নতুনকৈ উজাই আহিব খোজা হাঁহিৰ বেগটো কোনোমতে হেঁচা মাৰি ক'লে, "হেৰৌ তই এনেকুৱাখন কৰিছ কেলৈ? মই তোক ডিঙিত কলহ বান্ধি পিতিমাৰি বিলত ডুবি মৰিবলৈ কোৱা নাই নহয়; বিড়ি এটা খাই চাবলৈহে কৈছোঁ। হোঁ ল, বেয়া পালে বাৰু নাখাবি।"

অকণে আতংকিত আৰু সম্মোহিত দৃষ্টিৰে বুধিৰামৰ মেলা হাতৰ বিড়িটোলৈ চালে হয়, কিন্তু তাৰ চকুৰ আগত ভাহি উঠিল তাৰ দেউতাকৰ গহীন-গম্ভীৰ মুখখন। গাঁৱৰ আন ল'ৰা-ছোৱালীৰ বাপেকবোৰৰ নিচিনাকৈ অকণৰ দেউতাকে তাক কথকৈ মাৰ-পিট নকৰে, কিন্তু সি কেতিয়াবা সামান্য বেয়া কাম এটা কৰিলেও তেওঁৰ মুখত এনে এটা যন্ত্ৰণাৰ চিন ফুটি উঠে যে দেউতাকৰ মুখৰ ফালে চাবলৈ অকণৰ সাহস নহয়; তাৰ মনত তেতিয়া ভাব হয় যে মনৰ দুখত এনেকৈ মুখ ক'লা কৰি বহি নাথাকি দেউতাকে তাক দুটামান লপা-থপা দিলেই সি বেছি ভাল পালেহেঁতেন। এবাৰ সি বুধিৰামৰ লগত কিবা কথাত কাজিয়া কৰি তাক 'চাকৰ' বুলি গালি পাৰিছিল; অথচ সিহঁতৰ ঘৰৰ অলিখিত আইন মতে ঘৰৰ কাম কৰা মানুহক 'চাকৰ' বুলি কোৱাটো নিষিদ্ধ। বুধিৰামে দেউতাকৰ আগত গোচৰ দিয়াত তেওঁ অকণক মতাই নি ক'লে, "বুধিৰামক চাকৰ বুলি কৈ তুমি তাক অপমান কৰা নাই, আচলতে মোকহে অপমান কৰিছা। কাৰণ যিটো কথা মই খুব বেয়া পাওঁ তুমি ঠিক তাকেই কৰিছা। তুমি খুব নিষ্ঠুৰ।" শান্তভাৱে কথাকেইটা কৈ দেউতাক হঠাৎ নীৰৱ হৈ গ'ল। অকণে তলমূৰ কৰি দেউতাকৰ ওচৰৰ পৰা আঁতৰি আহিল, কিন্তু গোটেই দিনটো সি অনুভৱ কৰি থাকিল যে কিবা এটা বিৰাট দুখৰ বোজাত তাৰ মনটো গধুৰ হৈ আছে। দুখৰ কাৰণটো বুজিবলৈ মাজে মাজে সি চেষ্টা কৰে, কিন্তু একো কথাই স্পষ্ট হৈ নুঠে। মাজে মাজে তাৰ চকুৰ আগত দেউতাকৰ কৰুণ মুখখন ভাহি উঠে; তেতিয়া সি অনুভৱ কৰে যে তাৰ দুখৰ কাৰণটো দেউতাকৰ মুখখনৰ মাজতে লুকাই আছে। বুধিৰামৰ মেলা হাতৰ বিড়িটোলৈ চাই চাই দেউতাকৰ সেই দুখত ক'লা পৰা কৰুণ মুখখন অকণে তাৰ চকুৰ আগত দেখিবলৈ পালে আৰু লগে লগে কিবা এটাই তাৰ কলিজাখন জোৰেৰে মুচৰি দিয়া যেন সি অনুভৱ কৰিলে। ঘৰৰ কাম কৰা ল'ৰাক চাকৰ বুলিলেই যিজন মানুহে ইমান সন্তাপ পায়, তেওঁ বাৰু তেওঁৰ প্ৰাণাধিক পুত্ৰই দহবছৰ বয়সতে বিড়িত ধৰা বুলি শুনিলে কেনেকুৱা অনুভৱ কৰিব? তাতে যিজন মানুহে নিজে বিড়ি-চুৰট খোৱা দূৰৰ কথা, তামোল এখন পৰ্যন্ত নাখায়? দেউতাকৰ কথা ভাবি তাৰ মনটো সংকুচিত হৈ পৰিল, আনহাতে বুধিৰামৰ হাতৰ বিড়িটোৱেও অদৃশ্য মোহিনী বাণ মাৰি তাক তীব্ৰ জোৰেৰে টানিবলৈ ধৰিলে। যেতিয়া বুধিৰামে অকণৰ মনৰ মাজত চলি

থকা এই কুৰুক্ষেত্ৰ যুদ্ধৰ কথা একো গমকেই নাপালে; হঠাৎ এবাৰ অধৈৰ্য হৈ সি চিঞৰি উঠিল, "হেৰ', তই বিড়িটোৰ ফালে এনেকৈ চাইছ — যেন এইটো বিড়ি নহয়, এটা ফেটী সাপহে। বিড়িটোত এটা মাত্ৰ হোপা মাৰি চাচোন, তাৰ পাছত বেয়া পালে মোক ক'বি। তোক আৰু এটা কথা কওঁ শুন। তইযে এনেকুৱা টিকিবা লাগি আছ, হাত-ভৰিত ক'তো নোম এডাল নাই, গোঁফো ঠুটিওৱা নাই, তই বিড়ি নোখোৱাটোৱেই তাৰ কাৰণ। বিড়ি খালে মানুহ সোনকালে ডেকা হয়, বুজিছ? সোনকালে গাৰ নোম আৰু দাড়ি-গোঁফো গজে। মোৰ ফালে চাচোন।"

অকণে লাজতে তৎক্ষণাৎ মুখখন ঘূৰাই নিলে, কাৰণ বুধিৰামে ঠিক সেই মুহূৰ্তত চুৰিয়াখনৰ পোন্ধটো খুলি অকণৰ সমুখত নাঙঠ হৈ থিয় দিছিল। অকণে মুখখন ঘূৰাই নিলে হয়, কিন্তু এটা ভীষণ উত্তেজনাত সি কঁপিবলৈ ধৰিলে। মাত্ৰ কেইমাহমানৰ আগতে বুধিৰামৰ ওপৰ ওঁঠটোত দাড়ি ঠুটিয়াবলৈ আৰম্ভ কৰিছে, সি দিনটোত এশবাৰমান নতুনকৈ গজিব ধৰা সেই দাড়িৰ কোমল ক'লা ৰেখাটো নিজে চাই আৰু অকণকো দেখুৱাই তত নাপায়। কেৱল দাড়িয়েই নহয়, তাৰ হাত-ভৰিবোৰো কোমল ক'লা নোমে লাহে লাহে ঢাকিবলৈ আৰম্ভ কৰিছে। বুধিৰামৰ লগত নিজকে তুলনা কৰি অকণে লাজতে মৰি যোৱা যেন পায়, — তাৰ গাৰ ক'তো এডালো মাত্ৰ নোমৰ অস্তিত্ব নাই। অথচ এই কথা কোনে নাজানে যে দাড়ি-গোঁফ আৰু গাৰ নোমেই হ'ল মানুহ ডেকা হোৱাৰ চিন? অকণে দিনটোত একাধিকবাৰ নিজৰ গাটো পৰীক্ষা কৰে আৰু কেতিয়া এডাল নোম আবিষ্কাৰ কৰিব সেই দিনটোলৈ ব্যাকুলভাৱে অপেক্ষা কৰি থাকে। এই এটা মাত্ৰ কথাত সি বুধিৰামৰ ওচৰত হাৰি গৈছে, বুধিৰামৰ নতুনকৈ ঠুটিওৱা দাড়ি আৰু গাৰ নোমে তাৰ ডেকা হোৱাৰ কথা গৰ্বেৰে ঘোষণা কৰিছে; আনহাতে তাৰ নিজৰ ছোৱালীৰ নিচিনা নোমবিহীন কোমল ছালখনে প্ৰতি মুহূৰ্ততে তাক এই কথা মনত পেলাই থাকে যে ডেকা হ'বলৈ তাৰ এতিয়াও বহুত দিন বাকী আছে। যৌৱনৰ আগমনৰ কাৰণে এনেকৈ বাট চাব লগাটো যে কিমান ভীষণ যন্ত্ৰণাদায়ক সেই কথা অকণৰ নিচিনা ভুক্তভোগীৰ বাহিৰে আৰু আন কোনে বুজিব। সেইকাৰণে সি বুধিৰামৰ মুখত যেই শুনিলে যে বিড়ি খালে সোনকালে দাড়ি-গোঁফ আৰু গাৰ নোম গজে, এটা ভীষণ উত্তেজনাই তাক খামোচ মাৰি ধৰিলে। কেই মুহূৰ্তমানৰ পিছত তাৰ নিজৰ মুখৰপৰা ওলোৱা মাতষাৰেই তাক চক্ খুৱাই দিলে। শুকাই যোৱা ওঁঠ দুটা জিভাখনৰ আগটোৰে তিয়াই সি বুধিৰামক সুধিলে, "কিন্তু দেউতাই যদি গম পায়?"

অকণৰ কথা শুনি বুধিৰামে ইমান ডাঙৰকৈ খিল্‌খিলাই হাঁহি উঠিল যে গছৰ পাতৰ আঁৰত জুপুকা লাগি বহি থকা কণামুচৰি চৰাইকেইটামান চক্ খাই ভুৰুংকৰে উৰি গ'ল। হাঁহি হাঁহিয়েই সি অকণক ক'লে, "তই এতিয়াও মাৰৰ পিয়াহ খাই থকা কেঁচুৱা হৈ *আছ নেকি যে দেউতাৰে তোক চুমা খাওঁতে মুখত বিড়িৰ গোন্ধ পাব? হোঁ ল।* মই খাওঁতে একো ভয় নকৰিবি। চাপৰিৰ হাবিত বনৰীয়া ফল-মূলৰ কি আকাল পৰিছে। ঘৰলৈ যোৱাৰ আগতে তাৰে কিবা এবিধ খাই ল'ম, ফক, গোন্ধ-তাপ চব খতম।"

সেইবেলি অকণে বিড়ি খাবলৈ আৰম্ভ কৰিলে, তাৰ পিছৰ পৰাই দিনটোত অন্ততঃ এটা বিড়ি খাবলৈ নাপালে জীৱনৰ আধা সুখেই মাটি হৈ যোৱা যেন সি অনুভৱ কৰা হ'ল।

সাধাৰণতে আবেলি বুধিৰামৰ লগত গৰু বিচাৰিবৰ সময়তে বিড়ি খাবলৈ সুবিধা হয়, সেই কাৰণে আবেলি হোৱালৈ সি পুৱাৰে পৰা মধুৰ আশা আৰু উত্তেজনাৰে বাট চাই থাকে। অৱশ্যে বিড়িটো খাই উঠাৰ পিছ মুহূৰ্তৰ পৰা আৰম্ভ হয় তাৰ আন এটা প্ৰতীক্ষা — এদিন নহয় এদিন যেতিয়া সি দেউতাকৰ হাতত ধৰা পৰিব, তেতিয়া বাৰু দেউতাকে তাক কি শাস্তি দিব? সেইদিনাও তেওঁ তাৰ মুখলৈ কৰুণ চাৱনিৰে চাই দুটামান উপদেশ দিয়েই ক্ষান্ত থাকিব, নে অপৰাধৰ গুৰুত্ব বুজি আন কিবা কঠোৰ শাস্তি দিব? এবাৰ সি কিবা এবাৰ মিছা কথা কৈ দেউতাকৰ হাতত ধৰা পৰিছিল। মাত্ৰ সেইবাৰেই দেউতাকে খণ্ডত বলিয়াৰ নিচিনা হৈ তাক এনে কেইটামান পূৰ্ণাহুতীয়া চৰ মাৰিছিল যে সি সঁচাসঁচিকৈয়ে চকুৰে সৰিয়হ ফুল দেখি প্ৰায় মূৰ্চ্ছা গৈছিল আৰু কেইবাদিনলৈকে তাৰ গালত দেউতাকৰ হাতৰ দাগ কালসিৰা বান্ধি আছিল। কিন্তু কি আচৰিত কথা, বিড়িটো খাই উঠাৰ পিছত প্ৰতিদিনেই সি যেতিয়া দেউতাকৰ হাতত শাস্তিৰ কল্পনা কৰে, তেতিয়া কালসিৰা বান্ধি যোৱাকৈ চৰ-চাপৰ খোৱাৰ কথা ভাবি সি অকণো ভয় নাখায়; কিন্তু তাৰ গোটেই গা হিম হৈ যায়। দেউতাকৰ দুখত কৰুণ হৈ উঠা মুখখন কল্পনা কৰি।

বুধিৰামে বিড়ি খাবলৈ প্ৰস্তাৱ দিয়াৰ লগে লগে সেইদিনাও দেউতাকৰ মুখখন তাৰ চকুৰ আগত এক পলকৰ কাৰণে ভাহি উঠিল। গোটেই শৰীৰতে সি এটা মৃদু জিকাৰ অনুভৱ কৰিলে। তাৰ পিছত সি বুধিৰামৰ পিছে পিছে গৈ বিলৰ পাৰত পৰি থকা প্ৰকাণ্ড শুকান গছডালৰ ওপৰত বহিলগৈ আৰু পশ্চিমৰ বতা বেলিটোৰ ফালে চাই চাই বিড়ি খাবলৈ ধৰিলে। গৰুবোৰে তেতিয়া ঘাঁহ খোৱাৰ পৰা মূৰ তুলি ঘৰমুৱা বাটটোৰ ফালে চাবলৈ আৰম্ভ কৰিছিল।

পৰম তৃপ্তিৰে বিড়ি হুপি হুপি অকণে এবাৰ মাত লগালে, "তোৰ মনত আছেনে বুধি আমি যে এবাৰ দলনি পথাৰত গৰু বিচাৰিবলৈ যাওঁতে গাজনি-ঢেৰেকনিৰে প্ৰকাণ্ড বৰষুণ আৰম্ভ হ'ল; ধুমুহাই আমাক দুয়োকো উৰুৱাই নিওঁ যেন কৰিলে; বৰষুণ অলপ পাতল হোৱাৰ পিছত আমাৰ বিড়ি খাবলৈ ভীষণ মন গ'ল।"

"কিন্তু আমাৰ হাতত দিয়াছলাইৰ কাঠি আছিল মাত্ৰ তিনিটা" অকণৰ শেষ কৰিবলৈ নিদি বুধিৰামে নিজে আৰম্ভ কৰিলে, "হো-হোৱাই থকা বতাহে যেতিয়া ইটোৰ পিছত সিটোকৈ দুটা কাঠি জ্বলা মাত্ৰে নুমুৱাই পেলালে — আৰু নক'বি ঐ অকণ, সেই দিনটোৰ কথা মই মৰাৰ দিনলৈকে নাপাহৰোঁ।"

"ময়ো নাপাহৰোঁ। ভাবি চাচোন বৰষুণত তিতি জোল হৈ আমি জাৰত কঁপিব ধৰিছোঁ; বিড়ি এটা খাবলৈ আমাৰ ইমান মন গৈছে যে লোভতে জিভাখন শুকাই গৈছে; ইফালে বলিয়া ধুমুহাজাকে পথাৰখন ইমূৰৰ পৰা সিমূৰলৈ মহতিয়াই ফুৰিছে। বাকী থকা একমাত্ৰ কাঠিটোও যদি ধুমুহাই নুমৱাই দিয়ে, তেতিয়া আমাৰ কি গতি হ'ব? উস, দিনতে খিটখিটীয়া আন্ধাৰ হৈ পৰা সেই প্ৰকাণ্ড পথাৰখনৰ সোমাজত আমি দুটা অকণমান ল'ৰাই আমাৰ শেষ জুই কাঠিটো ধুমুহাৰ পৰা ৰক্ষা কৰিবলৈ কি যে কৰা নাছিলোঁ; কিন্তু —"

"কাঠিটো জ্বলা মাত্ৰে ধুমুহাজাকে তাক নুমুৱাই পেলালে। আমাৰ যে তেতিয়া কেনেকুৱা লাগিছিল!"

ধুমুহাই মহতিয়াই থকা সেই মুকলি পথাৰখনত বৰষুণত তিতি-বুৰি জোল হৈ সিহঁতৰ শৰীৰৰ প্ৰতিটো অণু-পৰমাণুৱে যেতিয়া এহোপা বিড়িৰ কাৰণে হাঁহাকাৰ কৰি মৰিছিল, ঠিক সেই মুহূৰ্তত বতাহে সিহঁতৰ শেষ জুই-কাঠিডালকো নুমুৱাই দিয়াৰ কথা মনত পৰাৰ লগে লগে সিহঁতে এতিয়া খাই থকা বিড়িটোৰ সোৱাদ বেছি তীব্ৰভাৱে অনুভৱ কৰিবলৈ ধৰিলে; কিন্তু তাৰ মাজতে অকণক ভীষণভাৱে চক্ খুৱাই দি বুধিৰামে হঠাৎ চিঞৰি উঠিল, "আৰে, সেইটো—সেইটো কি? ইমানদিনে মই কণা হৈ আছিলোঁ নেকি?" অকণৰ মুখৰ বিড়িটো উফৰি কোনোবাফালে পালেগৈ আৰু সি কিবা বুজিবলৈ পোৱাৰ আগতেই বুধিৰামে কঁকালৰ পৰা মিট দাখন খুলি লৈ বিলৰ পানী-যুৱলিৰ ফালে দৌৰি গ'ল। এনেতে অকণৰ পিছফালৰ পৰা কোনোবা এটাই মাত লগালে, কি অ' অকণ, বুধিৰামে কি দেখি কাটিবলৈ খেদি গৈছে?"

অকণে ঘূৰি চাই দেখে — গাঁৱৰে ডম্বৰু আৰু কণটিলৌ। অকণে গছডালৰ পৰা জাঁপ মাৰি মাটিত নামি বুধিৰামৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই উত্তৰ দিলে "জা-নো হঠাৎ সি কি দেখিলে।" ঠিক সেই মুহূৰ্তত বেলিটো মাৰ গৈ বিলৰ পাৰখন অলপ আন্ধাৰ কৰি তুলিছিল, গতিকে বুধিৰামে কিবা এটা বস্তু টনাটনি কৰা সিহঁতে দেখা পাইছিল যদিও বস্তুটো কি সিহঁতে ধৰিব পৰা নাছিল। এনেতে বুধিৰামে গাৰ জোৰেৰে বস্তুটো মাটিৰ পৰা তুলি আনিলে আৰু লগে লগে আনন্দৰ এটা কাণতলীয়া চিঞৰ তাৰ মুখৰ পৰা আপোনা-আপুনি বাহিৰ হৈ আহিল। সি যেতিয়া হেঁকো-জেঁকোকৈ বস্তুটো দুই হাতেৰে ধৰি অকণহঁতৰ ওচৰ পালেহি, সিহঁতে দেখিলে যে বুধিৰামৰ হাতত দুটা ডাঙৰ শিঙেৰে সৈতে এটা ম'হৰ লাওখোলা। লাওখোলাটো মাটিত পেলাই ঘন ঘনকৈ উশাহ লৈ বুধিৰামে ক'লে, "চাচোন আজি মোৰ কি মহা ভাগ্য। পেঁপা সাজিবলৈ ম'হৰ শিং এটা কিমান দিনৰ পৰা বিচাৰি ফুৰিছোঁ; য'লৈকে যাওঁ তাতেই মোৰ চকু দুটাই পিট্‌পিটাই কেৱল ম'হৰ শিং বিচাৰি ফুৰে; দেৱতাই কেতিয়াবা মাটি ফুটি দৰ্শন দিয়াৰ দৰে ম'হৰ শিঙে শিঙিমাৰি বিলৰ পাৰত আজি নিজে নিজেই দৰ্শন দিলে।"

"সঁচাকৈয়ে বৰ ধুনীয়া ম'হৰ শিং দেই। বঢ়িয়া পেঁপা হ'ব," ডম্বৰুৱে ম'হৰ শিং দুটাত আলফুলকৈ হাত বুলাই ক'লে, 'পিছে আমিহে আৰু বুধিৰামৰ এই পেঁপাৰ মাত কেতিয়াও শুনিবলৈ নাপাম।" ডম্বৰুৰ কথাষাৰ কাণত পৰাৰ লগে লগে বতাহৰ বা লাগি চাকি নুমাই যোৱাৰ দৰে বুধিৰামৰ উলাহত নাচি উঠা মনটো তৎক্ষণাৎ জঁই পৰি গ'ল। তাৰ এই মৰমৰ লগৰীয়াবোৰ, গৰু-গাইবোৰ আৰু গাঁওখন এৰি থৈ সি যে কাইলৈ চিৰকালৰ কাৰণে গুচি যাব লাগিব সেই কথা বেছ কিছু সময়ৰ কাৰণে সি পাহৰিয়েই গৈছিল। এতিয়া কথাষাৰ মনত পৰাৰ লগে লগে তৎক্ষণাৎ তাৰ দুই চকু পানীৰে ভৰি পৰিল। তাৰ দুইখন হাতত বোকা লাগি আছিল। বাওঁহাতৰ ওলোটা পিঠিৰে চকুপানী মচি মচি সি ডিঙিলৈকে উজাই অহা কান্দোনৰ কেগটো হেঁচা মাৰি ৰাখিবলৈ চেষ্টা কৰিলে। কেইমুহূৰ্তমানৰ কাৰণে আটাইকেইটা ল'ৰাৰে মুখৰ মাত হৰিল। এনেতে সিহঁতৰ মনবোৰ আনফালে চাল খুৱাবৰ মনেৰে কণটিলৌৱে মাত লগালে, "অ' বুধিৰাম, তোক আচল কথাটোকে ক'বলৈ পাহৰিছোঁ। আমাৰ ঘৰৰ ঘৰুৱা গৰখীয়া সবাহটো পূৰ্ণিমাৰ দিনা পতাৰ কথা আছিল। কিন্তু তই

কাইলৈকে গুচি যাবি বুলি গম পাই আয়ে আজিয়েই লৰালৰিকৈ সবাহ পাতিছে। গৰখীয়া ভকত মাতি থাকোঁতেই আমাৰ চাপৰিলৈ অহা দেখি হ'ল। তইঁতক ইয়াতেই মাতিলোঁ। গৰু-গাই বান্ধি শেষ কৰিয়েই সবাহলৈ আহিবি।"

বুধিৰামৰ শোকত জঁই পৰি যোৱা মনটো মুহূৰ্ত্ততে তীব্ৰ আনন্দত দামুৰি পোৱালিৰ দৰে জঁপিয়াই উঠিল। অৱশ্যে গৰখীয়া সবাহৰ নিমন্ত্ৰণেই তাৰ একমাত্ৰ কাৰণ নাছিল। এই গাঁওখনৰ পৰা চিৰকাললৈ মেলানি মগাৰ আগতে সিযে শেৰবাৰলৈ কণটিলৌৰ ভনীয়েক ৰণীতৰাক প্ৰাণভৰি চাবলৈ পাব সেই কথা ভাবিহে তাৰ আনন্দৰ পাৰাপাৰ নোহোৱা হৈ পৰিল। কণটিলৌৰ প্ৰতি কৃতজ্ঞতা দেখুৱাবলৈ আন একো উপায় বিচাৰি নাপাই সি হঠাৎ কৈ পেলালে, "কণটিলৌ, মই দুটা পেঁপাৰে কি কৰিম? এটা ম'হৰ শিং মই তোক দি দিলোঁ। তোৰ যিটো পচন্দ হয় সেইটোকে ল'বি।"

"সঁচাকৈ কৈছনে?" এই অযাচিত সৌভাগ্যক বিশ্বাস কৰিব নোৱাৰি কণটিলৌৱে গধূলিৰ পাতল আন্ধাৰত বুধিৰামৰ মুখখন ভালকৈ জুমি চাবলৈ চেষ্টা কৰিলে। তাৰ পাছত সি আনন্দত জঁপিয়াই উঠি বুধিৰামক দুই হাতেৰে সাৱটি ধৰিলে।

"ঐ বুধিৰাম, তইঁতৰ কণীজনীয়ে আজি জাক ফুৰিছে; ন-আন পাৰ হৈ কোনোবাফালে পালেগৈ। বহুত খেদাখেদি কৰিও কোনোমতেই আনিব নোৱাৰিলোঁ।"

অলপ দূৰৰ পৰা বংশীধৰে চিএঁৰি চিএঁৰি কথাকেইটা ক'লে। তাৰ লগত গাঁৱৰে আৰু দুটামান ল'ৰা। চাপৰিত মাটি ভাঙি ঘূৰি আহোঁতে গোটেই গাঁৱৰ গৰুবোৰ খেদি আনিছে। ঘৰমুৱা গৰু-জাকৰ ফালে চাই ভবকৰে সুধিলে, "আমাৰ সেই ফুটুকণীজনী জাকৰ মাজত আছেনে বংশী?"

"তাই আজি আটাইতকৈ আগতে ঘৰলৈ খোজ লৈছে। এতিয়ামানে কিজানি নৈ পাৰ হ'লগৈ।" বংশীহঁতে অলপ থমকি ৰ'ল।

বুধিৰামে অকণৰ ফালে চাই ক'লে, "কণীক বিচাৰি-খোচাৰি ঘৰলৈ নিবলৈ হ'লে আজি আৰু গৰখীয়া সবাহ খোৱা নহ'ব; কি কৱ অকণ?"

"হেৰ', জাক-ফুৰা গৰুক ঘৰলৈ কেতিয়াবা নি পাইছ নেকি" — ভবকৰে ক'লে "আজিনো তই কি এইবোৰ অঁকৰাটোৰ নিচিনা কথাবোৰ কৈছ?"

"নহয় অ' — ঘৰলৈ নিনিলেও চাপৰিৰ পৰা খেদি নি নৈখন পাৰ কৰি থ'ব পাৰিলে ভাল আছিল" — বুধিৰামে খুব চিন্তান্বিত হৈ ক'লে, "মাৰ্ এসপ্তাহৰ আগতে কণীয়াহঁতৰ হালোৱা গৰুটোক বাঘে খোৱাৰ কথা পাহৰিলি নেকি?"

"ব'ল ব'ল চিন্তা নকৰিবি" — আকৌ ভবকৰেই ক'লে, "জাক-ফুৰা গৰুক বাঘেও নাখায়।" গৰু জাকৰ পিছে পিছে আটাইকেইটা ল'ৰাই ঘৰলৈ বুলি খোজ ল'লে। বেছি সময় ল'ৰাকেইটা মনে মনেই গৈ আছিল; এনেতে হঠাৎ একেৰে বুধিৰামে গীতজনীয়াকৈ উকি মাৰি কন-খোৱা গাৱলৈ ধৰিলে—

ম'হৰ গাখীৰ খীৰালোঁ কঁঠীয়া ভৰালোঁ
গৰু গাখীৰ খীৰালোঁ বৈ;

হাঁহিবৰ ছলেৰে কান্দি থৈ আহিলোঁ
তোমাৰে পদূলিত গৈ।

গধূলিৰ অন্ধকাৰ, অৰণ্য-প্ৰান্তৰৰ বিপুল নিস্তব্ধতা ভাঙি বুধিৰামে উকি মাৰি বন-ঘোষা আৰম্ভ কৰাৰ লগে লগে লগৰ আটাইকেইটা ল'ৰাই 'আই ঔ' বুলি কিৰিলি পাৰি উঠিছিল; কিন্তু বুধিৰামে সেই বুকুভঙা সুৰেৰে গাবলৈ ধৰিলে — "হাঁহিবৰ ছলেৰে কান্দি থৈ আহিলোঁ, তোমাৰে পদূলিত গৈ"; হঠাৎ প্ৰত্যেকটো ল'ৰাই নিজৰ ডিঙিটো কিবা এটাই সোপা মাৰি ধৰা যেন অনুভৱ কৰিলে। আকৌ এবাৰ সিহঁতৰ মনত পৰি গ'ল যে বুধিৰামৰ কণ্ঠৰ এই কোমল করুণ মধুৰ বন-ঘোষাৰ সুৰ সিহঁতে আৰু জীৱনত কেতিয়াও শুনিবলৈ নাপাব; তাৰ লগত হয়তো আৰু কোনোদিনেই দেখাদেখিও নহ'ব। ল'ৰাকেইটা হঠাৎ নীৰৱ হৈ পৰিল। বুধিৰামে গাই যাবলৈ ধৰিলে —

মোৰে দুখৰ বাতৰি কাকে কৈ যাম
কোনে পাতি শুনিব কাণ;
মোৰে দুখৰ বাতৰি ক'বলৈ ধৰিলে
শুকাই ৰবযুগত ধান।
দুখৰে উপৰি দুখ গুণেছৰী
দুখতে নিয়াইছোঁ কাল;
দুখৰে দিনৰে ফটাকৈ চুৰিয়া
পাতোঁ হৰিণালৈ জাল।

ঘৰ পাই বুধিৰামে অকণক ক'লে, "মই গৰুকেইটা বান্ধো, তই ঘৰলৈ গৈ হাত-ভৰি ধোঁগে। অ' শুন, আইক মোৰ কাৰণে মাছ এটা পুৰি থ'বলৈ ক'বি। গৰখীয়া সবাহলৈ যোৱাৰ আগতে মই কৰ্কৰা ভাত খাম। খুব ভোক লাগিছে।"

অকণহঁতৰ গৰু মতাই-মাইকীয়ে মিলি মুঠতে এঘাৰটা। ছটা হালৰ গৰু, তাৰে ভিতৰত দুটাই আকৌ গাড়ীও টানে। পাঁচজনী গাই গৰু, বাকীবোৰ দমৰা, চেঁউৰী আৰু পোৱালি। মানুহৰ পৰিয়ালত ল'ৰাৰ পৰা বুঢ়ালৈকে যেনেকৈ প্ৰত্যেকৰে একোটা নাম থাকে, গাঁৱৰ মানুহৰ গৰু-গাইবোৰৰো একমাত্ৰ মাকৰ পিয়াহ খাই থকা পোৱালিবোৰৰ বাহিৰে প্ৰত্যেকৰে একোটা নাম থাকে। বুধিৰামে গোহালিত সোমায়েই 'দঁহা' নামৰ গৰুটোৰ ডিঙিটোত দুই হাতেৰে সাবটি ধৰি আলফুলকৈ তাৰ গলধনত চুমা খাই উচুপি উচুপি তাৰ কাণৰ কাষত ক'বলৈ ধৰিলে, "দঁহা, অ' দঁহা, মই যে তহঁতক এৰি থৈ একেবাৰে গুচি যামগৈ সেই কথা গম পাইছেনে নাই; ইহ জনমত আৰু কেতিয়াও তই মোক দেখিবলৈ নাপাবি সেই কথা জানিছনে নাই?"

বুধিৰামৰ চেনেহৰ হাত-বুলনি পাই দঁহাৰ গোটেই শৰীৰটো বাৰে বাৰে শিহৰিত হৈ উঠিল আৰু সি জিভাৰে বুধিৰামৰ গাটো চেলেকি মৰমৰ প্ৰতিদান দিবলৈ চেষ্টা কৰিলে। মাক-বাপেকে নিজৰ আটাইবোৰ সন্তানকে সমানে ভাল পায় যদিও বিশেষ কোনোবা এটালৈ হয়তো তেওঁলোকৰ মনত এটা গোপন দুৰ্বলতা থাকে; ঠিক তেনেকৈ বুধিৰামে গোটেই আৰু গৰুকেই প্ৰাণভৰি ভাল পায় যদিও দঁহাৰ কাৰণে তাৰ হৃদয়ত এডুখৰি সুকীয়া

ঠাই আছে। এঘাৰ বছৰ বয়সত সি যেতিয়া এই ঘৰলৈ প্ৰথম গৰখীয়া হৈ আহিছিল, তেতিয়া দঁহা তিনিবছৰীয়া সুঠাম চেহেৰাৰ দমৰা। তাৰ শান্ত মধুৰ স্বভাৱ আৰু সুন্দৰ চেহেৰাই প্ৰথমদিনাই বুধিৰামৰ মন কাঢ়ি নিছিল। তাৰ পিছত বুধিৰামেই তাক বীৰবল মেধিৰ ওচৰলৈ নি বন্ধ লগাই আনিছিল আৰু সেই বছৰতে তাক হালত লগোৱা হৈছিল। সেইদিনা ধৰি দঁহা আৰু বুধিৰাম পৰস্পৰৰ নলে-গলে লগা বন্ধু। গধূলি গৰু-গাই বন্ধা শেষ কৰি গোহালি এৰাৰ আগতে সি দঁহাৰ গায়ে-মূৰে হাত ফুৰাই দুআষাৰ সুখ-দুখৰ কথা পাতে; আন গৰুক কেৱল শুকান ধান-খেৰ খাবলৈ দিলেও দঁহাৰ ভাগৰ খেৰখিনিত সি আনৰপৰা লুকুৱাই বেলেগে অলপ নিমখ-পানী ছটিয়াই দিয়ে; দঁহাৰ কিবা অসুখ-বিসুখ হ'লে ৰাতি ভালকৈ টোপনি নাহে। তাৰ প্ৰতি বুধিৰামৰ এই পক্ষপাতিত্বৰ কথা দঁহায়ো খুব ভালকৈ বুজি পায় আৰু নানা প্ৰকাৰে সি তাৰ প্ৰতিদান দিবলৈ চেষ্টা কৰে। বুধিৰামে যে এতিয়া তাৰ পৰা চিৰদিনৰ কাৰণে বিদায় মাগিছে সেই কথা বুজিব নোৱাৰিলেও সমস্ত শৰীৰেৰে সি বুধিৰামৰ হৃদয়ৰ ব্যাকুলতাখিনি অনুভৱ কৰিলে আৰু ঘাঁহ পাগুলিবলৈ এৰি স্থিৰ হৈ বুধিৰামৰ বিহ্বল স্নেহ-স্পৰ্শৰ ওচৰত আত্ম-সমৰ্পণ কৰিলে। সন্তৰ্পণে ওলাই অহা চকুপানীখিনি মচি সি দঁহাক এৰি থৈ এটা এটাকৈ আন গৰুবোৰৰ ওচৰলৈ গ'ল আৰু পথা পিঠোৰাৰ লগতে গৰুবোৰৰ গাত অসীম চেনেহেৰে হাত বুলাই বুলাই প্ৰত্যেকৰে পৰা বিদায় ল'লে। "কজলা, অ', কজলা, মই দঁহাক তোতকৈ বেছি মৰম কৰোঁ বুলি ভাবি তই সদায় মোৰ ওপৰত ঠেহ পাতিছিলি নহয় ? মই তোকো খুব ভাল পাওঁ কজলা; কিন্তু দেখিছই নহয়, দঁহাটো ইমান অজলা, মই তাৰ ওপৰত চকু নাৰাখিলে সি যেখোন মুখত সুমুৱাই দিয়া ঘাঁহ কেইডালো খাব নাজানে। মাজুলিয়াল, বেচেৰা তই বুঢ়াই হ'লি; মই দেউতাক কৈ যাম তোক যেন হালৰ পৰা একেবাৰে বাদ দি নিমকেইটা পেনচন খাবলৈ দিয়ে। অ' আই ভেলেণ্ডী মোৰ আইজনী, তোৰ নিচিনা লখিমী গাই ভূ-ভাৰতত দ্বিতীয় এজনী নাই; এদিনৰ কাৰণেও তই মোক একো এটা দিগদাৰি নিদিলি।"

হঠাৎ আলিবাটৰ পৰা কোনোবাই চিঞৰি উঠিল "বুধিৰাম নেকি অ' সেয়া ? গোহালিত তই কাৰ লগত কথা পাতিছ?"

মাতটো শুনি বুধিৰামে বুজিলে সেয়া ভূৱাম ককাই। বুধিৰামে একো উত্তৰ নিদিলে। ভূৱামেও উত্তৰলৈ বাট নাচাই নিজৰ বাটত গুচি গ'ল। কিন্তু বুধিৰামে এইবাৰৰ পৰা আৰু ডাঙৰ কথা ক'বলৈ এৰি ফুচফুচাই গৰুবোৰক তাৰ বিদায়ৰ বাণী শুনাবলৈ ধৰিলে আৰু মুখ ফুটাই কথা ক'ব নোৱাৰাৰ কাৰণে তাৰ স্পৰ্শৰ ভাষা আৰু বেছি ব্যাকুল হৈ উঠিল। সি চকুৰ পানীৰে বাট নেদেখা হ'ল; তিতি কালি মুখলৈকে উজাই আহিব খোজা কান্দোনটো গাৰ জোৰেৰে হেঁচা মাৰি ৰাখিব লগা হ'ল; আৰু যেতিয়া গোহালিৰ আটাইবোৰ গৰু বন্ধা শেষ হ'ল, সকলোৰে পৰা বিদায় লোৱা শেষ হ'ল, গোহালিত আৰু তাৰ কাম নোহোৱা হ'ল। সি যেতিয়া বুজি পালে যে বিজাক গৰু-গাই তাৰ জীৱনৰ দীঘলীয়া পাঁচটা বছৰৰ প্ৰতিটো উশাহ-নিশাহৰ সঙ্গী আছিল সিহঁতৰ লগত এয়েই তাৰ শেষ দেখা, হঠাৎ ধুমুহাত কঁপা পথাৰৰ মাজৰ অকলশৰীয়া গছৰ দৰে তাৰ গাটো থৰথৰকৈ কঁপি উঠিল আৰু সি গৰু বন্ধা খুঁটা এটা জোৰকৈ সাৱটি ধৰিলে।

খুঁটাটোত কপালখন হেঁচি ধৰি সি বহুত সময় নীৰৱে কান্দি থাকিল।

শুক্লপক্ষৰ দ্বাদশীৰ ফৰিংফুটা জোনাকে গোটেই গাঁওখন এখন মায়াপুৰীত পৰিণত কৰিছিল। জোনাকে টৌৱাই যোৱা চোতালবোৰৰ মাজে মাজে তামোল গছৰ দীঘল দীঘল ছাঁবোৰ গচকি অৰুণ আৰু বুধিৰাম আলিবাটলৈ ওলাই আহিল। আজি সিহঁতৰ উলাহে হিয়া নধৰা হৈছে, কাৰণ আজি সিহঁত গৰখীয়া সবাহৰ নিমন্ত্ৰিত অতিথি। গাঁৱলীয়া মানুহৰ ঘৰত বাৰটা মাহত তেৰটা সবাহ-সকাম লাগিয়েই থাকে; বছেৰেকীয়া বৰ-সবাহ, নাম-গোৱা, চাউল-খোৱা, ন-খোৱা, কাৰোবাৰ বেমাৰ-আজাৰ হ'লে গ্ৰহ-দোষ বা অপদেৱতাৰ কু-দৃষ্টি খণ্ডাবৰ কাৰণে নানা ধৰণৰ ভকত-সেৱা, কিন্তু এই সকলবোৰ সবাহ-সকামতে চেঙেলীয়া ল'ৰাৰ কোনো স্থান নাই; কেৱল খাবৰ সময়ত সিহঁত শাৰীৰ মোৰত বহিবৰ যোগ্য। কিন্তু বছৰি একোবাৰকৈ আহিন-কাতি মাহত গৰু আৰু গৰখীয়া সবাহ হয় — য'ত চেঙেলীয়া গৰখীয়া ল'ৰাবোৰক বহুওৱা হয় পৰম ভক্তিভাজন ভকতৰ আসনত। এই দিনটোৰ কাৰণে গাঁৱৰ ল'ৰাজাকে গোটেই বছৰটো অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে। এই বছৰ গাঁওখনৰ ভিতৰত কণাটিলৌহঁতৰ ঘৰতেই গৰখীয়া সবাহ প্ৰথম আৰম্ভ হ'ল। অৱশ্যে সিহঁতৰ ঘৰত সবাহ পতাৰ কথা আছিল পূৰ্ণিমাৰ দিনাহে; কিন্তু বুধিৰামে তাৰ আগতেই গাঁও এৰি চিৰকাললৈ গুচি যাব লগা হোৱাত আজিয়েই লৰালৰিকৈ সিহঁতে সবাহৰ আয়োজন কৰিছে। বুধিৰামৰ স্বভাৱটোৱেই এনেকুৱা যে সি অতি সহজে সকলোৰে মনত মৰম লগাব পাৰে; ক'বলৈ গ'লে গাঁওখনৰ প্ৰতিখন ঘৰেই তাৰ ভাত-ঘৰৰ নিচিনা। তথাপি কণাটিলৌৰ লগত তাৰ বিশেষ বন্ধুত্ব গঢ়ি উঠিছিল আৰু সেই আপাহতে কণাটিলৌৰ মাকেও তাক নিজৰ ল'ৰাৰ নিচিনাকৈ মৰম কৰিছিল।

আলিবাটত ভৰি দিয়েই প্ৰথম কেইটামান মুহূৰ্ত অৰুণ আৰু বুধিৰামৰ কি কৰোঁ কি নকৰোঁ যেন লাগিল। গোহালিৰ পৰা গৰুবোৰৰ ঘাঁহ পাগুলাৰ চিনাকি মধুৰ শব্দ আৰু লগতে এটা মধুৰ গোন্ধ ভাহি আহিছিল। অলপ দূৰৰ কাতিৰামহঁতৰ ঘৰৰ পৰা ল'ৰা-ছোৱালীৰ কোলাহলৰ শব্দ আৰু মাছ পোৰাৰ গোন্ধ ভাহি আহিছিল; আলিবাটৰ সিপাৰৰ মুকলি হোলাটো জোনাকৰ সাগৰ এখন যেন হৈছিল; গাঁৱৰ পিছফালৰ পথাৰখনৰ পৰা শিয়ালে কেউৰা দিয়াৰ শব্দ শুনা গৈছিল। সদায় দেখি থকা শুনি থকা এই কথাবোৰ ঠিক সেই মুহূৰ্তত অৰুণ আৰু বুধিৰামৰ চেতনাত ইমান নতুন আৰু অভিনৱ যেন লাগি গ'ল যে এখন নতুন অচিনাকি জগতত আহি প্ৰথমবাৰৰ কাৰণে ভৰি দিয়া মানুহৰ দৰে সিহঁত কেইমুহূৰ্তমান সময় বিস্ময়াভিভূত হৈ ৰ'ল। আচলতে হৃদয়ৰ বিপুল আনন্দই সিহঁতৰ আটাইবোৰ ইন্দ্ৰিয়-চেতনা হঠাৎ খুব বেছি প্ৰখৰ কৰি তুলিছিল আৰু মনত চিৰপৰিচিত অভিজ্ঞতাবোৰকো সিহঁতে অতি তীব্ৰভাৱে অনুভৱ কৰিছিল।

সিহঁতে এনেকৈ মুগ্ধ বিস্ময়েৰে চাৰিওফালে চাই থাকোঁতেই কেইবা ঘৰ মানুহৰ সিপাৰৰ মমাইহঁতৰ পদূলিত বন্ধুক দেখা গ'ল আৰু বন্ধুৱে লগে লগে চিঞৰি উঠিল, "ঐ বুধিৰাম, পদূলিমুখত থিয়া থিয় কৰি কি কৰিছ? সবাহলৈ নাযাৱ নেকি?"

বন্ধুৰ মাত শুনি অৰুণ আৰু বুধিৰামে অকূল সমুদ্ৰত পাৰ পোৱা মানুহৰ নিচিনা অনুভৱ কৰিলে। দুয়ো একে দৌৰে গৈ বন্ধুৰ ওচৰ পালেগৈ।

তিনিও উজনিমুৱা হৈ কণটিলৌহঁতৰ ঘৰৰ ফালে আগবাঢ়িবলৈ ধৰিলে। যাওঁতে প্রতিঘৰ মানুহৰ পদূলিমুখত খন্তেক থমকি বৈ সিহঁতে উকিয়াই মাতবলৈ ধৰিলে, "ঐ বংশীধৰ, ঐ ঘনকান্ত, ঐ লবোৰাম — সবাইলৈ যাওঁ আহ ঐ—"।

সিহঁতৰ উকি শুনি কোনোবাটো আহিল, কোনোবাটো হয়তো আগতেই সবাহলৈ গ'ল। এনেকৈ চাওঁতে চাওঁতে দহ-বাৰটামান ল'ৰাৰ এটা সমদল হ'ল। শুক্লা-দ্বাদশীৰ কৰিংফুটা জোনাক যিমান উজ্জ্বল আৰু সুন্দৰ আছিল, গৰখীয়া ল'ৰাজাকৰ হৃদয়ৰ আনন্দ আছিল তাতোকৈ বেছি উজ্জ্বল আৰু সুন্দৰ। গাঁওখনৰ প্রতিটো পদূলিমুখত হৃদয়ৰ উপচি পৰা আনন্দ ছটিয়াই ছটিয়াই এসময়ত সিহঁত গৈ কণটিলৌহঁতৰ ঘৰত উপস্থিত হ'ল। ইতিমধ্যে উজনি-চুবুৰীৰো গৰখীয়াজাক সবাহৰ ঘৰত আহি উপস্থিত হৈছেহি।

যিজাক কণ কণ ল'ৰা মানুহৰ ঘৰলৈ আহিলে বয়সীয়া মানুহবোৰে সিহঁতক মানুহ বুলিয়েই গণ্য নকৰে, আজি কিন্তু সিহঁতৰ সেৱা-সংকাৰ কৰিয়েই বয়সীয়া মানুহবোৰে তৎ পোৱা নাই। কণটিলৌৰ পিতাকে প্রতিটো ল'ৰাকে চোতালত পাৰি থোৱা ঢাৰিবোৰত এটা এটাকৈ বহুৱাই কান্ধত গামোচা এখন লৈ সকলোৰে উদ্দেশ্যে এটি সেৱা কৰিলে। তাৰ পিছত ভকতসকলৰ পৰা সম্মানজনক দূৰত্ব ৰাখি নিজেও ঢাৰি পাৰি বহিল। যিকেইটা অতি কুমলীয়া ল'ৰা প্রথমবাৰৰ কাৰণে গৰখীয়া সবাহলৈ ভকত হৈ আহিছে সিহঁতে এই অভিনৱ কথা-কাণ্ড দেখি মনে মনে খুব অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলে; কিন্তু সিহঁততকৈ বয়সত অলপ ডাঙৰবোৰৰ অনুকৰণ কৰি বাহিৰত দেখুৱাই সিহঁতে খুব গম্ভীৰ হ'বলৈ চেষ্টা কৰিলে। যিবোৰ গৰখীয়াই ইতিমধ্যেই কেইবাবছৰো গৰখীয়া সবাহ খাই প্রবীণৰ শাৰীত পৰিছে সিহঁতে কিন্তু মুহূর্তৰ ভিতৰতে এই নতুন ভূমিকাৰ লগত নিজকে খাপ খুৱাই ল'লে।

গৰখীয়া সবাহৰ নৈবেদ্য অতি সামান্য—পকা আঠিয়াকল আৰু কেঁচা পিঠাগুৰি। কিন্তু সবাহৰ ভকত হৈ বহি ল'ৰাবোৰে যেতিয়া সেই কল-পিঠাগুৰি খায় সিহঁতে অমৃত খোৱা যেন অনুভৱ কৰে। কিন্তু খোৱাৰ আগতে গৃহস্থৰ আৰু গৰুবোৰৰ কল্যাণ কামনা কৰি আশীর্বাদ দিব লাগিব, আৰু ল'ৰাবোৰৰ কাৰণে গোটেই আনন্দ-উৎসৱটোত সেইটোৱেই হ'ল একমাত্র সংকটপূর্ণ মুহূর্ত। ডাঙৰ মানুহৰ সবাহ-সৰিখাত শুনা আশীর্বাদ বচনবোৰ যিমানে মুখস্থ কৰি নাহক কিয়, আচল সময়ত সিহঁতে একোটা সম্পূর্ণ বাক্য কেতিয়াও দিহা লগাই ক'ব নোৱাৰে; শব্দ বিচাৰি ইটোৱে সিটোৰ মুখলৈ চাই থাকিব লগা হয়। সেইকাৰণে কোনে আশীর্বাদ দিব তাকে লৈ সিহঁতৰ মাজত ভালকৈয়ে বগিয়াবগি চলে।

এটা এটাকৈ আচাৰ-অনুষ্ঠান শেষ হোৱাৰ পিছত ল'ৰাজাকে যেই গম পালে যে এতিয়া গৃহস্থই আঠু ল'বৰ সময় হৈছে, সিহঁতে সকলোৱেই এটা অস্থিৰতা অনুভৱ কৰিবলৈ ধৰিলে। এনেতে বংশীধৰে ডাঙৰকৈ মাত লগাই উঠিল, "বুধি, আজি কিন্তু তই আশীর্বাদ দিব লাগিব। বয়সত তই আমাৰ সকলোতকৈ ডাঙৰ; তাতে আমাৰ গাঁৱত তোৰ এইটোৱেই শেষ গৰখীয়া সবাহ..."

উৎসৱৰ বাবে লাগি বুধিৰামে ইমান সময় পাহৰিয়েই আছিল যে এইখন গাঁৱত এইটোৱেই তাৰ শেষ সন্ধিয়া; প্রাণতকৈয়ো মৰমৰ লগৰীয়া বন্ধুবোৰৰ লগত এয়েই তাৰ

শেষ দেখা। মুহূৰ্ততে তাৰ বুকুখনে হাঁহাঁকাৰ কৰি উঠিল আৰু চকুৰ কোণ দুটা পানীৰে সেমেকি উঠিল। তাৰ ডিঙিটো কিবা এটাই এনেভাৱে সোপা মাৰি ধৰিলে যে কথা কোৱা অসম্ভৱ বুলি সি বুজি পালে। বংশীধৰৰ কথাৰ প্ৰতিবাদ কৰি সি কিবা এষাৰ ক'ব খুজিছিল, কিন্তু ঠিক সেই সময়তে হাতত তামোল-পাণৰ বটা লৈ কণটিলৌৰ মাক ওলাই আহিল। তেওঁৰ পিছে পিছে কণটিলৌ আৰু ভনীয়েক বগীতৰা।

জোনাকত আহি থিয় হোৱা বগীতৰাৰ মুখখন সি চকামকাকৈ মাত্ৰ এক মুহূৰ্তৰ কাৰণে দেখা পালে, কাৰণ পিছ মুহূৰ্ততে তাই সেৱা কৰিবৰ কাৰণে আঁঠু লৈছিল। কিন্তু সেই এক মুহূৰ্তৰ ভিতৰত তাৰ মনৰ মাজত এটা প্ৰবল ভূঁইকঁপ হৈ সকলো কথা তল-ওপৰ হৈ পৰিল। দ্ৰুতগতিত সলনি হোৱা অনুভূতিবোৰে তাৰ মনৰ মাজত তোলপাৰ লগাবলৈ ধৰিলে। সম্পূৰ্ণ আত্ম-বিস্মৃত হৈ সি মন্ত্ৰমুগ্ধ মানুহৰ দৰে বগীতৰাৰ পিঠিখনৰ ফালে চাই থাকিবলৈ ধৰিলে।

"অ' বুধি, কি কৰিছ? আশীৰ্বাদ দে আকৌ।" কোনোবাই ঠেলা মাৰি দিয়াত গভীৰ টোপনিৰ পৰা জগাই দিয়া মানুহৰ দৰে বুধিৰাম উচাপ খাই উঠিল। ঠিক তেনেতে আকৌ আহি তাৰ কাণত পৰিল, আশীৰ্বাদৰ কথাখিনি পাহৰিয়েই গ'লি হ'বলা। মৰেই শিকাই দিছোঁ বাৰু, তই কৈ যা —

"গুৰু ব্ৰহ্মা গুৰু বিষ্ণু গুৰু মহেশ্বৰ ..."

বুধিৰামে বুজি পালে যে কণটিলৌৰ মাকে সেৱা লৈ থকা অৱস্থাৰ পৰাই তাক এনেকৈ সকীয়নি দি আছে। সি খুব লাজ পাই লাজ ঢাকিবৰ কাৰণে উশাহ নসলোৱাকৈ ক'বলৈ আৰম্ভ কৰিলে — "গুৰু ব্ৰহ্মা গুৰু বিষ্ণু গুৰু মহেশ্বৰ ... কিবা বোলেনে আমি অগিয়ানী মূৰুখমতি জীৱ, আমিনো তোমাক কি দি পূজিম, এতেকে তুমি নিজে গুণে নিজে তুষ্ট হ'ব লাগে, দুখী দুখী অৱস্থাৰে গৃহস্থই ফুল-পাত যি আগবঢ়াইছে তাকে শোকোতাকে মুকুতা বুলি লৈ গৃহস্থৰ কল্যাণ কৰিব লাগে ..."

"গৰুবোৰৰ কথা ক আকৌ" কন্দ্ৰই তাক সোঁৱৰাই দিলে।

"মই ক'বলৈ ওলাইছোঁ নহয়" — বুধিৰামে ভেকাহি মাৰি উঠিল, "আৰু কিবা বোলেনে গৃহস্থৰ গৰু-গাই দামুৰি-চেঁউৰী গোটেইজাককে তুমি কৃপা দৃষ্টিৰে চাব লাগে, বছৰটোৰ কাৰণে সিহঁতৰ যাতে একো অপায়-অমংগল মাৰি-মৰক নহয়, এগোহালি গৰু যাতে দুগোহালি হয়, ইয়াকেহে তোমাৰ ওচৰত আমি দাস-সবে প্ৰাৰ্থনা কৰিছোঁ, অ' জয় ৰাম বোলা, অ' জয় হৰি বোলা, হৰি হৰি হৰি...।" অলপ দূৰত বহি থকা কণটিলৌৰ পিতাকে গোঁফৰ তলতে হাঁহিটো সামৰি ক'লে, "আজি দেখোন বুধিৰামৰ মুখত সৰস্বতী লম্ভিছে। ক'ত শিকিলি এনেকুৱা ধুনীয়া আশীৰ্বাদ? মই হ'লে আগতে ক'তো শুনা নাই।"

বুধিৰামে লাজ পাই ক'লে, "এ দদাই ক'লোঁ আৰু মুখত বিহুকে আহিল তাকে। বুজাজনে যি বুজিব লাগে নিজেই বুজিব।"

সবাহ ভগাৰ পিছত গৰখীয়াজাকে যাবলৈ বুলি খোজ লৈছিল, এনেতে কণটিলৌৱে বুধিৰামক ক'লে, "বুধি, তই অলপ পিছত যাবিচোন। আয়ে তোক ভিতৰলৈ মাতিছে। ঐ কন্দ্ৰ, তহঁতে অকণমান ঘৰত থৈ যাবিগে দেই।"

এই অভাৱনীয় সৌভাগ্যই বুধিৰামক আনন্দত বলিয়া কৰি তুলিলে। সি ভেণ্ডে শেষবাৰৰ কাৰণে বগীতৰাক আকৌ এবাৰ দেখিবলৈ পাব? সি প্ৰায় দৌৰ মাৰিয়েই কণটিলৌহঁতৰ ঘৰৰ ভিতৰলৈ সোমাই যাব খুজিছিল, কিন্তু ঠিক তেনেতে লগৰীয়াজাকে তাক ঘেৰি ধৰিলে। ডম্বৰুৱে তাক সাৱটি ধৰি ক'লে, "আকৌনো তোক কেতিয়া দেখিবলৈ পাম ঐ মিতা। ব'হাগৰ বিহুত এবাৰ আহিবি দেই। ম'হৰ শিঙৰ নতুন পেঁপাটো যে সাজিবি সেইটোৰ মাত আমিয়েই প্ৰথম শুনিবলৈ পাব লাগিব। তই নাহিলে কিন্তু বিহু গুচি বিহুহে হ'ব।" বংশীধৰে বুধিৰামক ডম্বৰুৰ আলিংগনৰ পৰা টান মাৰি উলিয়াই ক'লে, "ঐ ভাই, জানি বা নাজানি তোৰ মনত চাগে কিমান দুখ দিছিলোঁ, সেইবোৰ মনত লৈ নাথাকিবি দেই। কাইলৈ তোৰ লগত আৰু দেখা নহ'ব। পুৱা খুব সোনকালে চাপৰিৰ সবিয়হতলীত হাল বাবলৈ যাব লাগিব। আজিয়েই বিদায় ল'লোঁ দেই ভাই।"

এইদৰে প্ৰত্যেকেই কিবা নহয় কিবা এষাৰ কৈ বুধিৰামৰ পৰা বিদায় ল'লে। সিহঁতৰ আটাইৰে চকু চল্‌চলীয়া হৈছিল। আধামান বাট গৈ শেষ নোহোৱালৈকে কোনেও কথা এষাৰ ক'ব পৰা নাছিল। বংশীধৰে নিজৰ ঘৰৰ পদূলি-মুখ পাই ইমানপৰৰ নীৰৱতা ভাঙি প্ৰথমে মাত লগালে, 'ই কটা বুধিয়ে কিবা যাদু-মন্ত্ৰ কৰি মুহি থৈছিল।" সি আৰু কিবা এষাৰ ক'ব খুজিছিল, কিন্তু ডিঙিটো কিহবাই সোপা মাৰি ধৰাত একো ক'ব নোৱাৰি কোবা-কুবিকৈ ঘৰৰ ফালে খোজ ল'লে।

ইফালে বুধিৰামৰ ন যযৌ ন তস্থৌ অৱস্থা — অন্ততঃ কেইমুহূৰ্তমানৰ কাৰণে। এফালে বুকুৰ বান্ধৱবোৰৰ লগত চিৰ-বিচ্ছেদৰ বুকু-ভঙা বেদনা,আনফালে প্ৰিয়তমাৰ লগত জীৱনত শেষবাৰৰ কাৰণে ক্ষণিক দৰ্শনৰ উন্মাদনা। এই দুয়োটাৰে টনাটনিত সি কোনোফালে যাব নোৱাৰি কেইমুহূৰ্তমান সময় একেঠাইতে থিয় হৈ ৰ'ল। এনেতে কণটিলৌৱে ভিতৰৰ পৰা আকৌ মাত দিলে, "অ' বুধি, সিহঁত গৈ দেখোন আলিবাট পালেগৈ। তই অকলে তাত কি কৰি আছ?" তেতিয়াহে বুধিৰামৰ গালে ভুঁ আহিল। সি ধীৰে ধীৰে খোজ পেলাই ভিতৰলৈ সোমাই গ'ল।

কণটিলৌৰ পিছে পিছে মাৰল ঘৰলৈ গৈ বুধিৰামে দেখে, জুহালৰ কাষতে বহি কণটিলৌৰ মাকে এড়িলেটা সিজাবলৈ কাৰবাৰ কৰিছে। বগীতৰা বা আন ল'ৰা-ছোৱালীকেইটাৰ ক'তো দেখাদেখি নাই। বুধিৰামে পীৰা এখন পাৰি বহিবলৈ লৈছিল, এনেতে কণটিলৌৰ মাকে ক'লে, এতিয়া তই বহিব নালাগে। আয়েৰে ভাত-পানী বান্ধি তোলে চাগে বাট চাই আছে। জীয়ৰী ছোৱালী উলিয়াই দিয়াৰ দৰে তোক কাইলৈ একেবাৰে উলিয়াই পঠাব, তেওঁৰ মনটো কেনেকুৱা লাগিছে সেই কথা মইহে বুজিছোঁ।" এইবুলিলৈকে কৈ তেওঁ পিৰ্চিৰ ফালৰ পৰা টোপোলা এটা উলিয়াই বুধিৰামৰ কাষে হাত মেলি দি ক'লে, " হোঁ এইটো ল। আমি দুখীয়া মানুহ, দিবলৈ একো শক্তি নাই। এইটো আশীৰ্বাদৰ চিন বুলি লৈ যাবি।"

বুধিৰামে হাত মেলি টোপোলাটো এবাৰ মাত্ৰ চায়েই বুজিলে — এটা কামিজ বা পাঞ্জাবী চোলাৰ জোখাৰে এৰী-মুগা মিহলি সূতাৰ ঘৰত বোৱা কাপোৰ; কাটি শেষ কৰিবলৈ এটা জনম লাগিব। কেতিয়াবা যেনেকৈ কেলাটোৰ ভিতৰতে এই ব'দ এই বৰষুণ

হয়, বুধিৰামৰো আজি ঠিক তেনেকুৱা অৱস্থা। দিনটোত যে সি কেইবাৰ হাঁহিব লগা হ'ল, কেইবাৰ কান্দিব লগা হ'ল তাৰ হিচাবেই নোহোৱা হ'ল। এতিয়া কণটিলৌৰ মাকৰ আশীৰ্বাদৰ চিনটো হাতত লোৱাৰ লগে লগে তাৰ দুই চকু ফাটি ধাৰাসাৰে পানী ওলাই আহিবলৈ ধৰিলে। অলপ সময় তেনেকৈ থাকি সি হঠাৎ এবাৰ টুপকৰে কণটিলৌৰ মাকক এটি সেৱা কৰিলে আৰু তেওঁৰ দুই ভৰি সাৱটি চুমা এটা খাই সি সাউৎ কৰে বাহিৰলৈ ওলাই গ'ল। বগীতৰাৰ লগত যে তাৰ দেখাই নহ'ল ঠিক সেই মুহূৰ্তত তাৰ মনত সেইবোৰ খবৰৰ কাৰণে কোনো ঠাই নাছিল।

কিন্তু সি চোতালৰ সোঁ-মাজ পোৱাৰ লগে লগে বগীতৰাই পিছফালৰ পৰা তাইৰ বাঁহীৰ মাতৰ নিচিনা সুৰদী মাতটোৰে মাত লগালে — 'বুধিকাই!'

নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰি বুধিৰাম থমকি ৰ'ল। তাৰ পিছত সি খুব ধীৰে ধীৰে পিছলৈ ঘূৰি চালে। হয়, কোনো ভুল নাই। চৌদিশ টৌৱাই যোৱা জোনাকৰ মাজত বগীতৰাৰ জোনাকেৰে গঢ়া শৰীৰটো দেৱী-মূৰ্তিৰ দৰে তাৰ সমুখত থিয় হৈ আছে। উশাহ বন্ধ কৰি বগীতৰাই কি কয় শুনিবৰ কাৰণে বুধিৰামে অপেক্ষা কৰি ৰ'ল।

কিন্তু বগীতৰাৰ একো ক'বলগীয়া নাছিল। তাই কেৱল বুকুৰ আঁচলৰ তলৰ পৰা হাতখন উলিয়াই বুধিৰামৰ ফালে মেলি দি ক'লে "এইটো ধৰাচোন।" বুধিৰামে হাতখন মেলি দিয়াৰ লগে লগে বগীতৰাই তাৰ হাতত সৰু টোপোলা এটা গুজি দি আন একো নকৈ সাউৎকৰে ভিতৰলৈ সোমাই গ'ল।

বুধিৰামৰ গোটেই গাটো কঁপিছিল। কঁপা কঁপা হাতেৰে টোপোলাটো খুলি চাই সি দেখে — এখন ভমকাফুলীয়া ফুলাম গামোচা।

টোপনিত খোজ কঢ়া মানুহৰ দৰে গৈ গৈ এসময়ত বুধিৰামে ঘৰৰ পদূলিমুখ পালেগৈ। গৰুবোৰৰ উশাহ-নিশাহৰ শব্দত তাৰ স্বপ্নাৱেশ ভাগিল। গোহালিলৈ সোমাই সি আন্ধাৰতে গৰুবোৰলৈ এবাৰ চালে; হাতেৰে চুকি পোৱা দুটামানক ধৰি অলপ সময় সিহঁতক মৰম কৰিলে; তাৰ পিছত সিহঁতৰ মঙ্গলৰ উদ্দেশ্যে ঈশ্বৰৰ ওচৰত এটা ভাষা-হীন প্ৰাৰ্থনা কৰি সি ঘৰলৈ বুলি খোজ ল'লে।

বুধিৰামৰ বিদায়-ভোজ উপলক্ষে অকণহঁতৰ ঘৰত সেইদিনা হাঁহ মাৰিছিল। কিন্তু দিনটোৰ নানা অভিজ্ঞতাৰ স্মৃতি আৰু বিচিত্ৰ অনুভূতিয়ে এনেভাৱে তাৰ মনত খৌকি-বাথৌ লগাই আছিল যে কি খালে-নাখালে সি একো তভেই ধৰিব নোৱাৰিলে। কিন্তু মনৰ সেই অথিৰ-অবিৰ অৱস্থাৰ মাজতো সি এটা কথা মন কৰিলে যে একমাত্ৰ তাৰ বাপেকৰ বাহিৰে বাকী আৰু কাৰো সেইদিনা খোৱাত বিশেষ মন নাই। সকলোৱে চেলেং-পেটেং কৰি কোনোমতে খোৱা-পৰ্বটো সমাধা কৰিছে। কাৰো মুখত মাত এবাৰ নাই। থম্‌থমীয়া নীৰৱতাৰ মাজত খোৱা শেষ কৰি সকলোৱে বিছনাৰ আশ্ৰয় ল'লেগৈ।

সেইদিনা বুধিৰামৰ লগত তাৰ বাপেক শুইছিল। বিছনাত পৰিয়েই বাপেকে তাৰ লগত দুই-আষাৰ কথা পাতিবলৈ চেষ্টা কৰিছিল: তাক কোনজনী চেঁউৰী দিব সিবিহঁতে কিবা কৈছেনে? চোলা-কাপোৰ কিবা দিছেনে? পাঁচ বছৰ লোকৰ গেৰাৰি খাটি এতিয়া নিজৰ ঘৰলৈ যাবলৈ পাই তাৰ কেনেকুৱা লাগিছে? বুধিৰামে প্ৰ[illegible] সেওঁৰি এটা মাৰি

বাপেকৰ মুখখন বন্ধ কৰি দিলে, "মোৰ খুব টোপনি ধৰিছে। তই এতিয়া কেপ্‌কেপাই নাথাকিবি।"

কেইমুহূৰ্তমানৰ পিছতে বাপেকৰ নাক বাজিবলৈ আৰম্ভ কৰিলে।

আন্ধাৰতে চকু দুটা ডাঙৰকৈ মেলি বুধিৰামে নিজকে প্ৰশ্ন কৰিলে, "মই কি সঁচাকৈয়ে খুব ডাঙৰ ভুল কৰিলোঁ? ৰগীতবাই যে ঘৰৰ বাহিৰলৈ আহি চোতালত মোৰ হাতত গামোচাখন গুজি দিলে, তাৰ অৰ্থ কি? মই তাইক যেনেকৈ ভাল পাইছিলোঁ, তায়ো ঠিক তেনেকৈয়ে ভাল পাইছিল নেকি? কিন্তু এতিয়া যে সেই প্ৰশ্নৰ একো উত্তৰ নজনাকৈয়ে মই তাইক চিৰকাললৈ এৰি থৈ যাব লাগিব!"

আজি প্ৰায় এবছৰেই হ'ল, বুধিৰাম ৰগীতবাৰ প্ৰেমত পৰিছে। শয়নে-সপোনে সি ৰগীতবাৰ ৰূপ ধ্যান কৰিছে। ৰগীতবাৰ কথা ভাবি সি এতিয়ালৈকে এশ-একুৰিমান বন-ঘোষাও ৰচনা কৰিছে। কিন্তু ৰগীতবাক সেই কথা জনাবলৈ তাৰ কোনোদিনেই সাহস নহ'ল, কাৰণ সি যে লোকৰ ঘৰত বন্ধা হৈ থকা গৰখীয়া! ৰগীতবাই যদি তাক মুখৰ আগতে কৈ দিয়ে "আও, লোকৰ ঘৰৰ চুৰা-চেলেকা চাকৰ এটাৰ ইমান সাহস। বাওনা হৈ সি চন্দ্ৰলৈ হাত মেলে।"

ৰগীতবাইহঁতৰ ঘৰলৈ বুধিৰামৰ অবাধ গতি; দিনে-ৰাতিয়ে অসংখ্যবাৰ সি ৰগীতবাক অকলেও লগ পাই থাকে; তথাপি ৰগীতবাক প্ৰেম নিবেদন কৰিবলৈ তাৰ কোনোদিনেই সাহস নহ'ল। ৰগীতবাৰ দৰে এজনী ৰূপে-গুণে জাকত-জিলিকা ছোৱালীয়ে যে তাৰ নিচিনা পৰৰ ঘৰত গেৰাবি খটা গৰখীয়া এটাক ভাল পাব পাৰে সেই কথা কল্পনা কৰিবলৈকো তাৰ কেতিয়াও সাহস হোৱা নাই কিন্তু আজি তাইৰ বিদায়-উপহাৰটোৱে তাৰ মনটো আকৌ খেলি-মেলি লগাই দিলে; সেই উপহাৰটো যে আচলতে তাইৰ নীৰৱ প্ৰেম-নিবেদন নহয়, সেই কথা সি কেনেকৈ জানিব? মুখ খুলি ক'বলৈ তাৰ সাহস হোৱা হ'লে তায়ো যে তাৰ প্ৰেমৰ প্ৰতিদান নিদিলেহেঁতেন, সেই কথা সি কেনেকৈ জানিব? ... কিন্তু ... কিন্তু তাইৰ মাকে দিয়া চোলাৰ কাপোৰটোৰ নিচিনাকৈ ৰগীতবাৰ ফুলাম গামোচাখনো এটা মৰমৰ উপহাৰৰ বাহিৰেতো আন একো নহ'বও পাৰে! ক'তা, ইয়াৰ আগতেতো তাই কেতিয়াও তাক প্ৰেমৰ একো ইংগিত দিয়া নাই! সি মনত পেলাবলৈ চেষ্টা কৰিলে। ৰগীতবাৰ হাঁহি, ৰগীতবাৰ কথা, ৰগীতবাৰ চাৱনি, ৰগীতবাৰ ঠেহ-পেচ অজস্ৰ সোঁৱৰণী তাৰ মনত সাঁচি থোৱা আছে। তাৰ যি কোনো এটা বা প্ৰত্যেকটোৱেই তাইৰ হৃদয়ৰ বাণী হ'ব পাৰে! কিন্তু বুধিৰামৰ সাহস নাছিল তেনেদৰে ভাবিবলৈ, তেনেদৰে বিশ্বাস কৰিবলৈ। গতিকে তাৰ মুখ খুলি একো কোৱা নহ'ল। তাৰ বাবে বুধিৰামৰ কোনো আফচোচো নাছিল। কিন্তু শেষ মুহূৰ্তত ৰগীতবাই গোটেইখন গোলমাল লগাই দিলে। এতিয়া গোটেই জীৱন তাৰ এই বুলি আফচোচ্‌ হৈ থাকিব যে সি সাহ কৰি তাইক কথাষাৰ ক'ব পৰা হ'লে তাই কিজানি তাৰ প্ৰেমৰ প্ৰতিদান দিলেহেঁতেন!

ৰগীতবাৰ জোনাকৰ দৰে স্নিগ্ধ সুন্দৰ মুখখন চকুৰ মণিত লৈ বুধিৰাম লাহে লাহে টোপনিত ঢলি পৰিল। টোপনিত সি অসংখ্য সপোন দেখিলে। এৰেকটা ৰাতিতে ইমানবোৰ সপোন সি আগতে কেতিয়াও দেখা নাছিল। কিন্তু শেহৰাতি সাৰ পাই সি আচৰিত হৈ

আৱিষ্কাৰ কৰিলে যে যদিও বগীতৰাৰ কথা ভাবিয়েই সি টোপনি গৈছিল, কিন্তু গোটেই ৰাতি সি এবাৰো তাইক সপোনত দেখা নাছিল। সি সপোনত দেখিছিল কেৱল তাৰ মৰমৰ গৰুবোৰক।

ৰাতিপুৱা বেলি উঠাৰ অলপ পিছতে বুধিৰামে নিজৰ ঘৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। অকণৰ দেউতাকে তাক সদায় কৈ আছিল যে গোহালিটোৰ আটাইতকৈ ধুনীয়া চেঁউৰীজনীকে তেওঁ তাক বিদায় উপহাৰ হিচাপে দিব। চকুৰ পানীৰে বাট নেদেখা হৈ বুধিৰাম যেতিয়া আলিবাটলৈ ওলাই আহিল তেতিয়া এক পলকৰ কাৰণে সি দেখিলে যে সঁচাকৈয়ে 'কুঁৱৰী' নামৰ আটাইতকৈ ধুনীয়া চেঁউৰীজনীকে তাৰ বাপেকে খেদি খেদি নিব ধৰিছে। কিন্তু সেই মুহূৰ্তত তাৰ কাৰণে সি একো আনন্দ অনুভৱ নকৰিলে, কাৰণ তাৰ হৃদয়ে তেতিয়া বোবা বেদনাত গুমৰি মৰিছিল। বাকী যিজাক গৰুক সি চিৰকাললৈ এৰি থৈ যাব সিহঁতৰ কাৰণে।

গাঁওখনৰ মতা মানুহবোৰ বা বুধিৰামৰ লগৰীয়া ল'ৰাবোৰ তেতিয়া কোনোৰেই ঘৰত নাছিল, কাৰণ সকলোৰেই হাল বাবলৈ পথাৰলৈ গৈছিল। কিন্তু গাঁৱৰ বোৱাৰী-জীয়ৰী আৰু সৰু সৰু ল'ৰা-ছোৱালীবোৰ সকলোৰেই নিজৰ নিজৰ পদূলিত জুম বান্ধিছিল বুধিৰামক বিদায় দিবৰ কাৰণে। বুধিৰামে কান্দি কান্দি আৰু গাঁওখনৰ সকলোকে কন্দুৱাই নিজৰ বাটত আগবাঢ়ি গৈ থাকিল। কণটিলৌহঁতৰ ঘৰৰ পদূলিত কণটিলৌৰ মাকৰ লগত বগীতৰাও থিয় হৈ আছিল। কিন্তু ঠিক সেই মুহূৰ্তত বুধিৰামৰ বিপুল বেদনাৰ সমুদ্ৰত বগীতৰাক হেৰুওৱাৰ বেদনা এটোপাল ৰবৰুণৰ দৰে লীন হৈ গ'ল। তথাপি সি এবাৰ নিজকে সংযত কৰি বগীতৰাৰ মুখলৈ পূৰ্ণ দৃষ্টিৰে চালে — চিৰকাললৈ গুচি যোৱাৰ আগতে তাইৰ মুখত তাৰ প্ৰশ্নৰ কিবা এটা উত্তৰ পোৱাৰ আশাত। তাইৰ মুখখন কান্দো কান্দো হৈছিল, চকু ফাটি পানী বাহিৰ হওঁ হওঁ হৈছিল। কিন্তু সেইদিনা তাক বিদায় দিবলৈ পাই গাঁৱৰ আটাইবোৰ জীয়ৰী-বোৱাৰীয়ে কান্দিছে; বগীতৰাৰ দুখ যে বাকীবোৰতকৈ বেলেগ সেই কথা সি কেনেকৈ জানিব। শেষবাৰৰ কাৰণে তাৰ আকৌ এবাৰ আফচোচ হ'ল — সাহ কৰি কথাবাৰ তাইক সুধি পেলোৱাই ভাল আছিল। এতিয়া এটা কৰুণ কৌতূহল তাৰ গোটেই জীৱনৰ লগৰীয়া হৈ থাকিব। জীৱনৰ বাটত গৈ থাকোঁতে যেতিয়াই হঠাৎ একোবাৰ বগীতৰাৰ মুখখন মনত পৰিব, তেতিয়াই তাৰ মনত ভাব হ'ব : "তায়ো কিজানি মোক ভাল পাইছিলেই। হায়, ইহ জীৱনত আৰু কেতিয়াও সেই কথা নিশ্চিতভাৱে জনা নাযাব।"

লক্ষ্মীনন্দন বৰা

এবাবাবীব লেছেবি

এৰাবাৰীৰ লেঁছেৰি

এতিয়ালৈকে জীয়াই থকা দুই-এক সাধু-সন্তৰ মুখত শুনা যায় — এৰাবাৰী আৰু এৰা নাৰীৰপৰা তিনি ঢাপ আঁতৰত থাকিব লাগে। নাৰীৰ বিষয়ে সকলো নিয়াৰিকৈ জানিবলৈ মোৰ মনটো পূৰঠ নহ'লেও এই কথা নিশ্চয়কৈ ক'ব পাৰোঁ যে এবাৰ যদি কেনেবাকৈ নাৰীৰ পৰপুৰুষত মন বহিল অথবা মনৰ গুপুত বতৰা ৰ'দ-কাঁচলিলৈ ওলোৱাত এৰা পৰিল, তেনে নাৰী দেখাত যিমানেই চকমকীয়া হওক লাগে, তেওঁক সামৰি ল'লে সম্পদতকৈ আপদহে বেছি; কোন দিনা স্বামীগুৰুৰ মান-সন্মানত খোঁট দি ভুজংগিনী পলাই যায় তাৰ মহিমা বুজা টান। ফটা বাঁহ কাহানিও জাপ নলয়, এনাজৰীৰো মোৰ পোৱা কঠিন। এৰা, বয়সত বুঢ়া হোৱা লোকৰ মুখৰপৰা সোণৰ ৰূপৰ কথাই ওলায়। আমি অল্পমতি হৈ সেইবোৰলৈ কাণসাৰ নিদি সময়ৰ মূৰত পস্তাওঁ। যি কি নহওক, এৰা নাৰী সম্পৰ্কে অভিমতত নিজৰ মত মিলাবলৈ চেলু পোৱা নাই। কিন্তু এৰাবাৰীৰ পৰা যে আঁতৰত থাকিব লাগে এই বিশ্বাস মোৰ মূৰত বাৰুকৈয়ে সোমাল। বিশেষকৈ গাত কাছুটি লোৱা কালৰপৰা চপাব পৰা কাললৈকে দেখি-শুনি।

আমাৰ গাঁৱৰ উত্তৰফালে এখন ডাঠ হাবি আছে। দীঘলে-পুতলে প্ৰায় আমাৰ গাঁওখনৰ সমানেই। প্ৰকাণ্ড প্ৰকাণ্ড গমাৰি গছ, পমা, আম, জৰি, চেঁচু আদি গছেৰে ঠাহ খোৱা। বাঁহ, তামোল, জামু, নাৰিকল, পনিয়ল, বগৰী আদি গছ যে কিমান আছে তাৰ সীমা সংখ্যা নাই। জয়াৰ হাবিখনৰ মাজ সোমাবলৈ কাৰো বুকু ডাঠ হ'ব পৰা নাই। দিন দুপৰতে ঘিটমিটীয়া আন্ধাৰ। হাবিৰ দক্ষিণ কোণেদি এটা সুৰুসুৰীয়া বাট। কাষে কাষে জাৰ্মানী বনৰ জোপোহা, আজাৰ আৰু সোণাৰু। তাত বেলি বহাৰ পিছতে কেটেলা পছ, নাহৰফুটুকী, গাহৰি আৰু শৰ পহুৱে ভুমুকি মাৰেহি। সুৰুসুৰীয়া বাটটোৰ তেনেই কাষতে এটা ওখ ভেটি। এসময়ত কাৰোবাৰ ঘৰ আছিল। এতিয়া তাত দুবৰি, কাৰ্শলা বন আৰু মেদেলুৱা গজি হাবিৰ লগত মিলি আছে। গজাওৰ ঘৰৰ ভোলা আৰু ঘন মহাশয়ৰ পুতেক মইনাই কয় যে সিহঁতে সেই ভেটিটোৰ এৰেঁওমান আঁতৰত

এটা প্ৰকাণ্ড ভঁৰাল ঘৰ দেখিছিল। তাৰ ওচৰতে প্ৰায় আঢ়ৈ বিঘামান মাটি জুৰি থকা এখন বাকৰিত পাঁচোটা ডাঙৰ ডাঙৰ শাল গছৰ খুঁটা থিয় দি থকা দেখা পাইছিল। এতিয়া তাত ঢেপাই তিতা, বন জলকীয়া আৰু উঁই-হাফলুৰ বাহ। বুঢ়াসকলৰ মুখত শুনা যায় সেইখন ঠায়েই হেনো এসময়ৰ তৰাপুৰ সত্ৰ। কিন্তু কালৰো কাল বিপৰীত কাল, ভূ-ভাৰন্তত সম্ভৱ একাল আৰু দুষ্টৰ সৰ্বতিকাল হ'বলৈকে, তৰাপুৰ সত্ৰ গোসাঁই বংশৰ সকলো প্ৰাণী সিফলীয়া হৈ নিবংশ হোৱা প্ৰায় ডেৰ কুৰি বছৰেই হ'ল। এতিয়া সেয়ে হ'ল গহীন অৰণ্য, — এৰাবাৰী। ঘৰচীয়া জন্তুৱেও তালৈ যাবলৈ সাহ নকৰে। কালৰ বক্ৰ কটাক্ষ, অদৃষ্টৰ পৰিহাস, মানুহৰ স্থায়িত্বৰ অক্ষমতা আৰু বৃথা গৰ্বৰ সাক্ষীস্বৰূপে এৰাবাৰীয়ে নিষ্ঠুৰ পৰিৱেশ লৈ মানুহৰ কৌতূহল উমি উমি জ্বলাই আছে।

চেমনীয়া কালৰেপৰা এৰাবাৰীৰ বিষয়ে ভালেমান চাক্ষুষ ঘটনাৰ বিৱৰণ আৰু উৰা বাতৰি শুনি আহিছোঁ। সত্ৰৰ চিন-চাব লুকুৱা প্ৰায় ডেৰকুৰি বছৰেই হ'ল। কিন্তু আগৰ সেই সত্ৰৰ চৌহদত যি ঘৰ-দুৱাৰ সাজি সংসাৰ পাতিবৰ মন মেলিছিল, তেওঁলোকৰ দশাও গোসাঁইসকলৰ দৰেই হ'ল। আমি মনত পৰা কলতে মদন বৰডেকাই ঘৰ সাজিছিল। কিন্তু এবছৰৰ ভিতৰতে ভেটি উঠিল। তেওঁ আৰু ঘৈণীয়েক একেটা জ্বৰতে মৰিল। বিষ্ণুৰ পুতেক লালুৱাই ঘৰত খৰিয়াল কৰি এৰাবাৰীৰ এমুৰে ঘৰ এটা সাজি দুদিনহে থাকিবলৈ পালে। তৃতীয় দিনা এজনী গাভৰু তিৰোতাই সপোনত দেখা দি ক'লে, 'তই ভালে ভালে কাইলৈৰ ভিতৰতে ইয়াৰপৰা উঠি যা। এই ঠাই জীয়া মানুহৰ বাবে নহয়। তইঁত মানুহবোৰ বৰ অসপ্ৰাতী। মোক আমনি নিদিবি।'

লালুৱাই পিছদিনা কাঁহী-বাটি, বিছনা-পাতি সামৰি পুৰণি ভেটি পালেহি। তথাপি নিশ্চিত হ'ব নোৱাৰিলে। সি ভালকৈয়ে এসেকা পালে। জহনিৰপৰা কানে কান মাৰিহে বাচিল। তেতিয়াৰে পৰা এৰাবাৰীত কোনেও গোঁজ এটা পুতিবলৈ সাহ কৰা নাই।

বহুতে কোৱা-কুই কৰা শুনো যে সপোনত দেখা দিয়া তিৰোতাগৰাকীয়েই হ'ল তৰাপুৰ সত্ৰৰ বিধবা গোসাঁনী ৰঞ্জিতা। ইহ সংসাৰত তেওঁ মায়া-মোহ নেওচা দি যাব নোৱাৰা কাৰণেই জীৱটোৱে এতিয়াও মাটিৰ পৃথিৱীখন এৰি যাব পৰা নাই। মাজে মাজে হেনো এৰাবাৰীৰ মাজত ৰঞ্জিতাৰ হা-হুমুনিয়াহ মানুহে শুনিবলৈ পায়। এই কথাৰ প্ৰমাণ দ্বিতীয় এটা সপোনে দৃঢ় কৰিলে। তেতিয়া মই নিচেই সৰু। এদিন খুড়াৰ ওচৰলৈ এটা মানুহ আহিছিল। নাম মোহন। সি খুড়াৰ ওচৰত এটা সোণৰ আঙঠি বন্ধকত থৈ একুৰি টকা লৈ গ'ল। সেই ৰাতিয়েই খুড়াই এটি সপোন দেখিলে। ৰঞ্জিতা গোসাঁনীয়ে বৰ খং ভাব দেখুৱাই খুড়াক ক'লেহি, 'গণেশ, এই আঙঠি যদি তই ঘৰত ৰাখ, তোক বিপদত পেলাম। নাজাননে, এই আঙঠি তৰাপুৰ সত্ৰৰ কত গৰাকী গোসাঁনীয়ে পিন্ধি গৈছে? কতই পিন্ধি আমনি পাই উপহাৰ দিলে? তইঁতৰ দৰে মানুহবোৰৰ যদি ধন-সোণতকৈ মৰম-চেনেহলৈ বেছি আদৰ হ'লহেঁতেন, দেশৰ আজি

এই দশা নহয়।'

পিছদিনাই খুড়াই আঙঠি ঘুৰাই দিয়ালে। বন্ধকৰ টকাও ঘূৰাই নল'লে। তেতিয়া মোৰ বয়স পোন্ধৰ। এবাবাবীৰ ভগা ভঁৰালটোৰ ঠাইত চাঙেৰী টেঙা আৰু কনা-শিমলু গজিছে। গাঁৱত গৰু-গাই মৰিলে মুচিয়াৰৰ হতুৱাই তাতে পেলায়। কত গৰুৰ হাড় পচি ভসম দিলে তাৰ লেখ-জোখ নাই। কাষতে থকা শিমলু গছ ডালতে শগুণৰ বাহ। খৰি লুৰিবলৈ অহা নদীয়াল গাঁৱৰ মানুহে তাত হেনো ভূতকুলা চুলিবে খুঁটিতাল বজোৱা যখিনী দেখা পায়। সেই কথা শুনাৰেপৰা মই সেইফালে মু কৰা নাই। আমাৰ লগৰে চামবৰৰ ল'ৰা অৰ্জুনে পলৰীয়া গৰু এটা খেদি গৈ শিমলুজোপাৰ কাষ পাইছিলগৈ। কিহবাই তাক ভয় খুৱালে। ঘৰ পাওঁতেই তাঁৰকঁপে জ্বৰ উঠিল। সি গাটো কঁপাই কঁপাই ধেনুভিৰীয়া হৈ ওপৰলৈ উঠি আছে। হেঁচা দিওঁ পোনাব নোৱাৰি। সি সেই দিনাই মৰিল। বৰ মুকলি পথাৰত ৰবণী বাই আহি গাঁও সোমাই মই দেখোঁ, চাৰিওফালে হুৰা-দুৰা লাগিছে। পিতায়ে দবিয়ায় বুলি পিছ চোতালেদি ঘৰ সোমাই শুনো, তেওঁ ভোলোক, বাঠু আৰু ভেকোলা বাপৰ লগত কথা পাতি আছে। অৰ্জুনৰ বেজাৰতে উচুপি উচুপি আলোচনা শুনাত লাগিলোঁ।

ভেকোলা বাপে পিতাইক ক'লে, 'কি কয় বন্ধু আতৈ? ঘৰৰ, তিৰোতা যদি পাপ-পংকত মজিল, তাক নিবোধ কৰাৰ উপায় কি? এজনীৰ লগতে এটা পুৰুষ শেষ।'

ভোলোক গায়নে হয়ভৰ দি ক'লে, 'শেষ যে শেষেই, মৃতকে পিণ্ডও নাপালে। মই আৰু দেওধনি হাঁটী-মতাই সিবাৰ ভাদমহীয়া গেডাৰবড়িৰপৰা ভাওনা চাই আহোঁতে এবাবাবীৰ মাজফালে সাইলাখ এইদৰেই শুনিছোঁ। নিজৰ কাণ দুখনক অবিশ্বাস কৰিব নোৱাৰোঁ ঈশ্বৰসকল! — 'নিশা হন্তে বজাইলন্ত বৰ যে ধেমালি। ওঠৰ মানৰ কথা কণ্ঠে বনমালী।' তাৰ পিছতেই খোলৰ বোল : ধিনা খিতৌ তাখিনাক্ ধেই, ৰি ধেই ৰি ধেই তাক। মোৰ মনেৰে গোসাঁইসকল সোঁচৰা ব্যাধিত মৰাৰ কাৰণেই নিয়ম-কৰণেৰে সপিণ্ডীকৰণ কৰিব নোৱাৰাত জীৱবোৰ সিপুৰীলৈ যাব নোৱাৰিলে। ভাদ মাহ পৰিলেই বোধকৰোঁ সকলো গোট খাই এবাবাবীৰ ভিতৰতে খোল-তাল বজায়হি। হৰি হৰি, কিনো পুৰুষৰ কিনো অৱস্থা।

'ময়ো ঈশ্বৰসকল, এদিন ৰাতি এবাবাবীৰ কাষেদি আহোঁতে শুনিবলৈ পালোঁ : (ঠিক যেন নন্দ গোসাঁইৰে মাত) — 'হে সখি, কি বাদ্য বাজত?' তাৰ পিছত সমস্বৰে — 'সখি, দেৱ দুন্দুভি বাজত।' আকৌ নন্দ গোসাঁইৰে মাত — 'অঃ, তদনন্তৰে সোহি পৰম ঈশ্বৰ কৃষ্ণ মিলল, মিলল।' ৰবকৈ কাণখন পাতিলেহে কথাকেইটি শুনিব পাৰি।' বাঠু গায়নে ক'লে।

পিছত ভেকোলা বাপে মাত লগালে, "এৰা, এবাবাবীয়ে আৰু কাক ক'ত লয় ঠিক নাই। চামবৰৰ ল'ৰাটোৰ শাধ-কৰম শেষ হোৱাৰ পিছতেই বুৰীয়া নামঘৰত পাল-নাম পাতিব লাগিব। তেহে যদি এবাবাবীৰ অপদেৱতাৰ হাত সাৰিব পৰা যাব। নামৰ

সমাননো গুণ কাৰ? বোলে — পাপ কণ্টকক সংহৰি হৰিষে নামে খলখলি হাসে।"

চাৰিওগৰাকীয়ে কিবা-কিবি কথা পাতিলে। সেই আলোচনাই মোৰ কোমল মনৰ কৌতূহল বেছিকৈ জগালে। পিতাইক কথাটো সুধিবলৈ সাহ নহয়। তেওঁক এইবোৰ কথা সুধিলে মোক চুই কিলাবলৈহে বাকী থ'ব।

সৰুকালৰ কৌতূহল অতি প্ৰবল। সিমানতো হতাশ নহ'লোঁ। দুই-এগৰাকী তিৰোতা মানুহৰপৰা ভু লৈ জানিব পাৰিলোঁ যে আমাৰ যদু তাঁৰীয়েই এই বিষয়ে পৰিপাটিকৈ জানে। তাঁৰে বৰ কথকী। ল'ৰা মানুহলৈ মৰমো বেছি। বৰ ধেমেলীয়া। মুখ মেলিবলৈ পালে নিজেই কথাৰ ভেটা দিব নোৱাৰে।

তাঁৰীয়ে ঘৰত বহি বেতৰ সূত চাঁচি আছিল। আধা মাইলমান বাট খোজ কাঢ়ি তাঁৰৰ কাষ চাপিলোঁ। ৰ'দত ঘামি-জামি জুকলি-জুপুৰি হৈ ওলাইছিলোঁগৈ। তেওঁ মনৰ আনন্দতে ভিতৰলৈ মাত দিলে, 'হঁয়ে, শুনিছনে? ওলাই আহ। সখিৰ ল'ৰা আহিছে।'

মনটো বৰ ফৰকাল লাগিল। জা-জলপান খালোঁ। কিন্তু মনৰ খু-দুৰনি নমৰিল। তাঁৰেক খাতিৰ কৰিবলৈ এটা ছল বিচাৰিলোঁ। পিছে ছল এটা পণ্ডা সহজ কথা নহয়, পকা চুলি এডাল উঘালি দিবলৈকো এডাল চুলিও পকা নাই। দুটা-এটা ঘামচি ভাঙি দিবলৈকো পিঠিখন তেনেই নিমজ। মই মনে মনে থকা দেখি তাঁৰীয়ে মাত লগালে, 'পৰীক্ষা-চৰীক্ষা ফেল কৰিছ নেকি? মনটো মৰা দেখোন?'

'নাই, পৰীক্ষালৈ আৰু তিনি মাহ বাকী। তোক এটা কথা সুধিম বুলিহে আহিছিলোঁ। মানুহে কৈছে, তোত বাদে এই কথা জনা দ্বিতীয় মানুহ নাই।'

'মইনো কি অদ্বিতীয় মানুহ অ'? ক, কি কথা?'

'এৰাবাৰীৰ যে ইমানবোৰ কথা শুনো, মই দেখোন তাৰ একোৰেই আঁহ নাপাওঁ। তই যদি অলপ ফঁহিয়াই কৱ..' মুখত আঙুলি দি তাঁৰৰ মুখলৈ ৰ লাগি চাই সন্দেহৰ ভাবেৰে বৈ গ'লোঁ।

তাঁৰীয়ে বেতৰ সূতৰ জোঙাল আগটো নখচুকা হোৱা ডোখৰত লগাই সিমূৰে জুই দি সূত লাগি যোৱাৰ সুখানুভূতি উপভোগ কৰি মোৰ মুখৰ পিনে অন্ন-অন্নকৈ চাই গহীনাই সুধিলে, 'তোৰ এতিয়া বয়স কিমান?'

'ব'হাগত পোন্ধৰ বছৰ উকলি গৈছে।'

'ওঁ? মাথোঁ পোন্ধৰ। পৰসিৰ কথা কহ কালিৰ ছৱাল। ওঁহো, এতিয়া সেইবোৰ কথা ক'লে একো বুজি নাপাবি। আৰু পৰাগক্কত এতিয়াই সেইবোৰ কথা কৈ তোৰ লেকেচীয়া মনটোত কিছুমান মেৰপাক সুমুৱা বিপাঙত নেপেলাওঁ।'

এইবাৰ মাতৰ সুৰটো ডাঙৰ কৰি ক'লে, 'বুইছ, সৰুমণি, তোক — এই অকণমান মানুহটোক এনেবোৰ কথা নোকোৱাই ভাল। এতিয়া কোৱা মানে গৰুৰ আগত টোকাৰী। বাৰু, আজি যা। এদিন আহিবি যেতিয়া তই ভালকৈ ডেকা হ'বি। এজনী চপাবলৈ যেতিয়া মনটোৱে টকালি পাৰি থাকিব তেনেঁখিয়নত আহিবি। সেই

মনে লক্লকাই থকা বয়সতহে এইবোৰ কথা ক'লে কথাৰ আঁহবোৰ বুজি পাবি। ভগৱন্তৰ কৃপাতময়ো তেতিয়ালৈকে জীয়াই থাকিম। আৰু বেছি দিন নাই দে। এতিয়াও মোৰ চুলি পকা নাই, দাঁত সৰা নাই।'

তাৰেৰ কথাত হতাশ হৈ ঘৰমুৰা হ'লোঁ।

তাৰ পিছতেই গাঁৱৰ লগত মোৰ এৰা-এৰি হ'ল। জীৱিকাৰ অন্বেষণত ঘূৰি ফুৰাত এৰাবাৰীৰ চিন্তা গৌণ হৈ পৰিল। আঁতৰত থাকি এৰাবাৰীক পাহৰিয়েই পেলাইছিলোঁ। গাঁৱলৈ আহিলোঁ ছৰছৰৰ মূৰত। এখন গাঁও বা চহৰৰ পৰিবৰ্তন হ'বলৈ এই ছৰছৰেই যথেষ্ট। ডোবা, ডাঁহ, মহ আৰু বোকা-পানীৰপৰা যাব নোৱাৰা হাবিতলীয়া বৰঙাবাৰী এতিয়া তেনেই দোক্‌মোক। চহৰৰ দৰেই হৈ পৰিছে। কেৱল বিজুলী বাতিটোহে বাকী। এৰা, কিমানেই যে পৰিবৰ্তন হ'ল এই কেইবছৰত। বৰ পৰিতাপৰ বিষয় যে এই পৰিবৰ্তনৰ ধুমুহাতো আমাৰ ফালে একেবাৰেই মোট সলাব পৰা নাই। চেঁচুকীয়া বাটত ৰ'দৰ বেঙুনি পৰিবলৈ ভাগ্য হোৱা নাই। মণ্ডলৰ ল'ৰা এতিয়াও মণ্ডল। গুৱালৰ ল'ৰাই মূৰৰ গামোচাখন গুচাব পৰা নাই। দুচলীয়া চাপৰ খেৰঘৰবোৰৰ আগৰ দৰেই দুৰৱস্থা। মাথোন নতুনকৈ পতা মাইনৰ স্কুলখনৰ দুজন দুজন ল'ৰাকেইটাই লংপেণ্ট পিন্ধিবলৈ শিকিছে। গাভৰু ছোৱালীৰ গাত দুখন-এখন জৰ্জেটৰ চাদৰে শোভা পাইছে যদিও চহৰীয়া ছোৱালীৰ দৰে গা ফুলপাহি লেখীয়া নিমজ, মিহি কৰিব পৰা নাই। কিয়নো, বিহুৱে-সংক্ৰান্তিয়ে হিমানী বা স্নুলভেল ঘঁহিলেও সিহঁতে চোকা ৰ'দত পথাৰৰ কাম কৰিবলৈ এৰা নাই। পুৰণা আও-ভাও গঞ্জাৰ মাজত চলিয়েই আছে। এতিয়াও বোৱাৰীৰ মুখখন জেঠালে দেখা পালে সাত খেনু পৰাচিত হ'ব লাগে। চন্দ্ৰ গ্ৰহণৰ দিনা পোৱাঁতী তিৰোতা ভূমি স্পৰ্শ নকৰাকৈ এপৰ নিশালৈকে চাঙৰ ওপৰত উঠি থাকে। 'লক্ষীচৰিত্ৰ' পঢ়াই ঘৰৰ গৃহিণীক সতী কৰিবলৈ আপ্ৰাণ চেষ্টা। বসন্ত ৰোগৰ অমোঘ মন্ত্ৰ শীতলাৰ আইনামহে।

মোৰ লগত ঘনিষ্ঠ সম্পৰ্ক হোৱা মানুহখিনিৰ ভিতৰত বদু তাৰেকে বৰ ভাল লাগে। মানুহজনৰ মনটো নতুনৰ গোহৰ পোৱা। নিজ যুক্তিৰে যি কথা যুক্তি-যুক্ত বুলি ভাবে তাকেহে মানে। তথাপি চিন্তাধাৰা যে একেবাৰে আধুনিক তাকো ক'বলৈ সত্তকাই টান। হালোৱা মানুহ। কিতাপ-পত্ৰ পঢ়িবলৈ আহৰি কম। কিন্তু দৈনিক বাতৰি কাকতখন নপঢ়াকৈ নাথাকে। তেওঁৰ চিন্তাৰ মৌলিকতাই সকু কালতে মোক চমক খুৱাইছিল।

মোক কয়, 'সৰুমণি, মহাভাৰতৰ সকলো কথা তই সঁচা বুলি ভাবনে?'

'নাভাবি উপায় কি? ঋষি-মুনিয়ে লিখা কথাত আমাৰ কি মাত আছে?'

'মোৰ হ'লে আটাইবোৰ কথা পতিয়ন নহয়। মাজতে বহু কথাই সময়ৰ লগে লগে মোট সলাইছে। ধৰ, নেৰায়ণী সেনাৰ কথা। পুথিৰ মতে চৌষষ্ঠি অক্ষৌহিণী। হেৰ' পাকিস্তানকে ধৰি ভাৰতৰ লোকসংখ্যা এশ কোটিয়েই নহয়, অথচ কৃষ্ণৰ সেনা চৌষষ্ঠি কোটি বাদেই দিয়োঁ, একেবাৰে চৌষষ্ঠি অক্ষৌহিণী হ'ল কেনেকৈ? যদি আছিল,

মই বিচাৰ কৰি পাইছোঁ যে এতিয়াৰ প্ৰশ্ন তেইছটাই তেতিয়াৰ এক অক্ষৌহিণী হ'ব লাগিব। কুৰু-পাণ্ডৱৰ ৰণত ছাপন্ন কোটি হয়-হস্তী নিপাত হোৱাও হোলোঙাৰে কাণ খজুৱা কথা। ব্যাস মুনি কবি হ'ল বুলিয়েই এনে আচম্বিত কল্পনা মানুহৰ মাজত চলাব লাগেনে?'

মই এবাৰ মাত্তিবলৈকো একোৰে উৰাদিহ পোৱা নাছিলোঁ। গঞাই কিন্তু তাৰেৰ আওপকীয়া কথা ভাল নাপাইছিল।

ঘৰলৈ আহি পোনকোৰেই তাৰেৰ ঘৰলৈ গোনালোঁ। গৈ পাই দেখোঁ, তেওঁ পাকঘৰত আমৈক বস্তুৰ দিহা দিছে — 'এইকেইটা তিতা কেৰেলা ভাজিবি। ইয়াক আজিকালি খালে বসন্ত ৰোগ দূৰ হয়। কাঁহী-বাটিবোৰ গৰম পানীৰে ধুবি। চাবুকখৰালৈকে দেশত গৰম হৈছে।'

মোক দেখিয়েই উলহ্-মালহকৈ বহিবলৈ দি ক'বলৈ লাগিল, 'হে ৰাম গোসাঁই, আজি আমাৰ ঘৰলৈ আহিবলৈ বাটৰ জেংখবিডালনো কোনে আঁতৰাই থ'লে? বহ, বহ। গোটেইটো দেখিছোঁ মজবুত ডেকা হ'লি।'

'কোননো আহিছে ঐ?' ৰান্ধনিঘৰৰপৰা আমৈৰ মিহি মাত শুনা গ'ল।

'সখা-পুত্ৰ সৰুমণি।'

ৰবষুণ হৈছিল। লগে লগে ধুমুহাও। প্ৰায় এঘণ্টামান চলিছিল। ধুমুহা শাম কটাৰ পিছত ইফালে-সিফালে কাষৰ মানুহকেইঘৰৰ তিৰোতাবোৰে হুৰা-দুৰা লগাই কোৰা-কুই কৰা শুনিলোঁ : 'দেওলগা ভেটিটোতনো বঙাল-বঙালনীযোৰাই ঘৰ সাজিবলৈ কি চুঁটখৰে খাইছিল। হৰি হৰি, কোনেও কথাটো কৈ নিদিলে।'

কথাটো হ'ল, এৰাবাৰীৰ এচুকে বিফিউজি মতা-মাইকী এহালে ঘৰ সাজি আছিল। ধুমুহাত কাষৰে চতিয়না গছ এজোপা উঘালি পৰাত ঘৰে-মানুহে তেনেই চেপেটা লাগিল।

বহুত দিনৰ মূৰত আকৌ এৰাবাৰীৰ চিন্তা মগজুত সোমাল। তাৰেক সোধাত ক'বলৈ অকণো আপত্তি নকৰিলে। কাৰণ মই এতিয়া ডেকা হৈছোঁ। বৌ-পিতায়েও ৰোৱাবীৰ বন কৰা খাই মৰিবলৈ আশা পালি আছে।

ইয়াৰ পিছত তাৰেয়ে কৈ যোৱা কথাখিনিৰ যি মনত আছে তাকে বৰ্ণাবলৈ প্ৰয়াস কৰিম। কিন্তু সি তাৰেৰ মৰ্মস্পৰ্শী বৰ্ণনাৰ দহ ভাগৰ এভাগো নহ'ব বুলি মোৰ ভয় হৈছে। তাৰেৰ ভাৱাত আছিল পুৰণি আভিজাত্যৰ প্ৰতি ঘৃণা আৰু এজনী অখ্যাতা বিধৱা গোসাঁনীৰ মৰ্মন্তুদ জীৱনৰ প্ৰতি কৰুণা আৰু মমত্ববোধ।

অতি দৰ্পে হত লংকা, অতি মানে চ কৌৰবাঃ। চাণক্য পণ্ডিতে কৈ গৈছে। পতনৰ পূৰ্বে গৰ্বৰ অভ্যুদয় হয়।

তৰাপুৰৰ গোসাঁইসকলৰ বংশ বিলোপৰ আগতেই পতনৰ চিন দেখা গৈছিল। তেওঁলোকৰ আছিল অৰথা গৰ্ব আৰু অপ্ৰাপ্য মানৰ অভিলাষ। ধন আৰু প্ৰতিষ্ঠাই দিয়ে অহং ভাৱ — লোকলৈ তুচ্ছ ভাৱ। তেতিয়া তৰাপুৰৰ গোসাঁইৰ আছিল অলেখ

শিষ্য। কোনোভাৱে চপাৰ পৰা ধন গুৰু মাননী হিচাপে ঘৰতে বহি পায়। তাৰ উপৰি আছিল বহুতো নিষ্পিখেৰাজ মাটি। সেই মাটি খোৱা মানুহবোৰক মানুহ বুলিয়েই নাভাবিছিল।

এই কথা ভাবেৰ মুখে শুনি মোৰ এটা কথা মনত পৰিল। মহাত্মা বিদুৰৰ কথা। ঈশ্বৰ ভক্ত বিদুৰে কাতৰ হৈ কৈছিল — হে প্ৰভু, মোক যেন তুমি সৰ্বদায় দৰিদ্ৰ কৰিয়েই ৰাখা। ধনৰ কুহকত পৰিব লাগিলে তোমাৰ প্ৰতি ভকতি কেৰাও বিচাৰি নাপাম।

কিন্তু তথাপুৰৰ অধিকাৰ মকৰন্দক ধন আৰু ক্ষমতাৰ মায়াই মতলীয়া কৰিলে। তেওঁ ভকতক ভকত বুলি গণ্য নকৰা হ'ল। সকলোকে তেওঁৰ তলতীয়া বুলিহে ভাবিলে। তেওঁ ভকতৰ ল'ৰাই শিক্ষা পোৱা দেখিব নোৱাৰে। শিক্ষা পালে হেনো গুৰু-গোসাঁই নমনা হয়, আপোন আচাৰ-ব্যৱহাৰ পাহৰে। আচলতে শিক্ষাৰ জোঁৰ-বাতিৰে তেওঁৰ জ্ঞানৰ দীনতা ধৰা পেলাব পাৰে বুলিহে ভয়। এবাৰ নামঘৰটোৰ দুই-এঠাইত উকৰিছিল। ভকতৰপৰা ধন তুলি নামঘৰটোৰ কিবা এটা ব্যৱস্থা কৰিবলৈ মনতে পাণ্ডি শিষ্যসকললৈ তেওঁ চিঠি লিখিলে। তাৰে এখন তাৰেৰ হাতত আছে। এইখন চিঠি উজনি অসমৰ গাঁও এখনৰ সাতোলাজনলৈ লিখা। চিঠিৰ টিকেটত মহাৰাণী ভিক্টোৰিয়াৰ ছবি থকা মোহৰ। চিঠিখন এনেদৰে :

ওঁম্ তৎসৎ

বংশী সাতোলা শ্ৰীমৎসু,

ভগৱন্তৰ কৃপাত তুমি বোধকৰোঁ অন্যান্য শিষ্যসমেত ভালে-কুশলে আছা। সত্বৰ প্ৰয়োজনত তোমালৈ পত্ৰ-সন্দেশ পঠালোঁ। গোসাঁইঘৰটোৰ সম্প্ৰতি বৰ নিঃকিন অৱস্থা। এতএব, তুমি সকলো শিষ্যকে জনাবা যেন পাইপতি পাঁচোটকৈ ধন তুলি মোলৈ পঠিয়ায়। ধনেৰে পুত্ৰ-দুহিতাক যৱনৰ শিক্ষা দিয়াতকৈ এনেদৰে হৰি কামত লগোৱা অধিক ভাল। পৰজন্মৰ পথ মুকলি হয়। কিন্তু অন্যবোৰ বিদ্যা, ধৰা তুলীয়া বিদ্যা, বিদ্যা নহয়, অবিদ্যা। সেই বিদ্যাই মৃত্যুক জয় কৰিব নোৱাৰে। অন্যান্য শিষ্যকো মোৰ আশীৰ্বাদ জনাবা।

লিখিতং পত্ৰমিদম্ ইতি
আশীৰ্বাদক
শ্ৰীশ্ৰীমকৰন্দ দেৱ অধিকাৰ

নামঘৰৰ কাৰণে টকা উঠিল হয়, কিন্তু তাৰে দুকুৰি টকাহে নামঘৰৰ কামত লাগিল। উকথা চালত শৰণ খেৰেৰে গোঁজা দুটামান মাৰিবলৈ দুকুৰি টকা বেছি বুলিহে ক'ব পাৰি।

ইমানেই নহয়। মকৰন্দ অধিকাৰে সেইটো সময়ত পৰ্বত-পাহাৰ বগাই, বিলন-বিৰিনি পথ নকৰি, দুখক দুখ নুবুলি ধৰ্ম কথা বিতৰি ফুৰিব লাগিছিল। কিন্তু তেওঁৰ

কাৰণে সেয়া মহত্ত্ব বা মহান কৰ্তব্যৰ ভিতৰত নপৰিছিল। তেওঁ প্ৰকাণ্ড গাৰুত আঁউজি ওখ তুলীৰ গাদীত বহি মানুহক কৈছিল অমুকৰ নাদৰ পানী খাব নাপায়। অমুকৰ ল'ৰাৰ হীন সম্প্ৰদায়ত জাত গ'ল। আনে মন মেলিলে গাঁও উছন্ন হ'ব। অমুকে বাটলু তিৰোতা টৈটুত চপাই হৰিকথাত পৰাকাষ্ঠা দেখুৱাইছে।

কিন্তু, কিন্তু পাঁচ শ বছৰৰ আগতে শংকৰ গুৰুৱে মানৱতাবোধত মহীয়ান হৈ চিঞৰি কৈছিল — কুকুৰে শৃগাল গৰ্দভৰো আত্মাৰাম...

মকৰন্দ গোসাঁইৰ দদাক নন্দ গোসাঁই বৰ গুণী পুৰুষ আছিল। ভাবে-ভকতিয়ে, খোলে-তালে তেনেই গন্ধৰ্ব। কিন্তু বেছি দিন চাউল খাবলৈ নাপালে। এজনী ছোৱালী জনম দিয়েই সিফলীয়া হ'ল। তাৰ পিছতেই অধিকাৰৰ ভাৰ পৰিল মকৰন্দৰ ওপৰত। তেওঁ আছিল অপুত্ৰক। পুত্ৰৰ মুখ নেদেখিলে বোলে কিবা বৌ-বৌ নৰকত পৰিব লাগে কাৰণে দুগৰাকী কুমলীয়া গোসানীৰ গৰাকী হ'ল। তথাপি ফলে নধৰিলে। তেওঁৰ ভায়েক অৰবিন্দৰ কাৰণেহে দুখ লাগে। বিয়া কৰোৱাৰ দুমাহৰ পিছতে সন্নিপাত জ্বৰত মৃত্যু হ'ল। তেওঁৰ স্ত্ৰী ৰঞ্জিতাৰ তেতিয়া বয়স মাথোঁ যোল্ল। সকলোৱে হায় হায় কৰিলে। ইয়াকে বোলে ফুলত কেৰোণ। ৰঞ্জিতা কোনো গুণেই হীন নাছিল। ফুল যেন দেহা, জোন যেন মুখ, মৌ-মিঠা মাত। পটুৱাবাৰী সত্ৰৰ জীয়ৰী। তাৰৈয়ে কয়, 'কিনো ক'ম বোপাই, গোসানীক দেখিলেই মোৰ মনটো মৰি যায়। উস্ ৰাম, জীৱনত যদি ৰঞ্জিতা আইদেউক ফুটুকী মেখেলাৰে, মুগাৰ বিহাৰে, গোলাপী মুখত পূৰ্ণিমাৰ জোন যেন হাঁহিৰে, কপালত এটি বেলি যেন ফোঁটেৰে আৰু এদিন দেখিলোঁহেঁতেন, সেয়ে আজীৱন মোৰ মানত ভগৱন্তৰ আশিস হ'লহেঁতেন। গোসানীৰ মুখৰ হাঁহি অদৃষ্টই হৰি নিলে, পূৰ্ণিমাৰ হাঁহি ডাৱৰে ঢাকিলে। বগা সাজ-পাৰ, তেল নসঁহা চুলি আৰু উকা কপালখন দেখিলে ভাব হয়, — ৰাণী শৈব্যা যেন কাঙালিনী হ'ল।'

পোনতে যেতিয়া ৰঞ্জিতা বোৱাৰী হৈ আহিছিল, তেতিয়া সকলো প্ৰশংসাত পঞ্চমুখ। ৰঞ্জিতাৰ দৰে হেনো সুলক্ষণী তিৰোতা পাবলৈকে বিৰল, কিন্তু যেতিয়া কুমলীয়া কালতে বাঁৰী হ'ল, মানুহৰ অভিমতো উলটি ব'লে। তাইৰ চুলি কিচ্কিচীয়া ক'লা। কিন্তু বিধবা হোৱাৰপৰা দুই-একৰ মুখত অভিমত শুনিবলৈ পোৱা গ'ল যে তাইৰ হেনো চুলি বজুৰা। সেইটোৱেই কুলক্ষণ। চাৰিওফালে কেৱল অনাদৰ-অৱহেলা। আগতে ঘৰৰ ঘৰোৱাহীৰে খোৱা-বোৱা, পুথি সেৱা কৰা আদি সকলো কামতে তাই দিহা-পৰামৰ্শ দিছিল। কিন্তু বিধৱা হোৱাৰেপৰা তেনে কাম কৰিবলৈকো কাৰোপৰা উৎসাহ নাপায়। প্ৰকাণ্ড পাঁচ-খুটলীয়া ঘৰটোৰ এমূৰে তাই দিন নিয়ায়। জায়েকহঁতৰ ল'ৰা-ছোৱালীকেইটাক মৰম-চেনেহ কৰি মনৰ দুখ পাতলাবলৈ চেষ্টা কৰে। কিন্তু এবাৰ এটা ঘটনাৰ পৰাই সেইকণ সুখেও বঞ্চিতা কৰিলে। এদিন জায়েক বৃন্দামাইৰ ছোৱালী এজনীক নিজৰ পাতত ভাত খুৱাইছিল। সেইদিনাই তাইৰ পেটৰ অসুখ হ'ল। ৰাতি শুবই নোৱাৰিলে। বৃন্দামায়ে ৰঞ্জিতাই শুনাকৈ ছোৱালীজনীক ক'লে, 'আজিৰপৰা যদি কাৰোবাৰ লগত এনেকৈ ভাতৰ পাতত বহ, মাৰে মজাটো দিম। এটাৰ তিনি মাহ

নৌ-বাওঁতেই মুখটো চোবালে। তোৰ মুখটো চোবাবলৈনো কেইদিন লাগিছে?'

তাই অন্তেষপুৰ যেন সত্ৰৰ ভিতৰত ওলাই-সোমাই দেখিবলৈ পায় কেৱল জায়েকহঁতক। কিন্তু তাৰে এজনীয়ে ক'লে শাখিনী বুলি। কেতিয়াবা ভোক বেছি লাগিলে জুতিয়ে-বুধিয়ে পালে এগৰাহ ভাত যদি বেছিকৈ খায়, গোসাঁইঘৰত আলপৈচান ধৰা পলাশৰ বৈণীয়েক পিছলীয়ে কোবা-কুই কৰা শুনে — 'ভালটো খঁক লৈ এই এঘৰলৈ আহিছিল দে, আইহঁত!'

কিন্তু খাবলৈনো বিশেষ কি পায়? বোলে, জোৱান কালত শি'লখালেও শি'লহজম হয়। কিন্তু তাই ভোকৰ ভাতকেইটাও কোনোমতেহে খায়। দেহটোলৈ এটা লেবেলা সাদৰ আছে কাৰণেহে। সত্ৰলৈ ভকতে ওনা ওনে মাছ আনে। তাৰে এটুকুৰা খাই তৃপ্তি ল'বলৈ তাই হ'ল বিধৱা। কোন গাভৰু মানুহৰনো মাছ-মঙহলৈ ইচ্ছা নহয়? কিন্তু ৰজিতাৰ সেইবোৰলৈ চকু নাই। অভ্যাসৰ বশত তেনে হৈ পৰিছে। তাই যেন জীৱনত মাছ, মঙহ, পিঁয়াজ, মচুৰ মাহ আদি বস্তুৰ কাহানিও জুতি পোৱা নাছিল। কাৰো মুখত এষাৰি যদি কথা শুনিলেহেঁতেন — আই ঐ দেহি, গোসাঁনীৰ গাভৰু কালতে ঈশ্বৰে ভাল ৰং চাইছে — তেতিয়াও তাই এইষাৰি সহানুভূতিৰ বচনকে ভগৱন্তৰ আশিস বুলি চিৰদিন মনত বান্ধিলেহেঁতেন। বিধৱা হোৱা পহিলা বছৰ মানুহে আশা কৰিছিল, ৰজিতাই পুথি-পাঁজি পঢ়ি গোসাঁইঘৰত দুবেলা সেৱা-সৎকাৰ কৰি জীৱনটো কটাই দিব। এদিন মৰিব এক স্বৰ্গীয় জ্ঞান লৈ — নিষ্পাপভাৱে। বৈকুণ্ঠ পাব। পুনৰ দুখৰ পৃথিৱীলৈ ঘূৰি আহিব নালাগিব। তাৰ বাহিৰেতো তাইৰ সকলো বাট বন্ধ। কিন্তু ৰজিতাৰ কৰ্মত আৰু কথা-বচনত 'হৰি কিংকৰী' হোৱাৰ একো লক্ষণ দেখা নগ'ল। তাই লোকৰ কথা বেছিকৈ শুনে, নিজে কমকৈ কয়। আলাপ-অলোচনাৰ হৰ্ষধ্বনিৰ মাজত নিজকে বিলাই দিব নোৱাৰে। নামঘৰত ঘনাই ঘনাই আয়তীসকলৰ নাম হয়। কীৰ্তনৰ পদ গোৱা হয়, বিভিন্ন সুৰত। পদৰ একুট-দুকুট আলোচনা চলে। পুত্ৰৰ শোকত যশোৱা জননীৰ খিনখিন মৰমী মাতৃৰ চকুৰ কোণ তিতে। ৰজিতাৰ মুখত কিন্তু অনুভূতিৰ অভাৱ। কৃষ্ণৰ শিশু লীলাত সকলোৱে মুখত হাঁহি বিৰিঙে। ৰজিতা নিশ্চল। গোপিনীৰ প্ৰেম ৰসত আয়তী-গোপিনীৰ মনৰ থিৰতা নাৰে। ৰজিতাৰ হিয়াইদি বিৰহৰ ঢৌ বাগৰি নাযায়। যাৰ আশা শেষ হৈ গ'ল, যি জনম লৈছে নীৰৱে চকুলো টুকিবলৈ, তেনে নাৰীৰ মনৰ অন্তৰালত ভক্তিৰস, প্ৰেমৰস, বাৎসল্য ৰস, সকলো নীৰস। গৰলেই হয়তো অমৃত। তাত আছে মৰণৰ গভীৰ প্ৰশান্তি। ৰজিতাই শুকান পৃথিৱীত নিয়ৰে চকুলো টোকাই দেখা পালে। নিয়ৰৰ টোপালত মুকুতা নসৰে। দিনে দিনে কেৱলহে বাষ্প হয়; উষাৰ পোহৰত ভৱিষ্যতৰ বেঙনি নাই, সূৰ্যাস্তৰ ৰঙচুৱা ভাৱৰে মনৰ বাসনাত, দেহৰ তৃপ্তিত আৰু নিজস্ব ব্যক্তিৰ গোপন আকাংক্ষাত হেতুল-হাইতালৰ বোল নাসানে।

এটা ৰসত আছে, দুটা ৰসত আছে, তিনিটা ৰসতহে হয়তো কত নৱনাৰীৰ গোপন অভিলাষৰ পৰিতৃপ্তি মিলে। চ'ত মাহৰ কোঁৱলী ৰবৰুণাৰাকে কত চেনেহীৰ

বেদনা উটুৱাই পীৰিতিৰ শিপা মেলা মন-গছৰ পুলিটি সেউজীয়া কৰি তোলে! কুলিৰ মাতৰ কৰুণ সুৰে কত প্ৰেয়সীৰ বিৰহ-বেদনা অপাৰ্থিৱ কৰি তোলে! বিহুৰ পেঁপা আৰু ঢোল-দগৰৰ ধ্বনিত ডেকা-গাভৰুৰ যৌৱনে বিড়িয়ায়। ৰজিতাই তাত উকা বিং শুনে। কোনোবা পঞ্চাছ বছৰীয়া মানুহে কৃষ্ণৰ ভাও লৈ ৰুক্মিণীৰ বেথাত বিলাপ কৰাৰ নিচিনাকৈ। বসন্ত আহে, বসন্ত যায়, কিন্তু ৰজিতাৰ জীৱন-যৌৱন প্ৰতি বসন্ততে আগবাঢ়ে মৰহি যাবলৈহে।

লাহে লাহে তাই বাহিৰো নোলোৱা হ'ল। দুৱাৰৰ কাষতে বহি ওপৰলৈ চাই কিবাকিবি ভাবি থাকে। গোসাঁইঘৰৰ পুখুৰীটোত চৰিবলৈ অহা হাঁহবোৰৰপৰা এগৰাঁল হাঁহ হ'ল। ৰজিতাৰ চিন্তাইহে একো ফল নধৰিলে। তেনেহ'লে তাই ইমানকৈনো কি ভাবে? তাই যদি কবি-প্ৰকৃতিৰ নাৰী হ'লহেঁতেন, তেনেহ'লে ৰচনাৰ ছন্দে ছন্দে হৃদয়ৰ মহা শোক উথলি পৰিলহেঁতেন।

যদু তাৰৈয়ে কয়, 'চ'ত-বহাগত কেতেকী চৰায়ে শিৰীষ গছত বহি কোনো অভাগিনী জীয়েকক বিনায়। মোৰ বোধেৰে, তাই আকাশলৈ চাই কেতেকীৰ পৰাই মাকৰ মৰম পাবলৈ বিচাৰে। টুনী চৰায়ে কিজানি এটি-দুটি ধান কঢ়িয়ায় পো-পোৱালিক এটোপ খুৱাবলৈ। ৰজিতাই কিজানি উকণীয়া মৰমৰ সঁহাৰি পাই আশাৰ হুমুনিয়াহ কাঢ়ে। গৃহত থাকিও তাই হ'ল বৈৰাগিণী। তাইৰ আপোন কোনো নাই। পৰক আপোন কৰিবলৈকো তাইৰ মনে নুকুলায়। কোনেও তাইক সহজভাৱে বুজিবলৈ চেষ্টা নকৰে, লক্ষ্যও নকৰে।'

আকাশৰ দৰে তাইৰ অসীম বেদনা। নীলা বেদনা। ভাবৰে তাকো ক'লা কৰে। ৰবৰুণৰ টোপালে উচুপি কান্দে।...

ইখৰে ফৰিংটোলৈকো কচুডাল মজিলে; কণালে কাণী, বেঙালে বেঙী। নৈৰ পাৰৰ বালিমাহীজনীয়েও লগতে লগৰী পাই মনৰ উলাহত উৰা মাৰি শীতল পানীত গা জুবুৰিয়াই দেহ চেঁচা কৰে। নৈৰ বুকুলৈ ৰবৰা নামে। ৰজিতাৰ দুকুল ওপচোৱা যৌৱনে ঠেকা-খুন্দা খায়।

লাহে লাহে কিন্তু অলপ পৰিবৰ্তনেও দেখা দিলে। নামঘৰত ভাওনা-সবাহ হ'লে তাইৰ বৰ উৎসাহ হয়। ভাওনাৰ আগতে ভোটাটো বা ৰবগছৰ চাকিৰ শলিতা দিহা কৰি দিয়ে ৰজিতাইহে। আৱিয়া তৈয়াৰ কৰা, সূত্ৰধাৰীৰ পাগটোৰ কাৰণে মিহি চাদৰ বৈ দিয়া, গোটেই নামঘৰটো চাফ-চিকুণকৈ মোচালৈকে সকলো কাম ৰজিতায়ে কৰে। মানুহেও বহুত দিনৰ মূৰত তাইক শ'লাগিবলৈ লয়। তাই তাতে অকণি শান্তি পায়। কিয়নো, মানুহে এজনক শ'লাগ লোৱাও ভাল নাইবা শত্ৰুতা কৰাও ভাল; কিন্তু এজনৰ প্ৰতি উদাসীন হোৱাৰ দৰে দ্বিতীয় শাস্তি দিয়াৰ উপায় নাই। ৰজিতাই তিনি বছৰে পৰৰ উদাসীনভাৱ শাস্তি ভোগ কৰি আহিছে। তাইৰ ভাব হৈছিল, তাই যেন সৃষ্টিৰ অদৰকাৰী জীৱ। অস্তিত্বও যেন আনৰ অননুমেয়। দুই-এজনৰ মুখত শ'লাগ শুনিয়েই তাইৰ এডিয়া অকণি প্ৰাণ নাচি উঠিল। তাই ভাবি পালে— তাই এনে কাম

কৰিব, যাৰ কাৰণে সকলোৰে শ'লাগৰ পাত্ৰী হ'ব, নতুবা এনে এটা আচৰিত পন্থা দেখুৱাব যাৰ কাৰণে তায়েই সকলোৰে আলোচনাৰ বিষয় হৈ পৰিব। নিজক পৰৰ উদাসীনতাৰ দৃষ্টিৰ পৰা ৰক্ষা কৰিব, জীয়াই থাকিব জীৱনৰ অস্তিত্বৰ দৰ্পেৰে।...

মকৰন্দ অধিকাৰৰ গুণৰ ভিতৰত মাথোন তেওঁ বংশৰ পৰা পোৱা স্বীকৃতিহে। 'গন্ধৰ্ব বিদ্যা' আৰু গুৰুকুলৰ ব্যক্তিত্ব নগণ্য। নাম-কীৰ্তন, খোল-তাল, গীত-মাত আদিৰ ভালকৈ চৰ্চা কৰিছে গুচৰৰ কলিতা মানুহখিনিয়েহে। সত্ৰত খুব ভালকৈ ভাওনা হয়। এইবোৰ কামত মানুহখিনি বৰ আগৰঢ়া। জালীৰপৰা শিলঘাটলৈকে সকলোৰে এই কথা জানে। তাৰে ভিতৰত বিপুনাথৰ পুতেক চন্দন আছিল বাৰখন গাঁৱৰ ভিতৰত নিপুণ ভাৱৰীয়া। সি ভাও দিয়াৰ খবৰ পালেই চৌপাশৰপৰা মানুহ ছিল-দল ভাঙি আহে। 'কেলি-গোপাল'ত কৃষ্ণ হৈ গোপিনীৰ মাজত ৰয়লাসে নাচিলে তাৰ প্ৰতি অংগত অনংগৰ জেউতি চৰে। 'পাৰিজাত হৰণ'ত ইন্দ্ৰ হৈ ওলালে এনে ভ্ৰমাই পৰে যে মানুহে খন্তেকলৈ ভুল কৰে সৰগৰপৰা ইন্দ্ৰ দেৱতাৰ আৱিৰ্ভাৱ হ'ল বুলি। 'কৰ্ণ পৰ্ব'ত কৰ্ণৰূপে ধনুত টংকাৰ দিলে তাৰ দেহৰ ৰোমে ৰোমে ৰাজপুৰুষ বীৰোচিত পৌৰুষ বিৰিঙি উঠে।

চন্দনৰ গোসাঁইঘৰলৈকে অহা-যোৱা খন। সকলোতে তাৰ অবাধ গতি। সকলোৰেই তাৰ শ'লাগ লয়। তাৰ সকলোকে আপোন কৰিব পৰা গুণ আছে। সি কথা ক'লে বজিতা গোসাঁনী যেন হাঁহি হাঁহি পমিহে যাব। তাৰেৰ সাক্ষাতত বজিতাই এদিন তাক কৈছিল, 'এইবাৰ 'অভিমন্যু বধ'ত তোমাৰ ধনুৰ তূণ ভালকৈ সাজিবা দেই। কাৰোবাক কৈ নিমাই চোলাটোত পটিভাল ভালকৈ সীয়াই লোৱাবা। সিবাৰৰ কিৰীটিটোতে এইবাৰ আৰু ধুনীয়াকৈ মণি খুৱাই লোৱাবা। বিপিন সোণাৰিক ক'লেই হ'ব।'

হাঁহিবলগীয়া বিশেষ কথা নথকাতো দুয়োৰো হাঁহিৰ বগৰ উঠিছিল। হাঁহিয়েও হেনো কথা ক'ব পাৰে, খুঁতবিয়েও হেনো মনৰ ইংগিত দিব পাৰে, তাৰেয়ে কয়।...

বহুতে হেনো জানিলেও। দুজন-এজন তল-খুচৰীয়া মানুহে অভিমত দিলে — এৰা, গোসাঁনী হ'ল বুলিতো সতী পাৰ্বতী নহয় যে মনত হৰক-ভৰক নাথাকিব! হস্তীৰো পিছলে পাও, সজ্জনৰো বুৰে নাও।...

'মই কি ভাবোঁ জান, সখমণি? ভাই চিৰদিন এনে শৰবিদ্ধ অৱস্থাত থকাতকৈ আপোনঘাতী হোৱা হ'লেই ভাল আছিল। বোলে — বহ্নিৰ সংযোগে যেন উথলিল ঘৃত। দুঃসহ মদন শৰে উথলিল চিত্ত।। বেচেৰীৰ কাৰণে মনটোত এতিয়াও দুখ লাগি থাকে। আত্মৰ আৰু বিত্তৰ কাৰণেই আমি মানুহবোৰ সময়ে সময়ে ইমান অসহায় হ'ব লাগে যে কেতিয়াবা নিজৰ কোনখিনিত লুকাই আছে বিচাৰি নাপাওঁ। পুৰুষ-প্ৰকৃতিৰ সমন্বয়তে যদি সৃষ্টিৰ যাদু, তেনেহ'লে সাধু পুৰুষৰ মুখত ইমানবোৰ বৰ বৰ কথা কিয়?' তাৰেয়ে কৈ যায়। মোৰ মাতিবলৈ একো নাথাকে।

মকৰন্দ গোসাঁয়ে এদিন মাট পঢ়ি আছিল। গীত এটি পদ পঢ়াৰ দৰে পঢ়ি

গৈছিল ঃ

ভৰি পাঙ্ক সাত চলিতে তনু তাপিত

হৰি বিনে দেখু অন্ধিয়াৰি।

প্ৰেমে পৰশি পুনু পৰয়...

এনেতে সাঁচিপতীয়া পুথিৰ বাকী দুটি শব্দ (ধৰণী লুটি) মোচ খোৱাত ওচৰত থকা খোৰাতেলৰ বাটিটোত আঙুলি তিয়াই আখৰ নেদেখা ঠাইত ঘঁহি ঘঁহি চকুৰে জুপি থাকোঁতেই কাৰৰ কোঠাত ফুচ্‌ফুচাই কোৱা শুনিলে, 'তুমি আৰু ইয়ালৈ আহিব পাৰানে নোৱাৰা ঠিক নাই। চাৰিওফালৰপৰা কাৰা নজৰ। মই তোমাক একোৱেই দিব নোৱাৰিলোঁ। আজি এই আঙঠিটোকে দিলোঁ। তেওঁ চিন থাকিব।'

ৰঞ্জিতা গোসাঁনীৰ মাত। চন্দনক যে কৈছে তাত কোনো সন্দেহ নাথাকিল।

মকৰন্দ খণ্ডত জ্বলি-পকি উঠিল। নাটখন জপাই থৈ মুখেৰে ভোৰ-ভোৰাই ইফালে-সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে। তেওঁ খণ্ডৰ মাত্ৰা দমাব নোৱাৰা হ'ল। সকু গৰাকী লাগী পৰিবাৰক মতাই আনি ক'লে, 'ইমান দিনে যে বোৱাৰীক আদৰ-যত্ন কৰি ৰাখিলোঁ, গাখীৰ খুৱাই সাপিনীহে পুহিলোঁ। তাই নোহোৱা-নোপজা ঘটনা কৰিব যেন পাইছোঁ। তাইক ভালকৈ লক্ষ্য কৰিবা। ময়ো দেওধনি হাটী-মতা আৰু দুজন পাঁচনিক কাণ চোৰাই থ'ম। মোহনকো ক'ম, ভায়েকে সত্ৰখন ভাতঘৰ বুলি ভাবি ভুল কৰিছে। তাক সাৱধান কৰি দিয়ক।'

এইবুলি কৈ তেওঁ কেৰাবাৰো ঘনাই ঘনাই উশাহ সলালে। চকুত প্ৰতিহিংসাৰ জুই। আকৌ ক'লে, 'হৰি, হৰি এইমাত্ৰ সিহঁতৰ মুখত যি কদৰ্য কথা শুনিলোঁ, তাৰ আগতে মোৰ কাণ দুখন কলা হোৱা হ'লে ভাল আছিল। ইয়াকে বোলে বেজৰ নাকত খৰে খোৱা।'

বিখ্যাত আতাৰ নাতি, নন্দ অধিকাৰৰ ভাতৃ মকৰন্দ অধিকাৰ বজ্ৰকৰ্কশ হৈ পৰিল। ৰঞ্জিতাক সজাৰ পখী কৰিলে। কিন্তু হিয়াৰ কম্পনে, বাসনাৰ শিখৰে শিখৰে, তেজৰ তৰংগে তৰংগে অনুভূত সত্যক বাধা দিবলৈ কাৰো সাধ্য নহ'ল। আৰম্ভ হ'ল নিশাৰ অভিসাৰ, জোনালী ৰাতিৰ সম্ভোগ। সধবাৰ সেন্দুৰৰ ফোঁটৰ দগ্‌মগ্ জেউতিও যেন মলিন পৰিল। এদিন কানুৰ মোহন বেণুৰ লয়ত ব্ৰজৰ গোপিনী পতি-পুত্ৰ তেজি বৃন্দাবনলৈ উধাও হৈছিল আৰু পিছত প্ৰেম-পাগলিনী হৈ কৈছিল ঃ

অব সখি কহ কহবে হামাৰ জীৱন-ধন

কোন পহে গেল মধাই।

মদন বিৰহ লাগি শৰীৰ দহয় ৰে

তিলেক নেদেখি জীউ যায়।

আৰু যমুনাৰ সোঁত উজাই বৈছিল।

চন্দন আৰু ৰঞ্জিতাক বাধা দিবলৈ গৈ মকৰন্দাই হাৰ মানিলে।

ভাৱেৰে এটি দীঘলীয়া নিশ্বাস এৰি ক'লে, 'ইমানতো তই ভাবনে যে তিৰোতা

পাপ-পংকত মজাৰ কাৰণেই সত্ৰৰ পিৰি উঠিল? সকলো অদৃষ্টৰ লিখন। কালৰ ছায়া-মায়া। কঠোৰ হাতেৰে মনেপতা মইবৰ আসনৰ গুৰি-খুঁঠা ধৰি জানো মকৰন্দই আপোন কুল ৰক্ষা কৰিব পাৰিলে? এজনী যুৱতীৰ কামনাৰ জুয়ে সকলোকে সামৰিলে। আগৰ ঋষি-মুনিসকলেও মানুহৰ হিয়াৰ সনাতন আকাংক্ষাক মূল্য দিছিল। এটা শ্লোকত কি আছে জান? আকুল হৈ নাৰীয়ে প্ৰেম নিবেদন কৰিলে তাত পাপ-পুণ্যৰ প্ৰশ্ন উঠিব নোৱাৰে।

কথাতে কয় বোলে সুখৰ ৰাতি সোনকালে পুৱায়, দুখৰ ৰাতি নাযায়-নুপুৱায়। সেই কাৰণেই তাহানিৰ গোপিনীৰ চন্দ্ৰাৱলী নিশা বৰ চুটি আছিল। শেষ ৰাতি আক্ষেপ কৰি গোপিনীয়ে বিনাইছিল :

আজু বৈৰিণী নিশি নিমিষে পোহাৱলি
হামাকু তেজল প্ৰাণনাথে।...

বজিতাই সঁচাকৈয়ে জীৱনৰ অস্তিত্বৰ দৰ্প দেখুৱালে। তাই কিজানি উপহাস কৰিলে মকৰন্দৰ অক্ষম চেষ্টাক, মানুহৰ সাৰশূন্য ভৰ্ৎসনাক, খোচনামীৰ কলংকক। তাইক লাগে জীয়া জীৱনৰ সুৰভি। বিচাৰি পালে। কিন্তু অতি কম দিনলৈ।...

এদিন গজপুৰীয়া আৰু গেড়াবৰড়িৰ মাজৰ সুৰুসুৰীয়া বাটটোত চন্দনৰ শটো পৰি থকা পোৱা গ'ল। ডিঙিটো মোচোকা খোৱা। পেট আৰু পিঠি উখহা। নিশ্চয় পেট আৰু পিঠিত দাৰুণ আঘাত পাইছিল। সেইদিনা সি ৰাতি ভাওনা চাই আহিছিল। তাৰ শটো এনে করুণ অৱস্থাত পৰি থকা দেখি সকলোৱে হায় হায় কৰিলে। কোনোৱে সন্দেহ কৰিলে দ'ত বা পিশাচে ঔ-ভুকোৱা দি মাৰিলে বুলি। অৱশ্যে খুব কমসংখ্যক মানুহে অভিমত দিলে মানুহেও যে মানুহক এনেকৈ মাৰিব পাৰে! অৱশ্যে দেখা সাক্ষী নথকা হত্যাৰ মূল কাৰণৰ পাৰ পোৱা নাযায়। সকলোৱে এটি কথাতহে আচৰিত লাগিল যে চন্দনৰো শত্ৰু থাকিব পাৰে — লাগে সেই শত্ৰু দ'তেই হওক বা নিষ্ঠুৰ মানুহেই হওক।

ভালেমানে কয় যে আন মৰিলেও বিধৱা সহজে নমৰে। নিষ্ঠুৰ পৃথিৱীত এহাতে কান্দি এহাতে ভাত খাবলৈকে দুখৰ ৰাতি সহজে নুপুৱায়। কিন্তু বজিতাহে সুখৰ দিনৰ পিছত দুখৰ ৰাতি কটাবলৈ বেছি দিন জীয়াই নাথাকিল। তাই আৰু ছমাহেই জীয়াই নাথাকিল।

কালৰ সোঁতত তৰাপুৰ সত্ৰৰ চিন-চাব নোহোৱা হ'ল। এতিয়া হ'ল এবাৰাৰী। তালৈ পোহনীয়া জন্তুৰেও যাবলৈ ভয় কৰে। কিন্তু সেই এবাৰাৰীৰ পূৰ্বৰ অধিবাসী সকলোৱেই কিজানি জীয়াই থকাৰ সম্ভোগখিনি বিচাৰি পাইছিল! বজিতাই কৌস্তুভমানৰ আতচ-বাজীৰ জিক্‌মিকনি দেখাত বাদে দুদিনীয়া পৃথিৱীলৈ আহিছিল চকুলো টুকিবলৈ।...

সকলোখিনি কথা কোৱাৰ পিছত তাইয়ে মোৰ কাণলৈ মুখখন চপাই খুব সৰু সৰুকৈ ক'লে, 'এজনী তিৰোতাৰ আশা-আকাংক্ষাক পুলিতে মোচোকা মাৰি খোৱা

কাৰণে এই সত্ৰৰ নিষ্ঠুৰ ব্যৱস্থাক ভৱিষ্যতৰ কোনো মানুহে ক্ষমাৰ চকুৰে নাচাব।'

গল-হেকাৰি এটা মাৰি নাকটো আৰু মুখখন মচি এইবাৰ আকৌ ডাঙৰ ডাঙৰকৈ ক'লে, 'ভালেমানে এবাবাৰীৰ কাষেদি যাওঁতে খোল-তাল আৰু ডবা-কাঁহৰ মাত শুনে। সকমণি সেয়া কি জান? বজিতাৰ আত্মাৰ হাঁহাঁকাৰ। অলপতে মই সেইফালেদি যাওঁতে বজিতাৰ হুমুনিয়াহটোহে শুনিলোঁ। তপত হুমুনিয়াহটো মোৰ গাৰ ওপৰেদি বাগৰি যোৱা যেন লাগিল আৰু লগে লগে কোৱা শুনিলোঁ — উস্ ৰাম, আৰুনো কিমান দিন বাকী?'

তাৰবৈলৈ লক্ষ্য কৰোঁ, ইতিমধ্যে তেওঁৰ চকু চলচলীয়া হৈ পৰিছে।

নিৰুপমা বৰগোহাঞি

নালন্দা বিশ্ববিদ্যালয়ৰ ছাত্ৰ

নালন্দা বিশ্ববিদ্যালয়ৰ ছাত্ৰ

কাম কৰা ল'বাৰ ক্ষেত্ৰত ৰকবা দম্পতীয়ে শেষত চৌধুৰী দম্পতীৰ পৰামৰ্শকে সাব্যস্ত কৰিলে। "চিৰস্থায়ীভাৱে নহ'লেও আধা চিৰস্থায়ী ধৰণেৰে ল'ৰা ৰাখিব খুজিলে আমাৰ বুদ্ধিকে কৰক। পঢ়ুৱাকে ৰাখক। পঢ়াৰ বাবে আগ্ৰহী, কেৰিয়াৰ কৰিব খোজা ল'ৰা বিচাৰ-খোচাৰ কৰক। আজিকালি পিয়নৰ চাকৰি এটাৰ বাবেও মেট্ৰিক পাছ কৰিব লাগে বুলি সকলোৱে জনা হৈছে। গতিকে তেনে উচ্চাকাংক্ষী দুখীয়া ল'ৰা আনি লওক আৰু নাইট স্কুলত নাম লগাই দিয়ক। অৱশ্যে অলপ অসুবিধা হ'ব, গধূলিহে আলহী-অতিথি বেছি আহে। কিন্তু টিকি থকা চাকৰ বিচাৰিলে সেইখিনি অসুবিধা ভোগ কৰিবই লাগিব। এনেকৈ ৰখা ল'ৰাৰ ক্ষেত্ৰত অৱশ্যে সুবিধাও আছে। পঢ়ুৱা ল'ৰাক দৰমহাও দিব নালাগে, কিতাপ-পত্ৰ, ফিজ আদিৰ খৰচ আছে নহয় — সেইবোৰত খৰচ কৰি দৰমহা আৰু ক'ৰপৰা দিয়ে কওক। তদুপৰি দিনটোৰ পুৰা কামোতো কৰি নিদিয়ে, আবেলিৰ পৰা ৰাতিলৈকেতো তাৰ হাৰ্জিচ 'নিল' — সকলো মিলি দৰমহা পোৱাৰ আশা নকৰে। পিছে আপুনিও জানে ময়ো জানো — সেইখিনি সময়ৰ অনুপস্থিতিৰ বাবে খুব এটা অসুবিধা নহয়, দৰমহা যে দিব নালাগে তাতেই ম'ৰ্ দেন্ কমপেনছেট্ হৈ যায়। ফ্ৰিজতো আছেই, আগবেলাতে তাৰ হতুৱাই দুবেলাৰ খানা বনাই ৰাখক, বচ্, চাকৰ ৰাতি পঢ়িবলৈকে যাওক বা মৰিবলৈকে যাওক—আপোনাৰ তাত কি; মজা মাৰি টি,ভি চাই থাওক, বন্ধু-বান্ধৱৰ লগত আড্ডা মাৰক, ফুৰিবলৈ যাওক — সংসাৰৰ কোনো লেঠা নাই, ৰাতি আঠটা-চাৰে আঠটাত আহি আপোনাৰ নৈশ স্কুলৰ ছাত্ৰই গৰম গৰম ভাতকেইটা বনাই দিব.....।"

কথাচহকী শ্ৰীমতী চৌধুৰীয়ে পৰামৰ্শটো বিবৃত কৰিছিল আৰু শ্ৰীমতী ৰকবাক নতুন আশাৰে উদ্দীপিত কৰি তুলিছিল। কাম কৰা ল'ৰাইনো কমনো ভোগাইছেনে তেওঁক, আহে আৰু যায়, যায় আৰু আহে। বেছি দীৰ্ঘদিন থকা ল'ৰা-ছোৱালী টিকিব বুলি ধাৰণা হ'বলৈ ধৰোঁতেই সি বা তায়ো গুচি যায়। অৱশ্যে মুন ডাঙৰ হৈ অহাৰ পিছৰে পৰা তেওঁ ছোৱালী ৰাখিব খোজা নাই। 'সন্ধ্যাৰাগ' চিনেমাখন চোৱাৰ পিছৰে

পৰা তেওঁৰ মনত ভয় এটাই দকৈ শিপাইছে। গতিকে এতিয়া কেৱল কাম কৰা ল'ৰাৰে সন্ধান চলে। বৰুৱা উকিল মানুহ, সাধাৰণতে গাঁৱৰ মক্কেলৰ জৰিয়তে ল'ৰাৰ আমদানি হয়; মক্কেলৰ শেষ নাই বাবে ল'ৰাৰ যোগানো অব্যাহত থাকে। পিছে হ'লে কি হ'ব, সিহঁতৰ অৱস্থিতি ইমান যে ক্ষণস্থায়ী!

এইবাৰ পিছে চৌধুৰীৰ দম্পতীৰ বুদ্ধিয়ে ভাল কাম দিলে। মক্কেলেও আনন্দ মনেৰে তেনে পদুৰৈ ল'ৰা আনি দিলে, "ছাৰ, গাঁৱত মাটিহীন মানুহ বাঢ়ি গৈ আছে, গতিকে সিহঁতৰ ল'ৰাৰ বাবে খেতি কৰাৰ মাটি নাই, থকাবোৰেও আজিকালি খেতি কৰিব নোখোজে, পঢ়ি-শুনি সকলো বাবু হ'ব খোজে, চহৰত চাকৰি কৰি থকাৰ সপোন দেখে। গতিকে আজিৰ দিনত ছাৰ, গাঁৱলৈ উভতি যোৱাৰ শ্লোগান একেবাৰে মিছা হৈ গ'ল, বৰং চহৰলৈ গতি কৰোঁ আহা শ্লোগানহে এতিয়া বেছি বাস্তৱ হ'ব— আন নালাগে আমাৰ গাঁৱৰে কম কেইজন চহৰলৈ গুচি আহিছেনে। অৱশ্যে নাহিলেও উপায় নাই, মাটিহীন মানুহখিনিৰ খেতিৰ সলনি অন্য জীৱিকাৰ সন্ধান নকৰি কৰে কি। চহৰত অন্ততঃ সৰু-সুৰা নানান চাকৰি আছে।" ...শ্ৰীমতী চৌধুৰীৰ দৰেই মক্কেলজনো একে কথাচহকী।

সি যি কি নহওক, তেওঁ আনি দিয়া হৰেশ্বৰ নামৰ ল'ৰাজনক বৰুৱাহঁতৰ ঘৰখনে লগুৱা ৰখাৰ প্ৰথম পৰ্বৰ নিয়মমতে সাক্ষাৎকাৰ গ্ৰহণ কৰিলে (একমাত্ৰ লগুৱাৰ ক্ষেত্ৰতে বোধহয় এই চিৰাচৰিত নিয়মটোৰ ব্যতিক্ৰম যে প্ৰথমতে সাক্ষাৎকাৰ লৈ পিছত হে নিযুক্তি দিয়া হয় । এই বৈশিষ্ট্য আৱিষ্কৃত হৈছিল, বৰুৱাহঁতৰ ঘৰতে, বৰুৱাৰ জীয়েক পিংকিয়ে কৈছিল, "দেউতা, এইটোতো মজাৰ কথা যে ছাৰভেন্টক আমি প্ৰথমতে এপইন্টমেন্ট্ দিওঁ, তাৰ পিছতহে ইণ্টাৰভিউ লওঁ। অইন চাকৰিৰ ক্ষেত্ৰটো এই নিয়ম থকা হ'লে আমাৰ খুলাই বেভিঅ'ৰ চাকৰিটো পাই গ'লহেঁতেন নহয়!") আৰু সদায় চলি অহা নিয়ম মতে পিংকিয়েই আগ-ভাগ ল'লে (সদায় মানে পিংকি ডাঙৰ হৈ স্কুলৰ ভাবাত চৰ্দাৰ হৈ উঠাৰ পিছত) :

"তোৰ ঘৰত আৰু কোন কোন আছে?"

"মাই আৰু সৰু ভনী এজনী আছে। "

"আগতে আৰু কাৰোবাৰ ঘৰত আছিলি নেকি?"

"নাই থকা দিয়ক। স্কুলত পঢ়ি আছিলোঁভো। লোকৰ ঘৰত কেনেকৈ থাকিম?"

"কোনে পঢ়ুৱাইছিল তোক? মাৰে?"

"মায়ে কেনেকৈ পঢ়ুৱাব, বাইদেউ? মই কাঠ কাটি আনি নিজেই নিজৰ পঢ়াৰ খৰচ উলিয়াইছিলোঁ। অৱশ্যে মায়েও লোকৰ ঘৰত ধান বোৱে আৰু জাল বয়, সময় পালে এড়ী সূতাও কাটে।"

"কি জাল?"

"মাছ মৰা জাল, বাইদেউ।"

"সৰু ভনীয়েৰে কি কৰে?"

"চন্দ্ৰ বৰ সৰু , তাইনো আৰু কি কৰিব।"

"তোৰ ভনীয়েৰৰ নাম চন্দ্ৰ অৰ্থাৎ মুন? হাঃ হাঃ হাঃ—পিছে বি দেখা গ'ল, তহঁতৰ ইন্‌কামৰ ছ'ৰ্চ দেখোন বহুতো। তথাপি আমাৰ ঘৰত থাকি পঢ়িবলৈ আহিছ কিয়? নে চহৰীয়া স্কুলত পঢ়াৰ মন?"

"সেইটো নহয় বাইদেউ। আমাৰ নচলে বাৰেহে লোকৰ ঘৰত থাকিবলৈ আহিছোঁ।"

এইবাৰ 'ইন্টাৰভিউ বৰ্ডৰ' আন এজন আটাইতকৈ কম গুৰুত্ব থকা লোকে মাত লগালে। পিংকিৰ পিতৃ।

"তোৰ ইংৰাজী শব্দ দুটা সি বুজি নাপালে অ' পিংকি। মই সোধো ৰ। ঐ বাপু, মাৰ-পুতেৰে ইমান অৰ্জাৰ পাছতো তহঁতক নাটেনে?"

"দেউতা, কামহে বহুত কৰোঁ, পইচা হ'লে বৰ কম পাওঁ। গাঁৱত আমি শুনো যে চহৰৰ চাকৰিত বাবুসকলে বহুত পইচা পায়, কামো কম কৰিব লাগে। গাঁৱত কিন্তু হাড়ভঙা খাটনিৰ পিছতো যি পইচা পোৱা যায় তাৰে খাবলৈকে নোজোৰে। "

"ইয়াৰতো বৰ কথা দেউতা। (আকৌ পিংকি) ঐ, চহৰৰ মানুহে কত টকা স্পেণ্ড কৰি এডুকেশ্যন লয়, তাৰ পিছতে চাকৰিত টকা মিলে। তহঁতবোৰে কোনো ইনভেষ্ট্ নকৰাকৈয়ে বেছি ইন্‌কামৰ আশা কৰনে? বাৰু তোৰ কিমান বয়স হৈছে?"

"ঠিক নেজানো বাইদেউ, হ'ব তেৰ-চৈধ্য বছৰ। মাই হিচাব কৰি কৈছে, আমাৰ দেশৰ লগত এবাৰ পাকিস্তানৰ যুদ্ধ লাগিছিল বোলে, তেতিয়া বহুতো বঙালী মানুহ সেই দেশৰ পৰা পলাই আহিছিল, আমাৰ ঘৰোৰ ফালেও তেনে মানুহ বহুত আহিছিল, সেই সময়তে বোলে মোৰ জন্ম।"

"অ' বাংলাদেশৰ মুক্তি-যুদ্ধ। তাৰমানে তোৰ বয়স সঁচায়ে তেৰ বছৰ হ'ল। তাৰমানে তহঁতৰ পিনে বহুত বাংলাদেশী আছে নহয়?" (আকৌ গুৰুত্বহীন সদস্যজনৰ প্ৰশ্ন, য'ত প্ৰধান সদস্যাগৰাকীয়ে কোনো গুৰুত্বকে নিদি অসমৰ বাবেই অতি 'গুৰুত্বপূৰ্ণ' প্ৰশ্ন এটাৰ উত্তৰ অহাৰ আগতেই নিজৰ মন্তব্য ৰাখিলে)

"তোৰ তেৰ বছৰ হৈছে? তই তেন্তে আমাৰ মুনতকৈও ডাঙৰ, অথচ দেখাত এনে ডোৱাৰ্ফ হৈ আছ!"

এইবাৰ হৰেশ্বৰে 'ডোৱাৰ্ফ' শব্দৰ অৰ্থ অনুমানতে বুজি লৈ উত্তৰ দিলে, "বাইদেউ, সৰুৰে পৰা কাঠ কাটিছোঁ আৰু চাৰি-পাঁচ মাইল দূৰৰ পৰা কান্ধত বোজা বৈ আনি বজাৰত বেচিছোঁ। তেনেকৈ কাঠে হেঁচা মাৰি ধৰাৰ বাবেই আৰু ওখ হ'ব নোৱাৰিলোঁ নিশ্চয়।"

পিংকিয়ে উচ্চস্বৰে হাঁহি দিলে। "হাউ ফানি! ইমানদিনে হৰমোনৰ ছিক্ৰেছনহে

মানুহক ওখ-চাপৰ কৰে বুলি শুনি আহিছিলোঁ, আজি ফৰ দ্যা ফাৰ্ষ্ট টাইম এটা এক্সপ্লানেশ্যন শুনিলোঁ। বাৰু হৰেশ্বৰ।" (ইতিমধ্যে 'ইন্টাৰভিউ বৰ্ড'ৰ আন এগৰাকী অতিশয় গুৰুত্বপূৰ্ণ সদস্যা এবাৰ নোবাবা কামত বন্দী হৈ থকাৰ পিছত এতিয়া আজৰি হৈ খৰধৰকৈ আহি সাক্ষাৎকাৰত ভাগ ল'লে আৰু পিংকিৰ কথাৰ ওপৰতে মাত লগাই কৈ উঠিল) "ঐ পিংকি, হৰেশ্বৰ নামটো বৰ দীঘল, তাক আমি হৰি বুলিয়েই মাতিম দেই। কি যে আচৰিত, ঘৰতো বোলে তাৰ নাম হৰেশ্বৰেই —"

"অঁ, হ'ব বাৰু মা। ঐ হৰি, (পিতৃ-মাতৃদত্ত নামটো নাকচ কৰি লগে লগেই হৰেশ্বৰৰ নতুন নামকৰণ হৈ গ'ল) তই সৰুৰে পৰা কৰি অহা কামটো কিয় বাদ দিলি? কাঠ বেচি পইছা বেছি নেপাৱ বাবে?"

"পইছা বেছি নেপালেও কোনোমতে চলি গৈছিল বাইদেউ, পুবাৰ পোহৰ নহওঁতেই চাৰি-পাঁচ মাইল দূৰৈৰ হাবিলৈ গুচি যাওঁ আৰু কাঠ কাটো, তাৰপৰা আহি পাওঁমানে স্কুললৈ যাবৰে সময় হয়। লৰালৰিকৈ নৈত জোবোৰাটো মাৰি আহি মায়ে বান্ধি থোৱা ভাতকেইটা নাকে-কাণে সুমুৱাই স্কুললৈ দৌৰ মাৰোঁ। কিন্তু কিছুদিনৰ পৰা ফৰেষ্টগাৰ্ডবোৰৰ বৰ উৎপাত হৈছে, বাইদেউ। সিহঁতৰ হাতত ধৰা পৰিলে এনেকৈ যে কোবায়, আমাৰ লগৰ পবীনৰতো মাৰ খাই ভৰি এখন খোৰাই হৈ থাকিল। ৰমাকা'ক আকৌ বান্ধি নি বীট অফিচত গোটেই দিনটো পঘাৰে বান্ধি থ'লে, খাবলৈ পানী আৰু ঘাঁহ দিলে। গাৰ্ডে ক'লে বোলে ৰমা, তই গৰুৰ দৰে কাম কৰিছ বাবে গৰুৰ দৰে ঘাঁহ খা। গছ-গছনি কাটিলে আমাৰ দেশখন সমূলঞ্চে ধ্বংস হৈ যাব বুলি চৰকাৰে কৈ থকা কথাবোৰ মগজত নোসোমায়নে, গৰু? খালি, খালি, তহঁতৰ দৰে বুদ্ধিহীন গৰুবোৰেই আমাৰ দেশখন খাই পেলালি — এইবোৰ দেখি-শুনি মোৰ ভয় লাগিল বাইদেউ, মোকো যদি কেতিয়াবা ফৰেষ্ট গাৰ্ডে ধৰি কোবাই আধামৰা কৰে? মাইজনীৰো চিন্তাত পাৰ নোহোৱা হ'ল। সেইকাৰণেই আমাৰ গাঁৱৰ বাভাকাই (বৰুৱাৰ পূৰ্বোল্লেখিত মক্কেল) আপোনালোকৰ ঘৰৰ কথা কওঁতে মই গুচি আহিলোঁ। পিছে বাইদেউ, আমাৰ দৰে সৰু-সুৰা খৰি চোৰবোৰকহে ধৰে, বৰ বৰ চোৰবোৰ কিন্তু সাৰি যায়। কত ঠিকাদাৰ আহি ট্ৰাকে ট্ৰাকে শাল, গমিৰি, চেগুনৰ দৰে ডাঙৰ ডাঙৰ গছ কাটি চোৰাংভাৱে লৈ যায়, সিহঁতক কিন্তু কোনো ফৰেষ্ট গাৰ্ডে নধৰে। ফৰেষ্ট গাৰ্ড কি, বৰ বৰ বন-বিষয়াবোৰেই সিহঁতৰ আগত দেখিও নেদেখা দিনকণা হৈ বয়। গাল গাল টকা খাই — "

হৰেশ্বৰৰ কথাৰ মাজতে বৰ গৰাকী সদস্যাই গৰ্জন কৰি উঠে, "হ কটীয়াৰ দেখোন বৰ বৰ কথা, দেখাতহে ল'ৰাটো সৰু, বৰ চালাক ল'ৰা দেই, পেটে পেটে বৰ বুদ্ধি, আমাক কাম কৰি খোৱাৰ নে কি কৰি খুৱাব ভগৱানেহে জানে। ঐ কটীয়া, তই পিছে আমাৰ ইয়াত পঢ়ি-শুনি পণ্ডিত হ'লেই নচলিব, কাম-বনো কৰিব লাগিব।"

সৰু গৰাকী সদস্যা এইবাৰ হাঁহিত বাগৰি পৰিল — "মায়ে যে ইমান এপ্ৰপ্ৰিয়েট নামটো দিলা। কটীয়া! ডোবাৰ্ক! মই হ'লে ইয়াক হৰি নুবুলি কটীয়া

নামেৰেহে মাতিম।"

ইয়াৰ পিছত ইণ্টাৰভিউ ব'ৰ্ডৰ বয়সত আটাইতকৈ ডাঙৰ আৰু মানত আটাইতকৈ সৰু সদস্য গৰাকী অইন এক হুবিকে স্বৰি তাকপৰা আঁতৰি গৈছিল চুচুক্-চামাক্‌কৈ। সঁচাই, মাক-দীয়েকৰ প্ৰতাপত এই নতুন ল'ৰাটোও কিমান দিন তিষ্ঠে এক হুবিয়েহে জানে। পিছে হৰেশ্বৰ বৰুৱাইতৰ ঘৰত টিকেই তিষ্ঠি গৈছিল। সময়ত তাক নৈশ-স্কুলত ভৰ্ত্তি কৰি দিয়া হ'ল আৰু কৰেষ্ট গাৰ্ডৰ শাস্তি, অত্যন্তৰ নানা বিভীষিকা আৰু গছ কটা আৰু তাক বোজা বৈ অনাৰ অমানুষিক কষ্টৰ পৰা হাত সাৰিও পঢ়িবলৈ পোৱাৰ আনন্দতে ল'ৰাটোৱে মনৰ উৎসাহতে দিনৰ দিনটো টগ্‌বগাই কাম কৰি বৰুৱানীক বেছ সন্তুষ্টই কৰি তুলিলে। ৰাতিৰ ক্লাছবোৰ দিনৰ স্কুলৰ ক্লাছবোৰতকৈ চুটি, তদুপৰি প্ৰায়ে ইজন-সিজন শিক্ষক-শিক্ষয়িত্ৰী অনুপস্থিত থাকে বাবে দিনৰ স্কুলতকৈ ৰাতিৰ স্কুলত ছুটী বেছি হয়, তদুপৰি মাজে-সময়ে লাইট নুমোৱাৰ নিয়মটো আছেই। তেতিয়াও ছুটী হৈ যায়। ইফালে সি স্কুললৈ যোৱাৰ আগতে বেছি সংখ্যক আলহী-দুলহী আহিলে বৰুৱানীয়ে তাক সেইদিনালৈ স্কুললৈ যাবলৈ নিদিয়ে। মুঠৰ ওপৰত চৌধুৰী দম্পতীয়ে কোৱাৰ দৰেই স্কুলত পঢ়া ল'ৰা ৰাখিও বৰুৱাৰ সাংসাৰিক কামত সিমান বিঘিনি নঘটিল।

মুন হৰেশ্বৰতকৈ সৰু যদিও সি ওপৰৰ ক্লাছত পঢ়ে। ডনবস্কো স্কুলৰ ক্লাছ ছেভেনৰ ছাত্ৰ মুনৰ নৈশ-স্কুলৰ পঞ্চমমানৰ ছাত্ৰ হৰেশ্বৰৰ স্কুল, পঢ়া-শুনা, ক্লাছৰ ল'ৰা, শিক্ষক-শিক্ষয়িত্ৰী আদিৰ বিষয়ে বৰ কৌতূহল। সময় পালে সি পেঘেনিয়াই পেঘেনিয়াই নানা কথা সুধি থাকে।

"তাৰ মানে তইঁতৰ ল'ৰাবোৰ বৰ দুষ্ট?"

"অ, বৰ দুষ্ট মুন, ছাৰহঁত ক্লাছত সোমালে তেওঁ যেন তেন, কিন্তু বাইদেউহঁত ক্লাছত সোমালে সিহঁত থিয় নহয়। মই থিয় হওঁতে মোক কত ঠাট্টা — গাঁৱলীয়া ভূত, গাধা কত কি কয়। বাইদেউহঁতে ধমক দিলে ভয়েই নকৰে। আৰু আমাৰ যে চৌধুৰী বাইদেউ, ভূগোল পঢ়ায়, কিন্তু নামতহে, বেছিভাগ আমাক চিনেমাৰ কথাকে কয়—"

"চিনেমাৰ কথা কয়? কি চিনেমাৰ কথা কয়?"

"বাইদেৱে ৰবিবাৰে কি চিনেমা চালে, আমি কোনোবাই কিবা চালোঁনে, কাৰ ঘৰত টি,ভি আছে, আমি টি,ভি চোৱাৰ সময় পাওঁনে বা আমাক গৃহস্থই টি,ভি চাবলৈ দিয়েনে — এনে নানা কথা।"

"মাই গড্! তইঁতৰ এনে টিচাৰ! ল'ৰাবোৰে বোধহয় খুব ভালপায়?"

"নাপাবনে? সিহঁতে ফুৰ্ত্তিত কিৰিলি মাৰি থাকে, বাইদেউক তেওঁ ৰবিবাৰে চোৱা চিনেমাখনৰ গল্প ক'বলৈ কয়। "

"বাইদেউৱাই কয়নে?"

"অ, কেতিয়াবা কেতিয়াবা কয়।"

ইয়াৰ পিছত হৰেশ্বৰে খিক্‌কৈ হাঁহি দিছিল।

"কি হ'ল? হাঁহিলি কিয়?"

"আমাৰ ইংৰাজী বাইদেৱে ভালকৈ ইংৰাজী নাজানে, মুন। সিদিনা আমাক টেনেপ্লেচন কৰিব দিছিল। মোক আটাইবোৰতে শুদ্ধ চিন দি চহী কৰিছিল। পিছত ঘৰলৈ আহি আমাৰ পিংকি বাইদেউক ফূৰ্তিত ক'লোঁ বোলে আজি মই টেনেপ্লেচনত পূৰা নম্বৰ পাইছোঁ। পিছে বাইদেৱে চাই বহুত ভুল উলিয়ালে আৰু ক'লে বোলে তইঁতৰ মাষ্টৰণী এজনী গৰু।" মুন আৰু হৰেশ্বৰে সমস্বৰে উচ্চ হাস্য কৰিলে। তাৰ পিছত হৰেশ্বৰ গহীন হ'ল।

"আমাৰ স্কুললৈ চোকা মাষ্টৰ-মাষ্টৰণীনো কিয় আহিব, মুন। খুব কম পইছা দিয়ে বোলে। চৌধুৰী বাইদেৱে এদিন কৈছিল যে দৰমহা পইছাকেইটা তেওঁৰ চিনেমা চাওঁতে আৰু কাপোৰ কিনোতেই বোলে খৰচ হয়—ইমানেই কম পইছা দিয়ে। পিছে আমাৰ অংকৰ ছাৰজন বৰ চোকা, বৰ ভালকৈ পঢ়ুৱায়। তেওঁ বোলে দিনতো ক'ৰবাত চাকৰি কৰে, তথাপিও ভাগৰ-তাগৰ নাই, বেল বজাৰ পিছতো কেতিয়াবা পঢ়ুৱাই থাকে। তেওঁ আমাৰ শেষৰ ক্লাছটো লয়, সেইবাবেহে মাজে মাজে ঘৰলৈ আহোঁতে মোৰ পলম হয়। তোমাৰ মাই কিন্তু কয় মই ক'ৰবাত ল'ৰাৰ লগত আড্ডা মাৰি থাকোঁ।"

"মাৰ কথা বাদ দে। ঐ হৰি তইঁতৰ ল'ৰাবোৰে আৰু কি কি দুষ্টামি কৰে কচোন?"

"বিড়ি-চিগাৰেট খায়, কোনোবাই কোনোবাই বোলে মদো খায়—"

"পইছা ক'ত পায়? নিশ্চয় মালিকৰ বজাৰৰ পইছা চুৰ কৰে?"

"অতো। আমাৰ লগৰ পৰমা বোলাটোৱেতো তাকে লৈ জহায়ে থাকে বোলে আজি চেনি চাৰিশ গ্ৰাম নি পাঁচশৰ হিচাব দিলোঁ, ভেন্দিৰ আজি দাম বাঢ়িছে বুলি আকৌ কেইটামান পইছা সৰকালোঁ, এদিন বা পকেটৰ পৰা কোনোবাই দহ টকা চুৰি কৰা বুলিয়ে ক'লোঁ—গালি অলপ খালোঁ হয় কিন্তু পইছাখিনিওটো হজম কৰিলোঁ।"

"এই চোৰবোৰে স্কুলত কি পঢ়িবলৈ যায়? এই পৰমা বোলাটো বাৰু কাৰ ঘৰত থাকে? গৃহস্থক তাৰ কথা লগাই থৈ আহিলোঁগেহেঁতেন।"

"কাৰ ঘৰত থাকে মই নাজানো। পিছে কেইজন গৃহস্থক ক'বাগৈ? প্ৰায় সকলোৰে ঘৰত চোৰ পুহি ৰখাৰ দৰে হৈছে।"

"তই নিজেই আজিলৈ কিমান চুৰ কৰিলি?"

"চোৰ কৰিবলৈ মই বজাৰ কৰোঁ নেকি?" হৰেশ্বৰৰ সপ্ৰতিভ উত্তৰ।

"বিড়ি-চিড়ি খাবলৈ ক'ত পইছা পাৱ?"

"মই ক'ত বিড়ি খোৱা দেখিলা? কিবা প্ৰমাণ দিব পাৰিবানে?" ঘৰখনৰ ভিতৰত মুনক আৰু বৰবাকে হৰেশ্বৰে ভয় নকৰে, গতিকে এই অভিযোগত সি মুনক চকু পকাই ধৰিলে।

কিন্তু মুনে তাক তাচ্ছিল্যৰ সুৰত কেৱল কৈ থ'লে, "যা যা বিড়ি নেখাব, এনে গান্ধী মহাত্মাটো ওলাইছ। যিডাল স্কুলত যি সোপা ক্ৰাছফ্ৰেণ্ডৰ লগত পঢ় তাৰ পিছত আৰু কোনোবাই সাধু হৈ থাকে।"

মুনে তুচ্ছ-তাচ্ছিল্য কৰিলেও হৰেশ্বৰে ঘৰখনৰ ভিতৰত মুনকে ভাল পায় আৰু মন খুলি কথা পাতে। মুনে তাক মাজে মাজে চুইংগাম আৰু কেডবেৰী চকলেটো খাবলৈ দিয়ে। মুনে পিংকিৰ দৰেই ইংৰাজীতে পঢ়া-শুনা কৰিলেও পিংকিৰ দৰে ইংৰাজী শব্দবোৰ লগাই কথা নাপাতে বাবেও হৰেশ্বৰৰ সুবিধা হয়। মুনেও বোধহয় তাৰ লগত কথা পাতি খুব ভাল পায় — অন্ততঃ হৰেশ্বৰৰ সেইটোৱে ধাৰণা — কাৰণ সময়-সুযোগ পালেই সি আহি হৰেশ্বৰৰ লগত কথা পাতে। মুনৰ অৱশ্যে তাৰ নৈশ-স্কুলখনৰ বিষয়েই কথা পাতি বেছি ভাল লাগে যেন অনুমান হয়, বিশেষকৈ ল'ৰাবোৰৰ বিষয়ে।

"তহঁতৰ ল'ৰাবোৰে বাৰু অসভ্য কথা পাতেনে?"

হৰেশ্বৰে জিভা কামুৰি দিছিল, "ছিঃ ছিঃ, আমাৰ ল'ৰাবোৰ বৰ অসভ্য, বৰ বেয়া কথা পাতে, শুনিলে মোৰ লাজত কাণ-মুখ ৰঙা হৈ যায় — ছিঃ ছিঃ —"

"কি অসভ্য কথা কচোন?"

"ইচ্ মই তোমাৰ আগত সেইবোৰ কথা কোনোমতেই ক'ব নোৱাৰোঁ দেই, বৰ অসভ্য কথা, বৰ লেতেৰা কথা —"

"ক না হৰি"

"ওহোঁ হো, কোনোমতেই ক'ব নোৱাৰি, মুন, জঘন্য কথা সেইবোৰ —"

"ঐ হৰেশ্বৰ, মই তোক পূৰা একপেকেট চুইংগাম দিম, ক না সিহঁতে কি কথা পাতে —"

হৰেশ্বৰক সেইদিনা উদ্ধাৰ কৰিলে সি বাঘৰ দৰে ভয় কৰা থুনে; কনবাইতৰ বৰপুত্ৰ থুন, যি ৰেডিঅ'ৰ চাকৰিটো নেপালে, যি কামকৰা ছোৱালীৰ প্ৰতি যৌন আকৰ্ষণ অনুভৱ কৰিব বুলি 'সন্ধ্যাবাগ' চাই ভয় কৰি কনবানীয়ে বহুত দিনৰে পৰা কামকৰা ছোৱালী নৰখা হৈছে। ঘৰত বেছি সময় নাথাকে থুন, কাৰো লগত বেছি কথা নকয়, হৰেশ্বৰক প্ৰয়োজন নহ'লে একেবাৰেই নামাতে, খঙো কৰি পোৱা নাই, তথাপি তাক বাঘৰ দৰেই ভয় কৰে সি। সেই কথাবাৰ সি মুনকো কৈছে। "বুজিছা মুন, আমিতো সকলে পৰাই হাবিত সোমাই খৰি লুৰিছোঁ, আমাৰ সেইফালে উকিয়াম, কুলহী, হাঁহিমত কম জঙ্ঘলনে, কম বাঘ-ভালুক ওলায়নে, দুই-এটাক বাঘে ধৰিছেও, আমিও বাঘ-ভালুকক ভয় কৰি কৰিয়ে হাবিত সোমাওঁ — কিন্তু থুনদাদাক মোৰ সেই বাঘ-চাঘবোৰতকৈও বেছি ভয় লাগে, কিয় ক'বই নোৱাৰোঁ। তোমাৰ মায়েতো মোক দিন-ৰাতি খং কৰি থাকে; তেওঁকতো ইমান ভয় নালাগে — "

থুন ক'ৰবাৰ পৰা আহি পাইছিল, হৰেশ্বৰ আৰু মুনক কথা পাতি থকা দেখি গহীনাই ক'লে,"কি মেল মাৰিছ অ' দুয়ো?"

মুনে লবালবিকৈ ক'লে, "ইহঁতৰ স্কুলৰ ল'ৰাবোৰ যে বৰ দুষ্ট, টিচাৰক ৰেস্পেক্ট নকৰে, পঢ়া-শুনালৈ মন-কাণ নাই, টিচাৰে পঢ়ুৱা লেছন মন দি নুশুনে সেইবোৰ কথাই হৰেশ্বৰে কৈ আছিল।"

"অ', সিহঁত তেনেকুৱা হ'বইটো, সিহঁতৰখন যে নালন্দা বিশ্ববিদ্যালয়।"

পিংকি যে কেতিয়া আহি তাত থিয় হৈছিল হৰেশ্বৰে গমেই ধৰিব পৰা নাছিল। তাই হো-হোৱাই হাঁহি দিয়াতহে সি সচকিত হ'ল।

মন্তব্যটো দি থুন আৰু তাত ৰোৱা নাছিল, ঘৰৰ ভিতৰলৈ সোমাই গৈছিল। পিংকিয়ে মুনক ক'লে, "থুনদাই ইহঁতৰ বাতিৰ স্কুলখনক কিয় নালন্দা ইউনিভাৰচিটি বুলি ক'লে বুজিলি নে মুন?"

"উঁহু"

"তই, হৰি?"

"ময়ো বুজা নাই বাইদেউ"।

পিংকিয়ে হাঁহিলে। "তই নালন্দাৰ ষ্টুডেন্ট হৈ বুজিবি নে ষ্টুপিড? নালন্দা ইমানেই ফেমাছ আছিল যে তালৈ ফাৰ ফাৰ ডিষ্টেন্ট কান্ট্ৰিৰ ষ্টুডেন্ট পঢ়িবলৈ আহিছিল, কেৱল লোকাল ষ্টুডেন্টেই নাছিল। আমাৰ ডনবস্কো, ছেন্ট মেৰিজ বা অন্য স্কুলবোৰত জেনেৰেলি লোকাল ষ্টুডেন্টেই থাকে — নালন্দাৰ দৰে ফেমাছ নহয়তো — কিন্তু তহঁতৰখনত কত ঠাইৰ নলেজ হাংৰি ষ্টুডেন্টেই যে আহি নপঢ়ে! তই আহিছ ছাউথৰ ৰুকোৰ পৰা, কোনোবা আহে নৰ্থৰ নলবাৰী, বজিয়া, ঘগ্ৰাপাৰৰ পৰা, কোনোবা আহে ইষ্টৰ সোণাপুৰ, চন্দ্ৰপুৰৰ পৰা, কোনোবা আহে ৱেষ্টৰ শালকোছ-বিজনীৰ পৰা--অ' হোৱাট এ অণ্ডাৰফুল লট্ — অল দ্য ছাৰ্ভেন্টছ এণ্ড ল'লি পিপল ছিকিং এডুকেশ্যন। সেই নালন্দাত পঢ়া স্কলাৰসকলৰ পৰা তই কি হাই মৰেল ষ্টেণ্ডাৰ্ড আশা কৰিব পাৰ অ' মুন? দে হেভ্ ন' আইডিয়েল, ন' এমবিশ্বন। ঐ হৰি, খুবতো স্কুলত পঢ়িছ, তোৰ এমবিশ্বন কি কচোন?"

"এমবিশ্বন মানে কি বাইদেউ?"

"এমবিশ্বন মানে ডাঙৰ মানুহ হোৱাৰ সপোন।" মুনে বায়েকৰ ইংৰাজীৰ কোনোমতে ভাঙনি এটা কৰিলে।

এইবাৰ হৰেশ্বৰে তপৰাই মাত দিলে, "মই গিৰিশ ককাৰ দৰে হ'ম বাইদেউ।"

পিংকি-মুন অলপ সময় তথা লাগিল; তাৰপিছত সজোৰে সমস্বৰে হাঁহিলে। "অ' মুন, মানুহৰ এমবিশ্বন হয় স্কলাৰ, ছাইন্টিষ্ট, লিটাৰেট্যৰ, ফিল'ছ'ফাৰ, প্ৰফেচৰ, ডক্তৰ আদি হোৱাৰ, আইডিয়েল হয় গান্ধী, আইনষ্টাইন আদি। আৰু আমাৰ হৰিৰ আইডিয়েলমেন্ জন হ'ল গিৰিশ কাকা। হাঃ হাঃ হাঃ। হু ইজ দিছ গ্ৰেট মেন? কোন ঐ এই মহাপুৰুষজন?" এইবাৰ পিংকি নিজেই অনুবাদিকা হ'লী

"গিৰিশকাকা আৰু মহেন্দ্ৰকাকা আমাৰ গাঁৱৰে মানুহ। গিৰিশকাকা হাকিম হৈছে আৰু মহেন্দ্ৰকাকা ইঞ্জিনাৰ হৈছে। আমাৰ এম.ভি, স্কুলৰ হেডপণ্ডিতে আমাক কৈছিল, 'ল'ৰাহঁত, আমাৰ গাঁৱৰ মুখ উজ্জ্বল কৰা দুজনেই মানুহ ওলাইছে — তেওঁলোক হ'ল গিৰিশ দাস আৰু মহেন্দ্ৰ হালৈ। এজন হাকিম হৈছে, এজন ইঞ্জিনাৰ হৈছে। ডাঙৰ হৈ তোমালোকো যেন তেওঁলোকৰ দৰে হোৱা।' মই বাইদেউ ইঞ্জিনাৰতকৈ হাকিমহে ভাল পাওঁ। আমাৰ গনে মাহী বৰ্কোৰ ৰবীন হাকিমৰ ঘৰত আছিল, তেতিয়া মাৰ লগত হাকিমৰ ঘৰলৈ দুই-এবাৰ গৈছিলোঁ, সেই বয়সত বাইদেউ সেইজনেই প্ৰথম ডাঙৰ মানুহ দেখিছিলোঁ। পিছত হেডপণ্ডিতে গিৰিশকাকা আৰু মহেন্দ্ৰকাকাৰ দৰে হ'বলৈ কোৱাত মোৰ ৰবীন হাকিমৰ ঘৰ-দুৱাৰৰ কথা মনত পৰি গৈছিল আৰু তেতিয়া গিৰিশকাকাৰ দৰে হোৱাৰ এম্ — আম্ — বাইদেউ, আপুনি সেইটো কি ইংৰাজী শব্দ কৈছিল?"

পিংকি হাঁহিৰ কোবত যেন বাবাণ্ডাখনৰ সুদা পকাতে ঢলি পৰিব।

ইয়াৰ পিছত হৰেশ্বৰক পিংকিয়ে মতা নামবোৰৰ ভিতৰত হাকিমো যোগ হ'ল — হৰেশ্বৰ (খং উঠা সময়ত ব্যৱহৃত হয়), হৰি, কঁটীয়া, হাকিম —

হৰেশ্বৰে বৰবানীৰ হাতত দুই-এটা লপা-থপা খাইছে, কিন্তু পিংকিয়ে কোনো দিন তাক হাত লগোৱা নাছিল। এদিন পিছে তাই কাণতলীয়া চৰ এটা শোধালে।

সেইদিনা পিংকিৰ কলেজ নাই, মুন আৰু হৰেশ্বৰৰ স্কুল নাই। আচলতে আছিল, কিন্তু সিহঁতে নকৰিলে। বিদেশী খেদা আন্দোলনৰ কাৰ্যসূচী অনুযায়ী সেইদিনা শ্ৰেণী বৰ্জন কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল আৰু তাক সিহঁতে পালন কৰিছিল। প্ৰথম অৱস্থাত বৰবানীয়েও আন্দোলনৰ কাৰ্যসূচীবোৰত পৰম উৎসাহেৰে ভাগ লৈছিল, কিন্তু পিছলৈ যেতিয়া পিংকি আৰু মুনৰ একোটাকৈ বছৰ ক্ষতি হ'ল আৰু শ্ৰেণী বৰ্জনৰ ফলত পঢ়া-শুনা ক্ষতি হ'বলৈ ধৰিলে তেতিয়া তেওঁ ঘৰৰ চাৰিবেৰৰ ভিতৰতে গজগজাবলৈ ধৰা আৰু বান্ধৱী পূৰ্ণিমা শইকীয়াক সমালোচনা কৰিবলৈ ধৰিলে। "দেশদ্ৰোহী ক'ৰবাৰ, বাহিৰত লীডাৰজনী হৈলাই আছে, ইফালে ল'ৰা-ছোৱালীহালক চেণ্ট্ৰেল স্কুলত নাম লগাই দি মনৰ সুখত আন্দোলনত যোগ দি আছে।" মুনকো চেণ্ট্ৰেল স্কুলত দিব নোৱাৰাৰ দুখটো আজিকালি তেওঁৰ তীব্ৰ হৈ উঠিছে। সি যি কি নহওক, এতিয়াৰ কাৰ্যসূচীবোৰত তেওঁৰ দুই ধৰণৰ মানসিক প্ৰতিক্ৰিয়া হোৱা হৈছে — মুন, পিংকিৰ পঢ়া-শুনা ক্ষতিৰ কথা ভাবিলে তেওঁৰ খং উঠে, আনহাতে হৰেশ্বৰো যে স্কুললৈ যাব নালাগে সেই কথাটোত সকাহ পায়।

ক্লাছলৈ যাব নলগা হৰেশ্বৰে পিংকিক সুধিলে,"বাইদেউ, আপোনালোকে আন্দোলন কৰিছিলেনে?"

"অ', কৰিছিলোঁতো, তাৰ বাবেতো কলেজত এবছৰ পিছুৱাই হৈ গ'ল।"

"আমিও কৰিছিলোঁ, বাইদেউ। আমাৰ গাঁৱৰ ধীৰেন বোলা ল'ৰাটো বৰ চোকা

আছিল, ঘৰৰ অৱস্থা কিন্তু বৰ বেয়া। কোনোমতে বৃত্তি পাই, টিউচন কৰি পঢ়িছিল। গুৱাহাটীৰ কলেজত আহি পঢ়িছিল। পিছে এটা বছৰ ক্ষতি হওঁতে সি আৰু পঢ়িব নোৱাৰিলে — সিহঁতৰ দৰে দুখীয়া মানুহৰ বাবে এটা বছৰ এনেয়ে যোৱা কম কথা নহয়।"

"দেশৰ বাবে সেইখিনি ছেক্ৰিফাইচ কৰিবই লাগিব। কতজনেতো প্ৰাণ দি শ্বহীদেই হ'ল।" পিংকিয়ে গহীনাই কৈছিল।

"বাইদেউ আমাৰ গাঁৱত মানুহে কোৱা-কুই কৰে বোলে এই আন্দোলনটোত চহৰৰ মানুহৰ সিমান ক্ষতি হোৱা নাই, গাঁৱৰ মানুহৰহে বেছি ক্ষতি হৈছে, মানুহো মৰিছে বেছি, চি.আৰ.পিৰ অত্যাচাৰো বেছি হৈছে। গাঁৱৰ মানুহে আৰু কয়, আমি আমাৰ মাতৃভাষা অসমীয়াক ৰক্ষা কৰিবলৈ প্ৰাণ দিবলৈকে ওলাই আহিছোঁ, চহৰৰ মানুহে কিন্তু নিজৰ মাতৃভাষাটোক শ্ৰদ্ধা নকৰে, ইংৰাজীকহে নিজ মাতৃভাষাৰ দৰে আদৰ কৰে। কথাটো যে সঁচা আপোনালোকৰ ইয়াতে প্ৰমাণ পাই গ'লোঁ—আপুনি, থুনদাদা, মুন কোনেও দেখোন কেতিয়াও অসমীয়া কিতাপ নপঢ়ে —"

হৰেশ্বৰৰ গালত প্ৰকাণ্ড কাণতলীয়া চৰ এটা পৰিল। " স্কাউণ্ড্ৰেল, বাওনা (মাকৰ পৰা শিকা এই শব্দটোও শেহতীয়াভাৱে হৰেশ্বৰৰ নামৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল), ইমান অডাচিটি তোৰ, নালন্দাত পঢ়িবলৈ পাই বৰ সাহ বাঢ়ি গৈছে নহয়? আজিয়ে মাক কৈ তোক খেদি দিম, আমাৰ দৰে ইমান সুখত কোনে তোক পঢ়ুৱায় চাম — মা, অ' মা, এই বদমাইচ বাওনাটোৰ —," পিংকিয়ে মাকক চিএৰি চিএৰি পাকঘৰ পাইছিলগৈ।

অৱশ্যে হৰেশ্বৰক বিতাৰণ কৰা নহ'ল। ৰুকবানীয়ে তাক বহুত সময় বকাবকি কৰি পিংকিক সৈমান কৰিলে।

এদিন হৰেশ্বৰ স্কুললৈ গৈ পাওঁতেই স্কুল ছুটী হৈ গ'ল। বিহু ওচৰ চাপিছে, বহুত দূৰ-দূৰণিৰ পৰা হঁচৰিৰ দল আহি পাইছে আৰু তেওঁলোকক হৰেশ্বৰহঁতৰ স্কুলটোতে থকাৰ বন্দবস্ত কৰি দিয়া হৈছে। গতিকে গৈ পোৱাৰ লগে লগে ছুটী হোৱা হৰেশ্বৰৰ স্কুলৰ পৰা আহি থকাৰ বাটত এজুম ল'ৰাৰ মাজত মুনক দেখি অবাক হৈ গ'ল, ল'ৰাবোৰৰ প্ৰত্যেকৰে হাতত চিগাৰেট, মুনৰ হাততো এডাল জ্বলা চিগাৰেট, অকল সেয়ে নহয়, সি চাওঁতে চাওঁতে মুনে সেই চিগাৰেটত হোঁপাও মাৰিলে।

"মুন, তুমি চুৰট খাইছা?" হৰেশ্বৰে একে চৌচাই মুনৰ কাষ পাইছিলগৈ।

মুন অলপ থতমত খালেও বন্ধুবোৰৰ আগতে তাৰ সন্মান হানি হোৱাৰ ভয়ত সি প্ৰয়োজনতকৈও কঠোৰ মাত উলিয়াই ক'লে, "খাইছোঁ, খাইছোঁ, তই তাত মাত মাতিবৰ কোন? আমাৰ চাকৰ নহয় যেন গাৰ্জিয়েনটোহে ওলাইছে।"

লগৰ ল'ৰাবোৰে আমোদেৰে হৰেশ্বৰলৈ চাই হাঁহিলে, মুনে সিহঁতলৈ চাই ক'লে," আমাৰ এই চাৰ্ভেন্টটোৰ বৰ বৰ কথা। অৱশ্যে দেখাত ডিঙিৰা হৈ থাকিলে কি হ'ব, বয়স বহুত হৈছে। সেইবাবেই বৰ পকা কথা-বতৰা। ঐ হৰি, ইয়াত তই কিয়

গা মেলাবলৈ আহিছ? যা ঘৰলৈ যা। আৰু শুন ঘৰত যদি মোৰ চিগাৰেট খোৱাৰ কথা কৱ তোৰ গাৰ ছাল ছিঙি দিম।”

হৰেশ্বৰ বৰবাহঁতৰ ঘৰত থকা এবছৰ উকলি গ'ল। সি মজলীয়াভাৱে পাছ কৰি ষষ্ঠমানলৈ প্ৰমোছন পালে। মজলীয়াভাৱে পাছ কৰিলে মুনেও। সি ক্লাছ এইট পালে। অৱশ্যে তাৰ লগৰ প্ৰায়বোৰ ল'ৰাৰ দৰে তাৰো প্ৰাইভেট টিউটৰ আছিল।

মুনৰ গোঁফে ঠুটিয়াইছে, হৰেশ্বৰৰ মুখ এতিয়াও মসৃণ, ছোৱালীৰ দৰে। সেইবাবে পিংকিয়ে এদিন কৈছিল যে সি আচলতে ট্ৰাইবেল। বকোত কত ট্ৰাইবেল মানুহ আছে, সিহঁতৰ ঘৰলৈ উপাধি লুকাই আহিছে; হয়তো আছিল বসুমতাৰী, বাভা, ইয়াত আহি চৌধুৰী হৈছে।

কৈশোৰ-যৌৱনৰ সন্ধিস্থলত ভৰি দিয়া সেই মুনে এদিন হৰেশ্বৰক সংগোপনে হৰেশ্বৰৰ কোঠালি অৰ্থাৎ চিৰিৰ তললৈ মাতি লৈ গ'ল। সৰু কমটো বিছনা, কিতাপ-পত্ৰ, কাপোৰ-কানিৰে ঠাহ খাই আছে ; হৰেশ্বৰে পুৰণি পেলনীয়া কেলেণ্ডাৰৰ ছবি কিছুমান আনি বেৰৰ অ'ত ত'ত আঠা লগাই ঘৰটো সজোৱাৰ বাবে তাৰ শ্বাসৰুদ্ধ অৱস্থাটো আৰু বৰ্ধিত হৈছে।

মুনৰ হাতত কেইখনমান আলোচনী। সি সেই কেইখন লৈ হৰেশ্বৰৰ বিছনাতে বহি পৰিল। ঘৰখন নিজান, পিংকি আৰু বৰবানী ক'ৰবালৈ গৈছে, বৰবা বৈঠকখানাত মক্কেলৰ সৈতে ব্যস্ত, থুনটো এইখিনি সময়ত নেথাকেই, তাৰ কমৰ তলা বন্ধ কৰি ক'ৰবালৈ ওলাই যায়। ঘৰৰ এই নিৰ্জনতা, মুনৰ মুখৰ অস্বাভাৱিক আভা—হৰেশ্বৰৰ গাটো সিৰ্‌সিৰাই গ'ল যি অতীত স্মৃতিৰে ভাৰাতুৰ , নিজান অৰণ্যত সোমাই কাঠ কটা দিনত জান্তৱ উপস্থিতি অনুভৱ কৰাৰ দৰে গাৰ সিৰ্‌সিৰণিটো।

'হৰি, ইয়াৰ ছবিবোৰ চাওঁ আহ, মই থুনদাৰ বিছনাৰ তলৰ পৰা এইবোৰ লৈ আনিছোঁ।”

“থুনদাদাৰ দুৱাৰত দেখোন তলা লগোৱা আছে?”

“তলাৰ ডুপ্লিকেট চাবি থাকে নহয়, ষ্টুপিড। মই বহুত দিনৰে পৰা চেগ চাই আছিলোঁ, চাবিও যোগাৰ কৰি থৈছিলোঁ। আজি সুযোগ মিলিছে। মই ঠিকেই জানো নহয় থুনদাদাই এইবোৰ মেগাজিন ৰাখে, আমাৰ লগৰ ৰাতুলৰ ককায়েকৰ ভাতো বোলে এইবোৰ ভৰি আছে। তই জাননে হৰি, আমাৰ থুনদাই যে ড্ৰিংকো কৰে? মই কেৱল চিগাৰেটহে খাওঁ, তাৰ দৰে পইচা হাতলৈ আহিলে ময়ো বাপেকে কৰিম — ৰাম, হুইস্কি, চেম্পেন।”

মুনে কথা কৈ কৈ আলোচনীৰ পাত লুটিয়াবলৈ আৰম্ভ কৰি দিছিলেই আৰু জিভাৰ পানী ওলোৱা সুখাদ্য গোগ্ৰাসে গিলা লুভীয়াৰ দৰেই যেন সি সেই ছবিবোৰ চকুহালেৰে লেহন কৰি গৈছিল — “আঃ হৰি, এইজনীক চাচোন, উস্ এইজনীৰ যে হিপছ দুটা, মাই গড্ এইজনীৰ দেখোন ...হৰি, চা চা উস্।”

'নালন্দাত পঢ়া হৰেশ্বৰ ভাল স্কুলত পঢ়া ছাত্ৰৰ কাণ্ডত দৰ দৰকৈ ঘামিবলৈ ধৰিলে। ভাল স্কুলত পঢ়ি অহা ধুনদাদাৰ সংগ্ৰহৰ এইবোৰ বস্তু সেই একে ভাল স্কুলতে পঢ়া ভায়েকে চুৰি কৰি আনি লুকাই-চুৰকৈ উপভোগ কৰিব ধৰিছে। হে হৰি — হৰেশ্বৰে এইখন ঘৰে দিয়া নামটোৰে সৰ্বশক্তিমান গৰাকীজনক স্মৰণ কৰি ভাবিবলৈ ধৰিলে — হে হৰি, এইখন ঘৰৰ আৰু একে ভাল স্কুলত পঢ়ি অহা ছোৱালীজনীৰ বিছনা-বাকচৰ তলত বা আৰু কি ভাল বস্তু ওলায়! ওলাবই যে সেই বিষয়ে হৰেশ্বৰৰ মনত কোনো সন্দেহ নাছিল।



অতুলানন্দ গোস্বামী

হামদৈ পুলব জোন

হামদৈ পুলৰ জোন

এক মিনিট গ'ল। হল নিস্তব্ধ। আৰু এক মিনিট গ'ল। হলৰ ভিতৰত বেজী এটা পৰিলেও শুনা গ'লহেঁতেন। মঞ্চৰ দুয়োকাষে থিয় হৈ থকা আটাইবোৰৰে উৎকণ্ঠাত ডিঙিৰ সিৰ উখহি উঠিছে। চকুবোৰ ডাঙৰ হৈছে। মোৰ নিজৰ ওঁঠ দুটা লাহে লাহে কঁপিবলৈ ধৰিলে। আৰু এক মিনিট যাওঁ যাওঁ হ'ল। মোৰ গালৰ কুম দুটা বম্‌বমকৈ পুৰিবলৈ ধৰিলে। উইংচৰ কাষত আছোঁ যদিও মোৰ অনুমান হ'ল যেন মঞ্চৰ ওপৰত থকাজনতকৈ গোটেই হল ভৰা মানুহে মোলৈহে চাই আছে।

হলৰ ভিতৰত কোনোবা এজনে এবাৰ সৰুকৈ ক'লে, "আৰে কি হ'ল।" আন এজনে অলপ ডাঙৰকৈ ক'লে, "কি হ'ল হেৰি। কি চাই আছে?" তাৰ পিছত, পিছত বহা প্ৰায় সকলোৰে একেলগে চিঞৰি দিলে - "হ'ল হ'ল, গুচি যাওক। হৈছে আৰু!" আৰু বুজা-নুবুজা শুনিব পৰা, নোবাবা নানা কথা। মোৰ চোলাউবিৰ ওপৰেদি এধাৰ ঘাম বাগৰি আহিল। কোনোবাই মঞ্চৰ লাইট নুমাই দি হলৰ লাইট জ্বলাই দিলে। ড্ৰপচিনখন পেলাই দিলে। মই সোঁ-সোঁকৈ সোমাই গৈ মাইকৰ আগত থিয় হৈ থকা অৱস্থাতে কাণতলীয়া চৰ এটা সোধাই দিলোগৈ যাদুৰ গালত। মাখন দা সোমাই আহি গণ্ডগোল লগাবলৈ মানা কৰি যাদুক আঁতৰাই পঠিয়াই মাইকত পিছৰ অনুষ্ঠানৰ কথা ঘোষণা কৰি দিলে।

গ্ৰীণৰুমৰ আৰু মঞ্চৰ ভিতৰত বুবু-বাবাকৈ সকলোৰে যাদুৰ কথা আলোচনা কৰিবলৈ ধৰিলে আৰু অপমানত মৰি যাবৰ মন গ'ল মোৰ। নিজৰ গালতে চৰ এটা মাৰি দিবৰ মন গৈছিল মোৰ, যাদুক মঞ্চত তোলাৰ মিছা চেষ্টা কৰাৰ বাবে। অথচ যাৰ বাবে এই লাঞ্ছনা তাৰ কোনো খবৰেই নাই।

আজি আমি মঞ্চলৈ এজন নতুন শিল্পী আনিছোঁ। তেওঁৰ বিষয়ে হয়তো বহুতে নাজানে, অখ্যাত হ'লেও আমাৰ এই শিল্পীগৰাকী গুণী শিল্পী, তেওঁ তেওঁৰ স্বৰ্গীয় পিতাকৰ পৰা উত্তৰাধিকাৰ হিচাপে পোৱা বেহেলা বাদনৰ অপূৰ্ব কৌশলেৰে ইতিমধ্যে নগৰৰ বহুতকে মোহিত কৰিছে। আমি আশা কৰোঁ, আজিও তেওঁ উপস্থিত শ্ৰোতাসকলক অনাবিল আনন্দ দিব। শিল্পীৰ নাম তেওঁৰ ইচ্ছানুসাৰেই কওঁ 'যাদু'। মাখন দাদাক দিদি মই নিজেই বহল সানি যাদুৰ চিনাকি লিখিছোঁ মাইকত। নামটো মই

নিজে নক'লোঁ গোটেইটো — ক'লো তাৰ ইচ্ছাত তেনে কৰা বুলি। মই ভাবিছিলোঁ আৰু নাটকীয়ভাৱে তাৰ অদ্ভুত দক্ষতা জাহিৰ কৰি দিওঁ। আশা কৰিছিলোঁ প্ৰথমবাৰৰ বাবে মঞ্চত উঠিলেও সি সকলোকে মুগ্ধ কৰিব। মঞ্চলৈ আহিব নোখোজা যাদুৱে মোৰ কথা পেলাব নোৱাৰি 'বাৰু' বুলিও কৈছিল। কিন্তু আচল সময়ত সি সেই একেই যাদু হৈ থাকিল।

ড্ৰপচিন তুলি দিয়া হ'ল। ঘোষণা কৰি মই আঁতৰি আহিলোঁ। যাদু থিয় হৈয়ে থাকিল। বেহেলাখন সি বাউসিলৈকে নুতুলিলে। সন্মুখলৈ চাই থাকি ৰ লাগি ৰ'ল সি। হাতৰ ব'ডালেৰে আঁঠুত টুকুৰিয়াবলৈ ধৰিলে। মুখত নিৰ্বিকাৰ হাঁহি এটা, ভাবলেশহীন। চকুৰ দৃষ্টি উদাস। আগত যেন সি একোকে দেখা নাই। এক মিনিট গ'ল। হল স্তব্ধ। আৰু এক মিনিট গ'ল। হলৰ ভিতৰত বেজী এটা মাটিত পৰিলেও শুনা গ'লহেঁতেন। যাদু স্পন্দনহীন। অলৰ।

গোটেই দোষটো যেন মোৰহে। কোনেও মোক পোনে পোনে দোষাৰোপ কৰা নাই যদিও মোৰ নিজৰ মনতে সন্দেহ হ'ল সকলোৱে যেন আঁৰৰপৰা চিঞৰিছে। যাদুক যিকেইজনে জানে, যিকেইজনে তাৰ বেহেলা বজোৱা শুনিছে তেওঁলোকেও মোৰ দৰেই আশা কৰিছিল — নগৰৰ মানুহে এজন নতুন শিল্পী চিনি পাব আজি। শেষ মুহূৰ্তত মাখনদাই সুধিছিল- "আধান, তবলা বজাব কোনে?" মই কৈছিলোঁ তবলা সঙ্গত নকৰিলেও হ'ব কাৰণ সি কি বজাই আগতে ক'ব নোৱাৰে। কি বজাই সি নিজে আগতে ভাবিলেও আনৰ আগত ক'ব নোৱাৰে। আৰু তাতকৈ ডাঙৰ কথা, সি কাহানিও লগত তবলা লৈ বেহেলা বজোৱা নাই। বজাবলৈ সি কাহানিও ঘৰত বহি বেহেলা বজোৱা কোনেও শুনা নাই। বন্ধু-বান্ধৱৰ মাজত বহাতো বাদেই সি মোৰ ওচৰতো কাহানিও বহি বজোৱাকৈ বেহেলা বজোৱা নাই। কেতিয়াবা ক'ৰবাত ৰেপ এটা দিলেও সেই ৰেপতে থাকে, ৰাগ-ৰাগিণী নাপায়গৈ। তথাপি মই বৰকৈ আশা কৰিছিলোঁ হামদৈ পুলত বজোৱা দৰেই সি পুথিভঁড়াল মঞ্চতো অন্ততঃ আঠমিনিট বেহেলাখন বজাব। মোৰ আশা চুৰমাৰ কৰি মোৰ নাক কাটি সি বেহেলাখন বাউসিলৈকে নুতুলিলে। হাতৰ ব'ডালেৰে আঁঠুত টুকুৰিয়াই ভেবাটোৰ দৰে আন্ধাৰত থকা দৰ্শকৰ ফালে ৰ লাগি চাই থাকিল।

সকলো শেষ কৰি মঞ্চতে বাতি আৰু খাব নলগাকৈ চাহ-তাহ খাই ঘৰলৈ উভতোতে ধীৰেন চৌধুৰীয়ে এবাৰ আকাশলৈ চাই মাথোঁ কৈছিল, "আজি কৃষ্ণ পক্ষৰ ৰাতি অ' আধান, তই কথাটো মন কৰা নাছিলি?" মোৰ তেতিয়া সেইবোৰ কথা চাবলৈ মন থিৰে নাছিল। যাদুৰ ওপৰত খংটো মোৰ তেতিয়াও উঠি আছিল। কিন্তু ইডিয়টটোৱে নিৰ্বিকাৰচিত্তে কাৰো লগত মাত-বোল নকৰাকৈ এৱা আমাৰ পিছে পিছে এনলমান আঁতৰত আহি আছে।

ঘৰটো আমাৰ টাউনৰ মিউনিচিপেলেল সীমাৰ বাহিৰত। ঠিক বাহিৰত বুলিও ক'ব নোৱাৰি। পানী কল এটা একেবাৰে মণিইভৰ পদুলিতে আছে। আমাৰ খোৱা

পানী তাৰপৰাই আনে। টাউনৰ মাজেদি সেইটো খোদৰ আলি গৈছে। পূবে নগৰৰ সীমাৰ পৰা এমাইলমান গ'লে সেইয়া হামদৈ পুল। আগেয়ে কোনোবা আহোম ৰাজপৰিয়ালৰ পৰা ফালি অহা কোনোবা বিষয়াৰ, কোনোবা হামদৈ কুঁৱৰীৰ লগত হেনো খাত এখন দিছিল। কিমান মাটি আমি নাজানো। এতিয়া খাত হৈ থকা নাই, চাৰি-পাঁচখন গাঁও বহাৰ উপৰিও যিখিনি মাটি মুকলি হৈ পৰি আছে তাত দহখন ঔদ্যোগিক পাম বহুৱাব পৰা হ'ব। এই হামদৈ খাতৰ মাজতে থকা হোলা এটা দেই খোদৰ আলি গৈছে। দুফালে দুছোৱা হোলা লগ লগাই ওপৰে এটা ডাঙৰ পুল। গড়কাপ্তানীয়ে পকী কৰা। নাম হামদৈ পুল। পুলৰ দুয়োমূৰে এইফালে আমাৰ ঘৰৰ ওচৰলৈকে মানুহ প্ৰায় নাই বুলিলেও হয়। আৰু পূবে এমাইলমান গৈ কছাৰীহাট আৰম্ভ হৈছে। গতিকে মাজৰ ঠাইছোৱা বৰ নিজান। কালত পৰি দুই কাষৰ হোলাও পোত গ'ল। ৰায়তে তাত খেতি কৰে এতিয়া। তেঁও বুলি বাৰিষাৰ মাছ-পুঠি খাব পৰাকৈ পথকৰা পুখুৰীৰ দৰে দুয়োফালে হোলাৰ চিন এটা আছে। জেং দি থোৱা আছে তাত। দিনত যহন-তহন। ৰাতি বৰ গহীন হৈ পৰে ঠাইখন। কিবা জয়াৰ জয়াৰ যেন লাগে। গধূলিৰ পিছত সততে মানুহ নাযায় সেইফালে। আৰু এই পুলতে বহি যাদুৱে বেহেলা বজায়। তাকো ৰাতি, কেউফালে মানুহ শুই নিঃপালি দিলে। ৰাতি পুৱাবলৈ দুঘন্টামান থাকোঁতে তাৰ বেহেলা বজোৱা শেষ হয়। কেতিয়াবা পোহৰেই হয়। লগতে তাৰ গাৰ শক্তিও নাইকিয়া হয়। বেহেলাখন হাতত লৈ ঘৰলৈ ঘূৰি আহোঁতে যেন সি পৰ্বত এটাহে বগাই আহে।

তাৰ এই আচৰিত ব্যৱহাৰ, চলন-ফুৰণৰ সাক্ষী মই। যাদুৰ লগত মোৰ কোনো সম্পৰ্ক নাই। যাদু মাধৱ বৰুৱাৰ খুলশালিয়েক। যাদু আৰু তাৰ বায়েকক এৰি ঢুকাবৰ সময়ত যাদুৰ দেউতাকে সম্পত্তি বুলি তালৈ বেহেলা এখন থৈ গৈছিল। জাৰ্মানীৰ বস্তু। তেখেতে বৰ ভাল বজাইছিল। যাদুৰ মাক সি ওপজা বাৰেই ঢুকাল। শহুৰেক ঢুকুৱাৰ পিছত যাদুৰ দৰে ডেকা ল'ৰা এটাক পোহপাল দিব লগা হোৱাটো মাধৱ বৰুৱাই গলগ্ৰহ যেন পাই তাক প্ৰায়ে কৰ্কৰ্থনা কৰিছিল। আৰু নকৰাহেঁতেন বৰুৱাই গঞ্জনা সহিব লগা হ'লহেঁতেন। কাৰণ যাদুৰ নাই বি নাই কিমানলৈকে পঢ়িছে বুলি সুধিলেও ক'বলৈ নাই। মোৰ বয়সৰ ল'ৰা। একেলগে স্কুলত পঢ়িছিলোও। প্ৰথম কেইশ্ৰেণীমান পাৰ হৈ সি উধাৰ নোৱাৰিলে। আৰু দুবছৰমান বৈ সি স্কুললৈ যাবলৈকে এৰি দিলে। দেউতাকেও সকলো প্ৰকাৰে চেষ্টা কৰি চাই শেষত তাৰ শিক্ষা সেইখিনিতে সাং কৰি নিজৰ বেহেলাখন তাৰ হাতত তুলি দিলে। বেহেলাখনলৈকে যেন সি ওপজাৰে পৰাই বাট চাই আছিল। হাতত লোৱাৰ পিছৰপৰাই সি আগতকৈয়ো উদাসীন হৈ পৰিল। স্কুলত নপঢ়া বাবে আৰু নিৰ্বিকাৰ উদাসীনতাৰ বাবে কোনেও তাৰ বেহেলাৰ বেশ শুনিবলগীয়া বুলি ভৰা নাছিল। আৰু সেই অৱস্থাতে এৰি দেউতাক তাৰ ঢুকাই থাকিল। জীৱনাৱস্থাত তেখেতে নিজৰ বুলিবলৈ মাটি একণো ৰাখিব নোৱাৰিলে। কাহানিও চেষ্টাও নকৰিলে। নিজৰ বিদ্যা শিকুৱাও বোলাহেঁতেন তেখেতে

হয়তো ককায়েকহঁতকো পিছ পেলাই থ'ব পাৰিলেহেঁতেন। প্ৰয়োজন বোধ নকৰিলে। বোধকৰোঁ সেইবাবেই ককায়েকহঁতৰ ঘৰৰ লগত তেখেতৰ সম্পৰ্কটোও দূৰ হৈ গ'ল। নহ'লে দেউতাক ঢুকুৱাৰ পাছত যাদু গৈ বৰদেউতাকৰ লগত থাকিব পাৰিলেহেঁতেন। নগ'ল। বায়েকে তাক লগলে নিলে। কিন্তু ভাই-ককাই থকা নিজা ঘৰ এখনৰ লগতে নিষ্কৰ্মা ডেকা ল'ৰা এটাকো পোহ পাল দিয়া মাধৱ ককাৰ বাবে নিচেই সাধাৰণ কথা নহয়। অথচ যাগে বুলি ক'বলৈকো জিভা নুঘূৰে। যাব ক'লৈ?

ক'লৈ যাব ময়ো ক'ব নোৱাৰিলোঁহেঁতেন, যদি এদিন ঘটনাচক্ৰত মই মণিহঁতৰ গাড়ীত ৰাতি ধোদৰ আলিয়েদি ঘৰলৈ নাহিলোঁহেঁতেন। জোনাক ৰাতি গাড়ীত আমি পাঁচজন। মণিৰ দেউতাক, বায়েক বুলি, মণি, মই আৰু ড্ৰাইভাৰ। বিয়া এখন খাবলৈ গৈছিলোঁ কানু গাঁৱত। ৰাতি-বিয়লি আমাৰ কাৰো সেই বাটেদি যাবৰ দৰকাৰ হোৱা নাছিল। অকলে যোৱা কথাও নহয়। বিয়াত ৰবকৈ থাকিবলৈ ধৰাত বাৰমান বজালেকে থাকি উভতি আহিছিলোঁহঁক। অলপ দূৰৈৰ পৰাই দেখিছিলোঁ হামদৈ পুলত উঠি মানুহ এটা। ফট্‌ফটীয়া জোনাক। স্পষ্ট দেখিলোঁ মানুহ। এখন্তেকলৈ মোৰ উশাহ বন্ধ হৈ গৈছিল। আৰু বাকী কেইজনৰো নিশ্চয় একেই হৈছিল। কাৰণ দেখিলো ড্ৰাইভাৰেও গাড়ীখনৰ বেগ কমাই দিলে। ঘূৰি মণিৰ দেউতাকলৈ চালে। চকুত প্ৰশ্ন — দেখিছে? আটাইবোৰে আগলৈ হাঁউলি মানুহটোলৈ চালোহঁক। আৰু তেতিয়া আমাৰ কাণত পৰিল মিঠা ঝঙ্কাৰ এটা। "লাহে লাহে গৈ থাক।" ড্ৰাইভাৰক নিৰ্দেশ দিলে মণিৰ দেউতাকে। অৰ্থ দুটা হ'ব পাৰে, হয় তেখেতে গাড়ীৰ মাতে বেহেলাৰ মাত ডুবাই দিয়াটো বিচৰা নাছিল। নহয় তেখেতৰো ভয় লাগিছিল আৰু ল'ৰা-ছোৱালীকেইটাই ভয় খাই বুলি সাহ কৰি দেখুৱাই ভয় ঢাকিছিল। ড্ৰাইভাৰে পাঁচ মাইলমান স্পীডত গাড়ীখন নি থাকিল। পুলত উঠো উঠো হ'লোঁহিঁক—বেহেলা বজোৱা মানুহজনৰ খবৰেই নাই। হঠাৎ ড্ৰাইভাৰে হৰ্ণটো ডাঙৰকৈ বজাই দিলে। বেহেলাখন বন্ধ হৈ গ'ল। দেখিলোঁ সেইটো যাদু! এই ৰাতি, তাকো হামদৈ পুলত? গাড়ী ৰাখিলোহঁক আমি। মই মাতিলোঁ তাক-"এই যাদু কি কৰিছহি অকলে তই ইয়াত?" যাদুৱে যেন বহুত বেলি মূৰ্চ্ছা গৈ থকাৰ পিছত চেতনা পালে। আকাশৰ জোনটোলৈ এবাৰ চাই, মিচিকিয়াই হাঁহি এটা মাৰি ক'লে, "অ' আধান। ক'ৰপৰা আহিলি ইমান ৰাতি?" ঘূৰাই সিহে মোক কথা সোধে। মণিৰ দেউতাকে মাতিলে, "আহা, গাড়ীত উঠা। ছিঃ ছিঃ এই ৰাতিখন ইয়াত অকলে থাকেনে?" অকণো আপত্তি নকৰাকৈ যাদু গাড়ীত উঠিলহি। বুলিৰ তেতিয়াহে মুখৰ মাত ওলাল- "ইস্ ৰাম, যাদুদা! তুমি কেনেকৈ আহিছা ইয়াত!" যাদুৱে হাঁহি এটাৰে বুলিলৈ চালে মাথোঁ এবাৰ।

মোৰ পদূলিত গাড়ীৰ পৰা নামি মই যাদুক মাতিলোঁ, "আহ যাদু, আজি মোৰ লগতে শুই থাকিবি।" মই অবিলো তাক থ'বলৈ আকৌ মিছাতে বুলিহঁতলৈ যাব লাগে কেনেকৈ এই শেষ ৰাতি। যাদুৱে আগৰ দৰেই আপত্তি নকৰাকৈ নামি আহিল। মণিৰ দেউতাকে মাথোঁ সুধিলে এবাৰ, "ঘৰত চিন্তা নকৰিবনে?" সেই কিবিয়ে যাদুৰ একো

খবৰ নাই। সি একো ক'ব নোৱাৰে।

একেলগে শুই থাকিলোঁ দুয়ো। পুৱা বহুত পলমকৈ সাৰ পালোঁ। সাৰ পাই কাষতে যাদুক দেখি প্ৰথমতে মই অবাক হৈছিলোঁ। তাৰ পিছত ৰাতিৰ কথা মনত পৰি, নির্বিকাৰভাৱে তেতিয়াও শুই থকা যাদুৰ মুখখন দেখি মোৰ বৰ মৰম লাগি গ'ল। জগাই নিদি মই নিজে উঠি আহিলোঁ। মেজৰ ওপৰতে বেহেলাখন পেলাই থোৱা আছে। অকণমান চুই চাবৰ মন গ'ল।

যাদুৱে সাৰ পালে মই অফিচলৈ যাবৰ সময়ত। ভাবিছিলোঁ চাহ-তাহ খাই সি যাবগৈ চাগৈ। কিন্তু চাহ খোৱাৰ আগতে সি নিজে সুধিলে এবাৰ, "আধান, মই আজিও থাকোঁ অ' ইয়াতে।" মই হাঁহি দিলোঁ। "বায়েৰক খবৰটো দিয়াৰি বতনৰ হতুৱাই" বুলি কৈ মই গুচি গ'লোঁ।

অফিচৰ পৰা ঘূৰি আহি মই তাক সাৱধান কৰি দিলোঁ সি যেন ৰাতিখন হামদৈ পুলত মৰিবলৈ নাযায়। কি বজাই ঘৰতে বজাব। একো উত্তৰ নিদি সি হাঁহি এটা মাৰিলে। আশ্বস্ত হৈ মই গধূলি মাধৱ বৰুৱাৰ ঘৰত খবৰটো দি আহিলোঁগৈ যে যাদু মোৰ তাতে আজি ৰাতিটো থাকিব। লগতে আগৰাতিৰ কথাও ক'লোঁ। এজনো দেখিলোঁ বিচলিত নহ'ল। তেওঁলোকে হেনো জানে ৰাতি যাদু কেতিয়াবা বাহিৰলৈ যায় হাতত বেহেলাখন লৈ। পিছে তাৰ প্ৰতি ঘৰখন ইমান আওকণীয়া যে সি যদি ৰাতি ক'ৰবাত এক্সিডেন্ট হৈ পৰি মৰিও থাকে ভিনিহিয়েকহঁতে বেগেতে খবৰ নকৰে। অৱশ্যে সি হামদৈ পুললৈ যোৱাটো কোনেও নাজানে। সেইটো খবৰ মইহে দিলোঁ। বায়েক খন্তেকলৈ শিয়ৰি উঠিছিল। একো নক'লে পিছে।

বিছনা এখন বেলেগে পাৰিলোঁহেঁতেন। এনেয়ে নিদিলোঁ। যাদুক ক'লোঁ, "লগতে শো।"

ৰাতি মই সাৰ পাই গ'লোঁ। অনভ্যস্ত ঠাই আৰু লোকৰ বিছনা বাবেই বোধকৰোঁ যাদুৱে উঠি বেহেলাখন ল'বলৈ যাওঁতে ঘটকৈ শব্দ এটা হ'ল। মই সাৰ পাই উঠিলোঁ। থাপ মাৰি ধৰিলোঁ যাদুৰ হাতত। "এই ক'লৈ যাব?" "বাহিৰত বৰ জোনাক অ' আধান।" যেন জোনাকেহে তাক জগাই দিলে। "জোনাক পিছে কি হ'ল? শুই থাক।" মই দাবি এটা দিলোঁ তাক। চকু দুটা মোৰ ভালকৈ মেল খাব খোজা নাই। সিয়ো মন কৰিলোঁ একো আপত্তি নকৰাকৈ শুই থাকিল। নিশ্চিন্ত হৈ ময়ো টোপনি গ'লোঁ। লগত শোৱা অভ্যাস নথকা বাবেই নেকি আকৌ সাৰ পালোঁ মই এবাৰ। কিমান সময়ত ক'ব নোৱাৰোঁ। দেখোঁ কাষত যাদু নাই। টোপনি ভাগি গ'ল। ওচৰতে থকা টেবুলৰ ওপৰৰ ঘড়ীটোলৈ চালোঁ দুই বাজি গৈছে। উঠি গাত কামিজ এটা সোমাই ল'লোঁ। বতনক জগাই বাহিৰতে বহি থাকিবলৈ কৈ মই অকলে হামদৈ পুলৰ ফালে আগবাঢ়িলোঁ।

হয়। যাদু তাতে আছে। অলপ দূৰৰ পৰাই বেহেলাৰ মাত শুনিলোঁ। গোটেই গাতে শিহৰণ এটা উঠিল। খোজ পাতল হ'ল। গোটেই পৰিবেশটো কিবা কুহেলিকা

যেন লাগিল মোৰ এখন্তেক। আগবাঢ়ি গৈ একেবাৰে পুল পালোঁগৈ। যাদুৱে ক'ব নোৱাৰে মই অহা কথা। একান্তমনে সি বেহেলা বজাই আছে। আৰু চকু আছে আকাশৰ মাৰ যাব খোজা জোনটোত। মই যোৱা বাতিৰ দৰে তাক বাধা দিব নোৱাৰিলোঁ। তাৰ বেহেলাৰ পৰা ওলোৱা একোটা মীড়ে মোৰ বুকুত ঠেকা খাই অৱশ কৰি পেলালে মোক। পুলটোত বহি পৰিলোঁ। ধান দোৱা শেষ হ'ল তেতিয়া। সঁজাল ধৰিছে। দুই-এগোছ পুলৰ কাষৰ সৰু পুখুৰীৰ বুকুলৈকে বোৱা আছে। পানীখিনি নিশ্চল। ওলাই থকা জেং এটুকুৰাত জীঁয়া এটা পৰি বোধকৰোঁ শুই আছে। আৰু তাকে জগাই দিবলৈ যেন ওচৰৰ সেউজীয়া ধান কেইগছে হালি-জালি বতাহ কঁপাবৰ চেষ্টা কৰিছে। আৰু হালিছে যেন যাদুৰ বেহেলাৰ পৰা ওলোৱা প্ৰতিটো গমকৰ ঠেকা খাই। ভালকৈ নাজানিলেও মই যেন বুজিলোঁ বেহেলাত তেতিয়া ৰামকেলিৰ মূৰ্চ্ছনা। মোৰ বাজহাড়ৰ ওপৰতে ভিতৰি ভিতৰি কিবা এটা বগাই যোৱা যেন লাগিল। ভয়ত মই যাদুৰ বাউসিত থাপ মাৰি ধৰিলো। বেহেলা বন্ধ হৈ গ'ল। যেন তাঁৰহে ছিগিল এডাল। মোলৈ চালে যাদুৱে। চকুত তাৰ কোনো প্ৰশ্ন নাই। কোনো ক্ষোভ নাই। খং নাই, ৰাগ নাই। হঠাৎ দিয়া বাধাৰ বাবে সি যেন ক'ব নোৱাৰাকৈয়ে প্ৰস্তুত হৈয়ে আছিল।

মই নিজেও বহুত পৰলৈকে একো মাতিব নোৱাৰিলোঁ। বহুত বেলিৰ মূৰত যেতিয়া মাত্তিব খুজিলোঁ, মোৰ মুখৰপৰা মাত্ৰ তাৰ নামটোহে ওলাল। "যাদু"। সি তেতিয়া পশ্চিম আকাশৰ মাৰ যাব খোজা জোনটোলৈ চাইছে। জোন শেঁতা হ'ল। পুবফালে আন্ধাৰ পাতল হ'বলৈ আৰম্ভ কৰিছে। কছাৰীহাটৰ মচজিদৰ কাষৰ নাৰিকলজোপাৰ পাতকেইটা লাহে লাহে স্পষ্ট হৈ উঠিছে। মই 'ব'ল ঘৰলৈ যাওঁ' বুলি ক'ব খুজিও একো ক'ব নোৱাৰিলোঁ। যাদুৱেহে শেষত ক'লে "যাব লাগে আৰু"।

সেইদিনা মই ৰাখিলোঁ তাক মোৰ ঘৰত। ৰাতি টোপনি নধৰিলে মোৰ। সি বেহেলা হাতত লৈ বাট চাই থাকিলোঁ, আৰু তাৰ লগে লগে ময়ো গ'লোঁ হামদে পুললৈ। পুলত বহি কি কৰে কি নকৰে চাবলৈ লৈ মই মন কৰিলোঁ। আকাশৰ জোনলৈ চাই যাদুৱে মোৰ অস্তিত্বই পাহৰি গ'ল। যাওক মই আমনি নিদিলোঁ। জোনলৈ চাই সি হাঁহি এটা মাৰিলে। যেন পূৰ্বৰ বন্দবস্ত মতে সি ঠিক সময়তে আহি জোনক জনাইহে ল'লে। জেপৰ পৰা বজনডোখৰ উলিয়াই ব'ডালত ঘঁহিলে এবাৰ। বেহেলাখনৰ কোনোবা এডাল তাঁৰ এবাৰ টিলাই আকৌ টানকৈ লৈ দুবাৰ নে এবাৰ চেভাৰ বজোৱাৰ দৰে বজাই চালে। তাৰ পিছত বাউসিলৈ তুলি লৈ থুঁতৰিৰে চেপি ধৰিলে।

এয়া কিহৰ আলাপ? যাদুৱে যাদু জানে নে কি? ব'ডাল সঁচাকৈয়ে যাদুৱে চলাইছে নে অদৃশ্য কোনোবা শক্তিয়ে যাদুৰ পৰশেৰে বেহেলাৰ তাঁৰৰ ওপৰত বেগ দিছে? মই যেন মন কৰিলোঁ নিশাৰ এই নিস্তব্ধ পৰিবেশে হামদে খাতৰ মুকলি পথাৰৰ ওপৰত আকাশখন গধুৰ কৰি থৈছে। সঁজাল ধৰা সেউজীয়া ধানৰ আগবোৰ

ৰৈ ৰৈ কঁপি উঠিছে। যাদুৰ বেহেলাৰ আলাপৰ যাদুময় সুৰে গধুৰ থমৃথমীয়া বতাহ ফালি থানবান কৰি দিছে। মোৰ গাৰ নোমবোৰ থিয় হৈ গ'ল। যাজহাড়ৰ ওপৰেদি ভিতৰে ভিতৰে কিবা এটা পিৰ্‌পিৰাকৈ বগাই যোৱা যেন লাগিল। ভয় খাই যাদুক থাপ মাৰি ধৰিবলৈ গৈ ৰৈ গ'লোঁ।

যাদুৰ অস্তিত্ব জোনৰ পোহৰৰ স'তে মিলি গ'ল। দেহাটো এৰি যেন সি বেহেলাৰ পৰা নিসৃত হোৱা দৰবাড়ী কানড়াৰ দ্রুত স্পন্দনৰ লগত টৌ হৈ হামঁদে পুলৰ কেউকাষত বতাহত বিলীন হৈ গ'ল। মই যেন তাক চুকি নাপাম। মোৰ আৰু তাৰ মাজত যেন এখন পৃথিবীৰ ব্যৱধান।

সি নিজে যেতিয়া ৰ'ল, কছাৰীহাটৰ মচ্‌জিদৰ কাষত নাৰিকল গছৰ পাত চকুত পৰা হ'ল। জোন শেঁতা হ'ল। পুৱফালে আন্ধাৰ পাতল হৈ পৰিল। ঘৰলৈ ঘূৰিব খুজি দেখিলোঁ আমি দুয়ো অৱশ হৈ পৰিলোঁ অথচ টোপনিয়ে অকণো আমনি কৰা নাই। যাদুৰ বাওঁহাতৰ বেহেলাখন ওলমি পৰিল।

যাদু সেইদিনাও নগ'ল বায়েকৰ ঘৰলৈ। মই একো আপত্তি নকৰিলোঁ। এটা সুবিধা আছিল। ময়ো সংসাৰত অকলশৰীয়া। যাদুৰ বায়েক এজনীয়ে আছে; মোৰ সিয়ো নাই। গাঁৱৰ ফালে কোনোবা কোনোবা আছে মই খবৰ কৰা নাই। মোৰ খবৰ কৰা নাই কেৱে। দেউতাই মোলৈ দুকঠা মাটিৰ স'তে এই ঘৰটো এৰি থৈ গৈছে। মই গড়কাপ্তানীৰ জুনিয়ৰ একাউণ্টেণ্ট, কিন্তু মেজাৰমেণ্ট বুক, বাৰ্ণিং বিল, ফাইনেল পেমেণ্ট, মাষ্টাৰ ৰল এইবোৰৰ বাহিৰেও মোৰ সাংস্কৃতিক সত্তা এটা আছিল। তাৰ জৰিয়তে মই নগৰৰ সাংস্কৃতিক অনুষ্ঠানবোৰত ভাগ লওঁ। বাঁহী বজাবলৈ শিকিছিলোঁ, বুলিৰ দেউতাকে একবাই দিলে হাওঁফাওঁত দুখ পাওঁ বুলি। আৰু তেখেতৰ কথা মই পেলাব নোৱাৰোঁ বুলিৰ লগত থকা মোৰ সম্পৰ্কটোৰ বাবে। আৰু সেইবাবে এতিয়া মঞ্চৰ আঁৰত প্ৰযোজকসকলৰ এজন হৈ থাকোঁ।

এইবোৰৰ বাবেই হওক বা আন কিবা মই নিজে নজনা কাৰণতে হওক যাদুক মই বায়েকৰ ঘৰলৈ যাবলৈ নক'লোঁ। মাধৱ ককাইও একো আপত্তি নকৰিলে। মাজে মাজে মাধোঁ খৰচ-পাতিৰ বাবে টকা কেইটামান দিয়াৰ প্ৰতিশ্ৰুতি দিলে। মই তাৰ ওপৰত বৰ নিৰ্ভৰ কৰিব নুখুজিলোঁ।

যাদুৱে অতি সহজভাৱে নিজকে খাপ খুৱাই ল'লে মোৰ ঘৰখনৰ লগত। যতনে মোৰ ভাত ৰান্ধে। সিয়ো আপত্তি কৰিবৰ একো থল নেদেখিলে, শেষলৈ যাদু যে মোৰ ভাই বা নিচেই ওচৰ সম্পৰ্কীয় কোনো নহয় সেই কথা কোনেও ভাবিব নোৱাৰা হ'ল।

বুলিইতেও যাদু মোৰ লগত থকাটো দেখিলে, দেখিলে মানে মানি ল'লে, ওচৰ-চুবুৰীয়াই সকলো কথাকেই সহজকৈ ল'লে।

ইতিমধ্যে বুলিৰ যোগেদি সেই অঞ্চলৰ কেউজনী ছোৱালীয়ে আৰু তেওঁলোকৰ মাৰফতে আমাৰ চুবুৰীৰ সকলোৱে বাতি যাদুৱে হামঁদে পুলত বেহেলা

বজোৱা কথাটো গম পালে। ইজনে-সিজনে দুই-এষাৰ মন্তব্য নিদিয়াকৈ নাথাকিল। সৰহভাগে কিন্তু ল'ৰাটোৰ অদ্ভুত চৰিত্ৰৰ বিষয়েহে আলোচনা কৰিলে।

নিষ্কৰ্মা হ'লেও, পঢ়া-শুনা নাইকিয়া হ'লেও, কোনো এটা কামৰ প্ৰতি আগ্ৰহ নাথাকিলেও যাদুক দেখিলে কোনেও নেওচা দিব নোৱাৰে। তাৰ মুখত লাগি থকা অঁকৰা হাঁহিটোৱে ঠাট্টা-মস্কৰা, ডাবি-ধমকি, গালি-শপনি, আলোচনা-সমালোচনা সকলোবোৰ ওফৰাই দিয়ে। আৰু এতিয়া তাৰ অদ্ভুত পৰিবেশত বেহেলা বজোৱা কথাটোৱে বহুতকে তাৰ প্ৰতি কৌতূহলী কৰিলে।

এৰাতি দেখিলোঁ বুলি আৰু বুলিৰ দেউতাক লগত ঘৰত কাম কৰা মানুহ এটা লৈ হামদৈ পুললৈ আহিছে। আজিকালি মই যাদুৰ লগ প্ৰায় নেৰাই হ'লোঁ। কেইদিনমান অসুখ যেন লাগে। সিয়ো ভাল হৈ যায়। কিন্তু মোহ নেৰায় বাবে মই তিনি-চাৰি ৰাতি তাৰ লগত প্ৰায় উজাগৰে কটাই দিওঁ। তিনি-চাৰি ৰাতিহে; কাৰণ পূৰ্ণিমাৰ আগে-পিছে তিনি-চাৰি ৰাতিমানহে যাদু হামদৈ পুললৈ যায়। এবাৰ সুধোঁতে কৈছিল সেই কেইৰাতিহে তাৰ হেনো ৰৰকৈ যাবৰ মন যায়। জোনাকে হেনো তাক বৰ আমনি কৰে। গা পিৰ্‌পিৰাবলৈ ধৰে। অৱশ্যে বেহেলাখন হাতত লৈ ওলাই গ'লেই ভাল লাগে।

মোৰ মুখৰ পৰা এইবোৰ শুনি বুলিৰ আগ্ৰহ হৈছিল। দেউতাকে উৎসাহ নিদিলে, তথাপি বোধকৰোঁ বুলিয়ে সদায় লাগি থকা বাবেই এৰাতি লগত মানুহ এটা লৈ যাদুৰ বেহেলা শুনিবলৈ ওলাল বুলিৰ দেউতাক।

যাদুৱে কিমান ভাল বেহেলা বজায়, সেই বিচাৰ মই কৰিব নোৱাৰোঁ। তাৰ ওপৰত বেহেলাবাদক যে নাই সেইটোও সঁচা নহয়। কিন্তু সি যেনেকৈ, যি পৰিবেশত আৰু যিমান মগ্ন হৈ বেহেলা বজাই তেনেকৈ বজাই বুলি আমি দেখাতো নায়েই শুনাও নাই। যাদুৱে তেনেকৈ বেহেলা বজোৱাটো এটা কৌতূহলৰ বিষয় আৰু কৌতূহলৰ বাবেই তাৰ বেহেলা বজোৱা শুনা প্ৰায় প্ৰত্যেকজনেই অভিভূত হৈ কৈছিল : "অপূৰ্ব"।

বুলিহঁত যোৱাৰ পিছৰপৰা আৰু দুই-চাৰিজন মানুহে ৰাতি যাদুৱে হামদৈ পুলত বেহেলা বজোৱা চাবলৈ গৈছিল। সেই বাবেই নিচেই অলপ সময়ৰ ভিতৰতে কথাটো নগৰৰ বহুতেই জনা হ'ল। পূৰ্ণিমাৰ আগে-পিছে পিছলৈ হামদৈ পুলত সৰু অনুষ্ঠান এখনৰ দৰে হোৱা হ'লগৈ। অৱশ্যে ৰাতৰ বেয়া হ'লে, বৰষুণ দিলে, কথা বেলেগ।

যাদুৱে কিন্তু সেইবোৰ মন নকৰে। বেহেলা সামৰি ঘৰলৈ আহিবলৈ ওলাওঁতেহে তাৰ চকুত পৰে মোৰ বাহিৰে আন মানুহেও কেতিয়াবা তাৰ বেহেলা বজোৱা শুনেগৈ। ভ্ৰুক্ষেপ নকৰে সি — কৰিবলৈ মই লাহে লাহে মন কৰিলোঁ তাৰ দেহ-মনত শক্তি নাইকিয়া হয়। বেহেলা বজাওঁতে ইমান কষ্ট হয় জানো? ক'তা আনেও দেখোন বহু সময় ধৰি বেহেলা বজায়, কাকোচেন ভাগৰি পৰা দেখা নাই। যাদু কিন্তু অৱশ হৈ পৰে। জোন মাৰ যাব খোজোঁতে তাৰ বজোৱা শেষ হয়।

জোনটোৰ দৰে সিয়ো শেঁতা পৰি আছে— বাত্তিও মোৰ কথাটো চকুত পৰে। বুকুৰ সকলো শক্তি, মনৰ সকলো একাগ্ৰতা ঢালি সি বেহেলা বজাব লাগে কিয় মই বুজা নাছিলোঁ।

কেতিয়াবা বাত্তি বৰষুণ দিলে, পূৰ্ণিমা হ'লেও সি হামদৈ পুললৈ যাব নোৱাৰিলে বিছনাতে উঠি বহি থাকে। ময়ো সাৰ পাওঁ। খিৰিকীৰে সি আকাশলৈ চাই থাকে তন্ময় হৈ। ডাৱৰৰ মাজে মাজে চকামকাকৈ কেতিয়াবা জোনটোৰ এচিকটো দেখিলে তাৰো তেজৰ চাপ উঠা-নমা কৰে, অস্থিৰ হৈ উঠে। কেতিয়াবা মই সুধি দিওঁ- "কি হ'ল যাদু?" "জোনটোৱে হাঁহিছে অ' মোক।" মোলৈ নোচোৱাকৈ কয় যাদুৱে। মই অবাক হৈ চাই থাকোঁ তাৰ জোনৰ পোহৰত শেঁতা যেন দেখা মুখখনলৈ।

এবাৰ সুধিছিলোঁ সি কি বজাই বা কি বজাবৰ মন যায়। মোৰ মনত খেলাইছিল যোগিয়া, মালকোষ, ভৈৰৱৰ কথা। সি উত্তৰ দিলে "বেহেলা।" মোৰ খং উঠি গ'ল। আকৌ সুধিলোঁ কোন ৰাগ তাৰ আটাইতকৈ ভাল লাগে "মই ক'ব নোৱাৰোঁ।" — অঁকবাৰ দৰে ক'লে যাদুৱে। খং উঠি একো মতা নাছিলোঁ।

মাজে মাজে বুলি অকলে অহা হ'ল মোৰ ঘৰলৈ এতিয়া, যাদুৰ লগত বেহেলাৰ কথা পাতিব খোজে। যাদুৱে কিন্তু সদায় তেওঁৰ বেহেলাৰ আগ্ৰহটো এৰাই যায়। এনেয়ে সি বৰকৈ কথা নাপাতে। বেহেলাৰ কথা ওলালে আৰু নোৱাৰা হয়। মাখন দাদা, ধীৰেন চৌধুৰী, গুণীন ববা আৰু তেনেকৈ নগৰৰ সঙ্গীত জগতৰ দুই-চাৰিজন লোকে তাক মোৰ ঘৰত দেখা কৰিবলৈ আহে। সকলোৱে বেহেলাৰ কথাই পাতে। সি নিজে কাক কি কয় মনত নাথাকে। এদিন সেইদৰে মাখনদাক ক'ব নোৱাৰাকৈয়ে "বাৰু" বুলি কোৱাৰ বল লৈ মই তাক ধৰিলোঁ মিউজিক স্কুললৈ শনিবাৰে আবেলি যাবলৈ। সি যে ক'ব নোৱাৰাকৈয়ে 'বাৰু' বুলি কৈছিল জানো। কাৰণ মিউজিক স্কুলৰ কথা শুনিয়েই প্ৰথমতে সি কৈছিল তাত গৈ কি কৰিবগৈ বুলি। গুণীন ববাই ঘৰলৈ মাতিছিল তাক। নগ'ল। ববাৰ ঘৰলৈ কিয় বায়েকৰ ঘৰলৈকে সি প্ৰায় নোযোৱাৰ দৰে হ'ল আজিকালি।

বুলিহঁতে, মানে বুলিয়ে লগত কোনোবা বান্ধৱী দুগৰাকীমান লৈ এদিন আহি তাক তেওঁলোকৰ ঘৰলৈ লৈ যাবলৈ ওলাল। নেৰা-নেপেৰাকৈ লাগি বুলিয়ে হেনো বেহেলাখনো দাঙি লৈছিল। মই নাছিলোঁ ঘৰত। যাদু নগ'ল। নাযাওঁ বুলি কোৱা নাছিল। মাতকে মতা নাছিল হেনো। মাত্ৰ অঁকবাৰ দৰে হাঁহি হাঁহি সি তাৰ বিছনাত বহি থাকিল। ৰতনে কৈছিল মোক পিছত।

মই সেইবাবে মফলৈ নিয়াৰ আশা কাহানিও কৰা নাছিলোঁ। তথাপি ৰহতৰ কথা পেলাব নোৱাৰি এবাৰ বৰকৈ ধৰিলোঁ তাক। ভাবিও দিলোঁ দুবাৰ নে এবাৰ। পৰা নাছিলোঁ। এইবাৰ আমাৰ কলকাৰেকৰ লগত এখন সাংস্কৃতিক অনুষ্ঠান পতাৰ বাবে কামটো একেবাৰে নিজৰ নিজৰ যেন লাগিছিল। সদৌ অসম গড়কাপ্তানী

কেবেণী সংঘৰ অধিবেশন। মঞ্চৰ সম্পৰ্ক থকাৰ বাবে অভ্যৰ্থনা সমিতিয়ে মাখন দাদাইতকে ভাৰ দিছিল অনুষ্ঠান পাতিবলৈ আৰু আমাৰ নিজৰ অধিবেশন বাবে যাদুক হেঁচা মাৰি ধৰিলোঁ। একো চাব নালাগে, হামদৈ পুলত বজোবাৰ দৰে চকু মুদি বজাই যাব, কেনে হৈছে-নহৈছে সি ভাবিবই নালাগে। বাৰু বুলি কৈছিলগৈ শেষত সি। আৰু পৰিণাম হ'ল সেয়া। লাজত নাকটো মোৰ কটা যোৱা যেন লাগিছিল।

সেইটো খণ্ডতে পিছৰবাৰ পূৰ্ণিমাৰ সময়ত মই তাৰ লগত নগ'লোঁ পুললৈ। কি দৰকাৰ পাগল এটাৰ লগত ইমানকৈ টোপনি খতি কৰি মৰিবলৈ।

হ'লেও এটা কথা মোৰ দৃষ্টিত এৰাই আছিল। দিনে দিনে যাদু নিস্তেজ হৈ পৰিছিল। সেইবুলি মানুহটো দুৰ্বল হোৱা মোৰ চকুত পৰা নাছিল। চকুত পৰিবলৈ সি কিবা কাম-বন কৰিলেহে। নকৰে। কুটা এগছ দুডোখৰ নকৰে সি। মোৰ ইয়ালৈ অহাৰপৰা সি চুৰট খাবলৈ শিকিলে। প্ৰথমতে নাকেদি ধোঁৱা উলিওৱাৰ চখতে দুটা নে এটা খাইছিল। হোপা মাৰি নাকেদি ধোঁৱা উলিয়াই উল্লাসত সৰু ল'ৰাৰ দৰে মোকো দেখুৱাইছিল। এতিয়া তাৰ প্ৰকোপতে মই চুৰট লুকাই থ'ব লগা হৈছে। পিছে চুৰটে জানো মানুহৰ তেজ শোহে? নুশুহিলে মানুহটো ইমান শেঁতা হৈ গৈছে কিয়? কিবা সাধনা? কিবা লক্ষ্য? কিবা জেদ? একো বুজিব নোৱাৰি।

জোনটোলৈ চাই বেহেলা বজাব লাগে কিয় বা কেবল জোনাক ৰাতিহে তাৰ বজাবলৈ মন যায় কিয়? — সুধি মই কাহানিও উত্তৰ নাপালোঁ। কাহানিও ঘৰত তাৰ হতুৱাই বেহেলাখন বজোৱাব নোৱাৰিলোঁ। কথাৰ লাছতে মাথোঁ সুধিছিলোঁ এদিন সি জোনটোৰ পৰা কিবা প্ৰেৰণা পাই নেকি? ভদ্ৰ ভাষা। মনস্তত্ত্বৰ কথাও হ'ব পাৰে। আমাৰ মুখত তেনে প্ৰশ্ন শোভা নাপায়। তথাপি সুধিলোঁ। ক'ব নোৱাৰে সি একো। খং উঠিছিল মোৰ। খঙতে কৈছিলোঁ, "মাজৰাতি জোনলৈ চাই চাই অকলে কি বেহেলাডাল বজাবি তই!" বেহেলাডাল বুলি পেলালোঁ। সি তথাপি একো নামাতিলে। হাঁহি মাথোঁ ক'লে — "সীমিত সামৰ্থ্য মোৰ — তৃষ্ণা অনন্ত!" মই বৈ গ'লোঁ। যাদুৰ মুখত কবিতা! 'অনন্ত' শব্দটো দীঘলীয়াকৈ টানি ইমান সুন্দৰকৈ সুৰ এটা লগাই ক'লে যে মোৰ খং পানী হৈ গ'ল। ওচৰ চাপি বহি ল'লোঁ। মৰমেৰে সুধিলোঁ, "সঁচাকৈয়ে সি ভালকৈ বেহেলা শিকিব খোজে নেকি? সি নিয়মিতভাৱে ক্লাছ কৰিব নেকি? " একো উত্তৰ নাই। এবাৰ মাথোঁ ক'লে, 'মই শিকিয়ে আছোঁ দেখোন, অ'।"

সি হেনো শিকিয়ে আছে। শিকি থকা অৱস্থাত তাৰ বেহেলাত ইমান স্পষ্ট হৈ মালকোষ কেনেকৈ ওলাই মই নাজানো। সি নিজেও ক'ব নোৱাৰে।

তাৰ নিৰ্বিকাৰ স্বভাৱটোৰ বাবে মোৰ জেদ বাঢ়ি গৈছিল। কেবাবাৰো তাৰ লগত নগৈ মই শুই আছিলোঁ। যি হয় হওক তাৰ।

ইতিমধ্যে জাৰ পৰিবলৈ আৰম্ভ কৰিছে। মানুহে ধান দাইছে। লগে লগে জোনাকো বেছি হৈছে। জোনৰ পোহৰে ৰাতিকো দিন কৰিব পৰা হৈছে। তথাপি জাৰৰ বাবে যাদুৰ বেহেলা শুনা মানুহ কমি গৈছে। বুলিহঁত দেউতাক নোযোৱা বাবে

যাবলৈকে এৰি দিলে। দেউতাকৰ আৰু এটা আপত্তি এদিন মোক পাকে-প্ৰকাৰে জানিব দিছিল। যাদু সদায় মোৰ লগতে থাকিব নেকি? থাকিলে বিয়াৰ পিছত মোৰ অসুবিধা নহ'বনে? তাৰ উপৰি খৰচৰ কথাটো দলিয়াই পেলোৱা উচিত হ'ব জানো? কথাটো মই কাহানিও ভবা নাছিলোঁ। হয়তো। বুলিৰো নিশ্চয় আপত্তি হ'ব। সেইবাবেই তেওঁলোক নিশ্চয় ৰাতি হামদৈ পুললৈ যাবলৈ এৰি দিলে। আকৌ কিছুদিন যাদুৱে অকলে বেহেলা বজালে। অকলে বজাবলৈ গৈয়ে এদিন ৰাতি সি ঘূৰি নাহিল। পাগলৰ কথা, কি ঠিক ক'লৈ গৈছে বুলি ভাবি মই খবৰ নকৰিলোঁ। খবৰ দিলেহি বুলিৰ দেউতাকে। নিচেই পুৱাতে উঠি তেওঁ ফুৰিবলৈ যায় হামদৈ পুলৰ ফালেই। লগত তামুলী ছাৰ। তেখেতসকলে দেখিলে যাদুৱে পুলতে মূৰ থৈ শুই আছে। গাত গৰম কাপোৰ একো নাই, ৰাতি পিন্ধি থকা কামিজটোহে আছে। দুয়ো হেঁচুকি জগাই দিবলৈ গৈ দেখে তাৰ টোপনি নহয়। অজ্ঞান হৈ পৰি আছে। ঠাইতে বিস্নাও নাই। তামুলী ছাৰক তাতে এৰি বুলিৰ দেউতাক মোৰ ওচৰ পালেহি। মই উঠিছোঁহে মাত্ৰ। লৰালৰিকৈ চাইকেলখন লৈ ওলাই গ'লোঁ। বুলিৰ দেউতাকে গাড়ীখন পঠাই দিবলৈ গ'ল।

মাধৱ বৰুৱাক খবৰ দিয়ালোঁ। দুয়ো আহিল। ডাক্তৰো আহিল। দুপৰীয়া যাদু একেবাৰে ভাল। পুৱা যে অজ্ঞান হ'ব পৰা কিবা এটা হৈছিল সি ক'বই নোৱাৰে। কিমানবাৰ সুধিলোঁ কি হৈছিল, একো ক'ব নোৱাৰিলে। মাধৱ বৰুৱাই টানকৈ কৈ গ'ল সি যেন হামদৈ পুললৈ ৰাতি নাযায়। বায়েকে মোক একাষৰীয়াকৈ মাতি নি মাধৱ বৰুৱাই নুশুনাকৈ ক'লে, "তাক অকণমান চাবা, আধান।" কওঁতে মাত থোকাথুকি হ'ল বাইদেউৰ। "সি তালৈ নোযোৱাকৈ নোৱাৰে। কি আছে তাত ঈশ্বৰেহে জানে।" মোৰ ক'ব লগা একো নাছিল।

গধূলি ভাত খাবলৈ বৰুৱাই মই তাৰ বেহেলাখন লুকাই থ'লোঁ। তাৰে বিছনাৰ তলত। ভাবিলোঁ সি একো ক'ব নোৱাৰিব। কিন্তু সি বেহেলাৰ গোন্ধো পায় হ'বলা। মই নিশ্চিন্ত হৈ শুই আছিলোঁ। কোন সময়ত সি ওলাই গ'ল মই ক'ব নোৱাৰিলোঁ।

শেষ ৰাতি সাৰ পাই দেখোঁ যাদু নাই। জাঁপ মাৰি উঠিলোঁ। লৰা-ঢপৰাকৈ পুললৈ খোজ ল'লোঁ। গৈ পাই মই অবাক। বুলি! বুলিৰ লগত তেওঁলোকৰ চাকৰটো। বুলিয়ে যাদুৰ ভৰিৰ ওচৰত বহি একাগ্ৰমনে তাৰ মুখলৈ চাই আছে। যাদুৱে চাই আছে জোনলৈ। হাতত বেহেলা। বেহেলাত বতাহ কঁপাই পিলু চলিছে। কোনেও একো ক'ব নোৱাৰে। তন্ময়। বুলিহঁতৰ চাকৰটোৱেও পুলৰ ওচৰতে থকা গছ পুলি এটাত ধৰি লৈ চাই আছে যাদুলৈ।

একো নামাতিলোঁ মই। একো বুজিব নোৱাৰিলোঁ।

যাদুৰ বেহেলাৰ পিলু আঁতৰি গ'ল। জোনটোও লাহে লাহে শেঁতা হ'বলৈ ধৰিছে। বেহেলাৰ গৎ ভীষণ খৰ হ'বলৈ ধৰিলে। ওচৰ চাপি গৈ দেখোঁ যাদুৰ ডিঙিৰ সিৰ দুডাল ফুলি উঠিছে। বুলিয়ে চকু মুদি আছে। মুদা চকুৰপৰাই দেখিলোঁ দুধাৰ

চকুলো ওলাই গালেদি বাগৰি গৈছে। যাদুৰ মুখখন এই কাগজখনৰ নিচিনা হৈ পৰিল। আঁঠু দুটা কঁপিছে। বেহেলাৰ লগত যেন তাঁলহে ৰাখিছে। মই বাধা দিম নে নিদিম ঠিক কৰিব নোৱাৰি থিয় হৈ থাকিলোঁ। জাৰ লাগিছে। পথাৰৰ ওপৰত কুঁৱলি পৰি লাহে লাহে ডাঠ হ'বলৈ আৰম্ভ কৰিছে। মুগা বৰণীয়া নৰাৰ ওপৰত পাতল বগা কুঁৱলিৰ চামনিখন চকুত পৰিছে। কছাৰীহাটৰ মচজিদৰ ফালে চালোঁ নাৰিকলপাতৰ কাঁচি যেন ধাৰটো অকণ অকণকৈ দেখা যেন লাগিল। আকৌ চকু পৰিল শুকাই তল পোৱা পুলৰ তলৰ পানীকণত। নিশ্চল। জোনটো তাতো আছে। অকণ অকণ কঁপিছে, ঠিক যেন জাৰহে লগিছে পানীত থাকিব লগা হোৱা বাবে। সেইপিনেই চালোঁ মই । কাণত পিলু আৰু বাহাৰৰ কিবা মিহলি মিঠা মাত। দুটা ৰাগৰ মিশ্ৰিত সুৰ। মোৰ কল্পনাই হ'ব। বিশ্লেষণ কৰা নাই। কৰিবৰ মোৰ ভাবো নাই। একেথৰে ময়ো তন্ময় হৈ চাই আছোঁ পানীত ওপঙি থকা জোনটোলৈ।

ঠক্‌কৈ শব্দ এটা হ'ল। লগে লগে কিবা এটা পানীত পৰিল। জোনটো টুকুৰা টুকুৰ হৈ ভাঙি গ'ল। "যাদুদা"! বুলিয়ে চিএৰ মাৰি দিলে। ঘূৰি চাই দেখোঁ যাদু ঢলি পৰিছে। বেহেলাখন তাৰ আগতে হাতৰপৰা সৰি পানীত পৰিল। সোঁহাতৰ বেঁকাকৈ ধৰা আঙুলি এটাত ব'ডাল।

বুলিয়ে মই থকা কথা বোধকৰোঁ অনুমানতে জানিছিল। "ধৰাচোন" বুলি কৈ নিজেই যাদুক সাৱটি ধৰিলে। চাকৰটোক মই পঠাই দিলোঁ বিস্না এখন আনিবলৈ। মোৰ নিজৰো অলপ ভুল ভুল হোৱা যেন লাগিল।

বিস্না, বুলিৰ দেউতাক আৰু তামুলী ছাৰ একেলগে আহিল। মই জনা নাছিলোঁ, তাৰ আগতে যাদুৰ উশাহ বন্ধ হৈ গ'ল। বুলিয়ে একেথৰে চাই আছিল যাদুৰ শেঁতা পৰা নিশ্চল মুখখনলৈ। মোৰ পিঠিত ৰাজহাড়ৰ ওপৰেদি কিবা এটা ভিতৰি ভিতৰি পিৰ্‌পিৰাই বগাই যোৱা যেন লাগিল। কপালত ঘাম ওলাইছিল কেইটোপমান।



নগেন শইকীয়া

আয়নাৰত নিজৰ মুখ

আন্ধাৰত নিজৰ মুখ

টোপনি নাই — গোটেই ৰাতি তাৰ টোপনি নাই। গৰমত গাৰ কাপোৰ দলিওৱা দি সি তাৰ মগজুৰ পৰা সকলোবোৰ চিন্তা দলিয়াই পেলাবলৈ যত্ন কৰিছে— তাক আহি বেড়ি ধৰা সকলোবোৰ শব্দ আৰু ছবি সি মনৰ পৰা মচি পেলাই শুবলৈ যত্ন কৰিছে। চকু মুদিলেই সৰু ল'ৰা এটাৰ মুখ এখন যেন আগবাঢ়ি আহে : কিবা এটা ক'বলৈ দুয়োটা ওঁঠ গোল কৰি লোৱা এখন মুখ। সি চকু মেলি দিয়ে। তাৰ অকলশৰীয়া ঘৰটোৰ ভিতৰত আৰু বাহিৰত বিয়পি থকা ডাঠ নিৰ্জনতাৰ মাজেদি যেন মানুহৰ সমদলৰ শব্দবোৰ বাঢ়ি আহে — ভাব হয় শব্দবোৰৰ ফ্ৰিকুৱেন্সি বাঢ়ি গৈছে আৰু সিহঁত জীৱন্ত হ'বলৈ ধৰিছে — সিহঁতে তাৰ অডিটৰি নাৰ্ভত হেঁচা দিবলৈ আৰম্ভ কৰিছে আৰু সি কাতৰ হৈ উঠিছে। সি চকু মেলি দিয়ে। নিস্তব্ধ চহৰৰ বুকুৱেদি পাৰ হৈ যোৱা অকলশৰীয়া একোখন গাড়ীৰ শব্দত, দূৰত পাৰ হৈ যোৱা ৰেলৰ উকিৰ শব্দত আৰু ৰেলৰ এটা ক্ৰমবিলীয়মান চলন্ত গতিৰ শব্দত, ক'ৰবাত ভুকি উঠা কুকুৰৰ বিৰক্তিকৰ শব্দত — এনে ধৰণৰ শৃংখলাহীন আৰু আকস্মিক শব্দৰ পুনৰাবৃত্তিত তাৰ স্নায়ু উত্তেজিত। এই শব্দবোৰৰ গাত ভেজা দি তাৰ কোঠাত যেন দিনৰ শব্দবোৰৰ পুনৰুত্থান ঘটিছে — সিহঁতে তাৰ কাণৰ পৰ্দাত উপৰ্যুপৰি আঘাত কৰিছে : ফ্ৰিকুৱেন্সি খুব হাই, তাৰ তৰংগ-দৈৰ্ঘ্যৰ কোনো হিচাব উলিওৱা সম্ভৱ নহয়। কাৰণ, ধ্বনিবোৰ বিভিন্ন দৈৰ্ঘ্য আৰু ওজনৰ, আৰু সিহঁতৰ এটা মিশ্ৰিত ধ্বনিৰ বে-হিচাবী প্ৰকাশৰ মাজত সিহঁতৰ ব্যক্তিগত বিচিত্ৰতা বিলীয়মান। তাৰ মাজত স্পষ্ট হৈ ধৰা দিব খোজা মুখৰ ছবিবোৰ গলি যায় আৰু মুখৰ বিভিন্ন অংশবোৰ বিকৃত হ'বলৈ ধৰে। ভাব হয় — দুই-এখন মুখৰ লগত তাৰ অন্তৰংগ পৰিচয় আছিল।

দুই

সি ভাবিব নোখোজে। সি পাহৰি যাব খোজে। কিন্তু সমগ্ৰ দিনৰ ঘটনাৱলীৰ ছবিবোৰ শাৰী পাতি তাৰ মগজুলৈ আগবাঢ়ি আহে — ঠিক যেন শাৰী পাতি অহা দুপৰৰ মিছিলটো — সৰু-ডাঙৰ বিভিন্ন মানুহৰ সমদল — হাতত প্লেকাৰ্ড আৰু মুখত শ্ল'গান। এসময়ত সিহঁতেও এনেকৈ সমদল-যাত্ৰাত উৎসাহ আৰু উত্তেজনাৰে যোগ

দিছিল। কিহৰ সমদল এতিয়া পাহৰি গৈছে—সি তেতিয়া স্কুলৰ তলৰ শ্ৰেণীত—হাফপেন্ট আৰু হাফ শ্বাৰ্ট পিন্ধা তজবজীয়া এটা ল'ৰা — ৰ'দত ঘামি গৈছিল, চিএৰবোঁতে ডিঙি শুকাই গৈছিল, ওপৰলৈ হাত দাঙি ধ্বনি দিওঁতে হাত বিষাই গৈছিল; তথাপি খন্তেক ৰ'বলৈ আজৰি নাই — সি নগ'লে যেন দেশ নৰ'ব — সি নিচিএৰিলে যেন কোনেও সিহঁতৰ কথা নুশুনিব — এই প্ৰত্যয়ত কিশোৰ মুখমণ্ডলৰ কোমল মাংসপেশীতো যেন এটা কাঠিন্যৰ ছবি জিলিকি উঠিছিল। হঠাৎ কোনোবাই ক'লে, কোনে ক'লে, মনত নাই — স্কুলৰ শিক্ষক হ'ব পাৰে, ওপৰ শ্ৰেণীৰ ডাঙৰ ল'ৰা হ'ব পাৰে নাইবা আন কোনোবা হ'ব পাৰে, "এই পেন্দুকণাটোক কিয় লৈছা?"

লগে লগে পেন্দুকণা কিশোৰৰ পৌৰুষ উত্তেজিত : "যামেই মই।" কোনোবাই ক'লে, "ইয়াক আগত দিয়া, মাৰটো তাৰ মূৰতে পৰক।"

তিনি

অনেক ঘটনা বা অঘটনাৰ খণ্ড খণ্ড চিত্ৰ যেন ইম্প'জ্ড আৰু ছুপাৰইম্প'জ্ড হৈ গৈছে — এতিয়া সিহঁতৰ কোনো কালানুক্ৰমিক শৃংখলা সম্ভৱ নহয়। তদুপৰি, সিহঁত প্ৰায় বিস্মৃত আৰু নতুনকৈ মস্তিষ্কৰ মাজত পুনৰ্গঠিত, যাৰ ফলত অনেকেই সিহঁতৰ মৌলিকত্ব হেৰুৱাই পেলাইছে। মৌলিকত্ব যদি আছেও, সিহঁত ক্ৰমাৎ অপৰিচিত হ'বলৈ ধৰিছে — যিদৰে এলবামৰ পুৰণি ছবিত চিনাকি মানুহৰ মুখৰ ছবিৰ সাদৃশ্য আবিষ্কাৰ কৰিলেও সেই অতীতৰ মুখৰ লগত বৰ্তমানৰ সম্পৰ্ক ছিন্নপ্ৰায় হৈ ধৰা দিয়ে — তেনেকুৱা কিবা এটা। ভাব হয় ছবিবোৰ মৰকুৱা হৈ গৈছে — ঠায়ে ঠায়ে ৰং এৰাই গৈছে আৰু চিনিব নোৱাৰা হৈছে — কিন্তু ছবিবোৰ আছে। ভাব হয় নতুন ছবিবোৰো ধূসৰ আৰু অস্পষ্ট।

চাৰি

ঘটনাবোৰে চিত্ৰ আৰু ধ্বনি হৈ তাৰ চকুৰ আগত ভিৰ কৰিছেহি — সি আঁতৰাই পঠাব খুজিলেও চলন্ত ৰূপত সিহঁতৰ দ্ৰুত অহা-যোৱা : আগদিনা ৰাতি কন্ট্ৰল ৰুমৰ সভা—ওপৰৰ হুকুম আৰু পুৰাৰ দায়িত্ব। পুৱা তাক এটা প্লেটুন আৰ্মড্ ফ'ৰ্চ দিয়া হ'ল আৰু সি প্ৰথমবাৰৰ বাবে তাৰ সিৰাই-সিৰাই অনুভৱ কৰিলে এটা উত্তেজনা—সি যিকোনো মিছিল বাধা দিব পাৰিব, ছত্ৰভংগ দিয়াবলৈ লাঠি চাৰ্জ কৰাব পাৰিব আৰু গুলি চলোৱাব পাৰিব। কলেজৰ অধ্যাপনা এৰি আহি এই নতুন চাকৰিত সোমোৱাৰ পিছত এই প্ৰথমবাৰৰ বাবে সি অনুভৱ কৰিলে—সি এটা দুৰ্বিনীত যন্ত্ৰৰ অংশ বিশেষ—তাৰ কোনো স্বাধীন সত্তা নাই—অধিকাৰ নাই—ব্যক্তিত্ব নাই।

পাঁচ

শৈশৱৰ কিছু স্মৃতিত দুলি আছে চাৰ্কাছৰ এটা তম্বু—ওপৰত ওলমি থকা ৰচী

আৰু বেডত কৰা খেল—আঃ কি ভয়ানক—এই পৰে—এই পৰে। হঠাৎ পৰি যাব পাৰে। তলত জ'কাৰটোৰ বান্দৰামি অসহ্য—ওপৰৰ পৰা এটা মানুহ সৰি পৰাৰ সম্ভাৱনা অথচ জ'কাৰটোৰে তা-না-না-না-না সুৰত আৰম্ভ কৰিছে বান্দৰামি। ছোৱালীজনীয়ে এডাল বড এৰি দিলে আৰু সৰি পৰোঁ পৰোঁ হৈ তলৰ বড এডালত আহি বৈ গ'লহি। সি তেতিয়া সৰু। হঠাৎ ওপৰলৈ চাই সি চকু মুদি দিলে। সি মাকক ক'লে, "ইয়াৰ পৰা ওলাই ব'লা—মই নাচাওঁ—মই নাচাওঁ।"

কি আচৰিত! যেতিয়া এটা বিন্দুত সকলো চকু স্থিৰ—এটা কিশোৰপ্ৰাণ সেই বিন্দু দেখি শংকিত। মাকে ক'লে, "চাচোন—কি সুন্দৰ খেলা খেলিছে।"

সি কান্দি দিলে, "মৰি গ'লে কি হ'ব?"

সি ডাঙৰ হোৱাৰ পিছত মাকে কেতিয়াবা কয়, "ইয়াৰ ইমান ভয়—জানে বাইদেউ ভয় নহয়—তাৰ ভিতৰত কিজানি কিবা এটা আছে—সহিব নোৱাৰে-"

জেঠায়ে কয়, "নহ'ব কেলেই—দেউতাক কি আছিল—কাৰোবাৰ গাৰ পৰা এটোপ তেজ ওলোৱা দেখিব নোৱাৰিছিল। এবাৰ কি হ'ল জানা—"

মাই হমুনিয়াহ কাঢ়ে, "মই নাজানোনে? কাৰোবাৰ গাটো অকণমান তপত হ'লেই অস্থিৰ হৈ পৰে। ই যেতিয়া সৰু, তেতিয়া কেতিয়াবা অকণমান বেছিকৈ কান্দিলেই উদ্বিগ্ন হৈ পৰে—মই নাজানোনে—বেহাগ শুনিলে টপ্-টপ্‌কৈ চকুপানী সৰি পৰে—কয় কি জানে? মানুহৰ ভিতৰৰ চকুপানী সুৰ হৈ সৰে—কিন্তু অৱশেষত মোক কান্দিবলৈ এৰি থৈ—।"

ছয়

ওপণ্ডি আছে এটা মতা কুকুৰাৰ ছবি—কি তাৰ অহংকাৰ! মূৰৰ ফুল নচুৱাই, ডিঙি ফুলাই সি যেতিয়া ৰাজকীয় গাম্ভীৰ্যৰে মাতে কক্ কক্ কক্ ক-অ-ক্, তাৰ কান লৰি থাকে, ইফালে-সিফালে চায় আৰু যেন কাৰোবাক হুকুম দিয়ে। সি সৰু কুকুৰাবোৰৰ গাৰ্জেন হৈ ঘূৰি ফুৰে। দুলমামাই এটা নতুন জাতৰ কুকুৰা আনিলে আৰু সিদ্ধান্ত হ'ল আগৰ কুকুৰাটোৰ কোনো প্ৰয়োজন নাই। সন্ধ্যাৰ আন্ধাৰত পাকঘৰৰ বাৰাণ্ডাত যেতিয়া দুলমামাৰ হাতত সি কক্‌ককাবলৈ ধৰিলে, পাখি মাৰি চট্‌ফটাবলৈ, ধৰিলে শব্দ শুনি সি দৌৰি গ'ল—সি দেখিলে দুলমামাৰ দুহাতৰ পৰা সি লেতু-সেতু হৈ সৰি পৰিছে—সি জোৰেৰে কান্দি উঠিল, "কিয় মাৰিলা—কিয় মাৰিলা? জীয়াই দিয়া—জীয়াই দিয়া—।"

অসম্ভৱ — জীয়াই দিয়া অসম্ভৱ। জীৱন কেৱল ল'ব পাৰি—দিব নোৱাৰি। আঃ কি যন্ত্ৰণা—কিয় এই ছবিবোৰ মনলৈ সোমাই আহিছে—সি বাধা দিব খোজে—কিন্তু তাৰ মস্তিষ্কৰ স্নায়ু-সন্ধি তাৰ ইচ্ছাৰ বিৰুদ্ধে সক্ৰিয়—অনেক বিচিত্ৰ ছবি প্ৰবাহিত হ'বলৈ ধৰিছে—মানুহৰ মুখ, জন্তুৰ মুখ, নৈসৰ্গিক প্ৰকৃতি—চহৰৰ আলিবাট —কত কি ছবি আৰু শব্দৰ প্ৰবাহ—দুখ আৰু সুখ—হাঁহি আৰু কান্দোন —।

সাত

প্ৰতিটো মুহূৰ্ত কি ভয়ানকভাৱে বিপদজনক। আঘাত অথবা মৃত্যু যেন অদৃশ্য হৈ আলিৰ কাষত বৈ আছে—গাৰ কাষত থিয় দি আছে। এটা দুৰ্ঘটনাৰ মাজেদি সি আহিব পাৰে—পৰিকল্পিত ষড়যন্ত্ৰৰ মাজেদি আহিব পাৰে—আত্মহত্যাৰ এটা প্ৰবল আবেগ হৈ আহিব পাৰে — অপ্ৰতিবোধ্য আৰু অমোঘ। সি যেন দেখা পায় তাৰ কলেজীয়া দিনৰ বন্ধু ৰতনৰ মুখখন। সকলোৰে কয়—কি অভদ্ৰ ল'ৰা—ডাঙৰ-সৰু নামানে—মুখৰ লেকাম নাই—ছোৱালীবোৰক বেয়া কথা কয়—ৰাস্তাৰ ভিখাৰীবোৰক গালি-গালাজ কৰে। কিন্তু, কি অদ্ভুত-নিজৰ খোৱা বস্তু নি সি ভিখাৰীবোৰক গালি-গালাজ কৰি কৰি বিলাই দিছিল : "চালা তহঁতৰ পৰা একো এটা খাব নোৱাৰি—খাবলৈ ল'ম মুখলৈ চাই থাকিবি।" সি ৰতনক ক'লে, "তই যদি সিহঁতক খাবলৈ দিয়, গালি পাৰ কিয়?" ৰতনে সমান তীব্ৰতাৰে উত্তৰ দিলে, "মই সিহঁতক গালি পাৰিছোঁ নেকি? মই মোক গালি পাৰিছোঁ।"

ৰতনৰ উত্তৰত তাৰ বুকুখন যেন বিষাই গৈছিল।

হঠাৎ তাৰ যেন ভাব হৈছে—সেই ৰতনক যেন এইমাত্ৰ এখন চলন্ত গাড়ীয়ে হেঁপি থৈ গ'ল—ভাব হ'ল, ৰতন চিঞৰি মাৰি পৰি গৈছে—এটা বিকট শব্দ কৰি গাড়ীখন ৰৈ গৈছে—তাৰ মূৰটো ভাগি চেপেটা হৈ গৈছে—মূৰৰ ঘিউ ছিটিকি পৰিছে—কলকলকৈ তেজ ব'বলৈ আৰম্ভ কৰিছে—ভাব হ'ল গাড়ীখনত সি বহি আছে। সি চিঞৰি উঠিল "ৰতন—।" ভূপাৰ ইম্প'জড় হৈ গৈছে—ইটোৰ ওপৰত সিটো। পিছফালৰ ছবি ফে'ড আউট হৈ গৈছে। "আঃ"—সি মূৰটো হেঁচি ধৰিলে।

আঠ

দাঁতকলৰ দৰে শব্দ উঠিছে — কৰ্কশ শব্দ—শিলগুটি গুড়ি হোৱাৰ শব্দ—দাঁতত সি যেন শিৰশিৰণি অনুভৱ কৰিছে আৰু ভাব হৈছে মাধৱীৰ মুখখন তাৰ মাজত সোমাই পৰিছে। তাইৰ চিঠিৰ আৰ্দ্ৰতা হেৰাই গৈছে আৰু তাই এটা কাঠিন্য লৈ যেন আকৌ ওলাই আহিছে। তাই যেন ধিক্কাৰ দিছে, "ছিঃ ছিঃ কেনেকৈ হেৰুৱালা বুকু জেপৰ পৰা—ইমান অসাৱধান। তুমি আৰু ঘূৰাই পাম বুলি ভাবানে? মই তেতিয়াই কৈছিলোঁ — যাব নালাগে দিয়া—কি দৰ্কাৰ—বেছি আশা কৰি কি লাভ?"

মাধৱীৰ মুখৰ শব্দবোৰ যেন তীৱৰ ল' ফ্ৰিকুৱেন্সিত ধৰা দিছে—অৱশ্যেই মাধৱীৰ স্বতন্ত্ৰীত হাই ফ্ৰিকুৱেন্সিৰ তৰংগ স্বাভাৱিকভাৱেই অসম্ভৱ কিন্তু তথাপি তাইৰ শব্দবোৰ স্পষ্ট। কাৰণ, মাধৱীয়ে আৱিষ্কাৰ কৰিছিল যে তাৰ ভিতৰৰ তন্ত্ৰী কেইডাল তীব্ৰ সংবেদনশীল। কাৰণ তাই বেতিয়া সৰু — সিহঁতৰ ঘৰ ওচৰা-উচৰিকৈ আছিল, আৰু সেই সময়তে এদিন, বোধকৰো বিজয়ে (এতিয়া সি আহাৰ ঠিকাদাৰ) মাধৱীৰ চকুত ধূলি মাৰি দৌৰি পলাই গৈছিল — মাধৱীয়ে কান্দিবলৈ ধৰিলে। আৰু সিয়ো

কিংকৰ্তব্য বিমূঢ় হৈ কান্দিবলৈ ধৰিলে। কাৰণ, তাৰ ভাব হৈছিল — মাখনী কণা হৈ যাব—তাই আৰু কোনোদিন একো নেদেখিব—। শৈশৱৰ ঘটনাবোৰ শুনোতে শুনোতে সজীৱ হৈ আছে। মনত পৰিছে এবাৰ মাখনীৰ ঘৰত যেতিয়া সিহঁতৰ ঘৰত ডাক্তৰ, কম্পাউণ্ডাৰ, দৰৱৰ সমাগম, সেই সময়ত সি মাখনীৰ বিছনাৰ কাষত বৈ একান্ত মনে আৰু ভীষণ উত্তেজনাৰে লক্ষ্য কৰি আছিল—তাইৰ যেন উশাহ বন্ধ হৈ নাযায়। সি মনে মনে প্ৰাৰ্থনা কৰিছিল—মাখনী যেন ভাল হৈ উঠে। সি তাইৰ কাষৰ পৰা আঁতৰা নাছিল।

মাখনীৰ মাকে কৈছিল, "প্ৰদীপৰ মনটো দেখিছেনে, বাইদেউ, কিমান কোমল।"

মাকে কৈছিল, "ইয়াক লৈ যে মোৰ কি চিন্তা কি ক'ব? আজিকালিৰ সংসাৰত ই কেনেকৈ থিয় দিব ক'বই নোৱাৰোঁ।"

"ইঃ তেনেকৈ নাভাবিব দেই। চাব, সঁচাকৈ ই মানুহ হ'ব। তাৰ মুখখনত ভিতৰৰ কোমলতা এটা আছে জানে?"

সি জোৰেৰে চকু মুদি দিলে আৰু নিজৰ ভিতৰতে যেন সকলো শক্তিৰে প্ৰতিবাদ কৰি উঠিল, "নাই নাই মোৰ কোনো কোমলতা নাই—মিছা কথা মিছা কথা—"

ন

সি অনুভৱ কৰিলে—ৰাতিৰ নগৰৰ নিস্তব্ধতা মৰিশালিৰ নিস্তব্ধতালৈ ৰূপান্তৰিত। তাৰ কোঠাত থকা ঘড়ীটোৰ টিক্ টিক্ শব্দই যেন অতিশয় কঠিনভাৱে সেই নিস্তব্ধতা ভাঙি দিছে। বাহিৰৰ ধুঁৱা আৰু আন্ধাৰ ভেন্টিলেটৰৰ কাঁচত খুন্দা খাই বৈ গৈছে—তাৰ সৰু ঘৰটো যেন এটা সৰু দুৰ্গলৈ ৰূপান্তৰিত হৈছে। তাৰ হৈছে—চাৰিওফালে দিনৰ মিছিলৰ মানুহবোৰ আহি থুপ খাইছেহি। সিহঁতে যেন একেলগে চিএৰি উঠিব খুজিছে—সি সিহঁতৰ চিএৰ শুনা নাই, কিন্তু চিএৰবোঁতে হোৱা চকু-মুখৰ ছবিবোৰ দেখিছে ঃ উত্তেজিত আৰু আন্তৰিক। হাতৰ মুঠিবোৰ ওপৰলৈ উঠিছে, ডিঙিৰ শিৰবোৰ ফুলি উঠিছে, মুখবোৰ ৰ'দত ৰঙা পৰিছে, ঘামত মুখবোৰ চকচকীয়া হৈ পৰিছে। লাহে লাহে যেন সিহঁতৰ মুখৰ শব্দবোৰ সি শুনিবলৈ পাইছে। তাৰ ভাব হৈছে—মানুহবোৰৰ মাজত ৰতন আছে, মাখনী আছে, মাখনীৰ ফুটফুটীয়া ফ্ৰকটো জিলিকিছে আৰু কি আচৰিত, যেন এটা হাফপেণ্ট আৰু হাফশাৰ্ট পিন্ধি সিও আছে। গোহৰত মানুহবোৰ যেন জিলিকি উঠিছে—সিহঁত একেবাৰে আঁঠুকাঢ়ি আহি আছে—তাৰ ফাললৈ যেন হাতবোৰ মেলি আহিছে—সি ঘামি গৈছে, উত্তেজনাত থৰ্থৰ্কৈ কঁপিছে আৰু হঠাৎ সি তাৰ প্ৰেমিকটোৰ ফালে ঘূৰি চাই দেখে তীখাৰ কাঠিন্যৰে সিহঁত স্থিৰ হৈ আছে। সি মানুহবোৰৰ ফালে চাইছে—তাৰ দৃষ্টি উদ্ভ্ৰান্ত হৈ পৰিছে—তাৰ মাজত যেন মাকৰ মুখখন, আৰু মাকে কৈছে, "ইয়াৰ মাজত কিজানি কিবা এটা

আছে”—নাই নাই সি জোৰকৈ চকু মেলি ধৰিছে—তীব্ৰ ৰ'দত তাৰ চকু ছাট মাৰি ধৰিছে—সি জোৰেৰে কাৰোবাক ধমক দিছে—কাৰোবাক কিবা কৈছে—কি কৈছে সি ক'ব নোৱাৰে—কাৰ কথা মনত পৰিছে (“এই পেন্দুকণাটো”)—সি শৰীৰৰ সমস্ত শক্তিৰে চিঞৰি উঠিছে—

বেলিৰ তীব্ৰ পোহৰত ৰাজআলিৰ মিছিলৰ সন্মুখত প্ৰদীপ—হাতৰ মুঠিত এহাতে তাৰ বিবেক আৰু এহাতে বাৰুদ। বৰ্মৰ মাজত আবৃত তাৰ মুখমণ্ডল ইস্পাতৰ দৰে কঠিন। সি চিঞৰি উঠিল, বোধকৰোঁ তেনেকৈয়ে চিঞৰি উঠিল, “ফায়াৰ”। মুহূৰ্তৰ ভিতৰত দেখিলে—এটা ল'ৰা, কিজানি এসময়ৰ তাৰ নিচিনা, কিজানি পিতৃহীন হ'ব পাৰে—মাকৰ একমাত্ৰ ল'ৰা হ'ব পাৰে—কিজানি তাৰ নাম প্ৰদীপ হ'ব পাৰে,—কিবা এটা উচ্চাৰণ কৰিবলৈ ওঁঠ দুখন গোল কৰি লৈছিল মাত্ৰ—“মা” বুলি সৰি পৰিল, পানীৰ ছবি ভাগি যোৱাৰ দৰে তাৰ সন্মুখৰ দৃশ্য এটা আৰ্তনাদ কৰি ভাগি গ'ল আৰু এটা অসম্ভৱ হুইছ্ ব্ৰিকুৰেলিৰ কোলাহলত দুপৰৰ তীব্ৰ ৰ'দ বিদীৰ্ণ হ'বলৈ ধৰিলে।

দহ

তাৰ বুকু-জেপৰ পৰা কিবা এটা মূল্যবান বস্তু হেৰাই গৈছে—মাখনীয়ে কৈছে, “কেনেকৈ হেৰুৱালা বুকু-জেপৰ পৰা? ইমান অসাৱধান! তুমি আকৌ ঘূৰাই পাম বুলি ভাবিছানে?” মাখনীৰ ঠাইত যেন চুপাৰ ইস্প'জত্ হৈ ধৰা দিছে এটা কুকুৰা—কি অহংকাৰ আৰু গাম্ভীৰ্য তাৰ! পিছ মুহূৰ্তত দেখিছে দুলমামাৰ হাতৰ পৰা সি লেতু-সেতু হৈ সৰি পৰিছে আৰু হাফ্‌পেণ্ট পিন্ধা ল'ৰা এটাই কান্দি কান্দি দাবী কৰিছে —“জীয়াই দিয়া—জীয়াই দিয়া।”

ছবিৰ ৰীল শেষ হৈ গৈছে। এটা বিন্দুত আহি স্থিৰ হৈছেহি। সি আন্ধাৰৰ মাজতো চকু মেলি যেন দেখিছে—কালি দুপৰৰ সেই ল'ৰাটো আন কোনো নহয়, আচৰিত কথা, সি নিজে। তাৰ পিন্ধনত হাফ্‌পেণ্ট আৰু হাফশ্বাৰ্ট—বোধকৰোঁ ওঁঠ দুখন গোল কৰি কিবা এটা সি উচ্চাৰণ কৰিব খুজিছিল আৰু ঠিক সেই মুহূৰ্ততে সি তাক, তাৰ নিজৰ শৈশৱক, তুলি দিলে দুলমামাৰ দুখন কঠিন হাতৰ মাজত। অনুভৱ কৰিলে তাৰ ডিঙি দুখন হাতৰ মাজত সোমাইছে ।

উপসংহাৰ

যীচুৱে তাকে শুনি তেওঁবিলাকক ক'লে, নিৰোগী মানুহৰ বেজত সকাম নাই, ৰোগীৰহে সকাম আছে। মই ধাৰ্মিকক নহয় পাপীকহে নিমন্ত্ৰণ কৰিবলৈ আহিছোঁ।

মামণি রয়ছম গোস্বামী

সংস্কার

সংস্কাৰ

ঘৰৰ সন্মুখত পীতাম্বৰ মহাজন বহি আছিল। বোকাবে লেটি-পেটি হোৱা জোতাযোৰ সি তেতিয়াও খুলি থোৱা নাছিল। এই চামৰাৰ জোতাযোৰৰ প্ৰতি তাৰ এক ধৰণৰ দুৰ্বলতা আছিল। পীতাম্বৰৰ বয়স ষাঠিৰ ওচৰ চাপিছিল। এসময়ত সি হৃষ্ট-পুষ্ট পালোৱাল পুৰুষ আছিল। এতিয়া চিন্তা-ভাবনা আৰু একধৰণৰ অসন্তুষ্টিৰ কবলত পৰি মানুহটোৰ স্বাস্থ্য পৰি আহিছে। থুঁতৰিৰ তলৰ মাংসপেশী তললৈ ওলমি পৰিছে। মানুহৰ লগত মূৰ তুলি কথা পাতিব নোৱাৰিছিল। দৃষ্টি অহৰহ মাটিত নিবিষ্ট। যেন মাটিৰ তলত কুৰুকি কুৰুকি এই দৃষ্টিয়ে কিবা বুটলিবৰ চেষ্টা কৰিছে।

ঘৰৰ সন্মুখত কিছুদিন আগেয়ে কটা চেগুন গছ এজোপাৰ গুৰিটোত বহি পীতাম্বৰে আলিৰ দুয়ো দাঁতিৰ খালত বৰশী বাই থকা ল'ৰা-ছোৱালীবোৰৰ ৰেহ-ৰূপ চাই আছিল। এইকেইদিন একেলেথাৰিয়ে বৰষুণ হোৱা বাবে গোটেই গাঁওখনেই বোকাময় হৈ পৰিছে। কেঁচা আলিটোৰ দুয়ো কাষে জাৰ্মান বন, কচু, ভতৰা, পানেৰীলতা, কলমৌ, হেলেচি, নলকচু ইত্যাদি গছ ভৰি পৰিছে। পাতবেঙবোৰে আলিৰ এটা খালৰ পৰা আনটো খাললৈ জঁপিয়াই পৰিছে।

নলকচু এজোপাৰ লগত জোঁট-পোট লগা বৰশী এডাল টানি থকা ল'ৰা এটালৈ আজি বৰ কৌতূহলেৰে পীতাম্বৰে চাই আছিল। হঠাৎ এটা গলগলীয়া কণ্ঠত পীতাম্বৰৰ ধ্যান ভঙ্গ হ'ল। মূৰ তুলি চাই সি দেখিলে কৃষ্ণকান্ত পুৰোহিত আহি তাৰ ওচৰত উপস্থিত হৈছে। কৃষ্ণকান্তই ক'লে, —

কাৰ ঘৰৰ কাৰ মাণিক,
কোনে খেদাই পানীক।
হাঁত বাউল দি মাত্তি আন
চুমা খাওঁ খানিক।

"পীতাম্বৰ তোমাৰ নিজৰ ল'ৰা-ছোৱালীতো নায়েই। পৰৰ ল'ৰা-ছোৱালীতেই দেখোন মচগুল হৈ আছা? মই এইফালে যাওঁতে তোমাক এনেদৰে বহি থকা দেখিছিলোঁ — এতিয়া আহোঁতেও একেদৰে বহি থকা দেখিছোঁ। পিছে তোমাৰ মানুহজনীয়ে উঠা-বহা কৰি ফুৰিব পাৰিছেনে?"

"নাই, ক'ত উঠি ফুৰিব পাৰিব? ভৰি-হাত ফুলি ভোন্দাকাৰ হৈ আছে।"

"এইবাৰৰ সৈতে কুৰিবাৰ গুৱাহাটীলৈ অহা-যোৱা কৰা হ'ল।"

"ল'ৰা-ছোৱালীও আৰু হোৱাৰ আশা নাই — নহয়নে? তোমাৰ বংশ নৰ'ল। বৰ দুখৰ কথা।"

পীতাম্বৰে হুমুনিয়াহ এটা কাঢ়িলে। কৃষ্ণকান্তই কিছুসময় তাৰ ওচৰত থিয় হৈ থাকিল। পুৰোহিতে আঁঠুৰ ওপৰত ধুতি এখন পিন্ধিছে। এৰীৰ একেবাৰেই পুৰণি পাঞ্জাবী এটাও পিন্ধিছিল। পাঞ্জাবীটো ইমান পুৰণি আছিল যে তাৰ ৰং শুকাৰলৈ দিয়া কোমোৰা গুটিৰ দৰে হৈ পৰিছিল। কান্ধত চাদৰো আছিল। কৃষ্ণকান্তৰ সন্মুখৰ দুটা দাঁতহে বাকী আছিল। ফলত গাল দুখন একেবাৰে খাল হৈ গৈছিল। কথা কওঁতে মুখখনে এটা বিচিত্ৰ ভঙ্গী ধাৰণ কৰিছিল। চকু দুটাত অহৰহ এটা ধূৰ্ত চাৱনিয়ে তিৰ্‌বিৰাই আছিল। মূৰৰ চুলি পাতল হৈ গৈ মূৰৰ তালু স্পষ্ট কৰি পেলাইছিল। সোঁমাজতে সেওঁতা ফলা বাবে তেওঁৰ ধূৰ্ত চকুযোৰ যেন আৰু স্পষ্ট হৈ উঠিছিল। এইবাৰ তেওঁ পীতাম্বৰৰ কাণৰ ওচৰলৈ হাউলি আহি ফুচ্‌ফুচাই কোৱাৰ দৰে ক'লে, "পিছে পৰিবাৰৰ কিবা এটা হ'লে বিয়া-বাৰুৰ চিন্তা কৰিছা নেকি?"

পীতাম্বৰে কান্ধত লৈ থকা চাদৰেৰে মুখখন মচি কিবা এটা উত্তৰ দিব খুজিছিল; এনেতে হঠাৎ তাৰ চকু দময়ন্তীৰ ওপৰত পৰিল। অলপতে বিধৱা হোৱা দময়ন্তী শম্ভু পুৰোহিতৰ সহধৰ্মিণী আছিল। তাইৰ স্বভাৱ-চৰিত্ৰ ভাল নাছিল। বিধৱা হোৱাৰ পাছত তাই গাঁৱৰ ডেকাবোৰৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছিল। তাইক দেখি কৃষ্ণকান্তই ক'লে, "ক'ৰ পৰা আহিলি, দময়ন্তী?"

"ক'ৰপৰা আহিম আৰু? দেখা নাই হাতত এইবোৰ এৰীৰ পলু?"

"তেতিয়াহ'লে সেই মাৰোৱাৰী সদাগৰহঁতৰ লগত সনা-পিঠা হৈ পৰিছ নহয়নে? সেয়ে কয় — কাৰ্যৰ বুজিয়া ভাও, ছাগৰো পথালে পাৱ।"

দময়ন্তীয়ে কোনো উত্তৰ নিদিলে, কিন্তু মেখেলাৰ তলৰ পাৰীটোৰ তিতি যোৱা অংশটো এইখিনিতে তাই হাতেৰে চেপি ল'লে। কঁকালৰ পৰা বুকুলৈ তাইৰ ব্লাউজটো কোঁচ খাই উঠি গ'ল। কটা জালি কোমোৰাৰ বুকুৰ দৰে বৰণৰ, হাতৰ মুঠিত লুকাব খোজা দময়ন্তীৰ কঁকালখন পীতাম্বৰ আৰু কৃষ্ণকান্তৰ চকুত পৰিল। পীতাম্বৰে চায়ে থাকিল, কৃষ্ণকান্তই অৱশ্যে চকু আঁতৰাই আনিলে। তাৰ পাছত তাই মেখেলাৰে চপ্‌চপ্ শব্দ কৰি দুয়োৰে চকুৰ আগৰ পৰা আঁতৰ হৈ একপ্ৰকাৰ কোবাকুবিকৈয়ে গৈ তিনি-আলিত উঠিল।

"শুনিছোঁ মাছ-মাংস চব খায়।"

পীতাম্বৰৰ কথাত হয়ভৰ দি কৃষ্ণকান্তই ক'লে, "এই সদিলা নগৰৰ বামুণমখাৰ তাই নাক-কাণ কাটিছে। একো নেমানে। আগে ছোৱালী দুজনীক মাছ বান্ধি দি নাদৰ পাৰত গৈ গা ধুইছিল। আজিকালি একেলগে বহি খায়।" পীতাম্বৰে ক'লে, "হয়, হয়, মই তাইক বয়েলা পোহাৰীক একডুকুলা ধান দি দুটা খৰিয়াৰ চানা বখা দেখিছোঁ।"

"হায়! হায়!! বাঁৰী বিধবাই একডুকুলা ধানত দুটা খৰিয়াৰ চলা খায়!!"

"চুপ থাকা, চুপ থাকা পুৰোহিত! বিধৱা বামুণীয়ে মাছ খোৱা কথা সদৰী কৰিব নেলাগে। আজিকালি অনেক ঠাইত হৈছে এনে কথা। দক্ষিণ পাৰ, উত্তৰ পাৰৰ অনেক ঠাইত হৈছে এনে কথা। একো বেয়া হোৱা নাই। সেইবোৰ নিয়ম উঠি যাব লাগে।"

পীতাম্বৰে তেওঁৰ ভৰি আৰু আঁঠুত স্লাহি আমনি কৰি থকা মাখিবোৰ কান্ধৰ চাদৰখনেৰে জোকাৰি জোকাৰি কিছু সময় দময়ন্তী ৰোৱালৈ চাই থাকিল। তাৰ পাছত ক'লে, "বাপু, আজিকালি তোমাৰ যজমানসকলৰ ধ্যান-ধাৰণা কেনেকুৱা?"

"পীতাম্বৰ মহাজন, তুমি দেখোন চব জানিও আজি নতুনকৈ সোধাৰ দৰে কৰিছা। আমাৰ দুই ভাইৰ কন্দলৰ ফলস্বৰূপে আজি মোৰ এই লাওলোৱা অৱস্থা।"

"বাপু, তুমি সংস্কৃত পঢ়িব নোৱাৰা বুলি তোমাৰ দাদিয়েৰাই টোল পিটি ফুৰিছিল নহয়! সেইবাবে তোমাৰ আজি এই অৱস্থা।"

কৃষ্ণকান্ত জাণ্ডুৰ খাই উঠিল।

"আহ, কেইটা বামুণে নৰহৰি ভাগৱতীৰ দৰে শুদ্ধকৈ মন্ত্র মাতিব পাৰেহে, পীতাম্বৰ মহাজন? টোলত আমি একলগেই পঢ়িছিলোঁ। সি কুকুৰেহে মেতৰ কোৰ খাইছিল। মই খোৱা নাছিলোঁ। আজিকালি আমাৰ লাওলোৱা অৱস্থাৰ মূলতে হৈছে আমাৰ যজমানসকল। দশ-কৰ্ম জনা বামুণৰ আজি শুকাই মৰিবলগীয়া অৱস্থা হ'ব নেলাগিছিল। মাছেকৰ মুৰত লগুণ এডাল, এযোৰ ধুতি আ[illegible] পাঁচ[illegible] মানুহৰ ঘৰতে পোৱা গৈছিল। কিন্তু এতিয়া সেই একেই কথা হৈছে — লগুণ[illegible] বোৰে,[illegible]-বিধানো মানিব নোখোজে। সৌ সিদিনাৰ আমাৰ পুৰণা যজমান মহীকান্ত শৰ্মাৰ ল'ৰা দুটাই ক[illegible]ত গৈ লগুণ লৈ আহিল। মাইচানপুৰৰ যজমান সূৰ্য শৰ্মাই পিতাক-মাকৰ দুটা শ্ৰা[illegible]টা কৰিয়েই পাতি থ'লে। বিয়া-বাৰুত ন-পুৰুষৰ শ্ৰাদ্ধটো অনেকেই লাহে লাহে পতিত কৰাৰ আৰম্ভ কৰিছে। ভাত চুৱনি, কৰ্ণবেধন, পুহনবিয়া, নামকৰণ, গৃহপ্রবেশ, বাসন্তী পূজা, ঘৰত শগুণ পৰাৰ হোম ইত্যাদি ইত্যাদি এই খণ্ডৰ পৰা উঠিয়েই যাব ধৰিছে। লগুণ খুলিলেই আগে পৰাচিত হ'ব লাগিছিল। আ[illegible]কেইটা বামুণৰ ল'ৰাই গায়ত্ৰী জপে?"

পীতাম্বৰে মুখেৰে হা-না একো নোকোৱাকৈ কৃষ্ণকান্তৰ কথা শুনি আছিল যদিও বাৰে বাৰে তাৰ দময়ন্তীৰ কংকালটোৰ কথা মনত পৰিব ধৰিলে। মেখেলাখন আঁটোতে তাই পিন্ধি থকা পাতল ব্লাউজটো বহুখিনি ওপৰলৈ উঠি গৈছিল। তাইৰ পিঠিখন পাত মাছৰ দৰে কোমল। আজি যেন জীৱনত প্ৰথমবাৰৰ বাবে সি তেনে এখন পিঠি দেখা পাইছে। এনে নহয় যে পীতাম্বৰে মাইকী মানুহৰ পিঠি চুই পোৱা নাছিল। প্ৰথম পত্নীৰ মৃত্যুৰ পাছত সি দ্বিতীয় বিবাহো কৰিছিল। সন্তানৰ আশাত সি প্ৰথম পত্নীৰ মৃত্যুৰ দুমাহ নৌহওঁতেই দ্বিতীয় বিবাহ কৰাইছিল। কিন্তু তায়ো আছিল চিৰৰুগীয়া। বাত-পিত্তৰ কবলত পৰি পীতাম্বৰ মহাজনৰ দ্বিতীয়া স্ত্ৰীয়ে একেবাৰে বিছনা সামটি লৈছিল। গুৱাহাটীৰ হস্পিতাললৈ অহা-যোৱা কৰোঁতে কৰোঁতে পীতাম্বৰ মহাজনৰ তৰিৰ জোতাৰ হ'ল ক্ষয় গৈছিল। শেষলৈ মানুহগৰাকীৰ অস্থিচৰ্মহে বাকী আছিল। বিছনাত শুই শুই মহাজনৰ

বেহ-ৰূপ চাই চাই তাই দিন কটাইছিল। সন্তান আশা কৰি কৰি আৰু বংশ ছেদ হোৱাৰ ভয়ত মানুহটো মানসিক বিকাৰগ্ৰস্ত ৰোগীৰ দৰে হৈ পৰিছিল। মানুহে কয় বিছনাত পৰি থকা ঘৈণীয়েক মৰালে সি বৰ অধৈৰ্য হৈ বাট চাইছিল। পিছলৈ সি গুৱাহাটীৰ হস্পিতাললৈও অহা-যোৱা কৰিবলৈ এৰি দিছিল। বয়স বিমানেই বাঢ়ি আহিছিল সিমানেই সি বংশ-কুটুম্বৰ সৈতে পৰ্ব্বাই পোৱা মানুহৰ দৰে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। এতিয়াও সৌৱা তাৰ সম্মুখত বহি কৃষ্ণকান্তই নিজৰ অভিপ্ৰায়ৰ কথা কৈ আছে। পীতাম্বৰে আধা শুনিছে, আধা শুনা নাই। বিছনাত পৰি থকা মানুহজনীয়ে চকুৰ ইঙ্গিতেৰে 'বান্ধা' এটাক মূঢ়া এটা দি আহিবলৈ কৈছিল। বান্ধাটোৱে কেতিয়ানো কৃষ্ণকান্তক মূঢ়াটো দি থৈ গ'ল এই কথাও পীতাম্বৰে গম নেপালে।

এইবাৰ কৃষ্ণকান্ত বহাৰ পৰা উঠিল। ক'লে, "সত্ৰৰ মানুহে কোৱা-মেলা কৰিছেই, তোমাৰ হেনো কিবা মূৰৰ গণ্ডগোল হৈছে। ল'ৰা-ছোৱালী নোহোৱাকে কিবা এই পৃথিবীখনত মানুহ থকা নাইনে? আৰু দলৈকে ভাৱাচোন পীতাম্বৰ! আমাৰ গুৰুসকলেই কৈ যোৱা নাইনে — পুত্ৰ-পৰিবাৰ সকলো অসাৰ। মায়া প্ৰপঞ্চ।।"

পীতাম্বৰে তললৈ মূৰ কৰিলে। কৃষ্ণকান্তই লক্ষ্য কৰিলে তাৰ মূৰৰ চুলিবোৰ অকালতেই পকি গৈছে। চকুৰ তলত মকৰাজালৰ দৰে ৰেখা কিছুমান প্ৰকট হৈ পৰিছে। সাজ-পোছাকবো কোনো লাগ-বন্ধা নাই। পিন্ধি থকা জোতাযোৰতো বোকাই গিলিপ মাৰি ধৰিছে।

মানুহটোৰ প্ৰতি [illegible]না, আগেয়ে এই মজপুত [illegible] মানুহটোক বুঢ়া-মেথাই "গোৰা পল্টন, গোৰা পল্টন" [illegible]হে মাতিছিল। টকা-পইচা থাকিও তাৰ সুখ নহ'ল। মেটম[illegible]ৰ ধান খাওঁতা নোহোৱা হ'ল।... হঠাৎ কৃষ্ণকান্তই এটা অভাৱনীয় কথা পীতাম্বৰক ক[illegible] কথাটো কোৱাৰ সময়ত সি অৱশ্যে চাৰিওফালে চালে। পীতাম্বৰৰ শোৱনি কোঠাৰ দুৱাৰখন কানি-দুৱৰী হৈ থকা নাছিল। সেইখন একেবাৰে মেল খাই আছিল। সি মানুহজনীৰ বিছনাৰ লগত মিলি থকা কঙ্কাল সদৃশ দেহটো দেখা পাইছিল। চকু দুটাও দেখা পাইছিল। তাইৰ চকু দুটা টটকে জ্বলি আছিল। কৃষ্ণকান্তই পীতাম্বৰক কি ক'ব বিচাৰিছে এই কথা জানিবলৈ তাই যেন উত্তাৱল হৈ আছে, দূৰৈৰ পৰা অহা দৃষ্টিও যে এনে ধৰণে তীক্ষ্ণ, হৃদয়স্পৰ্শী হ'ব পাৰে এই কথা কৃষ্ণকান্তই আগে-পিছে গম পোৱা নাছিল। তথাপি সি ফুচফুচাই কোৱাৰ দৰেই ক'লে, "মোক যদি অৰ্থ-কড়ি দি অলপ সহায় কৰিব পাৰা মই তোমাৰ আৰু এটা ব্যৱস্থা কৰিব পাৰোঁ।"

"আৰু ব্যৱস্থা?"

"এইবাৰ ব্যৱস্থা একেবাৰে পাক্কা।"

"মানে?"

"এইবাৰ গৰ্ভৱতী নোহোৱাৰ কোনো কাৰণ নাই। বাবীৰ বাঁহৰ তলত তাই 'নষ্ট বস্তু' চাৰিবাৰ পুতি থৈ আহিছে!"

পীতাম্বৰ মহাজনে আৰ্তনাদ কৰি উঠিল, "বাপু, তুমি দময়ন্তীৰ কথা কৈছা!"

"হয়! হয়! মই দময়ন্তীৰ কথা কৈছোঁ! আজিকালি আমাৰ বামুণৰ ছোৱালীয়ে একেবাৰে ধলেশ্বৰী নদী পাৰ হৈ নমঃশূদ্ৰৰ সৈতে বিয়াত বহিছেগৈ। মুক্তেশ্বৰ সত্ৰৰ গোসাঁইৰ ল'ৰাই মুছলমানৰ ছোৱালী অনা নাইনে? গান্ধী মহাৰাজে হেনো এই পথ দেখুৱাই গৈছে। সেয়ে মই এটা কথা ভাবিছোঁ।"

পীতাম্বৰ মহাজন উত্ৰাৱল হৈ উঠিল।

"কি কথা?"

"তুমি ইচ্ছা কৰিলে দময়ন্তীক নিজৰ কৰি ল'ব পাৰা!"

কথাখিনি কৈ উঠি কৃষ্ণকান্তই আকৌ দুৱাৰৰ পিনে চালে। মানুহজনীৰ চকু মেল খাই আছিল। চকুত যেন দুকুৰা জুইহে জ্বলি আছিল। তাই কৃষ্ণকান্তলৈ চাই আছে।

পীতাম্বৰে খৰিৰ মূঢ়াটোৰ পৰা উঠি খপ্জপ্কৈ থিয় হ'ল। এয়া কৃষ্ণকান্তই যেন তাৰ হৃদয়ৰ কথাকেই ক'বলৈ আৰম্ভ কৰিছে।

পীতাম্বৰে একেবাৰে হাঁফোলা মাৰি গৈ কৃষ্ণকান্তৰ হাত এখন খামুচি ধৰিব খুজিছিল। কৃষ্ণকান্ত কিন্তু পিছুৱাই গ'ল। তেওঁ গা-পা ধুই আহিছে। অধিকাৰৰ ঘৰৰ মুৰুলীধৰক তেওঁ ধুৱাই যাব লাগিব। কাৰণ গোসাঁই ধুওৱা পূজাৰীয়ে মাটিৰ কেছুত পৰি গুৱাহাটীলৈ অহা-যোৱা কৰি থাকিবলগীয়া হৈছে। আনহাতে পানীত উটি যাব খোজা পীতাম্বৰে সন্মুখত যেন এখন বিচিত্ৰ পালতৰা নাওহে দেখা পালে। সি কৃষ্ণকান্তৰ হাততেই ধৰিব নে ভৰিতে ধৰিব একো ঠিক কৰিব নোৱাৰিলে।

মহাজন! তেতিয়াহ'লে তুমি এই কথা আগৰে পৰা চিন্তা কৰি আছিলা?

হৃদয়ৰ খোলা হাঁহি এটা পীতাম্বৰৰ ওঁঠেৰে বাগৰি গ'ল। কৃষ্ণকান্তই আকৌ এবাৰ ডিঙি মেলি পাটীত পৰি থকা মানুহজনীলৈ চালে। এইবাৰ কৃষ্ণকান্তই তাইৰ চকু দুটা মুদ খাই থকা দেখিলে। কিবা যন্ত্ৰণা পাইছে চাগৈ। গলবস্ত্ৰ হৈ পীতাম্বৰে ক'লে, "বাপু তুমি এইখিনি উপকাৰ কৰি দিয়া! মই তোমাক বধ দিছোঁ। তাই যে ৰাতি চাকি লৈ নষ্ট কৰা বস্তু পুতিব যায় এই কথা সত্ৰৰ সকলোৱে জানে! ময়ো জানো। কিন্তু তাই বামুণৰ তিৰী। মই তাইক মূৰত লৈ থাকিম"।

কৃষ্ণকান্তৰ সোলা মুখত এটা ধূৰ্ত হাঁহি বিয়পি পৰিল। "মই অহা-যোৱা কৰিব লাগিব। তাইৰ আপী দুটাক মনাব লাগিব। ভোলাৰ দোকানৰ গজা কিনি নিব লাগিব"।

পীতাম্বৰ মহাজনে খপ্জপ্কৈ উঠি ভিতৰলৈ গ'ল। এইবাৰ বিছনাত পৰি থকা মানুহজনীৰ মুদ খোৱা চকু দুটা মেল খালে। তাই যেন আগেয়ে চকু দুটা এনেয়ে মুদি আছিল এনে ধাৰণা হ'ল। তাইৰ চকুত পৰিল মহাজনে মূঢ়া এটাৰ ওপৰত তুলি থোৱা হাতনি পেৰাটো খুলিছে। কিছু সময়ৰ পাছত তাই দেখিলে মহাজন আকৌ কৃষ্ণকান্ত পুৰোহিতৰ ওচৰত উপস্থিত হৈছে।

"তুমি তেতিয়াহ'লে সোনকালে খবৰ আনি দিয়া!"

কৃষ্ণকান্তই হাত পাতি টকা কুৰিটা ল'লে। যাবৰ সময়ত তেওঁ এটা ফকৰা গাই গ'ল —

আছোঁ বগলী আছোঁ চাই।
ক'ৰ পানী ক'ত যায়।

ইতিমধ্যে এটা সপ্তাহ পাৰ হৈ গ'ল। বৰ আগ্রহেৰে পীতাম্বৰ মহাজনে কৃষ্ণকান্ত পুৰোহিতৰ বাবে অপেক্ষা কৰি থাকিল। এই কেইদিনত সি যে দময়ন্তীক ঘৰৰ আগেৰে পাৰ হৈ যোৱা নেদেখিলে এনে নহয়। চিমৃটি কপাহৰ লগুণ কৰি দিবলৈ কেইবাবাৰো তাই অধিকাৰ গোসাঁই ঘৰলৈ অহা-যোৱা কৰিলে। পীতাম্বৰ মহাজনে এতিয়াহে তাইলৈ ভালদৰে লক্ষ্য কৰি আৱিষ্কাৰ কৰিলে যে তাইৰ দৰে সুন্দৰী নাৰী আগে-পিছে সি দেখা নাই। শুনা যায় তাইৰ মাক ধনশ্ৰী নদীৰ পাৰৰ বৌতাৰ মানুহ। ধনশ্ৰী নদীৰ পাৰৰ বামুণৰ ছোৱালীমখাৰ দৰে শুৱনি তিৰোতা যেন এই ভাৰততে নাই এনে ভাব হ'ল পীতাম্বৰ মহাজনৰ। এৰা তাইৰ বাপেক পূৰ্ণানন্দ পুৰোহিতে এবাৰ এহাল হালোৱা গৰু হেৰুৱাইছিল। সেই সময়ত তেওঁৰ নিজাকৈ হাল এখনো আছিল। মাইচানপুৰ, গৰুগৰা ইত্যাদিৰ পিনে তেওঁৰ যজমান আছিল অসংখ্য। গৰুহাল বিচাৰি বিচাৰি তেওঁ ধনশ্ৰী নদীৰ পাৰৰ একেবাৰে বৌতাত উপস্থিত হৈছিল। গৰুহাল বিচাৰি ইমান দূৰ তেওঁ কিয় যাবলগা হৈছিল সেই কথা আজিলৈকে কোনেও নেজানে। বৌতাৰ ভাগৱতীৰ ছোৱালীৰ লগত তেওঁৰ তেতিয়াই বিয়া ঠিক হৈছিল। আগে পিছে এই খণ্ডৰ যজমানী বামুণকেইঘৰে ইমান দূৰৈত গৈ বিয়া কৰোৱা নাছিল।

জেঠৰ মাহ আহিল। নৈ-বিল পানীৰে উপচি পৰিছিল। আলিৰ দুয়ো-পিনৰ মাদুৰি, জাৰ্মান বন, ভতৰাৰ গছত আমৈলতা, পানেৰীলতা ইত্যাদিৰে এনে ধৰণে ছাটি ধৰিছিল যে এই কেঁচা আলিটোৰে অহা-যোৱা কৰোঁতে মানুহৰ নাকে-মুখে এই বনৰীয়া লতাবোৰে স্পৰ্শ কৰাৰ উপক্রম হৈছিল। মহাজনৰ ঘৰৰ সন্মুখৰ ৰঙা আলিটো বোকাৰে পোত গৈছিল। কিন্তু এনে অৱস্থাতো পীতাম্বৰ মহাজনে আকৌ আজি দময়ন্তীক দেখা পালে। তাই আঁঠুলৈকে মেখেলা কোঁচাই আলিৰ কাষৰ কলমৌ শাক বুটলি আছে। তাইৰ ছয় বছৰীয়া ছোৱালীজনীয়ে একেবাৰে নাঙঠ হৈ মাকৰ গাত লাগি ফুৰিছে।

নতুনকৈ গজা আমৰ পুলিৰ দৰে সজীৱ হাত ভৰি। পিঠিত খহি পৰা চুলিবোৰৰ বৰণ কিছু ৰঙচুৱা, মামৰে ধৰা লোহাৰ কামানৰ বৰণ লোৱা তাইৰ চুলি।

মামৰে ধৰা কামান?

হয়! হয়! এবাৰ নাদ খান্দোতে তেনে ধৰণৰ এটা লোহাৰ কামান আৱিষ্কাৰ হোৱাৰ কথা পীতাম্বৰ মহাজনৰ মনত আছিল। সেইটো মান-সেনাইতে পেলাই থৈ যোৱা কামান বুলি সকলোৱে কোৱা-মেলা কৰিছিল। এসময়ত চহৰৰ পৰা অহা ছাত্র কিছুমানে সেইটো উঠাই লৈ গৈছিল।

খাঁই-মচি থওঁতে ব'দত জিলিকা লোহাৰ কামানটোৰে যেনে বৰণ লৈছিল আজি এই মুহূৰ্তত পীতাম্বৰ মহাজনৰ দময়ন্তীৰ পিঠিত পৰি থকা চুলিখিনিয়েও একে বৰণ লোৱা যেন ভাব হ'ল। এয়া সেই ৰঙা আৰু ক'লাৰ চিকমিকনি। লোহা আৰু মামৰৰ চিকমিকনি।

তেওঁ সাহ কৰি দময়ন্তীৰ ওচৰলৈ গৈ ক'লে, "এনেকৈ বোকাপানী লেটি থাকিলে অসুখ হয়!"

দময়ন্তীয়ে উভতি চালে। বিস্ময়ৰ ৰেখা কিছুমান বিয়পি পৰিল তাইৰ চকুৰে-মুখে।

আনদিনাৰ দৰে আজিও তাই কোনো উত্তৰ নিদিলে।

আকৌ ক'লে মহাজনে, "মই মোৰ বান্ধাটোৰ হতুৱাই কলমৌ কিয় ? ঢেঁকীয়া, খুতুৰা "

বাক্যটো মহাজনে শেষ কৰিব নোৱাৰিলে। তাই আকৌ উভতি চালে। মহাজনে যেন দুকুৰা জুইৰ লগতহে মুখামুখি হ'ল। তেওঁ সেইখিনিত আৰু বৈ নাথাকিল। কো-কোৱাই আহি চেগুন গছৰ গুৰিটোত বহিল। সৌৱা বিছনাৰ পৰা ঘৈণীয়েকে চাই আছে। যেন খোৰোঙত সোমাই থকা পাখি ভঙা ফেঁচাই বাহিৰত উৰি ফুৰা চৰাই কিছুমানহে চাই আছে। ৰাতিপুৱা তাই উঠিছিল। এতিয়া কিন্তু আকৌ তাই বিছনা লৈছে। মূৰটো আচন্দ্ৰাই কৰিছে হেনো। বহুদিনৰ মূৰত তাই উঠিব খুজিছিল। তাইৰ শুকাই কৰ্কশ হৈ যোৱা আঁঠু আৰু হাতৰ গ্ৰন্থিবোৰৰ পৰা কটকট কটকট শব্দ এটা বাহিৰ হৈ আহিছিল। তাৰ পাছতেই মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে। পীতাম্বৰ মহাজনে এটা বৰ কৰ্কশ আৰু অস্বস্তিৰ দৃষ্টিৰে ঘৈণীয়েকলৈ চালে। মুখেৰে সি কোনো কথা উচ্চাৰণ নকৰিলে। এইখিনি সময়ত তাই এবিধ পনীয়া দৰৱ খোৱাৰ সময় হৈছে। মহাজনৰ দৰৱৰ কথা মনত পৰিল। সি কিন্তু উঠি নগ'ল। কিছু সময় তলমূৰ কৰি নিজৰ জোতাযোৰকে চাই ৰ'ল। এই সত্ৰৰ ভিতৰত মাত্ৰ চাৰিটা মানুহেহে জোতা পিন্ধি ফুৰে। সত্ৰৰ অধিকাৰৰ ল'ৰা দুটা, সত্ৰৰ মহৰী বাবু, আৰু সি পীতাম্বৰ মহাজন। পাঞ্জাবীৰ পকেটৰ পৰা কমাল উলিয়াই মহাজনে জোতাযোৰৰ পৰা বোকাবোৰ গুচাবলৈ চেষ্টা কৰি আকৌ আলিলৈ চালে। নাই। কৃষ্ণকান্ত পুৰোহিত অহা নাই। হঠাৎ কেঁৰ কেঁৰ, ঘেৰ ঘেৰ শব্দ কৰি গৰু গাড়ী এখন তাৰ পদূলিৰে সোমাই আহিল। বগুৱাৰ আধিয়াৰহঁতে বোকাধান দিব আহিছে। আন দিনা হোৱা হ'লে পীতাম্বৰে উৎসাহেৰে উঠি গৈ ধানৰ টোমবোৰ হিচাব কৰি চালেহেঁতেন। আজি তেওঁক নিষ্ক্ৰিয় যেন দেখি বান্ধাইঁতেই আগবাঢ়ি গৈ ধৰা-মেলা কৰি ধানৰ টোমবোৰ নমাই ভঁৰালত থ'লে। এটা সময়ত আধিয়াৰহঁতে চাহ-তামোল খাই ভৰি-হাত ধুই তেওঁৰ পৰা বিদায়ো ল'লে। বিদায় লোৱাৰ সময়ত আধিয়াৰহঁতে আন দিনাৰ দৰে আজিও আক্ষেপ কৰি গ'ল ঃ

"সন্তি-সন্ততি নাই। এই তিনি-চাৰিটা ভঁৰালৰ ধান কোনে খাব মহাজন? দান-দক্ষিণা কৰা। বুঢ়া হৈ আহিছা — কথাতে কয় ঃ

"আঁহ লুকাবা বাঁহ লুকাবা —
গাল সোপোৰা ক'ত লুকাবা?"

পীতাম্বৰ মহাজনে কোনো উত্তৰ নিদি বহি থাকিল।

বিছনাত শুই থকা মানুহজনীৰ চকু আকৌ মেল খাইছিল। কিছু আগেয়ে তাই হয়তো পানী খাবলৈ বিচাৰিছিল। পিতলৰ গিলাচ এটাত এগিলাচ পানী তাইৰ বিছনাৰ

ওচৰত কোনোবাই থৈ গৈছে। তাইৰ দৰব খোৱাৰ সময়ো পাৰ হৈ গৈছিল।

পীতাম্বৰ মহাজনে এইবাৰ তাইৰ দৰবখিনি দি অহাৰ কথাকে ভাবিলে। সি উঠিল। জোতাযোৰ খুলি কাঁথিৰ এচুকত থ'লে। তাৰ পাছত ঘৈণীয়েকৰ চালপীৰাৰ পিনে যাব খোজোঁতেই পদূলিৰ মুখত কৃষ্ণকান্ত পুৰোহিতৰ মাত শুনা পালে। খুলি থোৱা জোতাযোৰ আকৌ ততাতৈয়াকৈ পিন্ধি সি পদূলিৰ মুখলৈ কোবাকুবিকৈ আগবাঢ়ি গ'ল।

মহাজনৰ ঘৈণীয়েকৰ জাপ গৈ থকা চকু দুটা মেল খালে। একেবাৰেই দুৰ্বল দৃষ্টি। এই দৃষ্টিত আগেয়ে থকা জুইকুৰা নুমাই ছাঁই হৈ গৈছে।

"মহাজন!"

"কোৱা বাপু, কোৱা?"

"পূৰ্ণিমাৰ দিনা ৰাতি তাইৰ ঢেঁখালত তুমি উপস্থিত হ'বা! কিন্তু শুনা মহাজন", কৃষ্ণকান্তই চাৰিওফালে চালে, তাৰ পাছত মহাজনৰ কাণৰ ওচৰলৈ আহি ফুচ্‌ফুচাই ক'লে —"মই খবৰ লৈ আহিছোঁ। তাইৰ পেট খালি আছে। আপীটোৱে ভোলাৰ দোকানৰ গজা খাই ক'লে, এইবাৰ চাকি লৈ হেনো ভলুকা বাঁহৰ তলত বেয়া বস্তু পুতি থৈ অহা এমাহো হোৱা নাই। ছয় বছৰীয়া আপী একো বুজি নেপায়। তাই গোন্ধ তেলৰ চাকি লৈ মাকক পহৰা দি আছিল। এইবাৰ মাকে হেনো চতৰাগুৰিৰ বামুণৰ ল'ৰাটোৱে দিয়া চিপৰাঙেৰে মাটি খান্দিছিল। এই চতৰাগুৰিৰ বামুণৰ ল'ৰাই চাইকেল মাৰি চাৰিআলিৰ কলেজলৈ পঢ়িব আহিছিল। অৱস্থাপন্ন ঘৰৰ ল'ৰা — চৰিত্ৰহীন। কলেজলৈ আহোঁ বুলি কিতাপ-পত্ৰ দময়ন্তীৰ ঘৰৰ চাউলৰ ডুলিত লুকুৱাই থয়। কলেজৰ মাচুলৰ টকা দময়ন্তীৰ চুচি-মালতীত খৰচ কৰে। এইবাৰ পুতি থৈ অহা সন্তানটো সেই ছাত্ৰটোৰেই হেনো!" পীতাম্বৰে মুখেৰে ইস, আস্ শব্দ কৰিবলৈ ধৰিলে।

কৃষ্ণকান্তই আকৌ ক'লে, "শুনা মহাজন, মই তোমাৰ কথা তাইক ক'লোঁ। তাই জাণ্ডুৰ খাই উঠিল। ক'লে, 'বেটা শুদুৰীয়া মহাজনৰ ইমান সাহ! সি বেটাই নেজানেনে মই যজমানী বামুণৰ আপী বুলি!" মই ক'লোঁ, যজমানী বামুণৰ আপী বুলি সকলোৱে জানে। কিন্তু পাপ-পথত নমা হৈছে যেতিয়া বামুণ-শূদিৰ কিহৰ? বাকী বামুণৰ আলাইঁতেতো তোক বিয়া কৰাব আগবাঢ়ি অহা নাই। কুঁহিয়াৰৰ সিঠাৰ দৰে সিবোৰে চোবাই চোবাই এৰি থৈ যাব। মহাজনে একেবাৰে পঞ্চায়তৰ আশীৰ্বাদ লৈ হোম পুৰি বিয়া কৰাব। ঘৈণীয়েকৰ আজি যাওঁ, কালি যাওঁ অৱস্থাৰ দৰে হৈ আছে। সুখত ৰাখিব। একেবাৰে মূৰৰ ওপৰত তুলি ৰাখিব। শুনা, পীতাম্বৰ মহাজন, তাই ভিতৰলৈ গৈ ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিল। কিয় তাই তেনেকৈ কান্দিলে মই একো বুজি নেপালোঁ।

তাৰ পাছত চাদৰেৰে চকু মচি তাই ক'লে, 'আজিকালি গাটোও ভাল লাগি নাথাকে। কাৰোবাৰ গাত ভেজা দি থাকিব পাৰিলে ভালেই হ'ব।'

মই ক'লোঁ, গা কেনেকৈ ভালে থাকিব। শুনিছোঁ চাৰি-পাঁচবাৰ বেয়া বস্তু বাৰীৰ পাছফালে পোতা হৈ গৈছে! পঞ্চায়তে মেল বহুৱাব লাগিলে হাঁহাকাৰ লাগি যাব, বেমাৰত মুখত পানী দিব অহা মানুহেও কুৰি টকা দণ্ড ভৰিব লাগিব।

তাইৰ চকুৰ পানী মাটিত পৰিল। ক'লে, 'একো উপায় নাছিল। পেটৰ ভোকত ছাটি-ফুটি কৰি মৰিছিলোঁ। আগে অধিকাৰিণী গোসাঁনীয়ে চিৰা ভাজিব মাতিছিল। আজিকালি মই চিৰা ভাজিলে হেনো চুৱা যায়। আগে লগুণ কাটিব দিছিল, আজিকালি এই খণ্ডৰ বামুণে লগুণ কাটিব নিদিয়া হৈছে। আধি খাই থকা মানুহমখাও অসুৰৰ দৰে হৈছে। মোৰ মুৰৰ ওপৰত ছাল নোহোৱাৰ কথা সিহঁতে জানে। বামুণৰ বিধবা বুলিলে আৰু দয়া-মমতা নাই। সাতপখলিৰ মানুহে ধান দিব এৰিছে। মই অসুৰহঁতৰ লগত কত যুঁজো? সাতপখলিৰ দুই পুৰা মাটিৰ পাঁচ মোন ধান আজি পৰ্যন্ত কোনেও দিব আহা নাই। সেই মাটিৰ খাজনা আজি তিনি বছৰে দিব পৰা নাই ... এই নীলাম হয় এই নীলাম হয়। এই অৱস্থাত মই আপী দুটা লৈ কৰোঁ কি?"

পীতাম্বৰ মহাজন ইতিমধ্যে অধৈৰ্য হৈ উঠিছিল। তেওঁ আটাহ পাৰি উঠিল, "পিছে মোৰ কথা!"

"এয়া তোমাৰ কথালৈ আহিছোঁ শুনা। ক'লে, 'শূদ্ৰৰ মানুহ, অৰ্থাৎ এই চতুৰ্থ বৰ্ণৰ মানুহৰ লগত ...' শুনা, তাই এই পূৰ্ণিমাৰ দিনা তোমাক টেঁখালতেই লগ ধৰিব ক'লে।।"

পীতাম্বৰ মহাজন আনন্দত আত্মহাৰা হৈ উঠিল। এই সুযোগতে কৃষ্ণকান্ত পুৰোহিতে ক'লে, "এইবাৰ পাঁচ কুৰিমান লাগিব। দময়ন্তীক বোলে মহে খায়। আঁঠুৱা লাগে। আৰু আপী দুটাক ভোলাৰ দোকানৰ গজা।"

খপ্‌জপ্‌কৈ ভিতৰলৈ উঠি গ'ল পীতাম্বৰ মহাজন। বিছনাত শুই থকা মানুহজনীয়ে চকু মেলি চালে। তাইৰ ঔষধ খোৱাৰ সময় পাৰ হৈ গৈছিল। গিৰিয়েকক হাওনি-পেৰাৰ ওচৰলৈ যোৱা দেখি তাই ভিতৰলৈ চালে। পীতাম্বৰ মহাজনে আটাহ পাৰি উঠিল, "কি তেনেকৈ ট ট কৈ চাই থাক ঐ। কেতিয়াবা চকু দুটা খুঁকটি উলিয়াই আনিম।"

কৃষ্ণকান্ত পুৰোহিতে চব কথা শুনিলে, চব কথা জানিলে। টকা পাঁচকুৰি লৈ উভতি আহোঁতে মহাজনৰ কাণৰ কাষলৈ গৈ সি ফুচ্‌ফুচাই ক'লে, "বেছি প্ৰয়োজন হ'লে এটা কাম কৰিবা ... ঘৈণীয়েকক কানিৰ বড়ি এটা খুৱাই দিবা। বিছনাত শুই শুই তাই চব হিচাব কৰি আছে কিজানি!" এইদৰে কৈ কৃষ্ণকান্তই ঢেকঢেককৈ হাঁহিবলৈ ধৰিলে। বিছনাত শুই থকা মানুহজনীয়ে এইবাৰ চকু দুটা মুদি দিলে।

কৃষ্ণকান্তই এইবাৰ আকৌ আগুৱাই আহি ফুচ্‌ফুচাই ক'লে, "টকা-পইছাৰ প্ৰতি দময়ন্তীৰ বৰ হুতাহ। একেবাৰে বাঘিনীৰ দৰে। শুনা মহাজন, টেঁখালতে তুমি তাইৰ হাতত ধৰিব পাৰিবা।।"

মহাজনে আকৌ খকমককৈ উভতি চালে। নাই নাই, বিছনাত পৰি থকা মানুহজনীয়ে শুনা নাই। তাই চকুমুদি পৰি আছে। তাইৰ সেই শুকান কপালখনত ঘামৰ কণিকা দুটামান দুবৰৰ পৰাই চিক্‌মিকাই আছে।

আহাৰ মাহৰ পূৰ্ণিমা। পীতাম্বৰ মহাজনে এৰীৰ পাঞ্জাবী, আৰু শান্তিপুৰী ধুতি পিন্ধিলে। আনী সূতাৰ চাদৰ এখন কান্ধত পেলাই ল'লে। বহুদিনৰ মূৰত সি কাঠৰ ফ্ৰেমৰ আইনাখন বাহিৰলৈ আনি নিজৰ মুখখন পৰীক্ষা কৰি চালে। বাতিপুৱাই সি দাড়ি খুৱাইছিল।

এতিয়া বাহিৰৰ ৰ'দৰ পোহৰত সি তাৰ মুখত অজস্ৰ ৰেখা দেখা পালে। মুখৰ এইবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰেখা বাহিৰলৈ আইনাখন আনি এনেদৰে চোৱাৰ বাবেহে যেন দেখা পালে — এনে এটা ভাব হ'ল মহাজনৰ। তথাপি তেওঁ যেন নিজৰ মুখখন দেখি সন্তুষ্টই হ'ল। ৰেখাবোৰ যেন এখন জাল হ'ল। আৰু নিজৰ মুখখন সেই জালত এটা মাছ। জালত পৰি থকা মাছ।

এটা সময়ত সি দময়ন্তীৰ ঘৰৰ পিনে আগবাঢ়িল। চেগুনৰ হাবি এখন পাৰ হৈ শিংৰা নদীৰ দলঙৰ ওচৰত তাইৰ ঘৰ। এইফালে সত্ৰৰ চাৰিঘৰমান মানুহহে আছে। এনেদৰে অকলশৰীয়া ঠাইত থকা বাবেহে যেন দময়ন্তীয়ে এনে ধৰণৰ এটা জীৱন-যাপন কৰিব পাৰিছে — এনে ভাব হ'ল পীতাম্বৰ মহাজনৰ।

আকাশত কাঠফুলাৰ বৰণ লোৱা কিছুমান ডাৱৰ বিচিত্ৰ ভঙ্গীৰে আকাশৰ পূব দিশত বিয়পি পৰিছিল। সেইবোৰক একোটা কামানৰ দৰে দেখা গৈছিল। আৰু সেই চন্দ্ৰমাক? কোনোবাই যেন ছাল বখলিয়াই থোৱা এজনী হৰিণা পহু। তাইৰ ফুটুকা-ফুটুকী ছালখন কামান কেইটাত যেন কোনোবাই মেৰুৱাই থৈছে! ছাল বখলিয়াই থোৱা হৰিণা পহু? লপথপ লপথপ তাইৰ মাংস। চক্‌চকীয়া। জলমলীয়া আহ্! পীতাম্বৰ মহাজনৰ চকুত এই ছাল বখলিয়াই থোৱা হৰিণাজনী দময়ন্তীলৈ ৰূপান্তৰিত হ'ল। একেবাৰে নগ্ন হৈ থকা দময়ন্তী। সৌৱা গাভিনী ছাগলীৰ পেটৰ দৰে তাইৰ স্তনদ্বয়। সুস্বাদু বিজুলী বাঁহৰ গাজৰ দৰে তাইৰ শৰীৰৰ ৰং আৰু তাইৰ ওঁঠ। কাটি থোৱা সফৰি-আমৰ দৰে দ্‌গমগীয়া তাইৰ ওঁঠ ... নাই নাই, বেছি সময় পীতাম্বৰ মহাজনে আকাশলৈ চাই থাকিব নোৱাৰিলে। আজি গোটেইখন নিমাও-মাও হৈ আছে। আজি সত্ৰৰ বকুলৰ তলত বছেৰেকীয়া যাত্ৰাৰ দিন। তাই জানি-শুনিয়েই আজি তাক নিমন্ত্ৰণ কৰিছে।

এজাক শিয়ালে ওচৰৰ কাঁইটীয়া জোপোহা এটাৰ ওচৰত হোৱা দি উঠিল। ঘন ঘনকৈ খোজ পেলাই পীতাম্বৰ মহাজন দময়ন্তীৰ টেঁখালৰ পিনে আগবাঢ়িল।

এটা সময়ত জোতা খুলি মহাজন কাঁথিত বহিল। ক'ৰবাত কঁঠাল চম্পা ফুল ফুলিছিল। গোন্ধে গোটেইখন মল্‌মলাই আছে। চাউলৰ ডুলি আৰু পকা কঁঠালৰ দ'মৰ মাজত থকা চালপীৰা এখনত দময়ন্তীৰ সৰু ছোৱালীজনী শুই আছে। সাত-আঠ বছৰীয়া ডাঙৰ ছোৱালীজনীয়ে চিলঠ এখনত টোপনিয়াই টোপনিয়াই স্বৰবৰ্ণসমূহ লেখি আছিল। ফটা মলিয়ন চিমনিৰ লণ্ঠন এটা তাইৰ আগত জ্বলি আছে। টেঁখালৰ বেৰাত আঁউজি দময়ন্তীয়ে পীতাম্বৰ মহাজনৰ ৰেহ-ৰূপ চাই আছিল। এইবাৰ হাতৰ ইঙ্গিতেৰে দময়ন্তীয়ে মহাজনক টেঁখালৰ ওচৰলৈ মাতিলে। ভাত বহিবলৈ মূঢ়া এটা পাৰি থোৱা আছিল। চকুৰ ইঙ্গিতেৰে তাই তাক মূঢ়াতে বহিব দিলে। তেল চিকটিৰে ভৰা গছা এডালত এটা সৰু মিঠাতেলৰ চাকি জ্বলি আছে। চাকিৰ পোঁতা পোহৰত তাইৰ দেহৰ পিনে মূৰ তুলি চাবলৈ পীতাম্বৰ মহাজনৰ ভয় লাগিল। ক'ৰবাত যেন কিবা শেষ হৈ যাব।

এইখন যেন এখন মায়াৰ ৰাজ্য। তাৰ সম্মুখত থকা এই বামুণৰ বিধৱাজনী যেন মানুহ নহয় — ঠিক এনে ভাব হ'ল মহাজনৰ।

"টকা-পইছা কিবা আনিছিলানে?" মহাজনে চক্ খাই উঠিল। প্ৰথম প্ৰশ্নটো ঠিক এই প্ৰশ্ন হ'ব বুলি সি আশা কৰা নাছিল।

"মোৰ যি আছে সকলো তোমাৰ!" এইবুলি কৈ পীতাম্বৰ মহাজনে এটা শখসূতাৰ মোনা দময়ন্তীৰ পিনে আগবঢ়াই দিলে। তাই সক মোনাটো টেখালৰ খুঁটাত ওলোমাই থোৱা খালে এটাত ভৰাই থ'লে। তাৰ পাছত চাকিটো লৈ তাৰ আগেৰেই গৈ কাঁথিত উঠিল। লণ্ঠনৰ পোহৰত টোপনিয়াই টোপনিয়াই স্বৰ্বৰ্ণ লেখি থকা ছোৱালীজনী ভনীয়েকৰ ওচৰলৈ গৈ টোপনি গ'ল। চাউলৰ ডুলি থোৱা কোঠা এটাত এখন তেনেই চাপৰ চালপীৰা পৰা আছিল। দময়ন্তীৰ স্বামীয়ে সেইখন অধিকাৰ গোসাঁইৰ মৃত ভায়েকৰ শ্ৰাদ্ধত লাভ কৰিছিল।

পীতাম্বৰ মহাজনে দময়ন্তীৰ পিছে পিছে গৈ সেই চালপীৰাত বহিল। এটা সময়ত তাই তেওঁৰ ওচৰলৈ আহিল।

দুটা মাহ পাৰ হৈ গ'ল। এদিন মহাজন উঠি যোৱাৰ পাছত নদীৰ পাৰলৈ গৈ গা ধুই থকা অৱস্থাত কৃষ্ণকান্ত পুৰোহিতে দময়ন্তীক ঠাট্টা কৰি ক'লে, "আগেয়েও দুখনে বঙৰাৰ বামুণৰ ল'ৰাবোৰে দেখোন অহা-যোৱা কৰিছিল। সিহঁতে উঠি যোৱাৰ পাছত তইতো এনেদৰে আহি গা ধোৱা নাছিলি, দময়ন্তী?"

দময়ন্তীয়ে কোনো উত্তৰ নিদিলে।

"মহাজন চতুৰ্থ বৰ্ণৰ মানুহ দেখি তই ...!"

দময়ন্তীয়ে কোনো উত্তৰ নিদিলে। কিন্তু হঠাৎ তাই তিতা কাপোৰেৰে কো কোৱাই গৈ চুবনিৰ ওচৰত হুকহুকাই বমি কৰিবলৈ ধৰিলে। কিংকৰ্তব্যবিমূঢ় হৈ কিছু সময় কৃষ্ণকান্ত পুৰোহিত একে ঠাইত থিয় হৈ থাকিল। তাৰ পাছত তেওঁ তাইৰ ওচৰলৈ এখোজ আগুৱাই গৈ ক'লে, "এইটো তেতিয়াহ'লে পীতাম্বৰ মহাজনৰে সন্তান হ'ব — হ'ব?"

তাই কোনো উত্তৰ নিদিলে।

"বৰ ভাল হৈছে! বৰ ভাল হৈছে — বেচেৰা পীতাম্বৰ! পিতৃ হ'বলৈ কেনেকৈ সি হামৰাও কাঢ়ি মৰিছিল!"

এইবাৰো তাই কোনো উত্তৰ নিদিলে।

"মই তেতিয়াহ'লে পীতাম্বৰক খবৰ দিম। শুন, গান্ধী মহাৰাজাই কৈ গৈছিল এই জাত-পাতৰ বিচাৰামখাই আমাৰ মানুহমুখাক অমানুহ কৰি তুলিছে। মহাজনে হোম পুৰি বিয়া কৰাব। বাইজৰ আশীৰ্বাদ লৈ বিয়া কৰাব। শুন দময়ন্তী, বাইজ অতিষ্ঠ হৈছিল। তোৰ কাণ্ড-কাৰখানা দেখি পঞ্চায়ত বহে পঞ্চায়ত বহে এনে অৱস্থা হৈ আছিল। শুন, মই আজি খোলাখুলিকৈ কৈছোঁ তোক!! তই বোধহয় নেজান, তই বিজুলীবাঁহৰ তলত পুতি থৈ অহা তিনিমহীয়া সন্তান এটাৰ মাংস-পিণ্ড এটা শিয়ালে টানি আনি গোসাঁই ধুওৱা পুৰোহিতৰ চোতালত পেলাইছিল। তই জাননে পুৰোহিতে কেইখেনু পৰাচিত হ'ব লগা হৈছিল?"

দময়ন্তীয়ে আকৌ এবাৰ খকখকাই বমি কৰিবলৈ ধৰিলে।

"এইবাৰ তই একো গণ্ডগোল নকৰিবি। সকলো জানিও পীতাম্বৰ মহাজনে তোক

গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে। এইবাৰ উদ্ধাৰ নহ'লে তই একেবাৰে নৰকত পতিত হ'বি। মই মোৰ এই যজ্ঞসূত্ৰ স্পৰ্শ কৰি কৈছোঁ, একেবাৰে পতিত হ'বি।"

কৃষ্ণকান্ত পুৰোহিতেই পীতাম্বৰ মহাজনক তাৰ জীৱনৰ আটাইতকৈ সুন্দৰ খবৰটো দি ক'লে, "তাই যদি এই সন্তান নষ্ট নকৰে — জানিবা মহাজন তাই বিয়াত বহিব!"

আনদিনাৰ দৰে মহাজনে কাটি পেলোৱা চেগুন গছজোপাৰ মূঢ়াৰ দৰে হৈ পৰা গুৰিটোত বহি আছিল। ভৰিত বোকাৰে লেটিপেটি হৈ থকা জোতাযোৰ সি খুলি থোৱা নাছিল।

কৃষ্ণকান্ত পুৰোহিতৰ কথা শুনি সি উত্তেজিত হৈ থক্‌থককৈ কঁপিবলৈ ধৰিলে। সি পিতৃ হ'ব? সি পিতৃ হ'ব? এই কথা সঁচা? এই কথা সঁচা? এই কথা পুৰোহিত বামুণে নিজে কৈছে!!

বহাৰ পৰা উঠিল সি। কিছুসময় চোতালখনত পায়চাৰি কৰিবলৈ ধৰিলে।

কৃষ্ণকান্তই ক'লে, "একেবাৰে হোকোৰা বান্দৰৰ দৰে অহা-যোৱা কৰিছা দেখোন! মনৰ আনন্দই একেবাৰে হাঁফোলা মাৰি ধৰিছে নহয়নে — আঢ়ৈকুৰি বছৰত পিতৃ হ'ব পৰা সৌভাগ্য বৰ সৌভাগ্য।"

হঠাৎ পীতাম্বৰ মহাজনে কৃষ্ণকান্তৰ ওচৰত আঁঠু কাঢ়ি বহিল। একেবাৰে বিনয় কৰাৰ দৰে গলবস্ত্ৰ হৈ সি ক'লে, "বাপু মোৰ আশাত কুঠাৰাঘাত যেন নহয়! মোৰ পিতা-আতা কেনে সিংহপুৰুষ আছিল জানা নহয়। বংশৰ প্ৰদীপ নোহোৱা হতভগাৰ মনস্তাপ কেনে সি ভুক্তভোগীয়েহে জানে! অকল সেয়ে নহয়, তাই কুহকিনী বামুণৰ আপীয়ে মোৰ জীৱনটো হাতৰ মুঠিত লৈ আছে। ... কি কৰোঁ মই? কি কৰোঁ মই?" হাত এখন দাঙি কৃষ্ণকান্তই আশ্বাস দিয়াৰ দৰে ক'লে, "মই মৰাশ পহৰা দিয়া শগুণৰ দৰে পহৰা দি থাকিম! তুমি ভয় নকৰিবা।" বিজনী বুঢ়ীয়ে গছৰ শিপাসোপাৰে সেইবোৰ অপকৰ্ম কৰে তাইকো সাবধান কৰি থ'ম। কিন্তু তাৰ বাবেও টকা-সিকাৰ প্ৰয়োজন হ'ব।"

আজি মহাজনৰ হাতনি পেৰা খোলাৰ প্ৰয়োজন নহ'ল। বাৰীৰ সাতডাল কঁঠাল গছৰ কঁঠালমখা আজি সি একেলগে ওৰপূতৰ পিনৰ বেপাৰী এটাক বেচি দিছিল। পাঞ্জাবীৰ পকেটতে নোটৰ বাণ্ডিলটো ভৰাই থৈছিল। গোটেই বাণ্ডিলটোকে আনি মহাজনে কৃষ্ণকান্ত পুৰোহিতৰ হাতত তুলি দিলে। কৃষ্ণকান্তই গদ-গদ হৈ মহাজনক মূৰত ধৰি আশীৰ্বাদ দিলে।

এইবাৰ উভতি কোঠাত সোমাব খোজোঁতে পীতাম্বৰ মহাজন বিছনাত পৰি থকা ঘৈণীয়েকৰ চকুযোৰৰ সৈতে মুখামুখি হ'ল। এটা মৰ্মভেদী চাৱনিয়ে কিছু সময় তাক চক খুৱালে সঁচা কথা, কিন্তু পিছ মুহূৰ্তন্তে সি বৰ্বৰ ৰূপ ধাৰণ কৰি আটাহ পাৰি উঠিল, "ঐ হেৰেপা মুঁজী, কাঠবাজী! কিয় চাই থাক তেনেকৈ?"

এইবুলি কৈ তেওঁ বাহাকেইটাক চিএৰি চিএৰি মাতিবলৈ ধৰিলে, "ধৰ ধৰ, এইৰ বিছনাখন ধৰ। এইৰ বিছনাখন আমি টেঁখালৰ কাষৰ কোঠাটোত পাৰি থওঁ! ধৰ! ধৰ!!"

যেনে কথা তেনে কাম। চাৰিটা বাস্কাৰ সৈতে পীতাম্বৰে বিছনাখন মানুহজনীৰ সৈতে দাঙি টেঁখালৰ কাষৰ দুৱাৰ-খিৰিকী নোহোৱা অন্ধকাৰ খুপৰি এটাত থৈ আহিল। দময়ন্তীৰ সৈতে সম্বন্ধ হোৱাৰ পৰা মহাজনে ঘৈণীয়েকৰ চিকিৎসাৰ কথা পাহৰাৰ দৰে হৈছিল। মানুহজনীৰ দেহত অস্থিচৰ্মহে বাকী আছিল। তাইৰ খোৱা-বোৱাখিনিও বান্দাইতে ওচৰত আনি দিবলৈ গাফিলতি কৰিছিল। ভাতৰ লগত পানীৰ গিলাছ দিব পাহৰিছিল। পিয়াহত ডিঙি শুকাই কাঠ হৈ গৈছিল। নাই, মানুহজনীয়ে কিন্তু মুখেৰে কোনো কথা উচ্চাৰণ নকৰিছিল। ডিঙি শুকাই কাঠ হৈ গ'লেও নাইবা চুৰা বাচন চকুৰ আগত পৰি থাকিলেও তাই মনে মনে আছিল। তাই মানুহে কোৱাৰ দৰে জীয়া মৰাশ হৈ পৰিছিল। এতিয়া এই আন্ধাৰ খুপৰিটোত এনেদৰে পেলাই থৈ যোৱাৰ সময়তো তাই নিশ্চুপ হৈ থাকিল। কিন্তু আচৰিত কথা এয়ে যে এই অন্ধকাৰৰ মাজতো মানুহজনীৰ চকু দুটা জ্বলি থাকিল। মাটিৰ চাকিৰ শেঁতা পোহৰৰ দৰে তাইৰ এই দৃষ্টিৰ পোহৰত তাই যেন সকলো বস্তুৰে এটা নাঙঠ ৰূপ দেখা পালে।

সন্তান লাভৰ আনন্দত পীতাম্বৰ মহাজনে সুখ আৰু কল্পনা ৰাজ্যত বিচৰণ কৰি ফুৰিব ধৰিছে। দময়ন্তীৰ গৰ্ভত স্থিতি লোৱা শিশুটিয়ে যেন জন্মলাভ নকৰোঁতেই শৈশৱৰ পৰা গৈ তৰুণ যুৱক হ'ল। ধনশ্ৰী নদীৰ পাৰে পাৰে সি পীতাম্বৰৰ হাতত ধৰি ঘূৰি ফুৰিবলৈ ধৰিলে, বংশ-পৰম্পৰাৰ যুগ যুগান্তৰৰ এডাল সোণালী ৰছী সি টানি লৈ গ'ল কোনো এক সীমাহীন দিগন্তলৈ, য'ত স্বৰ্গ আৰু মৰ্ত্য এক হৈ আছে, য'ত সকলো ৰং এক হৈ পোহৰৰ পিনে ধাবিত হৈছে।

পীতাম্বৰে এইবাৰ পুৰণা পেৰা এটা বান্ধাবোৰৰ হতুৱাই আটালৰ পৰা পাৰি আনি কোনেও নেদেখাকৈ ভিতৰৰ মজিয়াত খুলিলে। গামোচা এখনেৰে পিতাক বলীৰাম মহাজনৰ কেইটুকুৰামান অস্থি তাত বন্ধা আছিল। আধাপোৰা এই হাড় কেইটুকুৰাৰ লগতে পিতাকে সদায় পিন্ধি থকা সোণৰ মাদলিৰ সৈতে পোৱালমণি এধাৰি লেটিপেটি হৈ পৰি আছিল। মণিধাৰ মৃত্যুশয্যাত পৰি থকা পিতাকৰ ডিঙিৰ পৰা খোলাৰ সময়ত পিতাকে তাক শেহাই শেহাই কৈছিল, "এই মণি তোৰ পুত্ৰই পিন্ধিব। তাৰ পাছত তাৰ পুত্ৰই, তাৰ পাছত ...! সোণালী জখলাৰে সিহঁতে আমাৰ বংশৰ ধ্বজা...!" আৰু ক'ব পৰা নাছিল। হাইজা হৈ ঢুকাইছিল পিতাক। মণিধাৰ উলিয়াই আনি পীতাম্বৰ মহাজনে আকৌ অস্থিবোৰ গামোচাত বান্ধিলে। বান্ধাবোৰে পুৰণা পেৰাটো আনি আকৌ আটালত তুলি থ'লে।

দিনৰ পাছত দিন বাগৰি যাব ধৰিলে। কিবা এটা খবৰ পাবলৈ পীতাম্বৰ মহাজন অধীৰ হৈ থাকিল। কোনোবাই কৈছিল, পাঁচ মাহ গৰ্ভত থকা সন্তান নষ্ট কৰা নাযায়। সি অধীৰ আগ্ৰহেৰে সময় বাগৰি যোৱাৰ কথা চিন্তা কৰিলে। প্ৰত্যেকটো দিনেই তাৰ সন্মুখত এখন পৰ্বতৰ দৰে আহি থিয় হ'ল। সি কুহকিনী দময়ন্তীৰ পদধ্বনি যেন অহৰহ শুনা পাবলৈ ধৰিলে। তাই যেন তাৰ কাণৰ ওচৰত আহি গুণগুণাব ধৰিলে ঃ

হোমৰ যোগাৰ কৰা।

মই এতিয়া আৰু বাহিৰ ওলাব নোৱাৰা হৈছোঁ? হোম পোৱাৰ যোগাৰ কৰা।

উঃ সেইবোৰ শূদিৰ-বামুণ-গৰিয়া-মুছলমান চব খোলাকটিৰ তাল। মানুহহে লাগে আমাক — কাটিলে তেজ ওলোবা মানুহ!

হোমৰ যোগাৰ কৰা মহাজন! দেখা নাই, মোৰ পেটটো কেনেকৈ বাঢ়ি আহিছে!

... হয়, হয়, তাই যেন ভৰিত জুনুকাহে পিন্ধি থাকে! কণ জুন, কণ জুন! হয় হয়, কল্পনাত দেখা তাইৰ বাঁহগাজ বৰণীয়া ভৰিখনত যেন তাই জুনুকাহে পিন্ধি থাকে ... তাই আহে! তাই মনলৈ সকলো সময়তে আহে। কয়, "মহাজন তোমাৰ লগত শুই উঠাৰ পাছত আৰু আৰু নাদৰ পাৰলৈ গৈ গা নুধুওঁ। এইবোৰ হিন্দু-মুছলমান-বামুণ আদিৰ খোলাকটিৰ তাল!!"

তিনিটা মাহ পাৰ হৈ গ'ল। এতিয়াও অহৰহ পীতাম্বৰ মহাজনে ধনেশ্বৰী নদীৰ পাৰে পাৰে এটা তৰুণ যুবকৰ কান্ধত হাত থৈ ঘূৰি ফুৰাৰ স্বপ্ন দেখে। দিনতো দেখে. ৰাতিও দেখে।

ভাদ মাহ। আবেলিৰ পৰাই ধুমুহা আৰম্ভ হৈছিল। যৈণীয়েক কোঠাৰ দুৱাৰ মাৰিবলৈ গৈ সি দেখিলে আনদিনাৰ দৰে তাই একেদৰে চকু মেলি চাই আছে। আজি তাইৰ চাৱনি ৰাতি ভৰিৰ আগেৰে পাৰ হৈ যোৱা সাপ এডালৰ চিক্‌মিকনিৰ দৰে লাগিল। ধুমুহা-বতাহত ঘৰৰ লেম-চাকিবোৰ নুমাই থাকিল। বাহ্মাবোৰক চিএৰি চিএৰিও মহাজনে নোপোৱা হ'ল।

কাৰো মাত কোনেও নুশুনা হ'ল। হিৰ হিৰ, গিৰ গিৰ কৰি বাৰীৰ পাছৰ গছ কিছুমান বাগৰি পৰিল।

কি গছ পৰিল? হায় হায়, কি গছ পৰিল? আকৌ দূৰৈত ক'ৰবাত যেন ব্ৰজপাত হ'ল। এইবাৰো কিবা গছৰ ওপৰত পৰিল ছাগে। গছ ফালি ছিৰা-ছিৰ হোৱাৰ শব্দ শুনা গৈছে। মহাজনে থপ্‌জপ্‌কৈ বাহিৰলৈ ওলাই আহিল। কাঁথিৰ এচুকত সাতডাল নাৰিকল গছৰ নাৰিকল দ'মাই থোৱা আছিল। বাহ্মাবোৰে বৰষুণত তিতি তিতি সেইবোৰ ঢেঁখালত থোৱাৰ আয়োজন কৰিছে। বতাহৰ কোবত কিছুমান নাৰিকল বাগৰি গৈ চোতালত টপ্‌টপ্‌কৈ পৰিব ধৰিলে। কাৰো মাত কোনেও নুশুনা হ'ল। লাহে লাহে বতাহ আৰু মেঘৰ গৰ্জন কমি আহিল। কিন্তু ধাৰাসাৰে বৰষুণ পৰিবলৈ ধৰিলে। এতিয়া কেৱল এটাই শব্দ। বৰষুণৰ শব্দ। কোনোবাই মহাজনৰ শোৱা-কোঠাত লণ্ঠন এটা থৈ গ'ল। অপৰিষ্কাৰ চিমনিৰে অহা শেঁতা পোহৰত সি বাহিৰৰ বৰষুণৰ তিৰ্‌বিৰণি দেখা পালে। তিতি যোৱা মজিয়াখনত কোনোবাই যেন কুমজেলেকুৱাৰ ছাল এখনহে পাৰি থৈছে এনে ভাব হ'ল তাৰ! কিন্তু এনে এটা অৱস্থাতে মহাজনে ভৰিৰ সেই কণজুন কণজুন জুনুকাৰ শব্দ শুনা পালে। এক তৰুণ যুবকৰ লগত সি ধনেশ্বৰী নদীৰ পাৰে পাৰে ঘূৰি ফুৰাৰ ছবি দেখা পালে। সি সেই যুবকক বুকুৰ ওচৰলৈ আনি মুখ শুঙি চালে ... তাইৰ ভৰিৰ কণজুন কণজুন শব্দৰ লগত বাহিৰত মুষলধাৰেৰে পৰা বৰষুণৰ শব্দ যেন এক হৈ গ'ল। বৰণীয়া এখনত বহি মহাজনে বৰষুণ কমালৈ অপেক্ষা কৰিলে। আকৌ বাৰে বাৰে সেই কণজুন কণজুন শব্দ তাৰ কাণৰ ওচৰলৈ আহিল।

হঠাৎ বাহিৰত মহাজনক কোনোবাই নাম ধৰি মাতিলে। অহৰহ উৎকৰ্ণ হৈ [illegible] মহাজনে বৰঘৰৰ মাজতো এই শব্দ শুনা পালে। লণ্ঠনটো লৈ সি খপ্‌জপকৈ [illegible] ওলাই গ'ল। বৰঘৰৰ মাজতে সি তিতি [illegible]কলি-জুপুৰি হৈ অহা কৃষ্ণ[illegible] দেখা পালে। বুকু ধপ্‌ধপাব ধৰিলে। [illegible] আহিল পুৰোহিত? কিয় [illegible] তেওঁ এই বৰষুণত তিতি-বুৰি? সৌৱা, ফটা ছাতিটোৰে তেওঁক বৰষুণৰ পৰা উদ্ধাৰ কৰিব পৰা নাই। ধুতিখন তেওঁ আঁঠুৰ ওপৰলৈ কোঁচাই লৈছে। একেবাৰে উদং শৰীৰত চাদৰ এখন তিতি লপ্‌থপ্‌কৈ পৰি আছে। মানুহটো এটা নৰকঙ্কালৰ দৰে দেখা গৈছে। এই নৰ-কঙ্কাল তেওঁৰ ওচৰলৈ আগবাঢ়ি আহিছে। কি খবৰ আনিছে? উঃ, কি খবৰ আনিছে?

লণ্ঠনটো দাঙি ধৰি মহাজনে চিঞৰি উঠিল, "বাপু! এই ৰাতি? এই বৰষুণত?"

কৃষ্ণকান্ত পুৰোহিতে কোনোপধ্যেই আহি কঁপিত উঠিল। কঁপা কঁপা হাতেৰে থৰক্-বৰক্‌কৈ তেওঁ ছাতিটো জপাই খুঁটা এটাত আঁউজাই থ'লে। গাত লৈ থকা চাদৰখন চেপি তেওঁ মুখখন মচি ল'লে। তাৰ পাছত তেওঁ কুঁজা হৈ মহাজনৰ পিনে আঙুলি টোৱাই স্খলিত কণ্ঠেৰে ক'লে, "পীতাম্বৰ, তোমাৰ প্ৰথমজনী তিৰোতা ঢুকাওঁতে পুহকৰ লাগিছিল নহয় নে? তিনিটা নে চাৰিটা পুহকৰ?"

"মনত নাই। কিন্তু কিয়?"

"তিনিটা পুহকৰ লাগিলে ঘৰৰ চোতালৰ দুবৰিবনো জ্বলি-পুৰি শেষ হৈ যায়। তোমাৰ তিনিটা পুহকৰ লাগিছিল। চব জ্বলি-পুৰি শেষ হৈ গৈছে।"

"কি হ'ল বাপু? কি হ'ল?"

"তাই নষ্ট কৰি পেলাইছে। পৃথিবীয়াৰ বীজ তাই নকঢ়িয়াই। তাই শাণ্ডিল্য গোত্ৰীয় বামুণ। তাই নষ্ট কৰি পেলাইছে। তোমাৰ সন্তান তাই নষ্ট কৰি পেলাইছে, পীতাম্বৰ। পীতাম্বৰ ...!"

[ধনেশ্বৰীৰ পাৰত ঘূৰি ফুৰা তৰুণ যুবক পীতাম্বৰ মহাজনৰ হাতৰ পৰা এবা খাই যেন নদীৰ গভীৰ পানীত বাগৰি পৰিল। কোন পৰিল? কোন পৰিল? পীতাম্বৰ নে তৰুণ যুবক পৰিল? পীতাম্বৰ মহাজন পৰিল নে তৰুণ যুবক পৰিল। উঃ, কোন পৰিল!]

এদিন মাজৰাতি হঠাৎ দময়ন্তীয়ে শুনিলে কোনোবাই বিজুলী বাঁহৰ জোপোহাৰ তলত মাটি খান্দিছে। কোন? কোন? বুলি তাই ডাঙৰ ছোৱালীজনীক জগাই দিলে। এই ছয় বছৰীয়া ছোৱালীজনী আৰু মাকে কাণ পাতি শুনিলে। হয় হয়, কোনোবাই বিজুলী বাঁহৰ তলত মাটি খান্দিছে। সৌ সিদিনা মাক-জীয়েক দুয়ো বি ঠাইত মাটি খান্দিছিল ঠিক সেই ঠাইৰ পৰাই এই শব্দ আহিছে। মাক-জীয়েক দুয়ো অন্ধকাৰ ৰাতি সেইদিনা চাতামপুৰৰ বামুণৰ ল'ৰাই দিয়া চিপৰাখনেৰে অনেক সময় ধৰি মাটি খান্দিছিল। জীয়েকে ওচৰতে শিয়ালৰ হোৱা শুনি বাৰে বাৰে কঁপি উঠিছিল। আজি সেই ঠাইতে শব্দ হ'ব লাগিছে — হুৱাৎ —হুৱাৎ। হুৱাৎ। হুৱাৎ।! খুঁট। খুঁট। খুঁট।! ... দুয়ো মাক-জীয়েকে হাতত চাকি লৈ খুপি খুপি খিৰিকীৰ ওচৰত উপস্থিত হ'ল।

হুৱাৎ। হুৱাৎ।! খুঁট। খুঁট। খুঁট।!!

ম্যাক-জীয়েক দুয়ো এটা জ্বলি থকা লণ্ঠন দেখা পালে। লণ্ঠনৰ পোহৰত দুয়ো [illegible] হৃষ্টপুষ্ট মানুহে সেই একেটা গাঁতকে খান্দি আছে যিটো গাঁত মাত্র দুদিন [illegible] দময়ন্তীয়ে খান্দিছিল। হয় হয়, সেই একেটা গাঁতকে খান্দি আছে।

দময়ন্তীৰ অন্তৰাত্মা কঁপি উঠিল। সেই[illegible] পীতাম্বৰ মহাজন! হয় হয়, সেইটো পীতাম্বৰ মহাজন। একান্তমনে মহাজনে গাঁতৰ মাটি আঁতৰাব লাগিছে! লণ্ঠনটো বিজুলী খাঁহৰ খুলি এটাৰ ওপৰত বান্ধি থৈ দিছে।

মহাজনে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। মানসিক ব্যাধিগ্ৰস্ত ৰোগীৰ দৰে তেওঁ মাটি গুচাব লাগিছে।

দময়ন্তীয়ে ভয়ত থক্‌থক্‌কৈ কঁপিবলৈ ধৰিলে। কি কৰে মানুহটোৱে!! আটাহ পাৰিব নেকি তাই বাৰু? তাইৰ ঘৰত এই কাণ্ড ঘটিছে... তাই, আটাহ নাপাৰিবনে?

"মহাজন? মহাজন?"

নাই, কোনো ভ্ৰূক্ষেপ নাই।

হুটুৰ! হুটুৰ! হুটুৰ!!

"মহাজন! মহাজন! কিয় খান্দিছা গাঁত!"

পীতাম্বৰ মহাজনে খিৰিকীৰ পিনে এবাৰ [illegible]চালে। কিন্তু কোনো উত্তৰ নিদিলে।

আকৌ হুটুৰ! হুটুৰ!! হুটুৰ!!

হাঁহাকাৰ কৰি উঠিল দময়ন্তীয়ে।

"মই পুতি থৈছোঁ সঁচা কথা! কিন্তু কি পাবি তাত — মাংসপিণ্ড এটাহে পৰি আছে!"

পীতাম্বৰ মহাজনে মূৰ তুলি চাই ক'লে, " মোৰ সন্তান আছিল — মই মাংসপিণ্ড টুকুৰাকে চুই চাম। মই মোৰ এই দুখন হাতেৰে মোৰ বংশধৰক চুই চাম।"

অপূৰ্ব শৰ্মা

হঠাৎ নদীত ঢল

বাহিৰলৈ যোৱা বাট

হঠাৎ, নদীত ঢল

বহুত সময়ৰ মূৰত হেমধৰে অনুভৱ কৰিলে, এন্ধাৰৰ মাজত কাঠৰ দলঙৰ ৰেলিঙৰ ওপৰত সি অকলে অকলে বহি আছে। গাঁৱৰ মাজেদি বৈ যোৱা নৈখন সৰু আৰু শান্ত, গাঁৱৰ মানুহবোৰৰ সকলোৰে আৰু প্ৰত্যেকৰে নিজৰ, অতিকৈ আপোন আৰু প্ৰায় প্ৰতিঘৰৰে বাৰীৰ পিছফালে বৈ গৈ গা-ধোৱা, কাপোৰ ধোৱা, চাৰ দিয়া আদি অপৰিহাৰ্য প্ৰাত্যহিকতাৰ মাজেৰে ঘৰুৱা। মন গ'লেই তেওঁলোক নৈখনলৈ যায়, নিঃসংকোচে পানীৰ মাজলৈ নামি যায় আৰু পৰম সুখেৰে পৰম সুখত নিমজ্জিত হয়। কেতিয়াবা কোনোবাজনে নৈৰ বুকুত ভেটা মাৰি চেপা, চুঁহা পাতি নৈখনৰ ওপৰত অতিৰিক্ত অধিকাৰ সাব্যস্ত কৰিলে বাকীবোৰে এটা গোপন, ঈৰ্ষা-জড়িত, অনুক্ত অস্বস্তি অনুভৱ কৰে। কিন্তু সোনকালেই পানী বাঢ়ে, নৈখনে ভেটাৰে সৈতে নিজৰ আৰু আন সকলোৰে অস্বস্তি উটাই লৈ যায়। নৈখনৰ ওপৰত এখন চৰকাৰী কাঠৰ দলং: গাঁওখনলৈ অহা দ্বিতীয় আধুনিকতাৰ চিন। প্ৰথমটো আছিল টেলিগ্ৰাফৰ তাঁৰ, তৃতীয়টো, গাঁৱৰ বাটৰ ওপৰত শিলগুটি। কিন্তু শিলগুটিবোৰ ধূলি-বোকাত মিলি গ'ল আৰু টেলিগ্ৰাফৰ তাঁৰ, প্ৰাথমিক কৌতূহল সত্ত্বেও, ওপৰত তেওঁলোকৰ বাবে অপ্ৰয়োজনীয় হৈ ৰ'ল। কিন্তু দলংখন এটা নতুন সমূহীয়া সম্পদ আৰু অনুচ্চাৰিত গৌৰৱ। এই নতুনত্বক স্পষ্টতৰ কৰি তাৰ কাষতেই গাঁওখনৰ আন এটা অনুচ্চাৰিত গৌৰৱ, এটা প্ৰাচীন সম্পদ: বুঢ়া ঋষিৰ দৰে সৌম্য, প্ৰাজ্ঞ, আঁক-বাক ছালৰ দুজোপা প্ৰকাণ্ড গছ — এজোপা আঁহত, আনজোপা বৰ। ব'হাগৰ বিহুৰ পাছত যেতিয়া দূৰৰ আইখানৰ পৰা গাঁৱত গোসানী ফুৰাবলৈ আনে, এই গছ দুজোপাৰ তলত কেইমুহূৰ্তমান গোসানীৰ আসন বখাই ঢোল-কালি-ডবা বজাই বনস্পতিক প্ৰাপ্য সন্মান জনোৱা হয়। বহদূৰৰ নেপালী গাঁৱৰ বৰযাত্ৰীৰ দল গাঁৱৰ মাজেৰে পাৰ হৈ যাওঁতে ইয়াৰ তলত বৈ বিশাল পেঁপাটো বজাই কোনো ইষ্ট দেৱতাক আবাহন কৰে। গৰমৰ দিনত গধূলি কোনোবাই কঠীয়াতলিৰ পৰা কঠীয়া মাৰি আহি, কোনোবাই বা পিছদিনাৰ বাবে পথাৰত বোকা দি আহি নৈখনত নামি গা ধোৱে আৰু তাৰ পিছত দলঙৰ ৰেলিঙত আঁউজি বা বহি গধূলিৰ গা-জুৰোৱা বতাহত জিৰণি লয়। গাঁৱৰ ডেকা, আলহীয়া আঁতাইখিনি আহি দলঙত লগ লাগেহি। হাতৰ তিতা গামোচাখনেৰে খালি গাটো কোবাই মহ উৰাই উৰাই তেওঁলোক গধূলিৰ বিচিত্ৰ আলাপত মগ্ন হয়। ক্ৰমে লাহে লাহে আলহীয়াসকল

ঘৰলৈ গ'লে, ডেকাহঁতে বিড়ি-পেপৰ-চাধা সেৱনৰ মাজেৰে বহু দেৰিলৈকে মুকলিমূৰীয়াভাৱে কথোপকথনত সময় কটায়। মাজে মাজে অশ্লীলতা সহকাৰে ফুচ্‌ফুচীয়া কোনো গাভৰুৰ ৰহস্য-সংবাদে বা দুই-এটা নিয়ন্ত্ৰণহীন ইংগিতময় টিকিয়ে সিহঁতৰ আলাপ ৰসাল কৰি তোলে।

হেমধৰ এই সান্ধ্য-সংঘৰ বিলম্বিত সহযোগী। গিৰিধৰ দোকানীৰ ঘৰত গৰু-গাই বান্ধি, গোহালিত যাগ দি, খীৰতীকেইজনীক দানা খুৱাই, দানাৰ চৰিয়া-কেৰাহী ধুই সি দোকানৰ বাহিৰৰ বেঞ্চখনত বহে। গ্ৰাহক বেছি থাকিলে দোকানীৰ আদেশত কামকৰ্পীয়া দোকানী ল'ৰাটোক সহায় কৰিব লাগে। অৱশেষত গ্ৰাহক শেষ হ'লে বিক্ৰীৰ পইছাখিনি হিচাব কৰি হাতনি-পেৰাটো কাবলতিৰ তলত লৈ দোকানী যেতিয়া ঘৰৰ ভিতৰলৈ যায়গৈ তেতিয়া দোকানী ল'ৰাটো দোকান বন্ধ কৰি পাকঘৰত ৰন্ধা-বঢ়াত সহায় কৰিবলৈ যায় আৰু হেমধৰে তাৰপৰা বিড়ি এটা খুজি লৈ দলঙৰ ফালে ওলাই যায়। সেই সময়ত সন্ধ্যা ভাগে; দলংখন তেতিয়া একচেটিয়াভাৱে ডেকা ল'ৰাহঁতৰ দখললৈ আহে। কিন্তু সিহঁতৰ মেলতো হেমধৰে মুকলিকৈ যোগ দিব নোৱাৰে। তাৰ মনৰ ভিতৰত ক'ৰবাত নেদেখাকৈ যেন কিবা এখন হেঙাৰ আছে, এটা বাধা আছে, কাৰণ কোনেও নক'লেও, সি জানে যে সকলোৱে জানে যে সি এটা চাকৰ আৰু তাতকৈও আহুকলীয়া কথা, বোধহয়, যে সি পৰ গাঁৱৰ ল'ৰা। তথাপি ডেকাহঁতৰ লগতে ৰেলিঙত বহে, বিড়িটো ভগাই হোঁপে আৰু সিহঁতৰ কথাৰ ভাগ লয়, দুই-এটা মন্তব্য দিয়ে, যদিও বেছিভাগ সময়েই সি শ্ৰোতা। কিন্তু শেষলৈকে থাকে। কেতিয়াবা সকলো যোৱাৰ পাছতো সি অকলেই বহি নৈখনলৈ চাই থাকে। কেতিয়াবা দলঙৰ পৰা নামি নৈৰ গৰাৰ পাৰত বহি নৈৰ বুকুৰ এন্ধাৰ গতিশীলতা, পাৰৰ হাবিখন, দূৰৰ আকাশ ঢাকি ৰখা অন্ধকাৰ আদি নেদেখা বস্তুবোৰকে সি একান্তমনে চাই ৰয়। দিনত মাত নুশুনা নৈখনৰ মাত ওলায়, নৈৰ পাৰৰ তৰাণিৰ মাজৰ পৰা কেতিয়াবা জাক শিয়ালে হঠাৎ হুলস্থূল কৰি উঠে, দূৰৈৰ গোপচাৰৰ মাজৰ অকলশৰীয়া গছডালৰ বুকুৰ পৰা এটা বাতিৰ চৰাইৰ মাত ভাহি আহে। জুৰ বতাহত গা শাঁত লাগে, মনটো গহীন হৈ পৰে আৰু এসময়ত ঘৰলৈ আহি দোকানী ল'ৰাটোৱে ঢাকি থোৱা ভাতকাঁহী খাই খৰিঘৰৰ লগতে থকা সৰু কোঠাটোৰ চাংখনত বাগৰ দি হেমধৰ ক'ৰ নোৱাৰা হৈ টোপনি যায়।

আজিও সি দেখিলে, সি বহুসময় ধৰি ৰেলিঙত অকলে বহি আছে। চাৰিওফালে এন্ধাৰ। জোনাক নিশা গৰমত লগৰবোৰ দেৰিলৈকে থাকে, তাৰ কিন্তু এন্ধাৰত অকলশৰে বহিহে ভাল লাগে। জনা-বুজা হোৱাৰ পৰাই সি গম পাই যে সি অতিকৈ নিছলা। এখন ঘৰ, এজনী মাক, এটা দেউতাক, ককাই-ভাই-ভনী এনে বহুবোৰ বস্তু তাৰ নাছিল। এইবোৰ অভাৱ জমা হৈ এটা শূন্যতাৰে তাৰ বুকুৰ ভিতৰখন ভৰাই ৰাখিছিল। মাজে মাজে শূন্যতাৰ গধুৰ ওজনটোৱে তাৰ বুকুখন হেঁচা মাৰি ধৰে। এইখন গাঁৱলৈ অহাৰ পাছত সি অনুভৱ কৰিলে যে ইয়াৰ নিচিনা তাৰ নদী এখনো নাছিল। সি অৱশ্যে শুনিছে যে তাৰ দুবছৰতে দেউতাক বানত ডুবি মৰিছিল। তাৰ কোনো কথা মনত নপৰে। কিন্তু খুব সৰু কালৰ এজনী

মানুহৰ অস্পষ্ট ৰূপ তাৰ মনলৈ আহোঁ-নাহোঁকৈ আহিব খোজে, সেইজনীয়ে কিজানি তাৰ মাক। চাৰি-পাঁচ বছৰ বয়সতে নিথৰুৱা হৈ সি মোমায়েকৰ ঘৰলৈ আহিবলগীয়া হয় আৰু তাত মামীয়েকৰ সতৰ্ক চকুৰ তলত সি তাৰ আচল জীৱন আৰম্ভ কৰে। স্কুলত পঢ়ি থকালৈকে মোমায়েকৰ ল'ৰা-ছোৱালীকেইটাৰ লগতে সি পঢ়া-শুনা, খেলা-ধূলা কৰিবলৈ সুবিধা পাইছিল। কিন্তু দুবাৰতো এম, ভি, স্কুলখন পাছ কৰিব নোৱাৰাত সি পঢ়া সামৰি মোমায়েকৰ লগত পথাৰলৈ যাবলৈ ধৰিলে। ইতিমধ্যে সি ডাঙৰ হৈছিল ; গাৰ আঁহ-পাহ মুকলি হৈছিল ; ঘৰৰ খৰিফলা, গোবৰ পেলোৱা, বাৰী চিকুণোৱা আদি কামো মামীয়েকৰ নিৰ্দেশত তাৰ ভাগতে পৰিল। ক্ৰমে কৰি সি ভালেই পাইছিল। সি মোমায়েকহঁতৰ কামত আহিব খুজিছিল, তেওঁলোকক কামেৰে সন্তোষ দিব খুজিছিল। কিন্তু বছৰ বাগৰিব ধৰিলে, ইটো-সিটো কথাৰ বৈসাদৃশ্য আৰু অসামঞ্জস্য তাৰ চকুত পৰিবলৈ লাগিল। আগেয়ে বহুত নুবুজা কথা লাহে লাহে বুজি তাৰ মনটো বেয়া লগা হ'ল। সি গহীন হৈ পৰিল, কথা কমিল, বুকু গধুৰ হ'ল, সকলোৰে লগত তাৰ সম্পৰ্ক অসহজ হৈ উঠিল। সি বোধহয় ডেকা হ'ল। বৰশী বাই, ফুটবল খেলি, ভাওনা চাই বা চহৰ কোবাই ৰাতি এডোখৰত ঘৰ সোমোৱা তাৰ সমনীয়া মোমায়েকৰ ল'ৰা বকুলে যেতিয়া তাক টোপনিৰপৰা জগাই চুৰা মলিবলৈ লগায়, বকুলৰ প্ৰতি ঈৰ্ষাজনিত নীৰৱ ক্ৰোধত তাৰ মনটো অস্থিৰ হয়। কেতিয়াবা অভিমানত শুই থকাৰ পৰা মোমায়েকে তাক ভাত খাবলৈ জগাব লগা হয়। চকু-কাণ মুদি ভাত খাই সি নিজৰ কোঠাত সোমায়। সেই গাঁৱত নদী নাছিল। শুকান, গৰম, ঠেক কোঠাৰ অন্ধকাৰত চাঙত পৰি সি টোপনি নহা সময়বোৰ পাৰ কৰে। চিন্তা কৰিবলৈ সি একো নাপায়, বিবুদ্ধি হয়। বুকুৰ ভিতৰখনত মাজে মাজে কিবা এটা পাক খাই উঠে। সৰু কালৰ অস্পষ্ট মাইকী মানুহজনীৰ ছবিখন মনলৈ আহিব খোজে। কেনেকুৱা আছিল মানুহজনী দেখিবলৈ ? কিবা কৈছিলনে ? হাঁহিছিলনে ? মৰম কৰিছিলনে ?

ইতিমধ্যে যেতিয়া মোমায়েকৰ সৰু পুতেকে মেট্ৰিক পাছ কৰি ওচৰৰ প্ৰাইমেৰী স্কুল এখনত শিক্ষকৰ চাকৰিত সোমাল আৰু পঢ়া-শুনা এৰি দগধা হোৱা ডাঙৰ পুতেকে ছোৱালী এজনী পলুৱাই আনি ঘৰ সুমুৱালেহি সি বিশেষ একো নভবা-নিচিন্তাকৈ মোমায়েকৰ ঘৰ এৰিলে। তাৰ পিছত চাৰিটামান বছৰ সি এখন এখনকৈ বহুতৰ দুখন অচিন গাঁৱত লোকৰ ঘৰত হালোৱা হৈ কটালে। এইখিনি সময়ৰ ভিতৰতে সি পূৰঠ মানুহ হ'ল। কঠোৰ পৰিশ্ৰমেৰে ভাত মোকোলোৱাৰ বাহিৰে আন একোকে চিনি নোপোৱা হ'ল। সি ক্ৰমে অধিক অকলশৰীয়া হৈ পৰিল। মোমায়েকৰ ঘৰখনলৈ তাৰ মাজে মাজে মনত পৰিছিল, কিন্তু মানুহবোৰৰ প্ৰতি কোনো আকৰ্ষণ অনুভৱ কৰিব নোৱাৰিছিল। তাৰ সৰুকালৰ লগৰীয়াবোৰো ডাঙৰ হোৱাৰ পাছত তাৰ লগত সিমান ঘনিষ্ঠ নাছিল। কি কাৰণে সি যেন সিহঁতকৈ বেলেগ আছিল ; বোধহয় এই কাৰণে যে বাকীবোৰৰ দৰে তাৰ ঘৰ, মাক-বাপেক, ভাই-ভনী নাছিল ; সি অন্য ক'ৰবাৰ পৰা আহি মোমায়েকৰ ঘৰত সোমাই আছিলহি। এইধৰণৰ কথাবোৰ সি অনুভৱ কৰিছিল নে লগৰীয়াবোৰৰ মনৰ ভাব বুলি ভাবিছিল সি ধৰিব নোৱাৰে। কিন্তু সি বুজে তাৰ খুব আপোন বন্ধু নাছিল। লগৰীয়াবোৰৰ মাজত

থাকিও যেন সি কিছু আঁতৰত আছিল আৰু তাতকৈ আগৰ দিনবোৰৰ কোনো ছবি তাৰ মনত নাছিল। ঘৰ-মা-দেউতা আদি স্মৃতিৰ অৱলম্বন তাৰ ধাৰণাত নাছিল। যি এজনী মানুহৰ কথা এনেবোৰ সময়ত তাৰ মনলৈ আহিব খোজে, সিও অস্পষ্ট, অনিশ্চিত, আবেগ-বৰ্জিত।

এইখন গাঁৱলৈ অহাও তাৰ তিনিবছৰৰ বেছি হ'ল। আগৰ দৰেই একো নভবা-নিচিন্তাকৈ এদিন সি থকা মানুহঘৰৰ পৰা মোমায়েকৰ ঘৰলৈ যাওঁ বুলি দৰ্মহাৰ টকা তিনিকুৰিমান লৈ গুচি আহিছিল আৰু কিছুদিন অনাই-বনাই এইখন গাঁও পাইছিলহি। গিৰিধৰ দোকানীৰ দোকানৰ বাৰাণ্ডাৰ বেঞ্চিখনত বহোঁতেই দোকানীৰ চতুৰ চকুৱে তাক ধৰিব পাৰিলে আৰু সেইদিনাই সি দোকানীৰ ঘৰত সোমাল। দোকানীৰ এটা হালোৱা আছিল, বেছি ভাগ মাটি আধিয়া দিয়া ; গতিকে পথাৰৰ কাম সি কৰিব নালাগে। মাত্ৰ গৰু-গাই চোৱা, গৰু পাল ৰখা, বাৰীখন চোৱা, মাজে মাজে গৰু-গাড়ীখন লৈ হাটলৈ যোৱা বা দুমাইল দূৰৰ কেঞাগোলাৰ পৰা মাল অনা। কামৰ হিচাব দেখি সি ভাল পাইছিল, কিন্তু পাছলৈ সেইবোৰৰ লগত নতুন নতুন কাম যোগ হ'বলৈ ধৰিলে ঃ বাৰীৰ গছৰ ডাল দলিওৱা, খৰি ফলা, বাঁহ কাটি আনি বাৰীখন বেৰা দিয়া, গোহালি ঘৰ মেৰামতি কৰা, ধান ভৰোৱাৰ আগতে ভঁৰালৰ গাধৈখন লিপা, ধান বা দি ভঁৰালত সুমুওৱা। কিন্তু কামলৈ তাৰ ভয় নাই আৰু কামৰ বাবে কোনো দিন তাৰ আপত্তিও সেয়ে নাছিল। বৰং লাহে লাহে তাৰ ভাল লাগি আহিছিল। গধূলি কামৰ শেষত দোকানৰ বাৰাণ্ডাত বহি গ্ৰাহকৰ কিনা-বেচা চাই গৰু-গাড়ী ৰখি, গৰু গাড়ী চলাই হাটলৈ বা তেল ডিপুলৈ বা কেঞাগোলালৈ গৈ সি এটা নতুন জীৱনৰ মাজত সোমাইছিল। এটা নতুনত্বই, আগতে নোপোৱা এটা উদ্দীপনাই তাৰ চেতনাত দুটামান সৰু সৰু ঢৌ তুলিছিল। দোকানৰ বেঞ্চিত, গৰু-পালত, দলঙৰ গধূলিত এটা-দুটাকৈ সমবয়সীয়াৰ লগত চিনাকি হৈছিল। ৰসাল আলোচনা আৰু বিড়ি চুখাৰ আদান-প্ৰদানৰ মাজেৰে সি সিহঁতৰ ওচৰ চাপি গৈছিল, যদিও এখন অদৃশ্য হেঙাৰৰ বাধা সি কেতিয়াও পাৰ হ'ব পৰা নাছিল। তাৰ আটাইতকৈ ভাল লাগিছিল নৈখন। তাৰ বাবে এইটো এটা বিস্ময় আছিল, জীৱনত কেতিয়াও নোপোৱা অনিৰ্বচনীয় আনন্দৰ অভিজ্ঞতা আছিল। প্ৰায় লগে লগে সি সাঁতুৰিবলৈ শিকিছিল। দুপৰীয়া, গধূলি সি ব্যগ্ৰ আকৰ্ষণেৰে নৈখনৰ বুকুলৈ সোমাই গৈছিল, বহু সময় ধৰি নিজকে নৈখনৰ বুকুত, ডুব মাৰি তাৰ গভীৰ অভ্যন্তৰত একান্ত ঘনিষ্ঠভাৱে অনুভৱ কৰিছিল। উঠি আহিবলৈ তাৰ মন নগৈছিল আৰু প্ৰায়েই মন গ'লেই সুবিধা চাই সৰু ল'বাৰ দৰে নৈখনলৈ দৌৰি গৈছিল। গধূলি অনেক দেৰিকৈ পাৰত বহি বহি নৈখনৰ সংগ-সুখ উপভোগ কৰিছিল।

দলঙৰ ওপৰত এডাল লাঠি আৰু খোজৰ শব্দ শুনি হেমধৰৰ চেতনা নৈৰ বুকুৰ পৰা পাৰৰ মাটিলৈ আহিল। সি ঘূৰি চালে, কোনোবা এটা দলঙেদি আহিছে, তাক নৈৰ পাৰত বহি থকা ধৰিব পাৰিয়েই বোধহয় এটা কাহ মাৰিলে আৰু পিছপাকতে অলপ অনিশ্চিত সুৰত সুধিলে, 'কোন অ' সেইটো?'

মাজৰাতিহে সি ধৰিব পাৰিলে, শলিয়া মোমাই শংকৰ দাইটিৰ আজন খোলাৰ পৰা আহিছে।

'মইহে, মোমাই।'

'কোন মই?' শলিয়া মোমায়ে হটা মাতেৰে সুধিলে।

'মই হেমধৰ।'

'এই ৰাতিখন কি কৰিছ নৈৰ পাৰত? জল-কুঁৱৰীয়ে নি মেটেকা তলত সুমাবগৈ, মাকপোহা। ঘৰলৈ যা।' শলিয়া মোমাই ডাবি মাৰি উঠি দলং পাৰ হৈ আগবাঢ়িল। হেমধৰো লাহেকৈ উঠিল আৰু নৈখনৰ ফালে চাই চাই ঘৰলৈ খোজ ল'লে।

দুপৰীয়া হেমধৰ দাখন লৈ বাৰীলৈ গৈছিল। গোহালিৰ জপনাখন বাটিবলৈ তাক এটা সৰু বাঁহ লাগে। গিৰিধৰ দোকানীৰ বাৰীখন ডাঙৰ। তামোল-পাণ-নাৰিকল, আম-লিচু-লেটেকু-পনিয়লৰ বাৰীখনৰ গাতে লাগি বিভিন্ন গছ-গছনি আৰু কেইজোপামান বাঁহৰ আন এখন বাৰী। এই বাৰীখনৰ লগতে সৰু এডোখৰ মাটিত মেদৌ বুঢ়ীৰ ঘৰ আছিল। বিধবা মেদৌ বুঢ়ীৰ এটা অহৌবলিয়া কনবীয়া ল'ৰা আৰু চেনিমাই নামৰ এজনী ছোৱালী মাত্ৰ আছিল। কালক্ৰমত বুঢ়ীৰ মাটিখিনি দোকানীৰ নামলৈ যায় যদিও বাৰীখনৰ ৰক্ষণাবেক্ষণৰ কথা চিন্তা কৰি দোকানীয়ে বুঢ়ীক সেই মাটিতে থাকিবলৈ দিয়ে।

ঘাটত কাপোৰ ধোবাৰ শব্দ শুনি হেমধৰে আগবাঢ়ি গৈ দেখিলে বাৰীৰ সীমাৰ কাষতে মেদৌ বুঢ়ীয়ে কাটি লোৱা ঘাটত চেনিমায়ে থিয় হৈ মুখেৰে শব্দ কৰি কৰি কাপোৰ আছাৰিছে। সি স্নেইখিনিতে কিছু সময় থিয় দি নৈখনলৈ চালে। চেনিমায়ে কাপোৰ ধুইছে, সমুখত বৈ যোৱা নৈখন, নৈৰ সিপাৰে দুৰলৈকে বননিৰে ভৰা নৈ-চাৰণ। চাৰিওফালে গছ-গছনিৰ সেউজীয়া আবেষ্টনী। দুপৰীয়া। আছাৰা কাপোৰখন আগবাঢ়ি গৈ এআঁঠুমান পানীত আওডালি চেপি ঘূৰোঁতেই চেনিমায়ে হেমধৰক দেখা পালে।

'কি কৰিছ অ'?' কাপোৰখন এমূৰে ধৰি গাৰ পৰা আঁতৰাই জোকাৰ মাৰি তাই সুধিলে।

'নাই, এনেয়ে... চাইছোঁ!' একো নভবাকৈয়ে হেমধৰে উত্তৰ দিলে।

'ডেকা মানুহটো হৈ গাঁওখনত চাবলৈ গাভৰু ছোৱালী নাপালি, বুঢ়ীজনীক যে চাইছহি!' কৃত্ৰিম গম্ভীৰ সুৰত চেনিমায়ে তাক ভৰ্ৎসনা কৰিলে।

হেমধৰ এনে অভিযোগৰ বাবে প্ৰস্তুত নাছিল। থত্‌মত্ খাই সি বিবুদ্ধি হ'ল। 'তোৰো মুখখন আৰু!' কিছু তৎ ঘূৰাত সি ক'লে আৰু লাহেকৈ ঘূৰি তাৰ পৰা আঁতৰি আহিল। তাৰ অৱস্থা দেখি চেনিমায়ে মনতে হাঁহিলে।

চেনিমাই বুঢ়ী নহয়, কিন্তু ঘটনাচক্ৰই তাইক নিজকে জোৰ কৰি বুঢ়ী বুলি ভাবিবলৈ শিকাইছে। মেদৌ বুঢ়ীৰ তাইক বিয়া দিব পৰা সামৰ্থ্য নাছিল, আন কিছু গাভৰু ছোৱালীৰ দৰেই জীয়েকো কেতিয়াবা পলাই-উৰাই যাব বুলিয়েই তাইৰ ভিতৰি ভিতৰি আশংকা আৰু বিশ্বাস আছিল। তেনেতে এদিন যেতিয়া দূৰৰ এখন গাঁৱৰ শিঁহতৰ সম্প্ৰদায়ৰ চিনাকি পৰিয়ালৰে ডেকা ল'ৰা ডম্বৰু আহি তাইৰ ঘৰত আলহী থাকি ঘৰলৈ যোৱাৰ নাম নোলোৱা হ'ল, বৰং লাহে লাহে তাইৰ ঘৰতে খৰি ফলা, মাছ-ধৰা, বাৰী চিকুণোৱা আদি কামত লাগিবলৈ ধৰিলে বুঢ়ীয়ে তাৰ মন বুজি তাক চপনীয়া কৰি ল'লে। প্ৰথমতে মেদৌ বুঢ়ীয়ে

তাক গিৰিধৰ দোকানীৰ মাটি অলপকে আধিয়াত লোৱাই দিছিল। কিন্তু ডম্বৰু আছিল নৈ-পৰীয়া ল'ৰা, তজবজীয়া, কিছু উৎপতীয়া আৰু দুঃসাহসী আৰু মাছ-মৰা, নাও বোৱাত পাকৈত। গিৰিধৰ দোকানীয়ে লাহে লাহে তাক ব্ৰহ্মপুত্ৰ পাৰ হৈ কাজিৰঙাৰ চোৰাং চিকাৰত লগত নিবলৈ ধৰিলে। নাও বোৱা, হাবিৰ মাজৰ বাট ভুল নলগাকৈ বিচাৰি উলিওৱা, গছত উঠি ফৰেষ্ট-গাৰ্ড নিৰীক্ষণ কৰা আদি কঠিন কাম সি অনায়াসে কৰিব পাৰিছিল। দোকানীৰ বন্দুকটো সি কঢ়িয়াই নিছিল আৰু নেপালী চিকাৰীৰ বন্দুকেৰে প্ৰথমে নিচান ঠিক কৰি লৈ পাছত দোকানীৰ বন্দুকেৰে সিও পছু মাৰিবলৈ লৈছিল। ইতিমধ্যে এটা কেঁচুৱা হৈ ঢুকোৱাৰ পাছত তাৰ আৰু এজনী ছোৱালী হৈছিল। দোকানীৰ বিশ্বস্ত সহযোগী হৈ উঠাৰ পাছত মেদৌ বুঢ়ীৰ ঘৰৰ একে চোতালতে দোকানীয়ে তাক সৰু দুকোঠলীয়া নিজা ঘৰ এটা সাজি ল'বলৈ দিছিল। দোকানীৰ দয়াৰে পালিত হৈ সিহঁতে নিৰাপদ বোধ কৰিছিল। মেদৌ বা চেনিমায়ে সেয়ে দোকানীৰ লগত তাৰ সংগোপন নৈশ অভিযানত কোনো আপত্তি কৰা নাছিল। কিয়নো পছু-মাংসৰ প্ৰলোভন ভৰা সম্ভাৱনাৰ উপৰিও অভিযানৰ জনাজাত গোপনীয়তা আৰু দোকানীৰ সাহচৰ্যই এইধৰণৰ অভিযানত এটা দুঃসাহসিকতা আৰু মৰ্যাদা আৰোপ কৰিছিল। কিন্তু কোনো আগজাননী নিদিয়াকৈ এদিন এই নৈশ অভিযানে চূড়ান্তৰূপত বিপদ আনিলে। গিৰিধৰ দোকানীৰ আশ্ৰয় আৰু নিৰাপত্তাৰ নিশ্চিন্ত আবেষ্টনী ছেদেলি-ভেদেলি কৰি চেনিমাইৰ সংসাৰত বজ্ৰাঘাত পৰিল। গিৰিধৰ সৰ্বশক্তিমান আশ্ৰয়দাতাৰ ওখ আসনৰ পৰাই কেৱল উফৰি নপৰিল, বৰং সিহঁতৰ স্তব্ধ, শোকাৰ্ত অন্তৰৰ গভীৰত নীৰৱ ক্ষোভেৰে অভিযুক্ত হ'ল। কি ঘটিছিল আচল ঘটনা প্ৰথমে কোনেও জনা নাছিল। কিন্তু নেপালী চিকাৰীৰ পৰা চাপৰিৰ মানুহৰ মুখে মুখে বাগৰি অহা কেইবাটাও বিভিন্ন বৰ্ণনাৰ পৰা এনে এটা ছবি পোৱা গ'ল যে হাবিত সোমায়েই গাৰ্ডৰ গতিবিধি চাবলৈ ডম্বৰু গছত উঠিছিল। কিন্তু কি দুৰ্বিপাকত সি নজৰ দিবলৈ পোৱাৰ আগতেই গাৰ্ডৰ টৰ্চৰ পোহৰ তাৰ গাত পৰিল। মুহূৰ্ততে হুলস্থূল লাগিল। বাকীবোৰ দৌৰি গৈ নাৱলৈ যায়। ডম্বৰু আধা চুঁচৰি, আধা জাঁপ মাৰি গছৰ গুৰিত থিয় কৰি থৈ যোৱা বন্দুকটো লৈ দৌৰে মানে দুটামান খেদি অহা ফৰেষ্ট গাৰ্ড তাৰ ওচৰ চাপে। এইখিনিলেকে নেপালী চিকাৰীটোৱে দেখা পাইছিল; তাৰপাছত প্ৰাণৰ মায়াত দিয়া মৰোঁ-জীওঁ দৌৰৰ মাজতে মাত্ৰ প্ৰথমে এজাই আৰু পাছত একেলগে কেইবাজাইও গুলীৰ শব্দ শুনিবলৈ পোৱা যেন লাগিছিল। নাওখন কিছু দূৰ ভটিয়াই নি জোপোহাৰ মাজত সুমুৱাই সিহঁত শেষ নিশালৈকে বৈছিল, কিন্তু পুনৰ হাবিত সোমাবলৈ নেপালী চিকাৰীটোৱেও সাহ কৰা নাছিল। হাবিৰ ভিতৰত কিছুমান অদৃশ্য জীৱ ঘূৰি ফুৰা যেন লাগিছিল। প্ৰতিটো মুহূৰ্ত ত্ৰাস আৰু বিপন্ন চেতনাৰে গুফন্দি পৰিছিল। শেষ ৰাতি পুনৰ হৰিণাৰ জাকবোৰ সিহঁতৰ চকুৰ আগেৰেই নিৰীহ, নিৰুদ্বেগ খোজেৰে বিলত পানী খাবলৈ পাৰ হৈ গৈছিল। পোহৰ হোৱাৰ আগে আগে কোনো কথা-বতৰা নোহোৱাকৈ সিহঁতে নাও এৰি দিছিল। ডম্বৰুৰ সাম্ভাব্য মৃত্যুতকৈও গিৰিধৰ দোকানীৰ এৰি থৈ অহা ধৰা পৰা বন্দুকটোৰ চিন্তাই দোকানীক মৃতবৎ কৰি তুলিছিল।

সকলো জনৰৰ আৰু শেঁতা উত্তেজনা শাঁত পৰাৰ পাছত, থম্‌থমীয়া, গতিৰুদ্ধ পৰিবেশৰ পৰা গাঁওখন পুনৰ আগৰ ধীৰ, অচঞ্চল গতিলৈ উভতি যোৱাৰ পাছত, এদিন গধূলি গিৰিধৰ দোকানী বাৰীৰ চুকেদি গৈ চেনিমাইৰ ঘৰৰ দুৱাৰ মুখত থিয় হৈছিল। ভিতৰৰ পৰা মেদৌ আৰু — যেন তাই এৰি অহা অতীতৰে প্ৰতিৰূপ, চেনিমাই জধলা, নিস্তেজ চেহেৰাৰে ওলাই আহি দুৱাৰমুখত থিয় দিছিলহি। সম্মান বা মৰ্যাদাৰ বাধাই নহয়, সেইটো ইতিমধ্যেই অন্তৰ্হিত হৈছে, ক্ষুদ্ৰ হৃদয়ৰ অজস্ৰ ৰুদ্ধ অভিযোগে অনা এক আন্তৰিক বিৰোধে সিহঁতৰ মুখৰ সম্ভাষণ বা আবাহনৰ ভাষা ব্যাহত কৰিলে। কিছুসময় অসহজভাবে তলমূৰকৈ থিয় দি থাকি দোকানীয়ে ক'লে, 'কি কৰিবি? তোৰতো গ'লেই, চৰেই গ'ল। মোৰো জানো কম গ'ল?' তেওঁ ক'লে, কিন্তু তাইৰ কোনো প্ৰতিক্ৰিয়া তেওঁ ধৰিব নোৱাৰিলে।

'যি হ'ল, হ'ল আৰু। যোৱা কথাবোৰ ভাবি থাকি কিবা জানো লাভ হ'ব? মই মেদৌক মাটিখিনি এৰি দিবলৈ ক'ম বুলি ভাবি আছিলোঁ, মোকো আৰু ঘৰ লগা হৈছে। পিছে এতিয়া আৰু ...' তেওঁ পুনৰ ৰ'ল, কিন্তু প্ৰায় লগে লগেই ক'লে, 'মই ভাবিছোঁ, তই যিমান দিনলৈকে থাক ইয়াতে থাক। মাৰও থাকিব, এতিয়া মাৰকো তোৰ ওচৰতে লাগিব। ঘৰটো একেবাৰে তোৰেই হ'ল বুলি ধৰ। মাজে মাজে ময়েই চোৱাই-চিতাই দিম। আৰু যদি কিবা কেতিয়াবা লাগে মোক ক'বি।'

গিৰিধৰৰ ক্ষতিপূৰণৰ প্ৰস্তাব শেষ হ'ল, কিন্তু এইবাৰো মানুহ দুজনীৰ পৰা কোনো সমিধান নোলাল। তথাপি তেওঁ মন কৰিলে যে জীয়েকৰ প্ৰতিক্ৰিয়া চাবলৈ মেদৌৱে চেনিমাইলৈ মুখ ঘূৰাইছে। দোকানীয়ে সামান্য উৎসাহ পালে।

'মোৰো কমসোপা ভৰণি হোৱা নাই। বাৰশ টকাৰ বন্দুকটো গ'লেই। এতিয়া সিপাৰলৈ গৈ উকিল ধৰিছোঁ কেইহাজাৰ যায় ঠিকনা নাই।' দীঘল হুমুনিয়াহ এটা এৰি গিৰিধৰে ক'লে।

'এৰাতোন, ক'ব লাগিছে নে? নহয় নো কি?' মেদৌৱে জীয়েকৰ পক্ষে ব্যগ্ৰভাবে দোকানীক আশ্বস্ত কৰিব খুজিলে।

গিৰিধৰ আৰু কিছুসময় থিয় দি ৰ'ল, তাৰ পাছত যাবলৈ উদ্যোগ কৰি ক'লে, 'চিন্তা কৰি নাথাকিবি ; কপালত থকাটো কোনে খণ্ডাব পাৰে? চাচোন, আজি কিমানদিন, ক'ত কোনো দিনেতো একো এটা হোৱা নাছিল। সেইদিনা দুইটাকে কালেহে টানি নিছিল বুইছ, মই গুৰু ভাল আছিল বুলি যেনিবা সাৰি আহিলোঁ। কি কৰিবি, উপায় নাই।' গিৰিধৰে এটা দীঘলীয়া হুমুনিয়াহ এৰিলে।

'এৰা, এৰা, কালে টানিলে কি উপায় আছে।' মেদৌৱে তেওঁক সমৰ্থন জনালে। ক'ৰবাত জীয়াই থকাৰ গোপন গভীৰ বাসনা মৃত্যুৰ শোকাৰ্ত জড়তাৰ মাজতো লৰচৰ কৰি উঠিল। জীৱন-ব্যাপী হেৰুৱাই অহা মানুহজনীয়ে আকৌ পোৱাৰ হিচাব দেখা পালে। গিৰিধৰ দোকানীয়ে শোকতপ্ত, ধীৰ, অনিচ্ছুক হিচাবী খোজেৰে সিহঁতৰ ওচৰৰ পৰা আঁতৰি আহিল।

ইয়াৰ পাছৰ চাৰিবছৰত চেনিমায়ে এটা কেতিয়াও নভবা-নিচিন্তা জীৱন-যাপন কৰিবলগা হৈছিল। এবছৰীয়া কেঁচুৱা এটাৰে স্বামীহাৰা তাই সংসাৰৰ দায়িত্ব যেন প্ৰথম বুজি পালে। কেঁচুৱা চম্ভালিও ভূঁই ৰোৱা, ধান বনা, ধান দোৱা আদি কাম তাই কৰিবলৈ ল'লে। লাহে লাহে দোকানীৰ ঘৰতো চিৰা খুন্দা, বেৰ লিপা আদি কামৰ বাবে তাইকে মাতিবলৈ ল'লে আৰু তাই অসংকোচে দোকানীৰ ঘৰলৈও যাবলৈ ধৰিলে।

গিৰিধৰ দোকানীৰ প্ৰথম পক্ষ দীৰ্ঘকাল ধৰি নিঃসন্তান হৈ থকাত দোকানীয়ে এখন ঘোকোট গাঁৱৰ পৰা দ্বিতীয়বাৰ দাৰ পৰিগ্ৰহণ কৰে। ভিতৰুৱা আলোচনাত, দ্বিতীয় পক্ষ কিবা স্বৰূপে বদনামী হৈ বিয়া নোহোৱাকৈ আছিল বুলি শুনা গৈছিল। কিন্তু তেওঁ একান্তবাধিতভাৱে দোকানীক ইটোৰ পিছত সিটোকৈ পাঁচটা সন্তান উপহাৰ দিয়ে। চেনিমাইৰ প্ৰতি দ্বিতীয় পক্ষৰ আচৰণ বৰ অনুকূল নাছিল, তেওঁ তাইক ঘৰ লগাব খোজা নাছিল। কিন্তু ডাঙৰগৰাকীয়ে তাইক মৰম কৰিছিল ; আনকি কেতিয়াবা মনে মনে পা-পইছাও দি সহায় কৰিবলৈ চেষ্টা কৰিছিল।

তাইৰ ছোৱালীজনী এতিয়া পাঁচবছৰীয়া, অৱশ্যে তাইতকৈও মাকেহে অশেষ কষ্টেৰে ছোৱালীজনী ডাঙৰ কৰিছে; যোৱা চাৰিবছৰৰ দাৰিদ্ৰ্য আৰু কষ্টই তাইক ভালকৈয়ে কোবাই গৈছে। কিন্তু যেন দুঃসময় আৰু দুৰ্ভোগৰ ওচৰত তাইৰ সুঠাম শৰীৰটো সৈমান হ'ব নোখোজে। অথচ দিনৰ পাছত দিন অনুভৱ কৰি অহা তাইৰ জীৱনৰ শুকান, উদং ৰূপ — তাইৰ দুৰ্ভাগ্যময় বাস্তৱ — তাই নিৰ্বিবাদে গ্ৰহণ কৰি লৈছে। ঘটনাচক্ৰৰ অভাৱনীয় বিধানে, সমাজৰ অমোঘ নিৰ্মম পেষণে তাইক অহৰহ কৃচ্ছ্ৰসাধনৰ পথ নিৰ্দেশ কৰিছে, বুজাই দিছে যে হঠাৎ ৰাতিৰ ভিতৰতে তাইৰ বয়স বাঢ়ি গ'ল, তাইৰ জীৱনৰ পৰা এটা দীৰ্ঘকাল হঠাৎ ক'ৰবাত অদৃশ্য এন্ধাৰৰ মাজত খহি পৰিল। প্ৰথমে তাইৰ ভাব হ'ল, এইজনী তাই নহয়, অন্য কোনো মানুহ, তাই মাত্ৰ অন্য এজনী মানুহৰ জীৱন কাৰোবাৰ নিৰ্দেশমতে যাপন কৰিবলৈ লৈছে। তাই যেন বৰ্তমানহীন, আধাৰহীন শূন্য এক জীৱন অজানিত অনিশ্চিত এক ভৱিষ্যতৰ ফালে নিৰুপায় অনিবাৰ্যতাৰে কঢ়িয়াই লৈ গৈছে। ক্ৰমে, ধীৰে ধীৰে, হয়তো অভ্যাসবশতঃ তাই এই নতুন জীৱনৰ খোলাটোৰ মাজত সহজ হৈ সোমাই পৰিল। কিন্তু খোলাৰ ভিতৰত থকা দৃশ্যমান দেহটোৰ ভিতৰত লুকাই, চেপা খাই, ভয়ে ভয়ে আৰু এটা অদৃশ্য দেহা থাকে। মাজ ৰাতি টোপনি ভাগি চাওত বাগৰি থাকোঁতে শেষ নোহোৱা এন্ধাৰ সময়বোৰত, কাম নোপোৱা বাৰিষাৰ দিনত, কাম কৰিবলৈ, অপেক্ষা কৰিবলৈ, ভাবিবলৈ কোনো নোহোৱা ভৰদুপৰীয়াৰ নিজম শূন্যতাত, খুব ৰাতিপুৱা সাৰ পাই বিছনা এৰিবলৈ, একো কাম কৰিবলৈ মন নোযোৱা বুকু গধুৰ কৰি তোলা খালি মুহূৰ্তবোৰত তাই গম পায়, ভিতৰখনত কিবা এটা আছে, আন এটা জীৱ আছে। কিন্তু তাই তাৰ চকুলৈ চাব নোৱাৰে, তাক চুব নোৱাৰে, আঁসে দিব নোৱাৰে। সেইটো ভিতৰতে চেপা খাই, উশাহ নাপাই, শুকাই শেষ হৈ যাব লাগিব।

ৰাতি ভাত খাই উঠি হেমধৰ শুবলৈ ওলাইছিল, কিন্তু কিবা মন গৈ সি দোকানী ল'ৰাটোৰপৰা বিড়ি এটা খুজি লৈ দলঙৰ ফালে গ'ল। গাঁৱৰ বেছিৰ ভাগ ল'ৰাই আজি

কেওটচুকত ভাওনা চাবলৈ গৈছে, সি যাবলৈ মন নকৰিলে। নৈৰ পাৰত বহি সি অকলে বিড়ি হুপিবলৈ লাগিব। সৰুৰে পৰা ডেকা হোৱালৈকে সি নৈ দেখা নাছিল। নৈখন আছিল তাৰ যৌৱনৰ দুৰ্লভ বিস্ময়, এক নতুন, পুলক ভৰা অভিজ্ঞতা। কিন্তু নৈখনৰ প্ৰতি তাৰ আকৰ্ষণ অপৰিবৰ্তিত হৈ থকাৰ আন কাৰণ আছিল। কেইদিনমান ৰাতি নৈৰ পাৰত বহি সি লাহে লাহে বুজিছিল, নৈখনো তাৰ দৰে অকলশৰীয়া। দিনত মানুহ-গৰুৰ অহা-যোৱা, গা-ধোৱা, পানী খোৱাৰ মাজেৰে নৈখন সকলোৰে সৈতে ঘনিষ্ঠ সম্পৰ্কত সুখী যেন লাগিলেও ৰাতিৰ এন্ধাৰ নিজম সময়বোৰত তাৰ নৈখনক অকলে অকলে মন মাৰি বৈ থকা যেন লাগে। দলঙৰ খুঁটাত বা ক'ৰবাত সৰু গছৰ বা খোচ খাই বোৱা বাঁহ-জেঙৰ বাধা পাই নৈখনৰ মাত ওলায়, সেয়া যেন নৈখনৰ বুকুৰ ভিতৰৰ পৰা ওলোৱা নিঃসংগতাৰ নিম্নকণ্ঠ, বিমৰ্ষ সুৰ। এনেকি বাৰিষা দুপাৰ ভৰি সশব্দে কোবাল সোঁতেৰে নৈখন যেতিয়া বাগৰি যায় তেতিয়াও তাৰ এনে লাগে যেন নৈখনে বুকুৰ গুফন্দি অহা অকলশৰীয়া বেদনাক আৰু লুকাই ৰাখিব নোৱাৰি অধৈৰ্য আকুলতাৰে বাহিৰ উলিয়াই দিছে। ইটোৰ পিছত সিটো ভাঁজ ঘূৰি দুই পাৰ চুই গছ-গছনি, পথাৰ-সমাৰ, বাৰী-ঘৰ পাৰ হৈ শ-হেজাৰ মাইল দিনৰ পাছত দিন, ৰাতিৰ পাছত ৰাতি নৈখন বৈ গৈ আছে, অকলে অকলে, কোনো লগ নাই, কোনো আপোনজন নাই, নিজৰ বুকুৰ ভিতৰত নিজকে গোপনে ৰাখি। কথাটো ভাবিলেই তাৰ বুকুখন এটা হাঁহাঁকাৰত গোট মাৰি উঠে, নৈখনৰ প্ৰতি প্ৰবল আকৰ্ষণ অনুভৱ কৰে, নৈখনৰ সংগী হ'বলৈ, আপোন হৈ পৰিবলৈ মন যায়। তাৰ লুপ্ত, অননুভূত শৈশৱ আৰু বঞ্চিত কৈশোৰৰ স্নেহ, আব্দাৰ, অভিযোগ, অভিমান, অন্তৰংগতা সকলো যেন নৈখনৰ লগত এক অব্যক্ত সংযোগেৰে সি অনুভৱ কৰিব খোজে।

এই গাঁৱলৈ অহাৰ পাছত তাৰ আন এটা অসহজ কিন্তু উপভোগ্য অভিজ্ঞতা হৈছিল চেনিমাইৰ লগত চিনাকিৰ মাজেদি। দোকানীৰ বাৰীত কাম কৰোঁতেই সীমাৰ লগতে থকা চেনিমাইহঁতে তাক প্ৰথম দেখা পায়; লাহে লাহে চেনিমায়েই প্ৰথমে নাম-ধাম সুধি তাৰ পৰিচয় লয়। প্ৰায়েই দিনটোত অন্ততঃ এবাৰ সিহঁতৰ দেখা হয়, আলাপ-বিনিময় ঘটে। প্ৰখৰ ৰ'দত কাম কৰি থাকোঁতে কেতিয়াবা চেনিমায়ে তাৰ পৰাই বাৰীৰ পাণ দুখিলামান খুজি লৈ তাক এখন তামোল যাচে। মেদৌৰে তাৰ পৰা প্ৰায়ে বিড়ি এটা আদায় কৰে। আমৰ দিনত তলসৰা পকা আম এসোপা সি চেনিমাইৰ জীয়েকক মাতি চোতাললৈ দলিয়াই দিয়ে। এইদৰে এই নিঃস্ব ঘৰখনৰ লগত তাৰ নিঃস্বতাৰ সূত্ৰতে, অনাত্মীয়তাৰ মাজতে এটা অস্পষ্ট, অনিশ্চিত আত্মীয়তা গঢ়ি উঠিব খোজে। কেতিয়াবা গধূলিও তাৰ সিহঁতৰ ঘৰলৈ যাবৰ মন যায়। কিন্তু কিবা এটা সংকোচে, মনৰ ভিতৰত নিজৰ পৰাই হোৱা এটা প্ৰতিৰোধে তাক বাধা দিয়ে।

এদিন দুপৰীয়া প্ৰচণ্ড ৰ'দত সীমাৰ জেওৰাখন বাটি থাকোঁতে হেমধৰে দেখিলে চেনিমায়ে ঘৰৰ চুকত জলকীয়া ছিঙিছে।

'ভাত খাবৰ হ'লেই নে অ'?' হেমধৰে চিএৰিলে।

চেনিমায়ে তালৈ চাই অপ্ৰস্তুত হাঁহি এটা মাৰি ক'লে, 'ব, আজি ভাত বহোৱাই

নাই।' তাৰ পিছত হেমধৰৰ ঘামে ধুই থকা উদং গাটোলৈ চাই সহানুভূতিতে যেন তাই উচ্চাৰণ কৰিলে, 'ইছ্ আজি ব'দ ছাট্ মাৰোঁ বুলিয়েই মাৰিছে।

'এৰা দে, নক'বি আৰু।' কামৰ পৰা চকু নোতোলাকৈ সি উত্তৰ দিলে।

অলপ পাছত চেনিমাই ঘৰৰ পৰা ওলাই বাৰীৰ ফালে আহি অনুচ্চস্বৰে তাক মাতিলে, 'ঐ!' সি কামৰ পৰা মূৰ দাঙি তাইলৈ চালে। তাই মূৰটো দুপিয়াই তাক মাতিলে, 'এইফালে আহচোন, কথা এটা আছে।'

'গৈছোঁ ৰহ।' সি ক'লে আৰু চাঁচি লোৱা কামিটো বৈ দাখনৰ গদীৰে মৰিয়াই তললৈ বহুৱাই দিলে। তাৰ পাছত জেওৰাৰ কাষেৰে গৈ নৈৰ ঘাটেদি উঠি সিহঁতৰ চোতাল পালেগৈ।

'কি হ'ল অ'?' কঁকালৰ ঘামত তিতা গামোচাখনেৰেই মুখখন মচি সেইখনকে ঘূৰাই ঘূৰাই বতাহ লৈ সি সুধিলে। ভিতৰৰ পৰা চেনিমায়ে নিম্নকণ্ঠে মাতিলে, 'ভিতৰলৈ আহচোন, অঁকৰা।'

সংকোচ আৰু অনিশ্চয়তাৰে সি ভিতৰ সোমাই দেখিলে ক'লাই এৰাই যোৱা শকৰ থাল এখনত কেইটামান পঁইতাভাত, কাষত এজেৰা নিমখ আৰু এটা লোভলগা বগা জলকীয়া।

'কি?' বুজি নোপোৱাৰ দৰে সি ভাতখিনিৰ পৰা চেনিমাইলৈ চকু তুলি সুধিলে।

'পঁইতাভাত কেইটামান সৰহকৈ আছিল, খা সেইকেঁটা। ব'দখনত কাম কৰি আছ, ঠাণ্ডা লাগিব, তাই ক'লে। সি কি ক'ব ধৰিব নোৱাৰিলে। এইটো এটা অচিনাকি ঘটনা, অননুভূতপূৰ্ব অভিজ্ঞতা। পুনৰ ভাতখিনিলৈ চকু ঘূৰাই একো ক'ব নোৱাৰাকৈয়ে সি ভাতৰ ওচৰলৈ গ'ল আৰু পীৰাখনত বহাৰ আগমুহূৰ্তত হঠাৎ কথাটো মনত খেলোৱাত সুধিলে, 'তোলৈ?'

'আছে বাৰু, তই খা।... মৰতীজনীকো দুটমান দিওঁ বুলিছিলোঁ, আইৰ লগত গৈ ক'ত পালেগৈ জানো।' আইতাকৰ লগত বাতিপুৱাৰপৰা গাঁও ফুৰি ফুৰা জীয়েকৰ উদ্দেশ্যে চেনিমায়ে কৰুভাবে ক'লে।

দুগবাহমান খায়েই সচেতন হৈ সি মন কৰিলে চেনিমায়ে ওচৰত থিয় দি সি ভাত খোৱা চাই আছে। বুজি নোপোৱা এক অচিনভাবে তাৰ মনটো তোলপাৰ লগাই গ'ল, তাৰ লাজ লাগিল। তাৰ অৱস্থাটো বুজি পাই চেনিমাই ভিতৰলৈ সোমাই গ'ল।

সেইদিনা বাতি প্ৰচণ্ড গৰমত সাৰপাই বহু সময়লৈ হেমধৰৰ টোপনি অহা নাছিল। ইটো-সিটো কথা মনৰ মাজেদি পাৰ হৈ গৈ চেনিমাই আহি বহুত সময় তাৰ মনত বৈছিলহি। দুপৰীয়াৰ আচহুৱা অভিজ্ঞতাটো — তাইৰ আশা নকৰা নিমন্ত্ৰণটো, অকলশৰীয়া দুপৰীয়া তাইৰ নিজান ঘৰৰ ভিতৰত তাৰ ওচৰত তাইৰ উপস্থিতি, তাইৰ মুখখনৰ আগতে ধৰিব নোৱাৰা ছবিটো — তাৰ মনলৈ বিস্ময় মিহলি সুৰেৰে ঘূৰি ঘূৰি আহি[illegible]ধৰিলে। এনেকুৱা কোনো অতীত স্মৃতি তাৰ মনত পোহনীয়া নাছিল। তাৰ মনলৈ আহিল অপৰিচিত, অস্পষ্ট মুখৰ হয়-নহয় একজনী মানুহৰ ছাঁয়াময়া ছবি আৰু মনৰ গভীৰ এন্ধাৰ চুকত এটা অনিশ্চিত

প্ৰশ্নৰ অস্পষ্ট অনুভৱ ঃ এনেকৈ ওচৰত বৈ কোনোবাই তাক এদিন ভাত খুৱাইছিলনে?

নৈখনৰ পিছতে এইদৰে এজনী মানুহৰ সৈতে তাৰ এটা অদৃশ্য, অব্যক্ত ঘনিষ্ঠতা সি ক'ব নোৱাৰাকৈয়ে গঢ়ি উঠে। বাৰীত কাম কৰি থাকোঁতে সিহঁতৰ ঘৰটোলৈ তাৰ চকু যায়, ক'ব নোৱাৰাকৈয়ে তাইক এবাৰ দেখা পাবলৈ এবাৰ কথা পাতিবলৈ তাৰ মন যায়। কিন্তু তাৰ ব্যগ্ৰতা নাই, সি অধীৰ নহয়। স্বাভাৱিক পৰিচিতিৰ আকৰ্ষণৰ বাহিৰে সি আৰু বেছি একো অনুভৱ কৰিব নোৱাৰে। তাৰ ডেকা মানুহটোৱে কোনোদিন নাৰীৰ ঘনিষ্ঠ সান্নিধ্য, নাৰী সম্পৰ্কীয় কোনো অন্তৰংগ অভিজ্ঞতা লাভ কৰা নাছিল। গাভৰুৰ দেহৰ বিস্ময় ভৰা ৰূপ দেখি, হাঁহিৰ অপৰিচিত থেউকি, কথাৰ কোমল মায়াসনা সুৰ শুনি সি পুলকিত হয়। কোনেও গম নোপোৱাকৈ নিজৰ মনৰ ভিতৰত মাজে মাজে তোলপাৰ লাগে, দেহটো সিৰ্‌সিৰাই উঠে। কিন্তু সি কাৰো কাৰ চপাৰ কথা ভাবিব নোৱাৰে। কাৰণ সি অনুভৱ কৰে যে সি সদায় দূৰৰ, আঁতৰৰ, সি বাহিৰৰ বা হয়তো, এনেকি তলৰ। কিন্তু চেনিমাই গাভৰু ছোৱালী নহয়, এজনী পাঁচবছৰীয়া ছোৱালীৰ মাক, হয়তো তাৰ সৈতে সমবয়সৰ। দাৰিদ্ৰ্যত তাই তাৰ সৈতে একে জাতৰ তাৰ দৰেই পৰাশ্ৰিত। আৰু, বোধহয়, তাতকৈও ডাঙৰ কথা, তাৰদৰেই তায়ো জীৱনৰ পৰম সম্পদবোৰ হেৰুৱাই আহিছে, দেউলীয়া হৈছে। তাইৰ প্ৰতি সেয়ে সি একে ধৰণৰ মমতা অনুভৱ কৰে ; ডেকা যৌৱনৰ কামনা নহয়, লোভ নহয়, এটা বুজি নোপোৱা আত্মীয়তা, এটা প্ৰকাশ কৰিব নোৱাৰা অন্তৰতম টান। কিন্তু কেতিয়াবা তাইৰ সম্পৰ্কত সি নিজৰ ওচৰতে অপ্ৰস্তুত হয়। কেইবাদিনো তাইক দেখা নাপালে, বা তাইৰ পৰা ঠাট্টা-ভৰ্ৎসনা পালে তাৰ অভিমান হয়। কেতিয়াবা কথা-বতৰাৰ মাজত তাইৰ অন্তৰংগ হৈ নিজকে মেলি ধৰিবলৈ ইচ্ছা যায় ; নিজৰ এন্ধাৰ অতীতৰ কথা, বেদনাভৰা অপৰিচয়ৰ কথা তাইৰ আগত বাকি দিবলৈ মনটো দুৰ্বল হৈ উঠে ; কিন্তু শেষ মুহূৰ্তত ভিতৰৰ ক'বৰাৰ পৰাই বাধা আহে, আহে অনিশ্চিত সংকোচ। কেইবাদিনো গধূলি দোকানৰ বেঞ্চিৰ পৰা উঠি লাহে লাহে সি গৈ চেনিমাইহঁতৰ ঘৰৰ জপনাৰ ওচৰত থিয় হয়গৈ আৰু পুনৰ দ্বিধাগ্ৰস্ত হৈ নিজৰ ওচৰতে লজ্জিত বোধ কৰে আৰু ধীৰে ধীৰে ঘূৰি নৈখনৰ ওচৰলৈ খোজ লয়।

এইদৰেই ক্ৰমে তাৰ ভাল লাগি আহিছিল। গাঁওখনৰ প্ৰতি তাৰ আকৰ্ষণ সোমাইছিল, মানুহবোৰৰ লগত সহজ আৰু আপোন হৈ পৰিছিল। ভাওনা, সবাহ, বিয়া, নাম, বিহু আদিত সি ডেকাবোৰৰ লগ হৈছিল আৰু তাৰ দূৰত্ব বজাই ৰাখিও সি সিহঁতৰ সংগ উপভোগ কৰিছিল। দোকানীৰ সৰু বৈণীয়েকৰ কঠুৱা মাত আৰু ব্যৱহাৰ সত্বেও সি ঘৰখিনি ঘৰুৱা হৈ পৰিছিল। তাৰ জীৱনটো থিতাপি লাগিছিল, মনলৈ স্থিৰতা আহিছিল, কিন্তু তেনেতে এদিন দুপৰীয়া নৈ ঘাটৰ স্বাভাৱিক প্ৰাত্যহিক আলাপৰ মাজতে এবাৰ কথাৰে চেনিমায়ে যেন কিছু খেলিমেলি লগাই দিলে। ভৰ-বাৰিষাৰ নৈত প্ৰবল সোঁতৰ বিপৰীতে বহু দূৰ সাঁতুৰি উজাই গৈ আকৌ চিলনী সাঁতোৰ দি ভটিয়াই আহি সি ঘাটত উঠিছিলহি। কাপোৰ খচি থকা চেনিমায়ে তাৰ পানীত তিতি জিলিকি উঠা পেশীময় আটিল গাটোলৈ চাই কৈছিল, 'ডেকা তেজৰ জোৰ দেখুৱাইছ হ'বলা? জোৰ দেখুৱাবলৈ

এজনী আনি নলব কিয়?'

চেনিমাইৰ মুখখনৰ বান্ধ কম আৰু তাৰ বাবে তাইৰ বহু কথাত বহু দিন সি অস্বস্তিবোধ কৰিছে। কিন্তু আজি তাৰ উদং দেহটোৰ সম্মুখত তাইৰ মুখত তাৰ ডেকা তেজৰ জোৰ সম্পৰ্কে এক তিৰ্যক উল্লেখে তাক তাৰ অনবহিত যৌৱনৰ প্ৰতি সচকিতে সচেতন কৰি দিলে। লাজ আৰু অস্বস্তিত অসহজ, বিততচিত্তে কেৱাহিঁকে তাইলৈ চাই সি মাত্ৰ উচ্চাৰণ কৰিলে 'ধেৎ, এইজনী।' আৰু বেগেৰে তাৰ পৰা আঁতৰি বাৰীয়েদি ঘৰলৈ গ'ল।

দুদিনমানলৈ সি অস্বস্তিবোধ কৰি থাকিল, তাইৰ প্ৰতি অসহজ হৈ পৰিল আৰু ঘটনাটো মনত পেলাব নুখুজিলেও তাইৰ কথাষাৰ সি তাৰ মনৰ ভিতৰত মাজে মাজে শুনিবলৈ পালে। দুদিনমানৰ পাছত বাৰীত অতি স্বাভাৱিক সুৰত তলসৰা তামোল এটা খুজি তাক সপ্ৰতিভ কৰি নেপেলোৱালৈকে সি পুনৰ তাইৰ লগত মুখামুখি হ'ব পৰা নাছিল। কিন্তু তথাপিও চেনিমাইৰ প্ৰতি তাৰ মনত যেন কিছু অসহজ অনুভূতি ৰৈ গ'ল। তাৰ মনত ক'ৰবাত এটা খেলিমেলি থাকি গ'ল। এটা বুজি নোপোৱা টনা-আঁজোৰাই ধৰিব নোৱাৰাকৈ তাৰ মনত অশান্তি সৃষ্টি কৰিলে। একেলগে আত্মীয়তা আৰু সংকোচ, আকৰ্ষণ আৰু দূৰত্বৰ অনুভূতিয়ে তাক পীড়ন কৰিলে, এটা অচিনাকি ভয়ে মাজে মাজে তাক অসহায় কৰি তুলিলে। সুস্থিৰ হৈ ভাল লাগি আহিব ধৰা তাৰ জীৱনটোৱে এটা আকস্মিক উজুটি খাই বিভ্ৰান্ত হৈ পৰিল।

যোৱা ছমাহমানৰ আগতে এদিন ৰাতিপুৱা তামোলনি বাৰীখন চিকুণাই থাকোঁতে চেনিমায়ে তাক হাত-বাউল দি মাতিলে। সি তাইলৈ চাই একমুহূৰ্ত ৰ'ল, তাৰ পিছত চাৰিওফালে এবাৰ চাই কোৰখন কান্ধত লৈয়েই বাৰীৰ সীমাৰ ফালে আগবাঢ়িল।

'কি হ'ল?' জেওবাৰ ইপাৰৰ পৰাই সি সুধিলে।

'ডাঙৰ কথা এটা আছে, এনেকৈ ক'ব নোৱাৰি। দুপৰীয়া এপাক আহিবিচোন।' চেনিমায়ে অনুৰোধ কৰিলে।

একো নুবুজি সি তাইলৈ চাই ঠাইতে থিয় দি ৰ'ল। দুই মুহূৰ্তমান ৰৈ তাই দাবী কৰিলে: 'আহিবি' আৰু ঘূৰি ঘৰটোৰ ফালে গৈ নেদেখা হ'ল।

পাৰ নোপোৱা চিন্তা আৰু অশান্তিৰে কাম কৰি কৰি দুপৰীয়া গা-ধুবলৈ বুলি সি নৈৰ ঘাটলৈ গ'ল। ঘাটত চেনিমাইক নেদেখি সি তাইৰ ঘৰ পালেগৈ। ভাত বন্ধা সৰু কোঠাটোৰ পৰা তাৰ মাত শুনি তাই শোৱা কোঠালৈ ওলাই আহিল।

'কি কথা?' তাৰ ব্যগ্ৰতা নঢকাকৈ অধৈৰ্য কণ্ঠে সি সুধিলে। তাই দুৱাৰমুখলৈ গৈ বাহিৰলৈ চালে আৰু ঘূৰি আহি কোনো ভূমিকা নকৰাকৈ নিম্নকণ্ঠে ক'লে 'কালি ৰাতি দোকানী আহিছিল। ভাত বহাই আইৰ লগত কথা পাতি আছিলোঁ, একেবাৰে ভিতৰলৈকে সোমাই আহিল।' তাই অলপ ৰ'ল, কিন্তু বিমূঢ় হেমধৰে প্ৰশ্ন কৰিবলৈ একো বিচাৰি নাপালে।

'আগতেও দুদিনমান গধূলি গধূলি এইফালে অহা গম পাইছোঁ, আঁতীৰ সিফালৰ পৰাই কাইটুটামান খাৰি গুটি যায়। কালি নেখোন একেবাৰে ভিতৰ পালেহি।' তাই আকৌ ৰ'ল।

'কিবা ক'লে নেকি?'.হেমধৰে সুধিলে, আচম্বিত ধৰণে তাৰ মাতটোও সৰু হৈ ওলাল।

চেনিমায়ে আকৌ এবাৰ দুৱাৰৰ ফালে চালে, তাৰপিছত তাৰফালে চাই ক'লে, 'এই মাটিখিনি মোৰ নামত লিখি দিওঁ বুলিছে। বোলে, কোনোবাদিনা চকু মুদিলে তোক ইয়াত কোনেও থাকিবলৈ নিদিয়ে ; ঘৈণীয়েকহঁতৰ কথা কৈছে।'

'ভালৰে কথা দেখোন, তই কি ক'লি?' উৎসাহত হেমধৰৰ মাতটো ডাঙৰ হৈ ওলাল।

'ৰ, আৰু আছে কথা।' চেনিমায়ে তাৰ উৎসাহত বাধা দিলে। 'তাৰ পিছত ক'লে বোলে, 'সদায় আৰু এইৰকমেই থাকিবিনে? ছোৱালী ডাঙৰ হৈ আহিলে কেনেকৈ চলিবি? তাইৰ কাপোৰ-কানি, বিয়া-বাৰু কেনেকৈ চম্ভালিবি? আৰু আয়েও লগতে 'হয় হয়' কৰিছে আৰু — '

'ঠিকেই কৈছেতো' তাই শেষ কৰাৰ আগতেই হেমধৰে মতামত ব্যক্ত কৰিব খুজিলে।

'ৰ অ' ভোদাটো। তই জাতেকে অঁকৰা। লোকানীৰ বুধিটো ধৰিব পৰা নাই? বুঢ়াটো অতি লুভীয়া।' চেনিমাইৰ কণ্ঠলৈ বিৰক্তি মিশ্ৰিত হৈ উত্তেজনা আহিল। তাইৰ অৱদমিত ক্ৰোধে যেন প্ৰকাশৰ বাট পাইছে।

'কি লুভীয়া?' অবাক কণ্ঠেৰে মূৰ্খৰ দৰে হেমধৰে প্ৰশ্ন কৰিলে। তাৰ সৰলতা আৰু নিৰ্বুদ্ধিতাই চেনিমাইক একেলগে কোমল আৰু ক্ৰুদ্ধ কৰি তুলিলে।

'বুজি পোৱা নাই বেঙা?' দুজনী আনিও বুঢ়াৰ ভাঁহ পলোৱা নাই। মাটিখিনি লিখি দি মোক ৰাখিব খুজিছে।' তাই চেপা, তীব্ৰ সুৰে ক'লে।

প্ৰসংগটো আৰু তাৰ অশ্লীল ব্যাখ্যাটো হেমধৰক লজ্জিত আৰু অপ্ৰস্তুত কৰিবৰ জোখাৰে যথেষ্ট আছিল, কিন্তু এই ৰহস্যজনক উত্তেজক খবৰটোত অলপ সময়ৰ বাবে সি নিজকে পাহৰি গ'ল।

'হয় নেকি? কেনেকৈ জানিলি?' বিভ্ৰান্তকণ্ঠে সি সুধিলে।

'জানিবলৈ বাকী আছেনে? যাবৰ সময়ত বুঢ়াই কৈ গৈছে বোলে 'তই ভাবি-চিতি চা। সা-সুবিধা যি লাগে চব পাবি, একো চিন্তা কৰিব নালাগে। — দেখিছনে হেৰামজাদা বুঢ়াটোৰ খঁক।' হয়তো গিৰিধৰৰ আশ্ৰিতা বুলিয়েই চেনিমায়ে তাইৰ মুখখন, তাইৰ কণ্ঠ যৎপৰোনাস্তি নিয়ন্ত্ৰণ কৰিছিল ; কিন্তু তাইৰ দীৰ্ঘদিন সযত্নে সঞ্চিত পুৰণি ক্ৰোধ ঘৃণাৰ লগত মিহলি হৈ তাইৰ মুখ আৰু চকুৰেদি প্ৰকাশ হৈ আহিছিল। তাইৰ মুখলৈ চাই হেমধৰৰ বিভ্ৰান্তি দূৰ হৈ গ'ল আৰু গিৰিধৰৰ প্ৰতি তাৰ মনত বিতৃষ্ণা প্ৰবেশ কৰিলে। ধীৰে ধীৰে চেনিমাইৰ ক্ৰোধ তাৰ ভিতৰত সঞ্চাৰিত হ'ল। কিছু সময় সি তাতে অলৰ হৈ থাকিল, তাৰ মুখখন এন্ধাৰ হৈ পৰিল আৰু 'কম অধৰমী নহয় অ' বুঢ়াটো' বুলি এক অপৰিচিত তীব্ৰতাৰে উচ্চাৰণ কৰি সি কোঠাৰ অস্বস্তিকৰ সময়খিনিৰ পৰা বাহিৰলৈ ওলাই আহিল।

হেমধৰৰ অশান্তি বাঢ়িল। চেনিমাইৰ ওচৰৰ পৰা সি দুদিনমান আঁতৰি থাকিল। সি কথাবোৰ ভাবিবলৈ চেষ্টা কৰে, কিন্তু একো উৱাদিহ নাপায়। সি চেনিমাইৰ মুখ আৰু

ভৱিষ্যতৰ চিন্তা কৰে, কিন্তু তাৰ মন গিৰিধৰৰ বিৰুদ্ধে উগ্ৰ হৈ উঠে। গিৰিধৰৰ চিকাৰৰ খেলাত চেনিমাইৰ জীৱনৰ একমাত্ৰ সুখ, একমাত্ৰ গৌৰৱ বলি গৈছে, এতিয়া তাইৰ বাকী জীৱনো গিৰিধৰৰ ভোগতে বলি দিবনে? কিন্তু সি কি কৰিব? তাৰ কি আছে ক'বলৈ, কিয়েই বা আছে কৰিবলৈ? দুদিনমান পাছত সিহঁতৰ যেতিয়া দেখা হ'ল, কোনেও এই বিষয়ে একো কথাই নুলিয়ালে। কিন্তু হেমধৰৰ মনৰ মাজত কথাবোৰ গধুৰ হৈ ওলমি থাকিল। তাৰ বৰ বেয়া লাগিল, নিজকে তাইৰ ওচৰত অতি দুৰ্বল যেন লাগিল।

আগৰদৰেই সি গধূলি নৈৰ পাৰত বহে, কিন্তু গাটো জুৰ নপৰে। ভাত খাই উঠি আহি বহু ৰাতিলৈকে নৈৰ গৰাত বহি থাকে। জলকুঁৱৰীলৈ ভয় নালাগে। মনৰ ভিতৰত অনেক ভাবে তোলপাৰ লগায়। উত্তৰ নোহোৱা অনেক প্ৰশ্নই হাঁহাকাৰ তোলে। বুকুখন গধুৰ যেন লাগে আৰু গধুৰ বুকুখনৰ ওজনত কষ্টবোধ কৰে। নৈখনৰ গতিটোৱে, মাতবোৰে মনটো কৰুণ আৰু অসহায় কৰি তোলে। ঘৰলৈ ঘূৰি আহি চাঙত পৰি বাগৰি বাগৰি এসময়ত সি টোপনি যায় আৰু টোপনিত কিছুসময় আগ-গুৰি নোহোৱা, শেষ নোহোৱা সপোন দেখি ৰাতিটো পাৰ কৰে।

আৰু এদিন, এনে বহু অশান্তিময় দুশ্চিন্তাৰ দিন-ৰাতিৰ শেষত সি মনতে ঠিক কৰিলে যে আৰু নহয়, এই গাঁৰৰ সুখে তাক আঁটিছে, সি আকৌ এখন নতুন ঠাই বিচাৰি ল'ব লাগিব। গিৰিধৰ দোকানীৰ ইচ্ছাৰ বাটত সি হেঙাৰ দিব নোৱাৰে। চেনিমাইৰ ভাগ্যৰ লিখন সি খণ্ডাব নোৱাৰে। এই গাঁও ইয়াৰ মানুহ, ইয়াৰ ঘটনা আৰু চিন্তা-দুশ্চিন্তাৰ পৰা আঁতৰি গ'লেই সি পুনৰ মুকলি হ'ব পাৰিব। সুযোগ বুজি এদিন দোকান বন্ধ কৰিবৰ সময়ত সি দোকানীক অতি বিনীত সুৰে এটা সযত্ন-প্ৰস্তুত মিছা আবেদন জনালে ঃ সি এমাহমানৰ কাৰণে মোমায়েকৰ ঘৰলৈ যায়, পা-পইছা কিমানকৈইটা পায় হিচাব এটা কৰিব লাগে। গিৰিধৰ দোকানীয়ে গহীন হৈ কথাটো ভাবিলে ; তাৰ পিছত অতি আপোন অভিভাৱকজনৰ দৰে তাক বুজালে যে খেতি চপোৱালৈকে আৰু দুটামাহ বৈ একেবাৰে আজৰি হৈ পা-পইছা গোটেইখিনি হিচাব কৰি নিয়াহে তাৰ পক্ষে ভাল হ'ব। হেমধৰে কি ক'ব ভাবি নাপালে।

কাম-বনলৈ তাৰ আগ্ৰহ কমিল। মনটো একেবাৰে ভাল নলগা হ'ল। বেছিৰ ভাগ আজৰি সময় সি নৈৰ পাৰতে বহি কটাবলৈ ল'লে। চেনিমাইক সি বৰকৈ লগ নোপোৱা হ'ল, লগ পাবলৈ মন গ'লেও তাৰ যেন সাহ নোহোৱা হ'ল। সি দেখিলে চেনিমাইও আৰু আগৰদৰে ৰঙিয়াল নহয়, বিমৰ্ষ। তাই কীণাইছে, তাইৰ মুখখন যেন চিন্তাই ক'লা আৰু গধুৰ কৰি তুলিছে।

খেতি চপোৱা হোৱাৰ লগে লগে সি দোকানীৰ আগত পুনৰ মোমায়েকৰ ঘৰলৈ যোৱাৰ কথা উলিয়ালে। দোকানীয়ে আৰু তাক উপদেশ দিয়াৰ চেষ্টা নকৰিলে; চুটি, গহীন আদেশৰ সুৰত তাক দুদিনমান ৰ'বলৈ ক'লে। খেতি উঠাৰ পিছত গিৰিধৰৰ অন্ততঃ কিছুদিনলৈ হেমধৰক বুজনি দি ৰখাৰ প্ৰয়োজন নাই। এতিয়া হেমধৰৰ কিছু খং উঠিবলৈ দিব পৰা যায়, কাৰণ তাৰ তিনিবছৰৰ ঘাম আৰু তেজৰ দামৰ অন্ততঃ দুবছৰৰ ভাগ

দোকানীৰ চন্দুকত নিৰাপদ হৈ আছে। কিন্তু চেনিমাইৰ প্ৰতি দিয়া দোকানীৰ কুটিল প্ৰস্তাৱে আৰু হেমধৰৰ মনত হৈ থকা অশান্তিয়ে তাৰ মনত দোকানীৰ প্ৰতি তেওঁ আশা কৰাতকৈ কিছু বেছি ধৰণৰ বিতৃষ্ণা আৰু ক্ৰোধ সঞ্চাৰ কৰিলে। ৰাতিটো খং আৰু ক্ষোভত অস্থিৰ হৈ থাকি পিছদিনা পাললৈ গৰু নিওঁতে তাৰ লগৰ বকুলৰ আগত তাৰ মনৰ ক্ষোভ কেনেবাকৈ অলপ প্ৰকাশ হৈ গ'ল।

হেমধৰে দিয়া বিড়িটোত দুহোঁপামান মাৰি বকুলে তালৈ চালে। এই বিষয়ত তাৰ কৰিব বা ক'বলগীয়া একো নাই। গিৰিধৰ মহাজনৰ স্বভাব-চৰিত্ৰ গাঁৱত আৰু এতিয়া আলোচনাৰ বিষয় নহয়, নিৰুপায়ভাৱে সৰ্বজন গৃহীত সত্য। তথাপি হেমধৰক শান্ত কৰিবলৈকে সি ক'লে, 'ভাল কুবেৰটোৰ ঘৰত সোমাইছিলি। সহজে পইছা দিব বুঢ়াই? যিমানদিন কাম কৰিলি, পইছাখিনি উলিয়াবলৈ আৰু সিমানদিন কাম কৰিব লাগিব।'

হেমধৰে বকুললৈ একেথৰে চালে। যেন সত্যটো এই প্ৰথম তাৰ মগজুত পৰিষ্কাৰ হ'ল, মহাজনৰ ওচৰত তাৰ অসহায়তা এই প্ৰথম সম্পূৰ্ণৰূপে সি উপলব্ধি কৰিলে। অলপ সময় সি মনে মনে ৰ'ল। কিন্তু সেই অসহায়তাৰ মাজতো গিৰিধৰ মহাজনে কৰা তাৰ সৰ্বনাশৰ স্বৰূপ অনুভৱ কৰি তাৰ অন্তৰত একুৰা জুই জ্বলিব ধৰিলে। তাৰ হতাশ আৰু ক্ষুব্ধ অন্তৰ ক্ৰোধাগ্নিত জ্বলি কঠিন হৈ পৰিল।

'ৰাৰু ৰ, ময়ো চাম। তাৰ নেলুটোত এদিন চেপা মাৰি ধৰি মুখেৰে পইছা বাহিৰ কৰিহে এৰিম।'

হেমধৰৰ কথাৰ তীব্ৰতাত বকুল আচৰিত হ'ল। পৰগাঁৱৰ কেও-কিছু নাইকিয়া নিৰীহ চাকৰ হেমধৰ সকলোৰে অৱজ্ঞা আৰু কৰুণাৰ পাত্ৰ আছিল। তাৰ মুখত উগ্ৰ বাক্য শুনি বকুলে সতৰ্ক কৰিবলৈ ক'লে, 'চাবি অ', বৰ বেয়া মানুহ একা!'

বকুলৰ সতৰ্ক বাণী হেমধৰৰ বেছিদিন মনত নাথাকিল। এমাহমানৰ পাছতে সি এদিন দোকানীৰ মুখামুখি হ'ল।

'দেউতা, পইছাৰ হিচাবটো কৰিব। মই সোমবাৰে যাওঁ বুলি ভাবিছোঁ' প্ৰায় সিদ্ধান্ত ঘোষণা কৰাৰ দৰে সি ক'লে।

'তোক দুদিনমান ৰ'বলৈ কৈছোঁ নে নাই?' দ্ৰুত, ৰুক্ষ কণ্ঠে গিৰিধৰ দোকানীয়ে ক'লে।

'ৰোৱাতো এমাহৰো বেছি ৰোৱা হ'ল।'

'কি? গিৰিধৰে কঠোৰ দৃষ্টিৰে হেমধৰলৈ চালে। হেমধৰে তেওঁৰ পৰা দৃষ্টি নমাই আনিলে।

'বৰ দেখোন মুখে মুখে জেবাব দিছ, হাৰামজাদা। দেখিছনে নাই মই ধান লৈ আছোঁ। এতিয়া মই ক'ৰ পৰা টকা দিওঁ। টকা মোক পালে লাগেহে এতিয়া। আৰু টকানো পাবি কি কেইটা? কাপোৰে-কানিয়ে, বিহুৰে-পূজাই নি নি দেখোন শেষেই কৰি থৈছ।'

দোকানীৰ গৰ্জনত হেমধৰ কিছু তভক মাৰিলে। কিন্তু তথাপি এবাৰ শেষ সাহসকণ গোটাই আকৌ কৈ উঠিল, 'আপোনাৰনো টকা একাল লাগিছেনে।'

'চুপ থাক, কুকুৰ। থাকিবলৈ মন নাই যদি নাথাকিবি, আজিয়েই ওলাই যা। চাকৰৰ মোৰ অভাব লগা নাই। বগা ভাত দেখিলে কাউৰীৰ অভাব নাই। কিন্তু এতিয়া এক পইছা নাপাব। পাছত কি পাব আছি হিচাব কৰি লৈ যাবি।' হেমধৰৰ দৰে পোহনীয়া জীৱবোৰৰ ব্যৱস্থা গিৰিধৰে জানে। তেওঁ স-গৰ্জনে তেওঁৰ বক্তব্য পৰিষ্কাৰ কৰি দ্ৰুত, ক্ৰুদ্ধ পদে ভিতৰলৈ সোমাই গ'ল।

হেমধৰ প্ৰথমে স্তম্ভিত হ'ল। গিৰিধৰ দোকানী বেয়া মানুহ হ'লেও এইদৰে যে অবাইচ মাত মাতি মুখৰ আগতে তাক পইছা নিদিয়াকৈ খেদি দিব সি ভাবিব পৰা নাছিল। বৰং তাৰ অশান্তিময় অসহ্যকৰ বাস্তৱৰ পৰা সাৰিবৰ বাবে অসৎ গিৰিধৰৰ বাকী থকা ভাল গুণ অকণমানৰ ওপৰতে নিৰ্ভৰ কৰি সি ভগৱানক প্ৰাৰ্থনা কৰি আছিল, তাক যেন দোকানীয়ে কোনোমতে পইছাখিনি দি বিদায় দিয়ে। তাৰ সেই আশাও যেতিয়া নিষ্ঠুৰভাৱে চূৰমাৰ হৈ গ'ল, সি প্ৰথমে হতভম্ব হ'ল। লাহে লাহে সি কথাবোৰ ভাবি তাৰ অৱস্থাটো উপলব্ধি কৰিবলৈ চেষ্টা কৰিলে। তাৰ অন্তৰত বৈ থকা অশান্তিৰ বতাহ ক্ৰমে এটা নীৰৱ ধুমুহাত পৰিণত হ'ল। এটা তীব্ৰ শীতল ক্ৰোধে তাৰ ভিতৰখন তোলপাৰ লগাই দিলে। প্ৰায় এটা মাহ সি নিজৰ ভিতৰতে জ্বলি-পুৰি থাকিল।

নৈৰ পাৰলৈ যোৱাও সি কমাই দিলে। কাৰণ নৈৰ পাৰত বহি তাৰ নিৰ্জন, নীৰৱ সময়খিনি সি আৰু উপভোগ কৰিব নোৱাৰে; নৈখনৰ অন্তৰংগ, অদৃশ্য, সংগ, তাৰ বাংময় নৈঃশব্দ সি অনুভৱ কৰিব নোৱাৰে। তদুপৰি নৈখন এৰি যাবলৈ সি প্ৰস্তুত হৈছে, তাৰ মনৰপৰা নৈখনৰ প্ৰতি থকা দুৰ্বলতা সি যেন জয় কৰিব পাৰিছে। ৰাতি ভাত খাই উঠি বিড়ি হুপি কাহি কাহি সি বিছনাত যেতিয়া ইলুটি-সিলুটিকৈ বাগৰি থাকে তাৰ ক্ষুব্ধ চেতনাত গিৰিধৰ দোকানীৰ কুৎসিৎ চৰিত্ৰই তাক কৰা অপমানৰ জ্বালা কেৱল জাগ্ৰত হয়।

তাৰ পিছত সি লাহে লাহে শান্ত হয়, দুৰ্বল হৈ পৰে। তাৰ মনলৈ সন্দেহ আহে। নিদ্ৰাহীন, চিন্তা-জৰ্জৰ অশান্ত মনেৰে সি বিছনাত উঠি বহে। অনেক ৰাতি একো নভবাকৈ, ক'ব নোৱৰাকৈ সি উঠি গৈ নৈৰ পাৰ পায়গৈ। হঠাৎ চেতনা আহে, ইমান ৰাতি নৈৰ পাৰত। সি থমক খায়, গাটো সিৰ্‌সিৰায়। জল-কুঁৱৰীয়ে নি মেটেকাৰ তলত সুমালেও ভাল আছিল, সি ভাবে, সকলো অশান্তি আৰু জ্বালাৰ পৰা হাত সাৰিব পাৰিলেহেঁতেন। নে সি নিজেই যাব নেকি নৈখনৰ বুকুলৈ এবাৰৰ বাবে অনন্ত আশ্ৰয় বিচাৰি? কিন্তু তাৰ মনত কোনো প্ৰতিক্ৰিয়া নহয়, প্ৰতিবাদ বা সমৰ্থন নাহে। বৰং আকস্মিকভাৱে, এই চিন্তাৰ উত্তৰতে যেন ভাহি আহে চেনিমাইৰ আচৰিত আবেদনভৰা মুখখন। নৈখন এৰি যাবলৈ সি সাজু হৈছে, কিন্তু চেনিমাইক...? মাজনিশাৰ এই এন্ধাৰৰ দৰে কিবা এটা নেদেখা এন্ধাৰে তাৰ জীৱনটো ঢাকি ৰাখিছে। জনা-বুজা হোৱাৰে পৰা সি অনুভৱ কৰিছে তাৰ জীৱনত এই অভিশপ্ত আন্ধাৰৰ কালিমা। কেৱল ইয়ালৈ আহি এই নৈখনৰ নিমাত সান্ত্বনাৰ দৰেই তাৰ মনৰ মাজত সি অনুভৱ কৰিবলৈ ধৰিছিল এজনী মানুহৰ অবোধ্য, অদৃশ্য, আদৰুৱা উপস্থিতি। অতীতৰ ধূঁ-গোহৰৰ এটা অননুভূত অভিজ্ঞতাৰ মায়া-আস্বাদে তাক যেন তাড়না কৰিছিল, তাক একোবাৰ তাইৰ ওচৰলৈ আকৰ্ষণ কৰি নিছিল আৰু এনে

সময়তে তাৰ স্বাভাৱিক সংকোচ আৰু পৰিবেশজনিত অস্বস্তিয়ে তাক পিছুলৈ টানি ধৰিছিল। তাৰ এই দুঃস্থ সময়ত, মানসিক পীড়ন আৰু ক্ৰমে বাঢ়ি অহা নৈঃসংগবোধৰ মাজত সি তাইৰ সান্নিধ্যৰ প্ৰতি অসহায়ভাৱে দুৰ্বল বোধ কৰে ; কিন্তু বাস্তৱত শান্তভাৱে নিজলৈ আৰু তাৰ চাৰিওকাললৈ চাই সি এই বাস্তৱৰ পৰা মুক্ত হৈ আঁতৰলৈ গুচি যাবলৈ উৎবাউল হৈ পৰে। এক অদৃশ্য টনা-আঁজোৰাই তাৰ বুকুখনত ভোলপাৰ লগায়।

দুদিনমান সি বাৰীত কাম কৰিবলৈ যোৱা নাছিল। সেইদিনা বাৰীলৈ যাওঁতেই সি দেখিলে বিভ্ৰান্ত, ত্ৰস্ত চেহেৰাৰে চেনিমায়ে তাক হাত বাউল দি মাতিছে। সি উদ্বিগ্ন চিত্তে বেগাই নৈ ঘাটেদি তাইৰ ঘৰলৈ গ'ল। ঘৰৰ ভিতৰ সোমোৱাৰ লগে লগেই উত্তেজিত, চেপা কণ্ঠেৰে চেনিমায়ে ক'লে, 'কালি আহিছিল।'

চেনিমাইৰ ইংগিতময় অৰ্ধোক্তিৰ অৰ্থ — উত্তেজনাৰ সহযোগত — তাৰ বাবে সহজে স্পষ্ট হৈছিল, কিয়নো হয়তো সি এনে এটা ভয়াবহ খবৰৰ বাবেই অনিচ্ছুকভাৱে অপেক্ষা কৰি আছিল। তথাপি তাৰ আঘাত — স্তব্ধ মনৰ পৰা ওলাই আহিল এটা নিৰ্বোধ প্ৰশ্ন, হয়তো সি তেতিয়াও নিশ্চিত হ'ব খুজিছিল, 'কোন?'

দীৰ্ঘপালিত উত্তেজনা আৰু অনিশ্চিত ত্ৰাসৰ চেতনাত বিকল চেনিমায়ে তাৰ অবান্তৰ প্ৰশ্নটোৰো সাগ্ৰহ উত্তৰ দিলে, 'দোকানী।'

হেমধৰৰ ভৰিৰ তলৰ মাটি কঁপি উঠিল, মূৰটো গৰম লাগি গ'ল। সি ঘামিবলৈ ধৰিলে। তাৰ পিছৰ প্ৰায় লগে লগে আহিবলগীয়া প্ৰশ্নটো আৰু কণ্ঠলৈ আহিব নুখুজিলে। সি তাইৰ স্থিৰ দৃষ্টিৰ সমুখত চকুযোৰ নমাই আনিলে। বহুত সময় সিহঁত তেনেকৈ ৰ'ল। তাৰপিছত তাই ধীৰ কণ্ঠে ক'লে, 'বহুত সময় আছিল...।'

তাৰ বুকুখনত তাইৰ উক্তিটোৱে এটা প্ৰচণ্ড খুন্দা মাৰিলে। ডুবিব ধৰা মানুহৰ দৃষ্টিৰে সি এবাৰ তাইলৈ চালে। তাইৰ মুখখন অনিদ্ৰা আৰু উত্তেজনাৰ অৱশিষ্টৰে দুৰ্বল, কিন্তু কঠিন আৰু সজাগ।

'বাৰে বাৰে দুৱাৰখনত হেঁচা মাৰে আৰু সৰুকৈ মোৰ নামটো কাঢ়ি মাতে।' তাই পুনৰ যোগ দিলে। সি যেন উশাহ পালে, বুকুৰ খুন্দাটোৰ বিষ কমি গ'ল। আৰু যেন নিজকে সান্ত্বনা দিবলৈ তাৰ ভিতৰৰ পৰা ওলাই আহিল, 'আন কোনোবা কিজানি।'

কিন্তু চেনিমায়ে তীব্ৰভাৱে তাক বাধা দিলে 'আৰু কোন হ'ব? মই কুকুৰটোৰ মাত চিনি নাপাওঁ? তই কি কথা ক'বলৈ আহিছ?' তাইৰ তীব্ৰতাত সি নীৰৱ হ'ল আৰু ক্ষন্তেক বিৰতিৰ পাছত সুধিলে, 'এতিয়া কি কৰিবি পিছে? আকৌ আহে যদি?'

চেনিমায়ে মনে মনে থাকি তাৰ চকুলৈ চালে। তাৰ পাছত বেৰৰ ফালে মুখখন ঘূৰাই ক'লে, 'চাঙৰ তলত দাখন থৈ দিছোঁ। তাকো দুটুকুৰা কৰিম আৰু নিজৰ ডিঙিতো ঘাপ দিম। আৰু কিটো কৰিবলৈ আছে?' কাৰ ওপৰত যে — হয়তো নিজৰ ওপৰত, হেৰাই যোৱা ডকৰুৰ ওপৰত, হয়তো তাইৰ ভাগ্যৰ ওপৰত, কিজানি হেমধৰৰ ওপৰতো এক অনিশ্চয় ৰোষভৰা অভিমানত তাইৰ মুখখন ওকমি উঠিল। ভুৱা বীৰত্ব নহয়, তাই এক সবল, অবিকল্প সংকল্প মাত্ৰ প্ৰকাশ কৰিছে। হেমধৰৰ মনটো তল-ওপৰ লাগি গ'ল।

বহু প্ৰশ্ন, বহু সন্দেহ, বহু সম্ভাৱনা একেলগে সৰৱ হৈ উঠিল, কোনো কথাকে সি উচ্চাৰণ কৰিব নোৱাৰিলে। দুয়ো অশান্ত নীৰৱতাৰ মাজত কিছুসময় পাৰ কৰাৰ পাছত হেমধৰ নীৰৱেই বাহিৰ ওলাই আহিল।

গোটেই দিনটো কামৰ মাজে মাজে, গধূলি নিজৰ অকলশৰীয়া এন্ধাৰ কোঠাটোত আৰু ৰাতি ভাত খাই উঠি পুনৰ নিজৰ কোঠাত বিড়ি হুঁপি হুঁপি বহি থাকোঁতে একেবোৰ কথাই তাৰ মনত ঘূৰিব ধৰিলে। দুৰ্যোগৰ অনিশ্চিত প্ৰতীক্ষাত বৈ থকা তাৰ অন্তৰখন এক সাম্ভাব্য অঘটনৰ ভয়ংকৰ ছাঁই ঢাকৰাই পেলালে। সকলো প্ৰশ্ন, সন্দেহ, চিন্তা, দ্বন্দ্ব, অপমানবোধ আৰু নিষ্ফল ক্ষোভৰ মাজত সি এটা সংকল্পলৈ আহিবলৈ চেষ্টা কৰিলে। আৰু এবাৰ ... নিৰুপায় অন্ধ আৱেগেৰে তাড়িত হৈ সি ঘৰৰপৰা ওলাই গ'ল। নৈখনৰ ওচৰ পাই ... নিজকে সংযত কৰিলে, এয়ে বোধহয় নৈৰ পাৰত তাৰ শেষ বহা। নৈখনৰ সৈতে তাৰ অলেখ অনুক্ত, নিঃশব্দ ভাব-বিনিময়ৰ গধূলি, নিষ্পেষিত অন্তৰৰ আৱেগ মথিত নীৰৱ বাংময়তাৰ ৰাতি আজি শেষ হ'ল। এইটো বিদায়ৰ মুহূৰ্ত, তাৰ জীৱনত কোনোদিনে নহা বিদায়ৰ বিৰল মুহূৰ্ত। কিন্তু আচৰিতভাৱে, বিদায়ৰ আৱেগে তাক বিচলিত কৰিব নোৱাৰিলে। হয়তো আশৈশৱ তাৰ হৃদয় ৰক্তাল্পতা-দুষ্ট, জড়তাগ্ৰস্ত ; আৱেগ-অনুভূতিৰ তৰংগই তাক সহজে দোলা দিব নোৱাৰে। সি তাৰ সংকল্পৰ কথা ভাবিলে। এন্ধাৰ নৈৰ বুকুলৈ সি এবাৰ চালে, ৰাতিৰ নৈৰ শব্দবোৰ তাৰ কাণত নপৰিল। তাৰ পাছত সি লাহে লাহে পানীলৈ নামি গ'ল। কিছুসময় পানীত থিয় দি সি দুহাতেৰে পানীখিনি চুলে, আঁজলিৰে পানী আনি মুখত সানি ল'লে। তাৰ পাছত হঠাৎ সচেতন হৈ দৃঢ়পদে পাৰলৈ উঠি ক'তো নোবোৱাকৈ ঘৰৰ ফালে আহিল।

মাজৰাতি অলপ আঁতৰৰ পৰা অহা এটা হুলস্থুলৰ শব্দত চেনিমায়ে সাৰ পালে। কিছুসময় কাণ উনাই পৰি থাকি, ছোৱালীজনীয়ে সাৰ নোপোৱাকৈ চাঙৰ পৰা নামি তাই চাকিটো জ্বলালে আৰু ওলাই গৈ কাষৰ ঘৰৰ মাকক জগালেগৈ।

'কি হ'ল ঐ?' মাকে সাৰ পাই উচপ্ খাই উঠিল আৰু এন্ধাৰতে খপ্‌জপ্ কৰি দুৱাৰ মেলি ওলাই আহিল।

'সেইবোৰ কিহৰ হুলস্থুল, শুনচোন!' চেনিমায়ে উদ্বিগ্ন কণ্ঠে ক'লে।

অবাক, বিমুঢ়ি মেদৌয়ে কাণ পাতি শব্দবোৰ ধৰিবৰ চেষ্টা কৰিলে আৰু কৈ উঠিল, 'দোকানীৰ ঘৰৰ ফালৰপৰা অহা যেন পাইছোঁ। কি হ'ল অ' এইখন? তই থাকচোন, মই বাৰীয়েদি গৈ চাই আহোঁ।' এন্ধাৰৰ মাজলৈ মেদৌৱে খোজ ল'লে।

'চাকিটো লৈ যা' চেনিমায়ে ক'লে।

'নালাগে' মেদৌ ইতিমধ্যে এন্ধাৰত লেপেখা হ'ল। চেনিমায়ে মাক যোৱাৰ ফালে কিছুসময় চাই ৰ'ল, তাৰ পাছত ভিতৰলৈ গৈ চাকিটো থৈ পুনৰ বাহিৰৰ এন্ধাৰলৈ ওলাই আহিল। তাইৰ বুকুৰ ভিতৰত ঢেঁকীটোৱে যেনাই চাব দিব ধৰিলে, উশাহ বন্ধ হৈ যাব যেন লাগিল। মূৰটো বেয়া লাগিল, তাই পিৰালিতে বহি পৰিল।

অলপ পাছতে মেদৌয়ে খবৰ আনিলে। গিৰিধৰ দোকানীৰ শোৱা কোঠাৰ ওপৰ

চাণ্ডত থকা দোকানীৰ হাতনি পেৰাটো মাজৰাতি চুৰ কৰিবলৈ গৈ হেমধৰ ধৰা পৰিছে।' মেদৌৱে হেমধৰৰ কুকীৰ্তিত ছিঃ ছিঃ কৰি উঠিল ; কিন্তু চেনিমায়ে মাকক ভৰ্ৎসনা কৰিলে, 'চুৰ নকৰিনো কি কৰিব সি ? তিনিবছৰে পইছা এটা নিদিয়াকৈ গৰু বোৱাদি খাইছে, সি চাগে পইছাখিনি চুৰি কৰি পলাই যাম বুলি ভাবিছিল। বেচেৰা। ভাল বিপদখন হ'ল। মাৰিছে নেকি তাক, আই ?' হঠাৎ সচেতন হৈ তাই সুধিলে।

'মাৰিছেতো আকৌ।' মেদৌৱে ক'লে, এইবাৰ তাইৰো সহানুভূতি হেমধৰৰ পক্ষে, 'চোৰ বুলিলে' মানুহৰ এনেয়ে গা উঠে, তাতে তাৰ ফালে মাতোতা কোনটো আছে ?'

চেনিমাইৰ বুকুখন ধৰ্ফৰাই উঠিল। হেমধৰৰ সবল, এঁকৰা মুখখন তাইৰ মনৰ মাজত যেন করুণ প্ৰাৰ্থনা কৰি জিলিকি উঠিল। তাৰ ভয়ত্ৰস্ত, আহত মুখখনৰ কথা ভাবি তাইৰ বুকুখন মোচৰ খাই উঠিল। এন্ধাৰৰ মাজতে দুইজনী মানুহ কিছু সময় নীৰৱে থিয় হৈ ৰ'ল। তাৰ পাছত হঠাৎ তাই ক'লে, 'আই, তই শোগে যা, ময়ো এবাৰ চাই আহোঁগে।'

'ছোৱালীক মোৰ চাণ্ডত দি থৈ যা, সাৰ পালে ভয় খাব।' মেদৌৱে ক'লে।

দোকানীৰ ঘৰৰ পিছফালেৰে গোহালিটোৰ ওচৰেদি চেনিমাই লাহে লাহে আগবাঢ়িল। দূৰৰ পৰাই লেম্পৰ পোহৰত তাই দেখিলে ঘৰৰ বাৰাণ্ডাত কাঠৰ চকীত বহি গিৰিধৰ দোকানী, তেওঁৰ কাষৰ বেঞ্চখনত ওচৰৰ দুই-তিনিজন বয়সস্থ মানুহ, টোপনিৰ পৰা হঠাৎ সাৰ পাই খালি গাৰে তেওঁলোক উঠি আহিছে। ঘটনাৰ আকস্মিকতাৰ চক আৰু উত্তেজনা এতিয়া প্ৰশমিত হৈছে, যোগ হৈছে নতুন নতুন খুঁতি-নাতি আৰু পলমকৈ অহাসকলৰ বাবে প্ৰত্যেকৰে নিজস্ব প্ৰতিক্ৰিয়াৰ বৰ্ণনা। সকলোৰে হাতে-মুখে জ্বলন্ত ধূমায়মান বিড়ি; আনন্দ আৰু গৌৰৱৰ মিশ্ৰিত অনুভূতিত দোকানীয়ে আজি তেওঁৰ কঠিন হাতৰ মুঠি ঢিলাই দিছে। কেৱল চোৰ ধৰাৰ সাফল্যত নহয়, তেওঁৰ মুৰৰ পৰা এটা অদৰ্কাৰী হৈ পৰা বোজা অভাৱনীয় সহজভাৱে, স্বাভাৱিক আইন সংগত ব্যৱস্থাৰে নমাই দিব পৰাৰ গোপন সুখত তেওঁ আনৰ অজ্ঞাতে পৰম আহ্লাদ লাভ কৰিছিল। প্ৰায় সমুখৰ দোকানৰ বাৰাণ্ডাত, আন এটা লেম্পৰ বগুচুৰা পোহৰত চেনিমায়ে দেখিলে মাটিত বহি তলমূৰকৈ হেমধৰ। চেনিমাইৰ আহত, নীৰৱ বুকুখনে এটা শব্দ কৰি উঠিল। তাৰ মূৰৰ ডাঠ চুলিজাপ নিশ্চয় কোনোবাই ঘটালি ফাঁহ-ফাঁহ কৰিছে, গেঞ্জীটো বুকুৰ ওচৰত ফাটি ওলমি গৈছে, মুখখন দেখা নাযায় বাবে শাস্তিৰ মাত্ৰা সম্পূৰ্ণ অনুমান কৰিব পৰা নাযায়। তাৰ ওচৰে-পাঁজৰে, বাৰাণ্ডাত আৰু চোতালত থিয় দি বা বহি গাঁৱৰে এজাক সৰু-ডাঙৰ ল'ৰা। হেমধৰৰ লগত দুটামান থিয়াথিয়ি কৰি অলপ আঁতৰত। সকলোৰে মাজত বিভিন্ন ধৰণৰ প্ৰতিক্ৰিয়া ; অবিশ্বাস, অবোধ্যতা, ঠাট্টা, নিন্দা, ভৰ্ৎসনা। দুই-এক ডাঙৰকৈ কিবা সুধিছে, সি কোনো প্ৰতিক্ৰিয়া নোহোৱাকৈ মৌন হৈ তলমূৰকৈ বহি আছে। আৰু অলপ আগবাঢ়ি চেনিমায়ে ধৰিব পাৰিলে ঘৰৰ বাৰাণ্ডাৰ কাষত, কিছু এন্ধাৰৰ ফালে দোকানীৰ দুই পৰিবাৰ আৰু ল'ৰা-ছোৱালীৰ সৈতে ওচৰৰ কেইজনীমান মাইকী মানুহ। দোকানীৰ দ্বিতীয় পত্নীয়ে এতিয়াও অৱশিষ্ট উত্তেজনাৰে বাৰম্বাৰ ঘটনাটোৰ টুকুৰা-টুকুৰি অংশবোৰ বৰ্ণনা কৰি আছে। চেনিমায়ে বহু সময় এন্ধাৰৰ মাজেৰে হেমধৰলৈ চালে, স্থিৰ, অৱনতমস্তক

শিলস্বৰূপ। তাইৰ ভিতৰত খুব কোমল, ধীৰ কোনো ৰাগৰ দৰে এটা কান্দোন বুকুখন আঁচুৰি আঁচুৰি ওপৰলৈ আহিব ধৰিলে। হঠাৎ তাই শুনিলে বেঞ্চত বহি থকা আদহীয়া এজনে বিড়িত সুখ টান দি উঠি নাকে-মুখে ধোঁৱা উলিয়াই ডেকাইতলৈ এটা কঠুৱা নির্দেশ জাৰি কৰিছে, 'বান্ধি থ ঐ তাক, ভালকৈ পঘা এডাল আনি বান্ধি থ।'

চেনিমাইৰ বুকুখন ধমহ্‌কৈ খহি পৰিল। ভিতৰৰ কান্দোনটো থমক্ খাই ৰ'ল। তাই লাহেকৈ ঘূৰিল আৰু শেষবাৰলৈ তাক চাই লৈ ঘৰলৈ খোজ দিলে। তাইৰ কাণত পৰিল কোনোবা এটা আত্মবিশ্বাসী ডেকা কণ্ঠই কৈছে, 'এ-থ-অ' কেলেই বান্ধিব লাগিছে? ইমানবোৰ মানুহৰ মাজত ক'লৈ পলাই সাৰিব। ৰাতিপুৱা পুলিচ আহিলে বান্ধি-কুন্ধি নিয়ে নে ঘোঁৰাত উঠাই নিয়ে নিব নহয়।'

কেনি কেনেকৈ আহি তাই ঘৰ পালেহি চেনিমায়ে ক'ব নোৱাৰে। চাকিটো তেতিয়াও জ্বলি আছিল, তাই নুমাই দিলে; এন্ধাৰে যেন তাইক গিলি পেলালে। বহুসময় তাই একে ঠাইতে লৰচৰ নকৰাকৈ থিয় হৈ ৰ'ল। অলপ আগতে বুকুৰ ভিতৰত উঠি আহিব ধৰা কান্দোনটোও যেন হঠাৎ শুকাই গ'ল। চাৰিওফালে শুকান, শিলাময়, শূন্য। পঘা লগাই বান্ধি হেমধৰক পুলিচে মৰিয়াই গাঁৱৰ মাজেদি লৈ যাব, বোধহয় চিৰকাললৈ সি এই গাঁৱৰ পৰা ওলাই যাব। এটা জেঠীয়ে বেৰত টিক্‌টিকালে, তাইৰ বুকুৰ ভিতৰত শব্দটো খুন্দা খাই উঠিল। তাই চাঙত বাগৰি পৰিল। বুকুখন ফিন্দ্ খাই ধৰিছে, তাই একো ভাবিব পৰা নাই; গধুৰ হৈ ফুলি উঠা বুকুখনত তাইৰ উশাহ ল'বলৈ কষ্ট হৈছে। আধাচেতন অৱস্থাত তাই চাঙতে পৰি ইছাট-বিছাট কৰিব ধৰিলে; অসহ্য যন্ত্ৰণাত যেন চাংখনেই কেঁকাই উঠিল।

কিমান সময় পাৰ হ'ল তাই ক'ব নোৱাৰে; সময়ৰ বা পাৰিপার্শ্বিকতাৰ উপস্থিতি তাইৰ আঘাত-দীর্ণ হৃদয়ৰ ক্ৰমে জঠৰ হৈ অহা চেতনাত অনুভূত হোৱা নাছিল। হঠাৎ এটা প্ৰচণ্ড আঘাতৰ শব্দত তাই চক খাই উঠিল, তাইৰ চেতনা পুনৰ আলোড়িত হ'ল আৰু পিছমুহূৰ্ততে আৰু এটা সজোৰ আঘাতত তাই গম পালে যে তাইৰ ঘৰৰ দুৱাৰৰ দাংডাল এৰাই গৈছে।

'কোন?' এটা অস্ফুট আৰ্তনাদ তাইৰ কণ্ঠেৰে ওলাই আহিল। দ্ৰুত চিন্তাৰ তৰংগ তাইৰ মগজেদি গ'ল, তেজৰ গতি তীব্ৰ হৈ পৰিল। তাইৰ গাত কঁপনি উঠিল। কিন্তু মুহূৰ্ততে সজাগ হৈ জাঁপ মাৰি নামি তাই এহাতেৰে চাঙৰ তলৰ পৰা দাখন উলিয়াই আনিলে। দুৱাৰৰ ফালে চাই থাকিয়েই তাই বাওঁহাতেৰে গাৰুৰ তলত খেপিয়াই জুইশলাটো উলিয়ালে আৰু চাকিটো জ্বলালে। সোঁহাতে দাখন আৰু বাওঁহাতে চাকিটো লৈ তাই দুৱাৰৰ ফালে আগবাঢ়িল।

চেনিমাইৰ মূৰত যেন বজ্ৰাঘাত হ'ল। তাই থৰ হৈ দেখিলে দুৱাৰখন বন্ধ কৰি তাত আঁউজি থিয় হৈ ৰৈ আছে হেমধৰ। তাৰ নাকৰ তলত দুধাৰি শুকাই যোৱা তেজৰ দাগ; তলৰ ওঁঠখন মাজতে কাটি ফুলি আছে। অপৰা চুলি, ফটা গেঞ্জী, তাৰ মুখত পৰাভৱ আৰু ত্ৰাস, নিষ্ফল ক্ষোভ, অপমান আৰু সমৰ্পণ ঃ সি যেন এজাক আকস্মিক অভাৱনীয় ধুমুহাই কোবাই জৰৌবৌৱা কৰি থৈ যোৱা এজোপা তৰুণ নিঃসংগ গছ। কিন্তু

চেনিমাইৰ সম্বিৎ তৎক্ষণাৎ ঘূৰি আহিল। দাখন হাতৰ পৰা পেলাই তাই উধাতু খাই তাৰ ওচৰলৈ গ'ল আৰু 'চাওঁ' বুলি তাক দুৱাৰৰ পৰা আঁতৰাই দাংডাল ভালকৈ লগাই দিলে আৰু ঘূৰি লৈ তালৈ চাই ফুচ্ ফুচাই সুধিলে, 'কেনেকৈ আহিলি?'

হেমধৰৰ মুখেদি বাক্স্ফূৰ্তি নহ'ল।

'এতিয়া বিচাৰি গোটেইখন তহিলং কৰিব, চাঙৰ তলত সোমাগৈ।' তাই তাক বাহুত ধৰি প্ৰায় ঠেলিয়েই ভিতৰলৈ লৈ গ'ল আৰু চাঙৰ ওচৰত তাৰ নীৰৱ শাৰীৰিক প্ৰতিবাদ সত্ত্বেও জোৰ কৰি তাক চাঙৰ তললৈ ঠেলি দিলে।

তাই বেগাই গৈ কলহৰ পানীত চাদৰৰ আগটো ডুবাই তিয়াই ল'লে আৰু পুনৰ চাঙৰ ওচৰলৈ গৈ আঁঠুকাঢ়ি তায়ো চাঙৰ তললৈ সোমাল। হেমধৰ চিৎ হৈ চাঙৰ তলত মাটিত পৰি আছে, তাই চাকিৰ পোহৰত তিতা চাদৰখনেৰে তাৰ মুখৰ তেজবোৰ মচি দিলে, তাৰ পিছত তাৰ নাক, মুখ আৰু ওঁঠৰ আঘাতবোৰত চাদৰখনৰ ভিজা শীতল আগটো ধৰি থাকিল। অপৰিচিত কোনো জগতত, অবাস্তৱ সময়ৰ মাজত শত্ৰুৰ ত্ৰাসপূৰ্ণ উপস্থিতিত সিহঁত দুটা যেন বিকলচিত্তে লগ হৈছে। শংকা আৰু উত্তেজনাৰ অস্থিৰ কঁপনিৰ মাজতো, আঘাত আৰু অপমানৰ কালিমাৰ মাজতো সি তাইক কিবা এটা ক'ব খুজিলে। কিন্তু অননুভূতপূৰ্ব এক আবেগৰ শিহৰণে, ছাঁয়াময়া এক অবোধ্য ৰহস্যৰ সূক্ষ্ম আলোকসঞ্চাৰী স্পৰ্শই তাৰ হৃৎকম্পন ঘটালে আৰু বাৰে বাৰে নিয়ন্ত্ৰণাধীনভাৱে তাৰ দেহাটো কঁপি কঁপি উঠিল। বহু কষ্ট কৰি, বহু দূৰৰ অতল, অবিশ্বাস্য জগত এখনৰ পৰা প্ৰায় কান্দোনৰ সুৰত সি উচ্চাৰণ কৰিলে, 'মই চোৰ নহয়, 'বিচচ্' কৰ!'

'তই মোক ক'ব লাগিছেনে?' তাইৰ উক্তিত এক সঁচা উপলব্ধিৰ নিঃসংশয় আশ্বাস আছিল, সি পুনৰ্বাৰ তীব্ৰভাৱে কঁপি উঠিল। তাইৰ তাৰ মুখত হাত বুলাই দিলে, কটা ওঁঠখন আঙুলিৰে কোমলকৈ স্পৰ্শ কৰিলে। যেন তাৰ প্ৰতিটো আঘাতত ক'লা পৰি লাগি থকা অপমানবোৰ হাতেৰে চুই অনুভৱ কৰিব খুজিলে।

'কুকুৰটোক মইহে ঘঁপিয়াম বুলি ভাবি আছিলোঁ', হঠাৎ ক্ৰুদ্ধকণ্ঠে তাই ক'লে। এটা গধুৰ, দীঘল, ক্ষুব্ধ, অতৃপ্ত হুমুনিয়াহ তাৰ বুকুৰ পৰা প্ৰত্যুত্তৰৰ দৰে ওলাই আহিল। অস্থিৰ, অনিশ্চিত, সশংক মুহূৰ্তবোৰ নীৰৱে পাৰ হ'ব ধৰিলে।

'চাকিৰ পোহৰ দেখিলে আহি ইয়াতে ওলাবহি, নুমাই দিওঁ!' আধা প্ৰশ্ন আৰু আধা সিদ্ধান্তৰ দৰে তাই উচ্চাৰণ কৰিলে।

'দে'। একমুহূৰ্ত দ্বিধা কৰি অসহজভাৱে সি ক'লে।

তাই চাকিটো নুমাই আঁতৰাই থ'লে আৰু বাওঁহাতখন তাৰ আঘাত-জৰ্জৰ মূৰৰ চুলিবোৰৰ মাজত সুমাই দিলে। সচকিত হৈ সিহঁতে মাটি এবোৰা বেৰৰ ফাঁকেৰে মন কৰিলে আঁতৰত দোকানীৰ বাৰীত দুই-এবাৰ দুৰ্বল টৰ্চৰ পোহৰ। ভীত ত্ৰস্ত-সংকুচিত মনেৰে সিহঁতে শুনিলে দুই-এবাৰ ডাঙৰকৈ কোৱা অবুজ কথাৰ টুকুৰা। অনন্ত সময়ৰ অস্বস্তিকৰ গৰ্ভত হঠাতে আহি পৰা জীৱনৰ অভাৱনীয় মেৰপেচত অনিশ্চিত আৰু হয়তো

ভয়ংকৰ ভৱিষ্যতৰ সমুখত সিহঁত বিমূঢ়, বিবশ হৈ প্ৰায় অসাৰৰ দৰে পৰি ৰ'ল। তাৰ পাছত চাৰিওফালে ক্ৰমে এক আদিম নীৰৱতা আৰু অন্ধকাৰ উত্তাপে আবৰি পেলাল।

পিছদিনা ৰাতিপুৱা গিৰিধৰ দোকানীৰ ঘৰত হেমধৰৰ চুৰিৰ ব্যৰ্থ চেষ্টাৰ লগত চেনিমাইৰ অন্তৰ্ধানৰ সংবাদটো যোগ হৈ গাঁৱত এটা নতুন ৰহস্যৰ টৌ বৈ গ'ল। অৱশ্যে ৰহস্যটো প্ৰায় লগে লগেই সকলোৰে বাবে পৰিষ্কাৰ হৈ পৰিল আৰু গাঁৱৰ চিৰাচৰিত ৰীতি অনুসৰি চেনিমাই আৰু হেমধৰৰ চমক লগোৱা গোপন সম্পৰ্কটোৰ কাহিনীয়ে প্ৰত্যেকৰে মুখে মুখে বিভিন্ন, বিচিত্ৰ আৰু প্ৰামাণ্যৰূপে মুখৰোচক ৰূপ ল'বলৈ ধৰিলে।

গিৰিধৰ দোকানী নিশ্চয় ক্ৰোধান্ধ হৈছিল। কাৰণ, তেওঁ ভাঙিবলৈ দিয়া ঘৰটো চেনিমাইৰ নহয়, তেওঁৰ আছিল। আৰু তেওঁৰ সপোনৰ বালি-ঘৰটো কেতিয়াবাই উটি-ভাহি গৈ নিশ্চিহ্ন হৈছিল।

বাহিৰলৈ যোৱা বাট

ৰাতিপুৱা খুব সোনকালে উঠি গৈ দ্বিজেনে তাৰ পঢ়া কোঠাৰ খিৰিকীখন খুলি দিলে। পুৱাটো শেঁতা, অলস, স্থবিৰ। যেন ৰাতিৰ অন্ধকাৰ অচৈতন্যৰ ঘোৰ এতিয়াও কাটি উঠিব পৰা নাই। যেন এটা শকৰ আবেশ চৌপাশৰ অস্তিত্বত ওলমি আছে। এই পৰিৱেশ তাৰ মনৰ সু-সমঞ্জস; সি অনুভৱ কৰে নির্জীৱ প্রকৃতিৰ অব্যক্ত, অসম্ভৱ সৌহার্দ্য। অদূৰত থকা অমিতাজোপা দেখি তাৰ মনত এটা আলস্যজড়িত ভাব খেলালে ঃ এই গছজোপা ইয়ালৈ কেনেকৈ আহিল। সি চকীখনত বহি পৰিল আৰু গছজোপালৈ চাই ভাবিব ধৰিলে। আৰু সি নিজকে ক'লে যে, যিহেতু গছজোপা ইয়ালৈ আহিব নোৱাৰে, এইজোপা নিশ্চয় ইয়াতে গজি ডাঙৰ হোৱা অমিতাজোপা; সেউজীয়া, সুদর্শন, পৰিণত কিন্তু নিষ্ফলা। পুৱাৰ নির্বাত পৰিৱেশত আপাত-নিশ্চল গছজোপাৰ দেহত বসন্ত-সমীৰৰ অধৈর্য প্রতীক্ষা, চঞ্চল হৈ উঠা কোষবোৰত সূর্যৰ সস্নেহ তেজৰ বাবে সাগ্রহ ব্যস্ততা। গছজোপাৰ কথা যে সি পাহৰি গৈছে ই তাৰ মনৰ খেলা। তাৰ স্বাভাৱিকতে নিষ্ক্রিয়, নিস্তৰংগ মনত এইধৰণৰ দুই-এটা অদ্ভুত প্রশ্ন উপস্থিত হয়, বিস্ময় বা কৌতূহলৰ অনুৰংগ অৱশ্যেই তাত নাথাকে আৰু খুব স্বাভাৱিকভাৱেই সেইবোৰ মনৰ মাজতে ডুবি নিশ্চিহ্ন হৈ যায়। তাৰ কোনো প্রতিক্রিয়া, কোনো অনুকম্পন বা ৰেশ আৰু নাথাকে নাযায়।

এইখিনি সময় তাৰ পঢ়াৰ সময় বা ক'ব পাৰি একো নকৰাৰ সময়। সি পঢ়া টেবুলত বহি খিৰিকীয়েদি বাহিৰলৈ চায়, এইটো তাৰ অভ্যাস; বিভিন্ন ভাব, প্রশ্ন, সন্দেহ, সম্ভাৱনা তাৰ মনৰ মাজলৈ আহে আৰু পাৰ হৈ গুচি যায়। সিহঁতৰ কোনো সামান্য ছাপ পর্যন্ত তাৰ মনত বৈ নাযায়। তাৰ চেতনা অক্ষত, অনুপদ্রুত হৈ ৰয়। সি পাৰ কৰিব লাগিছে বোধহয় এটা মৃত-অস্তিত্ব। আৰু এই অবাস্তৱ অনুভূতিটোও কোন মৃত্যোন্মুখ কৰিব পৰা সি চুব কৰি আনিছে। এই প্রশ্নটোও উত্তৰবিহীনভাৱেই মনৰ একোণত গলি যায়। অভ্যাসৰ হাতে জাপৰ পৰা টানি আনে এখন কিতাপ, সি দেখে টেলৰ্ বা টফ্লাৰ বা লাম্পেডুচা বা লে'কাৰি। সি চকু ফুৰাই চাই তাৰ বাকলিত ঘোষিত প্রশস্তি, স্রষ্টাৰ গহীন আলোকচিত্র, প্রদর্শনকামী আত্মপ্রচাৰ আৰু পণ্যৰ লোভনীয় বিজ্ঞাপনৰ সুকৌশল সংযুক্তি। কিন্তু তাৰ দৃষ্টিত থাকে কৌতূহলৰ পৰিবর্তে

দাৰ্শনিক ঔদাসীন্য, শিশুৰ অমাৰ্জিত আচৰণৰ প্ৰতি যেন বৃদ্ধৰ ক্ষমাসুন্দৰ মনোভাব। তাৰ বয়স বা বয়সোচিত মানসিক সজাগতা, তাৰ শিক্ষিত মনৰ জটিল অন্তৰ্ভেদী অৱলোকন, তাৰ সংস্কৃত অন্তৰৰ সুপৰিশীলিত, সুনিয়ন্ত্ৰিত ক্ৰিয়া-প্ৰতিক্ৰিয়া একোৱেই তাৰ চিন্তা, কাম আৰু আচৰণত প্ৰতিফলিত নহয়। মাজে মাজে ৰাতিপুৱাৰ এই খিৰিকীৰ কাষত বহি হঠাৎ সি নিজকে কয়, মই নিজকে কিছুমান প্ৰশ্ন গভীৰভাৱে কৰি চোৱা উচিত; যেনে ...কিন্তু কোনো প্ৰশ্ন কোনো নিৰ্দিষ্টৰূপত তাৰ মনলৈ নাহে। বিভিন্ন বিষয় সি তাৰ মনলৈ টানি আনিব খোজে। কিন্তু সি দেখে সেইবোৰত কোনো প্ৰশ্ন নাই, বিষয়বোৰ একান্তই তুচ্ছ আৰু সিহঁতৰ বিষয়ে সকলো সম্ভৱপৰ প্ৰশ্নৰ হাজাৰটা তুচ্ছ উত্তৰ তৈয়াৰ হৈ আছে। এইবোৰ অবান্তৰ চিন্তা, সি ভাবে আৰু ভাবিবলৈ এৰি বাহিৰলৈ চায়। খিৰিকীৰ পৰা প্ৰায় বিশহাত দূৰলৈকে এই দুৰ্লভ সেউজী টুকুৰাত — এডাল অমিতা গছ, অসমান বননি, পুৰণি ইটাৰ দেৱালত এডাল কোৱাভাতুৰী লতা আৰু বিয়লি পৰা শেলাইৰ মাজত সি আত্ম-নিৰ্বাসিত হয়। পাতৰ মাজেদি কেতিয়াবা এটা কোৱাভাতুৰীৰ আশ্চৰ্য ৰঙে মিচিকিয়াই উঠে; কোনো সংযুক্তিৰ বিধিমতে বুজা নাযায়, তাৰ মনত ভাহে ডালিমৰ ৰক্তাভ-মুক্তাৰ ছবি। উৰি আহি এটা নিমাত চৰাই পত্ৰাকীৰ্ণ দেৱালখনত বহেহি, ফানখন নচুৱাই, জঁপিয়াই, ঘূৰি বহি তাৰ মুখামুখি হয়; সি বিব্ৰত বোধ কৰে। শৈশৱৰ চৰাইবোৰ তাৰ মনৰ মাজলৈ উৰি আহিব খোজে; কিন্তু পাৰ আৰু কুকুৰাৰ বাহিৰে আনবোৰ চৰাই এতিয়া অস্পষ্ট, বিবৰ্ণ আৰু নিষ্প্ৰাণ। ডালিম আজিকালি পথ্যৰূপেই সমাদৃত, ভোজ্য সামগ্ৰীৰূপেই চৰাই আহি টেবুলত মানুহৰ ঘনিষ্ঠ। এইবোৰ আজিকালি অত্যন্ত প্ৰয়োজনীয় বস্তু, ইহঁতৰ ভূমিকা সুনিৰ্দিষ্ট, মূল্য নিৰূপিত। আহত অন্তৰেৰে অভিমানী প্ৰকৃতি লোভী, হৃদয়হীন মানুহৰ ওচৰৰ পৰা দূৰলৈ গুচি গৈছে। কাৰণ, মানুহৰ নিকটতম, গভীৰতম সম্পৰ্কও মাত্ৰ স্বাৰ্থময় আৰু যান্ত্ৰিক। দুপৰৰ নীলা আকাশৰ বিশালতাক দীৰ্ঘশ্বাসেৰে বুকুৰ ভিতৰলৈ টানি লৈ হৃদয় গধুৰ কৰি তোলা যন্ত্ৰণাময় আনন্দ, ৰাতিৰ অন্ধকাৰ গৰ্ভৰ ব্যাপ্ত বিশালতাৰ মাজত আপোন অস্তিত্ব হেৰুৱাই দিয়াৰ আকুল আকূতি, সন্ধিয়াৰ শান্ত, নিঃসঙ্গ নদীৰ বাঙ্ময় গতিৰ লগত নিজৰ নিশ্চল অস্তিত্ব বিস্মৃত হৈ একাত্ম হোৱাৰ গোপন কামনা, বিয়লিৰ থম্‌থম্ গম্ভীৰ প্ৰকৃতি ক্ৰমে মুহূৰ্তে বিস্ফোৰিত হৈ সৃষ্টি কৰা প্ৰচণ্ড মত্ত উদামতাৰ মাজত উড্ডীন দিক্‌ভ্ৰষ্ট হৈ নিশ্চিহ্ন হৈ যোৱাৰ আত্মবিধ্বংসী বাসনা — প্ৰকৃতিৰ কোমল, উষ্ণ, মাদকতা ভৰা শাৰীৰিক সান্নিধ্যৰ মাজত হৃদয়ৰ যুক্তিহীন অবুজ আবেগৰ এই ধৰণৰ অযুক্ত লীলাময় খেলা আজি আৰু কৈশোৰৰ স্বপ্নময় স্মৃতি হিচাপেই মানুহৰ অন্তৰত লালিত হৈছে। আৰু সেই স্মৃতিও কেৱল পুৰণি নাটকৰ ব্যৰ্থ নিৰুত্তাপ দৃশ্যৰ দৰেই মনৰ মাজলৈ টানি অনা যায়, যান্ত্ৰিকভাৱে, অভ্যাসবশতঃ যেনেকৈ তাৰ পৰিয়ালৰ যত্ন বা দায়িত্ব বা সম্ভৱতঃ আগ্ৰহৰ প্ৰতি কোনো ধৰণৰ আকৰ্ষণ অনুভূতি নোহোৱাকৈয়ে অকৃতজ্ঞচিত্তে সি হাতত তুলি লয় ৰাতিপুৱাৰ চাহকাপ।

ইতিমধ্যে তাৰ ৰাতিপুৱা দুঘন্টাৰ পুৰণি হৈ উঠে, যদিও এই সময় তাৰ বাবে

এটা ধুঁৱলি চেতনা। চাহৰ টেবুলত বহাৰ পিছতহে তাৰ মন ধীৰে ধীৰে সজাগ হ'বলৈ ধৰে, দীৰ্ঘ অব্যৱহৃত তাৰ অঙ্গ-প্ৰত্যঙ্গবোৰ প্ৰশ্ন বা নিৰ্দেশ বা প্ৰতিক্ৰিয়াত ক্ৰমে সচল হৈ উঠে, তাৰ অনুভূতিবোৰ পুনৰ সক্ৰিয় হৈ উঠে। যন্ত্ৰসুলভ সঠিকতাৰে তাৰ শৰীৰ সঞ্চালিত হয়। চাহৰ পিছত স্বয়ংক্ৰিয়ভাৱে হাত যায় চিগাৰেটৰ পেকেটলৈ; ৰেডিঅ'ৰ চুইচলৈ। অভ্যস্ত কাণত বাজে বি.বি.চি. — লণ্ডনৰ সংবাদ, কাৰণ এইটোও এটা দীৰ্ঘদিনীয়া অভ্যাস। তাৰ পিছত বিংকি আহি তাৰ গাত ওলমেহি; সি আব্দাৰ কৰিব লগা হয় অথবা তাইৰ হিন্দী পাঠৰ শব্দাৰ্থ 'উদ্ভাৱন' কৰিবলৈ লৈ সি অপ্ৰস্তুত হয় কাৰণ, ৰাষ্ট্ৰভাষাত সি অসহজ বোধ কৰে। আৰু তাৰ মাজতেই তাৰ কাণে নিৰ্ভুল তুলি লয় পৰিবাৰৰ প্ৰাত্যহিক ইমাৰ্জেন্সি সংকেত, 'গেছ আজি যাওঁ যাওঁ দেই' বা 'ইলেক্‌ট্ৰিচিটি বিলৰ লাষ্টডেট্ কিন্তু কাইলৈ' বা 'ববৰাক খবৰটো দিয়া নহ'ল, বৰ বেয়া কথা হৈছে দেই...'।

সি গম পালে ৰেডিঅ'ত মানীৰ — তাৰ পৰিবাৰৰ — হাত লাগিছে, কাৰণ কুন্দনলাল ছাইগলৰ বেদনাজীৰ্ণ কণ্ঠৰ কৰুণ গীত ভাহি আহিছে। বিংকিয়ে মাকক টিফিনত কি কি দিব লাগিব পৰামৰ্শ দিছে। ওচৰৰ ঘৰত গৰ্দভ-কণ্ঠ দমকলটোৰ আৱাজ তল পেলাই কোনোবাই ডাঙৰ ডাঙৰকৈ কথা পাতিছে। ক'ৰবাৰ পৰা এটা ৰাইচ-কুকাৰৰ তীব্ৰ শব্দ উঠিছে। সি ওলাই গৈ পুনৰ তাৰ পঢ়া কোঠাত সোমাল। ৰাইচ্-কুকাৰৰ শব্দটো বন্ধ হৈ গ'ল আৰু সি ভাবিলে — আগেয়ে বহুবাৰ ভবাৰ দৰে এই সুতীব্ৰ শব্দটো, যি তাৰ ভাসমান চেতনাক ভেদ কৰি সম্পূৰ্ণ নিৰ্জীৱ কৰি তোলে, তাৰ অৱচেতনাৰ সৃষ্ট কোনো ইংগিত নেকি। মানীয়ে এদিন তাক জনাইছিল যে ওচৰৰ এঘৰত এটা ৰাইচ্-কুকাৰ আনিছে। সি বহুদিনলৈ কথাটো বিশ্বাস কৰা নাছিল। টেবুলৰ ওচৰত বহি সি ঠিক কৰিব নোৱাৰে সি কি কৰিব। তাৰ সন্মুখত এখন পুৰণি ডিলান্ টমাছ্। A baby with an ancient face sat in its pram outside the wine vaults, quiet, very wet, peering cautiously all around it. ডিলান্ আছিল তাৰ ক্ৰেইজ্। কিন্তু এইটোও এটা স্মৃতি। আজি তাৰ সেই শিশুটোলৈ মনত পৰে, খুব আপোন যেন লাগে; বুকুখন গধুৰ হৈ উঠে। কিয় সি বুজি নাপায়। কিন্তু কিতাপখন খুলি আৰু সি পঢ়িব নোৱাৰে। ডিলানৰ ওচৰলৈ সি যাব নোৱাৰে, মাজত কাইটীয়া অনেক বছৰৰ অৰণ্য। বাট হেৰাই গৈছে। টেবুলৰ ওপৰত কিতাপৰ জাপ, তাৰ হেণ্ড্‌বেগ, ন'টবুক, ফাইল্, কাগজৰ দ'ম, মানীৰ অনুগ্ৰহত অমলিন, সু-সজ্জিত, কাৰণ পৰিচ্ছন্নতা আৰু সজ্জা ৰুচিৰ বাবেই নহয় মানীৰ স্নায়ুৰ বাবেও প্ৰয়োজনীয়। অধ্যাপক দত্তৰ কিতাপখন অৱহেলিতভাৱে এচুকত পৰি আছে। দত্তই তাৰ কিতাপ এখন আগতে হেৰুৱাইছে, সিও তেওঁৰ এইখন কিতাপ হেৰুৱাই দিব পাৰে। কিন্তু কি দৰ্কাৰ, কিতাপখন ঘোৰতয় বাজে; তাৰ ধাৰণা। তদুপৰি তাৰ কিতাপখন নিয়াৰ এবছৰৰ পিছত হঠাৎ কেনেবাকৈ মনত পৰি 'মোৰ কিতাপখন আপোনাৰ তাত আছে নেকি' বুলি দত্তক সোধা প্ৰশ্নত অনুসন্ধান বা কৌতূহলতকৈও বিস্ময়ৰ সুৰেই যেন

আনিছু হৈছিল, অন্ততঃ তাৰ নিজৰ কাণত, আৰু তাৰ মুহূৰ্তৰ বাবে সন্দেহ হৈছিল সি চৈনে দস্তক কিতাপখন হেৰুবাবলৈকে দিছিল নেকি? আৰু দস্তৰ অস্বস্তিৰ বাবে লজ্জিত সি কোনোদিন আৰু এই প্ৰশ্ন তোলা নাছিল।

কিতাপৰ জাপৰ মাজত এখন চাফা নতুন কিতাপ তাৰ চকুত পৰিল। এইখন আকৌ কাৰ কিতাপ, সি ভাবিলে আৰু লগে লগেই জাপটোৰ পৰা কিতাপখন টানি আনিলে। অ' — তাৰ আগ্ৰহ হেৰাল এইখন ৰমেনৰ হতুৰাই সি কলিকতাৰ পৰা অনাইছিল। দেশৰ বিষয়ে লেখা এজন বিদেশী লেখকৰ কিতাপ। এটা বুদ্ধিদীপ্ত, কৌতূহলোদ্ৰেককাৰী উপ-শিৰোনামা, পাছফালে ছাঁ-পোহৰৰ খেলাই লুকাই ৰখা লেখকৰ ফটোগ্ৰাফ, কিতাপখনৰ বিষয়ে উদ্ধৃত বিতৰ্কিত মন্তব্য। অনাৰ ইমানদিনৰ পিছতো সি কিতাপখন পঢ়া নাই, পাহৰিয়েই গৈছে কিতাপখনৰ অস্তিত্ব। কিন্তু কিতাপখনত তাৰ এটা নাম থকা দৰ্কাৰ। সি পে'নটো বিচাৰিলে। কিতাপৰ জাপৰ কাষত, য'ত তাৰ পে'নটো থাকে সদায়, আজি নাই! কিতাপৰ মাজত, কাগজৰ তলত, ক'তো সি পে'নটো বিচাৰি নাপালে। খিৰিকীয়েদি তাৰ বাহিৰলৈ চকু গ'ল। বাহিৰত উজ্জ্বলতা, পোহৰৰ সতেজ বিচ্ছুৰণ, দহনৰ প্ৰস্তুতিৰে নবীন সূৰ্য সেনানীৰ উল্লাস। কোবাভাতুৰীয়াৰ ডাঠ সেউজীয়া পাতত, অমিতা গছত ছিটিকি পৰিছে সূৰ্যৰ সোণালী উগ্ৰতা। এটা দীৰ্ঘশ্বাস হঠাৎ তাৰ বুকুৰ পৰা ওলাই আহিল, সি হেৰাই যাব ধৰিলে বাহিৰৰ নাতি-প্ৰশস্ত দুৰ্লভ শূন্যতাৰ বুকুত। সি ব্যাকুল হৈ বিচাৰিলে এটি পুৰণি গোন্ধ, এটি পুৰণি শিহৰণ, কাৰণ সি অনুভৱ কৰিলে বাহিৰৰ এই এক লহমাৰ অনিৰ্বচনীয় প্ৰকৃতিৰ মাজেদি আহিছে এটি পুৰণি, কোন দূৰান্তৰ কোন অতীতৰ বিস্মৃত স্মৃতিৰ আভাস, যাৰ লগত মিহলি হৈ আছিল সেই পুৰণি গোন্ধ, শিহৰণ, হয়তো কিছু সঞ্চিত হুমুনিয়াহ। আৰু সি যেন শূন্যৰ মাজত সঁচাই হেৰাই গ'ল।

মানীৰ প্ৰেছাৰ কুকাৰৰ তীব্ৰ শব্দত সি আকৌ কোঠাৰ ক্ষুদ্ৰ অস্তিত্বৰ মাজলৈ ঘূৰি আহিল। সি সন্মুখৰ টেবুললৈ চালে; কিতাপখনত তাৰ চকু পৰিল, অ' পে'নটো—। হেণ্ড্‌বেগৰ খাপবোৰত, ফাইলৰ মাজত, ড্ৰয়াৰ দুটাত, ৰাইটিং পেডৰ মাজত, পুনৰ কিতাপৰ জাপত, পুনৰ হেণ্ড্‌বেগত সি পে'নটো বিচাৰি চালে। পে'নটো নাই। পে'নটো নাই, সি ভাবিলে, বোধহয় পে'নটো হেৰাল। সি এক দৃষ্টিৰে টেবুলখনলৈ চালে। তাৰ মনত বাতিপুৱাৰ প্ৰথম সবলভাবে সক্ৰিয় অনুভূতিটো উপস্থিত হ'ল, তাৰ পে'নটো হেৰাল। এইটো এটা সৰু-সুৰা আঘাত হোৱা উচিত। কলমটো তাৰ দীৰ্ঘদিনৰ মনোমত সহচৰ; আৰু তাৰ অসংস্কৃত, অতীত-বিস্মৃত, এংলিছাইজড্ কম্পেনি এক্সিকিউটিভ্ ভাগিনীয়েকৰ দামী, অস্বস্তিকৰ উপহাৰ হোৱা সত্ত্বেও, কলমটো তাৰ মৰমৰ আছিল। হেৰোৱাৰ প্ৰাথমিক উপলব্ধিটোৱে তাৰ স্থবিৰ চেতনাত এটা মৃদু জোকাৰ দিলে আৰু তাৰ পিছত সি ইয়াক ডুবি যাবলৈ দিলে।

সি কিতাপখন টানি আনিলে। আকৌ দুটামান পাত লুটিয়াই চালে আৰু তাৰ পিছত অবহেলাভৰে জাপৰ মাজত সুমুৱাই থৈ দিলে। সি পুনৰ বাহিৰলৈ চালে। কিন্তু

বাহিৰত সি এইবাৰ একো দেখা নাপালে। তাৰ মনত ভাব স্পষ্ট নহ'ল, প্ৰায় শূন্য আবহাৱা, কিন্তু কিবা এটা অস্বস্তি, সামান্য এটা ওজন যেন ক'ৰবাত চুকত ওলমি ৰৈছে। কলম হেৰুওৱাৰ অদৃশ্য হৈ যোৱা অনুভূতিটোৱে দুটামান ক্ষীণ তৰঙ্গৰ সৃষ্টি কৰি গৈছে, যাৰ ৰেশ তাৰ মনৰ শূন্যতাৰ মাজত সি ধৰিব নোৱাৰাকৈ ভাহি ৰৈছে। স্বাভাৱিকভাৱেই, তাৰ ফলশ্ৰুতিৰূপে পিছমুহূৰ্তত্তে যেতিয়া সি শুনিলে তাৰ পাছফালে খোজৰ শব্দ, খাৰুৰ জুনুক-জানাক, কিবা বস্তু জোকৰাৰ আৱাজ সি মাত দিলে, 'মানী মোৰ কলমটো দেখিছা নেকি?' আৰু কোনো উত্তৰ নহা দেখি সি পুনৰাই বাহিৰলৈ চায়েই সুধিলে, 'মোৰ কলমটো দেখিছা নেকি মানী?' আৰু সি শুনিলে, অনুগত, বিনম্ৰ কণ্ঠত, চম্পাৰ — তাৰ ঘৰত কাম কৰা বাইজনী — প্ৰায় অপৰাধী উত্তৰ, 'বাইদেৱে গা ধুইছে, ছাৰ।'

আৰু সচকিতভাৱে এবাৰ ঘূৰি চাই দ্ৰুত অনুতপ্ত কণ্ঠে সি ক'লে, 'অ'হ্ চম্পা— ' আৰু পিছমুহূৰ্তত্তে গম পালে কাম শেষ কৰি চম্পা তাৰ কোঠাৰ পৰা ওলাই গ'ল।

শোৱা কোঠাত সোমাই গৈ সি তাৰ পেনটো বিচাৰিলে। বিছনাত, গাৰু আৰু তুলিৰ তলত, বে'ড-ছাইড্ কেবিনেটটোৰ ভিতৰত, সৰু টেবুলখনত, ড্ৰেছিং টেবুল আৰু তাৰ ড্ৰয়াৰত, ৱাৰ্ড্ৰবটোৰ ওপৰত আৰু ভিতৰত চুকে-কোণে, সম্ভাব্য সকলো ঠাইতে সি পেনটো বিচাৰি চালে আৰু বিচাৰি থাকোঁতেই সি গম পালে তাৰ হাত দুখন সামান্য কঁপিছে, মূৰটো গৰম লাগিছে, মুখখন শুকাই গৈছে আৰু দুটামান মুহূৰ্তৰ পিছত সি একো ক'ব নোৱাৰাকৈয়ে হঠাৎ তাৰ মুখেদি তীব্ৰস্বৰে বাহিৰ হৈ আহিল এটা কঠোৰ অভিযোগ, 'মোৰ পেনটো সদায় ক'লৈ যায়?'

প্ৰশ্নটো আছিল স্পষ্টতঃ নিৰুদ্দেশ, তাৰ চৌদিশৰ সমস্ত অস্তিত্বৰ নৈৰ্ব্যক্তিকতাৰ প্ৰতি, কিন্তু শিশুসুলভ অভিযোগৰ প্ৰচণ্ড প্ৰশ্নত নাটকীয়ভাৱে বাথৰুমৰ দুৱাৰখন খুলি যায়। সি দেখে বাথৰুমৰ দুৱাৰমুখত থিয় দিছে এটা অনুৰক্ষী-দেৱদূতীৰ মূৰ্তি — সদ্যস্নাতা মানী — অপাৰ্থিৱ, পৱিত্ৰ, উজ্জ্বল, (কেৱল মূৰৰ চাৰিওফালে আলোক-বলয়টি অনুপস্থিত) আৰু তেওঁৰ চকুত এক অন্তৰ্ভেদী দৃষ্টি — অলপ আ[illegible] — অলপ কৰুণ, নিশ্চল — আৰু সি, দ্বিজেন, তেওঁৰ আলোকিত অবয়ব [illegible] গভীৰ দৃষ্টিৰ সন্মুখত যেন চৈতন্যহীন, অলৰ সম্মোহিত। কেইমুহূৰ্তমান তে[illegible] পাৰ হৈ যোৱাৰ পিছত সন্মুখৰ মূৰ্তিটি চঞ্চল হ'ল, গতিশীল হ'ল — মানীয়ে চেণ্ডেলযোৰলৈ ভৰিখন আগবঢ়াই দিলে। আৰু সি যেন অকস্মাৎ চেতনা ঘূৰাই পালে আৰু হঠাৎ সপ্ৰতিভ হ'বৰ চেষ্টা কৰি ক'লে, 'অ'হ্ মানী, তুমি গা ধুই আছিলা; হেৰি এই — মোৰ পেনটো — তুমি বাৰু মোৰ পেনটো...।'

মানী বাওঁফালে লাহেকৈ ঘূৰিল আৰু ৱাৰ্ড্ৰবটো খুলি তাৰ ওলোমাই থোৱা শ্যাৰ্টটোৰ ওপৰৰ জেপত লগাই থোৱা পেনটো তালৈ আগবঢ়াই দিলে। তাৰ মুখ বিস্ময়, লজ্জা আৰু কৃতজ্ঞতাৰে বন্ধ আৰু নিৰ্বাক হৈ পৰিল। সি তাৰ অঞ্জলিকৃত

দুইখন হাত আগবঢ়াই, যেন জলকুঁৱৰীৰ হাতৰ পৰা, তাৰ হেৰোৱা সোণালী পে'নটো গ্ৰহণ কৰিলে। সি এটা দীঘল উশাহ ল'লে; অনুভৱ কৰিলে, পে'নটো বিচাৰোঁতে তাৰ বৰ ভাগৰ লাগিছে। সি বিছনাত বহি পৰিল, বেৰৰ কাষলৈ গৈ আঁউজি ল'লে আৰু দীঘল উশাহ ল'বলৈ ধৰিলে। মানীয়ে একমুহূৰ্ত তাৰ শ্ৰান্ত মুখখনলৈ দৃষ্টি নিক্ষেপ কৰি ড্ৰেছিং টেবুলখনলৈ পাৰ হৈ গ'ল।

ফ্ৰিজটোৰ ওপৰত এখন যীশুৰ ছবি ঃ দেৱদূত নহয়, ঈশ্বৰৰ পুত্ৰ নহয়; দীঘল চুলি, জোঙা নাক, গভীৰ দৃষ্টি, ক্ষীণ, ক্লিষ্ট, কিন্তু ক্ষমাসুন্দৰ মুখেৰে বগা চোলাৰ ওপৰত ৰঙা এখন চাদৰেৰে এজন মানুহৰ মাজৰ নিঃসঙ্গ মানুহ। অজান্তি গাঁৱত জন্ম, নিৰীহ কাঠমিস্ত্ৰী। ঘৰ, পৰিয়াল, পদবী বা পৰিচয় একোৱেই নাই; কিন্তু তেত্ৰিছ বছৰ বয়সতে তেওঁ অৰ্জন কৰিব পাৰিলে মানুহৰ শত্ৰুতা। কাৰণ, তেওঁ মানুহক প্ৰেমৰ কথা শিকাবলৈ আৰম্ভ কৰিছিল। তেওঁৰ মূৰত দিয়া হ'ল পৰিহাসপূৰ্ণ কাঁইটৰ মুকুট। প্ৰেম, এই বাণীৰ বাবে তেওঁৰ পিঠিত দিয়া হ'ল গধুৰ ক্ৰচ্। গজালেৰে তেওঁক ক্ৰচ্ত শালি দিয়া হ'ল দুটা চোৰৰ লগত। এই ঘৰত ঈশ্বৰৰ অনুপ্ৰবেশ ঘটে মানীয়ে বাকচৰ তলত কাপোৰৰ মাজত চোৰাংভাৱে অনা এখন ফ্ৰে'মাবদ্ধ লক্ষ্মীৰ ছবিৰ যোগেদি। ছবিখন পাক-ঘৰৰ চুক এটাত সন্ধ্যাৰ এচাকি পোহৰৰ নিবেদনতে সন্তুষ্ট থাকি নিৰুপদ্ৰৱভাৱে ওলমি আছিল। মানীৰ দেউতাকৰ শ্ৰাদ্ধৰ পৰা উভতি অহাৰ পিছত মানীয়ে এটা নাম পাতি আনুষ্ঠানিক ধৰ্মাচৰণ আৰম্ভ কৰে। আৰু তাৰ নিৰ্লিপ্তি বা অনাসক্তিৰ বিষয়ে জনা সত্ত্বেও বা জানিয়েই, এবাৰ সি সাংঘাতিক ধৰণে পেৰাটাইফইডত আক্ৰান্ত হোৱাৰ পিছত মানী আৰু মহেন্দ্ৰদেউৱে তাক জোৰ-জবৰদস্তি সত্য নাৰায়ণৰ সন্মুখীন কৰায়। কৈশোৰলৈকে ঈশ্বৰৰ প্ৰতি তাৰ এটা ত্ৰাসমিশ্ৰিত আকৰ্ষণ আছিল, কিন্তু ঈশ্বৰৰ পৰা বিভিন্ন সময়ত তিনিহেজাৰলৈকে টকা বিচৰাৰ বাহিৰে তেওঁৰ অন্য প্ৰয়োজন সি দেখা নাছিল আৰু ঈশ্বৰেও তাৰ প্ৰাৰ্থনা পূৰাবলৈ কোনো চেষ্টা কৰা যেন তাৰ অনুভৱ নহৈছিল। ক্ৰমে বয়স বাঢ়ি জ্ঞান হোৱাৰ লগে লগে তাৰ মনত ঈশ্বৰৰ ধাৰণা অস্পষ্ট হৈ পৰে; প্ৰাৰ্থনাৰ বাবে তাৰ সময় নোহোৱা হয়। ঈশ্বৰৰ ফালৰ পৰাও কোনো ধৰণৰ সঁহাৰি বা প্ৰতিক্ৰিয়া দেখা নাপাই তাৰ চেতনাৰ পৰাই সি ঈশ্বৰক সম্পূৰ্ণৰূপে নিৰ্বাসিত কৰে। গতিকে, সত্যনাৰায়ণৰ প্ৰসাদৰ বাহিৰে তেওঁৰ প্ৰতি আন কোনো ধৰণৰ আকৰ্ষণ তাৰ মনত জাগৰিত নহ'ল। আজি ফ্ৰিজৰ ওপৰত অধিষ্ঠিত যীশুলৈ চকু পৰি মাজে মাজে হোৱাৰ দৰে তাৰ ভাব হ'ল, এই মানুহটোৰ লগত তাৰ কিবা এটা মিল আছে নেকি। কিন্তু সি ধৰিব নোৱাৰে ক'ত বা কিহৰ মিল, কি কাৰণেই বা এই অনুভূতি।

এটা দীৰ্ঘশ্বাসৰ শব্দ শুনি সি চকু ঘূৰাই দেখিলে, মানীয়ে এক দৃষ্টিৰে তালৈ চাই আছে। মানীৰ দৃষ্টিত সেই আন্তৰিকতা, সেই সপ্ৰেম দুশ্চিন্তা, যিবোৰ সঁচা যেন লাগি তাক সদায় অসহজ কৰি তোলে। সি চকু নমাই হাতৰ পে'নটোলৈ চালে। তাৰ মনত পৰিল, সি এই পে'নটো বিচাৰি ইয়ালৈ আহিছিল, পোৱাৰ পিছত সি তাৰ পঢ়া

কোঠালৈ যাব লাগে। কিন্তু তাৰ দেহে তাৰ ভাবক সঁহাৰি নিদিলে; সি চকু তুলি যীশুলৈ চালে। আৰু আচৰিত হৈ সি দেখিলে মানীৰ দৰেই যীশুৱে তালৈ এক দৃষ্টিৰে চাই ৰৈছে। আৰু ঠিক সেই সময়তে সি শুনিলে — মুহূৰ্তৰ বাবে তাৰ বিভ্ৰম হ'ল মাতটো মানীৰ নে যীশুৰ — এটি বুকু কঁপোৱা একক শব্দ, সম্বোধনসূচক তাৰ নাম, 'দ্বিজু'।

যীশুৰ মুখৰ পৰা চকু ঘূৰাই সি মানীৰ মুখলৈ চালে, শব্দটো মানীৰ কণ্ঠনিঃসৃত আৰু মানীয়ে এইবাৰ তাইৰ বক্তব্যৰ বাকী অংশ যোগ দিলে, 'তোমাৰ কি হৈছে দ্বিজু?'

এনে এটা প্ৰশ্নৰ বাবেই সি হয়তো প্ৰতীক্ষা কৰি আছিল; কাৰণ প্ৰশ্নটো তাৰ পৰিচিত যেন লাগিল আৰু কাৰণ নিজৰ প্ৰতি প্ৰায় এনে এটা প্ৰশ্নই তাৰ চেতনাত মাজে মাজে অস্পষ্ট হৈ ভাহিছিল। কিন্তু তাৰ নিৰুদ্বেগ চেতনাত প্ৰশ্নৰ অৱকাশ নাছিল। তদুপৰি কোনো প্ৰশ্নৰ বাবেই তাৰ উত্তৰৰ প্ৰয়োজনো সি বোধ নকৰিছিল। অথচ আজি ৰাতিপুৱাৰ এই অঘটনত — মানীৰ প্ৰতীক্ষিত প্ৰশ্নৰ আকস্মিকতাত — তাৰ মনত ক্ষণিকৰ বাবে অস্বিস্তকৰ এটা ঢৌ উঠিল। তাৰ মুখ ৰঙা পৰিল। বহা ঠাইতে সি লৰচৰ কৰি বহিল। কিন্তু পিছমুহূৰ্ততে সি সংযত হৈ পৰিল, তাৰ সৌম্য ঘূৰি আহিল আৰু মানীলৈ চাই সি এটা ধীৰ, নিৰাবেগ, নিৰুৎসুক প্ৰতিপ্ৰশ্ন কৰিলে, 'কি হৈছে?'

কিন্তু মানীও বোধহয় আজি প্ৰস্তুত, তাই এৰি নিদিলে আৰু ক'লে, 'কিয়, তুমি নিজে ধৰিব পৰা নাই? তুমি মানুহটো যে একেবাৰে ঠাণ্ডা হৈ গ'লা। তোমাৰ আনন্দ-বেজাৰ, খং-মৰম, বিৰক্তি-আগ্ৰহ একোৱেই দেখোন নাইকিয়া হৈ গ'ল। তাৰ মাজতে এদিন আকৌ হঠাৎ সৰু-সুৰা কথা এটাতে চিঞৰ-বাখৰ কৰি উঠা, কিয়?'

'কিয় বাৰু মানী? একোতো কাৰণ নাই আচলতে।' দ্বিজুৰ কথাত এটা দুশ্চিন্তাৰ সুৰ, কিন্তু সেইটো এই কাৰণে নহয় যে সি নিজৰ অৱস্থাৰ প্ৰতি চিৰিয়াছ বা চিন্তিত বৰং এই কাৰণে যে মানীৰ প্ৰশ্নত এটা অভিযোগৰ সুৰ আছিল। তদুপৰি তাৰ উত্তৰত ক'ৰবাত ভুল হৈ যায় বুলি সি অসহজ বোধ কৰিছিল। মানী সন্তুষ্ট নহ'ল। সি বুজিলে তাই আৰু এটা প্ৰশ্ন মনতে তৈয়াৰ কৰিছে আৰু সি লগে লগে কথোপকথনত আত্মসমৰ্পণসূচক পাক এটা দিলে, 'আৰু মই খুব কথা পাহৰা হৈছোঁ জানা?'

মানীৰ গহীন মুখৰ ৰংহীন মলিন ওঁঠত যেন ক্ষণিক পোহৰে খেলি গ'ল। তাৰ সন্দেহ হ'ল যেন এটা আধা মুহূৰ্তৰ হাঁহি দেখাৰ আগেয়েই অদৃশ্য হৈ গ'ল।

'সেইটো আৰু মোতকৈ কোনে বেছিকৈ গম পাব?' — মানীয়ে ক'লে। সি অনুভৱ কৰিলে মানীৰ এই একাত্মতাৰ আপাত-অহংকাৰত অভিযোগৰ আৱহ আভাস। সি উদাসবোধ কৰিলে, যীশুলৈ চকু ঘূৰালে, এক কৰুণ মমত্ব আৰু সি শুনিলে, মানীয়ে কৈছে, 'তোমাৰ গা-চা বেয়া নেকি বাৰু, কোৱাচোন। একো কথা যে তুমি নোকোৱা।' গলিত কুষ্ঠৰ উৱলি যোৱা মণ্ডহৰ মাঁৰোৰত সত্তৰ এনে মমতাৰ পৰশেই লাগিছিল।

'ধেৎ, কিয় নকওঁ, চব কথাইতো কওঁ। গা বেয়া হ'লেতো তোমাক কওঁ, আৰু কাক ক'ম? কিন্তু গাতো বেয়া নহয়। অবশ্যে মাজে মাজে কি হয় জানা, বুকুখন খুব গধুৰ লাগে, যেন উশাহ ল'ব নোৱাৰা হৈ যাম। উশাহটো ঘূৰাব নোৱাৰিম, যেন উশাহটো গৈ বুকুৰ ভিতৰ নাপাবগৈ, গভীৰলৈকে নুচুবগৈ। এটা ওজনে যেন বুকুখন হেঁচি আছে, বতাহখিনি সোমাই যাব নোৱাৰে খুব কষ্ট হয়, খুব ভাগৰ লাগে।'

'ইমান দিনে মোক কিয় কোৱা নাই তেনে?' মানীৰ কণ্ঠত এতিয়াও অভিমান, কিন্তু সি কোমল, স্নেহার্দ্র।

'কি বুলি ক'মনো? এইবোৰতো বোধহয় কোনো অসুখ নহয়!' সি এটা অপ্রস্তুত উত্তৰ দিলে।

'এনেয়ে গা ঠিকেই আছে, নহয়? একো অসুখ নাই?' মানীয়ে এটা সন্দেহযুক্ত শিশুক কোমল প্রশ্ন কৰিলে।

'একো নাই, চব ঠিক আছে।' আৰু শিশুটোৱে এটা স্মার্ট উত্তৰ দিলে।

'মোৰ বৰ চিন্তা লাগে পাই। এবাৰ ডাক্তৰক নেদেখুওৱা কিয়?'

'ধেৎ, কি দেখুৱাম ডাক্তৰক?'

'এনেয়ে, জেনেৰেল্ চেক-আপ্।'

'অ', অবশ্যে। দেখুৱাব পাৰি। জাষ্ট ইন্ কেইছ্ — হেৰা, কোনোবা এজন আহিছে!' হঠাৎ মাতটো সৰু কৰি দ্বিজেনে মানীক ক'লে।

'ক'তা?' মানীয়ে সুধিলে, হঠাৎ তাইৰ মনলৈ ক'ব নোৱাৰাকৈয়ে এটা অস্বস্তি আহিল।

'খিৰিকীয়েদি পাৰ হৈ যোৱা দেখিলোঁ।' নিম্ন কণ্ঠেৰেই পুনৰ সি ক'লে।

'তুমি এনেয়ে কোৱা। আগতেও দুদিনমান কোনোবা অহা যেন দেখিছিলা। এনেয়ে আকৌ, আহিলে বে'ল টিপিব নহয়!' মানীয়ে তাইৰ অস্বস্তিটো সামান্য অভিযোগেৰে প্রকাশ কৰিলে।

'কিন্তু —' সি ক'লে আৰু পঢ়ি থকা ৰিংকিৰ উদ্দেশ্যে চিঞৰিলে, 'ৰিংকি, আগফালে কোন আহিছে চোৱাচোন!' আৰু কেইটামান সগৰ্ভ মুহূৰ্তৰ পিছত দ্বিজেনলৈ চাই মানীয়ে আৰু খিৰিকীৰে বাহিৰলৈ চাই মানীৰ দৃষ্টি সম্পৰ্কে সজাগ দ্বিজেনে শুনিলে ৰিংকিৰ চুটি চূড়ান্ত, মমতাহীন উত্তৰ, 'দেউতা, কোনো নাই।'

দ্বিজেনৰ বুকুৰ ৰুদ্ধ নিশ্বাসটো দীঘলকৈ বাহিৰ হৈ আহিল। সি চকু ঘূৰাই মুহূৰ্তৰ বাবে মানীলৈ চাই দেখিলে মানীয়ে তাৰ মুখৰ পৰা দৃষ্টি মাটিলৈ নমাই নিছে। সি অসহজবোধ কৰিলে আৰু লাহে লাহে কোঠাৰ বাহিৰ হৈ গ'ল।

কেইদিনমানৰ পৰা দ্বিজেনৰ সন্দেহ হ'ব ধৰিলে তাৰ সঁচাই কিবা চিৰিয়াছ অসুখ হৈছে নেকি? অনবৰতে তাৰ বিছনাত পৰি থাকিবৰ মন যায়। সময়ে-অসময়ে সি শুই দিব পাৰে। পঢ়া-শুনা, লাইব্ৰেৰীলৈ যোৱা, কেন্টিনত বহা, তাৰ অৱশিষ্ট দুই-এক বন্ধুৰে মাচ-বোল কৰা একোতেই তাৰ শেষ আগ্ৰহকণো নাইকিয়া হৈ গৈছে।

মানীৰ পচন্দ মতে সি কিনি অনা নতুন পৰ্দাবে যেতিয়া ঘৰটো জলমলাই উঠে তাৰ মন অদৃশ্য মেঘৰ ছাঁই ওন্দোলাই আনে আৰু মানীৰ প্ৰত্যাশাপূৰ্ণ মুখলৈ চাই সি বিফল অভিনেতাৰ দৰে কৈ উঠে 'বঢ়িয়া লাগিছে।' বিৰক্তিবোধ কৰিলেও মানীৰ লগত নতুন কাৰ্পেট কিনিবলৈ গৈ সি তাৰ মতামত দিব লগা হয় আৰু মানীয়ে সযতনে পৰা কোমল কাৰ্পেটৰ ওপৰত খোজ দি সি একধৰণৰ অস্বস্তি অনুভৱ কৰে। মানীৰ ওচৰত প্ৰতিটো কাম, প্ৰতিটো প্ৰতিক্ৰিয়া বা উক্তিৰ বাবে সি সতৰ্ক থাকিব লাগে, কিজানি কোনো ভুল প্ৰতিক্ৰিয়া বা ভুল উত্তৰে তাইক আঘাত কৰে, কিজানি তাই দুখ পায়, খং উঠে। কথাবোৰ সি মনত ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰে আৰু পাহৰি গৈ মানীৰ অভিমানী দৃষ্টিৰ সন্মুখত অৱনত অপৰাধী হৈ ৰয়। গুই থকা অৱস্থাত বিংকিক মৰম-আদৰ কৰিলেও দিনৰ সময়ত সি বিংকিৰ ওচৰত আচকলীয়া প্ৰশ্নৰ সম্ভাৱনাত অসহজ অনুভৱ কৰি থাকে, কিছুদিনৰ আগতে তাই তাক হঠাৎ সুধি পেলাইছিল, 'বায়ে আমাৰ ঘৰত কিয় কাম কৰে' আৰু বিপন্নবোধ কৰি সি উত্তৰ নিদিয়াকৈ আঁতৰি গৈছিল। দুবছৰমান আগতে সিহঁতৰ ঘৰত থকা কাম কৰা ছোৱালীজনীক চুৰ কৰি খোৱাৰ অপৰাধত মানীয়ে যেতিয়া সক্ৰোধ প্ৰহাৰ কৰিছিল, বিংকিয়ে তাক সুধিছিল ছোৱালীজনীয়ে কিয় চুৰ কৰি খায়। আৰু তাইৰ সহজ স্বাভাৱিক প্ৰশ্নটোৰ উত্তৰ বিচাৰি তাৰ জিভাখন দোবোল খালে, মুখটো গৰম লাগি গ'ল। এনেবোৰ প্ৰতিকূল পৰিস্থিতিৰ মাজত তাৰ উদ্বেগ-সঙ্কুল অৱস্থিতিয়ে তাৰ মনলৈ সলনা-সলনিকৈ আনে সুপ্তি আৰু বিস্ফোৰণৰ নিষ্ক্ৰিয় আকাংক্ষা।

মানীৰ উপৰ্যুপৰি অনুযোগত সি ডাক্তৰ চৌধুৰীৰ ওচৰলৈ একাধিকবাৰ যাব লগা হয়। শেষৰ দিনা ডাক্তৰ চৌধুৰীৰ চেম্বাৰৰ পৰা ওলাই আহি ক্লান্ত অনুভৱ কৰে। তাৰ হাতৰ বিভিন্ন মেডিকেল ৰিপ'ৰ্টৰ নুৰাটো ত্যক্তভাৱে টেবুললৈ দলিয়াই তীব্ৰ গতিত ফেনখন চলাই দি সি বিছনাত বাগৰি পৰে। কাষৰ কোঠাত চকী লৰোৱাৰ শব্দ শুনি সি মানীক মাতিলে কাৰণ, ডাক্তৰৰ কথাৰে সি মানীক বুজাব খোজে যে এইটো এটা অদৰকাৰী অৰ্থহীন পৰিশ্ৰম আছিল। মানীৰ আঁকোৰ-গোজালি স্বভাৱ তাৰ বাবে দায়ী, সি মনে মনে মানীৰ অনুশোচনা দাবী কৰে।

'মানী!' সি পুনৰ মাতিলে, পৰ্দাখন ফাঁক হ'ল আৰু মুখ ঘূৰাই সি দেখিলে পৰ্দাৰ ফাঁকেৰে ভুমুকিয়াইছে চম্পাৰ মুখ, 'বাইদেউ নাই ছাৰ, জিন্টুৰ অসুখ বোলে, ডাক্তৰ আহিছে, বাইদেৱে খবৰ কৰিবলৈ গৈছে।'

বিজেন হতাশ হ'ল। তাৰ ভাগৰ যেন বাঢ়ি গ'ল, সি চকু মুদি দিলে। পুনৰাই চকু মেলি সি চম্পালৈ ঘূৰি চালে, চম্পা আঁতৰি গৈছে। সি অনুভৱ কৰিলে তাৰ পিয়াহ লাগিছে। সি চম্পাক মাতি সুধিলে, 'চম্পা তুমি মোক একাপ চাহ কৰি দিব পাৰিবা?' আৰু চম্পাই সন্মতি জনাই পাক-ঘৰলৈ গ'ল।

তাৰ মনত পৰিল এয়াৰ-কণ্ডিচন্ড্ চেম্বাৰত ডাক্তৰ চৌধুৰীৰ মুখৰ ওপৰত হিপ'ক্ৰেটচৰ শপত, সোঁফালে চুকত সুদৰ ফ্ৰেমত বন্দাই থোৱা আন এটি প্ৰবাদ, 'the

practice of medicine is an art not a trade, a calling not a business' আৰু তাৰ সন্মুখত বহি তেওঁ, ডাক্তৰ চৌধুৰীয়ে, তাক দিব ধৰিছে গভীৰ আশ্বাসবাণী 'নথিং, নাথিং টু বৰী এট্ অল্... হাৰ্টৰ কোনো গণ্ডগোল নাই... ই. চি. জি. উইদিন্ নৰ্মেল্ লিমিট্ছ্ বি. পি. নৰ্মেল্... কোনো চিন্তা নাই। জিয়াৰ্দিয়াৰ কাৰণে কেৱল এটা কৰ্ছ্ ইউবিন্ ঠিকেই আছে... দুই-এটা পাছ্ চে'ল্তো...। পানী খাব খুব, প্ৰেণ্টি অব্ ৱাটাৰ্...।

সুন্দৰ, সুস্পষ্ট, ৰক্তিমাভ মুখাৱয়ৱ, ধীৰ, নিম্ন কণ্ঠ, তেওঁৰ মুখত এক অস্বাভাৱিক প্ৰশান্তি, যেন পৃথিৱীৰ কোলাহলে তেওঁক বিৰক্ত নকৰে, বাহিৰত অপেক্ষমাণ তেওঁৰ সমগ্ৰ দৰ্শন প্ৰাৰ্থীৰ বাবে যেন তেওঁৰ সামান্যও ব্যস্ততা, সামান্যও উদ্বেগ নাই। কাৰণ তেওঁলোকৰ বাবে তেওঁৰ আছে আশ্বাসৰ বাণী, শান্তিৰ পৰশ, আৰোগ্যৰ নিদান। তেওঁ চকু মুদিলে আৰু কিবা এটা চিন্তা কৰিব ধৰিলে। বোধিসত্ত্ব, বোধিসত্ত্ব, দ্বিজেনে ভাবিলে আৰু তেওঁৰ ধ্যান ব্যাহত হোৱাৰ ভয়ত, তেওঁৰ প্ৰশান্তিক আঘাত কৰাৰ দুশ্চিন্তাত তাৰ মুখলৈ উঠি অহা প্ৰশ্নটো সি স্থগিত ৰাখিলে। তেওঁ চকু মেলিলে আৰু তেওঁৰ সুন্দৰ লাহি হাতেৰে কলমটো তুলি লৈ ধীৰ গতিৰে লিখিব ধৰিলে। আৰু এইবাৰ খুব লাহেকৈ, যেন কোঠাৰ অলৰ বতাহক আঘাত নকৰাকৈ সি প্ৰশ্ন কৰিলে, 'এই যে বুকুখন মাজে মাজে গধুৰ লাগে, উশাহত কষ্ট...।'

আৰু তেওঁ লেখাৰ পৰা ধীৰভাৱে মূৰটো দাঙি দ্বিজেনলৈ চালে, এটা দূৰ হাঁহিৰ ক্ষীণ তৰঙ্গ, তেওঁৰ প্ৰশান্ত মুখ মুহূৰ্তৰ বাবে উজ্জ্বলতৰ হৈ উঠিল, 'কোনো চিন্তা নকৰিব, একো চিন্তাই মনলৈ নানিব, কীপ্ য়'ৰ্ মাইণ্ড্ ফ্ৰী ফ্ৰম্ অল্ টেন্শ্যনচ্। এটা দৰব দিছোঁ, পুৱা এটা, ৰাতি এটাকৈ...' শব্দকেইটা পানীৰ সৰু গোটা টোপালৰ দৰে তেওঁৰ ওঁঠৰ মাজেদি বাগৰি আহিল।

'তুমি কেতিয়াবাই আহিলা?'

চকু মেলি দ্বিজেনে দেখিলে দুৱাৰেদি সোমাই আহি বৈছে মানী, তাইৰ মুখত প্ৰশ্ন। এইটো সিহঁতৰ শোৱাকোঠা, সি বিহ্বলত।

'সেয়া চাহ কোনে কৰিলে?' মানীৰ চকু টেবুলখনলৈ গ'ল।

'অ'হ!' দ্বিজেন উঠি বহিল। সি অসহজ বোধ কৰিলে, কাৰণ চাহ খোৱা নহ'ল। 'চম্পাক কৰিবলৈ কৈছিলোঁ, বৰ পিয়াহ লাগিছিল।' সি ক'লে।

'নাখালাই দেখোন! বৰ বোলে পিয়াহ লাগিছিল।' খেমালিৰ সুৰত মানীয়ে ক'লে।

'তেতিয়াতো পিয়াহেই লাগিছিল। পিছত দেখোন খাবৰ মন নগ'ল।' দ্বিজেনে অপ্ৰস্তুত কণ্ঠে ক'লে। মানীৰ খেমালিত কোঠালৈ এটা খন্তেকীয়া উজ্জ্বলতা আহিছিল, কিন্তু দ্বিজেনৰ উত্তৰত প্ৰায় লগে লগেই সি অন্তৰ্হিত হ'ল। এটা অস্বস্তিৰ ছাঁ কোঠাৰ ভিতৰলৈ সোমাই আহি সিহঁতৰ মন আৰু মুখৰ ওপৰত লাহে লাহে বিয়পি গ'ল।

মানী ড্ৰেছিং টেবুলৰ সন্মুখৰ টুলখনত বহি পৰিল আৰু কৈফিয়তৰ সুৰত

ক'লে, 'মই শইকীয়াহঁতৰ ঘৰলৈ গৈছিলোঁ। জিন্টুৰ অসুখ, বাতিৰ পৰা জ্বৰ, খবৰ লৈ আহিলোঁগৈ।' কিন্তু এই কৈফিয়তত থকা গাৰ্হস্থ্যৰ আভাসে পৰিবৃত ছাঁক সহনীয় কৰি নুতুলিলে, বৰং ঘৰৰ চৌহদ, এনেকি চুবুৰীৰ চৌদিশলৈ তাৰ পৰিধি বিস্তৃত কৰি এক নিৰুপায় চেতনাৰে পূৰ্ণ কৰি তুলিলে। মানীৰ কথাৰ উত্তৰত দ্বিজেনে তাৰ উৎসুক চুবুৰীয়াসুলভ স্বাভাৱিক প্ৰশ্নটি আগবঢ়াই নিদিলে আৰু দুয়ো কিছুসময় ভেনেকৈ বহি ৰ'ল। ক্ৰমে মানীয়ে ধৰিব পাৰিলে বিছনাত থকা নুৰাটো ডাক্তৰৰ ৰিপ'ৰ্ট আৰু টেবুলৰ টোপোলাটোত নিশ্চয় দৰৱ আৰু কেইমুহূৰ্তমান দ্বিধাগ্ৰস্ত হৈ থাকি তাই লাহেকৈ সুধিলে, 'ডাক্তৰৰ তালৈ গৈছিলা?'

দ্বিজেনে দীৰ্ঘশ্বাসটো বন্ধ কৰি চুটিকৈ ক'লে, 'ওঁ' আৰু মানীৰ প্ৰত্যাশিত পিছৰ প্ৰশ্নটোৰ অপেক্ষাত ৰ'ল। কিন্তু মানীয়েও লগে লগে কোনো প্ৰশ্ন নকৰিলে, তাই দ্বিজেনৰ বিবৰ্ণ ছায়া-মলিন মুখখনলৈ চালে, সুধিলে, 'কি ক'লে চৌধুৰীয়ে?'

দ্বিজেন কেইমুহূৰ্তমান মনে মনে ৰ'ল, ইমান সময়ৰ অস্বস্তি আৰু অস্থিৰতাৰ চাপে তাৰ উশাহ প্ৰায় বোধ কৰি আনিছিল, সি যেন তাৰ পৰা মুক্তি বিচাৰিছিল। হঠাৎ সি ডক্তৰ চৌধুৰীক মিমিক্ কৰি উঠিল 'নাথিং, নাথিং টু বৰী এট্ অল্... কীপ্ য়'ৰ্ মাইণ্ড্ ফ্ৰী ফ্ৰম্ অল্ টেনশ্যন্‌ছ্।'

পৰিবেশৰ অদৃশ্য চাপ যেন সামান্যভাৱে শিথিল হৈ গ'ল আৰু লগে লগে লগেই মানীয়ে আশ্বাবসনা কণ্ঠেৰে ক'লে, 'ভালকৈ কোৱানা, কি ক'লে?'

কিছু সহজভাৱে দ্বিজেনে ক'লে, 'ক'লোঁতো একো গণ্ডগোল নাই। হাৰ্ট ঠিকেই আছে, ই. চি. জি. উইদিন্ নৰ্মেল্ লিমিট্‌ছ্, বি. পি. নৰ্মেল্। জিয়াৰ্দিয়াৰ বাবে দৰৱ দিছে, খুব পানী খাব কৈছে আৰু টেন্‌শ্যন্ কমাবলৈ ট্ৰাংকুইলাইজাৰ্ জাতীয় কিবা এটা দিছে।'

'সেইডাল আকৌ কিয় দিছে?' একে লঘু সুৰত মানীয়ে সুধিলে। কিন্তু দ্বিজেনে প্ৰশ্নটোৰ ভিতৰত থকা সংশয়ৰ উমান পালে।

'এনেয়ে। 'আপাৰ', 'মুড্ এলিভেট্ৰ'।' কোনো গুৰুত্ব নিদিয়াকৈ সি ক'লে। মানী অলপ সময় মনে মনে ৰ'ল, তাৰ পিছত সুধিলে, 'তোমাক একাপ চাহ কৰি দিওঁ।'

'দিব পাৰা।' দ্বিজেনে ক'লে, কিন্তু সি নাজানে সি কি ক'লে; কাৰণ, তাৰ মন চাহত, মানীৰ উক্তিত বা মানীত, এনেকি কোঠাৰ ভিতৰতে আবদ্ধ নাছিল। অপৰিসীম এক ক্লান্তিয়ে তাক মানসিকভাৱে নিৰ্জীৱ কৰি তুলিছিল।

সি নুশুনিলে যে মানীয়ে ফ্ৰিজটো খুলিছে, আৰু তাৰ পৰা বন্ধ উলিওৱাৰ লগে লগে ফ্ৰিজটো সম্পৰ্কে এটা বিৰক্তিসূচক অভিযোগ কৰিছে।

দ্বিজেনহঁতৰ একতলাৰ বিশেষত্বহীন ঘৰটোত কোনো আচৰিত কাৰণে দুৱাৰলৈ যোৱা এটা চিৰি আছিল। চিৰিৰ মূৰত থকা বতৰ-নিপীড়িত কাঠৰ দুৱাৰখনতো আচৰিত ধৰণে এটা তলা লগোৱা আছিল। আৰু আচৰিত ধৰণেই, কি কাৰণে দ্বিজেনে

নাজানে, তাৰ ধাৰণা যে এই তলাটোৰ চাবি মানীৰ হাতত আছে। খুব স্পষ্ট নহয়, কিন্তু তাৰ যেন মনত আছে। বিয়াৰ পিছত প্ৰথম এই ঘৰটোলৈ আহোঁতে বা এনেকুৱাও হ'ব পাৰে, বিয়াৰ আগতেই এনেকুৱা এটা ঘৰত সংসাৰ পতাৰ স্বপ্ন দেখোঁতেই বা কোনো নিদ্ৰামগ্ন ৰাতিৰ প্ৰকৃত স্বপ্নতেই হয়তো মানীয়ে যেন তাক কৈছিল, 'বাহিৰৰ দুৱাৰখনৰ চাবিটো মোৰ হাতত আছে।' অথচ বিয়াৰ দুবছৰমানৰ পিছৰ পৰা কেইবাদিনো যেতিয়াই সি মানীক চাবিটোৰ কথা সুধিছে, মানীয়ে সেই বিষয়ে তাইৰ অজ্ঞতা প্ৰকাশ কৰিছে। সি প্ৰথমে অসহজবোধ কৰিছিল, তাৰ পিছত বিভ্ৰান্ত। মানীয়ে ইমান পাহৰিছে নে? সি মানীৰ মনত পেলাবলৈ চেষ্টা কৰে, কিন্তু মানী নিশ্চিত এই অদ্ভুত চিৰিৰ অদ্ভুত দুৱাৰখনৰ চাবি কোনোদিন তাই ৰখা নাই। দ্বিজেন হতভম্ব হয়। তেন্তে চাবি সম্পৰ্কীয় মানীৰ উক্তিটো কি তাৰ কষ্টকল্পিত? আৰু চাবিৰ ধাৰণাটোৱেই কি স্বপ্নালোকিত? কিন্তু ক্ৰমে তাৰ ধাৰণাটো দৃঢ়তৰ হ'ব ধৰিলে। এইটো এটা বাস্তৱ আৰু সত্য; মানীয়ে, কি কাৰণে ক'ব নোৱাৰি, আচৰিত ব্যৱহাৰ কৰিছে। সি ঠিক কৰিলে এই বিষয়ে মানীৰ লগত স্পষ্ট কথা হোৱা ভাল।

সেইদিনা ৰাতিপুৱা মনলৈ অহা বিভিন্ন সংহতিহীন ভাবক অনাদৰ কৰি আঁতৰাই পঠাই সম্পূৰ্ণ শূন্য মনেৰে ইখনৰ পিছত সিখন কিতাপ উদ্দেশ্যহীনভাৱে হাত ফুৰাই থাকোঁতে তাৰ কাণলৈ আহিল, 'সততাৰ পুৰস্কাৰ' — প্ৰায় প্ৰতি পুৱাই ৰিংকিয়ে পঢ়া সাহিত্যৰ পাঠ আকাশবাণীৰ সংবাদ পঠনত দেশৰ নিৰ্যাতিত শ্ৰেণীৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰীৰ নতুন কেইবাদফীয়া কাৰ্যসূচীৰ ঘোষণা, নাকলৈ আহিল মানীৰ মাংস-ৰন্ধনৰ পৰিচিত সুগন্ধ আৰু সি অস্থিৰ হৈ উঠিল। সি গম পালে ৰতাহ গধুৰ হৈ উঠিছে, তাৰ উশাহ লোৱাত এতিয়া কষ্ট হ'ব। সি চিঞৰি মানীক মাতিলে। দুৱাৰমান অধৈৰ্যভাৱে মতাৰ পিছত উশাহ ল'বলৈ সময় নাইকিয়া, ব্যস্ত-সমস্ত মানী দ্ৰুতপদে আহি সুধিলে, 'কি হ'ল?'

'চাওঁ, শুনা' সি তাইক ওচৰলৈ মাতিলে। সি দৃঢ়। আৰু অধৈৰ্য কণ্ঠে মানীয়ে উত্তৰ দিলে।

'কি, কোৱা। মোৰ একদম সময় নাই। চাহ হোৱাই নাই, ৰিংকিৰ টিফিন্ কৰিবলৈকে আছে।'

একে দৃঢ়তাৰে মানীলৈ নোচোৱাকৈ দ্বিজেনে সুধিলে, 'ছাদলৈ যোৱা চাবিটো ক'ত থ'লা?'

অবিশ্বাস আৰু বিৰক্তিত মানীৰ কণ্ঠ কিছু ওপৰলৈ উঠিল, 'তুমি কি দ্বিজু! তোমাক কেইদিন কৈছোঁ, চাবিটোৰ কথা মই একো নাজানো?'

মানীৰ বিৰক্তিয়ে তাৰ কণ্ঠলৈ কঠোৰতা আনিলে আৰু সি ক'লে, 'নাই, চাবিটোৰ কথা তুমিয়েই জানা।'

'কেনেকৈ জানো?' তাৰ কঠোৰতাৰ প্ৰতি তাই যেন এক আবেদন জনালে।

'কাৰণ চাবিটো তুমি ৰাখিছা।' কৰ্তৃত্বৰ শীতল অভিযোগ সি উত্থাপন কৰিলে।

মানী এইবাৰ অতিষ্ঠ হৈ উঠিল আৰু তাইৰ প্ৰাথমিক কৰ্তব্যলৈ মনত পৰি প্ৰত্যাহ্বানৰ কণ্ঠে ক'লে, 'ৰাখিছোঁ যদি ৰাখিছোঁ, মোৰ এতিয়া চুপতি মাৰিবলৈ সময় নাই।' দ্ৰুতপদে তাই তাৰ ওচৰৰ পৰা আঁতৰি গ'ল।

দ্বিজেনৰ মুখলৈ এটা তিতা আস্বাদ আহিল। সি সমুখৰ বেৰখনলৈ চালে; চেপেটা, ওখ বেৰখন যেন সীমাহীনভাৱে প্ৰসাৰিত, বিহ্বলকাৰীভাৱে বগা, নিৰুপায়ভাৱে তাৰ সন্মুখীন।

ইয়াৰ দুদিনমান পিছতে আৰু এটা ঘটনা ঘটিল। অৱশ্যে প্ৰকৃতাৰ্থত এইটোক অঘটন বুলিয়েই কোৱা উচিত। কাৰণ, বাস্তৱত একোৱেই আচলতে ঘটা নাছিল, কেৱল কেইবাদিনো তাৰ কাণ দুখন তাল মাৰি থকা যেন লাগিছিল আৰু সি খুব অস্বস্তিবোধ কৰিছিল। তাৰ টোপনি সাধাৰণতেই ভাল, গভীৰ আৰু নিৰুপদ্ৰৱ। কিন্তু এদিন শেষ ৰাতি সি এটা অস্পষ্ট সপোন দেখিলে। সি দেখিলে অজস্ৰ মানুহৰ ভিৰ। চাৰিওফালে খেলিমেলি মানুহ, উচ্ছৃংখল। সিহঁতে কিবা চিঞৰিছে, কিন্তু সিহঁতৰ ভাষা সি বুজি পোৱা নাই। মানুহবোৰ ইফালৰ পৰা সিফাললৈ গৈছে, ঘূৰি আহিছে, আকৌ গৈছে, তাৰ পিছত এবাৰ হঠাৎ গোটেইজাক মানুহ তাৰ ফালে আহিল। সি দেখিলে মানুহবোৰ দুৰ্বল, জীৰ্ণ-শীৰ্ণ, সিহঁতৰ মুখ ঘাম আৰু ধূলিৰে বিবৰ্ণ, সিহঁতৰ চকু ঊৰ্ধ্ব ক্ৰোধত আৰক্ত। ভয়ত বিবুদ্ধি হৈ সি থৰ হৈ ৰৈ গ'ল আৰু মানুহজাক ওচৰলৈ আহি তাৰ কাণৰ কাষত সমস্বৰে চিঞৰিলে, 'ষ্টপ্ কিলিং আছ, ব্লাডী ফুল্ছ্!' তাৰ কাণ দুখন তাল মাৰি ধৰিলে আৰু প্ৰায় লগে লগেই সি দৌৰিব ধৰিলে। যিমানে দৌৰিছে সি শুনিছে এটা অবোধ্য আটাহ — যেন এটা সশৰীৰ চিৎকাৰ — তাৰ পাছে পাছে খেদি আহিছে। তাৰ ভাগৰ লাগিছে, উশাহ চুটি হৈ আহিছে, কাণ দুখন চিঞৰত যেন ফাটি গৈছে, ভৰি দুটা ফন্দিয়াই ধৰিছে। সি আৰু দৌৰিব নোৱাৰে, এই মুহূৰ্ততে সি পৰি যাব, পৰি যাব, পৰি যাব আৰু ঠিক সেই মুহূৰ্ততে সি সাৰ পাই গ'ল।

পিছদিনা গোটেই দিনটো সপোনৰ চিঞৰটো তাৰ কাণত লাগি থাকিল। কাণ দুখন তাল মাৰি থকা যেন লাগিল; যেন আগৰ দৰে সি স্পষ্টকৈ নুশুনে, কথাবোৰৰ এটা আভাসমাত্ৰ তাৰ কাণলৈ আহে আৰু সি আন্দাজতে বুজি লয়। অকলশৰীয়া হ'লেই যেন চিঞৰটো দূৰৰ পৰা ক্ৰমে ওচৰ চাপি আহি তাৰ কাণত লাগি ৰয়হি। দুপৰীয়া লাইব্ৰেৰীত কিতাপ এখন মেলি বহোঁতেই তাৰ সপোনটোৰ কথা মনলৈ আহিল আৰু হঠাৎ তাৰ মনত পৰিল যে সপোনটোৰ এটা বাস্তৱ উৎস আছে। যোৱা বছৰ কিবা এটা কামত দুদিনৰ বাবে ভিনিহিয়েকৰ তালৈ যাওঁতে সি দেখিছিল তেওঁলোকৰ ঘৰত ফ্ৰিজটোৰ ওপৰত বাইদেউৰ ল'ৰাটোৱে — ভাগিনীয়েকৰ নাম তাৰ মনত নপৰিল — এজাক ছিন্থেটিক্ জন্তু সজাই থৈছে আৰু হাতীটোৰ শুৰডালত ওলোমাই দিছে মাৰ্কিন ইংৰাজীৰে এখন সক ষ্টিকাৰ্ড 'ষ্টপ্ কিলিং আছ, ব্লাডী ফুল্ছ্!' সপোনটোৰ এটা সমাধান উলিয়াই দ্বিজেনে স্বস্তিবোধ কৰিলে, মনটো তাৰ সামান্য পাতল লাগি গ'ল। কিছুসময়ৰ পিছত কেন্টিনত তাৰ বন্ধু প্ৰণৱক পাই সি উৎসাহেৰে

সপোনটো বৰ্ণনা কৰিলে। কিন্তু প্ৰণৱে সপোনটোত কোনো আমোদ বা গুৰুত্ব বিচাৰি নাপালে। কাৰণ সি ক'বলৈ ধৰিলে, সিহঁত বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৈ থকা সময়ত এজোপাহে দুদিন দেখা এটা অতি আচৰিত সপোনৰ কথা, য'ত কেইদিনমানৰ পিছত হোৱা সিহঁতৰ ধৰ্মঘটৰ বিভিন্ন ঘটনা, সভা, পুলিচৰ ৰেইড্, পলায়ন, এৰেষ্ট্ আদি গোটেইবোৰ কথাই তথ্যচিত্ৰৰ দৰে কিছু অস্পষ্টভাবে পূৰ্ব-প্ৰক্ষেপিত হৈছিল। নিৰ্বিকাৰ ঔদাসীন্যৰে দ্বিজেনে প্ৰণৱৰ সোৎসাহ বৰ্ণনা শুনি গ'ল। কিন্তু তাৰ মনত নপৰিল কোনো ধৰ্মঘটৰ কথা, ৰেইড্ বা এনেকি প্ৰণৱে আপোনজনৰ দৰে বাৰে বাৰে উল্লেখ কৰা সিহঁতৰ বন্ধু ছাত্ৰ-নেতাজনৰ মুখৰ চেহেৰা। প্ৰণৱৰ ভৰ্ৎসনাত সি যেতিয়া বন্ধুজনৰ কথা মনত পেলাবলৈ চেষ্টা কৰিলে, অজস্ৰ অচিনাকি মুখ তাৰ মনৰ মাজেদি পাৰ হৈ গ'ল; স্মৃতি-উৎসাৰিত নহয়, তাৰ মনে তৈয়াৰ কৰা কিছুমান কৃত্ৰিম, কাল্পনিক অনাত্মীয় মুখ। হঠাতে তাৰ ভাগৰ লাগিল। বুকুখন গধুৰ লাগিল। তাৰ শ্বাসকষ্ট হ'ল। সি অসহায়বোধ কৰি চকীখনত আঁউজি দিলে।

পঢ়া-কোঠাৰ বিছনাখনত খিৰিকীখনৰ কাষত বহি লৈ দ্বিজেনে এখন কিতাপ পঢ়ি আছিল। মানী ক'ৰবালৈ ফুৰিবলৈ গৈছে। বিংকি ওচৰৰ ত্ৰিপুটীহঁতৰ ঘৰত। কিন্তু কিতাপখনৰ কঠিন বিষয় আৰু তাৰ বাঢ়ি অহা অনিচ্ছাৰ ফলত সি মনোনিৱেশ কৰিব নোৱৰা হৈছে। এবেলা দীঘলীয়া শাৰীকে সি দুবাৰৈ পঢ়িব লগা হৈছে। ক্লান্তিকৰ পঠনৰ পৰা সুকলা বিচাৰি তাৰ মন আঁতৰি আহিব খুজিছে। সি অনুভৱ কৰিলে কিতাপৰ আখৰবোৰ অস্পষ্ট হৈছে। কিতাপখন আঁতৰাই সি চছমাযোৰ খুলিলে আৰু পাঞ্জাবীৰ আগেৰে মচিবলৈ লাগিল। সন্মুখৰ বেৰৰ বিয়লিৰ ম্লান পোহৰত তাৰ চকু পৰিল। চাৰিওফালে বিয়পিছে এটা নীৰৱতা, এটা সমাপ্তিৰ অলসতা, চিনাকি উজ্জ্বলতাৰ আবেশৰত বিবৰ্ণ মলিনতা। ক্ৰমে পৰিবেশে তাৰ মনলৈ আনিলে এটা অস্থিৰ বিহ্বল ভাব। কোনো অবুজ অনুভূতি তাৰ মনৰ ভিতৰত উথলি উঠে, কিন্তু সি ধৰিব নোৱাৰে কি সেই অনুভূতি, যি ওপোলাই ৰাখিছে তাৰ অন্তৰ, অথবা ক'ত তাৰ উৎস। হয়তো তাৰ প্ৰতি তাৰ গভীৰত আছে কিছু প্ৰশ্ন বা সকলো প্ৰশ্নৰে মূল কোনো এটাই প্ৰশ্ন। কিন্তু সি নাজানে কি সেই প্ৰশ্ন। বা সম্ভৱতঃ জানিব নোখোজে। কাৰণ, প্ৰশ্ন বন্ধ দুৱাৰত অমোঘ আঘাত, অন্ধকাৰত বিপজ্জনক জুইশিখা, সত্যৰ অব্যৰ্থ উদ্ঘাটন; তাৰ দুৰ্বল হৃদয়ৰ বাবে দুঃসহ।

নাই, প্ৰশ্ন নহয়। সন্দেহ থাকিলেও দ্বিধা নহয়, আপত্তি থাকিলেও প্ৰত্যাখ্যান নহয়; কোনো প্ৰশ্ন নহয়, কেৱল গ্ৰহণ, গ্ৰহণ, দ্বিধাহীন নিৰ্বিবাদ গ্ৰহণ। জীৱন তেতিয়া সহজ, শান্তিময়, নিজঞ্জাল, নিশ্চিত, গতিশীল। কিন্তু — দ্বিজেনে এটা দীঘল উশাহ ল'লে; বুকুখন পাতল নহ'ল, উথলি উঠা গধুৰ ভাবটো বুকুৰ ওপৰত বহি ৰ'ল। আৰু বোধহয় বুকুৰ অসহ্য ভাৰতে তাৰ মনলৈ ভাব আহিল, এনেকৈ ক'লৈ কিমান দূৰ? কিন্তু এটা প্ৰশ্ন নাছিল। আৰু যদিওবা প্ৰশ্ন আছিল, সি আছিল নিৰ্দেশ, অন্ততঃ তাৰ নিজৰ প্ৰতি মুঠেই নহয় আৰু সেয়ে প্ৰত্যাশাহীনভাৱে মনৰ মাজেৰে পাৰ হোৱা

হাজাৰটা প্ৰতিক্ৰিয়াহীন ভাবৰ দৰে তাৰ আকস্মিক ভাবৰ তৰংগটোৰ পৰা সি মনক নিঃসংযোগ কৰিলে। সেই মুহূৰ্ততে বাহিৰলৈ চকু ঘূৰাবলৈ ধৰিয়েই সি বৈ গ'ল কাৰণ সি দেখিলে, সি আঁউজি থকা খিৰিকীখনৰ বাহিৰত অলপ আঁতৰত বৈ আছে এজন ডেকা ল'ৰা। ছাঁ-পোহৰৰ দোমোজাত সি দেখিলে তাৰ গাত এটা নীলাধৰণৰ শ্যাৰ্ট, এটা মলিয়ন পেন্ট, দীঘল অপৰিপাটি চুলি, ভৰিত এযোৰ জীৰ্ণ চেণ্ডেল, কাষলতিত এটা কাগজৰ নুৰা। দ্বিজেনলৈ সি চিনাকিৰ দৰেই চাইছে, কিন্তু দ্বিজেনে ধৰিব পৰা নাই, অথচ চিনাকিৰ দৰেও লাগিছে। তাক বিভ্ৰান্ত দেখি ডেকাজনে আমোদ পাইছে, তাৰ মুখত যেন এটা ক্ষীণ বিদ্ৰূপৰ আভাস। দ্বিজেন খিৰিকীৰ ফালে ঘূৰিল, আৰু লগে লগে দেখিলে ল'ৰাজন নাই। সি প্ৰায় জাঁপ মাৰি বিছনাৰ পৰা নামিল আৰু বাৰাণ্ডাইদি চোতাললৈ দৌৰি গ'ল, কিন্তু চোতালত কোনো নাই। চোতালখন উদং; সন্মুখৰ বাটটো শূন্য। বাটলৈ আগবাঢ়ি যাওঁতেই দেখিলে মানী ক'ৰবাৰ পৰা আহি গে'টখন খুলিছে। উত্তেজিতভাৱে সি মানীৰ ওচৰলৈ আগবাঢ়ি গ'ল। কিন্তু ওচৰ পাই দেখিলে মানী নহয়, হাতত গাখীৰৰ জগ লৈ আহিছে চম্পা। গধূলিৰ নিস্তৰঙ্গ বিস্তাৰৰ মাজত দ্বিজেন প্ৰায় অলৰ হৈ থিয় দি ৰ'ল। বহা কোঠাৰ দুৱাৰখন খুলি ভিতৰ সোমাওঁতেই ষ্টেৰিঅ'ত উত্তাল পাশ্চাত্য সঙ্গীত আৰু কোঠাৰ গৰম বতাহে দ্বিজেনক আদৰণি জনালে। চ'ফাখনত আৰাম কৰি আঁউজি মানীয়ে সঙ্গীত উপভোগ কৰিছে। যেনখনৰ গতি বঢ়াই দি সি ক'লে, 'বন্ধ কোঠাত বহি ষ্টেৰিঅ' শুনিছা, বাহিৰত কি সুন্দৰ বতাহ দিছে।' মানীৰ বিপৰীতে সি বহি পৰিল।

'বাহিৰত কি বহিবা, যিডালহে ঘৰ! চাৰিওফালে বন্ধ।' মানীয়ে ক'লে আৰু উঠি গৈ ষ্টেৰিঅ'ফ'ন্‌টোৰ ভলিউম্ কমাই দিলে। 'সঁচাই জানা! মাজে মাজে বৰ খং উঠে।' তাই পুনৰ আৰম্ভ কৰিলে, 'আগফালে এডাল গেৰেজ — বাঙালিকে মটৰৰ দ'ম। পিছফালে খালি কেঁচুৱাৰ চিঞৰ, ল'ৰা-ছোৱালীৰ কেলৌ কেলৌ, মাইকী মানুহৰ কাজিয়া। ইফালে এছ-ডি-চি অফিচত দিনটো মানুহৰ সোঁত, আৰু সিফালে হাজৰিকাই দিনটো ল'ৰা-ছোৱালীবোৰক পিটিব, আকৌ গধূলি হ'লেই এটুপি ধৰি ঘৈণীয়েকৰ লগত নাটক কৰিব। সঁচাই অসহ্য আৰু!'

দ্বিজেনে মূৰটো বেৰত আঁউজাই দি মানীলৈ চালে, তাৰ ক্লান্ত চকুলৈ এটা সজাগতা আহিল। সি ক'লে, 'সেই কাৰণেতো সদায় চাবিটো বিচাৰি আছোঁ। চাবিটো পালে ছাদত গৈ বহিব পাৰিলোহেঁতেন। বাহিৰখন বঢ়িয়াকৈ দেখা পালোহেঁতেন। ওপৰত কেৱল আকাশ, চাৰিওফালে খোলা। চকু ঘূৰাই ঘূৰাই প্ৰতিটো বস্তু, প্ৰতিটো দৃশ্য ইচ্ছামতে চাব পাৰিলোহেঁতেন। আহ্!' সি মূৰটো অভিনয়ৰ ভঙ্গীৰে সামান্য লৰালে আৰু আবেগসনা সংলাপৰ সুৰত ক'লে, 'ৰাতিৰ ৰহস্যময় আকাশৰ অতল গভীৰতা, দিনৰ কদৰ্য পৃথিৱীৰ নানা মুখ, নানা ৰূপ!'

সি একেথৰে মানীৰ মুখলৈ চাই ৰ'ল মানীয়ে অস্বস্তিবোধ কৰিলে, কিন্তু একো ক'ব নোৱাৰিলে আৰু সি মৃদু তিৰস্কাৰৰ সুৰত ক'লে, 'কিন্তু তুমিয়েই চাবিটো নিদিয়া।'

মানী চ'ফাত আঁউজি ৰ'ল, তাই নিজকে সংযত কৰি ৰাখিলে; কোনো দ্ৰুত প্ৰতিক্ৰিয়া নকৰাকৈ শান্ত স্বৰে তাই ক'লে, 'তুমি ভালকৈয়ে জানা দ্বিজু, চাবিটো মোৰ হাতত নাই। কিমানবাৰ কৈছোঁ মই। তুমি কিয় বিশ্বাস নকৰা?'

ধীৰ কিন্তু কিছু কঠোৰ কণ্ঠে দ্বিজেনে ক'লে, 'মই জানো তুমি কিয় চাবিটো নিদিয়া। তুমি ভাবা দুৱাৰ খুলিলেই মই ছাদলৈ বাহিৰ ওলাম আৰু কোনোবাদিনা ক'ব নোৱাৰাকৈ তললৈ পৰি যাম। কোৱা, হয়নে নহয়?'

ষ্টেৰিঅ'ৰ স্বয়ংক্ৰিয় চুইচ্‌টো অফ্ হৈ গ'ল। মানীয়ে চকুহাল মুদি দিলে, যেন অসহায়তাৰ ওচৰত নিজকে সমৰ্পণ কৰিলে আৰু পিছমুহূৰ্ততে চাই দেখিলে দ্বিজেনে তাইলৈ একেদৰেই চাই আছে, তাৰ চকুত তেতিয়াও প্ৰত্যাহ্বান। ধীৰ, অসহায় আকুতিৰে তাই আবেদন জনালে, 'প্লিজ্ দ্বিজু!'

মানীৰ এনে আশাতীত সমৰ্পণত সি অসহজবোধ কৰিলে আৰু তৎক্ষণাৎ পাতল সুৰত ক'লে, 'আচ্ছা, আচ্ছা, নে'ভাৰ্ মাইণ্ড। আই ড'ন্ট্ মিন্ টু হাৰ্ট্ ইউ।'

সি বহাৰ পৰা উঠি অস্বস্তিৰ পৰা সাৰিবলৈ ৰে'কৰ্ডৰ জাপটোৰ ওচৰলৈ গ'ল আৰু ৰে'কৰ্ডবোৰ চাবলৈ ধৰিলে। তাৰ চকুত পৰিল এখন বেগম আখ্‌তাৰ্, এখন ৰবিশংকৰ আৰু আলি আকবৰৰ যুগল-বন্দী, দেবব্ৰত বিশ্বাসৰ ৰবীন্দ্ৰ সংগীত, আৰু হঠাৎ এখন বাৰ্টক্। তাৰ মনত নপৰিল বাৰ্টক্‌খন সি কেতিয়া কিনিছিল, তাৰ মনত নপৰিল যে সেইখন সি কেতিয়াবা শুনিছে, কিন্তু হাতত লৈও পুনৰ ৰেকৰ্ডখন সি জাপৰ মাজত ভৰাই থ'লে আৰু ঘূৰি আহি আগৰ ঠাইত বহি দূৰৰ বেৰলৈ চাই ৰ'ল। তাৰ পিছত হঠাৎ মানীলৈ চাই সি সুধিলে, 'হে'ৰা, বাইদেউৰ ল'ৰাটোৰ নাম কি আছিল?'

শীতল, নিৰুৎসুক, যান্ত্ৰিক কণ্ঠে মানীয়ে উত্তৰ দিলে, 'বাবু', কিন্তু তাৰ পিছতেই তাইৰ অসতৰ্ক অন্তৰৰ পৰা সৰকি আহিল কৌতূহল, 'কিয়?'

'অ' বাবু, বাবু। ধেৎ তেৰি! সিদিনা প্ৰণবৰ লগত কথা পাতোঁতে ওলাইছিল, একেবাৰে মনত নপৰিল।' দ্বিজেনে ক'লে।

'বাইদেৱে শুনিলে বৰ ভাল পাব!' মানীয়ে ঠাট্টা কৰিলে।

'শুনা, থাৰ্টি ফাইভৰ পিছত মানুহে বোলে প্ৰপাৰ্ নাউন্‌বোৰ পাহৰিবলৈ আৰম্ভ কৰে। কোনে কৈছিল জানা? হেৰিয়ে, এই হেৰি যে — এহ্ তাৰ নামটোৱেই নহা হ'ল। এই হেৰি — এহ্ — ৰ'বা — হেৰিয়ে হে — ধেৎ তেৰি — হেৰি যে — ষ্টে'চ্‌চত আছে যে — বাট্‌লাৰ্চত ডক্টৰেট্ কৰি আছে — কি আছিল?'

'কোন, মুকিবুল?'

'মুকিব, মুকিব। মুকিবে কৈছিল।'

'ইমান পুৰণি বন্ধুৰ নাম পাহৰিব লাগেনে? ভাল কাণ্ড!' মানীয়ে পুনৰ টিপ্পনী কাটিলে।

দ্বিজেনে কিছুসময় একো নামাতিলে। তাৰ পিছত সি লাহেকৈ ক'লে,

'সেইটোওতো এটা প্ৰপাৰ্ নাউন্।' আৰু প্ৰায় লগে লগেই স্বগতোক্তিৰ দৰে যোগ দিলে, 'কিন্তু মুকিবে নাজানে মই মোৰ পুৰা অতীতটোক পাহৰি গৈছোঁ।'

তাৰ উক্তিত আক্ষেপ বা অভিযোগ নাছিল। ই আছিল এটা সৰল বক্তব্য; শোক বা অনুতাপৰ সজলতা তাত নাছিল, আত্ম-সমৰ্পিত সত্তাৰ শুকান, মমতাবিহীন প্ৰকাশেই আছিল এই উক্তিৰ মৰ্ম। সেই সময়ত ঘৰটো নীৰব — ৰিংকি শুইছে, পৃথিবী বন্ধ কোঠাৰ ভিতৰৰ স্বামী-স্ত্ৰীৰ অশান্তিকৰ অস্বস্তিৰ মাজত সীমাবদ্ধ আৰু কেৱল কাষৰ কোঠাৰ বাল-ক্লকটোৰ শব্দ হঠাৎ পৰিস্ফুট হৈ দ্বিজেনৰ অতীত-ভৱিষ্যৎহীন চেতনাত অনাত্মীয় বৰ্তমানক দুৰ্বহ গধুৰ কৰি তুলিলে। এই যে দ্বিজেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নাম ফলকত, লে'টাৰ্-হে'ডত, কিতাপৰ বেটুপাত বা মুখপৃষ্ঠত বি ডি. কে. ভট্টাচাৰ্য, বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ মুখত ভট্ট, ভট্টাচাৰ্য, দ্বিজেন, দ্বিজু আদি বিভিন্ন ৰূপৰ বিভিন্ন ব্যক্তিত্ব, কোন এইজন? অৱশ্যেই তেওঁ এজন ভদ্ৰলোক, বিনীত আইন-অনুগত নাগৰিক; তেওঁ ৰাজপথত বাওঁফালে খোজ কাঢ়ে, ইন্‌কাম্ টেক্স্ ৰিটাৰ্ণ আৰু ৰেশ্যন্ কাৰ্ডত শুদ্ধ হিচাব দিয়ে, ৰেডিঅ' লাইচেন্স্ নিয়মিত ৰিনিউ কৰে, ৰাজহুৱা ঠাইত থুই নেপেলায়, মানুহৰ ঘৰত সোমাওঁতে ওলাওঁতে গেট বন্ধ কৰি যায়, কেতিয়াও ডাঙৰকৈ ৰেডিঅ' বা ষ্টেৰিঅ' নবজায়। তেওঁ এজন দায়িত্বশীল স্বামী; স্ত্ৰীৰ দৈহিক আৰু পাৰ্থিৱ প্ৰয়োজনৰ সকলো দাবী আৰু আব্দাৰ তেওঁ নিৰ্বিবাদে পূৰণ কৰিছে, কোনো আপত্তি কৰা নাই, কোনো প্ৰশ্ন পৰ্যন্ত কৰা নাই। কাৰণ স্ত্ৰীক তেওঁ ভাল পায়, স্ত্ৰী সন্তুষ্টিৰ বাবে তেওঁ সদা-সচেষ্ট; কাৰণ তেওঁৰ অৱচেতনাত — হয়তো কোনো ব্যাখ্যাহীন হীনমন্যতাৰে ফলশ্ৰুতি — এই সন্তুষ্টি তেওঁৰ পৌৰুষৰ প্ৰতিফলন। তেওঁ এজন নীৰস, নিৰ্জীৱ আৰু নিষ্প্ৰাণ বন্ধু; গ্ৰন্থকীট আৰু মিতবাক, আগ্ৰহবিহীন, প্ৰতিক্ৰিয়া-ৰহিত, কিম্ভুত। পৰিয়াল-পৰিজনৰ মাজত তেওঁ কটাক্ষৰ পাত্ৰ, কাৰণ আপাত-দৃষ্টিত তেওঁ আন্তৰিকতা শূন্য, কাবোঞ। ৰিংকিৰ বাবে তেওঁ এজন বেনিভ'লেন্ট অট'ক্ৰেট্। কিন্তু সি দ্বিজেন, ইয়াৰ কোনোজনেই নহয়। জীৱনে আচৰিত, তাক বহু অংশত বিভাজন কৰিছে। কিন্তু তাতকৈও আচৰিত, অংশবোৰৰ সমষ্টি তাৰ সম্পূৰ্ণ আপোন সত্তা নহয়। আৰু এই প্ৰক্ৰিয়াত সি কেৱল তাৰ পৰা আঁতৰি গৈছে, ভাহি গৈছে, ভাহি গৈছে...।

'ভাত বাঢ়োঁ?'

দ্বিজেনৰ সন্মুখৰ ধুঁৱলি শূন্যতা লাহে লাহে আঁতৰি গ'ল। সি দেখিলে, তাৰ বিপৰীতে চ'ফাত বহি মানী, এটি বাস্তৱ আৰু মানীৰ উক্তিত পৃথিৱী, খাদ্য, ক্ষুধা, শৰীৰ ইত্যাদি। সি পৃথিৱীলৈ ঘূৰি আহিল আৰু মানীক ক'লে, 'বাঢ়িব পাৰা।' আৰু বাওঁ ভৰিৰ ওপৰত সোঁ ভৰি তুলি জোতাৰ ফিটা খুলিব ধৰিলে। মানী লগে লগেই নুঠিল, এলাহ বা অনাগ্ৰহে তাইৰ শৰীৰ-মন অধিকাৰ কৰিছে। দ্বিজেনে তাইলৈ চালে, তাৰ পৃথিৱীৰ কথা তাৰ মনলৈ আহিল আৰু সি ক'লে, 'আজি এটা ডাঙৰ কথা হৈছিল ৰ'বা, সেই ল'ৰাটোক মই ধৰা পেলাইছিলোঁ।'

অতি দ্রুতবেগে মানীৰ শৰীৰলৈ সজীৱতা আহিল, তাইৰ কণ্ঠলৈ আহিল ঔৎসুক্য, 'কেনেকৈ?' তাই অলপ পোন হৈ বহি দ্বিজেনলৈ চালে, তাইৰ চকুত উৎকণ্ঠা।

'ধৰা পেলাইছিলোঁ মানে একদম চিনি পাওঁ পাওঁ হৈছিলোঁ, ঠিক মনত পৰিব ধৰিছিল, তেনেতে হ'ল কি —'

মানীৰ ক্লিষ্ট স্নায়ুসমূহ আৰু তাইৰ নিয়ন্ত্ৰণাধীন নাছিল, তাইৰ তীব্ৰ হতাশা বিৰক্তি মিশ্ৰিত হৈ দ্বিজেনৰ ব্যাখ্যাক ব্যাহত কৰিলে, 'অ' — মই আকৌ —'

'শুনাচোন!' দ্বিজেনে ক্ষিপ্তকণ্ঠে ক'লে। মানী উঠিবৰ আয়োজন কৰিছিল, বহি পৰিল আৰু ক'লে, 'কোৱা।'

'দুপৰীয়া লাইব্ৰেৰীত খিৰিকীৰ কাষত বহি পঢ়ি আছোঁ; হঠাতে ভাব হ'ল, খিৰিকীৰ একেবাৰে ওচৰত থিয় হৈ কোনোবা এজনে মই পঢ়া কিতাপখন চাই আছে। কেঁৰাচকুৰে চাই দেখিলোঁ, ঠিক, সেইদিনা গধূলি দেখা ল'ৰাজন! একে নীলা ছাৰ্ট, মলিয়ন পেণ্ট, ভৰিত চেণ্ডেল, উৰি যোৱা চুলি, কিতাপৰ নুৰা। মই দেখা গম পাই সি মোলৈ কটাক্ষ কৰি চালে। তৎক্ষণাৎ তাৰ চাবনিটো, তাৰ মুখৰ বিদ্ৰূপসনা আমোদৰ ভঙ্গীটো মোৰ খুব চিনাকি যেন লাগি গ'ল। ঠিক মনত পৰিব ধৰিছে ল'ৰাটো কোন আৰু সেই মুহূৰ্ততে প্ৰফেছৰ দত্ত আহি মোৰ কান্ধত টুকুৰিয়াই দিলেহি। মই চক্ খাই উঠিলোঁ আৰু লগে লগে ঘূৰি চাই দেখিলোঁ, সি নাই, গ'লগে। পিছত এনেকুৱা বেয়া লাগিছে!' দ্বিজেনে পুনৰ মূৰটো আঁউজাই দি ফেনখনলৈ চালে। মানীয়ে দেখিলে, দ্বিজেন ক্ষীণাইছে, তাৰ মুখখন ক্লান্ত, চকুযোৰ দুৰ্বল। তাইৰ মনলৈ মায়া আহিল। স্নেহ আহিল; সকলো অশান্তি, অস্বস্তি, অপচিন্তা তল পেলাই বিশুদ্ধ আৱেগে তাইৰ অন্তৰ সজল কৰিলেহি।

'তোমাৰ গা বেয়া লাগিছে, দ্বিজু?' তাইৰ প্ৰশ্নত এটা অস্বাভাৱিকতাৰ সুৰ আছিল।

'নাই লগা, কিয়?' দ্বিজেনে সুধিলে।

'বুকু বেয়া লগাটো ভাল হ'ল?' তাই পুনৰ সুধিলে।

'অ, বুকুখন অৱশ্যে গধুৰ লাগে মাজে মাজে। আজি লাইব্ৰেৰীৰ ইন্‌চিডেণ্ট্‌টোৰ পিছত খুব বেয়া লাগিছিল। উশাহটো যেন ঘূৰি নাহিব; ইমান গধুৰ লাগিছিল বুকুখন!'

দ্বিজেনৰ আচহুৱা অভিজ্ঞতাটো এতিয়া তাৰ চেতনাত এটা ইন্‌চিডেণ্টৰ পৰ্যায় পাইছে। কিন্তু মানী এই বিষয়ত খুব সন্ত্ৰস্ত; এইটো এটা অস্বস্তিকৰ বাস্তৱতা, যদিহে সি বাস্তৱ হয়, আৰু সেই সম্পৰ্কে মানী অত্যাধিক সন্দিহান। ফলত, এই বিষয়ে তাই একো মাতিব নোৱাৰে, কোনো প্ৰশ্ন বা আলোচনা কৰিবলৈ তাইৰ দ্বিধা হয়; কিছু ভয়ো খায় নিজৰ অভিমত বা ধাৰণা তাই প্ৰকাশ কৰিব নোৱাৰে, এটা অবৰ্ণনীয় মানসিক অৱস্থাৰ মাজত তাই সংকুচিত হৈ ৰয়। আজি অতিশয় সতৰ্কভাৱে তাই বিষয়টোৰ ওচৰ চাপিব খুজিলে। সন্তৰ্পণে, ক্ষীণ উদ্বেগৰ সুৰত, তাই ক'লে, 'চৌধুৰীৰ দৰৱ খাইও

দেখোন্ বিশেষ কাম দিয়া নাই।'

কিন্তু দ্বিজেন, ডাক্তৰৰ প্ৰতি বিতৃষ্ণ, সচকিত হৈ ক'লে, 'কিয়? পেটটো এতিয়া ঠিক হৈ গ'ল।'

'কিন্তু বুকুৰ কম্‌প্লেইন্‌টো?' মানীয়ে খোশনি এৰি নিদিলে। দ্বিজেনে কিছু অসহজবোধ কৰিলে আৰু লগে লগে গুৰুত্বহীন সুৰত ক'লে, 'এইটো মাজে মাজেহে হয়। ঠিক হৈ যাব।'

মানী আৰু এখোজ আগবাঢ়িল, 'মোৰ কিন্তু খুব চিন্তা হয় জানা!' তাই সামান্য ৰ'ল। দ্বিজেনলৈ সতৰ্কভাৱে চালে আৰু কোনো দ্ৰুত প্ৰতিক্ৰিয়া নেদেখি খুব সাৱধানে আৰু এখোজ যোগ দিলে, 'তুমি বাৰু এবাৰ ডাঃ দাসক দেখুৱাবা নেকি?'

'কোন দাস?' অৱজ্ঞাভৱে দ্বিজেনে সুধিলে। মানীৰ বুকুৰ ভিতৰত ঢিপিংকৈ এটা শব্দ হ'ল, শব্দটো দ্বিজেনে শুনা যেন লাগিল, তাৰ পিছত একমুহূৰ্ত বৈ খুব সাধাৰণ সুৰত তাই ক'লে, 'প্ৰবীণ দাস।'

'হে'ড্‌শ্ৰিংকাৰ!!' কোঠাৰ শান্ত পৰিবেশত দ্বিজেনৰ কণ্ঠ-নিসৃত শব্দটোৰ তীব্ৰতা অসৌজন্যসূচক আছিল; কিন্তু তাৰ উক্ত এটামাত্ৰ শব্দতে আছিল আশ্চৰ্য আৰু অৱমাননাৰ বোধ, স্পৰ্ধাৰ ক্ৰুদ্ধ প্ৰশ্ন আৰু অসহায় অভিমান আৰু এই জটিল প্ৰতিক্ৰিয়াৰ তীব্ৰতাত মানী হতবুদ্ধি হৈ নিমাতে ৰ'ল। দ্বিজেন এই নীৰৱতাত সচকিত হৈ উঠিল আৰু এটা পাতল সন্দেহৰ বতাহে তাৰ অন্তৰ আন্দোলিত কৰিলে।

'তোমালোকে মোক পাগল হৈছোঁ বুলি সন্দেহ কৰা নেকি, মানী?' দ্বিজেন তাৰ স্বাভাৱিকতালৈ ঘূৰি আহিল। তাৰ কণ্ঠ নিস্তৰঙ্গ, নিৰাৱেগ, তাৰ প্ৰশ্নত সৰল, নিম্নপৰ্দা কৌতূহল। মানী আশ্বস্থ হ'ল।

'ধেৎ, কি যে কোৱা! তোমাক কথা কোৱাও বৰ দিগ্‌দাৰি। দাসতো চাইকিয়াট্ৰিষ্টেই নহয়, তোমাৰ বন্ধুও। মই ভাবিছোঁ কি, তেওঁৰ লগত ফ্ৰীলি কথা পাতিলে তোমাৰ মনৰ টেন্‌শ্যন্‌বোৰ কমি যাবও পাৰে।' মানীয়ে ক'লে। তাইৰ কথাত এটা ব্যগ্ৰতা আৰু আন্তৰিকতা আছিল; দ্বিজেনে অলপ আগৰ অস্বাভাৱিক উগ্ৰতাৰ বাবে অস্বস্তিবোধ কৰিলে। সি হাঁহিলে আৰু ক'লে, 'তোমাৰ লগত কথা পাতিলেওঁতো টেন্‌শ্যন্ কমিব।'

তাৰ অপ্ৰস্তুত হাঁহিত মানীয়ে সহজবোধ কৰিলে আৰু অভিমান দেখুৱাই ক'লে, 'মোৰ লগত জানো তুমি কথা পাতা? দিনটোত কেইটা শব্দ কোৱা, কোৱাচোন!'

উত্তৰত দ্বিজেনে পুনৰ অপ্ৰস্তুতভাৱে হাঁহিলে। মানীয়ে আকৌ চিৰিয়াছ সুৰত ক'লে, 'নহয়, দাসৰ লগত কথা পাতিলে তেওঁ বুজিব তোমাৰ কি ধৰণৰ মেণ্টেল্ ষ্ট্ৰেইন হৈছে বা তাৰ বাবেই তোমাৰ গা-চা বেয়া লাগে নেকি —'

দ্বিজেনে বাধা দি ক'লে, 'বুজিছোঁ, বুজিছোঁ, তাৰ মানে মই নিউৰটিক্ হৈ গৈছোঁ নে মোৰ সঁচাই কিবা অসুখ আছে —'

'সেয়া, তুমি চব কথাতে ইমান ছিৰিয়াছ হৈ যোৱা। ভাল নালাগে।' মানীয়ে

কৃত্রিম খণ্ডেৰে ক'লে।

'আচ্ছা, ঠিক আছে। যাম বাৰু দাসৰ তালৈ। দেয়ার্ছ ন' হার্ম্ আই চাপ'জ্। যোৱা, ভাত বাঢ়াগৈ।' দ্বিজেন বহা পৰা উঠিল আৰু প্ৰসঙ্গটো তল পেলালে।

ঘৰ সোমাই দ্বিজেনে দেখিলে, ঘৰত কোনো নাই। ওচৰৰ ঘৰত ৰিংকিৰ মাতটো শুনা যেন লাগিল; মানী বোধহয় তাতে বহি শইকীয়ানীৰ লগত গল্প কৰিছে। গধূলি হ'ব ধৰিছে। সি বহা কোঠাৰ পৰ্দাখন এফালে আঁতৰাই দিলে, চাপৰ চকী এখন টানি আনি দুৱাৰৰ মুখে মুখে বহি সি বাহিৰলৈ চালে। ক্ৰমে তাৰ চকুৰ আগত আন্ধাৰ ঘন হৈ বাহিৰৰ চিনাকি বস্তুবোৰ অস্পষ্ট কৰি আনিলে। সন্ধ্যাৰ মৰ্ফিন্-স্পৰ্শই পৃথিৱী নিশ্চল কৰিলে, তাৰ চেতনাও যেন আন্ধাৰ কৰি আনি অসাৰ কৰি তুলিলে। আৰু ঘনায়মান অন্ধকাৰ শূন্যতাত অন্ধ-দৃষ্টি অসাৰ-চেতনাৰ মাজেৰেই তাৰ মনলৈ আহিল ক'ৰবাত শুনা এটা পুৰণি গানৰ কলি, 'ছায়া ঘনাইতেছে বনে বনে....'

ডাঃ দাস, ডাঠ মোছকোছাৰে তেওঁৰ ব্যক্তিত্বপূৰ্ণ সুস্পষ্ট মুখখন তাৰ মনলৈ আহিল। তাৰ বন্ধু, কিন্তু তেওঁৰ লগতো সি এখন নাটক কৰিব নালাগিবনে? আজি তেওঁ যিবোৰ কথা ক'লে — ফ্ৰয়েড্, চাব্-কন্চাচ্, পে'ন্ফিল্ড্ আৰু মেমৰী মেকানিজ্ম্, মনোবিশ্লেষণৰ নতুন ধাৰা, ইণ্টাৰ-পাৰ্চনেল্ ট্ৰান্জেক্শ্যন্, এৰিক্ বাৰ্ণ আৰু ট্ৰান্জেক্শ্যনেল্ এনালাইচিচ্, প্ৰতিজন পূৰ্ণবয়স্ক মানুহৰ সত্তাত একেসময়তে উপস্থিত থকা তিনিটা ব্যক্তিত্ব — পেৰেণ্ট্, এডাল্ট্, চাইল্ড্ ইত্যাদি ইত্যাদি ইত্যাদি ইত্যাদি এড্ নচিয়াম্ — কেতিয়াও নজনা-নুশুনা নতুন কথাৰ দৰে আগ্ৰহ দেখুৱাই সি সেইবোৰ শুনি যাব লগা হ'ল। এনেকৈ আকৌ অনেকানেক দিন সি তেওঁৰ ওচৰত বহি তেওঁৰ কথা শুনিব লাগিব, তেওঁৰ প্ৰশ্নৰ উত্তৰ দিব লাগিব, কোনো ধৰণে অন্তৰ্লিপ্ত নহৈও সি বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰিব লাগিব, যিধৰণে হাজাৰটা সাংসাৰিক সংঘটনৰ লগত সি আজি সংযুক্ত হৈ পৰিছে।

বাহিৰৰ ঘন আন্ধাৰলৈ একেথৰে চাই চাই সি নিজকে পাহৰি গ'ল। শূন্য চিত্তৰে নিৰ্জীৱৰ দৰে অনন্ত অন্ধকাৰৰ মাজত জঠৰ হৈ সি বহি থাকিল। লাহে লাহে বুকুখন শূন্যতাৰে ভৰি গধুৰ হৈ উঠিল। সি দীঘল উশাহ ল'লে।

মানী সোমাই আহি তাৰ গাত খুন্দা খাব খুজিছিল, কোনোমতে নিজকে চম্ভালি তাই লাইটটো জ্বলাই দিলে।

'এনেকৈ বহি আছা আন্ধাৰে-মুন্ধাৰে? এতিয়াই খুন্দা মাৰিলোহেঁতেন!' মানীয়ে তিৰস্কাৰ কৰিলে।

দ্বিজেনে একো উত্তৰ নিদিলে। চকীখন বাটৰ পৰা আঁতৰাই কিছু পিছুৱাই বহিল।

শোৱাকোঠাৰ লাইটটো জ্বলাই থৈ আহি মানী তাৰ ওচৰত বহিল।

'ৰিংকিয়ে জিণ্টুৰ লগত খেলি আছে। কাইলৈ বন্ধ, পঢ়িব নালাগে; থাকক।' তাই ক'লে। দ্বিজেনে একো নামাতিলে। দুয়ো বহি থাকিল। ওপৰলৈ চাই

দ্বিজেনে অনুভৱ কৰিলে নিয়নৰ পোহৰটো অনুজ্জ্বল। বেৰৰ কোমল পিংক ৰঙটোৰ সজীৱতা কমি আহিছে। কোঠাটোত যেন যথেষ্ট ধূলি-মাকতি জমা হৈছে, মকৰা-জাল ওলমিছে, যিটো মানীৰ সজাগ দৃষ্টিৰ সন্মুখত অসম্ভৱ; কাৰণ অপৰিচ্ছন্নতাৰ প্ৰতি মানীৰ এক স্নায়বিক অসহনীয়তা আছে। নীৰৱতা কোঠাত প্ৰতিষ্ঠিত হ'ব ধৰিলে, কিন্তু সি অস্বস্তিৰে সচেতন হৈ থাকিল যে মানী তাৰ কাষত উপবিষ্টা আৰু তাইৰ নীৰৱতা মুখৰ। কিছু সময় এইদৰে বহি থকাৰ পিছত তাৰ অস্বস্তি বাঢ়ি আহিল আৰু অসহ্য হৈ সি হঠাৎ কৈ উঠিল, 'দাসৰ তালৈ গৈছিলোঁ।'

'গৈছিলা? কি ক'লে?' অতি সহজ নৈমিত্তিক প্ৰশ্ন, গুৰুত্ব আৰু কৌতূহল মাত্ৰ অনুমোদিত জোখত মিশ্ৰিত। কিন্তু সি ঠিকেই বুজিলে কি তীব্ৰ অৱদমিত কৌতূহল তাইৰ প্ৰশ্নটোৰ পিছফালে উদগ্ৰ হৈ আছে।

'কি ক'ব?' একে সহজ সুৰত সি উত্তৰ দিলে। 'আকৌ মাতিছে। মই তেওঁৰ তাত কেইটামান চে'শ্যন্ এটেণ্ড কৰিব লাগিব।' সি তাইলৈ চালে আৰু ম্লানভাৱে হাঁহিলে, 'চাইকিয়াট্ৰিষ্টৰ কুখ্যাত আসনখন মই শোভা কৰিব লাগিব।'

তাই একো নামাতিলে। ঘড়ীটো খুলি হাতৰ ঠাৰিডাল মোহাৰিবলৈ ধৰিলে। তাৰ পিছত লাহেকৈ সুধিলে, 'চব কথা ক'লা? সেই ল'ৰাজন আৰু চিএৰ-বাখৰবোৰ?'

সি ওপৰলৈ চায়েই উত্তৰ দিলে, 'চব ক'লোঁ। তেওঁ সন্দেহ কৰিছে, মোৰ অডিট'ৰী আৰু ভিজুৱেল্ হেলুচিনেশ্যন্ হৈছে।' সি এটা শুকান হাঁহি মাৰিলে।

কোঠালৈ পুনৰ নীৰৱতা আহিল। অনুজ্জ্বল পোহৰ, উৰি ফুৰা ধূলি-মাকতি, অস্তিত্বহীন অপৰিচ্ছন্নতাৰ ধুঁৱলি জালৰ মাজেৰে সি মানীলৈ চালে। মানীয়ে দূৰৰ বেৰত কিবা এটা চাইছে। সি একেথৰে মানীলৈ চাই ৰ'ল আৰু বুকুৰ ভিতৰতে নিঃশব্দে মানীক ক'লে, 'মই কি ভাবিছোঁ জানা, মানী? ভাবিছোঁ, মোৰ ভিতৰত এটা বিস্ফোৰণ হওক। প্ৰচণ্ড বিস্ফোৰণত মোৰ বুকুৰ হেঁচা, সমস্ত টেন্‌শ্যন্, অশান্তি-অস্বস্তি, বেমাৰ-আজাৰ যেন উদ্গীৰণ হৈ ওলাই যাওক। মই যেন ফাটি-ছিটি বিদীৰ্ণ হৈ কিহবাত মিলি যাওঁ। অস্তিত্বৰ পৰা বাহিৰ হৈ এটা নতুন অস্তিত্বলৈ, এটা নতুন কিহবালৈ, এটা পুৰণি বৰ্তমানৰ পৰা এটা নতুন অতীতলৈ, কিবা এটা অন্যলৈ, অন্য কিবা এটালৈ, কিবা এটা — মানে চাম্‌থিং, আই মিন্ — আই মিন্' আৰু তাৰ অনুভূতিৰ তীব্ৰতাৰ ফলত তাৰ মুখেদি বাহিৰ হৈ আহিল আৱেগৰুদ্ধ কণ্ঠৰ 'আই মিন্ — আই মিন্' আৰু সচকিত হৈ মানীয়ে তালৈ চাই দেখিলে যে তাৰ মুখখন ৰঙা পৰিছে, চকুকেইটা উজ্জ্বল হৈছে, সি কিবা এটা ক'ব খুজিছে। তাই তাৰ ফালে হালি সুধিলে, 'কি?... কি কৈছা?'

দ্বিজেন কোঠাৰ বাস্তৱতালৈ ঘূৰি আহিল। তীব্ৰ ক্লান্তবোধ কৰিলে। সচকিত হৈ সি ক'লে, 'নাই, একো নহয়। অ' গড্! বৰ ভাগৰ লাগিছে, জানা!' মানীয়ে অনিশ্চয়বোধ কৰিলে, তাৰ পিছত সান্ত্বনাৰ সুৰত ক'লে, 'অলপ বিছনাত পৰাগৈ যোৱা, ভাল লাগিব। মই বিৰবিক লৈ আহোঁগৈ।' মানী থিয় হ'ল আৰু কোঠাৰ পৰা

আহিব হৈ গ'ল। দ্বিজেনে চকীখনত মূৰটো পেলাই দিলে।

মই তেনেহ'লে অসুস্থ, মই কিছুদিন বিছনাত পৰিব লাগিব, — কোঠাটোত [illegible]াই দ্বিজেনে উচ্চাৰণ কৰিলে আৰু চকু ঘূৰাই চালে, কোনোবাই তাৰ কথা শুনিলে নেকি। নাই, কোঠাত সি অকলে। ফেনখন ধীৰে, প্ৰায় নিঃশব্দে ঘূৰিছে। ফ্ৰিজটোৰ পৰা এটা অনুচ্চ শব্দ হৈছে। সি বিছনাত পৰিল আৰু বেৰখনলৈ চালে, পাতল নীলা ৰঙটো কোমল সহানুভূতিশীল; কোঠাৰ নিঃসঙ্গতা সান্ত্বনাদায়ক, এটা আশ্ৰয়। কিন্তু চৌধুৰী [illegible] দাসে মোক আৰোগ্য কৰিব নোৱাৰে, কাৰণ, তেওঁলোকে বুজা নাই মোৰ কি অসুখ, [illegible]য়নো ময়েই তেওঁলোকক বুজাব পৰা নাই মই কিহত ভুগিছোঁ, কাৰণ মই নাজানো, বেৰলৈ চাই চাই সি ভাবিলে। কিন্তু মই জানিব লাগিব মোৰ অসুখ কি, মই মোক বিচাৰি উলিয়াব লাগিব; আই মাষ্ট্ এক্স্ট্ সি এটা অনুচ্চাৰ উক্তি কৰিলে আৰু ঘূৰি দুৱাৰখনৰ ফালে চালে, — নাই, কোনো অহা নাই। ফেন্খন ঘূৰিছে, ফ্ৰিজ্টো চলিছে, ষ্টেবিলাইজাৰ্টোত ভল্টেজৰ সঘন উঠা-নমা। কোমল নীলা বেৰ, অফ্-হোৱাইট্ চিলিং। কিন্তু কি? কেনেকৈ? সি আকৌ নিজৰ ভিতৰলৈ চালে। ডাঃ চৌধুৰী। ডাঃ দাস। প্ৰণৱ। প্ৰফেছৰ দত্ত। তাৰ ওচৰ-চুবুৰীয়া — [illegible]ীয়া, হাজৰিকা, কাকতী, বৰা; অজস্ৰ নাম নজনা মানুহ : উকীল-মহৰী, [illegible], ইঞ্জিনিয়াৰ-ঠিকাদাৰ, নেতা-দালাল, পুৰোহিত-ফেৰীৱালা, শিক্ষক-জমাদাৰ, অজস্ৰ মুখবিহীন মুখ। ইয়াৰ মাজত সি ক'ত? ক'ত আছিল সি? তাৰ স্থিতি? কি তাৰ স্থানাঙ্ক? সি পাহৰিছে। যেন এখন প্ৰাচীন উবলি যোৱা গ্ৰুপ্ ফটোত সি নিজক বিচাৰি উলিয়াব নোৱাৰে। এইটো তাৰ অসুখ বা অসুখৰ লক্ষণ হ'ব পাৰে। সি ক'ৰবাৰ পৰা আৰম্ভ কৰিব লাগিব। ক'ৰ পৰা, যদিও সি নাজানে।

বেৰৰ ফালে চাই থাকিয়েই সি গম পালে মানী কোঠালৈ সোমাই আহিছে। মানীয়ে কিবা এষাৰ ক'বলৈ সি কাণ উনাই ৰ'ল। গা-ধোৱাৰ তাগিদা বা শুই থকাৰ আপত্তি বা একাপ চাহ খোৱাৰ প্ৰস্তাৱ। নাই, কোনো শব্দ নকৰাকৈ মানী কোঠাৰ পৰা ওলাই গ'ল। সি অস্বস্তিবোধ কৰিলে। কেইটা বাজিল? ঘড়ীটো তাৰ হাতত নাই। কিন্তু সময়ৰ তাৰ প্ৰয়োজন কি? সি যেতিয়ালৈকে পাৰে বিছনাত পৰি ৰ'ব, বহু সময়, বহু ঘণ্টা, বহুদিন। ঘড়ীটো আনিবলৈ সি উঠি নগ'ল। কাষৰ কোঠাত মানীৰ উপস্থিতি সি অনুমান কৰিব পাৰিলে, কিন্তু মানীয়ে তাৰ লগত একো কথা পতা নাই। মানীয়ে কিবা অনুমান কৰিছে নেকি? কিছু দ্বিধাগ্ৰস্ত চিত্তে সি লাহেকৈ মাতিলে, 'মানী, শুনা!'

মানীয়ে বোধহয় শুনা নাই। সি আকৌ মাতিল, 'মানী ইয়ালৈ আহাচোন, বিছনালৈ।' অলপ সময় বৈ গাৰুৰ পৰা মূৰটো দাঙি সি দুৱাৰখনৰ ফালে চালে আৰু কিছু উচ্চকণ্ঠে মাতিলে, 'মানী!'

'মোক কিবা কৈছে, ছাৰ?'

দুৱাৰৰ পৰ্দাৰ ফাঁকত চম্পাৰ বিনীত সাগ্ৰহ মুখ। কিয়? কিয়? তাৰ মূৰটো গৰম হৈ উঠে আৰু তীব্ৰ, ধৈৰ্য্যচ্যুত সি প্ৰায় চিঞৰৰ কৰি উঠে, 'কিয় সদায় তুমি —' তাৰ

ক্ৰুদ্ধ অসংলগ্ন অৰ্ধোক্তিত চম্পা বিভ্ৰান্ত।

'বাইদেউ ইয়াত নাই, ছাৰ' তাই কোনোমতে উচ্চাৰণ কৰে, 'মাতি দিম নেকি—'

'তোমালোকে মোক —' সি পুনৰাই তাৰ উক্তি অসম্পূৰ্ণ ৰাখে আৰু, সক্ৰোধে নিৰ্দেশ দিয়ে 'যোৱা!' বিমূঢ় চম্পাই স্বস্তিৰে তাৰ বাক্য পালন কৰে।

দ্বিজেন বেৰৰ ফালে মুখ কৰি পৰি ৰ'ল। পুনৰ তাৰ ভাগৰ লাগি [illegible] এটা দীঘলীয়া শব্দ কৰি উশাহ ল'লে। বুকুখন গধুৰ হৈ আহিছে; কিহৰ [illegible]? বিবশকাৰী অবোধ্য যন্ত্ৰণা। সি চকু মুদি দিলে। কেনৰ ঘূৰ্ণন, ফ্ৰিজৰ [illegible]তা, কোঠাৰ ভিতৰত জমা হৈ উঠা নীৰৱতা। সি টোপনি গ'ল।

কোঠাৰ ভিতৰত ষ্টেৰিঅ'ফ'নটো বাজিছে। বাৰাণ্ডাত থিয় হৈ দুৱাৰত হাত দি দ্বিজেন অলপ ৰ'ল; এটা জনপ্ৰিয় পশ্চিমীয়া গোষ্ঠীৰ পৰিচিত গান। দুৱাৰখন খুলি সি চ'ফাত বহি গান শুনি থকা মানীলৈ চাই হাঁহিলে। হাতত থকা ৰেকৰ্ডৰ জেকেটটো তাৰ গাৰফালে টোৱাই মানীয়ে বাজি থকা গানটো 'মিমিক' কৰি ক'লে, 'ফ্ৰীজ্। আই'ম্ মা বে'কাৰ। পুটয়'ৰ্ হেণ্ডচ্ ইন্ দা এয়াৰ এণ্ড গিম্‌মি অল্ য়'ৰ্ মানি।'

দ্বিজেনে দুই হাত শূন্যলৈ তুলি ধৰিলে, তাৰ সোঁহাতত এটা কাগজৰ টোপোলা। তাৰ মুখৰ হাঁহিটো বহল হৈ গ'ল। সি ক'লে, 'তোমাক কিন্তু পুতৃলী বাইৰ দৰেহে লাগিছে।' সি তাইৰ ফালে আগবাঢ়িল আৰু একেবাৰে ওচৰত থিয় হৈ ক'লে, 'মোৰতো সৰ্বস্ব তুমি কেতিয়াবাই লুট কৰি নিছা, আৰু জানো কিবা বাকী ৰ'ল?'

গৌৰৱময় আনন্দ মানীৰ উজ্জ্বল হাঁহিত বিচ্ছুৰিত হ'ল, লগে লগে তাইৰ মুখলৈ লাজ আহিল আৰু তাৰ পৰা সাৰিবৰ বাবে তাই সুধিলে, 'সেয়া কি?'

'অল্ মাই মানি' দ্বিজেনে ক'লে আৰু লগে লগে যোগ দিলে 'ফৰ্ মাই মানী। ...খুলি চোৱা।' সি তাইৰ হাতত টোপোলাটো দি কাষতে বহি পৰিল।

সাগ্ৰহ কৌতূহলেৰে মানীয়ে টোপোলাটো খুলিলে। সুন্দৰ দামী পেকেটৰ ভিতৰত এটা চেন্ট, এটা কমপ্ৰেছাৰ্ — দুপদ মহাৰ্ঘ্য বিদেশী বস্তু, মানীৰ অনিবাৰ্য দুৰ্বলতা। অবাক বিস্ময়ত প্ৰায় অপ্ৰতিভ হৈ তাই দ্বিজেনলৈ চাই ক'লে, 'ইচ্ ৰাম। ক'ৰ পৰা আনিলা? বহুত দাম ল'লে চাগে?'

দ্বিজেনে তাইৰ প্ৰতিক্ৰিয়াত আমোদ পালে। সি ক'লে, 'মই তোমাৰ বাবে বিচাৰি আনিছোঁ যেতিয়া ইহঁত ইহঁতৰ দামতকৈও দামী, নহয় জানো?'

মানীৰ চকুযুৰি স্বপ্নালু হৈ উঠিল। আশালুপ্ত এক স্বপ্ন পৃথিৱীৰ ছবিয়ে তাইক বিহ্বল কৰি তুলিলে। তাই কোমল সুৰে সুধিলে, 'কালি কি তাৰিখ আছিল জানানে?'

'কালি? হঠাৎ সজাগ হৈ দ্বিজেনে প্ৰশ্ন কৰিলে আৰু প্ৰায় লগে লগেই, 'অ' কালি। হয়তো!' বুলি সি অপৰাধীবোধ কৰিলে। 'ছিহ্, মোৰ একদম মনত- নপৰিল। তুমি নক'লা কিয়?' অনুতপ্ত সুৰে সি ক'লে।

'তোমাৰ দৰ্কাৰী তাৰিখবোৰো মনত নাথাকে।' মানীৰ কণ্ঠত অভিমান কিন্তু তাই সুখী, তাইৰ তিৰ্যক দৃষ্টি, কোমল, স্নেহাৰ্দ্ৰ হাঁহিত চপল আমেজ। দ্বিজেনৰ সৈতে

এই ঘনিষ্ঠ মুহূৰ্ত, এই আকস্মিক উপহাৰৰ বিস্ময়, লুপ্ত পৃথিৱীৰ স্মৃতি তাই গভীৰ আকুলতাৰে লেহন কৰিলে।

'মোৰতো একো কথাই মনত নাথাকে, মানী।' গভীৰ আন্তৰিক আক্ষেপেৰে সি [illegible] তাইৰ অভিমানৰ কৈফিয়ৎ দিব বিচাৰিলে।

'[illegible]মান আনন্দৰ দিন আছিল এইটো।' মানীৰ কণ্ঠত এতিয়াও স্বপ্নৰ আৱেশ। 'ইমান [illegible], যেন ক'ৰবাত গৈ দুইটা বহিম, ইচ্ছামতে ফুৰিম, কথা পাতিম!'

'[illegible] মন যায়। বাহিৰত গৈ বহিবলৈ, অতীতটোলৈ ঘূৰি চাবলৈ, নিজক আকৌ [illegible] পাবলৈ মোৰো খুব মন যায়। সঁচা। ব'লা যাওঁ এতিয়া। বাহিৰত গৈ বহোঁগৈ। কথা পাতোঁগৈ। যোৱা, চাবিটো আনা!' সঁচা আন্তৰিকতাই দ্বিজেনৰ কণ্ঠ আবেগজড়িত কৰি তুলিছিল। কিন্তু ই আছিল মানীৰ বাবে এটা নিৰ্দয় ইংগিত, এটা অপ্ৰত্যাশিত আঘাত। তাইৰ স্বপ্ন-সম্ভাৱনা ভূ-লুণ্ঠিত হ'ল। তাইৰ অবিশ্বাস্য কণ্ঠেৰে নিৰ্গত হ'ল এটা চুটি তীক্ষ্ণ প্ৰশ্ন, 'কি?'

কিন্তু দ্বিজেনৰ কোনো আপাত-প্ৰতিক্ৰিয়া নাই। সি পুনৰ আন্তৰিক সুৰত ক'লে, 'চাবিটো আনা, যোৱা। দুৱাৰখন খুলি ওপৰত ছাদত বহোঁগৈ। বন্ধ ঘৰৰ পৰা এবাৰ বাহিৰ ওলাই যাওঁ —'

দ্বিজেনৰ আন্তৰিকতা যেন, মানীৰ ভাব হ'ল, নকল; যেন তাইৰ আবেগ-সিক্ত স্বপ্নৰ প্ৰতি এক প্ৰচ্ছন্ন বিদ্ৰূপ। তাই আহত হ'ল, তিক্ত কঠোৰ কণ্ঠে তাই ক'লে, 'সদায় একেটা ধেমালি ভাল নালাগে দেই।'

তাইৰ কঠোৰতাত দ্বিজেনৰ দ্ৰুত প্ৰতিক্ৰিয়া হ'ল আৰু শুকান ক্ষুব্ধ স্বৰত সি ক'লে, 'ধেমালি কিয় কৰিম? ধেমালিতো সদায় তুমি কৰি আহিছা!'

মানীয়ে তাৰ চকুলৈ চালে, তাৰ মুখৰ অভিব্যক্তিয়ে তাইক দুৰ্বল কৰি তুলিলে। এই দৃষ্টি, এই অভিব্যক্তি তাইৰ পৰিচিত মানুহটোৰ নহয়; নিমৰমিয়াল, নিঃসংগযুক্ত কোনো অপৰিচিতজনৰ। আকৌ, আকৌ আৰম্ভ হৈছে সেই একে নাটক, স্বাভাৱিক দৈনন্দিনতাৰ মাজত যি সদায় খেলিমেলি সৃষ্টি কৰি যায়। নাই, তাই আৰু নোৱাৰে। করুণ আকৃতিৰে তাই ক'লে, 'প্লিজ্ দ্বিজু!'

এইটো দ্বিজেনৰ মুহূৰ্ত, সি সেইটো সাৰি যাবলৈ নিদিয়ে, উপভোগ কৰিব। মানীৰ কণ্ঠ 'মিমিক্' কৰি সি উচ্চাৰণ কৰিলে, 'প্লিজ্ দ্বিজু! সেইবোৰ নহ'ব। আজি নেৰিছোঁ সহজে, চাবি আনা। ইউ হেভ্ কেৰিড্ দা জ'ক্ টু ফাৰ্। আনা।'

অসহায়া, সামান্য ভীতা মানীয়ে ক'লে, 'ক'ৰ পৰা আনিম?'

'য'ত থৈছা তাৰ পৰা আনা।' দ্বিজেনৰ কণ্ঠ অপৰিবৰ্তিত।

'মই চাবিটো ক'তো থোৱা নাই, দ্বিজু!'

'তুমি থৈছা মানী, তুমি কিয় এনেকুৱা কৰিছা? এতলাৰ [illegible]দৰ পৰা পৰি মই নমৰোঁ নহয়। দিয়া।'

[illegible] সমস্ত মিনতি, সমস্ত আবেদন আনি আবেগ-কিলিত সুৰত মানীয়ে

পুনৰ্বাৰ ক'লে, 'মোৰ হাতত চাবিটো নাই, দ্বিজু, বিশ্বাস কৰানা —'

আৰু হৃদয়হীন আঁকোৰ-গোজালিৰে দ্বিজেনে ক'লে, 'মই বিশ্বাস নকৰো। তুমিয়েই থৈছা।'

মানী নিৰুত্তৰ হৈ ৰ'ল। এক অজান ভয় আৰু অন্ধ ক্ৰোধে তাইৰ অন্তৰ কঁপাই তুলিলে। তাইৰ দেহতো সেই কম্পন অনুভূত হ'ল, এয়া কি? এয়াই কি ভৱিতব্য? এই অৰ্থহীন, অন্ধকাৰ, নিৰুপায়, অন্তহীন চক্ৰাকাৰ বাস্তৱেই কি অতঃপৰ সিহঁতৰ জীৱন? কিন্তু পিছমুহূৰ্ত্ততে তাই দৃঢ় হ'ল। এনেকৈ এৰি দিলে নহ'ব, দ্বিজেনক কিছু আঘাত কৰা দৰ্কাৰ, তাইৰ মনত খেলালে। কঠোৰ আৰু উদ্ধত ভঙ্গীৰে তাই ক'লে, 'তুমি বিশ্বাস কৰা বা নকৰা, মই নাই থোৱা। চাবিটো তোমাৰ হাততে আছে, নহ'লে হেৰুৱাইছা।'

এটা ক্ৰুৰ হাঁহি অস্বাভাবিকভাবে দ্বিজেনৰ মুখত খেলি গ'ল, যেন তাইৰ কঠোৰতাই তাক উৎসাহিত কৰি তুলিলে।

'বিয়াৰ পিছত এই ঘৰলৈ আহোঁতে তুমি কি কৈছিলা? মনত আছে?' সি সুধিলে। তাইৰ প্ৰশ্নত এটা প্ৰত্যাঘাতৰ প্ৰস্তুতি।

'কি কৈছিলোঁ?' মানী কৌতূহলী হ'ল।

'কোৱা নাছিলা, 'চাবিটো মোৰ হাতত আছে, তোমাক লাগিলে ক'বা, মই খুলি দিম?' মনত পৰিছে?'

'কেতিয়া? উস্ ৰাম, মই কেতিয়াও কোৱা নাই, কেতিয়াও কোৱা নাই। মোৰ মনত নাই।'

'নাথাকিবতো! আগৰ কথাবোৰ মইহে পাহৰি যাওঁ।' দ্বিজেনে তীব্ৰ সুৰত ব্যঙ্গ কৰিলে আৰু তাৰ পিছত সুৰ সলাই পুনৰ কঠোৰভাৱে ক'লে, 'চাবি আনা।'

'মই চাবি নাই থোৱা।'

'থৈছা, দিয়া।' কঠোৰভাৱে দ্বিজেনে ক'লে।

'নাই থোৱা।' সমান কঠোৰতাৰে মানীয়ে উত্তৰ দিলে।

'থৈছা, দিয়া।' দ্বিজেনে চিঞৰিলে।

'নাই থোৱা।' মানীয়ে সমানে চিঞৰি ক'লে।

'থৈছা।'

'নাই থোৱা।'

আৰু দ্বিজেনে নিজকে হেৰুৱাই পেলালে। তীব্ৰ মত্তকণ্ঠে চিৎকাৰ কৰি উঠিল, 'হোৱাই, ইউ লিট্‌ল্ ফুল্!' আৰু জ্যা-মুক্ত ধনুৰ গতিত তাৰ সোঁহাতখনে নিষ্ঠুৰ অশ্লীলভাৱে মুহূৰ্ত্ততে মানীৰ বিভ্ৰান্ত মুখত আঘাত কৰিলে। এটা চেপা হৃদয়-ভেদী আৰ্ত্তনাদ মানীৰ মুখেৰে বাহিৰ হৈ আহিল।

টোপনিৰ পৰা সাৰ পাই দ্বিজেনে তাৰ চাৰিওফালে চালে। সি অকলে তাৰ কোঠাৰ বিচনাত। আবেলি। কোঠাৰ গোহৰটোৱে তাৰ চকুত ধৰা যেন লাগিল। সি

চকু মুদি পৰি ৰ'ল। সি শুনিলে, ক'ৰবাত এটা উত্তেজক সংগীত বাজিছে। সি চকু মেলি কাণ দি শুনিবৰ চেষ্টা কৰিলে। নাই, তাৰ ঘৰত নহয়। কেনেকৈ হ'ব, মানী বিংকিক লৈ মেটিনী শ্ব' চাবলৈ গৈছে। কিন্তু ওচৰতো নহয়, ক'ৰবাত দূৰত বাজিছে। সি পুনৰ চকু মুদিলে। কিন্তু টোপনি নাহে। সি শুনিলে পাক-ঘৰৰ বেচিনত বাচন ধোৱাৰ শব্দ, চম্পা আহিছে। সি চকু মেলি দিলে। সি দেখিলে ফেনখনত ধূলিৰ আভাস। বেৰৰ চুকত এখন সৰু মকৰা-জালত এটা পোক পৰি যুঁজিছে। তাৰ মনত পৰিল, মানীৰ মন আজি কেইদিনমান বেয়া। ধূলি আৰু মকৰা-জাল তাৰ প্ৰমাণ। আজি বেছ কিছুদিনৰ মূৰত তাই চিনেমা চাবলৈ গৈছে। সি উঠিল আৰু বহা কোঠাত তাৰ ষ্টেৰিঅ'ফ'নটো চালে। আগফাল আৰু পাছফালৰ বাৰাণ্ডাত থিয় হৈ সি কাণ থিয় কৰিলে। নাই, কোনো সংগীত শুনা নাযায়। দূৰত এজাক ল'ৰা-ছোৱালীৰ খেলাৰ চিঞৰ-বাখৰ। পাছফালৰ গলিটোত এটা শিশুৰ কান্দোন আৰু এজনী মাইকী মানুহৰ একপক্ষীয় অভিযোগ ভৰা উচ্চস্বৰ উক্তি। চম্পা পাক-ঘৰত ব্যস্ত। সি গৈ আকৌ বিছনাত পৰিল। চম্পাৰ হতুৱাই একাপ চাহ কৰাই খাব লাগিব, সি ঠিক কৰিলে আৰু চকু মুদি পৰি ৰ'ল। কিন্তু সংগীতটো ক'ৰবাত বাজিছে, তাৰ কাণলৈ ঠিক ভাহি আহিছে। ক্ষীণ, উত্তেজক, দূৰাগত। সি চকু মেলিলে। পোহৰটো কমিছে। সংগীতৰ উৎস সন্ধানত সি কাণ দুখন সজাগ কৰিলে। ক'ত হ'ব পাৰে? ধৰিব নোৱাৰি। ওচৰত নহয় দূৰত। কিমান দূৰত? দূৰত্ব স্থানৰ নে কালৰ? প্ৰশ্নটো ঘূৰিব ধৰিলে। মুহূৰ্তৰ বাবে অস্থিৰ হৈ সি উঠিল, কিন্তু বিছনাৰ পৰা নমাৰ আগেয়েই 'ধুৎ' বুলি মনৰ পৰা সকলো জোকাৰি পেলাই আকৌ বাগৰ দি শান্ত হৈ পৰি ৰ'ল।

মানুহ সময়ৰ পৰা সময়লৈ পাৰ হৈ যায় সময়ৰ মাজেৰে, ক'ব নোৱাৰাকৈয়ে। আৰু ক'ব নোৱাৰাকৈয়ে পাছফালে এখন দুৱাৰ নিঃশব্দে বন্ধ হৈ যায়। ক'ৰবাত দূৰত এখন বন্ধ দুৱাৰ থাকে, মানুহে প্ৰায় পাহৰি যায়; সেই গল্পৰ ৰহস্যময় দুৱাৰখনৰ দৰে দূৰত থাকে, অৰ্ধচেতন অতীতত থাকে, অস্পষ্ট অনুভূতিত থাকে। চিৰতৰে বন্ধ এখন দুৱাৰ, সিহঁতৰ দৰে। কেতিয়াবা কোনো প্ৰাচীন বন্ধু-বান্ধৱৰ লগত কথোপকথনত, গ্ৰীষ্মৰ অলস মধ্যাহ্ন বা ফাগুনৰ বাউল সন্ধ্যাৰ স্মৃতি ৰোমন্থনত মাজে মাজে স্পষ্ট হৈ উঠিব খুজি হেৰাই যায় দুৱাৰখনৰ অস্তিত্বৰ অসহজ অনুভূতি, কাৰণ হয়তো তাৰ সিফালে থাকে অপৰাধ কক্ষিনত নিহত সম্ভাৱনাৰ কুমলীয়া জঁকা। কিন্তু আমাৰ এই দুৱাৰখন — দ্বিজেনে ছাদৰ দুৱাৰখনৰ ফালে মূৰ দাঙিলে আৰু ঠিক সেই সময়তে শুনিলে এটা আচহুৱা শব্দ। শব্দটো কি সি ধৰিব নোৱাৰিলে, কিন্তু তাৰ পিছতে তাৰ কাণলৈ আহিল সেই উত্তেজক সংগীতৰ ক্ষীণ ধ্বনি। সি বিছনাৰ পৰা নামি বাহিৰলৈ যাব খুজিলে, কিন্তু দুৱাৰৰ ওচৰৰ পৰা ভিতৰলৈ ঘূৰি আহিল। বিছনাত বহি কিছু সময় ৰ'ল, আকৌ উঠি বাহিৰলৈ যাব খুজিলে আৰু পুনৰাই দুৱাৰৰ ওচৰৰ পৰা ঘূৰি আহিল। কিছুসময় কোঠাতে ঘূৰি-পকি সি সংগীতৰ ধ্বনিলৈ কাণ দিলে। এইবাৰ সি বেগেৰে দৃঢ়চিত্তে বাহিৰলৈ গ'ল। চম্পাৰ কাম শেষ হোৱা নাই, তাই এতিয়াও

পাকঘৰত। সি পাক-ঘৰৰ মুখলৈ গ'ল আৰু সহজ, অকম্পিত স্বৰে ক'লে, 'চম্পা, তোমাৰ পাক-ঘৰৰ কাম হ'লে অলপ মোৰ ওচৰলৈ আহিবাচোন।'

সি কোঠালৈ ঘূৰি আহিল। বিছনাত বহি পুনৰ উঠিল আৰু পুনৰ সেই আচহুৱা শব্দটো তাৰ কাণলৈ আহিল। আচহুৱা শব্দটোৱো যেন এটা চিনাকি সুৰ আছিল। দূৰৰ পৰা ভাহি অহা ছন্দময় কোলাহল, এটা মিশ্ৰিত আবাজ। বহু মানুহৰ যন্ত্ৰণা, ক্ৰোধ, বিক্ষোভ আদি সমবেত কথোপকথন, তৰ্ক, বাদ-প্ৰতিবাদ, ভাবি-ধমকিৰ মাজেদি যেন একলগ হৈ বাগৰি আহিছিল। শব্দটো হাদৰ দুৱাৰখনৰ দি অহা যেন লাগিছিল। সি অস্থিৰ হৈ উঠিল, খোজকাঢ়ি কোঠাটো ঘূৰি পুনৰ বহিল আৰু হঠাৎ অধৈৰ্যভাৱে চিঞৰিলে, 'চম্পা।'

'গৈছোঁ, ছাৰ!' চম্পাই পাক-ঘৰৰ পৰাই উত্তৰ দিলে।

তাৰ মনলৈ উত্তেজনা অহা নাই, কিন্তু সি এক ধৰণৰ অস্থিৰতাবোধ কৰিছে। সি মনটো স্থিৰ কৰিব খুজিলে। সংগীতৰ ক্ষীণ মূৰ্ছনা, দূৰৰ অচিনাকি শব্দৰ অস্পষ্ট আভাস, চম্পাৰ খাৰু আৰু ভৰিৰ কল্পিত শব্দ তাৰ মূৰৰ ভিতৰত যেন সি অনুভৱ কৰিলে। চম্পাই কি বুলি ভাবিব, সি ভাবিলে। বিশ্বাস কৰিবনে? যি ভাবক, সি নিজকে ক'লে আৰু পৰ্দা আঁতৰাই দুৱাৰমুখত চম্পা থিয় হ'ল, তাইৰ হাতত এটা শোটা। অস্থিৰ, বিৰক্ত কণ্ঠে সি ক'লে, 'শোটা কিয় আনিছা?'

'ঘৰটো ঝাৰু — ' তাই বিভ্ৰান্ত উত্তৰ দিব খুজিলে।

'নালাগে, নালাগে। থৈ আহা সেইডাল।' অধৈৰ্যভাৱে সি ক'লে। অস্থিৰভাৱে তাইলৈ অপেক্ষা কৰিলে। তাৰ গাটো বেয়া লাগিছে। বুকুখন গধুৰ লাগিছে। উশাহটো দীঘলকৈ ল'ব লগা হৈছে, কষ্ট হৈছে। সি শুনিলে, পৰ্দাৰ সিফালে চম্পা আহি ৰৈছে। সি মাতিলে, 'চম্পা।'

পৰ্দাৰ সিপাৰৰ তাই সঁহাৰি দিলে, 'ছাৰ!'

'শুনা!' সি ক'লে। পৰ্দাখন আঁতৰাই তাই মুখখন দেখুৱালে। তাইৰ চকুত বিভ্ৰান্তি আৰু অস্বস্তি।

সি ক'লে, 'শুনা। মোৰ গাটো আজি ভাল নহয়, খুব মূৰ কামুৰিছে। তুমি এটা কাম কৰা। হেৰা — তুমি আজি আৰু একো কাম কৰিব নালাগে, বুজিছা? যোৱাগৈ। মই অলপ শোওঁ। গাটো ভাল লগা নাই। বুজিছা?' তাৰ কথাবোৰ অসহজ, অস্থিৰ।

'হয়, ছাৰ!' চম্পাই স্বস্তিৰে ক'লে আৰু বিমূঢ়চিত্তে দ্ৰুতভাৱে আঁতৰি গ'ল।

দ্বিজেন কিছুসময় বহি ৰ'ল। চম্পাই বন্ধ কৰি থৈ যোৱা গে'টখনৰ শব্দটো তাৰ বুকুত বাজি উঠিল। একমুহূৰ্তত তাৰ মনটো বিহ্বল হৈ উঠিল, কিন্তু পিছমুহূৰ্ততে সি থিয় হ'ল আৰু বাৰ্ড্ৰবটো খুলি কাপোৰৰ জাপৰ মাজে মাজে, চুকে-কোণে, পাৰি থোৱা কাগজৰ তলত, বিভিন্ন আকাৰৰ টিনৰ, প্লাষ্টিকৰ টেমাবোৰৰ মাজত সি বিচাৰি চালে তাৰ ইপ্সিত বস্তুটো, গোপন আকাংক্ষাৰ চাবিকাঠিটো। কিন্তু সি হতাশ হ'ল, চাবিটো নাই। তাৰ উৎসাহ দমি গ'ল। সি বহি পৰিল। আকৌ তাৰ মনৰ অস্থিৰতা

বাঢ়িব ধৰিলে। পুনৰ সি উঠিল আৰু অধৈৰ্যভাৱে পুনৰ প্ৰতিটো খাপ, প্ৰতিটো জাপ, চুক-কোণ খুঁচৰি চালে। কাপোৰৰ জাপবোৰ নষ্ট হ'ল, টেমাবোৰ ওলট-পালট হ'ল, বস্তুবোৰ খেলি-মেলি, লণ্ড-ভণ্ড হৈ পৰিল। নাই, নাই; ক'ত গ'ল? সি মুখ মেলা বাৰ্ড্ৰবৃটোৰ সন্মুখত থিয় হৈ ভিতৰলৈ চাই ৰ'ল। তাৰ মূৰটো বেয়া লাগিব ধৰিলে, সি শুনিলে ক্ষীণ অবোধ্য সংগীতৰ লগত মিশ্ৰিত হৈ আহিছে ছন্দময় কোলাহলৰ অস্পষ্ট ধ্বনি। সি চক্ খালে আৰু তৎক্ষণাৎ দৃঢ়হাতেৰে বাৰ্ড্ৰবৰ পৰা কাপোৰৰ জাপবোৰ টানি আনিলে আৰু বিছনালৈ দলিয়াই দিলে। শাৰী আৰু মেখেলা-চাদৰৰ দ'ম, ব্ৰা আৰু ব্লাউজ, ফ্ৰক্ আৰু জাঙিয়াৰ জাপ; ওলমি থকা তাৰ পেন্ট আৰু শ্যাৰ্ট, ড্ৰেছিং-গাউন্, হাউছ্ কোট্, ইউনিফৰ্ম, মোজা, ৰুমাল, টেবুল-ক্লথ, বিছনা-চাদৰ, গাৰুৰ গিলিপ, বে'ড্ ক'ভাৰ, খাৰুৰ টেমা, ৰিবনৰ টেমা, ৰাবাৰ বেণ্ড্ আৰু হেয়াৰ্‌ক্লিপৰ টেমা, চেফ্‌টি-পিন্ আৰু বুতামৰ টেমা, বেজী-বটিয়াৰ টেমা আৰু একেবাৰে তলৰ খাপত অজস্ৰ পেলনীয়া বস্তুৰ অলাগতিয়াল ভঁৰালটো আঁজুৰি আনি বিছনালৈ দলিয়াই দিলে। নাই, বাৰ্ড্ৰব্ শূন্য-প্ৰায়, কিন্তু তাৰ চাবিৰ সঁচ ক'তো নাই। উদ্‌ভ্ৰান্তৰ দৰে সি টানি আনিলে আনটো চুকত জাপি থোৱা চুট্‌কে'চ্‌বোৰ, বিছনাৰ তলত ভৰাই থোৱা ট্ৰাংকটো আৰু প্ৰতিটোতে দীৰ্ঘ-সঞ্চিত দৰ্কাৰী-অদৰ্কাৰী, নতুন-পুৰণি, সাঁচতীয়া-পেলনীয়া অজস্ৰ কাপোৰ আৰু বস্তুৰ দ'ম সি বিছনাত খালি কৰি পেলালে। কাষৰ বহাকোঠাৰ লগালগি ডাইনিং ৰুমটোত সোমাই সি এবাৰ চকু ঘূৰালে। মিট্‌-চেফ্‌টো খুলি ভিতৰৰ হৰেক বিধৰ কাচ্‌লাৰীত চকু ফুৰাই চালে আৰু সজোৰে দুৱাৰখন বন্ধ কৰি দিলে, ভিতৰত কিবা এটা বাগৰি চুৰ্চুমৈ হৈ গ'ল। পুনৰ সি শোৱা কোঠালৈ আহিল আৰু ড্ৰেছিং-টেবুলৰ ড্ৰয়াৰবোৰ টানি হাত ভৰাই খুঁচৰিলে। তলৰ ড্ৰয়াৰটোৰ চুকৰ পৰা দুকোছা চাবি ওলাই আহিল। তাৰ বুকুখনে যেন এটা শব্দ কৰি উঠি বৈ গ'ল। কিন্তু পিছমুহূৰ্ততে সি চিনি পালে, এইবোৰ সিহঁতৰ দৈনন্দিন বৰ্তমানৰ পৰিচিত চাবি, ঘৰৰ ভিতৰৰ চাবি, বাহিৰলৈ যোৱাৰ নহয়। সি চাবি দুকোছা ভৰাই ড্ৰয়াৰটো সজোৰে বন্ধ কৰিলে। আইনাখন কঁপি উঠিল। অৰ্থহীনভাৱে ফ্ৰিজটোৰ দুৱাৰখন খুলি চাই পুনৰ বন্ধ কৰিলে। নাই, নাই, তাৰ অন্তৰখনে যেন চিঞৰি উঠিল। বুকুৰ ভিতৰত যেন এটা হাঁহাকাৰ উঠিল। অস্থিৰ, অন্ধ আক্ৰোশত সি বিছনা দুখনৰ তুলি, গাৰু লুটিয়াই পেলালে। ৰছী, ফটা-কাপোৰ, পেপাৰ বেগ, পলিথিনৰ বেগ, এটা বুটাম, এযোৰ পুৰণি মোজা, এখন ভগা ফণি; মাত্ৰ সি বিচৰা অকণমান সৰু বস্তুটো নাই।

নাই। সি কোঠাৰ মাজত থিয় হৈ ৰ'ল। কোঠাটো আন্ধাৰ হ'ব ধৰিছে। বাহিৰত নিশ্চয়, গধূলি হ'বৰ হৈছে। মানীহঁত চাগে ঘূৰি আহিবৰ হৈছে। চাবিটো মানীৰ হাতত। সাধুকথাৰ সোণ-বগৰ সঁচাৰ-কাঠিৰ দৰে সুৰক্ষিত; দেহলাও-জীউলাওৰ দৰে, মানীয়ে ক'ৰবাত সযতনে, ধৰিব নোৱাৰাকৈ লুকুৱাই ৰাখিছে। আৰু ধূৰ্তকৰ দৰে তাকে বিচাৰি সি ঘৰ ওলট-পালট কৰি দিছে। আৰু অতএব সি চিৰদিন এইদৰেই মানীৰ হাতত বন্দী হৈ ৰ'ব লাগিব। বুকু উজাৰ কৰি এটা দীঘল নিশ্বাস সি ত্যাগ কৰিলে। আৰু বতাহৰ

কাৰণে হাঁহাঁকাৰ কৰি উঠা বুকুৰ ভিতৰলৈ আন এটা সুদীৰ্ঘ উশাহ টানি ল'লে। 'আহ্' সি নিৰুচ্ছ্বাসভাৱে ক'লে। বুকুৰ ভিতৰত পুৰণি কষ্টটো সি অনুভৱ কৰিলে। বতাহখিনি যেন সম্পূৰ্ণ ভিতৰলৈ, বুকুৰ তলিলৈকে, যাব নোৱাৰিলে। বুঁকুখন গধুৰ লাগিল, শ্বাসবোধ হ'ল। ভিতৰখন যন্ত্ৰণাত মোচৰ খাই উঠিব খুজিলে। মুখখন ডিঙিলৈকে শুকাই গ'ল। সি বিছনাত বহি পৰিল; বিছনাৰ ওপৰত পাছফালে দুই হাতত ভৰ দি বুকু-মুখ ওপৰলৈ দাঙি ধৰি কেনেবাকৈ সম্ভাবিত বতাহখিনি দেহৰ ভিতৰলৈ ভৰাই ল'বলৈ চেষ্টা কৰিলে। আৰু সেই সময়তে তাৰ কাণলৈ আহিল পুনৰ সেই কোলাহলৰ শব্দ, মুক্তকণ্ঠ, সোচ্চাৰ আৰু যেন ওচৰতে ক'ৰবাত। তড়িৎস্পৃষ্টৰ দৰে সি জিকাৰ খাই উঠিল। কি শব্দ? কিহৰ কোলাহল? কাৰ কণ্ঠ সেয়া? মানুহৰ নে জন্তুৰ? আনন্দৰ নে আবেগৰ, খঙৰ, আক্ৰোশৰ? ক'ৰ পৰা আহিছে এইবোৰ জীৱনলগা কোলাহল? নাঃ, মানী, আজি আৰু নহ'ব, সি নিজৰ মনতে ক'লে আৰু থিয় হ'ল। ড্ৰেছিং গ্লাছখনত তাৰ সম্পূৰ্ণ প্ৰতিফলন সি দেখা পালে। উদ্ভ্ৰান্তৰ দৰে তাৰ চেহেৰা। আজি এটা বিস্ফোৰণ ঘটিব, সাজু হোৱা, আইনালৈ চাই সি উচ্চাৰণ কৰিলে। কাক ক'লে সি, মানীক নে তাক? তাৰ পিছত সি ঘূৰিল আৰু বাহিৰলৈ খোজ বঢ়ালে।

পাছফালৰ বাৰাণ্ডাৰে ঘৰটোৰ মূৰলৈ গৈ সি ছাদলৈ যোৱা চিৰিৰ ওচৰত থিয় হ'ল। চিৰিৰ ওচৰত এটা জাবৰ গোটোৱা মামৰ লগা ড্ৰাম। কিমান দিনৰ অব্যৱহৃত এই চিৰি, চাৰিওফালৰ ঘৰৰ অৰণ্যৰ পৰা বাহিৰৰ মুকলিলৈ যোৱা বাট। বাহিৰ, য'ৰ পৰা দেখা যায় চাৰিওফালৰ পৃথিৱী, ওপৰত আকাশ, তলত জীৱন, বুকু ভৰাই ল'ব পৰা সীমাহীন বাধাহীন উদাৰ বতাহ। উত্তেজিত কিন্তু দৃঢ়পদক্ষেপেৰে সি চিৰি বগাব ধৰিলে আৰু শীঘ্ৰেই চিৰিৰ মূৰৰ পুৰণি বন্ধ দুৱাৰখনৰ মুখামুখি হ'ল। সি দুৱাৰৰ তলাটোত প্ৰথমে এটা টান দিলে, তাৰ পিছত দুৱাৰমান সজোৰে টানি চালে; সি বুজিলে এইটো খোলা সহজ নহ'ব। দুহাতেৰে সি দুৱাৰখনত হেঁচা দিলে, দুৱাৰখন অনৰ হৈ থাকিল। দুৱাৰত দিয়া হাত দুখন বুকুৰ ওচৰত একেলগ কৰি প্ৰাৰ্থনাৰ ভঙ্গীত সি কিছুসময় থিয় দি ৰ'ল। তাৰ পিছত তাৰ মনলৈ জেদ আহিল, এটা চিৰি তললৈ নামি আহি কাষৰ বেৰত ধৰি দুৱাৰখনত এটা প্ৰচণ্ড গোৰ শোধালে। দুৱাৰখন প্ৰায় স্থবিৰ, লৰচৰহীন। উপৰ্যুপৰি কেইটামান গোৰ শোধাই নিষ্ফল হৈ তীব্ৰ আক্ৰোশত উন্মাদৰ দৰে সি দুৱাৰখনত ভুকুৱাবলৈ ধৰিলে আৰু এবাৰ হঠাৎ বৈ গ'ল। কিবা এটা ভাবি সি তললৈ ক্ষিপ্ৰবেগে নামি গ'ল। পাকঘৰৰ পৰা এডাল পৰি থকা দীঘল লোহা লৈ সি পুনৰ ওপৰলৈ গ'ল আৰু এক মত্ত আক্ৰোশত দেহৰ প্ৰাণান্তকৰ চেষ্টাৰে দুৱাৰৰ তলা লগোৱা ছিটকানিডাল খুলি পেলালে।

তাৰ ভাগৰ লাগিল। ঘন ঘন উশাহ লৈ সি কিছু সময় তাতে থিয় দি ৰ'ল। তাৰ পিছত লোহাডাল পেলাই দুৱাৰখন ঠেলি দিলে। আকাশ। ক'ত আছিল এই আকাশ? সন্ধিয়াৰ ধূসৰ আকাশ। য'ত ওপঙি আছিল দিনান্তৰ শেষ ৰঙেৰে ৰঞ্জিত নিৰুদ্দেশ সন্তৰণবিলাসী ধূসৰ ডাৱৰ, কসতুৰ্ বতাহত উৰি যুৰা কলগীতৰ বিষাদ-অমৃত।

সি হাদত দৃঢ় খোজ দিলে আৰু সজোৰে নাকেৰে টানি আনিলে মুকলি ভৰা বতাহ; বুকুৰ ভিতৰত শুকাই সঙ্কুচিত হৈ পৰা প্ৰতিটো পিপাসাৰ্ত কোষ, প্ৰতিটো মৃত অন্ধকূপ যেন বতাহেৰে পৰিপূৰ্ণ কৰিব খুজিলে; অনুভৱ কৰিবলৈ চেষ্টা কৰিলে এটা পুৰণি পাহৰি থকা কেঁচা গোন্ধ, উত্তাৰল তৰঙ্গ, মাদকতাময় শিহৰণ। আৰু তাৰ কাণত আহি পৰিল উতৰোল কোলাহল। চকিত চেতনাৰে অস্বাভাৱিক দ্ৰুতবেগে সি আগবাঢ়ি গ'ল আৰু হঠাৎ সন্মুখত, তলত, এক অভাৱনীয় দৃশ্যই তাক স্তম্ভিত কৰি তুলিলে। দিনান্তৰ ম্লান পোহৰত অপাৰ্থিৱ এক দৃশ্যৰ দৰে সি দেখিলে এটা নিৰবচ্ছিন্ন সোঁত : প্ৰায় গোটেই বাট জুৰি চকুৰে দেখা দূৰৈৰ পৰা সিহঁতৰ ঘৰৰ আগেৰে অজস্ৰ চলমান মানুহৰ প্ৰবাহ। ক'ৰ মানুহ এইবোৰ? সেই সপোনত দেখাৰ দৰেই সীমাহীন মানুহ। সপোনৰ মানুহবোৰেই নেকি? এইবোৰ তাৰ অপৰিচিত মানুহ, সিহঁতৰ গাত আচহুৱা অপৰিচ্ছন্ন বেশভূষা। সিহঁতৰ অৱয়ৱ ধূলি আৰু ঘামেৰে মলিন, সিহঁতৰ জীৰ্ণ শুকান মুখবোৰ ৰুক্ষ আৰু কঠোৰ। সপোনৰ দৰে সি দৃশ্যটো চাই ৰ'ল। অকস্মাৎ সি শুনিলে জন-সমুদ্ৰৰ ওপৰেদি বহুদূৰৰ পৰা বাগৰি আহিছে দূৰ মেঘ-গৰ্জনৰ দৰে এটা অবোধ্য নিৰ্ঘোষ। তাৰ বুকুৰ ভিতৰখনত ধক্‌কৈ এটা শব্দ হ'ল। এটা শিহৰণ তাৰ মূৰৰ পৰা বাজহাড়েদি ভৰিলৈকে বৈ গ'ল। কিবা এটা হৈছে। কি হৈছে? কি হৈছে? সি জানিব খুজিলে। সি আৰু আগবাঢ়ি যাব খুজিলে। আৰু ঠিক সেই মুহূৰ্ত্ততে সেই অভাৱনীয় কাণ্ডটো ঘটি গ'ল। অকস্মাৎ এটা পলকত সন্ধিয়াৰ অস্পষ্ট পোহৰতো সেই অপাৰ্থিৱ জন-সমুদ্ৰৰ মাজত সি দেখা পালে সেই ল'ৰাটো। কি আচৰিত! প্ৰতিদিন নিঃসঙ্গতাৰ সুযোগ লৈ তাৰ অন্যমনস্কতাৰ মাজত তাক জোকাই, ভ্ৰূকুটি কৰি উত্যক্ত কৰি তোলা সেই ল'ৰাটো। নীলা শ্যাৰ্ট, মলিয়ন পেণ্ট, জীৰ্ণ চেণ্ডেল, উৰি যোৱা জপৰা চুলি, কাষলতিৰ চেপত কাগজৰ নুৰা। ধূসৰ প্ৰবাহটোৰ কাষে কাষে সি দ্ৰুতপদে আগবাঢ়িছে, চলমান মূৰ্তিবোৰৰ হাতত কাষলতিৰ তলৰ জাপৰ পৰা উলিওৱা কাগজ একোখন গুজি দিছে, মাজে মাজে আঙুলি জোঁকাৰি উত্তেজিত ভঙ্গীত কিবা কৈছে। আৰে — এইটো তো...। সি তাক চিনি পাইছে, কি আছিল? কি নাম? আহ, —। কিন্তু নাই, নাম আৰু আজি মনত নপৰে, পৰাৰ কথা নহয়। পঁয়ত্ৰিছ সি কেতিয়াবাই পাৰ হৈছে। কিন্তু সি তাক ঠিক চিনি পাইছে। সি আছিল সিহঁতৰ মাজত : তৰ্কত, বক্তৃতাত, প্ৰতিবাদত, অনশনত, উত্তপ্ত, অগ্নিবৰ্ষী, বিস্ফোৰণমুখী। সি তাৰ ওচৰলৈ যাব। সি তাক চিনি পাইছে, সি তাক বুজাই পাইছে। তাৰ হৃদয় পাতল হৈ নাচি উঠিল। হাদত থিয় হৈ সি সন্মুখৰ সেই অলৌকিক বিস্ময় উপভোগ কৰিলে। তাৰ বুকুৰ দুৰ্বহ বোজাটো ক'ৰবাত নামি গ'ল। মত্ত আনন্দত তাৰ কণ্ঠ সৰৱ হৈ উঠিল আৰু উল্লাসত আত্মবিস্মৃত হৈ সি তললৈ জঁপিয়াই পৰিল।



হবেকৃষ্ণ ডেকা

প্রাকৃতিক বোমাণ্টিক

প্ৰাকৃতিক

আলিবাটত গাড়ী এখন বৈ যোৱাৰ ঘৰ্ঘৰ শব্দত তাৰ চেতনাৰ এটা অংশ সজাগ হৈ উঠিল। অন্য অংশবপৰা নিদ্ৰাৰ পৰ্দাখন এতিয়াও ভালকৈ আঁতৰি যোৱা নাই। সেয়েই বহুত পৰ গাড়ীৰ শব্দটো বহু দূৰত হোৱা যেন লাগি থাকিল। চহৰৰ সীমাৰ পৰা দুই কিলোমিটাৰমান দূৰত ৰাষ্ট্ৰীয় পথৰ দাঁতিত তাৰ ভাড়া কৰা ঘৰটো। মাটিৰ যিটো স্তৰত তাৰ ঘৰটো তাতকৈ ৰাষ্ট্ৰীয় পথৰ স্তৰ বহু ওখত। গোটেই ৰাতি ৰাষ্ট্ৰীয় পথেৰে সশব্দে ট্ৰাকবোৰ গৈ থাকে। ঘৰটো নামনিত হোৱা কাৰণে প্ৰথম প্ৰথম ইয়ালৈ অহাঁতে গাড়ীবোৰ তাৰ গাৰ ওপৰেদিয়েই যোৱা যেন লাগিছিল। এতিয়া অৱশ্যে সি অভ্যস্ত হৈ গৈছে। ইয়ালৈ অহাৰ পিছৰপৰা সি উপলব্ধি কৰিছে যে তাৰ শ্ৰৱণ ইন্দ্ৰিয়ৰ বিশেষ উৎকৰ্ষ সাধন হৈছে। ধ্বনিৰ বৈচিত্ৰ্য আৰু পাৰিপাৰ্শ্বিক আৰু বিশেষ বিশেষ বস্তুৰ লগত বিভিন্ন ধ্বনিৰ সম্পৰ্কবোৰৰ প্ৰতি তাৰ ইন্দ্ৰিয় সচেতন আৰু অভ্যস্ত হৈ পৰিছে। বিভিন্ন বস্তুজাত ধ্বনিয়ে তাৰ কল্পলোকত বিভিন্ন ধৰণৰ তৰংগৰ সৃষ্টি কৰে আৰু ঐক্যতান বজায়। ইয়ালৈ অহাৰ আগতে সি আছিল চহৰৰ মাজৰ এটা দুৰ্গন্ধযুক্ত গলিৰ চালি এখনৰ তলত। তাত ৰাতিপুৱাৰপৰা আৰম্ভ হয় মানৱ-সৃষ্ট বিভিন্ন কোলাহলৰ শ্ৰুতিকটু সংগীত। তাৰ বিশৃংখল শব্দসমূহৰ অবাধ ৰাজত্ব তাৰ পাৰিপাৰ্শ্বিকতাত চলি থাকে। বহু ৰাতিলৈকে তাৰ শিৰৰ ৰগ এডাল থৰ্থৰমাই থাকে। টোপনিত পৰাৰ বহু পিছলৈকে দিনটোৰ শব্দসমূহে তাৰ চেতনাক আচ্ছন্ন কৰি ৰাখে আৰু তাৰ কোনোদিনেই ভালকৈ টোপনি নাহে। গলিটোত ৰাতিপুৱাৰ পৰাই আৰম্ভ হয় কলত পানী নিবলৈ অহা মানুহৰ চিৎকাৰ, অটোৰিক্সাৱালাকেইটাৰ চিএৰ-বাখৰ, মটৰ গাড়ীৰ ঘৰ্ঘৰ শব্দ, ওচৰৰ গুদাম এটাৰপৰা লোহাজাতীয় বস্তু কঢ়িওৱাৰ শব্দ, মুকলি ঠাইত শৌচাচাৰ কৰিবলৈ যোৱা বিহাৰী কুলীৰাকেইটাৰ কৰ্কশ কণ্ঠৰ ঈশ সংগীত, ৰিক্সাৰ টিলিঙাবোৰৰ টুং-টাং শব্দ ইত্যাদি। অফিচ পোৱাৰ লগে লগে এই শব্দবোৰৰ পৰা ৰক্ষা পোৱা যায় যদিও, তাৰ টাইপ ৰাইটাৰটোৰ আমনি লগা, একে সুৰৰ খট্‌খট্‌ শব্দটোৱে তাৰ ইন্দ্ৰিয়বোৰ জঠৰ কৰি

থয়। এই শব্দবোৰৰ অত্যাচাৰৰপৰা বক্ষা পাবলৈকে চহৰৰ সীমাৰপৰা দূৰত এই ঘৰটো সি ভাড়া লৈছে। সি প্ৰথমতে এইখিনি ঠাইলে অহাৰ সময়ত এই ঘৰটোৰ বাহিৰে আৰু কোনো ঘৰ নাছিল। ৰাস্তাৰ সি থকা ফালটোত বহু দূৰলৈকে খেতিৰ পথাৰ। অন্যফালে এখন চেগুনৰ হাবি। ইয়ালৈ আহি প্ৰকৃতিৰ লগত সি এক নিবিড় আত্মীয়তা অনুভৱ কৰিছে। সি গাঁৱৰ ল'ৰা, কিন্তু গাঁৱৰ প্ৰকৃতিৰ মাজত ঘূৰি ফুৰি তাৰ চকুত বা মনত কেতিয়াও প্ৰকৃতিৰ চিত্ৰৰ ৰূপ ধৰা পৰা নাছিল। চহৰৰ কোলাহলত আচ্ছন্ন হৈ পৰা তাৰ চৈতন্যৰ এটা দিশ এই ঠাইলৈ আহি চেগুন গছৰ চিৰ-যৌৱন আৰু মুকলি পথাৰৰ সজীৱতাই সজাগ কৰি তুলিলে। গোটেই দিনটো অফিচৰ কৰ্ম-চঞ্চলতাৰ মাজত কটাই যেতিয়া সি অৱশ, ক্লান্ত শৰীৰেৰে উভতি আহে তাৰ ঘৰটোৰ বাৰাণ্ডাত বহি চেগুনৰ শান্ত হৰিৎ আৰু বতাহৰ অস্পষ্ট গুঞ্জনত মগ্ন হৈ সি সতেজ হৈ উঠে। গোটেই পাৰিপাৰ্শ্বিক জুৰি বিৰাজ কৰা নিস্তব্ধতাই তাৰ কল্পনাক উদ্বুদ্ধ কৰি তোলে। এই নিস্তব্ধতা অৱশ্যে অভগ্ন নহয়। তাৰ পঁজাটোত আহি বাহ লোৱা ঘৰচিৰিকাবোৰৰ কিচিৰ-মিচিৰ, চেগুনৰ হাবিলৈ চৰিবলৈ অহা গৰুবোৰৰ হেম্বাৰাও, শুকান পাতবোৰৰ ওপৰেৰে বলি যোৱা বতাহৰ মৰ্মৰ শব্দ আহিলে এই নিস্তব্ধতা মাজে মাজে ভংগ হয়। কিন্তু চহৰৰ বিশৃংখল কোলাহলৰ দৰে এইবোৰ তাৰ সংগতিহীন যেন ধাৰণা হোৱা নাই কাহানিও। বৰঞ্চ চিৰ-বিৰাজমান স্তব্ধতাৰ মাজত যেন এই শব্দবোৰে জীৱন্ত স্পন্দন তোলে, যাৰ ফলত তাৰ কল্পলোক সজীৱ হৈ থাকে। ইয়ালৈ অহাৰ পিছত হঠাতে যেন তাৰ গদ্যময় জীৱন অৰ্থময় আৰু ইংগিত মুখৰ হৈ পৰিল।

প্ৰথম কেইদিনমান অৱশ্যে সি ইয়ালৈ আহি এনে প্ৰশান্তিবোধ কৰা নাছিল। যি বিশৃংখল ধ্বনিবোৰৰ লগত তাৰ ইমান দিনৰ পৰিচয়, সেইবোৰ হঠাতে বন্ধ হৈ যোৱাত তাৰ পাৰিপাৰ্শ্বিক হঠাতে বিক্তগৰ্ভ হৈ যোৱা যেন লাগিছিল। তাতে আকৌ মাজৰাতি চলাচল কৰা ট্ৰাকবোৰৰ প্ৰচণ্ড শব্দবোৰ এই বিক্তগৰ্ভ পাৰিপাৰ্শ্বিকত একেবাৰে বেখাপ্পা যেন ধাৰণা হৈছিল। দুৰন্ত গতিত অহা ট্ৰাকবোৰে মাজৰাতি তাৰ টোপনি ভাঙি দিছিল আৰু তাৰ ভ্ৰম হৈছিল যেন হৃদয়হীন এই বিশাল যন্ত্ৰকেইটাই তাৰ শৰীৰটোক খণ্ড-বিখণ্ড কৰি থৈ গুচি যাব। কিন্তু কেইদিমানৰ পিছতেই সি ট্ৰাকবোৰৰ এই বিকট শব্দবোৰৰ লগত অভ্যস্ত হৈ উঠিল আৰু সিহঁতক তাৰ সুবিন্যস্ত পাৰিপাৰ্শ্বিকৰ এক আৱশ্যকীয় অংগ বেলেই ধাৰণা হ'বলৈ ধৰিলে। তাৰ ধাৰণা হ'ল যে, এই গাড়ীবোৰ আচলতে তাৰ প্ৰকৃতিক বিকল কৰি তোলা যন্ত্ৰ মাথোন নহয়, বৰং এক সজীৱ, সতেজ জীৱনী শক্তিৰ প্ৰতীকহে আৰু সেয়েই সিহঁত লাহে লাহে তাৰ চৌদিশৰ জড়প্ৰকৃতিৰ পৰিপূৰক হৈ পৰিল। এদিনৰ এটা অভিজ্ঞতাৰ মাজেৰে তাৰ এই ধাৰণা আৰু দৃঢ় হ'ল। কোনো এক ছাত্ৰ আন্দোলনৰ কাৰণে চহৰত সেইদিনা বন্ধ ঘোষণা কৰা হৈছিল আৰু সেইকাৰণে সি চাকৰিলৈ যাব পৰা নাছিল। প্ৰতিদিনৰ ক্লান্তিকৰ শ্ৰমৰপৰা অব্যাহতি পোৱাত দিনটো তাৰ আনন্দৰেই যাব যেন ধাৰণা হৈছিল কিন্তু সেইদিনা গোটেই দিনটো কোনো কাম নকৰাকৈ থাকি সন্ধিয়ালৈ তাৰ আমনি লাগিল,

ৰাতি গাড়ীবোৰৰ চলাচল বন্ধ হৈ থাকিল আৰু আচৰিতভাৱে সেইদিনা বহু ৰাতিলৈকে তাৰ টোপনি নাহিল। তাৰ ধাৰণা হ'ল যেন সুসংগতভাৱে বান্ধি থোৱা তাৰ জীৱনৰ তাঁৰ কেইডালত কিবা এটা বিচ্যুতি ঘটিছে আৰু সেইকাৰণেই চৌদিশৰ অখণ্ড নীৰৱতা অস্বাভাৱিক যেন ধাৰণা হৈছে। শেষ ৰাতি দুই এখনকৈ ট্ৰাকবোৰ চলিব ধৰাতহে তাৰ টোপনি আহিল।

ইয়ালৈ অহাৰ পিছৰপৰা তাৰ দৈনন্দিন কাম-কাজৰ কটিন এখন তৈয়াৰ হৈ গৈছে। ৰাতিপুৱা শুই উঠি চেগুন গছৰ মাজৰ খৰিকটীয়া অহা-যোৱা কৰা লুংলুঙীয়া বাটেৰে কিছুদূৰলৈকে গৈ সি হাবিৰ সৌন্দৰ্য উপভোগ কৰি আহে। দহবজাৰ লগে লগে চাইকেলখন লৈ অফিচলৈ যায়। দিনটো অফিচত ব্যস্ত হৈ থাকি অৱশ হৈ সি গধূলি উভতি আহে আৰু সেই সময়ত তাৰ ঘৰৰ বাৰাণ্ডাত বহি সমুখৰ মুকলি দৃশ্যত বিভোৰ হৈ মনটোক তজবজীয়া কৰি তোলে। হাবিখনৰ সিপাৰত ডুব যাব ধৰা টিক্‌টিকীয়া ৰঙা বেলিটো, ঘৰলৈ উভতি যোৱা হেম্বেলিওৱা গৰু-গাইবোৰ, ৰাষ্ট্ৰীয় পথটো সাৰি লৈ যোৱা মুকলি বতাহ, মাজে মাজে উৰি যোৱা বগলীৰ জাক আদিৰ নৈসৰ্গিক দৃশ্যই তাক আপোন পাহৰা কৰি থয়। দৈনন্দিন কাম-কাজৰ মাজৰ পৰা উভতি আহি তাৰ ঘৰটোৰ পৰিৱেশলৈ আহিয়েই সি প্ৰত্যাহিকতাৰপৰা মুকলি হৈ অন্য এক সত্বাৰ আয়তন লাভ কৰা যেন অনুভৱ কৰে।

প্ৰায় ছমাহমান এই ঠাইডোখৰত থকাৰ পিছত প্ৰথমবাৰৰ কাৰণে তাৰ অভ্যস্ত স্বৰগ্ৰামত এডাল যেন বেসুৰা, কৰ্কশ তাঁৰ বাজি উঠিল। এদিন অফিচলৈ যাবলৈ ওলাই সি দেখা পালে, তাৰ ঘৰটোৰপৰা দুশমিটাৰমান দূৰত পথৰৰা ঠাইডোখৰ হঠাত কোলাহল মুখৰ হৈ পৰিছে। ট্ৰাকে ট্ৰাকে মাটি পেলোৱা হৈছে ঠাইডোখৰ ওখ কৰি তুলিবলৈ। বিশ-ত্ৰিশজনমান বিহাৰী বনুৱা মাটিবোৰ সমান কৰাত ব্যস্ত হৈ পৰিছে। শিল, ইটা, লোহাৰ, ৰড আদি আহি জমা হৈছে। বহু ৰাতিলৈকে বিজুলী চাকি জ্বলাই কাম চলিবলৈ ধৰিলে। চহৰৰ যি হুলস্থূলীয়া পৰিৱেশ এটাৰপৰা সি আঁতৰি আহিছিল, সেই পৰিৱেশটোৱেই যেন খেদি খেদি আহি তাৰ ওচৰ পালেহি। তাৰ কল্পনাৰ জগতখন থানবান কৰি দিবলৈ খৰতকীয়াকৈ এটা গুদাম জাতীয় ঘৰ উঠিবলৈ ধৰিলে। ঘৰটো সম্পূৰ্ণ হৈ অহাৰ লগে লগে তাৰ মানসিক অশান্তিও বাঢ়ি আহিল আৰু তাৰ ধাৰণা হ'ল যে এতিয়াৰপৰা তাৰ বিশুদ্ধ উপলব্ধিৰ জগতখনত এটা নিৰাময় নোহোৱা ক্ষতস্থানৰ সৃষ্টি হ'ল।

কিন্তু ঘৰটো সম্পূৰ্ণ হোৱাৰ পিছত ৰাজমিস্ত্ৰী, বনুৱাবোৰ গুচি গ'ল, বেচ কিছুদিন নতুন ঘৰটো বন্ধ হৈ পৰি থাকিল। এই কেইদিন সি তাৰ পুৰণি পৰিচিত পৰিৱেশটোক আকৌ গভত বান্ধিবলৈ সুযোগ পালে। ঘৰটোৰ প্ৰতি এটা অবোধ কৌতূহল ওপজিল যদিও সি আকৌ উভতি আহিল তাৰ চেগুন গছ, ৰাষ্ট্ৰীয় পথ, ৰাতিৰ ট্ৰাক, গৃহাভিমুখী হেম্বেলিওৱা গৰু আৰু উৰি যোৱা বগলীৰ জাকৰ মাজলৈ।

আজি যেতিয়া মাজৰাতি তাৰ অৰ্দ্ধজাগৰিত চেতনাত গাড়ী এখনৰ ঘৰ্ ঘৰ্

শব্দটো দ্ৰৱীভূত হ'ল, প্ৰথমতে তাৰ ধাৰণা হ'ল যেন অন্যদিনৰ দৰেই ৰাষ্ট্ৰীয় পথেৰে গাড়ী এখন পাৰ হৈ গ'ল, প্ৰচণ্ড বেগেৰে পাৰ হৈ যোৱা ট্ৰাকৰ শব্দটোৰ লগত সি ইমান অভ্যস্ত হৈ পৰিছে যে ৰাতিৰ নিস্তব্ধ পৰিবেশত ইয়াক তাৰ জলপ্ৰপাতৰ মুখৰ গৰ্জন যেনহে লাগে আৰু তাৰ টোপনিৰ আমেজটো ভাঙিব নোখোজে। বহু সময় জুৰি (আধা টোপনিত তাৰ তেনেকুৱা যেনেই লাগিল) এই গৰ্জন বন্ধ নোহোৱাত তাৰ টোপনি এইবাৰ একেবাৰে ভাঙি গ'ল। আৰু সি বিস্মিত হৈ মন কৰিলে ঘৰৰ ঠিক বাহিৰত এই গৰ্জনৰ প্ৰবাহ বন্ধ হৈ গৈছে। ট্ৰাকখনৰ ইঞ্জিনটোৱে এবাৰ জোৰেৰে গোৰগোৰাই বন্ধ হৈ যোৱাত সি নিশ্চিত হ'ল যে গাড়ীখন তাৰ ঘৰৰ আগেদি পাৰ হৈ গুচি যোৱা নাই। তাৰ ঘৰৰ বাহিৰত কোনোবা এঠাইত গাড়ীখন ৰৈ গৈছে। অলপ পিছতে যেন গাড়ীৰ ওচৰৰপৰাই মানুহৰ দুই-এষাৰ মাত ভাহি আহি তাৰ কাণত পৰিল। তাৰ ঘৰৰ দৰজা-খিৰিকীবোৰ বন্ধ আছিল যদিও খিৰিকীত ফাঁক আছিল আৰু খিৰিকী নোখোলাকৈয়ে সেই ফাঁকেৰে সি বাহিৰলৈ চাই পঠিয়ালে। সি দেখিলে, সঁচাকৈয়ে এখন ট্ৰাক আহি তাৰ ঘৰৰ বাহিৰত নহয়, নতুনকৈ হোৱা গুদাম ঘৰটোৰ সমুখত ৰৈ আছে। ডাঢ়ীয়া, লুঙি পিন্ধা আৰু মূৰত পাগুৰি মৰা হটঙা পাঞ্জাবী মানুহ এজন গাড়ীৰ বাম্পাৰৰ ওচৰত মাটিত বহি আছে আৰু আন এজনে তাৰ ওচৰতে বহি গাড়ীৰ চকা এটা হেড লাইটৰ পোহৰত পৰীক্ষা কৰি চাব ধৰিছে। সিহঁতৰ প্ৰথমজন নিশ্চয় ড্ৰাইভাৰ আৰু আনজন হেণ্ডিমেন। দুজনমান বিহাৰী বনুৱাই গাড়ীৰ পাছফালৰ পৰা বাকচ কিছুমান নমাব ধৰিছে আৰু নতুনকৈ হোৱা গুদামটোলৈ লৈ গৈছে। দুই-এখন ট্ৰাক প্ৰচণ্ড গতিত পাৰ হৈ গৈছে ৰৈ থকা গাড়ীখনলৈ কোনো ভ্ৰুক্ষেপ নকৰাকৈ। ধীৰ বতাহ বলা কাৰণে চেগুনৰ হাবিখনত ফিৰ্‌ফিৰীয়া এটা শব্দ উঠিছে। ড্ৰাইভাৰ আৰু হেণ্ডিমেনজনে গুণগুণকৈ কিবা কথা পাতিছে। অকস্মাৎ সি অনুভৱ কৰিলে তাৰ চৌদিশৰ গাঢ় শীতল স্তব্ধতা ভংগ কৰি এই মানুহ কেইজনে আৰু গাড়ীখনে যেন তাৰ একান্ত নিৰ্জন জগতখনলৈ এক উষ্ণ সৌহাৰ্দ্য বহন কৰি আনিছে। ড্ৰাইভাৰ আৰু হেণ্ডিমেনজনে আপোনমনে কথা পাতি আছে। সিহঁতৰ নিৰ্লিপ্ত জগতত তাৰ ঘৰটোৰ কোনো অস্তিত্বই নাই। বনুৱাকেইজনেও আপোন কামত ব্যস্ত হৈ আছে। সিহঁতৰ গুণগুণনি, অহা-যোৱা, বস্তু উঠোৱা-নমোৱা আদিয়ে তাৰ জগতখন ক্ষন্তেকৰ বাবে চঞ্চল কৰি তুলিলে। অলপ পিছত বস্তুবোৰ নমোৱা হোৱাত বনুৱা কেইজন ড্ৰাইভাৰৰ ওচৰলৈ আগবাঢ়ি আহি কিবা ক'লে। ড্ৰাইভাৰ, বনুৱা আৰু হেণ্ডিমেন আটাইকেইজনে গাড়ীত উঠিল, ড্ৰাইভাৰৰ হাতৰ স্পৰ্শত গাড়ীখন আকৌ গৰ্জন কৰি উঠিল আৰু প্ৰচণ্ড বেগেৰে ক'ৰবালৈ ধাবিত হ'ল। তাৰ এনেকুৱা লাগিল যেন এৰিক ফন দানিকেনৰ কিতাপত বৰ্ণিত অন্য গ্ৰহৰ কিছুমান জীৱহে তাৰ একান্ত সংসাৰখনলৈ নামি আহি এক প্ৰাণচাঞ্চল্য জগাই দি হঠাৎ অদৃশ্য হ'ল।

ৰাতিৰ নিস্তব্ধ পৰিবেশৰ মাজত গাড়ীখন আৰু তাৰ লগত অহা মানুহখিনিৰ কৰ্মব্যস্ততাই হঠাত যেন ক্ষন্তেক উত্তাপ দি থৈ গ'ল আৰু গাড়ীখন গুচি যোৱাৰ লগে

লগে এক জঠৰ শীতলতা তালৈ নামি আহিল। পিছদিনা শুই উঠি চেগুন গছৰ মাজৰ লুংলুঙীয়া বাটেৰে ফুৰি আহোঁতে গুদাম ঘৰটোৰ ওচৰ পাই আগদিনা ৰাতিৰ ঘটনাটো তাৰ মনত পৰি গ'ল। গাড়ীখনে আহি তাৰ টোপনিত ব্যাঘাত কৰাৰ কথা ভাবি সি প্ৰথমতে বিৰক্তিবোধ কৰিলে। এতিয়াৰপৰা হয়তো যেতিয়াই তেতিয়াই এই গাড়ীখন আহি তাৰ শান্তি নোহোৱা কৰিব। কিন্তু কিছু সময় যোৱা ৰাতিৰ দৃশ্যটো মনত পেলাই পেলাই সি অনুভৱ কৰিলে যে যোৱাকালি ৰাতি গাড়ীখন আৰু অপৰিচিত মানুহখিনিৰ গোলমালখিনিয়ে তাক অকণো বিৰক্ত কৰা নাছিল। বৰং তাক এক ৰোমাঞ্চকৰ উত্তেজনাৰ খোৰাকহে যোগাইছিল। গাড়ীখন গুচি যাওঁতে বৰং সি অস্পষ্টভাৱে এক শূন্যতা অনুভৱ কৰিছিল। সেয়েই তাৰ ধাৰণা হ'ল যে হয়তো নিৰ্জনতা ভাল পোৱা সত্ত্বেও তাৰ মনৰ আধাৰটোৰ এটা স্থিতিস্থাপক গুণ আছে আৰু দিন যোৱাৰ লগে লগে গাড়ীখন আৰু তাৰ লগৰ মানুহখিনি ক্ৰমাৎ তাৰ পৰিৱেশৰ অংগ হৈ পৰিব।

কেইদিনমানৰ ভিতৰতে দেখা গ'ল যে সঁচাকৈয়ে সেয়েই হ'ল। প্ৰায় প্ৰতি ৰাতি নিয়মিতভাৱে ট্ৰাকখন গুদাম ঘৰটোলৈ আহিবলৈ ধৰিলে। এটা ৰহস্যময় পৰিৱেশৰ মাজত মাজৰাতি তাৰ টোপনি ভাঙি যায়। অস্পষ্টভাৱে ভাহি অহা মানুহবোৰৰ বিভিন্ন ভাষাত কোৱা কথাৰ টুকুৰাবোৰ গুঞ্জনময় হৈ তাৰ চাৰিওফালে ঘূৰি ফুৰে। যি যান্ত্ৰিক শব্দবোৰৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ সি ইমান দূৰত আহি ঘৰ ভাড়া লৈছিল, আচৰিত হৈ সি অনুভৱ কৰিলে যে বিশেষ পৰিৱেশত সেই শব্দবোৰেও তাৰ মনৰ তাঁৰ কেডালমান জোকাবি যাবলৈ সক্ষম হ'ল। প্ৰতিদিন মাজৰাতি কৰ্কশ শব্দৰ ডিজেল ট্ৰাকখন আহি গুদাম ঘৰটোৰ সমুখত ৰৈ যায়। হলৌ পাঞ্জাবী ড্ৰাইভাৰজন, জেওৰা খৰিৰ দৰে শুকান, লেতেৰা হেণ্ডিমেনজন আৰু বিহাৰী বনুৱাকেইটা আৰু সিহঁতৰ কাম-কাজবোৰ সিহঁত নোহোৱালৈকে চাই চাই সি উপভোগ কৰে। তাৰ মনটো এই দৃশ্যটোৰ কাৰণে ইমান উন্মুক্ত হৈ থাকে যে ভাত-পানী খাই টোপনিত লালকাল হৈ পৰাৰ পিছতো নিৰ্দিষ্ট সময়ত তাৰ টোপনি ভাঙি যায় আৰু তাৰ দৈনিক নিৰীক্ষণ আৰম্ভ হয়। ট্ৰাকখন গুচি যোৱাৰ পিছত যেতিয়া চৌদিশৰ জগতখন নিস্তব্ধ হৈ পৰে তেতিয়াহে সি আহি শেতেলিত আশ্ৰয় লয়।

এদিন অকস্মাৎ সপোনত ঘটি যোৱাৰ দৰে এটা বীভৎস ঘটনা ঘটি গ'ল আৰু এই ঘটনাটোৱে তাৰ গতবন্ধা পৰিৱেশ একেবাৰে ছিন্ন-বিচ্ছিন্ন কৰি দিলে। সেইদিনাও সি আগৰদৰেই নিৰ্দিষ্ট সময়ত ভাত খাই বিছনাত পৰিছিল। সি জানিছিল যে মাজৰাতি ট্ৰাকখন অহাৰ লগে লগে তাৰ টোপনি আপোনা-আপুনি ভাঙি যাব আৰু সি আগৰ দৰেই গাড়ীৰপৰা বস্তু উঠা-নমা কৰা দৃশ্যটো উপভোগ কৰিব। নিৰ্দিষ্ট সময়ত সেইদিনাও গাড়ীখন আহি ৰ'ল। বাহিৰত মানুহবোৰৰ ব্যস্ততা আৰম্ভ হৈ গ'ল। সি টোপনিৰ আমেজ ভালকৈ নভঙা কাৰণে কিছুসময় বিছনাত পৰি থাকিল। বিছনাৰপৰা সি যেতিয়া উঠো উঠো কৰিছে সেই সময়ত বাহিৰত এটা কোৰ্হাল শুনিবলৈ পালে। আজিৰ এই কোৰ্হাল অন্য দিনতকৈ অলপ অস্বাভাৱিক যেন লাগিল। সি শুনিবলৈ

পালে পাঞ্জাবী ড্ৰাইভাৰজনে হেণ্ডিমেনজনক অবাস্তৱ ভাষাত গালি-গালাজ পাৰি আছে। অলপ পিছতেই সি শুনিবলৈ পালে, গাড়ীখনৰ ওচৰত মানুহবোৰে লৰা-ঢপৰা কৰিছে আৰু কোনোবাই কাৰোবাক মাৰপিট কৰিছে। সি লৰ মাৰি তাৰ খিৰিকীৰ কাষলৈ আহিল আৰু খিৰিকীখন নোখোলাকৈ কাঁচেৰে বাহিৰলৈ চাই পঠিয়ালে। সি দেখা পালে গাড়ীৰ ওচৰত ড্ৰাইভাৰ আৰু হেণ্ডিমেনজনে মাৰপিট কৰিব লাগিছে। সিহঁতৰ ওচৰতে তিনি-চাৰিটামান বিহাৰী কনুৱা ভয়ত পেঁপুৱা লাগি থিয় দি আছে। সি দেখিলে হেণ্ডিমেনজনে তাৰ কঁকালৰ খোচনাৰপৰা দীঘল ডেগাৰ এখন টান মাৰি ল'লে আৰু পাঞ্জাবী ড্ৰাইভাৰজনৰ বুকুত জোৰেৰে বহুৱাই দিলে। বীভৎস দৃশ্যটো দেখি তাৰ বুকুখন কঁপি উঠিল। এটা গোটা বস্তুৱে যেন ডিঙিটোত সোপা মাৰি ধৰিলে। হেণ্ডিমেনজনে ডেগাৰখন ড্ৰাইভাৰজনৰ বুকুৰপৰা টান মাৰি উলিয়াই চেগুন গছৰ হাবিখনৰ ভিতৰলৈ দৌৰ মাৰিলে। ড্ৰাইভাৰজন মাটিত বাগৰি পৰি গ'ল আৰু 'মৰ গিয়া' বুলি এটা বিকট চিঞৰ মাৰিলে। তেতিয়াহে যেন বিহাৰী কনুৱাকেইজনৰ সম্বিত ঘূৰি আহিল আৰু 'খুন কিয়া' বুলি চিঞৰি-বাখৰি আটাইকেইটাই ইফালে সিফালে দৌৰিবলৈ ধৰিলে। ওচৰত আৰু অন্য ঘৰ নাছিল কাৰণেই কিজানি, সিহঁতৰ এজনে তাৰ ঘৰটোৰ জপনা খুলি তাৰ দুৱাৰত জোৰেৰে ঢকিয়াবলৈ ধৰিলে। সি দুৱাৰ খুলি দিবলৈ সাহস নকৰিলে আৰু সাৰ-সুৰ নকৰাকৈ য'ত আছিল ত'তে থিয় দি থাকিল। গোটেই ঘটনাটোৱে তাক কিংকৰ্তব্যবিমূঢ় কৰি পেলালে। প্ৰায় তিনি মিনিটমান তাৰ দুৱাৰত ঢকিয়াই কোনো সাৰ-সুৰ নোপোৱাত বিহাৰীজনে আলি বাটলৈ উভতি গৈ চহৰৰ ফাললৈ দৌৰিবলৈ ধৰিলে। সি তেতিয়াহে গাড়ীখনৰ ফালে চাই দেখিলে, ড্ৰাইভাৰজনৰ প্ৰাণহীন দেহটো জোনাকৰ মাজত অন্ধকাৰ পিণ্ড এটাৰ দৰে মাটিত বাগৰি পৰি আছে আৰু প্ৰভুভক্ত যোঁৱা এটাৰ দৰেহে যেন ট্ৰাকখনে তাৰ চালকৰ মৃতদেহটো পহৰা দি আছে।

বহুসময় এনেকৈ পাৰ হৈ গ'ল। সযতনে গঢ়ি তোলা তাৰ মানসলোক বাস্তৱৰ এটা মাত্ৰ কাঢ় ঘটনাই একেবাৰে খান-বান কৰি দিলে। যি নিৰ্জন পৰিৱেশক সি আনন্দৰ প্ৰেৰণাৰ উৎপত্তি স্থল বুলি ভাবিছিল, তাৰ মাজতো যে চিত্তক বিকল কৰি তুলিব পৰা ভয়ৰ বীজ সোমাই থাকিব পাৰে, সি অকস্মাৎ উপলব্ধি কৰিলে। ৰাতিৰ বাকী থকা সময়খিনি তাৰ আৰু টোপনি নাহিল। ইতিমধ্যে সি ঠিক কৰি পেলালে যে পুলিচৰ আগত সি ঘটনাৰ বিষয়ে একো নাজানে বুলিয়েই ক'ব। এই নাটকীয় ঘটনাটোৰ লগত বেছিকৈ জড়িত হৈ পৰিব লাগিলে, তাৰ গতবন্ধা জীৱনত একেবাৰে খেলি-মেলি হৈ যাব। পিছদিনা বেতিয়া নিচেই ৰাতিপুৱা থানাৰ দাৰোগা তদন্তলৈ আহিল আৰু তাক নানা ধৰণৰ প্ৰশ্ন কৰিলে, সি ঘটনাৰ বিষয়ে একো নাজানো বুলি জনালে। সি জনালে যে ৰাতি তাৰ গভীৰ টোপনি হৈছিল আৰু বাহিৰত গাড়ীখন আহি ৰোৱা বা কোনো ধৰণৰ কোলাহল হোৱা সি গম নাপায়। তদন্ত শেষ কৰি লাচটো লৈ পুলিচৰ মানুহ গুচি গ'ল আৰু সি এটা স্বস্তিৰ নিশ্বাস পেলালে।

প্ৰায় এমাহমান সময় জুৰি যৎপৰোনাস্তি চেষ্টাৰে সি তাৰ স্নায়ুবোৰ থানথিত লগাবলৈ যত্ন কৰিলে। যদিও তাৰ টোপনি আগতকৈ পাতল হ'ল, ৰাতি টোপনিত সি মাজে মাজে চক্ খাই উঠা হ'ল, গাড়ী আহি ৰোৱা নিৰ্দিষ্ট সময়টোত তাৰ টোপনি ভাঙি যোৱা হ'ল, তথাপি বহু যত্নৰ ফলত তাৰ মানসিক ধৈৰ্য অৱশেষত ঘূৰি আহিল। পুলিচৰ অহা-যোৱাও ইতিমধ্যে বন্ধ হৈ গৈছে। গুদাম ঘৰটোলৈ হত্যাকাণ্ড হোৱাৰ পিছৰপৰাই আৰু কোনো বস্তু অনা-নিয়া কৰা হোৱা নাই। ট্ৰাকখন কিন্তু ড্ৰাইভাৰজনৰ মৃত্যুৰ দিনৰপৰাই আগৰ ঠাইডোখৰতে থিয় দি আছে। গাড়ীখন কোনেও নিবলৈ নহা দেখি সি খবৰ কৰি জানিব পাৰিলে মৃত চালকজনেই আছিল গাড়ীখনৰ গৰাকী। মৃত লোকজনৰ কোনো আত্মীয় নথকা কাৰণেই দামী গাড়ীখন বেওৱাৰিশ হৈ আগৰ ঠাইতে পৰি আছে।

এনেকৈ তাৰ ঘৰৰ আগত পৰি থকা কাৰণেই কিজানি সি লাহে লাহে গাড়ীখনৰ প্ৰতি এটা নতুন আকৰ্ষণবোধ কৰিবলৈ ধৰিলে। নিতৌ ৰাতিপুৱা শুই উঠাৰ সময়ত, অফিচলৈ যোৱাৰ সময়ত আৰু অফিচৰ পৰা উভতি অাহোঁতে সজীৱ জগতখনৰ মাজত বিসংগতভাৱে থিয় দি থকা গাড়ীখনেই প্ৰথমতে তাৰ চকুত পৰে। গাড়ীখন দেখাৰ লগে লগে তাৰ মনত পৰে সেইদিনা ৰাতিৰ ঘটনাটো। আজিকালি আৰু ঘটনাটোৰ কথা মনত পৰিলে সি আতঙ্কত শিয়ৰি নুঠে, বৰং গাড়ীখন চকুত পৰাৰ লগে লগে সেই দুঃস্বপ্নৰ প্ৰত্যক্ষদৰ্শী সি আৰু গাড়ীখন যে ভাবিলে তাৰ গাটো ৰোমাঞ্চিত হৈ উঠে। তাৰ নিচিনাকৈয়ে গাড়ীখনেও যি এটা গোপন কাহিনী লুকাই ৰাখিছে এই কথা ভাবি সি গাড়ীখনৰ লগত এক আত্মীয়তা অনুভৱ কৰে। গধূলি বাৰাণ্ডাত বহি বহি যি ৰহস্যময় কল্প-সংলাপ তাৰ আৰু গাড়ীখনৰ মাজত আদান-প্ৰদান হয়, সেই কথা আনক সি ক'ব নোৱাৰে।

এদিন অফিচলৈ ওলাই আলিবাটত ভৰি দিয়েই গাড়ীখনত চকু পৰাত সি স্তব্ধ হৈ ৰ'ল। গাড়ীখনৰ হেডলাইট এটা কোনোবাই খুলি লৈ গৈছে। অকস্মাৎ হেডলাইট নোহোৱা অৱস্থাত গাড়ীখন দেখি তাৰ এনেকুৱা লাগিল, যেন কোনোবাই জীৱন্ত জন্তু এটাৰ চকু দুটাহে আঁজুৰি লৈ গৈছে। আৰু জন্তুটো যন্ত্ৰণাক্লিষ্ট হৈ থিয় দি আছে। সি লাহে লাহে গাড়ীখনৰ কাষলৈ আগবাঢ়ি গ'ল। ওচৰ পাইহে সি গম পালে যে ইমানদিনে গাড়ীখনৰ বিস্তৰ ক্ষতি সাধন হৈছে। গৰাকী যেতিয়া আছিল গৰাকীয়ে অতি যত্নেৰে গাড়ীখন ধুই-মচি চিক্‌চিকীয়া কৰি ৰাখিছিল। গাড়ীৰ হালধীয়া ৰঙটো সদায় পোহৰত চিক্‌মিকাইছিল। এতিয়া সি দেখিলে গাড়ীখনৰ গোটেই গাটোতে কোনোবাই অশ্ৰাব্য ভাষাত কিবা লিখিছে। মাজে মাজে গাৰ ৰঙটো খকলা-খকলকৈ এবাই গৈছে। ভিতৰৰ ছিট কেইখন কেতিয়াবা কোনোবাই খুলি লৈ গৈছে। ভৰি থোৱা পিনিয়নখনো কেতিয়াবা কোনোবাই একবাই থৈ গৈছে। চকাবোৰৰ ফালে চকু পৰাত সি দেখিলে, কোনোবাই জোতা কিম্বা কঠিন বস্তুৰে খুচি খুচি খুচা চকা ফুটা কৰি থৈ গৈছে। এইবোৰ নিশ্চয় সদায় গৰু চৰাবলৈ অহা গৰখীয়া ল'ৰাবোৰৰ কাম। তাৰ

মনটো বিতৃষ্ণাৰে ভৰি গ'ল। ইমান দিনৰ সাহচৰ্যই গাড়ীখনৰ প্ৰতি যে তাৰ মনত এটা মমতা জগাই তুলিছে, সি এতিয়াহে বুজিব পাৰিলে। তাৰ ভাবি আচৰিত লাগিল যে প্ৰচণ্ড শক্তি এটা এই গাড়ীখনৰ বনেটৰ খোলাটোৰ ভিতৰত কোনোবাখিনিত নিহিত হৈ আছে। অথচ এতিয়া সেই গাড়ীখনেই থিয় দি আছে অসহায়ী, আত্মৰক্ষাত অপাৰগ দুৰ্বল জন্তু এটাৰ দৰে।

সেইদিনা অফিচলৈ গৈ অফিচৰ কাম-কাজত তাৰ আৰু মন নবহিল। সি বুজি পালে পৰিত্যক্ত গাড়ীখনে তাৰ হৃদয়ৰ এডোখৰ ডাঙৰ ঠাই আগুৰি লৈছে। অফিচত চিঠি-পত্ৰবোৰ নকল কৰোঁতে তাৰ বিস্তৰ ভুল হ'ল আৰু উৰ্দ্ধতম বিষয়াৰ সমালোচনাৰ পাত্ৰ হ'ল। তাৰ মনটো গাড়ীখনৰ ওচৰতে পৰি থাকিল। সি নথকা অৱস্থাত প্ৰচণ্ড শক্তিৰ আধাৰ গাড়ীখন কেইটামান পিলপিলীয়া ল'ৰাৰ হাতত নিপীড়িত হ'ব ধৰিছে, এই কথা ভাবি তাৰ অসহ্যবোধ হ'ব ধৰিলে আৰু সেয়েই অফিচ ছুটী হোৱাৰ লগে লগে সি আন কোনোফালে নোযোৱাকৈ জোৰেৰে চাইকেল চলাই ঘৰ পালে আৰু গাড়ীখনৰ কাষত গৈ থিয় দিলে। গাড়ীখনৰ চাৰিওফালে ঘূৰি ঘূৰি নতুন কি ধুমুহা তাৰ ওপৰেৰে পাৰ হৈ গৈছে পৰীক্ষা কৰি চাবলৈ ধৰিলে। সেইদিনা গাড়ীখনৰ নতুন কোনো অনিষ্ট হোৱা নাছিল আৰু সি আশ্বস্ত হৈ ঘৰৰ ভিতৰ সোমাল।

কিন্তু ইয়াৰ পিছৰপৰা তাৰ দৈনন্দিন কামৰ ৰুটিনত এটা নতুন কাম যোগ হ'ল আৰু তাৰ অৱসৰ সময়ৰ বেছিভাগেই এই কামত ব্যয় হ'বলৈ ধৰিলে। ৰাতিপুৱা ফুৰিবলৈ যোৱাৰ আগতে আৰু গধূলি অফিচৰপৰা উভতি আহি সি পুংখানুপুংখভাৱে গাড়ীখন পৰীক্ষা কৰি চাই আৰু নতুনকৈ হোৱা ক্ষতিবোৰৰ হিচাব লয়। গাড়ীখনৰ ইতিমধ্যে আৰু বহুতো নতুন ক্ষতি হৈছে আৰু এই ক্ষতিবোৰ ৰোধ কৰিব নোৱাৰি সি অসহায় হৈ পৰিছে। প্ৰাকৃতিক কাৰণতো ইমান দিনে অচল হৈ পৰি থকা গাড়ীখনৰ দেহটোত নানান বিকাৰ দেখা দিছে। বাহিৰত ওলাই থকা অংশবোৰত মামৰে ধৰিছে। চকাকেইটাৰ থ্ৰেডবোৰ ওলাই পৰিছে। পাছফালৰ ত্ৰিপালৰ ঢাকনিখন প্ৰায় উৰলিয়েই গৈছে আৰু তাত বহুতো ফুটা ওলাইছে। উইং স্ক্ৰীণখন ভাঙি গৈছে। হেডলাইট দুইটাই নোহোৱা হৈছে। এইবোৰ যে দুষ্ট গৰধীয়া ল'ৰাবোৰৰ কাম সি জানে। কিন্তু সি কাকো আজিলৈকে হাতে হাতে ধৰিব পৰা নাই। কিন্তু গাড়ীখনক লৈ সি ইমান বেছি চিন্তাগ্ৰস্ত হৈ পৰিল যে কেতিয়াবা ৰাতি ৰাতি টোপনিৰপৰা উঠিও সি গাড়ীখন চাই আহিবলৈ ধৰিলে।

আৰু এদিন ৰাতিপুৱা শুই উঠি গাড়ীখনৰ ওচৰলৈ গৈ সি স্তম্ভিত হৈ গ'ল। সি দেখিলে কোনোবাই ৰাতিটোৰ ভিতৰতে গাড়ীখনৰ ভাল চকা এটা খুলি লৈ চকাৰ ড্ৰামটো কাঠৰ পেকিঙৰ ওপৰত থিয় কৰাই থৈ গৈছে। এইটো নিশ্চয় কোনো গৰখীয়া ল'ৰাৰ কাম নহয়। কোনোবাই পৰিকল্পিতভাৱে গৰাকী নোহোৱা গাড়ীখনৰ পৰা চুৰি কৰা আৰম্ভ কৰিছে। যোৱা ৰাতি তাৰ এনেকুৱা গভীৰ টোপনি আহিছিল যে

সি এবাৰো সাৰ পোৱা নাছিল আৰু ফলত এনেকুৱা এটা কাণ্ড ঘটিবলৈ পালে। সি বৰ দুশ্চিন্তাগ্ৰস্ত হৈ পৰিল। সেইদিনা ৰাতিৰপৰা টোপনি ক্ষতি কৰি হ'লেও মাজৰাতিলৈকে গাড়ীখন সি পহৰা দিবলৈ ধৰিলে আৰু সেইকেইদিন নতুনকৈ একো বস্তু চুৰি নহ'ল।

ইতিমধ্যে কেবাটামাহো পাৰ হৈ গৈছে। এই কেইমাহ সি গাড়ীখনক লৈ ব্যস্ত হৈ থকাতে তাৰ পাৰিপাৰ্শ্বিকৰ প্ৰতি চকু দিবলৈ সময়েই পোৱা নাই। পাৰিপাৰ্শ্বিকৰ পৰিবৰ্তন তাৰ চকুত পৰিল এদিন হাবিখনলৈ ফুৰিবলৈ যাওঁতে। চেগুনৰ হাবিখনৰ হৰিৎ শোভা আছিল তাৰ আনন্দৰ উৎস। সি সেইদিনা দেখা পালে ঋতুৰ পৰিবৰ্তন আৰম্ভ হৈছে। হাবিখনে ক্ষন্তেকৰ বাবে তাৰ শ্যামল বসন পৰিহাৰ কৰি নিৰাভৰণ হৈ পৰিছে। চৰাইবোৰৰ কিচিৰ-মিচিৰো বন্ধ হৈ গৈছে আৰু হাবিৰ লুংলুঙীয়া বাটবোৰ ধূলিময় হৈ পৰিছে। গোটেই পাৰিপাৰ্শ্বিকতাত এটা ৰিক্ততা আৰু ৰুক্ষতাৰ ভাব আহি পৰিছে। আজি ৰাতিপুৱা ফুৰিবলৈ আহোঁতে তাৰ মনটো আৰু আগৰ দৰে সতেজ হৈ উঠা নাই। উভতি আহোঁতে বিকলাংগ গাড়ীখনৰ জৰাজীৰ্ণ অৱস্থাটো দেখি তাৰ মনটো নিৰানন্দেৰে ভৰি পৰিল। আজি হঠাতে তাৰ অনুভৱ হ'ল, তাৰ মনৰ ইমান ঠাই আগুৰি থকা গাড়ীখনৰ বিষয়ে তাৰ জ্ঞান অতি সামান্য। ইয়াৰ যন্ত্ৰ-পাতিবোৰ চালকৰ হাতৰ যাদু স্পৰ্শত কেনেকৈ প্ৰাণ পাই উঠে, ইঞ্জিনটোৰ বুকুৰ কোনখিনিত শক্তিৰ উৎস লুকাই আছে এই বিষয়ে সি একেবাৰে অজ্ঞ। তাৰ ধাৰণা হ'ল যেন এই অজ্ঞতাইও তাৰ মনৰ অসহায়বোধ বেছিকৈ বঢ়াই তুলিছে। গাড়ীখনৰ প্ৰতিটো অঙ্গ-প্ৰত্যঙ্গৰ বিষয়ে ভালকৈ জানিব পাৰিলে, সুপ্ত ইঞ্জিনটো জগাই দিব পাৰিলে, সি গাড়ীখনক হয়তো মানুহৰ আৰু প্ৰকৃতিৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিব পাৰিব আৰু তেতিয়া তাৰ মনৰ শান্তি ঘূৰাই পাব। গাড়ীৰ যন্ত্ৰ-পাতিবোৰৰ বিষয়ে জ্ঞান ল'বলৈ এটা প্ৰবল ইচ্ছা তাৰ মনত জাগিল।

এদিন এটা সংকল্প লৈ অফিচ ছুটীৰ পিছত বন্ধু এজনৰ কাৰখানালৈ গৈ সি সকলো বন্দৱস্ত কৰি পেলালে। পিছদিনাখনৰপৰা অৱসৰ সময়ত বন্ধুৰ কাৰখানাত সি গাড়ীৰ শিক্ষা ল'বলৈ ধৰিলে। বন্ধুৰ কাৰখানাটো আছিল লেতেৰা গলি এটাৰ দুৰ্গন্ধময় নৰ্দমা এটাৰ ওপৰতে। তাৰ চাৰিওফালে বিশৃংখলা আৰু কোলাহল। গাড়ীৰ কাম শিকিবলৈ গৈ সেয়েই এদিন সি এৰি থৈ অহা চহৰৰ বিশৃংখল হুলস্থুলৰ মাজত সোমাই পৰিল। কিন্তু কল-কব্জা, যন্ত্ৰপাতিৰ এখন আশ্চৰ্য ৰহস্যময় জগত তাৰ চকুৰ সমুখত এনেকৈ মুকলি হ'বলৈ ধৰিলে যে এই বিশৃংখল হট্টগোলবোৰে তাক আৰু আমনি নিদিয়া হ'ল। জ্ঞানৰ এখন নতুন জগতৰ পাঠ আহৰণ কৰাত সি এনেকৈ ব্যস্ত হৈ পৰিল যে তাৰ ঘৰৰ চৌদিশৰ প্ৰিয় জগতখনৰ কথাও সি পাহৰি থাকিল, আনকি যি গাড়ীখন আছিল তাৰ এই জ্ঞানাৰ্জনৰ প্ৰেৰণা, সেই গাড়ীখনৰ খবৰ ল'বলৈও সি আহৰি নোপোৱা হ'ল।

এদিন অৱশেষত তাৰ এই শিক্ষা শেষ হ'ল। তাৰ আত্মবিশ্বাস দৃঢ় হ'ল আৰু সি

তাৰ গাড়ীখনৰ প্ৰতি চকু দিবলৈ সময় পালে। সেইদিনা গাড়ীখনৰ ওচৰলৈ আহি সি অকস্মাৎ অনুভৱ কৰিলে যে তাৰ মনটোৰ ইতিমধ্যে এটা বিৰাট পৰিবৰ্তন হৈছে। গাড়ীখনৰ প্ৰতি সি আৰু আগৰ নিচিনাকৈ কোনো ধৰণৰ ৰহস্যময় আকৰ্ষণ অনুভৱ কৰা নাই। তাৰ মন নিৰাসক্ত আৰু দৃষ্টি গদ্যময়। সি ইমান দিনে চকু নিদিয়া কাৰণে অৱশ্যে গাড়ীখনৰ ইতিমধ্যে আৰু বহুত ক্ষতি সাধন হৈছে। কোনোবাই কেতিয়াবা বনেটৰ ভিতৰত থকা ইঞ্জিনটোও (যিটোক এদিন সি হৃৎপিণ্ডৰ লগত তুলনা কৰিছিল) খুলি লৈ গৈছে আৰু গাড়ীখনৰ জঁকাটোহে কেৱল পৰি আছে। তাৰ কিন্তু মনত কোনো ধৰণৰ বেদনাবোধ নহ'ল। গাড়ীখনক কোনো ধৰণৰ প্ৰাণশক্তিৰ প্ৰতীক বুলি সি ভাবিব নোৱাৰিলে। গাড়ীখন মানুহৰ প্ৰয়োজনৰ বাহনহে আৰু প্ৰয়োজন শেষ হৈ গ'লে সি অদৰ্কাৰী লোহা-লক্কৰত পৰিণত হয়। এক মোহমুক্ত বাস্তৱৰ মাটিত যেন সি ভৰি দিলে।

পিছদিনা নিচেই পুৱা প্ৰাতঃভ্ৰমণলৈ ওলাই দৈনন্দিন অভ্যাসৰ কাৰণেই সি গাড়ীখনৰ ওচৰলৈ গৈ গাড়ীৰ বনেটৰ কাষত এনেয়ে এবাৰ থমকি ৰ'ল। সি দেখিলে যে পাছফালৰ ছিন্ন-বিচ্ছিন্ন ত্ৰিপালখন বহীবোৰৰপৰা ঢিলা হৈ বতাহত অলপ অলপকৈ উৰিব লাগিছে। জৰাজীৰ্ণ গাড়ীখনৰ কেৱল জঁকাটোহে আছে। তাৰ ধাৰণা হ'ল যে তাৰ বন্ধুজনক খবৰ দিলে এই জঁকাটো লৈ গৈ অৱশিষ্ট থকা লোহা-লক্কৰখিনি প্ৰয়োজনীয় কামত লগাব পাৰিব। অকস্মাৎ গাড়ীখৰ পাছফালৰ বস্তু কঢ়িওৱা অংশটোত কিবা এটা বস্তু লৰা চৰা কৰা যেন তাৰ ধাৰণা হ'ল আৰু গাড়ীখনৰ পাছফাললৈ সি আগবাঢ়ি গ'ল। গাড়ীৰ পাছফালৰ বস্তু কঢ়িওৱা ঠাইত চকু পৰাত সি স্তব্ধ হৈ ৰ'ল। সি দেখিলে শতছিন্ন কাপোৰ পিন্ধা এহাল মতা-মাইকী অতি নিশ্চিন্তমনে গাড়ী পাছফালৰ খোলাটোত আশ্ৰয় লৈ শুই আছে। ফটা ত্ৰিপালখনৰ এটা অংশ গাৰ ওপৰত লৈ নিবিড়ভাবে দুয়ো দুয়োকে সাৱটি টোপনিত লালকাল। এক নিৰ্লিপ্ত আৰু প্ৰশান্তিৰ ভাব মুখ দুখনত উপচি পৰিছে। এনেকুৱা প্ৰশান্তিৰ উপলব্ধি তাৰ জীৱনত কেতিয়াও হোৱা নাছিল।

তাৰ বুকুৰপৰা জোৰেৰে এটা নিশ্বাস ওলাই আহিল আৰু সি সচকিত হ'ল। গাড়ীখন এৰি চেগুনৰ ছাবিখনৰ মাজলৈ সি আগবাঢ়ি গ'ল। সি দেখা পালে ছাবিখনত আকৌ নতুন ঋতুৰ পৰিবৰ্তনৰ সূচনা হৈছে। চেগুন গছবোৰত নতুন সেউজীয়া পাত ওলাইছে। চৰাইবোৰৰ কিচিৰ-মিচিৰ আৰম্ভ হৈছে। বতাহত এটা নতুন আমেজ। সি ঘৰলৈ উভতি আহোঁতে দেখিলে গাড়ীৰ ফুটা ওলোৱা ত্ৰিপালখন বতাহত পত্ পত্‌কৈ পতাকাৰ দৰে কঁপিছে।

ৰোমাণ্টিক

গল্প লিখাৰ বাবে এটা ফৰমাইচ পাইছোঁ। ভাবিছোঁ এটি ৰোমাণ্টিক গল্পই লিখা যʼক। ৰোমাণ্টিক বুলি ভবাৰ লগে লগে আন এটা শব্দ মনলৈ আহিছে, 'স্বতঃস্ফূৰ্ত'। ফৰমাইচী স্বতঃস্ফূৰ্ত গল্প — বাক্যটোত কিবা কেণা লাগিছে নেকি? (ফৰমাইচ শব্দটোও অসমীয়া শব্দ নহয়। বোধহয় বানানটোও ভুল। কিন্তু কথাৰ লাচত শব্দটো আহিয়েই গʼল যেতিয়া শব্দটো ৰাখি থʼলোঁ। মোৰ কোনো কোনো লেখক বন্ধুৱে কয় গল্প লেখক বা কবিয়ে হেনো শব্দ ব্যৱহাৰৰ এনে স্বাধীনতা লʼব পাৰে। ভালেই হৈছে। আন এটা কথা এতিয়া মনলৈ আহিছে। মই ভাবিছিলোঁ যে বাক্যত কৰ্তা, কৰ্ম, ক্ৰিয়াবোৰ বিন্যাস কৰোঁতে মই নামৰ এই লেখকজন তাৰ নিয়ন্ত্ৰক। কিন্তু মজাৰ কথা হʼল যে বাক্যৰ কৰ্তাই যেতিয়া তাৰ নিজৰ নিয়মত আচৰণ কৰিব ধৰে, তেতিয়াই মই তাৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলাওঁ। কথাটো অৱশ্যে বেয়া নাপাওঁ। কাৰণ যেতিয়া অশ্লীল কথা লিখোঁ আৰু আনে ধিক্কাৰ দিয়ে, তেতিয়া কওঁ, সেয়া মোৰ কথা নহয়, গল্পৰ কথা। যেতিয়া দুষ্ট মানুহৰ কথা লিখোঁ আৰু সেই কথা কাৰোবাৰ চৰিত্ৰৰ লগত মিলি যায় তেতিয়া সেই মানুহে মানহানিৰ গোচৰ দিব খুজিলে তেওঁক কʼব পাৰোঁ : হেৰা সেইটো কাল্পনিক কাহিনীহে, তোমাৰ বাস্তৱ জীৱনৰ ঘটনাৰ লগত যদি মিলি গৈছে, তেন্তে সি কাউৰী পৰোঁতে তাল সৰাৰ নিচিনা কথা হৈছে। দায়িত্ব বৰ্জনৰ এনে মজাৰ স্বাধীনতা গল্প লেখকৰ বাদে আন কাৰোবাৰ আছেনে?)

আজি গল্প লিখিবলৈ লৈ অৱশ্যে বাৰে বাৰে তোমাৰ কথা মনলৈ আহিছে। ভয় নাখাবা। তোমাক মই গল্পৰ নায়িকা কৰিব খোজা নাই। আজি মই মোৰ ঘৰৰ খোলা বাৰাণ্ডাত বহি গল্প লিখিবলৈ চেষ্টা কৰোঁতে তোমালৈ মনত পৰি গʼল। মোৰ ঘৰৰ বাৰাণ্ডাৰ খুঁটাত এজুপি লতা আছে। নাম নাজানো। তাত শীতকালি থোপা-থোপে ৰঙা ৰঙৰ ফুল ফুলে। এতিয়া বাৰিষা গাঢ় সেউজীয়া পাতবোৰহে ঠন ধৰি উঠিছে। কিন্তু তাত কিছুদিনৰ পৰা এটা মজাৰ দৃশ্য দেখি আহিছোঁ। এজনী নাম নজনা অকমানি মৰমলগা চৰায়ে তাইৰ বাহ সজাইছে তাত। সাজিছে নহয়, সজাইছে। বাহটো

বহু আগৰ। তাত টুনী চৰাইৰ পৰিয়াল এটি যোৰা বছৰ আছিল। এতিয়া নাই, ক'ৰবালৈ গৈছেগৈ। সেই বাহটোলৈকে এই নতুন অকণমানি চৰাইজনী আজি কিছুদিনৰপৰা আহিবলৈ লৈছে। মোৰ বাবাগুৰ সমুখত থকা ল'নখনত ৰবৰ্ষুণ পৰাত ওখ ওখ বন হৈছে। ৰবৰুণত মাটিবোৰ ঢিলা হোৱা কাৰণে বহুদিন বনবোৰ গুচাব পৰা নাই। এই নতুন চৰাইজনীয়ে একো একোটা বন ঠোঁটেৰে কামুৰি বাহটোলৈ লৈ আহি বাহটো সজাব ধৰিছে। নতুন চৰাইজনী টুনীৰ নিচিনাই সৰু। কিন্তু টুনী চৰাই নহয়। এহ্ চোৱা মই কেনেকৈ চৰাইজনীক 'জনী' কৰি পেলাইছোঁ। মইতো দেখি চিনি নাপাওঁ এই অকণমানি চৰাইটি পুৰুষ নে নাৰী। পুৰুষ নে নাৰী বুলি কওঁতে তোমাৰ হাঁহি উঠিছে নহয়? কিন্তু চৰায়ে যদি মানুহৰ দৰে কথা ক'লেহেঁতেন, সিহঁতেও চাগে স্ত্ৰী-পুৰুষ বুজাবলৈ এনে ভব্য শব্দই ব্যৱহাৰ কৰিলেহেঁতেন। মতা-মাইকী শব্দ দুটা যেন ইতৰ শব্দ। কোনেও কিন্তু এই শব্দ দুটাক ইতৰ কৰি স্ৰজন কৰা নাই। শব্দ দুটাক যদি ইতৰ বুলি ভাবিছোঁ সেই 'ইতৰতা' আমাৰ সাংস্কৃতিক মনৰ মানসিকতাই দিছে। অ' মই আচল কথাৰ পৰা বহুত দূৰ ফালৰি কাটি আহিলোঁ। মই কৈছিলোঁ, মইনো এই চৰাইটিক চৰাইজনী বুলি কিয় ল'লোঁ। পুৰুষৰহে মন। তাই যে বাহ 'সজাইছে'। সেই কামফেৰা যে আমি নাৰীৰ কাৰণে আচুতীয়াকৈ ৰাখিছোঁ। এই চৰাইটিয়েও যদি বাহ সজোৱাৰ সলনি বাহ সাজিলেহেঁতেন অৰ্থাৎ construct কৰিলেহেঁতেন, তেনেহ'লে চৰাইটি চাগে মোৰ চকুত পুৰুষৰূপে ধৰা দিলেহেঁতেন। কিন্তু শুনা, মোৰ ভুল হোৱা নাই। এটি চৰাই সঁচাকৈয়ে স্ত্ৰী জাতিৰ। আজি বাবাগুত বহি গল্পৰ কথা ভাবি থাকোঁতে দেখিলোঁ আন এটি চৰায়ে তাইৰ মনত আকৰ্ষণ কৰিবলৈ ঘূৰি ফুৰিছে। বিচিত্ৰ ভঙ্গীৰে সি নাচি নাচি তাইৰ ওচৰেদি অহা-যোৱা কৰিছে। তাই কিন্তু ভ্ৰুক্ষেপেই কৰা নাই। তাই আপোন মনে বনবোৰ ছিঙি ছিঙি আনি বাহটি ধুনীয়া কৰি তোলাত ব্যস্ত। ইটো চৰাইক মই কিয় পুৰুষ বুলি ভাবিলোঁ বাৰু? গাভৰু ছোৱালীৰ মন আকৰ্ষণ কৰিবলৈ ডেকাই যে পিছ লয় তেনেকুৱা। আচৰণবোৰ লিঙ্গৰ লগত যেন খাপ খাই যায়। লিঙ্গ শব্দটো মই ব্যাকৰণৰ পৰা লৈছোঁ দেই। অলপ পিছত দেখিলোঁ চৰাইজনীৰ মন আকৰ্ষণ কৰিব খোজা চৰাইটি হতাশ হ'ল। সি অলপ দূৰলৈ আঁতৰি গ'ল। বনৰ মাজত খোৱা-বস্তু বিচাৰিবলৈ ধৰিলে। চৰাইজনী একান্তমনে নিজৰ কামত ব্যস্ত। পুৰুষ চৰাইটিৰ মনটো কিন্তু এতিয়াও লোলুপ। সি খোৱা বস্তু বিচৰাৰ ছল কৰি ডেও দি দি তাইৰ ওচৰলৈ আহিবলৈ এতিয়াও চেষ্টা কৰিছে। চৰাইজনীয়েও তাক পাত্তা দিয়া নাই। অ' চোৱা পাত্তা শব্দটো কেনেকৈ আহি গ'ল। ভব্য-গব্য সাজ-পোছাক পিন্ধা শব্দবোৰৰ মাজত এই বিদেশী শব্দটো বৰ আপচু দেখাইছে। নহয়? কিন্তু কি কৰিম। শব্দটো ওলায়েই গ'ল যে। শব্দটো তেনেকৈয়ে থ'ক দিয়া। মই আকৌ চৰাইহালৰ খেলখনত মনোনিবেশ কৰিলোঁ। পুৰুষটিয়ে তেনেকৈয়ে চেষ্টা চলাই আছে। এবাৰ চৰাইজনী ফুৰুৎকৈ উৰা মাৰি বাহলৈ গুচি আহিল। পুৰুষটিয়ে আমন-জিমনকৈ উৰা মাৰি ওচৰৰ গছৰ ডালত পৰিলগৈ। মোৰ মনত কি খেলালে জানানে? এই চৰাইজনীয়ে বাহটি সজাইছে কিহৰ

বাবে? তাইৰ বাৰু পৰিয়াল এটিৰ প্ৰয়োজন নাইনে? অন্ততঃ সংগী এটিৰ? সজাই তোলা বাহ এটিত অকলশৰে তাইনো কি জীৱন উপভোগ কৰিব? তেনেহ'লে যিটো চৰাই তাইৰ প্ৰেমত উতলা হৈছে সেইটিকেই বা তাই প্ৰত্যাখ্যান কৰিছে কিয়? সিতো তাৰ অনুৰাগ দেখুওৱাত ক্ৰুটী কৰা নাই? এনেদৰে ভাবি থাকোঁতেই মোৰ মনলৈ এটা উপলব্ধি আহিল। পুৰুষ চৰাইটোৰ প্ৰদৰ্শনকামী স্বভাৱক তাই গ্ৰহণ কৰিব পৰা নাই। কিন্তু পুৰুষৰ স্বভাৱেই যে সেইটো। তথাপি মই বুজি পালোঁ চৰাইজনীৰ ভিতৰত থকা নাৰীৰ অন্তৰখনে পুৰুষৰ এই প্ৰদৰ্শনকামী চৰিত্ৰটোক সন্দেহেৰে লৈছে। এনেকৈ ভবাৰ লগে লগে হঠাতে মোৰ তোমাৰ কথা মনত পৰিল।

আমাৰ পৰিচয় হোৱাৰ সময়ত তুমি আৰু মই পৰিণত বয়সৰ পুৰুষ আৰু নাৰী। মোৰ মনৰ ভিতৰত অনুৰাগৰ স্ফুলিঙ্গ কেনেকৈ উত্তপ্ত হৈ উঠিছিল নাজানো। হ'লেও এই বয়সত মোৰ মন তৰুণৰ দৰে চঞ্চল হৈ উঠা উচিত নাছিল। সেই চাঞ্চল্য মই নজনাকৈ মোৰ আচৰণবোৰতে প্ৰকাশ পাইছিল চাগে'। তোমাৰ ওচৰলৈ আহিবলৈ, তোমাৰ সান্নিধ্যত থাকিবলৈ, কত চেলু উলিয়াইছিলোঁ, কত ছলৰ আশ্ৰয় লৈছিলোঁ তাৰ ইয়ত্তা নাই। মই ক'ত কি সংকেত পাইছিলোঁ নাজানো। কিন্তু কিয় জানো ভাবিয়েই লৈছিলোঁ যে মই যিহেতু অনুৰাগ প্ৰকাশ কৰিছোঁ, তাৰ সঁহাৰি মই পামেই। পুৰুষৰহে মন। পুৰুষে যেতিয়া নাৰীৰ পৰা কিবা বিচাৰে, নাৰীয়ে সেয়া দিবই লাগিব, এই অধিকাৰৰ ধাৰণাটো পুৰুষৰ চাগে' মজ্জাগত হৈ গৈছে। মোৰো সেইটোৱেই হৈছিল চাগে'। মই যিহেতু তোমাৰ প্ৰতি অনুৰক্ত, মই ধৰিয়েই লৈছিলোঁ তুমি তাৰ প্ৰতিদান নিদিয়াকৈ নাথাকা। মই যে অপৰিণত মস্তিষ্কৰ মানুহ সেইটো নহয়। আন সকলো কথাতে সকলোৱে লক্ষ্য কৰিছে যে মই এজন ধীৰ, বিবেচক মানুহ। কিন্তু ধমনীত যি অনুৰাগ প্ৰবাহিত হ'ল তাত দেখোন তৰুণ তেজৰহে নৃত্য। কিন্তু নহয়, তাতোকৈয়ো ডাঙৰ কথা হ'ল মই এদিন কিশোৰৰ দৰে আচৰণ কৰি পেলালোঁ। তোমাক আকৰ্ষণ কৰিবলৈ অতবোৰ প্ৰদৰ্শন কৰাৰ পিছত এদিন যে কিশোৰ ঔৎসুক্যৰে তোমাক সুধিয়েই পেলালোঁ। কি শব্দ ব্যৱহাৰ কৰিছিলোঁ, কি বাক্য উচ্চাৰণ কৰিছিলোঁ এতিয়া সঠিক মনত নাই, কিন্তু মোৰ প্ৰশ্নৰ সাৰমৰ্ম আছিল এনেধৰণৰ, মই যে ইমান বিভিন্ন ধৰণে মোৰ অন্তৰবাৰ্তা তোমালৈ পঠিয়াইছোঁ তাৰ উত্তৰ কি? কোনো পৰিণত বয়সৰ মানুহে এনেধৰণে কিজানি প্ৰশ্ন নকৰে। প্ৰশ্নৰ উত্তৰ তেনেজনৰ কাৰণে নানা ৰঞ্জিত অনুভূতিৰে ব্যঞ্জিত হৈ আহে। সেয়েহে কৈছোঁ মোৰ প্ৰশ্নটোত কৈশোৰৰ ঔৎসুক্য নাছিল ; ঠিক যেনেকৈ কিশোৰে সকলো ধৰণৰ প্ৰথম অভিজ্ঞতা উৎসুক প্ৰশ্নৰ মাজেৰে প্ৰকাশ কৰে। তোমাৰ উত্তৰটো মই বিচৰা ধৰণৰ নাছিল, তুমি ঠিক এনে ধৰণৰ এষাৰ কথা কৈছিলা, 'সেই কথাষাৰ বাৰু মোৰ মনৰ মাজতে থাককচোন।' বহু ধৰণৰ ব্যাখ্যাৰে মই উত্তৰটো বুজিবলৈ চেষ্টা কৰিছিলোঁ। কৈহ্য বস্তু খাই পিয়াহ বঢ়াৰ দৰে মোৰ ঔৎসুক্য বাঢ়িছিল। উত্তৰটো সম্ভাব্য ব্যাখ্যাই নানা পথে লৈ গৈছিল। তেতিয়া বিমূঢ় হৈ পৰিছিলোঁ। ভাবিছিলোঁ ৰহস্যময় কৈহ্য উত্তৰটোৱে অনুৰাগৰ পিয়াহ

বঢ়াই দিবলৈকে তেনেকৈ কৈছিলা নেকি? আজি চৰাইহালৰ নাটখন দেখি আমাৰ সম্পৰ্কৰ ব্যাখ্যাটো আনধৰণে মনলৈ আহিছে। পুৰুষ চৰাইটোৰ প্ৰদৰ্শনকামী স্বভাৱক নাৰী চৰাইজনীয়ে সহজভাৱে ল'ব পৰা নাই। পুৰুষজনৰ আন্তৰিকতাক সন্দেহ কৰিছে। এতিয়া ভাবিছোঁ মোৰ অনুৰাগৰ নানা ধৰণৰ প্ৰদৰ্শনক তুমি সহজভাৱে ল'ব পৰা নাছিলা। আচৰণৰ এই পুৰুষালিৰ প্ৰতি তোমাৰ কিছু সন্দেহ আছে। ই চাগে' নাৰীৰ অভ্যন্ত সঁহাৰি। নাৰী চৰাইজনীৰ আচৰণে মোক দেখোন তেনে ইংগিত দিছে। এইদৰে ভাবোঁতেই কিন্তু মোৰ এটা কাহিনী মনত পৰিছে। মই তোমাক অলপ আগতে কৈছোঁ যে মোৰ শেহতীয়া আচৰণ আছিল কিশোৰ-সুলভ। কথাষাৰ কওঁতে মোৰ এটি কিশোৰৰ কাহিনী মনত পৰিছে। এটা বিশেষ অভিজ্ঞতাৰ কাহিনী। ঘটনাটো সঁচা। কিন্তু বাক্যৰ কৰ্তা-কৰ্ম-ক্ৰিয়াৰ শাৰীত আবদ্ধ হ'লে সি কাহিনী হৈ যায়। সেয়েই কাহিনী বুলি কৈছো।

দিনবোৰ অনাবিল আনন্দৰ আছিল এই কিশোৰৰ। বৰ আগ্ৰহেৰে পৃথিৱীৰ সকলো বস্তুকে চাইছিল সি আৰু সকলোতে সি আনন্দৰ লহৰী দেখিছিল। জীৱনৰ গতি আছিল ধীৰ। এখন বৰ্ধিষ্ণু চহৰৰ এটা সৰু আটোম-টোকাৰি ঘৰত সি বাস কৰিছিল। সিহঁতৰ ঘৰৰ গাতে লগা আন এটা ঘৰ আছিল। কোনোবা এজনে দুয়োটা ঘৰ এটা ঘৰ হিচাপে সাজিছিল কিন্তু পিছত ডাঙৰ ঘৰটোৰ মাজত এখন পকী দেৱাল দি দুটা ঘৰ কৰি দুজনক বিক্ৰী কৰিছিল। ইয়াৰে এটা ঘৰ কিশোৰৰ পৰিয়ালৰ বাসস্থান হৈছিল। আনটো ঘৰ যিজনে কিনিছিল তেওঁ ঘৰটো ভাৰাৰ কাৰণে ৰাখিছিল। সেই ঘৰটো বহুদিনলৈকে খালি হৈয়েই আছিল। বৰ্ধিষ্ণু চহৰ হ'লেও তাত পাইপৰ পানীৰ ব্যৱস্থা নাছিল। গতিকে কাৰোবাৰ ঘৰত আছিল পকীনাদ আৰু কাৰোবাৰ ঘৰত নলীনাদ। কিশোৰৰ ঘৰৰ পিছফালে এটা পকীনাদ আছিল। ওচৰতে এজোপা আঁহত গছ আছিল বাবে তাত নানা ধৰণৰ চৰাই-চিৰিকটি পৰিছিল। এই পিছফালৰ ঠাইডোখৰ আছিল নিৰ্জন। কিশোৰৰ বৰ প্ৰিয় ঠাই। এই ঠাইডোখৰকে আনটো ঘৰৰ পিছফালৰ পৰা পৃথক কৰিছিল এখন পকী দেৱালে। দেৱাল সাজোতে চাগে' বৰকৈ মছলা দিয়া হোৱা নাছিল। দেৱালত এটা ফাট মেলিছিল। সিটো ঘৰত মানুহ নাছিল, গতিকে ওচৰৰ হাই-উৰুমিও নাছিল। দুপৰীয়াৰ নিৰ্জন সময়খিনি কিশোৰে কটাইছিল এই পকীনাদটোৰ পাৰত, আঁহত গছত পৰা চৰাই-চিৰিকটিৰ নাচ-বাগ চাই বা পকীনাদটোত নিজৰ প্ৰতিবিম্বক সিয়াঁৰি। এই নিভৃত সময়খিনি কিশোৰৰ আছিল নিজৰ। পিছলৈ ডাঙৰ হ'লে যেতিয়া সি কবিতা লিখিব, এইবোৰ সময়ে চাগে' তাক প্ৰেৰণা যোগাব।

এদিন এনেকৈয়ে পকীনাদৰ নিজৰ প্ৰতিবিম্বৰ লগত নিভৃত আলাপ কৰি থাকোঁতে, তাৰ কাষলৈ ভাহি আহিল গুণ গুণ গানৰ শব্দ। সি আচৰিত হৈ চাৰিওফালে চাওঁতে বুজিব পাৰিলে যে গুণ গুণ এই গান বাহি আহিছে দেৱালখনৰ সিপাৰৰ পৰা। ইমানদিনে খালি হৈ থকা ঘৰটোলৈ তাৰ মানে কোনোবা আহিল। কৌতূহলী হৈ আগবাঢ়ি গৈ সি দেৱালৰ ফাঁকটোৰে সিফাললৈ চাই পঠিয়ালে। এটা অসাধাৰণ দৃশ্যই

তাৰ ভৰিবোৰ জঠৰ কৰি দিলে। তাৰ চকুলৈ বিস্ময়ৰ বিহ্বলতা নামি আহিল। চকু-মুখত সকলো তেজ গোট খাই বক্তিম কৰি দিলে। সি দেখিলে পকী দেৱালৰ সিটো পাৰত তৰ্জাবে সজা আহুতীয়া গা-ধোৱা এটা ঘৰ অস্থায়ীভাৱে সাজি লোৱা। তাত কিশোৰতকৈ বয়সত কেইবাবছৰো ডাঙৰ এগৰাকী গাভৰুৱে গুণগুণকৈ গান গাই গা-ধুইছে। দুপৰীয়াৰ নিৰ্জনতা আৰু তৰ্জাৰ আবুৰ — গতিকে গাভৰুৱে নিঃসংকোচে শৰীৰ অনাবৃত কৰি গা-ধুইছে। কিশোৰে নানা প্ৰাকৃতিক দৃশ্য দেখিছে, সেইবোৰৰ সৌন্দৰ্যত মুগ্ধ হৈছে। গুৱাহাটীলৈ যাওঁতে ব্ৰহ্মপুত্ৰত সূৰ্য ডুবাৰ অপৰূপ সৌন্দৰ্য প্ৰত্যক্ষ কৰাৰ সুযোগ তাৰ হৈছিল, বাৰিষাৰ আকাশ চিৰাচিৰ কৰা বিজুলীৰ তিৰ্‌বিৰ্ ভীষণ সৌৰ্ন্দয সি দেখিছে, অৰুণাচলৰ পাহাৰত পৰ্বতচূড়াৰ উন্মুক্ত ৰূপো তাক দেউতাকে এবাৰ দেখুৱাইছিল। কিন্তু আজি এইবোৰ সকলোতকৈ বেলেগ, নাৰীৰ অনাবৃত শৰীৰৰ অসাধাৰণ আকৰ্ষণে তাৰ শৰীৰ-মন বিহ্বল কৰি দিলে। সেই শৰীৰৰ সৌন্দৰ্য যে মোহনীয় প্ৰাচুৰ্যৰ গৌৰৱেৰে উৰ্দ্ধত, এই অসাধাৰণ ধাৰণা হঠাৎ তাৰ হ'ল আৰু এই সৌন্দৰ্য প্ৰত্যক্ষ কৰাৰ আনন্দই তাৰ শৰীৰ-মনক জোকাৰি এটি অশুভ মধুৰ বেদনাৰে তাৰ হিয়া ওপচাই পেলালে। বহুত দিন পিছত এই কিশোৰে যেতিয়া বত্তিচেল্লীৰ ভেনাচ দেখা পাব, এই অনাবৃত শৰীৰৰ বেদনা-মধুৰ সৌন্দৰ্যলৈ তাৰ মনত পৰিব আৰু এটা বিজনি আহিব যাব আৰু সি ভাবিব যে নাৰীৰ শৰীৰৰ সৃজনকৰ্তাজন হ'ল বত্তিচেল্লীতকৈ ডাঙৰ শিল্পী। কিমান সময় স্তব্ধ হৈ সি এই অপৰূপ দৃশ্য চাই আছিল নাজানে, কিন্তু তাৰ সম্বিৎ এটা সময়ত উভতি আহিল আৰু লুকাই এনেকৈ চোৱাৰ অপৰাধৰ বোধে তাৰ ভৰি-হাতবোৰ কঁপাই দিলে। সৌন্দৰ্যৰ উপলব্ধিৰ মাদকতা আৰু অপৰাধবোধৰ অনুশোচনাৰ পৰস্পৰ বিৰোধী অনুভূতিৰ টানত তাৰ মন গোটেই দিনটো আচ্ছন্ন হৈ থাকিল।

ইচ্ছাকৃতভাৱে কিশোৰে এই অপৰাধ কৰা নাছিল। সি কৌতূহলী হৈ দেৱালৰ ফাঁকটোৰে চাওঁতে এনে এটা দৃশ্য দেখিব বুলি ভবাই নাছিল। সময়ে হয়তো এই অপৰাধবোধৰ সাঁচ তাৰ মনৰ পৰা মচি পেলালেহেঁতেন। নাৰীৰ উন্মুক্ত শৰীৰৰ সৌন্দৰ্য সি বয়স হ'লে আগলৈও দেখিবলৈ পাব। তেতিয়া তাৰ মনত কোনো অপৰাধবোধ নাথাকিব। নাৰীৰ ভৰা শৰীৰক সি ভৰা নদীৰ সৌন্দৰ্যৰ লগত তুলনা কৰি চাব আৰু নাৰীকে বিজয়ী ঘোষণা কৰিব। তেতিয়াৰ সেই দেখা কিন্তু প্ৰথম দেখাৰ অভিজ্ঞতাৰ তুলনাত নিষ্প্ৰভ হৈ ৰ'ব।

কিশোৰৰ অপৰাধবোধ তীব্ৰ হোৱা কাৰণ কিন্তু ঘটিল। পিছদিনা নিজৰ ঘৰত সি সামাজিক পৰিবেশ এটাত গাভৰুগৰাকীৰ লগত চিনাকি হ'বলগীয়া হ'ল। নতুনকৈ ইটো ঘৰলৈ অহা ওচৰ-চুবুৰীয়াই কিশোৰৰ পৰিয়ালৰ লগত চিনাকি হ'বলৈ আহিল। সমাজ জীৱনৰ এইটোও এটা গত। ছোৱালীজনী শিষ্টাচাৰৰ এক আদৰ্শ। শিক্ষা-উৰণত পৰিমিতি বোধ, ভদ্ৰ আচৰণ, খোজ-কাটলত সহজ গাম্ভীৰ্য। আচৰণত ৰুচিবোধ। তাইৰ অভিভাৱকে তাইক সামাজিক সৌজন্যবোধৰ এক আদৰ্শ প্ৰতিনিধি কৰি গঢ়ি তুলিবলৈ

চেষ্টা কৰিছিল। দুয়োখন ঘৰ দুদিনতে আপোন হৈ পৰিল। তাইৰ নিজৰ ভায়েক নাছিল আৰু সহজতে কিশোৰটিক আপোন ভায়েকৰ নিচিনা কৰি ল'লে। নিজৰ ভায়েক এজনৰ ওপৰত যি আস্থা হ'লহেঁতেন সিমানেই আস্থা কিশোৰৰ ওপৰত। তেতিয়াৰ দিনত ছোৱালীবোৰে অকলশৰে বজাৰলৈ যোৱা, কাৰোবাৰ ঘৰলৈ ফুৰিবলৈ যোৱা আদি কৰিবলৈ টান পাইছিল। ক'ৰবালৈ যাবলৈ হ'লে সেয়েই গাভৰুগৰাকীৰ কিশোৰটিয়েই নিৰ্ভৰ। আৰু সেয়েই কিশোৰটিৰ তাই হৈ পৰিছিল বাইদেউ। মাজে মাজে কিন্তু কিশোৰটিৰ অবাধ্য মনটোত প্ৰথম দিনৰ দৃশ্যটিয়ে অনাহূতৰ দৰে আবিৰ্ভাব হৈ অনাহক শঙ্কাৰ সৃষ্টি নকৰাকৈ থকা নাছিল। সিহঁতৰ আবলিতাহীন সহজ সম্পৰ্কটোৰ মাজত সেই প্ৰত্যক্ষ দৰ্শনৰ দৃশ্যটি আছিল খাপ নোখোৱা আৰু সেয়েই তাৰ মনত অপৰাধবোধ হৈছিল তীব্ৰ। এই অপৰাধৰ ভাবটো যেতিয়া তাৰ মনৰ মাজত বেছি হৈ আহিবলৈ ধৰিলে, সি এদিন ঠিক কৰি পেলালে যে সি বাইদেউৰ আগত অজানিতে কৰা অপৰাধ সৈ কাঢ়ি দিব আৰু তেওঁক ক্ষমা খুজিব। আৰু তাৰ পিছত মনৰ দাপোণত বাৰে বাৰে ভুমুকি মৰা দৃশ্যটো সি মচি পেলাব। এদিন সঁচাকৈয়ে সি বাইদেৱেকৰ আগত সি কৰা অপৰাধৰ কথা সৈ কাঢ়ি দিলে। কিশোৰে ভাবিছিল তাৰ এই অকপট স্বীকাৰোক্তিক বাইদেৱেকে সহজভাৱে ল'ব, সিহঁতৰ মাজত থকা সৌহাৰ্দ্যৰ বান্ধোন দৃঢ়তৰ হ'ব, কাৰণ তাৰ সৰল স্বীকাৰোক্তিত তাৰ ওপৰত বাইদেৱেকৰ আস্থা বাঢ়িব। কিন্তু তাক আচৰিত কৰি দি বাইদেৱেকৰ প্ৰতিক্ৰিয়া হৈছিল বিপৰীত। তাৰ কথাবোৰ শুনি থাকোঁতেই তাইৰ মুখ-চকু ৰঙা পৰি গৈছিল আৰু অকস্মাৎ তাক এটা চৰ মাৰি দি তাৰ পৰা আঁতৰি গৈছিল। কিশোৰ হতভম্ব হৈছিল। সি বুজি পোৱা নাছিল এই প্ৰতিক্ৰিয়াৰ কাৰণ।

পিছদিনাখন আকৌ বাইদেৱেকৰ আচৰণ হৈ পৰিছিল সহজ। তাৰ লগত আগৰ ধৰণেই কথা পাতিছিল, ক'ৰবালৈ যাবলৈ তাক লগ ধৰিছিল। কিশোৰে আকাশত হঠাৎ ডাৱৰ হোৱা আৰু হঠাৎ পোহৰ হোৱা দেখিছে। বাইদেৱেকৰ আচৰণৰ লগত এই দৃশ্যৰ সাদৃশ্যটোৱেই সি তেতিয়া দেখা পাব। কিন্তু কিশোৰ এদিন ডাঙৰ হ'ব। বহুত কথাৰে পুৰণি ব্যাখ্যাৰ ঠাইত নতুন ব্যাখ্যা সি বিচাৰি পাব। তেতিয়া বাইদেৱেকৰ এই আচৰণৰ এটা আন ধৰণৰ ব্যাখ্যাও তাৰ মনলৈ আহিব। বায়েকৰ ক্ৰোধৰ উদ্‌গীৰণৰ কাৰণ এইটো নাছিল যে এজন পুৰুষে (কিশোৰ হ'লেওতো সি পুৰুষৰ প্ৰতিনিধি) এজনী নাৰীৰ দেহ-সৌষ্ঠৱ দৃষ্টিৰে ভোগ কৰি অনধিকাৰ দোষ কৰিছে। হয়তো সেই সময়ত তাৰ সেই সৌন্দৰ্যপায়ী মুগ্ধ দৃষ্টি দেখা হ'লে তাই একো নকৈ লৰালৰিকৈ কেৱল আঁতৰিহে গ'লহেঁতেন। কিন্তু কিশোৰে যেতিয়া কথাবোৰ কৈছিল, তাৰ সেই কথাবোৰে তাইক আন একধৰণে অনাবৃত কৰি দিছিল। পৰিয়াল-পৰিজনৰ মাজত সামাজিক পৰিৱেশত ডাঙৰ-দীঘল হওঁতে শিষ্টাচাৰৰ নিয়ম কিছুমানে তৈয়াৰ কৰা ৰুচিবোধৰ আবৰণ এখনেৰে তাই ভিতৰত প্ৰাকৃত নাৰীগৰাকীক বা natural woman গৰাকীক ঢাকি ৰাখিছিল। সংস্কৃতিৰ পৰা আহৰণ কৰা নাৰী-প্ৰকৃতিয়ে

প্ৰকৃতিয়ে দিয়া নাৰী-প্ৰকৃতিক আবুৰেৰে অৱগুণ্ঠিতা কৰি ৰাখিছিল। কিশোৰৰ বাক্যই এই আৱৰণখন টান মাৰি খুলি পেলাইছিল। শীল ৰুচিবোধে সজোৱা নাৰীগৰাকীয়ে ভিতৰৰ প্ৰাকৃত নাৰীগৰাকীক দেখি বিব্ৰত বোধ কৰিছিল। প্ৰাকৃত নাৰীগৰাকীয়ে তাইৰ পৰিপূৰ্ণ ৰূপৰ ওপৰত পেলোৱা পুৰুষৰ মুগ্ধ দৃষ্টিত পুলকিত হ'ব খুজিছিল। সামাজিক আচৰণৰ মাজেৰে ৰুচিবোধৰ পাঠ গ্ৰহণ কৰা নাৰীগৰাকীয়ে তাইৰ আচৰণৰ ওপৰত থকা আৱৰণ এনেকৈ খহি পৰোঁতে শঙ্কিত হৈ পৰিছিল। তাইৰ চৰটো কিশোৰৰ গাললৈ নাছিল। তাইৰ চৰটো আছিল কিশোৰৰ সেই বাক্যবোৰৰ ওপৰত যি বাক্যবোৰে আঁজোৰ মাৰি তাইৰ আবুৰ উদঙাই দি ভিতৰত এগৰাকী নাৰীক নিৰাভৰণ কৰি পেলাইছিল।

কিশোৰে এই ব্যাখ্যাত সান্ত্বনা লাভ কৰিব, কিন্তু তাৰ সত্যতা নাজানিব। কিশোৰৰ এই কাহিনীটো কৈ থাকোঁতে মোৰ মনলৈ তুমি মোক কোৱা বাক্যটোৰ এটা ব্যাখ্যা আহি গৈছে। কিশোৰৰ কাহিনীটো কোৱাৰ আগতে মই তোমাক এহাল চৰাইৰ নাট এখনৰ কথা কৈছিলোঁ আৰু তোমাৰ বাক্যৰ অৰ্থাৎ তুমি দিয়া উত্তৰৰ এটা ব্যাখ্যা তাত বিচাৰি পাইছিলোঁ। এতিয়া দেখোন আন এটা ব্যাখ্যাও পাবলৈ ধৰিছোঁ। মোৰ ধাৰণা হৈছে শিষ্টাচাৰে শিকোৱা এটা ৰুচিবোধৰ আৱৰণ তোমাৰ মনৰ ওপৰতো আছে। পুৰুষৰ আচৰণেৰে সেই আৱৰণ ভেদ কৰি মই ভিতৰৰ প্ৰাকৃতিক নাৰীগৰাকীক বিচাৰিব খুজিছিলোঁ। মোৰ অসংলগ্ন আচৰণ আৰু প্ৰশ্নই তোমাৰ মনৰ ওপৰত থকা শীল ৰুচিৰ আৱৰণখন আঁজুৰি খহাব খুজিছিল আৰু তুমি শঙ্কিত হৈ সেই আৱৰণখন ভালকৈ পুনৰায় মনৰ ওপৰত টানি-টুনি লৈছিলা। 'মোৰ মনৰ কথা বাৰু মনতেই থাককচোন' বুলি তুমি কোৱা কথাষাৰৰ এই ব্যাখ্যা বাৰু ভুলনে? অ' তুমি নোকোৱা। অৱশ্যেই বাক্যৰ গৰাকীয়ে বাক্যৰ ব্যাখ্যা নকৰে। কিন্তু গ্ৰহণ কৰোঁতাই যদি নিজৰ ধৰণে সেই বাক্য লয়, গৰাকীয়ে তাক নিয়ন্ত্ৰণ কৰিব নোৱাৰে। মই যেনিবা সেই সুযোগ গ্ৰহণ কৰি মনোমত ব্যাখ্যাৰ তৃপ্তি ল'লোঁ।

মই গল্প লিখা কথাহে আছিল। কিন্তু তোমালৈ কিবা-কিবি লিখিলোঁ। তুমি হয়তো ক'ব খুজিছা, 'এইবোৰ কি আবোল-তাবোল বকিছা?' (আবোল-তাবোল শব্দটো বাৰু অসমীয়া শব্দনে? হ'ব দিয়া। ধাৰ কৰা এটা শব্দই যদি সঠিক অৰ্থ আনে কি বেয়া)।

অ' ৰ'বা, ৰ'বা। এইবোৰ কথা কৈ থাকোঁতে চৰাইহালৰ নাটকখনলৈ চকু দিবলৈ পাহৰিছিলোঁ। মই বাৰাণ্ডাতে বহি আছোঁ। এতিয়া মোৰ চকু পুনৰ চৰাইহাললৈ গ'ল। সিহঁতৰ মাজত নাটখন চলি আছে। কিন্তু অলপ বেলেগ ধৰণেৰে। নাৰী চৰাইজনীয়ে আগৰ দৰেই সেউজীয়া বন মুখেৰে কাঢ়িয়াই আনি বাহ সজোৱাত ব্যস্ত। একান্তমনে এই এটা কাম তাই কৰি আছে। পুৰুষটিয়ে তাৰ কৌশল সলাইছে। আগৰ দৰে ব্যাকুল হৈ অনুৰাগ প্ৰদৰ্শন কৰিবলৈ গৈ তাইৰ চাৰিওফালে নাচি ফুৰা নাই। সি এডেও-দুডেও কৰি বাহটোৰ ফালে আগবাঢ়ি আহিছে। এবাৰ ফুৰফুৰকৈ নাৰীটিয়ে ধুনীয়া

সেউজীয়া বন এডাল কামুৰি বাহটোত সোমাল। কিছু সময় সোমায়েই থাকিল। ভাবিছিলোঁ পুৰুষ চৰাইটি এইবাৰ হতাশ হৈ গুচি যাব বা আগৰবাৰৰ দৰে আন এজোপা গছৰ ডালত বহি সুযোগৰ প্ৰতীক্ষা কৰিব। কিন্তু নহয়। সি দেখোন এবাৰ উৰা মাৰি আহি নাৰী চৰাইজনীৰ বাহটিৰ বাহিৰত লতা জুপি আগুৰি থকা বেঁকা ঠানি এটাত বহিল। অলপ ইফালে-সিফালে চালে। তাৰ পিছত দেখোন ফুৰুৎকৈ সিও তাইৰ বাহটোৰ ভিতৰলৈ সোমাই গ'ল। মই ভাবিছিলোঁ ভিতৰত এতিয়া সিহঁতৰ খুঁটিয়া-খুটি আৰম্ভ হ'ব। গোটেইখন সিহঁতৰ চেঁ-চেঁৰনিৰে ভৰি পৰিব। মই অপেক্ষা কৰি ৰ'লোঁ। দেখিলোঁ তেনে একো নহ'ল। ভিতৰত শান্তি বিৰাজমান। মই বুজি নাপালোঁ কি সংকেতৰ পৰানো পুৰুষ চৰাইটিয়ে চৰাইজনীৰ মনৰ ভাব বুজি পালে। সিহঁতৰ মাজত কোনো কথাৰ আদান-প্ৰদান হোৱাৰ ভাষা নাই। কিন্তু সংকেতৰ ভাষা কিবা আছে। কিবা এটা সূক্ষ্ম সংকেতৰ ভাষা পুৰুষ চৰাইটিয়ে বুজি পাইছে আৰু নিসংকোচে নাৰীটিৰ সংগ পাম বুলি বাহত সোমাইছে। আমি মানুহবোৰে শব্দ, বাক্যৰে সজা ভাষাৰে আদান-প্ৰদান কৰোঁ। কিন্তু সেই ভাষাৰো অৰ্থ বিকৃত হৈ যায়। শব্দহীন আচৰণেৰে অহা সংকেতৰ ভাষাৰ সঠিক অৰ্থ আমি বিচাৰি পাম জানো? তোমাৰ ভাষাহীন সংকেতৰ ভাষাও মই চিনি পোৱা নাই নেকি?

তুমি চাগে' এতিয়া বিৰক্তই হৈছা। গল্প ক'বলৈ লৈ এইবোৰ আং-বাং কথাৰ বকলা মেলিছোঁ। তুমি অভিযোগ অনাৰ আগতেই কৈ থওঁ শুনা। মই মূৰপোলোকা মৰাৰ বাট উলিয়াই থৈছোঁ, ইংৰাজীত যাক escape route বোলে। প্ৰথম পাৰাগ্ৰাফটোতে সেই বাট মই মুকলি কৰি থৈছোঁ। তুমি যদি কিবা সোধা, মই এইবোৰ আং-বাং কি কৈছোঁ, মই ক'ম, তুমি এইবোৰ কথা মোৰ কথা বুলি ধৰি লৈছা কিয়? মই গল্পহে কৈছোঁ। আৰু গল্প গল্পই। বাক্যৰ কৰ্তাই বাক্যৰ কৰ্মৰ মাজেদি ক্ৰিয়া কৰোঁতে সি কি অৰ্থলৈ পোনায়, অথবা কি তাৎপৰ্যৰ বাট মুকলি কৰি দিয়ে, তাৰ নিয়ন্ত্ৰক গল্প লেখক নহয়। দায়িত্ব বৰ্জনৰ এই স্বাধীনতাত মই গল্প লেখক হিচাপে কেনেকৈ আপ্লুত হৈছোঁ চোৱাচোন। শব্দবোৰে কি সুন্দৰ এখন দেৱাল কৰি দিছে, যাতে কল্পনাক বাস্তৱে চুব নোৱাৰে। সকলো গল্পই কাল্পনিক। বা কি মজা! তোমাক কোৱা মোৰ গল্পও কাল্পনিক বুলি যদি কওঁ মোক কোনেও চুব নোৱাৰে।

হয়তো সম্পাদকে তথাপি ক'ব, এইটো কেনে ৰোমান্টিক গল্প? মই ক'ম, সকলো ৰোমান্টিক কল্পনাৰে যদি স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটে, তেন্তে ৰোমান্টিক আইৰণি হয় ক'ব পৰা।

দেবব্রত দাস

দীঘাত দুদিন

তুলাচনীত তাগিদা এটা

দীঘাত দুদিন

এটা বিশাল প্ৰাসাদৰ ওখ ছাদৰ ওলমা কাঁচৰ ফানুচ বাতি জোবেৰে সৰি আহি, স্ফটিক পাথৰ মজিয়াত ভাঙি চুৰমাৰ গৈ গ'লে যেনে এটা সাংগীতিক শব্দ উৎপন্ন হ'ব প্ৰায় তেনে ধৰণৰ এটা প্ৰাণখোলা হাঁহিৰ শব্দই সৰু চাহৰ দোকানখনত বহি থকা আমি কেজনমানৰ দৃষ্টি আকৰ্ষণ কৰি দিলে। হাঁহিটো তেৰ-চৈধ্য বছৰীয়া কিশোৰী এজনীৰ। তাই থিয় হৈ আছে চাহদোকানৰ কাষতে লাগি থকা সৰু পাণদোকানখনৰ সমুখত। বৰকুণৰ বাবে তাই খিতাপি লৈছে। ছোৱালীজনীয়ে কাণ সমনীয়া ক'লা-মলা ল'ৰা এটাৰ সৈতে খুব ফূৰ্তিৰে কথা পাতি আছে। কাণ দি সংলাপৰ পৰা অনুমান কৰিবলৈ চেষ্টা কৰিলোঁ তাই উৰিয়া নে তেলেগু নে চাওতালী। ক'লী ছোৱালীজনীৰ শৰীৰত যৌৱনে প্ৰথম পৰশ ইতিমধ্যেই বুলাই গৈছে ; ফটা-ছিটা চুটি ফ্ৰকটোৰে অসাৱধানা ছোৱালীজনীয়ে হাঁহি-মাতি কথা পাতোঁতে মৃদু মৃদু কঁপি উঠা তাইৰ কিশোৰী বক্ষই তাৰেই উমান দিয়ে।

ছোৱালীজনীৰ হাতত এখন ডলা। ডলাত সাগৰৰ পাৰত পোৱা শঙ্খৰ টুকুৰাৰে নিৰ্মিত বিভিন্ন ধৰণৰ পুতলা আৰু আ-অলঙ্কাৰ। বুজা গ'ল তাই এনে ধৰণৰ বস্তু-বাহানি বিক্ৰী কৰি জীবিকা আৰ্জন কৰে। তাইৰ দেউতাক কোন? তেওঁ কি কৰে? দেউতাক নাই নেকি বাৰু? নহ'লেনো তাই এনে ধৰণৰ ফেৰীৱালা সাজিব লগা হয় নে? থাকিলেও হয়তো তাই খুব দুখীয়া পৰিয়ালৰ। সামান্য ভাত-কাপোৰখিনি যোগাৰ কৰাই সিহঁতৰ বাবে বেছ কষ্টৰ চাগে। নহ'লেনো তাই এনে ফটা-ছিটা ফ্ৰক পিন্ধি ঘূৰি ফুৰিব কিয়? নিশ্চয় সিহঁতৰ ঘৰৰ অৱস্থা খুব বেয়া। সেয়ে তাই ওলাই আহিছে ফেৰী কৰিবলৈ। সাগৰৰ পাৰত বুটলিবলৈ পোৱা ৰং-বিৰঙী শঙ্খৰ টুকুৰাৰে ঘৰতে তৈয়াৰ কৰা অসংখ্য আ-অলংকাৰ মালা-পুতলাৰে ডলা সজাই দীঘাত ফুৰিবলৈ অহা টুৰিষ্ট ভদ্ৰলোক, ভদ্ৰমহিলাক সেই সামগ্ৰীবোৰ বিক্ৰী কৰি দু'পইছা আৰ্জিবলৈ সেয়ে ওলাই আহিছে এই ভৰ দুপৰীয়া।

দীঘাত এনে সময়ত বৰষুণ নামে। ফৰকাল বতৰ খুব কমেই থাকে। বৰষুণত সাগৰ পাৰত ফুৰাত আমোদ নাই। সেয়ে এতিয়া দীঘাত টুৰিষ্ট নামমাত্র। হোটেলবোৰো তেনেই খালি। মই অলপতে বিয়া কৰালোঁ। বিয়া সংক্রান্ত দৰ্কাৰী হুলস্থুলবোৰ ঘৰত শাম কটাৰ পিছতে চন্দ্রাক লৈ দীঘালৈ বুলিয়েই ওলাই আহিলোঁ। টুৰিষ্ট কম থাকিলেহে মধুচন্দ্রিকা বেছিকৈ উপভোগ কৰিব পৰা যাব এনে অনুমান কৰি বৰষুণ বতৰ জানি-শুনিও দীঘালৈ আহিলোঁ। বাছৰ পৰা নামি ভাত-পানী খাই অকণমান আৰাম কৰি বাহিৰলৈ ওলাই আহিলোঁ। দেখিলোঁ ৰ'দ যদিও অদূৰত আকাশত ক'লা মেঘৰ লানিয়ে বৰষুণৰ যো-জা কৰিছে। তথাপি চন্দ্রাই সাগৰ পাৰলৈ যাব খুজিলে। চন্দ্রাৰ এয়েই প্রথম সমুদ্র দর্শন। মই অৱশ্যে পুৰীত, কোবালমত, বম্বেত সাগৰ কেবাবাৰো দেখিছোঁ। সাগৰ পাৰেৰে খোজ কাঢ়ি অলপ দূৰ যোৱাৰ পিছতে হুৰমূৰাই বৰষুণ নামিল। আমি দৌৰি গৈ কোনোমতেহে নিভিজাকৈ চাহৰ দোকানখন সোমাব পাৰিলোঁ। চাহৰ দোকানখনত জিলাপী, নাৰিকল লাৰু, নিম্‌কি আৰু চিঙাৰা আছে। নিকৃষ্ট চাহৰ দোকান। আমি ভালকৈ চাহ দুকাপ বনাবলৈ আদেশ দি মুখামুখিকৈ বহি ৰ'লোঁ। চন্দ্রাৰ মুখত প্রথমবাৰৰ বাবে সাগৰ দেখাৰ বিস্ময়, মুগ্ধতা, আবিষ্টতা। সেয়ে তাই ছোৱালীজনীৰ হাঁহি শুনা নেপালে। মই পালোঁ। আৰু নববিবাহিতা পত্নীৰ সমুখতে কিয় জানো তাইৰ কথাকেই ভাবিব ধৰিলোঁ। আপাত দৃষ্টিত দৰিদ্র যেন লগা ছোৱালীজনীৰ প্রাণ শক্তিৰ উচ্ছলতাখিনিৰ প্রাচুর্যই মোক বিস্মিত কৰি তুলিলে। যৌবনোদ্‌গম তাইৰ কিশোৰী শৰীৰৰ সাবলীল অংগী-ভংগীয়ে তাইৰ উপস্থিতিত এনে এক ৰহস্যৰ প্রলেপ সানিছে যি মোৰ অনুসন্ধিৎসাক আবিষ্ট কৰি ৰাখিব পাৰিছে। ক'লী-ম'লী ছোৱালীজনী। নাক-মুখ অকণো তীক্ষ্ণ নহয় তাইৰ। এক কথাত অকণো আকর্ষণ নাই তাইৰ অৱয়বত। কিন্তু তাইৰ সেই স্বতঃস্ফূর্ত সোচ্চাৰ মাৰাত্মক হাঁহিটোৱে মোক জোকাৰি থৈ গ'ল।

অকল মোকেই নহয় অদূৰৰ টেবুল এখন অধিকাৰ কৰি থকা তিনিজন যুবককো তাই যে আকৃষ্ট কৰিব পাৰিছে সেয়া মই বুজিব পাৰিলোঁ তেওঁলোকৰ কথোপকথনৰ পৰা। যুবককেজন নিশ্চয় মধ্যবিত্ত শ্রেণীৰ প্রতিভূ। দীঘালৈ ফূৰ্তি কৰিবলৈ আহিছে — সমুদ্রস্নান, ৰ'দত বহি 'বিয়াৰ' পান ইত্যাদি ইত্যাদি মধ্যবিত্তীয় বিলাস। সিহঁত যে এই অৱৰ্ণনীয়া দৰিদ্র ছোৱালীজনীৰ শাৰীৰিক প্রাচুর্যক লৈ ব্যস্ত হৈ পৰিব তাত আচৰিত হ'ব লগীয়া একো নাই। যুবককেজনে আদি-ৰসাত্মক ইংগিতেৰে যিটো ভাষাত অশালীনভাৱে ছোৱালীজনীৰ সুঠাম শৰীৰৰ প্রশংসা কৰি আছে সেই ভাষাটো ভাগ্যে চন্দ্রাই নুবুজে। বুজা হ'লে লাজতে তাইৰ কাণ-মূৰ ৰঙা হৈ গ'লহেঁতেন। তথাপি সিহঁতৰ কথোপকথনৰ পৰা তাইক আঁতৰাই ৰাখিবলৈ মই প্রায় জোৰ কৰিয়েই চন্দ্রাৰ সৈতে অবাস্তৱ কিছু চুইট নাথিং বলকিব ধৰিলোঁ।

গধূলি যদিও বৰষুণ নাহিল তথাপি সিদিনা সাগৰ পাৰত মানুহৰ সমাগম কম। সাগৰৰ পৰা ফেৰফেৰীয়া ঠাণ্ডা বতাহ এছাটি মাৰি আছিল। গোটেই বীচ্‌খনত খুব

বেছি বিশ-পঁচিছজন মানুহ বা টুৰিষ্টে ঘূৰাঘূৰি কৰি আছিল। মই আৰু চন্দ্ৰাই খোজকাঢ়ি গৈ গৈ বীচৰ এমূৰৰ সুদূৰতম প্ৰান্তত নিৰিবিলি বিচাৰি অকশমান ওখ ঠাই এটুকুৰাত বহি সাগৰৰ বুকুত জোন ওলোৱা চাবলৈ বহি ৰ'লোঁ। আমাৰ একান্ত তন্ময়তা বীচৰ বালিৰ ওপৰত বিচৰণৰত দুই-এজন টুৰিষ্ট, তেওঁলোকৰ হাঁহি-খিকিন্দালিৰ বাহিৰে আন একোৱে ভাঙিব পৰা নাছিল। ধূসৰ গধূলিটো লাহে লাহে সমুখৰ অনন্ত সাগৰখনৰ লগতে কটু কৃষ্ণতালৈ পৰ্যবসিত হোৱাৰ সাক্ষী হিচাপে মই আৰু চন্দ্ৰা একেলগে সহজ সান্নিধ্যত বহি সেই গধূলিটোৰ সনাতনতাক কিছুমান চুমাৰে ধৰি ৰাখিবলৈ যত্নৱান হৈ উঠিছিলোঁ।

"বাবু মালা ল'ব? মালা? শংখৰ মালা আছে বাবু! মেমচাহাবে পিন্ধিব — খুব ধুনীয়া লাগিব।"

ছোৱালীজনীয়ে হিন্দীৰে কোৱা কথাকেইটাই আমাক আমাৰ কাষৰ পৰা আঁতৰাই আনিলে। বুজিলোঁ ছোৱালীজনীয়ে তাইৰ বস্তু-বাহানি বিক্ৰী কৰাৰ ট্ৰিকচবিলাক শিকি থৈছে। আমাক নেলাগে বুলি কোৱা সত্ত্বেও তাই গুচি নগ'ল। উপৰন্তু কিবা এপদ কিনক, কিবা এপদ কিনক বুলি জোৰজাৰি কৰিব ধৰিলে। তাই ফেৰীবালাৰ বুদ্ধিৰে বুজি লৈছে যে মোৰ — চন্দ্ৰাৰ ইন্টিমেচিৰ এই ক্ষণকেইটাত তাইৰ উপস্থিতি বিন্দুমাত্ৰও আমাৰ বাবে সহনীয় নহয়। গতিকে সোনকালে তাইক আঁতৰাই পঠিয়াবলৈ আমাৰ হাতত উজু উপায় হ'ল তাইৰ পৰা কিবা এটা কিনি লোৱা। নিকিনিলে আমাক অকলশৰীয়াকৈ এৰি থৈ তাই নাযায়। উপায়হীন হৈ তাইক আমাৰ কাষলৈ মাতিলোঁ। তাই আহি আথে-বেথে তাইৰ ডলাখনৰ পৰা তাইৰ হাতত থকা আটাইতকৈ ধুনীয়া আৰু খুব সম্ভৱ আটাইতকৈ দামী মালা এডাল চন্দ্ৰাৰ পিনে আগবঢ়াই দিলে। চন্দ্ৰাৰ সেইডাল পচন্দ নহ'ল। কিন্তু তাই চন্দ্ৰাক সেইডালেই পতাবলৈ নেৰা-নেপেৰাকৈ কুটুৰিব ধৰিলে। মালাডাল হেনো খুব ধুনীয়া। উপায় নেপাই 'ইমান ধুনীয়া যদি মালাডাল তয়ে পিন্ধ' বুলি তাইৰ ডিঙিত সুমুৱাই দিলে। চন্দ্ৰাৰ এই উপায়হীনভাৱে খং উঠাৰ ভংগীটো ইমান মৰম লগা হৈছিল যে মই আৰু ছোৱালীজনী দুয়ো হাঁহি উঠিলোঁ। মই অলপপৰৰ পিছতে উপলব্ধি কৰিলোঁ ছোৱালীজনীৰ হাঁহিটো, সেই দুপৰীয়াৰ হাঁহিটো। খিল্‌খিল্ হাঁহিৰে তাই ভাঙি পৰিব খুজিছে। তাইৰ হাঁহিৰ শব্দটোৱে সমুখৰ বিশাল সাগৰখন, ক'লা হৈ উঠিব ধৰা আকাশখন, সাগৰপাৰৰ বীচখনৰ আমি বহি থকা সুদূৰতম প্ৰান্তটোৰ অমোঘ প্ৰশান্ততাখিনিলৈ যেন প্ৰত্যাহ্বানহে জনাইছে। তাইৰ উচ্ছল নিৰ্মল আনন্দখিনিয়ে তাইৰ পইচা উপাৰ্জনৰ আকুলতাখিনি ফটা-ছিটা ফ্ৰকটোৱে আগুৰি ৰখা তাইৰ দৰিদ্ৰতাখিনিক এতিয়া খন্তেকৰ বাবে হ'লেও যেন দমাই ৰাখিব পাৰিছে—সেই বাবেই মোৰ ভাল লাগি গ'ল।

উভতি গৈ কলিকতাত পুনৰ বেতিয়া মোৰ কলেজীয়া দিনৰে বন্ধু অসিত, চিন্ময়, তপনহঁতৰ লগত আমাৰ নিয়মীয়া আড্ডাত বহিলোঁ, তেতিয়াও আড্ডাত মোৰ

মধুচন্দ্ৰিকাৰ বিবৰণতকৈ এই যেৰীবালা ছোৱালীজনীৰ হাঁহিৰ কথাহে বেছিকৈ বৰ্ণাব ধৰিলোঁ। অসিত বিৰাট ব্যৱসায়ী সংস্থাৰ অফিচাৰ যদিও সি কবিতা লিখে, বিয়া-বাৰু কৰোৱা নাই, চাকৰিৰ পইছা নেসাঁচি তাৰে কবিতাৰ আলোচনী উলিয়ায়। চিন্ময় ৰবীন্দ্ৰ সাহিত্যৰ ছাত্ৰ। তপন এখন বহুল প্ৰচাৰিত বাতৰি কাকতৰ সাংবাদিক। কেউজনৰে হৃদয়ত সংবেদী মন একোটা একোটা আছে — মই যেতিয়া বিস্তৃতভাৱে অকল ছোৱালীজনী আৰু তাইৰ হাঁহিটোৰ কথা বৰ্ণাব ধৰিলোঁ, সিহঁত কেউটাই যথেষ্ট 'মুড্‌' হৈ গ'ল। পিছত অসিতৰ চিঠি এখনৰ পৰা জানিব পাৰিলোঁ — মোৰ মধুচন্দ্ৰিকাৰ বিবৰণৰ আলমত তপনে এটা চুটি গল্প লিখি প্ৰকাশ কৰিছে। গল্পটোৰ শেষ অংশখিনি বেছ ৰোমাঞ্চকৰ। ছোৱালীজনী হেনো আমাৰ ওচৰত মালা বিক্ৰী শেষ কৰি জনসমাগমৰ পৰা দূৰলৈ তাইৰ ঘৰ অভিমুখে খোজ লৈছে অকলশৰে। নিজান বাটেৰে—সাগৰৰ পাৰে পাৰে। অলপ পিছত দেৱব্ৰত আৰু চন্দ্ৰাই দেখিলে দুপৰীয়া চাহদোকানত আদি-ৰসাত্মক বাৰ্তালাপত মগ্ন যুৱক তিনিজনে সেই ছোৱালীজনী যোৱা বাটেৰে ফিছিঙা ফিছিং কৰি খোজ কাঢ়ি গৈ আছে। দেৱব্ৰত, চন্দ্ৰাই এই সাধাৰণ কথাটোত গুৰুত্ব নিদিলে আৰু আকৌ মধুচন্দ্ৰিকাসুলভ প্ৰেমালাপ, মৰম-আদৰত দুয়ো দুয়োকে বুৰাই ৰাখিলে। পিছদিনা ৰাতিপুৱা দেৱব্ৰত-চন্দ্ৰাই মৰ্ণিংৱাক কৰিবলৈ ওলাই গৈ দূৰ সমুদ্ৰ পাৰত বালিত ডলা এখন আৰু শংখৰ মালা পুতলা সিঁচৰিত হৈ থকা দেখা পাই বিচাৰি-খোচাৰি ওচৰৰে এটা জোপোহাৰ মাজত ছোৱালীজনীৰ মৃতদেহ আৱিষ্কাৰ কৰিব। পুলিচে খুনৰ কাৰণ হিচাপে নথীভুক্ত কৰিব — কেবাজনৰো ছোৱালীজনীৰ ওপৰত পাশবিক অত্যাচাৰ আৰু বলাৎকাৰ। অসিতে লিখামতে গল্পটোৱে যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰিলে হেনো।

বহুদিনৰ মূৰত মই আকৌ দীঘাত। এইবাৰ লগত চন্দ্ৰা নাই। কলিকতালৈ এখন চেমিনাৰ এটেণ্ড্ কৰিব আহিছিলোঁ। তপন আৰু অসিতে ততাতৈয়াকৈ দীঘাৰ প্ৰগ্ৰাম তৈয়াৰ কৰি পেলালে। ময়ো গুৱাহাটীলৈ উভতা দুদিন স্থগিত কৰি সাগৰ পাৰত অকণমান ফুৰি যাওঁ বুলি দীঘা পালোঁহি। ততাতৈয়াকৈ আহোঁতে কলিকতাৰ পৰা হুইস্কি-বিয়াৰ একো অনা নহ'ল। আমি উঠা টুৰিষ্ট ডিপাৰ্টমেণ্টৰ কটেজটোৰ ওচৰতে মাছমৰীয়া গ্ৰাম্যজনৰ বস্তি। তাত দেশী মদ পোৱা যায়। ফুৰিবলৈ আহিলে অনিয়মেই নিয়ম বুলি আমি তিনিওটাই মদৰ ভাটি বিচাৰি বস্তি পালোঁগৈ।

আমি যিখন ভাটিত বহিলোঁগৈ তাত সুৰাৰ লগে লগে নাৰীদেহৰ ব্যৱসায়ো চলে। গধূলি তেতিয়া হৈ হুলোড় পূৰাদমে চলি আছে। আমি অলপ অলপকৈ মাতাল হ'ব আৰম্ভ কৰিলোঁ। উৎকৃষ্ট মাছভজা আৰু তেজাল দেশী মদ মাটিৰ গিলাচত। আমাক নাৰিকল গছ আৰু খেৰৰ জুপুৰিবোৰে আগুৰি আছে। মাতাল হোৱাৰ বাবে আইডিয়েল ৰোমাণ্টিক পৰিবেশ। নানান কথাৰ মাজত হঠাতে মোৰ মধুচন্দ্ৰিকাত লগ পোৱা ছোৱালীজনীৰ কথা উঠিল। অসিতে ক'লে, "সেই ছোৱালীজনীয়ে তোক গল্প লিখক হিচাপে বিখ্যাত কৰি দিলে। সেই ছোৱালীজনীক লগ ধৰি তই ধন্যবাদ দিয়া উচিত।"

"এৰা, তই ঠিক কৈছ। কিন্তু তাইক লগ পাবি কেনেকৈ? মইতো তাইক চিনি নেপাওঁ। ই চালা দেবব্ৰতে তাইক চিনি পায় — তই তাইক বিচাৰি দে না অ' দেবব্ৰত, দেনা।" কথাৰ পৰা বুজিব পাৰিলোঁ তপন ইতিমধ্যেই বেছ নিচাগ্ৰস্ত।

"নাই! নাই। এতিয়া মই সেইবিলাক ছোৱালী-টোৱালী বিচৰাত নাই। মোক শান্তিত মদ খাব দে।"

এইবাৰ অসিতেও যোগ দিলে, 'নহয় অ' দেবব্ৰত তই আৰ্জেন্সিটো বুজা নাই। সেই ছোৱালীজনীৰ কি হ'ল, তাই এতিয়া কি অৱস্থাত, ক'ত আছে, জানিবলৈ এটা স্বাভাৱিক আগ্ৰহ আছে দেচোন আমাৰ— ব'লা না তাইক বিচাৰোঁ।"

কিছু সময় পিছত ভাটিৰ গাতে গা লাগি থকা জুপুৰি এটাৰ পৰা প্ৰায় ভেনেকুৱা, প্ৰায় সেই ছোৱালীজনীৰ হাঁহিটোৰ নিচিনা এটা প্ৰাণখোলা হাঁহি ভাহি অহা আমি শুনিব পালোঁ। অলপপৰ তভক মাৰি অসিতে মোক সুধিলে — "সেই হাঁহিটো — সেই হাঁহিটো তই সহ বছৰ আগেয়ে শুনা হাঁহিটো নহয়নে?"

"হয়? হাঁহিটো প্ৰায় অবিকল সেইছোৱালীজনীৰ হাঁহিটো।"

"দেবু হয় অ', সেই ছোৱালীজনীয়েই— সেই ফেৰীৱালী ছোৱালীজনীয়েই কিজানি আজি এই মদৰ ভাটি বেশ্যাখানাত সোমাই আছেহি?"

"না" মই প্ৰতিবাদ কৰিলোঁ, ' এই হাঁহিটো সেই হাঁহি হ'বই নোৱাৰে। সেই হাঁহিটো আছিল সজীৱ হাঁহি, প্ৰাণোচ্ছল হাঁহি। এই হাঁহিটোত সেই হাঁহিটোৰ স্বতঃস্ফূৰ্ততা নাই। এই হাঁহিটো যথেষ্ট লেবাৰ্ড। কোনোবা যুৱতীয়ে জোৰ কৰি হঁহা হাঁহি। এইজনী সেইজনী ছোৱালী হ'বই নোৱাৰে।"

অসিতে কিন্তু নেনে — "বয়সৰ আঁচোৰ বুলি এটা কথা আছেতো? কিশোৰী এতিয়া যুৱতী। বয়সে তাইৰ হাঁহিৰ পৰা স্পনটেনেইটি কাঢ়ি লৈ গৈছে। কিন্তু মই নিশ্চিত যে এই ছোৱালীজনীয়েই সেই ছোৱালীজনী। ব'লচোন চাই আহোঁ। তই চিনি পাবি।"

নিচাগ্ৰস্ত তপনে এইবাৰ দাৰ্শনিকৰ দৰে নিস্পৃহতাৰে ক'ব ধৰিলে, "ফেৰীৱালা ছোৱালীজনী এজনী নিষ্কলঙ্ক কিশোৰী। দৰিদ্ৰ কিন্তু নিষ্পাপ। তাই মালা বিক্ৰী কৰি পেট প্ৰবৰ্তায়। মালা বিক্ৰী হ'লেই তাই খাবলৈ পাব। তাইৰ সহজ জীৱন যাত্ৰাত পাপে তেতিয়াও প্ৰবেশ কৰা নাই সেয়ে তাইৰ হাঁহি নিৰ্মল প্ৰাণোচ্ছল, স্পনটেনিয়াচ্, কিন্তু তাই যেতিয়া যৌৱনত । তেতিয়া দৰিদ্ৰতাই যৌৱনক উপহাস কৰি তাইৰ জীৱনলৈ পাপ মাতি আনে। পিতৃহীন ফেৰীৱালা ছোৱালী মদৰ ভাটিলৈ আহে। বেশ্যা হৈ যায়।"

অসিত এইবাৰ উৎসাহত ফাটি পৰে "একজেক্টলি। সেই ছোৱালীজনীয়ে এই ছোৱালীজনী। তাইক আমি লগ পাবই লাগিব। ব'ল।" মোক সি এহাতেৰে খামুচি টনাৰ উপক্ৰম কৰিলে, আনখন হাতেৰে বটলটোৰ এক-তৃতীয়াংশ মদ সি ঢকঢকাই গিলি পেলালে।

মই অলপ সময় তভক মাৰি চিন্তা কৰিলোঁ — কথা দূৰলৈ গতি লৈছে। আমি তিনিটা উচ্চবিত্ত মধ্যবয়সী সমাজৰ অদৰ্কাৰী জীৱ। আমি এতিয়া এজনী অচিনাকি ছোৱালী বিচাৰি যাম। কেৱল এই বাবেই যে সেই ছোৱালীজনীৰ এটা হাঁহিৰ আলম লৈ আমাৰ মাজৰে এজনে কিঞ্চিৎ সাহিত্যিক সুনাম কিনিছিল। লেখকজনে ছোৱালীজনীক ধন্যবাদ জনাব। কি বুলি ধন্যবাদ জনাব — তাই দৰিদ্ৰ বুলি? নে তাই দৰিদ্ৰতাৰ মাজতো হাঁহিব পাৰিছে বুলি? আমাৰ শুদা মুখৰ ধন্যবাদ এটা তাইৰ বাবে কিমান মূল্যবান? মই অলপ গমি-পিটি চালোঁ। আজি ৰাতিৰ এইখন তৃতীয় শ্ৰেণীৰ ভাটিখানা। বেশ্যালয়ৰ ভিতৰত আমি তিনিটা মাতালে ছোৱালীজনীক লৈ এনে কাণ্ড এটা কৰিলে কথা বহুদূৰ পাৰগৈ পাৰে। এতেকে মই তৎক্ষণাৎ মিছা মাতি পেলালোঁ।

"ভাই অসিত, ভাই তপন। মোক মাফ কৰিবি। দহবছৰ আগেয়ে মই তহঁতৰ আগত মিছা কথা কৈছিলোঁ। চন্দ্ৰাৰ লগত যোৱাবাৰ দীঘালে আহোঁতে মই কোনো মালা বেচা ফেৰীৱালা ছোৱালী লগ পোৱা নাছিলোঁ বা তাইৰ কোনো হাঁহিও শুনা নাছিলোঁ। ফেৰীৱালা ছোৱালীৰ প্ৰসংগ ইয়াতে শেষ কৰ।"

সেইদিনা গভীৰ ৰাতি আমি তিনিজনে ঢলংপলংকৈ ভাটিখানাৰ পৰা ওলাই আহিছিলোঁ। মূৰটো ঝিম্ ঝিম্ কৰিছিল। বেছি নিচা লাগিছিল। ভাটিটোৰ কাষতে ৰাস্তাৰ দুয়োকাষে বহুতো জুপুৰি। গৰীব মানুহৰ ভঙা-ছিঙা জুপুৰিবোৰ। হোটেললৈ উভতি অহাৰ বাটত মই কেবা ঠাইতো ৰ'ব লগীয়া হ'ল। প্ৰায় প্ৰতিটো জুপুৰিৰে পৰা ওলাই অহা শব্দ এটাই মোক ৰৈ যাবলৈ বাধ্য কৰাইছিল। মাজতে এবাৰ তপনে সুধিলে - "ঐ তই ৰৈ গৈছ কিয়?"

"এটা শব্দ এটাৰ উমান লৈছোঁ।"

"কি শব্দ?"

"এটা হাঁহিৰ শব্দ। সেই হাঁহিটো — সেই ফেৰীৱালীজনীৰ হাঁহিটো - সেই হাঁহিটো চোন প্ৰতিটো জুপুৰিতে শুনা যায় — তহঁতে শুনা নাই? শুনচোন শুন। কাণ পাতি শুন।"

"হাঃ মাতাল! নিচা হৈছে ৰে' — দেৱব্ৰতৰ ভাল নিচা হৈছে।"

তুলাচনীত তাগিদা এটা

ছোৱালীজনী প্ৰায়েই বৈ থাকে। প্ৰায়েই মই দেখোঁ, — ঝুৰাগুাত কাঠৰ বেলিঙত ভেজা দি অথবা আগচোতালত মুঢ়া পাৰি বহি পিঠিত ব'দ পেলাই, অথবা ঘৰৰ ভিতৰত খিৰিকীৰ পৰ্দা আঁতৰাই লোহাৰ ৰডৰ মাজেৰে মুখ উলিয়াই মূৰ্তিবৎ বৈ আছে ছোৱালীজনী। বিগত যৌৱনা ছোৱালীজনী। ত্ৰিশ-বত্ৰিশ, নে তাতোকৈ বেছি? পঁয়ত্ৰিশ-ছয়ত্ৰিশ? কমনীয়তাৰ লেশমাত্ৰও নাই এতিয়া। মুখত এটা কৰ্কশ কঠিন ভাব। দেহত কুমাৰী সুলভ ঋজুতা, নমনীয়তা নাই আৰু —কংকালত, ভিঙিত মেদৰ প্ৰলেপ। খুব ওচৰৰ পৰা কেতিয়াও মই দেখা নাই যদিও, মই অনুমান কৰিব পাৰোঁ — তাইৰ চকুৰ তলত অথবা নাক আৰু মুখৰ মাজত বয়সে নিশ্চয় এটা-দুটা আঁচোৰ টানিছে ইতিমধ্যে।

তাই বৈ থাকে। প্ৰায়েই বৈ থাকে। তাইৰ এই বৈ থকাটোৱে মোক ভৰাই তোলে। তাই কাৰ বাবে বৈ থাকে? তাই কিহৰ বাবে বৈ থাকে? কোনোবাই কেতিয়াবা আহি তাইক তাইৰ বৰ্তমান দমনীয় দশাটোৰ পৰা উদ্ধাৰ কৰি নিবহি বুলি বৈ থাকে নেকি? কি আশা হিয়াত পুহি ৰাখি তাই বৈ থাকে? তাইৰ এই বৈ থকাটোক লৈ এটা গল্প লিখি পেলাবলৈ মোৰ মন যায়। এটা নতুন তাগিদা মোৰ মনত জন্মে।

ছোৱালীজনীৰ ইমানদিনে বিয়া হোৱা নাই। ছোৱালীজনীৰ মাক-দেউতাক নাই। ডাঙৰ ককায়েকে কেৰাণীৰ চাকৰি এটা কৰিছিল। অতিপাত মদ খোৱাৰ ফলত লিভাৰৰ অসুখ হৈ ঢুকাল। সৰু ককায়েকজনে পঢ়া-শুনা নকৰিলে। ককায়েকৰ বদ অভ্যাসবোৰ তেওঁ ইতিমধ্যে শিকি লৈছে। প্ৰায়েই ৰাতি আমাৰ চুবুৰিত মানুহে শুনা পায়—সিহঁতৰ ঘৰৰ হুলস্থূল। প্ৰায়েই ৰাতি মদ খাই ওভতা ককায়েকে ঘৰতে বুঢ়ী হ'ব ধৰা ভনীয়েকজনীক নিৰ্দয়ভাৱে মৰিবলৈ ধৰে, অকথ্য গালি-গালাজ কৰে। চুবুৰিৰ আন মানুহে মাত নেমাতে। মই কিন্তু ইয়াৰ আগেয়ে তিনি দিন, প্ৰায় মাজৰাতি সিহঁতৰ ঘৰৰ দুৱাৰত টুকিয়াই গণ্ডগোল বন্ধ কৰিবলৈ সকীয়নি দি আহিছোঁ। চুবুৰিৰ আন মানুহবোৰৰ পো-পৰিয়াল আছে। গতিকে লাজ-কাজও আছে। সেয়ে তেওঁলোকে মাত নেমাতে।

মোৰ পৰিয়াল নাই; মোক মোৰ পত্নীয়ে পৰিত্যাগ কৰি ঘৰৰ পৰা ওলাই গৈছে। গতিকে মোৰ লাজ-কাজও নাই। মাজবাতি ককায়েক-ভনীয়েকৰ কাজিয়াত মধ্যস্থতা কৰিবলৈ যাওঁতে ককায়েকে অভদ্ৰ কথাৰে মোক অপমান কৰিলে, ময়ো অবাইচ মাত মাতি দিব পাৰোঁ। কিন্তু এতিয়ালৈকে ঘটনা তিমান দূৰলৈ গতি লোৱা নাই। মই সকীয়নি দিয়াৰ পিছত সদায় গণ্ডগোল শাম কাটে। ককায়েকে শুবলৈ লয় আৰু ভনীয়েকে উচুপিবলৈ। সেইদিনা ষ্টেডিয়ামত কিবা এখন ভাল ফুটবল খেলা আছিল। তিনিটকীয়া টিকটৰ গেলেৰীত বহিবলৈ ঠাই নাই। টিকট বেছিকৈ 'ইচ্ছু' কৰা হৈছে নিশ্চয়। সেয়ে পলমকৈ সোমোৱা অসংখ্য মানুহে গেলেৰীত তলতে থিয় দি আছে। এনেতে দেখা গ'ল গেলেৰী আৰু খেল পথাৰৰ মাজৰ লোহাৰ তাঁৰৰ বেৰাখনৰ মাজেৰে এটা সৰু ফুটা ওলাইছে। মানুহ এজন কথমপি সৰকি যাব পৰাকৈ। খেল পথাৰৰ চাইড লাইনৰ কাষে কাষে শাৰী শাৰী খালি চকী, য'ত বহিবলৈ কুৰি-পঁচিছ টকাৰ টিকট কাটিব লাগে। গেলেৰীৰ তলত থিয় দি থকা মানুহখিনিৰ কেইজনমানে ফুটাটোৰে সৰকি, দৌৰি গৈ খালি চকীবোৰত বহি ল'লেগৈ। চাওঁতে চাওঁতে কমেও ষাঠি-সত্তৰজনমান মানুহ তেনেকৈয়ে বেৰাখন পাৰ হৈ গ'ল।

দামী টিকটৰ চকীবোৰলৈ, গেলেৰীৰ কম দামী টিকট কটা মানুহখিনিৰ অনধিকাৰ অনুপ্ৰৱেশ বন্ধ কৰিবলৈ কেইজনমান চিপাহী আৰু এজন পুলিচ অফিচাৰ দৌৰি আহিল। লগে লগে ঠিক তাৰ আগেয়ে ফুটাটোৰে বেৰা পাৰ হোৱা মানুহকেইজন পলাই পত্ৰং দিলে চৌদিশে। দৃশ্যটোৱে গেলেৰীত বহি থকা আমাৰ দৰে দৰ্শকবোৰক যথেষ্ট আমোদ দিলে। এটা সন্মিলিত হাঁহিৰ ৰোল শুনা গ'ল।

ঠিক সেই মুহূৰ্ততে এজন শকত মানুহে কষ্টেৰে সৰু ফুটাটো পাৰ হোৱাৰ চেষ্টা কৰি আছিল। পুলিচৰ আকস্মিক আগমনতেই হওক বা উপস্থিত বুদ্ধি হঠাৎ লোপ পোৱাৰ বাবেই হওক মানুহজনে আমাৰ গেলেৰীৰ পিনে উভতি নাহি যথেষ্ট শাৰীৰিক বল প্ৰয়োগেৰে কোনোমতে ফুটাটো পাৰ হ'ল আৰু চকীবোৰৰ পিনে দৌৰিবলৈ ধৰিলে। অৱধাৰিতভাৱে মানুহজন পুলিচৰ হাতত পৰিলগৈ আৰু পুলিচকেইটাই মৰাশৰ ওপৰত শগুণ পৰাদি মানুহজনক লাঠিৰে কোবাবলৈ ধৰিলে। এক ষ্টেডিয়াম ভৰ্তি মানুহৰ সমুখতে।

অলপ আগৰ আমোদজনক দৃশ্যটোৰ এনে কৰুণ সমাপ্তিত আমি সকলোৱে স্তব্ধ আৰু অবাক হৈ গ'লোঁ। এজন দৰ্শকে পুলিচকেইটাক উদ্দেশি চিঞৰি ক'লে, "হেই নেমাবিবি! নেমাবিবি!"

আন এজন : "গেলেৰীৰ টিকট বেছিকৈ বিক্ৰী কৰি যে আমাক বহিবলৈ ঠাই দিয়া নাই তাৰ কাৰণে তহঁত পুলিচে কি কৰিছ! চাল্লা! মানুহ পিটিবলৈ আহিছে!"

ইমান পৰে চুপ-চাপ ঘটনা লক্ষ্য কৰি থকা নিমাখিত ময়ো আচৰিত কথা, ময়োচোন উত্তেজনা বিহুল হৈ বহাৰ পৰা উঠি থিয় হৈ, ময়োচোন আন আন দৰ্শকৰ দৰে শালীন-অশালীন ভাষাৰে পুলিচকেইটাক লাঠি-প্ৰহাৰ বন্ধ কৰিবলৈ সজোৰে

আবেদন কৰিবলৈ ধৰিলোঁ।

সমূহ দৰ্শকৰ প্ৰতিবাদৰ সমুখত এসময়ত লাঠি-প্ৰহাৰ বন্ধ হ'ল আৰু অপৰাধী মানুহজনক পুলিচকেইজনে টানি টানি এফালে লৈ গ'ল। এসময়ত খেল আৰম্ভ হ'ল আৰু আমি দৰ্শকবৃন্দই খেলৰ উত্তেজনাত কিঞ্চিৎ আগতে ঘটি যোৱা দুৰ্ঘটনাটো সম্পূৰ্ণ পাহৰি গ'লোঁ। সেই দুৰ্ভগীয়া দৰ্শকজন হস্পিতাললৈ গ'ল নে পুলিচৰ লক্-আপলৈ — সেই বিষয়েও কোনো বিতৰ্ক আমাৰ ওচৰে-পাঁজৰে গেলেৰীত শুনা নেপালোঁ।

এই ঘটনাটোক আলম কৰি এটা ভাল গল্প লিখিব পাৰি। কিন্তু আজি যেতিয়া মই এই ইন্টাৰেষ্টিং ঘটনাটো মনত পেলাওঁ, ঘটনাটোৱে মোক বিশেষ ভবাই নোতোলে বা ঘটনাটোতে এটা পূৰ্ণাংগ গল্পৰ সমল থকা সত্বেও তাক সজাই-পৰাই লিখি উলিয়াবলৈ মোক প্ৰৰোচিত নকৰে। যেনেকৈ নকৰে যোৱাকালি ঘটি যোৱা মোৰ দুৰ্ঘটনাটোৱে।

ফাঁচী বজাৰৰ পৰা মই গৈ আছোঁ, ৰিক্সা এখনত বহি ষ্টেছনৰ পিনে। লাখটকীয়াৰ মচজিদটো পাৰ হ'লোঁ। ৰাস্তাটোৱে যিখিনিত এটা বেঁকা ভাঁজ লৈছে, ঠিক সেইখিনিতে দামী সুদৰ্শন বিৰাট চেভ্ৰলে, গাড়ী এখন ভুল ঠাইত এনেকুৱাকৈ মালিকজনে এৰি গৈছে যে পাণবজাৰৰ পিনৰ পৰা অহা গাড়ীয়ে এইপিনৰ পৰা যোৱা গাড়ী-ঘোঁৰা একেবাৰেই দেখা নেপায়। আমাৰ ৰিক্সাখনো দেখা নেপালে সিপিনৰ পৰা বেগেৰে আহি থকা ট্ৰেকাৰ এখনে। শেষ মুহূৰ্তলৈকে। কোনোমতে ট্ৰেকাৰখন ড্ৰাইভাৰে একাষৰীয়াকৈ নিলে যদিও সোঁ হেড লাইটটো আৰু ৰিক্সাৰ আগ চকাটো তৎক্ষণাত ভাঙি গ'ল। ৰিক্সাবালাজন লগে লগে মাটিত পৰি গ'ল। মই ৰিক্সাৰ ছীটত। ঘটনাৰ আকস্মিকতাত হতবাক হৈ গ'লোঁ। বিহ্বল হৈ গ'লোঁ।

সময়টো আছিল সন্ধিয়া। ৰাস্তাৰ ইফালে-সিফালে বৈ থকা ডেকাকেইজনমানে ট্ৰেকাৰৰ ড্ৰাইভাৰজনক আগুৰি ধৰি নমাই আনিলে। কেইজনমানে ৰিক্সাবালাটোক ধৰাধৰিকৈ লৈ গ'ল প্ৰাথমিক চিকিৎসাৰ বাবে। আন কেইজনমানে ৰাস্তাত ৰং পাৰ্কিং কৰি, যেনেকৈ পায় তেনেকৈ এৰি যোৱা চেভ্ৰলে'খনৰ মালিকজনক জুৱেলাৰীৰ দোকানখনৰ পৰা মাতি আনিলেগৈ। কেইজনমানে তেওঁক গালি পাৰিবলৈ আৰম্ভ কৰিলে ঃ ধনী মানুহ হ'ল বুলি চেভ্ৰলে'ৰ মালিকে ৰাস্তাৰ আইন-কানুন নেমানিব নেকি? এতিয়া যদি ৰিক্সাবালাটো মৰি গ'লহেঁতেন তেতিয়া?

এনেকৈ সৰু-সুৰা কাজিয়া এখন ঠাইতে আৰম্ভ হৈ গ'ল। মানুহৰ জুমটোৰ বাবে টেক্সী-ৰিক্সা, অটো'ৰে যাব লোৱাবাত ঠাইতে এটা ডাঙৰ ট্ৰেফিক জামৰ সৃষ্টি হৈ গ'ল। মই একাষৰীয়া হৈ ফুটপাথৰ পৰা ঘটনাৰ আলেখ-লেখ ল'বলৈ ধৰিলোঁ। এনেতে আবিৰ্ভাৱ হ'ল কেইজনমান চি. আৰ. পি. পুলিচৰ। তেওঁলোকে জমা হৈ থকা দুখনমান ৰিক্সাত এনেয়ে সশব্দে লাঠিৰে কোবাই দিয়াত আৰু বাছ-বিচাৰ নোহোৱাকৈ ইফালে-সিফালে দুৰাৰমান লাঠি ঘূৰাই দিয়াত মানুহৰ ভিৰটো তৎক্ষণাৎ নাইকিয়া হৈ গ'ল। ৰং পাৰ্কিং কৰা চেভ্ৰলে' গাড়ীৰ মালিকে গাড়ী ষ্টাৰ্ট কৰি দিলে। ট্ৰেকাৰৰ

ড্ৰাইভাৰজনেও এইটো চেলুতে গাড়ী লৈ জোৰেৰে ফাঁচী বজাৰৰ পিনে পলাই গ'ল।

ঘটনাস্থলিত মানুহ-দুনুহ সেৰেঙা হোৱাৰ পিছত দেখা গ'ল এজন ট্ৰেফিক পুলিচ আহি পাইছেহি আৰু বিক্সাৱালাজনক বিচাৰি উলিয়াই জেৰা কৰিব ধৰিছে। মই দূৰৰ পৰাই দেখিলোঁ বিক্সাৱালাই বেছি দুখ পোৱা নাই। ময়ো লাহে লাহে ঘটনাস্থলিৰ পৰা পুলিচ আৰু বিক্সাৱালাজনে নেদেখাকৈ ভীৰু পদক্ষেপেৰে পলাই আহিলোঁ মনে মনে। বিক্সাৱালাজনক ভাড়াও নিদিলোঁ, কাৰণ, এতিয়া ভাড়া দিবলৈ গ'লে পুলিচজনে মোকো জেৰা কৰিব আৰু ইয়াৰ পিছত দৰকাৰে-অদৰকাৰে, থানালৈ মিছাতে দৌৰাই থাকিব।

এনেহেন সাংঘাতিক ঘটনা এটায়ো কিন্তু মোক বিহ্বল কৰিব নোৱাৰিলে। ট্ৰেকাৰখন আৰু প্ৰায় সন্মুখ-মৃত্যুৰ মুখামুখি হৈ অলপ সময় আগেয়ে বাছি অহা সত্বেও মই দেখিলোঁ মোৰ কোনো ধৰণৰ উত্তেজনা হোৱা নাই। মোৰ বোধশক্তিটো, মোৰ স্নায়ু-কেন্দ্ৰবোৰ লাহে লাহে অকামিলা হৈ গৈছে নেকি? এই ঘটনাটো লৈ এটা গল্প লিখিবলৈ মই তিমান মটিভেটেড হোৱা নাই কেলেই? অথবা, ধৰা যাওক যোৱা চাৰি বছৰৰ পৰা এতিয়ালৈকে চলি থকা বিদেশী বহিষ্কাৰ সম্পৰ্কীয় আন্দোলনৰ কিমান হৃদয়-বিদাৰক, মৰ্মান্তিক ঘটনা মোৰ দৃষ্টিগোচৰ হৈছে ইতিমধ্যে। কিন্তু ক'তা, সেইবিলাক লৈ বা উপৰোক্ত ঘটনা দুটাক লৈ মোৰচোন গল্প লিখিবলৈ তিমান মন যোৱা নাই। মন গৈছে, সমুখৰ ঘৰৰ এই প্ৰতীক্ষাৰতা বিষণ্ণ ছোৱালীজনীৰ ক্ৰমাৎ বৰ্ধমান বয়স আৰু তজ্জনিত নিৰাশা-দুৰাশাখিনিক প্ৰতিপাদ্য কৰি কিবা এটা লিখি উলিয়াবলৈ। কি লিখা যায়? কিনো লিখোঁ বাৰু?

ছোৱালীজনীক মোৰ ভাল লাগিবলৈ ধৰিছে? নে তাইৰ প্ৰতি মই লাহে লাহে আকৃষ্ট হ'ব ধৰিছোঁ? অথবা তাইৰ উৰলি যাব ধৰা সৌন্দৰ্য আৰু কৌমাৰ্যৰ শেষ বেশখিনিকো মই মোৰ স্বাৰ্থপূৰণৰ বাবে সাৱটি তাইৰ লগতে নিজেও ধন্য হৈ যাব খুজিছোঁ মনে মনে।

তাইৰ কেলেই ইমানদিনে বিয়া হোৱা নাই — সেইবোৰ ভূতপূৰ্ব কাৰণ মই খুচৰিবলৈ নেযাওঁ এতিয়া। ঘৰৰ আওকাণ, নে আৰ্থিক দুৰৱস্থা, নে কোনো কেঁচা প্ৰেম-ঘটিত অঘটন—কি কাৰণত সময়ত তাইৰ বিয়া নহ'ল, এনে প্ৰশ্নবিলাকক লৈ মই মূৰ ঘমাবলৈ নেযাওঁ। মই তাইক বিয়া কৰালে মোৰ বিভিন্ন সমস্যাৰ সমাধান একেলগে হৈ যাব।

এক নম্বৰ সমস্যা : মোৰ খিট্‌খিটীয়া স্বভাৱৰ কাৰণে ঘৰত কাম কৰা ল'ৰা-ছোৱালী মোৰ লগত বেছিদিন টিকিব নোৱাৰে। ফলত মোৰ খোৱা-লোৱাৰ যথেষ্ট অসুবিধা হয়। প্ৰায়েই হোটেলত ভাত খাওঁ আৰু পেটৰ অসুখত ভোগোঁ। ছোৱালীজনীক বিয়া কৰালে দুবেলা-দুমুঠি ঘৰতে সিজোৱা খাবলৈ পাম।

দ্বিতীয়তে, চহৰত মোৰ ঘৰ-মাটি নাই। ভাৰাঘৰত থাকোঁ। বিয়া কৰালে ময়েই ছোৱালীজনীৰ ঘৰত থাকিবলৈ ল'মগৈ। ভাৰাৰ টকাকেইটা সাঁচিব পাৰিম। তদুপৰি

ভৱিষ্যতে যদি তাইৰ ককায়েকে বিয়া-বাৰু নকৰায় (কোনেনো গেলা মদাহীটোক ছোৱালী দিব?) আৰু তেওঁৰ যদি সন্তি-সন্ততি নেথাকে তেনেহ'লে এই ঘৰ-মাটি-খিনিওচোন পিছলৈ মোৰেই হৈ যাব।

তৃতীয়তে, মোৰ আগৰজনী ঘৈণীয়ে মোক এৰি যোৱাৰে পৰা, বিশেষকৈ লাজৰ কাৰণতেই মই মোৰ গাঁৱত মুখ উলিয়াব নোৱাৰা হৈছোঁ। বিয়াখন হৈ গ'লেই যাব পাৰিম। আৰু দেউতাৰ মৃত্যুৰ পিছত পৈতৃক সম্পত্তিখিনিৰ ভাগটোৰ বিষয়ে সুনিশ্চিত হৈ থাকিব পাৰিম। নহ'লে আজি-কালিৰ দিনত অহা-যোৱা কৰি নেথাকিলে, কোনেও কাকো উপযাচি সম্পত্তিৰ ভাগ দিব নোখোজে। নিজা ভাই-ককাইতো বিশ্বাস নাই।

তদুপৰি, বৰ্তমান মোৰ হাৰ্ডৱেয়াৰৰ দোকানখন বৰ ভালকৈ চলা নাই। বস্তু-বাহানিৰ মজুত কম বাবে, মানুহে চুবুৰিৰ আন দুখন দোকানতহে ভিৰ কৰেগৈ। মই বৰ পণ হিচাপে, ছোৱালীজনীৰ ককায়েকৰ পৰা এটা শকত অংকৰ টকা দাবী কৰিব পাৰিম আৰু সেই টকাখিনি ব্যৱসায়ত লগ্নী কৰিব পাৰিম।

গতিকে, সাতে-পাঁচে এদিন, মই ছোৱালীজনীৰ ককায়েকক মাতি আনিলোঁ আৰু মোৰ প্ৰস্তাৱটো দিলোঁ। প্ৰস্তাৱটো শুনি ককায়েকে এটা ডাঙৰ সকাহ পালে যেন মোৰ অনুমান হ'ল। ছোৱালীজনীয়ে কিন্তু কথাটো জানিলে নে নাই, ক'ব নোৱাৰিলোঁ। কাৰণ, ছোৱালীজনীয়েচোন আগৰ দৰেই বাবাগুলৈ আছে। চুপ-চাপ থিয় হৈ থাকে। আগৰ দৰেই চোতালত বহে আৰু আকাশ-পাতাল ভাবি থাকে। আগৰ দৰেই খিৰিকীৰ ৰেলিঙত ধৰি বাহিৰৰ পিনে চাই থাকে। ঠিক যেন, কাৰোবাৰ প্ৰতীক্ষাত তাই — কোনোবা অজানা এজনে যেন তাইক উদ্ধাৰ কৰি নিবহি এদিন। এনেকৈ আগৰ দৰেই তাই বিষণ্ণতাৰ মাজত, প্ৰতীক্ষাত বুৰ গৈ থাকে সদায়। মোক দেখিলেও তাইৰ ভাব-ভংগীৰ অকণো সাল-সালনি নঘটে। ককায়েকে কিজানি মোৰ প্ৰস্তাৱটোৰ কথা তাইক জানিবলৈ দিয়া নাই। মাজৰাতিৰ মাৰপিটবোৰ বন্ধ হৈ গ'ল অৱশ্যে।

ইয়াৰ পিছতো ককায়েকৰ ফালৰ পৰা বেছ কিছুদিন সাৰ-সুৰ নোপোৱাত, লাজ-মান কাটি কৰি থৈ ময়েই আকৌ তেওঁক সুধিলোঁ, "আপোনাৰ কিবা আপত্তি আছে নেকি বিয়াখনত?"

"নাই, নাই তেনেকৈ একো আপত্তি নাই।"

"তেন্তে টকা-পইছাৰ ফালৰ পৰা কিবা দিগদাৰি আছে নেকি?"

"নাই, টকা-পইছাও, প্ৰায় যোগাৰ হৈছেই। গাঁৱৰ মাটি এটুকুৰা আছিল। সেইখিনি বিক্ৰীয়েই কৰি দিলোঁ। মৌজাদাৰে কিনি ল'লে। এতিয়া টকাখিনি আনিবলৈহে গাঁৱলৈ এবাৰ যাব লাগিব। পিছে, দিন-কালৰ কথা লক্ষ্য কৰিহে যাবৰ মন কৰা নাই।"

ইফালে দেশৰ অৱস্থা গুৰুতৰ। চৰকাৰৰ লগত আন্দোলনৰ নেতৃবৃন্দৰ আলাপ-আলোচনা ব্যৰ্থ হৈছে ইতিমধ্যে। বিদেশী ভোটাৰৰ নাম অন্তৰ্ভুক্ত তালিকাৰেই চৰকাৰে

নিৰ্বাচন পাতিবলৈ থিবাং কৰিছে। ফলত নিৰ্বাচনত বাধা দিবলৈ চৌদিশে বাইজৰ সক্ৰিয় প্ৰতিবাদ জোৰদাৰ হৈ পৰিছে। দিন-কাল বৰ ভাল নহয়। ছোৱালীজনীৰ ককায়েকে কোৱা কথা ঠিক। কিন্তু ইপিনে মই ধৈৰ্য ধৰিব নোৱাৰা হৈ পৰিছোঁ। সেয়ে মই মিছাকৈ ক'লোঁ, "যোৰাকালি জ্যোতিষীৰ ওচৰলৈ গৈছিলোঁ। ফেব্ৰুৱাৰি কুৰি তাৰিখত এটা দিন আছে। তাৰ পিছত হ'লে বিয়া হেনো নহ'বও পাৰে।"

"তেনেহ'লেচোন সময় নায়েই। মই কাইলৈকে গাঁৱলৈ যাওঁ। খুড়াইতৰ ঘৰতে থাকি টকাখিনি মৌজাদাৰৰ পৰা লৈ আনোগৈ। চ'খা দিনা উভতি আহিয়েই চব ঠিক কৰিব লাগিব। হ'ব নে?"

"হ'ব।"

গল্প লেখকজনে নজনাকৈ ঘটা ঘটনা কিছুমান :

ককায়েকজনে ৰেলেৰেই গাঁৱলৈ যোৱাটো ঠিক কৰিলে। কাৰণ, আন্দোলনজড়িত কাৰণত নিৰ্বাচন-বিৰোধী কাৰ্যক্ৰম অনুসৰি য'তে ত'তে দলং-চলং ভাঙি দিয়া হৈছে। বাছৰ যোগাযোগ নাইকিয়া হৈ গৈছে। পুলিচ-মিলিটেৰীৰ সহায়ত ৰেলকেইখন চলি আছে কোনোমতে। গাঁৱৰ ওচৰৰ ষ্টেচনৰ পৰা তিনি মাইল খোজ কাঢ়ি, দুখন গাঁও পাৰ হৈ যেতিয়া ল'ৰাজনে আবেলি খুড়াকৰ ঘৰ পালেগৈ তেতিয়া সকলোৱেই অবাক।

"ষ্টেচনৰ পৰা তই খোজকাঢ়ি আহিলি?"

"তোৰ সাহসটোচোন কম নহয়—ভাল মৰসাহেৰে তই সিহঁতৰ গাঁৱৰ মাজেৰে আহিলি। জান নে নেজান—পৰহি, সিহঁতে আমাৰ দুটাক হাটত মাৰি হাত-ভৰি ভাঙি দিছে। আমাৰ মানুহ সিহঁতৰ গাঁৱলৈ নেযায় আজিকালি। সিহঁতো নাহে।"

"হেৰৌ, এনেকুৱা বেয়া সময়ত, গাঁৱলৈ আহিলি কিয় মৰিবলৈ?"

সি শুনিলে, সিহঁতৰ মানুহবোৰ হেনো সংগঠিত হৈ আছে। এইখন গাঁও কেতিয়া আক্ৰমণ কৰে ঠিক নাই। যেতিয়াই তেতিয়াই সিহঁতৰ গাঁৱত ঢোল-ডগৰ বজা শুনা যায়। ৰাতি হ'লেই দপ্-দপ্কৈ জুই জ্বলাই দি ভয় দেখুৱায়। যোৱা দুৰাতি হেনো অসংখ্য মানুহে জোঁৰ লৈ অহা-যোৱা কৰা দেখা গৈছে। খুড়াক, মৌজাদাৰহঁতে চি.আৰ.পি. পুলিচ আদিক কথাবোৰ কৈছে। কিন্তু এনেকুৱা দিনত কোনে কাক ৰক্ষা কৰে? গাঁৱৰ মানুহে নিজেই ৰাতি ৰাতি পাল পাতি পহৰা দি আছে এই কেইদিন।

মৌজাদাৰে তাক উপদেশ দিলে, টকা-পইছা লৈ যাবি যেতিয়া, অকলে নেযাবি। গাঁৱৰে দুই-চাইটা ডেকাক লগত লৈ যাবি। ষ্টেচনত তোক ৰেলত তুলি দি আহিবগৈ। আৰু সাৱধান! ভুলতো সিহঁতৰ গাঁৱৰ মাজেৰে নেযাবি। লাগিলে নৈৰ পাৰে পাৰে, দীঘলীয়া বাটেৰেই যাবি।

মাজনিশা এটা বিকট চিঞৰ শুনি তাৰ টোপনি ভাঙিল। চোতালত খুড়াকে

ত্ৰাহি-মধুসূদন জপিব ধৰিছে। খুড়ী আৰু ল'বা-ছোৱালীকেইটাই মৌবাদৌৰিকৈ বাহিৰ ওলাইছে। সি জাঁপ মাৰি বাহিৰ পালেহি। দেখিলে, গাঁৱৰ এমূৰৰ ঘৰ দুটামানত জুই লাগিছে। তাৰ ওচৰতে অসংখ্য মানুহৰ মাজত হতাহতি, মাৰপিট লাগিব ধৰিছে? কেইটামানে চিঞৰি চিঞৰি দৌৰি পলাইছে।

"সিহঁতৰ বহুত মানুহ। বাইজ, আমি ভেটিব নোৱাৰিম।"

"বাইজ! পলাওক! যেনি পায় তেনি পলাওক!"

চাওঁতে চাওঁতে খুড়াকহঁত দৌৰি পলাল। চাৰিওপিনে হৰা-দুৰা লাগিছে। জুইকুৰা আগবাঢ়ি আহিছে। বাঁহবোৰ পুৰি ফট্‌ফট্‌কৈ শব্দ হৈছে। 'মাৰিলে ঔ, মাৰিলে ঔ, হে হৰি বছোৰা, পলা-পলা, ধৰ-ধৰ' এনেকুৱা হুলস্থূল চাৰিওপিনে। সিও কিংকৰ্তব্যবিমূঢ় হৈ পলায়নৰত বাইজৰ পিছে পিছে দৌৰিবলৈ ধৰিলে! কিছুদুৰ যোৱাৰ পিছত তাৰ মনত পৰিল, তাৰ টকা কেইহেজাৰ গাৰুৰ তলতে থাকি আহিল।

সি তৎক্ষণাৎ উভতিলে। দেখিলে জুইকুৰা চৌদিশে বিয়পি পৰিছে। বলিয়া হাতীৰ দৰে দপ্‌দপ্‌কৈ জুইকুৰা তাৰ খুড়াকহঁতৰ ঘৰৰ পিনে আগবাঢ়ি আহিছে। সি জুইকুৰাৰ পিনেই পগলাৰ দৰে দৌৰিবলৈ ধৰিলে—টকাখিনি উদ্ধাৰ কৰিবই লাগিব। বৰপণ দিব লাগিব।

সি দৌৰিবলৈ ধৰিলে। জুইকুৰাৰ পিনে।

ছোৱালীজনী আগৰ দৰেই বৈ থাকে। বাৰাণ্ডাত। চোতালত। খিৰিকীত। তাই বৈয়েই থাকে। তাইৰ বিয়াৰ যোগাৰ কৰিবলৈ ককায়েক যি গ'ল, গ'লেই। উভতি আৰু নাহিল। তাই এতিয়া অকলে থাকে—ঘৰটোত। ঘৰটোও হেনো, মই পিছত জানিব পাৰিলোঁ, কন্ট্ৰেক্টৰ বাবে পইছা গোটাবলৈ কাৰোবাৰ হাতত বন্ধক দি থৈ গৈছে, ককায়েকে। গতিকে আগ-পাছ গুণি মই দেখিবলৈ অশুৱনী আৰু বয়সীয়া ছোৱালীজনীক বিয়া নকৰোৱাটোকেই ঠিক কৰিলোঁ। ওলাওঁতে-সোমাওঁতে তাইক দেখোঁ। তাইৰ বিষণ্ণতা, তাইৰ প্ৰতীক্ষাটো অথবা তাইৰ অসহায়তাখিনিয়ে মোক তিমান বিচলিত নকৰে আজিকালি। লাহে লাহে মই তাইৰ প্ৰতি তেনেই উদাসীন হৈ যাম। ঠিক যেনেকৈ আমাৰ দেশৰ সমস্যাবোৰৰ প্ৰতি, পাঞ্জাব, অসম অথবা সাধাৰণ ভাত কাপোৰ জাতীয় মৌলিক সমস্যাবোৰৰ প্ৰতি আমাৰ মহামহিম শাসকগোষ্ঠী তেনেই উদাসীন। ঠিক তেনেকৈ।

এনেকৈ উদাসীন হ'ব পৰাটোও এটা ডাঙৰ কৃতিত্ব আচলতে। ইতিমধ্যেই প্ৰমাণিত হৈ গৈছে যে, পুলিচৰ অত্যাচাৰ (ষ্টেডিয়ামত লাঠি প্ৰহাৰ) বা ধনিকগোষ্ঠীৰ যথেচ্ছাচাৰ (ৰাস্তাত চেভ্ৰলে' মালিকৰ য'তে ত'তে গাড়ী এৰি থৈ ঘটনা ঘটোৱা) আদি অন্যায়ে মোক তিমান বিচলিত নকৰে আৰু। চকুৰ সন্মুখতে এই কুমাৰী বৰস্থা ছোৱালীজনীয়ে এতিয়া, অভিভাৱক অবিহনে ঘৰ-মাটি বন্ধকৰ পৰা মোকলাব নোৱাৰি,

লাহে লাহে বিপথৰ পংকিলতালৈ নামি যাব অথবা, নাথাই-নবৈ লাহে লাহে ৰোগগ্ৰস্তা হৈ মৃত্যুমুখত পৰিব। তাৰ বাবেই মই বিচলিত হ'ম নে? এইটোৱেইচোন তাইৰ নিয়তি। আৰু এই অমোঘ নিয়তিটোলৈকে তাই অপেক্ষা কৰি ৰ'ব। বাৰাণ্ডাত কাঠৰ ৰেলিঙত ভেজা দি, অথবা চোতালত মুঢ়া পাৰি, অথবা খিৰিকীৰ লোহাৰ বড়ৰ মাজেৰে এখন শুকান মুখ উলিয়াই। এনেকৈয়ে তাই ৰৈ থাকিব। ৰৈ থকাই তাইৰ কাম হৈ পৰিব। আৰু মই লাহে লাহে মোৰ অন্যান্য সামাজিক তথা আৰ্থিক প্ৰতিপত্তি আহৰণৰ ব্যস্ততাত, তাইক লৈ, তাইৰ প্ৰতীক্ষাটোক লৈ গল্প এটা লিখাৰ তাগিদাটো লাহে লাহে পাহৰি যাম সম্পূৰ্ণভাৱে।

মনোৰমা দাস মেধি

ক্ৰান্তি-কালৰ কথা

গোসাঁনী

ক্ৰান্তি-কালৰ কথা

প্ৰত্যেক মাহতে প্ৰতিজনী গাভৰু-মানুহে অন্ততঃ তিনিদিন অস্বস্তিত ভোগে। প্ৰীতিয়েও বাৰ বছৰ বয়সৰে পৰা ভোগী আহিছে। এইসোপা কিয় যে হয়, বন্ধ হৈ গ'লেই ৰক্ষা, —এনে ভাবো কেতিয়াবা কেতিয়াবা মনলৈ আহিছে। কিন্তু ওঠৰ বছৰ বয়সত সোঁচাকৈয়ে যেতিয়া নিৰ্দিষ্ট তাৰিখটো পাৰ হৈ আৰু পোন্ধৰটা দিন উকলি গ'ল, তেতিয়াহে তাই ভিতৰি ভিতৰি প্ৰমাদ গণিলে। প্ৰমাদ-বোধটো নিশ্চয় মুখত ফুটিও উঠিল। মাকে ধৰি ল'লে যে 'মাহেকীয়া' হৈছে বাবে তাই এনেকুৱাকৈ আছে। গতিকে সুধিলে, 'কি হ'ল? পেট বিষাইছে নেকি?'

"ও।"

"ৰাতিয়ে হৈছে, নে এতিয়া?"

তাই ভয়ে ভয়ে মিছা মাতিলে—"এতিয়া"। মাকে দৰবৰ বাকচটোৰ পৰা টেবলেট এটা উলিয়াই ক'লে, "বেছিকৈ বিষালে এই টেবলেটটো খাবি। আগতে কোনোবাৰেই দেখোন বিষ হোৱা নাছিল। কালি গোটে নেমুটেঙাটো নিমখ সানি সানি খাইছিলি নহয়। এইকেইটা দিনত টেঙা-চেঙা খাবলৈ মানা কৰিয়েই থাকোঁ। কথাবোৰ এনেয়ে কওঁ বুলি ভাব, নহয়?"

প্ৰীতিয়ে নিমাতে টেবলেটটো মাকৰ পৰা ল'লে আৰু পঢ়া টেবুলৰ ড্ৰায়াৰত থৈ দিলে। সন্ধিয়া সবিশেষ জনাই কৌশিকলৈ চিঠি এখন লিখিলে। সি জম্মুত থাকে। আৰ্মিৰ চাকৰি। ফোন কৰিব পৰাহেঁতেন, লগে লগে উত্তৰটো পোৱা গ'লহেঁতেন, কিন্তু কৰিব কেনেকৈ? মাক, ভনীয়েক বা আয়েকে শুনি পেলায় যদি? পি.চি.অ'ৰ পৰাও কৰাটো অসম্ভৱ। কোনখন মুখেৰে তাই পি.চি.অ'.ত সোমাই অন্যান্য গ্ৰাহকৰ উপস্থিতিৰ মাজত ক'ব, "কৌশিকদা, মই—।" নাই নাই। গ্ৰাহক থাককেই বা নাথাককেই, কোনো এজনৰো সাক্ষাতত তাই এই কথা উচ্চাৰণ কৰিব নোৱাৰে।

চিঠিখন লিখি লেফাফাত ভাঁজকৈ আঠা লগাই টেবুল-ক্লথখনৰ তলত সাৱধানে থ'লে। পুৱা কলেজলৈ যোৱাৰ বাটত নিজ হাতে ডাকবাকচত পোষ্ট কৰিলে। আচলতে কৌশিকলৈ চিঠি লিখাত বা ফোন কৰাত তাইৰ কোনো বাধা-নিষেধ নাই। প্ৰীতিৰ মাকে তাক যথেষ্ট আদৰ-যত্ন কৰে। ভাল পৰিয়াল, ভাল চাকৰি। গঢ়-গতিও ভাল।

কম বয়সতে পিতৃহাৰা হোৱা তিনিওটা সন্তানৰ ভাল হওক, প্ৰীতিৰ মাকে ইয়াকেই বিচাৰে। আজিকালি সৰহভাগ বিয়াই ল'ৰা-ছোৱালীৰ মনৰ মিল ঘটি হয়। বাধা দিলেওনো তেওঁৰ কি লাভ হ'ব? বৰা বিচাৰি তেওঁ নিজেহে আক-তাক কৈ-মেলি হায়ৰাণ হ'ব লাগিব। থাককচোন ঠিক্-ঠাক্ হৈ। সিহঁতৰ মাজত বুজাবুজিও হওক।

চিঠিখনৰ উত্তৰ আহে মানে আৰু দুটা সপ্তাহ পাৰ হৈ গ'ল। কৌশিকে আকাৰে-ইংগিতে 'নষ্ট' কৰি পেলোৱাৰ পৰামৰ্শ দিছে। তাৰ এতিয়া ছুটীও নাই। বছৰেকত এবাৰেই ছুটী পায়। অহা বছৰত নিশ্চয় বিয়া পাতিব। ইত্যাদি।

ছুটীত আহোঁতেও সি তাইক কৈছিল, অহা বছৰত বিয়াখন পাতিব বুলি। তেতিয়া তাইৰ মনটো বতাহত কঁপা এখিলা কোমল পাতৰ দৰে জিৰিজিৰিকৈ কঁপিছিল। কিন্তু এতিয়া তাইৰ মনটোলৈ প্ৰচণ্ড ধুমুহাৰ গতিত এসোপা ডাঠ অন্ধকাৰ সোমাই আহিল। এবছৰ। তেতিয়ালৈ দেখোন তাইৰ কোলাত...! কথাটো পূৰাকৈ ভাবিবলৈকো তাইক শক্তিয়ে নুকুলালে।

চিঠিৰ পিছত চিঠি। উত্তৰৰ পিছত উত্তৰ। কথাখিনি একেটা খুঁটিতে পাক খাই খাই লাগি ধৰিছে। এমাহ-দুমাহকৈ পাৰ হৈ গ'ল পাঁচোটা মাহ। সৰুৰে পৰাই তাই স্বাস্থ্যৱতী ছোৱালী। মাকে ভাবিছে — তাই দিনে দিনে শকত হৈ গৈয়ে আছে। গতিকে কৈছে — 'আলু, মিঠাই, বাটাৰ, ঘিউ তোক দিবলৈকে এৰিছোঁ। তথাপিও দেখোন বাঢ়িহে গৈছ। আজিৰে পৰা স্কিপিং কৰিবি।' ভায়েকে টপৰাই মাত লগালে — "কি? প্ৰীতিবাই স্কিপিং কৰিব? ভূমিকম্প হৈ ঘৰটো বাগৰি নপৰে যদি চাবা।" ভনীয়েকে খিল্খিলাই হাঁহি হাঁহি ক'লে, "তাকে দেখি মিতাবৌদিহঁতে দীঘল দীঘলকৈ উকলি দিব দেই তেতিয়া।" আনকালে এই কথা শুনাহেঁতেন প্ৰীতিয়ে চো মাৰি খেদি গ'লহেঁতেন। আজি তাই তলমূৰকৈ বহি থাকিল। মাকে ভাবিলে, তাই খঙতে তেনেকৈ আছে। গতিকে ইহঁত দুটাক শাসন কৰি ক'লে, "কেৱল পেংলাই আৰু পেংলাই। কথা এটা ক'ব নোৱাৰি।" ইহঁত দুটাই মুখ দুখন আমোলাই পেলোৱা দেখি মুহূৰ্ততে তেওঁৰ আৰু বেয়াও লাগিল। গতিকে হাঁহো হাঁহো মুখেৰে ক'লে, "যেতিয়া তহঁতৰ বিয়া পাতিম, বায়েৰক সেৱা কৰিহে ওলাই যাবগৈ লাগিব, জানিছনে?" ভায়েকে সৰু বায়েকক ক'লে, "ও! সেৱা কৰিব লাগিব। যুতিবাই কান্দি কান্দি সেৱা কৰি ক'ব— "বা-ই-দে-উ, যা-ওঁ-।" যুতিয়ে তড়িৎ গতিত টুটুকণক খেদা মাৰি গ'ল। সি টেবুল, চেয়াৰ, বিছনাৰ ফাঁকে ফাঁকে দৌৰিবলৈ ধৰিলে।

হে ঈশ্বৰ! ইহঁত দুটাই যদি আচল কথাটো জানি যায়, কি অৱস্থা হ'ব তেতিয়া তাইৰ! নাই—নাই, কোনোপধ্যেই সিহঁতক জানিব দিব নোৱাৰি। এবৰ্চন কৰাই ভাল। কিন্তু কাৰ সৈতে হাস্পতাললৈ যাব? হাস্পতালৰ ডাক্তৰ শইকীয়াক তাই খুড়া বুলি মাতে। নাৰ্ছ মীনু দাসক মাতে মাহী বুলি। কি সাহত তাইনো ক'বগৈ, "মোৰ মানে—।" নাই—নাই। মৰি গ'লেও ক'ব নোৱাৰি।

আৰু দুটা সপ্তাহ পাৰ হৈ গ'ল। এইবাৰ মাকৰ মনতো সন্দেহৰ ভাৱ এটা সোমাল। হয় তাইৰ কিবা বেমাৰ হৈছে, নহ'লে তাইৰ—! ছিঃ ছিঃ এনে কথা মনলৈ

অনাও পাপ। তাইতো যোৱা মাহতো 'মাহেকীয়া' হোৱা বুলি কৈছে।

যুতি আৰু টুটু স্কুললৈ যোৱাৰ পিছত তেওঁ প্ৰীতিৰ ওচৰত বহিলহি। তাই কিতাপত চকু থৈ তলমূৰকৈ বহি আছে। তেওঁ সুধিলে, "তোৰ কি হৈছে? সঁচা কথাটো কচোন।"

তাই মাকৰ মুখলৈ চালে। পিছ মুহূৰ্ততে তলমূৰ কৰিলে।

"মাহেকীয়া হ'বলৈ এৰিছে নেকি?"

প্ৰশ্নটো কেইবাবাৰো কৰিলত, তাই এবাৰ লাহেকৈ মূৰ দুপিয়ালে। মাকে ধুঁৱলি-কুঁৱলি দেখিছে। তথাপি বুকুত বল বান্ধি সুধিলে, "কেতিয়াৰ পৰা?"

'ছমাহৰ পৰা।' শুনিয়েই তেওঁৰ এনে লাগিল — যেন তাইৰ ওপৰত জঁপিয়াই পৰিব। চৰ, ভুকু, গোৰ —যিমান পাৰি শোধাব। তাই মৰি যাওক। এই মুহূৰ্ততে মৰি যাওক। এবাৰ ভাবিলে — নিজৰ মূৰটোকে খুন্দিয়াই খুন্দিয়াই থেতালি পেলাও। পিছ মুহূৰ্ততে নিজকে সংযত কৰি সুধিলে, "কৌশিক নেকি?"

তাই মূৰ দুপিয়ালে।

"তাক জনাইছ নে নাই?"

তাই ভয়ে ভয়ে ক'লে, "সি মোক বিয়া কৰাব বুলি কৈছে।"

তেওঁ আদেশ দিলে, "তাক মাতি পঠিয়া। যিমান সোনকালে পাৰি, তিমান সোনকালে সি আহক। কৰ্টত বিয়া পাতে, হোম কৰে -- তাৰ কথা। মুঠতে অতি সোনকালে সি তোক লৈ যাওকহি। শুনিছনে নাই?"

জীয়েক নিমাতে থকা বাবে তেওঁৰ শোক-তাপ দুগুণে জাগি উঠিল। "মোক ফাঁকি দি দি ছমাহ পাৰ কৰিলি। এতিয়া নিজকে পাৰ যদি ফাঁকি দেচোন। ঈশ্বৰে যে মোক কিয় জীয়াই ৰাখিছে! কি অময়া সুখডাল ভোগ কৰিবলৈ জীয়াই ৰাখিছে। দেউতাৰে মোৰ ডিঙিত তহঁতকেইটাক বান্ধি দি মৰি গ'ল। যদি স্বৰ্গত আছেগৈ — মহাসুখে আছে। যদি নৰকতো আছে — তথাপি মোতকৈ শান্তিত আছে। এই কলংকৰ ভাগী হ'বলগীয়া নহ'ল!..." কৈ কৈ তেওঁ উচুপি উচুপি কান্দিবলৈ ধৰিলে। প্ৰীতিৰ মূৰটো আৰু তললৈ হাউলি গ'ল। তাইৰ কোলাখনত নিজৰেই চকুপানীবোৰ টোপাটোপে সৰি পৰিছে। নিঃশব্দ কান্দোন। উচুপিবলৈকো তাইৰ আৰু সাহস নাই।

আকৌ চিঠি গ'ল। আকৌ উত্তৰ আহিল। একেটা কথা। একেটা খুঁটি। একেডাল পঘাৰ পাক। অগত্যা এদিন প্ৰীতিৰ মাকে নিজেই কথাত ভাগ ল'লে। লাজ-মান কাতি কৰি কৌশিকৰ লগত ফোনত কথা পাতিলে। বৰ ভদ্ৰ ল'ৰা সি। কথন-ভংগিমা অতি নম্ৰ। কিন্তু সিদ্ধান্ত অলৰ। আৰু ছমাহৰ পিছতহে সি আহিব পাৰিব। তেতিয়াই বিয়াখন পাতিব। গুৱাহাটীত ভাল ডাক্তৰৰ হতুৱাই এই ইস্যুটো বাহু কৰি পেলোৱাটোৱেই সকলোৰে পক্ষে সন্মানজনক।

প্ৰীতিৰ মাকৰো মনত ভাব হ'ল — হয় চাগৈ। এই পৰিস্থিতিত তাকে কৰাটোৱেই সন্মানজনক কাম হ'ব চাগৈ। একে সময়তে অপৰাধবোধতো ভুগিবলৈ ধৰিলে। তাইক বাৰু মই ইমানকৈ এৰি দিছিলো কিয়? মাক হিচাপে এতিয়া মই কি

কৰা উচিত? পাপ আৰ্জো, নে কলংক আৰ্জো?

নিজক প্ৰস্তুত কৰোঁতে পাৰ হ'ল আৰু দুটা সপ্তাহ। তাৰ পিছত এদিন তেওঁ ল'ৰা-ছোৱালীকেউটিকে লৈ গুৱাহাটী পালেহি. এনেহৰ বাবে এটা সৰু ফ্লেট ভাৰা কৰিলে। প্ৰীতিৰ টেষ্ট পৰীক্ষালৈ দুমাহ বাকী। দ্বাদশ শ্ৰেণীত পঢ়ে তাই। যুতি আৰু টুটুৰ ক্লাছবোৰ ভালকৈ এতিয়াও হোৱা নাই। সৰস্বতী পূজাৰ পিছতহে হ'ব চাগে। গতিকে বিশেষ ক্ষতি নহ'ব। প্ৰীতিক অকলশৰে লগত লৈ তেওঁ এখন নাৰ্ছিংহোমলৈ গ'ল। ডাক্তৰে ক'লে, 'বহুত পলম হৈ গৈছে। এতিয়া ৰিস্ক্ নোলোৱাই ভাল। বেবীটোক আহিবলৈ দিয়ক।"

"কিন্তু বেবীটোৰ সৈতে তাইক ঘৰলৈ নিম কেনেকৈ?"

"সেইটো আপোনালোকৰ কথা। মই এইটোৱেই ক'ব পাৰোঁ — এবৰ্চন এতিয়া বিপজ্জনক হ'ব।"

ইজনৰ পিছত সিজন ডাক্তৰ। এটা দিনৰ পিছত আন এটা দিন। সময় ৰৈ থকা নাই। দুৰন্ত গতিত আগবাঢ়ি গৈছে। প্ৰীতিৰ মাকজনী ভিতৰি ভিতৰি বলিয়া হৈ পৰিছে। কি হ'ব এতিয়া? কেনেকৈ মানুহক মুখ দেখুৱাব? হ'বই নোৱাৰে। কোনো মতেই নোৱাৰে। হাবিৰ মাজত বা নৈৰ পাৰত, অথবা ৰেললাইনৰ দাঁতিত পৰি থকা বহুবোৰ কাম্নানক সদ্যজাত কেঁচুৱা তেওঁৰ মনৰ ভিতৰত ভাহি ভাহি উঠিছে। এবাৰ হঠাতে ছয়াময়াকৈ মাণিকী জেঠাইৰ ছবিখন ভাহি উঠিল। দূৰ সম্পৰ্কীয় এই জেঠায়েকৰ জীয়েক লাহতীবাই আছিল সঁচাকৈয়ে লাহতী সুন্দৰী। বৰ কম বয়সতে বিধবা হৈছিল তাই। তাৰ পিছত অতি অনাকাংক্ষিতভাৱে লাহতীয়ে গৰ্ভধাৰণ কৰিছিল। মানুহটোৱে তাইক নিব নিব বুলি আশা কৰোঁতে কৰোঁতে সময় পূৰ হৈ গৈছিল। কেউপিনে বু-বু-বা-বা। হঠাতে এদিন দেখা গ'ল — সকলো ঠিক হৈ গৈছে। সেই আগৰ দৰেই লাহী দেহৰ লাহতীবাই। তিৰোতাসকলে ফুচ্ফুচাই কথা পাতিছিল — নিমখ খুৱালে। নিমখ খুৱাই মাৰি পেলালে।

ফুচ্ফুচনিবোৰ প্ৰীতিৰ মাকৰ কাণত বাজিহে উঠিল যেন। তেওঁ অনুভৱ কৰিলে, গাৰ নোমবোৰ শিয়ৰি উঠিছে। ডিঙিটো শুকাই কাঠ হেন হ'ল। কোনোকালেই অনুভৱ নকৰা এক ধৰণৰ সৰ্বনাশীয়া ভয়ত তেওঁৰ আঁঠু দুটা কঁপিবলৈ ধৰিলে। অথচ সেই অতীতত তেওঁৰ শিশুসুলভ সকৃত মাণিকী জেঠাই আছিল অতি কৌতূহলৰ সামগ্ৰী। মানুহজনীৰ বয়স কিমান হৈছিল, তেওঁ এতিয়া সঠিককৈ ক'ব নোৱাৰে। বোধহয় চল্লিশ বছৰো হোৱা নাছিল। সেই বয়সতে মানুহজনীৰ মুখখন, — লাহতী-বাই পুনৰ লনি হৈ উঠাৰ সেই সময়খিনিতে —অসংখ্য আঁচ পৰিছিল: কপাল, দুয়োখন গাল, ডিঙিত মকৰাজালৰ দৰে অসংখ্য আঁচৰ জাল। প্ৰীতিৰ মাক তেতিয়া তেনেই সৰু ছোৱালী। তথাপি সেই মুখখন দেখিলেই তেওঁৰ এনে লাগিছিল, যেন আঁচবোৰৰ মাজতে লুকাই আছে — নিমখ খাই মৰি যোৱা এটা এধানমানি গুলপীয়া কেঁচুৱা। লুকা-ভাকু খেলা লগৰীয়াক লুকোৱা ঠাইৰ পৰা উলিয়াই আনিব পাৰিলে যি স্ফূৰ্তি হয়, তেনে ধৰণৰেই এটা স্ফূৰ্তিৰ ভাব কৌতূহলৰ লগতে তেতিয়া তেওঁ

উপভোগ কৰিছিল।

কিন্তু এতিয়া তেওঁৰ এনে এটা ভাব হৈছে — সেই জালখন, মকৰাজালৰ নিচিনাকৈ মুখমণ্ডলত আঁক-বাঁক কৰা সেইখন জাল—কোনোবা অদৃশ্য শত্ৰুৱে যেন তেওঁৰ পিনে মাৰি পঠিয়াইছে। শত্ৰু বুলি মৰ্মে মৰ্মে বুজিও তেওঁ সেই অদৃশ্য শত্ৰুক বিচাৰি যোৱাৰ সাহস কৰিব পৰা নাই।

ডাক্তৰে দিয়া আনুমানিক তাৰিখটোলৈ আৰু কুৰিটা দিন। যুতি আৰু টুটুক এসপ্তাহমানৰ কাৰণে ক'ৰবাত থ'ব লাগিব। তেওঁৰ ভনীয়েকলৈ মনত পৰিল। তেজপুৰৰ পিনে থাকে। ইহঁত যদি কিছুদিন থকাকৈ যায়, নিশ্চয় বং পাব। কিন্তু কাৰ লগত পঠিয়াব? প্ৰীতিক অকলশৰে এৰিব নোৱাৰি। যেনেকৈহে তাই আছে, যেন ধুমুহা অহাৰ আগমুহূৰ্তত নিথৰ গছ-গছনিৰে এখন এৰাবাৰীহে। এজাক ধুমুহা আহি আছে। তেওঁ কাষত নাথাকিলে তাই খোপনি পুতিব ক'ত? তেওঁ এটা উপায় বিচাৰি পালে। দুসপ্তাহৰ পিছত ভনীয়েকক তেওঁ ফোনত জনাব যে কাইলৈ যুতি আৰু টুটু পুৱাৰ বাছত যাব। তাই যেন বাছষ্টেচনৰ পৰা সিহঁতক লৈ যোৱাৰ ব্যৱস্থা কৰে। তেওঁনো প্ৰীতিৰ সৈতে কি কাৰণত গুৱাহাটীত আছেহি, সেই বিষয়ে কিবা এটা সাজি-মেলি ক'ব লাগিব।

ভাবি থাকোঁতেই হঠাতে তেওঁ দেখিলে — যীৰ খোজেৰে বাথৰুমলৈ যাব ধৰা প্ৰীতিৰ চুৰিদাৰটোত কেঁচা তেজ।

"প্ৰীতি —।" তেওঁ চিঞৰি উঠিল।

"পেট বিষাইছে নেকি?'

তাই বোবা চাৱনিৰে মাৰলৈ চালে।

"ৰ'বি। তোক মই কাপোৰ সলাই দিম।" তেওঁ তাইক কাপোৰ সলাবলৈ সহায় কৰিলে, বেগত অইন এসাজ কাপোৰ আৰু টাৱেল এখন ভৰালে, নিজেও খৰখৰকৈ মেখেলা-চাদৰযোৰ সলাই ল'লে। তাৰ পিছত ওচৰতে থকা টেক্সিষ্টেণ্ডটোৰ গাড়ী এখন লৈ আহিল। "মা ঘৰলৈ যাবা নেকি?" টুটুৱে আচৰিত হৈ সুধিলে। তেওঁ থতমত খাই ক'লে, "এইৰ অসুখ হৈছে। ডাক্তৰে হাস্পতালাইজ কৰিবলৈও ক'ব পাৰে।"

"মা—, আমিও যাম?" যুতিয়ে ভয় ভয় মাতেৰে সুধিলে।

"নালাগে। তহঁত গৈ কি কৰিবিনো? ঘৰত থাক। দুৱাৰখন বন্ধ কৰি ল'বি। আমাৰ যদি পলম হয়, যুতি — তই আলু-ভাত দুটামান ডেক্চীত বহাই দিবি। পাৰিবি নহয়? যদি নোৱাৰ, তেন্তে" — তেওঁ এক মুহূৰ্ত চিন্তা কৰি ক'লে, "তেন্তে কেক আৰু বিস্কুট আছে নহয়, কলো আছে, সেইবোৰকে খাই ল'বি।"

কিমান পলমকৈ উভতিবা। অসহায় মাতেৰে যুতি-টুটুৱে সুধিলে।

"পলম নহ'বও পাৰে। মই ফোন কৰিম দেই।" অলপত অওঁঠা এটা কাপোৰত বান্ধি ল'ব খোজাৰ দৰে সঁচাখিনিক তেওঁ ঢাকিবৰ যত্ন কৰিছে। নিজৰ সন্তানকেই আভুৱা ভাবিবৰ আপ্ৰাণ প্ৰয়াস। হয়তোবা এয়াও পাপ। কিন্তু এই মুহূৰ্তত পাপটোকেয়ো

ডাঙৰ সমস্যা এটাই তেওঁক মেৰিয়াই ধৰিছে। যেন কালান্তক ফেঁটী সাপ এডালহে। তাৰ কবলৰ পৰা কেনেকৈ বাছিব পৰা যায়, সেইটোৱেই প্ৰধান কথা। বাদ-বাকী সমস্ত কথা গৌণ।

টেক্সি চলিছে। তেওঁ ক্ষণে ক্ষণে প্ৰীতিৰ মুখলৈ চালে। তাইৰ এখন হাত নিজৰ হাতৰ মুঠিত সুমুৱাই ল'লে। বাৰে বাৰে তেওঁৰ শংকা ওপজিল — এইমাত্ৰ কেঁকাই উঠিব তাই। এইমাত্ৰ গুৱাহাটীৰ ব্যস্ত বাটৰ সমস্ত শব্দক তল পেলাই তাই চিঞৰ মাৰি উঠিব। মানুহবোৰে শুনিব। যদি কোনোবা পৰিচিত মানুহৰ কাণত পৰে—! "ঈশ্বৰ! হে ঈশ্বৰ! তুমি ৰক্ষা কৰা।" প্ৰীতিৰ মাকে নিজৰ অজানিতে বিৰ্‌বিৰাই কাকুতি কৰিবলৈ ধৰিলে।

প্ৰীতিৰ মুখত টু শব্দ এটাও নাই। এবাৰলৈকো তাই সামান্যভাৱেও কেঁকাই নুঠিল। তলমূৰকৈ বহি আছে। বিষত যদিহে তাইৰ কপালখন কোঁচ খাই আহিছে, সেয়াও মাকে দেখা নাই। নীৰৱ-নিশ্চল এজনী আসন্ন-প্ৰসৱা কুমাৰী। হাস্পতালৰ লেবাৰৰুম পৰ্যন্ত মাকজনী তাইৰ ছাঁ হৈ থাকিল। এই চূড়ান্ত কালত তেওঁৰ মনটো তাইৰ বাবে চট্‌ফটাবলৈ ধৰিলে। প্ৰসৱ-যন্ত্ৰণা কি দুঃসহ, তেওঁ খুব ভালকৈ জানে। তিনিটা সন্তানৰ মাতৃ তেওঁ। একেই যন্ত্ৰণা। অথচ তাই নিৰ্বিকাৰভাৱে ভিতৰলৈ খোজ দিছে। আস্! কি যন্ত্ৰণাই তাইৰ মুখৰ মাত হৰণ কৰি নিছে সেইটো কোনে বুজিব তেওঁতকৈ?

লেবাৰৰুমৰ বাহিৰত — পৃথিৱীত যতমানে সুখী আইতাক আছে, সেই সকলোৰে বিপৰীত বিন্দুত থিয় হৈ তেওঁ একমনে ভগৱানক কাকুতি কৰিবলৈ ধৰিলে। —"এটা মৃত শিশুৰ জন্ম হয় যেন। ... হে ঈশ্বৰ, তুমি যেন অসহায় ছোৱালীজনীক উদ্ধাৰ কৰা।..." দুবাৰ মেলি ডাক্তৰজন ওলাই আহিল। লগে লগে ওলাই আহিছে সদ্য-ভূমিষ্ঠ শিশু এটাৰ অবিৰাম কান্দোনৰ শব্দ।

"ছোৱালী জন্মিছে। ধুনীয়া ছোৱালী। মাক ভালে আছে। বৰ সাহসী মাক। এবাৰলৈয়ো নিচিঞৰিলে।"

প্ৰীতিৰ মাকৰ উশাহ-নিশাহ বন্ধ হোৱা অৱস্থা। ঈশ্বৰৰ নামটোও আৰু মনলৈ নাহে। অপাৰ আন্ধাৰত ডুবো ডুবো হোৱা সময়তে সহৃদয় নাৰ্ছগৰাকীৰ মুখত এই খবৰটো। এজন সাধাৰণ বিক্সাবালা। এখন সৰু টাউনৰ ওচৰত ঘৰ। ঘৈণীয়েকৰ কেঁচুৱা জন্মে আৰু মৰে। চতুৰ্থবাৰ এই হাস্পতাললৈ আহিল। যথেষ্ট চেষ্টা কৰাৰ পিছতো ষোৰাকালি জন্মা কেঁচুৱাটো নাবাছিল। শোকত তিৰোতাজনীৰ বলিয়া-প্ৰায় অৱস্থা।

পানীত পৰা মানুহ। খেৰ-কুটা এডালৰ আশাত কক্‌বকাই আছে। এয়াতো খেৰ-কুটা নহয়। এখন টুলুঙা নাও।

টু শব্দ এটাও নকৰাকৈ প্ৰীতিয়ে কাগজখনত চহী কৰিলে। প্ৰীতিৰেখা বৰা। বিক্সাবালাজনে ভোটোকা-ভোটোকা আখৰেৰে চহী কৰিলে। — মংগল বড়ো। ঘৈণীয়েকজনীৰ কোলাত নাৰ্ছে কেঁচুৱাটো তুলি দিলে। প্ৰীতিৰ মাকে ভয় খাইছে —

যদি হঠাতে জীয়েকজনীক 'নিদিও' বুলি চিঞৰি উঠে। তাই নিচিঞৰিলে। কেঁচুৱাটোলৈ মুখ তুলিও নাচালে। যেতিয়া মংগল বড়োৱে হাঁহিমুখে তাইক নমস্কাৰ জনাই ক'লে, "বাইদেউ, যাওঁ" — তেতিয়াও তলমূৰকৈয়ে তাই হাতবোৰ কৰিলে।

বুকুৰ গাখীৰে কিছুদিনলৈ আহুকাল দিলে। কামিজ তিতি যায়। ঘুঁটি আৰু টুটু অবুজ হৈ আছে। একোবাৰ নজৰত পৰি যায়। টুটু অতি বতিয়াল। বায়েকহঁতৰ লগত ফেৰিয়াফেৰী কৰি থাকিবলৈ সুৰঙা বিচাৰিয়েই থাকে।

"মা, তিতা কাপোৰ পিন্ধিলে মোক যে খং কৰা, বাক নকৰা কিয়?"

"তাই তোৰ দৰে অকামিলা নহয়েই। তইহে মুখ ধুলেও চোলা তিতি যায়।"

"মিছা কৈছোঁ বুলি ভাবিছা নেকি? এইয়া বাক মই ধৰি আছোঁ, মা — চোৱাহি।"

প্ৰীতিয়ে ভায়েকৰ হাতৰ পৰা নিজকে এৰুৱাই বেগাবেগিকৈ কোঠাত সোমালগৈ। একে উশাহে দুৱাৰখন বন্ধ কৰি ল'লে। টুটুৱে ভাবিছে, তাই মাকৰ গালি খোৱাৰ ভয়ত লুকাইছেগৈ। তাইৰ বুদ্ধিটো ধৰি পেলোৱাৰ স্ফূৰ্তিত দুৱাৰত ঢকিয়াই ঢকিয়াই ক'লে — "বা — কামিজ সলাইছা নহয়। তেহে মাই ক'ব ভাল ছোৱালী বুলি! ..."

এমাহ, দুমাহকৈ ছটা মাহ পাৰ হৈ গ'ল। বুকুৰ অমৃতভাণ্ড শুকাই আহিল। বছৰেকীয়া ছুটীত কৌশিক আহিল। এইবাৰ বিয়াৰ আয়োজন। বৰ হেঁপাহেৰে তাই তাক ক'লে — "বিয়াৰ পিছত তাইক লৈ আহিম দিয়া।"

"কাক?"

"আমাৰ ছোৱালীজনীক।"

কৌশিকৰ চাৱনিটোত অসন্তুষ্টিৰ ভাব ফুটি উঠিল। যিহেতু সি অতি ভদ্ৰ ল'ৰা, গতিকে কথাৰ ভংগিমা অতি নিমজ। সি ক'লে, "চোৱা প্ৰীতি, এই কামটো আচলতে আমাৰ বিশেষ সুখদায়ক কাম নহ'ব। মানুহবোৰৰ চকুৰ সন্মুখত নিজকে উদং কৰি দেখুওৱাৰ নিচিনাহে হ'বগৈ। তাই যেতিয়া ডাঙৰ হৈ আহিব, মানুহবোৰে এই লৈ উপহাস কৰিব পাৰে। গতিকে তাইৰো কষ্ট হ'ব। আৰু এটা কথা। তুমি ভাবিছা নেকি — তাইক যিঘৰ মানুহে লৈ গৈছে, সিহঁতে এতিয়া সহজতে এৰি দিব? এদিনীয়া কেঁচুৱা এটা তুলি লোৱাটো সহজ কাম নহয়। ইমানখিনি কষ্ট কৰি এতিয়া তাইক ওভতাই দিবনে? তদুপৰি, তাই বা বাচি আছে নে নাই। বিক্সাৱালা বুলি কৈছিলা। কি কষ্ট কৰি সিহঁত জীয়াই থাকে, তুমি কল্পনা কৰিব নোৱাৰিবা। বিমানহে অভাৱ, তাইক বচাই ৰাখিব পাৰিছে বুলি মোৰ বিশ্বাস নহয়।"

প্ৰীতিৰ চকুহালত দুটোপাল পানী বিৰিঙি উঠিল। তাই ধীৰে ধীৰে তলমূৰ কৰিলে। কৌশিক কাষ চাপি আহিল। দুয়ো হাতেৰে তাইৰ মুখখন তুলি ধৰিলে। নিজৰ মাতটোত বুকুৰ আৱেগ ঢালি সি ক'লে, "প্ৰীতি, চকুহাল মচি লোৱা। চাওঁ, ময়ে মচি দিওঁ। আমাৰ দুয়োৰে বাবে বহুত সুখ, আনন্দ আৰু সুন্দৰ সপোন লৈ নতুন সময় আহিছে। এনে সময়ত চকুপানী টুকি নাথাকিবা। পাৰ হৈ যোৱা সেই ঘটনাটো

শেষ হোৱা এটা অধ্যায়। এতিয়া নতুন অধ্যায় এটা আৰম্ভ হৈছে। ...”

প্ৰীতিয়ে দুবাৰমান উঁচুপিলে। উঁচুপি উঁচুপি তাই ভাবিলে হয় চাগে। সিয়েই চাগে কথাবোৰ শুদ্ধকৈ চিন্তা কৰিছে। তাইনো কিমানখিনি জানে! ভুল-শুদ্ধৰ বাছ-বিচাৰ কৰাৰ শক্তি তাইৰ জানো আছে? যিটো কৰিলে আটাইৰে ভাল হয়, সেই কেঁচুৱাটিৰ মংগল হয়, সিহঁতবো ভাল হয়, কৌশিকৰ, তাৰ মাক-দেউতাকহঁতৰ, তাইৰ নিজৰ, ভায়েক-ভনীয়েকহালৰ, তাইৰ মাকৰ ভাল হয়, সেইটোৱেই হওক। ভাল হ'বহে লাগে। তাৰ বাবে তাই যদি অলপ দুখ সহিবলগীয়াও হয়, তাই সহিব।

যথেষ্ট ধুমধামেৰে কৌশিকৰ সৈতে প্ৰীতিৰ বিয়াখন হৈ গ'ল। তিনি বছৰৰ পিছত এটি কন্যা সন্তান ওপজিল। নাম থ'লে নয়নতৰা। ঘৰৰ আটায়ে তাইক তৰা বুলি মাতে। সৰু টাউনখনৰ আটাইতকৈ ভাল স্কুলখনত তাইক এডমিশ্বন দিছে। কৌশিকৰ ভায়েক কংকনৰ অফিচটো একেটা বাটতে পৰে। গতিকে স্কুটাৰত তাইকো তুলি নি স্কুলত নমাই দিয়ে। ছুটীৰ সময়ত প্ৰীতি অথবা নন্দেক কৃষ্ণাই ৰিক্সাৰে গৈ তাইক লৈ আহে। বাটত হাই-উৰুমি নাথাকিলে প্ৰীতিয়ে ৰিক্সাবালাৰ সৈতে ইটো-সিটো কথা পাতি যায়।

“তোমাৰ ঘৰত কোন কোন আছে?”

....

“ল'ৰা-ছোৱালীকেইটাক পঢ়ুৱাইছানে?”

....

“সেই স্কুলখন ভাল জানো?”

....

বিশেষ বজাৰ-সমাৰ কৰিবলগীয়া থাকিলে লগত নন্দেকজনীও কেতিয়াবা বৌৱেকৰ লগতে ওলাই যায়। সৰু টাউন। কেউপিনে দাৰিদ্ৰ্যপীড়িত বহুবোৰ গাঁৱে আবৰি ৰাখিছে। গাঁওবোৰ প্ৰধানকৈ জনজাতি সম্প্ৰদায়ৰ বাসভূমি। টাউনৰ বহুবোৰ ৰিক্সাৰ চালক বড়ো সম্প্ৰদায়ৰ। হাল-কোৰৰ পৰা চ্যুত হৈ ৰিক্সাৰ পেডেলত ভৰি থৈছেহি। ৰিক্সাৰ চালকজন বড়ো সম্প্ৰদায়ৰ যদি হয়, প্ৰীতিৰ অনুসন্ধিৎসা দুগুণে বাঢ়ি যায়।

“ছোৱালীজনীৰ কি নাম থৈছা? কিমান বয়স? অসুখ? কি অসুখ? ডাক্তৰক দেখুওৱা নাই?...”

ৰিক্সাৰ পৰা নামিবৰ সময়ত চালকজনক উচিত ভাৰাতকৈ বেছি পইছা দি দিয়ে। কৃষ্ণাই বৌৱেকৰ কাণ্ড দেখি হাঁহি হাঁহি কয়, “বৌ যে কি মানুহ! ইমান ভাৰা উপযাচি দিবলৈ টকা উপচি গৈছে নেকি বাৰু?”

আজৰিপৰত খিৰিকীৰে বাটলৈ চাই থকাটো প্ৰীতিৰ অভ্যাসত পৰিণত হৈছে। কেতিয়াবা কামৰ মাজতো চাই চাই মগ্ন হৈ পৰে। শাহুৱেকে সোঁৱৰাই দিবলগীয়া হয়।

“গেছত কিবা তুলি থৈ আহিছা প্ৰীতি? চাবা, ডেই যাব।”

“গৈছোঁ মা।”

শাহুৰেকে ধৰি লৈছে — কৌশিক দূৰৈত থকা কাৰণেই তাই এনেকৈ আনমনা হৈ পৰে। কৃষ্ণাই মাকক কেতিয়াবা বিৰক্তিৰে কৈ উঠে, "বৌয়ে যে বাটৰ মানুহ চাই কিয় ভাল পায়!"

বাটত অসংখ্য মানুহৰ মাজে মাজে দখনা পিন্ধা মহিলা বা গাভৰুৰেও আহ-যাহ কৰে। প্ৰীতিয়ে চাই চাই ভাবে কেইটামান বছৰৰ পিছত মংগল বড়োৰ ঘৰত দখনা পিন্ধা গাভৰু এজনীয়ে ওলোৱা-সোমোৱা কৰিব। কেতিয়াবা কিবা কামত এই বাটটোৰেদি তাই কিজানি খোজকাঢ়ি যাব। এই ঘৰটোলৈ তাই এবাৰো নাচাব। এবাৰো নাভাবিব — এই ঘৰটোত আত্ম-গোপন কৰি আছে তাইৰ জন্মদাত্ৰী মানুহজনীয়ে।

কৌশিকে সপ্তাহত দুবাৰ ফোন কৰে। বছৰেকত এমাহৰ কাৰণে এবাৰ আহে। দূৰৈত থাকিবলগীয়া হোৱা বাবে তাৰ অন্তৰখনত প্ৰেম, স্নেহ আৰু চিন্তাই নিতৌ উখল-মাখল লগায়। প্ৰীতিৰ বাবেও কৌশিক আৰু নয়নতৰা অবিচ্ছেদ্য অংগ স্বৰূপ। নয়নতৰাক বাদ দি তাই এটা দিনবো কল্পনা কৰিব নোৱাৰে। অথচ দখনা পিন্ধা ছোৱালী এজনী বাটত দেখা পালেও তাইৰ বুকুৰ কলিজাটো ভাঙি-মুচৰি এনেকুৱা এটা আকুলতাই মূৰ দাঙি উঠে যে তাই নিজকে উপেক্ষা কৰিব নোৱাৰে।

কৌশিকৰ স্নেহ, প্ৰেম আৰু চিন্তাত মাজে মাজে দুশ্চিন্তাই ভিৰ পাতে। প্ৰধানকৈ জনজাতি অধ্যুষিত এই অঞ্চলটোত কেইবা বছৰ ধৰি আন্দোলন চলি আছিছে। স্বকীয় মৰ্যাদা ৰক্ষাৰ হকে আন্দোলন। হিংসাৰ পথ লোৱা ফৈদো ওলাইছে। সেই ফৈদ আক' দুভাগত ভাগ হৈ পাৰস্পৰিক আক্ৰমণেৰে পৰিস্থিতি ভয়াবহ কৰি তুলিছে। কৌশিকে ফোনত কৈছে,

"সাৱধানে থাকিবা। ওচৰে-পাঁজৰে গোলমাল চলি থাকিলে তৰাক স্কুললৈ নপঠাবা। ছয়ত্ৰিশ ঘণ্টা বন্ধ দিছে বুলি পেপাৰত পাইছোঁ। আগতীয়াকৈ বজাৰ-সমাৰ কৰি থৈছা নে নাই?"

বজাৰ-সমাৰ আগতীয়াকৈ কৰি থ'লে, লগতে যদি ওচৰে-পাঁজৰে কোনো হিংস্ৰ ঘটনা নঘটে, প্ৰীতিহঁতৰ নিচিনা পৰিয়ালবোৰৰ বন্ধৰ দিনতো বিশেষ একো সমস্যা নহয়। অথচ প্ৰীতি উদ্বিগ্ন হৈ উঠে। বিন্নাবালাৰ লগত তাই কথা পাতে, "ছয়ত্ৰিছ ঘণ্টা যে বন্ধ হ'ল, তোমালোকৰ অসুবিধা হোৱা নাই?"

"নহবো দে! কালি ৰাতিতো ভাত নায়েই, দিনতো আধাপেটীয়া।"

প্ৰীতি ব্যগ্ৰ হৈ উঠিল। কিজানি এইজনেই মংগল বড়ো! ভোটোকা-ভোটোক আখৰেৰে চহী কৰা সেই মংগল বড়ো। পেটৰ ভাতমুঠিৰ বাবে এখন ঠাইৰ পৰা আন এখনলৈ লৰি ফুৰিবলগীয়া হৈছে।

"তোমাৰ নাম কি?"

"কৰ্ণ।"

আঃ! ৰক্ষা! মংগল নহয়। কৰ্ণ। স্বস্তিৰ ভাবটো মনলৈ অহাৰ মুহূৰ্ততে এটা নতুন অস্বস্তিবোধে আবৰি ধৰিলেহি। কৰ্ণ? কুন্তীদেৱীৰ কুমাৰী কালৰ সন্তান কৰ্ণ। লোকনিন্দাৰ ভয়ত মাকে নৈত উটুৱাই দিয়া সেই হতভাগা কৰ্ণ!

আপোনমনে পেডেল ঘুৰাই ঘুৰাই কৰ্ণই কৈ গৈছে,

"নিজৰতো পঢ়া-চঢ়া নহ'লেই, ছলিকিটাকে পঢ়াও বুলি ভাবোঁ। ক'ত আৰু পঢ়াম! ভাতৰে হাঁহাঁকাৰ।"

"তুমি কিয় নপঢ়িলা?"

"দুই বছৰমান গৈছিলোঁ বাইদেউ ইস্কুলত। মাষ্টৰৰ কিমান কোব খালোঁ!"

"কিয় কোবাইছিল?"

"কাপোৰ নাই, ভাত নাই। খঙতে ইস্কুল খতি কৰোঁ। যিদিনাই যাওঁ, 'কালি কিয় নাহিলি' বুলি কোবায়। কিবা ভুল হ'লেও কোবায়। কিমান গালিও খালোঁ! — ঐ কুন্তীৰ পুতেক। গাধা। বুঢ়া-হালোৱা। মহাবীৰ কৰ্ণৰ নাম ডুবালি তই" কৈ কৈ কৰ্ণই নিজেই বস পাই হাঁহি এটা মাৰিলে।

প্ৰীতিৰ বুকুৰ ভিতৰখন সিৰ্‌সিৰাই উঠিল। যেন সঁচাসঁচি কৰ্ণৰেই মুখামুখি হৈছে। নৈত উটি উটি সি গৈ আছিল। অযাচিতে কোনোবাই তুলি ধৰিলে।

মিছা কথা। কোনেনো উটুৱাইছে তাক? কোনে তুলি ধৰিছে? ৰিক্সাখনে তুলি ধৰিছে?

প্ৰীতিয়ে মনটো জোকাৰি পেলাবৰ চেষ্টা কৰিলে। অযথা গ্লানিবোধ। যেন তায়েই কুন্তী। সদ্য-ভূমিষ্ঠ কৰ্ণক পাচিত ভৰাই নদীৰ সোঁতত তায়েই এৰি দিছে।

নহয় জানো? তাই জানো কুন্তী নহয়? — এই প্ৰশ্নটোৱে তাইক তীব্ৰ যন্ত্ৰণা দিয়াৰ সময়তে কৰ্ণই ৰিক্সাখন ৰাখি দিলে। স্কুলৰ গেট। পিঠিত বেগটো লৈ মাকৰ বাবে বাট চাই নয়নতৰা বৈ আছে।

অঞ্চলটো বি.টি.চি.ৰ অন্তৰ্ভুক্ত হৈছে। কৌশিকে ফোনত সুধিছে, "কিবা অসুবিধা হৈছে নেকি? ... ঠায়ে ঠায়ে প্ৰতিবাদ হৈছে বুলি পেপাৰত পঢ়িলোঁ। তাতো হৈছে নেকি?... তোমালোক সাৱধানে থাকিবা।..."

ওচৰে-পাঁজৰে কোনো ধৰণৰ অবাঞ্ছিত ঘটনা ঘটা নাই। প্ৰতিবাদ হিচাপে অজনজাতিৰ সংগঠন এটাই দুদিন বন্ধ দিছিল। আগতীয়াকৈ বজাৰ-সমাৰ কৰি থোৱা হেতুকে প্ৰীতিহঁতৰ অলপো অসুবিধা নহ'ল।

তাৰ পিছত, এইয়া পৰিবৰ্তিত পটভূমিত এটা নতুন দিন। সন্মুখৰ বাটটোত স্বাভাৱিকভাৱে আহ-যাহ চলিছে। স্কুল, কলেজ, অফিচ, হাট, বজাৰ, ৰেলষ্টেচন, বাছষ্টেচন অথবা চাহৰ দোকান। স্বচ্ছন্দ গতি-ভংগিমা। দখনা পিন্ধা এজাক গাভৰুৱে হাঁহি-মাতি খোজকাঢ়ি গৈছে। দিন ভাললৈ অহাৰ প্ৰতীকী দৃশ্য এটাহে যেনিবা। প্ৰীতিয়ে হেঁপাহেৰে চালে। তাইৰ এনে লাগিল — পৰিচয়হীন অনামী জীয়েকজনী এই গাভৰুজাকৰ মাজতে ব্যাপ্ত হৈ পৰিছে। এই মুহূৰ্তত তাই কল্পনাও কৰিব নোৱাৰে যে জীয়েকজনীয়ে খালৰ ঘোলা পানীত জাকৈ বাইছে আছে। আধাপেটীয়া দেহাটোত নতুন যৌৱন। ওপৰত দুপৰৰ নীলাকাশ। চৌদিশে সেউজীয়া বন। নিৰ্জন প্ৰকৃতি-জগত।

একমনে তাই জাকৈ বাইছে।

গোসাঁনী

"আৰু কি আনিছ?" খবাহিত বাৰ্কি দিয়া শুকান জলকীয়াখিনিলৈ চাই ডাঙৰ আইদেৱে সুধিলে।

"ধূনা আনিছে, বাবুনী? ঝাৰু-বনো আনিছে।"

"আৰু?"

ভূটীয়াটোৱে হলৌ চোলাটোৰ খলপা এটাত হাত এখন সুমুৱাই দিলে। জেপ নহয়। কেংগেৰুৱে পোৱালি সুমুৱাই ৰখা মোনাটোহে যেনিবা। বুকুৰ নামনিৰ পৰা পেটলৈকে বিয়পি থকা এটা খোবোং। খোবোংটোৰ ভিতৰৰ পৰা সি কাঁচৰ বটল এটা উলিয়ালে। বটলটোৰ ভিতৰত জাৰকালি গোট মৰা নাৰিকল তেলৰ দৰে এবিধ বগা পদাৰ্থ।

"সেয়া কি?"

"ঘিউ।"

"কি ঘিউ?"

"গৰু-ঘিউ, বাবুনী।"

ডাঙৰ আইদেউৰ নাকটো কোঁচ খাই গ'ল। কি বা ঘিউসোপা আনিছে এই জলহটোৱে! গৰুৰ গাখীৰৰেই নে গৰুৰ মূৰটোৰে! মুখ ফুটাই ক'লে, "ঘিউ নালাগে। ধূনা আৰু ঝাৰু-বনখিনিকে দে।"

সি পিঠিৰ পৰা বোজাটো নমালে।

"ঝাৰু-বন বেছিকৈ আনিব নোৱাৰিলি?"

"ৰাজাদিগিৰ মানুহে দেখা পালে ধৰে, বাবুনী?"

"কোন ৰজা?"

"আমাৰ দেশৰ ৰাজা, বাবুনী।"

"এই আঁকৰাকেইটাৰ দেশতো এনে তীখৰ ৰজা আছেনে?"

হেম মহৰীয়ে ময়ূৰপাখিৰ কলমটো ডবুৱা কটাবীখনেৰে কাটি থকাৰ পৰা

মাত লগালে, “ৰজা ৰজাই, আইদেউ! সেই দেশৰেই হওক বা এই দেশৰেই হওক।”

“ইহঁতৰ ৰজাও বগা-চাহাব নেকি হেমকাই?” ডাঙৰ আইদেউৰ ন বছৰীয়া পুত্র বাপধনে সুধিলে। হেম মহৰীয়ে ময়ূৰপাখিৰ কলমটো বাপধনৰ হাতত দি ক'লে, “লিখি চোৱাগৈচোন ঠিক আছে নে নাই। এই কলমটোৰে তুমি কিন্তু তুলাপাততহে লিখিবা দেই। কলপাতত লিখিবলৈ মই বাৰু খাগৰি বনৰ কলম এটা কাটি দিম।” বাপধনে তেতিয়াও লৰচৰ নকৰা দেখি হেম মহৰীয়ে হাঁহি এটা মাৰি ক'লে —“ৰজাৰ কথা সুধিছা? ইহঁতৰ ৰজা ইহঁতৰে মানুহ। হলৌ চোলা পিন্ধা ভূটীয়া।”

“তুমি ৰজাক দেখিছানে?”

“কেনেকৈ দেখিম? ৰজা অনাই-বনাই ঘূৰি নুফুৰে নহয়। পালি-পহৰীয়াবোৰকহে দেখিছোঁ।”

“সিহঁত ক'ত থাকে?”

“আমাৰ খেৰ্‌খেৰীয়া পাহাৰৰ পৰা অকণমান উজাই গ'লে তাতেই সীমাটো। সীমাত পালি-পহৰীয়াৰ শিবিৰ এটা আছে। ইহঁতে ধূনা, ঝাৰু-বন আনি বেচিছে বুলি জানিবহে লাগে, ধৰি নি শিকনি দিব নহয়।”

ককিলা বায়ে জলকীয়াৰ খৰাহিটো কঁকালত তুলি ল'লে। বাচন ধোৱা ঘাটত এধোৱা দি নাদৰ পানীৰে আৰু এবাৰ ধুব লাগিব। তাৰ পিছত ৰ'দত শুকুৱাই ঢেঁকীত নহৰুৱ সৈতে খুন্দিব। এই জলকীয়া আইদেৱে পাক-ঘৰত সুমুৱাবলৈ নিদিয়ে। বাহিৰা ঘৰত থ'ব। বনকৰা মানুহখিনিয়ে ভাতৰ লগত লোণ-তেল সানি জুতি লগাই খাব।

“দেউতা! দেউতা!”

পোনা মহৰী উধাতু খাই সোমালহি। চকুৰে-মুখে উদ্বিগ্নতা। পোনেই সুধিলে, ‘আইদেউ, দেউতা ক'ত?”

আইদেৱে বেতৰ মুঢ়া এটা পোনা মহৰীলৈ আগবঢ়াই দি ভূটীয়াটোক ক'লে “আজি যা। পৰহিলৈ আহি ধান এদোণ লৈ যাবি।”

“কালি দিবি দে, বাবুনী।”

“বৃহস্পতিবাৰে আমি কাকো ধান, চাউল নিদিওঁ। পৰহিলৈ আহিবি।”

ভূটীয়াটো গ'লগৈ। আইদেউ ভিতৰলৈ গ'ল আৰু খন্তেক পিছতে মুৰুলীধৰ চৌধুৰীৰ পাছে পাছে ওলাই আহিল। কাঠৰ ৰেলিং দিয়া বাৰাণ্ডাখনত দুয়ো অগা-পিছাকৈ থিয় হ'ল। পোনা মহৰী মুঢ়াটোত তেতিয়াও বহা নাই। থিয় হৈয়েই আছে। অথিৰ-অবিৰ চেহেৰা।

“সন্ধি মাউতক ধৰি নিলে, দেউতা।” তেওঁ ফোঁপাই-জোঁপাই ক'লে।

“কোনে?”

“ভূটীয়া চিপাহীয়ে।”

ইতিমধ্যে ঘৰৰ ল'ৰা-সুৱি, লিকচৌ-লিগিৰী আটায়ে আহি জুম পাতিছে। পোনা মহৰীয়ে ঘন ঘনকৈ উশাহ লোৱা দেখি ডাঙৰ আইদেৱে সুধিলে, “পানী এটোপা খাই

ল'বা নেকি?" মহৰীয়ে একো ক'বলৈ নৌপাওঁতেই শাওণী নামৰ লিগিৰীজনীয়ে লৰ্‌পৰ্‌কৈ পানী এবাটি আনি দিলে। ঘোট্‌ঘোট্‌কৈ পানী বাটি পি তেওঁ লানি লগাই ঘটনাটো ক'বলৈ চেষ্টা কৰিলে।

"ওবেটো দিন কাঠ টনা কাম চলিয়েই আছিল, দেউতা। বেলি হালিলত, সন্ধিৰাম হাতীৰ পিঠিৰ পৰা নামি কাষতে থকা ফটিকাৰ পোহাৰ এখনত সোমালগৈ। চৰতীয়াটো দিবৰ সময়ত ভুটীয়া পোহাৰীজনীৰ লগত..." পোনা মহৰীয়ে বাক্যটো আধাতে এৰি জিভা কামুৰি ধৰিলে।

ডাঙৰ আইদেৱে ল'ৰা-ছোৱালীকেইটিলৈ চাই শাসনৰ সুৰত ক'লে, "তইঁত ভিতৰলৈ যা।" লগে লগে ল'ৰা-ছোৱালী, লগুৱা-লিগিৰী আটাইবোৰ সুৰসুৰকৈ ভিতৰলৈ গৈ ভাগে ভাগে বেৰত চেপেটা লাগি কাণ থিয়কৈ থাকিলগৈ।

চৌধুৰীয়ে গহীন মাতেৰে পোনা মহৰীক ক'লে, "কৈ যোৱা।"

আগৰ কথাৰ আঁত ধৰি পোনা মহৰীয়ে ক'লে, "ই কিবা চুপতি মাৰিবলৈ মন মেলিছিল হ'ব পায়, তাইৰ মতাটো চোঁ মাৰি খেদি আহিল। ইয়ালৈ অহা ভুটীয়ামথাৰ নিচিনাই তাৰ চেহেৰা। মোটোহা-মোটোহ হাত-ভৰি। ফটিকাসোপাকে অনবৰতে পি থাকে হ'বলা, মুখখন ৰঙা পৰি থাকে। গুজুৰ্‌-গাজাৰকৈ কিবাকিবি বলকি সি ফেপেৰি পাতি ধৰিলেহি। লাগি গ'ল ওখনা-উখনি। কঁকালত বান্ধি ৰখা খাপটোৰ পৰা মিটখন উলিয়াই এঘাপ মাৰিলেও।"

"কোনে?"

"ভুটীয়াটোৱে দেউতা। দাৰ্‌ গদিটোৰেহে পিছে। নহ'লেতো সন্ধিৰামৰ কালিয়েই চাউল-কঠা অন্ত পৰে।"

চৌধুৰীৰ চকুত স্পষ্টকৈ ভৰ্ৎসনাৰ ভাব এটা ফুটি উঠিল। অৰ্থটো এনেকুৱা, ই কি কৰিলে? ভেবা লাগি থাকিল? নে নেজ পেলাই দৌৰ মাৰিলে?

পোনা মহৰীয়ে তেওঁলৈ লক্ষ্য কৰি সৰুকৈ গল-খেকাৰি এটা মাৰি ক'লে, "ই সন্ধিওতো কম নহয়, দেউতা। দঁতাল হাতী বলোৱা মানুহহে তেঁও! হাতত থকা অংকুশপাটেৰে দিলে নহয় হান এটা মাৰি।"

"ক'ত হানিলে?"

"ভুটীয়াটোৰ কৰঙণতে, দেউতা। সোপাসোপে তেজ আঁঠুৰেদি বৈ আহিল।"

বাৰাণ্ডাত থিয় হৈ থকা ডাঙৰ আইদেউ, তাঁতৰ পাটত ফুল বাছি থকা সৰু আইদেউ, বেৰত কাণ পাতি বৈ থকা ল'ৰা-লুৰি, লিক্‌চৌ-লিগিৰীহঁত আটাইবোৰ জিকাৰ্‌ খাই উঠিল। চৌধুৰীৰ মুখত অৱশ্যে বিশেষ ভাবান্তৰ নাই, কেৱল বহল কপালখন সামান্য থুপ খাই গৈছে।

"তাৰ পিছত দেউতা, কি হৈ-চৈ! ভুটীয়া-ভুটীয়ানীহঁতৰ চিএৰ-বাখৰত গছৰ পাত সৰা অৱস্থা। গোলমাল শুনি ওলাওকহি ভুটীয়া চিপাহী কেইটামান। সোধ নাই, পোছ নাই, সন্ধি মাউতক বান্ধি-কুন্ধি চোঁচোৰাই লৈ গ'ল।"

"জগন্নাথ ক'ত?" চেলাউবিহাল থুপ খুৱাই চৌধুৰীয়ে সুধিলে।

জগন্নাথ! পোনা মহৰীক অধীৰ কৰি ৰখা উত্তেজনাৰ নিচা মুহূৰ্ততে কাটি গ'ল। ঠিকেইতো, জগন্নাথ ক'ত থাকিল, কাৰোৰেইতো মন কৰিবলৈ নহ'ল।

পোনা মহৰীয়ে বাওঁহাতেৰে গলধনত পৰি থকা চুলিখিনি চুই চুই ক'লে, "সন্ধিৰাম হাতীৰ পিঠিৰপৰা নামি এই গোলমালত পাক খাই পৰিলত, জগন্নাথ এৰা-পৰলীয়া হৈ উত্তৰমুৱা বাটটোৰে এখোজ-দুখোজকৈ গৈ আছিল।"

"তাৰ পিছত?"

"তাৰ পিছত!" পোনা মহৰীয়ে এইবাৰ মূৰ খজুৱাবলৈকো পাহৰি বেবুৰা লাগিল। মুৰুলীধৰ চৌধুৰী গৰ্জি উঠিল, "এই মুহূৰ্ততে কৰ্ক্ষি ফান্দীক লগত লৈ জগন্নাথক বিচাৰি যোৱা। ৰাতিৰ ভিতৰতে ঘূৰি আহি হাতীয়ে-মানুহে মোক দেখা কৰিবা।"

"দেউতা! দেউতা!!"

নিতাল মৰা জগতখন পোনা মহৰীৰ মাতটোত সজাগ হ'ল। দুপ্‌দাপকৈ দুৱাৰবোৰ খোল খালে। চৌধুৰী বাৰাণ্ডাত থিয় হোৱাৰ লগে লগে আনখন দুৱাৰেদি ডাঙৰ আইদেউ ওলাই আহিল। সৰু আইদেউ নিজৰ কোঠাৰ দুৱাৰডলিতে ৰৈ থাকিল। হাকোটা লগাই ওলোমাই ৰখা লেমৰ চিম্‌নীটোৰ একাষ বতাহ লাগি ক'লা পৰি গৈছে। ম্লান পোহৰত পোনা মহৰীৰ বিপন্ন চেহেৰাটো অস্পষ্টভাবে দেখা গৈছে।

"জগন্নাথ ক'ত?" চৌধুৰীয়ে চিঞৰি প্ৰশ্ন কৰিলে।

"দেউতা, জগন্নাথ ভূটানৰ ভিতৰ সোমাইছেগৈ। যিপিনে গৈছে, সেইপিনেই মহটিয়াই খান্তাং কৰিছে। পোনতে আমাক সীমা পাৰ হ'বলৈকে নিদিয়ে। বৰকৈ যেতিয়া ক'লোঁ যে, হাতীটো ধৰি নিবৰ বাবেহে ফান্দীৰে সৈতে আমি উপস্থিত হৈছোঁ, তেহে অনুমতি দিলে। জগন্নাথক দেখাও পালোঁ। জোপোহা গছ এজোপাৰ ঠানি আঁজুৰি আছে। জোঁৰ-বাতি দেখিয়েই হ'ব পায়, আকৌ উজাই খোজ ল'লে। কৰ্ক্ষি ফান্দীয়ে ক'লে, "এই কথাই কথা নহয়। ধৰিব লাগিল। সি দৌৰ মাৰি গৈ আগচি ধৰিব খোজোঁতে -।" পোনা মহৰীয়ে ফোঁপাবলৈ ধৰিলে। তাৰ পিছত বনিয়নটো হাতেৰে টানি ধৰি নিজৰ বুকুতে এবাৰ থুৎকুৰিয়াই ল'লে। কথাষাৰ পূৰা কৰিবলৈ বুকুখনত বল বান্ধিহে লৈছে যেন। "কাণ-মূৰ জোকাৰি, দেউতা, প্ৰকাণ্ড দৈত্য এটাৰ দৰে যেনেকৈহে চোঁচা মাৰি খেদি আহিল, কথমপিহে জীউটো বান্ধি লৈ এইখিনি পাইছোঁহি, দেউতা।"

"কৰ্ক্ষি ফান্দী ক'ত?" - চৌধুৰীৰ কণ্ঠ এইবাৰ কঠিন।

"আছোঁ দেউতা।"

শেৱালিজোপাৰ ছাঁ পৰি আন্ধাৰ হৈ থকা ঠাইটুকুৰাৰ পৰা মাতটো ভাহি

আহিল। মানুহটোৱে যেন গোহৰত মুখ দেখুৱাবলৈ টান পাইছে। চৌধুৰীয়ে জিজ্ঞাস কৰি ক'লে,

"পোহনীয়া হাতীটোও ধৰি আনিব নোৱাৰিলি? ফান্দী বোলাইছ? তাক তয়েই পোহ মনোৱা নাছিলিনে?"

কহ্হি ফান্দী নিমাতে ৰ'ল। পোনা মহৰীয়েহে মাতটো নাকেৰে কোমলকৈ উলিয়াই ক'লে, "ই সন্ধিয়ে কেইবাবছৰো অকলে চলাই তাক এহতীয়া কৰি পেলাইছে, দেউতা। ইয়াক এতিয়া জগন্নাথে কুটা হেনো নেদেখে।"

চৌধুৰী খন্তেকপৰ চিন্তিতভাৱে থিয় হৈ ৰ'ল। তাৰ পিছত আদেশৰ সুৰত ক'লে, "এতিয়া ঘৰাঘৰি যা। পুৱাতে আহিবি। মোৰ লগত যাব লাগিব।"

পাৰই বণ দিলে। সৰু আইদেৱে কান্দো কান্দো মাতেৰে ক'লে, "মোৰ সোঁ চকুটো নাচি আছে।" তেওঁ সৰু আইদেউৰ চকুৰ পাহিত আঙুলি বুলাই বুলাই ক'লে, "নাচিবই। এশ কাঠিৰ ফুল বাছি থাকিলে বাওঁ চকুটোৱেও নাচোন ধৰিব।"

"অকলে অকলে মোৰ বেয়া লাগে।" সৰু আইদেৱে আকৌ ওজৰ জনালে। "অকলে?" চটি জোতাযোৰত ভৰি সুমুৱাব খুজি চৌধুৰী বৈ গ'ল। এইখন ঘৰত এটা চুবুৰিৰ সমান মানুহ আছে। দুগৰাকী পত্নী, প্ৰথম পক্ষৰ তিনিটা সন্তান, নিকট আত্মীয়, আশ্ৰয়-প্ৰাৰ্থী, কৰ্মচাৰী, লগুৱা-লিগিৰীৰে অনবৰতে উদুলি-মুদুলি হৈ থকা এখন ঘৰ। তথাপি তেওঁ কেনিবা গ'লে সৰু আইদেৱে অকলশৰীয়া বোধ কৰে।

চেলেং, চাদৰ যতনাই দি ডাঙৰ আইদেৱে ক'লে, "কহ্হি ফান্দী হেন মানুহটোও ইঁহকি আহিছে। আপুনি মিছাতে কিয় বিপদ মাতিবলৈ যায়?" চৌধুৰীয়ে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি বটাৰ পৰা তামোল এখন লৈ মুখত ভৰালে। মুগাৰ চেলেংখনৰ তলত ঢাক খাই থকা চোলাটোৰ জেপত কলমটো আছে নে নাই এবাৰ চালে। তাৰ পিছত ডাঙৰ আইদেৱে নিচেই কাষত থিয় হৈ ক'লে, "হেম মহৰীয়ে খাজনাৰ হিচাব-পত্ৰ তোমাৰ হাতত দিব। ভালকৈ থ'বা।" দুৱাৰখনৰ পিনে দুখোজ গৈ আকৌ ক'লে, "মোৰ ৰূপ-খটোৱা বেতডাল নিদিলা দেখোন।" ডাঙৰ আইদেৱে লৰালৰিকৈ এমুৰত চিকুণকৈ ৰূপ খটোৱা বেতৰ মিহি লাঠিডাল আনি চৌধুৰীৰ হাতত তুলি দিলে।

"আইদেউ! আইদেউ!" চোতালত আকুল-আতুৰ মাতটো শুনি আইদেউ ভিতৰৰপৰা তৎক্ষণাতে ওলাই আহিল। সাধাৰণতে ডাঙৰ আইদেউক কোনোবাই বিচাৰিলে সৰু আইদেউ কোঠাৰ পৰা ওলাই নাহে। কিন্তু পোনা মহৰীয়ে যেনেকৈহে পানীত ডুবিবলৈ ধৰা মানুহৰ চিঞৰিবি চিঞৰিছে, ঘৰত থকা আটাইবোৰ মানুহেই মুহূৰ্ততে জুম বান্ধিলেহি। কঁপা-কঁপা মাতেৰে মহৰীয়ে ক'লে -

"আইদেউ, সিহঁতে দেউতাক বান্ধি থ'লে।"

"কোনে?"

"ভূটানৰ চিপাহীয়ে।"

"কিয়?"

ধপ্‌কৈ শব্দ এটা শুনি আটায়ে মুখ ঘূৰাই চাই দেখিলে, সৰু আইদেউ বহাতে পৰি গ'ল। কিছুদিন ধৰি মানুহজনীৰ গাত ঠেহ্ ঠেহ্ নেহ্ নেহ্‌বোৰ লাগিয়েই আছে। চাৰিমাহৰ লেঠা। ককিলা বাইহঁতে ধৰাধৰিকৈ দাঙি নি তেওঁক বিছনাত শুৱাই দিলেগৈ।

খোপাৰ ওৰণিখন সেওঁতাৰ ওপৰলৈকে টানি লৈ ডাঙৰ আইদেউ বেতৰ ডাঙৰ মুঢ়াটোত বহিল। পোনা মহৰীয়ে সৰু মুঢ়াটোত বহি ক'বলৈ ধৰিলে, "ভূটানৰ দাৰোগাৰপৰা অনুমতি লৈ দেউতাই সন্ধিক উলিয়াই আনিলে। হাতীটো ধৰাৰ পিছত কন্ধি ফান্দীক তুলি দিব। গলচীত ভৰি সুমুৱাই এবাৰ যদি বহি ল'ব পাৰে আৰু চিন্তা নাই। সন্ধিৰামক হাজোতত চম্‌জি দি উভতি অহা যাব। লক্ষী নদীৰ পাৰে পাৰে হাতীৰ খোজ চাই চাই উজাই গ'লোঁ।"

"এখেতো গৈছিল নেকি?"

"নাই যোৱা। দেউতা দাৰোগাৰ লগত কথা পাতি বহি থাকিল। সন্ধিৰাম, কন্ধি ফান্দী, মই আৰু ভূটীয়া চিপাহী দুটা, আমি পাঁচটা মানুহ আগবাঢ়ি গ'লোঁ। গৈ আছোঁ, গৈ আছোঁ। গৈ গৈ দেখিলোঁ, নৈৰ ডুবিটোত সাঁতুৰি-নাদুৰি জগন্নাথে গা ধুই আছে। ডিঙিৰ গলচীডাল, সোঁ-কাণৰ কাষত ওলমি থকা গুপ্তিপাট একেদৰে আছে। মাউত বহা সতৰঞ্চিডোখৰহে নদীত উটি গ'ল হ'বলা, পিঠিখন তেনেই উদং। সন্ধিৰামে পাৰৰ পৰাই চিঞৰিলে, "জগন্নাথ!" শুঁৰডালেদি পানী সিঁচিবলৈ এৰি জগন্নাথ থৰ হৈ গ'ল। দ্বিতীয়বাৰ আকৌ মাতিলে, "জগন্নাথ! আহ। এইপিনে আহ।" এখোজ-দুখোজকৈ জগন্নাথ পানীৰ মাজৰপৰা উঠি আহিল। কন্ধি ফান্দীৰ কেনে লাগিছিল ক'ব নোৱাৰোঁ। মোৰ হ'লে আইদেউ, কলিজাটোৱে টিপ্‌লিং টিপ্‌লিং কৰি হাত-ভৰি কোঁচ খুৱাই আনিছিল। নাই। কোনো অমুৰি নাই, আখটি নাই, যেন সৰু ল'ৰা এটাহে থুপুক্-থাপাক্ খোজকাঢ়ি মাকৰ কাষলৈ আগবাঢ়ি গৈছে।"

"এখেতক কিয় ৰাখি থ'লে, তাকেহে কোৱা।" ডাঙৰ আইদেৱে অধৈৰ্য হৈ ক'লে।

"কৈছোঁ, আইদেউ! ই সন্ধিৰামে জগন্নাথৰ বিছনী হেন কাণ দুখনত ভৰ দি শুঁৰডালেদি উঠি গৈ তিতি থকা পিঠিখনত বহি ল'লে। ভৰি দুখন গলচীৰ দুয়োপিনে সুমুৱাই দি গুপ্তিপাট খামোচ মাৰি ধৰিলে। তাৰ পিছতে আইদেউ -।" পোনা মহৰীয়ে? কাষতে থকা লোটাটোৰ পানীখিনি ঘোট্‌ঘোটাই পি দীঘল দীঘলকৈ উশাহ ল'লে। "তাৰ পিছত, আইদেউ, হঠাতে সি হাতীটো দৌৰাই নিবলৈ ধৰিলে। গৈয়েই আছে। আধাকাৰ্লংমান বাট গ'লেই হ'ব পায়, ভূটীয়া চিপাহী দুটাই তেহে সম্বিৎ পাই চিঞৰিছে - "হেই! ৰখো, ৰখো।" কন্ধি ফান্দী আৰুময়ো ঢেঁটু ফালি চিঞৰিছোঁ, হেঐ সন্ধিৰাম কি ল'ৰা-ধেমালিখন কৰিছ। ঘূৰি আহ। লগে লগে ঘূৰি আহ বুলিছোঁ। নাই, হাতী

মানুহ থিতাতে অদৃশ্য হৈ গ'ল।

ডাণ্ডৰ আইদেউৰ মুখটো আচল্লাই কৰিছে। কিন্তু ধৈৰ্য হেৰুৱালে কেনেকৈ চলে? ঘৰৰ মূল মানুহজনৰ বিপদ। তেওঁক কি উপায়ে সুকলমে মোকলাই আনিব পাৰি, এতিয়া সেইটোৱে চিন্তা কৰিব লগীয়া বিষয়।

অলপ সময় তলকা মাৰি ডাণ্ডৰ আইদেৱে ক'লে, "তোমালোকে ক'ব লাগিছিল, বদমাছি সন্ধি মাউতেহে কৰিছে। এখেতৰ কি দোষ? এখেতক সিহঁতে কিয় বান্ধি থ'ব?"

"কৈছিলোঁ, আইদেউ! দেউতাই নিজমুখেও কৈছিল। পিছে কেৱল খোলাকটিৰ তাল। মৈত উঠা অঁকৰাৰ দৰে সিহঁতে নিজৰ মতটোতে খামোচ মাৰি ধৰি থাকিল। সন্ধিৰাম আচামী। দেউতাইহে নিজৰ জামিনত অলপপৰৰ বাবে তাক মোকলাই দিবলৈ কৈছিল। এতিয়া তাক চম্‌জি নিদিয়া পৰ্যন্ত সিহঁতে দেউতাক এৰি নিদিয়ে।"

ডাণ্ডৰ আইদেৱে চিন্তিতভাৱে ক'লে -

"তাক ধৰি আনিবৰ বাবে যি যি কৰিব লাগে সকলো কৰা।"

"হয়, আইদেউ! পিছে হেমকায়ে অকলে মৌজাৰ কাম চম্ভালিবলৈ আহকাল পাব হ'বলা।"

"সহায় কৰিবৰ বাবে কেইদিনমান কোনোবা এজনক বখা যাব। যোগেন মণ্ডলৰ পুতেকটোৱে ছাত্ৰ-বৃত্তি পৰীক্ষা দিছে নহয়, তাৰে খবৰ এটা কৰিবা।"

"হ'ব, আইদেউ।"

"আৰু -", ডাণ্ডৰ আইদেউ কোঠাৰ ভিতৰত সোমাব খুজিও বৈ গ'ল। "এটা কাম কৰিবাচোন।"

"কওক, আইদেউ।"

"তেখেত এসাজ কাপোৰেৰেই ওলাই গৈছিল। কাইলৈ আৰু এসাজ কাপোৰ দি আহিবা।"

"হ'ব, আইদেউ।"

সৰু আইদেউ শেতেলিত কাতি হৈ পৰি আছে। মুৰ-ঘূৰণিটোৱে এৰা দিয়া নাই। ককিলা বায়ে ডাণ্ডৰ আইদেউক ফুচ্‌ফুচাই কৈছে, "মাকৰ ঘৰলৈ পঠাই দিলেই দেখোন ভাল হয়।" ডাণ্ডৰ আইদেৱে লগে লগে মুখটো জোকাৰি দিলে, "তাইৰ বংশ-পৰিয়ালে বলি-বিধান মানে। এইখন ঘৰৰ সৈতে পৰিয়ালৰ সম্বন্ধ ঘটাটোৱেই আচলতে অসম্ভৱ কথা।"

"জানো, আইদেউ। কাষত কলহ লৈ পানী তুলিবলৈ যোৱা তাইৰ ৰূপটো দেখিহে দেউতা গুৰু-গোঁসাই নমনা আঁকোৰ-গোজটো হ'লগে।"

ডাণ্ডৰ আইদেউৰ মুখ-মণ্ডল সামান্য গোমা হৈ উঠিল। মাতটোতো বিৰাগ।

"মফস্বললৈ যোৱাৰ বাটত তাই পেখম ধৰি ফুৰিছিল। জুইৰ কাষত থিউ। গলিবলৈ কিমান পৰ? বলিব তেজেৰে ফোট লোৱা ঘৰৰ জীয়ৰী বুলি জাতি-বংশই কম আপত্তি কৰিছিলনে।" ডাঙৰ আইদেউৰ মুখেদি আৰু এবাৰ কথা ওলাই পৰোঁ হেন কৰিছে, "কেৱল বলি-কটা ঘৰৰ বুলিহে। মোৰ ভূত-ভৱিষ্যতৰ চিন্তাৰ বাবে নহয়।" নাই। এই নিৰ্মম সঁচা কথাষাৰ ককিলাইতৰ নিচিনা মানুহৰ আগত প্ৰকাশ কৰি তেওঁ নিজকে লঘু কৰিব নোৱাৰে। চেৰেকীৰ সূতাত লাগি ধৰা জোটটোত চকু থৈ তেওঁ ক'লে, "বিয়াখন হ'লগৈ। কিন্তু চৰ্ত চৰ্তই! তাই মাকৰ ঘৰলৈ অহা-যোৱা কৰিব নোৱাৰিব। দৈবাৎ কোনোবা দিনা যাব লগীয়া হ'লেও কাৰো হাতে খোৱা-বোৱা কৰিব নোৱাৰিব। টৌ-খুঁটি মাৰি বেলেগে খাব লাগিব। এইখন ঘৰত কেতিয়াও গোসাঁনী-সেৱা পাতিব নোৱাৰিব। ইয়াত যি নিয়ম-নীতি চলি আহিছে, আখৰে আখৰে পালন কৰিব লাগিব।"

"মাকজনীকে আনি ৰাখিলে কেনে হয়, আইদেউ?" ককিলা বায়ে আকৌ সুধিলে। "নালাগে", ডাঙৰ আইদেৱে গোজোৰা মাৰি ক'লে। "মিতিৰ মানুহ। পাকঘৰলৈ নি বহুৱাবলৈকো নহ'ব, বাহিৰা ঘৰত ৰখুৱাও মচলিব। অশান্তি এখন চপাই লোৱাহে হ'বগৈ।"

ভাগৰুৱা খোজেৰে পোনা মহৰী সোমাই আহিল। লগে লগে ডাঙৰ আইদেৱে আগ্ৰহেৰে সুধিলে —

"কাপোৰ সাজ দিলাগৈনে?"

"দিলোঁ আইদেউ।"

ডাঙৰ আইদেউ খন্তেক নীৰৱে ৰ'ল। তাৰ পিছত সুধোঁ-নোসুধোঁকৈ সুধিলে, "তেখেতক কেনে দেখিলা?"

"দেউতা এই দুটা ৰাতিতে তেনেই শুকাই গ'ল, আইদেউ।"

"খোৱা-বোৱা কৰা নাই?"

"সিহঁতে কিবাকিবি দিছেহি বোলে। পিছে অজাতিৰ হাতে কি স'তেনো খায়?"

"কাইলৈ তুমি গাখীৰ আৰু ফল-মূল লৈ যাবা।"

"হ'ব, আইদেউ।"

"সন্ধিৰামক ধৰিবৰ বাবে কি ব্যৱস্থা কৰিছা?"

"ওচৰৰ মৌজা তিনিখনলৈ খবৰ পঠাইছোঁ, আইদেউ। তেওঁলোকে হাতীৰে পিছ লোৱাৰ কথা।"

"তুমি যাওঁতে সোণেশ্বৰ দেউক লগ ধৰি যাবাচোন। গোসাঁইঘৰত বিষ্ণু হোম এটা কৰকহি। কি কি অনাৰ লাগিব সুধি-পুছি কাকতত লিখি আনিবা।"

"হ'ব, আইদেউ।"

গোসাঁইঘৰৰ আশ-পাশ আম খৰিৰ ধোঁৱাবে ধুঁৱলি-কুঁৱলি। এদিন-দুদিন নহয়, সাত দিন, সাত ৰাতি। ৰবঘৰৰ ভিতৰখনো ধুঁৱলি-কুঁৱলি হৈ আছে হমুনিয়াহ আৰু চকুপানীৰে।

"পোনা মহৰীয়ে মোনাটোৰ পৰা খালি জগটো উলিয়াই পিৰালিত থৈ ক'লে, "আইদেউ, গাখীৰ, ফল-মূল আৰু নিনিলেও হ'ব নেকি?"

"কিয়?"

"গৈ দেখিলোঁ, দেউতাৰ হাতত এসিলাচ তপত গাখীৰ। মই বোলোঁ, কালি দি অহা গাখীখিনিয়েই হ'বলা। কোনেবা তপতাই দিলে। তেনেতে থাল এখনত এথাল ফল-মূলো দেউতাৰ সন্মুখত আথে-বেথে থৈ গ'লহি।"

"কোনে?"

"ভূটীয়া ছোৱালী এজনীয়ে।"

"হাজোতত আকৌ ক'ৰপৰা ছোৱালী ওলালহি?"

"তাৰে কৰ্মচাৰী এজনৰ ছোৱালী, আইদেউ। চিপাহী-চন্তৰীয়োৰৰ কঁকালে-কঁকালে চামৰাৰ পেটী, ভৰিয়ে ভৰিয়ে চামৰাৰ জোতা। তেনেকৈ জধে-মধে আনি দিয়া খোৱাবস্তু দেউতাই নাখায়। সেই কাৰণে ছোৱালীজনীকে আলপৈচান ধৰিবলৈ দিছে।"

"ছোৱালীজনী কেনে?" আইদেৱে নোসুধোঁ বুলি ভবা সত্ত্বেও কথাষাৰ মুখৰপৰা ওলাই গ'ল।

"পাটগাভৰু আইদেউ। ইয়ালৈ অহা ভূটীয়াবোৰৰ দৰে তেজ-গোৰা। পোছাকো একে। দগধা চোলা, মূৰত নোমৰ টুপী।"

আউলি-বাউলি বেশেৰে শেতেলিৰ পৰা সৰু আইদেউ উঠি আহিল আৰু আকুল মাতেৰে সুধিলে - "বাইদেউ, ময়ো পূজা এভাগ আগবঢ়াওঁনে?"

"কি পূজা?"

"গোসাঁনী সেৱা।"

"নহ'ব।" ডাঙৰ আইদেৱে কঠিন মাতেৰে ক'লে, "এইটো চৌহদত গোসাঁনী সেৱা কাহানিও হোৱা নাই আৰু কাহানিও নহ'ব।"

গোসাঁইঘৰত হোম-যজ্ঞ চলি আছে। হমুনিয়াহ আৰু চকুপানীও বৈ আছে। পাঠ, কীৰ্ত্তন, শঙ্খ, ঘণ্টায়ো কাৰো বুকু শাঁত পেলাব পৰা নাই।

"বাইদেউ, গোসাঁনীলৈ এভাগ —"

সৰু আইদেউৰ কথালৈ কাণ নিদি ডাঙৰ আইদেউ নিজৰ কোঠাৰ পিনে আগবাঢ়ি গ'ল। সৰু আইদেৱে তেওঁক আগচি ধৰি ভৰিৰ কাষতে বহি পৰিল। "বাইদেউ, মই ইয়াত সেৱা নাপাতোঁ। আই-পিতাইৰ হতুৱাই সেৱা ভাগ ভাত থকা গোসাঁনীথানত আগবঢ়াম। মই কেৱল মানস কৰিব খুজিছোঁ।"

ডাঙৰ আইদেৱে স্থিৰ দৃষ্টিৰে সৰু আইদেউলৈ চালে। সেই দৃষ্টিলৈ সকিনয়ে চাই

সক আইদেৱে সুধিলে -

"কেৱল মানস কৰিব পাৰিমনে, বাইদেউ?" ডাঙৰ আইদেৱে অলপ চিন্তা কৰি ক'লে, "ওঁ।"

তিতা চুলি, তিতা বস্ত্ৰেৰে সক আইদেৱে গছৰুপৰা ফুল ছিঙিছে। তেজৰঙা জবা ফুল। ককিলা বায়ে চোতালখন নিকাকৈ মচি-কাচি থৈছে। পুৱফালৰ অকণমান ঠাই কলপাতেৰে ঘেৰি দিছে। তাত পাৰি থোৱা আগলতি কলপাতডোখৰত সক আইদেৱে ফুলকেইপাহ আগবঢ়াই দিলে। মিঠাতেলৰ চাকিগছ জ্বলালে। শাওণী আৰু ককিলা বায়ে ক'লা ছাগলীটো ধৰাধৰিকৈ দাঙি আনিছে। সিহঁত দুজনীৰো চুলি, কাপোৰ তিতি আছে। সক আইদেউৰ কাষতে সিহঁতেও আঁঠু ল'লে। কান্দি কান্দি বহি থোৱা মাতটোৰে সক আইদেৱে গোসাঁনীক তুতি কৰিবলৈ ধৰিলে। মাজে-মাজে তেওঁৰ মাতটো শোকে সোপা মাৰি ধৰে। উচুপনি ঠেলি থোকা-থুকি মাতটো আকৌ ওলাই আহে। বুকু উজাৰ কৰি, বহু সময় ধৰি তেওঁ তুতি-কাকুতি কৰি থাকিল।

ৰাতিৰ ৰাতিটো পৰ দি ভদীয়াকাইৰ চকুহাল শেষনিশা সদায়ে টানি ধৰে। বাটচ'ৰাৰ মজিয়াতে বহি শালকঠাৰ খুঁটাটোত আঁউজি দিলেই নাকৰ, ঘোৰ্ঘোৰণি আৰম্ভ হয়। কাবোবাৰ খোজত শুকান পাতবোৰ মৰ্মৰাই উঠিলত, সি খক্মক্কৈ পোন হৈ বহিল। মেচী-দাখনৰ নালটোত অলসভাৱে পৰি থকা হাতখন মুহূৰ্ততে সক্ৰিয় হৈ উঠিল। টান মুঠিৰ মাজত দাখন লৈ সি আগবাঢ়ি গ'ল। "কোন অ' সেইটো?" সি ডাঙৰকৈ মাত লগালে। এই আন্ধাৰত কাক কি লাগে? পিছ মুহূৰ্ততে সি সচকিত হৈ উঠিল, "দেউতা? অকলে অকলে। এই শেষ ৰাতি।" যেন কুকুৰাইহে ৰাও পৰিলে। শেষ প্ৰহৰৰ ৰাতিটো মুহূৰ্ততে দিন হৈ গ'ল। বন্ধ কোঠাৰ দুৱাৰ খুলি দুয়ো আইদেউ খৰ্খৰকৈ ওলাই আহিল।

অজাতিৰ দেশত পিন্ধা সাজ-পাৰ সলাই তেওঁ স্নান কৰিলে। তাৰ পিছত শুদ্ধ-বস্ত্ৰ পৰিধান কৰি ভিতৰত বহিলহি। তেওঁৰ ভৰিহালৰ কাষতে বহি লৈ ডাঙৰ আইদেৱে সুধিলে, — "সন্ধিবামক পালে?"

নাই পোৱা।

তথাপি আপোনাক এৰি দিলে?

নাই দিয়া!

তেন্তে আহিল কেনেকৈ?

ছোৱালী এজনীয়ে দুৱাৰ খুলি ...।

কি ...? সক আইদেউৰ লগতে ডাঙৰ আইদেউৰো সৰ্বশৰীৰ ৰোমাঞ্চিত হৈ উঠিল।

ওঁ। ছোৱালী এজনীয়ে মোক উলিয়াই লৈ আহিল। আন্ধাৰৰ মাজে মাজে বাট দেখুৱাই সীমা পাৰ কৰি থৈ গ'ল।

শুদা মজিয়াখনতে সক আইদেউ দীঘল দি পৰিল। "আই গোসাঁনী, তোমাৰ

দয়া। কিহেৰে পূজিম তোমাক আই! কিহেৰে পূজিম?"

কবিলা ৰায়ে হাতযোৰকৈ ক'লে, "কি জাগ্ৰত গোসাঁনী আইদেউ! আজি তুতি কৰাৰ লগে লগে দয়া কৰিলে।"

শাওণী বাইৰ দুগালেদি ভক্তিত চকুপানী দুধাৰ বৈ আহিল। "গোসাঁনীয়েই ছোৱালীৰ ৰূপ লৈ আমাৰ দেউতাক উদ্ধাৰ কৰিলে। নহ'লেনো এই ঘোপমৰা ৰাতিখন বাঘ-ভালুক, দেও-মনিচ কেৰে ফুট নোপোৱাকৈ দেউতা পাহাৰৰ পৰা ঘৰ পায়হিনে।"

ডাঙৰ আইদেউ কিছুপৰ বিস্ময়ত শিহৰিত হৈ ৰহি থাকিল। তাৰ পিছত মজিয়াত কপাল লগাই বহা ঠাইতে আঁঠুকাঢ়ি সেৱা এটা কৰিলে।

"সেৱাভাগ পাতিব লাগিছিল নহয়!"

"মোৰ চৌহদত নহ'ব।"

"তেনেকৈ কিয় কয়? ভগৱতীৰ ঋণ।"

"আমাৰ বংশ-পৰম্পৰাত নোহোৱা-নোপোজা কথা।"

আত্মীয়েই হওক বা অনাত্মীয়েই হওক, শুভাকাংক্ষীসকলে কথাষপতি চৌধুৰীক সকীয়াই আছে।

চৌহদৰ বাহিৰতো আপোনাৰ ভালেখিনি মাটি আছে দেখোন। ৰবভূঁইৰ পূবে থকা মাটিখিনি এনেয়েহে পৰি আছে। হেঁপা, ফেউৰাৰ বাহ। জাবৰিখন আৰু বাঢ়িব লাগিলে বাঘেও চোং পাতিবহি।"

ডাঙৰ আইদেৱেও ক'লে, "আটায়ে সজ বুধি দিছে। ভাললৈহে কৈছে। নুশুনেনো কিয়? ভকতো ৰ'ব, চাউলো সিজিব।"

"তোমালোকেই কৰাইক।" চৌধুৰীয়ে নিৰ্লিপ্তভাবে ক'লে।

"ল'ৰা-ছোৱালীকেইটিৰ শপত, অমুৰি নকৰিবচোন।" ডাঙৰ আইদেৱে কাকুতি কৰি ক'লে, "চান্দো সদাগৰে বাওঁহাতেৰে হ'লেও মনসা গোসাঁনীক পূজা দিয়া নাছিল জানো?"

"মোৰ সাজে এই কন্যাই কাচোন কাচে।"

ওজাপালিৰ দীঘলীয়া ৰাগৰ ছন্দে ছন্দে বেউলাই সাজোন-কাচোন কৰিছে। স্বৰ্গত নৃত্য প্ৰদৰ্শন কৰিব। দেৱতাসকলক সন্তুষ্ট কৰি, স্বামীৰ জীৱন ওভোতাই আনিব।

"শিখাৰ সিন্দুৰ পিন্ধে অগণিত আটি। গলত তুলিয়া পিন্ধে হাৰ গজমতি।"

দেৱেৰা ওজাই সুৰ টানি নৃত্য-কুশলা বেলাৰ ৰূপটো জীৱন্ত কৰি তুলিছে। পালি চাৰিজনে দোহাৰি মানুহবোৰক বেউলা-লখিন্দাৰৰ জগতখনলৈ উৰুৱাই লৈ গৈছে। কুঁহিলা কনৰ কঠত আঁঠুকাঢ়ি, লেপেটা কাঢ়ি তন্ময় হৈ থকা মানুহবোৰৰ হৃদয়ত

নৃত্যৰতা বেউলা আৰু ভূটানৰ মায়াৱতী কন্যাগৰাকী অভিন্ন হৈ মিলি গৈছে।

ঢেৰ মানুহ। দূৰ-দূৰণিৰ গাঁৱৰ পৰাও লানি ধৰিছে। হাতে হাতে আহুতিৰ উপচাৰ।

মুৰুলীধৰ চৌধুৰীয়ে অভ্যাগত অতিথিসকলৰ সৈতে ইটো-সিটো কথা পাতিছে।

তেনেহ'লে এই অঞ্চলটোত এয়ে প্ৰথম দেৱীপূজা।

'হয়। নাজানো আৰু, কিবা দায়-দোষেহে চোৱে নেকি!'

দায়-দোষে কিয় চুব? চুব নোৱাৰে নহয়। সেই সঙ্কটৰ পৰা আপোনাক স্বয়ং দেৱীয়ে মানৱী ৰূপ লৈ ৰক্ষা কৰিছে। সেইহেন করুণাময়ী দেৱীক আপুনি কিমতে উলংঘা কৰিব?

'হয়।'

'কি সাংঘাতিক মাহাত্ম্য! আপুনি নিশ্চয় লগে লগে অঙ্গীকাৰ কৰিছিল?'

চকুৰ আগত ওলমি থকা কুঁৱলিময় পৰ্দা এখন হঠাৎকৈ দাং খাই গ'ল। নিমাত-নিজম অন্ধকাৰ ৰাতি। ছোৱালীজনীৰ হাতখন তেওঁৰ হাতৰ মুঠিত। আন্ধাৰৰ মাজে মাজে বাট দেখুৱাই তেওঁৰ নিচেই কাষে কাষে তাই খোজ কাঢ়িলে। সেইটো সীমা। নীৰব, নিস্তব্ধ। ...পালি-পহৰীয়া সবে নিদ্ৰা গৈলা...।

'মই তোমাক মনত ৰাখিম।'

তেওঁৰ হাতৰ মুঠিৰ মাজত ছোৱালীজনীৰ হাতখন বৈ বৈ কঁপি উঠিল।

তোমাক মোৰ কাষতে ৰাখিম।

এটা ক্ষীণ উচুপনিৰ শব্দ। তাইৰ হাতখন তেওঁ নিজৰ বুকুৰ ওপৰত এবাৰ হেঁচি ধৰিছে।

তোমাক মই প্ৰতিষ্ঠা কৰিম।

'গোসাঁনী থানখন আপুনি বৰ সুন্দৰ ঠাইত প্ৰতিষ্ঠা কৰিছে। বংশ পৰম্পৰা অনুযায়ী চৌহদৰ ভিতৰতো নহ'ল। অথচ আপোনাৰ খাচ জমিতে থাকিল।'

পৰ্দাখন হঠাৎকৈ নামি আহিল। ধূপ-ধূনাৰ গোন্ধত আমোল-মোল পূজা-মণ্ডপ। চৌধুৰীয়ে তেওঁৰ স্বভাবসুলভ গহীন ভঙ্গিমাটোৰে উত্তৰ দিলে, 'হয়। অঙ্গীকাৰ অনুসৰিয়েই মই থানখন ইয়াত প্ৰতিষ্ঠা কৰিছোঁ।'

'সজ, সজ। অতি উত্তম।'

অতিথিসকলে একেমুখে চৌধুৰীক বখানিবলৈ ধৰিলে।



ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য্য

কচুপাতত এজনী কাউৰী

হিপ'ক্ৰেটৰ লগত এজন হতাশগ্ৰস্ত

কচুপাতত এজনী কাউৰী

অফিচৰ বাহিৰত এতিয়া সন্ধিয়া সন্ধিয়া ভাব। ভিতৰত ডিৰেক্টৰৰ কোঠাত অচিনাকি এগৰাকী মহিলাই ফাচ্-ফুচ্ কথা পাতিছে। কোঠাটোৰ কাষতে সংলগ্ন বাৰাণ্ডাখনত থিয় হৈ কিন্‌কিন্‌কৈ দি থকা বৰষুণজাকে ৰাস্তা বোকাময় কৰি তোলা দৃশ্য চাই চাই বিৰক্তি বোধ কৰিছোঁ। বৰষুণৰ ওপৰত লাহে লাহে মোৰ খং চৰি গৈছে। অথনিতে যাব লগা মানুহজন এতিয়াও যাব পৰা নাই। বৰষুণ কমিব কমিব বুলি বাট চাই থাকোঁতে চাৰে ছয় বাজি গ'ল। ছাতিৰ অভাৱত ঘৰলৈ যাব নোৱাৰি বাহিৰৰ বাৰাণ্ডাত বৰষুণৰ টোপালবোৰৰ ফালে চাই থকা দেখি টুলখনত বহি থকা চকীদাৰজনে বা মোৰ বিষয়ে কি ভাবিছে? তাৰ মনত, মই কিজানি সন্মুখত বৰষুণৰ পানীয়ে ডুবাই ৰখা ঘাঁহনিডৰাৰ দৰে। বৰষুণৰ পানীবোৰ যেন কিছুমান দুঃশ্চিন্তা আৰু ঘাঁহনিডৰা মই। দুঃশ্চিন্তাবোৰে মোক ডুবাই ৰাখিছে। যেন মই তাৰ ওচৰত পুতৌৰ পাত্ৰ হৈ গৈছোঁ। ভাবক, চকীদাৰে মোৰ বিষয়ে যি ভাবে ভাবি থাকক। অত মোৰ কোনো আপত্তি নাই। সদায়তো মই এনেকৈ নাথাকোঁ। সিতো নাজানে যে আজি মোৰ একমাত্ৰ ছোৱালী জাহ্নবীক চাবলৈ কোন পৰিয়ালৰ মানুহ আহিব? মোৰ হ'বলগীয়া জোঁৱাইজন এজন ছেলটেক্স অফিচাৰ। টকাবালা, বিদ্যা-বুদ্ধি থকা লোক। মোৰ অফিচৰ ডিৰেক্টৰৰ দৰে সদায় গাড়ীৰ পিছফালে হাতখন কুছনৰ ওপৰত হেলনীয়াকৈ থৈ অহা-যোৱা কৰে। ৰাস্তাৰ মানুহে গাড়ীত সেইজন কোন গৈছে বুলি ঘূৰি ঘূৰি চায়। মই নিজেই কেইবাদিনো চাইছোঁ। মোৰ ছোৱালীজনীও যদি তাৰ কাষতে বহি গৈ থাকে, কিমান ভাল লাগিব। ৰাস্তাৰ মানুহে ঘূৰি ঘূৰি চাব — সেইজনী কাৰ বোৱাৰী? কাৰ ছোৱালী? বিয়াখন হৈ যাওক, মই জোঁৱাইক লগত লৈ আহি আমাৰ ডিৰেক্টৰৰ লগত চিনাকি কৰি দিম? সি বেটাইহে ছাললিগা ভিকহ বুলি ভাবে? আৰে বেটা ডিৰেক্টৰ, তই দেখা নাই, দুদিন পাছত মই কাৰ শহুৰেক হ'ম? দুদিন পাছত মোৰ ডাঙৰটো ল'ৰাই আই. এ. এছ. পাবই পাব। দুয়োটা লেখা পৰীক্ষাতে সি সুন্দৰ নম্বৰ পাই পাছ কৰিছে। মাত্ৰ অহা ঊনৈছ তাৰিখে দিল্লীলৈ গৈ মৌখিক দিলেই লেঠা শেষ। দিল্লীলৈ যোৱাৰ বাবে পইছা

গোটাই আছে। সেইকাৰণে স্থতিও কিনা নাই। ৰবকুণত এদিনহে ভিজিম ; কিন্তু ল'ৰাই আই. এ. এছ. পালে যে সদায় গাড়ীত উঠি ঘূৰি ফুৰিম। মোৰ ল'ৰাই আই. এ. এছ. নাপালে পাব কোনে? সকলো কথাই সি জানে — যিবোৰ কথাৰ মই তলা-মুধাই নাপাওঁ। কিছুদিন পাছত সি কোনোবা বোৰ্ডৰ মেনেজিং ডিৰেক্টৰ ; শেষত উপায়ুক্ত নহ'লে কোনোবা দেশৰ ৰাষ্ট্ৰদূত। নহয়তো তাতকৈও বেছি কিবা। এই জিলাৰ যদি সি উপায়ুক্ত হৈ আহে? কিমান যে ভাল লাগিব। মই উপায়ুক্তৰ বাপেক। এই ভঙা-ভহৰা ঘৰ এৰি ল'ৰাৰ লগত উপায়ুক্তৰ বাসভৱনত থাকিম। গাড়ীৰে আহি হৰ্ণ বজাই মই ডিৰেক্টৰক বাহিৰলৈ মাতি আনিম আৰু তাক বুঢ়া আঙুলি দেখুৱাই ক'ম - "তোৰ তলত মই চাকৰি নকৰোঁ।" তাৰ পাছত ইস্তফা-পত্ৰ মই ড্ৰাইভাৰৰ হাতেৰে পঠিয়াই দিম। ডিৰেক্টৰ চেলাব আহিছে। আৰে তইয়ো এসময়ত মোৰ দৰেই কেৰাণী আছিলি। সিতো আই. এ. এছ. ডিৰেক্টৰ নহয়। ক'ৰবাত মন্ত্ৰী-চন্ত্ৰীক তেল-তুল দি এই পদত সোমাইছে। তাৰ মানসিকতা চাইয়ে বুজিব পাৰি নহয়—বৰ ছোটলোক। ভিক্ষাৰী ; একমদ ভিক্ষাৰীৰ দৰে। তাক দেখিলেই মোৰ ভাদ্ৰ মাহৰ নোম নোহোৱা শালিকাৰ মুৰটোলৈ মনত পৰে। সিয়েই আকৌ মোক কেৰাণী বুলি ইতিকিং কৰে। সংগ দিব নোখোজে। যেন মোৰ সংগ ল'লে সিওঁ মোৰ দৰেই কেৰাণীহে হৈ যাব। — কিন্তু আৰু কিমানদিন ভাই, আৰু কিমান দিন? —

অস্থিচৰ্মসাৰ বৃদ্ধ অফিচ সহকাৰী ভট্টাচাৰ্যৰ চকুহালে চিকাৰী দৃষ্টিৰে ডিৰেক্টৰৰ কোঠালৈ চালে।

তেওঁ হাতৰ ঘূৰণীয়া পুৰণি মডেলৰ ঘড়ীটোলৈ চালে -

চাৰে ছয় বাজি গৈছেই। মোৰ ঘৰলৈ ৰৰকটকী পৰিয়ালে চাৰে পাঁচ বজাত অহাৰ কথা। ইস মৰিলোঁ আজি। সিজনীৰ চাগে' আজি মোৰ ওপৰত খং চৰি গৈছে। যদি মোৰ অনুপস্থিতিৰ সুযোগ লৈ জাহ্নবীয়ে হ'বলগীয়া শ্ৰীমানৰ সন্মুখত নোলায়েই? ঠিক নাই, নোলাবও পাৰে। মই থাকিলে কথা বেলেগ, ওলাবই লাগিব। তাইৰ খংটো অৱশ্যে অন্য ছোৱালীতকৈ বেছি। অনবৰত খঙতেই থাকে। শ্ৰীমান আহিব বুলি শুনি তাই আজি ৰাতিপুৱাই মোক চাফ চাফ কৈ দিছে — "এইদৰে সদায় মাৰ পুৰণি মেখেলা-চাদৰ পিন্ধি, পাউদাৰ-স্নো ঘঁহি ভুচুং পছৰ দৰে মই অভিনয় কৰিব নোৱাৰোঁ। সদায় সদায় নতুন নতুন একোটা বান্দৰ আমাৰ ঘৰলৈ আহিব আৰু মই সেইবোৰৰ সন্মুখত পাউদাৰ-স্নো ঘঁহি অভিনয় কৰিম? মই বজাৰৰ বেলুন নেকি?" অৱশ্যে তাই যে বজাৰৰ বেলুন নহয়, সেইটো সঁচা। মই মোৰ ছোৱালীক বজাৰৰ বেলুন হ'বলৈ দিব নোৱাৰোঁ। বেয়াও দেখি।

ইস! সোনকালে বৰষুণজাক এৰিলেই হয় আৰু। কিমাননো দিয়ে বৰষুণ? যোৱা পোন্ধৰ দিন ধৰি দিয়েই আছে। সদায় তিতি গ'লেও আজি অন্ততঃ তিতি যাব নোৱাৰোঁ। বেয়া দেখি। হ'বলগীয়া শ্ৰীমানৰ বাপেক বাৰাণ্ডাত থিয় হৈ তেওঁ অহালৈ বাট চাইছে ; সেই সময়ত যদি তেওঁ তিতি-বুৰি পানীৰে জলজলীয়া হৈ একেখন

বাৰাণ্ডাতে ভৰি দিয়ে দেখিবলৈও বেয়া হয়! চুলিবোৰ নিগৰি নিগৰি মুখেৰে টোপা-টোপে বৈ অহা বৰষুণৰ পানীবোৰ মাটিত পৰি থকা দেখি শ্ৰীমানৰ বাপেকে যদি মোক সোধে — 'ছাতি লৈ যোৱা নাছিল?' মই যদি কওঁ — ছাতি নিবই পাহৰিলোঁ; তথাপিও কথাটো বেয়া হয়। কাৰণ আজি ৰাতিপুৱাৰেপৰা এক মুহূৰ্তও বৰষুণ এৰাই নাই। ফাঁকি দি নতুন সম্পৰ্ক ঘটিবলগীয়াজনৰ ওচৰত ধৰা পৰিব নোৱাৰি। লাজৰো কথা আছে। নহ'লে, হয়তো তেওঁলোকে ভাবিব মই বৰ কৃপণ। কৃপণ বুলিয়েই ভাবক, তথাপি ভিকহু বুলি নাভাবিলেই হ'ল। অ', তেতিয়াও এটা কথা হ'ব নহয় ; কৃপণ মানুহৰ লগত সম্পৰ্ক কৰিব নিবিচাৰিবও পাৰে। সেইকাৰণতেই মই বাহিৰৰ বাৰাণ্ডাত থিয় হৈ আছোঁ, কিজানি বাটেদি যোৱা কোনোবা চিনাকি মানুহৰ ছাতিৰ তলত সোমাই ঘৰেই পাব পাৰোঁ। নিভিজাকৈ গ'লে, অন্ততঃ হ'বলগীয়া শ্ৰীমান বাপেকক ক'ব পাৰিম — 'ডিৰেক্টৰেই মোক গাড়ীৰে আগবঢ়াই থৈ গ'ল।' কথাষাৰ শুনিবলৈও ভাল। তেতিয়া তেওঁ গমেই নাপাব যে যোৱা দুবছৰে মই ছাতি নোহোৱাকৈ চলি আছোঁ। এই বাৰাণ্ডাখনত থিয় হৈ মই যে কেৱল বাটেদি ছাতি লৈ যোৱা চিনাকি মানুহকেই চাই আছোঁ এনে নহয়। আছে ; অন্য উদ্দেশ্যও আছে। বাহিৰৰ বাৰাণ্ডাত এনেকৈ বৰষুণলৈ চাই চাই দুখমনেৰে থকা দেখিলে ডিৰেক্টৰে মোক নিশ্চয় সুধিব — কিহে ভট্ট, আপুনি এতিয়াও ঘৰলৈ যোৱাই নাই? মই তেতিয়া দুখ মনেৰে ক'ম — নাই ছাৰ, বৰষুণ দিয়েই আছে। ছাতি এটা অৱশ্যে আছিল; ভাঙিছে। নতুনকৈ এটা কিনিব পৰাই নাই। সেইখিনি লাহে লাহে কৈ থাকি ঘপহকৈ অলপ ডাঙৰকৈ ক'ম — ছাৰ, আজি যদি মোক অলপমান ঘৰৰ সন্মুখত থৈ গ'লহেঁতেন'! মই কোনোদিনেই ডিৰেক্টৰক এনেকৈ অনুৰোধ কৰা নাই যেতিয়া মোক তেওঁ কেতিয়াও উপেক্ষা নকৰে। তেওঁ মোক যথেষ্ট সমীহ কৰিও চলে — যদিও তেওঁ ডিৰেক্টৰ।

মোক যদি সঁচাকৈয়ে ডিৰেক্টৰে ঘৰৰ সন্মুখত গাড়ীৰে আগবঢ়াই থৈ যোৱা দেখে? হ'বলগীয়া শ্ৰীমান আৰু শ্ৰীমানৰ বাপেকে ভাবিব — 'মই এজন নিম্ন-সহকাৰী হ'লেও ডিৰেক্টৰে খুব ভাল পায়, পচন্দ কৰে।'

"... বৰষুণ বা ৰ'দৰপৰা ৰক্ষা পাবলৈ চৰাই-চিৰিকটিয়েও বাহ সাজি থাকে ভট্টবাবু। সেই নাৰিকলজোপালৈ চাওক। সেই পাতবোৰত বাৰু কি ওলমি আছে? চাওক। দেখিছে?" - চকীদাৰজনে নাৰিকল গছজোপাত ওলমি থকা টোকোৰা চৰাইৰ বাহবোৰলৈ আঙুলিয়াই দেখুৱালে। বৰষুণত নিভিজিবলৈ সকলো মানুহে ছাতি লৈ আছে। এই জগতত মই আপোনাকহে দেখিলোঁ — "ৰ'দ দিয়ক বৰষুণ দিয়ক, মূৰৰ ওপৰত কিন্তু একো নাথাকে। আপোনাৰ কথা ভাবিলে মোৰ বৰ বেয়া লাগে, ছাতি এটা লৈ নাহে কিয়?"

ছাতি লৈ আহিবতো লাগেই। অকল ছাতিয়েই নহয়, আৰু বহুতো কিবা-কিবি লাগে, জোতা এযোৰ কিনিবও লাগে। চুবিয়া এখনো। আইজনীক ইফালে এসোপা কিজাপ কিনি দিবলগীয়াও হৈছে ; কিজো দিব লাগে ; মেখেলা, ব্লাউজ, চেলেং, চাদৰ

ইফালে বিয়াও দিব লাগে। তদুপৰি, ইউনিভাৰছিটিলৈ অহা-যোৱা খৰচ। তাই সেইকাৰণেই সদায় মোৰ ওপৰত নাৰাজ, কিবা যেন এক আক্ৰোশ। আকাৰে-ইংগিতে মাজে মাজে কয় — "জন্ম দিব হ'লে পাৰে ; খুৱাব-ধুৱাব হ'লে নোৱাৰে। তাতকৈ শুই থকা অৱস্থাত ডিঙি চেপি মাৰি নেপেলাব কিয়?" তাইৰ চকুৰ পতা অনবৰত সেমেকিয়েই থাকে। মুখখনত যেন এটা কান্দো-কান্দো ভাব। মইহে জানো, তাইক দেখিলে কিমান বেয়া লাগে। পইছা-পাতি দিব নোৱাৰাত মনৰ দুখতে যোৱা এসপ্তাহ ধৰি তাই ইউনিভাৰছিটিলৈ যোৱাই নাই। কিতাপ নাই, অহা-যোৱা খৰচ নাই। মোৰ ওচৰত তাই প্ৰতিবাদ কৰিছে এই বুলি যে সদায়নো একেযোৰ সাজ পিন্ধি যায় কেনেকৈ? একেযোৰ সাজকেই সদায় পিন্ধি যোৱা বাবে মোৰ ছোৱালীজনীক হেনো আজিকালি কোনেও সংগই দিব নোখোজে। ময়ো মনৰ দুখতে তাইক সুধিলোঁ — সদায়নো সকলো ছাত্ৰ-ছাত্ৰীয়ে বেলেগ বেলেগ কাপোৰ সলাই যায়নে? তাই কান্দি-কাটি মোৰ ফালে চাই ভেকাহি মাৰি ক'লে - 'ওঁতো। যদি বিশ্বাস নহয়, চাই নাহে বা কিয়?'

ইফালে সৰু ল'ৰাজনক লৈও মহা সমস্যা হৈছে। সিতো মোৰ কাৰণে সদায় হৈ থকা এবিধ মূৰৰ বিষ। যোৱা বছৰ ইলেক্ট্ৰিকেল ইঞ্জিনিয়েৰিং পাছ কৰিছে। অথচ আজিলৈকে ক'তো চাকৰি-বাকৰি এটাৰ চেষ্টা কৰা নাই। মই নিজেই খবৰ-খাতি কৰি চাকৰিৰ কিমান বিজ্ঞাপন আনি দিলোঁ। তথাপি নাচোৰবান্দা। মই যে তাক লৈ কিমান মানসিক দুঃশ্চিন্তাত ভুগিব ধৰিছোঁ, তাৰ খবৰেই নাই। তাক পঢ়ুৱাওতে যে আমি কত ত্যাগ কৰিলো সেইবোৰৰ কোনো স্বীকাৰোক্তিয়েই নাই। কেতিয়াবা মোৰ ইমান খং উঠে যেন তাক মই ত্যাজ্যপুত্ৰহে কৰিম আৰু দুই গালে চৰ মাৰি ঘৰৰপৰা চিৰকালৰ বাবে বাহিৰ কৰি দিম। ওৰে দিনটো মাক-বাপেকৰ হোটেলত খাই শুই শুই কিবা এসোপা কিতাপ পঢ়ে। সেইফালে ৰাতিপুৱাৰপৰা ৰাতি বাৰটালৈ দাড়িয়ে-গোঁফে ভোৰোকাৰ কিছুমান হাবাইছেগুৱেল পিন্ধা ল'ৰা আহি তাৰ কমৰপৰা নলৰেই। সিহঁতে ইজনে সিজনক নাম কাঢ়ি নামাতে। মাতে 'কম্‌ৰেড' বুলি। সিনো বাৰু কি কিতাপ পঢ়ে? মাজে মাজে সি নথকা অৱস্থাত তাৰ কমত সোমাই পঢ়িবলৈ চেষ্টা কৰোঁ। ইংৰাজী কিতাপ। বৰ টান ভাষা। কিছুমান শব্দৰ অৰ্থ অভিধানতো নাই। এই শব্দবোৰৰ অৰ্থ সি বাৰু কেনেকৈ বিচাৰি উলিয়াই? অৱশ্যে তাৰ চকুত এক প্ৰখৰ বুদ্ধিদীপ্ত গাম্ভীৰ্য। এই বুদ্ধিবোৰ যদি সি বেলেগ কামত খটুৱালেহেঁতেন। যেনেকৈ মোৰ ঘৰৰ ওচৰৰ ইঞ্জিনিয়াৰসকলে বা অইন বিষয়াসকলে তেওঁলোকৰ বুদ্ধিবোৰ কামত লগাইছে। সঁচাকৈয়ে মোৰ ল'ৰাজনতকৈ ইহঁত বেছি বুধিয়ক। ইখনৰ পাছত সিখন গাড়ী কিনিছে। দুমহলীয়া বিল্ডিংবোৰপৰা গৈ গৈ একে বছৰতে পাঁচ মহলা পৰ্যন্ত উঠিছে। কিমান ভাল মানুহ এইবোৰ। দেখা-শুনাতো ধুনীয়া। মানুহবোৰক মই খোজ কাঢ়ি যোৱা দেখাই নাই। অথচ মই, বছৰৰ পাছত বছৰ খোজেই কাঢ়িছোঁ। মোৰ ল'ৰাই ইঞ্জিনিয়েৰিং পাছ কৰিও ঘৰত বহি কিবা এসোপা কিতাপ পঢ়ে। কিতাপৰ ৰেপৰত কাঁচি আৰু হাতুৰীৰ ছবি। বেছিভাগ কিতাপৰ বকলা তেজৰ দৰেই ৰঙা। তাৰ ওপৰত কাৰ্ল-মাৰ্ক্স, হো চি

মিন, লেনিন, মাও চে টুং আদি কিছুমান মানুহৰ হাঁহি থকা ছবি। এনেকুৱা ভাব হয়, যেন মোৰ সোণৰ লাকৰ দৰে তীক্ষ্ণ বুদ্ধিৰ ল'ৰাজনৰ মুৰ খাবলৈকে সিহঁতৰ জন্ম। মোৰ আশাৰ ওপৰত সিহঁতে চেঁচা পানী ঢালি দিছে। সিহঁতৰ ভৰিত ধৰি কান্দি কান্দি মই যেন অতি কাতৰভাৱে প্ৰাৰ্থনা কৰিব বিচাৰোঁ — 'ভাই, আপোনালোকে যি খুচি তাকে কৰক, মাত্ৰ মোৰ ল'ৰাজনৰ মুৰটো নাখাব'। তাক পঢ়ুৱাওঁতে মোৰ বৰ কষ্ট হৈছে। অনুগ্ৰহ কৰি মোৰ ল'ৰাটো ঘূৰাই দিয়ক। বেচেৰাৰ বয়স একেবাৰে কম। মাত্ৰ এঁকৈশ বছৰ। বৰ ঠুনুকা মনৰ ল'ৰা। সকলোকে বিশ্বাস কৰে। পৃথিৱীৰ আও-ভাও একো নাজানে। দয়া কৰক। মই কাবৌ কৰি কৈছোঁ। আপোনালোকে নাজানে, সদায় ৰাতি সি তিনিবজালৈ নোশোৱে। যোৱাৰাতি মোৰ মন ভাল নাছিল। মনৰ দুখত মই কোনেও নজনাকৈ খুব কান্দিছোঁ। সাৰ পাই দেখিছিলোঁ তাৰ কমত পোহৰ। মই উঠি গ'লোঁ। বেৰৰ ফুটাৰে দেখোঁ দুৱাৰ বন্ধ কৰি মাটিত কাগজ পাৰি তাৰ ওপৰত ৰঙা চিয়াঁহী লগোৱা ব্ৰাছেৰে কিছুমান শ্লোগান লিখি আছে। মই দৰ্জা খুলিবলৈ ক'লোঁ—। সি নুখুলিলে। মই যে কি এক অসহ্য যন্ত্ৰণাত ছটফটাই আকৌ বিছনাত পৰি টোপনি আনিবৰ চেষ্টা কৰিলোঁ বহু চেষ্টা কৰিলোঁ ; নাই নাহিল টোপনি। সেইকাৰণে কিবা-কিবা লাগি আছে।

সি শুই উঠাৰ পাছত ৰাতিপুৱা অফিচলৈ অহাৰ আগেয়ে সেই কাগজবোৰতনো কি লিখিলে চাবলৈ তাৰ কমত সোমালোঁ। সি তৎক্ষণাত মোৰ সন্মুখত থিয় হৈ ক'লে— "চাই ল, পঢ়ি ল। ভালদৰে পঢ়ি ল। তহঁতৰ ডিবেঙ্গৰৰ জামানা বদলি গৈছে। চাই থাক, দেশৰ ৰাজনীতি আমি বদলাই দিম। কিন্তু সাৱধান! মই এই পোষ্টাৰবোৰ লেখা বুলি যদি কৱ, তেনেহ'লে তোৰেই বিপদ।" ...মোৰ সৰু ল'ৰা হৈ সি মোকেই ধমকি দিয়ে। মোৰ অসম্ভৱ খং উঠিল আৰু চৰত দাঁত ভাঙি যাব বুলি তাক খেদি যাওঁতে মাকজনী আহি মোৰ সন্মুখত থিয় হৈ মোকেই খেচ্‌খেচাই উঠিল — 'আপোনাকনো কিহে পাইছে সেই বলিয়াটোৰ লগত যুঁজি মৰিবলৈ? সি এটা গোনা ম'হ। বুঢ়া কালত তাৰ লগত বল জুখিব আহিছে নেকি? সি নিজৰ মূৰ নিজে খাব।'

এই মাকজনীক, এইকাৰণেই মই দেখিব নোৱাৰোঁ। মই যদি ঘৰৰ মুৰব্বী হৈ কেতিয়াবা কিবা কওঁ — তৎক্ষণাৎ ক'ৰপৰা আহি ওলাবহি।

সঁচাকৈয়ে, সি যেন মোৰ বিছনাৰ তলত শুই থকা ডাইল সাপ। মোৰ লাহে লাহে তালৈ ভয়েই লগা হৈছে। একো কথা ক'বও নোৱাৰি, সুধিবও নোৱাৰি। কুকুৰৰ দৰে খেং-খেঙাই উঠে। কাগজবোৰত লিখা কথাবোৰনো আচলতে কি আৰু কিয় লিখিছে, সেই কথা জানিবলৈ মোৰ ইচ্ছা হ'ল। গতিকে ডাঙৰ ল'ৰাজনক মই সুধিলোঁ। সি কিবা পঢ়ি আছিল। সি ক'লে, — 'দেউতা সেয়া হৈছে মোৰ কাৰণে এক প্ৰকাৰ চোকা অস্ত্ৰ বনোৱাই দিয়াৰ দৰে।'

মই ওঁ বুলি জোকাৰিলোঁ ; কিন্তু সি কোৱা কথাষাৰৰ অৰ্থ হ'লে উলিয়াব নোৱাৰিলোঁ। তাকনো একেটা কথাকে বাৰে বাৰে কি সুধি থাকিম? লাজো লাগে;

বাপেক হৈ মই ইমান মূৰ্খ। আজি ৰাতি ভালদৰে তাৰ ওচৰত বহি কথাবাৰৰ অৰ্থ বুজিব লাগিব। জনাটো ভাল। নহ'লে কেতিয়াবা বিপদ আহিবও পাৰে। ...ইস! বেচেৰাৰ যে হঠাৎ কি হৈ গ'ল। বেচেৰা চিন্তাত শুকাই-খীণাই একো নোহোৱা হৈছে। খঙো উঠে, বেয়াও লাগে। ত্যাজ্য পুত্ৰ কৰিম বুলি ভাবোঁ হয়, কিন্তু মাকৰ মুখখন বা ভনীয়েকৰ চকু পানীৰ কথা ভাবিলেই একো কৰিব নোৱাৰা হৈ যাওঁ। আগতে তাক কম মৰম কৰিছিলোঁনে? মোৰ বাহিৰে সি কাৰো লগত নোশোৱেই। মৰমতে, ৰাতি কেতিয়াবা সাৰ পাই উঠিও তাৰ চুলিবোৰ আলফুলে চুই চাওঁ। কত আশা বুকুত বান্ধি তাক মই ইঞ্জিনিয়েৰিং পঢ়ুৱালোঁ। সি এতিয়া চাকৰি কৰিব, মই অহাবছৰ অৱসৰ ল'ম। সি গাড়ী কিনিব, মই উঠি ফুৰিম। মোৰ লগৰ মানুহবোৰৰ ল'ৰা-ছোৱালীয়ে গাড়ী দৌৰাব ধৰিছে ; অথচ মইহে এনেকৈ আছোঁ। অথচ ইঞ্জিনিয়াৰৰ দেউতাক!

অৱশ্যে, মোৰ ডাঙৰজন ল'ৰা প্ৰণবেন্দু বেয়া নহয়। সি মোৰ কথা বুজে বাবে 'আই. এ. এছ'ৰ মৌখিক পৰীক্ষাৰ বাবে দিন-ৰাতি নোহোৱাকৈ পঢ়িছে। লাইব্ৰেৰি আৰু ঘৰ। কেৱল লাইব্ৰেৰি আৰু ঘৰ। মই সেই উৎসাহতে, তাক দিল্লীলৈ যোৱা খৰচ দিবলৈ বুলিয়েই পইছা সাঁচিবলৈ যোৱা তিনি মাহে মাছ আৰু গাখীৰ সম্পূৰ্ণ বন্ধ কৰি দিছোঁ। সদায় দাইল-ভাত খাওঁতে বেয়াও লাগে অৱশ্যে। ইয়াকে লৈতো মোৰ ছোৱালীজনীয়ে মাজে মাজে ভাত খোৱা বন্ধ কৰি দিছে। মই তাইক বুজাওঁ — 'ধৈৰ্য ধৰ মা, ধৈৰ্য ধৰ। ককায়েৰে আই. এ. এছ. পাওক। তাৰ পাছত কিমান খাব খাবি, কিমান পিন্ধ পিন্ধিবি, কিমান ঘূৰ ঘূৰিবি।' প্ৰণবেন্দুৱে বুজিছে যে আমাৰ ঘৰৰ অৰ্থনৈতিক অৱস্থা যদি স্বচ্ছল কৰিবলগীয়া হয় তেনেহ'লে তাক লাগিব এটা ক্ষমতা থকা চাকৰি। নহ'লে ব্যৱসায় কৰিবলৈ টকা। হওক, অন্ততঃ সি মোৰ মনত থকা আশাৰ কথা বুজিব পাৰিছে। তাক মই আশীৰ্বাদ কৰিছোঁ — সোনকালে, সি কিবা ক্ষমতা থকা চাকৰি পাওক। সি যদি ভৱিষ্যতে উপাযুক্ত হয়, ময়ো এদিন অফিচৰ ডিৰেক্টৰক চাই ল'ম।

যোৱা সপ্তাহত, কথা প্ৰসঙ্গত মই হঠাৎ ডিৰেক্টৰক ক'লোঁ — 'ছাৰ, ভাল খবৰ এটা আছে। মোৰ ডাঙৰ ল'ৰাজনে এই মাহৰ উনৈশ তাৰিখে আই. এ. এছ. সেৱাৰ মৌখিক পৰীক্ষাৰ বাবে দিল্লীলৈ যাব। পিছে টকা-পইছাৰহে যোগাৰ হোৱাই নাই। আপুনি অলপ সহায় কৰিব নেকি?' ক'বহে পালোঁ, ডিৰেক্টৰৰ চকু দুটা চিকাৰী মেকুৰীৰ চকুৰ দৰে হ'ল। এনেকৈয়ে কিছু সময় মোৰ ফালে চাই থাকিল আৰু অতি নিৰাশভাৱে ক'লে — আই. এ. এছ. ৰ মৌখিক পৰীক্ষাৰ বাবে সদায় যিমান ভেকেন্সি থাকে তাৰ দুগুণক মাতে। আধাই পায়, আধাই নাপায়। আৰু হেৰি নহয়, আপোনালোকৰ পৰিয়ালৰ কোনো ঐতিহ্যই নাই। মানুহ বুলিবলৈনো কোন আছে আপোনালোকৰ?

হাৰে? ই পাৰগুই কয় কি? তাৰ মানে মই মানুহ নহয়? মোৰ দেউতা মানুহ নাছিল? ও তাৰমানে সি মোক আজিলৈকে মানুহৰ শাৰীত ধৰাই নাই। হেৰৌ, মোৰ

পিতাই তোৰ দৰে বহু হাজাৰ ডিবেক্টৰক পঢ়াব পাৰে। শুন মোৰ পিতা চন্দ্ৰকান্ত তৰ্কতীৰ্থৰ নাম তইঁতে শুনাই নাই! কাশী, বাৰাণসী আৰু পুণাৰ সংস্কৃতৰ পণ্ডিতসকলে তেওঁৰ আগত তৰ্ক কৰিবলৈ সাহস কৰিব পৰা নাছিল। আৰু তই কৱ আমাৰ পৰিয়ালৰ কোনো ঐতিহ্যই নাই। মানুহেই নাই। শুন, এসময়ত আমাৰ চাৰিটাকৈ হাতী আছিল। হাতীত উঠি দেউতাই কোঁচবিহাৰ পৰ্যন্ত গৈছিল। আজি মইহে পথৰ ভিক্ষাৰী। সিদিনাৰপৰাই মোৰ মনটো একেবাৰে হতাশাত দহি দহি যাব লাগিছে। ল'ৰাজনে যদি সঁচাকৈয়ে পাছ্ নকৰে? নকৰিবওতো পাৰে। কিছুদিন ধৰি সি একেবাৰে নীৰৱ হৈ গৈছে। মোক দেখিলেও মাতিবই নোখোজে। কিবা কথা সুধিলেও বৰ চমুকৈ কয়। দুটা বা এটা মাত্ৰ শব্দ। মোক দেখিলে নেদেখাৰ ভাও ধৰে। আনকি কাৰো লগত সি ভাত নাখায়। মাকে ভাত বাঢ়ি চাই থাকে। হঠাৎ কাকো নমতাকৈ তাৰ থালখন আৰু দাইলৰ বাটিটো লৈ গৈ পঢ়ামেজত বহি খায়। বাচনখিনিও নিজে ধোৱে। যোৱা ডেৰমাহে দাঢ়ি-চুলিও কটা নাই। সি মোক নামাতিলে, মোৰ বুকুত কিবা এক অজ্ঞাত বিষ অনুভৱ হয়, তেনেহ'লে মই কাৰ লগত কথা পাতোঁ? আইজনীয়ে নামাতেই। মাক আৰু সৰু ল'ৰাজনৰ ওচৰেই চাপিব নোৱাৰি। প্ৰণবেন্দুৱেও বাৰু মোক বেয়া পায় নেকি? ঘৃণা কৰে নেকি? মইনো, তাৰবাবে ইয়াতকৈ কি বেছি কৰিব পাৰোঁ? কেনেকৈ যে দুটা বাৰিষা তিতি-বুৰি কটাই দিলোঁ, সিহঁতে জানো কেতিয়াবা খবৰ ৰাখিছে? বোধহয় সিহঁতে এই কথাটোও নাজানে যে পৰহি বৰুৱানীৰপৰা ছাতিটো খুজি অনাৰ সময়ত হাঁহি মাৰি আনি দিছিল। কিন্তু গধুলি ওভতাই দি ওলাই আহিছোঁহে এনেতে কোনোবা অচিনাকি মানুহ এজনে বিৰক্তিৰ সুৰেৰে কৈ আছে—'এই মানুহজনে ভিক্ষাৰীৰ নিচিনাকৈ যে থাকে ছাতি এটা কিনি ল'ব নোৱাৰে নেকি'? তেনেকৈ কোৱাৰ লগে লগে বৰুৱানীয়ে বাধা দিলে — 'দাদা, চুপ তেনেকৈ নক'বা, তেওঁৰ ল'ৰাই দুদিন পাছতে আই. এ. এছ্ পাব। মই আমাৰ স্বপ্নাৰ কথা বহুদিনৰপৰা ভাবি আহিছোঁ। মই সেই কাৰণেই মানুহজনৰ লগত ভালে আছোঁ। নহ'লে সেই বুঢ়াটোৰ লগত কিহৰ সম্পৰ্ক!'

সৰু অফিচটোৰ পাঁচজন কৰ্মচাৰীৰ চাৰিজনেই গ'ল। যাবই, সিহঁতৰ হাতে হাতে ছাতি। মইহে আজি এনেকৈ ইয়াত বৈ গ'লোঁ। ইফালে বৰষুণ ঘন হৈ আহিছে। এই বৰষুণ হয়তো এসপ্তাহ এনেকৈ থাকিব। সেইফালে ঘৰত বৰকটকী পৰিয়াল আহি মোক নাপাই গুচিয়েই গ'ল নেকি? অৱশ্যে প্ৰণবেন্দুক মই ঘৰত থাকিবলৈ কৈছোঁ। সি যদি আছে, মই নাথাকিলেও কোনো কথা নাই। সি কথা-বতৰাও ক'ব জানে। বৰঞ্চ মোক নেদেখাই ভাল। মোৰ তেওঁলোকৰ সন্মুখত ওলাবলৈ ভয়েই লাগে। তেওঁলোকে যদি মোৰ ভৰিৰ জোতাযোৰৰ আগটো ফাটি ওলাই থকা বুঢ়া আঙুলিটো দেখে?

পাইপ টানি টানি হঠাৎ ডিৰেক্টৰে কঁকালত হাত দি বাৰাণ্ডাত থিয় দিলে। তেওঁৰ অংগী-ভংগী দেখি এনেকুৱা লাগিল,—যেনে তেওঁ মোৰ ওপৰত কিবা কাৰণত নাৰাজ। তেওঁক দেখি চকীদাৰো জাঁপ মাৰি বহাৰপৰা উঠিলে। তেওঁ যেন

মেকুৰী, আমি দুয়ো যেন নিগনি। ময়ো আঁউজি থকা খুঁটাটোৰপৰা সাৱধান হৈ পিছফালে হাত দুখন ৰাখি সম্মানপূৰ্বক থিয় দিলোঁ। মই চকীদাৰৰ ফালে চালোঁ, চকীদাৰে মোৰ মুখৰ ফালে চালে। দুয়োৰে মুখৰ ফালে চাই থাকি তেওঁৰ মুখৰ খোঁৱাবোৰ এৰি মোক সুধিলে—আচৰিত! আপুনি এতিয়াও যোৱা নাই?

ঃ ৰবমুণ দিয়েই আছে ছাৰ —

ঃ ছুটি অনা নাই নেকি?

ঃ ছুটি নাইয়ে ছাৰ, আনিম ক'ৰপৰা? এইখিনি কিবাকে ছুটি নোহোৱাকে গ'লোহেঁতেন ; কিন্তু আজি হঠাৎ চিটিবাছ আৰু বিক্সাই ষ্ট্ৰাইক কৰিছে -

তেওঁ একো মন্তব্য নিদিলে আৰু ভিতৰলৈ সোমাই পৰ্দাখন টানি-টুনি সেউজীয়া শাৰীৰ মাজত ৰঙা ব্লাউজ পিন্ধি থকা মহিলাগৰাকীক হাঁহি হাঁহি কিবা কিবি ক'লে। তাৰ পাছত দুয়ো নীৰব হৈ পৰিল।

মই অফিচৰ সন্মুখত ফুলি থকা সেউজীয়া পাতবোৰৰ মাজত ৰঙা জবাফুলবোৰলৈ চালোঁ। ভোমোৰা এটাই গুণগুণাই সেউজীয়া পাতবোৰৰ মাজৰ জবাফুল এটাৰ ভিতৰলৈ লাহে লাহে সোমাই গৈছে।

ৰবমুণৰ শব্দৰ মাজতো তেওঁৰ কোঠাৰ জুইশলা মৰাৰ শব্দ হ'ল। কিবা কাৰণত তেওঁৰ চাগে' মোৰ ওপৰতেই অসম্ভৱ খং উঠিছে।

এই ডিৰেক্টৰবোৰক দেখিছোঁ—অনবৰত খঙতেই থাকে। পাইপৰ জুই বাৰে বাৰে নুমাই যোৱা বাবেই বোধহয় তেওঁৰ অনবৰত খং উঠি থাকে।

পৰ্দাখন টানি তেওঁ বেগাই ওলাই আহিল। পিছে পিছে সেউজীয়া শাৰী আৰু ৰঙা ব্লাউজ পিন্ধা মহিলাগৰাকী। মহিলায়ো মোৰ ফালে কেৰাহিকৈ খঙেৰে চালে। চকীদাৰজনে মোৰ ফালে বোবাৰ দৰে চালে—অৰ্থাৎ মই গৈ ক'ব লাগে, ... নহ'লে আপোনাক নোসোধে। চকীদাৰে ঠিকেই কৈছে, মইয়ে এবাৰ গৈ অনুৰোধ কৰোঁ।

ঃ ছাৰ। আপুনি আৰু কোনফালে যাব? যদি ঘৰৰ ফালে যায়, তেনেহ'লে ময়ো আপোনাৰ লগতে গ'লোহেঁতেন।—ভট্টাচাৰ্যই ৰবমুণত তিতি তিতি ডিৰেক্টৰৰ গাড়ীৰ উইণ্ডস্ক্ৰীণৰ কাষত ইতস্ততঃভাৱে থিয় হ'ল।

ঃ 'নাই নহ'ব' — ভিতৰৰপৰা প্ৰচণ্ড খঙেৰে বাঘৰ দৰে গুজৰি উঠিল। চকীদাৰেও শুনিলে। ওচৰৰপৰা মই গুচি আহিলোঁ। বুজি নাপালোঁ, মই কি জগৰ লগালোঁ? এই মুহূৰ্ততে মই মৰি যোৱা ভাল আছিল। তাতে আকৌ চকীদাৰৰ সন্মুখত! মই ইতৰ কীট-পতংগতকৈও অধম। তেনেকৈ ডিৰেক্টৰক ক'বলৈ লাজ পাব লাগিছিল। এই দৃশ্য আজি মোৰ একমাত্ৰ ছোৱালীজনীয়ে দেখিলে কিজানি লাজতে আত্মহত্যাই কৰিলেহেঁতেন। দেখাই ভাল আছিল। তেতিয়াহে কিজানি তাই বুজিলেহেঁতেন। অৱশ্যে সক ল'ৰাজনে এইবোৰ একো নজনাই ভাল। জানিলে সৰ্বনাশ। সি মোক ভৰ্ৎসনা কৰিব। হাঁহি হাঁহি আত্মতৃপ্তিত সি উৎফুল্লিত হৈ ঠাট্টা-মস্কৰা কৰি সি মোক ক'ব—"দেউতা, তই জানিব লাগে মধ্যবিত্ত আৰু নিম্নমধ্যবিত্তৰ শ্ৰেণী-চৰিত্ৰ।

এই কাৰণেই হয় শ্ৰেণী সংঘাত। এনে অৱস্থাত এনেকুৱা হ'বই। সেইকাৰণেই পৰিবৰ্তন লাগে।"

ডিৰেক্টৰে বাৰু মোক হঠাতে কিয় ইমান বেয়া ব্যৱহাৰ কৰিলে? কাইলৈ তেওঁক মই ক'ম—'ছাৰ মোক ক্ষমা কৰিব। মোৰ ভুল হৈছিল ; আমাৰ দৰে মানুহে আপোনাৰ লগত সমানে সমানে অহা-যোৱা কৰাটো শোভা নাপায়। আপুনি বেয়া নাপাব। ভুলতে মই তেনেকৈ কৈছিলোঁ।' তেনেকৈ ক'ম জানো? নকওঁ ইমান তললৈ নামিব নোৱাৰি। নকওঁ, মোৰ ল'ৰা কিছুদিন পাছত ডিৰেক্টৰতকৈও বেছি ডাঙৰ হ'ব। অৱশ্যে, এটা কথা। মই যেনেকৈ ভাবিছোঁ, সেইকাৰণে তেওঁ তেনেকৈ নক'বও পাৰে। অন্য কিবা কাৰণ থাকিবও পাৰে। দুপৰীয়া সহকৰ্মী ফিল্ড অফিচাৰ তুষাৰকান্তি বেনাৰ্জীয়ে কোৱা কথাবাৰৰ কাৰণেও মোক তেনে ব্যৱহাৰ কৰিব পাৰে। বেনাৰ্জীক বোলে মাতি নি কৈছে মোৰ সৰু ল'ৰাজনে তেওঁৰ ছোৱালীজনীৰ লগত বাস্তাই-ঘাটে ঘূৰি ফুৰে বুলি। আনকি ছোৱালীজনীয়ে ৰাতি পোষ্টাৰ মৰাতো তাক সহায় কৰে। মোৰ ঘৰত বোলে মই নথকা অৱস্থাত সেই ৰঙা ৰঙা কিতাপবোৰো সদায় পঢ়ে। ৰঙা চিয়াঁহীৰে বগা কাগজৰ ওপৰত সেই শ্লোগানবোৰ লিখে। ডিৰেক্টৰৰ ছোৱালী, গাড়ীত উঠি ঘূৰি ফুৰিব লাগে, স্ফূৰ্তি-তামাচা কৰিব লাগে। সেইবোৰ বাদ দি মোৰ দৰে নিম্ন-খাপৰ নিঃকিন ভিকহু কেৰাণীৰ ল'ৰাৰ লগত হুলি-গলি কৰেনে? বুৰ্বক ছোৱালী। ক'ত কেৰাণী, ক'ত ডিৰেক্টৰ? তেল-পানীৰ সম্পৰ্ক। বেনাৰ্জীক বোলে ডিৰেক্টৰে মাতি নি কৈছে — আপুনি ভট্টাচাৰ্যক ক'বচোন, তেওঁৰ ল'ৰাজনে যাতে মোৰ ছোৱালীজনীক মুক্তি দিয়ে।' কিন্তু মই তাক কেনেকৈ বুজাম? বাঘৰ দৰে গোঁজৰণি মাৰি খেদি আহিব। এই মাকজনীও কিন্তু কম নহয়। মাকেতো মোক কোনো দিনেই কোৱা নাই যে ডিৰেক্টৰৰ সেই পৰীযেন এখুদমান ছোৱালীজনী আমাৰ ঘৰলৈ আহে; পঢ়ে, লিখে। ইস! ছোৱালীজনীক বা চাহ-তাহ একাপ দিছিল নে নাই? যদি দিয়া নাই মোৰ কাৰণে সেইটো বৰ লাজৰ কথা। কি বা ভাবিছে ছোৱালীজনীয়ে? আমাক বাৰু বৰ দুখীয়া বুলি ভাবিছে নেকি? নাভাবিবও পাৰে। হয়তো এনেকৈ ভাবিবও পাৰে— আগতে ধনী আছিলোঁ, এতিয়া দুখীয়া, আকৌ ধনী হ'ম! ডাঙৰ ল'ৰা উপাযুক্ত হ'ব। সৰু ল'ৰা ইঞ্জিনিয়াৰ। টকাই-টকা দেখোন! — সেই বুলিয়েই মোৰ বিনানুমতিত লোকৰ ছোৱালীজনী ঘৰ সোমাব কিয়? নাই, তেনেকৈ ভৰাটো একপ্ৰকাৰ অভদ্ৰামি। মানুহে মানুহৰ ঘৰলৈ নগৈ ক'লৈ যাব? — তথাপি তাই যে ডিৰেক্টৰৰ ছোৱালী। শেষত হয়তো তেওঁৰ ছোৱালীজনীয়ে যাতে মোৰ ল'ৰাৰ লগত নুঘূৰে তাৰ বাবে মোক ক'ৰবাৰ দূৰ ঠাইলৈ বদলি কৰিব পাৰে। এই বৃদ্ধ বয়সত ক'ৰবালৈ যোৱাৰ শক্তি আৰু মোৰ নাই।

: ৰ'ব বাবু ৰ'ব, আপুনি তেনেকৈ ভিজি যাব নালাগে। — চকীদাৰে ভট্টাচাৰ্যৰ ফালে চাই ক'লে। কিবা এটা মূৰত লৈ যাওক। বতৰ বৰ বেয়া চলিছে এই কেইদিন। ঘৰলৈ তিতি তিতি গৈ আকৌ জ্বৰ গাব লাগিলে ছুটীকেইটাও কটা যাব। তেনেকৈ

কৈয়েই চকীদাৰজন বহাৰপৰা উঠি অফিচৰ পিছফালে থকা কোৱাৰ্টাৰলৈ গ'ল।

এতিয়াহে হঠাৎ সি কিবা এটা আনিবলৈ যাব পাৰিলেনে? অথনিৰে পৰা মই বাৰাণ্ডাত বৈ আছোঁ। ডেৰ ঘন্টাবো বেছি সময় ইয়াতে মই থিয় হৈ আছোঁ, অথচ যাবলৈ একো এটা আনি দিয়া নাই। এতিয়া ডিৰেক্টৰে তেনেকৈ কোৱাৰ বাবেহে মোৰ প্ৰতি হঠাৎ তাৰ মৰম জন্মিল। অ' ইমান সময়ে তাৰমানে সি মোৰ ৰং চালে। ইয়াকো বিশ্বাস কৰিব নোৱাৰি। ই ডিৰেক্টৰতকৈ বেছি চতুৰ। নালাগে মোক একো, মই ভিজিয়েই যাম—

ঃ ৰ'ব ৰ'ব। আপুনি গ'লেই যে? মই চকীদাৰলৈ ঘূৰি চালোঁ।

ঃ মই পাহৰিয়েই গৈছিলোঁ বাবু। হঠাৎ মনত পৰি গ'ল, — কোৱাৰ্টাৰৰ পিছফালে এডৰা যে প্ৰকাণ্ড প্ৰকাণ্ড পাতেৰে বৰকচু আছিল। দেখিছে, কি প্ৰকাণ্ড কচুপাত। ইয়াৰ তলত এজন কিয়, তিনিজন অনায়াসে সোমাই যাব। আপুনি ইয়াৰ তলত সোমাই সুন্দৰকৈ ঘৰ পাব।

তাৰ চকুৰফালে সন্দেহেৰে চালোঁ। মানকচুৰ পাতটো আনি দি মোক উপলুঙাই কৰিছে নেকি? তাৰ চকু চাই অৱশ্যে একো ধৰিবই নোৱাৰি। তাৰ ওপৰত উঠা খংটো মোৰ তৎক্ষণাৎ দমি গ'ল আৰু আন্তৰিকতাৰে ক'লোঁ —

আজিলৈ অন্ততঃ ৰক্ষা কৰিলি বোপাই!

ৰাস্তাত বৰ বেছি মানুহ নাই। দুই-এখন টেক্সি অৱশ্যে চলিছে। চহৰখন হঠাৎ যেন কিবা নিমাও-মাও হৈছে। মোৰ এখন হাত চুৰিয়াত, আন এখন হাত মানকচুৰ ঠাৰিত। মানুহে মোৰ ফালে ঘূৰি ঘূৰি চাইছে। মোৰ সন্মুখত ফটা জোতাযোৰলৈ চাইছে। বুঢ়া আঙুলিটো ওলোৱাত দৃষ্টিকটু হৈছে। মোৰ যে এজন ল'ৰা আই. এ. এছ.ৰ মৌখিকলৈ নিৰ্বাচিত হৈছে সেই কথা হয়তো মোৰ অৱস্থা দেখি কোনেও বিশ্বাসেই নকৰিব।

মানকচুৰ পাত মূৰত লৈ ফুটপাথেদি প্ৰচণ্ড বেগেৰে ঘৰমুৱা হৈছোঁ। এজন মানুহে সামান্য কুঁজা হৈ পাতৰ তলৰ মোৰ মুখখনলৈ চালে। তাৰ পাছত মোৰ ফালে আঙুলিয়াই দি মন্তব্য কৰিছে—"চোৱা, আমি আকৌ গৰু গাড়ীৰ যুগলৈ বা প্ৰাগৈতিহাসিক যুগলৈ প্ৰত্যাবৰ্তন কৰিবলৈ বেছি দিন নাই।"

মই প্ৰচণ্ড অৱজ্ঞা আৰু ঘৃণাৰে মানুহ দুজনলৈ চালোঁ, কিন্তু একো উত্তৰ নিদিলোঁ। মানুহ দুজনে নেদেখা বস্তু দেখিছে, সেইকাৰণেই তেনেকৈ কৈছে। চহৰত মানুহে দামী ছাতি লয়, তাৰ পৰিবৰ্তে মই লৈছোঁ মানকচুৰ পাত ; তেওঁলোকে নাহাঁহিবনে? ভাববাৰে দুখ কৰি, বেজাৰ বা খং কৰিয়েই বা লাভ কি হ'ব?

লাহে লাহে মানকচুৰ পাতৰ ওপৰত পৰা কিন্‌কিনীয়া বৰষুণৰ ক্ষুদ্ৰাতি-ক্ষুদ্ৰ টোপালবোৰ ঠাৰিৰে নিগৰি নিগৰি আহি মোৰ কাষলতিৰ তল পাইছে। কাষলতিৰ তল বৰষুণৰ পানীয়ে ভিজাই পেলোৱাত লাহে লাহে মোৰ গেঞ্জীটোও তিতি আহিছে। লাহে লাহে মোৰ চোলাটোও তিতিব ধৰিছে। ছিঃ, বৰ বেয়া দেখা হৈছে। যদি

ৰবৰুটকী পৰিয়ালৰ মানুহে দেখে? মোক একেবাৰে ভিকহু বুলিয়েই ভাবিব কিজানি। ... লাহে লাহে মোৰ নিজৰ আই-ৰোপাইৰ ওপৰত খং উঠিছে। তেওঁলোকক মই বাৰে বাৰে কৈছিলোঁ — ' মই সংসাৰ নকৰোঁ।' কিন্তু মাজনীয়ে দেউতাক কুটুৰি কুটুৰি শেষত মোৰ এই উপকাৰ যেন্মা কৰিলে। মাৰ ওপৰত লাহে লাহে খঙৰ মাত্ৰা চৰি গ'ল। কিন্তু মা নাই। যন্ত্ৰণাৰ কথা কাক ক'ম? কোনে শুনিব? কাক বুজাম? কোনে বুজিব? মই যে মানুহজন ভিতৰে মানসিকভাৱে আৰু শাৰীৰিকভাৱে জৰাজীৰ্ণ হৈ গৈছোঁ, সেই কথা কাক ক'ম?

হঠাতে মোৰ মনৰ মাজত বিদ্ৰোহৰ অগনি দপ্‌দপ্‌কৈ জ্বলি উঠিল। ডাঙৰ ল'ৰাজনক লৈ কৰা মোৰ মনৰ সমগ্ৰ জল্পনা-কল্পনা চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল। যদি মোৰ ল'ৰাজনেও বিবয়া হৈ এই অফিচৰ ডিৰেক্টৰৰ নিচিনা ব্যৱহাৰ কৰে? মোৰ দৰে দুখীয়া কেৰাণীসকলক সি হয়তো মানুহ বুলিয়েই নাভাবিব। যোৰামাহৰপৰা সি মোক মাতিব নোখোজাৰ হয়তো এইটোৱে কাৰণ। সি যদি ক'ৰবাত ডিৰেক্টৰ বা উপায়ুক্ত হৈ মোৰ দৰে বৃদ্ধ কেৰাণীক কুকুৰৰ দৰে ব্যৱহাৰ কৰে? তেতিয়াহ'লেতো মোৰ জীৱনৰ সমগ্ৰ উদ্দেশ্য ব্যৰ্থ হোৱা বুলিয়েই ধৰি ল'ব লাগিব।

থপ্‌কৈ কিবা এটা পৰিল।

মই অনুভৱ কৰিছোঁ, মোৰ মূৰৰ ওপৰত থকা মানকচুৰ পাতৰ ওপৰত চৰাই জাতীয় কিবা এটা উঠি বহিছে। কচুপাতৰ ওপৰেৰে প্ৰাণীটোৰ ক'লা ক'লা ঠেং দুখনৰ আভাস মই পাইছোঁ। চৰাইটোৱে হয়তো নাজানে যে তলত এজন মানুহ আছে। ওপৰত এটা কা-কা কৰ্কশ ছটা শব্দ। মই যিটো সন্দেহ কৰিছিলোঁ, সেইটোৱেই কাউৰী। হয় কাউৰীয়েই।

কচুপাতটোৰ ঠাৰিডাল লাহেকৈ জোকাৰি দিলোঁ। ভয় খাই কাউৰীজনী উৰি গ'ল।

অলপ পাছত কাউৰীজনী পুনৰ পাতটোত পৰাৰ শব্দ।

আস্‌। মই মৰিলোঁ। কচ্‌কৈ মোৰ চুলি আৰু তালুৰ মাজেৰে কিবা এটা কঠিন বস্তু সোমাই যোৱাৰ আভাস! কাউৰীজনীৰ জোঙা ঠোঁটটোহে যেন তালুৰ ভিতৰলৈ সোমাই গৈছে আৰু তাৰ ফলত ছালখন ফুটি গৈছে। মূৰটো ফুটি যোৱা যেন লাগিছে।

মানকচুৰ পাতটো নমাই আনিলোঁ ; কিন্‌কিনীয়া ৰৰষুণৰ টোপালবোৰ মূৰত পৰিব ধৰিছে। কাউৰীজনী উৰি গৈ ওপৰত টেলিফোনৰ তাঁৰত বহি মোলৈ চাইছে আৰু ঠোঁটটো ঘঁহিব ধৰিছে। পাতটোৰ ওপৰত এটুকুৰা কটি; কটি টুকুৰা পিছলি আহি মাটিত পৰিছে। অ' তাৰমানে এইহে! কটি টুকুৰা ঠোঁটেৰে ধৰিব খোজোঁতেই মোৰ তালু ফুটি গ'ল। বিষাই থকা ঠাইখিনি হাতেৰে খেপিয়াই খেপিয়াই এক নাতিশীতোষ্ণ উত্তাপ অনুভৱ কৰি হাতখন চকুৰ সন্মুখত ধৰিলোঁ,—'তেজ!'

তেজ! বুকুত ধপ্‌ধপনি। ধপ্‌ধপনি বাঢ়িছে। মূৰটো আচন্দ্ৰাই কৰিছে। কাউৰীজনীয়ে ৰাক লাওখোলা ফুটাই পেলাইছে নেকি? খেপিয়াই চালোঁ একো ধৰিব

নোৱাৰিলোঁ। বিষটো ক্রমাৎ বেছি হৈ আহিছে। বিষ বিমানে বেছি হৈছে সিমানেই বুকুৰ ধপ্‌ধপনি বাঢ়ি গৈছে। চোলা, চুৰিয়া, চুলিবোৰ ভিজি জল্‌জলীয়া হৈছে। মুখ মেলা জোতাযোৰৰ ভিতৰত বৰষুণৰ পানী সোমাইছে। গৰমো লাগিছে, ঘামো ওলাইছে, ঠাণ্ডাও লাগিছে। ডিঙিটো কিবা এক অজ্ঞাত যন্ত্রণাত সোপা মাৰি ধৰিছে। ইফালে জোতা শিলগুটি এটা ভৰিৰ তলুৱাত কেনেবাকে সোমাইছে। শিলটোৱে কটং কটংকৈ বিন্ধিছে। খোজ কাঢ়িবই নোৱাৰি। ইফালে বৰষুণ। কাউৰীৰ ঠোঁটৰ আঁচোৰ লাগি মানকচুৰ পাতটো ফালি গৈছে। সেইফালেদি বৰষুণৰ টোপালবোৰ নিগৰি শৰীৰত পৰিছেহি।

ঘৰৰ জপনাখন খোলাৰ লগে লগে বগা-নীলা ছাতি লোৱা চাৰিজনী গাভৰু ছোৱালীয়ে মোৰ ফালে চাই হাঁহি হাঁহি পাৰ গৈ গ'ল, কলাফুলত ভিজা মেখেলাৰ চটপ্‌ চটপ্‌ শব্দ। কোনোবা এজনীয়ে মোক উদ্দেশ্য কৰি কৈ বেগাই গুচি গৈছে - 'ছাতি এটা কিনি নলয় বা কিয়?' মই চিনি পালোঁ। আটাইকেইজনী ইউনিভাৰছিটিৰ ছাত্রী। আমাৰ আইজনীৰ লগৰ। তাৰমানে এইকেইজনীয়েই মোৰ ছোৱালীজনীক সংগ দিব নোখোজে। এৰা, মানকচুৰ পাত লোৱা বাপেকৰ ছোৱালীৰ লগত যাবই বা কিয়? মইহে মিছাকৈ দোষাৰোপ কৰিছোঁ।

খিৰিকীখন মেলি ঘৰৰ মানুহজনীয়ে মোৰ ফালে চাই উচুপি উঠিল। মোৰ বুকুখন ধপ্‌ধপাই উঠিল। চাৰিওফালে এবাৰ অসহায়ভাবে চালোঁ।

সাজ লাগিছে। ঘৰখন কিবা উদং উদং লাগিল। সন্মুখৰ বাস্তাটো জন প্রাণীহীন! মৰা সাপ এডালৰ দৰে পৰি আছে। টাইলৰ ঘৰটোৱে যেন মোৰ দুখত কান্দিছে। বৰষুণৰ পানীবোৰ যেন চকুপানী।

বৰকটকীৰ ঘৰৰ কোনো মানুহেই নাছিল কিজানি। হয়তো আছিল, মোলৈ বৈ বৈ, বিৰক্ত হৈ গুচি গৈছে। তেওঁলোকে বা মোক কি বুলি ভাবিছে? হয়তো পিছত এদিন আহিম বুলি কৈ গুচি গৈছে। কিন্তু আইজনীৰ মাকে তেনেকৈ উচুপিছে কিয়?

মই মাতিলোঁ — অ' আইজনী। কোনো সাৰ-সুৰ নাই। বাৰাণ্ডাখন নিথৰ হৈ পৰি আছে। কমৰ দুৱাৰবোৰ বন্ধ। মই আকৌ মাতিলোঁ — অ' আইজনী, দৰ্জাখন নোখোল কিয়?

'যি বাটেৰে আহিছিল, সেই বাটেৰেই বা ঘূৰি নাযায় কিয়?' মই দুৱাৰত টক্‌টকাই দিয়াৰ লগে লগে ঘৰৰ মানুহজনীয়ে ভিতৰৰপৰা চিঞৰিলে। তাৰ পাছত কান্দোনৰ ৰোল শুনা গ'ল। মোৰ ঘৰৰ কান্দোনৰ শব্দই ওচৰৰ ঘৰৰ দুৱাৰ-খিৰিকীবোৰ খুলি দিলে। মোৰ ঘৰত কি হৈছে, তাকে জানিবলৈ আৰু চাবলৈ তেওঁলোকৰ শ্রবণেন্দ্রিয় সজাগ হৈ উঠিল। তেওঁৰ কান্দোন আগতকৈও বেছি হ'ল—আৰু চিঞৰি চিঞৰি মোক ভৰ্ৎসনা কৰিলে। — 'কোন শত্রুৱে যে মোক এই মানুহজনৰ হাতত গতাই দিছিল! যিও বা আনক কুটুৰি কুটুৰি ল'ৰা এজন আনিলোঁ, সিও নাছিল।'

ভিতৰত আন কোনোবা এজনীয়ে কান্দিছে। সেইজনী মোৰ ছোৱালীজনীৰ

বাহিৰে অন্য কোনো নহয়। মই এতিয়া কি কৰোঁ?? 'মাজনী অ', সোনকালে দৰজাখন খুলি দে অ'। মোকনো আৰু কিমান শাস্তি দিয়?' ক'বহে পালোঁ তেনেকৈ, তাইৰ কান্দোন আগতকৈ বহু বাঢ়ি গ'ল।

বুকুৰ ধপ্‌ধপনিও আগতকৈ বাঢ়ি গ'ল। যেন মোৰ কলিজাটোৰ ওপৰত এটা হাতীহে উঠিছে। হাতীৰ ভৰত মোৰ কলিজাটোৱে নিয়মিতভাৱে চলিব পৰা নাই। লাহে লাহে উশাহ লওঁতে কষ্ট পাইছোঁ। কলিজাটোৰ ওপৰত যেন এইবাৰ দহটামান হাতীৰ ওজন। মই একো ক'ব নোৱৰা হৈছে। মই সন্মুখৰ দৃশ্যবোৰ নীলা নীলা দেখিছোঁ। কেৱল নীলা, আৰু নীলা ...

বৃদ্ধৰ হাতৰ মানকচুৰ পাত পিছলি মাটিত পৰিল। তেওঁৰ সন্মুখত বাতি বিজুলী চাকিবোৰ চক্ৰাকাৰে ঘূৰিছে। আইজনীৰ কান্দোনটো তেওঁৰ কাণত একে তৰংগতে ঘূৰি থকা গ্ৰামোফোন পিনৰ দৰে *ঠেহেৰ-ঠেহেৰকৈ* বাজিবলৈ ধৰিছে।

হঠাৎ তেওঁ একো নেদেখা হ'ল ; নুশুনা হ'ল। আনকি শেষত তেওঁ নিজেই নিজৰ হৃৎপিণ্ডৰ ধপ্‌ধপনি নুশুনা হ'ল। চকুদুটা জাপ খাই গ'ল। শেষত মাটিত বাগৰি পৰিল।

অন্ধকাৰৰ মাজত এজনী কাউৰীয়ে কৰ্কশভাৱে চিঞৰিলে — কা - কা...

হিপ'ক্রেটৰ লগত এজন হতাশগ্রস্ত

মোৰ কান্দি দিবৰ ইচ্ছা হৈছে —

কান্দোন? কিয়? কি দুখত?

দুখত নহয় অ' আনন্দত —

আনন্দত জানো মানুহে কান্দে?

কান্দেতো, নাকান্দিব কিয়? প্রতি বছৰে গৰমৰ দিনত যেতিয়া আমাৰ ঘৰৰ সমুখ শাৰী শাৰী হালধীয়া সোণাৰু, সেন্দুৰীয়া কৃষ্ণচূড়া আৰু এজাৰৰ বেঙুনীয়া ফুলেৰে জকমকাই থাকে — মই তেতিয়া মোৰ কোঠাৰ খিৰিকীৰ গৰিলাৰে বৰষুণে তিতোৱা সেমেকা ফুলবোৰৰ ফালে চাই এক অজ্ঞাত আনন্দত কান্দি থাকোঁ —

ব্যস্ত চহৰখনৰ চাৰিআলিৰ মদৰ দোকানৰ চুকত বহি থকা ৰূপমে কাষতে বহি থকা জগদীন্দ্রৰ আগত প্রকাশ কৰিব খোজা আবেগ-প্রৱণ কথাখিনি শেষ নৌহওঁতেই জগদীন্দ্রই এক অস্বাভাৱিক অট্টহাস্য কৰাৰ দৰে বিদ্রূপ কৰি উঠিল — 'অজ্ঞাত আনন্দ!' সেইটো আকৌ কি?

বৰ স্পর্শকাতৰ এই আনন্দ। যিসকলে এই আনন্দৰ মর্ম নুবুজে, তেওঁলোকৰ বাবে ই এখন বন্ধ খিৰিকীৰ দৰে বা এটুকুৰা নীৰস ঠন্‌ঠনীয়া কাঠফুলা নতুবা সেইবোৰ ফুল নহয়, মাথোন এটুকুৰা প্লাষ্টিক। সেই ফুলি থকা ফুলবোৰৰ ফালে চা। ফুলবোৰ দেখি কেনে ভাব হয়? কি সুন্দৰ তাৰ ভাষা! কি তাৰ আবেদন! এনে আবেদনক তই কি প্রত্যাখ্যান কৰিবি? মই যদি বেহেলাত এটা কৰুণ সুৰ বজাই সোণাৰু ফুলৰ বা এজাৰ ফুলৰ আবেদনক আলিংগন কৰিব পাৰিলোঁহেঁতেন আৰু যদি ফুলবোৰে ক'লেহেঁতেন 'অহা বছৰ গ্রীষ্মত আমি আৰু ইয়াত নুফুলোঁ। আৰু যদি তোমাৰ কাৰণে ফুলিব লাগে, — ব'লা, সৌ পাহাৰৰ চূড়াৰ জুবিটোৰ সিপাৰে ঘৰ সাজি একেলগে থাকোঁগৈ।' — মই তেতিয়া বিথোভেনৰ সেই হেৰোৱা নৱম বাগৰ চিম্ফনীটো বজালোঁহেঁতেন।

হ'ব, হ'ব আৰু বেছিকৈ জিভাৰ পিছল নঘটাবি — জগদীন্দ্রই ৰূপমৰ কথাখিনি

গুলি এনেকৈ তাচ্ছিল্যৰ হাঁহি মাৰিলে যে কাষেৰে পাৰ হৈ যোৱা ব্যস্ত চহৰখনৰ পদব্ৰজীসকলো চক্ খাই উঠিল। হাঁহি হাঁহি সি আকৌ কাপমৰ ফালে চালে আৰু চিএৰি চিএৰি ক'লে, 'বুজা নাই জিভাৰ পিছলে কিন্তু মানুহৰ বিপদ ঘটায়।'

ঘটালে?

তই যে এজন অহো-বলিয়া সেই বিষয়ে মানুহৰ কোনো সন্দেহ নাথাকিব। আচলতে পৃথিবীৰ বেছিভাগ মানুহেই ইজনে সিজনক বলিয়া বুলি ক'বলৈ ভাল পায়। এনেদৰে মাজে-সময়ে দুই-এজন বলিয়া নহ'লে ভেওঁলোকে তেওঁলোকৰ জিভাৰ অনুশীলন কৰিবইবা কেনেকৈ বা তোক লৈ হোৱা দুখ কেনেকৈ প্ৰকাশ কৰিব? আচলতে আমি সৰহ সংখ্যক মানুহেই হৈ থকা নাই, জিভাবোৰেহে মানুহ হৈ আছোঁ। অন্তৰৰ লগত আন্তৰিকতা নথকা জিভাবোৰে তোৰ দুখত দুখী হোৱাৰ দৰে ক'ব — 'ল'ৰাজনলৈ বৰ বেয়া লাগে দেই, ইস্ বেচেৰাটো। কেনেকৈ যে হঠাৎ পাগল হৈ গ'ল। বেয়াই লাগে। সি অংকত এশৰ ভিতৰত এশ পাইছিল তদুপৰি সি... কম্পিউটাৰ বিজ্ঞানতো ডিগ্ৰী লৈছিল। কম্পিউটাৰৰ প্ৰগ্ৰেমিং সুন্দৰকৈ জানিছিল। ছিঃ ছিঃ আমাৰ দেশৰ যুৱক শক্তি কেনেদৰে যে বিপথে যাব লাগিছে, অথচ কাৰো খবৰ নাই..." ইত্যাদি। গতিকে তোৰ ওপৰত এনে ভেঁকুৰা মন্তব্য হোৱাটো মই নিবিচাৰোঁ। সেইকাৰণেই মই তোৰ এই সোণাৰু, কৃষ্ণচূড়া আৰু এজাৰৰ আবেদনক প্ৰত্যাখ্যান কৰি হাঁহি-খিকিন্দালি কৰি উৰুৱাই দিছোঁ। এই ফুল-চুলৰ কথা বন্ধ কৰি আচল কথালৈ আহ—

মন্তব্যৰ ওপৰত সকলো সত্য নিৰ্ভৰ নকৰে। মোৰ এই অনুভূতি-প্ৰৱণতাক নিচিনি সিহঁতে বলিয়া বুলি ক'লেইবা তাত ক্ষতি কি? আৰু সেই জিভাবোৰক, আগতেই চিনি থোৱা আছে। সিহঁতৰ স্বভাৱেই এনেকুৱা। বান্দৰৰ নেজডাল পিছফালে আৰু মানুহৰ নেজ থাকে জিভাত। সেইকাৰণেই মানুহৰ মুখখন বিষাক্ত। সুবিধা পালেই সাপৰ নেজৰ দৰে মেৰিয়াই ধৰে। সেইকাৰণেই লেউ-লেউকৈ থকা জিভাবোৰৰ বাবে নিন্দা, তোষামোদ, বেজাৰ, অনুপ্ৰেৰণা এই সকলোবোৰ একেই। দৰাচলতে এনেবোৰ আলোচনা ইয়াত নহয়, নিৰিবিলি ঠাইত হ'ব লাগে, কাৰণ সমগ্ৰ চিন্তাটোৱেই এটা যৌগিক ফলৰ নিচিনা।

ইমান গভীৰলৈ মই সোমাব পৰা নাছিলোঁ। বিয়েই নহওক, মই কিন্তু এটা কথা স্বীকাৰ কৰিছোঁ।

কি?

তোৰ চিন্তাত ফুটি উঠিছে — একবিংশ শতিকাত চলিব পৰাকৈ এটা আধুনিক মন আৰু মোৰ চিন্তাত আছে উনবিংশ শতিকাৰ এক গ্ৰামীণ প্ৰাচীনতা — জগদীশ্বই তেনেকৈ কৈয়েই কাপমৰ ফালে চাই হাতৰ পখলিত পিহি থকা চাধাৰপৰা একাংশ 'চান' কাঢ়ি ভাক দি বাকীখিনি নিজৰ ওঁঠ আৰু দাঁতৰ মাজত সোমাই দীঘল ঢোক এটা গিলিলে।

স্বীকাৰোক্তি নে তাচ্ছিল্য? চুৰ্তিবিনি ওঁঠৰ থুপালিত ভৰাই বাপমে জগদীন্দ্ৰক ঈষৎ ব্যংগ কৰিলে।

স্বীকাৰোক্তি, — অতি বিনীত আৰু বিনম্ৰভাৱে।

'মোৰ জিভাখন কিন্তু লেজবিহীন।'

কিবা এক ভিতৰুৱা আক্ৰোশ, ক্ষোভ আৰু অভিমানৰ বাবে তই, মই ইজনে সিজনৰপৰা পিছুসি পৰিলোঁ নেকি? কথাটো আকৌ এবাৰ ভাবি চা। বগা-সেন্দূৰীয়া-হালধীয়া আৰু বেঙুনীয়া ফুলবোৰৰ আবেদনক আমি জানো প্ৰত্যাখ্যান কৰাটো উচিত হ'ব?

আকৌ আবেগ, উষ্মা, বাদ দে সেইবোৰ আবেগ-চাবেগ। আমাৰ দেশত আবেগ-চাবেগৰ কি মূল্য আছে?

ফুলি থকা এই বননিৰ শোভাই তোৰ মনত বাৰু কোনো প্ৰতিক্ৰিয়াই সৃষ্টি নকৰে নেকি?

আগতে কৰিছিল।

কেতিয়া?

যেতিয়া বিপ্লৱ কৰিছিলোঁ —

এতিয়া?

নকৰে। যেতিয়া আত্মগোপন কৰি আছিলোঁ, ফুল-গছ-লতিকাৰে ভৰা অৰণ্য বৰ ভাল লাগিছিল আৰু ভাল লাগিছিল ফুলৰ ভৰত হালি পৰা গছ; আমি তাৰ আঁৰত লুকাই মিটিং পাতিছিলোঁ। আজিকালি সোণাৰু ফুলাৰ সময়ত যেতিয়া শিল-বৰষুণৰ আঁচোৰে পাহিবোৰ ক্ষত-বিক্ষত কৰে, তেতিয়া মোৰ আকৌ বিপ্লৱ কৰিবলৈ ইচ্ছা হয়; অথচ বিপ্লৱৰ প্ৰতিজ্ঞাও এৰি দিলোঁ। আঁৰত বহি মিটিঙেই যেতিয়া পাতিব লগীয়া নাই, অত ফুলৰেই বা মূল্য কি? বননিবোৰৰেই বা মূল্য কি?

বিপ্লৱ কি বেয়া নেকি?

বেয়া নহয়, কিন্তু ... বিপ্লৱ কৰিবলৈ লাগে এটা অৱলম্বন। সেই অৱলম্বন হৈছে বিশ্বাস। বিশ্বাসেই যেতিয়া নাই, সেই জল্লাদবোৰৰ লগত মিত্ৰতা কৰিবলৈ গৈ জানো কিবা লাভ আছে? ভণ্ডামিৰ ছাতিটোৰ তলত সোমাই মিটিঙত থকা প্ৰতিজনে মোক বিশ্বাসঘাতকতা কৰিলে। হিপ'ক্ৰেটসকলৰ উৎপাতত মই এখন ডুবি যোৱা জাহাজ। ইন্ধন ভৰালেও মাজলৈদি ধোঁৱা নোলায়। বাটাই-ঘাটে এতিয়া সিহঁতক দেখোঁ। সুন্দৰী স্ত্ৰী লগত লৈ বিয়েৰ পান কৰিবলৈ গৈছে। দেখি খঙত কঁপিবলৈ ধৰোঁ। সি মোক বিদ্ৰূপ কৰি হাঁহি হাঁহি কয় — "লগত সুন্দৰী স্ত্ৰী দেখি হয়তো অনুতপ্ত হৈছা? হয়, তুমি কিয় এওঁৰ প্ৰেমক অস্বীকাৰ কৰিলা?" হাঁহি হাঁহি সি তাৰ শ্ৰীমতীক কয় — "এওঁক চিনি পাইছা? য়ুনিভাৰ্চিটিৰ সেই পুখুৰীটোৰ কাষত বহি যে তুমি তেওঁক কৈছিলা "জগদীন্দ্ৰ, তোমাক নাপালে ..."। সেইজনেই এওঁ। সোণাক

ফুলৰ তলত আমি এসময়ত এওঁৰ নেতৃত্বতে বিপ্লৱ আৰম্ভ কৰিছিলোঁ; এতিয়া একো কৰিব নোৱাৰি ঢাল-তৰোৱাল নোহোৱা চৰ্দাৰৰ দৰে মদৰ দোকানৰ গোন্ধ লৈ চাধা মাৰি বহি থাকে। এওঁক মই কৈছোঁ — "তোমাৰ ভনীয়েৰা ভায়োলেটৰ কথা, বৰ ধুনীয়া ছোৱালী। হাত মাৰি ধৰা বিধৰ। সোনকালে বিয়া কৰাই লৈ সংসাৰত ডুবি যোৱা — বেয়া কৈছোঁ? মোক চোৱা বিপ্লৱৰ কথা বাদ দি কিমান আনন্দত আছোঁ। এতিয়া দুয়ো গৈ অশোকাত বিয়েৰ টানিম আৰু দুয়ো একেলগে হাতীপটি হৈ শূন্যত মিলি যাম।" এনেকুৱা মন্তব্য শুনি মই আক্ষেপত কোনোৱে নেদেখাকৈ চকুপানীবোৰ মচি পেলাওঁ। কুহমীয়া চকুপানী, কিন্তু বাসৰ অনুপযোগী এই পৃথিৱীত চকুপানীৰেইবা মূল্য ক'ত।

যিয়েই নহওক কিয়, অন্ততঃ এসময়ত তই মানুহৰ শাৰীলৈ উন্নীত হৈছিলি যদিও শেষত পৰাজয় স্বীকাৰ কৰি পুনৰ পশু হৈ থাকিলি —

কিয় পশু হৈ থাকিম? কোনো বিশ্বাসী কৰ্মী পালে, এতিয়াও মই বিপ্লৱত আছোঁ —

পৃথিৱীত জন্মি মোৰ কিন্তু অলপো ভাল নালাগিল। প্ৰেমত পৰিছিলোঁ, কিন্তু ব্যৰ্থ। বুজি নাপাওঁ, মানুহে কেনেকৈ প্ৰেমত জয়লাভ কৰে? ছবি আঁকিছিলোঁ, মানুহে হেনো নুবুজে। গল্প লিখিছিলোঁ, তাতো ব্যৰ্থ। অভিনয়ত দৰ্শক নাই। নাটক লিখিলোঁ — দৰ্শকে চৰিত্ৰবোৰ বুজি নাপাই কয় — এই চৰিত্ৰবোৰ হেনো তেওঁলোকৰ সমাজৰ নহয়। মই যদি এই পৃথিৱীত নজন্মিব পাৰিলোঁহেঁতেন।

তোৰ ভুল সেইখিনিতেই; জীৱনটো এখন বিয়োগান্ত নাটক বুলি ভবাতকৈ সাফল্যৰ নাটক বুলি লোৱাত আপত্তি ক'ত? নজন্মিলে দেখোন তই মোক লগেই নাপালিহেঁতেন আৰু জন্মৰ প্ৰতিও তেতিয়া ইমান বৈৰাগ্য নাহিলহেঁতেন। তইতো ভাই সকলো কথাকে গভীৰভাৱে চিন্তা কৰিব পৰা ল'ৰা—এবাৰ অন্ততঃ কথাষাৰ দকৈ ভাবি চা! জন্মিছ কাৰণেহে এনেকুৱা কথা মনলৈ আহিছে। মোৰ কিন্তু ইমান সোনকালে মৰাৰ ইচ্ছা নাই। সেই চেৰা পথটোৰ সিপাৰে থকা নদী, ওপৰৰ গঙা চিলনী, পাৰৰ ঝাউগছ, নীলা আকাশ দেখি পোৱা সুখানুভূতি এৰি মানুহ মৰে নেকি? আৰু নজন্মিলে দুখ-বেদনাৰ জুইয়ে কেনেকৈ পুৰি মাৰে কেনেকৈ জানিবি? হালধীয়া, বেঙুনীয়া বা সেন্দুৰীয়া ফুল কেনেকৈ দেখিবি? আৰু ক'ত কিমান চাবলগীয়া বস্তু আছে—চাই যা, চাই যা—

চাই যাম? কাক! তোৰ কোনোবা আহিবলগীয়া আছে নেকি?

ওহো নাই। আলিবাটৰ মানুহ চোৱাৰ কথাহে মই কৈছোঁ—

আলিবাটৰ মানুহ?

অ' আলিবাটৰ মানুহ। সহজ চিন্তা। আমি সকলোৱেতো বাটৰেই মানুহ। একেটা বাটতেই আছে এজাৰ ফুলৰ আনন্দ, বেহেলাৰ চিঙ্কনী আৰু নৰককুণ্ড।

গতিকে ভাবি-চিন্তি থকাটো এই যুগৰ নিয়ম নহয়।

নভবাটোৱেই কি যুগৰ নিয়ম?

সেই কথাটো সিমান ভালদৰে নাজানো। কিন্তু ভাবি-চিন্তি মূৰে-কপালে হাত দি বহি থাকিলে সময়ৰ শৰ মাৰিব নোৱাৰি। সুযোগ সন্ধানী মানুহৰ কেতিয়াও পৰাজয় নাই।

সুযোগ-সন্ধানী মানুহবোৰ বাৰু কেনে?

সেই বিষয়ে বহু কথাই ক'ব লাগিব। কিন্তু ইমান বলকি থকাৰ কোনো ইচ্ছা নাই। মাত্র থোৰতে কৈ থওঁ—তেওঁলোকে সময়ৰ শৰ মাৰিব জানে। ... আকৌ মূৰে-কপালে হাত দিলি যে?

লিগুলাবিখন নকৰিবি, কিবা এটা ভাবি আছোঁ।

কিনো ভাবিছ?

আলিবাটৰ বিষয়ে।

মোৰ কাৰণে কিন্তু আলিবাট মাত্র এটাই ... মোৰ ঘৰ সন্মুখৰ খিৰিকীখন। কেতিয়া ৰাতি হয়—ক'বই নোৱাৰোঁ। যেনেকৈ, জন্ম-মৃত্যু।

খিৰিকীৰ গৰিলাবেনো সন্মুখলৈ চাই চাই কি ভাব?

পৃথিবীৰ মানুহৰ ভৱিষ্যতৰ বিষয়ে —আৰু সোণাৰু, কৃষ্ণচূড়া, এজাৰ ফুলৰ ভৱিষ্যত। যদি আণৱিক বোমাই মোৰ খিৰিকীৰ কাষৰ ফুলবোৰ মোহাৰি পেলায়? যদি সেন্দূৰীয়া ফুলৰ আনন্দ ভঙ্গ হৈ যায়? তাৰ প্ৰতিবাদত আমি সকলোৱে সমবেত সংগীত গোৱা উচিত।

কেনেকুৱা সেই প্ৰতিবাদৰ কণ্ঠস্বৰ?

বিসকলে উদাত্ত কণ্ঠে শান্তি আৰু মৈত্ৰীৰ গান গাব পাৰে।

একেবাৰেই আবেগিক। তোৰ কথাবোৰেই কিবা কবিতা কবিতা। কথা নহয়, যেন কবিতাৰ ছন্দ।

সেইটোনো কি ডাঙৰ কথা? কথা মানেনো আচলতে কি? বা হাঁহি, কান্দোন? এই সকলোবোৰেই গদ্যত গোৱা কবিতাই। তাৰো সুৰ আছে। সেইকাৰণেই মানুহ আজন্ম কবিতা। গান।

এইষাৰ দেখোন দাৰ্শনিকৰ কথা যেন লাগিছে। তোৰ নিজৰেই নে ক'ৰবাত পঢ়ি কৈছ?

ব্যক্তিগত উপলব্ধি, আজি কিছুদিনৰ পৰা মোৰ কাণৰ কাষত যেন এইষাৰ কথা কোনোবাই ফুচফুচাই কৈ থাকে। এইয়া, এতিয়াও যেন কোনোবাই ফুচফুচাই আছে — "মানুহ আজন্ম কবিতা।"

কথাখিনি কিন্তু বেলেগৰপৰা ধাৰ কৰি আনি মুখস্থ কৰি কোৱা যেন লাগিছে। যাৰ বিটো মানসিকতা। আমাৰ সমাজত এইটোৱেই একমাত্র নিয়ম। ভাল কথা

ক'লে ভাবিবি বেলেগৰ পৰা ধাৰ কৰি অনা বুলি —কিন্তু নিম্নস্তৰৰ কথা ক'লে— বেলেগৰপৰা ধাৰ কৰি অনা বুলি কোৱা নহয়।

মোৰ মানসিকতা অতি নিম্ন স্তৰৰ নেকি?

চুপ, আৰু কথা নবঢ়াবি; মোক অনুভৱ কৰিবলৈ দে। নিজেও অনুভৱ কৰিবলৈ চেষ্টা কৰ। অন্ততঃ আণৱিক বোমা বিস্ফোৰণৰ আগেয়ে; তেতিয়াহে বিস্ফোৰণৰ আগৰ উপলব্ধি আৰু বিস্ফোৰণৰ পিছৰ উপলব্ধিৰ পাৰ্থক্য বিচাৰ কৰাত সুবিধা হ'ব।

মই যে কোনো গভীৰতাত নামিব নোৱাৰোঁ।

নিজে নামিব নোৱাৰিলি বুলিয়েই আনকো নামিবলৈ নিদিবিনে? সেই ফুলি থকা এজাৰকেইজোপাৰ কাষৰ ঠেক বাটটো চাচোন। সোণালী ৰ'দৰ জিল্‌মিলনি। ডাল-পাত-ফুলৰ ছাঁ পৰি গছৰ তল এতিয়া গাঢ় অন্ধকাৰ। মাজত সেইয়া উৰি ফুৰা বগা বগা পখিলাৰ জাক—চাচোন চা, গছৰ মূৰত দামুৰিটোৱে কেনেকৈ শুই আছে, যেন এক সদ্যজাত শিশুৰ ঘুমন্ত অৱস্থা। যেন গছবোৰে হাঁহিছে, ফুলবোৰে হাঁহিছে, শুই থকা দামুৰিটোৱে যেন হাঁহিছে। বেহেলাখন লৈ যদি গছৰ ফেৰেকা ডাল এটাত উঠি মই এটা সুৰ বজাব পাৰিলোঁহেঁতেন!

কি সুৰ?

পৃথিৱীয়ে হাঁহিব পৰা এটা সুৰ। পৃথিৱীৰ সকলো মানুহে আনন্দতে থাকিব পৰা এটা সুৰ। দেশে দেশে আণৱিক বোমা নষ্ট কৰি পেলোৱাৰ আনন্দ আৰু হাঁহি।

বুজিলোঁ। তোৰ মনটো পখিলাৰ পাখিৰ দৰে কোমল, পবিত্ৰ আৰু সুন্দৰ।

তথাপি, অতি নিষ্ঠুৰৰ দৰে তই মোক আঘাত কৰ। অথচ, প্ৰতিজন মানুহেই জ্ঞানী, কোমল, পবিত্ৰ আৰু সুন্দৰ —

চুপ। বন্ধ কৰ লেক্‌চাৰ কিনো পেক্‌পেকাই আছ? তোক মই কিবা সুধিছোঁ নেকি?

(বিৰতি)

"পৃথিৱীৰ চাৰিওফালে যেন এক অস্থিৰতা" —ৰূপমে কাষেৰে পাৰ হৈ যোৱা গাভৰু এগৰাকীৰ ফালে চাই ক'লে।

"যোৱাকালি কমলে মোক ঠিকেই কৈছিল" জগদীশ্চন্দ্ৰই ৰূপমক উদ্দেশ্য কৰি ক'লে। তোৰ কথাবোৰ দিনক দিনে যেন কিবা এক অস্বাভাৱিক হৈ আহিছে। হয়তো অতি নাটকীয় কথা, নহয়তো কিবা কবিতাৰ ছন্দ।

মোৰ মনটো খুব উদাস উদাস লাগিছে —

তোৰ মনটোনো কোনদিনা উদাস উদাস নালাগে?

নালাগিবই বা কিয়? সন্মুখত এটা সুন্দৰ বাস্তিপুৰা। চাচোন, গোটেই চহৰখনৰ ৰাস্তা, ঘৰ আৰু পদূলিবোৰ কেনেদৰে ফুলেৰে ঢাক খাই আছে। অহোৰাত্ৰি যি ফুল

ফুলি থাকিল সেই ফুলৰ আনন্দখিনি মই এই চোলাটোৰ বুকুৰ পকেটখনত সোমাই থ'ব পাৰিলোঁহেঁতেন আৰু প্ৰয়োজন অনুসাৰে যদি পকেটৰপৰা একোটাকৈ পিল হিচাপে অলপ অলপকৈ খাই থাকিব পাৰিলোঁহেঁতেন!

আৰু যদি সেই আনন্দৰ পিল দৰবৰ দোকানত পোৱা গ'লহেঁতেন। পৃথিৱীৰ সকলোৱে মনত দুখ-বেজাৰ আহিলে দৰবৰ দোকানলৈ গৈ আনন্দৰ পিল খুজি চুহি চুহি খালেহেঁতেন (বিদ্ৰূপ)।

সঁচাকৈয়ে তই তেনেকৈ ভাবনে?

নাভাবোঁ। তই ভাল পাবি বুলিহে জানিয়েই তেনেকৈ ক'লোঁ। শুনিয়েই হয়তো ভাবিছ — মোৰো তোৰ দৰেই বলিয়ালি আৰম্ভ হৈছে। সেইয়া কিন্তু বৃথা কল্পনা। জগদীন্দ্ৰ ইমান আবেগিক নহয়। যিখিনি ক'লোঁ সেইখিনি মাত্ৰ তোৰ সেই অবাস্তৱ কল্পনাক বিদ্ৰূপ কৰিবলৈ। কাৰণ মোৰ দৃষ্টিত আমাৰ চহৰখন যদিও ফুলেৰে ঢাক খাই আছে তথাপি তাত যেন কোনো আনন্দ নাই। তই যে তাত কি আনন্দৰ কান্দোনসোপা বিচাৰি পাইছ মই হ'লে নাজানো। থম থম এটা গোমা বন্ধ আৰু নিষ্প্ৰাণ পৰিবেশ। সৌন্দৰ্য আছে অথচ সেই সৌন্দৰ্য চাবলৈ যেতিয়া কোনো মনুষ্য নাই, সেই সৌন্দৰ্যৰে বা দাম কি? অথবা, ফুল ফুলাৰ পিছত যদি চৰায়ে বহি তাত গান নাগায় তাত জানো প্ৰাণ থাকিব পাৰে? এখন মৃত চহৰ, মানুহবোৰো মৃত। একদম থাৰ্ডক্লাছ। মই যেতিয়া এই চহৰত ফুলৰ মাজত থাকি বিপ্লৱৰ বাবে আত্মগোপন কৰিছিলোঁ তেতিয়া কোনো দিনেই মানুহে ফুলৰ সৌন্দৰ্য চাবলৈ অহা নাছিল। চৰাইবোৰে ফুলৰ ওপৰত বহি গান গোৱা নাছিল। এতিয়া বিপ্লৱ এৰি ওভাৰ গ্ৰাউণ্ড হোৱাৰ পিছত দেখিছোঁ মানুহবোৰে আবেলি পৰত ফুলৰ সৌন্দৰ্য চাবলৈ আহে; চৰাইবোৰে কিচ্‌-কিচাই গান গায়। যোৱাকালি সন্ধিয়া সেউজীয়া ছাতিৰ তলত এজনী ছোৱালীয়ে সেই ফুলি থকা এজাৰজোপাৰ তলত থিয় হৈ আছিল। দৃশ্যটো দেখাৰ পিছতেই তৎক্ষণাৎ গছজোপাৰ আঁৰত আত্মগোপন কৰাৰ ইচ্ছা হৈছিল।

ইয়াকেই কয় হিপ'ক্ৰেচি। তই যে এটা হিপ'ক্ৰেন্ট সেইটো মই আগতেই এবাৰ ভাবিছিলোঁ, আৰু বিপ্লৱটো আছিল এটা ৰোমাঞ্চ। তোৰ এই ৰোমাঞ্চকৰ ট্ৰেজেদিৰ বাবেই সকলোৱে বিপ্লৱ এৰি দিলে। আচলতে তই ভিতৰি ভিতৰি কিবা এক যন্ত্ৰণাত গুজৰি-গুমৰি আছ। তেনেকৈ গুজৰি-গুমৰি থকাতকৈ দুখসোপা বাহিৰ ওলাই আহিবলৈ দে।

মোৰ মনত দুখ আছে?

কেৱল দুখেই নহয়। তই এটা হতাশাগ্ৰস্থ মানুহ। দুখ আৰু হতাশা লুকোৱাই ৰাখ।

তোৰ লগত মোক লেটিয়াই লব কিয়? জগদীন্দ্ৰ কেতিয়াও ৰূপম নহয় আৰু ৰূপম কেতিয়াও জগদীন্দ্ৰ নহয়। সম্ভৱত, পৃথিৱীৰ প্ৰতিজন ব্যক্তিৰ স্বভাৱ এটাই—

প্ৰতিজনে প্ৰতিজনক নিজৰ দৃষ্টিৰে চায়। তথাপি আত্মানুসন্ধান নকৰে। উত্মাৰ আওপকীয়া পাকচক্ৰত পৰি প্ৰতিজনে যে ভিন্ন ভিন্ন সেই কথা ভাবিবলৈ পাহৰি যায়; কাৰো লগত কাৰো মিল নাই। তোৰো বেমাৰ সেই একেটাই।

নিজক লুকোৱাবলৈ পুনৰবাৰ চেষ্টা। লাভ নাই, ইতিমধ্যে তই মোৰ হাতত ধৰা পৰি গৈছ। এটা বিপ্লৱ যাৰ কাৰণে প্ৰেমাৰ, তাক চিনি পাবলৈ কিমান সময় লাগে।

পিছে, মই তোৰ দৰে হতাশগ্ৰস্ত নহয়। নিজৰ ভিতৰত জীৱন জুৰি আছে এক প্ৰবল অসন্তুষ্টি, হতাশা। যেন এটা দুখৰহে বিজ্ঞাপন। কোনোবাই যদি সোধে—দুখৰ কিবা আকাৰ, আয়তন আৰু অৱস্থান আছে নেকি? বা দুখ হ'লে মানুহ দেখিবলৈ কেনেকুৱা হয়? তেনেহ'লে মডেল হিচাপে তোক দেখুৱাই দিলেই হয়।

এজনৰ দুখ-যাতনা, বেদনা যদি আনজনৰ দৃষ্টিত বিজ্ঞাপনৰ দৰে পণ্য হৈ পৰে ধৰি ল'ব লাগিব পৃথিৱী কেতিয়াবাই অনুৰ্বৰ আৰু বাসৰ অনুপযোগী হৈ গৈছে। সময় ক্ৰমাৎ যন্ত্ৰণাকাতৰ হৈ আহিছে। ইয়াৰ কাৰণো অৱশ্যে মই নুবুজা নহয়—সকলো মানুহৰ চিন্তা নদীৰ বা আকাংক্ষাৰ সোঁত এটাই। ৰক্ষণশীলতা আৰু আত্মমৰ্যাদাৰ নদীয়েদি অহৰহ তেওঁলোকে বৈ থাকিবলৈ ভাল পায়।

তোৰ কথাবোৰ বেবীয়াৰ মুখখনৰ দৰে তুঁহ-তুহীয়া জোঙা আৰু খহটা। শুনি থাকিবৰ ধৈৰ্যই নাথাকে।

আৰু তোৰ একা? জগদীন্দ্ৰৰ কথাবোৰ ৰূপমে মৌ ৰবযুণৰ দৰে চেলেকি চেলেকি খাবলৈ ইচ্ছা কৰি আছে বুলি ভাবিছ নেকি? সংগ বিচাৰি মোৰ ৰবলৈ গৈ থাক কাৰণেহে তোৰ লগত আছোঁ।

খুব ভাল পাই সংগ বিচাৰি যাওঁ বুলি ভাবিছ নেকি? ওঁহো নহয়। বিচাৰি যাওঁ এই কাৰণেই যে অন্য নহ'লেও এটা বিষয়ত তোৰ অসীম ধৈৰ্য। ধৈৰ্য আৰু সহনশীলতাক ভক্তি কৰোঁ কাৰণেই মই তোৰ তালৈ যাওঁ। ৰাতিপুৱাৰ পৰা ৰাতি দোভাগলৈ এঠাইত বহি সংগ দিব পৰা বন্ধু পৃথিৱীত কেইজন আছে?

তোষামোদ কৰিছ? পিছে তোষামোদ পুৰণি নিয়ম। তোৰ তোষামোদৰ ভক্তিয়ে মোৰ মনৰ মাজত কোনো প্ৰতিক্ৰিয়া নকৰে।

আমি যদি অলপ সময় নীৰৱে থাকোঁ, তোৰ কিবা অসুবিধা হ'ব নেকি?

তাৰ আগেয়ে যদি মই এটা প্ৰশ্ন কৰোঁ বেয়া পাবি নেকি?

সোধ।

তই ৰাক সদায় এই বিশেষ ঠাইবিনিত বহি কালৈ অপেক্ষা কৰ?

অতি নিকৃষ্ট মানৱ প্ৰশ্ন। তাতকৈও নিকৃষ্ট হৈছে নয়নতৰাই মোৰ দৰে বিপ্লৱী ল'ৰা এজনক ব্লাফ দিলে। এদিন ৰাতিপুৱা কোনোৱে নেদেখাকৈ মোৰ খিৰিকীমুখত থিয় হৈ ক'লে, "তুমি তাত বহি থাকিবা, মই যাম। বহু কথা আছে, ক'ব লাগিব।"

কিন্তু, নয়নতৰা আৰু ঘুৰি নাহিল। তাই কৈছিল, "দুয়ো একেলগে বহি চাহ খাম। তাৰ পিছত নাও লৈ আমি কৰ্মনাশালৈ যাম।" কথা শুনাও নহ'ল চাহ খোৱাও নহ'ল নৌকা-বিহাৰো নহ'ল। —হয়তো তাই বিপ্লৱৰ কথা ক'ব খুজিছিল, নতুবা তাৰ বাবে প্ৰেৰণাৰ উৎস হ'ব খুজিছিল। এয়া আজি দুবছৰ আগৰ কথা। ঠিক সোণাৰু ফুলাৰ বতৰত। ৰঙা ছাতিটো লৈ সেই হালধীয়া ফুলগছজোপাৰ তলত থিয় হৈ নয়নতৰাই মোক হাত বাউল দি মাতিছিল, অথচ তাই নিজেই হালধীয়া পখিলা হৈ ক'ৰবাত নোহোৱা হ'ল। তাইৰ হাতত আছিল এটা তানপুৰা, এখন স্বৰলিপিৰ বহী। হয়তো নাৱেৰে গৈ কৰ্মনাশাত তানপুৰা বজালেহেঁতেন, হাঁহিলেহেঁতেন বা গালেহেঁতেন বা গ'লোঁহেঁতেন। পানী, মাছ আৰু চৰাইয়েও শুনিলেহেঁতেন ... এই আক্ষেপতে আজিকালি সোণাৰু ফুলা দেখিলে গছবোৰ কাটি বগৰাই দিয়াৰ ইচ্ছা হয় বা ওৰে দিনটো কান্দি থকাৰ ইচ্ছা হয়। কিন্তু তোৰ দৰে আনন্দৰ কান্দোন নহয়, দুখৰ। সপোনতো তাইৰ স্মৃতিয়ে মোক খেদি ফুৰে আৰু খেদি ফুৰে তানপুৰাৰ স্বৰলিপিৰ বহীয়ে বা তাৰ মাজৰ ৰাগ পূৰবী অথবা ভৈৰবীয়ে।

প্ৰেমাৰৰ কাৰণে কৰা বিপ্লৱৰ ৰঙীন চছমা বজাৰত বিক্ৰী হোৱাৰ কথা লোকৰ মুখত শুনিছিলোঁ আৰু আজি সেই বিপৰ্ণীৰ কাষত নিজেই বহি আছোঁ। তোৰ বিপ্লৱৰ প্ৰেৰণাৰ উৎসও হাস্যকৰ। তই এনেকুৱা এক ভয়ংকৰ নষ্টালজিয়াত যে ভুগি আছ জনাই নাছিলোঁ। ইয়াৰ কাৰণবোৰ মই ভাবিবই লাগিব। নৈৰ পাৰৰ সেই নিৰিবিলি ঠাইৰ শিলত বহি ভাবিলেহে কাৰণবোৰ আঁহ ফালি ওলাই আহিব।

চতুৰ্থ শিবিৰত মোক লৈ ইমান টনা টনি কিয়? তোৰ দৰে ইমান হতাশা আৰু নিঃসংগতাত ভোগা বুলি ভাবিছ নেকি?

নাভাবিলোঁহেঁতেন, যদি বিপ্লৱীসকলে এনেকৈ বছৰৰ পিছত বছৰ জুৰি নয়নতৰাৰ অপেক্ষাত ৰাতিপুৱাৰ পৰা ৰাতি দোভাগলৈ চ'কত বহি সময় নষ্ট নকৰিলেহেঁতেন।

বাৰু! মই সদায় এনেকৈ ইয়াত বহি থকাৰ কাৰণটো বাৰু জানিলি, পিছে তোৰ একা?

তোৰ লগত নিমিলে; হয়তো পৃথিৱীৰ কাৰো লগত—

তথাপি, জনাত কিবা আপত্তি?

মই যদি ঘৰত থাকোঁতেই মৰি থাকোঁ, তেনেহ'লে মোক কোনে শ্মশানলৈ সাঙী কৰি পুৰিবলৈ আনিব? পকেটতো সিমান পইছা নাথাকে। মা বিধবা, বৃদ্ধা আৰু কৰ্ম-অক্ষম। ভাই-ভনী, দেউতা-ককাইদেউ মোৰতো কোনোৱেই নাই। মই যে বৰ নিঃসংগ। সেইকাৰণেই সদায় ইয়াত অপেক্ষা কৰি থাকোঁ। ইয়াত বহি থাকোঁতেই যদি মৰি যাওঁ, অন্ততঃ বাটৰ মানুহে পইছা তুলি হ'লেও শ্মশানলৈ নিয়াৰ ব্যৱস্থা কৰিব পাৰিব। মাৰ ভেতিয়া কষ্ট নহ'ব।

ওহোঁ বাটৰ মানুহ, সদায় বাটৰেই মানুহ। তেওঁলোকে বাটৰ কচু গাত খাঁহি ল'বই বা কিয়?

তেনেহ'লে মোৰ অৱস্থা কি হ'ব?

সকলো কথাকে গভীৰভাৱে চিন্তা কৰাৰ কাৰণেই তোৰ এই মানসিক দুৰৱস্থা। মই হ'লে চিন্তাৰ দ পানীত নামি জীৱনৰ আনন্দখিনি জলাঞ্জলি দি ফকীৰ হ'ব নোৱাৰোঁ। সেইকাৰণেই তেনেবোৰ গভীৰ চিন্তা আওকাণ কৰি চলোঁ। গভীৰ ৰাতি, গভীৰ নিদ্ৰা, গভীৰ চিন্তা, গভীৰ জলাশয় এই আটাইবোৰলৈ মোৰ বৰ ভয়।

তই বৰ পাতল মানসিকতাৰ—

সেইকাৰণেইতো মই আনন্দত আছোঁ। ফলত মোৰ স্বাস্থ্য-পাতিও ভালে আছে। সকলোতে মোৰ চৌখিনতা। ড্ৰেচ-পাতি দেখি বাটৰ মানুহে মোলৈ ঘূৰি ঘূৰি চায়। তাৰ মাজতেই মই কৰিব পৰা গৰ্বখিনি আছে। মোক কেইদিনমান দেখা নাপালে মানুহে হুলস্থূল লগাই দিয়ে। মোৰ এই জনপ্ৰিয়তা জানো তোৰ আছে? নাই, তোক দেখিলে জানো কোনোবাই কথা পতাৰ আগ্ৰহ প্ৰকাশ কৰে?

জন্তুবোৰক মানুহে চাই ভাল পায়—। চিৰিয়াখানা সেইকাৰণে প্ৰিয়।

তই মোক জন্তু বনাই দিলি?

নহয়নো কি?

(খঙেৰে) বাৰু, তোক মই শৈশৱৰে বন্ধু বুলি ক্ষমা কৰি দিলোঁ। অন্য হোৱা হ'লে তোৰ বুকুত ছুৰি বহুৱাই খতম কৰি দিলেহেঁতেন—

তইয়ো দে। এই মুহূৰ্ততে যদি মই মৰি যাওঁ, মোৰ কোনো দুখ নাথাকিব। অন্ততঃ শ্মশানলৈ নিয়াৰ সমস্যাও আঁতৰিব।

তই বাৰু কেতিয়াবা কাৰোবাৰ প্ৰেমত পৰিছিলি নেকি?

আপত্তি?

নাই, বোধ হয় তোৰ প্ৰেম ফন্মু হৈছে—

আপত্তি?

নাই। ফন্মু নহ'লে জীৱনক বুজা বৰ কঠিন। মানুহ সম্পূৰ্ণ নহয়। প্ৰেমৰ বিচ্ছেদে পৃথিৱী আৰু পৃথিৱীৰ মানুহৰ মন অধ্যয়ন কৰাত সহায় কৰে।

এইবাৰ কথা পিছে তোৰ নহয়—

অৱশ্যে নহয়। কথাবাৰ এদিন তইয়ে কৈছিলি। মাত্ৰ মই সজাই ক'লোঁ। (মিচিকিয়া হাঁহি)

হঠাৎ হাঁহি যে? এনেকে দিনটোত তই সদায় কেইবাবাৰো জোৰ কৰি হ'লেও হাঁহিবিচোন—

হাঁহিলেও যে মোৰ মাৰ অসুখ বেছি হয়। দেউতা চুকায়। কাৰোবাৰ মৃত্যু সংবাদ বহনকাৰী টেলিগ্ৰাম হাতত পৰে। এইবোৰ বৰ অসহ্য; আৰুকে নাহাঁহোঁ।

তোৰ দেউতা কেইবাবাৰো ঢুকাইছে নেকি?

ওঁহোঁ, এবাৰেই। কিন্তু ঢুকোৱা বুলি মোৰ বিশ্বাস নহয়। যেন, মোৰ দেউতা এতিয়াও জীয়াই আছে।

সেইটোনো কি ডাঙৰ কথা? শিশু এটাই যেতিয়া পৃথিবীত জন্ম লয়, সি জানো জন্মিয়েই হাঁহে? ক'ৰবাত শুনিছ নেকি? ভূমিষ্ঠ হোৱাৰ লগে লগে সি কান্দেহে। তথাপি আমি হাঁহিবই লাগিব। হাঁহি হাঁহি জীৱন-যুঁজত পৰাজয় বৰণ কৰিব লাগিব। কাৰণ, মৃত্যুক আমি জয় কৰিব নোৱাৰোঁ।

এইষাৰ কথাও তোৰ নহয়; এদিন ৰাতি বাৰ বজাত তোক নদীৰ পাৰত বহি কোৱা হয়নে?

তই ল'ৰাজন বৰ গৰ্বী—

হ'ব পাৰোঁ; কিন্তু তই মোক গভীৰভাৱে ৰেখাপাত কৰিব পৰা কথা আজিলৈ এবাৰো ক'ব পৰা নাই, যি কথাৰ দ্বাৰা মোৰ জীৱনৰ গতিপথ সলনি হৈ যাব পাৰে। বেছি নালাগে, মাত্র এটা শব্দ—য'ত মই বিচাৰি পাওঁ এই জীৱনৰ সাৰ্থকতা। পাৰিবি? নোৱাৰ বুলি মই জানো। আচলতে তোৰ একো নিজা চিন্তা নাই, মোৰ চিন্তাবোৰকেই তই ধাৰ কৰি নি আনৰ আগত সজাই-পৰাই কৈ দাৰ্শনিকৰ পৰিচয় দিয়।

ধেৎ, তোক বন্ধু বুলি পৰিচয় দিবই নোৱাৰি। তাতকৈ আমি আজিৰপৰা এৰাএৰি হওঁ। বন্ধু-বিচ্ছেদ এটা শোকাবহ ঘটনা হ'লেও—

এৰা-এৰি বা বিচ্ছেদ ঘটিবলৈনো আৰু কি বাকী আছে? আমিতো কেতিয়াবাই এৰা-এৰি হৈছোঁ! তোক মই কেতিয়াও বন্ধু বুলি ভৱা নাছিলোঁ আৰু ভৱিষ্যতেও নাভাবোঁ। বন্ধু বুলি কেতিয়াবা জানো তোক মই লাইব্ৰেৰীলৈ যাবলৈ লগ ধৰোঁ?

সেইটো তোৰ একান্ত ব্যক্তিগত কথা। তেনেকৈ মোৰো কিছুমান ব্যক্তিগত কথা আছে—মাত্র তোক জানিবলৈ দিয়া নাই, অথবা নিদিওঁ। জানিলে হয়তো তই মোক আঘাত হানিবলৈ চাবি। ৰাতৰি কাকতত তই এজন হিপ'ক্ৰেট বুলি গৰম কেকৰ দৰে গৰম গৰম খবৰ ৰাইজক দিবলৈ চেষ্টা কৰিবি।

এইখিনিতেই তোৰ কথা প্ৰধানমন্ত্ৰীৰ লগত মিলে। প্ৰধানমন্ত্ৰীয়েও ব্যক্তিগত খণ্ডক স্ফীত কৰি আনন্দ পায়। তেওঁৰ মতে মানুহৰ সম্পদ ব্যক্তিগত নহ'লে ৰাজহুৱা হ'ব লাগে; মাজৰটো অৰ্থাৎ মিশ্ৰ সম্পদ বৰ অপ্ৰিয়। দৰাচলতে তেওঁ ব্যক্তিগত খণ্ডৰহে চমজদাৰ। মাত্র আচল কথাটো ঢাকিবলৈ কয়—হয় ব্যক্তিগত খণ্ড নহয় ৰাজহুৱা খণ্ড। ৰাজহুৱা হ'লেতো ভালেই আছিল—মানুহ এনেকৈ গৰীৱৰ পৰা আৰু গৰীৱ হৈ নগ'লহেঁতেন। অন্তৰেৰে তেওঁ ভাল পায় ব্যক্তিগত খণ্ডক। তেতিয়াহে গৰীৱসকল আৰু বেছি গৰীৱ হৈ ৰাস্তাত খুজি ফুৰিব আৰু ধনীসকল আৰু ধনী হৈ গৈ পুঁজিপতি হ'ব। আহ! কি চমজদাৰী কায়দা।

তেনেহ'লে তোৰ মত কি?

পৃথিবীত আচলতে ব্যক্তিগত বুলি কোনো কথাই থাকিব নালাগে। পৃথিবীৰ প্ৰতিটো সম্পদেই প্ৰতিজন মানুহৰ সম্পদ। তইঁতৰ ঘৰত থকা পকা অমিতাজোপাৰ পৰা আৰম্ভ কৰি আমাৰ ঘৰৰ জাহাজী কল থোকালেকে সকলোৰে নিজৰ নিজৰ বুলি দাবী কৰিব পৰা হ'ব লাগে।

কথাষাৰ শুনিবলৈ বৰ ভাল; কিন্তু বাস্তৱত?

মধ্যবিত্তসকলে সেইখিনি হোৱাত বাধা দিছে। প্ৰাচীন কালৰেপৰা এই নিয়ম চলি আছে আৰু চলি থাকিবলৈ দিব নোৱাৰি।

তাৰ কাৰণে বিপ্লৱ আহে নহয়। এই নিয়ম ভঙাৰ বিপ্লৱ।

তাকো সিইঁতে হ'বলৈ নিদিয়ে। মনত নাই, সেই মাছবজাৰৰ বিপ্লৱটো। মাছৰ বজাৰত যেতিয়া এদিন কৃত্ৰিম নাটনি দেখুৱাই বেপাৰীবোৰে আগতকৈ দহ গুণ দাম বঢ়াই দিলে মই সিদিনা আছিলোঁ মাছৰ বজাৰত। সিদিনাখন খৰিদ্দাৰসকলে যদি একেলগ হৈ মাছ নিকিনিলোঁহেঁতেন তেতিয়া ব্যৱসায়ীসকলে আমাৰ কথা ভাবিবলৈ বাধ্য হ'লহেঁতেন। এনেকৈ এদিন, দুদিন, তিনিদিন, সপ্তাহ, মাহ যদি খৰিদ্দাৰসকলে একেলগ হৈ থাকিলোঁহেঁতেন! সিদিনাখন মই সকলোকে তেতিয়া নমস্কাৰ কৰি ক'লোঁ, ব'লক আমি মাছ নিকিনো। মানুহবোৰ প্ৰায় একত্ৰিত হৈছিলেই, কিন্তু দোকানৰ পাছফালেদি তইয়ে পাঁচ কিলো মাছ কিনি মোনাত ভৰাই ভদ্ৰলোক হৈ গ'লি। মধ্যবিত্তসকল সদায় ভদ্ৰলোক। তেওঁলোকে মুখ নোখোলে; বেয়া কথা নুশুনে, নাচায়, নকয়। মাত্ৰ, পিছদুৱাৰেদি তেওঁলোকৰ উচটনি আৰু বিশ্বাসঘাতকতা চলি থাকে। তেওঁলোকে বাজহুৱা খণ্ডৰ কথা কৈ ব্যক্তিগত খণ্ডৰ স্বপ্ন দেখে। অৰ্থাৎ দুটিৰৰ কাৰণে তেওঁলোকক লাগে আইনগত সুৰক্ষা।

বাদ দে এইবোৰ। তৎক্ষণাৎ তই আৱেগিক হৈ পৰ। ইমান আৱেগ-প্ৰৱণতা ভাল নহয়। সুযোগ-সন্ধানী হ, প্ৰেক্টিকেল হ।

তোৰ দৰেই নে?

তোক লৈ এইটোৱেই প্ৰধান সমস্যা। যিদিনাখন মই অলপ আনন্দ কৰিব খোজোঁ, তেনেহ'লে দেখিম সিদিনাখনেই তই বেছি আৱেগিক হৈ পৰ। বি দেখিছোঁ, তোৰ বিষয়ে বেছি গম্ভীৰভাৱে ভাবিবৰ সময় হৈছে। দৰকাৰ। বৰ দৰকাৰ হৈছে। আজি গোটেই ৰাতিটো তোৰ বিষয়ে ভাবিবই লাগিব।

তই কি মন্ত্ৰী নেকি? মন্ত্ৰীবোৰেহে কয়, "ভাবি চাওঁ, শামুকৰ লগত আলোচনা কৰি সাপক ক'ব লাগিব; পানীক কওঁকচোন, মাছে নিশ্চয় শুনিব। মাছে শুনিলেতো গছক ক'বই আৰু গছক ক'লেই চৰাইয়ে শুনিবই শুনিব।" এনেকুৱা বিসংগতিপূৰ্ণ কথা মোৰ আগত নক'লেও হ'ব। আৰু তোকতো মই কোৱা নাই—যে মোৰ বিষয়ে এই মাউন্ট এভাৰেষ্টৰ নিৰ্জনতাত বহি চিন্তা কৰ। অ' তোষামোদ কৰিছ? এই তোষামোদ বস্তুটোৱেই প্ৰাচীন। বৰ পুৰণি দম্ভৰ এইবোৰ এৰিবৰ বাবে চেষ্টা কৰিব লাগে; তাৰ

সলনি নতুন কিবা এটা—

মোৰ লগত তই বহু তৰ্ক কৰিলি। এতিয়া এবাৰ হাঁহি দেচোন। গোমা গোমা পৰিবেশটো অলপ পাতল হৈ আহক। তই হাঁহিলে সঁচাকৈয়ে বৰ ধুনীয়া দেখি—যদিও বিষণ্ণ হাঁহি।

মই কি কম্পিউটাৰ? কম্পিউটাৰেহে ফাৰ্মাচ মতে হাঁহিব পাৰে আৰু তোৰ বাবেতো ৰূপম নামৰ হতাশাগ্ৰস্ত ল'ৰাজনেই এটা হাঁহিব খোৰাক। ইমান সুন্দৰ হাঁহিব খোৰাক এটা থাকোঁতে আকৌ হাঁহিব লাগে কিয়?

হাঁ হাঁ হাঁ (জগদীন্দ্ৰৰ প্ৰাণখোলা হাঁহি)।

মোক লৈ হাঁহি হাঁহি চাগে তোৰ বৰ আনন্দ লাগিছে। তোৰ এই আনন্দখিনিক মই এবাৰ নিৰানন্দ কৰি তোলোঁ বুলি ভাবিছোঁ। বেয়া পাবি নেকি?

বেয়া, কিয় বেয়া পাম?

তোৰ লগত আজি দুপৰীয়াৰপৰা এই ৰাতিলৈকে কথা পাতি মই এটা কথা স্পষ্টভাৱে অনুভৱ কৰিছোঁ—

কি?

হিপ'ক্ৰেটসকলৰ প্ৰতিজনেই ভিতৰে ভিতৰে হতাশগ্ৰস্ত, কিন্তু হতাশগ্ৰস্তসকলৰ সকলোৱেই হিপ'ক্ৰেট নহয়।

তই কি ক'বলৈ বিচাৰিছ?



বিপুল খাটনিয়াৰ

সোণৰ দাঁত ৰূপৰ দাঁত

চুলিবোৰ খুৰাই লওঁ

সোণৰ দাঁত ৰূপৰ দাঁত

"হেৰৌ টেকেলা, ফোঁ-ফোৰাই ক'লৈ পোনাইছ?"

শইকীয়া ডাক্তৰৰ পিয়ন ৰমেশে হাতত গেলেন এটা লৈ আগবাঢ়িছিল; পোনাটিয়ে তাৰ মুখৰ ভাব আৰু খোজৰ গতি দেখিয়েই বুজিলে — বপুৰাই 'বৰুৱা গেৰেজ'ৰ ফালে চোঁচা লৈছে। শইকীয়া ডাক্তৰেই নহয়, এই অঞ্চলৰ ভালেমান ভব্য-গব্য লোকেই আহোঁতে-যাওঁতে বৰুৱা গেৰেজৰ মুখত গাড়ী ৰখাই একোটা বিশেষ কায়দাত গাড়ীৰ ভেঁ-পু বজায়।

নেদেখা ভাও জুৰি আঁতৰি যাবলৈ বিচৰা ৰমেশে চাওঁ-নাচাওঁকৈ পোনাটিৰ ফালে মুৰ তুলি চালে। — হাতৰ ইংগিতেৰে সি তাক বৰুৱা গেৰেজৰ কথাকে বুজাইছে।

পোনাটিয়ে পুনৰ মাত দিলে, "কি? মাল লাগেতো? আহ, এইফালে আহ।"

শইকীয়া ডাক্তৰ আৰু ভূঞা হাকিম দুয়ো নলে-গলে লগা বন্ধু। পোনাটি ড্ৰাইভাৰে আৰু' ভূঞা হাকিমৰে গাড়ী চলায়। মাজে-মধ্যে দুৰে দুৰে থাকি অৱশ্যে সি পোনাটিৰ পৰাই চোৰাং তেল নি দিয়ে। পোনাটিয়ে জোৰ কৰি দিয়ে, সি ভয়ে ভয়ে নিয়ে। জনা-জনি হ'লেই লংকা কাণ্ড! সেয়ে পৰাপক্ষত ৰমেশে তাক এৰাই চলে।

ৰমেশ আহি কাষ পোৱাৰ লগে লগে পোনাটিয়ে ফুচফুচাই সুধিলে, "মাল লাগেতো? কিমান লাগে? দহ লিটাৰ! সি কচায়ে কিমান টকা দি পঠাইছে? এশ টকা! ঠিক আছে, দহ টকা তোৰ কমিচন।"

শইকীয়া ডাক্তৰক পোনাটিয়ে নাম দিছে 'কচাই'। গৰ্ভৱতী তিৰোতাৰ পেট এটা ফালিলেই বোলে নগদ চাৰি-পাঁচ হেজাৰ টকা। ইফালে ভূঞা হাকিমনো কি ক'ম? সামান্য চহী এটা কৰিলেই হাতৰ টিপতে হেজাৰ-বাৰশ টকা!

এনেবোৰ লেন-দেনত সেয়ে পোনাটিয়ে দোষ-ভুলৰ ভয়-দৰ নকৰে। মৰাক মাৰি খালেহে পাপ!

গেলেনটো আঁৰ কৰি পাইপ লগাই সি টেংকিত টান দিলেই। ৰমেশে কেৱল

ভয়ে-ভয়ে ইফালে-সিফালে চাই থাকিল, কিজানিবা কোনোবা আহি ওলাইছি।

পোনাটি এই লাইনত পাকেত। মাত্র এক বা দুই মিনিট। কাম হাচিল।

পাইপেদি আহি মুখত সোমোৱা পেট্রল ঢোক থুৱাই দি মুখখন পৰিষ্কাৰ কৰি ল'লে সি। চালা! কি লেতেৰা গোন্ধ! সি ভোৰ-ভোৰালে, আগৰ তেল এতিয়া নাই। আগৰ তেলৰ গোন্ধটোৱেই আছিল বেলেগ। ধোঁৱাখিনিতো আছিল আপোন আপোন ভাব। জানো, এতিয়া কোন দেশৰ পৰা আহে এইবোৰ তেল?

টেংকিৰ মুখখন মোহাৰি ভদ্রলোকৰ দৰে আগৰ আসনত হেলান দি বহিলগৈ পোনাটি ড্ৰাইভাৰ। হাকিম ছাৰ এই অসময়ত আহি ঘৰ সোমাইছেহি যেতিয়া খুব বেছি দহ-পোন্ধৰ মিনিট। তেল বেচি পোৱা টকাকেইটা জেপৰ পৰা উলিয়াই এবাৰ লিবিকি চালে সি। —কি হ'ব এইকেইটা টকাৰে? যিহে জুই লগা বজাৰ! ৰাস্তাৰ ধূলিত পৰা পেট্রলৰ টোপালৰ দৰে পৰিয়েই হ'বা।

ঠাণ্ডা পৰিছে।

তাৰ ল'ৰা-ছোৱালীকেইটা খালি ভৰিৰে স্কুললৈ যায়। সৰুটোৰ গাত ডাঙৰটোৰ পুৰণা চুৰেটাৰ এটা আছে, বাকী দুটা উদং। কণা পাতল কাপোৰৰ পোছাক পিন্ধিয়েই সিহঁত স্কুললৈ যায়। বৈণীয়েক প্ৰেমদাই সিহঁতক উলিয়াই পঠিয়াই তাৰ চকুলৈ চায়। তাইৰ চাৱনি—অভিযোগৰ চাৱনি।

পোনাটিয়ে তাইৰ এনে চাৱনিক একো পাত্তা নিদিয়ে।—ঠাণ্ডা পৰিছে? আজিকালিনো ক'ত আগৰ দৰে ঠাণ্ডাভাল আছে? ৰৱৰুণ দিলে অকপমান জাৰ জাৰ ভাব হয়—তাৰ পিছত গৰমেইনে ঠাণ্ডাই একো চিন-মোকাম নাই।

ঠাণ্ডাত ধূলি গচকি ফুৰা বাবে কেউটাৰে ভৰিৰ গেৰোৱাবোৰ চিৰাল ফটা দিছে। সিহঁত শোৱাৰ আগতে গৈ পালে পোনাটিয়ে কেতিয়াবা নিজেই কুহুমীয়া পানীত নিমখ মিহলাই সিহঁতৰ ভৰিবোৰ পখালি দিয়ে।

প্ৰেমদাই ভেকাহি মাৰে, "থোৱা থোৱা। নেলাগে লেবেলা সাদৰ দেখুৱাব। ৰবৰৰ হ'ৱাই একোযোৰকে যদি আনি দিলাহেঁতেন!"

"ৰবৰৰ চেন্দেলবোৰ কিবা চকুৰ কাৰণে ভাল নেকি?" সি চকু পকাই ধৰে।

"সংসাৰৰ মানুহে পিন্ধিছে।"

সেয়া।

হাকিম ছাৰ ওলাইছেই।

ফটাকানিখনেৰে পিছৰ আসনখন এনেয়ে এবাৰ জোকাৰি পোনাটিয়ে দুৱাৰখন মেলি ধৰিলে।

হাকিমৰ আজি মন-মেজাজ ফুৰ্তি।

গাড়ীত উঠিয়েই হুকুম দিলে, "ব'ল, বহদেপুখুৰী।"

মুখটো সামান্য থকুৱাই পোনাটিয়ে হাকিমৰ মুখলৈ চালে।

"ছাৰ, ডিউটিত যাম বুলিহে কৈছিল?"

"কিহৰ ডিউটি ডিউটি কৰি থাক।" হাকিমে গেজেৰা মাৰি ক'লে, "মানুহৰ ঘৰ-সংসাৰ নাথাকে নেকি? ব'ল।"

ৰহদৈপুখুৰীত হাকিমৰ শহুৰেকৰ ঘৰ। হাকিমনী আইদেউৰ গাত লেঠা, দুমানহমান হ'ল তাতে আছেগৈ। এতিয়া সুৰুঙা পালেই হাকিম ছাৰে সেইফালে চোঁচা লয়। চোঁচা লওক, ল'বই। পিছে কথাবাৰ আগতীয়াকৈ কাণচোৰাই থ'ব লাগে। তাৰো ঘৰ-সংসাৰ আছে। ইফালে ৰহদৈপুখুৰী পালেই হাকিম ছাৰৰ হুকুমৰে লৰচৰ ঘটে। এই আহিম বুলিও এদিন এৰাতি।

"মই কিন্তু ঘূৰিবই লাগিব ছাৰ।"

বৰপুখুৰীৰ পাকটো ঘূৰিয়েই পোনাটিয়ে গাড়ীৰ গতিবেগ বঢ়াই দিলে।

"কিয়, তোৰ ঘৈণীয়েৰৰ গাতো লেঠা নেকি?"

"নহয় ছাৰ। ল'ৰা-ছোৱালীকেইটাৰ স্কুল খুলিছে। চিলেট-কলিওটি একোকে নি দিব পৰা নাই। ভাবিছিলোঁ আজি যাওঁতে কিনি-কুটি নিম। এইকেইদিন তাতে নিৰ্বাচনৰ ঘূৰা-ঘূৰি, ঘৰ পাওঁতে পাওঁতে সদায়ে ৰাতি।"

হাকিম মৌন হৈ ৰ'ল।

প্ৰেমদাৰ খং উঠাৰ ইয়ো এক কাৰণ।

বেচেৰীয়ে ভাত-পানী ৰান্ধি বৈ থাকিব, সি গৈ পাওঁতে পাওঁতে ৰাতি এডোখৰ, ভাত-পানী গোটেইগাল চেঁচা।

"চাকৰি তুমিহে কৰিছা!" প্ৰেমদাই কয়।

"তই কি বুজিবি? নিৰ্বাচন আহিছে, হাকিমে দিনে-নিশাই টলৌ-টলৌকৈ ঘূৰি ফুৰে। অ'ত এঘণ্টা, ত'ত এঘণ্টা, কেছ্বৰীত বহিবলৈকে সময় নাপায়। মইনো কি, ঢোলৰ লগত টেমেকা।"

পোনাটিয়ে জানে, প্ৰেমদাক এইবোৰ কথা কৈ লাভ নাই। তাই নাদৰ ভেকুলী। কুঁৱাৰ ওপৰেদি দেখাখনেই আকাশ, গ্ৰহ-তৰা কিমান আছে কি বুজিব!

জিলাৰ পৰা ঘৰলৈকে পাঁচ কিলোমিটাৰ। গাড়ী জমা দিয়েই পোনাটিয়ে বাইচাইকেলখন লয়। বজাৰে-সমাৰে নোসোমালে আধা ঘন্টাৰ ৰাস্তা। পিছে আধা ঘণ্টাতনো সি কোনদিনা ঘৰ পায়গৈ? — হয় কোনোবা এটাই কথা পেঘেনিয়াব, নহয় লগেই ধৰিলে দৰিকাৰ পাৰলৈ। সেইফালে পোনালে আৰু এক-ডেৰ ঘণ্টা।

ৰহদৈপুখুৰীত পিছে হাকিমে আজি পলম নকৰিলে। তথাপি খাই-বৈ আহে মানে নিশা ভালেখিনি হ'ল।

পোনাটিয়ে গাড়ীৰ গতিবেগ বঢ়াই দিলে।

ইয়াৰ পৰা বৰআলিৰ কেঁকুৰিলৈকে পথছোৱা বেয়া। মাজে মাজে একোটাইত ভয় লগা গাঁত। জোৰত গৈ সোমালে আৰু আধ্যা!—পিছে এইছোৱা পথৰ প্ৰতিটো শিলগুটি, খাল-জোঙেই তাৰ পৰিচিত। সিবোৰেও যেন তাক আৰু গাড়ীখনক চিনি পোৱা হৈছে।

ৰৱআলিৰ কেঁকুৰিৰ পৰা অলপ গৈয়েই থানা, সন্মুখতে ৰাইফল লোৱা চিপাহীবোৰে জুম পাতি থাকে, গাড়ী-ঘোঁৰা ৰখায়। গাড়ী ডাঙৰ হ'লে থানাৰ 'চান্দা' দিলেই হ'ল, সৰু গাড়ীত কিন্তু খানা-তালাচী হয়, কিজানিবা উগ্ৰপন্থী বা চোৰাং কাৰবাৰীৰ বয়-বস্তুৰেই আহিছে!

পোনাটিয়ে স্বাভাৱিক গতিৰে পাৰ হৈ যাবলৈ বিচাৰিছিল, কিন্তু ঠিক পাৰ হ'বলৈ লওঁতেই তিনিটামান টৰ্চৰ পোহৰ আইনাৰ মাজেৰে সৰকি আহি তাৰ চকুত ছাট মাৰি ধৰিলেহি। এবাৰ লেতেৰা গালিও তাৰ কাণত সোমালহি। ... তাৰ পিছত আৰু কি হ'ল সি ক'ব নোৱাৰিলে।

জ্ঞান আহোঁতে পোনাটি হাস্পতালত।

তাৰ গোটেই পোছাকযোৰতে কেৱল তেজ। হাত-ভৰি কিন্তু গোটেইবোৰেই অক্ষত। ক'তো বিষ-কোপ নাই। বহু সময় ধৰি খুঁটিয়াই খুঁটিয়াই চায়ো তাৰনো কি হৈছে একোকে বুজিব নোৱাৰিলে।

পুৱাতে হাকিম ছাৰ ওলালহি। নাই, তেওঁৰ একো হোৱা নাই। গাড়ীৰো হেনো তেনেকৈ একো ক্ষতি-খুন হোৱা নাই। কেৱল আঘাত পাই সিহে মূৰ্চা গৈছিল আৰু তাৰ ওপৰ পাৰিৰ আগদাঁত তিনিটা সৰিল।

হাকিম ছাৰে তাৰ কাণৰ কাষলৈ আহি প্ৰায় ফুচফুচাই কোৱাদি ক'লে, "দুৰ্ঘটনাৰ সময়ত তই নিৰ্বাচনৰ কামত আছিলি, বুজিলি নহয়।"

পোনাটিয়ে মূৰ দুপিয়ালে।

হাস্পতালত হাকিমে তাক টকা পাঁচ হেজাৰ দিলে আৰু পোন্ধৰ দিনৰ বেতন সহ ছুটীৰ অনুমতি দিলে।

জথামূৰ্খ এটাৰ দৰে পোনাটিয়ে হাকিমৰ মুখলৈ চাই ৰ'ল।

পোনাটিহঁতৰ আগৰ ঘৰ আছিল বনগাঁৱত।

ঘৰৰ তেনেই দাঁতিতে বনগাঁৱৰ মৌজাদাৰৰ ঘৰ।

ধনী মৌজাদাৰ প্ৰতাপী কিন্তু দয়া-ধৰ্ম থকা মানুহ আছিল। বনগাঁৱৰ ৰাইজে বিয়াই-সবাহে লাগ বুলিলেই বাঁহ, বুঢ়া তামোল গছ আদি পাইছিল। বেয়া অৱস্থাৰ গিয়াতীক ধান-চাউল বা টকা-পইছাৰেও পাৰেমানে সহায় কৰিছিল।

ডেকা বয়সত হাতীৰ পিঠিৰ পৰা পৰি এবাৰ এই ধনী মৌজাদাৰৰে আগদাঁত দুটা ভাগিছিল। —ধনী মৌজাদাৰ চখ থকা মানুহ। ভগা দাঁত লৈ কিছুদিনলৈ বাহিৰলৈ ওলোৱাই বাদ দিলে। তেহে বেনিবা কোনোবাই পৰামৰ্শ দিলে, মৌজাদাৰ সদৰলৈ গ'ল। দুদিনৰ পিছত ঘূৰিও আহিল। ক'ৰ ভগা দাঁত ক'লৈ গ'ল! মৌজাদাৰে মুখ মেলিলে মানুহৰ পোনতেই চকুত পৰে—ত-তকৈ জিলিকা দুটা খাটি সোণৰ দাঁত।

পোনাটিহঁতে ধনী মৌজাদাৰক ডেকাকালত দেখা নাছিল, দেখিছিল অলপ বৃদ্ধ বয়সত। পিছে দাঁত দুটা যেন আগৰ দৰেই তিৰ্বিৰাই আছিল।

হাস্পতালত টকাৰ নুৰাটো চুই চুই ইমান বছৰৰ মূৰত পোনাটিয়ে প্ৰায় পাহৰি পেলোৱা এই ধনী মৌজাদাৰৰ মুখখনকে মনত পেলাবলৈ চেষ্টা কৰিলে।

পিছে হেজাৰ চেষ্টাও অথলে গ'ল। মৌজাদাৰৰ মুখখন তাৰ সন্মুখলৈ নাহিল, তাৰ মুদা চকুৰ আগত ভাহি উঠিল কেৱল—ত-তকৈ জিলিকা দুটা খাটি সোণৰ দাঁত।

পোন্ধৰ দিনৰ ছুটী কটাই — যোল্ল দিনৰ দিনা পোনাটি আহি ভূঞা হাকিমৰ ঘৰত হাজিৰ হ'লহি।

হাকিমনীৰ কেঁচুৱা হৈছে। হাকিমৰ মনত ৰং।

মুখ মেলোঁতেই পোনাটিৰ আগদাঁতৰ প্ৰায় ডেৰইঞ্চি বহল ফাঁকটো হাকিমৰ চকুত পৰিল।

"দাঁত লগোৱা নাই?"

"দাঁত দুটানো কি কথা ছাৰ! চুলিবোৰো পকিলেই এনেয়েও দুটা-এটাকৈ দাঁতবোৰ সৰিবই।"

"পাঁচ হেজাৰ টকা! তই দেখোন দাঁত লগামগৈ বুলিছিলি?" ভূঞা হাকিমে টেলেকাকৈ চালে।

"এইকেইটা টকানো আৰু টকানে ছাৰ! ল'ৰা-ছোৱালীকেইটাক দামী চাই জোতা একোযোৰ দিলোঁ। ভালৰ ভাল চাই জেকেটো দিলোঁ তিনিটা। — মানুহজনী এলাই জাৰৰী। আনোতেও ছাৰ মাত্ৰ বাইজক সাক্ষী কৰিহে আনিলোঁ, কুটা এগছো দিয়া নহ'ল। ভাবিলোঁ, ইমান দিনৰ মূৰত সুবিধা পাইছোঁ যেতিয়া তাইক পাটৰ কাপোৰ এসাজকে দিওঁ।"

"দিলি?"

"ক'ত দিলোঁ ছাৰ? শুনিয়েই নাকৰ পানীয়ে চকুৰ পানীয়ে তাই একাকাৰ কৰিলে। একোবাৰ মোৰ সোলা মুখলৈ চায়—তাৰ পিছত হুকহুকাই কান্দে।"

"তাৰ পিছত?"

"তাৰ পিছত আৰু কি ছাৰ! ঘৰটো উকথা, টিনপাত এবান্দোলকে কিনিলোঁ। পাঁচ হেজাৰ টকাহে, শেষ।"

পোনাটিৰ সোলামুখত এচিকটা অবোধ হাঁহি বিয়পি পৰিল।

চুলিবোৰ খুৰাই লওঁ

এক

মানুহজনী এইমাত্ৰ ঘূৰি আহিল ক'ৰবাৰ পৰা। ছিঃ! কেনে কুৎসিৎ!! বিতৃষ্ণাত মন-প্ৰাণ কোঁচ-খাই পৰিল; এইজনী মানুহৰ লগতেই জীৱনৰ দহোটা বছৰ সি কেনেকৈ যে অতিবাহিত নকৰিলে! এটা এটা দিন ..... । এৰা, কম দীঘলীয়া নহয় দহোটা বছৰ।

যোৱা ছমাহে মানসিকভাবেতো বাদেই, দৈহিকভাৱেও এই মানুহজনীৰ সংগ এৰাই ফুৰিছে গৌতমে। নাই, এতিয়া আৰু কোনো ধৰণৰ আবেগিক সম্পৰ্ক নাই তাইৰ লগত। সি আৰু তাই, যেন একেখন চিৰিয়াখানাতে ওচৰা-ওচৰিকৈ থকা দুটা ভিন্ন প্ৰজাতিৰ প্ৰাণী।

তথাপি তাই যেতিয়া দৰজা ঠেলি ভিতৰলৈ সোমাল আৰু পৰিহিত মুগাৰ মেখেলাখনৰ পৰিচিত খচ্‌মচনি তাৰ কাণত পৰিল, সি পৰ্দাৰ ফাঁকেৰে সেইফালে চালে। — হয়, তাই মুগাৰ কাপোৰযোৰেই পিন্ধিছে (এই কাপোৰযোৰ এসময়ত সি বৰ পচন্দ কৰিছিল)। মেখেলাৰ ফুলবোৰৰ ৰঙৰ লগত মিলাই পাতল ৰঙা ব্লাউজ আৰু সেই অনুসৰি ওঁঠত সানিছে সস্তীয়া ৰং। এইটো, এই ওঁঠত ৰং সনাটো, এইটোৱেই তাইৰ আটাইতকৈ ডাঙৰ দুৰ্বলতা। নাই, এইটো এৰিব নোৱাৰে তাই।

বিয়াৰ আগতে — ঠিক সিহঁতৰ মিলা-মিছাবিলাক ঘন-সঘন হৈ উঠাৰ আগতেই তাক তাই তাইৰ এই দুৰ্বলতাৰ কথা কৈছিল। — মানুহবো যে একোটা দুৰ্বলতা থাকে! কথাটো শুনি হাঁহি হাঁহি সি উশাহ নোপোৱা হৈ উঠিছিল।

সেয়া, তাই গা-ধোৱা ঘৰৰ পিনে ওলাই আহিছে। আহিছে, এইফালে আহিছে। পৰ্দাখন ঠেলি তাই যেইকোনো মুহূৰ্ততে এতিয়া তাৰ ওচৰ পাবহি পাৰে। নাই, চাব নোৱাৰি এই মুখখন, সি চকুহাল মুদি ধৰিলে।

"চাহ খাবা নেকি?"

ভিতৰলৈ সোমাই অহা নাই, দুৱাৰৰ সিপাৰে বৈ আছে তাই। পৰ্দাৰ তলেৰে ভৰিৰ আঙুলিকেইটাৰ ওপৰত চকু পৰিল গৌতমৰ। ... বিয়াৰ পিছত বহু দিনলৈকে এই

আঙুলিকেইটাকে চাই চাই কিমান সময় যে অতিবাহিত নকৰিছিল সি; ইমান সুন্দৰ, ইমান সুন্দৰ ভৰিৰ আঙুলি।

"চাহ একাপ খাবা?" তাই আকৌ সুধিলে।

"নাই, সময় নাই।"

সি ঘপহ্‌কৈ বহাৰ পৰা উঠিল। এৰা, আজি বহুত কাম আছে তাৰ। যাব লাগিব কাৰ্যবাহী অভিযন্তা হীৰা দত্তৰ ঘৰলৈ; কিন্তু তাৰ আগতেই সি যাব তাৰ একালৰ বন্ধু গুণসিন্ধু হাজৰিকাক লগ ধৰিবলৈ।

আচলতে গুণসিন্ধুৰ কথাটো সি পাহৰিয়েই পেলাইছিল। সেই গুণসিন্ধু, যাক সি এসময়ত সহায় কৰিছিল পাঁচ হেজাৰ টকাৰে।

পাঁচ হেজাৰ টকা আজিৰ হিচাবত হয়তো বৰ বেছি টকা নহয়, কিন্তু যি সময়ত, যি পৰিস্থিতিত গুণসিন্ধুক এই টকা দিছিল — সেইবোৰ দিশ বিবেচনা কৰিলে এই টকাৰ মূল্য দহ গুণ, এশ গুণ বা তাতোকৈও বেছি হ'ব পাৰে।

গুণসিন্ধুৱে পৰিবহণ ব্যৱসায়ত হাত দিছে। এই ব্যৱসায়ত নতুন হ'লেও ইতিমধ্যেই আন বহু কাৰবাৰৰ মাজেৰে সি পুৰণি চহৰখনৰ এজন আগশাৰীৰ ব্যৱসায়ীত পৰিণত হৈছে। গৌতমে শুনিছে, গুণসিন্ধু এতিয়া সেই চহৰৰ বিহুতলী, দুৰ্গা-পূজা, উন্নয়ন সমিতি সকলোৰে হয় উপদেষ্টা, নহয় অন্য কোনো উল্লেখযোগ্য বিষয়ববীয়া। মুঠতে ধন, মান, যশস্যাৰে তেওঁ এতিয়া উল্লেখযোগ্য নাগৰিক।

কিন্তু সেই বিশেষ কথাটো তেওঁৰ মনত আছেতো?

যিবিলাক মানুহে হঠাৎ ওপৰলৈ উঠে — সিবিলাকে হেনো এৰি থৈ অহা প্ৰতিটো পদক্ষেপকে পাহৰি পেলায়। গৌতমে ভাবিলে, নাই, গুণসিন্ধুৱে তাৰ সেই সহায়ৰ কথা নিশ্চয় পাহৰিব নোৱাৰে। তাৰোপৰি দিন ভাল হ'লেই সেই টকা সুতে-মূলে ঘূৰাই দিয়া হ'ব বুলি তেওঁ সেই সময়ত অংগীকাৰো কৰিছিল।

কৰবীয়ে, অৰ্থাৎ তাৰ মানুহজনীয়ে চাহ একাপ কৰি টেবুলৰ কাষত বহিছিল। আঁৰ চকুৰে চালে গৌতমে, মূৰত এখন বেচ্‌মী ফুলাম বনেট বান্ধি লৈছে, পিন্ধিছে এটা জলহ হাউচ্‌ কোট। ছিঃ! কেনে কুৎচিৎ দেখা গৈছে তাইক! কোনে ক'ব, এইজনীয়েই সেইজনী মানুহ, যাক নিজৰ জীৱনৰ লগৰী কৰিবৰ বাবে এক প্ৰকাৰ প্ৰতিযোগিতাত নামিছিল গৌতম ডেকা। নিজৰ ব্যৱসায়-বাণিজ্যৰ কথাও পাহৰি পেলাইছিল।

"ক'লৈ যোৱা?"

সেয়া, দিলে নহয় টেঁপেককৈ মাতটো। তাই পিছফালৰ পৰা মাতা মানেই সকলো শেষ। — প্ৰমাণ আছে তাৰ হাতত, দেখ দেখ প্ৰমাণ।

"যোৱা ক'লৈ?"

"কিয়? কাৰোবাক কৈহে ঘৰৰ পৰা ওলাব লাগিব নেকি?" গেজ্‌গেজাই

উঠিল গৌতমে।

সি আলনাৰ পৰা লৈ মটীয়া ৰঙৰ কোটটো পিন্ধিলে। — মাফ্‌লাৰ, মাফ্‌লাৰখন ক'ত?

সৌৱা, সৌখন। সেউজীয়াৰ মাজে মাজে ৰঙা আঁচুফুল থকা মাফ্‌লাৰখন ডিঙিত মেৰিয়াই ল'লে গৌতমে।

এইখন মাফ্‌লাৰৰো এটা ধুনীয়া স্মৃতি আছে।

মনটো পাতল লাগিল গৌতমৰ।

"মোৰ বাবে কেইটামান মনিচাল আনিবা।"

মানুহজনীয়ে চাহ খাই আছিল। মাতত কোনো উৎসাহ নাই, আবেগ নাই। আজিকালি তাই যন্ত্ৰৰ দৰে কথা কয়। 'কেইটামান ম-নি-চাল আ-নি-বা।' কাউৰীৰ ম'ৰা সজাৰ চখ! থুই!!

বাছৰ পৰা নামিয়েই সি ৰিক্সাত উঠিল। এৰা, আজি সি ৰিক্সাৰেই এইছোৱা পথ যাব। যাওক, কি আছে যাওক। এক টকাৰ ঠাইত পাঁচ টকা যাব। আজিৰ দিনত পাঁচটা টকানো কি? ব্যৱসায় যেতিয়া তুংগত আছিল, ৰাস্তাৰ ভিক্ষাৰীকো 'হুজুৰ মাই-বাপ' বোলাৰ লগে লগে সি কমেও পাঁচোটা টকা দলিয়াই দিছিল। এবটল ঠাণ্ডা পানীয়ৰ দামেই দেখোন পাঁচ টকা! পাঁচ টকাতনো আৰু পায় কি? খুব বেছি এশ গ্ৰাম মনিচালৰ গুটি। আকৌ মনিচালৰ গুটি! ছিঃ! থুই!

ৰিক্সাখন ৰখালে গৌতমে।

পাঁচদাল চিগাৰেট কিনিলে।

এডাল জ্বলালে।

তাৰপিছত ৰিক্সাবালাটোক ক'লে, ব'ল, চিধা। চিগাৰেটৰ ছাই অকণ উৰি আহিছিল গাৰ ফালে, মাফ্‌লাৰখন জোকাৰি দিলে গৌতমে। আঃ, ঠিক আছে আজি কাম হ'বই। ... অন্ধবিশ্বাস! নাই নহয়, এইটো তাৰ বিশ্বাস। এই মাফ্‌লাৰখন ডিঙিত বান্ধি যিদিনাই ওলাইছে সেইদিনাই তাৰ সিদ্ধি লাভ হৈছে।

পানী যোগান বিভাগৰ ডাঙৰ ঠিকাটো পোৱাৰ দিনাও এইখন মাফ্‌লাৰকে ডিঙিত মেৰিয়াই আছিল গৌতমে, কামটোৰ বাবে আঢ়ৈশ বনুৱা যোগাৰ হোৱাৰ দিনাও আছিল, কিন্তু যিদিনা কামটো আৰম্ভ কৰা হ'ল, — শুভাৰম্ভৰ দিনা পূজাৰ সময়ত ক'ত জানো এৰি পেলাই আহিল মাফ্‌লাৰখন! বনুৱাৰ চিঞৰ-বাখৰ, ইঞ্জিনিয়াৰ, মহৰীৰ অহেতুক ব্যস্ততা; মাহ-প্ৰসাদ, মিঠাই, পাৰ্টিৰ ব্যস্ততাত সি পাহৰি পেলাইছিল তাৰ জীৱনৰ আচৰিত আশীৰ্বাদ এই মাফ্‌লাৰখনৰ কথা। পূজাৰীয়ে মন্ত্ৰ পাঠ কৰি নাৰিকল ভাঙিলে, দিন দুপৰতে গগৈ ইঞ্জিনিয়াৰে বটল, গিলাছ উলিয়াই ল'লে, চাৰ্ভেয়াৰৰ খুঁটাৰ চিনে চিনে 'দীঘলী পানী যোগান আঁচনি'ৰ খাৱে আগবাঢ়ি

গ'ল। কিন্তু শেষত? শেষত সব পশু হৈ গ'ল, থকা ঘৰটোবো এফাল বেচা গ'ল। খেলি-মেলি যত সব!

আজি, এতিয়া, এই মুহূৰ্তত বিস্নাৰে গৈ থাকোঁতে, ইমানবোৰ কথা, খেলি-মেলি চিন্তাৰ মাজতো তাৰ মনত পৰিল সেই মৰমলগা ছোৱালীজনীলৈ। তায়েই নিজ হাতে বৈ দিছিল এই মাফ্লাৰখন। — সি তেতিয়া প্ৰথম প্ৰথম ব্যৱসায়ত নামিছে, কেঁচা আশা, পৰিপূৰ্ণ উদ্যম —। ছিঃ। আঙুলি পোৰা চিগাৰেটৰ টুকুৰাটো দূৰলৈ দলিয়াই দিলে গৌতমে।

দুই

বিয়াৰ পিছত এবাৰ, দুবাৰ, কেইবাবাৰো তাই অৰ্থাৎ কবৰীয়ে, তাৰ পত্নী কবৰীয়ে তাক জোকাই চাইছিল। সি কিন্তু হা-না একো মাতা নাছিল। মাতিলেইতো বিপদ, মাইকী মানুহৰ মন। কেনেবাকৈ যদি তাইৰ নামটো ওকৰি তাৰ ওঁঠলৈ আহিল হৈছে আৰু, ডেলে সেই অনা! 'শেৱালি কোন?' — এজনী তোমাৰ দৰেই সাধাৰণ ছোৱালী। 'ক'ত লগ পাইছিলা?' — একে লগে পঢ়িছিলোঁ। 'একে লগ্‌গে পঢ়িছিলা? হে হৰি! দেখাত কেনে? ক'লী নে বগী? কি পিন্ধে? হাঁহেনে কান্দোনে? নে-নে?"

"যাব ক'ত বাবু?"

"গৈ থাক, চিধা।"

আৰু এডাল চিগাৰেট জ্বলাই ল'লে গৌতমে।

ইয়াৰ পৰা, ঠিক বিস্নাৰ ওপৰৰ পৰা স্পষ্টকৈ চকুত পৰে দূৰৰ পানী যোগান বিভাগৰ ওখ কাৰ্যালয় ভৱনটো। পাতল হালধীয়া ৰং। সন্মুখত এশাৰী খাচীয়া সৰল। কোনোবা আনি ৰুইছিলহি এই আপদীয়া গছবোৰ! দূৰৰ পৰা সুন্দৰ, সেউজীয়া, চুই চালে খিচ্‌খিচীয়া, কাঁইট। — এই কাঁইটেই ডুবালে তাক।

যেতিয়া হাতত টকা আছিল, ব্যৱসায় ৰমৰমীয়া আছিল, তেতিয়া বন্ধু-বান্ধৱ হিতাকাংখীৰ, হিত উপদেশ দিওঁতাৰ অভাৱ নাছিল। দীঘলী পানী যোগান আঁচনিৰ কামটোও বৰ সহজতে পাইছিল সি। কিন্তু তাৰ কপাল আছিল বেয়া, এই কামটোৱেই তাক অৱশেষত সৰ্বস্বান্ত কৰি পেলালে। ব্যৱসায় ডুবিল, বন্ধু-বান্ধৱ পলাল। আনকি তাৰ ঘৰৰ মানুহজনী, যাৰ আগত নিজৰ পৰিকল্পনা, ব্যৰ্থতা, ভাল লগা-নলগা আটাইবোৰ উদঙাই কৈ শৰীৰ-মন শাঁত পেলাব পাৰিছিল, সেই মানুহজনীয়েই তাৰ বাবে লাহে লাহে হৈ উঠিল — এক অদৃশ্য কাঁইট সদৃশ।

... কেইদিনমানৰ আগতে সি গৈছিল ভলুকা গগৈৰ ঘৰলৈ। গগৈ এতিয়া পানী যোগান বিভাগৰ কাৰ্যবাহী অভিযন্তা। — সেই ঘৰটো, যিটো ঘৰত এতিয়া

গগৈদেৱে ল'ৰা-ছোৱালী পৰিয়ালসহ বাস কৰে, এই ঘৰটোৰ তলৰ মহলাৰ আটাইবোৰ ইটা, বদ, চিমেণ্ট এদিন সিয়েই যোগান ধৰিছিল। এই গোটেইবোৰ বস্তু দীঘলী পানী যোগান আঁচনিৰ পৰা বাহিৰে বাহিৰে ইয়ালৈ আহিছিল। ..... এইটো ঘৰৰেই বেলকনিত বহি কোনোবা অভ্যাগতৰে সৈতে 'সুৰা দেৱীৰ উপাসনা'ত মত্ত হৈ আছিল গগৈদেউ, গৌতমক দেখি তেওঁ নিজেই হুৰ-হুৰকৈ নামি আহিল।

"মোৰ কামটোৰ কিবা হ'লগেনে ছাৰ।" এয়ে প্ৰথম ভলুকা গগৈক 'ছাৰ' সম্বোধনেৰে মাতিলে গৌতমে।

গৌতমে জানে, ভলুকা গগৈয়ে এই মুহূৰ্তত এটা কথাই ক'ব, মিনিষ্টাৰে অমুক হেজাৰ বিচাৰিছে, তাকো একেবাৰে নগদ। ..... নাই, নাই, তাতকৈ তললৈ নামিব নোৱাৰে।

ভলুকা গগৈ, এই মানুহটোৰ বাবেই সি নামি আহিল প্ৰায় পথৰ ভিক্ষাৰীৰ পৰ্যায়লৈ। এই মানুহটোৰ পৰামৰ্শ মতেই কামটো লৈছিল সি।

কত ঠিকাদাৰ 'মানুহ' হৈ গ'ল এই দীঘলী আঁচনিত। কত ইঞ্জিনিয়াৰ 'লাল বনি' গ'ল। দীঘলীৰ দীঘনো কেতিয়া সম্পূৰ্ণ হ'ল?

এমাহ-দুমাহকৈ বাৰিবা পাৰ হ'ল, আৰু এটা বছৰ পাৰ হ'ল, বানপানী কিন্তু নাহিল। বানেই যদি নহয়, তেন্তে পলসে খাৰে পুতি পেলোৱা বুলি বা পুলবোৰ ভাঙি যোৱা বুলি অভিযন্তাইনো কেনেকৈ চাৰ্টিফিকেট দিয়ে?

ভলুকা গগৈয়েতো কৈয়েই পেলালে, আপোনাৰ লাক বেয়া ডেকা। আমাৰ কোনো দোষ নাই।

"লাক — মানে — ভাগ্য বেয়া।"

"বেয়া নহয় কি? যি কলং-কপিলীৰ পলসে নগাঁও জিলাৰ জন্ম দিলে, সেই কলং-কপিলীত বানপানী নোহোৱা হ'ল। কলঙৰ কথা বাৰু মানিলোঁ, কিন্তু কপিলী? কপিলীৰ কি হ'ল? আপুনি কামটো লোৱাৰ আগৰ বছৰলৈকে দেখোন বানেই বান। ভাগ্য নহয় কি?"

এতিয়াও অন্ততঃ এক লাখ টকা যোগাৰ কৰিব পাৰিলেই হয়তো এটা ভয়ংকৰ বানে দীঘলী পানী যোগান আঁচনিৰ সম্পূৰ্ণ হোৱা শতকৰা আশী ভাগ কাম নষ্ট কৰি পেলাব।

জুৱা খেলৰ শেষ বাজী।

এই শেষ দান সি মাৰিবই লাগিব।

"টকাৰ যোগাৰ হ'ল, ডেকা?"

হাঁহি উঠিল গৌতমৰ।

পাঁচটা টকা খৰচ কৰি বিয়াত উঠাটো যি সময়ত ভুৱ বাবে চখত পৰিগত হৈছে, সেই সময়ত উৎকোচ দিয়াৰ বাবে লাখ টকা সি ক'ৰ পৰা যোগাৰ কৰিব?

"ঐ ৰাখ, ৰাখ।"

বৈ গ'ল ৰিক্সাখন।

পাঁচ টকীয়া নোটখন উলিয়াই দিলে গৌতমে।

"আৰু দুই টকা বাবু?"

"এইখন লাগিব?"

সোঁ-হাতৰ তলুৱাখন ৰিক্সাবালাটোৰ ঠিক চকুৰ আগত দাঙি ধৰিলে গৌতমে। ৰিক্সাবালাটোৱে তাৰ হাতখনলৈ ভয়ে ভয়ে চালে, এখন নোমাল মোটেহা হাত!

ৰিক্সাৰ পৰা নামি সি পোনে পোনে সন্মুখৰ ঘৰটোৰ ফালে আগবাঢ়ি গ'ল। এই ঘৰটোৰে এটা অংশ ভাড়া লৈ আগতে বাস কৰিছিল গুণসিন্ধুৱে। এতিয়াও গুণসিন্ধু ইয়াতে থাকে। তেওঁ এতিয়া নিজে এই ঘৰটোৰ মালিক।

জপনাত এখন নামফলক লগোৱা আছে, 'গুণসিন্ধু হাজৰিকা!' তাৰ তলতে আৰু এখন ফলক, 'কুকুৰৰ পৰা সাৱধান'! গৌতমে জানে — তলৰ ফলকখন মিছা, মানুহক ভয় দেখুৱাবৰ বাবেহে আছে সেইখন।

গুণসিন্ধুৰ মুখ দেখিয়েই গৌতমে বুজিলে, গুণসিন্ধুৱে তাৰ কোনো খবৰ ৰখা নাই। অন্ততঃ সি যে সৰ্বস্বান্ত হৈ বৰ্তমান পথৰ ভিকহুৰ পৰ্যায়ত উপনীত হৈছেহি সেই কথা গুণসিন্ধুৱে নিশ্চয় নাজানে।

চাহৰ মেজত গৌতমে টকাৰ কথাটো উলিয়ালে —

"আচলতে টকা বিচাৰিহে মই আহিছিলোঁ।" গৌতমে কথাটো স্পষ্টকৈ ক'লে।

"টকা!" গুণসিন্ধুৱে যেন সেই পুৰণা হিচাব-নিকাচবোৰ মনত পেলাবলৈ চেষ্টা কৰিলে।

গুণসিন্ধুৱে এসময়ত মাছৰ ব্যৱসায় কৰিছিল, চোৰাং ব্যৱসায়। কাজিৰঙাৰ বিলৰ মাছ। ৰাতিৰ ভিতৰতে ধৰে, পুৱতি নিশা উঠাই দিয়ে গাড়ীত। মাজনিশাৰ পৰা পথৰ কাষত গাড়ী বনেট দাঙি বোন্দাপৰ দি থাকে গুণসিন্ধুৱে। মাছ আহে, এম্বেচেদৰত আগে-পিছে, কেৰিয়াৰত, চিতৰ তলত বোজাই কৰে, তাৰ পিছত ঢাপলি মেলে।

এবাৰ এনেকৈ মাছ বোজাই কৰি থাকোঁতেই ধৰা পৰিল পহৰাদাৰী বনকৰ্মীৰ হাতত। ... মাছ, গাড়ী, মানুহ, সব মিলি পাঁচ হেজাৰ টকা!

এনেকৈ কত ধৰা পৰে চোৰাং বেপাৰী! গড় মাৰিও দেখোন খড়্গ লৈ যায়। ধৰা কিবা নপৰে নেকি? ..... মাজতে অলপ মোটা টকা-পইছাৰ হিচাব হয়, তাৰ পিছত সব ফাচ্-ফুচ।

"বাঃ সেইবাৰ মোক আপুনি বৰ বচালে ডেকা।" গুণসিন্ধুৱে চেক্‌চেকাই

হাঁহিব ধৰিলে, হাঁহি-হাঁহিয়েই তেওঁ ক'লে, আপুনি টকা পাঁচ হেজাৰ নিদিয়া হ'লে? হে' হৰি —

গাধই হঁহা দেখা নাই গৌতমে।

সি স্তব্ধ হৈ চাই থাকিল গুণসিন্ধু হাজৰিকাৰ হাঁহিৰে ভৰা মুখখনলৈ।

"আপোনাৰ বাবে অৱশ্যে পাঁচ হেজাৰ টকা বৰ বেছি একো নাছিল, কি কয় ডেকা?"

গুণসিন্ধুৱে হাঁহি সামৰিবৰ চেষ্টা কৰিলে।

"হয়, সেই সময়ৰ কথা বেলেগ আছিল। গৌতমে খোলা-খুলিকৈ ক'লে, এতিয়া সময় বেলেগ, মোৰো আগৰ সেই অৱস্থা নাই। সেই টকাখিনিও যদি এই মুহূৰ্তত ঘূৰাই দিয়ে, মোক বৰ উপকাৰ কৰা হয়।

গুণসিন্ধুৱে বুৰ্বকৰ দৰে গৌতমলৈ মূৰ তুলি চালে। এইবাৰ গুণসিন্ধুৰ মুখখন সঁচাকৈয়ে এটা গাধৰ মুখৰ দৰেই লাগিল গৌতমৰ। ইস্, কেনে বুৰ্বক! মানুহৰ মুখ এখনো দেখাত এনেকুৱা হ'ব পাৰেনে?

"পাঁচ হেজাৰ টকানো কি ডাঙৰ কথাটো।" মুখখন গৌতমৰ কাণৰ কাষলৈ আনি গুণসিন্ধুৱে ফিচ্-ফিচাই ক'লে, সঁচা কথা কি জানে ডেকা, ধাৰলৈ লোৱা টকা আজিলৈকে মই কাকো ঘূৰাই দিয়া নাই। আপুনি বিশ্বাস কৰক, মই মিছা কোৱা নাই। কেৱল ধাৰলৈ লোৱা কিয়? ঘাগু ঘাগু চৰকাৰী বিষয়াকো আজিলৈকে এপইছাও দি পোৱা নাই। ... আৰু টকাৰেহে কিবা সকলো হয়নে?

মানুহটোৱে ধেমালি কৰা নাইতো? গুণসিন্ধুৰ মুখলৈ অবিশ্বাসেৰে চালে গৌতমে।

"এটা কাম নকৰে কিয়?"

বহাৰ পৰা উঠিল গৌতম। ইয়াৰ পিছত আৰু বহি থকা অসহ্যকৰ।

"এটা কাম কৰক।" গুণসিন্ধু হাজৰিকাই গৌতমৰ হাত এখনত খামুচি ধৰি ক'লে, "গুৱাহাটীৰ হিল-ভিউ হোটেলৰ কোঠা এটাকে বুক কৰক। মই আমাৰ এওঁক নিজেই লৈ যাম। ধৰক, এটা নিশাৰ মূল্য পাঁচ হেজাৰ টকা। কওক, ৰাজী?"

এবাৰ গুণসিন্ধু আৰু আনবাৰ তেওঁৰ পৰিয়ালৈ মূৰ তুলি চালে গৌতমে।

মূৰৰ চুলিয়ে গিলিপা মাৰি ধৰা মানুহজনীয়ে তাৰ মুখলৈকে একান্ত মনে চাই আছে। ইম্-মান চুলি! সৰু গাঁঠিলৈকে বৈ পৰা চুলিৰ বাবেই এসময়ত এই মানুহজনী বহুতৰে চৰ্চাৰ বিষয়ে হৈ উঠিছিল।

তাৰ ডিঙিৰ সেউজীয়া মাফ্‌লাৰখন বাৰু চিনি পাইছে নেকি গুণসিন্ধুৰ পৰিবাৰে।

কুকুৰৰ পৰা সাৱধান কৰা জপনাখনৰ ফালে আৰু ঘূৰি নাচালে গৌতমে। গোনে গোনে সি এখন বিস্নাত উঠিল, ঐ ব'ল, চিধা।

তিনি

বাছৰ পৰা নামোতেই গৌতমৰ চকুত পৰিল — সিফালে ফুটপাথৰ ওপৰত এজন ফেৰীৱালাই কিছুমান ৰংচঙীয়া 'লাইফ চাইজ'ৰ প'ষ্টাৰ বিক্ৰী কৰিছে। লোৰ ৰেলিঙত ওলমাই থোৱা ছবিবোৰৰ ঠিক মাজতে আছে এখন ক'লা-বগা ছবি, এজনী গাভৰুৰ ছবি।

আঃ! চিনি পাইছে গৌতমে, এইখন এগৰাকী বিশ্বসুন্দৰীৰ ছবি। ছবিখনত গাভৰুগৰাকী প্ৰায় নিৰাভৰণা, মূৰৰ চুলিখিনি পৰ্যন্ত খুৰাই পেলোৱা হৈছে নিমজকৈ।

ৰাস্তা, ফুটপাথেৰে অহৰহ পাৰ হৈ গৈছে অসংখ্য মানুহ। কাৰো যেন সময় নাই খন্তেক বৈ ৰেলিঙত ওলমাই থোৱা প্ৰাচীন ভাস্কৰ্যৰ দৰে অদ্ভুত সুন্দৰ ছবিখনলৈ এবাৰো মূৰ তুলি চাবলৈ।

গৌতম আগবাঢ়ি গ'ল।

"সেইখন প'ষ্টাৰৰ দাম কিমান?"

"বিশ টকা।"

"কম নহ'ব?"

"নাই বাবু, এক দাম।"

গৌতমে চাৰ্টৰ জেপটো খুচৰি চালে, বিশ টকা দিয়াৰ পিছতো তাৰ জেপত আৰু দহ-বাৰ টকা বৈ যাব।

"দিয়া, বান্ধি দিয়া।"

তাৰ হাতৰ মুঠিত এতিয়া এসময়ৰ এচিয়া মহাদেশৰ সুন্দৰী পাৰচিচ্ খাম্বাটা, মাত্ৰ বিশ টকাতে সি কিনি পেলাইছে এই অদ্ভুত সুন্দৰ ছবিখন। তাৰ এনে লাগিল, হেঁচা মাৰি থকা ডাৱৰ ডাৱৰ আকাশখন যেন লাহে লাহে আঁতৰি গ'ল, ওপৰত এতিয়া মুকলি আকাশ, কেৱল নীলা আকাশ।

কৰবীয়ে সম্ভৱ দুৱাৰ জপাই সোমাই আছে নিজৰ কোঠাত। এই মানুহজনী, বন্ধু-বান্ধৱী, আত্মীয়-কুটুম্বৰ আবেষ্টনীত ব্যস্ত থকা মানুহজনী, এতিয়া জাহ গৈছে আত্ম-নিৰ্বাসনত। নাই চঞ্চলতা, নাই কোনো প্ৰয়োজনৰ তাগিদা! ... দুৱাৰখন হেঁচুকি হাতত সাৱে ভৰিত সাৱে ভিতৰলৈ সোমাই আহিল গৌতম। আঃ! এইখিনিতে, কাঠৰ বেৰাখনৰ ঠিক মাজতে লগাব লাগিব ছবিখন।

ছবিখন লগালে গৌতমে।

কোঠাটোৰ, সমগ্ৰ ঘৰখনৰ পৰিবেশটো যেন ছবিখন লগোৱাৰ লগে লগে সলনি হৈ পৰিল। সি বিভিন্ন কোণৰ পৰা নিৰীক্ষণ কৰিলে, ঠিক আছে। মূৰৰ চুলি আৰু গাত এডালো নোম পৰ্যন্ত নথকা ষোৰশীজনীয়ে অনুভূতিহীন চাৱনিৰে চাই আছে তাৰ ফালে; চাই আছে কোঠাটোৰ সমস্ত বস্তুবোৰলৈ। কি অপৰূপ সৌন্দৰ্য!

সঁচাকৈয়ে অদ্ভুত সৌন্দৰ্যৰ অধিকাৰিণী এই নাৰী।

কাৰোবাৰ খোজৰ উমান পাই ঘূৰি চালে গৌতমে।

ঠিক দুৱাৰ দলিত থিয় হৈ বেৰৰ প'ষ্টাৰখনৰ ফালে চাই আছে কৰবীয়ে, অপলক দৃষ্টি। মুখত ওৰণি নাই। টকৌৰে খোৱা মুখটোৰ বাবে তাইক এতিয়া আৰু আগৰ দৰে সিমান কুৎচিৎ যেন নালাগিল। সি তাইৰ ফালে হাত এখন আগবঢ়াই দি আন্তৰিকতাৰে ক'লে — আহা!



শিৱানন্দ কাকতি

আমৃত্যু অমৃত

বৰণীয়া আলিবাট, মায়াময়

আমৃত্যু অমৃত

দলংখন পাৰ হৈ ট্ৰাকখন কিছু দূৰত ৰ'ল। ৰাষ্ট্ৰীয় ঘাই পথৰ এই দলংখনৰ দুয়োমূৰে অনেক দূৰলৈকে দুয়োপাৰে টিম্‌টিক-টামাককৈ জ্বলি থকা চাকিবোৰ দূৰৰ পৰা দীপান্বিতাৰ দৃশ্যৰী বত্তি যেন লাগিলেও ওচৰ চাপিলেই কেৰাচিন তেলৰ ভোটাৰ ধুঁৱলি-কুঁৱলি পৰিবেশ ধৰিব পৰা যায়। প্ৰতিটো চাকিৰ লগতে টিনৰ বিভিন্ন পাত্ৰত বিভিন্ন ধৰণৰ মাছ। ঘাই পথটোৰ দুয়োপাৰে দৃশ্যৰী হৈ গ্ৰাহকৰ প্ৰতীক্ষাত বহি থকা একো একোজন মাছুৱৈৰ লগত দুই-এজন সহচৰ। হয়তো নিজৰ ককাই-ভাই, পুতেক বা একেলগে মাছ মৰা চুবুৰীয়া গঞা। দূৰৰ পৰা আহি থকা গাড়ীৰ হেড লাইটৰ পোহৰ দেখা লগে লগে ইয়াৰ সহচৰসকল তৎপৰ হয়। মাছৰ গালত লাগি থকা তমালপাতত ধৰি লাইটৰ পোহৰত মাছটো দাঙি গ্ৰাহক আকৰ্ষণ কৰা প্ৰতিযোগিতাতেই নিৰ্ভৰ কৰে কাৰ ওচৰত গাড়ীখন ৰ'ব। তাতেই দৰ-দাম কৰি মাছ বিক্ৰী কৰিব পাৰিলেই সেই সন্ধ্যাৰ বাবে কাম শেষ। অঞ্চলটোৰ মানুহবোৰৰ মাছেই যে একমাত্ৰ জীৱিকা এনে নহয়; দুই-চাৰি বিঘা খেতি মাটিৰে যি সকলৰ গোটেই বছৰ নোজোৰে তেনে প্ৰায় সকলোৱেই দিনৰ দিনটো হালবোৱা বা অন্যান্য পথাৰৰ কাম-বন কৰি আবেলিৰ পিনলৈ নৈ বা বিলত জাল পেলায়গৈ। আৰু জালৰ মাছেৰেই সন্ধ্যা আহি দলঙৰ যিকোনো এটা মূৰত বহি পৰেহি। এই মাছৰ পইছাৰেই ঘৰখনৰ দৈনন্দিন যাৱতীয় খৰচ চলে। অৱশ্যে ভঁৰালত ধান নোহোৱা দিনত একমাত্ৰ মাছৰ পইছাৰেই চলিব লগা হয় গোটেই পৰিয়ালটো।

দলঙৰ অদূৰত ৰোৱা ট্ৰাকখনে মাছ বেচিবলৈ বৈ থকা মানুহবিলাকৰ মাজত বৰ এটা উৎসাহ আৰু আকৰ্ষণ সৃষ্টি কৰিব নোৱাৰিলে। সাধাৰণতে এই ট্ৰাকবিলাকৰ পৰা কোনোৱে মাছ নিকিনে। কিনিলেও বৰ দাম-দৰ কৰি সময় নষ্ট কৰে। অৱশ্যে ইতিমধ্যে গধূলি যথেষ্ট হোৱাত মাছ বেচা মানুহৰ সংখ্যাও কমি আহিছেহি। প্ৰায়বোৰ ইতিমধ্যে মাছ বেচি ঘৰমুৱা হৈছে; দুজনমানে আকৌ গধাৰে নৈত নামি পানীৰে মাছৰ পাত্ৰবোৰ আওখালি আছে। মাত্ৰ এতিয়ালৈকে মাছ বেচিব নোৱাৰাবিলাকহে নিজৰ

নিজৰ ঠাইত বহি আছে।

সকলোৱে মন কৰিলে ট্ৰাকখনৰ পৰা কোনো এটা ডেকা ল'ৰা নামি এইপিনেদিয়েই আহি আছে। কান্ধত এটা সৰু বেগ ওলমি আছে। প্ৰথমে ধৰিব পৰা নাছিল যদিও লাহে লাহে কাষ চাপি অহাত চাকিৰ পোহৰত ল'ৰাজনক ধৰিব পাৰিলে।

"এইটো আমাৰ অমৃত নহয়নে?" মনতে সকলোৱে ভাবিলে। এনে সময়তে সকলো মাছুৰৈলৈকে এবাৰ লক্ষ্য কৰি তাৰ ওচৰতে বৈ থকা এজনক সম্বোধন কৰি সুধিলে "দেদাই, আজি পিতাই অহা নাই নেকি?"

মানুহজন চক্ খোৱাৰ দৰে বহাৰ পৰা একেকোবে থিয় হ'ল। কি ক'ব কি নক'ব ভাবিব নোৱাৰি কোনোমতে যেন নিজকে সম্বৰণ কৰিলে। এইবাৰ কিছু প্ৰকৃতিস্থ হৈয়েই ক'লে, —

ঃ পিতায়েৰ আজিচোন অহা নাই। কালি অৱশ্যে আহিছিল। গাটো বোলে বৰ এটা ভাল নহয়।

অমৃতে উভতি খোজ ল'লে। অলপ গৈয়েই আকৌ আহি দদায়েকক সুধিলেহি,

ঃ পথাৰেদি যাব পৰা হ'বনে দেদাই?

ঃ পথাৰেদি অৱশ্যে যাব পাৰ ; কিন্তু কালিৰ জাক বৰষুণে গোটেই পথাৰ দকৈ বুৰাই পেলাইছে। বেছ স্বাভাৱিক গলাৰেই এইবাৰ ৰত্নেশ্বৰ দদায়েকে কথাখিনি ক'লে যদিও অধিক সম্ভ্ৰম ৰক্ষা কৰা যেন লাগিল। ৰত্নেশ্বৰে আকৌ ক'লে,

ঃ এতিয়া ৰাতিখন পথাৰৰ মাজে মাজে কি যাবি। অত দিনৰ মূৰত আহিছ, পানীৰ তলৰ আলি কি তৎ পাবি?

একো উত্তৰ নিদি সি আলিবাটেদিয়েই খোজ ল'লে। অমৃতে ভাবিব ধৰিলে, পানীৰ তলৰ পথাৰৰ আলি চিনিব নোৱাৰাকৈ সি বাৰু ইমান দিন গাঁও এৰি আছেনে? চাৰি বছৰতো আচলতে কোনো দীঘল সময় নহয়। চাৰি বছৰ আগেয়ে হঠাৎ এৰি যোৱা নিজৰ গাঁওখনলৈ আজি সি ঘূৰি আহিছে। বহু সময়ৰেই পৰা সি অকলে অকলে খোজকাঢ়ি আহি আছে। হঠাৎ অনুভৱ কৰিলে, অকলশৰে আহি থাকিলেও এটা যেন সমদল তাৰ লগে লগে আহি আছে। দুয়োপাৰৰ বাৰিষাৰ পানীৰ শব্দ, জিলিৰ মাত, মাজে মাজে মাছবিলাকে কৰা 'খলক' 'খলক' শব্দ, আকাশত ডাৱৰ ফালি লাহে লাহে ওলাব ধৰা জোন — এই গোটেই পৰিবেশৰ নৈসৰ্গিকতাত সি যেন একাত্ম হৈ পৰিছে। পাহাৰ, হাবি, পথাৰ, বোকা বা পানী এই চাৰিবছৰে সি অনেক দেখিছে। অনেক অতিক্ৰম কৰিছে। কিন্তু আজিৰ পৰিবেশ যেন তাৰ একান্ত ব্যক্তিগত, একান্ত নিজৰ। এই আলিবাট, পানী, বোকা, পথাৰ, ৰাতিৰ চৰাইৰ মাত এই সকলোবোৰৰ লগত তাৰ যেন অঙ্গাজী সম্পৰ্ক। গোটেই পৰিবেশ-উৎপন্ন গন্ধটোৱে তাক উত্ৰাৱল কৰি পেলালে। দীঘল দীঘলকৈ কেইটাও বুকু-ভৰি উশাহ লৈছে যেন

সি শান্তি পালে। কিছু সময় এনেয়ে গড়কাপ্তানী বিভাগে পেলাই যোৱা শিলগুটিৰ দ'মৰ ওপৰত সি বহি ৰ'ল।

ৰাতি যথেষ্ট সময় হোৱা নাই যদিও গাঁও সোমাওঁতেই এনেহেন লাগিল যে ৰাতি দুভাগ হ'ল। দুই-এঘৰত চাকি জ্বলি থকাৰ বাহিৰে বাকীবোৰ এতিয়া ভাত-ঘুমটিত। খেতিৰ দিন। দিনৰ দিনটো পৰিশ্ৰমৰ অন্তত গোটেই পৰিয়ালটোৱেই সোনকালে ভাত-পানী খাই ভাগৰে-জোগৰে শুব পাৰিলেই হ'ল। পিছদিনা পুৱাই সোনকালে আকৌ পথাৰ। গতিকে গাঁও এতিয়া গাঢ় নিঃপালি দিয়াৰ দৰে। গাঁও সোমাওঁতেই তাৰ নিজান অথচ চিনাকি পৰিবেশত সোমাই অহা যেন লাগিল। সি যেন ঘৰ সোমালেই। গাঁওখন প্ৰায় একেদৰেই আছে। প্ৰায়েই একে। বিশেষ পৰিবৰ্তনৰ চাপ এই চাৰিবছৰে পৰা নাই। অমৃতে ভাবিলে চাৰি বছৰনো কিমান সময়? অলপ সময় গৈ থাকি আকৌ ভাবিলে পৰিবৰ্তনৰ বাবে চাৰি বছৰতো কম সময় নহয়। সদায় বহি আড্ডা দিয়া সিহঁতৰ ডেকা চাংখনৰ ওচৰ পালেহি। ডেকা চাংখনো প্ৰায় একেদৰেই আছে। তাৰ নিজৰ জীৱনৰ গোটেই কৈশোৰ আৰু যৌৱনৰ স্মৃতি বিজড়িত চাংখনলৈ চাই তাৰ মনটো ভৰি পৰিল। যেতিয়াই সুযোগ পাই তেতিয়াই যি কোনো পৰিবেশত তাৰ নিজৰ গাঁৱৰ এই চাংখনক লৈ সি গৰ্ব অনুভৱ কৰে। কেৱল ডেকা ল'ৰাৰ যৌনজ কথা বা চুবুৰীয়া ঘৰৰ পৰচৰ্চাৰ ঠাই সিহঁতৰ গাঁৱৰ এই ডেকা চাং নহয়। এই গাঁৱৰ এই চাং প্ৰায় এখন মুকলি মঞ্চৰ দৰে। বিভিন্ন মানুহে বিভিন্ন সময়ত বহি পৰা এই চাংখনতে আলোচনা হয় গাঁও আৰু দেশৰ ৰাজনীতি, দেশৰ খবৰ, আন্তঃগএন যোগাযোগ, সাময়িক প্ৰসঙ্গ, বাৰিষাৰ বৰষুণ, মাঘ বিহুৰ ম'হ যুঁজ, কাতি মাহৰ ৰবাব টেঙা, পথাৰৰ মজা খোৱা পোকৰ দৰব, বাসন্তী-মনেশ্বৰৰ প্ৰেম, বুবুলৰ পৰীক্ষা বা ৰঙাইৰ ডিঙিৰ বেমাৰ আৰু কত কি? অলপ দূৰ কেইঘৰমান পাৰ হৈয়েই সি আৰু এখন চাং মন কৰিলে। এয়েই সি প্ৰথম পৰিবৰ্তন দেখা পালে, আৰু এখন ডেকা চাং। মানে গাঁৱত ইতিমধ্যে আৰু অনেক ল'ৰা ডেকা হৈছে। এখন চাঙত নোজোৰা হৈছে। অমৃতৰ মনতে অলপ সন্দেহো হ'ল, ডেকা ল'ৰা বাঢ়িছে, নে সকলোৰে একেলগে একেখন চাঙত বহিব নোৱাৰা হৈছে। তথাপিও চাং তাৰ বৰ মৰমৰ। তাৰ ব্যক্তিগত মানসিক উৎকৰ্ষৰ লগত জড়িত হৈ থকা চাংখনত তাৰ এবাৰ বহি চাবৰ মন গ'ল। এহ্ নালাগে এতিয়া ইতিমধ্যেই বহু পলম হৈ গৈছে। পিছে-পৰেও মন-ভৰি বহিব পাৰিব। এতিয়াতো উভতিব নোখোজাকৈ সি একেবাৰেই গাঁৱলৈ ঘূৰি আহিছে।

ঘৰৰ পদূলি পাই সি মন কৰিলে সিহঁতৰ সৰু ঘৰটো প্ৰায় নিতাল মাৰি আছে। ঘৰলৈ সোমাই আহি দুৱাৰখন দুৱাৰমান হেঁচা দি স্বাভাৱিকভাৱে অমৃতে মাত লগালে "পিতাই, পিতাই। পিতাই শুলি নেকি?" অলপ সময় সাৰ-শব্দ নুশুনি সি আকৌ মাত দিলে "মইনা, মইনা। পিতাই, শুলি নেকি?" একো উমান নাপায় সি ঘৰৰ কাষেদি পিছফালে আহিল। পিছফালে অলপ দূৰত কুঁৱাটোৰ পাৰত চোন মইনাই বাল্টিৰ পৰা পানী লৈ লৈ কাঁহি-বাতি ধুই আছে। কাষত এটা টিমি্ক-টামাককৈ জ্বলি

থকা চাকি। তাৰ মনটো অকণমান বেয়া লাগিল। সি ঘৰ এৰি যাওঁতে তাৰ ভায়েক মইনা ছয় কি সাত বছৰ, এতিয়া দহ-এঘাৰ বছৰীয়া হৈছেহি। মাক সিহঁতৰ সৰুতে ঢুকাইছে। দুটা ল'ৰাৰে সৈতে বাপেকে নিজেই কষ্ট কৰি আজি অত বছৰে সিহঁতক ডাঙৰ কৰিছে। বাপেক দীননাথে কথা কম কয়, প্ৰায়েই নকয়, কেৱল দৈনন্দিন কামসমূহ নিয়াৰিকৈ কৰি যায়। মাক মৰাৰ পিছত অনেক গাঁৱৰ আৰু আত্মীয় লোকে বাপেকক আকৌ বিয়া কৰাবলৈ জোৰ কৰিছিল। আকৌ বিয়া কৰাব পৰাকৈ বাপেক অৱশ্যে ডেকাই আছিল। কিন্তু যি কোনো কাৰণত মিতভাষী দেউতাকে বিয়া নকৰালে। আৰু আজিকোগতি ল'ৰাকেইটাৰ বাবেই সকলো নিজেই কৰি গ'ল। ল'ৰাকেইটা বুলিবলৈ ডাঙৰ ল'ৰা অমৃততো আজি চাৰি বছৰমান নায়েই। হায়াৰ চেকেণ্ডাৰী পাছ কৰি ওচৰৰ কলেজত বি. এ.ত নাম ভৰ্তি কৰাৰ কেইদিনমান পিছতেই সি হঠাৎ এদিন যি নাইকিয়া হ'ল হ'লেই। ইমান ভালদৰে ৰিজাল্ট কৰা অমৃতক লৈ গাঁৱৰ মানুহে, বাপেকে, ভায়েক মইনাই কিমান যে আশা নকৰিছিল। কিন্তু সেই যে গ'ল গ'লেই, কোনো খবৰ নাই। আজি ইমান দিনৰ মূৰত হঠাৎ আহি ওলাইছেহি নিজৰ ঘৰ বুলি। টিম্‌কি-টামাকৈকৈ জ্বলি থকা চাকিটো কাষত লৈ গুণগুণাই কিবা এটা আওৰাই মইনাই কাঁহি-বাতি ধুই আছে। অমৃত আগবাঢ়ি আহি ভায়েকৰ পিছফালে থিয় দিলেহি। কেনেকৈ তাক মতা যায়। হঠাৎ দেখিলে চক্ খাই চিঞৰি উঠিব পাৰে। স্কুলৰ প্ৰাৰ্থনা "তুমি চিত্ত বৃত্তি মোৰ" গুণগুণাই মইনাই কাঁহি-বাতি ধুই আছে। মইনাই যি প্ৰাৰ্থনাটো গাই আছে সেইটো সি বুজিব পাৰিছে। মহাত্মা গান্ধীৰ উদ্ধৃতি দি সিহঁতক মাকে সৰুতে শিকাইছিল ৰাতি-বিয়লি ভয় লাগিলে প্ৰাৰ্থনা কৰিব লাগে, মনত বল পোৱা যায়। ইমান আপোনমনে মইনাই পদটো গাই কাম কৰি আছে যে পিছফালৰ পৰা মাত দিবলৈ অমৃতৰ মন নগ'ল। এনেতে মইনাই আকৌ কুঁৱাৰ পৰা পানী তুলিবলৈ বুলি উঠোতেই হঠাৎ অমৃতক দেখা পালে। মইনাই দেখা পোৱাৰ লগে লগে অমৃতে মাত লগালে —

ঃ মইনা, ভয় নকৰিবি। মইহে, মই —

হাতৰ বাল্টি হাততে লৈ অলপ সময় মইনাই অমৃতলৈ একো নোকোৱাকৈ একেথৰে চাই ৰ'ল।

ঃ ককাইদেউ নহয় নে? স-বিস্ময়ে মইনাই যেন মুখৰ ভিতৰতে ক'লে।

ঃ হয়, মই!

আকৌ অলপ সময় একেদৰে কুঁৱাৰ পাৰটোত হাত দি একেথৰে অমৃতলৈ মইনাই চাই থাকিল। অলপ বৈয়েই আচম্বিতে এটা আচৰিত প্ৰশ্ন কৰিলে অমৃতক,

ঃ ককাইদেউ, ভাত খাই আহিছা?

অমৃত অৱশ্যেই আচৰিত হ'ল। এই মুহূৰ্তত অপ্ৰাসঙ্গিক অথচ ডাঙৰ প্ৰশ্নটোৰ পৰাই বুজিব পাৰিলে যে ভায়েক মইনা সচাঁকৈয়ে ডাঙৰ হৈছে। অকল ডাঙৰ হোৱাই নহয়, দেউতাকৰ লগত অকলে ঘৰ চলাব লগা হোৱা মইনা অভিজ্ঞও হৈছে।

খাই-বই বাহি হোৱা ভাতকেইটাত তেতিয়াও পানী ঢলা হোৱা নাছিল। ঘাইকৈ হাল থকা দিনবোৰত আগদিনাই সবহকৈ ভাত ৰান্ধি বাহি ভাতত পানী ঢালি ৰখাটো প্ৰায়বোৰ ঘৰৰে নিয়মৰ দৰে। পিছদিনা সেই পঁইতা ভাতৰ লগত পিঁয়াজ, আদা বা শুকান মাটি মাহ আদি দি হালোৱালে জলপান নিয়া হয়। পানী ঢালিবলৈ অলপ ভাত ৰাখি বাকীকেইটা মইনাই অমৃতক বাঢ়ি দিলে। ভাত খাই খাইয়ে অমৃতে সুধিলে,

ঃ পিতাইৰ বোলে গা বেয়া। কালিলৈ হাললৈ যাব পাৰিবনে?

ঃ নগ'লে কোন যাব? তই গম পালি ক'ত?

ঃ দলঙৰ কাষত।

ঃ একেবাৰে হাললৈ যাব নোৱাৰাকৈ গা অৱশ্যে বেয়া নহয়। পিতাই অলপ আগতে শুইছে।

একেখন চালপীৰাতে অমৃত আৰু মইনা দুয়ো শুলে। অলপ পিছতেই মইনাৰ টোপনি আহিল। অমৃতৰ অৱশ্যে টোপনি অহা নাই। অলপ সময় যে ফট্‌ফটীয়া জোনাক ভিতৰত থাকিয়েই গম পাব পাৰি। অমৃতে মইনাৰ মুখখনলৈ চালে। বেচেৰা ভাগৰত বোধহয় শুইছে। তাৰ হঠাৎ মনত পৰি গ'ল ৰত্নেশ্বৰ দেদাইৰ কথা। ট্ৰাকৰ পৰা নামিয়েই দলঙৰ কাষত দেদাইক সি বাপেকৰ কথা সুধিছিল। কিন্তু দেদায়েকে তাক চিনি পায়েই হঠাৎ কিয় বহাৰ পৰা উঠি গৈছিল। ভয় আৰু সম্ভ্ৰম কৰি অত্যাধিক সমীহেৰে কিয় তাৰ প্ৰশ্নৰ উত্তৰবোৰ দিছিল? গাঁৱৰ অন্যান্য মানুহবোৰেওতো তাক ধৰিব পাৰিছে — মানুহবোৰেওনো তাক কিয় নুসুধিলে "এইটো আমাৰ ৰবমইনা নেকি অ" বা — "এইটো আমাৰ দীনৰ ডাঙৰ ল'ৰাটো নহয়নে?" কিন্তু কোনেওতো তাক একোকে নুসুধিলে। বৰং ৰত্নেশ্বৰ দেদাইৰ লগতে আন সকলোৱে মাছ বেচা বাদ দি কেৱল উৎকণ্ঠিত আৰু সন্ত্ৰস্ত বদনে চাই আছিল তালৈ, তাকো বহাৰ পৰা থিয় হৈ। অস্বস্তিত তাৰ অশান্তি লাগি গ'ল। সি মইনাৰ মুখলৈ চালে। ক্লান্ত মইনা বোধহয় টোপনিত। তাৰ নিজৰ আঙুলিত ধৰি ডাঙৰ কৰা, অনবৰতে লগত লৈ থকা মইনা আজি তাক ভাত বাঢ়ি খুৱাব পৰা হ'ল। মইনালৈ তাৰ মৰম লাগি গ'ল। কিন্তু হঠাৎ আকৌ মনত পৰিল ইমান দিনৰ মূৰত প্ৰথম দেখাৰ পিছতেই সি হঠাৎ এটা অদ্ভুত প্ৰথম প্ৰশ্ন কৰিছিল "ককাইদেউ, ভাত খাই আহিছ?" আৰু অনেক প্ৰশ্নইতো তাৰ প্ৰথম প্ৰশ্ন হোৱাৰ যুক্তি আৰু প্ৰাসঙ্গিকতা আছিল। কিন্তু এই শেষ প্ৰশ্নটো মইনাৰ প্ৰথম প্ৰশ্ন হ'ল কিয়? অমৃত আৰু ৰ'ব নোৱাৰিলে, লাহেকৈ ভায়েকৰ গাত ধৰি মাত লগালে,

ঃ মইনা? মইনা শুলি নেকি?

মইনাৰ ভালদৰে টোপনি অহা নাছিল। চকু মুদি মুদিয়েই মইনাই উত্তৰ দিলে—

ঃ ওঁ, কি হ'ল। অলপ বৈ ক'লে – তোৰ টোপনি অহা নাই?

ঃ নাই অহা, কিন্তু তই মোক এটা কথা কচোন, তই মোক প্ৰথমেই কিয় সুধিলি — মই ভাত খাই আহিছোঁনে নাই?

ঃ কিয়?

ঃ তইতো মোক প্ৰথমে আন প্ৰশ্নও কৰিব পাৰিলিহেঁতেন?

ঃ নাই, এনেয়ে। এনেয়ে সুধিলোঁ। ওপৰলৈ মুখ কৰি থকা মইনাই চকু মুদিয়েই উত্তৰ দিলে।

ঃ এনেয়ে কেতিয়াও নহয়। তই আজিকালি বহুত ডাঙৰ হৈ গৈছ। মই জানিছোঁ মইনা, তই নিশ্চয় কিবা এটা ভাবিয়েই সুধিছ।

মইনাই একো নামাতি বাগৰ সলাই অলপ পৰ মনে মনে ৰ'ল। তাৰ পিছত অলপ গহীন হৈ লাহে লাহে কৈ গ'ল,

ঃ মই মানে তই এতিয়াই ক'ৰবালৈ আকৌ গুচি যাবিগৈ বুলি ভাবিছিলোঁ। গতিকে বোলো বেগাবেগিকৈ ভাতকেইটাকে খাই যা।

অমৃতৰ বুকুত কিহবাই খুন্দা মাৰি ধৰিলে। অলপ সময় একেদৰে শুই থকা ভায়েকৰ লগতে তাৰ পিনলৈ মুখ কৰি অমৃতে আকৌ বাগৰ দিলে। আৰু অলপ সময় বৈ কাতি হৈ সিমুখ কৰি থকা মইনাৰ গাত হাত দি সুধিলে,

ঃ মইনো ক'লৈ যাম বুলি ভাবিছিলি?

ঃ নাজানো। তই কিবা আমাক কৈ ঘৰৰ পৰা নাইকিয়া হৈছিলিনে? পিতাইকতো কৈ যাব পাৰিলিহেঁতেন।

অমৃতে সিহঁতৰ বেজাৰ বুজি পায়। কোনো উত্তৰ নিদি মইনাৰ গাতে হাতটো ৰাখি মনে মনে ৰ'ল। মইনাও নীৰৱ। অলপ সময়ৰ পিছতে তাৰ বুকুৰ মাজলৈ মইনাৰ পিঠিখন জোৰেৰে দুই হাতেৰে টানি অমৃতৰ বুকুৰ মাজত মইনাৰ সৰ্বশৰীৰ যেন ভৰাই ল'লে। মইনাৰ ঠিক কাণখনৰ ওচৰতে মুখখন লগাই লাহে লাহে অথচ স্পষ্টকৈ সি ক'লে —

ঃ মইনা, মই আৰু নাযাওঁ। এতিয়া ইয়াতেই তহঁতৰ দৰে তহঁতৰ লগতে থাকিম। একেবাৰে।

হাল বাই থাকোঁতে দীননাথক একেটা চিন্তাই অনবৰতে আচ্ছন্ন কৰি ৰাখিলে। পুৱা গৰু মেলোঁতেই মইনাই বৰমইনা অহাৰ খবৰটো দিছিল। কিন্তু সি বোলে একেবাৰেই আহিছে। দীননাথৰ সকলো ব্যক্তিগত আশা চুৰমাৰ কৰি সি আজি কেবা বছৰো নাই। কিন্তু এতিয়া আকৌ ই এনেদৰে আগৰ দৰে থাকিব পাৰিবনে? "মোৰ লগত থাকি মোৰ ল'ৰাই মোক সহায় কৰিব" কথাটো ভাবিবলৈ গৈয়েই দীননাথ থমকি ৰ'ল। নাই, দীননাথে আৰু একোকেই আশা কৰিব নোখোজে। একমাত্ৰ ভাবিব পাৰে, যি হ'ব লগা আছে হৈ থাকিব। এনেতে কাষৰ মাটি ডৰাত নাঙল ধৰিয়েই সৰুধনে চিএৰি চিএৰি সুধিলে,

ঃ হয়নে ককাই, ই বৰমইনা আহিছে বোলে?

ঃ আহিছে। দীননাথে গম্ভীৰ হৈ উত্তৰ দিলে।

এনেয়ে দীননাথ গহীন। আৰু গহীন হৈ উত্তৰটো দিয়াত সকথনে আৰু কথা বঢ়াব নুখুজিলে। পুৱা বাঢ়ি অহাৰ লগে লগে লাহে লাহে গোটেই পথাৰ পথৰুৱাৰে ভৰি পৰিল। মাটিত বোকা দিয়া, ভূঁই বোৱা, বোকা দিয়া মাটিৰ জাবৰ সুৰি দিয়া, কঠীয়া কঢ়িয়াই অনা বা পথৰুৱাক জলপান দিবলৈ অহা ইত্যাদি ভিন ভিন মানুহেৰে পথাৰ প্ৰায় ভৰি পৰিল। কথাটো বাগৰিবলৈ অকণো সময় নালাগিল। ভিন ভিন ঠাইৰ বেলেগ বেলেগ জুমৰ মাজত এতিয়া কেৱল ৰৰমইনাৰ আলোচনা। সি চাগৈ এতিয়া চফল ডেকাটো হৈছেহি — কাষিদে বুঢ়ীয়ে আপোনা-আপুনি ক'লে। এনেতে কাবৰ মাটি ডৰাতে ধান ৰুই থকা চম্পাই হঠাৎ চিঞৰি ক'লে—

ঃ ঐইঁত, সৌটো চা। সেই আলিয়েদিয়েই গৈ আছে। বাপেকক জলপান দিবলৈ।

সকলোৰে চকু ৰৰমইনাৰ ওপৰত থৰ হ'ল। লাহে লাহে আহি অমৃত বাপেকৰ ওচৰ পালেহি। আলিটোৰ ওপৰতে জলপানৰ টোপোলাটো থাখি সি বাপেকলৈ মন কৰিলে। এবাৰত সি বাপেকক মাত লগালে "পিতাই"। বাপেকে একো নামাতিলে। আলিত বৈ থাকোঁতে বাপেকে তাক দেখিছিলে প্ৰথম। প্ৰথম আজি কহদিনৰ মূৰত। অমৃতৰ গোটেই শৰীৰটোলৈকে বাপেকে চালে। মাটিডৰাত পাকটো সম্পূৰ্ণ কৰি গৰুহাল ৰখাই হাত দুখন পথাৰৰ পানীৰে ধুলে। আৰু জলপান খুলি খাবলৈ বহিল। অমৃতে বুজিব পাৰিছে বাপেকে তাক কিয় ভালদৰে মতা নাই। এই দীৰ্ঘ দিন ধৰি ডাঙৰ পুতেকৰ ওপৰত হোৱা অভিমানৰ গুৰুত্ব আৰু মূল্য সি যেন ভালদৰে বুজিব পাৰিছে।

ঃ গা ভাল পাইছ পিতাই? অমৃতে বাপেকৰ লগত কথা পাতিব খুজিলে।

কেৱল মূৰ দুপিয়াই মাত্ৰ বাপেকে উত্তৰ দিলে। অমৃতে বুজিব পাৰিলে যে কথা নক'ৰৰ বাবেই বাপেকে এনেদৰে উত্তৰ দিছে। কাৰণ মদগজ বাপেকটোৰ ভগ্নপ্ৰায় শৰীৰ দেখিয়েই সি বুজিব পাৰিছে বাপেকৰ স্বাস্থ্য। জলপান খাই থকা বাপেকলৈ সি চালে। তাৰ পিনে মুখ নকৰাকৈ বাপেকে মনে মনে জলপান খাই আছে। কিছু সময় এনেয়ে নীৰৱে থাকি সি গৰুহালৰ ওচৰলৈ গ'ল আৰু নাঙলটোত হাত দিলে। "হেই ঘূৰ" বুলি কোৱাৰ লগে লগে গৰুহাল নিৰ্ধাৰিত সীৰলুত থপ্‌থপকৈ পানীত শব্দ কৰি আগবাঢ়িব ধৰিলে। কেবাবছৰৰ অনভ্যাস যদিও পূৰ্বৰ অভ্যাস থকা বাবে সাধাৰণভাৱে হাল বাই যোৱাত তাৰ একো অসুবিধা নহ'ল।

জলপান খাই দীননাথ কিছুসময় আলিটোৰ ওপৰতে এনেয়ে কিছুপৰ বহি থাকিল। হাল বাই থকা এবাৰ ওচৰ চপা আৰু আনবাৰ আঁতৰি যোৱা পুতেকলৈ দীননাথে ভালদৰে চালে। স্বাস্থ্য বৰ এটা ভাল হোৱা নাই যদিও সি ডেকা হৈছে। আটিল হৈছে। যৌৱনৰ এটা জ্যোতি তাৰ গোটেই শৰীৰটোৰ চৌপাশে পুৱাৰ ৰ'দত চিক্‌মিকাইছে। নাঙলৰ মুঠিৰ খামোচ আৰু পানীত পেলোৱা ভৰিৰ দৃঢ় খোজ, — দীননাথে আৰু বেছিকৈ নাচালে। দুয়োখন হাতেৰে মুখখন ঢাকি মোহাৰি লৈ বহাৰ পৰা

উঠিল আৰু একো শব্দ নকৰাকৈয়ে পুতেকৰ পৰা নাঙলটো ধৰিলেহি।

এইবাৰো একোকে নামাতি দীননাথে গৰু হাল খেদি দিলে। নাঙলটোৰে মাটিডৰাত দুপাকমান মৰালেকে অমৃত একেদৰে পথাৰৰ মাজত থিয় হৈ ৰ'ল। বাপেকৰ লগত আকৌ কেনেদৰে কি লৈ কথা আৰম্ভ কৰিব সি যেন ভাবি উলিয়াবই পৰা নাই। তথাপিও এপাকত বাপেক তাৰ ওচৰ পোৱাত অত্যন্ত সাধাৰণভাৱেই অমৃতে ক'লে —

ঃ পিতাই মই আহিলোঁ নহয়।

বাপেকে একো নামাতি গৰুহাল খেদি গৈয়েই থাকিল। অমৃতো তেনেদৰেই ৰ'ল। অলপ সময়ৰ পিছতেই ঠিক অমৃতৰ ওচৰতে বাপেকে আহি গৰুহাল ৰখালে। এচাৰিডাল বোকাত খুচি অমৃতলৈ চাই ক'লে —

ঃ তই জানো ইয়াত একেবাৰে থাকিব পাৰিবি? কথাটো ভাবি চাবি।

পথাৰৰ পানী খলকি খলকি আহি সি গৰু-বাটটোত উঠিলহি। বাপেকৰ কথাটোৰ অনুৰণন কাণত বাৰে বাৰে প্ৰতিধ্বনিত হৈ থকা অমৃতে কথাটো আকৌ এবাৰ ভাবিলে। সঁচাকৈয়ে সি ইয়াত একেবাৰে থাকিব পাৰিবনে? হয়, প্ৰচণ্ড সংশয় আৰু দ্বিধাৰ দোমোজাত সি শেষৰ পিনে বহু দিন বহু ৰাতি কটাইছে। বিভিন্ন কাৰণত এই দ্বিধাগ্ৰস্ততাই তাৰ সামগ্ৰিক সত্তাকেই গ্ৰাস কৰিব ধৰিছে। অমৃতে এইটোও ভালদৰে জানে যে বৰ্তমানৰ স্থিতি তাৰ বাবে যি কোনো অৱস্থাত নিৰাপদ নহ'বও পাৰে। এস্, অলপ সময় ভাবি সি হঠাৎ বৈ গ'ল। ইমান ভবাৰ কিয়েই বা যুক্তি আছে? সি মুৰটো জোকাৰিয়েই সকলো দুঃশ্চিন্তা আঁতৰাব খুজিলে। সমুখৰ মুকলি পৰিবেশ, গাঁও, পথাৰ, মাছ, বোকা, মানুহ, বাপেক, মইনা এই সকলোবোৰবে নতুন সংসৰ্গত অমৃতৰ এতিয়া এটা সহজ ইংগিত দিন। অমৃত বটগছজোপাৰ তলতে অলপ ৰ'ল। উঠি অহা ৰ'দৰ পোহৰত মুকলি পথাৰ এতিয়া অধিক মুকলি। গোটেই বিস্তীৰ্ণ পথাৰখনত সিঁচৰতি হৈ থকা পথৰুৱাৰ দল। তাৰ হঠাৎ নিৰুলৈ মনত পৰি গ'ল। নিৰু। নিৰু এতিয়াও একেদৰেই আছে। একেদৰে। কোনো কথা নোকোৱাকৈ, কোনো সিদ্ধান্ত নোলোৱাকৈ আৰু কোনো আপত্তি নকৰাকৈ। জলপান লৈ যাওঁতেই ভূঁই ৰুই থকা নিৰুক সি দেখিছিল। নিৰুৱেও তাক দেখিছে। অমৃত অলপ বৈছিল। কিছু সময় নিৰুৱে হাতৰ কঠিয়া হাততে ৰাখি তাক চাইছিল, হয়তো খুব কাতৰভাৱে। তাৰ পিছত আকৌ সেই একেদৰেই, অভিযোগহীনভাৱেই চাপৰি ভূঁই ৰুবলৈ আৰম্ভ কৰিলে। সি কাকো সুধিব নোৱাৰে, নিৰুৰ কিয় বিয়া হোৱা নাই, নিৰু কিয় বৈ আছে বা কালৈ বৈ আছে। আনকি নিৰুকো।

স্কুললৈ বুলি আহি থকা ঘনশ্যাম মাষ্টৰ তাৰ কাষেদিয়েই পাৰ হৈ গ'ল। সি হঠাৎ মাত লগালে "খুৰাদেউ"। অপ্ৰস্তুত হোৱাৰ দৰে ঘনশ্যাম চাইকেলৰ পৰা নামিল।

ঃ অ' আমাৰ অমৃত।

ঃ হয় ; স্কুললৈ যায়?

ঃ এৰা অ', পলমেই হৈ গ'ল। যাওঁ দে।

ঘনশ্যাম মাষ্টৰ লৰালৰিকৈ চাইকেলত উঠি গ'লগৈ। সি কিছু সময় ঘনশ্যামলৈ চাই ৰ'ল। কেঁকুৰি ঘূৰি অদৃশ্য নোহোৱালৈকে ঘনশ্যামে উলটি নাচালে।

অসহজ প্ৰাৰম্ভিক পৰিবেশতেই লাহে লাহে তাৰ সহাৱস্থান স্বাভাবিক হৈ আহিছে যদিও প্ৰায় সকলো পৰিস্থিতিতেই তাৰ উপস্থিতি উদ্ভুত অস্বাভাবিক কোনো কোনো সময় অমৃতৰ নিজৰ বাবেও মাজে মাজে বৰ অস্বস্তিকৰ হৈ পৰে। অতীতৰ সংগোপন স্মৃতিয়ে তাক হঠাৎ আমনি কৰিব খোজে। মাজে মাজে অমৃতৰ এনেহেন ভাব হয় যেন সি গোটেই পৰিবেশটোতে অনভিপ্ৰেত বিষয়। এই কেইদিন সি গাঁৱৰ ইফাল-সিফাল ঘূৰিছে। আগতে সি যেনেদৰে ইঘৰ-সিঘৰ ফুৰিছিল তেনেদৰে এতিয়া ঘূৰিব পৰা নাই যদিও সকলোৰে লগত পূৰ্বৰ সেই আত্মিক পৰিবেশ ঘূৰাই আনিবলৈ সি অন্তঃকৰণেৰে চেষ্টা কৰিছে। ঘপক্‌কৈ এটাৰ পৰা আনটো অৱস্থালৈ যাবলৈ যথেষ্ট সময় ল'ব, সেইটো সি বুজে। তথাপিও আজি এমাহেও তাৰ উপস্থিতি অসহজ হৈয়েই ৰৈছে। সি য'লৈকে গৈছে তাতেই যেন তাৎক্ষণিকভাৱে পৰিবেশ গহীন হৈ পৰে। মুকলিভাৱে হাঁহি হাঁহি বা চিঞৰিয়াচ হৈ দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ কথা পাতি থাকোঁতে যদি সি ডেকাচাঙৰ ওচৰ পায়হি তেতিয়াই এক অস্বাভাবিক কৃত্ৰিমতা নামি আহে গোটেই চাংখনলৈকে। নামঘৰত মাহ-প্ৰসাদৰ পাত আগত লৈ হৈ থকা স্বাভাবিক খেলৰ বাদ-বিবাদ নিমিষতে অন্ত পৰে অমৃত গৈ উপস্থিত হোৱাৰ লগে লগে। পৰিস্থিতি স্বাভাবিক কৰিবলৈ অমৃতে অনেক কষ্ট কৰে। অনেক সময়ত সি সকলো বিষয়বস্তুতে যোগ দিবলৈ যত্ন কৰিছে ; যিটো তাৰ পুৰণি অভ্যাস। কিন্তু এতিয়া গোটেই কথাটোৱেই অন্য ধৰণৰ। এতিয়া অমৃতে যেতিয়া কথা কয় তেতিয়া সকলোৱে কেৱল শুনে। কিন্তু সি যেতিয়া শুনিব খোজে কোনেও প্ৰায়ে নকয়। যিকেইজনে কয় তাকো অস্বাভাবিক সংযম আৰু নিৰাপদ দূৰত্ব ৰক্ষা কৰি। সি অস্বস্তি পায়। সি বিষয়বোৰ লৈ বিতৰ্ক কৰিব খোজে, যিটো আগেয়ে সিহঁতে সদায় কৰিছিল। কিন্তু এতিয়া সি যিটো কয় সেইটোকেই সকলোৱে মানি লয়। পৰীক্ষাৰ ফৰ্ম ভৰ্তিৰ বাবে অলপতে সি ওচৰৰ কলেজখনৰ পৰা আহিল। ফৰ্ম ভৰ্তিৰ দিন কিছু দিন আগেয়ে উকলি গ'লেও প্ৰিন্সিপালকে আদি কৰি আন আন কৰ্মচাৰী সকলোৱে "হৈ যাব, চিন্তা কৰিব নালাগে" বুলি অত্যন্ত আগ্ৰহ আৰু সম্ভ্ৰম দেখুৱাইছিল।

তথাপিও সি লাহে লাহে গাঁওখনৰ লগত মিলিব পৰাকৈ নিজৰ দৈনন্দিন কাম-কাজ কৰি গৈছে। বাপেকৰ অসুখ লাহে লাহে বেছি হোৱাত মাজে মাজে পথাৰলৈ হাল লৈ যাব লগাও হৈছে। অমৃতক পথাৰত হাল বাই থকা দেখিলে অন্যান্য হালুৱে

আৰু পথৰুবাই পদ, ঘোষা, বিহুগীত, বনগীত আদিৰে মুখৰিত কৰি থকা পথাৰ কিছু গোমা হৈ পৰিছিল। অমৃতে মনৰ ভিতৰত দুখ পালেও চেষ্টা এৰা নাই মূল সুঁতিৰ ধাৰৰ লগত পুনৰ চামিল হোৱাৰ। গোটেই অৱস্থাটোত সি এতিয়া ভায়েক মইনাৰ বাহিৰে কাৰো লগতে সুষম সংযোগ কৰিব নোৱাৰে বা পৰা নাই। কেৱল মইনাইহে যেন তাক কিছু বুজিব পাৰিছে। অমৃতৰ দ্বিধা, সংশয়, নিঃসঙ্গতা আৰু একাকীত্বত এতিয়া মইনাই একমাত্ৰ আশ্ৰয়।

বাপেকৰ লগত তাৰ কথা-বতৰা কমেই হয়। দিনৰ দিনটো পথাৰত কাম কৰি দুপৰীয়া ভাত খাই অলপ বাগৰ দি আবেলি আকৌ জালখন লৈ বাপেক ওলাই যায় মাছলৈ বুলি। হাল সলাই দিয়াৰ উপৰিও কেতিয়াবা নৈত জাল মাৰিবলৈও সি বাপেকৰ লগত যায়। কিন্তু সেই যে গহীন বাপেক, গহীনেই। কাচিৎ দুই-এটা কথাৰ বাহিৰে ওৰে সময় মনে মনে থকাটোৱেই পচন্দ কৰে বেছি। মাজে মাজে অমৃতেও কথাটো ভালদৰে বুজিব নোৱাৰে। বাপেকৰ গহীন আচৰণ দেখি সি প্ৰকৃততে অনুমান কৰিব নোৱাৰে আচলতে বাপেকে কি ভাবি থাকে। কেতিয়াবা তাৰ ধাৰণা হয় তাৰ ওপৰত প্ৰচণ্ড অভিমানজনিত ক্ষোভ বাপেকৰ মনত পুঞ্জীভূত হৈ আছে, বা তাৰ বিষয়ে বাপেকে সকলোবোৰ জানে অথবা একোৱেই নাজানে আৰু জানিবৰো আগ্ৰহ নাই। তথাপিও কথা নক'লেও বাপেক যে নিৰ্লিপ্ত নহয় সেইটো সি খাটাংকৈ বুজি পায়। সি বুজি পায় যে মনে মনে থাকিলেও বাপেক ডুবি আছে প্ৰচণ্ড চিন্তাৰ মাজত।

কথাটো সি তেতিয়াহে আৰু ভালদৰে বুজি পালে যেতিয়া বেছ ডাঙৰ মাছ এটা সিহঁতৰ জালত লাগিল। জালখন পেলাই দুয়োমূৰে লাহে লাহে টানি আছিল বাপেক-পুতেক দুয়ো। জালৰ টান দেখিয়েই বুজিব পাৰি বাপেকে সৰুকৈ অমৃতক ক'লে — 'মাছ অলপ ডাঙৰ হ'ব পাৰে। ভালকৈ টানি ধৰিবি।' প্ৰায় দহ মিনিটমান সময় সন্তৰ্পণে আৰু নিৰ্দিষ্ট এক কায়দাৰে দুয়ো টানি টানি যেতিয়া শেষৰ পিনলৈ জোৰকৈ পাৰলৈ জালখন টানি আনিলে তেতিয়া ডাঙৰ মাছ এটা জালত লাগি থকা দেখা পালে। পাৰৰ মাটি পায়েই মাছটোৱে বিভিন্ন ধৰণেৰে চেঙালুটি মাৰিব ধৰিলে। জালখন এমূৰৰ পৰা কোঁচাই আনে মানে মাছটোৱে ধৰফৰ্ কৰি ইঠাইৰ পৰা সিঠাইলৈ জাঁপ মাৰিবলৈ ধৰিলে। মুখেৰে এটাও শব্দ নকৰাকৈ সাৱধানে কৰি থকা বাপেকৰ এই গোটেই প্ৰক্ৰিয়াটো মনে মনে চাই থাকিল অমৃতে। সি মাছটোৰ গতি-বিধি আৰু ধৰফৰণি লক্ষ্য কৰি আছে — একাগ্ৰমনে জালখন কোঁচাই আনি আনি বাপেকে এহাতে ধৰি আনখন হাতেৰে জালৰ গাঁঠিবোৰ একেবাৰই ধৰিলে। অকলে বাপেকৰ অসুবিধা হোৱাত অমৃতেও মাছৰ গাৰ পৰা জালখন একৰাবলৈ যত্ন কৰিলে। এইবাৰ বাপেকে কেৱল মাছটোৰ মূৰত ধৰি থাকিল লৰচৰ কৰিব নোৱাৰাকৈ। অমৃতে জাল একৰালে। অলপ সময়ৰ পিছতেই মাছটো জালৰ পৰা মুকলি হ'ল। লগে লগে মাছটোৱেও মুকলি হ'লো বুলি ভাবি গোটেই কিছাখনেৰে ইমান জোৰেৰে ছাট্ এটা মাৰিলে যে সাৱধানে দুইখন হাতেৰে জোৰ দি ধৰি থকা বাপেকৰ হাতৰ পৰাও মাছটো খপ্‌কৈ

ওলাই পৰিল। ওলাই পৰাৰ লগে লগে অভ্যস্ত হাতেৰে বাপেকে মাছৰ মূৰটোত ধৰি আকৌ জোৰেৰে এৰাই এইবাৰ মাটিৰ লগত সমানে হেঁচি ধৰিলে। মাছটো আৰু এইবাৰ যাব নোৱাৰিলে। গোটেই গাটোৰে ফিছাখন জোৰেৰে লৰাই লৰাই ধৰফৰাবলৈ ধৰিলে। মাছটোৰ মুক্তিৰ এই আকুল প্ৰচেষ্টাক আৱন্তণিৰ পৰা মনে মনে চাই থকা অমৃতৰ মুখৰ পৰা আপোনা-আপুনি ওলাই আহিল — 'ইস্'।

'ইস্' শব্দটোত বাপেকে অমৃতলৈ চালে। অমৃত আৰু বাপেক দুয়োৰে চকুৰে চকুৰে পৰিল। অত দিনৰ মূৰত বাপেকে এইবাৰহে যেন পুতেকক ভালকৈ দেখা পালে। মাছটোৰ গালেদি তমালপাত ভৰাই তমালৰ দুই মূৰ পকাই পকাই বাপেকে ক'লে,

'মাছবোৰৰ ধৰফৰণি দেখিলে আজিকালি মোৰো মনটো সেমেকে।' অমৃতে একো উত্তৰ নিদিলে। বাপেকে আকৌ আৰম্ভ কৰিলে 'মাছবিলাকেতো নাজানে সিহঁতক কিয় বা কোনে মাৰিছে। মাত্ৰ জালত পৰি পৰি ধৰফৰাই মৰিছে। আমি মানুহবোৰো আজি কেইবছৰমান মাছৰ দৰেই হৈ পৰিছোঁহি। কোনে মাৰিছে, কিয় বা কি কাৰণে মাৰিছে, কেতিয়া মৰিছোঁ আমিও কোনেও নাজানো। মাথোঁ আমি মৰিহে আছোঁ!

বাপেকৰ কথাৰ অমৃতে কোনো উত্তৰ নিদিলে।

দোক্‌মোকালিতেই গাঁওখনৰ ইমূৰৰ পৰা সিমূৰলৈ হুৰা-দুৰা লাগি গ'ল। পথাৰলৈ বুলি মেলা গৰু মেলাতেই ৰ'ল, গৃহিণীহঁতৰ হাতৰ বাঢ়নি চোতালত লাগিছিলহে মাত্ৰ, গোটেই গাঁও জুৰি খবৰটো ক্ষিপ্ৰতাৰে বিয়পি পৰিল। চাৰিওপিনে হুইছেলৰ শব্দৰে গাঁও ভৰি পৰিছে। চাৰিওপিনৰ পৰা পুলিচ-মিলিটাৰীয়ে গাঁওখন ঘেৰি ধৰিছেহি। আতংকিত, চিন্তিত সকলো মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-মেথা ৰাস্তালৈ ওলাই আহিল। 'হেই চলো চলো, ফিল্ড মে চলো, সবলোক চলো' বুলি হুইছেল বজাই বজাই মুখেৰে চিৎকাৰ কৰি সকলোকে ঘৰৰ পৰা বাহিৰ কৰি চাৰিআলিৰ স্কুলৰ পথাৰলৈ খেদি নি আছে। গাঁৱৰ আনটো মূৰৰ পৰা ব্যস্ত গাঁওবুঢ়া প্ৰায় দৌৰি অহাদিয়েই আহিছে। সকলোকে বুজাই আহিছে বাটে বাটে, 'চৰকাৰী নিয়ম, কোনোবা বোলে সন্ত্ৰাসবাদী ডেকা ল'ৰা এই অঞ্চলত আছেহি। সকলোকে ভালদৰে চাব আৰু এৰি দিব। চিন্তা কৰিব নালাগে, মোৰ লগত কথা হৈ গৈছে।' গাঁওবুঢ়াই একেখিনি কথাকে বাৰে বাৰে কৈ আহিছে আৰু ৰাইজ স্কুলৰ পথাৰলৈ গৈ আছে।

বুঢ়া, তিৰোতা আৰু সৰু সৰু ল'ৰা-ছোৱালীবোৰক একালে ৰাখি আন সকলোকে স্কুলৰ পথাৰত শাৰী শাৰীকৈ থিয় কৰালে। পথাৰখন ঘেৰি চাৰিওপিনে সশস্ত্ৰ পুলিচ-মিলিটাৰী। গাঁওবুঢ়াৰ আশ্বাস সত্ত্বেও সকলো আতংকগ্ৰস্ত। শাৰী শাৰী ৰাইজৰ মাজত অস্বাভাৱিক নীৰৱতা। কাৰো মুখত কোনো শব্দ নাই। তাৰে এটা

শাৰীৰ মাজত অমৃত আৰু মইনা থিয় হৈ আছে, নিস্তব্ধভাৱে। অমৃতৰ হাতৰ আঙুলি এটাত ধৰি আছে মইনাই। অমৃত নিৰ্বিকাৰ, মইনা উৎসুক। অলপ পিছতেই পুলিচৰ এখন নতুন মাৰুতী ভান আহি ফিল্ডৰ এমূৰে ৰ'ল। এজন বিষয়া জাতীয় মানুহে গাড়ীখনতে লাগি থকা মাইকটো ফুকি ঘোষণা কৰাৰ দৰে ক'লে —

'আপোনালোকক আমনি দিয়া বাবে আমি দুখিতঃ। আপোনালোকৰ মাজতে কোনোবা আমি বিচাৰি ফুৰা মানুহ থাকিলে চিনাক্তকৰণৰ পিছত আপোনালোক আকৌ নিজৰ কামে-কাজে যাব পাৰিব।' মানুহজনে আকৌ এবাৰ একেখিনি কথাকে ক'লে। লগে লগে পুলিচ ভানখনৰ পিছ দুৱাৰ খুলি দুজন সশস্ত্ৰ সেনাই হাত আৰু চকু বান্ধি ৰখা দুজন ডেকা ল'ৰাক প্ৰায় গতিয়াই উলিওৱাৰ দৰে নমাই আনিলে। দুয়োকে শাৰী কৰি চকুৰ পতি খুলি কৰ্কশ মাতেৰে ক'লে 'দেখা, ইহা মে হেঁই ক্যা।' কৈয়েই ডেকা দুজনক মতা মানুহৰ শাৰীৰ আগেদি যাবলৈ ক'লে। ডেকা দুজন শাৰীবোৰৰ সমুখেদি লাহে লাহে যাব ধৰিলে, লগে লগে সু-সজ্জিত দুজন সৈন্য আৰু পথাৰৰ চৌদিশে ঘেৰি অন্যান্য পুলিচ আৰু সেনা-বাহিনীৰ লোক। অলপ সময়ৰ ভিতৰতেই সিহঁতৰ পৰিক্ৰমা শেষ হ'ল। মানে সিহঁতৰ চিনাকি লগৰ ল'ৰা ইয়াত কোনো নাই। আকৌ চকুত কাপোৰ বান্ধি সিহঁতক গাড়ীত তুলি দিলে। এখন এখনকৈ নিমিষতে সকলো গাড়ী গ'লগৈ।

অমৃত আৰু মইনা দুয়োৰেই কথা ক'ব পৰা নাই। দুয়ো যেন নিজ নিজ ভাগে গোটেই ঘটনাটো চিন্তা কৰি আছে। মানুহবোৰ ভগাভগি হৈ পথাৰ বা ঘৰলৈ উলটিছে। লাহে লাহে আৰু অলসভাৱে অমৃত আৰু মইনাও আহি আছে। এবাৰ হঠাৎ মইনাই অমৃতক সুধিলে — ককাইদেউ, তই ল'ৰাকেইটাক চিনি পাৱ নেকি?

ঃ ধেৎ নাপাওঁ।

ঃ তোক সিহঁতে বাৰু চিনি পাই নেকি?

ঃ মোক আকৌ কিয় চিনি পাব?

অলপ সময় বৈ মইনাই ক'লে,

ঃ নহয় দে, তই সিহঁতক চিনি পাৱ!

কথাটো ইখনৰ পৰা সিখন গাঁও বাগৰিবলৈ বেছি সময় নালাগিল। ৰাতৰি কাকতৰ মানুহেও আহি অঞ্চলটো এবাৰ চাই গ'ল। কোনোবা দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী আহি বোলে এই অঞ্চলৰ কোনো এখন গাঁৱত আছেহি। পুলিচ-মিলিটাৰীয়ে বিচাৰি ফুৰিছে। কাষৰ দুই-এখন গাঁৱত তালাচীও চলিছে।

এই সমস্ত ঘটনাৰাজি সত্বেও অমৃতে একেদৰেই থাকিবলৈ যত্ন কৰিছে। পৰিবেশটোত কেনেদৰে সহজ আৰু সুচল হ'ব পাৰে তাৰে চেষ্টা সি এতিয়াও এৰা নাই। বাপেকৰ অসুখ লাহে লাহে বেছি হোৱাত বাপেকৰ কামৰ ভাগো সি ল'ব লগা হৈছে।

মাটি কিডবা কই শেষ হৈছে, কিন্তু আন এটা সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে অমৃত। ভঁৰালৰ ধান প্ৰায় শেষ। বাপেকে মাছ মাৰিবলৈও ভালদৰে যাব পৰা নাই অসুখৰ বাবে। এই কেইদিনত ভাল ডাঙৰ মাছ পাই যদি নগদ ধন গোটাব নোৱাৰে তেনেহ'লে কাৰোবাৰ ওচৰত যে হাত পাতিব লাগিব কথাটো খাটাং। এইকেইদিন আবেলি বাপেক প্ৰায় বিছনাৰ পৰা উঠিব নোৱাৰাৰ দৰে। ওচৰৰ চৰকাৰী ডাক্তৰখানাৰ পৰা ঔষধ আনিছে যদিও ভাল পোৱা নাই। গোটেই সমস্যাটোত চিন্তিত হৈ পৰিছে মইনা আৰু অমৃত। আনহাতে স্থিতপ্ৰজ্ঞভাৱে অমৃতে গোটেই পৰিৱেশটোতে মানসিকভাৱে যুঁজ কৰি আছে যদিও মাজে মাজে সি আন্তৰিকভাৱে দুৰ্বলো হৈ পৰে। অকল নিজৰ গাঁওখনৰ মানুহেই নহয়, গোটেই অঞ্চলটোৱেই যেন তাঁলে আঙুলি টেঁৰাই আছে। সকলোৰে যেন মুখমণ্ডলত লিখা আছে 'কেৱল তোৰ বাবেই এতিয়া এনে অৱস্থা'। কি এনে অৱস্থা। গাঁৱলৈ কেৱল পুলিচ-মিলিটাৰী অহাইনে? আটাইতকৈ ডাঙৰ কথা হৈছে সমস্ত অঞ্চলটোত এই শ্বাসৰুদ্ধ পৰিৱেশৰ প্ৰভাৱ এতিয়া পোনপটীয়াকৈ পৰিছে দলঙৰ কাষত সন্ধ্যাৰ মাছ বজাৰখনত। প্ৰথমে কথাটো কোনেও মন কৰা নাছিল। সকলোৱে বিশেষ চিন্তা কৰিব লগা বুলি নাভাবিছিল কাৰণ মাজে মাজে দুই-এজনৰ মাছ আগেয়েও বাহি হয়। কিন্তু লাহে লাহে মাছ বেছিকৈ বাহি হ'বলৈ আৰম্ভ কৰিলে। পিছদিনা পুৱা আকৌ ওচৰৰ বজাৰ বা টাউনলৈ মাছ নিব লগা হৈছে। গাড়ীবোৰ ৰাতিলৈ প্ৰায় নৰখা হৈছে। নৰখাতো হৈছেই আনকি দলঙৰ ওচৰ পালেই খুব বেছি 'স্পীড'ত গাড়ীবোৰ পাৰ হৈ যোৱা হৈছে। এতিয়া কথাটো কিয় এনে হৈছে সকলোৱে বোধহয় লাহে লাহে ধৰিব পাৰিছে — কিন্তু মুখ খুলি কোনোৱে একোকে নকয় বা ক'ব নোৱাৰে। তথাপিও মাছ মাৰিবলৈ ৰাইজ গৈছে, আকৌ দলঙৰ কাষত বহিছেহি মাছ বিক্ৰীৰ আশা আৰু বাহি হৈ পৰিব পৰা প্ৰমাদ দুয়োটাকে লৈ।

মইনাৰ মতে এটা ভাল ডাঙৰ মাছ যদি জালত পৰে তেনেহ'লে অন্ততঃ কেইদিনমানৰ বাবে সকলো সমস্যাৰ অন্ত পৰিব। স্কুলত সিহঁতৰ পাটীগণিতৰ দ্বিতীয় ভাগ আৰম্ভ কৰিছে; সেইখনো আনিব পৰা যাব, বাপেকৰ ঔষধ আৰু কেইদিনমানৰ জোখাৰে চাউল। বাপেক অসুখত যাব পৰা নাই বাবে অমৃত আৰু মইনা সদায়ে আবেলি জালখন লৈ নৈলৈ যায়। সদায় মইনাৰ একেই আশা, ডাঙৰ এটা মাছ। এইকেইদিন একেৰাহে জাল বাইছে যদিও অনভ্যস্ত অমৃত এতিয়ালৈকে সফল হ'ব পৰা নাই। লগত থকা মইনা আৰু মইনাৰ আশাত সি ব্যথিত হয়। মইনাৰ অত্যাধিক আশাৰ বিপৰীতে তাৰ দিনটোৰ ব্যৰ্থতাত সি অধিক ভাৰাক্ৰান্ত হয়। সন্ধ্যা উভতি অহাৰ সময়ত মইনাই আৰু মাছৰ কথা নকয়। পিছদিনা আকৌ জাল লৈ ওলায়।

খুব সাৱধানে অমৃতে জালখন টানিব ধৰিলে। চেপা মাতেৰে মইনাক মাতিলে 'বেগে আহ'। মইনাই পানীত বিমান পাৰে খলকনি নকৰাকৈ অমৃতৰ ওচৰ পালেহি — মইনাৰ উৎকণ্ঠিত মুখাবয়ৱ আশাৰে ভাস্বৰ। কাৰো শব্দ নাই। জালখনৰ টানটোৱে মন কৰি সিহঁতে ভাবিলে ভাল মাছেই লাগিছে। লাহে লাহে সন্তৰ্পণে টানি টানি

জালখন সিহঁতে পাৰত তুলিলে। মইনাই ফূৰ্তিতে ক'ব নোৱাৰাকৈ অমৃতক জোৰেৰে সাৱট মাৰি ধৰিলে। 'আঃ, ইমান ডাঙৰ মাছ! মই নকৈছিলোঁনে ডাঙৰ মাছ এটা লাগিবই।' মাছটো সঁচাকৈ ভাবিব নোৱাৰাকৈ ডাঙৰ। গোটেই জালখন পাক লৈ মাছটো নিথৰ হৈ পৰি আছে।

দলঙৰ কাষলৈ বুলি আহি থকা বাটত মইনাই আনন্দতে ওৰে বাটটো কথা কৈ আহিছে। সন্তোষত মন ভৰি আহিছে যদিও অমৃতে মুখেৰে একো মাত নিদিয়াকৈ প্ৰকাণ্ড মাছটো পিঠিত পেলাই আহি আছে। মাছটো সাজু কৰি পিঠিত পেলাই লওঁতেই মইনাই মাছটোৰ গাত জালখন এনেয়ে মেৰাই দিছিল যাতে একেবাৰে উদং হৈ মাছটো ককায়েকৰ পিঠিত জিলিকি নাথাকে। পোনেই যাতে মাছটো চকুত নপৰে, কেনেবাকৈ যদি কাৰোবাৰ 'মুখ লাগি' যায়।

'বুজিছ ককাইদেউ, এনেকুৱা মাছ আমাৰ জালত লগাটো মোৰ মনতেই নপৰে। দুবছৰমানৰ আগেয়ে মাঘ বিহুৰ সময়ত পিতায়ে ইয়াতকৈ অলপ সৰু মাছ এটা পাইছিল। সেইটোকো ৰাইজে বৰ ডাঙৰ মাছ বুলিছিল। তেতিয়াই মোৰ মনত আছে, দুশ টকাত বিক্ৰী হৈছিল মাছটো দলঙৰ পাৰতে। এখন গাড়ী আহি মোৰ আগতেই সাউতকৈ লৈ গৈছিল।' মইনা অলপ সময় ৰ'ল। আকৌ আৰম্ভ কৰিলে 'মোৰ মতে আজিও লগে লগেই মাছ বিক্ৰী হৈ যাব। এনেকুৱা জীয়া 'তাৎকা' মাছ মানুহবিলাকে বৰ পচন্দ কৰে। মাত্ৰ দেখা পালেই হ'ল।'

অমৃতে একো হা-না নকৰি আহি আছে। মাত্ৰ মাজতে দুই-এবাৰ কান্ধ সলাব লগা হৈছে।

'মই নহ'লে এটা কামকে কৰোঁ' — মইনাই আপোনা-আপুনি ক'লে 'এই বাৰীয়েদি দৌৰি গৈ পিতাইক খবৰটো দি আহোঁ। ইমান ডাঙৰ মাছ লগা বুলি জানিলে পিতায়েও বৰ ভাল পাব। আজি গহীনৰ দোকানৰ পৰা চাউল-পাতো বাকীকৈ নিয়াৰ কথা আছিল। মই নহ'লে মানা কৰি আহোঁগে। মাছটো বেচি আমিয়েই চাউল-পাত বজাৰ কৰি লৈ যাম।'

অমৃতৰ উত্তৰলৈ মইনা নৰ'লেই। লাহে লাহে সঁজাল ধৰিব খোজা ৰোৱা ধানৰ মাজে মাজে পানী ফালি মইনা সিহঁতৰ বাৰীৰ পিনলৈ লৰ ধৰিলে। সেউজ পথাৰৰ মাজে মাজে দৌৰি যোৱা মইনালৈ চাই চাই অমৃত দলং অভিমুখে আহি থাকিল।

দলং নৌপাওঁতেই মইনা আকৌ আহি তাক লগ পালেহিয়েই। হাতত এটা মোনা আৰু শকত শলাকানিৰ এটা ভোটা। দলঙৰ এমূৰে ঠাই এডোখৰ চাই সি মাছটো কান্ধৰ পৰা নমালে। বেলি তেতিয়াও পৰা নাই। দুই-এজন মানুহে ইতিমধ্যে ভিন ভিন ঠাইত বহিছেহি। সকলোকে অমৃতৰ মাছটোৱে আকৰ্ষণ কৰিলে, সঁচাকৈয়ে বৰ ডাঙৰ মাছ। মাছটো নমাইহে অমৃতৰ অলপ ভাগৰ লাগিল। বাণ্ডাৰ গৰাইদি নামি আহি পানীত সি হাত দুখন ধুলে। চকুৱে-মুখে পানী মাৰি আকৌ উঠি আহি মাছটোৰ

ওচৰত ৰ'লহি। কাষতে মইনা।

ঃ পিতায়ে কিবা কৈছে নেকি?

ঃ পিতায়ে বৰ ভাল পাইছে। দাম-দৰ কৰি বেছি পলম নকৰি সোনকালে ঘৰলৈ যাব কৈছে।

দুখনমান গাড়ী ৰাস্তাৰ মাজেৰে পাৰ হৈ গৈছে যদিও অমৃতহঁতে সিমান মন কৰা নাই। এটা সময়ত বেলি লহিয়াই ডুব গ'ল। গাড়ীৰ পৰা কাষৰ মাছ নেদেখা হ'ল। গতিকে অমৃতে মাছটোৰ গালেদি চিলাই থোৱা তমাল পাতত ধৰি গাড়ী আহিলেই মাছটো দাঙি জোকাৰিবলৈ আৰম্ভ কৰিলে। অমৃতে মাছ জোকৰাৰ লগে লগে মইনায়ো চিঞৰ দিয়ে 'মাছ মাছ, — ডাঙৰ মাছ, জীয়া মাছ।' গাড়ী আহে আৰু পাৰ হৈ যায়। দুই-এখন গাড়ী সিহঁতৰ ওচৰলৈ গৈছিলোঁ — সিহঁতক বোলে সৰু মাছহে লাগে। এতিয়াচোন গাড়ী নোৰোৱাই হ'ল।

লাহে লাহে মাছ দাঙি দাঙি অমৃতৰ ভাগৰ লাগিবলৈ আৰম্ভ কৰিলে। ইমান ওজনৰ মাছ। ইখন-সিখনকৈ দুয়োখন হাত সলাই সলাই সি বহু গাড়ী আকৰ্ষণ কৰিবলৈ যত্ন কৰি আছে। কিন্তু এতিয়ালৈকে পৰা নাই। মইনাৰ মনটোও লাহে লাহে মৰি আহিছে। মাজতে মইনাই 'চাওঁ এইবাৰ মই দাঙো' বুলি দুবাৰমান দাঙিছে। ইমান ডাঙৰ মাছটো কোনোমতে দুইখন হাতেৰে দাঙি বুকুৰে-পেটে সমানকৈ পেলাই গাড়ী অহাৰ লগে লগে দৌৰি আগবাঢ়ি চিঞৰিছে মাছ, মাছ, মাছ — জীয়া মাছ, ডাঙৰ মাছ। গাড়ীবোৰৰ হেড্‌লাইটৰ প্ৰচণ্ড পোহৰত উদ্ভাসিত মইনাৰ আশাভৰা মুখমণ্ডলৰ হাঁহি লাহে লাহে দুখ আৰু হতাশালৈ পৰিবৰ্তন হোৱা স্পষ্টভাৱে অমৃতে দেখা পাইছে। কিংকৰ্তব্যবিমূঢ় হৈ পৰা অমৃত ভাগৰ, খং, অৱহেলা, গ্লানি এই সকলোবোৰত যেন জ্বলি-পুৰি মৰিব লাগিছে। তথাপিও সি চেষ্টা এৰা নাই। মইনাৰ হাতৰ পৰা মাছটো লৈ আকৌ আগবাঢ়ি গৈছে পোহৰলৈ, যান্ত্ৰিক মটৰ গাড়ীৰ কৃত্ৰিম পোহৰলৈ। বহু দূৰৰ পৰা আহি আহি ওচৰ চপা গাড়ীৰ লাইটৰ পোহৰে ক্ষন্তেক সময়ৰ বাবে কঢ়িয়াই অনা আশাক লগে লগে মৰিমূৰ কৰি যায় তাৎক্ষণিক পোহৰৰ পিছৰ এন্ধাৰে। 'কিজানি এইবাৰ লয়েই।' আকৌ আশাৰে মাছ দাঙি লয়, আকৌ আন্ধাৰে আৱৰি ধৰে। আন্ধাৰ আন্ধাৰ আৰু আন্ধাৰ। অৱশেষত অমৃতে কেৱল আন্ধাৰকেই দেখা পাবলৈ ধৰিলে। গাড়ীৰ লাইটৰ তীব্ৰ পোহৰো তাৰ আন্ধাৰ আন্ধাৰ লগা হ'ল। তাৰ ক্ষোভ গোটেই পৰিবেশটোৰ প্ৰতি ঘৃণালৈ পৰিবৰ্তিত হ'ল। অৱশেষত সি এটা সিদ্ধান্ত ল'লে। ৰাতি বহু সময় হোৱাত সি মইনাক ক'লে 'মইনা, তই অলপ ৰ। মই ঘৰৰ পৰা আহো।'

পানী ফালি ফালি ঘৰৰ পিছফালৰ বাৰীলৈ পথাৰেদি বাট পোনাই খলপ্ খলপ্‌কৈ সি দৌৰি আহি থাকিল। সি ইমান জোৰত দৌৰিছে যে খোজৰ জাঁপত ছিটিকি পৰা পানীয়ে তাৰ গোটেই মানুহটোক তিয়াই পেলাইছে ভৰিৰ পৰা মূৰলৈকে। একেজাঁপেই সি বাৰীৰ পিছফালৰ জেওৰা পাৰ হ'ল। ঠিক কলম গছজোপাৰ তলতে সি ৰ'ল। গছজোপালে আকৌ এবাৰ চালে আৰু লগে লগে আঁঠুকাঢ়ি বিমান পাৰে

খৰকৈ হাতেৰে মাটি খুচৰিবলৈ আৰম্ভ কৰিলে। হাতৰ জোৰৰ কোবত বহু দূৰলৈ ছিটিকি পৰা মাটিৰ চৰ্‌চৰণি শব্দৰ বাহিৰে গোটেই পৰিৱেশ নিৰ্জন। তাৰ আৰু বেছি খুচৰিবৰ প্ৰয়োজন নহ'ল। পলিথিনেৰে মেৰাই ৰখা ধাতুৰ বস্তুটো সি হাতত ল'লে। পুৰণা মোজাৰ ভিতৰত ৰখা গুলীকেইটা আন্ধাৰতে খাজি ল'লে। আকৌ একেকোবে একেদৰে জেওৰা পাৰ হৈ দলং অভিমুখে দৌৰিব ধৰিলে পথাৰৰ পানীৰ মাজেৰেই। অমাবস্যাৰ আন্ধাৰতো তাৰ নিৰ্দিষ্ট সংজ্ঞাৰ পোহৰ সি যেন অনুভৱ কৰিলে তাৰ কঁকালৰ খোচনিৰ তীখাৰ আগ্নেয়াস্ত্ৰটোৰ মাজেৰে। কঁকালৰ খোচনিত অমৃতৰ এতিয়া আমৃত্যু অমৃত। তাৰ ব্যক্তিগত অনুভূতিৰ দৃঢ় আত্মবিশ্বাস আৰু প্ৰত্যয়েৰে সি দৌৰি আছে দলং অভিমুখে।

পানীৰ পৰা একেজাঁপে নামি গৰাই দি খৰধৰকৈ উঠি আহিল। ৰাস্তাত উঠিয়েই ভায়েক মইনালৈ চালে। পাৰ হৈ যোৱা ট্ৰাক এখনৰ লাইটৰ পোহৰত সি মইনাৰ মুখখন মন কৰিলে — মইনা এতিয়া উদ্ভাসিত আৰু উল্লাসিত। অমৃতক দেখিয়েই মইনা আগবাঢ়ি আহিল।

ঃ ককাইদেউ, মাছটো বিক্ৰী হৈ গ'ল। বেছ ভাল দামত।

বৰণীয়া আলিবাট, মায়াময়

প্ৰথমে কথাটো পৰমাই ভালদৰে ধৰিব পৰা নাছিল। স্কুলৰ পৰা আহিয়েই গাঁৱৰ সকলোবোৰ ল'ৰাই নিজ নিজ ঘৰৰ পাকঘৰৰ মজিয়াবোৰত দৌৰাদৌৰিকৈ পীৰা-ঢাৰি পাৰি খৰধৰকৈ খাবলৈ বহাৰ দৰেই পৰমায়ো ককায়েক-ভায়েকহঁতৰ লগত একেখন মজিয়াতে বহে। ভাত খোৱা তাৰ লেহেম। এটা সময়ত ভাত খাই আগপিনৰ চোতালখনলৈ সি এনেয়ে ওলাই আহে। খেলা-ধূলা বা চাৰিআলিৰ স্কুলৰ ফিল্ডলৈ নগ'লে এতিয়াৰ পৰা সন্ধিয়া গোসাঁইঘৰত প্ৰাৰ্থনা কৰালৈকে এই সময়খিনিত পৰমাৰ কৰিব লগা বিশেষ একো কাম নাথাকে। বাৰাণ্ডাখনতে এখন হাত থকা পুৰণা ডিজাইনৰ বহল আৰু মজবুত বেঞ্চি। আঁউজা তক্তাখন আৰু হাতৰখা দুকাষৰ হেণ্ডেল দুটা কুণ্ডত কটা। তাৰে একাষত বহি হাতখন হেণ্ডেলডালত থৈ ভৰি দুখন অগা-পিছাকৈ লৰাই লৰাই সমুখৰ পদূলিলৈ চাই পৰমা বহি ৰয়।

প্ৰথমে কথাটো সি একো ধৰিব পৰা নাছিল। তাৰ সমুখেদি স্কুলৰ পৰা অহা তাৰ লগৰ, ওপৰৰ বা তলৰ কেইবাটাও ল'ৰা দৌৰাদৌৰিকৈ পাৰ হৈ যায়, দুই-তিনিটা লগ হৈ বা এটা এটাকৈ। পলম হোৱাবিলাকৰ দৌৰ বা খোজ আৰু খৰ হয়। সিহঁত প্ৰায়বোৰৰ হাততে একো একোটা সৰু-বৰ টোপোলা। প্ৰায়বোৰ টোপোলা পুৰণা ফটাকানিৰে বন্ধা, মলিয়ন। দুটামানৰ হাততহে কেতিয়াবা গামোচাৰ টোপোলা, এমূৰে বান্ধি হাতত লৈ বা পিঠি ওলোমাই দৌৰাদৌৰিকৈ সিহঁত গৈ থাকে। প্ৰায় একেবাৰে শেষত কিছু পলমকৈ আহে ৰত্ন। চাপৰ, শকত পেটটো কিছু ওলোৱা ৰত্নই গাটো লৰাই লৰাই আহি থাকে। ৰত্ন পৰমাৰ লগত একেটা শ্ৰেণীতে। পঢ়া-শুনাত ৰত্ন সদায়েই পিছত। কিন্তু অন্য যিকোনো বিষয়ত, ছাত্ৰহঁতৰ এছাৰিৰ কোব বা গালি খাব লগাত ৰত্ন সদায়েই প্ৰথম। তাৰ বাবে ৰত্নৰ কোনো ভ্ৰূক্ষেপ নাই। দুই-তিনিটা ক্লাছত প্ৰতি বছৰে বৈ বৈ এইবাৰ কোনোমতে চেভেন পাইছেহি। এইটলে পৰমাহঁতৰ লগত একেলগে যে যাব সি বিশ্বাস নকৰে। এই বিষয়ে ৰত্নই নাভাবেও। আৰু দুটামান বছৰ বা শ্ৰেণী যোৱাৰ পিছতে সি বাপেকৰ লগত হালত ধৰিব। গাঁওখনত খেতি কৰা

মানুহ লাহে লাহে কমিছে। আধি-চুক্তি দিয়া মাষ্টৰ, কেৰাণীৰ সংখ্যা লাহে লাহে বাঢ়িছে। সি ডেকা হৈ নাঙল ধৰিলে ঘৰখনৰ অৱস্থাও আৰু ভাল হ'ব। বুঢ়া হৈ অহা বাপেককো কিছু সকাহ দিব পাৰিব। ক্লাছত লাহে লাহে বেছিকৈ মাৰ খাব লগা হোৱা ৰত্নক ছাৰহঁতেও আনকি একো এটা নোসোধা হৈছে। তাৰ লাজ পাবলৈনো কি। মাত্র অলপ ওখ-ডাঙৰ হ'লেই বা কিবা খং উঠিলেই একেদিনাই বন্ধ হ'ব তাৰ স্কুল।

ফুলগুৰিৰ বজাৰৰ পৰা বাপেকে অনা খাকী হাফপেন্টটো সদায়ে একে যেন লাগে, একেই ৰতাহ কাটি যোৱা, বহল, জেলজেলীয়া। কঁকালৰ বুটাম কেতিয়াবাই সৰি পৰে। মৰাপাটৰ মিহি ৰছী এডাল পেন্টটোৰ অনায়াস বেল্টৰ দৰেই। ঠিক পৰমাহঁতৰ ঘৰৰ সন্মুখ পোৱাৰ লগে লগে ৰত্নৰ পেন্টৰ বেল্টডাল মৰা কামটো যেন শেষ হয়। সদায়েই পৰমাই বাৰাণ্ডাৰ পৰা ৰত্নক ৰছীডাল টানি গাঁঠি মাৰি গৈ থাকোঁতেই দেখা যেন লাগে। তেনেদৰে গৈ গৈয়েই পৰমাক ৰত্নই প্ৰায় সোধে — ঐ, যাবি নেকি...?

— ক'লৈ, বাৰাণ্ডাৰ বেঞ্চিৰ পৰা নামি ৰত্নহঁত ক'লৈ যাব সোধে মানেই বাঁহতলৰ গৰুবাটটোৰেদি সিহঁত অদৃশ্য হৈ পৰে। হাতত সময় সিহঁতৰ বৰ কম। পদূলি মুখৰ পৰা পৰমা উভতি আহে। মন্থৰ পৰমাৰহে গধূলিলৈকে অনেক সময়।

সিহঁতৰ ঘৰৰ লগতে মোহন বৰদেউতাকৰ চোতাল। সম্বন্ধীয়া বৰদেউতাক। আগচোতালত পীৰা এখন পাৰি শেষ হ'ব ধৰা পাচি এটাত বৰদেউতাকে খৰকৈ কাঠি ভৰাই গৈছে। শনিবৰীয়া হাটলৈ মোহন বৰদেউতাকে প্ৰায় সাত-আঠযোৰমান পাচি নিব পাৰে। পাচিৰ ঘেৰ শেষ হোৱা সময়ত বৰ খৰগতিত বৰদেউতাকে কাঠিবোৰ বৈ যাব পাৰে। নাচি থকা আঙুলিবোৰ চাই চাই পৰমা এনেয়ে কাষতে বহি বা থিয় দি থাকে। পৰমাক বৰদেউতাকে মৰমো কৰে।

— স্কুলৰ পৰা আহি হাতত টোপোলাবোৰ লৈ ইহঁত ক'লৈ যায় বৰদেউতা, ইমান খৰধৰকৈ?

— তই হ'বলা নাজান? বৰদেউতাকে আৰম্ভ কৰে। গাঁৱৰ কাষৰ আন দুখন গাঁৱৰ পথাৰবোৰ পাৰ হৈ সিপিনে পকা ৰাস্তাটোৰ লগতে শেষ সীমা কৰি ডাঙৰ এখন বিল আছে, দলনিৰ পিনে ডিমৌ বিল। বৰ ডাঙৰ বিল। এতিয়া লাহে লাহে দুপিনে অলপ পথাৰ বাঢ়িছে। তথাপিও অতি বিশাল এই বিল। শাওণ-ভাদ মহীয়া পাঁচ-ছয়মাহমানৰ কাৰণে বিলত বেপাৰী বহে। ভেটা মাৰে, বান্ধ, বান, দলং পাতে। বৰ বৰ খেৱালি জালেৰে মাছ ধৰে। ৰাতিটোৰ ভিতৰতে কেইবা নাও ভৰ্তি মাছ। পুৱা মোনে-মোনে জিলালৈ নিয়ে। নাক জোঙা কিছুমান কেবল মাছ নিয়া সৰু সৰু গাড়ী আছে ফীচ ভান। সেইবোৰত ভৰাই নি টাউনত মহলদাৰে দামত বেচেগৈ। কিন্তু এই আবেলি সময়তো, এনাও-আধানাও মাছ মাছমৰীয়া বিলাকে মাৰে। প্ৰায়ে সৰু সৰু মাছ। চাৰিওপিনৰ গাঁওবোৰৰ মানুহবোৰ আবেলি বিললৈকে আহে। প্ৰায়বোৰে টোপোলা কৰি চাউল বান্ধি আনে। কিছুমানেহে সিকি-আধলি দিয়ে। বেপাৰীবিলাকে

চাউলত মাছ দিবলৈ ভাল পায়। সন্ধিয়াৰ আগে আগে এনাও নাৰ-বাত-লাচোন-ভাঙোন সৰু-বৰ মাছবোৰ শেষ হয়। সন্ধিয়াৰ পিছতে বেপাৰী মাছমৰীয়াবোৰে ভাত খাই ৰাতিৰ বাবে সাজু হয়। পুৱালৈ নাও নাও সৰু সৰু মাছৰ লগে লগে দুখনমান জালত বৰ বৰ মাছবোৰ পানীত খেলিবলৈ দি ৰাতিটো জীয়াই ৰাখে। পোহৰ হওঁ নহওঁ হওঁতেই ফীচ ভানবোৰ পায়হি।

— ক'ৰ পৰা আহে এই মাছমৰীয়াবোৰ, এই বেপাৰীবোৰ?

— আগতে বেপাৰী ইমান নাছিল। যিকেইটা আছিল প্ৰায়বোৰ এই অঞ্চলৰ মৌজাবোৰৰে। বহা পিনৰ কেইখনো গাঁও আনকি আমাৰ কিচামৰো দুখনমান লালুং গাঁৱৰ মানুহ কিছুমানেও বিলত মাছ মাৰিছিলগৈ। এতিয়ালৈ কমিছে। আজিকালি বেছিভাগ মৈমনসিঙীয়া। টিং, ভুৰাগাঁও, বেচামাৰি আদি পিনৰ। মাছ ধৰাত ইহঁত বিশাল বিলখনত বৰ পাকৈত।

— কিমান বিশাল বিলখন, কিমান ডাঙৰ।

— কিমান ডাঙৰ ডিমৌ বিল। পাচি ব'বলৈ এৰি মোহন বৰদেউতাক এইবাৰ অলপ সময় ৰ'ল। পকী ৰাস্তাটোৰ গায়ে গায়ে অনেক দূৰ লাগি থকাৰ পৰা আৰম্ভ কৰি বহলে কুঁজাৰবড়ি আৰু জামুগুৰি গাঁৱৰ পথাৰবোৰৰ মাজভাগলৈকে এটা সময়ত শ শ বিঘা ধৰি আছিল এই বিলখন। সাগৰ সদৃশ বিল। এতিয়া লাহে লাহে পথাৰ বাঢ়ি বিল চাপি আহিছে। তথাপিও বৰবিল ডিমৌ এতিয়াও বৰবিল। এতিয়াও বিশাল, প্ৰায় ডেৰকুৰি ঘুলি।

— ঘুলি, ঘুলি কি?

— বহল বিলখনৰ কাষে কাষে আনকি মাজলৈকো থাকে কেইবাটাও দ দ ঠাই। কেইবানলো দ। কিমান দ, খৰালিৰ দিনতো আনকি অনুমান কৰিব নোৱাৰি। বাৰিষা আৰু নোৱাৰি। বাৰিষাৰ চপ্‌চপীয়া বিলত সদায়ে যেন এটা বোৱঁতী সোঁত। ঘুলিবোৰত এই সোঁতৰ মাত্ৰা কিছু কম। এইবোৰৰ আন্দাজ মাত্ৰ চিনাইহে চিনিব পাৰে। এই ঘুলিবোৰতে পাক লৈ থাকে বৰ বৰ মাছ — চিতল, ভকুৱা, বৌ, বাহু, আৰি আৰু অনেক। মাৰিব জনাৰ বাগ থাকে। বাগত জাল পেলালে মাছেই মাছ। নহ'লে দিনে-ৰাতিয়ে যিমানেই বৰ বৰ জাল নেপেলাওক কিয়, যিমানেই নেভেটক কিয় সকলো মিছা। তাতে ঘুলিৰ বাগ, ঘুলিৰ পাক বৰ জটিল পাক। পাক নজনা মানুহৰ বাবে থিতাতে বিপদ। কেনেবাকৈ জগৰ লাগিলে জনা-নজনা সকলোৰে বিপদ।

—জগৰ, কিহৰ জগৰ? জগৰত বিপদ কিহৰ।

— গোটেই বিলজুৰি আছে অনেক দেৱতা। দ'ত, ডাঙৰীয়া, অপেচৰী অনেক দেৱতা। এই দেৱতাবোৰে খাবলৈ মাছ এৰিব লাগে। পূজা ধৰিব লাগে। দিন-বাৰ পঞ্জিকা চাই বিলত নামিব লাগে, জালত হবাহৰ মাছ লাগিলে পটককৈ গুচি আহিব লাগে, আদি কত লাগে-নালাগে তাৰ কোনো অন্ত নাই। এইবোৰৰ অথন্তৰ হ'লেই

হঠাতে বিলৰ জগৰ। ঢৌ-বতাহ-ৰৰমুৰ নথকা শান্ত দিন এটাতেই কেতিয়াবা থিয়ে থিয়ে ৰৰ ৰৰ নাও ঢোঁ-ঢোঁৱাই তললৈ টানি নিব পাৰে। কেতিয়াবা সাতপাক ঘূৰাই আচাৰ মাৰি পাৰত পেলাই দিবহিও পাৰে। ৰৰ ৰৰ নাও থিয়ে থিয়ে পাক খাই নাও-মানুহ সোমোৱা বহু মানুহে নিজ চকুৰে দেখিছে।

— সদায়েই এই জগৰবোৰ লাগেনে? প্ৰতিবছৰেই নাওবোৰ ঘূলিত সোমায়নে?

—এইবোৰৰ কোনো দিন-বাৰ নাথাকে। কেতিয়াবা বছৰৰ পিছত বছৰ ধৰি একেবাৰে শান্ত, মাটি হেন বিল। নাৰে-নাৰে মোনে-মোনে কেৱল মাছ। কেতিয়াবা আকৌ অভগন মাছৰ মাজতে বিলৰ জগৰ। ভাটিৰ পৰা অহা বিহাৰী বেপাৰী এবছৰ একেটা বানতে তিনিটা হৰিল। ঘূৰি বছৰেই জলমৰি গাঁৱৰ ককাই-ভাই হালেই একেলগে। আজি কেইবা বছৰো অৱশ্যে কোনো বিঘিনি নাই। কোনো মৰণ নাই।

চাফা ফটা কাপোৰ এখনত দুমগমান চাউল বাকি গাঁঠিটো টানকৈ মাৰি মাৰি মাকে পৰমাৰ হাতত তুলি দিলে। পদূলিতে ৰত্ন বৈ আছিল। সদায় পিছুৱাই পিছুৱাই গৈ আজি তাৰ বিললৈ যোৱাৰ দিন পৰিছেহি। কিবা নহয় কিবা লেঠা দেখুৱাই মাকে তাক বিলৰ পিনলৈ যাবলৈ বাধা দি আছিল। বিলৰ পৰা মাছ গাঁও সম্বন্ধীয়া ভতিজা বা প্ৰায়ে পুৱা দহমান বজাত জলিল বেপাৰীয়ে দি যায়। সেই সময়ত পৰমা স্কুললৈ যায়। স্কুলৰ পৰা আহি আৰু মাছ আনিব লগা নাথাকে। কিন্তু মোহন ৰৰদেউতাকৰ বৰ্ণনাৰ বিলখন, লগৰবোৰে আবেলি সদায় মাছ অনা বিলখন অহৰহ তাৰ চকুত লাগি থাকে। মাছ ঘৰত থাকিলেও নাথাকিলেও পৰমা বিললৈ যাব। আবেলি জীয়া জীয়া মাছ আনিব পৰা যুক্তি মাকে মানিলেও বা নামানিলেও সি কিন্তু বিললৈ যাবই। ৰত্নক সি স্কুলতে কৈ আহিছে। মাকৰ পৰা টোপোলাটো হাতত লৈয়েই ৰত্নৰ লগত চোতালৰ পৰাই লৰ ল'লে। প্ৰথম লৰতেই পদূলিতে অনভ্যস্ত পৰমাৰ হাতৰ পৰা চাউলৰ টোপোলাটো ঘপহকৈ পৰি গ'ল। মাকৰ টান গাঁঠিত চাউলখিনি ওলাই নপৰিল। দৌৰি থকাতেই পৰি যোৱা টোপোলাটো ঘপকৈ তুলিয়েই সিহঁত দৌৰ ল'লে। লাহে লাহে যাবলৈ বা নদৌৰিবলৈ বুলি চোতালৰ পৰা মাকৰ চিএৰ সিহঁতৰ কাণত নোসোমাল।

বিস্তীৰ্ণ বিশাল জলৰাশি। ঘন নীলা মুকলি আকাশখনৰ পাৰে পাৰে চুই থকা উকা এখন বহল চাদৰ, ৰূপৰ জিলমিলীয়া। জলময় ৰূপালী, মৃদু বতাহত চিল্‌চিল্। আবেলিৰ পশ্চিমৰ ৰঙা বেলিটোৱে য'তেই চুইছে ত'তে ধীৰ ঢৌবোৰৰ শাৰী শাৰী ৰঙীন দীঘল বুটা বছা এই জিলিকে এই মাৰ যায়। উত্তেজিত পৰমা আগবাঢ়ি যায়।

বিলৰ পানীৰ সমতলত কেইবাখনো নাও। আলাসতে ওপঙি আছে। পাৰৰ একাষ ওখ, বহল। এই বহল ঠাইখিনিতেই আধা মাটিত আৰু পানীত আধাকৈ লগাই থোৱা দীঘল নাও এখনৰ কাষে কাষে অনেক সৰু-ৰৰ ল'ৰাৰ হেতাওপৰা। দুজনামান

ডাঙৰ মানুহেও ল'ৰাবোৰৰ ওপৰেদিয়েই হাতবোৰ আগবঢ়াইছে।

পৰমা পাৰতে অলপ সময় বৈ থাকিল, মাছৰ নাওখনৰ পৰা কিছু দূৰৈত। লগত অহা বস্তু খৰধৰকৈয়ে নাওখনলৈ আগবাঢ়ি গ'ল। নাওখনৰ ওচৰৰ ভিৰৰ পৰা বস্তু আকৌ পৰমাৰ কাষলৈ উলটি আহিল।

— চাওঁ, তোৰ চাউলকেইটাও মোকে দে। ময়েই লৈ আনো।

কোনো আপত্তি আৰু বাক্য-বিনিময় অবিহনেই পৰমাই চাউলৰ টোপোলাটো বস্তুক আগবঢ়াই দিলে। চাৰিওপিনৰ আকাশ-ৰ'দ-পানী-মাছ আৰু মানুহৰ পৰিবেশত পৰমা ক্রমে বিভোৰ। চাউল সলাই মাছ লোৱাৰ আগ্রহ তাৰ কেৱল নিমিত্ত। বিলৰ মাজত দুই-এখন নাৱে এতিয়াও জাল দলিয়াইছে, টানিছে। জাল, নাও, পানী আৰু মাছ সন্ধিয়াৰ ৰঙা বেলিৰ পোহৰত সকলো যেন ডুবি আছিছে। ক্রমে ডুবি আহিছে পৰমাও।

পাৰৰ এই ওখ ঠাইখিনিত আৰু এখন নাও পানীৰ পৰা উঠাই থোৱা আছে। নাওখনৰ টান কাঠবোৰৰ চুক এটা সি এনেয়ে লিৰিকি-বিদাৰি থাকিল। এটা সময়ত ক'ব নোৱাৰাকৈ বিলখনৰ পিনে মুখ কৰি নাওখনৰ টিংটোত পৰমা বহি পৰিল। তাৰ ঠিক মুখে মুখে অলপ দূৰৈত মাছৰ হেতাওপৰাৰ ভিৰ, বাওঁফালে পানী ভৰা বিশাল বিল আৰু সোঁফালে অদূৰত দীঘলীয়া কেইবা কোঠাৰ যেন লগা মাত্র মাজৰ এখন দুৱাৰৰ মৰাপাটৰ ঠাৰিৰ বেৰৰ চাপৰ অস্থায়ী বহা। ওপৰত দীঘল গুৰিলৈকে কটা খেৰৰ পাতল চাল। ভিতৰত কোনোবা কোনোবা শুই জিৰাই থকা যেন অনুমান কৰিব পাৰি। চালৰ একাষেৰে বগা ধোঁৱা। সন্ধিয়াৰ পিছতেই ৰাতিৰ সাজ খাই বিলৰ মাজলৈ যায় এন্ধাৰত। লেম্প আৰু জোঁৰ লৈ, সকলোবোৰ সমদলে। পোহৰত থৰ লগা ডাঙৰ মাছৰ অনায়াস আয়ত্ত আৰু হৰাই নিয়া মাছৰ ৰাতিটোৰ ভিতৰত সহজলভ্য ঘেৰত অভ্যস্ত বন্দীত্বৰ লক্ষ্যই সিহঁতৰ এই বতৰৰ এতিয়াৰ প্রতিদিনৰ সন্ধিয়াৰ যাত্রা। তাতে বৰষুণ হ'লেতো কথাই নাই। উজাই অহা মাছ জাকে জাকে জঁপিয়ায়, জালত অথবা নাৱত।

দীঘল বহাটো শেষ হোৱাৰ অলপ আঁতৰত বিলখনৰ পাৰতেই পানীৰ প্রায় কাষত চাৰিডালমান থিয় খুঁটি। কিছু ওখ। তিনিডাল এতিয়াও পোন। খুঁটিবোৰৰ মূৰত লাগি থকা কামিবোৰৰ ওপৰত কেইডালমান শুকান কলপাতৰ ঠৰবা এতিয়াও লাগি আছে। পৰমাই একান্ত মনে চাই ৰ'ল। কি এইটো কাষে কাষে অ'ত-ত'ত কেইটামান ক'লা, শকত ঢোৰাকাউৰী।

মাছৰ নাওখনৰ ভিৰ ইতিমধ্যে কমিছে। চাৰিওপিনৰ গাঁওবোৰৰ সকলো নিজ নিজ ঘৰৰ পিনে পথাৰে পথাৰে পোন লৈছে। গোটেই পথাৰখনতে ল'ৰা, মানুহ সকলোবোৰ ক্রমে বিয়পি পৰিছে। নাওখন ঘেৰি কেইটামান ল'ৰাহে বাকী আছে যদিও বস্তু এতিয়াও নাওখনৰ কাষৰ পৰা অহা নাই। এবাৰ আগবাঢ়ি যাম বুলি ভাবিও পৰমা

বৈ গ'ল। বিলৰ মাজত জাল টনা, পাৰৰ টঙি জালবোৰ উঠোৱা আৰু পেলোৱা, কাষৰ নাওখনত বিশেষ বাগেৰে জালৰ মাছবোৰ দলিয়াই দিয়া চাই চাই পৰমা বৈ থাকিল। এবাৰত সি বস্তুৰ কাষলৈ যাবলৈ আগবাঢ়োতেই ওচৰৰ বহাটোৰ ভিতৰৰ পৰা হঠাৎ এটা দীঘল গীতৰ সুৰ তাৰ কাণত লাগিলহি। দীঘল এটা গহীন সুৰ। গীতৰ দীঘল দীঘল সুৰবোৰ পৰমাই এক‍ো নজনাকৈয়ে ভাল পায়। ক'ব নোৱাৰাকৈয়ে তাক এইবোৰে আমনি কৰে। ভিতৰৰ সুৰটো ক্রমে আগবাঢ়ি আহিল ঠিক তাৰ নাওখনৰ ওচৰলৈকে। খালি নাওখনৰ টিংটোত ইমান পৰে দীঘলীয়া এক মৌনতাৰে বিলখনকে চাই চাই বহি থকা পৰমাই উলটি চালে। নীলা ৰঙৰ এখন লুঙি আৰু হাত থকা কোড়া গেঞ্জী পিন্ধা মানুহ এজন লাহে লাহে চালি ঘৰটোৰ একমাত্র দুৱাৰখনেৰে ওলাই আহিল। হাতত এখন পকাই সামৰি ৰখা ডাঙৰ জাল। মুখভৰ্তি আধাপকা, আধাকেঁচা ডাড়ি চুটিকৈ কটা। মোহন ববদেউতাকৰ সমানেই ডাঙৰ হ'ব মানুহজন, বয়সতো আৰু দেখাতো। গীতটোৰ লগে লগে মুখত এমোকোৱা গহীন হাঁহি, কিছু যেন ভাব-গম্ভীৰ। গীতৰ শব্দবোৰ সি ভালদৰে বুজি নাপায়, ... অ' পৰাণ সখী, আমাৰ বিবাহ কই দিন আছে বাকী, অ' পৰাণ সখী আমাৰ বিবাহ কইদিন আছে বাকী...। যেদিন আমাৰ বিয়া হবে ...। এই সুৰবোৰ পৰমাৰ একেবাৰে অচিনাকি নহয়। আজি কেইবছৰমানৰ পৰা বেছিকৈ, সিহঁতৰ গাঁৱলৈ প্ৰায় প্ৰতি বছৰেই এটা সময়ত দলে দলে এই মানুহবোৰ আহে। আহুধান, মৰাপাট চিকুণোৱা, মাটি কটা আদি কামবোৰৰ বাবে দল দলকৈ অহা মানুহবোৰেৰে গাঁওবোৰ ভৰি পৰে। মানুহবোৰ সিহঁতৰ গাঁৱলৈকো আহে। ক'ৰ পৰা আহে পৰমাই ভালদৰে নাজানে। কিন্তু গাঁৱত সকলোৰে সিহঁতক মৈমনসিঙীয়া বুলি জানে। দেউতাকে তাক এবাৰ বুজাই দিছিল। দেশ স্বাধীন হোৱাৰ আগৰে পৰা, স্বাধীন হোৱাৰ সময়ত আৰু তাৰ পিছতো অসমলৈ এই মানুহবোৰ আহিছিল। স্বাধীন হোৱাৰ আগলৈকে আমাৰ দেশ একেখনেই আছিল। সীমান্তৰ এখন জিলা হৈছে মৈমনসিং। অনেক জিলাই আছে — চিলেট, মৈমনসিং ইত্যাদি। এতিয়া মানুহবোৰ ঢিং-ভূৰাগাঁও অঞ্চলৰ বহু গাঁৱত আজি বছৰ বছৰ ধৰি বাস কৰিছে। কিন্তু এই সকলোবোৰ মানুহ পৰমাইহঁতৰ গাঁৱৰ বা আন গাঁওবিলাকৰো প্ৰায়ভাগৰ বাবে এতিয়াও কেৱল মৈমনসিঙীয়া।

আহু আৰু মৰাপাটৰ দিনত পথাৰৰ কামৰ বাবে অনেক এনে মানুহেৰে গাঁও ভৰি পৰে। গাঁৱত ধনী দুই-তিনিঘৰ মানুহৰ ঘৰত সিহঁত থিত লয়হি। দিনটো কঠোৰ পৰিশ্ৰম কৰে। প্ৰায় প্ৰতিঘৰ মানুহেই সময়-সুবিধা অনুসাৰে নিজৰ নিজৰ পথাৰত খেতিৰ কামত লগায়। থিত লোৱা মানুহঘৰত মাটি সৰহ থাকে। সিহঁতৰ কামবোৰ কিছু কম দামত কৰে।

পৰমাই কিন্তু এই মানুহবোৰক অন্য ধৰণেৰে মনত ৰাখে। পৰমাইহঁতৰ ঘৰৰ মাটিত মৰাপাটতো নকৰেই আনকি দুটা খেতিও নকৰে। আহুৰ দিনত মাটিবোৰ চনে

ৰাখি প্ৰথম খেপতেই শালি মাটি ৰুই দিয়ে। মৈমনসিঙীয়াইঁতৰ লগত পৰমাইঁতৰ কোনো পোনপটীয়া সম্পৰ্ক নাথাকে।

কিন্তু এই দলবোৰৰ প্ৰতি পৰমাৰ এটা বিশেষ আকৰ্ষণ আছে। সংগীতৰ আকৰ্ষণ। জেঠমহীয়া দুপৰ ৰ'দত যেতিয়া জাকে জাকে ডেকা-বুঢ়া মিঞাবোৰে শাৰী পাতি পথাৰখনৰ কেবাডৰা আহু বা মৰা চিকুণাই থাকে তেতিয়া সিহঁত প্ৰায়বোৰেই কেতিয়াও মনে মনে কাম কৰি নাথাকে। কোনোবা এটাই গীতৰ কলি ধৰে। আৰু আন সকলোৱে নামঘৰৰ নাম গোবাদি সমস্বৰে তাৰ লগত যোগ দিয়ে। আকৌ আনটো ফাঁকিৰে আগবাঢ়ে, বাকীবোৰে ধৰে। পথাৰখন মুখৰিত হৈ থাকে। এনেতেই পথাৰৰ মাজৰ বাটটোৰে পৰমাইঁত স্কুলৰ পৰা ঘৰলৈ ওলটে। পৰমা হয় এনেয়ে বৈ দিয়ে, নহয় লাহে লাহে আগবাঢ়ে। জাকি মৰা অনেক কণ্ঠৰ সমবেত স্বৰ ধ্বনি শুনি শুনি। পৰমাই গীতবোৰৰ ভাষা বুজি নাপায়। কিন্তু সুৰবোৰে তাক সম্মোহিত কৰে।

পৰমাৰ আকৰ্ষণ আৰু বাঢ়ি যায়। সিহঁতৰ ঘৰৰ পৰা কেইঘৰমান পাৰ হৈয়েই কমলেশ্বৰ মণ্ডলৰ বহল চোতাল। কমলেশ্বৰহঁতৰ গাঁওখনৰ ইপাৰে-সিপাৰে আৰু দলনিকে ধৰি বহপুৰা মাটি আছে।

দিনটোৰ কষ্টৰ পিছত প্ৰায় সন্ধিয়া ভাঙোতেই সিহঁতে ভাত খায়। কমলেশ্বৰৰ বহল চোতালখনৰ এচুকত আটাইবোৰে বৃত্তাকাৰ ডাঙৰ ডাঙৰ চিলভাৰৰ চৰু-ডেক্সিবোৰ মাজতে লৈ কাষ চাপি বহে। হাতে হাতে চছু বা চিলভাৰৰ কাঁহী।

ভাতখোৱা হোৱাৰ পিছত ৰাতি শোৱালৈকে সিহঁতৰ অফুৰন্ত সময়। এইখিনি সময়তে সিহঁতৰ আকৌ গান-তামাচা। লাহে লাহে সিহঁতৰ গান শুনিবলৈ বা চাবলৈ সন্ধিয়াৰ অলস মানুহবোৰো এটা-এটাকৈ গোট খায়হি। প্ৰথমে অ'ত-ত'ত দূৰে দূৰে। ক্ৰমে কাষলৈ। দৰ্শক-শ্ৰোতাৰ আগমনত সিহঁতৰ মজলিছ লাহে লাহে গহীন হয়। সিহঁত কিছু চিৰিয়াছ হৈ পৰে। পৰমায়ো সিহঁতৰ গান শুনে। গীতবোৰৰ সুৰ আৰু কিছুমান ভঙা ভঙা কলি তাৰ মনতো ৰয়। অৰ্থবোৰ দুৰ্বোধ্য নহয়, যদিও সকলোবোৰ স্পষ্টকৈ ধৰিব নোৱাৰি। কিন্তু আবেদন আৰু সমৰ্পিত নিষ্ঠাৰ সৰল সুৰবিলাক সিহঁতৰ অভিনয়েৰে সৈতে পৰমাৰ চকুত লাগি থাকে। কোনো সাজ-সজ্জা নাথাকে। হঠাৎ সিহঁতৰ মাজৰে এজন ৰজা হয়, এজনী ডাইমা। চাপৰ চাই ডেকা এটা হয় ৰূপবান। আৰম্ভ হয় ৰূপবান পালা। দীঘল মৰাঠাৰি এডালত লুঙি এখন মেৰিয়াই কাষলতি তলত চেপা মাৰি যেতিয়া দীঘল দীঘল গীত জুৰি আনখন হাতেৰে ব'ঠা মাৰি মাৰি সৰু সৰু ঘন খোজেৰে চোতালখনত পাক মাৰে, যেতিয়া মাজৰ খুঁটা এটাত ধৰি ঘূৰি ঘূৰি বিলাপ কৰে তেতিয়া কোনেও সিহঁতক দুপৰীয়া কাৰোবাৰ পথাৰত কাম কৰি অহা বা কালিলৈ ক'ৰবাত কাম কৰিবলৈ যাব লগা মৈমনসিঙীয়া বুলি নাভাবে। সিহঁত যেন কোনোবা অজান দেশৰ ৰজা, প্ৰজা, নায়ক অথবা খলনায়ক। পদ্মা বা সাগৰৰ মাজেৰে সিহঁতৰ বিপদসংকুল গতি অথবা বহল পথাৰৰ মাজেৰে জয়যাত্ৰাৰ সমদল

পদধ্বনি। চোতালৰ মানুহবোৰৰ মনবোৰো সিহঁতৰ আনন্দৰ বেদনাত সমানে জিকাৰ খায়। দীঘল সুৰবোৰে ৰাতিটোক সন্ধিয়াতে আৰু গহীন কৰি পেলায়। পৰমাই সুৰবোৰ চিনি পায়।

চালিখনৰ পৰা ওলাই অহা মানুহজনৰ সুৰটো যেন অলপ বেলেগ। পৰমাই মানুহজনলৈকে চাই থাকিল। গানটো গাই গাই থুপাই ৰখা জালৰ টোপোলাটো নাওখনৰ মাজলৈ দলিয়াই দিওঁতেই টিঙত বহি থকা পৰমাৰ চকুৱে চকুৱে পৰিল। গান গোৱা বন্ধ কৰি পৰমালৈ চাই মানুহজনে সুধিলে,

এইটা কোন বেদা বে ...? কোন গাঁৱেবে?

পৰমাই দূৰৈৰ সিহঁতৰ গাঁওখন আঙুলিয়াই দেখুৱালে।

— অ' ... মানুহজনে গাঁওখনৰ নাম ক'লে।

— অ' — হয়।

— কাৰ ছেৱা ...

পৰমাই দেউতাকৰ নাম ক'লে।

দেউতাকৰ নাম শুনি মানুহজন পৰমাৰ আৰু কাষ চাপি আহিল। এনেয়ে মৰম ভৰা মুখখন আৰু যেন কোমল হৈ পৰিল।

— অত বৰ অইয়া গেছচ্ বে ...

আৰু দুজন অলপ কম বয়সৰ মাছমৰীয়া ওলাই আহি নাওখনৰ কাষ পালেহি, চাচা চলুইন ...।

নাওখনত জাল, বান্ধ, ব'ঠাবোৰ ঠিক-ঠাক কৰি সিহঁত দুয়োটাই নাওখন ঠেলিবলৈ সাজু হ'ল।

পৰমা টিঙৰ পৰা নামিল। চাচা তাৰ ঠিক কাষতে। মানুহজন সকলোৰে চাচা। চাচাই এইবাৰ ভঙা ভঙা অসমীয়াতে কৈ গ'ল। কেইবছৰমান আগতে চাচা পৰমাহঁতৰ ঘৰলৈ আহিছিল। তেতিয়া তেওঁ খেতিৰ কাম কৰিছিল। খেতিৰ কাম বাদ দি এতিয়া মাছৰ কামত ধৰিছে। এই গোটেই দলটোক দুজনমান লগৰ মানুহৰ সৈতে চাচাই চায়। ৰাতি ডাঙৰ ডাঙৰ ঘুলিবোৰত মাছ ধৰা, মাছবোৰক বান্ধি আনি বানৰ বেৰত সুমুওৱা জটিল কামবোৰ চাচাৰ। দিনত তেওঁ মাছলৈ নাযায়।

পৰমাই চাচালৈকে চাই ৰ'ল। কাম-কাজবোৰ মানুহজনৰ ধীৰ আৰু নিপুণ। মুখখনত অনবৰতে হাঁহি। পৰমাৰ চকুৰ চাৱনিৰ অৰ্থ চাচাই ভালদৰে ধৰিব নোৱাৰিলেও পৰমালৈ চাই সুধিলে — কিটা দেখ্চচ বে ...। বেৰাইতে যাচ্ নাকি ...?

সি ফুৰিবলৈ যাব নেকি, চাচাৰ লগত নাৱত। গোটেই বিলখনত এপাক।

বেলি কিন্তু বহি আহিছে। আজিলৈ থাকক। পৰমাই মাত্ৰ ক'লে, তোমাৰ গানবোৰ কিন্তু বৰ ভাল লগা।

হাঁহিভৰ্তি বহল মুখখন আকৌ হাঁহিৰে জিলিকি উঠিল। আপ্লুত চকুত যেন

সন্তুষ্টি, সতি!

—এইবোৰ কি গান, পৰমাই সুধিলে।

মিচিকিয়া হাঁহি এটাৰে চাচাই ক'লে, এইবোৰ, এইবোৰ দেহতত্ত্বৰ গান। পৰমাই ভালদৰে বুজি নাপাব। সি ডাঙৰ হ'ব লাগিব। আজি সন্ধিয়া হ'লেই। কালিলৈ বা আন এদিন পৰমাক চাচাই কিছু কিছু বুজাব। আৰু অনেক গানো শুনাব।

গানৰ লগে লগে পৰমাই চাচাৰ পৰা অনেক কথা শুনিলে। এটা সময়ত ক'ব নোৱাৰাকৈয়ে চাচাৰ সাধু আৰু গানক কেন্দ্ৰ কৰি আবেলিৰ মাছৰ লগতে বিলৰ পাৰত আন এটা জুম বান্ধে। গীত আৰু সাধু শুনা জুমটো মাজে মাজে বাঢ়ি যায়, কেতিয়াবা কমে। কিন্তু পৰমা চাচাৰ ওচৰত প্ৰায়ে থাকে। পৰমা নাহিলে যেন চাচাই সাধু কৈও ভাল নাপায়। প্ৰাণ ঢালি গীতো যেন গাব নোৱাৰে। চাচাই তাক কথা দিছে নাওখনত বছৰাই গোটেই বিলখনৰ বহু দূৰলৈকে এদিন তাক লৈ যাব। বহু ভাটিয়ালি, লোকগীত আৰু দেহবিচাৰৰ গান তাক শুনাব। লগতে ক'ব আৰু অনেক ৰূপকথা, গঙ্গা আৰু পদ্মাৰ।

পৰমা আচৰিত হয়। অফুৰন্ত ভাণ্ডাৰ চাচাৰ গল্পও যেন অনন্ত। মাছৰ টোপোলাবোৰ লৈ সন্ধিয়াৰ ঘৰলৈ বুলি ওলটাৰ আগে আগে চাচাই আধৰুৱা কথা শেষ কৰে। বাকীবোৰ কালিলৈ। ৰাতিৰ নাও সাজু হয়। আৰু সদায় সেই একেই শেষ গান গাই গাই চাচাই সকলোকে বিদায় দিয়ে —অ' পৰাণ সখী, আমাৰ বিবাহ কই দিন আছে বাকী ...।

চাচাৰ বিয়া? কেতিয়া—।

চাচাকে এদিন তাক ভালদৰে বুজাব কেতিয়ালৈ তেওঁৰ বিয়া। বিয়াৰ দিনা তেওঁ কি কি কৰিব। এদিন দেওবাৰে, স্কুল বন্ধবাৰে।

সাধুকথা, বিলখন আৰু চাচাৰ গানবোৰে পৰমাক অনবৰতে আচ্ছন্ন কৰি ৰাখে। মাককো কেবল চাচাৰ কথা। স্কুলৰ পৰা আহি ভাত খায়েই মাছ অনাৰ নামত চাউলৰ টোপোলাটো কৰি প্ৰথম ল'ৰাবোৰ যোৱাৰ সময়তে পৰমাৰ দৌৰ। মাকে বতৰ জুৰ পৰালৈ ৰ'বলৈ কয়, ভৰ ৰ'দত নাযাবলৈ কয়, বিলৰ প্ৰকাণ্ড ডুবিবিলাকৰ কথা কয়, নাৱত কেতিয়াও নুঠিবলৈ কয়, বিলখনৰ পাৰত থকা বাঁহৰ খুঁটিবিলাকৰ কাষলৈ নাযাবলৈ কয়। পৰমাই সকলোবোৰ শুনি থাকে। সকলোবোৰ হাক-বচন ঘৰ এৰি মাকে নেদেখা হোৱালৈকে বিনাদ্বিধাই কেবল শুনি ৰয়। পাকটো মাৰি গৰুবাট পাৰ হৈ পথাৰখন পোৱাৰ লগে লগে পথাৰৰ মাজে মাজে দৌৰ। চাচাৰ নাওখন যেন সদায়ে সাজু।

বিলখনলৈ চাই ঘুলিবোৰ সি অনুমান কৰে। সকলোৱে তাক ঘুলিৰ কথা কয়। ঘুলি, কোনবোৰ ঘুলি? দেখাতচোন সকলোবোৰ সমান। একেই সমতল।

চাচাই আঙুলিয়াই দেখুৱায়। হাতত থকা ব'ঠা পানীতেৰে হিচাব কৰি দেখুৱায়

কোনটো ঘুলি কিমান দ। কোনটো ডুবিত কোন দেৱতা, কোনটোত মতা দেৱতা কোনটোত অপেশ্বৰী, ক'ত দ'ত এইবোৰৰ কথা কিন্তু একো নকয়। আনকি নাওবোৰ কেনেকৈ ডুব যায় সেইবোৰ কথাও চাচাই নকয়। বিলখনে মানুহ কেনেকৈ লয়, সাধাৰণ সোঁতত কেনেকৈ সহস্ৰ পাক হয়, বিলৰ জগৰ ক'ত কেনেকৈ লাগে, সহস্ৰ পাকত কোনোবা নাৱৰীয়া মাছ-ভৰ্তি নাৱেৰে কেনেকৈ হৰহৰকৈ সোমাই পৰিব পাৰে, পানীৰ তলতে কেনেকৈ ৰাখে অনেক দিন। এইবোৰ সাধু চাচাই সদায় পিছুৱাই ৰাখে। বতৰ অলপ জুৰ পৰক। ডাঙৰ নাওখনত সকলোকে তুলি বহু দীঘল সাধু ক'ব। বিলখন কেইবাপাকো ঘূৰাব। ঘুলিবোৰ ওচৰৰ পৰা দেখুৱাব আৰু ক'ব চাচাৰ বিয়াখনৰ খবৰ।

— আমাৰ বিয়াৰ কই দিন আছে বাকী,
অ' পৰাণ সখী —
যেদিন আমাৰ বিয়া অইব' —
আচ্ পৰ্‌টি সৱেই জানব'
আৰ কত কৰব দৌৰাদৌৰি —
অ' পৰাণ সখী, আমাৰ বিয়াৰ কইদিন আছে বাকী।
আতৰ গোলাব মাখাইয়া
লইয়া যাইব নতুন শ্বশুৰ বাৰী —
অ' পৰাণ, সখী, আমাৰ বিয়াৰ কইদিন আছে বাকী।

ছয়মহীয়া পৰীক্ষাৰ পিছৰ দেওবাৰে পুৱাই পৰমা বিললৈ যাব। আন কোনো নাহোঁতেই পৰমাই চাচাক অকলে লগ পাব।

মাক আগপিনে থাকোঁতেই সি বহল গামোচাখন মজিয়াত মেলি ধৰিলে। টিনটোৰ পৰা নিজ ইচ্ছা মতে মগে মগে চাউল উলিয়ালে। চাচাক পুৱায়েই যিমান পাৰে সোনকালে সি অকলে লগ ধৰিবগৈ। একেবাৰে অকলে। বহুত কথা আজি সি শুনিব। চাচাৰ লগত ডাঙৰ নাওখনত কোনো নহাৰ আগেয়ে অকলে গোটেই বিলখনত দুপাকমান মাৰিব। মাছে নেৰিয়াই থকা বৰ বৰ ঘুলিবোৰ ওচৰৰ পৰা চাব। ঘুলিৰ কাহিনীবোৰ শুনিব, গান শুনিব, চাচাৰ বিবাহৰ কথা শুনিব। পাৰি ৰখা বহল গামোচাখনত চাউলৰ দ'ম আৰু ডাঙৰ হৈ যায়। তাৰ মন নুজুৰে। মগটোৰে পৰমাই আৰু চাউল উলিয়ায়।

শকত গামোচাৰ টোপোলাটো কোনো মতে গাঁঠি মাৰি মাকক যাওঁ বুলি চিঞৰ এটা দি পৰমা পিছপিনৰ বাঁহতলৰ মাজেৰে লৰ ল'লে।

পুৱাতে ইমান মানুহ। বহু দূৰৰ পৰা বিলৰ পাৰভৰ্তি যেন মানুহ দেখি দূৰতে পৰমা হতাশ হ'ল। আজি আকৌ কি হ'ল। ইমান মানুহ পুৱাতে। পৰমা লাহে লাহে বিল পালেহি। কাৰৰ প্ৰায়বোৰ গাঁৱৰ মানুহেৰে বিলখন ভৰি আছে। প্ৰায়বোৰ আগেয়ে

নেদেখা মানুহ। মাছমৰীয়াবোৰ দীঘল বহাটোৰ কাষতে প্ৰায় একে ঠাইতে থুপ খাই বৈ আছে। সদায় থাকিবলগীয়া ঠাইত চাচাৰ নাওখন নাই। কোনোবা এজনে আন এজনক কৰা প্ৰশ্ন পৰমাই স্পষ্ট শুনিলে, নাওখন ওলালনে?

— নাই, অপেশ্বৰীয়ে নাওখন এতিয়াও এৰি দিয়া নাই। ৰাতিতে টানি নিয়া নাওখন এতিয়াও ওলোৱাহি নাই। মাত্ৰ পুৱাহে তলমূৰকৈ সৌ দলঙৰ খুঁটাত লাগি আছিল মানুহটো।

পুৱাই খবৰটো চাৰিওপিনে গাঁওবোৰলৈ বিয়পি গ'ল। মাছ নিবলৈ অহা ফীচ ভানখনতে প্ৰথমে মহলদাৰ আৰু ইপাকত পুলিচ আহিল। ভানখনতে চাচাক টাউনলৈ লৈ গ'ল। প্ৰথমে প'ষ্টমৰ্টেম, তাৰ পিছত টাউনৰ গোৰস্থানতে জানাজা। চাচাৰ ক'তো কোনো নাই।

মানুহবোৰ লাহে লাহে ঘৰাঘৰি গৈছে। পূজা-বিধান, ডাঙৰীয়া, অপেশ্বৰী, দেৱতা আদিৰ বিভিন্ন কথা আৰু মন্তব্যৰে নিজ নিজ গাঁৱৰ পিনে মানুহবোৰ খোজ লৈছে।

পৰমাৰ বুকুখন হাঁহাকাৰ কৰি উঠিল। সি এতিয়া কাক কি সোধে। বিলৰ পাৰত এতিয়াও কোনো লগ-সমনীয়া অহা নাই। পিঠিত চাউলৰ শকত টোপোলাটো লৈ অকলে অকলে অ'ত-ত'ত থিয় দিয়ে। চালিখনৰ কাষলৈ লাহে লাহে পৰমা আগুৱাই গ'ল। সদায়ে য'ত নাওখন থাকে, য'ত চাচা বহে পৰমা তাতে থিয় দি ৰ'ল। দীঘল, নীৰৱ চালিখনৰ দুৱাৰখন শূন্য। হাতবোৰ আঁঠু আৰু কপালত লগাই থুপ খাই কাষতে বহি থকা বাকহীন মাছমৰীয়াবোৰ। সিহঁত সকলোবোৰৰ বহু যুৰি চকু পৰমাই চাব নোৱাৰিলে। বহল বিলখনলৈ সি মুখ ঘূৰালে। সন্মুখত ঘুলি, ডুবি কোনো চিন-চাব নোহোৱা সমাহিত ডিমৌ বিল—শান্ত।

অলস খোজেৰে চালিখনৰ কাষৰ পৰা লাহে লাহে পৰমা আঁতৰি আহিল। বিলৰ পাৰ এতিয়া প্ৰায় জনশূন্য। পিঠিত চাউলৰ মোনাটো এতিয়াও লাগি থাকিল। কাষেদি এটা ডাঙৰ কাউৰী লাহে লাহে পাখি মাৰি মাৰি আন এটা কাউৰীৰ কাষত বহি ৰ'লগৈ। কাউৰীটোৱে ডিঙি ঘূৰাই পৰমাৰ পিনলৈ কেইবাবাৰো যেন চালে। কাষৰ থিয় দি থকা খুঁটিকেইটাৰ ওচৰে ওচৰে আৰু কেইবাটাও কাউৰী, এটা সৰু জাক। সকলোবোৰ যেন স্তব্ধ, ধীৰ আৰু ম্ৰিয়মাণ।

থিয় দি থকা খুঁটিকেইটাৰ কাষলৈ পৰমা আৰু অলপ আগবাঢ়ি গ'ল। উৰি নোযোৱাকৈ কাউৰীবোৰ অলপ জঁপিয়াই বা খোজকাঢ়ি গাবোৰ লৰালে। চাউলৰ টোপোলাটো হঠাৎ পৰমাই পিঠিৰ পৰা নমালে। মাটিতে মেলি ধৰিলে। মন্ত্ৰমুগ্ধৰ দৰেই সি কামবোৰ কৰি গ'ল, অকলে অকলে। প্ৰথমে হাতৰ মুঠিৰে, নাই, মুঠিত অনেক কম চাউল ধৰে। দুই হাতৰ আঁজলিৰে তিনি ঠাইত কেইআঁজলি চাউল ৰাখি। তিনিটা সমান দ'ম কৰিলে। মন্ত্ৰভাৱে মূৰ লৰাই লৰাই কাউৰীবোৰে ওচৰৰ পৰা চাই

থাকিল। বগা চাউলখিনি হাতেৰে তিনিবাৰকৈ চুই গামোচাত থকা বাকীখিনি চাউল দুই হাতেৰে ধৰি পৰমা এইবাৰ বিলখনলৈ নামি গ'ল। একাঁঠুমান পানীত গামোচাখন মেলি চাউলখিনি দূৰলৈ ছটিয়াই দিলে।

পানীৰ পৰাই সি উলটি চালে। কোনো কোৰ্হাল নোহোৱাকৈ, যেন অতি অনিচ্ছাৰে কাউৰীবোৰে চাউলখিনিত লাহে লাহে খুঁটিয়াইছে।

অৰূপা পটঙ্গীয়া কলিতা

কেতিয়াবা নুমলী এদিন

দৈৱকীৰ দিন

কেতিয়াবা নুমলী এদিন

"স্বাধীনতা মানে কি
তাৰ বা তাইৰ বা তোমাৰ বা মোৰ বাবে?
আমাৰ সকলোৰেই বাবেই বা ইয়াৰ অৰ্থ কি?
....
স্বাধীনতা মানে ভালপোৱা আৰু ভগাই লোৱা
সহায় কৰা আৰু যত্ন লোৱা
ভীত নোহোৱা আৰু সৰ্বত্ৰ মানুহক ভালপোৱা।"

(চযন্দৰ হাছমি)

কাউৰীপুৱাতে উঠি তাঁতশালত মাকো চলাই চলাই নুমলীৰ হাতৰ গাঁঠিবোৰ টন্‌টনাই উঠিছিল। মাকোটো আধাবছা ৰঙা আঁচুৰ ফুলটোৰ ওপৰতে থৈ তাই হাতৰ আঙুলিকেইটা ফুটাই ল'লে। তাই বগা গামোচাখনত লাহে লাহে জিলিকি উঠা শৰাইৰ চানেকিটো অলপ সময় মুগ্ধ হৈ চাই থাকিল। এইবাৰ বিহুত ককায়েকহঁত গামোচা হাতত লৈ বৈ যাব। জোকাই থাকে নহয় বেঙী, আঁকৰী বুলি, এইবাৰ দেখিব। মাকশৰ চহৰীয়া বৌৱেকে লগত অনা চানেকিৰ বহীৰ পৰা ফুল তুলিছে, সদায় বছৰ দৰে আৰ-তাৰ বোৱা গামোচা চাই নক্সা তোলা নাই। ঘন্‌ঘন্‌কৈ কেইমাকোমান মাৰি নুমলীয়ে ফুলটো শেষ কৰি টোলোঠাটো ঘূৰাব খুজি আকৌ এবাৰ ফুলটো হাতেৰে চুই চালে, টুপকেইটা হোৱাৰ লগে লগে কেনেনো ধুনীয়াকৈ বগলী সূতাৰ মাজত ৰঙা আঁচুৰ শৰাইকিখন ওলাই পৰিল। ৰাচখনতে টন্‌টনাই থকা আঙুলিকিটা লাহেকৈ থৈ নুমলীয়ে উলাহভৰা মাতেৰে চিঞৰি উঠিল, "বৌটি ঐ! আৰু এখন ওলাল।"

নুমলীৰ তাঁতশালৰ চালিমাৰডালতে খেদাখেদি কৰি শালিকী এজনী পৰিলহি, পৰিয়ে গৰকাৰ শব্দত ভুৰুংকৈ উৰা মাৰিলে। তাই খিল্‌খিলাই হাঁহি, আমৰ ডালটোত পৰা শালিকীজনীলৈ চাই কৈ উঠিল — "এতিয়া ভয় খাইছা নহয়। যোৱাকালি মাজুদাদাৰ গামোচাৰ ফুলত পৰি তুমিয়ে জট লগাইছিলা, গম পালোঁহে।" শালিকীজনী বহি থকা দোঁ

খাই মলিওৱা আমজোপাৰ পৰা কুলি এজনীয়ে চিএঞৰি উঠিল। নুমলীয়ে আমজোপালৈ চাই থাকিল, ফেৰেঙণিৰ কপৌজোপাত এপাহ ফুল ফুলিছে। হঠাৎ যেন বগলী সূতাৰ মাজত শাৰী পাতি থকা ৰঙা শৰাইকিখন আমজোপাত, কুলিজনীৰ মাতত, কপৌপাহত, গোটেই আকাশখন বিয়পি পৰিল। ৰঙা শৰাইকিখন চুই চুই তাই আকৌ এবাৰ চিএঞৰ ধৰিলে — "বৌটি ঐ! আহচোন, এইখন টোলোঠাটোত ভৰাই লওঁ।"

নুমলীৰ মাকে পুতেকহঁতৰ বাবে ভাতৰ দিহা কৰি আছিল। বৰপুতেক স্কুললৈ যাব, মাজুটো অফিচলৈ, সৰুটো কলেজলৈ, জীয়েকৰ চিএঞৰত মাছ বাছি থকা হাতেৰেই আহি তাঁতশালৰ ওচৰত থিয় দিলেহি। বৰ-বোৱাৰীয়েক গা-ভাৰী বাবে মাকৰ ঘৰত আছেগৈ, অকলেই আখল, বৰঘৰ চম্ভালিব লগাত পৰিছে। এনেকুৱাতেই মাজুটো পুতেকৰ বিয়াৰ বাবে মনটো উত্ৰাৱল হৈ পৰে। সি আকৌ বোলে বঙলা ঘৰ তুলিহে ছোৱালী আনিব। সৰু পুতেকে কলেজলৈ বুলি চাইকেল বাহিৰত উলিয়াই ল'লেই। মাছ চালনিতে আছে। "চিএঞৰি গগন ফালিছ কেলেই" বুলি জীয়েকক গোঙোৰা এটা মাৰিব খুজি নুমলীৰ মাক একমনে তাঁতৰ গামোচাখন চাই থকা জীয়েকৰ আজলী মুখখন চাই ৰৈ গ'ল। চাই থাকোঁতেই তাই গাভৰু হ'ল। উলিয়াই দিবৰে হ'ল, যোৱা সপ্তাহত সখীৰ ল'ৰাটোৰ বাবে প্ৰস্তাৱ আহিছেই। নৈৰ সিপাৰে মাটি ভাঙি পাম পাতি বহা স্বাস্থ্যবান ল'ৰাটোলৈ তেওঁৰ মৰমো লাগিছে। ককায়েকহঁতৰহে চহা ল'ৰাক দিবৰ মন নাই, দিনে-নিশাই ছোৱালীজনীক ডবিয়াই-হুকিয়াই থাকে, "মেট্ৰিকটোকে পাছ কৰিব নোৱাৰিলি, হালোৱাই নিনিলে কোনে নিব?" ছোৱালীজনীক তেনেকৈ ডবিয়াই থাকিলে মাকৰ মনটো বিদাৰি যায়! নোৱাৰিলেই জানিবা মেট্ৰিক পাছ কৰি কলেজত সোমাবলৈ, তাতে কি আহে-যায়, তাইৰ দৰে জুতিয়ে জুতিয়ে তাঁত লগাব পৰা কেইজনী ছোৱালী এইখণ্ডত আছে? তাই কাম কৰি কৰি গুণগুণাই থকা বিহুগীত বা বিয়ানামৰ সুৰীয়া সুৰটো শুনিলে মনটো জুৰ পৰি যায়, তাই মজা কাঁহীকেইখন সোণ হৈ জিলিকে, তাইৰ হাতৰ মাছৰ টেঙাখন অমৃত যেন হয়, তাই কৰা লচকৰাটো তগৰ ফুল হেন বগা হয়, তাই ভজা খোলা-চপৰীয়া পিঠাকেইখন বগা পাভ মাছটো যেন হয়। আন কলেজ-পঢ়া ছোৱালীৰ দৰে তাই ৰচকীজনী নহ'ল বাবে ককায়েকহঁতৰ মান নৰ'ল। সৰু ককায়েকে যোৱাবেলি পূজাত আনি দিয়া চিক্কৰ চুৰিদাৰ-কামিজযোৰ দেখি তাই লাজতে ৰঙা পৰি গ'ল — "বৌটি ঐ! সৰুদাই মোলৈ কি আনিছে চা, এইবোৰনো মই ক'ত পিন্ধিম?" সঁচাকৈয়ে এজাৰ ফুলহেন ৰঙৰ মিহি কাপোৰযোৰ বাকচতে পৰি থাকিল। তাই নিজে বোৱা কপাহী মেখেলা-চাদৰেই পিন্ধি থাকে। ঘৰে ঘৰে অহা গুৱালকুছীয়া বেপাৰীৰ পৰা নগদ এহেজাৰ দি তাইৰ বাবে পাটৰ কাপোৰ এযোৰ কিনি দিওঁতে নুমলীৰ কি কান্দোন! "পিতাই মৰাৰ পৰা ডাঙৰ দাদা, মাজু দাদাই কেনেকৈ সংসাৰ চলাইছে! আৰু তই সিহঁতৰ কষ্টৰ পইছাৰে মোলৈ পাটৰ কাপোৰ কিনিছ! চকুৰ আগতে বুঢ়াই দহখন ন'ট গণি গণি লৈ গ'ল। তাৰে গৰু এজনী ল'ব পাৰিলোঁহেঁতেন, এবান্ধ টিনপাট পালোঁহেঁতেন!" ঘৰখনৰ বাদেনো ছোৱালীজনীয়ে জানে কি! ক'লৈকো নাযায়, ক'তো নুফুৰে, ঘৰখনকে এনেকৈ কামুৰি থকা গাভৰু ছোৱালীনো ক'ত আছে! নুমলীৰ মাকৰ বুকু ভেদি হুমুনিয়াহ

এটা নিগৰি আহিল।

তাঁতশালৰ দোৰ্পতী জৰীডাল ধৰি নুমলীয়ে উচুপি আছে, ভেলেণ্ডী পছৰ দৰে চকুহালৰ পৰা টপ্‌টপ্‌কৈ পানী পৰি আছে। ওচৰতে কলেজলৈ বুলি ওলোৱা সৰু ককায়েকে ডাঙৰ খবৰ কাগজ এখনেৰে কিতাপ এখন বান্ধি বান্ধি নুমলীক দম্‌দমাই আছে, "খবৰ কাগজকিখনলৈ তোৰ কিহৰ ইমান মোহ? এটা আখৰ পঢ়নে? পঢ়িবলৈ মূৰত কিবা আছে জানো? কোনোবাই কিবা এটা বান্ধিবলৈ কাগজ এখন ল'লেই আহিব নহয় তাই চোঁ মাৰি। "কি কৰ কাগজেৰে তই?" নুমলীয়ে উচুপিয়ে আছে। জীয়েকে তেনেকৈ উচুপি থকাত মাক আৰু ৰ'ব নোৱাৰিলে। জীয়েকৰ চুলিত হাত ফুৰাই পুতেকলৈ পোন্দোৰাকৈ চাই কৈ উঠিল, "কাগজকিখন গোটাই ৰামুৰ দোকানত বেচি পোৱা টকাকিটাৰে তাই তইঁতৰ কাৰণেই বস্তু কিনে? তিনিটকীয়া হৰেক মালৰ বেপাৰীৰ পৰা তায়ে তইঁতে চাবোন ৰখা, ডাঢ়ি খুৰোৱা বস্তু থোৱা সৌবোৰ কিনিছে।" মাকৰ টান মাত আৰু নুমলীৰ উচুপনি শুনি অফিচলৈ যাবলৈ বুলি জোতা ব্ৰাছ কৰি থকা মাজু ককায়েকে মাত লগালে, "তাই যদি এইবোৰ চিন্তা নকৰি অলপ পঢ়াতে মন দিলেহেঁতেন, তাইক আমি চহৰত ৰাখি পঢ়ুৱালোঁহেঁতেন।" জীয়েকৰ হাতত ধৰি মাকে তাইক পাকঘৰলৈ লৈ গ'ল "আহ মাজনী! মাছকিটাকে বাছি দেহি।" চাদৰৰ আঁচলেৰে চকু মোহাৰি মোহাৰি নুমলী মাকৰ পাছে পাছে গৈ চালনিৰ মাছকিটা মৈদা লৈ বাছিবলৈ লাগিল। পাকঘৰত ভাত হৈছেনে নাই চাবলৈ অহা বৰপুতেকক দেখি মাকৰ শোক উঠলি উঠিল, "ডবিয়াই-হুকিয়াই থাকিলে কি হ'ব? ভগৱানে তাইক কলেজ পঢ়া বুধি নিদিলে। ইন্দ্ৰলৈ শচী, ফেঁচালৈ ফেঁচী আছে তাইৰ কপালতো কোনোবা।" বৰপুতেকে পীৰা পাৰি বহিলেই — "বৌটি! তয়ে তাইক লাই দি দি মূৰত উঠালি।"

মাকে লাই দি মূৰত উঠোৱা জীয়েক তেতিয়া ভেচেলি মাছ এটা চাই আপোনপাহৰা। আধাবছা মাছ চালনিতে থৈ নুমলীয়ে ভেচেলি মাছটো পানী এবাটিত এৰি দি আঁঠুকাঢ়ি চাই আছে, "আঐ দেহি কেনেনো ধুনীয়া! বৌটি অ'! চাচোন, মাছটোৰ অকণমানি গাটোতনো কোনে এনেকৈ ৰঙা আৰু ৰূপালী আঁক দিলে? বৌটি অ'! মাছটো জীয়াই আছে, চাচোন চা, সাঁতুৰিলে আৰু ধুনীয়া দেখি।" মাকে আধাবছা মাছৰ চালনিখনৰ পৰা বাছি থোৱা মাছকিটা নি ধুই তেল গৰম হৈ থকা কেৰাহীটোত বহাই দি জীয়েকক ধমকিয়াই উঠিল, "ককায়েৰহঁতে এনেই হুকিয়াই থাকেনে? ক'ৰবাত চৰাই এটা দেখিলে, জিয়াঁ এটা দেখিলে গ'লেই নহয় ভোল, ঘৰ ধৰি থকাৰ বয়স হ'ল, কেঁচুৱামি নগ'ল।"

"কাৰ কেঁচুৱামি নগ'ল খুড়ীদেউ?" গলগলীয়া মাত, বুটজোতাৰ শব্দত আটাইবোৰে ঘূৰি চালে — প্ৰশান্ত। তাৰ গাত ব'হাগ মাহৰ দুপৰীয়াতো এটা হলৌ জেকেট, মুঢ়াটো টানি আনি বহোঁতে তাৰ জেকেটৰ ভিতৰত কিবা এটা শব্দ হ'ল। বহিয়ে সি জেকেটৰ চেইনডাল খুলি ল'লে। নুমলীয়ে স্পষ্ট দেখিলে তাইৰ বৰপিতাইৰ পুতেক ককায়েকৰ হলৌ চোলাৰ জেপত তিনিটাকৈ বিভলভাৰ। "আঐ" বুলি চিঞৰ এটা মাৰিব খুজি নুমলী ওঁঠ কামুৰি বৈ গ'ল। এবাৰ তাৰ জেপৰ বিভলভাৰ দেখি —"ককাইদেউ! তুমিনো এইবোৰ কি কৰিবলৈ লৈ থাকা" বুলি সুধি মাক-ককায়েক চবৰে পৰা কমনো গালিখন

খাইছিলনে? আজি কেইবছৰমানৰ পৰা ল'ৰাটো একেবাৰে বদলি গ'ল। মাজতে দুবছৰমান ঘৰত নাছিল, তাৰ পৰা মাজে মাজে দেখা দিয়ে। আজিয়ে প্ৰায় ছমাহৰ মূৰত দেখিছে। প্ৰশান্ত আহিলেই চৰবোৰ মানুহ চুপ মাৰি যায়। সেয়া বৰ ককায়েকে চ'ৰাঘৰৰ দুৱাৰ বন্ধ কৰিলেই।

"সৰুবাপ!" প্ৰশান্তই সৰু ককায়েকলৈ চাই কিবা মিটিঙৰ কথা কৈছে, "অহাকালি আমাৰ সংগঠনৰ মিটিং আছে, আমাৰ ঘৰতে হ'ব।" কৈয়েই সি যেনেকৈ আহিছিল তেনেকৈ ওলাই গ'লগৈ। গোটেই পাকঘৰটোত মাছ ভজাৰ গোন্ধটো তল পেলাই এটা ঘামৰ টেঙা টেঙা গোন্ধ বিয়পি পৰিল।

"সৰুবাপ, তোকনো সি কি কৰিবলৈ কৈ গ'ল?"

ডাঙৰ ককায়েকৰ মুখত স্পষ্ট চিন্তাৰ চিন।

"মই অলপ চকু-কাণ দি থাকিব লাগিব, গাঁওখনত মিলিটেৰী পিয়াপি দি ফুৰিছে। ই প্ৰশান্তৰ কাৰণেই আমাৰ গাঁৱৰ ওপৰত সিহঁতৰ আখেজ বেছি। প্ৰশান্তই সিহঁতৰ দুটা মানুহ আমাৰ গাঁৱতে মৰা নাছিল জানো?"

"আকৌ বা কি হয়!" মাকে মূৰে-কপালে হাত দি জুহালৰ কাষতে বহি পৰিল।

নুমলীয়ে এইবোৰ হা-হুতাশ বৰ বেয়া পায়। হাঁহি এটা মাৰিব নোৱাৰা, কথা এষাৰ ক'ব নোৱাৰা এনেবোৰ মুহূৰ্ত তাইৰ বাবে অভিশাপ যেন লাগে। মানুহনো এনেকৈ থাকিব পাৰেনে? আমজোপাত পৰি চিএৰি থকা কুলিজনীক সিএৰিবৰ মন গৈছে, চোতালত চালনি এখনত নিমখ-তেল সানি ৰ'দাই থোৱা টেকীত খুন্দা ঔটেঙা এটুকুৰা চুহিবলৈ মন গৈছে। ঘৰৰ মানুহবোৰ এনেকৈ থাকিলে পাৰি নেকি? গোটেইবোৰ কেনেকৈ শিল পৰা কপৌৰ দৰে থৰ হৈ আছে! প্ৰশান্তহঁতে যি কৰে কৰক, তাতে আমাৰ কি আহে-যায়! তাৰ লগ লগাৰ বাবে সৰুদাদাক বৰদাই গালি পৰাৰ পৰা সিতো আৰু তাৰ লগ লোৱা নাই। আৰু পিয়াপি দি থকা মিলিটেৰী! সেই পথাৰত দুটা মিলিটেৰী মৰাৰ পাছত গাড়ীয়ে গাড়ীয়ে মিলিটেৰী আহি গাঁও ছানি ধৰিছিলেহি। তাই অলেখলেখ একো চাবলৈ নাপালেই, বৌৱেকক-তাইকে নি বৌৱেকৰ ঘৰত বৰ-ককায়েকে থৈ আহিলেগৈ। এতিয়ানো ক'ত মিলিটেৰী আছে? মানুহবোৰ বহিল যি বহিলেই, তাইৰ মাছবছা কেতিয়াবাই হ'ল, আধাবাল্টি পানীত ভেচেলি মাছটো সাঁতুৰি ফুৰিছে। ঠিক যেন ৰঙা ৰূপালী ফুল এপাহহে, বটল এটাত জীয়াই থ'ব লাগিব। বটল এটা বিচাৰিবলৈ বুলি উঠিব খুজিও তাই উঠিব পৰা নাই। ঘৰৰ মানুহবোৰ এনেকৈ থাকিলে কিবা কৰিব পাৰি নেকি?

"বৌটি। আজিকালিনো ক'ত মিলিটেৰী আছে?" অসহ্য লাগি তায়ে মাত লগালে।

আটাইকেউটাই নুমলীৰ ফালে ঘূৰি চালে। ভেলেণ্ডী পহুৰ দৰে চকুহালেৰে তাইৰ মুখখন সঁচাকৈয়ে কেঁচুৱা ছোৱালী যেন লাগিছে।

"মাজনী! তই এইবোৰৰ আও-ভাও নুবুজ। যা মাছকিটা ধুই আনগৈ, সেই কাউৰীপুৱাৰে পৰা তাঁতত বহিছ, দহ বাজিবৰ হ'ল কিবা এটা খা।"

মাছকিটা হাতত তুলি তাই মাকৰ মুখখনলৈ চালে। কাঁন্দো কান্দো মুখখন তাই

বেছিপৰ চাই থাকিব নোৱাৰিলে, চকুযোৰ সেমেকি আহিল। মাকে ককায়েকহঁতক কিবা কৈছে, ভয়ত মানুহজনীৰ মুখখন বিৱৰ্ণ হৈ পৰিছে—"সিদিনা নামঘৰত শুনিলোঁ মিলিটেৰী বোলে আগৰ দৰে দেখ্‌দেখকৈ নাহে। বনগাঁৱত বোলে গামোচা পিন্ধি, কান্ধত জাল লৈ, কঁকালত খালৈ বান্ধি দহোটা মিলিটেৰী পিন্‌পিনাই ফুৰিছিল, ৰাইজে তততেই ধৰিব নোৱাৰিলে।"

"দিন-কাল বৰ বেয়া হ'ল।" বৰ-ককায়েকে আধাখোৱা ভাতখিনিত পানী ঢালি উঠি আহিল। অনবৰতে ইটো খাওঁ সিটো খাওঁকৈ থকা সৰু ককায়েকটো ভাত নোখোৱাকৈ ওলাই গ'ল। মাজু ককায়েকৰ কাঁহীৰ ভাত কাঁহীতে পৰি থাকিল। নুমলীৰ বুকুখন কিবা কৰি আহিল, ককায়েককিটা দিনৰ দিনটো লঘোণে থাকিব। পাকঘৰৰ পিৰালীতে বহি আঁঠুত মূৰ গুজি তাই বহি পৰিল, টোপ্‌টোপকৈ চকুপানী পৰি আঁঠুৰ ওপৰত তাইৰ মেখেলাখন তিতি গ'ল। সৰু ককায়েক নঙলা খুলি সোমাই আহি চকোৰাতে চাইকেলখন আঁউজাই ভনীয়েকক পিৰালীত বহি উচুপি থকা দেখি বৈ গ'ল। ক'ব নোৱাৰাকৈয়ে সিহঁত আটাইকেউটায়ে নঙলাত হাত থৈয়ে কাণ উনাই থাকে এবাৰ মিঠা মাতলৈ —"বৌটি ঐ! সৰুদা আহিলে।" ঘৰ সোমায়ে সিহঁতে নুমলীৰ অজলা মুখখন চাই, কিবা এবাৰ কৈহে আন কামত হাত দিয়ে। তাই গুণ্‌গুণকৈ গান গাই নুফুৰিলে চৰৰে কিবা এটা নোহোৱা যেন লাগে। গাঁওখনত যোৱা ৰাতি ছটা প্ৰশান্তৰ লগৰ ল'ৰা সোমাইছেহি। অৱশ্যে মিলিটেৰী পুলিচ এতিয়ালৈকে চকুত পৰা নাই, মাকে নামঘৰত শুনি অহাদি....। তাৰ বুকুখন কঁপি উঠিল গোটেইখন শুকান খেৰনি যেন হৈ আছে, ফিৰিঙতি এটা পৰিলেই হ'ল, আটাইবোৰ দহি পেলাব। সি আজি কলেজলৈ বুলি ওলায়ো নগ'ল, ককায়েকহঁত ঘৰত নাই, কিবা এখন গোলমাল হ'লে মাকে-ভনীয়েকজনীক লৈ কি কৰিব? এনেই মনটো টেঙাই আছে, তাতে ভনীয়েকজনীয়ে উচুপি থকা দেখি তাৰ গোটেইখন বিষাদ লাগি গ'ল। সি লাহে লাহে ভনীয়েকৰ ওচৰ পালেগৈ, "নুমলী! কি হ'ল তোৰ?" সদায় বেঙী বেঙীকৈ মতা ককায়েকটোৱে নাম ধৰি মতা দেখি তাই আচৰিত হৈ তালৈ মূৰ তুলি চালে, "দাদা! কলেজলৈ নগ'লি?"

"নগ'লোঁ।" 'কি বা গণ্ডগোলখন হয়' বুলি ক'ব খুজি সি বৈ গ'ল, মিছাতে ভনীয়েকৰ মূৰত চিন্তা এটা সোমাব।

"ভালেই কৰিলি দে। লঘোণীয়া পেট লৈ দহ মাইল চাইকেল মাৰি গৈ কলেজত কিটো পঢ়িলিহেঁতেন।"

"তই কিবা খালিনে নাই? বৌটিয়ে অথনি কৈছিলে তই বোলে নাখাই-নবৈ তাঁতকে বৈ আছ?" সি লাহেকৈ তাইৰ পিঠিত হাত থ'লে।

ককায়েকৰ মৰম পাই তাই চকু মোহাৰি হাঁহি পেলালে, —"ব'ল ভাত খাওঁগৈ, আঞ্জা-তৰকাৰী চাগৈ চেঁচাই হ'ল। অকণমান ৰ'বি, পদিনা অকণকে তুলি আনোগৈ, তেতেলী একণ দি বাটি ল'লে মুখত লাগিব।"

পদিনা আনিবলৈ পাকঘৰৰ পাছফালে গৈ তাই পদিনাডৰাৰ ওচৰতে আঁঠুকাঢ়ি

বহি ল'লে, লহপহকৈ হোৱা পদিনাডৱাৰ মাজে মাজে টেঙেচিবোৰ মূৰ দাঙি উঠিছে। তাই দুডালমান বেঙুনীয়া ফুলেৰে সৈতে টেঙেচি উভালি আনিলে, পলকতে টেঙেচিডাল লেবেলি পৰিল, ফুলবোৰ দোঁ খাই পৰিল। ইমান সহজতে লেবেলি যায় টেঙেচিবোৰ! ফুলি থকা বেঙুনীয়া ফুলৰ টেঙেচিকেইজোপা উঠাই পদিনাখিনি চাফা কৰিম বুলি ভাবিও তাই নকৰিলে। 'থাকক দে। পদিনাজোপাৰনো কি অনিষ্ট হ'ব?' পদিনাৰ আগ ছিঙি ছিঙি তাই আকৌ বৈ গ'ল ঠিক পদিনাৰ গাতে গা লগাই হোৱা বনখিনিৰ সৰু হালধীয়া ফুলবোৰ দেখি। কেনেনো ধুনীয়া হৈছে! একেবাৰে সোণ যেন লাগে। এপাহ কাণফুলি কৰি পিন্ধিব পৰা হ'লে! চিকুট মাৰি কণ কণ ফুল দুপাহ ছিঙি তাই হাতৰ তলুৱাত ল'লে। লোবাৰ লগে লগে জঁয় পৰি গ'লেই নহয়! ঠিক এই ফুলপাহতকৈ অলপ ডাঙৰ কাণফুলি এযোৰ মাকণৰ বৌৱেকে পিন্ধি থাকে। এনেই চহৰীয়া ধুনীয়া ছোৱালী, তাতে বনকৰা পাটৰ কাপোৰ আৰু কাণফুলিযোৰে তুলি ধৰিছিল। কইনা হ'লে তাইকো যদি...। মাৰ সখীয়ে যোৱাবাৰ আহোঁতে হাতৰ বালাৰ জোখ নিছিল। সঁচাকৈয়ে বাৰু সখী জেঠাইৰ বোৱাৰীয়েকে হ'ব নেকি তাই? মাকে কৈছে নহয় সখী জেঠাইৰ ঘৰখনৰ কথা — পুখুৰীত বোলে মাছে সাঁতুৰি থাকে, বাৰীত হেনো নথকা গছ নাই। ল'ৰাটো বোলে বৰ কামিলা। মিঠা বৰণীয়া, ওখ-পাখ, জেঠাইৰ পুতেকজন এদিন আহিছিল, আহোঁতে তিনিআখি বাৰীৰ কল আনিছিল, মালভোগ, জাহাজী আৰু চেনিচম্পা। কলৰ কি গোট! কিমান মিঠা আছিল। ককায়েকহঁতে কল খাই খাই কৈছিল — "বেঙীলৈ হালোৱাই আনিছিল নেকি?" নিজৰ মাটিত খেতি কৰে, হালোৱা বুলি ক'লেই হ'লনে? চৰেই স্কুল-অফিচত চাকৰি কৰিলে খেতিনো কৰিব কোনে? তায়ো পথাৰলৈ যাব, ৰোৱা-তোলা কৰিব। তাই এদিনো পথাৰলৈ জলপান দিবলৈয়ো যাবলৈ নাপায়। ককায়েকহঁতে নিদিয়ে। তাই হাতৰ তলুৱাখন মেলি ধৰিলে। অলপ মৰহিলেও ফুল দুপাহ একেবাৰে জঁয় পৰা নাই। তাইৰ চকুৰ আগত ভাহি উঠিল বনকৰা কাপোৰ আৰু হালধীয়া বনফুল হেন কাণফুলি পিন্ধা কইনাজনীৰ ওচৰত ওখ-পাখ ৰ'দেপোৰা সখী জেঠাইৰ পুতেকক। ধেৎ! আৰে চাউলে মাটি-মাহে যেন লাগিব। মুখচোকা আয়তীয়ে গায়ে পেলাব, "অ' মন তৰা। আমাৰে আইটি কেনেনো ধুনীয়া, বোপাই তুমি খেৰেজুকলীয়া।" সঁচাকৈয়ে মুখ ফুটাই তাই বিয়ানাম ফাঁকি গাই উঠিল —

"অ' মন তৰা ...।"

"ঐ বেঙী! পদিনা তুলিবলৈ আহি বিয়ানাম গাই আছহি, ব'ল।" ককায়েকৰ মাতত তাই ৰঙা পৰা মুখখন দুহাতেৰে ঢাকি ধৰিলে, তাই যেন এখন হালধীয়া সৰিয়হতলিৰ মাজত ৰ'দেপোৰা সুঠাম যুৱকজনৰ বুকুত সোমাই আছিল, হঠাৎ আহি ককায়েকে দেখিলেহি। তিনিফালৰ পৰা তিনিজনী কুলীয়ে তাইক জোকাবলৈকে যেন চিঞৰি উঠিল। তাইৰ কেঁচুৱা যেন মুখখন আৰু ৰঙা পৰি গ'ল।

"পেট পকাই গৈছে, পদিনাৰ চাটনিৰে ভাত খাম বুলি বহি থাকোঁতে বেলি দুপৰ হ'ল।" ককায়েকৰ কথাত সৰিয়হতলিৰ যুৱকজন নোহোৱা হৈ গ'ল। তাই পদিনাখিনি লৈ পাকঘৰলৈ দৌৰ মাৰিলে, "বৌটি ঐ! ভেভেলীখিনি ক'ত থ'লি?"

তাইৰ আজি পুৱাৰে পৰা কথাবোৰ আচহুৱা যেন লাগিছে। বাতিটো পঢ়ি পুৰা ন বজাত বিছনাৰ পৰা 'বেঙী'! চাহ, চাহ'কৈ চিঞৰ ধৰা সৰু ককায়েক আজি তাই উঠাৰ অলপ পাছতে উঠিলে। চাহ একাপ পালে অমৃত পোৱা যেন পোৱা ল'ৰাটোৱে তাই সৰহকৈ গাখীৰ-চেনি দি বাকি দিয়া চাহকণো পাছত খাম বুলি থৈ দি মুখ নোধোৱাকৈয়ে চাৰিআলিৰ পিনেহে পোনালে। চাৰিআলিৰ পৰা আহিয়ে সি সমজুৱাকৈ ঘোষণা কৰিলে, "আজি বৰপিতাইৰ ঘৰৰ পিনে কোনো নাযাবি।" দিনটোত মাক আৰু তাই ঢাপৰ কিনাৰৰ বৰ-পিতাইৰ ঘৰলৈ চাৰিবাৰ যায়। আজি বা কি হ'ল? প্ৰশান্ত অহাৰ বাবে? সিনো কি এনে কাম কৰিছে যে সি আহিলেই মানুহে মুখেৰে মাতিব নোৱাৰা হয়? সি আহিছে বুলিনো পুলিচ-মিলিটেৰীয়ে ক'ত গম পাব? সৰু ককায়েকনো কিয় ইমান উচাটন হৈছে? তাই তাঁতশালতে বহি মাকোটো হাতত লৈ বহি থাকিল। সৌকেইটা দেখোন সৰুদাৰ লগৰ বাতুল আৰু প্ৰবীণহঁত। সিহঁত আহিলে আবেলিবেলা চ'ৰাঘৰত বা বাটচ'ৰাতহে বহে, আজি আহি পোনছাটেই ভিতৰ পাই বাহিচোতাল গচকিলে। তাই সিহঁতলৈ বুলি চাহ কৰিবলৈ তাঁতশালৰ পৰা উঠি পাকঘৰলৈ যাব খোজোঁতে শুনিলে সিহঁতকেইটাই কিবা গাঁৱৰ বিভিন্ন ঠাইত কাৰোবাক কাৰোবাক ৰখাৰ কথা কৈছে। নাই, চাহ নোখোৱাকৈয়ে সিহঁত গ'লগৈ।

বৰ-ককায়েক ঘৰত নাই। বেছি কথা-বতৰা নক'লেও গহীন-গম্ভীৰ ককায়েকটো বাৰাণ্ডাত বহি থাকিলেই তাইৰ ভাল লাগে। ককায়েক পুৱা উঠি বহা চকীখনলৈ তাই এনেই এবাৰ চালে, বৰ-ককায়েকটো থকা হ'লেও এই আচহুৱা ভাবটো কাটিলেহেঁতেন। বৌৱেকৰ দিন পৰিছে। তাকে খবৰ কৰিবলৈ গৈছে, স্কুলৰ পৰা বাহিৰে বাহিৰে যোৱাকালিয়ে গ'ল, আজি স্কুল কৰিহে আহিব। পাকঘৰত মাক, সৰু-ককায়েক আৰু মাজু-ককায়েক বহি আছে। আকৌ সেই অস্বস্তিকৰ, ভয়াবহ, থমথমীয়া সময়। অকলে অকলে তাঁতশালত বহি থাকিবলৈও ভয় ভয় লাগিছে। কিযে হৈছে! নিজৰ ঘৰতে ভয় লাগিছে। চৰবোৰতো একেই আছে, দোঁ খাই মলিওৱা আমজোপা, পাকঘৰত বগোৱা লাওজোপা, আলিৰ কিনাৰে কিনাৰে পাণ বগাই থকা তামোলৰ শাৰী, দীঘল বাৰীখন, ঘৰৰ আগৰ শিলগুটি দিয়া ৰাস্তাটোৰে অহা-যোৱা কৰি থকা মানুহবোৰ, বৰ-পিতাইহঁতৰ ঘৰৰ ফালে থকা ঢাপত থকা নেমু গছবোৰ, একোতো বদলা নাই। তাই ককায়েকহঁতক জলপান দিবলৈ বুলি ডলাখনতে টেকেলিটোৰ পৰা চিৰা অলপ উলিয়াই ধান বাছি বাছি মাকহঁতৰ পৰা দূৰৈত বহি থাকিল।

সদায় হাঁহি-মাতি থকা সৰুদাটো কেনেকৈ আছে। সি সঁচাকৈয়ে কিবা কথাত ভয় খাইছে।

"মাজুদা! তই আজি অফিচলৈ নগ'লে নহয়নে? কিবা অথন্তৰ হ'লে!"

"সিহঁত কিমানপৰ থাকিব?"

"যোৱাকালি প্ৰশান্তই কৈছিল — মিটিং হ'লেই আজি ৰাতিয়ে দিহা-দিহি যাবগৈ।"

"আমাৰ ঘৰত কিবা থৈছে নেকি?"

"খ'ব খুজিছিল, মইহে না কৰিলোঁ।" মাকৰ কথাবাৰ শুনি তাই সুধিব খুজিছিল কি

বস্তুনো কোনে থ'ব খুজিছিল, নুসুধিলে। মাকজনীও কেনেকৈ গোমোঠা মাৰি আছে। কিবা সুধিলেও খেংখেঙাই আহিব। হাতীখুজীয়া বাটিটোতে চিৰাখিনি কোমলাই তাই চাৰিটা বাটিত সজাব খুজি এটা থৈ দিলে। তাইৰ খাবৰ মন যোৱা নাই। চিৰাখিনি কিহেৰেনো দিয়ে? গাখীৰ খীৰোৱাই নাই, কিনো হৈছে আজি? আনদিনা ইমানপৰত গাখীৰ খীৰাই, বাহি চোতাল সাৰি, তাঁতো কেইমাকোমান মাৰিব পৰা হ'লহেঁতেন। চিৰাৰ বাটিকেইটা আগত লৈ তাই অলপ সময় বৈ লাহেকৈ মাকক সুধিলে, "বৌটি! গৰুজনী খীৰাই আহোঁ, জলপান..." সৰু ককায়েকে মুখতে ধৰিলে, "নালাগে তই গোহালিলৈ যাব, গোহালিৰ ফালে থকা বৰ-পিতাইহঁতৰ ঘৰৰ চ'ৰাঘৰৰ কাষৰ কোঠাটোতে ...।" সি সেপ ঢুকি বৈ গ'ল। "তই যাব নালাগে দে ময়ে যাওঁ।" মাজু-ককায়েকে গোহালিৰ ফালে উঠি গ'ল।

সিহঁতৰ বাৰীখনৰ দীঘটো কম, বহলে বেছি, আলিৰ কিনাৰে কিনাৰে দুবিঘা মাটিৰ বাৰীখন, বৰ-দেউতাকৰ ঘৰৰ গাতে গা লগাই থকা ঘৰটো। দেউতাকে ৰাতি-বিয়লি হুস্কিলে-মস্কিলে মানুহ এটাক মাত এবাৰ লগাব পৰাকৈ ককায়েকৰ ঘৰৰ ঢাপৰ কাষতে নিজৰ ঘৰটোও বান্ধিছিল। সেইফালেই গোহালিটো। মাজে মাজে গাঁৱত হৈ থকা গৰু চোৰৰ উৎপাতৰ বাবেই দেউতাকে মানুহ থকা ফালেই গোহালি সাজিছিল। দেউতাকৰ দিনৰ এগোহালি গৰু আৰু নাই, বৰ-ককায়েকে বেচি দিলে, সিহঁত তিনিটাই পুৱাই ওলাই যায়, মাক আৰু ভনীয়েকেনো কিমান গৰু টানি থাকিব? এতিয়া যোৱা বছৰৰ চেঁউৰী পোৱালিটোৰ স'তে এজনী খীৰতী গাই আছে। গোহালিটো আৰু বৰ-পিতাকহঁতৰ চ'ৰাঘৰ প্ৰায় ওচৰা-উচৰিকৈ আছে। নুমলীয়ে প্ৰায়ে ককায়েকহঁতক কৈ থাকে গোহালিটো পাছফালে নিবলৈ, সেইখিনিতে ফুলনি এখন পাতিলে বৰ-ককায়েকৰ বিয়াৰ সময়ত সজা ফুলবালৰ নতুন চ'ৰাঘৰটো আৰু ধুনীয়া দেখিলেহেঁতেন। পাছফালে গোহালিটো নিম নিম কৰি থাকিলেও, কোনেও কথাটোত গুৰুত্ব দিয়া নাই। সেইখিনিতে সৰু ককায়েকে টাউনৰ পৰা কিনি আনি ফুলৰ পুলি এটা লগাইছিল, নামটোৱে তাইৰ মনত নাথাকে। গোবৰৰ বা লগা গছ নহয়, লহপহকৈ বাঢ়ি উঠিল। যোৱাবেলি এনেকৈ কমলা ৰঙৰ ফুলেৰে গছজোপা ভৰি উঠিছিল যে বাটৰ বাটৰুৱাই বৈ বৈ চাইছিল। সেইখিনি ঠাই বৰ সাৰুৱা, তাত থকা তামোলডালত বগোৱা গান্ধ-পাণজোপাৰ দৰে পাণ আৰু এজোপাতো নহয়। একোখিলা পাণ কোমল চেগুন পাতমান হয়।

হাতত গোবৰৰ পাচি লৈ গোহালিলৈ যোৱা মাজু-ককায়েকক দেখি তাইৰ বেয়া লাগি গ'ল। অনবৰতে ফিট্‌ফাট হৈ থকা ল'ৰাটোৱে গোবৰ চুব! তাই দৌৰ মাৰি গৈ ককায়েকৰ পৰা পাচিটো কাঢ়ি আনিলে —"মাজুদা! তই গোবৰ পেলাব নালাগে, ময়ে পেলাম, তই গাইজনীকে লৈ আন, গাখীৰটোপা খীৰাই লওঁ পোৱালিটোৱে হেম্বেলিয়াই আছে।"

"আজি গোবৰ নেপেলালেও হ'ব দে, গাইজনীকে খীৰাই ল।" বগা পাইজামা-পাঞ্জাবী পিন্ধা ককায়েকে হাতৰ পৰা গোবৰৰ পাচিটো নমাই থ'লে। প্ৰবীণ আৰু বাতুল সোমাই আহিল। মাকে সিহঁতক বহিবলৈ চোতালতে মুঢ়া দুটা উলিয়াই দিলে। বগা ল'ৰা

ৰাতুলটো কিবা কথাত উত্তেজিত হৈ ৰঙা পৰি আছে, তাৰ কপালত বিন্দু বিন্দু ঘাম— "আমি এইবাৰ প্ৰশান্তক কৈ দিম, সি কি কৰে গাঁৱৰ বাহিৰত কৰক, আমি আৰু নোৱাৰোঁ, যোৱাবেলি দুটা মিলিটেৰী মাৰি থৈ সিহঁত নোহোৱা হ'ল। মৰিলোঁ আমিবোৰহে।" ৰাতুলে শব্দবোৰ এটা এটাকৈ কৈছে, সি যেন বৰ ভয় খাইছে, "আমি ৰাতি ঘৰত শুবলৈ নোৱানো কিমানদিন হৈছে? হাবিয়ে-জংঘলে থাকোঁতেই গৈছিল।"

ৰাতুলৰ কথাবাৰ শুনি গাখীৰ খীৰাই থকা তাইৰ হাতখন কঁপি উঠিল, গাইজনীয়ে দিগ্‌দাৰি পাই পাছভৰি এখন দাঙি ধৰিলে। কি কৈছে ৰাতুল বোলা ল'ৰাটোৱে? আকৌ হ'ব নেকি সেইবোৰ? বৌৱেকৰ ঘৰত পোন্ধৰদিন থকাৰ পাছত যোৱাবেলি আহি দেখিলে গোটেইখন ওলট-পালট। কেউপিনে খচকি পেলোৱা পথাৰত পকা ধানবোৰ বোকাত লেটি লৈ পৰি আছে, ডেকাল'ৰাবোৰ নিশা বিজাৰ্ভলৈ যায়গৈ, গাড়ীয়ে গাড়ীয়ে মিলিটেৰী। কিমানদিন গাঁওখনৰ মানুহবোৰে ভালকৈ চকুৰ টিপ্ এটা মাৰিব পৰা নাছিলে। সেইদিনবোৰ আকৌ! কঁপি থকা হাতখনেৰে তাই আজি গাখীৰ উলিয়াব নোৱাৰিলে। তিনিপোৱামান গাখীৰ খীৰাই তাই গাইজনী খেৰৰ পুঁজিটোৰ ওচৰত এৰাল দি আহিলগৈ।

মাজু ককায়েকে ভিতৰলৈ গৈ মাকক ক'লেগৈ, "একো অথন্তৰ নহ'ব যেন লাগিছে, মই অফিচলৈকে যাওঁ, এবেলা কৰিয়ে ঘুৰি আহিমগৈ, সৰুবোপ থাকিব।"

ভাত আহি খামহি বুলি চিৰাকে খাই মাজু-ককায়েক ওলাই গ'লগৈ। আজি সোনকালে গ'ল, যাওঁতে কেউপিনে এপাক মাৰি যাব। সৰু-ককায়েকে চুৰা-পাতনিৰ ওচৰত কেঁচু খান্দিছে। বৰশী বাব চাগে। তাই কেঁচুখিনি গোটাই কচুপাত এখিলাত বান্ধি দিলে,

"সৰুদা! বৰশী বাবি?"

"অ।"

"ময়ো বাম দে, মোক কেঁচুৰ টোপ নালাগে। আটাই হ'ব।"

তাই দৌৰ মাৰি গৈ পাকঘৰৰ পৰা আটা অলপ আনিব খুজিছিল, ককায়েকৰ দুটা মাতত তলমূৰকৈ বৈ গ'ল "নেলাগে বৰশী বাব, মই মাছ খোৱাৰ লোভত বৰশী বাব খোজা নাই, পকী আলিতহে চকু ৰাখিম।"

পুখুৰীৰ দলঙত বহি পকী আলিত চকু ৰাখিব পাৰি। কিন্তু ককায়েকেনো কাক চকু ৰখাৰ কথা কৈছে?

"সৰুদা! পকী আলিত কাকনো চকু ৰাখিব লাগে?" তাই ৰ'ব নোৱাৰি সুধিয়ে দিলে।

"তোকনো সেইবোৰ কেলেই লাগে। বা তই তোৰ কাম কৰি থাকগৈ, আৰু শুন কোনোবাই প্ৰশান্তৰ কথা কিবা সুধিলে ক'ব নোৱাৰোঁ বুলি ক'বি আৰু পুলিচ-মিলিটেৰী দেখিলে মোক ক'বি, তই নোলাবি।"

তাই ককায়েকৰ ওচৰতে লেপেটা কাঢ়ি বহি সুধিবৰ মন গ'ল প্ৰশান্তহঁতেনো কি কৰিছে যে পুলিচ-মিলিটেৰীয়ে সিহঁতক খেদি ফুৰে? পুলিচ-মিলিটেৰীবোৰনো ক'ৰ পৰা

আহে? আজিনো প্ৰশান্তহঁতে কি মিটিং কৰিছে? সৰু-ককায়েকেনো কিয় বৰশী বোৱাৰ ছল লৈ পকী আলিত চকু ৰাখিব লাগে? কোননো আহিব? টাউনৰ পৰা দহমাইল বাট সোমাই আহি সিহঁতৰ গাঁও, তাতে বৰুৱাচুকত বৰ-পিতাইহঁতৰ ঘৰ। কোনেনো, কোন প্ৰশান্তই, ক'ত কাক লৈ মিটিং পাতিছে ভু পাব?

তাইৰ মনটো আউল লাগি গ'ল। আউল লগা মনেৰে তাঁতত বহাৰ চিন শ্ৰৰাই চানেকিটোতে ওলাই পৰিল, শৰাইখনৰ ছবিটো দুটুকুৰা হৈ বগা গামোচাখনত পৰি থাকিল, কোনোবাই যেন ৰঙা ফুলৰ শৰাইখনৰ মাজেদি ছুৰী চলাই দিলে। দুইফালে দুটুকুৰা ছিটিকি পৰি গ'ল। তাইৰ মনটোতো যেন কোনোবাই ছুৰী চলাই দিলে, এভাগ আউল লগা চিত্ৰবোৰৰ মাজত, আনভাগ তাঁতৰ গামোচাখনত পৰি ৰ'ল। দুটুকুৰা হৈ থকা শৰাইখন চাই গালে-মুখে হাত দি বহি থাকিল। নিজম দুপৰীয়াটো কিবা জয়াল লাগিছে। আনদিনা মাকজনীয়েও আখল সামৰি আহি কাষতে বহি মহুৰা ফুৰাই বা উঘা-চেৰেকী লৈ বহেহি। আজি মাকে পাকঘৰতে খপ্‌জপাই আছে, ভাতকে ৰান্ধি শেষ কৰিব পৰা নাই। এবাৰ ভাজিখিনি ডেৰাই পেলালে, এবাৰ পানীকে পেলালে, এবাৰ গাখীৰখিনিকে উতলাই থাকোঁতেই চকুৰ আগতে ওফন্দি গ'ল। যাব নেকি? তায়ে মাকক অলপ সহায় কৰি দিবগৈ? যাম বুলি উঠিব খুজিও তাই আকৌ বহি থাকিল। পাকঘৰত সোমাবলৈ মন যোৱা নাই। হঠাৎ পিৰালি কাষৰ গধূলিগোপালকিজোপা লৰি উঠিল। তাই থিয় দি সেইফালে চালে। মেকুৰীজনীয়ে নিগনি খেদি সোমাইছেহি নেকি! চুঃ বুলি তাই হাততালি এটা মাৰি দিওঁতে চোঁ-চোঁৱাই মচোৱা গোম সাপ এডাল ওলাই চাৎকৈ নোহোৱা হ'ল। এইখিনিৰ বাৰীকেইখনতে সাপডাল ঘূৰি ফুৰে। কেইবাদিনো তাই সাপডাল দেখিছে। চাৰি-পাঁচহাতৰ বেছি দীঘল কিচ্‌কিচ্‌কৈ ক'লা সাপডাল মানুহৰ জান পালেই চাৎকৈ নোহোৱা হয়। সাপডাল মানুহৰ পৰা দূৰে দূৰে থাকে। আজিহে পিৰালিৰ কাষ পালেহি। নিজান দেখি ভেকুলী ধৰিবলৈ আহিল, গধূলিগোপালডৰাৰ তলে তলে এসোপা চুকভেকুলী হৈছে। ককায়েকক কৈ সেইখিনি চাফা কৰিব লাগিব, এডাল নালাগে পাঁচডাল সাপ সোমাই থাকিলেও গম ধৰিব নোৱাৰি।

সৰু-ককায়েকে খালৈৰ পৰা চালনিখনতে মাছকিটা বাকি দিলে, গৰৈ, মাগুৰ আৰু দুটা বৌ-পোৱালি, পুঠিও আছে কেইটামান। চালনিত জঁপিয়াই থকা মাছকিটা দেখি তাই জঁপিয়াই উঠিল, "দাদা! ইমান মাছ পালি!" মাছকিটা লিৰিকি-বিদাৰি তাই সৰু ল'ৰা-ছোৱালীয়ে কিৰিলি পৰাদি উচ্ছল মাতেৰে চিঞৰি উঠিল, "সৰুদা! চাচোন চা, এই দুজনী সেন্দূৰী পুঠি।"

পকা ৰূপহী থেকেৰামান তামোল এটাৰ বাকলি গুচাই, নেলিয়া-কটাৰীখনেৰে চুককি চুককি ককায়েকে মাত লগালে, "সেন্দুৰী পুঠি দুজনী মোকে ভাজি দিবি।"

"ইস!" তাইৰ মাতটো ইমান কৰুণ হৈ ওলাইছিল যে ককায়েকে হাতৰ তামোল থৈ তাইলৈ চালে। "তয়ে খাবি দে।"

"ইমান ধুনীয়া মাছ খাব পাৰি নেকি? মাছকিজনী জীয়াই আছে, মৰা নাই, মই জীয়াই থ'ম দে!"

"বৰশীত লগা মাছ আকৌ আঁকৰীয়ে জীয়াই থয়।"

"থাকিব দে, মৰা নাই।"

"পুখুৰীপাৰৰ তামোলজোপা এইবেলি বৰ ভাল হৈছে।" সি তামোলটো ফালিছে, ভিতৰখন নাৰিকলৰ দৰে বগা।

তাই একো শুনা নাই। ক্ষন্তেকতে গাত সেন্দূৰৰ ৰং একণ একণ লৈ জঁপিয়াই থকা ৰূপালী পুঠি মাছকেইটাই তাইৰ মনটো আৱৰি পেলালে। আহুকলীয়া চিন্তা-ভাবনাবোৰ, তাঁতশালত পৰি থকা ভগা শৰাইখন, গধূলিগোপালভৰাত লুকাই থকা ক'লা মচোৰা গোম সাপডাল—চব তাইৰ মনৰ পৰা তামোলৰ বাকলি এৰোৱাদি এৰাই গ'ল। বগা মাছকিজনীৰ গাত ৰঙা সেন্দূৰকণ কেনেনো ধুনীয়া! তাই দীঘল বেণীডাল বহি লৈ মাছ জুপি থাকোঁতে ধূলিতে লেট খাই পৰিল। তাই ক'বই নোৱাৰে।

"ঐ বেঙী! যাচোন ভিতৰৰ পৰা পাণ এখন আন, চূণ একণ লগাই আনিবি।" ককায়েকে তাইৰ বেণীডাল লাহেকৈ মাটিৰ পৰা তুলি দিলে।

ঘৰখনৰ চবেই তাইক, নুমলী! ইটো আন! বেঙী! সিটো আন, আঁকৰী! এইটো কৰ, সেইটো কৰ বুলি ফৰমাইচ খাটি থাকে। তাইৰো ককায়েকৰ তলে থকা পাৰ ওপচা মৰম পাণখন, মুঢ়াটো, খবৰকাগজখন, জোতাৰ ব্ৰাছডাল, গেঞ্জিটো বা পানী এগিলাচৰ মাজেদি প্ৰকাশ কৰি বুকু ভৰি উঠে। আজি পুৱাৰ পৰা কোনেও তাইক একো খোজা নাই। পাণখন আনিবলৈ পাই তাইৰ যেন বন্ধ হৈ থকা উশাহ ঘূৰি আহিল।

"ৰ'বি সৰুদা! এতিয়াই আনিছোঁ।" দীঘল বেণীডাল জোকাৰি জোকাৰি তাই পাকঘৰলৈ দৌৰ মাৰিলে। পাণ থোৱা এৰোৱা নালৰ কেৰাহীখনত এখিলাও পাণ নাই, গেলি যোৱা এটুকুৰা ক'লা বৰণ ধৰা পাণহে আছে।

এখিলা পাণ আনিবলৈ বুলি তাই গোহালিটোৰ ফালে দৌৰ মাৰিলে। এই গান্ধ-পাণজোপাৰ পাণহে চবেই খায়। বাকীকেইজোপাৰ পাণ হয় বিক্ৰী কৰে, নহ'লে বিয়াই-সবাহে ইঘৰে-সিঘৰে নিয়ে। পাণপৰা হাকুটিডাল আলিৰ কিনাৰৰ জেওৰাখনতে পৰি আছিল। হাকুটিডাল তুলিব খুজি তাই ককায়েকে চহৰৰ পৰা কিনি অনা ফুলগছজোপালৈ চালে। এটাও পাত নাই, লঠঙা, কি গছ এইজোপা! কেউপিনে গছে গছে ন-পাত আৰু এইজোপাৰ কি অৱস্থা, মৰিল নেকি? তাই গা গছডাল চিকুটি চালে — সৰস, আমৰ কুঁহিপাতৰ দৰে কোমল সেউজীয়া।

জুপি জুপি বিদেশী ফুলৰ গছডালৰ আও-ভাও চাই থাকোঁতে এজন মানুহে তাইক দেখি আগবাঢ়ি আহিল। ওখ, হটঙা, মিঠাবৰণীয়া অচিনাকি মানুহজনক তাইৰ আগতে দেখা মনত নপৰিল। ধুতী-পাঞ্জাবী পিন্ধিছে, কান্ধত এখন ডাঙৰ ফুলৰ গামোচা, চুলিবোৰ চুটিকৈ কটা, পাজৰাল ডেকা মানুহজনৰ মুখত একোছা ডাঙৰ, চকুত পৰা মোচ। ক'ৰ মানুহ এইজন? এইখন গাঁৱৰ মানুহ নহয়। কাক বা বিচাৰি আহিছে? মাকপৰ বৌৱেকৰ ফালৰ কোনোবা নেকি? মানুহজনৰ গাত এখন খিউ ৰঙৰ গুণাৰ পেল দিয়া চেলেং চাদৰ। মানুহজন একেবাৰে জেওৰাৰ ওচৰ চাপি আহিল।

"প্ৰশান্ত হাজৰিকাৰ ঘৰ ক'ত?" মানুহজন যেনেকুৱা হটঙা, মাতটোও তেনে গল্‌গলীয়া। কথাৰ সুৰটো কিবা অভদ্ৰ। কিয় বা লাগে বৰ-পিতাইৰ ঘৰ? বৰ-পিতাইহঁতৰ তালৈ চহৰৰ মানুহ এঘৰৰ সম্বন্ধ আহিছে, নাহিবই বা কিয়? কলেজ পাছ কৰি গুৱাহাটীত এম.এ. পঢ়ি আছে। সেই হ'বলগা মিতিৰৰ ঘৰৰ মানুহ যেনেই লাগিছে। মিতিৰৰ ঘৰলৈ নাহিলেনো কোনে এনেকৈ সাজি-কাচি আহে? ঘৰটো দেখুৱাই দিবলৈ গৈ তাই এক্ষন্তেক ৰ'ল। কেনেবাকৈ ঘৰ উলিয়াব নোৱাৰি মিতিৰৰ ঘৰৰ মানুহ ঘূৰি গ'লে চবেই তাইকে দুষিব, নিজে কলেজত ভৰি দিব নোৱাৰিলে নহয়, হিংসাতে এনে কৰিলে।

দেখিলেই তাই কোঁচখাই অহা চহৰীয়া বায়েকৰ চুটি চুলি, ৰঙা ওঁঠ, ভমকাফুলীয়া শাৰীৰ মাজত উজলি থকা চেহেৰাটো চকুত ভাহি উঠিল। আনৰ ভাল হ'লেহে ভাল, তাইনো কিয় হিংসা কৰিবলৈ যাব? তাই বৰ-পিতায়েকৰ ঘৰটোলৈ আঙুলিয়াই দিলে।

"সৌটো।"

ঘপ্‌কৈ মানুহটো পোন হৈ গ'ল। বৰ-পিতায়েকহঁতৰ চ'ৰাঘৰৰ পৰা অহা গুৰুম গুৰুম শব্দ আৰু বাৰুদৰ গোন্ধত ঠাইখিনি ভৰি পৰিল। তাই একো তৰ্কিবই নোৱাৰিলে, চেলেং-চাদৰ লোৱা মানুহটোৱে তাইক ধৰি পেলালে। এখন শক্তিশালী হাতৰ বান্ধত তাই বৰ-পিতায়েকহঁতৰ ঘৰৰ ফালে মুখ কৰি মানুহটোৰ বুকুতে লাগি থাকিল। মানুহটোৱে হাতৰ বন্দুকটোৱে বৰপিতাইহঁতৰ ঘৰ ফালে নিচান কৰিছে, তাৰ প্ৰতিটো গুলীৰ উত্তৰত শিল-বৰষুণৰ দৰে সেইফালৰ পৰা গুলী বৰষিছে। মানুহটোৱে মেকুৰীৰ দৰে ইফালে-সিফালে জঁপিয়াইছে, এবাৰ আগুৱাইছে, এবাৰ পিছুৱাইছে, সি এখন ঢালৰ দৰে তাইক বুকুত ধৰি আছে। হঠাৎ তাইৰ বাওঁফালৰ বুকুত আহি কিবা এটা খোচ খাই ধৰিলেহি। বৌটি ঐ বুলি চিঞৰৰ মাৰিব খুজি তাইৰ জিভা দোবোল নোখোৱা হ'ল। তাই মাত্ৰ এবাৰ মাকৰ মাতটো শুনিলে—"মোৰ মাজনীৰ কি হ'ল!" তাৰ পাছত গোহালিটোৰ পাছফালে এটা কাণতালমৰা শব্দ। শব্দটোৰ লগে লগে সেন্দূৰী পুঠিৰ ৰং, কুলিৰ মাত, নতুনকৈ মলিওৱা আমৰ গোন্ধ, মাকৰ মৰম, ককায়েকহঁতৰ চেনেহ, তাঁতশালত জিলিকি উঠা ৰঙা আঁচুৰ ফুলেৰে ভৰা তাইৰ সৰু পৃথিৱীখন নিতাল মাৰিলে। তাইৰ মুখটো ছিঙি অনা টেঙেচি এজোপাৰ ফুলৰ দৰে জঁয় পৰি দোঁ খাই গ'ল। তাইৰ বগা কপাহী মেখেলা-চাদৰযোৰত ৰঙা তেজৰ ৰং, দাগবোৰ খহটা, কুৎসিত। ঠিক যেন বগা আণীসূতাৰ চাদৰ এখনত কেঁচা হাতৰ বোৱনীৰ আউল লগা ৰঙা আঁচৰ চানেকি। মানুহটোৱে তাইৰ দেহাটো মাটিত নমাই দিলে, চালনিখনত জঁপিয়াই জঁপিয়াই এবাৰত নিঠৰ পৰা সেন্দূৰী পুঠিজনীৰ দৰে তায়ো অলপ সময় চট্‌ফট্ কৰি নিতাল মাৰিলে। মানুহটোৱে শটোৰ ওচৰতে আঁঠুকাঢ়ি বহি এবাৰ শূন্যত এজাঁই গুলী মাৰিলে। তাৰ পাছত যোগাযোগৰ বাবে যন্ত্ৰ পাঞ্জাবীৰ জেপৰ পৰা উলিয়াই ল'লে।

তাইৰ বুকুৰ পৰা বৈ অহা তেজৰ গোন্ধ ব'হাগৰ বতাহে, গোটেই গাঁওখনতে যেন বিয়পাই পেলালে। বাৰুদৰ গোন্ধ, গুলীৰ শব্দ, গ্ৰেনেডৰ কাণতাল মৰা শব্দত তাইৰ দোঁ খোৱা মুখটোৰ দৰে গোটেই গাঁও যেন জঁয় পৰি গ'ল। জ্বা-সুপৰীয়া অ'ত-ত'ত বাজি

থকা ঢোলকেইটা, পেঁপাৰ সুৰ নিজম পৰি গ'ল। বাস্তাই-ঘাটে, পথাৰে-সমাৰে থকা মানুহবোৰ ফাঁহি-ছিটিকা দিলে। কেউফালে গভীৰ নিৰ্জনতা। চৰেই দুৱাৰ ডাং দি ভিতৰত সোমাল। আচম্বিতে বেশত প্ৰশান্তৰ খবৰ কৰিবলৈ অহা মিলিটেৰীটোৱে আগচি ৰখা নুমলীৰ নিঠৰ দেহাটোৰ কথা বাৰীৰ ঢাপে ঢাপে গোটেইখন জনাজনি হৈ পৰিল। যিয়ে শুনিলে সিয়ে চকুৰ পানী মচিলে। মাক নহ'লে ঘৰৰ পৰা নোলোৱা আজলী ছোৱালীজনী এনেকৈ আওমৰণে মৰিব পায়নে! প্ৰায় সকলো মানুহৰে ৰন্ধা ভাত চকুতে থাকিল। কোনোবাই যদি বাঢ়ি লৈছিল, কুকুৰ-মেকুৰীৰ পেটলৈ গ'ল! বন্ধ ঘৰৰ ভিতৰত আতংকত বোবা হৈ থকা মানুহবোৰৰ মাজত আকৌ ঢাপে ঢাপে পাৰ হ'ল আন এটা খবৰ, প্ৰশান্তহঁত নামঘৰৰ কিনাৰেদি পথাৰে পথাৰে পলাই গ'লগৈ। মানুহবোৰৰ চকুত ভাহি উঠিল যোৱাবেলি মাঘত মিলিটেৰীৰ বুটে খচকি পেলোৱা পকা ধানৰ পথাৰবোৰ, সেই ঘা শুকুৱাই নাই, আকৌ এবাৰ!

প্ৰথম জাঁই গুলীৰ শব্দ শুনোতে নুমলীৰ মাকে ভাতৰ মাৰ কাঢ়ি আছিল। শব্দটো শুনি তেওঁ পুতেকক মাতিলে, "সৰুবাপ! সেইটো কিহৰ শব্দ? চাচোন।" আকৌ জাউৰি-জাউৰিয়ে একে শব্দ শুনি তেওঁ হাতত গৰম ভাতৰ ডেক্‌চিটো লৈ থৰ লাগিল। হাতৰ পৰা ডেক্‌চিটো নমাই জীয়েক ক'ত আছে বিচাৰ কৰিব খুজি চ'ৰাঘৰৰ পৰা সৰু পুতেকৰ বিহ্বল মাতটো শুনিলে, "বৌটি! আমাৰ কপালত জুই লাগিল।" মাক গৈ যেতিয়া চ'ৰাঘৰ পালেগৈ তেতিয়া ল'ৰাটোৱে বহি কান্দি আছে। মাকে খিৰিকীয়েদি চাই দেখিলে হটঙা মানুহ এটাই জীয়েকক বুকুত লৈ বন্দুক চলাই আছে। প্ৰশান্তহঁতৰ ঘৰৰ পৰা অহা গুলীৰ পৰা সি নুমলীক বুকুত লৈ বাচিবলৈ যত্ন কৰিছে। হটঙা মানুহটোৰ আঁৰত লুকাই থকা জীয়েকক মাকে ভালকৈ মনিব পৰা নাই। নুমলীৰ মাতো শুনা নাই, বাৰুদৰ গোন্ধ আৰু ধোঁৱাৰ মাজত জীয়েকৰ মচোৱা গোম সাপ যেন দীঘল বেণীডাল এবাৰ বতাহত জোকাৰ খাই উঠে, আকৌ নোহোৱা হয়। মাকে দুৱাৰ খুলি বাহিৰলৈ লৰ মাৰিব খোজা দেখি সৰুপুতেকে গৈ দুৱাৰখন বন্ধ কৰি দিলেগৈ —"বৌটি। পিতাই গ'লেই, তয়ো যদি..।" ঠিক তেতিয়াই নুমলীৰ বগা চাদৰত তেজৰ আঁচুফুল জিলিকি উঠিছিল। তাৰ পাছতে ভয়ংকৰ কাণতালমৰা গৰ্জন। এইবাৰ ক্ৰোধত বঙা পৰি সৰুবাপ দুৱাৰ খুলি নুমলীৰ ওচৰলৈ যাব খুজিছিল, মাকে তাক ধৰি ৰাখিলে এটাৰ লগত দুটানো কেনেকৈ...। মানুহগৰাকীৰ মাতটো নোহোৱা হৈ আহিল, প্ৰায়ে মূৰ-ঘূৰণি হৈ থকা মানুহজনী পুতেকৰ হাততে মূৰ ঘূৰাই অজ্ঞান হৈ গ'ল। মাকক মজিয়াতে শুৱাই পাকঘৰৰ পৰা পানী আনি চকুৱে-মুখে ছাটি মাৰি দিওঁতে চকু মেলি তেওঁ বিৰ্‌বিৰাই উঠিল—"মাজনী মোৰ...।" প্ৰশান্তহঁতৰ ঘৰৰ ফালে নিজম পৰি আহিল। শূন্যত গুলী চলাই আহত মানুহটোৱে সিহঁতৰ মানুহৰ লগত যোগাযোগ কৰি থকা চাই সৰুবাপে দুৱাৰ খুলি যাব খুজিও বৈ গ'ল। আহত বাঘ এটাই যেন চিকাৰ আগচি বহি আছে। সি গ'ল — তাৰ যদি ... মাকৰ কি হ'ব? মাকৰ চেতন আৰু অৱচেতনৰ মাজত ওলমি থকা মনত তেতিয়া পুখুৰীপাৰৰ পৰা চকুৰ পানী টুকি টুকি অহা জীয়েকৰ অজলা মুখখন, আৰ্ত কণ্ঠস্বৰ। বন্ধৰ দিনত তিনিওটা কন্যায়েকে

পুখুৰী সিঁচিছিল। সৰু ছোৱালী এজনীৰ দৰে ককায়েকহঁতৰ ইটো-সিটো ফৰমাচ খাটি লৰি ফুৰা তাইৰ হাতত শিঙি মাছে বিন্ধিছিল, তাই কান্দি কান্দি মাকৰ ওচৰলৈ দৌৰি আহিছিল, 'বৌটি ঐ।' শিঙি মাছে বিন্ধোতে তাই ইমান কান্দিছিল। সেইজনী ছোৱালীৰ বুকুত। মাকে ধহ্মহ্কৈ বিছনাৰ পৰা উঠি আকৌ দুৱাৰ খুলিব খুজিছিল—নুমলী উবুৰি খাই ৰাস্তাৰ শিলগুটিৰ ওপৰত পৰি আছিল, তাইৰ চাৰিওকাষে ৰঙা তেজৰ ডোঙা। বন্দুক লৈ তাইৰ ওচৰতে আঁঠুকাঢ়ি বহি আছে হটঙা মানুহটো, তাৰ গাতো তেজৰ দাগ। মাজে মাজে গুলীখোৱা বাঘৰ দৰে সি গৰ্জি আছে "হট যাওঁ।" নুমলীৰ মাকৰ চেতন আৰু অৱচেতনৰ মাজৰ ৰেখাডাল আকৌ এবাৰ মচ খাই গ'ল।

বেলি মূৰৰ পৰা অলপ নামোতেই চাৰিখন ট্ৰাক-বোজাই মিলিটেৰী আহি গাঁওখন ছানি ধৰিলেহি। সিহঁতে গাঁওখন ঘেৰি ধৰিলেহি, কোনো সোমাব নোৱাৰে, কোনো ওলাব নোৱাৰে। অফিচ-কাছাৰী কৰি ঘৰমুৱা হোৱা মানুহ, স্কুল-কলেজৰ পৰা অহা ল'ৰা-ছোৱালী, চহৰৰ বজাৰ-সমাৰৰ পৰা গধূলি কান্ধত খালি ভাৰ লৈ অহা ৰাইজ সকলোকে গাঁৱলৈ সোমোৱা ৰাস্তাতে ঘূৰাই পঠোৱা হ'ল।

ৰঘুৰ হাটত আজি আহু-জিকাখিনি ভাল দামতে বিক্ৰী হ'ল, সি আধাকেজি বৌমাছ আনিছিল, জিভাত বৌমাছে জিকা-টেঙাৰ সোৱাদ লৈ ঘৰলৈ ওভতা মানুহটো গাঁৱলৈ সোমাব খোজা আলিতে মিলিটেৰী-বন্দুক দেখি ভেবা লাগি গ'ল। কলেজৰ পৰা উভতি অহা ছোৱালীকেইজনী হাস্পাতলতখনতে ৰাতিটোৰ বাবে আশ্ৰয় ল'লে। প্ৰায়খিনি মতা মানুহ আলিমুৰৰ ৰামুৰ চাহ-দোকানখনতে ৰাতিটো খপিবলৈ ঠিক কৰিলে। গোটেই ৰাতি মানুহবোৰ বহি থাকিল।

নুমলীৰ বৰ-ককায়েকে শহুৰেকৰ ঘৰৰ পৰা বাহিৰে বাহিৰে স্কুল কৰি ঘৰলৈ উভতিছিল, তেওঁৰ চাইকেলৰ বেগটোত ফিন্দ খাই আছিল —বৌৱেকে নুমলীলৈ দি পঠোৱা বিভিন্ন বস্তু, খৰিচা অকণমান, খাৰলি অকণমান, ফুলৰ চানেকিৰ কাগজ দুখনমান ...। তেওঁ ৰাতিটো ৰামুৰ দোকানৰ আগত জটলা বান্ধি বহি থকা মানুহবোৰৰ মাজতে সোমাই থাকিল। গোটেই ৰাতি তেওঁ শুনি থাকিল গুলিয়াগুলীত মৰা কোনোবা ছোৱালী নে বোৱাৰী এজনীৰ কথা। উজাগৰী ভয়ংকৰ নিশাটো তেওঁৰ মাক আৰু ভনীয়েকৰ কথা ভাবি বুকুখন ধান বনাদি বানি থাকিল।

নুমলীৰ মাজু-ককায়েকে অফিচৰ পৰা কথামতেই সোনকালে উভতিছিল। তেওঁ বাটতে শুনিছিল গুলিয়াগুলীত মৰা ছোৱালী এজনীৰ কথা। খবৰটো শুনিয়ে তেওঁৰ গা চেৰাইছিল, ঘৰৰ কাষতে সিহঁত গোট খাইছে, বৰপিতাইৰ ঘৰত ছোৱালী নাই—। ক্ষন্তেকৰ বাবে তেওঁ বিহ্বল হৈ গৈছিল। কিবা হৈছে? চাইকেল কোবাই গাঁৱৰ ভিতৰলৈ সোমাব খোজোঁতেই সেইজাকে বাট ভেটি ধৰিলে। ওপৰৰ আদেশ, গাঁৱৰ পৰা কোনো ওলাবও নোৱাৰে, কোনো সোমাবও নোৱাৰে। মাজু-ককায়েকে গাঁৱলৈ সোমোৱা ৰাস্তাত সোমাবলৈ একপ্ৰকাৰ জোৰেই কৰিলে, অসমীয়া হিন্দীৰে তেওঁ সিহঁতক বুজাব খুজিলে ঘৰত মাক আৰু ভনীয়েক অকলে আছে তেওঁ যাবই লাগে। সিহঁতৰ কথা হ'ল গোটেই গাঁওখন

আছে, তাৰ অকলে ইমান চিন্তা কিয় হ'ব? তেওঁ সিহঁতক কেনেকৈ ক'ব ঢাপৰ কাষৰ ঘৰখনতে কি হৈ আছে। চাইকেল খামুচি বৈ থকা তেওঁক কোনোবা এটাই গতামাৰি আঁতৰাই দিলে। গধুৰ মন এটা লৈ তেওঁ ৰাতিটোৰ বাবে থাকিবলৈ বুলি হাস্পাতালৰ চিনাকি ল'ৰা এজনৰ কোৱাৰ্টাৰলৈ বুলি আগবাঢ়িল। তেওঁ গোটেই ৰাতিটো শুনি থাকিলে ৰাস্তাত পৰি থকা ছোৱালীজনীৰ কথা। আৰু প্ৰতিটো খবৰতে তেওঁৰ বুকু কঁপি থাকিল। বন্ধুজনে সদায় তেওঁক এৰাতি থকাকৈ মাতে। আজি বন্ধুক ঘৰতে পাই যি আছে তাৰে যত্নকৈ ভাত-পানী যতনাই দিলে, তেওঁৰ ডিঙিয়েদি এমুঠি ভাত পাৰ নহ'ল।

বেলি লহিয়াবৰ পৰত নুমলীৰ শটো সিহঁতে গাড়ীত তুলিলে। তেতিয়া মাকক মূৰত চাল-কুঁৱৰীৰ ভৰণ দি সৰুবাপে বিচি আছিল। উদ্ধত বন্দুক আৰু জলফাই বৰণৰ পোছাকৰ মাজত শুই যোৱা ভনীয়েকৰ দেহাটো এক লহমাৰ বাবে চাই সি গৈ পুখুৰীপাৰত হুক্‌হুকাই কান্দিবলৈ ধৰিলে। কান্দোতে মাকে নুশুনক বুলি ওঁঠখন এনেকৈ কামুৰি ধৰিলে যে তাৰ ওঁঠখনৰ পৰা টোপটোপকৈ তেজ পৰিবলৈ ধৰিলে। কেনিও ক'তো সাৰ-সুৰ নাই, প্ৰায় অজ্ঞান হৈ পৰি থকা মাকজনী, গাড়ীত উঠাই লৈ যোৱা ভনীয়েকৰ নিঠৰ দেহাটো — কুৰি বছৰীয়া জীৱনটোত এনে বিপদ সি কেতিয়াও দেখা নাই। হাই-প্ৰেছাৰ উঠি দেউতাক দুবছৰৰ আগতে এইখন ঘৰতে মৰিছিল। গোটেই গাঁওখন আহি উবুৰি খাই পৰিছিলহি। কোনে মাকক আবৰি ধৰিছিল, কোনে আহি সিহঁত তিনিওটাক স্নেহৰ প্ৰলেপেৰে সাৱটি ধৰিছিল কোনেনো ক'ত, কেনেকৈ বান্ধি সময়ে সময়ে বৰতীয়া ভাত যোগাইছিল তাৰ মনত নাই। চৰম দুখৰ সময়ত ৰাইজে সিহঁতক মাইকী ধনেশ চৰায়ে বাহিৰৰ বা নলগাকৈ উমনি দিয়া কণীৰ দৰে মৰমৰ উম্মত ৰাখি থৈছিল। সেই চেনেহৰ পৰশত মাক আৰু সিহঁতৰ ক্ষতো শুকনিমুৱা হৈছিল। হাতত বৰতীয়া ভাতৰ বস্তু, ফলমূল, মাহ-প্ৰসাদৰ টোপোলা লৈ অহা-যোৱা কৰি থকা মানুহবোৰৰ ছবিখন মনত পৰি তাৰ হঠাৎ বৰ অকলশৰীয়া অনুভৱ হ'ল। সিতো চহৰৰ ল'ৰা নহয়, এখন পুৰা গাঁৱৰ মানুহৰ লগত থাকি ডাঙৰ হোৱা ল'ৰা। জয়াল পৰিবেশটোৰ বোজাত তাৰ কলিজা ভাঙি চেপামৰা কান্দোনৰ শব্দবোৰ পুখুৰীপাৰত বাগৰি থাকিল।

বিজাৰ্ভৰ হাবিত তেতিয়া বেলিটো লুকাই গৈছিল, সাৰ-সুৰ নোহোৱা গাঁওখন ঘেৰি ধৰিলে আন্ধাৰে। ক্ৰমে গাঢ় হৈ অহা অন্ধকাৰত মিলিটেৰীয়ে গাঁৱৰ ঘৰে ঘৰে সোমাই পৰিল। সিহঁতে ঘৰে ঘৰে থকা মতা মানুহবোৰ নি নামঘৰৰ আগৰ বৰ-চোতালত গোট খুৱালে। চহৰৰ কলেজত অধ্যাপনা কৰা, দুদিনৰ ছুটী লৈ মাকৰ অসুখৰ খবৰ কৰিবলৈ অহা বজত বৰুৱাক মিলিটেৰীয়ে কলেজত কাম কৰা বুলি জানি বেছিকৈ গতা দুটামান মাৰিলে —শিক্ষিত মানুহ হৈ গাঁৱত টেৰ'ৰিষ্টহঁতক সোমাবলৈ দিয়াৰ বাবে। একে অভিযোগতে বাত-বেমাৰী গাঁওবুঢ়াকো দুগতা লগালে। বুঢ়া-মেথা, ডেকা-চেমনীয়া সবাবোৰ নিতাল মাৰি নামঘৰৰ চোতালত কঁপি কঁপি বহি থাকিল। মতা মানুহ নোহোৱা ঘৰবোৰত চাউলৰ টেমাই, নিমখৰ মলাই সিহঁতে উবি যোৱা চৰাই বিচাৰি তাণ্ডৱলীলা আৰম্ভ কৰিলে।

সৰুবাপক যেতিয়া পুখুৰীপাৰৰ পৰা নি নামঘৰৰ চোতাল পোৱালেগৈ — চৰেই

তাললৈ চালে। তাৰ ওঁঠৰ ওচৰত কড়াল মৰা তেজৰ বং আৰু কান্দি কান্দি উখহা চকুৰ বং একেই। চিনাকি মানুহবোৰ দেখি সি আঁঠুত মূৰ গুজি আকৌ উচুপিবলৈ লাগিল।

সৰুবাপহঁতৰ ঘৰত টেৰ'ৰিষ্টক বিচাৰিবলৈ যোৱা জোৱানকেইজনে মাত্ৰ এটা কথাই জানে — এই ঘৰৰ ওচৰৰ পৰাই টেৰ'ৰিষ্ট গ্ৰুপটো পলাই গৈছে। মাজনিশা সিহঁত সৰুবাপহঁতৰ ঘৰত সোমাল। দুৱাৰ-ঘৰ খোলাই আছিল। গোটেই ঘৰ চলাথ কৰি সিহঁত যেতিয়া চ'ৰাঘৰ পালেগৈ, তেতিয়া সৰুবাপৰ মাক প্ৰায় অজ্ঞান হৈ পৰি আছে। 'মুৰ্দা য়া জিন্দা' বুলি তেওঁক বন্দুকেৰে লৰচৰ কৰি সিহঁত ওলাই গ'লগৈ। শানিত পোহৰ, বুটৰ শব্দ আৰু অচিনাকি গোন্ধত সৰুবাপৰ মাকৰ লুপ্তপ্ৰায় চেতনা ঘূৰি আহিল। তেওঁ ধহমহকৈ বিছনাত বহি পৰিল। তেওঁৰ চেতনাত আকৌ কোবাবলৈ ধৰিলে ক'লা মচোৱা গোম সাপ যেন ৰক্তাহত ইফাল সিফাল কৰি থকা এডাল দীঘল বেণীয়ে। "মাজনী ঐ!" বুলি চিএৰ এটা মাৰি তেওঁ উঠিব খুজি দেখিলে তেওঁৰ চোতালত বন্দুক লৈ পিনপিনাই ফুৰা কেইটামান মিলিটেৰী — সৰুবাপ বুলি মাতিব খোজা তেওঁৰ মাতটো যেন কোনোবাই চেপা মাৰি ধৰিলে, ভয়ত মানুহজনী বোবা হৈ মজিয়াতে বহি থাকিল। দুটামান যেন গৰপ্‌গৰপ্‌কৈ তেওঁৰ ওচৰ চাপি আহিছে, মানুহজনীয়ে জন্তু বগোৰাদি বিছনাৰ তললৈ বগাই গ'ল। এটা চোকা পোহৰৰ ৰেখাই ঘৰটো চেলেকি পেলালে। মানুহজনী আৰু কোঁচখাই গ'ল। তাৰ পাছত গৰপ্‌গৰপ্‌ শব্দবোৰ নোহোৱা হ'ল। জীৱনৰ আদ-বয়স পাৰ কৰা মানুহজনীয়ে কোনোদিনে অনুভৱ নকৰা এক ভয়ানক ভয়ত কঁপি কঁপি নিঃশব্দে উচুপি থাকিল। তেওঁৰ লগতে যেন ব'হাগ মাহৰ নিশাটোৱেও গাঁওখনত ওঁঠ কামুৰি উচুপি থাকিল।

ধলপুৱাতে নুমলী গাঁৱলৈ ঘূৰি আহিল। তাইৰ কুমাৰী দেহা ডাক্তৰৰ ছুৰীৰ আঘাতত তেতিয়া ছিন্নভিন্নকটা, চিলোৱা। নুমলী গাঁও সোমোৱাৰ পাছত বাস্তাটো খুলি দিলে। ৰাতিটো অ'ত-ত'ত খপি পুৱা গাঁৱলৈ সোমোৱা ভয়াৰ্ত মানুহবোৰে গাঁৱৰ বাস্তাত ভৰি দিয়ে দেখিলে চৰৰে চিনাকি ছোৱালীজনী জীপৰ পাছত বান্ধি অনা সৰু গৰুগাড়ীহেন চকা লগোৱা গাড়ীখনত পৰি আছে। খলা-বমা বাস্তাত জীপৰ লগতে তায়ো জঁপিয়াইছে। এইমাত্ৰ যেন তাই উঠি বহিব, হাঁহি এটা মাৰিব — ৰঘুকাই বজাৰৰ পৰা আহিলি? ৰঘুৱে ভাৰখন নমাই এখন্তেক ৰ'ব। ভাৰখনৰ পৰা কাগজৰ পেকেটটো তাইৰ ফালে আগবঢ়াই দিব — "মামীয়েৰৰ কাৰণে চাদৰ এখন আনিলোঁ, একুৰি পাঁচ টকা ল'লে।" তাই পিটিকি পিটিকি চাব — "ভালেই, তাঁতৰখন বেছি ভাল হয়, এইখন কিবা জেল্‌জেলীয়া।" ৰঘুৱে হুমুনিয়াহ এটা কাঢ়িব — "কি কৰিবি, ঘৰখনকে বৈ-কাটি পিন্ধোৱা মানুহজনী বিষত কোঙা হ'ল।" সেইবাৰ বিহুত নুমলীৰ হাতৰ সেউজীয়া আঁচুৰ পাৰিৰে আশীসূতাৰ চাদৰখন পিন্ধি ৰঘুৰ বেমাৰী বৈণীয়েকে এসোঁতা কান্দিছিল। সেইজনী নুমলী। ৰঘুৱে ভাৰখনৰ সৈতে বাস্তাৰ দাঁতিত বহি হাওঁ-হাওঁকৈ কান্দিবলৈ লাগিল। কান্দি থকা ৰঘুলৈ চাই মিলিটেৰী এটাই দাঁত কামুৰি গালি পাৰি উঠিল — "তহঁতৰ নিজৰ মানুহ টেৰ'ৰিষ্ট হৈছে, তহঁতে সিহঁতক ঘৰত লুকাই ৰাখিছ, টেৰ'ৰিষ্টৰ হাতত তহঁতৰ মানুহ মৰিছে, এতিয়া কান্দিবলৈ আহ...।" হিন্দীতে

কোৱা কথাবোৰৰ এক বিন্দুও ৰঘুৱে বুজা নাই, তাৰ বুকুজুৰি তেতিয়া এখন সেউজীয়া পাৰিৰ বগা চাদৰত লাগি থকা এবুকু মৰম। সি কান্দিয়ে থাকিল। জীপখন নুমলীক লৈ গাঁৱত ঘূৰিবলৈ লাগিল। জীপৰ পৰা কোনোবা এটাই অলপ সময়ৰ মূৰে মূৰে কিবা কথা কৈ গৈছে, কথাৰ সাৰমৰ্ম এনেকুৱা — টেৰ'ৰিষ্টৰ হাতত নিজৰ মানুহ মৰিছে, টেৰ'ৰিষ্টক আশ্ৰয় দিলে এনেকুৱা হ'বই, সিহঁতক ধৰাই দিবলৈ ৰাইজে পুলিচ-মিলিটেৰীৰ লগত সহযোগ কৰিব লাগে, নহ'লে এনেকুৱা হ'বই। কোনোবাই দুই-এটা শব্দ বুজিছে, সৰহ ভাগে এক বিন্দুও ধৰিব পৰা নাই। কোনো মানুহক নুমলীৰ ওচৰ চাপিবলৈ দিয়া নাই। মাকণহঁতৰ ঘৰৰ আগেদি যাওঁতে, মাকণ বাউলী হৈ উঠি জীপৰ ওচৰ চাপিব খুজিছিল — এটা ধমকত তাই দাঁত কামুৰি বৈ গ'ল।

নামঘৰৰ বৰ-চোতালত ৰাতি থকা মানুহবোৰক ঘৰা-ঘৰি যাবলৈ দিছে, যোৱাৰাতি অ'ত-ত'ত থকা মানুহবোৰৰ প্ৰায় সকলোৱে গাঁও পালেহি। কোনো মানুহ ঘৰ সোমোৱা নাই, নুমলীহঁতৰ ঘৰৰ খোলা নঙলা, খোলা দুৱাৰেদি মানুহবোৰ এজন এজনকৈ নীৰৱে সোমাই থাকিল। মাইকী মানুহবোৰো আহি নুমলীহঁতৰ ঘৰতে উবুৰি খাই পৰিলহি। গোহালিয়ে গোহালিয়ে গাই-দামুৰি বান্ধতে আছে, বাহি চোতাল বাহি হৈয়ে আছে, যোৱা দুপৰীয়াৰে পৰা লঘোণে থকা মানুহবোৰৰ কাৰো চৌকাত জুই জ্বলা নাই, ল'ৰা-বুঢ়া, বেমাৰীক চিৰা-মুৰি, পিঠাগুৰি যি পাৰে দি ঘৰৰ গৃহিণীবোৰে নুমলীৰ মাকক আগুৰি ধৰিছেহি, ক'ৰ উদণ্ডীয়া গৰুৱে কাৰ বাৰী তহিলং কৰিলে — কাৰো মন-কাণ নাই, হাঁহ-পাৰ-ছাগলী গৰালত নিজে নিজে সোমাল যদি সোমাল, নাই সোমোৱা যদি হেঁপা-মেকুৰী বা শিয়ালৰ পেটলৈ গ'ল—কাৰো কেনিও মন-কাণ নাই। সকলোৱে মনত এক সৰ্বগ্ৰাসী ভয়, এক ভয়াবহ আতংক। ইতিমধ্যে নুমলীৰ ককায়েক দুজন আহি পাইছেহি। আহি দেখেহি মাক প্ৰায় অজ্ঞান হৈ পৰি আছে। আৰু সৰুবাপ? তাক চাৰি-পাঁচটা মানুহে ধৰি ৰাখিব পৰা নাই। সি চিঞৰি আছে —"তাই টেৰ'ৰিষ্ট, আৰ্মি এইবোৰ কি বুজিছিল? তাইক কিয় মাৰি পেলোৱা হ'ল?" সি মূৰটো পকাত মাৰিবলৈ গৈছে, পাঁচটামান মানুহে তাক ধৰি ৰাখিব খুজি হামখুৰি খাই পৰি যাব খুজিছে। ককাযেক দুজনক দেখি সৰুবাপ কুঠাৰ মাৰি মাৰি বগৰাই দিয়া বুঢ়া গছ এজোপাৰ দৰে মাটিত বাগৰি পৰিল — "মই তাইক ৰাখিব নোৱাৰিলোঁ, মোৰ চকুৰ আগতে তাইক .।"

ঠিক সেই সময়তে মিলিটেৰী গাড়ীখন গাঁও ঘূৰি ঘূৰি আহি সৰুবাপহঁতৰ নঙলাৰ মুখত ৰ'লহি। দুজন জোৱানৰ হাতত নুমলী ঘৰলৈ সোমাই আহি, চোতালতে শুই পৰিল — নুমলীৰ তেজৰ চেকালগা কাপোৰেৰে ঢাকখাই থকা পেট ফালি আকৌ চিলাই কৰা দেহাটোৰ ওপৰত এজন মিলিটেৰী অফিচাৰে গোলকৈ পটু হাতেৰে তৈয়াৰী গোলাপৰ মালা এডাল থৈ টুপী খুলি সম্মান জনালে, লগতে বুট আৰু বন্দুকৰ শব্দ কৰি থকা জোৱানকিজনেও। ভদ্ৰ, সুদৰ্শন বিষয়াজন অলপ সময় নুমলীৰ ওচৰত মূৰ দোঁৱাই বৈ থাকিল, লগতে জোৱানকিজনো। জীপখনৰ পাছে পাছে অহা ট্ৰাকৰ পৰা নমা মিলিটেৰীজাক নুমলীহঁতৰ ঘৰে-বাৰীয়ে সোমাই পৰিল। বৈ থকা মানুহবোৰে বুজি পালে সিহঁতে

প্ৰশান্তইঁতক বিচাৰি চাইছে। কান্দি কান্দি আঁঠুত মূৰ গুজি থকা সৰুবাপকো এটাই মুখখন দাণ্ডি চালে। পাঁচ মিনিটমান চাই যেনেকৈ আহিছিল তেনেকৈ মিলিটেৰীবোৰ গিৰিপ্-গাৰাপকৈ ট্ৰাকত উঠিলগৈ। বিষয়াজনে নুমলীৰ দেহাটোক আকৌ এবাৰ চেলাম কৰি যাবলৈ ওলাল। জীপত উঠাৰ আগতে তেওঁ ইংৰাজীত কৈ গ'ল — "টেৰ'ৰিষ্টক প্ৰশ্ৰয় দিলে এনে হ'বই।" সৰুবাপেও চিঞৰ মাৰি উঠিল — "চবৰে হোজাকেইটাৰ ওপৰত দাদাগিৰি, চাই ল'ম, মই চবকে চাই ল'ম..."। এইবাৰ সৰুবাপক দুইফালৰ পৰা ককায়েক দুজনে ধৰি থাকিল। তাৰ ওচৰ চাপি আহিল বৰপিতায়েক, "বোপাই। বাহ ভগা কোদো-বৰলজাকক জোকাই নল'বি।" আজি দুবছৰে বনৰীয়া হোৱা তেওঁৰ ছফুট ওখ খামিডাঠ পুতেকটো এবাৰ ৰিজাৰ্ভৰ হাবিত, এবাৰ পথাৰত, এবাৰ নদীৰ পাৰত পৰি মৰি আছে বুলি যোৱা নিশাটো বিভিন্ন গুজব শুনি থকা বৃদ্ধজনে লাখুটিডালতে ভৰ দি হুকুহুকাই কান্দি উঠিল।

নুমলী চোতালত বুকুতে গোলাপৰ মালাডাল লৈ শুই আছে, তাইৰ দীঘল বেণীডাল বননিত পৰি আছে। তাইক বেৰি থকা লঘোণীয়া পেটৰ, টোপনি নোহোৱা পুৰি থকা চকুৰ মানুহবোৰ বোবা হৈ ৰৈ আছে। কোনো বুঢ়া-মেথাই শ-সৎকাৰৰ নিয়ম-নীতি মনত পেলাই দিয়া নাই, কোনেও কাঠ-বাঁহ গোটোৱাৰ আয়োজন কৰা নাই, আনকি শক তুলসীৰ তললৈও নিয়া নাই, মূৰৰ শিতানত জ্বলা নাই এগচি চাকি, থোৱা হোৱা নাই ধুনা-মলা এটা বা দুডাল ধূপ। বাঘে খেদা হৰিণৰ দৰে ভীত মানুহবোৰ ৰৈ আছে। কেউপিনে মাত্ৰ চেপা কান্দোনৰ শব্দ, মাজে মাজে সৰুবাপৰ চিঞৰ — "চাই ল'ম মই —চবকে চাই ল'ম।"

কোনে, কেনেকৈ নুমলীক চাঙীত তুলি নদীৰ পাৰৰ মৰিশালিলৈ নিব? নুমলী যে গোটেই গাঁওখনতে বিয়পি পৰিল। ৰঘুৰ ঘৰৰ জৰা-টেঙাডালত, সৌজনী নুমলী, ওচৰ চাপিলেই গাই উঠিব—

"ভাইও বোলোঁ মই, ককাইও বোলোঁ মই, গাঁৱৰে গৰখীয়া।
হাতো নেমেলিবি, জৰাও নিছিঙিবি, ঘৰলৈ উভতি যা।"

নুমলী বাৰীৰ ঢাপে ঢাপে লাউ হৈ লহপহকৈ বগাই গ'ল, কাষ চাপিলেই উচুপি আহিব — "হাতো নেমেলিবি, লাউ নিছিঙিবি ক'ৰেনো বুঢ়ী আই তই।" নুমলী বৰপুখুৰীত পদুম হৈ হালি-জালি ফুলিল, ছিঙিবলৈ গ'লেই কান্দি উঠিব —"হাতো নেমেলিবি, ফুলো নিছিঙিবি, কৰে নাবৰীয়া তই।"

তাই জৰাটেঙা হৈ, লাউগছ হৈ, পদুম ফুল হৈ গোটেই গাঁওখনতে বিনাই বিনাই ৰৈ থাকিব। এদিন কোনোবা আহিব, তাইক ক'ব "তই যদি নুমলীজনী হ'ব, তেন্তে মোৰ তামোলৰ চোবাটি খা।" তাই তামোলৰ চোবাটি খাই শালিকা হ'ব। তাইক আকৌ ক'ব — "তই যদি নুমলীজনী হ'ব, তোৰ যদি মৰম আছে, এই পানী-গামোচাখন পিন্ধি তই মানুহ হ'বি।" নুমলী মানুহ হ'ব। তাইৰ বুকুজুৰি মৰম আছে, তাই আকৌ মানুহ হ'বলৈ ৰৈ থাকিব।

দৈৱকীৰ দিন

"নে বাবু, নে। বিশ টকা দে আৰু লৈ যা। এটা মাছ লৈ আৰু কিমান পৰ দি থাকিম?" কণী লগা কুঁড়ী মাছটো তমালডালেৰে গাঁঠি দৈৱকীয়ে তাইৰ পোহাৰখন ক্ষিপ্ৰ হাতেৰে সামৰি পেলালে। বজাৰৰ সিটো মূৰত বহা মনোহঁতক তাই উঁকি এটা মাৰি চালে, "হঞে মনো!" কোনো উত্তৰ নাহিল। তাৰ মানে সিহঁতকিজনী গ'লগৈ। তাইহে আজ্ঞাৰ হোৱালৈকে ৰ'ব লগা হ'ল। হ'ল বুলিনো এনেহেন মাছকিটা পানীৰ দামত দিয়ে কেনেকৈ? কিছুদিন আগলৈকে বেপাৰীকেইটাই তাইহঁতক উচিত পইছাই দিছিল। অলপ দিনৰে পৰা কিনো হ'ল জানো, পইছাকিটা দিয়াৰ সময়ত গাৰ মঙহ দিয়া যেন পায়। কিবা বোলেনে সিহঁতেও হেনো কাৰোবাক এগাল ধন দিব লগা হৈছে। দৈৱকীয়ে মুখত তামোল এখন ভৰাই ল'লে, "মেখেলা পিন্ধা, খেকাৰ খোৱাবোৰক পাবিলে এনেই মাছ লাগে, চালা শগুণে খোৱাৰ জাত!" ডাঙৰ ডাঙৰ মাতেৰে গালিযাৰ পাৰি দৈৱকীয়ে অলপ থিত ল'লে।

বজাৰখনত অ'ত-ত'ত টিপ-চাকি, মম জ্বলিছে। দৈৱকীৰ ওচৰৰে আলু-পিঁয়াজৰ বেপাৰী ৰঘুবীৰে তাৰ দ'ল হেন জোংগা আলু-পিঁয়াজৰ দ'মকিটাত দুডাল মম জ্বলাই দিলে। সি মমডাললৈ চাই হাতযোৰ কৰি উঠি দৈৱকীৰ ফালে চালে, "কি হ'ল দৈৱকী বাই? আজি নাযাব নেকি?" উৰুত চাপৰ এটা মাৰি দৈৱকী জকজকাই উঠিল, "নগৈ তোৰ সোণামুৰা মুখখন চাই থাকিম নেকি?" শাক-পাচলিৰ বেপাৰী যদুৰামে ভাগে ভাগে পাচলিবোৰ সজাই পানী ছটিয়াইছে। তাৰ গ্ৰাহক চহৰীয়া বাবুবোৰ আহিবৰ সময় হৈছে। ৰঘুবীৰ আৰু যদুৰামৰ মাজত মছলাৰ পোহাৰ লৈ বহা গণেশ আজি অহা নাই, যদুৰামে তাৰ নেমুখিনিও ৰং আৰু আকৃতি ভেদে সজাই পোহাৰখন বহলাই পেলাইছে। দিনৰ দিনটো পাচলিবোৰ সজাই থকা যদুৰামৰ কামবোৰ দৈৱকীৰ ল'ৰা-খেলা যেন লাগে, তাক খোঁচ মাৰি কিবা এবাৰ ক'বলৈ গৈ তাই সুধি পেলালে, "গণেশৰ আজি কি হ'ল ঐ?" যদুৰামে জিকাৰ দ'মটো ঠিক কৰি ফুচফুচীয়া মাতেৰে ক'লে, "সি আহিব কেনেকৈ? দলংখনত বোমা দি মিলটেৰী মৰাৰ পিছত গণেশহঁতৰ গাঁৱত কোনো থাকিব নোৱাৰা

হৈছে, গোটেই গাঁওখন মিলটেৰীয়ে খচকি পেলাইছে।" ঘটনাবোৰ দৈৱকীয়েও শুনিছে। হঠাৎ তাইৰ গাটো জিকাৰ খাই উঠিল।

বজাৰখনৰ আন্ধাৰবোৰ ডাঠ হ'বলৈ আৰম্ভ কৰিছে। দৈৱকীৰ বুকুখন কিবা কৰি আহিল। বেপাৰীটোক মাছ পাচি দি যোৱা হ'লেই তাই এতিয়া মানে ভাত খাই পাটীত পৰিব পাৰিলেহেঁতেন। মনোহঁতেও কৈছিল, তাইহে দুটা পইছাৰ আশাত ভজি বহি থাকিল। লোকচান হোৱা নাই, বজাৰ-সমাৰ কৰিও দুটা পইছা হাতত থাকিবগৈ। আৰু দুটামান পইছা গোট খালেই তাই খুঁটাটো কাটিব। শাহু বুঢ়ীৰ চকুৰ ছানি টাউনৰ হাস্পতালত কটাই আনিব পাৰিলে এটা ডাঙৰ চিন্তাৰ পৰা হাত সৰা হয়। তাইৰ পলম হোৱা দেখি বুঢ়ীয়ে চাগে খেপিয়াই খেপিয়াই ভাতৰ যোগাৰ কৰিছে। ছোৱালীজনী অলপ ডাঙৰ হোৱাৰ পৰা আইতাকক ইখন-সিখন কৰি দিব পৰা হৈছে। বুঢ়ীয়ে ভাতত দিয়া আলু এটা পালে লোণে-তেলে পিটিকা কৰি খাবলৈ বৰ ভাল পায়। দৈৱকীয়ে আলু আধা কেজি ল'লে। অতগাল ধন ভাঙি ক'তনো আলু কিনা হয়? আজি কপালখন ভাল বুলিহে। দুই কেজি চাউলো ল'লে। ঘৰতো থাকিব লাগে তিনি-চাৰি কেজিমান। ল'ৰাটোৱে মাছকেইটামানো যোগাৰ কৰিছে চাগে। চাউল, আলুৰ টোপোলাটো লৈ দৈৱকী বজাৰৰ পৰা ওলাল। মেখেলাৰ খোঁচনাৰ পৰা পইছাকিটা উলিয়াই তাই ব্লাউজটোৰ ভিতৰলৈ সুমুৱাই দিলে। তাৰ পিছত তাই হনহনকৈ খোজ দিবলৈ লাগিল। বুঢ়ীয়ে চাগে বাৰে বাৰে সুধি আছে, 'মাৰ আহিল নে নাই? ক'ত বা মৰিলগৈ জহনীজাতীজনী।' ল'ছালি হালে বুঢ়ীজনীক জানো কম জ্বালাতন কৰে? কাণী বুঢ়ীজনীৰ বাবে দৈৱকীৰ মনটো খালৈৰ পৰা মাটিত বাকী দিয়া কাৱৈ মাছ এগালৰ দৰে ধৰফৰাই উঠিল।

টাউনৰ ৰাস্তাৰ লাইটবোৰ কেতিয়াবাই জ্বলিলে। দোকান-পোহাৰবোৰ পোহৰেৰে জল্‌মলাই উঠিছে। বজাৰৰ টিপ চাকিৰ টিমিক্-ঢামাক্ পোহৰৰ পৰা আহি চক্‌চকীয়া পোহৰত দৈৱকীৰ গাটো নাঙঠ হৈ যোৱা যেন লাগিল। ব্লাউজটোৰ তলফালৰ বুটাম দুটা নাই, পেটিকোট নোহোৱাকৈ গাঁঠি মাৰি পিন্ধা মেখেলাখনে কলাফুল দুটা ঢাকিব পৰা নাই। ঠেক চাদৰখনে বুটাম ছিগা ব্লাউজটো বাৰে বাৰে যেন উদঙাই দিছে। ৰাস্তাৰ চব মানুহে যেন তাইৰ গাটোলৈকে চাই আছে, কোনোবা এটাই যেন তাইলৈকে চাই সুহুৰিয়াই উঠিল। তাই কাষলতি তলত চেপা মাৰি ধৰি থকা পাচিটো আলু, চাউলৰ টোপোলাটোৰ সৈতে মূৰত তুলি ল'লে। পাচিটোৰ তলত আন্ধাৰখিনিত লুকাই লুকাই তাই তলমূৰকৈ মেখেলাৰ চটপ্ চটপ্ আবাজ কৰি বেগ দিবলৈ লাগিল।

তাই লোকালয় পাৰ হৈ চহৰৰ দক্ষিণ কোণত থকা নৈপৰীয়া গাঁওখনলৈ যোৱা কেঁচা আলিটোত ভৰি দিলেহি। মানুহ, পোহৰ চব কমি আহিল। ৰাস্তাৰ কিনাৰে কিনাৰে থকা পথাৰবোৰ আন্ধাৰেৰে চপ্‌চপীয়া, মাজে মাজে জাক বান্ধি ফুৰা দৰিকণা মাছৰ দৰে থোপা থোপা জোনাকী পৰুৱাই টিপ্‌টিপাই আছে। ক'ৰবাত শিয়াল এজাকে হোৱা দি উঠিল। গান গাই গাই টাউনৰ ফালে খালি ৰিক্সা এখন খট্‌লং খটলঙকৈ চলাই ডেকা ৰিক্সাবালা এটা পাৰ হৈ গ'ল। দৈৱকীয়ে আকাশখনলৈ মূৰ তুলি চালে, ভৰ বাৰিষাৰ নদী

পানীৰে ওফন্দি থকা দি আন্ধাৰেৰে ভৰি আছে, ক'তো একণো পোহৰ নাই। এটা গুপগুপীয়া গৰম পৰিছে। তাই অলপ বৈ গাৰ পৰা ব্লাউজটো খুলি পেলালে, ঘামত তিতি জেপ্‌জেপীয়া হৈ থকা ব্লাউজটো চেৰেক্‌কৈ শব্দ এটা কৰি ফাটি থাকিল। ব্লাউজটো পাচিটোলৈ দলিয়াই দি তাই মেখেলাখন উজাই ল'লে। চেঁচা বতাহজাকত গাটো শাঁত পৰি আহিল। ব্লাউজৰ ভিতৰত থোৱা পইছাকিটা তাই এইবাৰ মেখেলাৰ খোঁচনিত ভৰাই ল'লে।

এইটো ৰাস্তাৰে সাধাৰণতে ৰাতি গাড়ী-মটৰ একেবাৰেই নচলে। আৰু অলপ দূৰ গ'লেই নামঘৰটো। দৈৱকীয়ে নামঘৰটো গাত কাপোৰ নথকা দিনৰে পৰা দেখিছে। নামঘৰৰ এলেকাটো বৰ ডাঙৰ, সন্মুখত দুটা বিশাল পুখুৰী, গংগা আৰু যমুনা। জাৰে-জহে পুখুৰীকেইটাৰ পানী নুশুকায়। দূৰ-দূৰণিৰ মানুহ আহি এই পুখুৰীৰ পানী বটলত ভৰাই নি থাপনাৰ ওচৰত থয়। নামঘৰৰ ঠিক মাজতে এজোপা বিশাল বট গছ। বটবৃক্ষৰ ছাঁয়া পৰি গংগা-যমুনা সেউজীয়া হৈ থাকে। সেউজীয়া পানীত গাত শেলুৱৈ ধৰা দুটা বিৰাট কাছ থাকে—দৈৱকী আৰু যশোদা। কিবা এমুঠি দলিয়াই 'দৈৱকী, যশোদা আহ' বুলিলেই কাছকিটা দলঙৰ ওচৰ পায়হি। তাই এই কাছকিটাৰ কথা শুনিছেহে, দেখা নাই। দেখিবনো কেনেকৈ? মাছৰ গোন্ধ গাত লৈ ফুৰোৱা থেৰেজু-কলীয়া মানুহখিনিৰ যে নামঘৰত সোমোৱা নিষেধ। তাইৰ নামটো মাকে বাৰু সদায় শুনি থকা কাছজনীৰ নামেৰে ৰাখিছিল নেকি? সৰুতে তাইৰ লগৰ অঘাইটংকিটাই 'বৰপুখুৰীৰ কাছ' বুলি তাইক জোকাইছিল। নৈখনৰ চোকা ভাঁজটোৰ ওচৰতে থকা দলংখন পাৰ হ'লেই বতাহত জালে ঢৌ খেলি থকা মাছৰ গোন্ধেৰে ভৰা গাঁওখন। সৰুতে দৈৱকীহঁত দিনটোত এবাৰ হ'লেও নামঘৰৰ পিনে আহিছিলেই, পিংপিঙাই ফুৰা পোৱালিজাকক দুই-একে মাহ-প্ৰসাদৰ পাত একোখনো দিছিল। মাহ-প্ৰসাদৰ লোভটো ডাঙৰ কথা নহয়, আচল কথাটো হ'ল কৌতূহল। আহোঁতে-যাওঁতে সকলোৱে মূৰ-দোঁৱাই যোৱা গছ আৰু পুখুৰীৰে আৱৰা ঘৰটোৰ ভিতৰত বা আছে কি? দৈৱকীয়ে খোজটো আৰু অলপ বঢ়াই দিলে। নামঘৰটো পাৰ হৈ দলংখনত ভৰি দিব পাৰিলেই আৰু চিন্তা নাই। কাজিয়া-পেচাল, মদপীৰ গৰ্জন, কেঁচুৱাৰ কান্দোন, পিঠিত গিৰিয়েকৰ ঔ-কিল পৰা তিৰোতাৰ শাও-শপনিৰে গম্‌গমাই থকা দৈৱকীৰ গাঁওখন।

আন্ধাৰ আকাশখনত বিজুলীৰ লতা এডাল চক্‌মকাই উঠিল। খন্তেকৰ বাবে হোৱা পোহৰকণত তাই দেখিলে এডাল ক'লা-হালধীয়া কাপ-কাপ থকা ৰাকৰাজ সাপ বৰ লাহে লাহে ৰাস্তাটো পাৰ হৈছে। হঠাৎ তিনিখন মিলিটেৰী বোজাই গাড়ীয়ে চপ্‌চপীয়া আন্ধাৰখিনি খেদালি পেলালে। দৈৱকী ৰাস্তাৰ একাষে বৈ দিলে। তাই ভালকৈ দেখিলে মাজৰ গাড়ীখনৰ পিছৰ চকাটোৱে ৰাকৰাজ সাপডাল খেঁতেলিয়াই পেলালে। মেঘে গুৰুম গুৰুমকৈ গাজিছে, বাৰে বাৰে বিজুলী মাৰিছে। বিজুলীৰ পোহৰত খেঁতালি যোৱা সাপডাল দেখি দৈৱকীৰ মনটো শিঙি মাছে বিন্ধা দি উঠিল। ভয়-ভীত নোহোৱা মানুহজনী এক অদ্ভুত ভয়ত কঁপি উঠিল। মানুহটো থকা হ'লে দুটা পইছাৰ কাৰণে তাই এনেকৈ দিন-ৰাতিৰ ছেদ-ভেদ নোহোৱা কৰিব লাগিলহেঁতেননে? এসপ্তাহৰ জ্বৰ-হাগনিত সিকলীয়া হোৱা মতগজ মানুহটোলৈ মনত পৰি তাইৰ গালেদি মাগুৰ মাছৰ গাত পানী পিছলাদি

দুটোপা গৰম চকুলো লোৰ পাতি বৈ আহিল।

নামঘৰৰ এলেকাটো বৰ ডাঙৰ। এফালে নামঘৰটো, আনফালে পথাৰ। এইখিনি ঠাই পাৰ হওঁতে দুপৰীয়াতে অলপ-ধতুৰাৰ বুকু চম্‌চমাই যায়। সাধাৰণতে দৈৱকীহঁত যেতিয়া নামঘৰৰ ওচৰৰ পায়, তেতিয়া আইসকলে নামঘৰৰ বাহিৰৰ মুকলি ঠাইখিনিতে নাম ধৰে। এই নামঘৰত তিৰোতা সোমোৱা নিষেধ। আইসকলে আগ কৰা শৰাই, চাকি নামঘৰীয়াই মণিকূটৰ ভিতৰত দি আহেগৈ, আইসকলে নামঘৰৰ চিৰিৰ পৰাই আঁঠু লয়। গৰমকালি দৈৱকীহঁতে নামঘৰৰ পদূলিৰ জৰী গছজোপাৰ ছাঁয়াত হাত-ভৰি মেলি বহি অলপ সময় জিৰণি লয়। আইসকলে নাম সামৰি সেইফালে পাৰ হৈ যাওঁতে কোনোবা এগৰাকীয়ে মাহ-প্ৰসাদৰ পাত এখিলাও দি থৈ যায়। কোনোবাই মাছৰ বতৰাও লয়, 'বোলো দৈৱকী! জী-জোঁৱাই আহিছে, ভাল মাছ দুটামান দিবি।' দৈৱকীহঁত দলংখন পাৰ হওঁতে মাৰ যোৱা বেলিৰ পোহৰত ক'লা মানুহকিজনী পকা জামু জিলিকাদি জিলিকে।

দৈৱকীয়ে নামঘৰৰ এলেকাটোত ভৰি দিয়াৰ লগে লগে দুৰ-দূৰণিৰ পৰা হ'লেও অ'ৰ-ত'ৰ পঁজাঘৰবোৰৰ পৰা অহা টিপ্ চাকিৰ পোহৰকণো নোহোৱা হ'ল, কেউফালে নিফুটা আন্ধাৰ। দৈৱকীয়ে তামোল এখন উলিয়াই মুখত ভৰালে। কোনো দিনেই তাই ইমান ৰাতি নকৰে, বেপাৰীকেইটাইও পইছাকিটা দি আছিল। তাইহঁতৰো লেঠা নাছিল। অলপ দিনৰে পৰা সিহঁতজাকে বৰ কেৰ-জেৰ কৰিবলৈ লৈছে। আজি কণী লগা, ধৰফৰাই থকা কুঁঢ়ী মাছকিটাৰ দাম বুলি যিকেইটা পইছা যাচিলে তাইৰ মুৰৰ তালু ভম্‌ভমাই গ'ল। মনটো সুত লগাকৈ গালি পাৰি তামোলৰ পিকখিনি পেলাব খুজি দৈৱকী বৈ গ'ল। নামঘৰৰ বিপৰীত ফালৰ পথাৰখনত কিছুমান চোকা পোহৰৰ ৰেখা বাম পানীত কান্ধুলি মাছে লুটি-বাগৰ মৰা দি তল-ওপৰ কৰি আছে। তাই ঠাইতে বহি দিলে। মেঘৰ গাজনি, বিজুলী বেছি ঘন হৈ আহিছে। তাই নামঘৰটোলৈ চাই হাতযোৰ কৰিলে। 'আজি কিহত পৰিলোঁ প্ৰভু!' নামঘৰলৈ সোমাই যোৱা ৰাস্তাটোতে এখন সৰু বাঁহৰ দলং। দলংখনতে তাই বহি থাকিল। চমকি যোৱা বিজুলীৰ পোহৰত দৈৱকীয়ে স্পষ্টকৈ দেখিলে মিলিটেৰী জাকে বিলত ৰাইজে পল, জুলুকি লৈ ভেলাই বান্ধ মৰাদি গৈ আছে। সিহঁতৰ বান্ধৰ মাজত যেন এজনী ধৰ্‌ফৰাই থকা ৰাঘ বৰালি। তাই কেইটামান শব্দ শুনিলে, কাৰোবাক যেন হানি-খুঁচি মাৰিছে। তাই থৰ্‌থৰকৈ কঁপিবলৈ লাগিল, তাইৰ কেউফালে যেন থেঁতেলিয়াই পেলোৱা বাকৰাজ সাপডাল। পোহৰবোৰ আকৌ কান্ধুলি মাছৰ জাক হৈছে। মিলিটেৰীগালৰ ভেলাই বান্ধটো ভাগি গৈছে। দৈৱকীয়ে নামঘৰৰ জপনাত হাত দিলে। আহি আছে, আন্ধাৰে আন্ধাৰে মিলিটেৰী জাক ৰাস্তালৈ আহি আছে। জপনাখন ঠেলিব খুজি তাইৰ গাটো জিকাৰ খাই উঠিল। কি কৰিব খুজিছে তাই? প্ৰভুৰ নামঘৰত সোমাবনে তাই? এইখন যেন বাঁহৰ জেওৰা নহয়, শিলৰ প্ৰাচীৰহে। ৰাতি হেনো প্ৰায়ে গংগা-যমুনাত এখন সোণৰ নাও ভাহি উঠে। যি মানুহে সেইখন নাও দেখিছে তেজ বতিয়াই মৰিছে। তাইৰ কিবা এটা হ'লে কাণী বুঢ়ীজনীয়ে ল'ছালিহাল লৈ ... তাই ঘপ্‌কৈ জপনাখন মেলি ভিতৰলৈ সোমাই গ'ল। তাই দৌৰি যোৱাদি গৈ আঁহতজোপাৰ তলত বহি থাকিল। মিলিটেৰীবোৰ ৰাস্তাত উঠিছে।

এচমকা পোহৰে তাইক চেলেকি পেলালে। লগে লগে ভাহি আহিল এটা কঠিন, কৰ্কশ শব্দ, "ক্যোন হেই?" তাই এইবাৰ কুকুকি কুকুকি আঁহতজোপাৰ ধোন্দটোলে সোমাই গ'ল। জোতাৰ গিৰিপ্-গাবাপ্ শব্দ। প্ৰায় একেলগেই গাড়ীকেইখন গৰজি উঠিল। অলপ সময় গোটেইখন দিন যেন কৰি গাড়ীকেইখন চহৰৰ ফালে গ'লগে। ধোন্দটোৰ ভিতৰত পৰুৱা এবাহ আছিল। তাইৰ উপস্থিতিত বাহটো লৰচৰ কৰিবলৈ লাগিল, দুটামান পৰুৱা তাইৰ গালে পিৰ্‌পিৰকৈ কণাই আহিল। কেইটামানে কামোৰো দিলে। নেদেখাকৈয়ে বুজিলে, এইবাহ ক'লা পৰুৱা, কণীবোৰৰ সৈতে পৰুৱাবাহৰ গোন্ধটো তাইৰ নাকলৈ উজাই আহিল। তাই ধোন্দটোৰ পৰা ওলাই আহিল। বিজুলীৰ পোহৰত মাজে মাজে পুখুৰীকিটা উজলি উঠিছে। দৈৱকীয়ে গাৰ পৰা চাদৰখন পেলাই দিলে, গৰমত সিজি তাই অগুঠাত দিয়া মাছ যেন হৈছে। পিয়াহত তাইৰ অষ্ঠ-কণ্ঠ শুকাই আহিছে। অকণমান পানী নাপালে যেন তাইৰ কলিজাখন ফালি চিৰাচিৰ হ'ব। খাব নেকি গংগা-যমুনাবে পানী এচলু? তাই লাহে লাহে পুখুৰীকিটাৰ ওচৰ চাপি গ'ল। পানীত কিবা শব্দ এটা হৈছে। যমুনাৰ পাৰত হোৱা স্পষ্ট সৰ্‌সৰ্ শব্দ এটাত পানীত হোৱা শব্দটো নোহোৱা হ'ল। তাইৰ বুকুখন ধপ্‌ধপাই উঠিল। এবাৰ হেনো পদো কাইটিৰ ভায়েক ৰাতি গাঁৱলৈ ঘূৰি আহোঁতে গংগা-যমুনাত খলপ্-খলপ্ শব্দ শুনি দৈৱকী-যশোদাক চাবলৈ বুলি নামঘৰলৈ সোমাই আহিছিল। জোনাক নিশা মাত দিওঁতেই দৈৱকী-যশোদা আহি দলং পালেহি। বাটে বাটে গলিয়াই অহা ভজা বুটগালৰ পৰা সি এমুঠি দৈৱকী-যশোদাৰ ফালে দলিয়াই দিওঁতেই মহাদেৱৰ কণ্ঠৰজনাই তাক নীলা কৰি দিলে। সৰ্‌সৰ্ শব্দটো আঁহতৰ ধোন্দটোত মাৰ গৈছে। এইজনাই তালৈ কি বিচাৰি গৈছে? তাত তাই তাইৰ গাটোৰ মাছ মাছ গোন্ধটো ক'লা পৰুৱা বাহৰ সৈতে মিলাই থৈ আহিছে। পদোৰ ভায়েকৰ শটো হেনো বাইজে চুবলৈ ভয় খাইছিল। বাইজে চুবলৈ ভয় কৰা সেই শটো বাৰু কি হ'ল? কাকোতো তাইৰ সোধা হোৱা নাই। কাউৰী-শগুণে খাইছিল নেকি সেই বাহি শ? তাই নিজেই নিজৰ গাটো চুই চালে, ঘামেৰে তিতি জেপ্‌জেপীয়া হৈ আছে। হাতৰ তলুৱাৰে তাই মুখখন মচি পেলালে, হাতখনত কণী লগা কুঁঢ়ীৰ কাঢ়া গোন্ধটো। এইটো গোন্ধ লৈ তাই! তাই শুকাই কৰ্‌কৰীয়া মৰা ওঁঠখন চেলেকি ল'লে। এটোপা পানী নাখালে তাই আৰু নোৱাৰিব। গংগা-যমুনাৰ দলঙলৈ নামি গৈ এচলু পানী হাতেৰে তুলি আনিবলৈ বুলি কুঁজা হৈও তাই নোৱাৰিলে। এই মাছৰ গোন্ধেৰে বিজলুৱা হৈ থকা হাতেৰে তাই ...। দৈৱকী দলংখনতে বহি পৰিল, তাইৰ ভৰিত শীতল পানীৰ পৰশ। হাতৰ বৰশীৰ পৰা ওলাই জাঁপ মাৰি যোৱা চেং মাছৰ দৰে তাইৰ গাৰ পৰা যেন হাতখন জাঁপ মাৰি গৈ পানীত পৰিলগৈ। তুলি আনিলে এচলু পানী। তাই ওপৰা উপৰিকৈ কেইবা চলুও পানী খাই পেলালে, এচলু পানী তাই শিৰতো ল'লে, 'প্ৰভু! পাপ হ'লে খেমিবা।' দলংখনৰ পৰা উঠি আহিবলৈ বুলি তাই থিয় হ'ল, তাইৰ ভৰি লাগি দলংখনৰ পানীখিনিত দুটামান সৰু সৰু ৰেখা আঁক খালে। কেনিও এটাও শব্দ নাই, মেঘেও গাজিবলৈ এৰিছে, আকাশখন তাইৰ গাটোৰ দৰেই ঘন ক'লা। গছ-পাতবোৰ একে ঠাইতে ৰৈ আছে। হঠাৎ পানীখিনিত চলপ্ চলপ্ শব্দ এটা হ'বলৈ ধৰিলে। তাই

শব্দটো কাণপাতি শুনি ৰ'ল। এইটো তাইৰ পানীতহে মাছে কিন্তু কোবোৱা চিনাকি শব্দ নহয়। দৈৱকীৰ গাটো সিৰিক্‌কৈ গ'ল। কোনে কৈছিলে? ক'ত শুনিছিল তাই? মাজে মাজে মাজনিশা বৰ নামঘৰৰত গংগা-যমুনাৰ বুকুত এখন সোণৰ নাও ভাহি উঠে। নাওখনৰ কাষে কাষে ৰখীয়া হৈ থাকে গাত শেলুৰে পৰা বৰ কাছ দুজনী। মানুহে কৈছিল তাইৰ মতগজ মানুহটো দুদিনৰ জ্বৰ-হাগনিত সিফলীয়া হোৱা কাৰণটো বৰ গুপুত। নামঘৰৰ আগৰ পথাৰখনত কাৰৈৰ উজান উঠিছিল, চিপ্‌চিপীয়া বৰষুণে তিয়াই থোৱা সেই আঁউসীৰ নিশা খামি-ডাঠ মানুহটো কাৰো হাক-বচন নুশুনি ঘৰৰ পৰা ওলাই গৈছিল। মানুহটোৱে পুৰা উভতি আহোঁতে খালে ভৰাই আনিছিল হাতৰ তলুৱামান একোচাট একোচাট ৰঙচুৱা বৰণ ধৰা কাৰৈ মাছ। মানুহটোৱে তেজকে হাগিছিল। মানুহবোৰে ফুচফুচাই কোৱা-কুই কৰিছিল, আঁউসীৰ নিশা মানুহটোৱে গংগা-যমুনাত সোণৰ নাও দেখিছিল। নহ'লে ভাল মানুহটোৰ এৰাতিতে কেনেকৈ এই দশা হয়? চোতালত চেৰেলিয়াই থোৱা তেজৰ চেঁকুৰাবোৰ দেখি শাহুআয়ে বুকু চপৰিয়াইছিল: 'মৰথকে ধৰিছিল, আঁউসীৰ ৰাতি, তাতে বাপেক মৰাৰ দিন, সি কিয় বৰ নামঘৰৰ আগৰ জয়াৰ পথাৰত মাছ ধৰিবলৈ গৈছিল? পৰিলেই যেনিবা কাৰৈৰ উজান। থক্‌ মৰথক।' তাৰ পিছত শাহুৱেকে তাইকে গুৱাল-গালি পাৰিছিল। দৈৱকীয়ে যেন নিস্তব্ধতাৰ মাজতো স্পষ্টকৈ শুনিলে শাহুৱেকৰ দুখ আৰু খঙে বিকৃত কৰা কণ্ঠস্বৰ: 'থক, মৰথক'। তাইকো থকে ধৰিছিল। তাইৰ মেখেলাৰ খোঁচনিত থকা টকাকিটাই পকা অণ্ঠা হৈ পুৰিছে, চোৰাত হৈ ডাকিছে।

পানীত শব্দটো বেছি হৈছে, তাইৰ ভৰিত ছিটিকি ছিটিকি পানী পৰিছে। ইমান পৰে আন্ধাৰ সহি অহা চকুৰে তাই ভালকৈ দেখিলে এজনী প্ৰকাণ্ড বৰ কাছ আহি দলঙৰ ওচৰত ৰৈ আছেহি। দৈৱকী পলৰ পৰা কাৰৈ মাছ ছিটিকা দি ছিটিকি পাৰত উঠিলগৈ। তাই কঁপি কঁপি পুখুৰীটোৰ ফালে চাই আঁঠু ল'লে। কাছজনী দলঙৰ ভৰিৰ পতা ডুব যোৱা পানীত ৰৈ আছে। দৈৱকীৰ চকুৰ পৰা পানী পৰিছে। তাই পুখুৰীটোৰ ফালে চাবলৈ ভয় কৰিছে। এতিয়াই ঠিক দলংখনৰ ওচৰতে ভাহি উঠিব এখন সোণৰ নাও, নিজে নিজে ভাহি ফুৰা এখন সোণৰ নাও, যিয়ে দেখে সিয়েই তেজ বতিয়াই মৰা এখন কালিকা লগা নাও। পানীত আকৌ চলপ্‌-চলপ্‌ শব্দটো হৈছে। সোণৰ নাওখনৰ ৰখীয়া হৈ থাকে দুজনী পিঠিত শেলুৰে বৰণ ধৰা বৰকাছ। তাই এইবাৰ পুখুৰীৰ পাৰৰ পৰা নামঘৰৰ দুৱাৰমুখলৈ দৌৰ মাৰিলে, তাই এবাৰো পাছলৈ ঘূৰি চোৱা নাই। নামঘৰৰ দুৱাৰমুখতে তাই ৰ'ল। এইখিনিতে আইসকলে নাম লয়। সেন্দুৰীপুঠি একোজনীৰ দৰে ধুনীয়া, পাভ মাছৰ দৰে বগা, মিৰিকা মাছৰ বাকলিৰ দৰে জিলিকি থকা কাপোৰ পিন্ধা মানুহজনীয়ে ইয়াতে নাম লয়। দৈৱকীয়ে কিমান সময়ৰে পৰা এই দৃশ্য দেখিছে। তাই সেইখিনিতে আঁঠুত মূৰ গুজি বহিল। পানীৰ শব্দটো নাই। নাচাওঁ, নাচাওঁ, বুলি তাই নামঘৰটোৰ ভিতৰলৈ চালে, এজাক জোনাকী নুমাইছে, জ্বলিছে। তাই নামঘৰৰ ভিতৰলৈ চাই আকৌ এবাৰ আঁঠু ল'লে।

তাই লাহে লাহে বৰ নামঘৰৰ চৌহদৰ পৰা ওলাই আহিবলৈ বুলি খোজ ল'লে। হঠাৎ স্থিৰ হৈ থকা গছবোৰ সোঁ-সোঁৱাই বলা বতাহত দুলিবলৈ ধৰিলে। দুমদুমাই ইমান

পৰে আহোঁ আহোঁ কৰি থকা বৰষুণ জাক নামি আহিল। নামঘৰৰ চৌহদৰ পৰা ওলাই যাব খোজা মানুহজনী আকৌ সোমাই আহিল। আইসকলে নামলোৱা ঠাইখিনিতে তাই ব'লহি, বৰষুণত তিতি তাই জুৰুলি-জুপুৰি হ'ল। এইবাৰ নামঘৰৰ টিঙৰ চালত কটং কটংকৈ শব্দ হ'বলৈ ধৰিলে। গোল নেমু একোটামান শিলে দৈৱকীক হানিবলৈ লাগিল। নামঘৰৰ মণিকূটতহে তলা লগোৱা থাকে, নামলোৱা ঘৰটো খোলাই থাকে। দৈৱকীয়ে নামঘৰৰ দুৱাৰত ধৰি অলপ সময় বৈ থাকিল। শিল-বৰষুণৰ আঘাত আৰু তাই সহ্য কৰিব পৰা নাই। তাই ভিতৰলৈ সোমাই গ'ল। এখোজ সোমাই তাই আকৌ ওলাই আহিল। আকৌ শিল-বৰষুণে তাইক থেকেচি পেলালে। ভাগৰুৱা দেহাটোৱে আৰু সহিব নোৱাৰিলে। তাই লাহে লাহে নামঘৰৰ ভিতৰলৈ সোমাই গ'ল।

নামঘৰৰ ভিতৰত বৰষুণ নাই, কেৱল এজাক গা জুৰ পেলোৱা শীতল বতাহ। তিতা কাপোৰ সাজত বতাহ লাগি তাইৰ গাটো জিকাৰ খাই উঠিল। গাৰ কাপোৰ সাজ তাই টানকৈ চেপি পেলালে। কেঁচা মাছৰ গোন্ধ এটা গোটেইখনতে বিয়পি পৰিল। মণিকূটৰ ভিতৰত যেন তাই শুনিবলৈ পালে সেই সৰ্ সৰ্ শব্দটো। সেইজনাই তেনেহ'লে তাইকে বিচাৰি ফুৰিছে। তাই একেথৰে মণিকূটটোলৈ চালে, লোহাৰ জালিত এটা প্ৰকাণ্ড তলা। জালিৰ ভিতৰেৰে তাইৰ চকুত পৰিল থাপনাৰ ফুলাম গামোচা। গছাটোত এতিয়াও দুগছ চাকি জ্বলি আছে, আবেলিতে জ্বলাই থোৱা আছিল চাগে। দুটা জোনাকীহেন পোহৰত তাই দেখিলে থাপনাৰ ফুলাম গামোচা জুৰি আছে সোণ আৰু ৰূপৰ বিভিন্ন আকৃতিৰ ফুল। তাই মণিকূটৰ ফালে চাই এবাৰ আঁঠু ল'লে। মণিকূটৰ বাহিৰৰ ভেটিটোত এগছি চাকি জ্বলি আছিল, হঠাৎ নুমাই গ'ল। নামঘৰৰ একোণত থকা ডবাটোত টিঙৰ ওপৰৰ পৰা কিবা এটা জাঁপ মাৰি পৰিল, এটা সৰু শব্দ হ'ল। দৈৱকীৰ গাটো কঁপি উঠিল। নামঘৰৰ ডবাটোৰ কাষত যেন তাই আকৌ শুনিবলৈ পালে সেইজনা চলা-ফিৰা কৰাৰ শব্দ। জান-নেজান ধূপ-ধূনাৰ গোন্ধ, মিঠাতেল আৰু কপাহৰ শলিতাৰ গোন্ধ, নিকাকৈ মচি থোৱা নামঘৰৰ মজিয়াৰ গোন্ধৰ লগত মিলি থকা মাহ-প্ৰসাদৰ গোন্ধ —আটাইবোৰ গোন্ধ চেৰাই নামঘৰটোত বিয়পি পৰিছে কাঢ়া কেঁচা মাছৰ গোন্ধটো। সদায় মাছ অনা-নিয়া কৰা পাচিটোত বৰষুণ পৰি মাছৰ গোন্ধটো ক্ৰমে ক্ৰমে বাঢ়ি গৈছে। দৈৱকীৰ বুকুখন ধৰ্ফৰাই উঠিল। এয়া তাই কি কৰিলে? তগৰ ফুলৰ দৰে বগা, সুগন্ধি মানুহকেইজনীকো সোমাবলৈ নিষেধ কৰা বৰ নামঘৰত তাই মাছৰ গোন্ধ সানি দিলে। নিমখ পৰা মাগুৰ মাছ এটাৰ দৰে দৈৱকী চট্ফটাই উঠিল। তাইৰ মূৰটো কিবা কৰি আহিছে। সেই কাউৰী-পুৱাতে পইতা দুটামান মুখত দি ওলাই অহা দৈৱকীৰ পেটটো পকাবলৈ ধৰিলে, নাৰী-ভূৰুবোৰ যেন ওলাই আহিব। তাই হক্হকাই বমি কৰি দিলে। চাদৰখনেৰে তাই বিজল বিজল, টেঙা টেঙা গোন্ধোৱা বমিখিনি মজিয়াৰ পৰা টুকি পেলালে। বিজলুৱা বমিৰে তিতি থোৱা চাদৰখন চাবলৈ তাইৰ ভয় লাগিল। এইবোৰ তেজ, চেঁকুৰা-চেঁকুৰ তেজ। হয়, এইবোৰ তেজেই। তাই লাহেকৈ নামঘৰৰ মজিয়াত গাটো পেলাই দিলে। তাই অৰ্ধচেতন মনটোত সৰ্সৰাই থাকিল দীঘলীয়াডাল, চলপ্ চলপ্ কৰি থাকিল চলন্ত শেলুৰে ধৰা

কাছজনী, ভাহি থাকিল সোণৰ নাওখন। এটা সময়ত চব অস্পষ্ট হৈ গ'ল। মাত্ৰ চেঁকুৰা-চেঁকুৰ তেজ, বিজল বিজল তেজত ডুব যোৱা চাদৰ এখন গোটেইখন বহল হৈ মেল খাই গ'ল।

"উশাহ লৈ আছে।"

"লৰচৰ কৰিছে, লৰচৰ কৰিছে।"

"মৰা নাই, নাই মৰা।"

"উঠি বহিছেহে, মানুহজনী উঠি বহিছে।"

এজাক মাইকী মানুহৰ হুলস্থূলত দৈৱকী উঠি বহিল। চকুহাল মোহাৰি তাই কেউফালে চালে, তাই দেখোন বৰ নামঘৰৰ ভিতৰত বহি আছে। বাহিৰত এজাক তিৰোতা মানুহ। শিলবোৰ, তাইক ঠনৰ ঠনৰকৈ কোবোৱা শিলবোৰ নাই। তেজেৰে তিতা চাদৰখন? তাই গাৰ অসাধন চাদৰখনলৈ চালে, ঠায়ে ঠায়ে কৰাল মৰা বমিৰ হালধীয়া দাগ। সোণৰ নাওখন? বৰ কাছকিজনী? সব্ সব্ শব্দ কৰি ঘূৰি ফুৰা দীঘলীয়া ডাল? নুমাও নুমাও কৰি থকা চাকিৰ পোহৰত জিলিকি থকা সোণৰ ফুল, ৰূপৰ ফুলকিপাহ? তাই চকুহাল মোহাৰি মণিকূটৰ ভিতৰলৈ চালে। সোণ-ৰূপৰ ফুলবোৰ, গছাটো, কাঁহৰ বৰ বৰ শৰাইবোৰ দিনৰ পোহৰত ফটফটীয়া হৈ উজলি উঠিছে। দৈৱকীয়ে মণিকূটৰ ফালে চাই এবাৰ আঁঠু ল'লে, তাৰ পিছত গাৰ চাদৰখন ঠিক কৰি নামঘৰৰ পৰা ওলাই আহিল। তাইৰ মূৰটো আচন্দ্ৰাই কৰিছে। থৰক-বৰক খোজেৰে আইসকলে নাম লোৱা ঠাইকণত দৈৱকী ধপচ্‌কৈ বহি পৰিল।

"এইজনী দেখোন দৈৱকী পোহাৰী!" আঁহতৰ তলত বৈ থকা সেন্দূৰী পুঠিহেন ধুনীয়া মানুহকিজনীৰ এজনীয়ে মাত লগালে। আইসকলে আজি পুৱাবেলাতে নাম-প্ৰসংগ কৰিবলৈ আহিছিল। পিছবেলা মুনিহসকলৰ নামঘৰত মেল আছে। নাম ধৰাৰ আগতে আইসকলে নিৰ্ধাৰিত ঠাইখিনিত মণিকূটলৈ চাই সেৱা ল'ব খোজোঁতেই হাঐ-বিঐ লাগিল। মণিকূটৰ পৰা অলপ দূৰৈত মানুহ এজনী পৰি আছে। নামঘৰীয়া অলপ দূৰৈত থাকে, আহি পাওঁতে পলম হয়। আইসকলে তিৰী জনম লৈনো কেনেকৈ নামঘৰৰ ভিতৰত ভৰি দিয়ে? নামঘৰীয়াক খবৰ দিয়া হ'ল। খন্তেকতে খবৰটো বজনজনাই গ'ল। পবিত্ৰ, জাগ্ৰত বৰ নামঘৰৰ ভিতৰত এজনী ডুমুনী তিৰী সোমাই আছে। বাইজ হিলদল ভাঙি বৰ নামঘৰৰ পিনে আহিবলৈ ধৰিলে।

সঁচাকৈয়ে এজনী ডুমুনী তিৰোতা নামঘৰৰ দুৱাৰমুখত আঁঠুত মূৰ গুজি বহি আছে।

"এইজনী পোহাৰীৰ পৰা মই প্ৰায়ে মাছ লওঁ।"

"তাই সৌখন গাঁৱতে থাকে।" কোনোবাই নদীৰ সিপাৰৰ, দলঙৰ সিমূৰৰ গাঁওখনলৈ আঙুলিয়ালে।

তাই নামঘৰ কেনেকৈ সোমালহি? বহুকেইজনে বিভিন্ন ধৰণেৰে একেটা প্ৰশ্নকেই কৰি থাকিল।

"দেশত জুই নজ্বলি কি হ'ব? ডুমুনী তিৰী ভগৱানৰ পবিত্ৰ ধামত সোমাল।" কোনোবা এজনে ডাঙৰ ডাঙৰ মাতেৰে চিঞৰি উঠিল।

"অনৰ্থ হ'ব, দেশত আৰু জুই জ্বলিব।" বুঢ়া বনমালী শৰ্মাই বুকু চপৰিয়াই উঠিল।

"আমাৰ পাটীৰ তিৰোতাকো ভৰি দিবলৈ নিদিয়া পবিত্ৰ ধামত তই ডুমুনী বেটীয়ে...।" কৃষ্ণ মহন্তই থোহথোহাই উঠিল।

"তিৰীৰ চুৱা দেহা লৈ তোৰ নামঘৰত সোমাবলৈ ভয় নালাগিল?" সঁচাকৈয়ে বৰুৱানীৰ মাতষাৰ এক অদ্ভুত ভয়ত কঁপি উঠিল।

"মৰিব, তাই তেজ বতিয়াই মৰিব" শইকীয়ানীয়ে আঙুলি ফুটাই ফুটাই শাও দিলে।

দৈৱকী দুই আঁঠুত হাতেৰে ভৰ দি উঠিব খুজি আকৌ বহি পৰিল। মূৰটো ঘূৰাই আহিল। তাইৰ লঘোণীয়া পেটত পিত্ত উজাৰ খাই আহিছে। এহাতেৰে কপালখনত ধৰি তাই বমি কৰি দিলে। দুৰ্গন্ধময়, হালধীয়া বমিৰে ঠাইখিনি তিতি গ'ল। বমিখিনি ওলাই যোৱাৰ পিছত পেটৰ হুনা-খোঁচাটো বন্ধ হ'ল, তাইৰ গাটো অলপ পাতল পাতল লাগিল। তাই এইবাৰ থিয় হ'ল। ৰাইজলৈ চাই হাতযোৰকৈ তাই কিবা এটা ক'ব খুজিলে, "মিলটেৰী, শিল বৰষুণ...।" তাই উঠোতে মেখেলাৰ খোঁচনাৰ পৰাৰ এখন এশ টকাৰ, এখন পঞ্চাশ টকাৰ, কেইখনমান দহ টকাৰ নোট সৰি পৰিল।

"ইমানবোৰ পইছা তাই ক'ত পালে?" গোটেই জীৱনটোত নিজ ইচ্ছাৰে টকা এশ খৰচ কৰি নোপোৱা, টকা এটাও আৰ্জি নোপোৱা মহন্তনীয়ে চিঞৰ মাৰি উঠিল।

"এই নিশ্চয় চুৰ কৰি আহি নামঘৰত সোমাইছিলহি।"

"কোনে জানে নামঘৰৰ সোণৰ ফুল, ৰূপৰ ফুল ...।"

"চাওকহে নামঘৰীয়া, কিবা নাইকিয়া হৈছে নেকি?"

"এইবোৰ চোট জাতৰ কি সজাত আছে? কিবা মতলব লৈ তাই নামঘৰত সোমাইছিলহি?"

মানুহজাকে দম্‌দমাই উঠিল। দৈৱকীয়ে টকাখিনি বুটলি লৈছে।

"আইসকলে চাওকহে গা-মূৰ পিটিকি, ক'ত কি লুই থৈছে।" কোনোবা এজনে অলপ কৌতুকৰ সুৰত কথাষাৰ কৈছে। সন্মিলিত হাঁহিৰ শব্দ এটা উঠি আহিল।

থিয়দণ্ডা দি থকা দৈৱকীৰ অসাথন চাদৰ-মেখেলাৰ মাজেৰে ওলাই থকা পুৰঠ মাগুৰ মাছ হেন ভৰপূৰ ক'লা গাটো মতাবোৰে চকুৰে চেলেকি পেলাইছে। তাঁতশালৰ ছিৰি হেন চেপেটী বৰুৱানীয়ে হঠাৎ দেখিলে গিৰিয়েকে পলক নেপেলোৱাকৈ দৈৱকীৰ ব্লাউজ নোহোৱা ভৰপূৰ গাটোলৈ চাই আছে। বৰুৱানীয়ে উফাল মাৰি গৈ দৈৱকীৰ চুলিকোছা ঘটালি পেলালে, "শাখা-সেন্দূৰ নোহোৱা মাইকীৰ কি সজাত আছে? কোন বা পৈয়েকক লৈ তাই ইয়াত সোমাইছিলহি।"

"এৰাতো, তাই যি মতলবতে আহক, লগত কোনোবা নিশ্চয় আছিল।"

"কোন আছিল তোৰ লগত?"

"ক'লৈ গ'ল সি?"

গালিবোৰে নেমুটেঙামান শিলবোৰতকৈয়ো বেছি জোৰেৰে আঘাত কৰিছে দৈৱকীক। মুখৰা ডুমুনী তিৰোতাজনীও চুপ হৈ গৈছে। হঠাৎ তাই নামঘৰৰ দুৱাৰমুখৰ বাঁহৰ দলংখনত এটা সৰু ক'লা ল'ৰা দেখিলে। টান টান হাত-ভৰিৰে ল'ৰাটো দেখি তাইৰ বুকুখন ফাটি যাব যেন লাগিল। সকলোৰে কৈ থাকে ই একেবাৰে বাপেকৰ চেহেৰাকে পাইছে। ল'ৰাটোৱে তাইলৈ এবাৰ চাই দলংখনেদি দৌৰ মাৰিলে।

কোনোবা এজনীয়ে এহাতেৰে নাকটো ধৰি, আনখন হাতেৰে পাচিটোত থকা চাউল, আলুৰ টোপোলাটো পিটিকি চাইছে, "কি আছে ইয়াত ?" দৈৱকীৰ মুখটো ভম্‌ভমাই আহিল। দৈৱকী পোহাৰীক ইহঁতে চোৰ বুলিছে, তাইৰ খাটনিৰ পইছাক চুৰিৰ পইছা বুলিছে, কাণী বুঢ়ীজনীলৈ অনা আলুগুটিকিটাও চুৰিৰ বস্তু বুলিছে! ধৰিবলৈ হাত মেলা মাগুৰ মাছে গাৰ কাঁইটকেইডাল মেলি ধৰাৰ দৰে তাই হাত দুখন মেলি দিলে, তাইৰ ক'লা গাটোত শিঙি মাছৰ বিষ। তাই চাউলৰ টোপোলাটো পিটিকি থকা মানুহজনীক হাতেৰে ঠেলা মাৰি আঁতৰাই দিলে। দৈৱকীয়ে যেন বতাহত এটা চিনাকি গোন্ধ পালে। মানুহবোৰে উভতি উভতি দলংখনলৈ চাইছে। ক'লা দেহাবোৰ ৰ'দত জিলিকাই এজুম মানুহ কোবা-কুবিকৈ দলংখনেদি বৰ নামঘৰৰ পিনে আহি আছে। এবাহ গঁৰৈ মাছৰ পোনাৰ দৰে মানুহজাক থোপা বান্ধি আহিছে। দৈৱকীয়ে এবাৰ সেইফালে চালে, তাৰ পিছত পৰিচিত ভংগিমাৰে উৰুত চাপৰ মাৰি উঠিল ঃ "হয়, মই তিৰী, মই বিধুতি হওঁ, মই পেটত পোৱালি ধৰিছোঁ। মই ডুমুনী, মই মাছ মাৰি খাওঁ। মই বৰ নামঘৰত সোমাই পাপ কৰিছোঁ। কিন্তু মই চোৰ নহওঁ, যোৱা ৰাতি মিলটেৰীৰ ভয়ত, শিল বৰষুণত... ।" তাইৰ কথাষাৰ শেষ হ'বলৈ নাপালে। কেউফালৰ পৰা চৰ-চাপৰ আহি তাইৰ গাত পৰিলহি। মেলি দিয়া ধানত তাইৰ ছাঁটো পৰিলেও খেংখেঙাই উঠা মানুহজাকৰ গাৰ ছাঁত তাই লুকাই পৰিল। মা মাকৈ চিঞৰি ক'লা থাওকাল চেহেৰাৰ সৰু ল'ৰা এটা নামঘৰলৈ সোমাই আহিল। কোনোবাই তাকো গতা এটা মাৰিলে। মানুহ জুমৰ মাজৰ আন্ধাৰৰ পৰা দৈৱকীয়ে গগন বিদাৰি যোৱা চিঞৰ এটা মাৰে, "মোক মাৰি নেপেলাবি ঐ ... কাণী বুঢ়ীৰে সৈতে মোৰ ল'ছালিকিটা... !" চিঞৰটো গৈ বৰ নামঘৰৰ দুৱাৰমুখৰ দলংখনত বৈ থকা ক'লা মানুহজাকৰ মাজত গঁৰৈ মাছৰ পোনা এবাহত বৰশী পৰাদি পৰিলগৈ। মানুহজাক জাকি মাৰি উঠিল। চেপাৰ পৰা বাকি দিয়া কাৰৈ টিলিকা এগালৰ দৰে মানুহজাক পিল্‌পিলকৈ তিনি পুৰুষতো ভৰি নিদিয়া বৰ নামঘৰৰ ভিতৰলৈ সোমাই আহিল। কাণী বুঢ়ীয়ে আৰ গাত ধৰি, তাৰ গাত ধৰি খেপিয়াই খেপিয়াই দৈৱকীৰ চিঞৰটোৰ ফালে আগবাঢ়ি আহিছে ঃ "দৈৱকী ঐ! তোক কোনে কি কৰে চাওঁ। তই মোৰে পোৰ লগৰ পো। এই কাণী বুঢ়ীয়ে গাভৰু কালত পলৰ একে চাবতে এটা এটা পকা বৌ বখাই দিছিলে। বুঢ়ী মৰা নাই ঐ দৈৱকী!"



জয়ন্ত কুমার চক্রবর্তী

সূর্যাস্তত স্নান

পুবুবী পাবব প্রার্থনা

সূৰ্যাস্তত স্নান

হেঁপাই-ফোঁপাই পাহাৰখন বগাই ওপৰৰ সমতল ভূমিত থিয় দি ডেকাজনে পিছলৈ ঘূৰি চালে। চহৰখন, চহৰৰ মানুহবোৰ এতিয়া তাৰ ভৰিৰ বহু তলত। চহৰৰ বাস্তাৰে দপ্‌দপাই দৌৰি ফুৰা গাড়ীবোৰো সৰু পৰুৱা যেনহে লাগিছে। ডেকাজন ঘূৰিল। তাৰ সোঁৱে-বাওঁৱে এলানি ওখ-চাপৰ বিস্তৃত পাহাৰ। পাহাৰৰ নামনিত গাত গা লগাই বৈ গৈছে বিশাল লুইত। লুইতৰ সিপাৰেও সৰু-ডাঙৰ শাৰী শাৰী পাহাৰ।

ঠাইখিনিৰ প্ৰাকৃতিক সৌন্দৰ্যই ডেকাজনক মন্ত্ৰমুগ্ধ কৰি তুলিলে। কিন্তু পিছ মুহূৰ্ততে সি সজাগ হৈ উঠিল। প্ৰাকৃতিক সৌন্দৰ্য চাবলৈ সি এই পাহাৰ চূড়াত উঠা নাই। মনটো দৃঢ় কৰি কেইখোজমান আগুৱাই গৈ সি থিয় গৰাটোৰ তললৈ জুমি চালে। লগে লগে বিজুলী চমকৰ দৰে শীতল শিহৰণ এটা তাৰ মূৰৰ পৰা ভৰিৰ তললৈ বৈ গ'ল। গছৰ ঠানিবোৰে লুইতৰ পানীয়ে খুন্দিয়াই থকা পাহাৰৰ শিলাময় তলিখন ঢাকি ৰাখিলেও পাহাৰ চূড়াৰ পৰা তলিৰ গভীৰতা অনুমান কৰি যেন সি সন্তুষ্ট হ'ল। হঠাতে সি উপলব্ধি কৰিলে জীৱনৰ নাটৰ সি অন্তিম দৃশ্যত উপনীত হৈছে। কথাটো মনলৈ অহাৰ লগে লগে সি আবেগিক হৈ পৰিল। আবেগিকভাৱেই এসময়ত সি চিঞৰি উঠিল— হে আকাশ, হে পৃথিৱী বিদায়, চিৰবিদায়।

ডেকাজন দুখোজ পিছুৱাই আহিল। তাৰপিছত এখোজ আগুৱাই গ'ল। পুনৰ কিবা ভাবি দুখোজ পিছুৱাই আহিল। সি যেন ঠিক কৰিব পৰা নাই কেনেকৈ তললৈ জাঁপটো মাৰিব।

"জাঁপটো দীঘলকৈ মাৰিবা। নহ'লে ত্ৰিশংকু হৈ শূন্যতে ওলমি ৰ'বা।"

আচম্বিতে কোনোবাই কৈ উঠা কথাষাৰ শুনি ডেকাজন উচপ খাই উঠিল। কোনে ক'লে কথাষাৰ? কোনে ক'লে? সি ইফালে সিফালে চালে। গৰাটোৰ বাওঁকাষে কিছু নামনিত অকণমান সমতল ভূমি। তাত থকা গছ এজোপাৰ তলতেই সি মানুহ এজনক বহি থকা যেন দেখিলে। কোন হ'ব পাৰে মানুহজন? মানুহজনক চাবলৈ ডেকাজনৰ ইচ্ছা জাগিল। কিন্তু তালৈ যোৱা যায় কেনেকৈ?

ডেকাজন অহা বাটে কিছুদূৰ নামি আহিল। তাৰপাছত সি বাওঁফালে গৰাটোৰ কাষে কাষে আগুবাই যাবলৈ ধৰিলে।

ঃ আপুনি মোক কিবা কৈছিল? — গছৰ গুৰিত কাগজ-কলম হাতত লৈ লুইতলৈ চাই কিবা ভাবি বহি থকা মানুহজনক ডেকাজনে প্ৰশ্ন কৰিলে।

ঃ এৰা মই কৈছিলোঁ মৰিবলৈ জাঁপ দিব খুজিছাই যেতিয়া দীঘলকৈ জাঁপ দিবা। নহ'লে গছৰ ডালত লাগি ৰাতিটো ওলমি থাকিবা, আৰু বাদুলীবোৰেও তোমাক সিহঁতৰ লগৰে বুলি ভাবিব।

ঃ আপুনি কি মোৰ মৃত্যুক লৈ ধেমালি কৰিব খুজিছে?

ঃ নাই কৰা। — মিচিকিয়াই হাঁহি মানুহজনে কৈ উঠিল। — মই তোমাৰ মৃত্যুক লৈ ধেমালি কৰিব খোজা নাই। তুমিহে তোমাৰ জীৱনক লৈ ধেমালি কৰিছা।

ঃ মই ধেমালি কৰিছোঁ? আপুনি ক'ব খুজিছে কি? — ডেকাজনৰ মাতত উষ্মা।

ঃ মৰিবলৈ যদি তোমাৰ লৰালৰি নাই অকণমান মোৰ কাষতে বহা। কিছু পিছতেই সূৰ্যাস্ত হ'ব। লুইতৰ বুকুত সূৰ্যাস্তৰ অপৰূপ দৃশ্য চাই যাবা।

ঃ নাই মই নবহোঁ। আপুনি মোৰ প্ৰশ্নৰ উত্তৰ দিয়ক। মই কি ধেমালি কৰিছোঁ।

মানুহজনে কিছুসময় ডেকাজনৰ হাবভাব লক্ষ্য কৰিলে। তাৰ পিছত কাগজ-কলম মাটিত থৈ আড্ডা মৰাৰ ভঙ্গীত বহি ক'লে— 'শোলে নামৰ হিন্দী ছবিখন চাইছানে? তাত গব্বৰ সিং নামৰ ডকাইতজনৰ মুখত এটা সংলাপ দিয়া হৈছিল। 'যো ডৰ গয়া, চমঝ লো বহ মৰ গয়া'।

ঃ তাতে কি হ'ল ? ডেকাজনৰ প্ৰশ্ন।

ঃ একো হোৱা নাই। যি ডৰি যায় মানে যিজনে ভয় খায় সি মৰি যায়। তুমিও ভয় খাইছা সেই কাৰণে মৰিবলৈ ওলাইছা।

ঃ মই ভয় খোৱা নাই। — ডেকাজনে গৰজি উঠিল। মানুহক মৰিবলৈও সাহস লাগে।

ঃ হয়, মৰিবলৈ সাহস লাগে; কিন্তু আত্মহত্যা কৰিবলৈ সাহস প্ৰয়োজন নহয়। অলপ বলিয়ালি, অলপ বুৰ্বকামি হ'লেই যথেষ্ট। খন্তেকৰ বাবে তুমি মগজুটো অচল কৰি এই পাহাৰৰ চূড়াৰ পৰা জাঁপ দিলা। ইয়াত আৰু কি সাহসৰ প্ৰয়োজন? সাহস লাগে জীৱনটো মানুহৰ দৰে উচ্ছশিৰে জীয়াই থাকিবলৈ।

ঃ কিন্তু মানুহৰ দৰে জীয়াই থাকিব লাগে কিয়? মানুহৰ দৰে জীয়াই থাকিলে কি হয়?

ডেকাজনৰ প্ৰশ্নটো শুনি মানুহজন থমকি ৰ'ল। কিছু সময় কিবা ভাবি তেওঁ ক'লে— প্ৰশ্নটো ভাল, কিন্তু ইয়াৰ অতি সৰল উত্তৰটো হ'ল তুমি মানুহ হৈ জন্ম লাভ কৰিছা। গতিকে মানুহ হৈ জীয়াই থাকিব লাগিব। আৰু মানুহে পণ কৰিলে বহু কিবাকিবিয়েই কৰিব পাৰে। বহু কিবাকিবি হ'ব পাৰে।

এইবাৰ ডেকাজন নীৰৱ হৈ পৰিল। বহু কথা, বহু প্ৰশ্নই তাৰ মনত বা-মাৰলীৰ সৃষ্টি কৰিবলৈ ধৰিলে। ওঁঠ দুটা চেপি অস্থিৰভাৱে সি সৰু ঠাইডোখৰতে পায়চাৰি কৰিবলৈ ধৰিলে। সি অনুভৱ কৰিলে তাৰ মনত যেন গৰাখহনীয়া আৰম্ভ হৈছে। তাৰ চিন্তাবোৰ যেন ক্ৰমাৎ আউল লাগিবলৈ ধৰিছে। এই মানুহজনে মাত নিদিয়াহেঁতেন এতিয়ালৈ এই পৃথিৱীত তাৰ অস্তিত্ব থাকিলেহেঁতেন নে? কিন্তু মানুহজন কোন? তেওঁৰ কথাবোৰ অইন মানুহতকৈ বেলেগ যেন লগা নাইনে? আৰু সেই কাগজবোৰত তেওঁ লিখিছেই বা কি?

ডেকাজন মানুহজনৰ কাষ চাপি আহিল। কাগজত লিখা আখৰবোৰ থিয়ে থিয়ে পঢ়িব নোৱাৰি কাগজ কেইখিলাৰ কাষতে বহি দিলে। তাক বহা দেখি মানুহজনে লৰালৰিকৈ কাগজকেইখিলা সামৰি ল'লে। মানুহজনৰ আচৰণত ডেকাজন ক্ৰুদ্ধ-লজ্জিত হৈ পৰিল। তাৰ মুখৰ পৰা অশ্লীল শব্দ এটা প্ৰায় ওলাই আহিছিলেই, কিন্তু তাৰ আগতেই মানুহজনে কৈ উঠিল — এইবোৰ কবিতা। তুমি ইয়াৰ মাথা-মুণ্ড একো বুজি নাপাবা।

ঃ কিয় বুজি নাপাম? — ডেকাজনে চিঞৰি উঠিল। — আপুনি নাজানিব পাৰে কিন্তু ময়ো এজন কবি।

ঃ কবি! — এইবাৰ মানুহজন আচৰিত হৈ পৰিল। — মইতো জানিছিলোঁ কবিয়ে জীৱন দিয়ে, পোহৰ দিয়ে। সৰ্বদ্ৰষ্টা, ভগৱানৰ দ্বিতীয় ৰূপ। কিন্তু কবি হৈ তুমি আত্মহত্যা...

ডেকাজনৰ সকলো খং, সকলো অভিমান নিমিষতে নাইকিয়া হৈ গ'ল। লাজত সি তলমূৰ কৰিলে। আৰু তলমূৰ কৰিয়েই কিছু পিছত কওঁ-নকওঁকৈ সি ক'বলৈ ধৰিলে — যোৱা বছৰ মোৰ কবিতা পুথি এখন প্ৰকাশ হৈছিল। পুথিখন মই অসমৰ প্ৰায়বোৰ কবি-সমালোচকলৈ পঠাইছিলোঁ। ভাবিছিলোঁ দোষ-গুণবোৰ আঙুলিয়াই তেওঁলোকে মোক উপকৃত কৰিব। এবছৰ পাৰ হৈ গ'ল; কিন্তু কোনো এজনেও কিতাপখনৰ সমালোচনা এটাতো নিলিখিলেই, কিতাপখনৰ প্ৰাপ্তিও স্বীকাৰ নকৰিলে।

ঃ সেইবাবেই তুমি আত্মহত্যা কৰিব খুজিছিলা। ছিঃ ছিঃ ছিঃ।

ঃ সেইবাবে মই আত্মহত্যা কৰিব খোজা নাছিলোঁ।— ডেকাজন বহাৰ পৰা জাঁপ মাৰি উঠিল। খঙত তাৰ ওঁঠযোৰ কঁপিবলৈ ধৰিলে। — মই অইন কথাৰ বাবে ... কিন্তু সেই কথা মই আপোনাক ক'ম কিয়? আপোনাৰ পৰা মই কোনো সহানুভূতি নিবিচাৰোঁ।

বজা পৰি যোৱা ডেকাজনৰ মুখলৈ কিছু সময় একেথৰে চাই থাকি মানুহজনে ক'লে — তোমাৰ খং দেখি মোৰ ভাল লাগিছে। মানুহৰ খং থাকিব লাগে। কিন্তু তোমাৰ খংটো বোধহয় উচিত কামত ব্যৱহাৰ হোৱা নাই। ...আৰু এটা কথা, আত্মহত্যা কৰা বা কৰিব খোজাজনৰ প্ৰতি মোৰ মনত বিন্দুমাত্ৰও সহানুভূতি নোপজে। তেওঁলোকক মোৰ পুতৌ কৰিবলৈহে মন যায়।

বন্দুকৰ গুলীৰ দৰে মানুহজনে কোৱা শব্দবোৰ গৈ ডেকাজনৰ বুকুত বিন্ধিলে। তাৰ প্ৰবল ইচ্ছা হ'ল মানুহজনক দাঙি নি যেন সি পাহাৰৰ তললৈ পেলাই দিব। পাৰ চৰাইৰ ডিঙি মোচৰাৰ দৰে তাৰ ডিঙিটো মুচৰি দিব। কিন্তু সি জানে, সেই কাম সি কৰিব নোৱাৰে। কৰিব পৰাহেঁতেন কোনোবাদিনাই হয়তো সেই তৰুণীজনীক, হয়তো তাৰ মাক-দেউতাককো .... নাই, নাই। সি এতিয়া সেইবোৰ কথা ভাবিব নোৱাৰে, ভাবিব নোখোজে। জোৰকৈ চিন্তাবোৰ মনৰপৰা আঁতৰোৱাৰ চেষ্টা কৰি মানুহজনলৈ পিঠি দি সি লুইতৰ বহল বুকুত চকু থ'লে।

লুইতৰ বুকুত কেইখনমান সৰু সৰু মাছমৰীয়া নাও। ডেকাজনৰ মন গ'ল সি যেন সেই সৰু নাও এখনতে উঠি বহিব আৰু উদ্দেশ্যবিহীনভাৱে লুইতৰ সোঁতে-সোঁতে উটি-ভাহি যাব। কিন্তু লুইত জানো উদ্দেশ্যহীনভাৱে বয়? মাছমৰীয়াবোৰেই বা এই ভৰা লুইতত সৰু সৰু নাৱেৰে মাছ মাৰিবলৈ সাহস পায় ক'ত? জীয়াই থকাৰ তাড়নাই সিহঁতক সাহস নিদিয়েনে? এই মানুহজনেও তেতিয়া তেনে এষাৰ কথা কৈছিল। কিন্তু মানুহজন কোন? কোনোবা কবি নেকি? নাম কি? কি কৰিছে তেওঁ ইয়াত? সূৰ্যাস্ত চাবলৈকে ইমান দূৰ পাহাৰ বগাই আহিছেনে? মানুহজনৰ পৰিচয় সুধিবলৈ ডেকাজনে ঘূৰি মুখ মেলিব খোজোঁতেই মানুহজনে আবৃত্তি কৰাৰ দৰে কবিতা এটা পঢ়িবলৈ ধৰিলে।

হ'ব পাৰা তুমি অসীম শক্তিধৰ
কঁপাই তুলিব পাৰা
বহু বীৰ-কাপুৰুষৰ হৃদয় চহৰ
কিন্তু, হে মৃত্যু
পাৰিছানে খহাব তুমি তাৰ এচপৰা মাটি
য'ত থিয় হৈ আছে মানুহ
মানুহৰ হেজাৰ বছৰীয়া কৃষ্টি
পাৰিছানে মচিব তুমি সেই ইতিহাস
পলে পলে যি শুনায়
জীৱনৰ জয়জয়ন্তী
কাণ পাতা
শুনা পদধ্বনি সময়ৰ
তোমাক খৰি দি
জীৱন হৈ উঠিব এদিন
অ জ ৰ-অ ম ৰ

: আপোনাৰ নিজৰ কবিতা? —কাষ চাপি আহি ডেকাজনে প্ৰশ্ন কৰিলে।
: কবিতা হৈছে জানো এইটো?
: হৈছে হৈছে। —ডেকাজন উৎসাহিত হৈ উঠিল।

ঃ তুমি এনে কবিতা এটা লিখিবলৈ ইচ্ছা নকৰানে?

ঃ মই? — ডেকাজন থমকি ৰ'ল। সি তাৰ বাইছ বছৰীয়া জীৱনটোলৈ উভতি চালে। চুকে-কোণে লুকাই থকা দুখ-ক্ষোভবোৰ তাৰ কাষ চাপি আহিল। সি দুখত ডুব গ'ল।

ঃ ব'লা। চাহ একাপ খাই আহোঁ। সূৰ্যাস্তলৈ এতিয়াও বহু বাকী।

ঃ চাহ! —মানুহজনৰ কথা শুনি ডেকাজন আচৰিত হ'ল। —এই পাহাৰৰ চূড়াত চাহ আছেনে?

ঃ আছে ব'লা। নামনিৰ সেই সৰু টিলাটো যে দেখিছা, তাৰ সিটো ফালেই আছে এটা শিলৰ কোৰেৰী। তালৈ সোমাই যোৱা বাটৰ দাঁতিতেই বাই এজনীয়ে চাহ বেচে। মন গ'লে তুমি চাহৰ লগত তাইৰ দেহো চোবাব পাৰিবা।

ডেকাজনে মানুহজনৰ মুখলৈ চালে। মানুহজনৰ ওঁঠৰ কোণত হাঁহি এটা লাগি থাকিব বুলি সি আশা কৰিছিল। কিন্তু নাই, তাত একো নাই। এখন ভাবলেশহীন নিৰ্বিকাৰ মুখ।

ঃ আপোনাৰ নামটো জানিব পাৰোঁনে? —খুব সাৱধানে খোজ পেলাই গৰাটোৰে নামি আহি থাকোঁতে ডেকাজনে প্ৰশ্ন কৰিলে।

ঃ কি হ'ব নামটো জানি?— মানুহজনে ওলোটাই প্ৰশ্ন কৰিলে। —কিছু পিছত তুমি যাবা তোমাৰ বাটে, মই যাম মোৰ বাটে। কোনে কাক মনত ৰাখিব? আৰু কিয়ই বা মনত ৰাখিব?

হঠাৎ ডেকাজনৰ মনত পৰিল তাৰ জেপত এটা পইছাও নাই। চিটি বাছ ষ্টপেজৰ পৰা পাহাৰৰ নামনিলৈ তাক লৈ অহা ৰিক্সাবালাজনকে সি তাৰ জেপত থকা আটাইবোৰ টকা-পইছা দি আহিছিল। মৰিবলৈ পাহাৰৰ চূড়াত উঠাজনে চাহৰ কথা ভাবিব পাৰেনে?

তাৰ কথা শুনি মানুহজনে হাঁহি হাঁহি ক'লে — টকা-পইছাৰ লগতে ৰিক্সাবালাজনক তুমি যদি তোমাৰ কাপোৰযোৰো খুলি দি আহিলাহেঁতেন তোমাৰ অধিক পুণ্য হ'লহেঁতেন। দাতা হিচাপে সিপুৰীত তোমাৰ চাগে কিছু নামো হ'লহেঁতেন।

কেনে মানুহ এইজন বাৰু? — ডেকাজনে ভাবিলে। মানুহজনে কিয় তাক বাৰে বাৰে খোঁচ মাৰিছে? খোঁচ মাৰি কথা কোৱা তেওঁৰ এই স্বভাৱটো নথকাহেঁতেন সি কিজানি তেওঁক তাৰ সকলো কথাকেই ইতিমধ্যে কৈ শুনালেহেঁতেন। মানুহজনক নিজৰ কথা ক'বলৈ গ'লে ক'ৰ পৰা বাৰু আৰম্ভ কৰিব সি? উচ্চ শিক্ষিত ঐশ্বৰ্যবান মাক-দেউতাকৰ পৰা —যিয়ে তাক পঢ়াৰ নামত সৰুৰে পৰা হোষ্টেলে-হোষ্টেলে ঘূৰাই লৈ ফুৰিছে? যাৰ পৰা সঁচা মৰম, সঁচা চেনেহ সি কোনোদিনাই নেপালে। নে সেই ছোৱালীজনীৰ পৰা — যিয়ে তাক ভালপাওঁ বুলি কৈ অইনক দেহ-মন সপি দিছিল? নহয়। নহয়। মাক-দেউতাক আৰু ছোৱালীজনীৰ স্বৰূপ বুজাৰ পিছতো সি মৃত্যুৰ কথা ভবা নাছিল। সেয়ে সি কবিতাক আঁকোৱালি লৈছিল। কিন্তু কবিতায়ো তাক প্ৰেম-

বিশ্বাস-ভালপোৱাৰ পৃথিৱী এখন দিব নোৱাৰিলে।

ঃ এইপিনে আহা। —কেঁকুৰি এটাৰ সমুখত বৈ মানুহজনে তাক মাতিলে। কেঁকুৰিটোৰ কোণতেই এটা খেৰ-বাঁহৰ জৰাজীৰ্ণ পঁজা। পঁজাটোৰ সমুখত এখন বেৰ নোহোৱা চালি। চালিৰ তলৰ এচুকত এটা জুইহীন চৌকা। এটা ক'লা কেট্‌লি। এটা ছাই বৰণীয়া মাটিৰ কলহ। কিছু শুকান গছৰ ডাল-পাত। আৰু দুটা খুঁটাৰ ওপৰত গজাল মাৰি থোৱা এখন আধাভঙা কাঠৰ তক্তা।

ঃ বাই আছানে? চাহ দুকাপ দিয়া।

তক্তাখনত বহি মাত দিয়াৰ লগে লগে ভিতৰৰ পৰা মানুহ এজনীৰ মাত ভাহি আহিল — বহক। লগে লগে এজন সাত-আঠ বছৰীয়া ল'ৰা আৰু এজনী তিনি-চাৰি বছৰীয়া ছোৱালী ওলাই আহিল। ল'ৰাজনৰ কঁকালত যৌনাংগ ওলাই থকা এটা ক'লা পেন্ট। ছোৱালীজনী একেবাৰে ডিগম্বৰী। দুইটাৰ নাকতেই ওলাই আহোঁ আহোঁকৈ থকা একোথোপা শেঙুন। সিহঁতৰ মুখলৈ সৰহ সময় চাই থাকিব নোৱাৰি ডেকাজনে মুখ ঘূৰালে। কিছু পিছতেই বাইজনী ওলাই আহিল।

ঃ বাবুহঁতে ইতা হলি নিমখ চাহ খাবা লাইগ্‌বো। চেনি নাই। কেইদিনমান ধৰি কুবেৰীৰ কামো বন্ধ ৰাইখ্‌ছি নহয়।

ঃ হ'ব দিয়া। আহিছোঁ যেতিয়া তাকেই খাওঁ।

মানুহজনে কোৱাৰ লগে লগে মানুহজনী কামত ব্যস্ত হৈ পৰিল। ডেকাজনে কিছুসময় একেথৰে তাইলৈ চাই থাকিল। মানুহজনীৰ বয়স ত্ৰিছ-বত্ৰিছৰ বেছি নহ'ব। দেহত যৌবন আছে। মিঠা বৰণীয়া, সুগঢ়ী।

ঃ মাই, ইতা আমি কুবেৰীক যাবা লাইগ্‌বো নেকি? — কঁকালৰ পেন্টটো ওপৰলৈ টানি টানি ল'ৰাটোৱে মাকক সুধিলে। মাকে তক্তাত বহি থকা মানুহজনলৈ আঁৰ চকুৰে চাই ক'লে —ইতা নালগেদে।

ডেকাজনৰ পিনে ডিঙিটো মেলি মানুহজনে ফুচফুচাই সুধিলে— ইংগিতটো বুজিলানে?

ডেকাজনৰ কাণ-মূৰ ৰঙা হৈ উঠিল। সি অইনফালে মুখ ঘূৰালে। মানুহজনে একেটা সুৰতেই কৈ গ'ল — পাহাৰৰ চূড়াটোলৈ ইয়াৰপৰা বেছি দূৰ নহয়। তথাপি মানুহজনী কোনোদিনে পোৱালি দুটাক লৈ ওপৰলৈ উঠি যোৱা নাই। কোনোদিনে তাই আত্মঘাতী হোৱাৰ কথা ভবা নাই। তাইৰ গিৰিয়েকো নাই।

বহি বহি ডেকাজনে উচ্‌পিচ্‌ কৰিবলৈ ধৰিলে। কিছু পিছতে প্ৰসংগ সলনি কৰিবলৈকে সি মানুহজনক সুধিলে — আপুনি মৃত্যুৰ পিছত জীৱন থকাৰ কথা বিশ্বাস কৰেনে?

ঃ এবাৰ মৰি জনম লভিলে বিশ্বাস কৰিম।

ঃ ধেমালি নকৰিব। মই চিৰিয়াছলি সুধিছোঁ। আত্মা-পৰমাত্মাৰ কথা আপুনি বিশ্বাস কৰেনে?

ঃ ধৰ্মগ্ৰন্থবোৰে প্ৰতিটো জীৱৰে আত্মা থকা বুলি কয়। — মানুহজনে ক'বলৈ ধৰিলে — মৃত্যুৰ পিছত আত্মাই হেনো দেহ ত্যাগ কৰে আৰু পৰমাত্মাৰ সৈতে মিলি যায়। কিন্তু ইয়াৰ কোনো বৈজ্ঞানিক সত্যতা প্ৰমাণিত হোৱা নাই। আত্মাৰ অস্তিত্বও ধুঁৱলি-কুঁৱলি। কিন্তু তুমি মোক এইবোৰ কথা সুধিছা কেলেই? আত্মা-পৰমাত্মাৰ প্ৰতি আগ্ৰহী হ'বলৈ তোমাৰতো এতিয়াও বয়স হোৱা নাই।

ডেকাজনে একো উত্তৰ নিদিলে। সি নীৰৱে জুই যুৰাই যুৰাই মানুহজনীয়ে চাহ বনাই থকালৈ চাই থাকিল। এসময়ত চাহ আহিল। চাহৰ গিলাছ ওঁঠত লগায়েই ডেকাজনে মুখখন বিকটাই দিলে। তিতা। জীৱনত সি কোনোদিনেই ইমান তিতা চাহ খোৱা নাই। মানুহজনে কিন্তু তাৰ সমুখতেই গোটেই গিলাছ চাহ খাই শেষ কৰিলে।

চাহৰ পইছা দিয়েই মানুহজন ব্যতিব্যস্ত হৈ উঠিল—ব'লা ব'লা। সূৰ্যাস্ত হ'লেই কিজানি।

দুইটাই পুনৰ পাহাৰ বগাবলৈ ধৰিলে। পাহাৰ বগাই থাকোঁতে তালৈ ঘূৰি চাই মানুহজনে সুধিলে —সূৰ্যাস্তৰ পিছতেই তুমি জঁপিয়াই আত্মহত্যা কৰিবা নহয়নে?

মানুহজনৰ কথা শুনি ডেকাজনৰ মূৰত খণ্ডটো পুনৰ টিঙিচকৈ জ্বলি উঠিল।

ঃ মনত ৰাখিবা, আত্মহত্যা কৰিবলৈ বাধা দিয়া বুলি তুমি কিন্তু পিছত অভিযোগ কৰিব নোৱাৰিবা।

কথাখিনি কৈ কৈ মানুহজন তাৰ আগে আগে বেগাই পাহাৰৰ চূড়াটোলৈ উঠি গ'ল। নিজৰ বাবে নহ'লেও এতিয়া এই মানুহজনৰ বাবেই চাগে' সি পাহাৰৰ পৰা জঁপিয়াব লাগিব। —ডেকাজনে ভাবিলে।

তললৈ চাই কঁকাল বেঁকা কৰি গুজুং গুজুঙকৈ ডেকাজন পাহাৰৰ চূড়াত উঠিল। কিন্তু মানুহজন গ'ল ক'লৈ? তাৰ আগে আগেই মানুহজন ইয়ালৈ উঠি অহা নাছিলনে? তেন্তে! ডেকাজনৰ বুকুখন ভয়ত কঁপি উঠিল। মানুহজন তললৈ সৰি পৰা নাইতো? সি তললৈ জুমি চালে। তলিখন আন্ধাৰ। দূৰৈত লুইতৰ বুকুত সূৰ্যটো তেতিয়া লাহে লাহে ডুব যাবলৈ ধৰিছিল। আকাশ-পানীত ৰঙা জুই একুৰা দাউ দাউকৈ জ্বলি উঠিছিল। ডেকাজনৰ বুকুলৈও সেই জুই সম্প্ৰসাৰিত হৈছিল। জুইৰ পোৰণিত সি ছট্‌ফটাই উঠিছিল। দুহাতেৰে মূৰটো চেপি এসময়ত সি মাটিতেই বহি পৰিছিল। আৰু তেতিয়া বতাহে কাগজ এখিলা তাৰ কাষলৈ উৰুৱাই আনিছিল।

ডেকাজনে কাগজখিলা থাঁপ মাৰি বুটলি ল'লে। এটা কবিতা। মানুহজনে পঢ়া সেই কবিতাটোৱেই।

লৰালৰিকৈ উঠি ডেকাজন গৰাটোৰ কাষলৈ গ'ল। সি নামনিৰ গছজোপাৰ গুৰিলৈ চালে। তাৰ ভাব হ'ল তাত যেন মানুহজন বহি আছে। লগে লগে প্ৰায় দৌৰি যোৱাৰ দৰে সি তললৈ নামি গ'ল। শিলৰ মূৰ্তিৰ দৰে মানুহজন গছৰ গুৰিত বহি আছে। মানুহজনৰ চকু-মুখত ডুবন্ত বেলিটোৱে ৰঙা হালধীয়া ৰং সানি দিছে। কিন্তু এইজনেই জানো সি লগ পোৱা মানুহজন? এই মানুহজন আগৰজনতকৈ কিছু বুঢ়া

আৰু — মুখখনো কিছু বেলেগ যেন লগা নাইনে? ডেকাজনৰ সন্দেহ হ'ল।

: আপুনি — সোধোঁ নোসোধোঁকৈ সি মানুহজনক সুধিলে —আপুনি অকণমান আগতে সেই পাহাৰৰ চূড়াটোত মানুহ এজনক দেখা পাইছিলনে? ঠিক আপোনাৰ দৰেই কিন্তু...

: মোৰ দৰে? — তাৰ কথা শুনি মানুহজন যেন আচৰিত হ'ল। কিন্তু কিছু পিছতেই তেওঁৰ মুখত মিচিকিয়া হাঁহি এটা বিৰিঙি উঠিল — অ', তুমি কাৰ কথা সুধিছা মই বুজিছোঁ। কিন্তু তাৰ আত্মা দেখোন কেতিয়াবাই পৰমাত্মাৰ সৈতে বিলীন হৈ গ'ল।

: কি! ডেকাজন যেন সঁচাকৈয়ে পাহাৰৰ পৰা সৰি পৰিল। নিজৰ কাণ দুখনকেই বিশ্বাস কৰিবলৈ সত নগ'ল তাৰ। অলপ আগতে সি সেই মানুহজনৰ সৈতে চাহ খোৱা নাছিলনে? কথা পতা নাছিলনে? পাহাৰ বগোৱা নাছিলনে? তেন্তে এই মানুহজনে কয় কি? মানুহজনে মিছা মতা নাইতো?

: কিন্তু আপুনি ... আপুনি কোন? আপোনাকতো মই কিছু আগলৈকে ইয়াত দেখা নাছিলোঁ।

: মই? — মানুহজনৰ মুখত ৰহস্যময় হাঁহি এটা বিৰিঙি ওলাল। —মই সেই মানুহজনৰ আত্মাই এৰি যোৱা দেহ। আত্মাহীন দেহ। তোমাৰ দেহত আত্মা আছেনে?

পুখুৰীপাৰৰ প্ৰাৰ্থনা

আন্ধাৰৰ ক'লা চাদৰখনে চাৰিওফালে ছানি ধৰাৰ সময়তেই পথাৰৰ মাজৰ পৰিত্যক্ত পুখুৰীটোৰ পাৰত থকা গাঁতটোৰ পৰা বুঢ়া শিয়ালটো ওলাই আহিল। পিছে পিছে শিয়ালনী। ঠেংকেইখন দীঘলকৈ মেলি এণ্ডামুৰি এটা কাঢ়ি গহীন-গম্ভীৰ খোজেৰে শিয়ালটো পুখুৰীৰ ওখ গৰাটোলৈ উঠি গ'ল। অদূৰৰ গাঁওখনত ইতিমধ্যে দুই-এগচি চাকি টিমিকি-টামাককৈ জ্বলি উঠিছে। কাৰৰ পথাৰখনত ল'ৰাবোৰে সজা মেজিবোৰ দেবদাৰু গছৰ দৰে ওচৰা-ওচৰিকৈ শাৰীপাতি থিয় দি আছে। মেজিবোৰৰ ওচৰতে সজা ভেলাঘৰটোত জুই একুৰা ধৰি ল'ৰাবোৰে মৰা আনন্দসূচক কিৰিলি আৰু চিঞৰ-বাখৰবোৰ পুখুৰীপাৰৰ পৰাই শুনা গৈছে।

চাৰিওফালে চকু ফুৰাই 'কে কে হোৱা' বুলি বুঢ়া মুখিয়াল শিয়ালটোৱে তাৰ উপস্থিতি ঘোষণা কৰিলে। লগে লগে অদূৰৰ গাঁওখনত কুকুৰ কেইটামানে ভৌ ভৌকৈ চিঞৰি উঠিল। নিৰাসক্তভাৱে ওখ গৰাটোত বহি বুঢ়া শিয়ালটোৱে আগঠেং এখনেৰে গলধনটো খজুৱাব ধৰিলে। লাহে লাহে জোনৰ পোহৰত চাৰিওফাল উদ্ভাসিত হৈ উঠিল। কিছু পিছতেই কেইবাটাও শিয়াল-শিয়ালনী সিহঁতৰ পো-পোৱালিৰ সৈতে আহি পুখুৰীপাৰত গোট খালেহি। আটাইৰে মনবোৰ আজি আনন্দত থৌকি-বাথৌ। আজি মাঘ বিহুৰ উৰুকা। মানুহবোৰে ভোজ-ভাত খাব। অইন নিশাৰ দৰে শিয়ালবোৰে আজি আৰু গোটেই নিশা চুৰাপাতনিয়ে-চুৰাপাতনিয়ে ঘূৰি ফুৰিব নালাগে। মানুহবোৰৰ সৈতে সিহঁতেও আজি মাংস হাড় চোবাবলৈ পাব। মাক-দেউতাকৰ মুখত কথাটো শুনাৰে পৰা পোৱালি শিয়ালকেইটাও চঞ্চল হৈ উঠিছে। তেতিয়ালৈ সিহঁতে মাক-দেউতাকহঁতক ব্যতিব্যস্ত কৰি তুলিছে। পুখুৰীপাৰত বহি থকা বুঢ়া শিয়ালটোৰ কাষ চপাৰ লগে লগে সেই ছটফটীয়া পোৱালিকেইটাও কিন্তু সংযত হৈ পৰিল। ককাকক সিহঁত বুলিয়েই নহয় মাক-দেউতাক, খুৰাক-খুৰীয়েক আটায়ে সমীহ কৰে।

বুঢ়া শিয়ালটোৰ সমুখত এটলীয়া গৰাটোত শিয়ালবোৰ অৰ্ধচন্দ্ৰকাৰে বহিছে। বুঢ়াই সিহঁতৰ প্ৰত্যেকৰে মুখলৈ চাই সিহঁতৰ খা-খবৰ ল'লে। হঠাতে বুঢ়াই মন কৰিলে

লেঙেৰাৰ ঘৈণীয়েক সভালৈ অহা নাই। — লেঙেৰা, তোৰ ঘৈণীয়েৰ ক'লৈ গ'ল?

ঃ আজি তাই ওলাব নোৱাৰিব, দেউতা। শেতেলিতে কেঁকাই-গোঁথাই পৰি আছে। ৰাতিটোৰ ভিতৰতেই পোৱালি জগিব যেন পাইছোঁ।

কাষতে বহি থকা শিয়ালনীলৈ চাই বুঢ়া খন্তেক মনে মনে থাকিল। তাৰপিছত ক'বলৈ ধৰিলে — বাৰু, আজি আমি আটায়ে এসাজ ভালকৈ খাবলৈ পাম যেন পাইছোঁ। শিয়াল হৈ জন্মিছোঁ যেতিয়া মানুহৰ এৰেহা খাই, চুৰাপাতনি চেলেকি, চুৰ কৰিয়েই আমি চলিব লাগিব। তথাপি আজি মই আটাইকে এষাৰি সাৱধান বাণী শুনোৱা উচিত বুলি ভাবিছোঁ। চোৰ-ডকাইতবোৰৰ উপৰি আজি নিশা ভাল মানুহৰ ল'ৰাবোৰো চোৰ হৈ উঠে। হাঁহ-পাৰ-কুকুৰা, কবি-আলু আনকি বাঁহ-কাঠৰ বেৰবোৰো সিহঁতে চুৰি কৰে। গতিকে মই আটাইকে সাৱধান কৰি দিলোঁ এই চোৰবোৰৰ পৰা আঁতৰত থাকিবলৈ। পোৱালিবোৰকো যেন মাক-দেউতাকবোৰে সকলো সময়তে চকুৰ আগত ৰাখে।

বুঢ়া শিয়ালৰ কথাত শিয়াল সমাজে ভাল ভাল বুলি মূৰ জোকাৰিলে। তাৰপিছত আটাইবোৰ শিয়াল স্ব-স্থানত থিয় হৈ 'কে কে হোৱা', 'অ'কে হোৱা', 'সাজু হোৱা' বুলি সমস্বৰে আৰম্ভণি সংগীতটো গাই নিজ নিজ ভাগে খাদ্যানুসন্ধানত ওলাই গ'ল।

জোনাকৰ সৌন্দর্য পান কৰি বুঢ়া-বুঢ়ী কিছুসময় পুখুৰীপাৰত বহি থাকিল। তাৰপিছত বহাৰ পৰা উঠি বুঢ়ীলৈ চাই বুঢ়া শিয়ালটোৱে ক'লে — তুমি এবাৰ লেঙেৰাৰ ঘৈণীয়েকৰ খবৰ লৈ আহা। মই স্কুলীয়া ল'ৰাটোৰ কাষৰ পৰা আহোঁ। তাৰ পিছত দুয়ো একেলগে আহাৰ বিচাৰি যাম।

ঃ সদায় সন্ধিয়া আপুনিনো কেলেই ল'ৰাটোৰ কাষলৈ যাব লাগে? এদিন নগ'লেও নহয়নে?

ঃ সেয়া তুমি নুবুজিবা, বুজিছা। ল'ৰাটোৱে যিবোৰ সাধু পঢ়ে — ঈচপৰ সাধু, বুঢ়ী আইৰ সাধু আৰু কত যে কিমান সাধু — শুনিলে শুনি থাকিবৰেই মন যায়। সাধুবোৰত আমাৰ কথাও থাকে। আৰু সেইবোৰ নুশুনিলে আমি কেনেকৈ জানিম মানুহবোৰে আমাৰ বিষয়ে কি ভাবে কি নাভাবে!

ঃ হৈছে হৈছে। সেইবোৰ শুনিহে বুজিব লাগেনে? মানুহে আমাক শত্ৰুজ্ঞান কৰাৰ উপৰি চোৰ বুলি ভবাৰ বাহিৰে বেলেগ কিবা বুলি ভাবেনে?

শিয়ালনীৰ জ্ঞান-গাম্ভীৰ্য্যৰ কথা শুনি শিয়ালটো খন্তেক থমকি ৰ'ল। মনে মনে দুখো পালে। পিছে অভ্যাস যে লোভৰ দৰে। এৰো বুলিও এৰিব নোৱাৰি। শিয়ালনীক তাতে এৰি লাহে লাহে শিয়ালটো গৰাটোৰ পৰা নামি আহিল। তাৰ পিছত শিয়াল খোজেৰে পথাৰৰ নির্দিষ্ট সৰু আলিটোৰ ওপৰেৰে বাট বুলিবলৈ ধৰিলে। শিয়ালনীৰ কথা মিছা নহয়। মানুহবোৰে সিহঁতক শত্ৰু বুলিয়েই ভাবে। দেখিলেই ধৰ-ধৰ, মাৰ-মাৰ কৰে। কুকুৰ লগাই দিয়ে। সাধুবোৰত অৱশ্যে শিয়ালক বুদ্ধিমান বুলিয়েই কোৱা হৈছে।

এতিয়ালৈকে সি যিমানবোৰ সাধু শুনিছে তাৰ ভিতৰত সেই ফান্দত পৰা বাঘৰ সাধুটোৱেই তাৰ ভাল লাগিছে আটাইতকৈ বেছি। কথাটো ভবাৰ লগে লগে সাধুটো শিয়ালৰ মনত পৰি গ'ল।

এদিন এটা প্ৰকাণ্ড বাঘ চিকাৰীয়ে পতা ফান্দ এখনত পৰিল। নিশ্চিত মৃত্যুৰ পৰা হাত সাৰিবলৈ ওচৰেৰে যোৱা মানুহ এজনক একো অপকাৰ নকৰোঁ বুলি শপত খাই তাক মোকলাই দিবলৈ অনুনয়-বিনয় কৰিবলৈ ধৰিলে। বাঘৰ কথা বিশ্বাস কৰি মানুহজনে ফান্দৰ দুৱাৰখন খুলি দিলে। মুকলি হৈ বাঘটোৱে মানুহজনক ক'লে, তোক এতিয়া মই খাম। ভয়ত মানুহজন মূৰ্ছকছু যোৱাৰ উপক্ৰম। তথাপি সাহস গোটাই সি বাঘক ক'লে যে বাঘে তাক খাব পাৰিব যদিহে তিনিটা জীৱই বাঘে তাক খোৱাটো উচিত বুলি কয়। বাঘ মান্তি হ'ল।

প্ৰথমতে মানুহজনে ওচৰতে থকা গছজোপাক কথাটো সুধিলে। মানুহে সদায় গছৰ ডাল-পাত ভাঙি-ছিঙি-কাটি অনিষ্ট কৰে। গতিকে বাঘে মানুহজনক খোৱাটো উচিত বুলি গছে মত দিলে। ইয়াৰ পিছত মানুহজনে চৰাই এজনীক কথাটো সুধিলে। মানুহে চৰাইৰ অনিষ্ট কৰে। শিলগুটি দলিয়াই মাৰে, খায়, সজাত ভৰাই থয়। যাহে মানুহটোক খোৱাত চৰাইটোৱেও হয়ভৰ দিলে। এইবাৰ মানুহজনে শিয়াল এটাক কথাটো কৈ শিয়ালৰ মত জানিব বিচাৰিলে। মানুহজনৰ অৱস্থা দেখি শিয়ালৰ মনত দয়া ওপজিল। ইমান ডাঙৰ বাঘটো ফান্দখনতনো কেনেকৈ সোমাই আছিল জানিব বিচৰাত বাঘটোৱে ফান্দত সোমাই দেখুৱাই দিলে। লগে লগে শিয়ালটোৱে ফান্দৰ দুৱাৰখন জপাই দিলে। আৰু এইদৰেই মানুহজনৰ জীৱন ৰক্ষা কৰিলে। সাধু শেষ। এনে সুন্দৰ সাধুবোৰ সকলোৰেপৰা পঢ়া-শুনাৰ পিছতো কিয় যে মানুহে শিয়ালক ভাল চকুৰে চাবলৈ নিশিকিলে বুঢ়া শিয়ালটোৱে বুজি নাপালে।

কথাবোৰ ভাবি ভাবি গৈ থাকোঁতেই সি গাঁৱৰ এমূৰে থকা নিৰ্দিষ্ট বাৰীখন পালেহি। সদায় যোৱাৰ দৰে বাঁহজোপাৰ গুৰিত বৈ ইফালে-সিফালে চাই সি কাণ উনালে। অইন দিনাখন ইয়াৰেপৰা ল'ৰাজনে ডাঙৰ ডাঙৰকৈ পাঠ পঢ়া কাণত পৰে। পিছে আজি দেখোন পঢ়া-শুনাৰ নাম-গোন্ধেই নাই। লাহে লাহে শিয়ালটো ঘৰৰ কাষ চাপি গ'ল। নাই, ল'ৰাজন পঢ়া ঠাইত নাই। ৰান্ধনিঘৰৰ ফালেহে সি কাৰোবাৰ মাত শুনা যেন পালে। এইবাৰ সি সেইপিনে আগুৱালে। তাৰ নাকত কিহবাৰ গোন্ধ এটা লগা যেন লাগিল। ইফালে-সিফালে চাই বেৰৰ জলঙাটোৱে সি ভিতৰলৈ জুমি চালে। হয়, আটাইবোৰ ইয়াতেই। আখলটো আগুৰি আটাইবোৰ বহি আছে। আখলৰ ওপৰত এটা চৰু। বগা চুলিয়া সোপোৰা আইতাজনীয়ে খৰাহিটোৰ পৰা আঙুলিৰ চেপাত অনা বৰা চাউলৰ গুড়িবোৰ চৰুটোত টিপি-টাপি দিছে। লাহে লাহে দেখা গ'ল পূৰ্ণিমাৰ জোনটো যেন সৰু হৈ আকাশৰপৰা চৰুৰ বুকুলৈ নামি আহিছে। আইতাজনীয়ে তাত তিলৰ তুলসী জোপা বহাই দিলে। তুলসীজোপাক সাৱটি চৰুৰ বুকুত সপ্তমীৰ জোনটো জিলিকি উঠিল। কাষত বহি থকা কণমাণি দুটাৰ চকুৰে চকুৰে মৃগ পহুটো চঞ্চলভাৱে

লৰি ফুৰিবলৈ ধৰিলে।

ঃ আইতা হ'ব দে। খাবলৈ দে না।

ঃ ৰচোন ৰ। আগতে গোসাঁইৰ ভাগৰখিনি একাষৰীয়াকৈ থওঁ।

তেনেতে আগফালে চোতালত কাৰোবাৰ মাত শুনা গ'ল। কিছু আঁতৰত বহি আইতাকৰ পিঠা বনোৱা চাই থকা সেই সাধু পঢ়া ল'ৰাটো উঠি গৈ খন্তেকতে ঘূৰি আহিল। তাৰ হাতত এটা পলিথিনৰ টোপোলা।

ঃ মাংস আনিছে। মাংস আনিছে।

কণমানি দুটা আইতাকৰ কাষৰ পৰা উফৰি গৈ মাংসৰ টোপোলাটোত উবুৰি খাই পৰিল। পিছফালে চুপি থকা বুঢ়া শিয়ালৰ জিভাৰে আগেৰে পানীৰ সুঁতি ব'ব ধৰিলে।

ঃ এই নুচুবি নুচুবি। তাৰপৰা উঠ। — বুলি মাকজনী সিটো কোঠাৰ পৰা ঢপলিয়াই আহিল। তথাপি কণমানি দুটাই আঙুলিৰে এবাৰকৈ মাংসখিনি চুই চালে। বৰ কোমল। অনিচ্ছাসত্ত্বেও সিহঁত তাৰপৰা উঠিল আৰু মাক-আইতাকৰ মাজত এনে এটা ঠাইত বহি ল'লে য'ৰপৰা দুইফালে চকু ৰাখিব পাৰি। আইতাকে কণমানি দুটাৰ হাতত এখনকৈ পিঠা তুলি দিলে। সিহঁতৰ চকুবোৰ উজলি উঠিল। লগে লগে সিহঁতে পিঠাত কামোৰ দিলে।

থ্যাট্ থ্যাট্ থ্যাট্। হঠাতে বাহিৰত কিহবাৰ শব্দ শুনা গ'ল। লগে লগে এটা চিএৰ। শিয়ালটোৰ কাণ দুখন থিয় হৈ উঠিল। সেই মুহূৰ্ততে বাঁহৰ দুৱাৰখনত কোনোবাই এটা প্ৰচণ্ড গোৰ মাৰিলে। বেৰৰ জলঙাৰে শিয়ালটোৰ চকুত পৰিল নাক-মুখ ঢকা মানুহ তিনিটা। প্ৰত্যেকৰে হাতত একোটাকৈ বন্দুক। সিহঁতক দেখিয়েই মাকজনীয়ে চিএৰ এটা মাৰিলে। লগে লগে থ্যাট্ থ্যাট্ থ্যাট্। মানুহজনীৰ মুখখন মেল খায়েই থাকিল। একেজাঁপে শিয়ালটো গৈ ওচৰৰ কলগছকেইজোপাৰ আঁৰত লুকাল। থ্যাট্ থ্যাট্ থ্যাট্। থ্যাট্ থ্যাট্ থ্যাট্। থ্যাট্ থ্যাট্ থ্যাট্ থ্যাট্। তাৰ পিছত সকলো নিস্তব্ধ।

খন্তেক পিছত চাৰিওফাল নিতাল মৰাত শিয়ালটো পুনৰ সন্তৰ্পণে আগুৱাই আহিল। আখলৰ চাকিটো নুমাইছে, ভিতৰখন আন্ধাৰ। লাহে লাহে শিয়ালটো চোতাললৈ আগুৱাই গ'ল। চোতালত মানুহ এজন পৰি আছে। ঘৰৰ দুৱাৰখন খোলা। এখুজি-দুখুজিকৈ শিয়ালটো ভিতৰলৈ সোমাই গ'ল। আইতাক, মাক, কণমানি দুটিৰে সৈতে সাধুপঢ়া ল'ৰাজন — যি য'ত যেনেকৈ আছিল তেনেকৈয়ে শুই পৰিছে। কণমানি দুটিৰ হাত আৰু মুখত আধাখোৱা পিঠা। আইতাজনীৰ বগা মূৰটো নুমাই অহা জুইকুৰাৰ কাষতে পৰি আছে। সপ্তমীৰ জোনটো চবৰ বুকুত পুৰি ছাই হ'ব ধৰিছে। সাধুপঢ়া ল'ৰাটো মাকজনীৰ কাষতে শুই আছে। প্ৰত্যেকৰে দেহৰ ওচৰত একোটাকৈ তেজৰ ডোঙা। সিহঁতৰ কাষতে অনাদৃত হৈ পৰি আছে পলিথিনত ভৰোৱা মাংসৰ টোপোলাটো।

হঠাতে দূৰৈত পুনৰ বন্দুকৰ শব্দ শুনা গ'ল। লগে লগে ভয়ার্ত চিৎকাৰ। কন্দা-কন্দি, দৌৰা-দৌৰি। মাংসৰ টোপোলাটো আগ দাঁতেৰে কামুৰি শিয়ালটো দৌৰি ওলাই আহিল। প্ৰথমে বাৰীয়ে বাৰীয়ে, তাৰ পিছত পথাৰে পথাৰে বাট চমু কৰি সি পুখুৰীপাৰ পালেগৈ। নাই, শিয়ালনী তাত নাই। মাংসৰ টোপোলাটো থৈ হেঁপাই-ফোঁপাই জিভাখন মেলি ওখ গৰাটোত বহি শিয়ালটোৱে গাঁওখনলৈ চাই থাকিল। গোটেই গাঁওখন শোকত উথলি উঠিছে। ভেলাঘৰটো নিমাওমাও। সাধুপঢ়া ল'ৰাটোৰ মৃত্যুৱে শিয়ালটোক ভীষণ দুখ দিলে। আজিৰ পৰা সি আৰু সাধু শুনিবলৈ নাপায়।

কিছু পিছত শিয়ালনী আহি ওলাল। গাঁৱত বহুত মানুহ মৰিছে। শিয়ালনীয়ে তাই দেখা-শুনা কথাবোৰ শিয়ালক ক'লে। শিয়ালে তাইক ক'লে তাৰ অভিজ্ঞতা। দুয়ো বেছ কিছুসময় নীৰৱে বহি ৰ'ল। সমুখত পৰি থকা মাংসৰ টোপোলাটো চুবলৈকে কাৰো মন নগ'ল। এসময়ত শিয়ালনীয়ে মুখ মেলিলে — এতিয়া ৰাতিপুৱাৰ আগতে আমি এই ঠাই এৰিব নালাগিব জানো?

ঃ এৰা। ৰাতিপুৱাহে চাগে' মানুহবোৰ শ্মশানলৈ আহিব।

পুখুৰীটোৰ কাষতেই শ্মশানখন। গাঁৱত কোনোবা মৰিলে এই শ্মশানখনতেই জ্বলোৱা হয়। আগতীয়াকৈ কথাটো জানিলে শিয়াল-শিয়ালনীয়ে সিদিনাখনৰ কাৰণে পুখুৰীপাৰৰ গাঁতটো এৰি অইনত থাকেগৈ। নহ'লে দুষ্ট ল'ৰাবোৰে কেতিয়াবা বৰ আমনি কৰে। গাঁতত জুই দিয়ে, পানী ঢালে, গাঁতৰ মুখখন বন্ধ কৰি দিয়াৰ চেষ্টা কৰে।

ঃ তুমি এটা কাম কৰা। তুমি লেঙেৰাৰ ঘৈণীয়েকৰ স'তেই থাকাগৈ। মাংসৰ টোপোলাটোও তাইকে দিবা। ক'বা, মাইকী পোৱালি এটি জন্ম দিবলৈ মই তাইক আশীৰ্বাদ কৰিছোঁ। মই বেতৰ জাৰণিখনতেই থাকিম। এটা দিনৰহে কথা।

শিয়াল-শিয়ালনীয়ে কথা পাতি থাকোঁতেই এটা-দুটাকৈ বাকী শিয়ালবোৰো আহি ওলাল। আটাইৰে আজি অপাৰ আনন্দ। মানুহবোৰে গোটোৱা মাছ-মাংসৰ প্ৰায় গোটেইখিনিয়েই আজি সিহঁতৰ পেটত সোমাইছে। ক'ৰ মানুহ ক'লৈ গৈছে, কোনোৱে ক'ব নোৱাৰে। ঘৰ-দুৱাৰ খোলাকৈ এৰিয়েই মানুহবোৰ পলাইছে। ইয়াৰ পিছত শিয়ালবোৰৰ প্ৰত্যেকেই ক'ত কোনে কিমান কেনেকৈ কি খালে তাৰ বিৱৰণ দিয়াত ব্যস্ত হৈ পৰিল। গোটেই সময়ছোৱা বুঢ়া শিয়ালটো নীৰৱে বহি থাকিল। ৰাতিপুৱাৰ কিছু আগতে শেষবাৰলৈ সিহঁতে সমস্বৰে হোৱা হোৱা হোৱাকৈ জাতীয় সংগীতটো গাই ঘৰাঘৰি গ'লগৈ। বুঢ়াৰ পৰা বিদায় লৈ মাংসৰ টোপোলাটো লৈ শিয়ালনীয়েও লেঙেৰাৰ ঘৈণীয়েকৰ ওচৰলৈ বুলি খোজ ল'লে।

লাহে লাহে চাৰিওকাষ পোহৰ হৈ আহিল। পুখুৰীপাৰৰ ওখ গৰাটোত বহি তেতিয়াও বুঢ়া শিয়ালটোৱে একেথৰে গাঁওখনলৈ চাই আছে। গা-পা ধুই মাহ-প্ৰসাদৰ শৰাই লৈ মেজিবোৰ জ্বলাই হৰিধ্বনি দিবলৈ কোনোবা আহিব বুলি সি আশা কৰি আছিল যদিও কোনো নাহিল। মানুহতো নায়েই গৰু-ছাগলীবোৰো নাই। লাহে লাহে

কুঁৱলিৰ চাদৰখন আঁতৰি গৈ বেলিটোও ওলাল। তথাপি কাৰো উম-ঘাম নাই। আটাইবোৰ চাগে মৰাশবোৰ লৈ ব্যস্ত হৈ পৰিছে। কিছু পিছতেই চাঙী কান্ধ লৈ মানুহবোৰ ইয়ালৈ আহিব। শিয়ালটোৱে ভাবিলে। তাৰ পিছে আজি বহাৰ পৰা উঠি বেতনিৰ মাজলৈ যাবলৈ এলাহ লাগিল। সাধুপঢ়া ল'ৰাটো, কণমইনা দুটিৰে সৈতে সিহঁতৰ মাক-দেউতাকৰ মৃতদেহকেইটাৰ ছবিখনে বাৰে বাৰে তাক আমনি কৰিব ধৰিলে। চোতালত পৰি থকা জনেই বাৰু সিহঁতৰ দেউতাক আছিল নেকি? কিয় বাৰু মানুহবোৰে নিজৰ ভিতৰতে এইদৰে মৰামৰি কৰি মৰিছে? শিয়াল সমাজতো দেখোন কোনোৱে এইদৰে নিজৰ ভিতৰতে মৰামৰি নকৰে। সেই ফান্দত পৰা বাঘটো মোকলাই দিয়া মানুহজনৰ দৰে এই মানুহবোৰৰো বাৰু বুদ্ধি-বৃত্তি নাইকিয়া হ'ল নেকি?

দিনৰ দিনটো শিয়ালটোৱে ওখ গৰা আৰু নিজৰ গাঁতটোৰ মাজত তাঁত-বাটি কাঢ়ি কটালে। মৰাশবোৰ জ্বলাবলৈ কোনো নাহিল। মেজিবোৰো নজ্বলোৱাকৈয়ে থাকিল। লাহে লাহে বেলিটোৱে গৈ পশ্চিম আকাশত মুখ লুকোৱালে। আগ ঠেং দুখনৰ ওপৰত মূৰটো থৈ এবাৰ চকু মুদি এবাৰ চকু মেলি বুঢ়া শিয়ালটো নীৰৱে বহি থাকিল। প্ৰতি সন্ধ্যাৰ দৰে হোৱা দি লগৰবোৰক আহ্বান জনোৱাৰ আগ্ৰহো আজি সি অনুভৱ নকৰিলে।

কিছু পিছত প্ৰথমে আহিল শিয়ালনী। তাৰ পিছত এটা-দুটাকৈ বাকী শিয়ালবোৰো আহি পুখুৰীপাৰ পালেহি। আটায়ে বুঢ়াৰ মুখলৈ চাইছে। বুঢ়াৰ নীৰৱতাই সকলোকে আচৰিত কৰি তুলিছে।

শিয়ালনীয়েই প্ৰথমতে বুঢ়াক লেঙেৰাৰ ঘৈণীয়েকে ধুনীয়া নোদোকা মাইকী পোৱালি এটি জন্ম দিয়াৰ খবৰটো জনালে। খবৰটো শুনি বুঢ়াৰ আনন্দ লাগিব বুলি আটায়ে ভাবিছিল। কিন্তু নাই, বুঢ়াৰ ভাবাবেগৰ কোনো পৰিবৰ্তন দেখা নগ'ল। বুঢ়াৰ সৈতে বাকীবোৰো নীৰৱে বহি থাকিল। এসময়ত বুঢ়া উঠিল আৰু গহীন-গম্ভীৰ স্বৰত ক'বলৈ ধৰিলে — আজি দিনৰ দিনটো এটা নৰ-মনিচো চকুত নপৰিল। কালিৰ মৰাশবোৰ সিহঁতে ক'ত জ্বলালে তাকো নাজানিলোঁ। মোৰ ভাব হৈছে ক'ৰবাত সাংঘাতিক কিবা এটা হৈছে। আজি আহাৰ বিচাৰি কোনো অকলশৰে যাব নালাগে। প্ৰথমতে মই আৰু কোনোবা দুটামান গৈ আলেঙে আলেঙে ক'ত কি হৈছে চাই আহোঁগৈ। তাৰ পিছতহে কি কৰা যায় আমি সকলোবোৰে আলোচনা কৰি স্থিৰ কৰিম।

কথামতেই কাম। তজবজীয়া ডেকা শিয়াল তিনিটা বুঢ়াৰ সৈতে যাবলৈ জাঁপ মাৰি উঠিল। বুঢ়াৰ পিছে পিছে গৈ সাধুপঢ়া ল'ৰাজনৰ বাৰীত শিয়ালকেইটা ৰ'ল। বাঁহজোপাৰ গুৰিত ডেকাবোৰক ৰ'বলৈ কৈ বুঢ়া অকলে আগুৱাই গ'ল। আখল ঘৰৰ বেৰৰ জলঙাৰে ভিতৰলৈ ভুমুকিয়াই সি কাকো নেদেখিলে। এইবাৰ সি চোতাললৈ বুলি খোজ দিলে কিন্তু লগে লগে থমকি ৰ'ল। আগফালে জুই একুৰা ধৰি মানুহকেইজনমান নীৰৱে বহি আছে। সিহঁতৰ ভৰিৰ কাষত এটা ঢেকুৰা কুকুৰ।

কুকুৰটোৱে দেখিলে সৰ্বনাশ হ'ব। হঠাতে শিয়ালটোৰ নাকত গোন্ধ এটা লাগিল। মৃতদেহৰ গোন্ধ। ক'ৰপৰা আহিছে বাৰু গোন্ধটো?

ঘৰটোৰ পিছফালেৰে ঘুৰি শিয়ালটো সিটো মূৰত ওলালগৈ। আৰু তাৰ পৰাই সি দেখিলে চোতালত শাৰী শাৰীকৈ থোৱা মৃতদেহবোৰ। সাধুপঢ়া ল'ৰাটোৰ সৈতে সেই কণমানি দুটাও নিশ্চয় ইয়াতেই আছে।

মৃতদেহ কেইটালৈ থৰ লাগি চাই থাকোঁতেই দীঘল দীঘলকৈ গোন্ধ লৈ কুকুৰটোক সি তাৰপিনে অহা দেখিলে। সন্ত্ৰস্ত হৈ শিয়ালটোৱে দৌৰ মাৰিব খুজিছিলেই, তেনেতে কুকুৰটো ৰ'ল। ওচৰতে পৰি থকা মৃতদেহটোৰ ওচৰলৈ সি জোঙা মুখখন আগুৱাই নিলে। হেই হেই বুলি জুই পুৰাই থকা কোনোবা এজনে চিঞৰি উঠিল। লগে লগে নেজ পেলাই শান্ত-শিষ্টৰ ভাও জুৰি কুকুৰটো আঁতৰি গৈ মানুহকেইজনৰ পৰা কিছু নিলগত নেজ পেলাই বহি দিলে।

স্বস্তিৰ নিশ্বাস পেলাই ঘৰটোৰ পিছফালে গৈ শিয়ালটো কিছু সময় চুপ মাৰি ৰ'ল। ডেকা শিয়াল তিনিটা লাহে লাহে আহি তাৰ কাষ চাপিলহি। মৃতদেহৰ গোন্ধ পাই সিহঁতৰ নাকৰ পাহিবোৰো ফুলি ফুলি উঠিব ধৰিছে। বুঢ়া শিয়ালটোৱে দূৰৈৰ পৰা সিহঁতক মৃতদেহবোৰ দেখুৱাই ফুচফুচাই ক'লে — খবৰদাৰ। মৃতদেহবোৰৰ ওচৰলৈ কোনো নাযাবি। মানুহবোৰৰ কাষত ঢেকুৰা কুকুৰ এটা বহি আছে।

মৃতদেহবোৰ চকুৰ সমুখত লৈ বেছ কিছু দূৰৈত শিয়ালকেইটা বহি ৰ'ল। কিবা খবৰ শুনাৰ আশাত ডাঙৰ পাক এটা মাৰি বুঢ়া শিয়ালটো যিমান পাৰে মানুহকেইটাৰ কাষ চাপি গ'ল। সি যি ঠাইত চোপ লৈ বহিল তাৰপৰা সি মানুহবোৰক নেদেখে, কিন্তু সিহঁতৰ কথা-বতৰা শুনে।

ঃ এনেকৈ আৰু কিমান পৰ দিবি। গোন্ধটোও অসহ্য হৈ পৰিছে।

ঃ ৰচোন ৰ। ৰাইজে দেখোন মন্ত্ৰী নহালৈকে শবোৰ সৎকাৰ নকৰোঁ বুলিছে।

ঃ পিছে মন্ত্ৰী আহিব জানো? আহিলে কেতিয়া আহিব?

ঃ নেদেখাজনেহে জানে। — হুমুনিয়াহ কাঢ়ি কোনোবা এজনে ক'লে। তাৰপিছত পুনৰ অখণ্ড নীৰৱতা। মাজে মাজে একোটা হামি আৰু জুইত খৰি দিয়াৰ শব্দ।

বেছ কিছুসময় ৰোৱাৰ পিছতো মানুহবোৰে কোনো কথা-বতৰা পতা নুশুনি শিয়ালটোৱে সিহঁত টোপনি যোৱা বুলি ভাবিলে। এসময়ত সি বহাৰ পৰা লাহেকৈ উঠিল আৰু লগৰবোৰৰ ওচৰলৈ আগুৱাই গ'ল। দূৰৈৰ পৰা ডেকা শিয়াল তিনিটাক অস্থিৰভাৱে পায়চাৰি কৰি থকা দেখি বুঢ়া শিয়াল শংকিত হৈ পৰিল। কি হ'ল হঠাতে সিহঁতৰ? কিছুদূৰ আগুৱাই মৃতদেহকেইটাৰ পিনে চাওঁতেই সি সিহঁতৰ অস্থিৰতাৰ কাৰণটো বুজি পালে। লগে লগে বুঢ়া শিয়ালৰ দেহৰ তেজো উতলি উঠিল। কলমটিয়াই থকা মানুহবোৰৰ অলক্ষিতে ঢেকুৰাটো আহি মৃতদেহ কামুৰিব ধৰিছে। খন্তেক জ্বলি-পকি হিতাহিত সকলো পাহৰি একে লৰে গৈ সি ঢেকুৰাটোৰ গলধনত কামুৰি

ধৰিলে। ক্যাং ক্যাং ক্যাং ক্যাং।

ঢেকুৰাৰ চিঞৰত মানুহবোৰ জাঁপ মাৰি উঠি হাতৰ ওচৰত যিয়ে যি পায় বুটলি ল'বলৈ খপ্‌জপ লগালে। সেই সুযোগতে বুঢ়া শিয়ালটো লগৰ তিনিটাৰ সৈতে বাবীয়ে বাবীয়ে দৌৰ দিলে।

পুখুৰীপাৰত আটাইবোৰ শিয়াল উদ্বিগ্ন হৈ বৈ আছে। ডেকা শিয়াল তিনিটাৰ সৈতে মুখিয়াল বুঢ়াটো সেইখিনি গৈ পোৱাৰ লগে লগে আটাইবোৰে সিহঁতক আগুৰি ধৰিলে। কিছু সময় বৈ ভাগৰ পলুৱাই বহাৰ পৰা উঠি সকলোৰে মুখলৈ চাই বুঢ়া শিয়ালটোৱে ক'বলৈ ধৰিলে — বন্ধুসকল, মানুহৰ আজি চৰম বিপদ। জীয়াই থকাবোৰৰতো নিৰাপত্তা নায়েই মৰাবোৰৰো আলৈ-আথানি নোহোৱা হৈছে। আমাক শত্ৰুজ্ঞান কৰিলেও, আমাক তুচ্ছ-তাচ্ছিল্য কৰিলেও আমিয়েই আজি জীৱশ্ৰেষ্ঠ বুলি কোৱা এই মানুহবোৰক ৰক্ষা কৰিব লাগিব। সেয়েহে আহা, আমি সকলোৱে মিলি ভগৱানক প্ৰাৰ্থনা কৰোঁ।

'হে ঈশ্বৰ, সাধুৰ শিয়ালটোৱে বাঘটোৰ হাতৰ পৰা সেই মানুহজনক ৰক্ষা কৰাৰ দৰে আজিও তুমি আমাক বুদ্ধি প্ৰদান কৰা যাতে আমি এই বিপদৰ পৰা মানুহ জাতিটোক ৰক্ষা কৰিব পাৰোঁ।'

আমিন। হোৱা হোৱা হোৱা।

জ্যোতির শিকদার

হত্যা

শৈশব

হত্যা

... Where was the Judge whom he had never seen? Where was the High Court, to which he had never penetrated?...

... But the hands of one of the partners where already at K's throat, while the other thrust the knife into his heart .....

(F. Kafka, "The Trial")

আবেলি সময়ত খৰ্গেশ্বৰে এঠাইলৈ বেগাবেগীকৈ গৈ আছিল, নিৰ্জন ঠাইখিনিৰ মাজেৰে অকলশৰে গৈ থকাৰ সময়তে সি তীব্ৰ বেগেৰে বৈ অহা বতাহৰ হোঁ-হোঁৱনি শব্দ শুনিবলৈ ধৰিলে। সি দেখিলে—দূৰৈৰ গছবোৰৰ মাজত ক'লা ছায়া কিছুমান বিস্তৃত হৈ পৰিবলৈ ধৰিছে আৰু ওপৰৰ আকাশখনো অদ্ভুত ধৰণে হালধীয়া বৰণৰ হৈ উঠিছে। হঠাতে চাৰিওফালৰ পৰিবেশটো বৰ নিৰ্জন আৰু ভয় লগা হৈ উঠিল। খৰ্গেশ্বৰে সমুখৰ পিনে এবাৰ চালে—তীব্ৰ বতাহত দূৰৈৰ গছবোৰ তললৈ হাউলি পৰিছিল। হঠাতে সি অনুভৱ কৰিলে—তাৰ হাত-ভৰিবোৰ ক্ৰমান্বয়ে স্থবিৰ হৈ পৰিবলৈ ধৰিছে। পিছ মুহূৰ্ততে সি অনুভৱ কৰিলে অদৃশ্য শক্তি এটাই তাক পিছফালৰ পৰা টানি ধৰিছে আৰু সি ঘাঁহনিৰ ওপৰত বাগৰি পৰিল। সি হাত-ভৰি লৰচৰ কৰিব নোৱাৰা হ'ল আৰু তাৰ কণ্ঠশক্তি ৰুদ্ধ হৈ পৰিল।

সি সমুখৰ পিনে চকু মেলি চাওঁতে ভয়ঙ্কৰ দৃশ্য এটা দেখিলে, তাৰ ঠিক মুখৰ সমুখতে তাক গুলীওৱাৰ ভঙ্গীত ৰাইফল এটা পোন হৈ বৈ আছে। অদৃশ্য কোনোবা আততায়ীয়ে তাক লক্ষ্য কৰি ৰাইফলটো ধৰি আছে। প্ৰথমতে গোটেই ঘটনাটো খৰ্গেশ্বৰৰ এটা সপোনৰ দৃশ্যৰ দৰে লাগিল। কিন্তু পিছ মুহূৰ্ততে সি দেখিলে ৰাইফলৰ নলীডাল তাৰ পিনে আগবাঢ়ি আহিছে। ভয়ঙ্কৰ আতঙ্কত খৰ্গেশ্বৰে চিঞৰি উঠিব খোজোঁতেই গম পালে—তাৰ কণ্ঠশক্তি ইতিমধ্যে লোপ পাইছে।

খৰ্গেশ্বৰে ওপৰৰ পিনে চাই চকু দুটা এবাৰ বহলকৈ মেলি দিলে—আবেলিৰ স্তিমিত পোহৰত সি সমুখৰ ৰাইফলটোৰ বাহিৰে আন একো দেখা নাপালে, যিকোনো

মুহূর্ততে ৰাইফলৰ এটা গুলীতে হয়তো তাৰ জীৱনৰ সকলো শেষ হৈ যাব; নিমিষতে মাটিৰ লগত বিলীন হৈ যাব তাৰ পঞ্চভূতৰ শৰীৰ। সি অনুভৱ কৰিলে— তাৰ জীৱনৰ অন্তিম মুহূর্তটো আহি পালেহি। সি এবাৰ অৰ্দ্ধনিমীলিত চকুৰ দৃষ্টিৰে ওপৰৰ পিনে চালে— আকাশৰ মেঘবোৰ ভিন্ন এক ৰঙলৈ পৰিৱৰ্তিত হ'বলৈ ধৰিছিল, পাতল ৰক্তিম বৰ্ণৰ ৰেশ এটা বিয়পি পৰিছিল আকাশৰ মেঘবোৰৰ মাজত।

ভয়ঙ্কৰ আতঙ্কত খৰ্গেশ্বৰৰ চকু দুটা মুদ খাই পৰিল। হঠাতে সি শুনিলে — বতাহৰ হোঁ-হোঁৱনি শব্দৰ মাজতে দূৰৈৰ পৰা অসংখ্য মানুহৰ কণ্ঠস্বৰ কিছুমানো ভাহি আহিবলৈ ধৰিছে। লাহে লাহে এইবোৰ অস্পষ্ট আৰাব ধ্বনিৰ দৰে বাজি উঠিবলৈ ধৰিলে। সি অনুমান কৰিলে—দূৰৈৰ গছবোৰৰ সিফালে যোৱা ৰাস্তাটোৰে এটা সমদল গৈ আছে। আঃ সি এই মানুহবোৰৰ অজ্ঞাতেই মুকলি ঠাইখিনিত কোনোবা অজান আততায়ীৰ হাতত বন্দী হৈ পৰি আছে। তাৰ ঠিক চকুৰ সমুখত পোন হৈ ৰৈ আছে ভয়ানক ৰাইফলটো। অথচ এজন মানুহেও তাৰ অৱস্থাটো দেখা নাই। খৰ্গেশ্বৰে ভয়ঙ্কৰ শক্তি এটাৰ ওচৰত নিজকে আত্মসমৰ্পণ কৰাৰ দৰে মুকলি ঠাইখিনিত চকু দুটা মুদি পৰি থাকিল। সি চক্‌খাই উঠাৰ দৰে শুনিলে—দূৰৈৰ পৰা হুবহু তাৰ দেউতাকৰ মাতটোৰ দৰেই কঁপি কঁপি উঠা কণ্ঠস্বৰ এটা বতাহৰ শব্দৰ মাজতে ভাহি আহিবলৈ ধৰিছে। সি আচৰিত হ'ল মৃত দেউতাকৰ প্ৰেতাত্মাটোৱে যেন তাৰ কাণৰ কাষত ফুচফুচাই কথা ক'বলৈ ধৰিলে।

লাহে লাহে হুবহু দেউতাকৰ মাতটোৰ দৰে কঁপি কঁপি উঠা কণ্ঠস্বৰটো তাৰ কাণত স্পষ্ট হৈ উঠিবলৈ ধৰিলে। তাহানি দেউতাকে চিঞৰি কথা ক'লেই দেউতাকৰ ডিঙিত কিহবাই সোপা মাৰি ধৰাৰ দৰে হৈছিল। দেউতাকৰ কণ্ঠস্বৰ পুৰণি, ভগা মেচিনৰ শব্দৰ দৰেই মেৰ্মেৰিয়া হৈ উঠিছিল বয়স বাঢ়ি যোৱাৰ লগে লগে। এসময়ত খৰ্গেশ্বৰৰ দেউতাকে চাইকেল এখন লৈ অবিৰাম গতিত মানুহৰ ঘৰে ঘৰে পাট-মুগাৰ কাপোৰ কিছুমান বিক্ৰী কৰিবলৈ ঘূৰি ফুৰিছিল। দেউতাকে চাইকেলৰ সমুখত আৰু পিছফালে কাপোৰৰ টোপোলাবোৰ তুলি লৈছিল, চিনাকি মানুহ দেখিলেই দেউতাকে দূৰৈৰ পৰা চিঞৰি মাতিছিল। দেউতাকক দেখিলেই বিৰক্তিত মুখ কোঁচাইছিল বহু মানুহে, কাৰণ মানুহ এঘৰলৈ গ'লেই তেওঁ দীঘলীয়া বক্তৃতা দিবলৈ আৰম্ভ কৰিছিল আৰু নানা ধৰণৰ ছলাহী কথাৰ আশ্ৰয় লৈছিল কাপোৰ এখন বিক্ৰী কৰাৰ বাবে। অৱশ্যে দেউতাকৰ কাপোৰ বিক্ৰী কৰাই একমাত্ৰ জীৱিকা আছিল। পাট-মুগাৰ কাপোৰ বিক্ৰী কৰি পোৱা কমিছনৰ টকাৰেই সিহঁতৰ ঘৰ কোনোমতে চলিছিল।

কেতিয়াবা কাপোৰ বিক্ৰী কৰিবলৈ বহু দূৰলৈ গৈছিল দেউতাক, গধূলি সময়ত ক্লান্তভাৱে চাইকেল চলাই ঘৰলৈ অহা দেউতাকৰ মুখখন বৰ কৰুণ আৰু বিষণ্ণ হৈ উঠিছিল। বয়স বাঢ়ি যোৱাৰ লগে লগে সদা হাস্যময়, কথা চহকী দেউতাকৰ বিষণ্ণতাৰ ভাবটোও বাঢ়ি গৈছিল। সদায় চিঞৰি কথা কোৱা দেউতাকৰ মাতটো ভাগি গৈছিল — কথা ক'লেই কঁপি উঠিছিল দেউতাকৰ কণ্ঠস্বৰ। — আৰু এদিন সন্ধিয়া সময়ত নিৰ্জন ৰাস্তা এটাত দেউতাকক পিছফালৰ পৰা ডকাইতে ছুৰী মাৰি হত্যা কৰিছিল— সেই সময়ত দেউতাকৰ

হাতত দহ-হাজাৰ টকা আছিল। টকাখিনি কাঢ়ি নিয়াৰ সময়ত প্ৰচণ্ডভাৱে বাধা দিয়াৰ বাবেই দেউতাকক হত্যা কৰা হৈছিল।

খৰ্গেশ্বৰৰ কাণত বাজি উঠা দূৰৈৰ শব্দবোৰ ক্ৰমান্বয়ে অস্পষ্ট হৈ পৰিবলৈ ধৰিলে। সি চকু দুটা এবাৰ মেলি চালে—ভয়ানক আতঙ্কত কঁপি উঠিল তাৰ সৰ্বশৰীৰ আৰু মুখেৰে যন্ত্ৰণাকাতৰ গোঁ-গোঁ শব্দকেইটামান হ'ল। সি দেখিলে তাৰ মুখৰ সমুখত তেতিয়াও পোন হৈ ৰৈ আছে ৰাইফলটো। অদৃশ্য দুখন হাতে খৰ্গেশ্বৰক লক্ষ্য কৰিয়েই ৰাইফলটো ধৰি আছে। সি এতিয়াও সঠিকভাৱে ধৰিব পৰা নাই—কিয় তাক হত্যা কৰিব খোজা হৈছে—তাৰ দোষ কি? কোন এই ৰাইফল হাতত লৈ থকা অজ্ঞাত আততায়ীজন—যাক সি চকুৰে দেখা নাই। চাৰিওফালে ঘনীভূত হৈ উঠা এন্ধাৰৰ মাজতে সি স্পষ্টভাৱে দেখা পালে ৰাইফলৰ নলীডাল। সি অনুমান কৰিলে—তাৰ পিনে ৰাইফল টোঁৱাই থকা অজ্ঞাত আততায়ীজনৰ হাতৰ আঙুলিবোৰ যেন ক্ৰমান্বয়ে শিথিল হৈ পৰিবলৈ ধৰিছে। খৰ্গেশ্বৰৰ ভাব হ'ল — অজ্ঞাত আততায়ীজন তাৰ প্ৰতি সদয় হৈ উঠিবলৈ ধৰিছে। তাৰ মনলৈ ক্ষীণ আশাৰ বেঙুনি এটা আহিবলৈ ধৰিলে—হয়তো সি শেষ মুহূৰ্তত অৱশ্যম্ভাৱী মৃত্যুৰ মুখৰ পৰা কিবা প্ৰকাৰে হাত সাৰি যাব পাৰে। কিন্তু তাৰ মনৰ সকলো আশা ধূলিসাৎ কৰি ৰাইফলটো তাৰ পিনে চোঁচা লোৱাৰ ভঙ্গীত আগবাঢ়ি আহিল। সি আতঙ্কগ্ৰস্ত হৈ চকু দুটা মুদি দিলে। খৰ্গেশ্বৰে অনুভৱ কৰিলে সি যেন গভীৰ এন্ধাৰ গহ্বৰ এটাৰ তললৈ গৈ আছে, য'ত তাৰ শৰীৰ সকলোৰে অজ্ঞাতেই চিৰদিনৰ বাবে নিশ্চিহ্ন হৈ পৰিব।

... খৰ্গেশ্বৰ ভয়ঙ্কৰ আতঙ্কত চকু দুটা মুদিয়েই থাকিল — সি পুনৰ শুনিবলৈ ধৰিলে — বতাহৰ হোঁ-হোঁৱনি শব্দৰ মাজেৰে দূৰৈৰ ৰাস্তাটোৰে যোৱা সমদল যাত্ৰাৰ মানুহবোৰৰ কণ্ঠস্বৰ ভাহি আহিছে। মতা আৰু মাইকী মানুহৰ সমদল যাত্ৰাটো তেতিয়াও গৈয়েই আছিল; কিন্তু আচৰিত কথা সমদলত যোৱা মানুহবোৰে খৰ্গেশ্বৰক এতিয়াও দেখা নাই। মানুহবোৰে চিঞৰি উঠা টুকুৰা-টুকুৰ শ্লোগান কিছুমান তাৰ কাণত পৰিলহি—অবৈধ হত্যাকাণ্ড বন্ধ হওক। অবৈধ হত্যাকাণ্ড।

... দূৰৈৰ পৰা ধ্বনিত হৈ উঠা এই আটাইবোৰ শব্দই তাৰ বাবে কিছুমান অৰ্থহীন শব্দপুঞ্জীৰ দৰে লাগিল। সি লাহেকৈ চকু দুটা এবাৰ মেলি চালে। গধূলিৰ আন্ধাৰৰ মাজতে সমুখত পোন হৈ থকা ৰাইফলটো তাৰ চকুত পৰিল। সি ভয় খাই চকু দুটা মুদি দিলে—মুহূৰ্ততে, মাত্ৰ কেইটামান মুহূৰ্তৰ ভিতৰতে হয়তো ৰাইফলৰ বুলেট আহি তাৰ বুকু ভেদ কৰি যাবহি —খৰ্গেশ্বৰৰ মৃত শৰীৰ গোটেই নিশা হয়তো এই ঠাইখিনিতে পৰি থাকিব। প্ৰাতঃ ভ্ৰমণলৈ অহা কোনো মানুহৰ হয়তো প্ৰথমেই চকুত পৰিব তাৰ মৃত শৰীৰটো। অজ্ঞাত আততায়ীয়ে তাক গুলীয়াই হত্যা কৰাৰ খবৰ বাতৰিকাকতত ওলাবনে? সি অতি সাধাৰণ, নিমাখিত এজন মানুহ, হয়তো বাতৰিকাকতৰ পাছফালে বা মাজত ছপা হ'ব তাক গুলীয়াই হত্যা কৰাৰ খবৰ, চল্লিশ বছৰীয়া, অপৰিচিত এজন মানুহৰ গুলীবিদ্ধ হৈ মৃত্যু হোৱাৰ সৰু এটা খবৰ।

খৰ্গেশ্বৰ চকু দুটা মুদি লৰচৰ নকৰাকৈ মুকলি ঠাইখিনিতে পৰি থাকিল। সি শুনিলে

— দূৰৈৰ ৰাস্তাটোৰে পাৰ হৈ মানুহবোৰৰ অস্পষ্ট আৱাৰ ধ্বনিৰ মাজতে চিনাকি এটা কণ্ঠস্বৰ ভাহি উঠিবলৈ ধৰিছে আৰু এই কণ্ঠস্বৰটো তাৰ কাণত বাজি উঠিবলৈ ধৰিলে— সি আচৰিত হ'ল বিস্কুট ফেক্টৰী মালিকৰ চিনাকি কণ্ঠস্বৰ এটাই দূৰৈৰ পৰা ধ্বনিত হৈ উঠিছিল। আঃ কাইলৈ তাক বিস্কুট ফেক্টৰীৰ মালিকে সাত হেজাৰ টকা নিবলৈ তেওঁৰ ঘৰলৈ মাতিছিল। বিস্কুট ফেক্টৰীৰ মালিকৰ ওচৰলৈ সি বহুদিনৰ পৰা পাব লগা টকাখিনিৰ বাবে তাঁত-বাটি কৰি অহা-যোৱা কৰিছিল। বহুদিনৰ পৰা সি মনে মনে চিন্তা কৰিছিল টকাখিনি পালেই সি নিজৰ শোৱা কোঠাৰ দুৱাৰ-খিৰিকীকেইখন মেৰামতি কৰি ল'ব— তাৰ শোৱা কোঠাৰ পুৰণি দুৱাৰ-খিৰিকীকেইখন বৰ সোলোক-ঢোলোক হৈ পৰিছিল। আঃ আকস্মিকভাৱে তাৰ মৃত্যু হোৱাৰ পিছত বিস্কুট ফেক্টৰীৰ মালিকে খৰ্গেশ্বৰৰ খবৰ ল'বলৈ সিহঁতৰ ঘৰলৈ এবাৰ আহিবনে? তাৰ ঘৰত এতিয়াও এজনী ভনী আৰু বৃদ্ধা মাক আছে। হয়তো তাৰ মৃত্যুৰ লগে লগে টকাখিনি বিস্কুট ফেক্টৰীৰ মালিকৰ হাততে থাকি যাব। আৰু তাৰ শোৱা কোঠাটোৰ কি হ'ব? যিটো কোঠা সি মেৰামতি কৰি লোৱাৰ বাবে চিন্তা কৰিছিল। বোধকৰোঁ তাৰ কোঠাটো এনেয়ে বহুদিন বন্ধ হৈ পৰি থাকিব। অৱশেষত তীব্ৰ অৰ্থনৈতিক কাৰণতেই তাৰ কোঠাটো মাক-ভনীয়েকে কাৰোবাক ভাৰা দি দিব (এবাৰ সি নিজেও ঘৰৰ কোঠা এটা মানুহ এজনক ভাৰা দিছিল)।

... খৰ্গেশ্বৰৰ মুখ গভীৰ যন্ত্ৰণা আৰু বেদনাত কাতৰ হৈ উঠিল, সি নিজৰ বিষয়ে মনৰ ভিতৰতে স্বগতোক্তি কৰি ক'বলৈ ধৰিলে—তাৰ ব্যক্তিগত চৰিত্ৰৰ মাজত কোনো ধৰণৰ বিশেষ ত্ৰুটি-বিচ্যুতি নাছিল। কেতিয়াও সি কোনো ধৰণৰ গৰ্হিত অসামাজিক কাম-কাজত লিপ্ত হৈ পৰা নাছিল। অৱশ্যে সি ঘৰৰ কাষৰ ফুলৰ বাগিচা এখনৰ মালী এজনক গোপনে পইছা দি মাজে মাজে ফুল ছিঙি আনিছিল। এই ফুলবোৰ সি ঘৰত আমন-জিমনকৈ থকা ভনীয়েকৰ মনোৰঞ্জনৰ বাবেহে সৈ আনিছিল। ঠিক এনে ধৰণৰ দুই-এটা সৰু-সুৰা কামৰ বাহিৰে সি বিশেষ কোনো অপকৰ্মত জড়িত হৈ পৰা নাছিল।...

... খৰ্গেশ্বৰে চকু দুটা মুদিয়েই থাকিল, সি অনুভৱ কৰিলে তলৰ ঘাঁহনিৰ শীতল স্পৰ্শ। সি স্থবিৰ হৈ পৰা প্ৰাণীৰ দৰে নিৰ্জন ঠাইখিনিতে পৰি থাকিল।

... হঠাতে খৰ্গেশ্বৰৰ কাণত পৰিল—দূৰৈৰ পৰা, বহু দূৰৈৰ পৰা বতাহৰ সোঁ-সোঁৱনি শব্দৰ মাজেৰে চিনাকি কণ্ঠস্বৰ এটা অনুৰণিত হৈ উঠিবলৈ ধৰিছে... তাহানি, বহু বছৰ আগতে লগ পোৱা জনজাতীয় গাভৰু এজনীৰ চিনাকি কণ্ঠস্বৰ এটাই তাৰ কাণত এনেদৰে বাজি উঠিছিল। ছোৱালীজনীৰ মাতটো শুনিয়েই সি খন্তেক সময়ৰ বাবে অতীতৰ স্মৃতি কিছুমানৰ মাজত মগ্ন হৈ পৰিল—আঃ এসময়ত সি জনজাতীয় ফল-মূলৰ ব্যৱসায়ী এজনৰ দোকানত চেলচ্‌মেনৰ কাম কৰিছিল।

সি প্ৰায়ে ৰাতিপুৱা সময়ত অকোৰা-পকোৰা, পাহাৰৰ ৰাস্তা এটাৰে বজাৰ অভিমুখে ৰাওনা হৈছিল ট্ৰাক এখনত উঠি। ট্ৰাকখনত ভৰাই লোৱা হৈছিল অসংখ্য কমলা-টেঙা আৰু অন্য ফল-মূলৰ বস্তা কিছুমান। কেতিয়াবা ডাঠ-কুঁৱলিৰ মাজেৰে সিহঁতৰ ট্ৰাকখন আগবাঢ়ি গৈছিল অকোৰা-পকোৰা পাহাৰৰ ৰাস্তাটোৰে। ঠিক সেই সময়তে খৰ্গেশ্বৰে

শুনা পাইছিল—ওচৰৰ টিলা এটাৰ ওপৰৰ পৰা ভাহি অহা প্ৰাৰ্থনা সঙ্গীতৰ টুকুৰা কিছুমান। জনজাতীয় গাভৰু এজনীয়ে পূৰ্ব-পুৰুষৰ দেৱতাক উদ্দেশ্য কৰি নিতৌ এই প্ৰাৰ্থনা-সংগীত গাইছিল। ওচৰ-চুবুৰীয়া সকলোৱে খৃষ্ট-ধৰ্মত দীক্ষিত হৈছিল। কিন্তু টিলাৰ ওপৰত থকা জনজাতীয় পৰিয়ালটোৱে তেতিয়াও আদিম দেৱতাকে পূজা কৰিছিল। কেতিয়াবা খৰ্গেশ্বৰে ট্ৰাকৰ পৰা নামি জনজাতীয় ছোৱালীজনীক ফল-মূল কিছুমান উপহাৰ দিছিল আৰু ট্ৰাকত উঠি যোৱা সময়ত দূৰৈৰ পৰা ভাহি অহা জনজাতীয় গাভৰুজনীৰ প্ৰাৰ্থনা সঙ্গীত শুনিছিল। পাহাৰৰ গছবোৰৰ মাজত ধ্বনিত হৈ উঠিছিল জনজাতীয় গাভৰুজনীৰ সুৰদী কণ্ঠস্বৰ।

... খৰ্গেশ্বৰে লাহেকৈ চকু দুটা মেলি চালে — অদৃশ্য দুখন হাতে ধৰি থকা ৰাইফলটো তাৰ মুখৰ সমুখতে ৰৈ আছিল। ভয়ঙ্কৰ আতঙ্কত তাৰ সৰ্বশৰীৰ কঁপি উঠিল, কিন্তু সি এইবাৰ প্ৰত্যাহ্বান জনোৱাৰ ভঙ্গীত ৰাইফলটোৰ পিনে চায়েই থাকিল। হঠাতে বিদ্যুৎ চমকৰ দৰে তাৰ চকুৰ সমুখত দৃশ্য এটা ভাহি উঠিবলৈ ধৰিলে — সি সপোনৰ দৃশ্যৰ দৰেই দেখা পাবলৈ ধৰিলে বহুদিনৰ চিনাকি বন্ধু এজনে সদায় অহাৰ দৰে সেইদিনাখনো বন্ধ কোঠাত বহি থকা বিশেষ ব্যক্তি এজনৰ ওচৰলৈ আহিল। হঠাতে চিনাকি বন্ধুজনে বকুৰ মাজত গোপনে লৈ অনা সৰু কুঠাৰ এখন উলিয়াই ল'লে আৰু বিশেষ ব্যক্তিজনৰ মূৰত তীব্ৰভাৱে আঘাত কৰিলেহি — মুহূৰ্ততে তেওঁৰ শৰীৰ তেজেৰে লুতুৰি-পুতুৰি হৈ পৰিল...। পিছদিনাখন বিশেষ ব্যক্তিজনৰ মৃত্যু হ'ল...। মেক্সিকোত নিৰ্বাসিত হৈ থকা ৰাছিয়াৰ বিপ্লৱী ট্ৰটস্কিৰ নিৰ্মম হত্যাকাণ্ডৰ দৃশ্য এটাই তাৰ চকুৰ সমুখত ভাহি উঠিছিল, সি ৰহস্য আলোচনী এখনত ট্ৰটস্কিৰ এই হত্যাকাণ্ড বিষয়ে পঢ়িছিল। ... ৰাছিয়াৰ একনায়কত্ববাদী শাসক ষ্টালিনৰ দ্বাৰাই এই হত্যাকাণ্ড সংঘটিত হৈছিল। নিৰ্মম এই হত্যাকাণ্ডৰ ঘটনাটো ৰহস্য আলোচনীখনত সাধাৰণ এটা লোমহৰ্ষক কাহিনীলৈ ৰূপান্তৰিত হৈছিল — কিন্তু চাৰিওফালৰ অজস্ৰ ঘটনাৰ মাজতে বিশেষ এই ঘটনাটো তাৰ মনলৈ কিয় আহিল সি নিজেই ধৰিব নোৱাৰিলে ...।

খৰ্গেশ্বৰে অনুভৱ কৰিলে তাৰ হাত ভৰিৰ বান্ধোনবোৰ লাহে লাহে শিথিল হৈ পৰিবলৈ ধৰিছে আৰু মুহূৰ্তৰ বাবে তাৰ কণ্ঠস্বৰটোও উন্মুক্ত হৈ পৰিল। সি চকু দুটা ডাঙৰকৈ মেলি দিলে — গধূলিৰ এন্ধাৰৰ মাজতে তাৰ মুখৰ সন্মুখত ৰৈ থকা ৰাইফলটো এবাৰ তিৰ্‌বিৰাই উঠিল। হঠাতে সি গাৰ সমস্ত শক্তিৰে চিঞৰি চিঞৰি উঠিল — Long Live Democracy! ঠিক সেই মুহূৰ্ততে ৰাইফলৰ নলীৰ মাজৰ পৰা বুলেট কেইটামান ওলাই আহিল আৰু তাৰ বুকু ভেদ কৰি গ'ল। মুকলি ঠাইখিনিত খৰ্গেশ্বৰৰ মৃতদেহ গোটেই ৰাতি জঠৰ হৈ পৰি থাকিল।

... পিছদিনাখন পুৱাই ঘাঁহনিৰ ওপৰত বাগৰি থকা খৰ্গেশ্বৰৰ মৃতদেহটো পোৱা গ'ল — দুদিন পিছতে বাতৰিকাকতৰ পিছফালে এচুকত প্ৰকাশ হ'ল — ৰহস্যময়ভাৱে অজ্ঞাত এক আততায়ীৰ হাতত গুলীবিদ্ধ হোৱা খৰ্গেশ্বৰৰ মৃত্যুৰ সৰু এটা খবৰ ...।

শৈশৱ

পুৱাৰে পৰা ৰাখালে ভূগোলৰ কিতাপখন মেলি লৈ পঢ়া মেজখনত বহি আছিলহি। বাৰে বাৰে সি ভাৰতৰ মেপখন আঁকিবলৈ প্ৰেকটিছ্ কৰিছিল। টেবুলৰ চাৰিওপিনে সিঁচৰিত হৈ পৰিছিল কাগজ-পত্ৰ। দুপৰীয়া সময়ত হঠাৎ তাৰ অনুভৱ হ'ল — পুৱাৰ পৰাই ভূগোল মুখস্থ কৰি থাকিলেও ইয়াৰ একো কথাই তাৰ মূৰত সোমোৱা নাই। ক্লান্ত দৃষ্টিৰে বেৰৰ পিনে চাওঁতে বেৰত মাৰি থোৱা ক্লাছৰ ৰুটিনখনৰ ওপৰত তাৰ চকু পৰিল। স্কুললৈ যোৱাৰ সময়ত সি সদায় এই ৰুটিনখন চাই-চায়েই বেগত কিতাপ ভৰাইছিল। আজি তাৰ পৰীক্ষা নাছিল। কাইলৈ ভূগোলৰ পৰীক্ষা। পৰীক্ষাৰ কথা চিন্তা কৰিয়েই ৰাখাল আতংকিত হৈ পৰাৰ দৰে হ'ল। এক নিৰ্ঘাত সত্যৰ দৰে সি নিজৰ ভৱিষ্যতটো দেখা পাবলৈ ধৰিলে, — এইবাৰ তাৰ বছৰেকীয়া পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ কোনো আশা নাই। ইতিমধ্যে তাৰ দুটা বিষয়ৰ পৰীক্ষা বেয়া হৈছে। কেইদিনমান আগতে স্কুলৰ শিক্ষক এজনে তাক বাস্তাত লগ পাই সুধিছিল,— তোমাৰ পঢ়া-শুনাত ইমান অধঃপতন কেনেকৈ হ'ল? শিক্ষকজনৰ কথা শুনি ৰাখালৰ চকুকেইটা সেমেকি উঠিছিল। সি বাৰু কেনেকৈ ক'ব তাৰ জীৱনলৈ অহা অশান্তিবোৰৰ কথা। এবছৰ ধৰি ঘৰত চলা অশান্তি কিছুমানে তাৰ জীৱন তিক্ত কৰি তুলিবলৈ ধৰিছে। সি ভয়ঙ্কৰ অনিশ্চয়তাৰ মাজত ডুবি যাব লাগিছে।

ভূগোলৰ কিতাপখন মেলি লৈ ৰাখালে এনেধৰণে নানা ধৰণৰ কথা চিন্তা কৰি বহি থাকিল। কিতাপখনৰ পিনে চাওঁতেই তাৰ কাণত ভাৰতৰ খনিজ পদাৰ্থ কিছুমানৰ নাম ঝংকৃত হৈ উঠিল। মেংগানিজ, মাইকা, ইউৰেনিয়াম আদি কেনেধৰণৰ পদাৰ্থ বাৰু? কালি ৰাতিও শোৱাৰ সময়ত তাৰ কাণত বাৰে বাৰে ধ্বনিত হৈছিল, 'হেপিলজ' নামৰ শব্দ এটা। স্কুলৰ কাষতে নতুনকৈ সজা ঘৰ এটাৰ নাম 'হেপিলজ' থোৱা হৈছিল। স্কুললৈ যাওঁতে সি ঘৰটোৰ নাম ফলকখন গেটৰ মুখত দেখা পাইছিল। মধুৰ এটা শব্দৰ দৰেই 'হেপিলজ' নামটো তাৰ ভাল লাগিছিল।

ৰাখালে আবোল-তাবোল কথা কিছুমান চিন্তা কৰি থকাৰ সময়তে কাষৰ শোৱাকোঠাত মাকে ভোৰভোৰাই থকা শুনিলে। মাকৰ ভোৰভোৰণিৰ শব্দ শুনিয়েই মুহূৰ্ততে

সি বাস্তৱ জগতলৈ ঘূৰি আহিল। আজি এবছৰমানৰ পৰা ঘৰত নানা ধৰণৰ অশান্তিৰ সূত্ৰপাত হৈছে। মাক আৰু দেউতাকৰ মাজত হোৱা কাজিয়াবোৰৰ বাবেও সি পঢ়া-শুনাত ভালদৰে মনোযোগ দিব নোৱাৰা হৈছে। যুদ্ধৰত দুটা মেকুৰীৰ দৰে মাক আৰু দেউতাক কাজিয়াত লিপ্ত হৈ পৰে। দুদিন আগতে ঘৰত এখন কাজিয়া হৈ গৈছে। তাৰ পাছত দেউতাক ঘৰলৈ ঘূৰি অহা নাই। দেউতাক ক'লৈ গৈছে বাৰু? দেউতাকৰ গন্তব্যস্থানৰ সম্পৰ্কে চিন্তা কৰিয়েই ৰাখাল ভয়ত কঁপি উঠিল। আগন্তুক বিপদ এটাৰ আশংকাই তাক সন্ত্ৰস্ত কৰি তুলিলে।

কাষৰ শোৱাকোঠাত মাকে মকৰাজাল গুচোৱাৰ খৰখৰ শব্দ হ'বলৈ ধৰিলে। ঘৰুৱা অশান্তিবোৰৰ মাজতো মাকে দৈনন্দিন কামবোৰ কৰি গৈছে। পুৱা মাকে বাহি চোতাল সৰাৰ শব্দ সি বিছনাৰ পৰাই শুনা পাইছিল। মূৰটো দাঙি সি এবাৰ বেৰৰ ওপৰৰ পিনে চালে। তাৰ কোঠাৰ বেৰতো মকৰা জাল কিছুমান হৈছিল। এখন মকৰা-জালৰ মাজত থকা মকৰা এটাৰ ঠেংকেইখন সি বহি থকা ঠাইৰ পৰা দেখা পালে।

মকৰা জাল গুচাবলৈ ব্যৱহাৰ কৰা ঝাৰুডাল লৈ মাক ৰাখালৰ কোঠাটোলৈ আহিল। তেওঁ ঝাৰুডালেৰে বেৰত ধপ্‌ধপকৈ কোবাবলৈ ধৰিলে। বেৰৰ পৰা অজস্ৰ ধূলি কণা আহি তাৰ মূৰৰ ওপৰত পৰিলহি। মাকৰ পিনে ঘূৰি চাবলৈ তাৰ ভয় লাগিল। কাজিয়া, প্ৰচুৰ পৰিমাণে কন্দা-কটাৰ পাছত মাকৰ মুখখন উখহি আছিল। মাকৰ মুখত ক'লা ক'লা দাগ কিছুমানো পৰিছিল। সি বৰ অস্বস্তি অনুভৱ কৰিলে আৰু মুখেৰে এটা শব্দ নকৰাকৈ বাহিৰলৈ ওলাই আহিল। বোধকৰোঁ মাকেও তাৰ পিনে চোৱা নাছিল। তাৰ কাণত কেৱল মাকৰ হাতৰ ঝাৰুৰ শব্দবোৰহে পৰিল।

ৰাখালে বাহিৰত মৃদু বতাহ এজাকৰ স্পৰ্শ অনুভৱ কৰিলে। চোতালৰ কোণৰ পিনে থকা শিল এচটাৰ ওপৰতে সি বহিলহি। গৰম দিনত ৰাতি বতাহ পাবলৈ শীতকালত ৰ'দ পুৱাবলৈ সি এই শিলচটাৰ ওপৰত বহেহি। শিলচটাৰ ওপৰত বহি সমুখৰ ৰাস্তাটোৰ পিনে চাওঁতেই সি দেখিলে— দূৰৈৰ পৰা শকত, চাপৰ মানুহ এজন গম্ভীৰ ভংগীৰে তলমূৱা হৈ আহি আছে। মানুহজনক দেখিয়েই ৰাখাল চক্ খাই উঠাৰ দৰে হ'ল। মানুহজন দেখাত ঠিক দেউতাকৰ দৰেই আছিল। সি যেন বাস্তাত দেউতাকৰ ডুপ্লিকেট প্ৰতিমূৰ্তি এটাহে দেখা পাবলৈ ধৰিলে। সি দুদিন আগতে ভয়ংকৰ কাজিয়াখনৰ কথা চিন্তা কৰিবলৈ ধৰিলে। দেউতাকে খণ্ডত একো নাই হৈ সেইদিনাখন পাগঘৰৰ বাচন-বৰ্তনবোৰ দলিয়াবলৈ আৰম্ভ কৰিছিল। ঘৰুৱা অশান্তিবোৰৰ বাবেই সি এইবছৰ ভালদৰে পঢ়া-শুনা কৰিব নোৱাৰিলে। প্ৰতি মুহূৰ্ততে সি সন্ত্ৰস্ত হৈ থাকিব লগা হৈছিল। দেউতাক-মাকৰ প্ৰচণ্ড কাজিয়া আৰু হুলস্থূলৰ বাবে তাৰ পঢ়া-শুনা বিঘ্নিত হৈছিল।

ৰাখালে মাকৰ ভোৰভোৰণিৰ শব্দ পুনৰ শুনিবলৈ ধৰিলে। ঘৰুৱা অশান্তিবোৰৰ বাবে মাকৰ মূৰতো একো নোহোৱা হৈ গৈছিল। খঙৰ ভমকত তেওঁ ইহকে তিহকে কৰিব পাৰে। অসহায় মানুহৰ দৰে ৰাখালে সমুখৰ ৰাস্তাটোৰ পিনে চাই থাকিল। — এইমাত্ৰ আহি থকা মানুহজন অদৃশ্য হ'বলৈ ধৰিছিল। এই কেইদিন সিহঁতৰ ঘৰলৈ আনিব নোৱাৰিলে। পৰীক্ষাত ফেল কৰাৰ কথাই পুনৰ তাৰ সৰ্বশৰীৰ কঁপাই তুলিলে। সি তলমূৱা হৈ খোজ কাঢ়ি আহিল। ৰাতিৰ পৰাই পিন্ধি থকা চুৰেটাৰটো তাৰ বৰ গধুৰ যেন লাগিল। ডিচেম্বৰ মাহৰ আবেলিৰ গছৰ ছাঁ তাৰ মূৰৰ ওপৰত দম হৈ পৰিল। চৈধ্য বছৰ বয়সত

ভৰি দিয়া তাৰ মুখ শূন্য আৰু উকা হৈ পৰিল।

অন্যমনস্কভাৱে নানা ধৰণৰ কথা চিন্তা কৰি আহি থকাৰ সময়তে ৰাখালে দেখা পালে,—তাৰ দেউতাক গহীন, গম্ভীৰ খোজেৰে ঘৰৰ পিনে আহি আছে। দেউতাকক দেখিয়েই সি চক্ খাই উঠাৰ দৰে হ'ল। তেওঁৰ লগত তাৰ মুখামুখি হ'বলৈ মুঠেই মন নগ'ল। ঘৰত প্ৰচণ্ড অশান্তিৰ সৃষ্টি কৰা এই মানুহজনৰ প্ৰতি তাৰো তীব্ৰ বিতৃষ্ণাৰ ভাব হৈছিল। সি ৰাস্তাৰ কাষত ৰৈ থকা জীপ গাড়ী এখনৰ আঁৰ লৈ থিয় হ'ল আৰু সংগোপনে দেউতাকক চাবলৈ ধৰিলে। দেউতাকে সচৰাচৰ পিন্ধি থকা দীঘল বগা চোলাটোকে পিন্ধি আছিল। ধীৰ-গম্ভীৰ দেউতাকক দেখিলে অনুমান কৰিব নোৱাৰি যে এই মানুহজনেই খং উঠিলে পাকঘৰৰ বাচন-বৰ্তন দলিয়াই দিব পাৰে। দেউতাকে মাৰোৱাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাত কেছিয়াৰৰ কাম কৰিছিল।

এই দুদিন তেওঁ ক'ত আছিল বাৰু? সি এদিন দেউতাকৰ পিছে পিছে গৈ দেউতাকৰ গন্তব্য স্থান বিচাৰি উলিয়াইছিল। তেওঁ বস্তি অঞ্চলৰ খেৰী ঘৰ এটাৰ সন্মুখত ৰৈছিলগৈ। ঘৰটোৰ ভিতৰৰ পৰা শকত মাইকী মানুহ এজনী ওলাই আহিছিল। সি মুহূৰ্ততে গম পাইছিল দেউতাকৰ এই অবৈধ সম্পৰ্কৰ কথা। ঘৰলৈ আহি সি মাকক কথাটো কৈছিল আৰু সেইদিনাখন ৰাতিও দেউতাক-মাকৰ তুমুল যুদ্ধৰ সৃষ্টি হৈছিল।

ৰাখালৰ কাণ-মূৰ গৰম হৈ গৈছিল। দেউতাক আগবাঢ়ি যাবলৈ ধৰিলে।

ৰাখাল লাহে লাহে বজাৰৰ পিনে আগবাঢ়িল। তাৰ গাটো জঠৰ হৈ পৰাৰ দৰে হ'ল। সি ৰাস্তাৰ কাষতে থকা পুলিচ থানাখনৰ পিনে কৌতূহলপূৰ্ণ দৃষ্টিৰে চালে। কেইদিনমান আগতে থানাৰ ভিতৰৰ পৰা ভাহি অহা চোৰ এটাৰ আৰ্তনাদ সি বাহিৰৰ পৰা শুনা পাইছিল। পুলিচে চোৰটোক সৈ কঢ়াবলৈ প্ৰচণ্ডভাৱে কোবাইছিল। এদিন সি অসংখ্য মানুহে চাইকেল চুৰ কৰা চোৰ এটাক ডিণ্ডিত জোতা-চেণ্ডেলৰ মালা পিন্ধাই কাণে-মূৰে চুণ সানি লৈ অহা দেখা পাইছিল, মানুহ এজনৰ বিকৃত ৰূপ এটা দেখি কিয় জানো সেইদিনা সি ভয় খাই উঠিছিল।

সি নীৰৱে থানাখন পাৰ হৈ গ'ল। ৰাস্তাত সি চিনাকি কোনো মানুহকে দেখা নাপালে। তাৰ লগৰীয়া বন্ধু আটাইবোৰে বোধকৰোঁ এতিয়া পঢ়া মুখস্থ কৰাত ব্যস্ত। পৰীক্ষাৰ আগদিনাখন ঘৰৰ পৰা বাহিৰলৈ ওলোৱাটো আটাইবোৰে ডাঙৰ অপৰাধ বুলি গণ্য কৰিছিল।

ৰাখালে নিজকে বৰ নিঃসংগ অনুভৱ কৰিলে। ৰাখালে লাহে লাহে বজাৰৰ কাষ পালেহি। মানুহৰ হুলস্থূলৰ শব্দৰ মাজত সি বিচিত্ৰ জগত এখনত প্ৰৱেশ কৰাৰ দৰে চাৰিওপিনে ঘূৰি-পকি চাবলৈ ধৰিলে। বজাৰৰ কাষতে নতুনকৈ হোৱা প্ৰাইভেট ক্লিনিক এখনৰ পৰা মূৰত বেণ্ডেজ বন্ধা মানুহ এজন ওলাই আহিছিল। বেণ্ডেজটো দেখি অলপতে জুৱা খেলা এখনত মাৰপিটৰ কথা তাৰ মনলৈ আহিল। সি শুনিছিল— জুৱা খেলখনত হোৱা মাৰপিটত এজন মানুহৰ মূৰ ফাটি দুফাল হৈ গৈছিল।

ৰাখাল হৰগোবিন্দৰ মিঠাই দোকানৰ সমুখত আহি ব'লহি। বহুদিনীয়া পুৰণি দোকানখন বৰ্তমান জৰাজীৰ্ণ অৱস্থাত উপনীত হৈছিল। ভিতৰত বহি আছিল দাঢ়িয়ে-

চুলিয়ে ভোবোকাৰ হৈ পৰা হৰগোবিন্দ। এবছৰমানৰ আগতে মানুহজনৰ একমাত্ৰ পুতেকৰ মৃত্যু হৈছিল। মৃত পুতেকৰ ফটো এখন গণেশ মূৰ্ত্তি এটাৰ কাষতে ওলোমাই থোৱা হৈছিল। হঠাত বাখালৰ ভিতৰৰ কিবা এটাই কৈ উঠিল। এই দোকানখন বন্ধ হ'বলৈ বেছি দিন নাই। সি প্ৰাচীন ভগ্নাবশেষ এটাৰ সমুখত থিয় হোৱাৰ দৰে দোকানখনৰ সমুখত থিয় হ'লহি। এক ট্ৰেজিক বোধে তাক আচ্ছন্ন কৰি পেলালে। সি লাহেকৈ হৰগোবিন্দক বুন্দিয়াৰ লাৰুৰ কথা ক'লে। হৰগোবিন্দই তাৰ পিনে ক্লান্ত দৃষ্টিৰে মূৰ দাঙি চালে। তেওঁ বাখালক চিনি পাইছিল; — গতিকে তাক দেখিয়েই তেওঁ শেতা হাঁহি এটা মাৰি সুধিলে— 'তোমালোকৰ বছৰেকীয়া পৰীক্ষা চলি আছে, নহয় জানো।'

পৰীক্ষাৰ কথা শুনিয়েই বাখালৰ বুকুখন কঁপি উঠিল। সি লাহেকৈ উত্তৰ দিলে,— 'ও চলি আছে।' হৰগোবিন্দই স্কুলৰ পৰীক্ষাৰ খবৰ ৰখা দেখি সি অলপ আচৰিতো হ'ল।

বুন্দিয়াৰ লাৰুখিনি লৈ বাখাল ঘৰলৈ উভতিল। ডিচেম্বৰ মাহৰ আবেলিটো চুটি হৈ আহিছিল আৰু গধূলিৰ আন্ধাৰ চাৰিওপিনে বিয়পিবলৈ ধৰিছিল। ক'ৰবাৰ পৰা ঘৰলৈ ঘূৰি অহাৰ সময়ত সদায় বেলেগ বেলেগ বাস্তাৰে অহাটো তাৰ বহুদিনীয়া অভ্যাস। আজি সি কালি মন্দিৰৰ কাষৰ বাস্তাটোৰে আহিবলৈ ধৰিলে। গধূলিৰ লগে লগে বাস্তাটো বৰ নিৰ্জন হৈ পৰিছিল। সি দূৰৈৰ পৰাই মন্দিৰটো লক্ষ্য কৰিলে। মন্দিৰটোত বাবাজী এজন আছিল। মান্দিৰটোৰ কাষতে আছিল এখন বাঁহনি। তাৰ মাজৰ পৰা অহা সোঁ-সোঁৱনি শব্দটো তাৰ কাণত পৰিল। বতাহত নাচি উঠা বাঁহ গছৰ শব্দবোৰ ৰহস্যময় হৈ উঠিল। দুবছৰমান আগতে ঠিক এনে এক গধূলি সময়তে সি এজাক মানুহে কঢ়িয়াই লৈ অহা মৃতদেহ এটাৰ পিছে পিছে আহি আছিল। ক্লাছৰ বন্ধু এজন অকালতে ঢুকাইছিল। সেইদিনা বাঁহনিৰ ৰহস্যময় সোঁ-সোঁৱনি মৃতদেহটো কঢ়িয়াই লৈ অহা মানুহবোৰৰ কাণত পৰিছিল। সেইদিনাখন সকলোৰে চকুৱে-মুখে যেন একেটা ভাবেই প্ৰকাশ পাইছিল, আঃ কম বয়সতে মেধাবী ল'ৰা এটা ঢুকাল।

বাখালে আত্মমগ্ন মানুহৰ দৰে খোজ কাঢ়িবলৈ ধৰিলে। লাহে লাহে সি নিজৰ ঘৰৰ কাষ পালেহি। ঘৰৰ ওচৰ পোৱাৰ লগে লগে তাৰ বুকুখন কঁপি উঠিল। অজান আশংকা কিছুমানে তাৰ শৰীৰ আৰু মন জঠৰ কৰি পেলালে। বুন্দিয়াৰ লাৰুৰ ঠোঙাটো সি খামোচ মাৰি ধৰিলে। ঘৰৰ ভিতৰৰ পৰা উত্তেজিত কণ্ঠস্বৰ তাৰ কাণত পৰিলহি। তাৰ বুজিবলৈ বাকী নাথাকিল— দেউতাক অহাৰ পাছতে ঘৰত পুনৰ অশান্তিৰ সৃষ্টি হৈছে। মাকে চিঞৰি চিঞৰি কোৱা কথা তাৰ কাণত পৰিলহি আৰু ভিতৰত ঝনঝনকৈ বস্তু ভগাৰ শব্দ। দেউতাক মাকৰ কাজিয়া লগাৰ সময়ত সি সাধাৰণতে বাহিৰলৈ ওলাই যায়। কিন্তু সি আজি পিৰচটাৰ ওপৰত কুচি-মুচি বহি থাকিল। তাৰ চকুৰ আগত এডভেঞ্চাৰ উপন্যাস এখনৰ দৃশ্য এটা ভাহি উঠিল... সাগৰৰ মাজেদি গৈ থকা জাহাজ এখনৰ কেবিন এটাত জলদস্যু কিছুমান সোমাল। — সিহঁতে গোপন মেপ এখন বিচাৰি কেবিনটোৰ বস্তুবোৰ লণ্ড-ভণ্ড কৰিবলৈ ধৰিলে...

বাখালৰ দেউতাক উত্তেজিতভাৱে বাহিৰলৈ ওলাই আহিল। সি নীৰৱে দেউতাকৰ পিনে চাই ৰ'ল। দেউতাকে কোনোপিনে নোচোৱাকৈ ওলাই গ'ল।

বোধকৰোঁ তেওঁ আৰু দুদিনমান ঘৰলৈ নাহিব।

দেউতাক ক'লৈ যাব? সেই শকত মাইকী মানুহজনীৰ ঘৰলৈ? দেউতাকেও বোধকৰোঁ তাৰ পৰীক্ষাৰ কথা পাহৰি গৈছে। স্থবিৰ প্ৰাণীৰ দৰে ৰাখাল শিলচটাৰ ওপৰতে বহি থকিল।

দেউতাক ওলাই যোৱা অলপ পাছতে ৰাখাল হ্যতত সাৰে ভৰিত সাৰে নিজৰ কোঠালিলৈ সোমাই আহিল। দুৱাৰডলিৰ কাষতে চাকি এটা জ্বলি আছিল। পূৰ্বৰ অভিজ্ঞতাৰ পৰা সি জানে,— আজি সিহঁতৰ ঘৰত ভাত-পানী ৰন্ধা নহ'ব। মাক বোধকৰোঁ ইতিমধ্যে বিছনাত উঠিছেগৈ। কাজিয়া লাগিলে সিহঁতৰ ঘৰত ঠিক এনেধৰণৰ পৰিবেশেই বিৰাজ কৰে। ৰাখাল নিজৰ বিছনাখনৰ ওচৰলৈ আহিল। বিছনাখনৰ কাষতে থকা লেমটো জ্বলাব নে নজ্বলায় সি চিন্তা কৰিলে। সিহঁতৰ ঘৰত ইলেকট্ৰিক লাইট নাছিল। দুৱাৰ ডলিত জ্বলি থকা চাকিটোৰ পিনে সি এবাৰ চালে। টেবুলৰ ওপৰত থকা ভূগোলৰ কিতাপখন মেল খাই আছিল।— মেংগানিজ, মাইকা আদি খনিজ পদাৰ্থবোৰৰ নাম তাৰ কাণত বাজি উঠিল। মেংগানিজ কেনে পদাৰ্থ বাৰু?— আঃ তাৰ ভূগোলৰ একো কথাই মনত নাই। পৰাজিত সৈনিকৰ সি পৰীক্ষাত বেয়া কৰাৰ কথাটো সি মানি ল'বলৈ ধৰিলে।

সি লাহেকৈ বিছনাত বাগৰ দিলেহি। চিল্‌মিলকৈ তাৰ টোপনি আহিবলৈ ধৰিলে। সি দেখিবলৈ ধৰিলে — সি গেৰুৱা বসন পিন্ধি দুৰ্গম ঠাই এডোখৰৰ মাজেৰে গৈ আছে। —তাৰ হাতত অদ্ভুত ধৰণৰ লণ্ঠন এটা জ্বলি আছিল। ঠাইডোখৰৰ নিৰ্জনতাই হঠাৎ তাক ভয় খুৱাই দিলে। সি পিন্ধি থকা গেৰুৱা বসনযোৰৰ পিনে চালে। ভয় খাই চিএৰ মাৰিব খোজোঁতেই খক্‌মককৈ সি সাৰ পাই গ'ল।দুৱাৰডলিত জ্বলি থকা চাকিটোৰ পিনে চাই সি বিছনাৰ পৰা উঠি বাহিৰলৈ ওলাই গ'ল। মাক তেতিয়াও শুই আছিল। ফৰিংফুটা জোনাকত চোতালখন আলোকিত হৈ উঠিছিল। বুন্দিয়াৰ লাৰুৰ ঠোঙাটো চোতালৰ এচুকত থকা শিলচটাৰ ওপৰতে তেতিয়াও পৰি আছিল। সি ঠোঙাটোৰ কথা সমূলি পাহৰি গৈছিল। চোতালৰ মাজতে মেকুৰী এটা থিয় দি আছিল। তাৰ চকু দুটা ট ট কৈ জিলিকি উঠিছিল। ৰাখালে যেন নিজৰ ভৱিষ্যতটো দেখিবলৈ ধৰিলে,— পৰীক্ষা বেয়া হোৱাৰ পাছত তাৰ হাইস্কুলীয়া শিক্ষা হয়তো সপ্তম শ্ৰেণীত শেষ হ'ব।... ঘৰৰ পৰিবেশ দিনক দিনে বেয়া হৈ আহিব লাগিছে, দেউতাকে নিয়মীয়াভাৱে ঘৰত পইছা নিদিয়া হৈছে...।

এক ভয়ানক বিপদৰ আশংকাই ৰাখালৰ সৰ্বসত্তা কঁপাই তুলিলে। তাৰ অন্তৰৰ অন্তৰতম প্ৰদেশত কিবা এটা গুমৰি উঠিল, — সি চিৰজীৱনৰ বাবে কিবা এটা হেৰুৱাব খুজিছে। .... তাৰ জীৱনৰ পৰা কিবা এটা নাইকিয়া হৈ যাব লাগিছে।

সি ক্ৰুছবিদ্ধ মানুহৰ দৰে বুকুৰ ওপৰত হাতখন থ'লে।

কুল শইকীয়া

সময় সন্ধ্যা

সিহঁতৰ চিঠি

সময় সন্ধ্যা

হঠাৎ কেতিয়াবা ৰাস্তা-পদূলিত মুখামুখি হ'লোঁ, সৌজন্যসূচক কিবা এটা-দুটা কথা, সম্বোধন, তাৰ পিছত ব্যস্ততাৰে আঁতৰি পৰিলোঁ —ঠিক এনেধৰণৰ এক ফৰ্মেল সাক্ষাতৰ কথা, মই নিশ্চয় কোৱা নাই —

— অন্য কিবা?

— এই ধৰা আড্ডা — এক নিৰৰ্থক আড্ডাৰ খেল জমি উঠিছে, ডেকাসকলৰ কথাৰে আঁৰ-বেৰ নোহোৱাকৈ মেহফিল জমাইছোঁ, নাই কোনো সময়ৰ বাধ্যবাধকতা, নাই কোনো স্থানৰ সতৰ্কতা — এনেয়ে ধৰা, জাষ্ট যব ফান, স্ফূৰ্তিৰ বাবে সকলো, টাইমপাচ — বিভিন্ন কথা, গাজাখুৰী গল্প, পলিটিক্স, চৰিত্ৰহনন — নিৰ্মোহ, নৈৰ্ব্যক্তিক—এনেহেন ধাৰণা!

— হেঃ হেঃ

তেওঁ লগোৱা দাঁতকেইটা আগৰ জাগাত আকৌ এবাৰ হেঁচি দিলে, ছিটিকি পৰা থুৰ টুকুৰা পৰিল সমুখৰ ঘাঁহনিত —লজ্জা-চৰমৰ কথাই নাই, এইটো বয়সত, এনে কথা কি হ'ব নোৱাৰে!

—সেইবোৰৰ এতিয়া কোনো স্কোপ নাই, হয়তো কিবা আছিল যদিও নিজেই শেষ কৰি থ'লোঁ।

—কোনবোৰৰ?

— এই যে ক'লোঁ এক স্ফূৰ্তিৰ আড্ডা, বেফিকৰ টাইমপাচ!

— আইডিয়াটো ভাল, এনে ধৰণৰ কাণ্ড-কাৰখানাই হেনো মানুহৰ জীৱনশক্তি বঢ়ায়, জীয়াই থকাৰ প্ৰচণ্ড স্পৃহা বাঢ়ে—পঢ়া-শুনাত তোমাৰ হ'বলা কোনো ধৰণৰ সমস্যা আহি পৰা নাই। আগৰ পৰাই সেই অভ্যাসটো তুমি চলাই ৰাখিছা, গুড্ থিং, ভাল কথা —অন্ততঃ সময় তেনেদৰে কাটি যোৱাৰ এক দীৰ্ঘম্যাদী পৰিকল্পনা তুমি লৈ পেলাব পাৰা —

নিজৰ মূৰৰ ওপৰলৈ তেওঁৰ হাতখন গ'ল, আঙুলিৰে ঠাণ্ডাকৈনি পিছি চালে, উপলব্ধি হ'ল চৰাইৰ বিষ্ঠা ই হ'ব নোৱাৰে — এনে এক নিশ্চিত সিদ্ধান্তৰ পিছত তেওঁৰ চুলিহীন মূৰৰ ভিতৰত বিশ্লেষণ ঘটিব ধৰিলে হঠাৎ ওপৰৰ পৰা পতিত

জলটোপালৰ উৎস স্থল কি হ'ব পাৰে?

— বৰষুণৰ টোপাল হ'বলা? আচৰিতভাবে আবতৰীয়া—

— হ'ব পাৰে কুঁৱলিৰ টোপাল, এই ধৰা, ওপৰৰ থৈৰা গছৰ ওপৰত কুঁৱলিৰ চামনি ঘনীভূত হ'ল, তাৰ পিছত পানীৰ টোপাল।

তেওঁ পতিয়ন নগ'ল যে তেনে কিবা এটা কাণ্ড ঘটিছে, কাৰণ এনে সময়ত কুঁৱলিৰ প্ৰকোপ বঢ়াৰ নজিৰ যোৱা পঞ্চাশ বছৰে চহৰখনত হোৱা নাই, আজি হঠাৎ এনেদৰে কুঁৱলি পৰিব, গছৰ পাতৰ পৰা টোপাটোপে পানীৰ টোপাল সৰি মানুহৰ মূৰত পৰিব।

— হ'বও পাৰে, এই যে মানুহে কোৱা-কুই কৰিছে, গ্ৰীণ হাউছ এফেক্ট, পলিউশ্যন, অ'জন গেছৰ স্তৰত ধ্বংস কাৰ্য—এইবোৰ ফলত যা-তা কিবা এটা নিশ্চয় ঘটি আছে এনেয়ে আৰু ইমানবোৰ—

তেওঁ ঘাঁহৰ ওপৰত থিয় হ'ল, পেন্টৰ পিছফালে সেমেকি উঠিছে, হয়তো কুঁৱলি পৰিবলৈ আৰম্ভ কৰিছেই—তেওঁৰ ভাব হ'ল।

—বঢ় এইখিনিয়ে ঠিক ঠাই, অন্ততঃ কাৰোবাৰ মস্তিষ্কত খেলালে যে এখন ছাঁ দিয়া চালিৰ প্ৰয়োজন হ'ব পাৰে, আচলতে বৰ জৰুৰী, যিটো এতিয়া মই উপলব্ধি কৰিছোঁ —

তেওঁলোক দুয়ো ইতিমধ্যে ঘাঁহৰ পৰা উঠি আহি টিনেৰে সজাই থোৱা ঘূৰণীয়া চালিখনৰ তলত পকা কৰি থোৱা বেঞ্চখনত বহিলহি। সেমেকা ভাব প্ৰকট হৈ উঠিছে, মাজতে দুই-এটোপাল পানী টিনত পৰাৰ শব্দ ওলাল—দুয়ো ভাবিলে যে বৰষুণ, নিয়ৰ, কুঁৱলি, পক্ষীবিষ্ঠা—যিয়েই নহওক সেইবোৰৰ ওপৰত আৰু কোনো বেহেস্ত চলিব নোৱাৰে, কাৰণ এনে এক সিদ্ধান্ত প্ৰবেবিলিটিক, সাম্ভাব্য কথাৰ সমতুল্য হ'ব।

দুয়োজনৰ দৃষ্টিগোচৰ হ'ল যে কোনোবাই জ্বলি থকা জুইকুৰাত লাঠি এডালেৰে খোচা মাৰি দিছে, দ্‌পদপ্‌কৈ জুইৰ শিখা বাঢ়ি গ'ল, আকাশ ধৌত কৰি ভৰি গ'ল কুকুহা, অ'ত-ত'ত ছিটিকি পৰিল ৰঙা অঙঠা আৰু জুইৰ ফিৰিঙতি।

— সেই যে মানুহজন, ধৰিব পাৰিছা—আমাৰ বাওঁফালে আঁহতজোপাৰ গাত হেঁচা দি আঁক-বাঁক থকা চোলা, এখন হাতৰ বুটাম খোলা, ক'লা বা গাঢ় নীলা ৰঙৰ পেন্ট হ'ব পাৰে—

—কোনবা?

— মই জানিছোঁ তুমি ধৰিব পৰা নাই।

— গধূলিৰ এনে সময়ত মানুহ চিনাটো অলপ কষ্টকৰ হৈ পৰিছে, ভালে কেইবছৰৰ পৰা সমস্যাটোৱে লগ দিছে—চশমা আৰু ক'ত বদলাবা, হয়তো পুৰণা ফ্ৰেমতে নতুন পাৱাৰৰ লেন্স লগাই ল'ব পৰা যায়—তথাপি আৰু ইমান ভৰা নাই, এনেদৰেই চলি যায়।

হঠাৎ সান্ধ্য পোক এটা উৰি আহিল, তেওঁৰ চকুৰ পটাত খুন্দা মাৰিলে, তেওঁ কৈ উঠিল—উস্, আৰু পেন্টৰ জেপৰ পৰা ৰুমাল উলিয়ালে, মুখৰ গৰম বাষ্পৰ

সেক দিলে ৰুমালৰ জাপত আৰু সেইখনকে তেওঁ আঘাতপ্ৰাপ্ত চকুটোৰ ওপৰত হেঁচি ধৰিলে।

—আৰাম পালা নে?

— ওঁ?

— ৰক্ষা! কেতিয়াবা এনেদৰে চকুৰ ৰেটিনাতো আঘাত লাগি যায়, অৱশ্যে এতিয়া বহুত চকুৰ বেমাৰ ভাল কৰাৰ নতুন আদৱ-কায়দা ওলাই গ'ল—এই ধৰা লেজাৰ ৰশ্মি ব্যৱহাৰ কৰা—আৰু কত ন-ন কিটিপ। দুৰৰাই অলপতে বাহিৰলৈ গৈ কিবা এটা কৰি থৈ আহিল, এতিয়া চকুৰ দৃষ্টি হেনো ফং ফং —

তেওঁ ধৰিব পাৰিলে যে দুৰৰা বুলি কোৱাত চিনাকি চিনাকি ভাবৰ পৰিৱেশ এটা আহি পৰা নাই। অতএব, পুনৰ ক'লে, সেই যে গছডালৰ গুৰিৰ মানুহজন। বুজিছা, তেওঁ মোতকৈ দুবছৰৰ ওপৰৰ ক্লাছত পঢ়িছিল, একে স্কুল, একে বাস্তাৰে অহা-যোৱা কৰোঁ, পঢ়াতো মধ্যম ধৰণৰ বুলিব পাৰা! পিছে, তুমি আচৰিত হ'বা যে মোতকৈ পাঁচ বছৰৰ পিছত তেওঁ পেঞ্চন পালে—ঠিক বছৰ, জন্মদিন, কোষ্ঠী সকলো কিবা মেনেজ কৰাৰ লেখীয়া কথা হ'ল—আজিকালি যেনেদৰে ধৰা তুমি ইচ্ছা কৰি ঠিক কৰি লৈছা তোমাৰ জন্মিব লগা সন্তানৰ জন্মক্ষণ, ভাল ৰাশি, গ্ৰহ-নক্ষত্ৰৰ মংগলজনক দৃষ্টি প্ৰাপ্তিৰ ব্যৱস্থা তুমি নিৰূপণ কৰি লোৱা —যিটো কাম জ্যোতিষীৰ ঘৰত নহৈ কম্পিউটাৰৰ জৰিয়তেও কৰি ল'ব পাৰা —তাৰ পিছত তুমি কোৱা ডাক্তৰক, চাওক মোৰ সন্তানৰ বাবে শুভ জন্মলগ্ন এইটোৱেই হোৱা উচিত—আৰু বচ্, তুমি মহৎ প্ৰতিভাসম্পন্ন এক শিশু হাতত লৈ হাস্পতালৰ পৰা উভতি আহা —

কথা সম্পূৰ্ণভাবে শেষ হোৱাৰ আগতে দুয়োজনৰ ভাব হ'ল যে এই সম্পৰ্কীয় বিস্তৃত আলোচনাৰ গতি ইমানতে স্তিমিত হওক। ইতিমধ্যে দুই-এজন মানুহ ঠাই এৰি লাহে লাহে উভতিবলৈ লৈছে, বিশেষ কথা-বাৰ্তা তেওঁলোকৰ মাজত হোৱা নাই, বিমৰ্ষ ভাবত এক স্পষ্ট ছবি তেওঁলোকৰ মুখত ফুটি উঠিছে।

— শেষলৈকে থাকিবা নেকি?

— ওঁ

— ঠিকেই, অন্য কাম কৰাৰ এতিয়া হাবিয়াসেই বা ক'ত?

বতাহৰ কোনত ধোঁৱাবোৰ এতিয়া এইফালে আহিছে, নাকে-মুখে এক বিচিত্ৰ গোন্ধৰ ভাব আনি দিছে। লাহে লাহে আহি পৰা সেমেকা ভাব ধোঁৱাৰ উখ্যাত লয় পাইছে—কিছুপৰ আগলৈকে জংঘলৰ ফালৰ পৰা অহা বনৰীয়া ফুলৰ সুঘ্ৰাণ সম্প্ৰতি নাইকিয়া হৈ পৰিছে।

— দুৰৰাৰ দেহলৈ এতিয়াও বয়সৰ প্ৰভাৱ অহা বুলি ক'ব নোৱাৰি। চুলিবোৰ প্ৰায় ক'লাই, সুন্দৰকৈ চুচি-মাজি ঠিক কৰি থোৱাৰ প্ৰয়াস, শাৰ্ট-পেন্ট এতিয়াও তেওঁৰ ষ্টাইলিচ, ফেচনযুক্ত!

— বেমাৰ-আজাৰো হয়তো তেনেকৈ নাই—নীতি-নিয়মত চলা হ'ব পাৰে, আমাৰ নিচিনা ঠিক উদণ্ড স্বভাৱৰ হয়তো তেওঁ ডেকাকালৰ পৰাই নাছিল।

— হেঃ হেঃ

তেওঁৰ হঁহাৰ গূঢ় অৰ্থ উদ্ধাৰ কৰাটো সহজ কথা নহ'ল।

— একেই, আমাৰ দৰেই তেওঁৰো লাইফষ্টাইল বহেমিয়ানেই আছিল। হোষ্টেলত চাৰিটা বছৰত তেওঁক ওচৰৰ পৰাই দেখিছিলোঁ—জুৱা-বিলাতী পানী আৰু কিবাকিবি—চব চলিছিল, তাৰ পিছত চাগে' ডাক্তৰ-কবিৰাজৰ কথাত গতি লাগিছে—জীৱনত কিবা এক নীতি-নিয়মৰ তাগিদা নামিছে। মাজতে বোধহয় মেডিটেশ্যন জাতীয় কিবা এটা কৰিছিল, শুনা কথা—তাৰ পিছত হয়তো এনেধৰণৰ এক সুস্থ মন, স্বাস্থ্যবান দেহ—

—হ'ব পাৰে! আমাৰ লগৰো বহুতে এনেধৰণৰ কিবাকিবিত নামিছে বোলে, অৰ্থ একেটাই এক দুৰন্ত জীৱনৰ লম্বা আকাংক্ষা।

তেওঁ এনেদৰে বিষয়টো শেষ কৰি দিয়াৰ কথা নিশ্চয় ভাবিলে, কাৰণ কথাখিনি কৈয়েই তেওঁ সমুখত জ্বলি উঠা গোলাকৃতিৰ নিয়ন লাইটটোলৈ চালে আৰু ক'লে ঃ ঘৰৰ আগৰ ৰাস্তাত লাইটবোৰ বহুদিন জ্বলাই নাই, তথাপি যে শ্মশানঘাটৰ এইবোৰ জ্বলি উঠিছে, কিবা এক শান্তিৰ কথা—অন্ততঃ চিতাত উঠাৰ আগৰ পোহৰকণাৰ চুম্বন বুলি ক'ব পাৰা।

—হেঃ হেঃ!

এইখিনি কথাত হঁহাৰ হয়তো বিশেষ কোনো কাৰণ নাছিল, কিন্তু তেওঁ হাঁহিলে—

এনে লাগিল ষ্ট্ৰীট লাইটবোৰ এটা সময়ত জ্বলি উঠাৰ কল্পনাৰে তেওঁ হাঁহিছে। তেওঁৰ ঘৰৰ আগৰ লাইটবোৰ বহুদিন জ্বলা নাই, আচলতে সেইবোৰত বিজুলী বাল্ববোৰ আছে নে নাই তেওঁ নিজেই নিশ্চিত নহয়, তথাপি, প্ৰতি সন্ধ্যা হোৱাৰ সময়ত তেওঁ ঘৰৰ বাৰাণ্ডাৰ চকীত বহে, সমুখত চেনি নিদিয়া চাহৰ কাপটো লয়, নিমখীয়া খমখমীয়া বিস্কুটত কামোৰ মাৰে, চকুৰ চশমাযোৰ খুলি বাহিৰলৈ চাই হঠাৎ ৰাস্তাৰ লাইটবোৰ জ্বলি উঠিছে, পোহৰৰ চাৰিওফালে পোক-পতংগবোৰৰ কুণ্ডলীৰ সৃষ্টি হৈছে, ওচৰতে ক'ৰবাত বিজুলীৰ তাঁৰত লাগি ধৰি বিকৃত চিঞৰ মাৰিছে বাদুলিয়ে, বা তেওঁ ওলাই যাব খোজা পথটোৰ খলা-বমাবোৰ পৰিস্ফুট হৈ উঠিছে, সেইবোৰৰ ওপৰেদিয়েই দীপুৰে খোজকাঢ়ি, আহোঁতে তাৰ ভৰি-হাতত খুন-আঘাত হোৱা নাই— কিন্তু তেওঁ গম পায় যে লাইটবোৰ নজ্বলে, অন্ততঃ জ্বলি উঠাৰ কোনো আশাও সম্প্ৰতি কৰাটো এক অবাস্তৱ কথা, তেওঁ এতিয়া অনুভৱ কৰিছে যে ৰাস্তাৰ পোহৰবোৰ নেথাকিলেই তেওঁৰ মান ৰাছি যায়, দীপুৰ অসংলগ্ন খোজ, অশ্লীল শব্দৰ গালি-গালাজবোৰ আন্ধাৰত ডুবি জাহি অদৃশ্য হৈ পৰে—আৰু তেওঁ ভাবি ল'ব পাৰে যে আন্ধাৰত দীপুক কোনেও দেখা নাই, আৰু কোনো পথিকে ৰাস্তাৰ পৰা মন কৰা নাই যে তেওঁ বাৰাণ্ডাৰ আন্ধাৰ চুকত এতিয়া চকী এখন পাৰি বহি আছে, সমুখত ঠাণ্ডা হৈ যোৱা চাহ, বিস্কুটৰ গুৰি আৰু চিগাৰেটৰ ধুম্ৰ কুণ্ডলী, কোনেও তেওঁক ৰাস্তাৰ পৰা চিঞৰি প্ৰশ্ন কৰা নাই, তেওঁৰ অসাৰ্থক জীৱনৰ প্ৰতি ইংগিত কৰা নাই। আগতে

বহু সন্ধ্যা তেওঁ নিবিচৰাকৈয়ে সমুখৰ ৰাস্তাৰ বিজুলী লাইটবোৰ জ্বলি উঠিছিল, নির্বিকাৰ-নিশ্চিন্তে ভ্রমণৰত মানুহে তাত কদমত চলিছিল, ল'ৰা-ছোৱালীৰ জুমে মন্থৰ গতিত চলাচল কৰি তেওঁক মনত পেলাই দিছিল ঋতু পৰিবৰ্তনৰ কথা অক্টোবৰ-নৱেম্বৰৰ শীতৰ সেমেকা ভাবৰ কথা—অথচ তেওঁৰ ঘৰত ইচ্ছাকৃতভাবে তেওঁ নুমুৱাই থৈছে গোটেইবোৰ পোহৰৰ উৎস, হয়তো ভিতৰৰ সক কোঠা এটাত সোমাই থাপনাৰ আগৰ তেলৰ চাকিগছ মাথোঁ ক্ষীণ আভাবে জ্বলি আছে, যিয়ে তেওঁৰ ঘৰটো, তেওঁৰ অৱস্থান, সংসাৰ সকলো জনমানসৰ পৰা অদৃশ্য হৈ পৰাত অকণো বাধা দিব পৰা নাই—আৰু তেওঁ বাবাগুৰ এচুকত বহি ৰেডিঅ'ত শুনি থকা ধ্রুপদী সংগীতৰ লয়ৰ তালে তালে কাণ টৌৰাইছে দীপুৰ কুশ্ৰাব্য শব্দৰ গতিলৈ। বাহিৰত লাইট নহ'লেও বহুতো সমস্যা কমি যায়, তেওঁ ভাবিছে আৰু চিগাৰেটৰ ধোঁৱা ওপৰলৈ এৰি দিছে—বাবাগুৰ মৃদু বতাহে সেইবোৰ উৰুৱাই নিছে।

—দুৰৰা গ'লগৈ হ'বলা?

—বোধহয়। হঠাৎচোন নেদেখা হ'লোঁ, হয়তো গছডালৰ সিপাৰৰ চালিখনৰ তলত সোমাল, তাতো কেইবাজনে গল্প-গুজব কৰিছে, আচলতে ঠাকুৰীয়াৰ অনুগামী কিছু আছিল—একে বয়সত বাদে দুই-এক নতুন জেনেৰেশ্যনৰ কম বয়সৰ মানুহৰ স'তেও তেওঁৰ ভালেখিনি মিলা-মিছা আছিল—ফলত তেনে ধৰণৰ মানুহখিনিও আহিছে—অন্ততঃ এনে সময়ত শেষ দর্শন, শাস্ত্র নে কিবাকিবি পুথিত আছেই হ'বলা, শেষ যাত্ৰাত দেখা দিলে পুণ্য হয়।

ইমান দীঘলকৈ কথাখিনি তেওঁ নক'লেও হ'লহেঁতেন, কিন্তু আমাৰো আৰু অগা-পিছাকৈ সময় আহি আছে, নে কি কোৱা?

—বচ্, যাত্ৰা আৰম্ভই বুলিব পাৰা, ঠাকুৰীয়াই ফিটা কাটিলে যেতিয়া। আমাৰ লগৰে ধৰা—এবছৰ-দুবছৰৰ ইফাল-সিফাল, তেজ-পানীয়ো ঠিকে আছিল, হঠাৎ হেনো শেষ—কোনো আগজাননী নাই, চিকিৎসাৰ কোনো কথা নুঠিল—যাম বুলিলে গ'লেই, বা এনেদৰেও ক'ব পাৰা ডাক আহিল, তেওঁ গ'ল বা অফিচিয়েল অৰ্ডাৰ আহিল, তেওঁ 'ইয়েচ ছাৰ' বুলি চাহাবী মেজাজত হুকুম পালন কৰিলে।—চৰতে এক ষ্টাইল আছিল।

তেওঁ এইবাৰ মন্তব্যৰ কোনো বক্তব্য ৰাখিব লাগে বুলি নাভাবিলে আৰু সেয়ে মুখেৰে 'ওঁ' বুলিয়ো নক'লে, বৰং বাওঁফালে মূৰটো ঘূৰাই কাষৰ বেঞ্চখনত বহি থকা মহিলাগৰাকীৰ ফালে চালে, নাতিশকত মানুহজনীয়ে চকুৰ চশমা খুলিছে, হাতৰ বেগৰ পৰা ৰুমাল উলিয়াই চকুৰ কোণ দুটা মচি পেলাইছে, তাৰ পিছত মৃদুভাবে চশমাৰ আয়নাত ৰুমাল ঘঁহিছে, কাষৰ আগবয়সীয়া মানুহজনৰ কাণে কাণে কিবা এটা কৈছে, যিটো ইমান দূৰৰ পৰা তেওঁৰ কাণত পৰা নাই।

—গাঁৱৰ ঘৰলৈ যোৱা হয় নে মাজে-সময়ে? এই ধৰা, বিহু, সকাম বা কিবা তেনেধৰণৰ সমূহীয়া উৎসৱত যেতিয়া আশা কৰিব পাৰা টাউনত থকা পৰিয়ালবোৰ গাঁৱলৈ উভতি যায়, তীৰ্থযাত্ৰীৰ দৰে, তেনেধৰণৰ কিবা এক সময়ত?

—মাজে-সময়ে।

তেওঁ তিমানতে কথাবাৰ শেষ কৰি থ'লে আৰু ভাবিলে যে কিছুমান বিষয়ক কথা-বাৰ্তাৰ হঠাৎ আৱিৰ্ভাৱে বহুত চিন্তা-চৰ্চা মনলৈ আনে যিবোৰ আচলতে পৰিহাৰ্য বিষয়।

—বাদেই পৰিল, এতিয়া আৰু কোনো সম্পৰ্ক নাই বুলিয়ে ক'ব পাৰা, হয়তো মনৰ কোনোবাখিনিত এখন অস্পষ্ট ছবিৰ খেৰীঘৰ দুটা আছে, ভোটোৰা গছৰ বেৰে ঘৰৰ সীমাৰ শোভা বঢ়াইছে, দুই-এডাল অ'ত ত'ত কাথান্দা ফুল, সমুখত শেৱালিৰ মৰা ডাল, কাকিনী তামোলৰ লেংলেঙীয়া চেহেৰা, বাৰীৰ ফালে পাৰ নথকা পুখুৰী আৰু কিবাকিবি গছ, তৰু, তৃণ—ঠিক নামবোৰ মনত নাই, সিহঁতৰ ছবিবোৰ মনত আছে, ৰংবোৰ মনৰ ভিতৰত ক'লা-বগা ছবিৰ দৰে —ঠিক যেন ধৰা এটা সপোন আৰু সপোনৰ স'তে কিবাবিকি অস্পষ্ট ছায়াছবি—তাৰ মাজে মাজে হঠাৎ খুলি পৰা বুটামহীন হাফপেণ্ট পৰিহিত এটা ন-দহ বছৰীয়া ল'ৰা, হাতত সূতাৰে বান্ধি ৰখা জিয়াঁ—এই উৰোঁ, এই উৰোঁ—

নক'ম বুলি ভাবিলেও তেওঁ হঠাৎ কৈ পেলালে ইমানবোৰ কথা—এনে লাগিল এইমাত্ৰ যেন তেওঁ এখন পুৰণি, বহুদিন আগতে চোৱা চলচিত্ৰ এখনৰ বিভিন্ন প্ৰেমৰ খটবোৰ এটা এটাকৈ আঁওৰাই গ'ল আৰু চিনেমাখনৰ নায়ক তেওঁ নিজেই। লজ্জা লাগিল অকস্মাৎ তেওঁৰ, সেয়ে ক'লে ঃ পুৰণি কথাবোৰকে লৈ মানুহ জীয়াই থাকে হ'বলা—উশাহ, খাদ্য, পানী, বতাহ—এইবোৰ এতিয়াৰ, বাকী সকলোবোৰ আগৰ, বুজিছা।

মন কৰিলে যে তেওঁৰ কথাৰ ওপৰত বিশেষ কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হোৱা নাই, এই ভাবটোৱে তেওঁক সুখী কৰিলে নে অসুখী কৰিলে তেওঁ নিশ্চিত নহ'ল। হয়তো তেওঁ বহুত কথাই এই সময়ত কৈ দিয়াৰ পক্ষপাতী আছিল, যেনে তেওঁ সঘনাই চিন্তা কৰি আছে মহানগৰীৰ মাটি-ঘৰ এৰি তেওঁ গাঁৱৰ সেই অস্তিত্বহীন ঘৰটোলৈ ফিৰি গৈছে, য'ত তেওঁ ইতিমধ্যে এৰি থৈ আহিছে প্ৰাইমেৰী স্কুলৰ অফলাৰ কিতাপ, শ্লেট, পেঞ্চিল, হাইস্কুলৰ ফটা চেণ্ডেলৰ, চোলা-পেণ্ট—এইবোৰ তেওঁ নেপায়, কিন্তু হয়তো পাই যাব পাৰে ঘৰৰ পিছফালৰ নদীখন, গা-ধোৱা ঘাট, ঝাবনৰ জোপোহা যদিহে নদীখনৰ সুঁতি বদলা নাই বা ডাঙৰ পথাৰখনৰ সিমূৰে থকা শান্ত-নীৰৱ শ্মশানখন আগতে যিখন তেওঁৰ বাবে শংকা-আতংকৰ ঠাই আছিল, এতিয়া তেওঁৰ বাবে সি হৈ পৰিব এক নিৰ্জনতাৰ সংগী, শান্তিময় পীঠ—আ-হা!

ইমানবোৰ মনৰ কথাও কি কৈ দিব পৰা যায়?

—ল'ৰাৰ খবৰ পোৱা নে? মাজে-সময়ে?

—ওঁ!

ধপকৈ জুইৰ মাজত শব্দ উঠিছে, কোনোবাই কৈছে খৰিবোৰ শুকান নহয়, জুইকুৰা ভালদৰে জ্বলা নাই, শেষ হওঁতে টাইম লাগিব।

তেওঁ কৈ উঠিল হঠাৎ অনিয়ন্ত্ৰিতভাৱে—টাইমপাচ!

আৰু তাৰ পিছত তেওঁ নীৰবে থাকিল কিছু সময়।

—ডাঙৰ ডাঙৰ চহৰত এতিয়া এনেবোৰ কৃত্য বিজুলী শক্তিৰে শেষ কৰি দিয়া হয়, টাইমো কম লাগে, বাকী নীতি-নিয়মবো সিমান জটিলতা নাই, মুঠ কথাত এক সুবিধাৰ ব্যাপাৰ—ইউজাৰ ফ্ৰেণ্ডলি মানে ধৰা ব্যৱহাৰকাৰীৰ বাবে সুবিধাজনক কাৰবাৰ এটা।

আমাৰ সময়ত এনেবোৰ ব্যৱস্থা হৈ যাবও পাৰে। কোনোবাই তেনে কাম এটা স্প'নছৰ কৰি দিলে, বচ্, কথাই নাই, এই যেনেদৰে শব কঢ়িওৱা গাড়ীখন, জুই জ্বলোৱা পকীৰ ঘেৰাটো, মানুহ জিৰোৱা চালিকেইখন—তুমিয়ো বহু দূৰলৈ ভাবি পেলাইছা।

ঠিকেই, গম নোপোৱাকৈয়ে তেওঁ বহু দূৰলৈ চিন্তা কৰিছে, অৱশ্যে এনে ধৰণৰ চিন্তাত কোনো ক্ষতি নাই, মগজুৰ কোষবোৰৰ এক আৱশ্যকীয় অনুশীলন এনেদৰেই অভাৱনীয় আৰু অপ্ৰত্যাশিতভাৱেই ঘটি যায়। তেওঁ আজিকালি সেয়ে মানসিক কছৰৎ কৰাত গুৰুত্ব দিছে, যিবোৰ কথাৰ স্পষ্টতঃ ব্যৱহাৰিক দিশ তেওঁ দেখা পোৱা নাই তেনেবোৰ কথায়ো তেওঁ ভাবি পেলায়, মনৰ চৌদিশৰ দুৱাৰ খুলি দিয়ে মহাশূন্যত মেলি দিয়ে অনিৰ্দিষ্ট মনৰ গতি, নেবুলা, গ্ৰহাণুপুঞ্জ, উল্কাপিণ্ডৰ পিছে পিছে সি গতি লয়, কেতিয়াবা আগত, কেতিয়াবা পিছত, আৰু তেওঁ ভাবি চায়, বচ্, ইয়াৰ পিছত কি মানুহ, পৃথিৱী, সূৰ্য, তৰা, বতাহ, শূন্য আৰু তাৰ পিছত কি? ক'ত তেওঁৰ স্থান? হোৱাট আফটাৰ দিছ?—হয়তো, এভৎ ততো ভৱতি তাৰ পিছত এই হয়—কি হয়? —আকাশ শৰীৰং ব্ৰহ্ম—আকাশৰ দৰে বিমূৰ্ত শৰীৰ মোৰ সত্যাত্মাত একীভূত হয়।

—দুৱৰাৰ কাষৰজন ৰৰা —তোলন বৰা। ঠাকুৰীয়াৰ লগৰ, একেলগে সন্ধ্যা ভ্ৰমণত মাজে মাজে পাইছোঁ, শ্বাসৰ বেমাৰ কিবা এটা আছে, মাজতে বাহিৰতো দেখুৱাই আহিছে, সিদিনা হঠাৎ লগ পাওঁতে কৈছে, সময় আহিছে, বাছি থকাৰ নামতহে আছোঁ, অন্যথা আমাৰ দৰে মানুহৰ উপযোগিতাৰ সীমা পাৰ হৈ গৈছে, ম্যাদ উকলি যোৱা দৰবৰ বটল বুলি ল'ব পাৰা, কামত নাহে, ক্ষতিকাৰক কিন্তু নিশ্চিতভাৱে হয়।

—হেঃ হেঃ ...

হাঁহিটো বিকৃত হ'ল শেষৰ ফালে।

—দুৱৰাৰ ল'ৰা-ছোৱালীৰ চৰৰে ভালেই, কামে-কাজে সোমাই পৰিছে, নিজেও প্ৰৌঢ়ত্বৰ ভাবুকিৰ পৰা আঁতৰত আছে।

মন নগ'লেও তেওঁ দুৱৰাৰ পিনে কেৰাহিকৈ আকৌ এবাৰ চাই ল'লে। ঠিকেই, তৰুণ্যৰ চমকনি, কৃত্ৰিমভাৱেই হওক লাগে, ধৰি ৰাখিছে—সেইটোও এটা ডাঙৰ কথা, যিটো, তেওঁ নিজে কৰিব পৰা নাই। হয়তো টাউন চহৰৰ পৰিবেশ পানী-বায়ু- ট্ৰেফিক, পলিউশ্যনে—মুঠ কথা মহানগৰীৰ জীৱনৰ দৈনন্দিন হাঈা-কোৰ্হাল এইবোৰৰ বাবে দায়ী, কিন্তু তেওঁতো ইচ্ছা কৰিলেও এইখন ঠাই এৰি গাঁৱলৈ উভতি যাব নোৱাৰে, ইয়াৰ স'তে তেওঁৰ অনিচ্ছাকৃতভাৱেই এডাল শৃংখলেৰে বান্ধ খাই পৰিছে। ধৰাই হয়তো কোনোবা দিনা সিদ্ধান্ত লৈছে, বিশেষ একৰৰৰি জীৱনে তাক আমুৱাইছে।

টকা-পইছা, গাড়ী-ঘোঁৰা, কাম-কোম্পানী, টেকনোল'জি, সুখ-স্বাচ্ছন্দ্য— এই আটাইবোৰে তাক কৈছে তুমি দেশৰ মাটিলৈ ফিৰি যোৱা, ইয়াত একো নাই, মাথোঁ প্ৰযুক্তিৰ ক্ৰূৰতা, গতিৰ অপ্ৰতিৰোধ্য প্ৰতিযোগিতা—এইবোৰেৰে কি মানুহে এনেদৰে চলি যাব পাৰে—শেষৰ উশাহখিনিলৈকে? অসম্ভৱ—ধ্ৰুৱই ভাবিছে, আৰু সি বোৱাৰী-নাতিৰ স'তে উভতি আহিছে, এইখন চহৰৰ ঘৰটোতে, যিটোত সি জন্মিছিল, খেলিছিল—ঠিক সেইঘৰটোলৈ সি উভতি আহিছে, কৈছে — ভালেই কৰিলা, ঘৰটো—মাটিখিনি ৰাখি থৈ! আৰু এনে এক দুৰাশাৰ পিছত দৌৰি তেওঁ চহৰৰ মাটি ঘৰ পহৰা দি আছে, পুত্ৰৰ গৃহপ্ৰত্যাবৰ্তনৰ বাবে তেওঁ এইখিনি নিশ্চয় কৰি থকাটো বাঞ্ছনীয়, এজন পিতৃৰ দায়িত্বতো এইবোৰতে নিহিত হৈ থাকে।

মুখেৰে তেওঁ গম নোপোৱাকৈয়ে এটা হুমুনিয়াহ ওলাই আহিছে যদিও তেওঁ সেইটোৰ পৰা কোনো অলাগতিয়াল শব্দৰ সৃষ্টি হ'ব নিদিলে, মুখৰ ভিতৰতে তাক গিলিপ লগাই নিঃশেষ কৰি পেলালে—আৰু তেওঁ মনৰ অন্তৰ্ভাগৰ কোনোবাখিনিত ৰজনজনাই যোৱাকৈ আকৌ শপত খালে যে তেওঁ ধ্ৰুৱৰ মৰমৰ বাবে অন্ততঃ গাঁৱৰ পুৰণি শিপাৰ ওৰ বিচাৰি উভতি নেযায়, সেই ঘৰ-মাটি, হাবি-বন, ৰাস্তা-পদূলি আনকি শ্মশানথনৰ সংগও তেওঁ এৰি দিবলৈ সাজু হৈছে, কাৰণ তেওঁ জানে যে ধ্ৰুৱইত ইয়ালৈ উভতিৰ কাৰণ ধ্ৰুৱক মই মেচিনতকৈ মানুহ ভাল পাবলৈ শিকাইছোঁ, যিবোৰ তেজপানীৰ মানুহ, যাৰ একোটামন থাকে, মগজুত এনে কিছু নিউৰণ থাকে যিয়ে শৃংখলাবদ্ধভাৱে চিন্তা কৰিব পাৰে, মানুহৰ মাত-কথা যিয়ে হৃদয়ংগম কৰিব পাৰে বতাহৰ গতিৰ দিশ বদলি পাৰত, হঠাৎ তেওঁৰ নাকৰ পৰা কুৎসিত মঙহ পোৰাৰ দুৰ্গন্ধময় আবেশ আঁতৰি পৰিল, তেওঁৰ ঘ্ৰাণশক্তিত নতুন ধৰণৰ সুগন্ধিৰ সঞ্চাৰ হ'ল, যিটো তেওঁ গম পালে কোনো বনৰীয়া ফুলৰ পৰা নিৰ্গত হৈছে—আৰু তেওঁ পুনৰ ভাবিলে, ধ্ৰুৱ নিজৰ ঘৰলৈ উভতি নহাৰ কোনো কাৰণ নাই, কাৰণ তাক তেনেদৰেই মই শিকাইছোঁ, মাটিৰ মৰমৰ আকৰ্ষণ সি বুজি পায়, ঘৰৰ এঠা সি ছিঙিব নোৱাৰে—মই যেনেদৰে গাঁৱৰ ঘৰৰ অভীপ্সাৰে এতিয়াও জী আছোঁ।

এই ভাবৰ কোৰ্হালে তেওঁৰ ভিতৰত নিশ্চয় এক তৰংগৰ সৃষ্টি কৰিলে যিয়ে তেওঁৰ সমস্ত অন্তৰ্ভাগ কঁপাই তুলিলে আৰু সেই মৃদু আৰু অদৃশ্য কম্পনে তেওঁক আপ্লুত কৰিলে। তেওঁ ভাবিলে যে তেওঁ নাভাবে তেওঁৰ পিতৃ ভেটিলৈ প্ৰত্যাবৰ্তনৰ কথা ঠিক এই মুহূৰ্তত, কাৰণ তেওঁ ইয়াতে থাকিব লাগিব, ধ্ৰুৱইত অহাটো নিশ্চিত।

তেওঁৰ চকু গ'ল কাষৰ, বেঞ্চখনত এইমাত্ৰ আহি বহি পৰা ডেকা ল'ৰাজনৰ ফালে, ক'লে : ঠাকুৰীয়াৰ ডাঙৰ ল'ৰাটো যে দিল্লীৰ পৰা আহি পালে শেষ নিয়মৰ বাবে! বৰ ডাঙৰ সৌভাগ্য—

—আজিকালি আৰু দিল্লী-মুম্বাই কি কথা! বিদেশৰ পৰায়ো লাগ বুলিলেই আহি পায়, মুঠ কথাত দুৰ্বাৰ গতিৰ যুগ!

কথাবাৰে তেওঁক সুখী কৰিলে, তেওঁ কাৰণটো বিচাৰি নেপালে কিন্তু হঠাৎ মন কৰিছে যে মুহূৰ্তৰ বাবে ধ্ৰুৱই আহি ঠাকুৰীয়াৰ লাশৰ স্থানত বহি পৰিছে...!

—আৰু হয়তো শেষ হ'বৰ হৈছেগৈ।

—টাইম কিছু লাগিল, পুৰা ভস্ম হ'ব লাগিব, আধাতে এৰি যাবতো নোৱাৰি। তেওঁলোকৰ কাষেৰে পাৰ হৈ যোৱা ধুতী পিন্ধা মানুহজনে নিশ্চয় কথাখিনি শুনিলে আৰু এবাৰ মন্তব্য দলিয়াই দি থৈ গ'ল।

—এইবোৰ নীতি-নিয়মবো কিছু অৰ্থ নিশ্চয় আছে, নহ'লে এনেদৰে চলি আহিছে কত যুগ। অৱশ্যে আৰু কেইটা বা দিন চলে এনেদৰে—চাৰিফালে কেৱল এইবোৰ এবাৰ কথা-বতৰা শুনো—

কোনবোৰ?

তেওঁ অলপ অন্যমনস্ক হৈ পৰিছিল।

—এইসকলোবোৰ ভোজ-ভাত, ক্ৰিয়া-প্ৰক্ৰিয়া-আটাইবোৰ ...

তেওঁ কথাষাৰ পূৰা মনযোগেৰে শুনিবৰ চেষ্টা নকৰিলে, জুইকুৰাৰ পৰা চকুযোৰ আঁতৰাই ঠাকুৰীয়াৰ ডাঙৰ ল'ৰাটোলৈ চাই ৰ'ল —চকু-মুখত তাৰ কেইদিনমানৰ পুৰণি ডাঢ়ি ফুটি উঠিছে, নতুন ধুতীখনৰ সুলকি পৰা আগটো মাটিত চুঁচৰি গৈছে। তেওঁ ভাবি চালে ল'ৰাজনৰ চকু দুটাৰ পৰা বাগৰি অহা পানী দুটোপালৰ কথা, হয়তো জুইৰ ধোঁৱাই তাক আমনি দিছে। তাৰ কৰ্পোৰেট বৰ্ল্ড, ডাঙৰ কোম্পানীৰ পৃথিৱীখনত এনে এক ছাই-ধোঁৱা-পোৰামঙহৰ গোন্ধ বৰ অভাৱনীয় কথা—তেওঁ ভাবিলে, বৰ অসহ্য যন্ত্ৰণাৰ অভিজ্ঞতা।

—নগৰবোৰৰ খা-খবৰ? কিবা নতুন বাৰ্তা?

—ওহোঁ! এই যে দুই-চাৰিজনক কেতিয়াবা অ'ত-ত'ত পাই যাওঁ—চিটিবাছত, হঠাৎ লাইটৰ বিল দিয়া শাৰীত, বা বেংকৰ সমুখত—পেন্সনৰ দিনত। বচ্, সিমানেই। কেতিয়াবা দুই-এজনৰ টেলিফোন, সাধাৰণ বাৰ্তালাপ, মুখৰ খজুৱতি মাৰি দুই-এবাৰ কথা, ইটো-সিটো ল'ৰা-ছোৱালী, নাতি-নাতিনীৰ খবৰ—

—ললিতাবো চাগে' আজিকালি একো খবৰ নাই!

—ওহোঁ।

তাতকৈ তেওঁ বেছি একোৱেই ক'ব নিবিচাৰিলে। বা, বেছি কোৱাৰ কোনো অধিক খা-খবৰো তেওঁৰ হাতত নাই। ক'ব পাৰিলেহেঁতেন যে আজিৰ পৰা ভালেমান বছৰৰ আগেয়ে তেওঁ ললিতাক এদিন চিটিবাছৰ ধাক্কা-খুন্দাৰ মাজত আৱিষ্কাৰ কৰিছিল, অথচ তাত বিশেষ কথা পাতিবলগীয়া কোনো পৰিবেশেই নাছিল কাৰণ, হৈ-হাল্লা কোৰ্হাল, ঠেলা-হেঁচাৰ ভেনে এক মুহূৰ্তত কোনে কি কথা পাতিব পাৰে, অথচ, তাৰ মাজতেই তেওঁ ললিতাক সুধিব বিচাৰিছে, ক'ত, কেনেকৈ কথা পাতিব পৰা যায় তোমাৰ স'তে, কাৰণ সেই তোমাৰ গৱেষণাৰ শেষৰ বছৰত কফি হাউচত ডিচেম্বৰৰ শেহৰ শনিবাৰে যে তোমাক এৰি গ'লোঁ, তাৰ পিছততো আমাৰ আৰু কোনো কমিউনিকেশ্যনেই নাই,ময়ো সংসাৰত, ধৰি ল'লোঁ তুমিও সংসাৰত ব্যস্ত হৈ পৰিছা, আমি কোনোদিনেই তেনেকুৱা সংসাৰৰ কথা বোটানীৰ লেবৰেটৰীৰ আন্ধুৰীয়া কমত পতা নাছিলোঁ, অথচ ধৰি ল'লোঁ গম নোপোৱাকৈয়ে আমাৰ বাবে ইতিমধ্যে নিৰ্মিত

পথেদি আমি আগবাঢ়ি গৈছোঁ — তাৰ পিছত আজি অত বছৰ মূৰত, যেতিয়া মই ভিৰৰ মাজত তোমাক আৱিষ্কাৰ কৰিছোঁ, তোমাৰ কাণৰ কাষত পৰি থকা চুলিখিনিত বগা ৰঙৰ প্ৰলেপ তুমি সানি থৈছা, নাকৰ কাষৰ তিলটোৰ ঠাইত সৰু সৰু দুডালমান আঁক-বাঁকৰ সৃষ্টি, ওঁঠৰ হাঁহিটো আছে যদিও ক'লা পৰা চকুৰ পটাত তাৰ দ্বাৰা অনুৰূপ কম্পনৰ সৃষ্টি হোৱা নাই, হয়তো তুমি মোকো সুধিব খুজিছা একেধৰণৰ কিছুমান কথা, ক'ব খুজিছা, চোৱা, সময় কি মাৰাত্মক বস্তু, অথচ আমাৰ হাতত এতিয়া একো সোধাৰ পৰিৱেশেই নাই! আৰু এনেবোৰ অপ্ৰকাশিত কথাৰ মাজতে তুমি বেগটো খুলি পুৰণি ফোনৰ বহীখন উলিয়াইছা, কৈছা লিখি দিয়া তোমাৰ ফোনৰ নম্বৰটো, কেতিয়াবা ময়েই ফোন কৰিম তোমাক —আৰু কথা পাতিম, বোটানীৰ কথা, গছ-বৃক্ষৰ শ্বাস-প্ৰশ্বাসৰ কথা। মই লিখি দিলোঁ, এখন হাতেৰে ধৰি থাকিলোঁ তুমি বহি থকা ছীটৰ লোহাৰ মাৰিডাল, আৰু মই নক'লোঁ যে মই জানো তুমি মোলৈ ফোন নকৰা, কাৰণ, তোমাৰ আত্মাভিমান বৰ বেছি, কিন্তু ক'লোঁ, কলমটো তুমিয়েই ৰাখি থোৱা, কেতিয়াবা মন গ'লে চিঠি এখন মোৰ অফিচলৈকে পঠিয়াই দিব পাৰা—নতুন-পুৰণি সকলো কথা তাত থাকিব ... মই ধৰি ল'লোঁ—তুমি সুধিব খুজিছা, তুমি দিয়া কবিতাৰ কিতাপখন মই এতিয়াও পঢ়োঁ নে, মন দুৰ্বল হ'লে, কৰোঁ নে আবৃত্তি প্ৰশান্তিৰ বাবে? আৰু হয়তো ক'ব খুজিছা, আজিকালি তোমাৰ লেখা দেখা নেপাওঁ, পঢ়াও নাই তোমাৰ কবিতা বহুদিন— সকলোবোৰ কলেজ, ইউনিভাৰ্চিটিতে শেষ হৈ গ'ল নেকি? মই ভালেই পালোঁ ইমানবোৰ কথা নদীৰ ধাৰৰ দৰে তোমাৰ মুখৰ পৰা ওলাই নাহিল। কেৱল মনত পেলাই দিলা, মোৰ নামিবৰ সময় হৈছে, মই ভিৰৰ জংঘল ভাঙি আগুৱাই গ'লোঁ —

—শ্ৰাদ্ধলৈকে মানুহ আহিব ঢেৰ, কি কোৱা?

— ওঁ!

তেওঁৰ মনত গুমগুমাই থকা অসংখ্য শব্দৰ মাজৰ পৰা তেওঁৰ এই শব্দটো নিৰ্বাচন কৰিলে।

—ঠাকুৰীয়াৰ আগলৈ চাবলগীয়া কাম আৰু বিশেষ নাছিলেই। ভালভাবেই গ'ল! কি কোৱা?

তেওঁ একো নোকোৱাটোকে সিদ্ধান্ত ল'লে। তেওঁলোকে মন কৰিলে যে লাহে লাহে বহুখিনি মানুহ আঁতৰি গ'ল, কাষৰ কুঞ্জবনৰ জবা ফুলৰ চোপকেইটাৰ কাষত গল্প-আড্ডা মাৰি থকা কম বয়সৰ মানুহৰ জুমটোও নাইকিয়া হ'ল। ঠাকুৰীয়াৰ শৱ কঢ়িওৱা গাড়ীখনো কেতিয়াবাই আঁতৰি গৈছে, তেওঁৰ কৃশাংগী দেহ ইতিমধ্যেই গোগ্ৰাসে হজম কৰি পেলোৱা জুইকুৰা ক্ৰমশঃ শেষ হৈ আহিছে।

কাষৰ চিতাখনৰ কাম কিছু আগতে সমাপ্ত হ'ল। তাত এতিয়া মাথোঁ ছাই আৰু মৃদু বতাহত কেতিয়াবা উদ্‌গাৰি উঠা কুকুহা আৰু ধোঁৱা।

এইখিনি সময়ত গাঁৱৰ শ্মশানখনৰ কাবেদে যাবলৈ কিবে এক ভয়ংকৰ ভয়ৰ ভাবে বাট ভেটা দিছিল, তেওঁ ভাবিলে, শিয়ালৰ কুৎসিত আবাৱ শুনিলে তেওঁৰ সেই

শ্মশানখনৰ অন্ধকাৰ ৰাতিৰ ধঁতুৰা জোপোহাবোৰৰ কুঁজা পৰা ছাঁবোৰলৈ আজিও মনত পৰে। তেওঁৰ মনত পৰিল সেই নির্জনতা, বতাহৰ চোঁ-চোঁ শব্দৰ ভয়ার্ত আবাব।

আৰু তেওঁ ক'লে : "ইয়াতেই ভাল, চাৰিওফালে মানুহৰ ঘৰ, ট্রেফিকৰ শব্দ—মৃত্যুৰ কোনো নীৰৱতা অনুভূত নহয়, তুমি যেন মানুহৰ মাজতে শুই থাকিলা। হেঃ হেঃ ..."

"এতিয়া আৰু যাব লাগে। শেষ হৈছে কাম—"

কাষেৰে পাৰ হৈ যোৱা কোনোবা এজনে তেওঁলোকক মনত পেলাই দিলে। ঠিকেই, ইতিমধ্যে সন্ধ্যা ভালেখিনি হ'ল, তেওঁ দীপু ঘৰ সোমোৱাৰ আগতে ঘৰ পাবগৈ লাগে, নহ'লে তাৰ উৎপাত, উত্তণ্ডালি বিমলাৰ বাবে অসহ্য ব্যাপাৰ হ'ব —

"আকৌ কোনোবা এজন আহিল হ'বলা।"

তেওঁলোকৰ কাণত পৰাকৈ কোনোবাই কৈ গ'ল।

তেওঁলোক ইতিমধ্যে ধূপ-ধূনাৰ গোন্ধৰ গাড়ীখনৰ কাষেৰে পাৰ হৈ গ'ল। কাৰো মুখত কথাৰ প্রয়োজন নাছিল, অথচ তেওঁ ক'লে : "কোন বা?"

কাষত থিয় হৈ থকা মানুহজনে ক'লে যে কাৰ কোনে হিচাব ৰাখে - শুনিছোঁ কোনোবা মহিলাৰ শৱ।

ঠিকেই তেওঁ বুজিলে ইয়াত কোনো হিচাবৰ বহী ৰখা নহয়। তথাপি তেওঁৰ জানিবৰ মন গ'ল আগন্তুকৰ নাম-ঠিকনা। তেওঁ জানিব খুজিলে মহিলাগৰাকীৰ নাকৰ কাষৰ তিলৰ কথা, য'ত এতিয়া কিছু আঁক-বাঁক পৰিছে, কাণৰ কাষত উৰি থকা চুলিকেইডালমানৰ কথা —য'ত এতিয়া বগা ৰং পৰিছে, তেওঁৰ মন গ'ল বগা কাপোৰখনৰ ওৰণি আঁতৰাই এষাৰ-দুষাৰ কথা কোৱাৰ — "তোমাৰ কবিতা পুথিখন এতিয়াও মোৰ তলামৰা চুটকেচত আছে, কেতিয়াবা আবৃত্তিৰে প্রশান্তি লওঁ।" তেওঁৰ সুধিবৰ মন গ'ল — "কলমটো ক'ত থ'লা? মোৰ ফোন নম্বৰ লিখা থকা কাগজখন!"

তেওঁ অলপ বেগাবেগীকৈ খোজ কাঢ়িলে।

অনুমান কৰিলে এতিয়া শুকান খৰিত কোনোবাই ঘিউ ঢালি দিছে আৰু জুইকুৰা দপ্‌দপকৈ জ্বলি উঠিছে।

তেওঁলোক দুয়ো চ'কটোত থিয় হ'ল।

বিদায় ল'লে ইজনে সিজনৰ পৰা আৰু দুফালে আঁতৰি গ'ল।

সিহঁতৰ চিঠি

বিষ হ'ব নেলাগিছিল, হৈছে। অন্ততঃ এইটো বয়সত এনেধৰণৰ অস্থি সম্পৰ্কীয় জ্বালা-যন্ত্ৰণাই তাক চিন্তিত কৰিব নেলাগিছিল, কিন্তু সি গম পাইছে যে বয়সৰ স'তে এইবোৰৰ এতিয়া কোনো সম্পৰ্ক নাই, বিভিন্ন অজুহাতত তাৰ দেহলৈ এনে ধৰণৰ ৰোগৰ প্ৰৱেশ হ'ব পাৰে —

আৰু ভদ্ৰ চকীৰ পৰা থিয় হ'ল, ডিঙি আৰু পিঠিৰ ফালে মাংসপেশীৰ টনাটনিৰে কিছু ব্যায়ামৰ আখৰা কৰিলে, পুৱা-গধূলি দুবাৰকৈ সি এনে ধৰণৰ কাৰু-কাৰ্যত লগাৰ বাবে ডাক্তৰী নিৰ্দেশ আছে, কিন্তু তেনে হুকুমবোৰ মানি চলাৰ মানসিক প্ৰস্তুতি তাৰ এতিয়ালৈ অহা নাই, অতএব বিষৰ অত্যাচাৰ বাঢ়িলে মনলৈ এক অস্থায়ী দৃঢ়তা আহে যে নিয়মমতে তেওঁ ডাক্তৰী বিধান মানি চলিব।

চলা হোৱা নাই তেনেদৰে, কাৰণ সি এতিয়ালৈকে জীৱনটোক এক নীতি-নিয়মৰ আৱৰ্তত আনিব পৰা নাই। স্কুলৰ সময়ছোৱাত ল'ৰা-ছোৱালীৰ মাজতে চলি গৈছে সময়খিনি, তাৰপিছত মাজে-সময়ে দুই-এজন আহিছে টিউচনৰ খাতিৰত, ছাত্ৰৰ উত্তৰৰ বহী পৰীক্ষণ, সন্ধকালৰ হৰিৰ নামত নাটক-গান-বাজনাৰ আখৰা অ'ত-ত'ত — বচ, এইবোৰ অনিৰ্ধাৰিত কাৰ্যসূচীৰ মাজত সি যে কিবা নিজৰ বাবে সময় ৰাখিছে — সেয়াও নহয় — আৰু হঠাৎ ভাবিলে এই সকলোবোৰেই নিজা সময়, তাত বাদে আৰু কি নিজৰ সময় থাকিব পাৰে।

ভদ্ৰই মন কৰিলে ওচৰ-পাঁজৰৰ মানুহবোৰৰ অধিকাংশই এতিয়াও শুই আছে। ৰাস্তাৰ সিপাৰৰ চাহৰ দোকানখনৰ আগত বাচন-বৰ্তন ধোৱা ল'ৰাটো উঠিছে, বাকী দোকানবোৰ খোলাৰ প্ৰশ্নই নুঠে, সিফালে টংকেশ্বৰ দাসে মুখত ব্ৰাচ লৈ পায়চাৰি কৰিছে, ভদ্ৰইত থকা দীঘল অসম টাইপৰ ঘৰটোৰ বাকী কোঠাবোৰ এতিয়াও বন্ধ, কাৰৰ মালিকৰ ঘৰৰ সমুখত ভতুৱা কুকুৰ এটাই মাজে মাজে বেসুৰা আৰাও মাৰিছে— ।

দুৱাৰ ফাঁকেৰে সি বাহিৰৰ পৃথিৱীখনৰ ইমানবোৰ কাৰু-কাৰ্য নীৰৱে চাই ল'লে, অলপ পাছতে দীঘল ভাৰাঘৰটোৰ বাকীবোৰ মানুহ উঠি সুমুখৰ মিউনিচিপালিটিৰ

দমকলৰ আগত থিয় হ'ব, আৰম্ভ হ'ব এক দীঘল লাইন, বাল্টি-চলিয়াৰে ঠাই টুনুম্ ভৰি উঠিব, কিছু ভিৰ, কিছু ঠেলা-ঠেলি, অলপ-অচৰপ বাক-বিতণ্ডা, কোনোবা ঠাইত পিছলি পৰাৰ শব্দ, কাষেদি চলিব ঘোঁৰাগাড়ী, ৰিক্সা, চাইকেল, দূৰৈৰ পৰা ভাহি আহিব চিটি বাছৰ হৰ্ণ — আৰু তাৰপিছত ভদ্ৰ সাজু হ'ব স্কুললৈ চলা পৰিক্ৰমাৰ বাবে —

কি যে এক প্ৰাত্যহিকতাৰ ফটোগ্ৰাফিক বৰ্ণনা — ভদ্ৰৰ ওঁঠত কিছু ফাঁক হ'ল, সি এনেদৰেই হয়তো হাঁহে — নিজৰ হাঁহিৰ ছবিখনৰ কল্পনাই তাক আপ্লুত কৰিলে। আৰু ইহঁতৰ সময় ঠিক এইটোৱে, ইয়াৰ পিছত সি স্কুলৰ হৈ-হাল্লা, চিএৰ-বাখৰ, ক্লাছ, খেল-ধেমালি, ষ্টাফ ৰুমৰ আড্ডা, বেলৰ কৰ্ণপটহ তাল-ফাল কৰা শব্দ — এইবোৰৰ মাজত সি কোনোবাদিনা মন খুলি হাঁহিব পাৰিছে বুলি মনত নাই। ষ্টাফ ৰুমৰ আড্ডাত চহৰীয়াই জমাইছে, প্ৰবীণাই খোৱাবস্তুৰ সম্ভাৰ মেলিছে, মাষ্টাৰৰ ওপৰত ব্যঙ্গ কৰিছে দীপকে, বুঢ়া চকীদাৰৰ লেংবা খোজৰ ভাওত অভিনয় কৰিছে নৱেশে — এইবোৰ দৈনিক চলিছে, তাৰ জীৱনৰ এবাৰ নোৱাৰা অংশ হৈ পৰিছে, অথচ সি সেইবোৰৰ মাজতো কিবা মন খুলি হাঁহিছে, বা সীমাহীন স্ফূৰ্তিৰ বহৰবা বিচাৰি পাইছে — তাৰ মনে নধৰে। সি সম্প্ৰতি বিচাৰি ফুৰিছে এই নীৰস জীৱনৰ পৰা পৰিত্ৰাণ, অন্য এটা চাকৰি-বাকৰিত সোমাই ল'ব পাৰিলে হয়তো তাৰ জীৱনধাৰা বদলি যাব, নতুন কিবা-কিবি উপাদান আহি পৰিব। জীৱনৰ অন্য এক উদ্দেশ্য বুজি পাব। ভদ্ৰই জানে যে তাৰ এই ধৰণৰ প্ৰয়াসে ইমান সোনকালে ফল নধৰিব, সি চেষ্টা কৰিছে ঠিকেই, কিন্তু বিকল্প ব্যৱস্থা কোনো দৃষ্টিগোচৰ হোৱা নাই।

অ'ত-ত'ত মাৰি ফুৰিছে বেলেগ-বেলেগ চাকৰিৰ দৰ্খাস্ত, কেতিয়াবা আহি পৰিছে ইণ্টাৰভিউৰ তাৰিখ, স্কুলৰ পৰা ছুটী লৈ সি সেইবোৰলৈ গৈছে, ভয়-ভীত-নাৰ্ভাছ ৰেকডাউনৰ অভিজ্ঞতাৰে ইণ্টাৰভিউত উপস্থিত হৈছে, দুই-এটা প্ৰশ্নৰ উত্তৰ হয়তো তাৰ মুখেৰে ওলোৱা নাই, বা ওলাইছে যদিও সি ভুল কৰিছে — এতিয়া আৰু চব কথা জানি পেলোৱাৰ বয়স তাৰ উকলি গৈছে বুলিয়ে সি পতিয়ন গৈছে, আৰু চব কথা জনাটোও কি সম্ভৱ নহয়, সি বহুত জ্ঞানৰ পৰা আঁতৰি আছে, দৈনন্দিন ৰুটিনমাফিক জীৱনত জ্ঞানৰ সঁফুৰা বুটলি লোৱাৰ মাদকতাখিনিও তাৰ এতিয়া নাইকিয়া হৈছে — আৰু দুনিয়াৰ সমস্ত কথা জানিলেও সি কি নতুন চাকৰি এটা গোটাই ল'ব পাৰিব, সি বুজি উঠিছে অন্য বহুত কথাই সোমাই পৰিছে চাকৰিৰ বজাৰত, কানেকশ্যন, টকা-পইচা আৰু কিবাকিবি —।

ইমান নিৰাশাৰ মাজতো ভদ্ৰৰ মন আপ্লুত হ'ল যে অন্ততঃ দুবছৰ গুজি থ'ব পৰা কিবা এটাত সি সোমাই পৰিব পাৰিছে, এটা ৰুমৰ ভাড়াৰ পইচা দিয়াৰ পাছতো তাৰ জেপলৈ বেছিখিনি টকা আহিছে, চিটিবাছৰ ভাড়াৰ বাবে সি কাৰো পৰা ধাৰ ল'ব লগা হোৱা নাই, বা চাকৰিৰ নামত কিবা দিবলৈ সি গাঁৱত থকা দেউতাকলৈ লিখিবলগীয়া হোৱা নাই. যে কিবা কৰি — কিনো কিবা কৰি, এতিয়া আৰু একো

বাহি থকা নাই — ঘৰৰ কিবা বস্তু অলপকে বেচি পঠাই দিবি এশ টকা, চাকৰিৰ বাবে লাগে, ঘৰ জননী, এইবাৰ হৈ যাব যেন লাগিছে, হৈ গ'লেই আগৰ ধাৰ-খুৰবোৰো মাৰিব পৰা যাব — এনেধৰণৰ দুশাৰী-চাৰিশাৰীৰ চিঠি এতিয়া পঠাব লগা নহয়। কাৰৰ কোঠাত থকা ডম্বৰুৱে এতিয়াও বাপেকৰ পৰা পইচা বিচাৰিছে, সিকালে শেষৰ কোঠাৰ তৰুণে চাকৰি কৰা বায়েকৰ পৰা ধাৰে আনিছে — এইবোৰ যোৱা কেইবছৰে অন্ততঃ ভদ্ৰই কৰিবলগীয়া হোৱা নাই। ঠিক কথাত সিহঁতবোৰৰ চকুত এতিয়া সি ভাগ্যবান।

আৰু কিছুপৰ পিছতে ভদ্ৰ সাজু হ'ব লাগিব স্কুলযাত্ৰাৰ বাবে। কিন্তু তাৰ আগেয়ে পেলাই থোৱা কেইবাটাও কাম সি শেষ কৰিব লাগিব — পঞ্চম শ্ৰেণীৰ ল'ৰা-ছোৱালীখিনিৰ বহীকেইখন চাব লাগিব, সিহঁতৰ সেইবোৰৰ ওপৰত আজি আলোচনা চলিব, ভুল-শুদ্ধবোৰ সি শ্ৰেণীত সিহঁতক আঙুলিয়াই দিব, বুজাব বিপৰীতাৰ্থক শব্দ, বাক্য-ৰচনা, চিঠি লিখাৰ কাৰু-কৌশল — প্ৰথম দুবছৰমান এনেধৰণৰ পাঠবোৰ শিকাই-বুজাই সি আনন্দিত হৈছিল। সিহঁতৰ মাজত সি দেখিছিল কাৰোবাক ভাল মানুহ কৰি তোলাৰ স্বপ্ন — এতিয়া যেন এই আটাইবোৰ প্ৰয়াস তাৰ বাবে হৈ পৰিছে এক অৰ্থহীন অনুশীলন, সংসাৰত আহি পৰা কেবোণবোৰৰ পৰা নিৰ্দোষ শিশুবোৰক ৰক্ষাৰ কোনোধৰণৰ ঠিকা লোৱা হোৱাৰ পৰা সি যেন আঁতৰি আহিছে। এতিয়া কটিনমাফিক হৈ পৰিছে তাৰ সকলো উৎসাহ-উদ্যমৰ কাৰ্যক্ৰমণিকা, চলিছে একঘেঁয়া বেৰসিক জীৱনযাত্ৰাৰ স'তে তাৰ এক অঘোষিত সংগ্ৰাম —।

সি এনেদৰে নিৰাশ নোহোৱাৰ বাবে বাবে বাৰে মনক বুজনি দিছে, ভাবিছে তাৰ স্বাৰ্থপৰ স্বভাৱৰ ই এক নিদৰ্শন, কাৰণ, অকল তাৰ নতুন চাকৰিৰ সন্ধানত সি ব্যৰ্থ হোৱাৰ বাবেই সি ছাত্ৰ-ছাত্ৰীহঁতক কিবা এটা নতুন শিকোৱাৰ, নতুন মাৰ্গ দৰ্শনৰ কৰ্তব্যৰ পৰা পিছুলি পৰাৰ উপক্ৰম ঘটিছে, এইটো কি স্বাৰ্থান্ধতাৰ কথা নহয়?

ভদ্ৰই চকীখনত বহিল আৰু সমুখত জাপি থোৱা বহীৰ দ'মবোৰলৈ লক্ষ্য কৰিলে। সেইবোৰত কিনি অনা ক'ভাৰ লগোৱা হৈছে, ঠায়ে ঠায়ে ফাটিছে, ঘৰ্মাক্ত আঙুলিৰ ছাপ বহি উঠিছে, এৰাই গৈছে বহুতো বহীৰ নাম লিখা লেবেল। দ'মটো হেদেলি-ভেদেলি কৰি ভদ্ৰই মেলি দিলে সেইবোৰ সৰু টেবুলখনৰ ওপৰত — সেই বিশৃংখল ৰূপে তাৰ মনত এক শৃংখল ভাৱৰ উক দিলে — এইবোৰকে পিঠিত তুলি সিহঁত আহিছে স্কুললৈ, বাহিৰৰ দুৱাৰখনৰ মুখত এৰি থৈ মাক-বাপেকৰ হাতৰ পৰা মুক্ত হৈ সিহঁত দৌৰিছে পিঠিত এই বোজা লৈ, ঘটংঘটং আৱাজ উঠিছে যেতিয়া ভিতৰৰ কলম-পেঞ্চিল-জ্যামিতি বাকচ — পানীৰ বটলৰ খুলা-খুলিত, উজুটি খাই কোনোবা এজন পৰিছে, যেতিয়া খোলামুখেৰে ছিটিকি পৰিছে কিতাপ, বহী পেঞ্চিল, ৰবৰ, আধাখোৱা টকীৰ টুকুৰা, চকলেটৰ বাকলি —আকৌ উঠিছে, হাতেৰে মচিছে পৰি যোৱা সামগ্ৰী, মুহূৰ্ত সাৰটি লোৱাই সোমাইছে শ্ৰেণীকোঠাত, ঘণ্টি বজাৰ আগতে

নহ'লে হেডমাষ্টৰৰ বেতৰ স্বাদ।

কিবা এক মাদকতা আছে তাৰ দৈনিন্দন এনে এক কামৰ মাজত, ভদ্ৰই ভাবিলে লাহে লাহে তাৰ চকুলৈ আহিল সিহঁতৰ নিষ্পাপ মুখ কিশনৰ ছবি, ঘূৰ্ণীয়মান ফেনকিথনে শীতলতা আনিব নোবাবা কোঠাটোত হাঁহি-ফূৰ্তিৰ মুহূৰ্ত, গালৰ ওপৰেদি বৈ অহা ঘামৰ টোপাল, ভিৎকাৰি, হৈ-হাল্লা, ফূৰ্তি-কাৰ্তা, হেডমাষ্টাৰৰ চেঙেলৰ আৱাজত হঠাৎ নিজম হৈ পৰাৰ দুৰ্লভ ক্ষণ, টিফিনৰ ঘন্টিত উজলি উঠা সিহঁতৰ মুখ, বদমাচি — এইবোৰৰ সমুখা-সমুখি হোৱাটো কি এক অবিস্মৰণীয় অভিজ্ঞতা — সি ভাবিলে ভদ্ৰই হয়তো অন্য ক'ৰবাত বেলেগ এটা চাকৰি পাই যাব পাৰে, কিন্তু এইকেইবছৰে ফিৰাই অনা তাৰ বাল্যকালৰ স্মৃতি কিবাই পাব নোৱাৰে, সি অন্য চাকৰিত বাৰ্ধক্যৰ ফালে গতি কৰিব, দৈনন্দিন তাৰ ভাবত আহি থাকিব প্ৰৌঢ়ত্বৰ ভয়াবহ ছবি, কিন্তু এতিয়া সি স্কুলৰ চৌহদৰ ভিতৰত, স্কুলকামৰ চাবিবেৰৰ মাজত ক্ষন্তেকৰ আঃ কেনে এক সজীৱ ভাবে তাৰ ভিতৰখন শীতল কৰি তুলিলে।

সেইবোৰৰ মাজৰ পৰা যিকোনো এখন বহীকে ভদ্ৰই মেলি ল'ব পাৰে — অতএব তাৰ হাতত যিখন বহী উঠি আহিল সেইখনেই চকুৰ সমুখত সি পাত লুটিয়াই গ'ল। আখৰবোৰ পৰিপাটি, শাৰীবোৰ চিধা, অ'ত-ত'ত চিয়াঁহীৰ অনাগতিয়াল দাগ — ক্লাছটোৰ বহুকেইজনৰ আখৰ দেখিলেই ভদ্ৰই ধৰিব পৰা হৈছে কাৰ বহী — এইখন তেনে চিনাকি ছাত্ৰ-ছাত্ৰীৰ শাৰীত নপৰিল, হয়তো পিছৰ বেঞ্চৰ কোনোবা এজন। ভদ্ৰই বহীৰ লেবেল চোৱাৰ কোনো তাড়না অনুভৱ নকৰিলে, আৰু সি হাতৰ কলম নামৰ চোকা তৰোৱালখন লৈ একালৰ পৰা পঢ়ি যাবৰ বাবে সাজু হ'ল। যোৱাকালি ক্লাছত সি লিখিবলৈ দিয়া চিঠিখন — 'ভগৱানলৈ এখন চিঠি লিখা, মনত যি আছে তাকে, যি ভাবা তাকে, কেৱল চিঠি লিখিবলৈ শিকোৱা মূল কথাখিনি মনত ৰাখিবা, তেওঁক যি বুলি মাতা, তাৰিখ, ঠাই, লিখিব খোজা কথাখিনি — যিকোনো কথাই যিহকে লিখিব বিচৰা, নিজৰ মৰ্জিমতে — তাৰ পিছত ইতি, তলত নাম — অ, যালৈ লিখিছা তেওঁৰ ঠিকনা —' তাৰ কথাখিনি শেষ নৌহওঁতেই পিছৰ পৰা তপনে চিঞৰিলে, 'ছাৰ। ভগৱানৰ ঠিকনা?' কথাষাৰ ভদ্ৰই বিশেষ ভৱা নাছিল, চিঠি লিখাৰ অনুশীলনত এক নতুনত্ব, কিম্বা এক মজাৰ ব্যাপাৰৰ অৱতাৰণা কৰাৰ লঘু মনেৰে সি কামকেৰা দিছিল, ক'লে : 'ঠিকনাটো নিলিখিলেও হ'ব, মই বুজি পাম, ঠিকনাত বাদে বাকীখিনি লিখিলেই হ'ল' — আৰু গোটেই সোপাই বহী-কলম উলিয়াই তলমূৰা হৈ লাগি পৰিল, কলম চলিল মুক্তভাৱে সিহঁতৰ, এপৃষ্ঠাকে ভৰাই চিঠি লিখি আঁতালে সিহঁতে, ক্লাছৰ কেপ্তেইনে আনি দি গ'ল বহীবোৰ তাৰ টেবুললৈ, আৰু সি সেইবোৰ লৈ আনি এতিয়া মেলি ধৰিছে নিজৰ ভাৰাঘৰৰ সৰু কোঠাটোৰ টেবুলত —।

ভদ্ৰই প্ৰথমখন বহী পঢ়ি গ'ল — মোৰ সৰু মইনাজনী ভাতৰ হ'ল। তাইৰ ভেটিয়া এখন ভাগিছে। থপ্থপাই থাকে। উঠিব নোৱাৰে। তুমি তাইৰ তপা ভেটিয়াখন

ভাল কৰি দিবা। তাই উৰি যাব পাৰিব আকাশলৈ। তুমি জানা চাগে' আকাশ মই বৰ ভাল পাওঁ। উৰিবৰো মন যায়। চৰাইৰ দৰে। ডেউকাখনে তাইক বৰ দুখ দিছে। তাই উৰিব নোৱাৰে আনবোৰ চৰাইয়ে পাৰে। মেঘৰ মাজত লুকা-ভাকু খেলিবলৈতো ডেউকা লাগিবই।

তাৰ পিছৰ দুই শাৰী কাটি পেলোৱা হৈছে, ভদ্ৰৰ উপায় নেথাকিল কাটি পেলোৱা শাৰীকেইটাত সোমাই থকা শব্দবোৰ উদ্ধাৰ কৰাৰ, আৰু সি পাতটো লুটিয়াই দিলে — মই জানো তুমি মোৰ প্ৰাৰ্থনা নুশুনা। আজিলৈকে বহুদিন তোমাক মাতিলোঁ। ক'লোঁ, পেঙ্গুইনবোৰক দুখনকৈ ডাঙৰ ডেউকা দিয়া। আনৰ দৰে সিহঁতেও আকাশলৈ উৰি যাওক। ক'ভা, তুমিতো মোৰ কথা নুশুনিলা। আজিও জানো, তুমি নুশুনা। মইনাজনীৰ ভগা ডেউকাখন তুমি ভাল নকৰা। তুমি ভয় খাইছা তাই উৰিব পাৰিলে এদিন আকাশত তোমাক জোকাব —।

ভদ্ৰই কেতিয়া অভ্যাসবশতঃ চশমাযোৰ পিন্ধি লৈছিল মনত নাই, কিন্তু এতিয়া সচেতনভাবে সি সেইবোৰ খুলি লাহে লাহে চকুৰ পৰা আঁতৰাই আনিলে, কাৰণ, তাৰ চকুৰ কোণত জমা হোৱা পানী টোপাল দুটা মচি পেলোৱাৰ অন্য উপায় সি নেদেখিলে। সমুখৰ খিৰিকীৰ পৰ্দাখন কঁপিছে, বিৰ্ বিৰ্ বতাহৰ মৃদু স্ৰোত বৈছে, তাৰ গাত শীতল ভাব এটা আহি পৰিল। জোনালী নামৰ চুটি চুলিৰ ছোৱালীজনীৰ চিঠিখন ইতিমধ্যে সি পঢ়ি আঁটাইছে। তাৰ ভাব হ'ল জোনালী এইমাত্ৰ স্কুলৰ বাৰাণ্ডাৰে নামি গ'ল, তাইৰ পিঠিত ওলমি থাকিল গধুৰ বেগটো, এখন হাতত পানীৰ গুদা বটল, তাই বাওঁফালে ঘূৰি চালে স্কুল ছুটীৰ পাছত ধুমুহাৰ দৰে ওলাই অহা আনবোৰ ল'ৰা-ছোৱালীৰ ফালে —

ভদ্ৰই জোনালীৰ বহীখন আনফালে ঠেলি দিলে, চকুত তুলি ল'লে চশমা, সৰি পৰা কলমটো পুনৰ লাগি ধৰিল আঙুলিত, আৰু সি সমুখলৈ আনখন টানি ল'লে, আন এখন বহী। সি গম পালে সেইখন বিজিতৰ বহী। লেবেলত লিখা আছে বিজিত তামুলী — হয়, বিজিতক মনত পৰিছে, দুদিন আগতে তাক সৰু-সুৰা বদমাচিৰ বাবে শাস্তিও দিয়া হৈছে, লগত আছিল প্ৰয়াস। ভদ্ৰই পঢ়ি গ'ল—চিঠি লিখিবলৈ নতুনকৈ শিকিছোঁ। ভুলো হ'ব পাৰে। তুমিতো জানাই ভুল মানুহৰ হয়েই। মোৰ মা-দেউতাইও ভুল কৰে। তেওঁলোকে চাগে' গম নাপায়, মই পাওঁ। তুমি জানানে মই ছবি আঁকো বুলি।

ভদ্ৰৰ মনত আছে বিজিতে ছবি আঁকাৰ নামতে সেইদিনা শাস্তি খাইছিল, ব্ৰেকবৰ্ডত আঁকি থোৱা মানুহৰ শিং থকা মূৰ দেখি ভদ্ৰই সুধিবৰে কথা — কোনে আঁকিছ, এই ভয়ংকৰ ছবি আঁকাৰ ঠাই নেপালি আৰু — গোটেই ক্লাছটো কাঁহ পৰি জাঁপ গ'ল। ভলমুৰা ল'ৰা-ছোৱালীৰ মুখৰ ওপৰেদি সি সন্ধানী দৃষ্টিৰে চাই পঠালে কোন হ'ব পাৰে শিল্পী জাতীয় এই চিত্ৰকৰ। আৰো মুখত নোলাল, এটা মাখো ঈষৎ

গুণগুণনি, পিছুৰ বেঞ্চত থিয় হ'ল বিজিত।

'তই?'

ভদ্রৰ ৰঙা চকুৰ বিষদৃষ্টি বিজিতে গ্রহণ নকৰিলে, সি নিশ্চলে-নীৰৱে বাহিৰলৈ চাই ৰ'ল।

ভদ্র উঠি আহিল বহি থকা চকীৰ পৰা, তাৰ ওচৰ পালে, বিজিতক ক'লে :

'অদ্ভুত ছবি পিছত আঁকিবি, বৰ্ড লেতেৰা কৰি ৰখাৰ শাস্তি আগতে ল' —

বিজিত থিয় হ'ল বেঞ্চৰ ওপৰত, তাৰ চকু-মুখত দেখা গ'ল এক নিৰ্লিপ্ততা, ক্লাছৰ বাকীমখাই হাঁহি-খিকিন্দালিৰে তাৰ এই ৰূপক আদৰণি জনালে।

সেই খং এতিয়া পুনৰ উঠি অহাৰ আগতে সি বিজিতৰ চিঠিখন পঢ়ি শেষ কৰি পেলোৱাত লাগিল — মন গ'লেই মই মানুহৰ ছবি আঁকো। কেতিয়াবা ভৰি দিওঁ, কেতিয়াবা নিদিওঁ। মোৰ ইচ্ছাৰ কথা। কেতিয়াবা হাতো নিদিওঁ। আনে নেদেখা ধৰণে মানুহবোৰক চাবৰ মন যায়। তুমি চাগে' খং কৰিছা তুমি বনোৱা মানুহবোৰক মই বদলাই পেলাইছোঁ বুলি।

বিজিতৰ বিশৃংখল আখৰৰ মাজৰ পৰা ভদ্রই ইমানখিনি কথা পঢ়ি পেলাওঁতে কিছু সময় লাগিছে, শাৰীবোৰ দৃশ্যকটুভাবে কেবাঠাইতো চিয়াঁহীৰ টোপাল পৰি কাগজখন কুশ্ৰী দেখাইছে, মুঠ কথাত ভদ্ৰৰ ভাব হ'ল বিজিতৰ উচ্ছৃংখলতা পৰিস্ফুট হৈ পৰিছে তাৰ লিখনিৰ মাজতো। কিন্তু সেয়া তাৰ লক্ষ্যণীয় এই মুহূৰ্তত নহয়, চিঠি এখন লিখাৰ ব্যাকৰণীয় পদ্ধতিতহে সি গুৰুত্ব দিব লাগিব, সেয়াহে সি পৰীক্ষা কৰিব বিচাৰিছে ভগৱানলৈ লিখা চিঠিৰ মাজেদি।

ভদ্রই পঢ়ি গ'ল — মই অঁকা মানুহৰ চিত্ৰবোৰ আধৰুৱা হৈ আছে। বহুদিন ভাবিছোঁ মানুহৰ মনটো ক'ত থাকে? মোৰ ছবিবোৰৰ ক'ত আঁকো মন? কেনেদৰে আঁকো? নে হাত-ভৰি আঙুলি-পেট ক'ৰবাত আঁকি দিওঁ মনটো? তুমি কেতিয়াবা মোক কাণে-কাণে কৈ দিবানে?

ভদ্ৰৰ চকুহাল চশমাৰ ভিতৰতে লাহে লাহে মুদ খালে, এজন অবাধ্য উচ্ছৃংখল ছাত্ৰ, আউল-বাউল মূৰৰ চুলি, চোলাৰ জেপত চিয়াঁহীৰ দাগ, খুলি যোৱা জোতাৰ ফিটা, ঘামত তিতি উঠা স্কুল ইউনিফৰ্ম, হাতৰ পৰা হঠাৎ পিছলি পৰা কিতাপৰ টোপোলা — এইবোৰ বৈশিষ্ট্যৰে তাৰ আগত থিয় হ'ল বিজিত তামুলী।

'মনটো বিচাৰি পালি, মানুহৰ মন?'

বিজিতৰ মূৰ তলমুৱা হ'ল, নিশ্চিতভাৱে সি ভয় খাইছে।

তাৰ গোলমুখত আহি পৰিছে ভেজৰ দ্ৰুত সঞ্চালনৰ আভা।

'বিজ্ঞান, দৰ্শন, সভ্যতা — একোৱেই বিচাৰি পোৱা নাই তোৰ মোৰ মনৰ আচল বাসস্থান, ক'ত থাকে হৃদয় চিত্ত নামৰ এইবিধ প্ৰাণী, হয়, কোনোৱাই কৈছে যে মগজুৰ কোষৰ বিশিষ্ট অঞ্চলে সূচাইছে আবেগ-অনুভূতি, খং-ৰাগ, ঈৰ্ষা, অসূয়াৰ

স্থিতি — কিন্তু সেইবোৰেই অকল মন নে?'

ওপৰমুৰা নকৰিলে বিজিতে। ভদ্ৰৰ কথাৰ কোনো প্ৰতিক্ৰিয়াও দেখা নগ'ল তাৰ চেহেৰাত, সি মাথোঁ হাতৰ আঙুলিৰে মচি পেলালে গালৰে বৈ অহা ঘামৰ টোপাল। 'এই ক'ত বুজিবি এইবোৰ, বয়সেই বা কিমান হ'ব, মইয়ে আজিলৈকে নুবুজিলোঁ, বুজিলে এদিন প্ৰতিমাক ক'ব পাৰিলোঁহেঁতেন 'চোৱা তুমি মোৰ পৰা আঁতৰি পলোৱাৰ ফলত মোৰ দেহৰ এইখিনি ঠাই — য'ত বিজ্ঞানে স্বীকাৰ কৰি লৈছে মন আছে, হৃদয়ৰ স্থান সেইখিনি, যেনেকৈ দেখুৱাব পাৰা হাত দুখন ডিঙিৰ দুয়োফালে কান্ধৰ পৰা আৰম্ভ হৈছে, ফুচফুচ যিহে আমাৰ ভিতৰলৈ অবিৰাম টানিছে আৰু এৰিছে বতাহ, এনেদৰে ঠিক মনটো এইখিনি ঠাইত আছিল মোৰ দেহৰ, তাৰপিছত এতিয়া সেইখিনি ঠাইত একো নাই, শূন্যতা মাথোঁ, সকলোবোৰ জৈৱিক কোষেই তাত নিশ্চিহ্ন হৈছে কাৰণ সেইবোৰৰ জীৱনধাৰণৰ আহিলা আছিল তোমাৰ সংগ, তোমাৰ মৰম, স্নেহ, আবেগ-অনুভূতি —' কিন্তু, মই জানো তেনে কোনো ধৰণৰ কথা মই প্ৰতিমাক ক'ব পৰা নাই, মোৰ অভিযোগৰ কোনো দৃশ্যমান সাক্ষ্য মই তাইক দিব পৰা নাই, অথচ মই জানিছোঁ সেই বিচ্ছেদে মোক মৰিমূৰ কৰি, মোৰ মন থান-বান কৰিছে, কিন্তু মোৰ দেহৰ প্ৰতিটো অংগ সেইবোৰৰ জৈৱিক কাৰ্য-কাৰ্য, দৈহিক সঞ্চালন সকলো ঠিকেই চলিছে, তয়ো দেখা নাই একো হৰণ ভগন —

ভদ্ৰই বিজিতলৈ চালে, তাৰ ভাবিবৰ মন নগ'ল যে বিজিতৰ বাবে ভদ্ৰৰ সকলো কথাই হৈ পৰিছে এক প্ৰলাপ, বিসংগতিৰে পূৰ্ণ উন্মাদৰ আবোল-তাবোল। ভদ্ৰ স্তব্ধ নহ'ল, সি বুজি নেপালে কেতিয়া সি বন্ধ কৰিব লাগিব তাৰ অনৰ্গল মুখেৰে নিগৰি থকা কথাৰ সোঁত।

'তই নাজান, ময়ো তোৰ বয়সৰে পৰা বিচাৰি ফুৰিছোঁ মানুহৰ মন — দেহৰ কোনটো অংগত তাৰ বসতি! চা, এইদৰে হাতৰে এটা উৰি ফুৰা ফৈঁৰা ধৰিলোঁ, বান্ধি দি দিলোঁ তাৰ দেহত এডাল দীঘল সূতা, আৰু এৰি দিলোঁ, ভাবিলোঁ এতিয়া তাই মুক্ত, উৰি যাব পাৰে আকাশ ধিয়াই — কি এক ভয়ংকৰ ভ্ৰম, মনেৰে তাই আকাশ চুমি অহাৰ স্বপ্ন ঠিকেই দেখিছে, কিন্তু গম যদি পালেহেঁতেন শৰীৰ আৰু মনৰ মাজত আছে এক জ্ঞান-অজ্ঞানৰ কৃষ্ণকায় পাহাৰ — তাই হয়তো হৃদয়ঙ্গম কৰিলেহেঁতেন যে ক'ৰবাত (ক'ত?) এটা মন আছে, সেই মনক বাৰে বাৰে তাইৰ দেহৰ বাকী অংগবোৰে, এই ধৰা খৰিকাৰ দৰে ভৰিকেইখনে, বতাহৰ দৰে পাতল পাখি দুখনে, বা লাহি গাটোৱে ক'ব খুজিছে মনক, তুমি আকাশৰ স্বপ্ন ত্যাগ কৰা, দূৰ দিগন্তলৈ ঢাপলি মেলিব নুখুজিবা, ক'ত আছে তোমাৰ আকাশ, ব্যোম শূন্যতা — বান্ধি থোৱা সূতাৰে আঁকি দিয়া হ'ল তোমাৰ সুদূৰৰ সীমা, য'ত আগতে সীমা নাছিল, ৰেখা নাছিল —

কল্পনাৰ এই বোজাত ভদ্ৰৰ নিজকে বৰ ক্লান্ত যেন লাগিল, পুৱাই আহি পৰিল তালৈ অহেতুক এক শ্ৰান্তিৰ ভাব। মনৰ সন্ধানত সি অকলে ভ্ৰমা নাই নিশ্চয়।

বিজিতৰ দৰে কুলকুমলীয়া এটাৰো মনত সোমাইছে 'মন ক'ত' উত্তৰহীন প্ৰশ্ন। ভাল লাগিল তাৰ এক সতীৰ্থৰ আগমনত। প্ৰতিমাক সি ক'ব পৰা নাছিল মনৰ কথা। কি আছিল তাৰ মনৰ ভিতৰৰ সঞ্চিত সম্পদ যাক সি উন্মুক্ত কৰিব নোৱাৰিলে সময়ৰ আহ্বানত — মাথোঁ ক'লে, নিজেই কৰিব পৰা নাই মনৰ সাংকেতিক ভাষাৰ পাঠোদ্ধাৰ — তাই নিশ্চিতভাৱে সুখী নহ'ল, হাতৰ দুৰবি দাঁতেৰে কামুৰি ক'লে — 'অসীম স্বাধীনতা নিদিবা, তোমাৰ মনৰ চৌপাশে গঢ়ি তোলা প্ৰাচীৰ বা দুৰ্ভেদ্য বৃত্ত, আৰু বন্দী কৰি তোলা হৃদয় যাক শুনিবলৈ দিয়া তোমাৰ অংগ-প্ৰত্যংগৰ ভাষা, কোনৰ জন্ম-মৃত্যুৰ ক্ষণিক জীৱনৰ ইতিহাস, কোৱা হৃদয় মোৰ, এয়ে বাস্তৱ, ইয়ে ঠিক, তোমাৰ বাসভূমি এই ধূলি-বালি, বোকা-পানীৰ মাজতে —', তাইৰ মুখত আহি পৰিল উত্তেজনাৰ স্পষ্ট ছবি, ক'লে : 'মনৰ সন্ধান পালে জনাবা, কেতিয়াবা ক'বা মনৰ কথা — তেতিয়া লগ পাম দুয়োজনে দুয়োজনক, এই কফি হাউচৰে কোনোবা এখন চিনাকি টেবুলত, বা হয়তো ইউনিভাৰ্চিটিৰ লাইব্ৰেৰীৰ ভিতৰৰ আলমাৰিৰ কাষৰ চিনাকি ঠাই টুকুৰাত —' সি গম পালে প্ৰতিমা সন্ধিয়াৰ চিনা-নিচিনা আন্ধাৰত মিলি গ'ল, তাৰ চকু-মুখ চুই গ'ল এছাটি বতাহে, শীতল বতাহে তাৰ দেহত সজীৱতা আনিলে, কিন্তু মনত?

ভদ্ৰ চকীৰ পৰা থিয় হ'ল। ড্ৰয়াৰৰ পৰা টান মাৰি উলিয়াই আনিলে চিগাৰেটৰ পেকেট। এতিয়া সি এইবোৰ খোৱাৰ পৰিমাণ কমাই আনিছে, কিন্তু ধুমপানৰ সফল আসক্তিৰ পৰা এতিয়াও পূৰ্ণ নিবৃত্তি তাৰ অহা নাই। জুইশলা ক'ত? সি ড্ৰয়াৰৰ ভিতৰৰ লাম-লাকটুবোৰৰ মাজত বোকাত মাছ খেপিওৱাৰ দৰে বিচাৰি ফুৰিলে দিয়াচলাইৰ বাহ — পুৰণি আলপিন এটাৰ খোচ লাগিল আঙুলিত, হয়, পুৰণি পেপাৰৰ কাটি থোৱা টুকুৰাবোৰৰ দ'মটোৰ মাজৰ পৰা ওলাই আহিল জুইশলা বাহটো। সি চিগাৰেটৰ মুৰত জুই দিলে, মুখৰ পৰা ওলাই অহা এহোপা ধোঁৱাই ধূম্ৰায়িত কৰিলে তাৰ সমুখভাগ, কৰ্ক চুলিৰ বিজিতৰ নিষ্পাপ মুখখনৰ ছবি সি নতুন কৈ চাবৰ প্ৰয়াস পালে, তাৰ প্ৰতি ভদ্ৰৰ মনলৈ আহি পৰিল এক সহানুভূতি —

বাওঁহাতেৰে ভদ্ৰই মেলি ল'লে অন্য এখন বহী, লেবেলত খোদিত হৈছে নাম — মৰমী চৌধুৰী, — হাতৰ আখৰ তাইৰ ডাঙৰ, কেইটামান শাৰীতে পূৰ্ণ হৈছে বহীৰ পৃষ্ঠাটো, আৰু সি পঢ়ি গ'ল — তোমাক দেখা নাই, শুনিছে থাকোঁ মা-দেউতাৰ মুখত। পূজাৰ সময়ত কেতিয়াবা তুমি আহি যাবা পাবা বুলি শুনো। আজিলৈকে নাই পোৱা। তুমি জানাই কেডবেৰীজ চকলেট মই ভাল পাওঁ। ক্লাহ চলি থাকোঁতেও ছাৰে নেদেখাকৈ খাওঁ মাজে মাজে। কাৰত বহা উৰ্মিয়েও গম নাপায়। বাতি শুই থাকোঁতে গাৰুৰ তলত ডাঙৰ পেকেট এটা থৈ দিবা। মায়ে উঠাৰ আগতে —।

ভদ্ৰই অনুভৱ কৰিলে যে তাৰ মুখত এটা হাঁহি বাগৰিব ধৰিছে, তাৰ ভাল লাগিল — শকত-আৱত নোদোকা মৰমীক সি মনত পেলাব পাৰিলে — মাজৰ

বেঙ্কত বহ্য তাইৰ গোল গাল দুখন, তাইৰ খোলা মুখৰ হাঁহিটো, মুৰৰ পিছফালে বান্ধি থোৱা বন্তীন বেণী দুডাল —।

পুৰি থকা চিগাৰেটৰ ছাই সৰি পৰিল বহীখনৰ ওপৰত। ভদ্ৰই ফু মাৰি সেইখিনি আঁতৰালে আৰু মৰমীৰ বহীখন বন্ধ কৰিলে — তাইক ক'ব লাগিব চিঠিৰ স'তে থাকিব লাগে তাৰিখ, আৰু লিখোঁতাৰ নাম —।

ঘড়ীটো চালে, ভদ্ৰই জানিলে যে সি একোখন বহীত বেছি সময় কটোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে, কিছুপৰ পিছতে সি সাজু হ'ব লাগিব, তাৰ আগতে অন্ততঃ শেষ কৰিব নোৱাৰিলেও সি যথেষ্ট সংখ্যক বহী চাই পেলোৱাই যুগুত হ'ব — সি পঢ়িলে — ইমানবোৰ মানুহ, চৰাই, জন্তু তুমি সদায় কনাই থাকিব লাগে। তাতকৈ যিমানবোৰ আছে সেই সকলোবোৰকে জীয়াই থাকিবলৈ দিয়া। তেনে কৰিলে মোৰ দেউতাও আজি মোৰ লগতে থাকিলহেঁতেন —

ভদ্ৰই অনুমান কৰিলে এইখন বৰ্ণালীৰ বহী, সি লুটিয়াই চালে, হয়, বৰ্ণালী মহন্ত — হাঁহিত উজ্জ্বল হৈ থকা বৰ্ণালীৰ মুখত আজিকালি সি কাচিৎহে হাঁহি দেখিছে, তিনি-চাৰি মাহৰ আগতে তাইক স্কুলৰ পৰা মাতি নি চাবলৈ দিয়া হৈছিল ঘৰৰ আগত পৰি থকা বাপেকৰ ৰক্তাক্ত দেহটো — মানুহে কৈছিল, কোনোবাই গুলীয়াইছে, আখেজত, আৰু কাৰোবাৰ আখেজত নাইকিয়া হৈছিল বৰ্ণালীৰ হাঁহিটো —।

আঃ বুলি চিগাৰেটৰ পুৰি অহা টুকুৰাটো ভদ্ৰই দলি মাৰি দিলে মজিয়াত। তাৰ হাতৰ আঙুলি দুটা ৰঙা পৰি উঠিল, জিভাৰ পানীৰে ঠাণ্ডা ভাব এটা দিবৰ চেষ্টা কৰিলে।

বাহিৰত মানুহৰ ব্যস্ততা বাঢ়ি উঠিছে। দীঘল বাৰাণ্ডাখনত পায়চাৰি আৰম্ভ হৈছে দীপেনৰ — সি ৰেল ষ্টেচনত সক সক কিবা কামত জইন কৰিছে, ৰাতি তাৰ ডিউটি, দিনত ঘূৰে নতুন কিবা চাকৰিৰ সন্ধানত, সিফালৰ কমৰ নেকিৰ এতিয়াও নিদ্ৰামগ্ন—

'এতিয়াহে —'

'ও —' দীপেনে বাহিৰ পৰা শলাগিলে।

'আহচোন — কিবা এটা চাবি —'

ভদ্ৰৰ আহ্বানত আধাখোলা দুৱাৰ ঠেলি সোমাই আহিল দীপেন। তাৰ পিন্ধি থকা গেঞ্জিটো বহুদিন ধোৱা নাই বুলি নিশ্চিত হ'ল ভদ্ৰ। আঁঠুৰ ওপৰলৈ কোঁচাই থোৱা লুঙিখন অলপতে সি কিনিছে, কেৰীবালাৰ পৰা।

'কিতাপ-বহী-কাগজ-কলম এইবোৰ দেখিলেই আজিকালি এক ঘৃণাৰ ভাব আহে —'

বিছনাত বহি পৰা দীপেনে হাতৰ দাঁত ঘঁহা ব্ৰাচ এতিয়াও মুখলৈ সোমোৱাই নাই, ক'লে ঃ 'তই ভাল এইবোৰ চলাই ৰাখিছ। কামৰ নামত এই পঢ়া-শুনা, তাৰপিছত পঢ়োৱা-লিখোৱা — কি এক বৰিং ব্যাপাৰ —'

বাভিপুৱাই উদ্‌গীৰণ ঘটিল দীপেনৰ ঘৃণাৰ আগ্নেয়গিৰিৰ।

এনেকুৱা কথা-বতৰা, আলোচনাত ভদ্ৰই ধৰি আহিছে নীৰৱ শ্ৰোতাৰ ভাও। আজি তাৰ তথাপি কিবা এটা কোৱাৰ মন হ'ল : 'এইবোৰতো কেতিয়াবা মন লাগি থৰে —'

দীপেনৰ মুখত বিশেষ কোনো ভাবাবেগৰ সৃষ্টি নহ'ল।

'সক ল'ৰা-ছোৱালীমখাৰ ডাঙৰ ডাঙৰ মনবোৰ, সিহঁতৰ সপোনবোৰ, হাঁহি-ধেমালি, ভিৎকাৰি, ফূৰ্তি-ফাৰ্তা, খেলা, হঁহা-কন্দা — এইবোৰ ৰব ওচৰৰ পৰা চাব পাৰি, বুজিবৰ চেষ্টা চলাব পাৰি —'

মুখত ইতিমধ্যে গোট খোৱা টুথপেষ্টৰ ফেনে দীপেনক কোনো কথা কোৱাৰ পৰা বাৰণ কৰিলে, সি ওপৰমুৱাকৈ, মুখখন ভালকৈ খোল নোখোৱাকৈ অস্ফুটভাবে কোৱা শব্দটো ভদ্ৰই উমান কৰি ল'লে 'চেল্‌ফ ডিচেপশ্যন' — অৰ্থাৎ আত্ম-প্ৰবঞ্চনা জাতীয় অৰ্থবহ এটা শব্দ।

'যিকোনো এখন বহীকে বাছি ল, পঢ়ি চা, কি লিখিছে সিহঁতে ভগৱানলৈ, — যাক তই মই ধৰি লৈছোঁ কিবা এক অশৰীৰী শক্তিৰ উৎস — পঢ়'

ভদ্ৰৰ হাতত লাগি আহিল বহী এখন, সি পঢ়িলে, দীপেনৰ কাণত পৰাকৈ — তোমাক সুধিব খোজা কথাটো এতিয়া কওঁ। শুনা। মেপত যে দেখোঁ ৰং লগোৱা সীমাৰেখাবোৰ সেইবোৰ তুমিয়েই দিয়া নেকি? দেশবোৰৰ মাজত সেইবোৰ নেথাকিলে কি মজা আছিল। ইখন দেশৰ পৰা সিখন দেশলৈ ঘূৰি ফুৰাৰ মজা।

পুনঃ — আৰু এটা কথা আছিল। ঘৰৰ চাৰিওফালৰ ওখ বেৰবোৰো চাগে তুমিয়েই দিছা। সেইবোৰ নেথাকিলে দীপু, বাজুহঁতৰ ঘৰলৈ যোৱাটো কি সহজ কথা আছিল।

দীপেনে বাহিৰলৈ গৈ চিৰিং কৰি মুখৰ ফেন ছটিয়াই থৈ আহিল। সুধিলে — 'কাৰ বহী?'

'মিতালীৰ, মিতালী বৈশ্যৰ।'

অন্য এখন বহী খুলি ল'লে ভদ্ৰই — বাগিছাৰ ফুলবোৰৰ ইমান ৰং ক'ত পালা? পখিলাজনীৰ গাৰ ৰঙবোৰ তুমিয়েই দিয়া চাগে'। কালিহে গম পালোঁ। শেৱালি বুঢ়লি থাকোঁতে দেখিলোঁ পুবাৰ আকাশখন। গোটেই ৰংবোৰ চোন তাতেই। তাৰে পৰাই ৰংবোৰ চুৰি কৰিলা বুলি মই গম পালোঁ।

নৃপতিৰ চিঠিখন পঢ়ি শেষ হ'ল।

দীপেন বিছনাতেই বহি থাকিল, তাৰ সোঁহাতত টুথব্ৰাছডাল, কান্ধত মুখ মচা গামোচা — সি মন্থৰ গতিৰে কামটোৰ পৰা ওলাই গ'ল।

ভদ্ৰই তাক ক'ব খুজিছিল, শুন ইহঁতবোৰৰ কথা, আচলতে এইবোৰ তোৰ মোৰেই কথা, ধৰ খুব বেছি, কিমান বছৰ হ'ব — মুঠ কথাত তোৰে চাগে' মোৰ

নিচিনাকৈ ভাব হয় এনেদৰেই, আমি ভাবিছিলো আকাশৰ কথা, পাখি ভগা মইনাৰ কথা, আৰু কত কি —।

একো নকʼলেও ভদ্ৰৰ মনলৈ আহিল পেংগুইনক পাখি দিব খোজা জোনালী নামৰ ছোৱালীজনীৰ কথা, তাইৰ খোৱা ভৰিখনৰ বিশেষ আকৃতিৰ জোতাপাটৰ ছবি, ভদ্ৰই চাব খুজিলে মিতালী নামৰ ছোৱালীজনৰ হাত দুখন কিমান শক্তিশালী — প্ৰাচীৰ ভঙাৰ জোখেৰে —

সি দীপেনক খিৰিকীৰে জুমি চালে।

দীপেন এতিয়া ব্যস্ত পুৰাৰ বগুচুৰা আকাশখন নতুনকৈ চোৱাত — ইমানবোৰ বং — সি নিশ্চয় ভাবিছে, ভদ্ৰই ভাবিলে।

ববীন শর্মা

লখেতবী

বংশিঙা - খংশিঙা

লখেতৰা

এদিন এটা কপৌ চৰাই উৰি আহি পালে লখেতৰা নদীৰ পাৰ। দিনটো আছিল শুকুৰবাৰ। নিমাওমাও দুপৰীয়া। গৰুজাকক নদীৰ ঘাটত পানী খুৱাই, ঘাঁহনিত মেলি দি, নাহৰজোপাৰ ছাঁতে জিৰাইছিল এটা গৰখীয়া।

এনেতে কপৌটো বহিল তাৰ কাষত। সৰিয়হতলিৰ দৰে সুগন্ধিময়, চিৰপ্ৰশান্ত মাতটোৰে সি সুধিলে ঃ 'কু কু কুউ .... কু' (ওৰাপাতি বুকুত বাজিছিল তোৰ বাঁহীটিৰ মাত আজি দেখোন শুনা নাই তাক?)

বালিচৰত পোত গৈ আঁঠুৱনি পানীৰে, সম্মুখত,অচঞ্চলা লখেতৰা। নৈখনৰ দৰেই নিৰন্ন, নিস্তেজ গৰখীয়াজনো। জীৱনৰ একুৰি কাত্তৰ গৰাকী সি, অথচ অনৱৰতে লোভক বাগৰি থকা তাৰ চকুহালত জীৱনৰ বিতৃষ্ণা। অ'ত ত'ত নানাবৰ্ণী কাপোৰৰ টাপলিৰে ভৰা, সি পিন্ধা কোট চোলাটোৰ দৰেই যেন তাৰ জীৱনটোও তাৰতম্যৰ সাধুকথা। জন্মৰ এপৰেকতে সি হেৰুৱাইছিল মাতৃৰ অমৃত। তাৰ কৈশোৰৰ সপোন পখিলাক দেউতাকৰ মুখাগ্নিয়ে মোহাৰিছিল লখেতৰাৰ পাৰত। আৰু বাসন্তী? থ'ক, তাকেকে পৃথিৱীখনেই তাক ছলনা কৰি আঁতৰি গৈছিল, যেতিয়া সি আৱিষ্কাৰ কৰিছিল সি আজন্ম বোবা, কণ্ঠহীন।

কপৌটিৰ মাতত সেৱে সি বিমৰ্ষতা প্ৰকাশ কৰি ক'লে ঃ 'এ এ অ...' (ডালৰ চৰাই ডালত পৰ, তিয়নি-সিয়নি মোৰ দুকোলা দুঃখ)

দেও দি দি দুবাৰমান ঘূৰি কপৌটিয়ে আকৌ ক'লে 'কু কু...' (ভয়ে কৈছিলি, পছোৱাটি বলিলে আহিবি, বাঁহী সুৰেৰে মালিনীৰ দেশলৈ নিম উৰুৱাই যাবিনে অ' সক চৰাই।)

আত্মাভিমান ভৰা বেদনাৰ খোকাখুকি সুৰটোৰে গৰখীয়াই ক'লে ঃ- 'অ' অ'...' (গ'ল বেলিৰ পৰা এইবেলি... ইমান দীঘল ওখোৰা-মোখোৰা বাট, যাতনাত পাৰ কৰিছোঁ দিনবোৰ, আনিছিলিনে তেতিয়া, তোৰ সেই মৌ-সনা মাত?)

কপৌটিৰ মন সেমেকি উঠিল। দুখৰ কণ দি ক'লে ঃ- 'কু কু...'(আহিছোঁ ককাই, তোৰ দুখৰ চোতালৰ কান্দোন শুনিবলৈ...।)

খং উঠিছিল গৰখীয়াজনৰ। হৃতৰ লাকজালেৰে কপৌটি খেদি খজেৰে ক'লে ঃ 'এ

এ ...' (কাৰ কথা শুনিবি! কি কি শুনিবি! পাৰিবনে তোৰ হিয়াখনে সহিব তইযে এখুদমানি....')।

কপৌটিয়ে গভীৰ আহ্বানে ক'লে ঃ 'কু কু...' (বাঁহীটো বজা ককাই, আলি কাটি জালি দিওঁ, তোৰ দুখৰ দুববিত আনি দিওঁ এচিকুশ ৰ'দ, দিবিনে মোকো এগাল খুদ...)।

খৰিকটীয়াৰ কুঠাৰৰ ঘাপে গভীৰ কৰা দুপৰীয়াটো, নৈৰ দুয়োপাৰে বিণ্ডা বিণ্ডা স্তব্ধতা। মাজে মাজে ঝাওবন-কঁহুৱাই ফাগুনৰ সুহুৰিটোক মাতে, বাজে, নাই কিন্তু তাত বনগীতৰ আমোলমোল পানচৈ।

যোৱা ৰাতিৰ কথা, যোৱা ৰাতি কিয় তাৰ আগদিনাৰ কথা, আগদিনা কিয় ক'বলৈ গ'লে যোৱাটো মাহে, মাহে কিয় কওঁ যদি বছৰটোৰ কথা, ভুল নহ'ব। লখেতৰা পাৰৰ সৰু সৰু কেইখনমান গাঁও- কয়াজানী, ৰাজাবাৰী, পানীচলা ইবোৰত হিৰণ্যকশিপুৰীয়া তাণ্ডৱ। দিন নাই, ৰাতি নাই, জাকে জাকে যুদ্ধৰত সৈনিকবোৰ নামি পৰে। চৌপাশে পহুচোঁচা দি, সৰু সৰু পঁজাবোৰৰ ল'ৰা-তিৰোতা-মতা সকলোকে টানি উলিয়ায়। সোধে কিছুমান অজান মানুহৰ নাম—"সিহঁত আহিছিল নেকি, ইয়াত ভাত খাইছিল নেকি, কাৰ ঘৰত?" নাভূত-নাশ্রুত প্ৰশ্ন। ভয়ত কম্পমান অ-গঞৰই উত্তৰ দিব নোৱাৰিলে গুৰিয়ায়, বন্দুকৰ কুন্দাৰে খুন্দিয়াই...।

দিনতে মৰিশালি হেন গাঁওবোৰ। গোহালিৰ গৰু গোহালিতে হেম্বেলিয়ায়, ঘাঁহনিত মেলিবলৈ সাহস নহয় কাৰো। এনেটি পৰতে আহিছে কপৌটি, গৰখীয়াৰ মুখে শুনিবলৈ জয়াল ৰাতিৰ বিভীষিকা। কি কওঁ, ক'ম নেকি গৰখীয়াজনৰে কথা—

তাৰ নাম মাধৱ। গাঁৱৰ বুঢ়া-মেথাই মাতে মাধা বুলি। কিৰীলি পাৰি খেক্‌খেকাৰ পৰা, তাৰ বয়সৰ চামটোৱে মাতে বেণ্ডা। তাতে শেণ্ডুৰ থোহাকেইটাই জোকাই - "এংকেৰি বেংকেৰি বেণ্ডা ককাই বাঁহী বজাই বাসন্তীৰ নাম ধৰি"। সুধিব পাৰা , কোননো এই বাসন্তী? ক'ম, আগতে টিপতে কৈ থওঁ শাকে-শোকে তাৰ জীৱনৰ ফটাকঠা এহালিচা।

লখেতৰাৰ পাৰৰ এখন সৰু গাঁও কয়াজানী। কৃষিঘৰ মানুহ, কৃষিটা সৰু সৰু চকোৱাৰ বাহ যেন পঁজা। লোণে-ভাতে, এদিন এওঁলোক আছিল কৃষিজীৱী। হাজোৰ মাধৱ মন্দিৰৰ দলৈৰ খাতৰ ৰায়ত। পিছলৈ খাত-পামৰ ৰায়তীস্বত্ব আইন-আদালতে কেঁকোৰা চেপা দিয়াত, খেতিৰ মাটিৰ পৰা উচ্ছেদ হ'ল।

মাধৱৰ পিতাক হলধৰ, পৈতৃকভাৱে আছিল মন্দিৰৰ দণ্ডাবতী পাইক। সেইগুণে হলধৰে দলৈৰ হাতে-ভৰিয়ে জোৰ দি ধৰাত, তেওঁ সিহঁতৰ খেলৰ কৃষি ঘৰক, লখেতৰাৰ পাৰৰ কয়াজানীত থাকিবলৈ সুবিধা কৰি দিলে, সাতদলাত সিহঁতৰ ভাগৰ মাটিৰ ৰায়তীস্বত্ব এৰাৰ টিপচহী একোটা লৈ।

কয়াজানীত এওঁলোকক থাকিলে হয়, পাছে খেতিৰ মাটি? চাৰিওফালে দেখোন বোঁ বোঁ বিল। তদুপৰি বছৰেকত লখেতৰাই দুবাৰকৈ দেওধা জকে। হলধৰৰ পিতাক

খেলৰ ভিতৰতে বয়োজ্যেষ্ঠ। তেওঁৱে আটাইমখাকে গোটাই, "বোলে য'ৰে ভাত ত'ৰে মাত। আজিৰ পৰা আমিবোৰে কৈৱৰ্ত হওঁ, খাল-বিলকে জীৱিকা কৰি লওঁ..."।

সেইসূত্ৰে তেওঁলোক হ'ল মৎস্যজীৱী।

হলধৰৰ বুকুত এলোটা কান্দোন আছিল। তেওঁৰ ল'ৰা-ছোৱালী নৰয়। কোনোবাটো গৰ্ভতে, কোনোবাটো এমহীয়াতে, পতিচকত কলাপাতেৰে মেৰবাই, হিয়াডাকুৰি লখেতৰাত উটুৱায়। বয়স্ক দুই-একে বোলে - "মাধা গোহাঁইৰ শাও পৰিছে। আজোককাৰে পৰা তহঁতৰ বৃত্তি এৰাই কিজানি এই দোষ।"

হলধৰেও কথাটো গমি-পিতি পতিয়ন গ'ল। সেই বছৰৰ পৰা একেবাহে তিনিবছৰ হলধৰে 'মণিকূট'ৰ সেবা ল'লে। চতুৰ্থ বছৰতে হ'ল ল'ৰাটো, ই 'মাধা গোহাঁই'ৰ আশীৰ্বাদ বুলিয়ে তাৰ নাম থোৱা হ'ল মাধৱ, মাধা।

পাছে কেঁচুবাটিৰ পৰেক ভৰিল নে নাই, পৰসূতাত ভুগি, পোনাটিক পিয়াহৰ অমৃতৰ পৰা চিৰবঞ্চিত কৰিলে মাকজনীয়ে। লখেতৰা পাকত চিতাৰ জুইকুৰাত দহি দহি জৰৌ-বৌৰা হ'ল হলধৰৰ সংসাৰ। এতিয়া কুঁ-কুওঁৱা পোনাটিক কোলে তুলি লয় কোনে? বন্দৱস্ত এটা হ'ল। পো-পোৱালি নোবোৱা ঘৰৰ প্ৰথম ল'ৰা হেনো বেচিব লাগে পোহাৰীৰ তাত। মাধৱৰ তিনিদিনৰ দিনা সিটো খেলৰ কণ্ঠিবাইৰ হাতত নামে বেচি, হলধৰে এই লোকাচাৰ মানিছিল।

ওলাল বেতিয়া কণ্ঠিবাইৰ কথা, টিপতে কৈ থওঁ আন এটা কথা। বাইও জীৱন যাতনাৰ আনটো মহৰা। আবেলিৰ বেলি হেন টিক্‌টিকীয়া বঙা সেন্দুৰৰ ফোঁটাটি লৈও, তেওঁ স্বামীহাৰা। সুধিবা কিয়, ক'ম, তিনিমহীয়া চানা-মাইকা এৰি মৰদটোৱে বোলে মুকালমুৰাৰ কোনোবা এজনীৰ সৈতে চাং পাতিব ওলাইছিল। সেই লৈয়ে দুয়োৰে কিছুদিন পদ-পদলিপি। সহ্যৰ সীমাই জেওৰা ভঙাত, এদিন বায়ে কণচণ্ডী ৰূপ ল'লে, মাছকটা বঠিখন লৈয়ে খেদি গ'ল। মৰদ বাঁহনিৰ তলৰে কিবাকৈ শহা লৰিল, তাৰ পিছত আৰু গাঁৱত দেখা নগ'ল। একেঘাপে কলপুলিটো কাটি বায়ে বোলে, 'ধেম্‌নীৰ- থুই'।

সেই কণ্ঠিবায়ে হলধৰৰ উকথা হিয়া দেখি গিৰ্‌গিবাই চকুলো পেলালে। দূৰ সম্বন্ধৰে হলধৰক তেওঁ মাতে 'মিমি' বুলি। তেওঁ 'মাধা গোহাঁই'ৰ চৰণে শইত লৈ হলধৰক পোনাটি দিবলৈ হাত পাতিলে, বোলে—'মোৰ কেউটাই যি খায় সিও খাব। কলীয়া গোসাই যশোদাৰ আহাৰ খোৱা নাছিলনা।"

কণ্ঠিবাই আগবঢ়াই দিয়া হাত দুখনত মাতৃত্বৰ মোলান আশ্ৰয় উজলি আছিল। হলধৰে অনুভৱ কৰিলে তেওঁৰ গড়া-খহা জীৱনত বায়ে যেন নতুন ভেটি দিবলৈ ওলাইছে। টপ্‌ টপ্‌কৈ পোনাটিক তেওঁ চুমা খাই, থুকি থুকি অশ্ৰু নিগৰাই বাইৰ হাতত তাক তুলি দিলে,"বোলে ইয়ে মোৰ আত্মা। তোৰ অমৃতে যদি ইয়াক বছৰ পাৰে তোক আই বুলি মাতিম।"

ইয়াৰ পিছৰ হালিচা কওঁ যদি লোকে খুন্দিব, নকওঁ যদি দোষে চুব। কণ্ঠিবাই দেৱোপম অমৃতে জীয়ালে দুটি প্ৰাণীক—বাসন্তী আৰু মাধৱ। বাসন্তী নিজৰ, মাধৱ

হলধৰৰ। ধূলা-চাৰি, তামোলৰ ঢকুৱাৰ গাড়ী টানি, সিহঁতহাল কণ্ঠবাইৰ ভগা-জুপুৰিৰ হাঁহি-কান্দোন হ'ল। তেনেতেই এদিন আৱিষ্কৃত হ'ল - বাসন্তীয়ে টুহ টুহাই যিদৰে মাতৰ মৌ বোৱাব পাৰে, মাধৱে নোৱাৰে। কিবা এটা কওঁ বুলি ওলালে, সি মুখখন মেলে, গোটেই দেহাতে ভালেমান পৰ বল দিয়াৰ পাছতহে 'এ এ' কৈ দুটামান শব্দ ওলায়।

তাৰ মানে? ইয়োনো মাধা গোসাঁইৰে লীলা নে?

শাক-দাক, জবা-ফুকা সকলোখিনিৰ পাছতো হলধৰে মাধৱৰ মুখৰ পৰা পিতাই বুলি মাত এবাৰ নাপাই, বয়সতকৈও শোকে খুন্দি মানুহজনক আলৰ কৰিলে। তাতে জীৱিকাৰ বাবেও তেওঁৰ দিনে এখন মহাৰণ। খাল-ডোঙৰ মাছ-পুঠিৰে জানো ভোকৰ ভাতৰ গৰাহ পুৰাব পাৰি? সেইবাবেই গাঁৱৰ বেছিভাগে মাছৰ বৃত্তি এৰি আন কাৰবাৰত ধৰিছে। পাঁচ-ছয় ঘৰ মানুহ এতিয়াও জাল-জুলুকিৰ ওপৰত নিৰ্ভৰশীল। সেইকেইঘৰৰ নিসনিৰ ওপৰতো আৰম্ভ হৈছে আন এক আক্ৰমণ। দলৈয়ে হলধৰহঁতৰ খেলক কয়াজানীত থাপিবলৈ সুবিধাকণহে দিছিল, খাল-ডোঙবোৰ গতোৱা নাছিল। পাছলৈ সেইবোৰ হেনো আধা চৰকাৰী আধা দালালৰ হ'ল। তেওঁলোকে আকৌ বছৰেকত দুবাৰলৈ বিলবোৰ ডাকি, মহলদাৰ মহাজনক সোধায়। তেওঁ শ শ ভাটিয়া মাছুৱৈৰে, দুই-তিনিদিনৰ ভিতৰতে, বিল-খালৰ সকলো মাছ, সাৰি-পুচি উঠাই নিয়ে। হলধৰহঁতলৈ বয় পুঠি-খলিহাটো।

এই লৈয়ে ভাটিয়া মাছুৱৈৰ লগত হলধৰহঁতৰ সদায় লাগে খকা-খুন্দা। মহলদাৰে সিহঁতলৈ বুলি গৰ্‌গৰাই উঠি— "মইতো হট্টন-চিট্টন খেল্‌বা আহা নাই, দস্তুৰমত টাকা ঢালি বিল ডাক্‌ছো, শালে-শিঙি সকলো মোৰ। জাল পাত্‌বা নেদে, কুনিয়ে- যাচোন আগে হানি থৈ আহ..."।

এদিনাখনৰ কথা। বেলি চকাভ বহা পৰত, হলধৰ উভতিছিল হাটৰ পৰা। লখেতৰা পাৰ হৈ বিলৰ পাৰে পাৰে আহোঁতে হঠাৎ চকু পৰিল মেটেকাপৰা ডোংটোত মাছৰ খল-খলনি। ভালকৈ বৈ খাপ পাতি চাই দেখে দুটা প্ৰকাণ্ড বৰালি। চেবেংকৈ মনটো তেওঁৰ কোবাই গ'ল। মাত নোলোৱা মাধৱক তেওঁ এবাৰ মেডিকেলত দেখুৱাইছিল। ডাক্তৰে বহুপৰ যন্ত্ৰপাতিৰে চাই, হলধৰক উপদেশ দিছিল বাহিৰৰ কোনো ভাল কণ্ঠবিভাগৰ ডাক্তৰক দেখুৱাবলৈ। ডাক্তৰৰ মতে টকা ভৰিব পাৰিলে, তাৰ মাত ওলোৱাৰ সম্ভাৱনা পূৰামাত্ৰেই আছে।

মাছ দুটাই হলধৰৰ মনটোক আশা আৰু উত্তেজনাৰে ভৰাই তুলিলে। সেইমুহূৰ্তত সেইবোৰ তেওঁ থাপি-থুপি ঘৰমুৱা হ'ল। দোভাগ ৰাতি আহিব লাগিব—গৈ থাকোঁতেই তেওঁ ভাবিলে মহলদাৰৰ মানুহে ৰাতি পৰ দিয়ে, সিহঁতে নেদেখাকৈ আহিব...। এইদৰে প্ৰতিটো ক্ষণত তেওঁ মাধ গোসাঁইৰ নাম লৈ থাকিল- "প্ৰভু, মাছকেইটা যাতে ওলাই নাযায়।"

আহাৰ মাহ। কুট-গধূলিৰে পৰা আকাশখন গুৰ্‌গুৰাই ধৰিলে। নিশালৈ আহিল প্ৰচণ্ড ধুমুহা — "বহে খৰ্ববায়ু নুশুনয় মাতবোল, গগনক ঢাকি মহা মেঘৰ আন্দোল। ঘনে

ঘনে দেই অতি বিজুলী চমক, লগে তিৰি-মিৰি আসি চকুত ঝলক... ।”

গছ-গছনি, দুখীয়াৰ ভগা পঁজা মহতিয়াই ধুমুহাজাক শান্ত হয় মানে কেঁচু চৰাইটোৱে মাতিছিল। তেজগোৰা বেলিটোৱে মূৰ তুলি চাইছিল ধুমুহা বিধ্বস্ত গাঁওবোৰক।

সেইটো পুৱাতেই গাঁৱৰ মানুহে আৱিষ্কাৰ কৰিছিল হলধৰক, ভোংটোৰ পাৰত বুকুৰে-পিঠিয়ে কেইবাঠাইতো বল্লমৰ খোঁচ। নিশাৰ বৰষুণত ধোৱা গৈছিল তেওঁৰ তেজৰ কোঁহাবোৰ। মাথোন সোঁহাতৰ মুঠিত ধৰি থকা ধাৰাল মেচি দা'খন ৰ'দ পৰি চিক্‌মিকাই আছিল... ।

সঁচা নে মিছা নাজানো,সেইটো পুৱাতেই প্ৰথমবাৰৰ বাবে মাধৱৰ হেনো মাত ফুটিছিল “পি-পি তাই ... পি পি তাই... ” । তাৰ পিছত আৰু কোনোদিনেই শুনা নগ'ল তাৰ মাত। কিজানি লখেতৰাৰ টৌৱে লখিন্দাৰৰ ভেলখন উটুৱাই নিয়াৰ দৰে তাৰো হিয়া ঢাকুৰি ওলোৱা কান্দোনবোৰ, চেনেহৰ পিতাই বোলা শব্দবোৰ, চিৰদিনৰ বাবে ভটিয়াই গ'ল। উভতি নাহিল ।...

এতিয়া সোধা যদি বাসন্তীৰ কথা, কৈছোঁ এইলেচা—

বাপেক ঢুকুৱাৰ পাছত, বৰপিতাকে মাধৱক কণ্ঠিবাইৰ পৰা লৈ আহিল, বোলে- “মোৰ তাতেই খাবে-পইতাই খাবো, বাৰীৰ খৰিকেইডাল, গৰুকেইটাকে চাবো।”

তেওঁৰ কথাত কণ্ঠিবায়ে মৰাৰ সমান আঘাত পালে, বোলে— “মই তেনে আহাৰহে খুৱাইছিলোনা? সি মোৰ কলিজাৰ আক্‌ফাল, বাসন্তী বি সিও সি।”

বৰপিতাকে ক'লে- “তই দুখ নকৰিবি, হলধৰৰ বংশত তিতা-লাউ নগজক সেই খোন্তে তাক আনবা আহিছোঁ ... অ' মাধা গোসাঁয়ে নিজে দৈৱকীৰ ঘৰোক আহা নাছিলনা, সেইবুলি যশোদা জানো মাকোৰ পৰাই বঞ্চিত হ'ল ... ।”

পাণ ফালি উলিয়াই দিয়া জীঅ'ৰ দৰে, কুণ্ঠিবায়ে সিদিনা মাধৱক বৰপিতাকৰ হাতত গতাই দিছিল, বোলে - “আজিৰ পৰাই মোৰ ঘৰ আন্ধাৰ... যা বাচা আপোন ঘৰোক যা ...” ।

দুৱাৰ চুকত কুঁহু কুঁহাই কান্দি আছিল বাসন্তী। তাকে দেখি বুঢ়া বৰপিতাকৰো দুগালে দুধাৰি চকুলো ওলাল, বোলে- “আকেখান গাঁও, আকেটা চুবা, আকেটা নদীৰ ঘাট, আহিন-জাহিন থাকিবো নহয়...” ।

থাকিল। জীবিকাৰ বাবে ৰাস্তে দিনৌ যায় দুৰণিৰ হাটলৈ, মাছৰ খৰাহি মূৰত লৈ ঘূৰি ফুৰে গাঁৱে গাঁৱে। তাৰ মাজতো সুকণ্ঠা উলিয়াই মাধৱক দি যায় চেনেহৰ মাত, কেতিয়াবা হাঠা বিস্কুটখন, আৰু কেতিয়াবা বাসন্তীৰ হাততে পঠিয়াই — তাৰ প্ৰিয় আঞ্জা ঔৰে মাছে জোল।

মাধৱৰো মাতটোহে নাই, দেখাই-শুনাই, স্বভাৱে-চৰিত্ৰই অতি অমায়িক। কেঁকোৰা চুলিকোছাৰে মুখখনত অনবৰতে লাগি থাকে এটা মৌ-মিঠা হাঁহি। গাঁওখনৰ বিয়ে বিটো কামৰ কাৰণে পাছে, পাৰক-নৰক আগধৰি সি লৰৰি যায়। সেইবাবেই গাঁওখনৰ কোনোৱে দিয়ে তাক চুৰীয়াখন, কোনোৱে গেঞ্জীটো, কোনোৱে গামোচাখন, কোনোৱে বা পুৰণি কোট-চোলাটো।

বাসন্তীয়ে তাক দিছিল আটাইতকৈ মৰমৰ বস্তুটো, এটা বাঁহী। বামদিয়াত ভেঠেলি চাব যাওঁতে কিনি দিছিল তাক। নিজৰ কাৰণে কিনিছিল তাই কেঁইপাতমান চিচাৰ বং-বিৰঙ খাৰু। তাই আজিকালি মেখেলা-চাদৰ পিন্ধে। মাকেও কুটাৰ দৰে বিচাৰি-খোচাৰি তাইক আনি দিয়ে গোন্ধ তেল, লাক্স চাবোন, এযোৰ আৰ্চী-কাকৈ আৰু গা-ধুবলৈ বাৰীৰ চুকত ঢকুৱাৰ বেৰ।

বাঁহীটো পাই মাধৱ সিদিনা ফূৰ্তিত দামুৰি পোৱালি যেন হ'ল। বাঁহীৰ ফু ফু মাতত সি যেন ইমান দিনে সি বিচাৰি ফুৰা কণ্ঠৰ ভাষা পালে।

পিছে ঘৰলৈ আহি বাসন্তীহে ঠেঁহত ওফন্দিল। বাছি বাছি যতনাই অনা খাৰু কেঁইপাত হাতত নোসোমায়। জোৰকৈ সোমাব বিচৰাত দুপাতমান ভাঙিলো। মাকে বুজনি দিলে- "চিচাৰ খাৰু হাতত চাবোন ঘঁহিহে সুমাই।"

পিছদিনা, লখেতৰাৰ পাৰত বাঁহীটো ফুৱাই ছাগলীজাকৰ মাজত বহি আছিল মাধৱ। বাসন্তী ওলাল তাতে। বোলে- "ও মাধ, মই হাতোত চাবোন ঘঁহো, তই মোক খাৰু কেঁইপাত পিন্ধে দিচোন" - এই বুলি নৈৰ পানীত হাত জুবুৰিয়াই, হাতত চাবোনকণ ঘঁহি, খাৰুকেঁইপাত মাধৱলৈ আগবঢ়াই দিলে।

মাধৱে বাসন্তীৰ চাবোন সনা হাতখন ধৰি খাৰুপাত সোমাবলৈ বুলি লৈছে, হঠাৎ কি হ'ল জানো তাৰ বুকুখন ব'হাগ মাহৰ আকাশৰ দৰে গুমগুমাই উঠিল। গোটেই দেহত কঁপনি-তুলি এচেৰেঙা বিদ্যুৎ সিৰ্‌সিৰাই গ'ল।

সি বাসন্তীৰ মুখলৈ চোৱাত এনেহে লাগিল, যেন তাই সেন্দুৰীয়া পুঠিৰ দৰে জিল্‌মিলাইছিল।

খাৰুপাত পিছলি বাসন্তীৰ হাতত সোমাই গ'ল। তাৰ বাঁহীটোত এফাঁকি বিয়াগীতে উৰুলি দি উঠিল-

ধান পাকে আঘোণত, কুলি মাতে ফাগুনত ... সখি মোৰ অ' ...।

ন-পানীয়ে টৌ খেলিছিল লখেতৰাত। শাওণত তাই হ'ব গৰ্ভৱতী। ফেনে-ফুটুকাৰে বব ঢল, দুকুল ওপচা বাৰিষাৰ ৰণচণ্ডী।

শুনা, ক'ব খুজিছোঁ সেইটো নিশাৰ কাহিনী—

কাষ্টিবায়ে নিশাৰ ভাত বাঢ়িছিল। এনেতে দুৱাৰমুখত কোনোবাই মাত দিলে — "আই দুৱাৰখন খোলকচোন"।

অচিনাকি কণ্ঠ। বাই আৰু বাসন্তীৰ বুকুখন টিঙিচকৈ কামোৰ মাৰি উঠিল। অলপ সাহ বান্ধি বায়ে গেৰি মৰাৰ দৰে সুধিলে — "কুনিনো"?

"আই মই, দুৱাৰখন খোলকচোন —" উত্তৰ আহিল।

ভয় খাইছিল বাসন্তীয়ে। তাই মাকৰ হাতত সাৱটি ধৰিছিল। বায়ে চাকিটো দাঙি দুৱাৰৰ দাংডাল খুলি অলপ ফাঁক কৰি চালে— এজন অচিনাকি সুঠাম যুৱক। "বাপা

কুনি।” বায়ে সুধিলে।

“চাওঁ মোক ভিতৰলৈ যাবলৈ দিয়কচোন, ক'ম” — যুৱকজনে দুৱাৰখন অলপ ঠেলি ভিতৰলৈ সোমায়ে জপাই দিলে। তাৰ পিছত বাইৰ হাতৰ চাকিগছত ফু মাৰি নুমাই দিলে। বাই আৰু বাসন্তী ভয়ত আতুৰ হৈ, এন্ধাৰতে ইটোৱে সিটোক সাৱটি ধৰিলে।

যুৱকে ক'লে ঃ “আই, ভয় নাখাব। আপোনাৰ ভালৰ বাবেই মই চাকিটো নুমাই দিছোঁ। পুলিচে মোক বিচাৰি আছে। পলাই ফুৰিছোঁ। আজি তিনিদিন একো খোৱা নাই, এগৰাহ যদি ভাত দিলেহেঁতেন আই, মই শপত খাই কৈছোঁ, ভাতগৰাহ খায়ে মই আঁতৰি যাম।” যুৱকজনে প্ৰায় একে উশাহতে কথাকেইষাৰ ক'লে।

বাইৰ মনত পৰিল, গাঁৱে গাঁৱে মাছ লৈ ফুৰোঁতে তেওঁ যে কথাবিলাক শুনে, মিছা নহয়। — “পাছে চাকিগছ নজ্বলালি কেনকৈ তুমাক ভাত দেওঁ”- বায়ে আগৰ ভয়টো আঁতৰাই যুৱকক সুধিলে।

“নাই আই” — যুৱকে বাধা দি ক'লে — “আপোনাৰ ভালৰ বাবেই চাকিটো জ্বলাব দিয়া নাই, পাৰে যদি আন্ধাৰতে খেপিয়াই হ'লেও চকত যি আছে এগৰাহ দিয়ক।”

উপায় নাপাই মাক-জীয়েক দুয়ো খেপিয়াই নিজৰ ভাগলৈ বঢ়া ভাতৰ কাঁহী এখন আনি তাকে যুৱকৰ হাতত তুলি দিলে। বায়ে ক'লে ঃ চাবিঅ' বাপে, আমি হ'লো ডোম-চৰাল।

বৰ তৃপ্তিৰে ভাত গৰাহ সলপি যুৱকে ক'লে — “আইৰনো কিবা জাত থাকেনে? এইবিলাক এলান্ধু আঁতৰাবলৈ আমিবোৰে নিজৰ আইক এৰি সকলো আইক মাতৃজ্ঞান কৰিছোঁ।”

অন্ধকাৰত যুৱকজনৰ ভাত খোৱাৰ সলপনিটো বাইৰ বুকুত বাজি, বুকুখন সেমেকাই তুলিলে। বায়ে ভাবে ঃ কাৰ বা আদৰৰ লাৰু, কাৰ কাৰ হাতে আন্ধাৰতে খায় ভাত, দেশখনত এনে কিনো দেও লম্ভিল, পেটৰ পোৱে আই বুলি দিব নোৱাৰে এবাৰ মাত...।

যুৱকৰ ভাত খোৱা হ'ল। বাসন্তীয়ে পানীৰ লোটাটো লৈয়ে আছিল। মাকৰ হাতত দিয়াত মাকে আন্ধাৰে-মুন্ধাৰে লোটাটি যুৱকলৈ আগবঢ়াই দিলে।

ঘকৃঘকাই পানীলোটা গিলি, যুৱক যাবলৈ ওলাল “ আই আজি আপোনাৰ ভাতৰ গৰাহটিয়ে মোক শতায়ু কৰিলে। যদি বাচি থাকোঁ এদিন পোহৰত আহিম। এইবুলি আন্ধাৰতে বাইৰ চৰণ চুই সেৱা কৰি, তেওঁ আন্ধাৰতে মিলি গ'ল।

বিস্ময়, বিমূঢ় হৈ বায়ে মাথোন মনেৰে ক'লে ঃ “বাপে তোক মাধাগোহাঁই ৰইক্ষা কৰোক।”

সেইটো নিশাৰ কথাকে কৈছোঁ। বিটো নিশাত-শিয়াল কুকুৰৰ আৰাৱে কচিবাই আৰু বাসন্তীৰ টোপনি কুটি কুটি খাইছিল। এছাটি বতাহৰ দৰে ঘটনাটোৱে সিহঁতৰ মনত এনে এটা ভয় সুমুৱাই দিছিল, যেন সেই নিশাই লখেতৰাই পাৰ ভাঙিব।

তেনেতেই গাঁৱৰ সিটো মূৰত, কোনোবাই ঘৰৰ মুখত উঠি আত্ৰানি পাৰিলে “অ’

ৰৰপিতাই মিলিটাৰী ... উঠাচোন ... ডিমুহু উঠচোন ...”।

হঠাতে আকাশ নিনাও কৰি ফুটি উঠিল কেইবাজাইও গুলী ...।

ঠক্ ঠক্ ঠৰ ঠৰে কঁপিছিল মাক-জীয়েক। সেই মুহূৰ্ততে কেঁচুৱাৰ কান্দোন, ল'ৰা-তিৰোতাৰ আত্ৰানিৰ গাঁওখন যেন সৃষ্টি-ধ্বংসৰ কালৰাত্ৰিত সোমাই পৰিছিল।

লখেতৰাৰ পাৰ ভঙা শব্দতকৈও ভয়ানক।

ধুমুহাৰ গাজনিতকৈও মাভৈঃ সেই ৰাতিৰ আৰ্তনাদ ...।

পানীপচাত টোপটোপাই থকা বৰষুণৰ টোপালবোৰৰ দৰে গাঁওবাসীৰ উচুপনিৰ শোঁতাটো টুপি টুপি নিশাটো শেষ হৈছিল।

কিন্তু পুৱাটো কাৰ বাবে? এগৰাকী যুৱতী, এগৰাকী নাৰী, এগৰাকী মাতৃ যি ৰূপতেই তেওঁক তুমি মহিয়সী নকৰা, বাসন্তীক জানো বন্দিত-গৰীয়সী কৰিব পাৰিবা শ-ভাবী ৰাজনীতিজ্ঞৰ শাস্ত্ৰত? সভ্যতাৰ শতছিন্ন আঁচোৰত ধৰ্ষিতা বাসন্তীক?

সেইটো পুৱাতে বাসন্তীৰ চিতা জুই জ্বলিছিল লখেতৰাৰ পাৰত। খং-ক্ষোভ, জীৱনৰ চিৰ-বিচিত্ৰ অশ্ৰুজলত স্নান কৰি মাধৱে সিদিনা হাতৰ বাঁহীটো লখেতৰালে দলি মাৰি দিছিল। টৌতে উটি বাঁহীটোৱে সিদিনা যেন গাইছিল ঃ

চেনেহৰ আই মোৰ, ৰাখাচোন মোকে
জীৱন দি পূজিম ওৰেটো জীৱনে ...
চেনেহৰ মাধ মোৰ, ৰাখাচোন মোকে
কত সপোন হিয়াতে আছে তোমাৰে স'তে
তেনেহৰ গাঁওখন ৰাখাচোন মোকে,
জীয়াৰী বোৱাৰীৰ ....

তেতিয়া সজল কপৌটিয়ে দুখতে ৰূপ দিছিল কু কু কুউ-কু। লখেতৰাৰ আনটো পাৰৰ পৰা কণ্ঠিবায়ে গেৰিয়াইছিল “এ মাধ, বাচা আহ্ গধূল হ'ল।”

বংশিঙা-খংশিঙা

হাতে লক মুখে গুৱা ম'হ চাৰে বৰেৰপুৱা।

হেৰাপু চলিলৰে...

সেইদিনা চ'তৰ পুৱাবেলাতে পছোৱাই পুৱাই। যেন্থ বহি আছিল আধাপখৰা ছাটিটোৰ তলত, ধূলিতে ধূলাই।

পহমাৱাই ঢৌ মেলিছিল চ'লৌপ-চ'লৌপ, গ্ৰেজিঙৰ নল-খাগৰি চোঁ-চোঁৱাইছিল- চ'লৌপ চ'লৌপ।

খৰাং-তৰাং পহমাৱাৰ এক গলধন পানীত ম'হ কেইহালিয়ে গোজং মাৰি লেটি হৈছিল। সিহঁতৰ ওলাই থকা শিং কেইযোৰত বিং তুলিছিল কেইটামান জিঁয়া। দলঘাঁহৰ মাজত এজনী মাত্ৰ বগী ম'হ, তাইহে হেঁকাৰ দিছিল — হ'ম বা আ আ... হম্বা।

তাইৰ মাত শুনিয়ে যেন্থৰে বুজিছিল, তাইক 'চেউৰা'টো লাগে। আনদিনা 'চেউৰা'ই এনেকৈ মাকৰ ব্যথা এৰি 'হেথা' পালে তাৰ চেৰোমি চেকনিত জাবি চিধাই মাকৰ কাষত গোঁজাই থয়। বগীৰ পৰিয়ালটোৰ লগত তাৰ সম্পৰ্ক আকৌ দৈ-চুৱাৰ। যতদূৰ মনত পৰে, তাৰ খুঁটিৰ জীৱন বগীক লৈয়ে গাঢ় হৈছিল। খুঁটিৰ ওস্তাদ সৰুধনে যিদিনা প্ৰথম তাক গাই দুৱলৈ শিকাইছিল, প্ৰথম সি বগীৰ ওহাৰতে হাত দিছিল। উসঃ কি অদ্ভুত শিহৰণ! অনেক ভয় আৰু ভাবনাত সি আছিল লেতু-সেতু। ওহাৰ টানিব নাজানিলে ম'হে হেনো পাছ ঠেঙেৰে বুকুত লঠিয়াই — এই ভয়টোৱে তাৰ আছিল সৰ্বাধিক। সৰুধনে তাক সাহস দিছিল, সি বগীৰ গলধনখন পিহি পিহি যেন্থক ওহাৰৰ বাটকেইটি আলফুলে পিটিকিবলৈ কৈছিল। যেন্থৰে এবাৰ-দুবাৰ কেইবাবাৰো হাতখন পিছলা পিছলি কৰি থাকোঁতে, আচৰিত, বগীয়ে এবাৰ গা-নচুৱাই নিজেই তাইৰ ওহাৰখন তাৰ হাতত লগাই দিছিল।

লক্ষ্মী তাই। সেইদিনাৰ পৰা বগীৰ লগত তাৰ সম্পৰ্কটো আন ম'হতকৈ এফেটা বেছি। আৰু তাৰ চেউৰা পোৱালিটো, সি যেন তাৰ থুবীয়া আমোল, যৌৱনৰ সমস্ত সাধনাৰ ধন। তাৰ লগতে ধেমালি-ধুমল, তাৰ লগতে জীৱন খুঁজাৰ বল।

ইয়াৰো ৰহস্য আছে, সি কথা পাছত। আজি পিছে সেইজনী বগীয়ে তাইৰ বুকুৰ কলিজা 'চেউৰা'টো বিচাৰি পহুমাৰা খোদালিছে, অথচ যেহু লথম থম, কি কথা? কথা কি?

হয়তো বেজিনাৰ কথা ভাবিয়ে তাৰ আজি বুকু দহিছে। বেজিনানো কোন? কেলেই সৌৰা — সেইযে পহুমাৰাৰ দক্ষিণে গ্ৰেজিং দখল কৰি বহা নিঠুৰুৱা চৰুৱাইঁত; হয়, তাই তাৰেই।

বেচেৰী জন্মান্ধ। কণমানি ভায়েক এটা আছে কৰিম, তাৰ লাখুটিডালত ধৰিয়ে দুয়ো খুঁটিৰ ফালে আহি খৰি লুবে, তৰাং পহুমাৰাত জপং জপংকৈ খোজ দি খৰিবোজা মূৰত লৈ ওভতে।

বাবিৰা পহুমাৰা গাভিনী হ'লে, সিহঁত খুঁটিলে নাহে। যেহৰ খুঁটিৰ জীৱন আৰম্ভ হোৱাৰে পৰা সিহঁতক তেনেদৰে দেখি আহিছে, জীৱন সংগ্ৰামৰ কিমান যে নিদাৰুণ যন্ত্ৰণা। এমুঠি হুলফল শস্য কৰ্ষণ কৰোঁতে সিহঁত কিমানবাৰ পৰাজিত হয়, কিমানবাৰ মূৰ দাণ্ডি উঠে — তাৰ ইতিহাস পহুমাৰা। কল কল স্ৰোতস্বিনী স্ফটিক পহুমাৰাই এদিন যদি লাস্যময়ী চাদৰৰ ভাঁজত জোনাক সিঁচে, আনদিনা গোৰা শস্যৰ থোক মুখত লৈ লিক্ লিক্ ৰঙা জিভাৰে ৰণচণ্ডী হৈ তেজ বতিয়াই। গ্ৰেজিং দখল কৰি বহা বিভিন্ন চুবাৰ, কি আক্ৰোশৰ ধুমুহাই সিহঁতক চুচি-মচি উৰুৱাই, যেহৰে বুজিব নোৱাৰে। এদিন যদি ইটো চুবাত ফট ফটকৈ জ্বলা জুইৰ লেলিহান শিখাই পহুমাৰাৰ নিৰ্জন আকাশ ৰঙা কৰি তোলে, আনদিনা আনটো চুবাৰ আন বহুকেইজন তেজৰ চেঁকুৰাৰে পহুমাৰাত ভেল পাতে...।

মাটি আৰু মানুহৰ এই অন্তহীন ৰক্তাক্ত সংঘৰ্ষক নাচাওঁ বুলিয়ে বেজিনাজনী কিজানি জন্মান্ধ। তাইৰ হাতত থাকে এটা দোতাৰা, তাই গান নাগায়, তুং তুংকৈ সুৰ তোলে। কৰিমে কেতিয়াবা সেই সুৰতে গান ধৰি নাচে —

আৰে ভাল কৰিয়া বাজাও দোতাৰা
কমলা চুন্দৰী নাচে...

এদিনাখনৰ কথা। বেজিনা আৰু কৰিম দুয়ো খৰি লুবিবলৈ আহি কিবা কথাত দুয়োৰে ঠেঁহ লাগিল। চেঙাতেল ঘঁহা কৰিমে বায়েকক জাৱণিতে এৰি, নদীৰ সিপাৰ পালে। তাই কান্দোনত হাকুৰি-বাকুৰি, ঠহৰ ঠহৰকৈ দোতাৰাটো বজাব ধৰিলে। তাইৰ দোতাৰাৰ সুৰত কি মৌ লাগি আছিল নাজানো, চৰি থকা ম'হৰ পালটো ঘাঁহ পাগুলি সেই সুৰতে তন্ময় হৈছিল। ভাগ্যে সেইখিনি পৰত যেহু আছিল বগীৰ পিঠিত। নল-খাগৰিৰ মাজত দোতাৰাৰ মাত শুনি, বেজিনা বুলি নিশ্চিত হৈ সি লৰৰি আহিল। তাইৰ মুমূৰ্ষ অসহায় অৱস্থাটো বুজি সি তাইক হাতত ধৰি বগীৰ পিঠিত বহুৱাই তাইক পহুমাৰা পাৰ কৰি, সিটো পাৰত ঠেঁহে ওফন্দি নৈৰ চপৰা দলিয়াই বহি থকা কৰিমৰ লগত লগ লগাই দিলে।

সি ওভোতাৰ পৰত, চকাত বহা বেলিটো নল-খাগৰিৰ জোপাটোৰ মাজত

সেন্দুৰীয়া ফোঁট হৈ তাৰ মুখতে বগাকৈ বহিছিল। কিয় জানো সেইদিনা তাৰ অন্তৰখন কিবা এক ফৰকাই হেঁচো মাৰি ধৰিছিল। বহু ৰাতিলৈ বেজিনাৰ দোতাৰাখনৰ গুণ গুণ গানে সঁচাসঁচিকৈ কমলা সুন্দৰী হৈ নাচিছিল—

চুন্দৰী কমলাৰ
চৰণে নূপুৰ
ৰুণু জুনু কইৰা বাজে...

আজলী-কাজলী চিৰ দুখুনী বেজিনা, পছমাৰা ঘাটত চিৰিপ্ চিৰিপকৈ কাগোৰ ধোৰে, ক'ৰে তাই তেজীমলা, কি ফুল তুলিছিল, কি বুটা বাছিছিল, যেন্দ্ৰ জীৱন কাহিনী শুনি কিয় বাক তাই চকুলোৰে নিয়ৰ টোপাইছিল?

যেন্দ্ৰকনো দেখা নাই ক'ত?

খুঁটিত বান্ধ খোৱাৰ আগতে এদিন তাক দেখিছিলোঁ কাঁহৰ শালত, ঠুং ঠুঙকৈ কাঁহ কোবাই থকা। বস্তি মহাজনৰ শাল, মাক তেওঁৰ ঘৰতে ঢেঁকী দিয়া, উৰাল মাৰা, সেই সূত্ৰেই মাকে মহাজনক খাটনি ধৰি হাতৰ বিদ্যাৰ পাঠশালাত মূৰ গোঁজাই থৈছিল। তেতিয়া তাৰ পেটলুং উজোৱা বয়স, বহাৰ ডোল বান্ধি কিবাকৈ লাটুমণি নেদেখাকৈ থয়। সি বিদ্যা আৰম্ভ কৰিছিল, শালত আঙাৰ দিয়া, আফাৰ টানাৰে, এনেকৈ কিছুদিনৰ মূৰত সি হাতুৰী কোবাবলৈ ধৰিছিলহে, মহাজনে শালত জপনা দিলে।

উপায়ো নাই, একালে কাঁহৰ চৰা দাম আনফালে কেএ্রা মহাজনৰ মেচিন, সবাবোপৰি মহাজনৰ দুই পুত্ৰৰ পৰম্পৰাগত শিল্পৰ প্ৰতি অনীহা-অনাস্থাত মহাজনে শালত খিলা মাৰিবলৈ বাধ্য হ'ল। মহাজনৰ দুই পুত্ৰ অজয়-বিজয়, অজয়ে ধৰিছিল কাঠৰ কাৰবাৰত, বিজয় আধা ৰাজনীতি আধা ঠিকাত। কৰ্মক্ষম দুই পুত্ৰৰ কৰ্ম উপাৰ্জিত, বস্তি মহাজনে গুৰগুৰি টনাত বাহিৰে অন্যভাৱে শিৰ উচ্চ কৰিব নোৱাৰিলে। তাৰে পাকেত কবিগৰখিনি দিহা-দিহি গ'ল, কুঁহত ধৰা যেন্দ্ৰহে খাউনি হেৰাল।

মাকে মহাজনৰ ভৰিত পৰি কাবৌ জুৰিলে। মহাজনে বোলে — 'ৰ'ৰা, আতে-পিত্তে আছৰ এই বিত্তি এৰি মই কিবা সুখী না, পাছে কাৰো কি? বেপাৰৰ নামত মইতো মানুহ পুহিবা নাৰো। তুমি যেন্তে এমান কাৱউ কচ্চাও, তাক খুঁটিতে বাখো, ৰ'ৰা ৰাখো বুলচোহে খুঁটিনো ক'ত? পদমাৰা গেজিং আগোৰ গেজিং হৈ থাকা নাই, যায়ে যেন্কে পাৰে দখাল কৰাক, চৰকাৰো সেই লঠং ঠং, তোমাৰ মোৰো খুঁটিৰ মুইই কেয়ি বুলি ভাবচ'ৰা, এই ধৰা মাকে কন্দাই মিলি পাঁচ হল। তাতে সকলন থাকে, সিয়ে চাই সিয়ে চ'ৰে, ভাবি চ'ৰা যদি তোমাৰ আগা থাকে, মই তাতে ধৰা পাৰো...।"

মহাজনৰ কথাই শেষ নহ'ল, মাকে যেন্দ্ৰক আচাৰ মাৰি একপ্ৰকাৰ কোঁকায়ে পদূলি পালে। অজল আসলে যি গৰাকী মাকে মহাজনৰ চৰণ টুপাইছিল, খুঁটিৰ কথা অহাত মানুহজনীৰ বঙটোৱে সলনি হ'ল। মাকৰ এনে কিছুত পৰিবৰ্তন সি তৰ্কিব

নোবাৰি বাৰে বাৰে পেৰেনিয়ালে। মাকৰ কিন্তু হা-না একো উত্তৰ নোলাল। তাক বাওঁহাতৰ বাঁউসিত থিটো মুঠা মাৰি আঁজুৰি আনিছিল, সেই মুঠাৰে তেওঁ গোঁ-গোঁৱাই ঘৰ পালে। পঁজাটিৰ দুৱাৰখন ঠেলা মাৰিহে তেওঁ পুতেকৰ মুঠাটো এৰি শেতেলিখনত দীঘল দি পৰিল, তাৰপিছত হাউ হাউকৈ বাউচি জুৰিব ধৰিলে।

ভেতিয়া সাজ লাগিছিল, দেউৰী বাপুৰে ডবা কোবাইছিল নামঘৰত, কেৰুৰ বাপেক মণ্ডলুৰ মৰাশটো সাৰ পাই উঠিছিল মাকৰ চকুত...।

ভাবিত মহলদাৰৰ খুঁটিৰ গুৱাল আছিল তেওঁ। এদিন বোলে খুঁটিৰ 'পেৰা'টোৰে শিঙে বখলিয়াই পছমাবাতে গঁতা মাৰি দিলে। দুদিন পিছত শটো পছমাবাত ভাহি উঠিল। গাখীৰ বেপাৰী কৃষ্ণাইৰ নাৱত শটো আহি ঘৰৰ চোতাল পাইহি মানে কিকি খেদাকাৰ দিছিল।

গাঁৱৰ মানুহ হতবাক, মণ্ডলু অতবছৰ 'গুৰখ্যা' খাতিল, 'পেৰা'ই আজিহে শিং হানিলেনে? কৃষ্ণাই বোলে "বধ দিছোঁ, ই শুনা কথাহে সঠিক নাজানো, মহলদাৰে বোলে তাক 'পেৰা'ৰ শিঙলে গলটি মাৰি দিছিল!"

ঃ "হাউ, কোৰা কিহে" — গাঁৱৰ কোনো কোনোজন জিকাৰ মাৰি উঠিল, "বোলে কিবা লাগিছিল নেকি?"

কৃষ্ণয়ে বোলে, "মই শুনাত নাই, পাছে কথা দোচোৰা?"

গাঁওবুঢ়া বুদু কেওট অধৈৰ্য হ'ল ঃ "বোলে গুৱাল, শ আনিছ নাৱত, কথা ৰাখা কিয় পেটত?"

কৃষ্ণয়ে বোলে "গাঁওবুঢ়া চৰণে সেৱা, ভাবিত মহলদাৰৰ লুটুৰ-পুটুৰ মনটোৰ কথা নাজানানে? সিদিনা বোলে চন্দ্ৰনাৰ ফুলকুমাৰী এজনী আনি খুঁটিতে থৈছিল বান্ধি। তাইৰ কেঁউৰা কান্দোন সহিব নোৱাৰি, মণ্ডলুই বোলে আগভেটা দি থিয় হ'ল — মহলদাৰৰ মুখত, বোলে "ভবাকন্নাহৰ দৰে কান ভৰা আপুনাৰ গৃহস্থ 'ঘৰে আছে আই পাৰ্বতী, আপুনি কিয়া হয় নাৰকী।' 'মহলদাৰে বোলে — 'কৰে তই গুৱাল, কাৰ আগোত খোৱা মাতাহে পাষাণ...' এইবুলি পালৰ 'পেৰা'টোৰ মুখে মণ্ডলুক দিলে ঠেলামাৰি...।"

কৃষ্ণাইৰ কথা শুনি থাকোঁতে কোনোৱে মনেই কৰা নাছিল যেৰুৰ মাকক। তাই শ আনা ঢাৰিৰ মেৰটোত মৰ-খামোচ দি হিয়া ঢাকুৰি কপাল আফালিছিল। কৃষ্ণাইৰ কথা শেষ হোৱাতহে তাই কান্দিবলৈ এৰিলে; বোলে "কাই ক'ত আচাহু আহ এ, তেউক পছমাবাতে থৈ আহ... মহলদাৰোৰ মুইহোতকে আমাৰ ভেউ ডাঙাৰ, এওঁ মনুষ্য তাহল পশু...।"

ভুম...

ভুম...

ভুম...

পুৱাতে উঠিয়া বাথানক যাওঁ
মঞ্জি বাথানক যাওঁ
দুপৰবেলা আহি কৰকইৰা ভাতকে খাওঁ...

ৰাতিপুৱাই সকথনে পাল দুৰলৈ বহি গীতৰ চেক জুৰিছিল। মানুহটোৱে জীৱনৰ বেলি খুঁটিতে লহিয়ালে। ম'হৰ পালৰ পৈচান ধৰোঁতে সংসাৰৰ মায়াতো নোসোমাল। সেই লৈ তেওঁৰ গাৰ খজুৰতিও নাই। পুৱাতে এটিলিম ভুটীয়া ভাঙৰ হোপা মাৰি, প্ৰথম দোৱা ম'হটিৰ কেঁচা গাখীৰ এলোটা ঘোং ঘোং কৈ পি, দিনটোৰ বাবে তেওঁ তেলত চেন্তা দি ওলায়। ক'লীয়া ম'হ, ক'লীয়া সকথন পৰমাৰা প্ৰেক্ষিতত এক হৈ পৰে।

এতিয়া ফেহু আহাত, এঙামুৰি কঢ়াৰ জোখে তেওঁৰ কাম ভাৰ কিছু পাতলিছে। কথা পতাৰ লগ এটাও পাইছে, সোলা মুখৰ মোলা চেক টানিবও পাৰিছে। আজিও তেওঁ ভাং চিলিমৰ মল-মালিয়াথিলিক গীতৰ মাজত হাউচ লগাইছিল, তেনেতে খুঁটি চিকুণাও বুলি আহিল ফেহু। সি সকথনৰ গীতক দো-চোবা কৰি মাত দিলে — "অ' কাকা দুমাহিচো আহিল এ, মহলদাৰৰ দেখুন সৰা লৰি নাই।"

সকথনে কোঁচত লোৱা বাল্টিটোত কুৰং কুৰং কৈ গাখীৰ দোহি এইবাৰ গীত এৰি যোজনা মাৰিলে — "অ' শুনৰি এ বাপু, ডাঙৰ ডাঙৰকে হাঁহে ডাঙৰ ডাঙৰকে কাঁহে, ডাঙৰ ডাঙৰ থালোত খাই, ডাঙৰ ডাঙৰকে পাদে; হলৌ হলৌকে খোজ দেই মলৌ মলৌকে কথা কই — ৰখলোকৰ ৰব কাজ, গুৰখ্যা তই গোৰাৰোৰ দ'মতে থাক — কি বুজলাহা?"

ফেহুৱে সকথনৰ চেক্ দি চেক্ চেকাৰ ধৰিলে। সকথনে দোৱা ম'হজনীৰ ওহাৰখনত থপ্ থপ্‌কৈ খুন্দা দি আকৌ কয় — "অ' বাপু, খুঁটিৰ দৰাহোত আকৰাৰ বান্ধ খইছু খেন্তেতা মুইহোৰ লাদে তুমাৰ দোমাহী। কতো পা-পৰৰ খুঁটিতে খেদলো। শেতেলমুতা চলিতো মায়েক মনোত পচ্চি?"

ম'হৰ খুঁটিত অভিজ্ঞ সকথনৰ জীৱনজোৰা অভিজ্ঞতাৰ তিৰ্যক কথাবাৰত ফেহুৰ মুখৰ হাঁহি ছাই পৰিল। খুঁটিৰ জীৱন তাৰ বাবে নতুন। ফাগুনে থোৰ মেলাৰ পৰাই সি ভাবি আহিল মহলদাৰ আহিব, দেনা-পাওনাৰ হিচাব কৰি চ'তৰ শেষত কুলিৰ মাতে কুহুকিয়াই ঘৰ পাব। আজি এবছৰে ঘৰৰ মাত পৰৰ মাত এখাৰো নাই। মাকক যেনেকৈহে সি সেইদিনা এৰি থৈ আহিছিল, মনত পৰিলেই সল-সলাই বুকুখনে হানা-বিন্ধা কৰে। আনহে নালাগে গাঁৱৰ পদূলিৰ গুটিমালিৰ গোন্ধটোও সি নাপায়। গো-মুতে কেচেম কেচেম গোহালিয়ে তাৰ দেখোন যৌৱনৰ কুঁহিটি ম'হৰ শিঙে মহতিয়াই...।

ম'হজনীক দোৱা শেষ কৰি সকথনে সোধে ঃ "কিয়ে বাপু জীন পৰা লিলি দেখোন। হু হু ওৱাল আহাৰ আগে গাখীৰে আকলোতা খা, খুঁটিত আচাহ খাৰি আৰ কি" — এইবুলি সকথনে নিজে গাখীৰ এলোটা ভাৰে বাকি দিলে।

আমন-জিমন ফেহুৰে লোটাটো লৈ মুখত দিছে, পহ মৰাৰ ঘাটতো গুৱালে নাৱ বান্ধিছে।

আনদিনাৰ দৰে আজিও গাধীৰ নিৰলে আহিল বৈকুণ্ঠ গুৱাল। তেওঁক দেখিলে ফেহুৰ মন উচ-পিচ কৰে। খবৰ দুই-চাৰিটা চপৰা দলিওৱা খবৰ, সি গুৱালৰ মুখেই শুনে। আজিও তেনে কিবা খবৰ পাম বুলি, সি ঠাইতে বেঙামেলি গুৱাললৈ চাই ৰ'ল।

বৈকুণ্ঠই গাধীৰৰ জগৰোৰ নমাই, সকধনলৈ আগবঢ়াই দিলে মহাজনে দি পঠিওৱা সাপ্তাহিক খোৰাকীৰ মোনাখন। সকধনে মোনাখন হাতত লৈ, আনদিনাতকৈ গধুৰ যেন লগাত বচন মাতিলে — "কিহা গুৱাল, আনদিনাৰ মোনা নিহিনি ভাতৰ খোঁৰা, আজি দেখোন ধিয়াই তল যঁৰা?"

বৈকুণ্ঠই হাঁহি মাৰি কয় — "তুহনাকে খু-বাউ বুলি আনিছোঁ দিয়া, পাছে খবৰ আছে, বিজয় বাপা আহিবো গধূলবেলা, লগোত বোলে কুনবা কেটি, কাঠৰ নাৱো আছে নেকি।"

গুৱালৰ খবৰ শুনি ফেহুৰ থুগুল মন থাউকতে গোৰবত পৰিল। বিজয় ঠিকাদাৰ সময়ে সময়ে খুঁটিলে আহে, প্ৰেজিণ্ডৰ দখল মাটি কেনেকৈ উদ্ধাৰ কৰিব পাৰি সেই লৈ মাজে মাজে দুই-চাৰি সহচৰৰ সৈতে মেলো পাতে। সাধাৰণতে কাঠৰ নাও আহিলে এগুলোক গোট খায়। নাৱৰ কাঠ টনাত ঠিকাদাৰে ফেহুকো লগায়। এই কামত আগবাঢ়ি-পাছৰাঢ়ি নাই। কাঠৰ কুন্দা 'কৰিয়া' দাঙোতে সি কান্ধৰ বিৰত কেঁকাই, কিন্তু ঠিকাদাৰৰ ৰঙা চকুৰ পাকত ভয়তে সকলো পাহৰি থাকে।

পিছদিনা সকধনে তেল মালিচ কৰিব ধৰিলেহে তাৰ সল সলকৈ চকুপানী ওলাই , "বোলে কাকা, মহাজনেতো বন্দবস্ত কোবা নাছিল কাঠ টানা কথা।"

সকধনে জামাতেলে টিপি কয়— 'আমি টুনি, টুন টুনাও ডালোত, বাজা ভাত খাই সোণাৰ থালোত। হেইবা আমাৰনো কামৰ বন্দবস্ত কি?"

ফেহুৰে আকৌ সোধে, 'হএ কাকা, প্ৰেজিণ্ডত মানুহসোপা এনেকে কিয়া যুঁজি মৰে। ঠিকাদাৰ আহনে কিহোবনো মেল পাতে?"

সকধনে সেই কথা বুজি পায় কিন্তু ফেহুক বুজাব নোখোজে, কয়—বোলে, "জুই কিবা নিজে জ্বলেনা। ইতো কলি কাল কাটি মাৰি হৈবো বুদামাৰ..."

ফেহুৰ তেতিয়া মনত পৰে বেজিনা আক কৰিমলৈ। থাকিমনে সিহঁত দপ্ দপ্ ক্ৰোধ আক জুইৰ মাজত....?

গাধীৰ চালি বৈকুণ্ঠই আকৌ সকধনক গেৰি মাৰে "বোলে কাকা শুনচাহ, কৰীৰ চেউৰাটো বোলে বেচা গেল। সেই জাপাৰকুচিৰ খৰ্গে বড়োৰ ভাত। কৰা বছৰোতে তেওঁ বোলে সৈ থৈছিল খেৰাইত। এই কুনবাদিনা লৈ নিৰা আহেহে তেওঁ। ফেহুক কৰা বাতে ভালকে বান্ধি কুৰি থৱে।"

এইবাৰৰ খবৰটিহে ফেহুৰ বুকুত ঠহৰকৈ হাঁৰ মাৰিলে। কৰীৰ গোৱালিটো

খেবাইৰ বলিশালত পৰিব, — ইটো খবৰ নহৈ সি কেনে থিৰে পদ্মাবাৰ গড়াত পোত গ'ল।

হওঁতে পৰৰ ম'হ পৰৰ কথা, তাৰনো কিহৰ ইমান বেথা? বলিশালত ম'হ কিবা এইবাবহে উঠিছেনে? হ'লেও বগীৰ পোৱালিটোৰ লগত তাৰ মনৰ সপোন অতি গুপুত। সকখনে সেই কথা নাজানে, বেজিনাকো কোৱা নাই কোনোদিনে।

পদ্মাবাৰ প্ৰেজিণ্ডত এতিয়া আৰু অবিত মহাজনৰ খুঁটি নাই। ম'হবোৰ তেওঁ বেচিলে ইজন সিজনৰ ভাত। কিন্তু 'পেৰা'টো বোলে নিখোজ। পদ্মাবাৰ উত্তৰে তুটান হাবি। সকলোৱে কয় মণ্ডলুক বৰখলিওৱাৰ পাছত, বি সেই তাঁজেই নদী ভাঙি হাবিত সোমাল।

ঃ " হেইবা কালিকা লগা মুইহ" - সকখনে এদিন তাক কৈছিল - "সি আছে, আছই বাতি ওলাই; কিমান দিন দেখ্ছো তাক পদ্মাবাত পানী খৰা। টল টল চকু,টৌ টৌ শিং, আণ্ডাৰ কউলা গা, ফোকে-জোকে খেদি আহে সাক্ষাত চামুণ্ডা..."

যেহেতু সকখনৰ কথাবোৰ বিশ্বাস কৰে, বিমানে সি 'পেৰাৰ' কথা শুনে, তাৰ মনৰ মাজত খংশিঙাই ফু দিয়ে। সি মনৰ মাজত বগীৰ মতা পোৱালিটোক যুঁজৰ 'পেৰা' কৰিব খোজে। এদিন সি ডাঙৰ হ'ব, দুৰ্দান্ত-দুৰ্ধৰ্ষ ভাবিত মহাজনৰ নিখোজ 'পেৰা'টোৰ লগত যুঁজ দিব। বহুদিন সি তাকে ভাবি সপোন দেখে। সপোনতে সি এখন যুদ্ধৰ আখৰা কৰে-

....

হে যুদ্ধ লাগিলৰে......

গুম গুমা গুম মেঘে গাজে
গুম গুমা গুম মাটি কঁপে
গুম গুমা গুম পেৰাই যুঁজে
গুম গুমা গুম যেহৰ পেৰাই শিং হানে
হে যুদ্ধ লাগিলৰে
শিঙে খোঁচে
মূৰে ঠেলে
পদ্মাবাৰ মাটি খহে
অৰ্জুন ৰথৰ সাৰথি কৃষ্ণ
গুৰি ধ'ঠা ধৰে
হে যুদ্ধ.....

এদিন আউসী ৰাতি, কেবক দেখিছিলো যোগমৰা নিমাও-মাও প্ৰেজিণ্ডৰ নল-খাগৰিৰ মাজত। এহাতে হাবিকেন আনহাতে নাঙলৰ ফাল যেন চিক্ চিক্ দা। উজ্জ্বল সুতীক্ষ্ণ তাৰ চিকাৰী চকু, আকাৰৰ বজা কাঁহ টুকুৰাৰ দৰে জ্বলিছিল ক্ৰোধত।

দাবে ঘপিয়াই নল-খাগবিব জাবণি কাটি সি আগবাঢ়িছিল বীব গজেন্দ্র গমনেৰে। হাবিকেনটো দাঙি কিবা যেন পাত্ পিত্কৈ বিচাবিছিল সেই গভীৰ বাতি।

দূৰত ফেউবাই চিএবিছিল ভয় লগাকৈ, শিমলু ডালব পৰা হৰ হবাই উৰা মাবিছিল কেইটামান নিশাচৰ-কু-হত ক-হত কুহু কুহু...।

সি মাথোন আগবাঢ়িছিল জাবণিব পেটৰ মাজলৈ। নিঃসংকোচে, মেঘৰ গাজনিব দবে সাহসৰ ভংকা বুকুৰ উশাহত বান্ধি,....

সেইটো পৰত চৰাই এটাই পহমাবাৰ ভাঁজে ভাঁজে উবি উকিয়াইছিল-

বৌ কাক্কা ক'ত?

বংশিঙা-খংশিঙা বাজে য'ত...



মনোজ কুমাৰ গোস্বামী

মোক জুইশলা বাহটো দিয়ক

সমীৰণ বৰুৱা আহি আছে

মোক জুইশলা বাহটো দিয়ক

... তাৰপিছত দক্ষিণ পেৰিচৰ এখন কাফেত দেপ্লেঁ আৰু ৰজিনে অলস সময় কটাই আছিল। সমুখৰ টেবুলত দেচেৰ, কফি আৰু চিগাৰেট। আলোচনা চলিছিল মাৰ্ক চাগালৰ ছবি আৰু যৌনতা সম্পৰ্কে। তাৰপিছত লাহে লাহে ক'ৰবাৰ পৰা এজন চাপৰ, ক্ষীণ তাম বৰণীয়া মানুহ আহি দেপ্লেঁৰ সমুখত ৰ'লহি, সামান্য হাউলি বিনয় প্ৰদৰ্শন কৰিলে ঃ এক্সকিউজ মি, জুইশলা বাহটো অকণমান দিব নেকি? মানুহজনে জুইশলা বাহটো লৈ গ'ল কিছু দূৰলৈ। হঠাৎ কোলাহল। মানুহটোৱে নিজৰ গাতে পেট্ৰ'ল ঢালি জুই লগাই দিছে, দাউ দাউকৈ জ্বলিছে সমস্ত শৰীৰ, তেওঁৰ দুকাষে মাটিত গুজি থোৱা দুখন প্লেকাৰ্ড ঃ মাৰ্কিন সাম্ৰাজ্যবাদ নিপাত যাওক, ভিয়েটনামৰ যুদ্ধ বন্ধ কৰক, মিত্ৰশক্তি মুৰ্দাবাদ ... দেপ্লেঁ টেবুলৰ পৰা উঠি আহে কেইখোজমান, আকৌ উদাসীন মুখেৰে ৰজিনৰ ওচৰলৈ উভতি যায়, তাৰ পিছত সামান্য বিৰক্তকণ্ঠে তেওঁ কৈ উঠে ঃ ছেঃ মানুহটোৱে মোৰ জুইশলাটো লৈ গ'ল!...

ফুটপাথৰ পৰা ৰাস্তাত নামি পৰিল অনাদি। সন্ধিয়াৰ ব্যস্ত ৰাস্তাটো পাৰ হোৱাৰ সুযোগ বিচাৰি এক মুহূৰ্ত ৰ'ল। সি দেখিলে, তাৰ আগে আগে ফৰাচী চিনেমা এখনৰ কাহিনী লৈ ব্যস্ত হৈ গৈ থকা ভদ্ৰলোক দুজন ফুটপাথেৰে অদৃশ্য হৈ গৈছে। আহ্ — দেপ্লেঁই তাৰ পিছত কি কৰিলে? মনে মনে অনাদিয়ে সুধিলে। কাহিনীটো তাৰ বাবে আধৰুৱা হৈ ৰ'ল অথচ মানুহকেইজনৰ পিছে পিছে যাবলৈও তাৰ সময় নাই। নিৰু হস্পিতালত আছে।

ট্ৰেফিক ছিগনেল সলনি হয়, অনাদিয়ে প্ৰায় দৌৰি ৰাস্তা পাৰ হ'ল। তাৰ পিছত এটা চিগাৰেট জ্বলায়। ... আৰু এজন পণবন্দীক হত্যা, পুলিচৰ গুলীত নিহত তিনিজন খেতিয়ক... সন্ধিয়াৰ বাতৰিকাকত বিক্ৰী কৰি থকা এটা সৰু ল'ৰাই কাকত এখন ওপৰলৈ জোকাৰি চিঞৰি চিঞৰি যায়। অনাদিয়ে ল'ৰাটোলৈ চায়। ক্ষীণ, প্ৰাংশু মুখ, অপুষ্টিপীড়িত শৰীৰ। প্ৰতিদিনেই পুৱা-সন্ধিয়া নিহত হৈছে মানুহ, মৃত্যু হৈ পৰিছে অতি সুলভ, কিন্তু এতিয়া ঠিক এইবোৰ কথা অনাদিৰ মনলৈ নাহিল। খুব আবেগিকভাৱে অনাদিয়ে ভাবিলে এই সৰু ল'ৰাটোৰ কথা, যিটো সময়ত সি হাতত

ফুটবল লৈ খেলপথাৰৰ পৰা উভতি আহিব লাগিছিল, বা দেউতাকৰ হাতত ধৰি কৰিব লাগিছিল সান্ধ্যভ্ৰমণ, বা উলিয়াই ল'ব লাগিছিল পঢ়া টেবুলত ইস্কুলৰ হ'মৱৰ্ক সেই সময়ত সি ফেৰী কৰি ফুৰিব লগা হৈছে হত্যা আৰু সন্ত্ৰাসৰ খবৰ। পুনৰ হস্পিতাললৈ যোৱাৰ কথা মনত পৰাত অনাদিয়ে খোজ দ্ৰুত কৰিলে, চোলাৰ হাত কোঁচাই ঘড়ীটো চাবলৈ লওঁতেই দপ্‌কৈ ৰাস্তাৰ লাইটবোৰ নুমাই গ'ল। বাদুলীৰ পাখিৰ দৰে ল'ড শ্বেডিঙৰ আন্ধাৰে যতীন দত্ত ষ্ট্ৰীট ঢাকি ধৰিলে। কিন্তু সেই অন্ধকাৰ, মটৰ গাড়ীৰ হেডলাইটৰ তাৎক্ষণিক দ্যুতি, সন্ধিয়াৰ ব্যস্ত মানুহ আৰু গাড়ী আৰু গাড়ী-মটৰৰ কোলাহলৰ মাজেৰে অনাদিয়ে স্পষ্ট শুনা পায় সৰু ল'ৰাটোৰ সেই ট্ৰেজিক ঘোষণা ঃ আৰু এজনক হত্যা, পুলিচৰ গুলীত নিহত খেতিয়ক...

লৰালৰিকৈ তিনিআলিৰ মোৰটো ঘূৰি গলিটোৰ মাজেৰে বাট চমুৱাই অনাদি হস্পিতাল ৰোডত উঠে। এইখিনিত ল'ড শ্বেডিং নাই। দূৰৈৰ পৰা নিয়ন লাইটৰ ম্লান পোহৰত সাপৰ পিঠিৰ দৰে দীঘল পোন ৰাস্তাটো দেখা যায়। ৰাস্তাত মানুহ কমিছে। আজিকালি চহৰখন সোনকালে শুই পৰে। কাষৰীয়া ঠাইবোৰো সন্ধিয়াৰ পিছতেই জনবিৰল হৈ আছে। বৰ দুঃসময় এতিয়া। হঠাৎ ক'ৰবাত বোমা ফুটিছে, অকস্মাত নৃশংস পেৰা-মিলিটেৰীৰ দলে আগুৰি ধৰিছে ঘৰ, ৰাস্তাত হঠাৎ আৱিষ্কাৰ হৈছে গুলীবৃদ্ধ মৃতদেহ... । এখন ক্লান্ত ৰিক্সা থুং থাংকৈ অনাদিৰ বিপৰীত পিনৰ পৰা আহি আছে, তামৰ মূৰ্তিৰ দৰে ৰাস্তাৰ কাষত থিয় দি আছে দুটা ঘোঁৰা। ফ্ল'ৰ মিলটোৰ দেৱালত হিন্দী চিনেমাৰ বিৰাট প'ষ্টাৰ, ভয়ংকৰ ক্ৰুদ্ধ মুখেৰে ভিলেইনে তুলি ধৰিছে ৰিভলভাৰৰ নলী কেমেৰাৰ পিনে, আৰ্টিষ্টৰ নিখুঁত তুলিকা স্পৰ্শত সেই নলীৰ সুৰংগৰ বহু ভিতৰলৈ যেন দেখা পোৱা গৈছে, ট্ৰিগাৰত তাৰ উদ্যত আঙুলি, সামান্য হেঁচাতেই ৰিভলভাৰৰ নলীয়েদি ছিটিকি আহিব পাৰে জ্বলন্ত বুলেট...

হস্পিতালৰ দুমহলাৰ বাৰাণ্ডাত আঙুলিত আধাপোৰা চিগাৰেট লৈ অখিল বৈ আছে। খুব চিন্তাগ্ৰস্ত তাৰ মুখ, সিহঁতৰ প্ৰথম সন্তানটো বাচি থকা নাছিল, গৰ্ভতে মৃত আছিল। নিৰুও খুব নাৰ্ভাচ হৈছে এইবাৰ। হয়তো খুব স্বাভাৱিক। বহু বছৰৰ প্ৰেমৰ পিছত তিনিবছৰৰ আগেয়ে সিহঁতৰ বিয়া হৈছিল। নিৰুৰ মাক-দেউতাকৰ মত নাছিল। বিয়াৰ পিছত মাক-দেউতাকৰ সৈতে নিৰুৰ সম্বন্ধ প্ৰায় শেষ হৈ যায়। মুখেৰে প্ৰকাশ নকৰিলেও নিৰুৱে খুব কষ্ট পাইছিল মানসিকভাৱে। তাৰ পিছত প্ৰথমটো সন্তানৰ মৃত্যুৱে তাইক আৰু যন্ত্ৰণা দি গ'ল।

কেনেকুৱা এতিয়া? অনাদিয়ে সুধিলে। ভাল। দুপৰীয়া হঠাৎ অলপ পেইন বেছি হৈছিল। এতিয়া ভাল। শুইছে। অখিলে বিব্ৰতৰ দৰে ক'লে।

অনাদিৰ বহু দিনৰ বন্ধু অখিল। তাৰ পিছত ফ্লাস্ক, টিফিন কেৰিয়াৰ, হেলমেট সামৰি লোৱাত অখিল ব্যস্ত হৈ পৰিল। এইকেইদিন তাৰ খুব কষ্ট হৈছে। মাকে অচিনাকি হস্পিতালত অকলে থাকিবলৈ সাহ নকৰে, হঠাৎ কিবা এটা হৈ গ'লে? মাজে মাজে তাক ৰিলিভ কৰি দিছেহি অনাদিয়ে, যদিও এনেবোৰ কাম তাৰ খুবেই

অস্বস্তিকৰ। অৱশ্যে কাইলৈ অখিলৰ ভায়েক বিপুল আহি পাবহি কোকৰাঝাৰৰ পৰা।

কিবা হ'লেই লগে লগে খবৰ দিবি। গগৈৰ ঘৰলৈ ফোন কৰি মোক মাতি দিবলৈ ক'বি। তলত ইমাৰ্জেন্সিত টেলিফোনটো আছে। অখিলে ক'লে। মই ঘৰত মাক থৈ ভাতকেইটা খাই এঘণ্টাৰ ভিতৰত আহি আছোঁ। অখিল আৰু মাক লিফ্‌টৰ পিনে যায়গৈ।

বাৰাণ্ডাত বন্ধু-পত্নীৰ কোঠাৰ সম্মুখত অনাদিয়ে খোজ দি থাকে। কেবিনত আলোচনী, বাতৰিকাকতবোৰ আছে। সেইবোৰ সি মেলি চাব নিবিচাৰিলে। তাত আছে মাথোঁ হত্যা-জিঘাংসাৰ খবৰ। অথচ সি, অখিল, নিরু, মা এই সকলো বৈ আছে এটা জন্মৰ বাবে। খুব ভয়ংকৰ সময় এতিয়া, তথাপি এটি শিশুৰ জন্ম কিমান আশাপ্ৰদ হ'ব পাৰে। বাৰাণ্ডাৰ ফাৰ্ণিচত ভেজা দি অনাদি বৈ থাকে। দূৰৈৰ ৰাস্তাত এটা-দুটা মানুহ। নিয়নৰ পোহৰত উদ্ভাসিত বিশাল বিজ্ঞাপনৰ হ'র্ডিং, প্ৰায় নগ্ন এক পুৰুষ, শৰীৰত মাথোঁ অন্তৰ্বাস ঃ ৰেবেন' — ৰেবেন' গেঞ্জী জাঙ্গিয়া, পুৰুষৰ উৎকৃষ্ট অন্তৰ্বাস... কোনো সংগতি নোহোৱাকৈয়ে অনাদিৰ মনলৈ আহিল ৰাস্তাত ভদ্ৰলোকজনে বৰ্ণনা কৰা যৰাচী চিনেমাখনৰ দৃশ্যটোৰ কথা ঃ এজন ক্ষীণ, চাপৰ মানুহ, তাম বৰণীয়া মুখ, খুব বিনয়ী ভংগীৰে লাহে লাহে আহি দেপ্‌লৈৰ ওচৰত ক'ল — এক্সকিউজ মি, জুইশলা বাহটো অকণমান দিব নেকি?... তাৰ শৰীৰ পেট্ৰ'লৰ জুইত দাউ দাউকৈ জ্বলিছে, মাৰ্কিন সাম্ৰাজ্যবাদ মুৰ্দাবাদ, ... বিৰক্ত মুখে দেপ্‌লৈই কৈছে ঃ ছেঃ, মোৰ জুইবাহটো মানুহটোৱে লৈ গ'ল।... বা যতীন দত্ত ষ্ট্ৰীটত বাতৰিকাকত বেচি ফুৰা সেই সৰু ল'ৰাটো, ক্ষীণ হাতখনেৰে সি বাতৰিকাকত এখন জোকাৰিছে ঃ আৰু এজনক হত্যা আৰু কেইজনমান নিহত...

এইবোৰ সকলো পাহৰি যোৱাৰ চেষ্টা কৰে অনাদিয়ে। তাৰ খুব ইচ্ছা হয় যেন এতিয়াই সি দ্ৰুত চিৰি ভাঙি নামি যাব। তলত ইমাৰ্জেন্সিত টেলিফোনটো আছে। অখিলৰ ভাৰা ঘৰৰ মালিক গগৈৰ নম্বৰটো ডায়েল কৰিব, অখিল বিচিভাৰৰ ওচৰ পাওঁতে হয়তো কিছু সময় ল'ব ঃ কংগ্ৰেচুলেশ্যন অখিল, নিৰুৰ ছোৱালী এজনী হৈছে, ধুনীয়া আৰু শকত, নিৰুৰ দৰেই... হস্পিতালৰ পৰা ওভতোতে অনাদিৰ বহু ৰাতি হ'ল। ঘৰলৈ কিছু দূৰেই হয়, কিন্তু ৰাতি খোজকাঢ়ি বেয়া নালাগে। অখিলে স্কুটাৰখন দি পঠাব খুজিছিল কিন্তু হঠাৎ অখিলৰ প্ৰয়োজন হ'ব পাৰে বুলি সি নল'লে। অৱশ্যে ডাক্তৰে প্ৰায় এসপ্তাহৰ পিছতহে প্ৰসৱৰ দিন দিছে। ৰাতি জনশূন্য হস্পিতাল ৰোডত খোজ দি সি আঙুলিত জ্বলন্ত চিগাৰেট লৈ অনাদিয়ে অখিলৰ কথা ভাবে। খুব ষ্ট্ৰাগল কৰিব লগা হৈছে সি জীৱনত। খুব দৰিদ্ৰ অৱস্থাৰ পৰা উঠি আহি এইখিনি পাইছেহি। ভায়েক বিপুলে কিছুদিন আগেয়ে চাকৰিত জইন কৰাৰ পিছতহে অখিলে সকাহ পাইছে...

ক্ৰাইকৈ ব্ৰেক মৰাৰ শব্দত অনাদি চমকি উঠে, এখন গাড়ী নিঃশব্দে আহি তাৰ ওচৰত বৈ যায়। হেই ব। কোনোবাই ঘটা মাতেৰে চিঞৰি উঠে। গধুৰ জোতাৰ শব্দ গাড়ীৰ পৰা নামি আহে। বিশাল কঠিন শৰীৰৰ তিনিটা মিলিটেৰী। পোহৰৰ

বিপৰীতে থকাৰ বাবে সিহঁতৰ মুখ আন্ধাৰ। সিহঁতৰ শৰীৰ উলম্বভাৱে ওলমি থাকে এম-২২ বন্দুকৰ নল।

'ক'ৰ পৰা আহিছ, চালা—!

'হস্পিতাল—' অনুচ্চ মাতেৰে অনাদিয়ে ক'লে—।

এটা তাৰ পিনে এখোজ আগুৱাই আহিল, 'হাত উঠা—'।

ক্লান্তভাৱে অনাদিয়ে হাত দুখন ওপৰলৈ তোলে। সি অনুভৱ কৰে তাৰ শৰীৰ কঁপি কঁপি উঠিছে।

'ঘূৰ চালা—', বন্দুকৰ শীতল নলী এডাল তাৰ পিনে আগবাঢ়ি আহে। ট্ৰিগাৰত আঙুলি। অনাদিয়ে আত্মসমৰ্পণৰ ভংগীত হাত ওপৰলৈ তুলি সিহঁতৰ পিনে পিঠি দি থিয় হয়। সম্মুখত সি একো দেখা নাপায়— মাথোঁ আন্ধাৰ আৰু অস্পষ্টতা, মাথোঁ সি অনুভৱ কৰে তীখাৰ নলী এডালৰ গা হিম কৰা স্পৰ্শ তাৰ পিঠিত, এখন কঠোৰ হাতে তাৰ শৰীৰ খেপিয়াই চায়, কিবা বিচাৰে... ।

এটা সময়ত গাড়ীখন আঁতৰি গ'ল। অলৰ নিস্পন্দ হৈ অনাদি ৰাস্তাত ৰৈ থাকে। নিজৰ হৃৎস্পন্দনৰ শব্দ সি নিজেই স্পষ্ট শুনা পায়। সি পাহৰি যায় স্থান আৰু কাল। কেইমুহূৰ্তমানৰ বাবে যেন সি নিজৰ অস্তিত্ব হেৰুৱাই পেলায়। লাহে লাহে অনাদিয়ে অনুভৱ কৰে যে তাৰ ভয় লাগিছে, এনে লাগিল যেন মৃত্যুৱে তাৰ শৰীৰত হাত বুলাই গ'ল, সমস্ত শৰীৰ অসাৰ যেন লাগে তাৰ ; লাহে লাহে সি বুজি উঠে যে সি ৰৈ আছে, ৰাতি, সাপৰ পিঠিৰ দৰে ৰাস্তাৰ ওপৰত, সন্মুখত তামৰ মূৰ্তিৰ দৰে দুটা ঘোঁৰা, শাৰী শাৰী নিয়ন লাইটৰ ক্লান্ত পোহৰ, দেৱালত চিনেমাৰ ভিলেইনৰ জিঘাংসা ভৰা মুখ— বিভলভাৰৰ ভয়ংকৰ নলী তুলি ধৰিছে ৰাস্তাৰ পথিকৰ পিনে, দূৰৈত হয়তো জেলৰ গেটৰ পৰা এঘাৰ বজাৰ সংকেত ভাহি আহিছে। মূৰ তুলি আকাশৰ পিনে চায় অনাদিয়ে, নিথৰ কালপুৰুষ, ছায়াপথ, নক্ষত্ৰমণ্ডলী আৰু সেই হিম আকাশত ছায়াপথত নক্ষত্ৰৰ মাজে মাজে সৰু ল'ৰাটোৱে বাতৰি কাগজ ফেৰী কৰি ফুৰিছে : আৰু এজনক হত্যা, পুলিচৰ গুলীত নিহত খেতিয়ক...

পিছদিনা আবেলি গ্ৰেণ্ড ৰেষ্টুৰাঁৰ আড্ডাত অনাদি বহি থাকে। সমুখত চাহ। পেন্সিল স্কেচৰ দৰে চিগাৰেটৰ ধোঁৱা উৰিছে। আজি পুৱা চহৰৰ এমূৰত হত্যাকাণ্ড ঘটি গৈছে। মাজ ৰাস্তাত দুজন মটৰ চাইকেল আৰোহী বন্দুক-ধাৰীয়ে খুব ওচৰৰ পৰা গুলীয়াই থৈ গ'ল মানুহ এটাক। একেবাৰে নিৰ্ভুল হাত, এটা গুলী মানুহটোৰ লাওখোলাৰে সৰকি গ'ল আনটো ভিত্তিৰে। পথনাটকৰ দৰে এই ঘটনাটো ৰাস্তাৰ বহু মানুহে চাই আছিল। আজি আড্ডাৰ বিষয় এয়ে। বিমানদা, যি আড্ডাৰ মধ্যমণি, তেওঁ চাৰ্মিনাৰ চিগাৰেট টানি নীৰৱে আনৰ বক্তব্য শুনিছে আৰু মাজে মাজে গম্ভীৰ মন্তব্য দিছে :

আমাৰ বাবেও গুলী এৰি দিয়া হৈছে, সেয়া পুলিচৰেই হওক এক্সট্ৰিমিষ্টৰেই হওক। এতিয়া প্ৰত্যেকৰ ঠিকনা বুলেটবোৰত লিখা হৈ গৈছে। তুমি কেনেকৈ বাছি

থাকা এতিয়া সেইটো তোমাৰ দায়িত্ব।

ৱাহ, কোনোবাই সম্মতি জনালে। বস্তাহত উবি ফুৰিছে বোমাৰ স্প্লিণ্টাৰ আৰু সীহৰ গুলীবোৰ, তাৰ মাজেৰেই সাৱধানেৰে অকিচ-কাছাৰীলৈ বুলি খোজ দিয়া, প্ৰেমিকালৈ কিনা ফুল আৰু সন্ধিয়া আড্ডালৈ আহা, হাঃ হাঃ হাঃ...

কি ভয়ংকৰ ৰসবোধ, অনাদিয়ে ভাবে। আড্ডা হাঁহিত ফাটি পৰিছে। ইয়াৰ মাজতেই কোনোবাই চিঞৰি কৈছে ঃ মৃত্যুৰ ঘণ্টা কাৰ বাবে বাজিছে নুসুধিবা, তোমাৰ বাবেই সেই ঘণ্টা বাজি থাকিব পাৰে।

অনাদি নিঃশব্দে বেষ্টুৰাঁৰ পৰা ওলাই আহে। হস্পিতাললৈ যাব সি আৰু উভতি আহিব লাগিবও সোনকালে। হঠাৎ অনাদিয়ে ভাবিলে, সি খুব ভীত-সন্ত্ৰস্ত হৈ পৰিছে নেকি? হয়তো চহৰখনেই ; গোটেই পৰিবেশটোৰেই এক ভীতিগ্ৰস্ততাত ভুগি আছে। তাৰ মনত পৰিল কেইদিনমান আগেয়ে, সি হলত চিনেমা চাবলৈ সোমাইছিল, এখন ভীষণ ৰোমান্টিক প্ৰেমৰ ছবি। হল আন্ধাৰ হৈছিল, চিনেমা চলিছিল, অনাদিৰ কাষৰ ছীটটোত কোনো বহাগৈ নাছিল। মাজে মাজে দুৱাৰ খুলি এজন এজনকৈ দৰ্শক সোমাই আহিছিল, আন্ধাৰত অদৃশ্য মুখ, খুব সন্দেহজনক ভংগী, ইফালে সিফালে চায় আৰু বহি পৰে। যেন সকলো খলষড়যন্ত্ৰকাৰী, কাৰ কি অভিসন্ধি কোনে জানে, আন্ধাৰৰ মাজত যদি কোনোবাই এৰি থৈ গৈছে ভয়ংকৰ বিস্ফোৰক। চিনেমা আৰম্ভ হ'ল, অনাদিৰ কাষৰ ছীটটোত কোনো নবহিলহি, কিন্তু সেইটোও এক অশান্তিকৰ অৱস্থা, ছীটটোত আহি কোন বহিবহি, আন্ধাৰৰ মাজততো চিনি পোৱা নাযাব তেওঁৰ মুখ। তেওঁ বন্ধু নে শত্ৰু? হঠাৎ টয়লেটৰ পিনে যোৱাৰ চেলুত তেওঁ আঁতৰি যোৱাৰ পিছত হলটো যে বিস্ফোৰণত কঁপি নুঠিব তাৰেই বা নিশ্চয়তা ক'ত? খুব অস্বস্তিকৰ অৱস্থাত পৰিছিল সিদিনা সি।

যতীন দত্ত ষ্ট্ৰীটত আন্ধাৰ নামি অহা নাই তেতিয়াও। তথাপি ষ্ট্ৰীট লাইটবোৰ জ্বলি উঠিছে। ৰাস্তাত অফিচফেৰৎ মানুহ, বিয়লিৰ ভিৰ। পাণদোকান এখনত বৈ এটা চিগাৰেট জ্বলায় অনাদিয়ে। ইফালে সিফালে চায়, নাই কালি সন্ধিয়াৰ বাতৰি কাকত বিক্ৰী কৰি ফুৰা অকণমানি হ'কাৰ ল'ৰাটো আজি নাই। নাই ফৰাচী চিনেমাৰ আলোচনা কৰি ফুৰা কালিৰ ভদ্ৰলোক দুজনো। লাহে লাহে দিনৰ পোহৰ অস্পষ্ট হৈ আহে, দোকান-পোহাৰবোৰত এটা এটাকৈ চাকি জ্বলি উঠে, আৰু দূৰৈত অনাদিয়ে শুনা পায় এখন ফায়াৰ ব্ৰিগেডৰ গাড়ী বিপদসংকেত বজাই দৌৰি গৈছে।

অনাদি হস্পিতাল ৰোডত উঠোতেই ঘন আন্ধাৰ আহি ৰাস্তাৰ কাষৰ ৰাধাচূড়া গছকেইজোপা ঢাকি ধৰিলেহি। ৰাস্তাটোত মানুহ কম, প্ৰায় জনশূন্য বুলিবই পাৰি। আনকি কালিৰ ঘোঁৰাকেইটাও আজি নাই। এখন শ্ৰান্ত বিক্সাই ধীৰ মন্থৰ গতিৰে অনাদিক অতিক্ৰম কৰি গ'ল। দেৱালৰ চিনেমাৰ প'ষ্টাৰখনত থকা ভিলেইনৰ মুখ পোহৰ আৰু ছাঁৰ অস্পষ্টতাত আজি ক্ৰুৰ দেখা হৈছে, আনকি বিজ্ঞাপনটোৰ নদী যেন আৰু ঔদ্ধত্যৰে ৰাস্তাৰ পিনে লক্ষ্য কৰা হৈছে, লাহে লাহে নিয়ালোকিত ৰাস্তাৰে অনাদি

আগবাঢ়ি যায়, নিস্তব্ধ আৰু নিঃসংগ, আৰু তেতিয়াই কেইখোজমানৰ পিছতেই সি দূৰৈৰ পৰা অহা এখন মটৰ চাইকেলৰ অস্পষ্ট শব্দ দুক দুক শুনা পায়, ক্ষীণ ৰহস্যময় সেই শব্দ ক্ৰমশঃ তীব্ৰ হৈ পিছফালৰ পৰা অনাদিৰ পিনে আগবাঢ়ি আহে, সি উভতি চায়, সামান্য সন্ত্ৰস্ত, সি আৰোহী দুজনক দেখা নাপায়, হেডলাইটৰ ক্ষীণ পোহৰহে দেখা যায় মাথোঁ, লাহে লাহে হয়তো অকাৰণে ভয়ংকৰ ত্ৰাসত অনাদি কঁপি উঠে, চাৰিওপিনে চায় ওচৰত কোনো নাই, দৌৰাৰ চেষ্টা কৰে, ভৰি দুখন আগ নাবাঢ়ে তাৰ, যেন জঠৰ হৈ পৰিছে সমস্ত শৰীৰ, কিন্তু সেই শব্দ আগবাঢ়ি আহিছে গম্ভীৰভাবে, ইঞ্জিনৰ নিৰবচ্ছিন্ন শব্দ, ক্ষীণ পোহৰৰ হেডলাইট, তাৰ ৰহস্যময় আৰোহীদ্বয়ে অনাদিক অতিক্ৰম কৰাৰ সময়ত তাৰ শৰীৰ শিএঙৰি উঠে... মটৰ চাইকেলখন পাৰ হৈ যায়, একো নঘটে, নিৰীহভাবে ইঞ্জিনৰ শব্দ লাহে লাহে দূৰলৈ আঁতৰি যায়। অনাদিৰ দুঃস্বপ্নৰ দৰে বোধহয় সময়খিনি। সি ঠিক কৰে হস্পিতালৰ পৰা সোনকালে ঘৰলৈ উভতিব।

লাহে লাহে চিৰি বগাই হস্পিতালৰ দুমহলাৰ বাৰাণ্ডাত উঠিল অনাদি। কোঠাৰ পৰা অখিলৰ মাক নাৰ্ভাছ হোৱাৰ দৰে ওলাই আহিছে বাৰাণ্ডালৈ, ইফালে সিফালে চাইছে, তাক দেখি মাই চিএঙৰি উঠিল ঃ অনাদি অখিলক খবৰ দিয়া বেগাই। সি ঘৰলৈ গৈছে।

— কি হৈছে? অনাদি চমকি উঠে।

— নিৰুৰ ল'ৰা এটা হৈছে, বেগাই যোৱা।

— কেনেকুৱা কেঁচুৱাৰ, নিৰুৰ কেনে?

— ভাল। মাক-কেঁচুৱা দুয়োৰে ভাল। ডাক্তৰে কোনো চিন্তা নাই বুলি কৈছে। উহ্ — অখিল গোটেই দিনটো থাকি অলপ আগেয়েহে ওলাই গৈছিল।

প্ৰায় দৌৰি অহাদি লিফ্টৰ ওচৰলৈ আহিল। ইণ্ডিকেটৰৰ মনিটৰ স্তব্ধ। লিফ্ট ক'ৰবাত বৈ আছে। চিৰিয়েদি অনাদি দ্ৰুত নামি গ'ল। তলত কোলাহল। কোনোবাই চিএঙৰি কান্দিছে। দুখন গাড়ী বিকট শব্দেৰে আহি বৈছেহি। দুপদাপ খোজৰ শব্দ, ষ্ট্ৰেচাৰ, হুইলচেয়াৰ টনাৰ শব্দ, খৰধৰকৈ দুজনী নাৰ্ছ চিৰিয়েদি উঠি আহিল, এটা বাৰ্ডবয়ে দুৰ্বোধ্য ভাষাৰে কিবা চিএঙৰিলে। ইমাৰ্জেন্সিত, গ্ৰাউণ্ড ফ্ল'ৰত টেলিফোনটো আছে। গ্ৰাউণ্ড ফ্ল'ৰলৈ নামি আহিল অনাদি আৰু সেই বীভৎস দৃশ্যটোৰ মুখামুখি হ'ল ঃ দুখন এম্বুলেন্সৰ পৰা মৃতদেহবোৰ নমোৱা হৈছে, মৃতদেহ মানে ছিন্ন-ভিন্ন বহু মাংসপিণ্ড, কিছুমান জীৱিত যদিও সমস্ত শৰীৰ ৰক্তাক্ত, কিছুমানৰ মুখ পুৰি গৈছে সম্পূৰ্ণ। কোনোবাই আহত জন্তুৰ দৰে চিএঙৰিছে, মজিয়াত তেজৰ ডোঙা আৰু তেজ লগা খোজৰ বহু ছাপ মজিয়াত দ্ৰুত ভৰি পৰিছে।

পেছোৱাৰ বাহু এখনত বোমা ফুটিছে, খুব পাৱাৰফুল বোমা। ইমাৰ্জেন্সিৰ পিনৰ পৰা অহা এজন পুলিচ অফিচাৰে ক'লে।

ঃ ক'ত? সি চিএঙৰি সোধে, বাছখন ক'ৰ পৰা আহিছিল?

কোকৰাঝাৰৰ পৰা। অফিচাৰজন ব্যস্তভাৱে আঁতৰি যায়।

অমংগলীয়া সন্দেহত অনাদি ইমাৰ্জেন্সিৰ পিনে দৌৰি যায়। শৰীৰে যেন ভাৰসাম্য হেৰুৱায় খোজে বাৰে বাৰে। এটা কোঠাত আহত কেইজনমান পৰি আছে, দুজনক ষ্টিচিং কৰা হৈছে, উন্মাদৰ দৰে এজনে চিঞৰিছে। নাৰ্ছ ইয়াত কোনো নাই, দুটা কোঠা পাৰ হ'ল সি, এমূৰৰ এটা কোঠাৰ সন্মুখত এগৰাকী প্ৰৌঢ়া নাৰ্ছে নাকত ৰুমাল ধৰি থিয় দি থকা। দুটা ডেকা ল'ৰা। সি ভুমুকিয়াই ভিতৰলৈ চালে, মজিয়াত কেইটামান শৰীৰ। শিওৰে অপেশত হাস্তেৰে মেলোৱা ৰঙীন ছবিৰ দৰে বাওলী। সি দুখোজ আগবাঢ়ি আহিল। বিপুল, অখিলৰ ভায়েক পৰি আছে একাটি হৈ, বাঁওহাতখন হাঁহাঁকাৰ ভংগীত মেলা, অনাদি তাৰ ওচৰত আঁঠুকাঢ়ি বহিল, তাৰ চুলিত আঙুলি ভুৱাই দিলে, ডাঠ আলতীয়া এক তৰল স্পৰ্শত সি বুজিব পাৰিলে সেয়া তেজ, বিপুলৰ শৰীৰৰ নিম্নাংশৰ পিনে তেতিয়াহে অনাদিৰ চকু গ'ল, তাৰ পেট আৰু নিম্নাংশ বোমাৰ স্প্লিণ্টাৰে নিৰ্দয়ভাৱে ফালি-ছিৰি পেলাইছে। পিছফালৰ পৰা কাৰোবাৰ, হয়তো নাৰ্ছৰ শান্ত মাত শুনা গ'ল : তেওঁ মৰিছে — স্পটতেই।

কিমান সময় অনাদিয়ে সেই মৃতদেহৰ ওচৰত বহি আছিল মনত নাই, হঠাৎ বহু পদশব্দত সি সাৰ পাই উঠিল। মুখ তুলি চাই সি দেখে, কোঠাটোত কেইজনমান গম্ভীৰ মুখৰ পুলিচ অফিচাৰ-চিপাহী-ডাক্তৰ-নাৰ্ছ আৰু ৱাৰ্ডবয়। প্ৰাৰ্থনাৰ ভংগীৰ দৰে বহি থকাৰ পৰা অনাদি থিয় হয়, খপকৈ দেৱালত ভেজা দিয়ে, তাৰ মনত পৰে সি এতিয়া অখিলক দুটা জৰুৰী খবৰ দিবলৈ আছে। অস্থিৰ খোজেৰে অনাদি ওলাই আহে, কোনোৱে তাক লক্ষ্য নকৰে, বাৰাণ্ডাত বৈ বিভ্ৰান্তৰ দৰে অনাদিয়ে ভাবে টেলিফোনত অখিলক কোনটো খবৰ, সি পোনতে দিব : জন্মৰ নে মৃত্যুৰ? ইমাৰ্জেন্সিৰ টেলিফোনটো বাৰাণ্ডাৰ ইমূৰত আছে। ইতিমধ্যে বাৰাণ্ডাত মানুহ ভৰি পৰিছে, তীব্ৰ উত্তেজনা-চাঞ্চল্য লৰা-ঢপৰা বাৰাণ্ডাত বিয়পি পৰিছে। তেতিয়াই দপ্‌কৈ লাইটবোৰ নুমাই গ'ল, ল'ড শেডিঙৰ আন্ধাৰে এখন ক'লা কম্বলৰ দৰে সকলো ঢাকি ধৰিলে। কোনোবাই হতাশাত চিঞৰি উঠিল, কোনোবা আহতৰ প্ৰাণান্তকৰ আৰ্তনাদ বাৰাণ্ডাৰে ঢপলিয়াই গ'ল, দুটা টৰ্চৰ পোহৰ তাৰ পিনে আগুৱাই আহিল, ক'ৰবাত এডাল জুইশলা জ্বলিল, এটা ক্ষীণ পোহৰৰ ইমাৰ্জেন্সি লাইট জ্বলিল, এইবোৰৰ মাজেৰে অনাদি টেলিফোনটোৰ পিনে আগবাঢ়ি গ'ল, তাৰ চাৰিওপিনে শৰীৰহীন অলীক মানুহ, খোজৰ শব্দ, ভৌতিক আৰ্তি আৰু সংলাপ : পষ্টমৰ্টেম — সাতটা ডেডবডি — পাৱাৰফুল বোমা আদি বিক্ষিপ্ত শব্দ আন্ধাৰত ওপঙি থাকে, সেই অন্ধকাৰ, আৰ্তনাদ, মৃত্যু আৰু জিঘাংসাৰ মাজেৰে টেলিফোনৰ পিনে আগবাঢ়ি গৈ থাকোঁতে অনাদিয়ে এটা তাৎক্ষণিক সিদ্ধান্ত ল'লে, সি ঠিক কৰিলে যে সি অখিলক প্ৰথমে নিজৰ কেঁচুবাটোৰ জন্মৰ খবৰ দিব, সি নিজৰ মনতেই এক যুক্তি থিৰ কৰিলে যে জন্ম সদায়েই মৃত্যুতকৈ শ্ৰেষ্ঠ আৰু মহান, তদুপৰি এই সন্ত্ৰাস, দুৰ্ভাবনা আৰু ত্ৰাসৰ মাজত এটা শিশুৰ হাঁহি হয়তো খুবেই প্ৰয়োজনীয়... অস্পষ্ট পোহৰত অনাদিয়ে

টেলিফোনটোৰ ওচৰ চাপিল, অনুভৱ কৰিলে ক্রেডলৰ ধাতব স্পর্শ, ডায়েলৰ সংখ্যাকেইটা চকুৰে মনিব পৰা নাযায়, এহাতেৰে দেৱালত ভেজা দি আনটো হাতেৰে পকেটৰ পৰা জুইশলা বাহটো উলিয়ায় সি, কঁপা কঁপা হাতেৰে এটা কাঠি জ্বলালে, গগৈৰ টেলিফোন নাম্বাৰটো ডায়েল কৰে সন্তর্পণে, খুব ক্ষীণকৈ সিমূৰত ৰিং হয়, কোনোবা এজনে বিচিভাৰ দাঙে ঃ হেল' —

গগৈদা নেকি? মই হস্পিতালৰ পৰা কৈছোঁ। অনাদিৰ মাত কঁপি উঠে, অলপ অখিলক মাতি দিয়ক।

বিচিভাৰটো নমাই থোৱাৰ শব্দ হয়। অখিল টেলিফোনৰ ওচৰলৈ আহিবলৈ কিছু সময় ল'ব। হাতত ৰিচিভাৰ লৈ দেৱালত ভেজা দি অনাদি ৰৈ থাকে। হস্পিতালৰ বতাহত ফেনাইল, এন্টি-চেপ্টিকৰ গোন্ধ। কেইডালমান মমবাতিৰ পোহৰ আৰু অলীক পদশব্দ ইফালে সিফালে ঘূৰি ফুৰে। অনাদি ৰৈ থাকে, হাতত টেলিফোনৰ নিঃশব্দ বিচিভাৰ। তেতিয়াই সি দেখে, এটা মানুহ তাৰপিনে আগবাঢ়ি আহিছে, চাপৰ ক্ষীণাঙ্গ। মানুহটো অনাদিৰ ওচৰত ৰ'ল, সামান্য হাউলি বিনয় প্রদর্শন কৰিলে, সেই বিচ্ছুৰিত পোহৰত চমকি উঠি অনাদিয়ে দেখে মানুহটোৰ তাম বৰণীয়া মুখ, ওঁঠ দুটা লৰিছে, সি কৈছে ঃ এক্সকিউজ মি, জুইশলা বাহটো অকণমান দিব নেকি?

সমীৰণ বৰুৱা আহি আছে

(এক)

বৰ্মনে ক্ৰেডলৰ পৰা ৰিছিভাৰ তুলি ল'লে। সিমূৰত ডি. আই. জি. হৰ দত্ত। তেওঁ উচ্চাৰণ কৰা ধাতৱ শব্দবোৰৰ প্ৰতিটোতে কিছু উদ্বেগ আৰু উত্তেজনাই ভৰ কৰি আছে।

"হয় ছাৰ —" এছ. পি. বৰ্মনে শলাগিলে। খুব সতৰ্ক আৰু বিনয়াৱনত তেওঁৰ মাত, — "মই আপুনি কোৱা মতেই সকলো ব্যৱস্থা কৰিছোঁ ; দুজন ইন্সপেক্টৰক চৌকিডিঙি আউট প'ষ্টত ৰাখিছোঁ বিশেষ দায়িত্বত। মই নিজে ইন্সপেকশ্যনত যাবলৈ বুলি এই ৰেডি হৈছোঁ। ইতিমধ্যে সকলোবোৰ পুলিচ থানাক এলাৰ্ট কৰি দিয়া হৈছে। ইন্টেলিজেন্ট ব্ৰাঞ্চৰ শেহতীয়া ৰিপ'ৰ্টটো এইমাত্ৰ মোৰ হাতত পৰিছে।"

ডি. আই. জি. দত্তই আৰু কেইটামান নিৰ্দেশ দিয়ে — খুব সংক্ষিপ্ত, কিন্তু গুৰুত্বপূৰ্ণ। টেলিফোনৰ এক্সটেনশ্যন ৱায়াৰ ডাল কঁপি কঁপি থাকে।

হয়, এছ. পি. বৰ্মনে জানে কথাবোৰ। মানুহটো খুব বিপদজনক, ভয়ানক। ৰাজ্যখনৰ সন্ত্ৰাসবাদী সংগঠন এটাৰ প্ৰধান নেতা সি। বহু ৰাজনৈতিক হত্যাকাণ্ডৰ লগত সি জড়িত ; কেইবাটাও বেংক ডকাইতি, বহু দেশবিৰোধী কাৰ্যকলাপৰ পাছত, — সাত বছৰৰ আগেয়ে বহু চেষ্টাৰ মূৰত তাক ধৰা পেলোৱা গৈছিল, কিন্তু অবিশ্বাস্যভাৱে অতি সোনকালে পুলিচৰ হেফাজতৰ পৰা সি পলাই যায়। পুলিচ আৰু ইন্টেলিজেন্ট ব্ৰাঞ্চৰ বাঢ়ি অহা তৎপৰতাৰ বাবেই সম্ভৱতঃ খুব সাৱধানতা অৱলম্বন কৰা সত্বেও পুলিচৰ চকুত ধূলি দি এদিন সি সীমান্ত পাৰ হৈ যায়। ইতিমধ্যে তাৰ সন্ত্ৰাসবাদী দলটোৰ বহু সদস্যকে পুলিচে গ্ৰেপ্তাৰ কৰিছে, বহু নিষ্ক্ৰিয় হৈ পৰিছে আৰু বহুজনে সেই পথ এৰি আহি চৰকাৰৰ সৈতে সহযোগিতা কৰিছে। এক কথাত ক'বলৈ গ'লে দলটোৰ কংকাল ভাঙি দিয়া হৈছে বিভিন্ন উপায়েৰে। আৰু হয়তো এইবোৰ খবৰ পায়েই এতিয়া সি সীমান্ত পাৰ হৈ পুনৰ ঘূৰি আহিছে। জনা গৈছে, সীমান্তৰ সিপাৰে সি অত্যাধুনিক আগ্নেয়াস্ত্ৰ চালনাৰ এক প্ৰশিক্ষণ লৈছিল — আৰু সেই প্ৰশিক্ষণে তাক বৰ্তমান আৰু ভয়ংকৰ কৰি তুলিব। সি লগত এক বুজন সংখ্যক মাৰাত্মক অস্ত্ৰপাতি

লৈ অহাটোও অসম্ভৱ নহয়।

"ইয়েছ ছাৰ—!" খুব স্মাৰ্টভাৱে বৰ্মনে ক'লে। তেওঁ অনন্ত বৰ্মন ; — খুব কম বয়সতে, কম সময়তে তেওঁ আজি এছ. পি.। হৈছেহি, বহু কেইজনক ডুগাবছিড কৰি। কাৰণ, কেনেকৈ কেৰিয়াৰ বনাব লাগে তেওঁ জানে। কুকুৰৰ দৰে তেওঁ প্ৰভুভক্ত, হায়েনাৰ দৰে ক্ষিপ্ৰ, শহাৰ দৰে সজাগ আৰু বাংকুকুৰৰ দৰে চিকাৰী। তেওঁৰ উচ্চাকাংক্ষা আছে। আৰু বহুত ওপৰলৈ যাব খোজে তেওঁ। মানুহটো ধৰিব লাগিব। অলপ বিঘ্ন লৈ হ'লেও মানুহটোক ধৰিব লাগিব। কাৰণ বৰ্মনে জানে, যিবোৰ গুৰুত্বপূৰ্ণ মুহূৰ্ত তেওঁৰ ওচৰলৈ আহে বোকোচাত সুনাম আৰু পদোন্নতিৰ বোজা লৈ, ই তেনে এক মুহূৰ্ত। ইট উইল বি এ প্ৰাজি কেট্চ্! এবা তেওঁ কেৰিয়াৰৰ কথা ভাবে, খুব ভাবে।

"থেংক ইউ ছাৰ —!" এছ. পি. বৰ্মনে বিছিভাৰটো নমাই থ'লে। মুখত ঘামৰ দুটা-এটা বিন্দু।

সমীৰণ বৰুৱা আহি আছে।

(দুই)

প্ৰথম পৃষ্ঠাৰ লে' আউটটো চাই চিফ এডিটৰ সন্তুষ্ট হোৱা যেন দেখা গ'ল। চচমাযোৰ চকুৰ পৰা খুলি এক মুহূৰ্ত বৈ তেওঁ কিবা এটা ভাবিলে, তাৰ পাছত ক'লে — "শিৰোনামাটো ভাল হৈছে। সমীৰণ বৰুৱা আহি আছে —। বাঃ! ইট উইল ছে'ল! কিন্তু মানুহটোৰ এখন ফটোগ্ৰাফ খুব প্ৰয়োজনীয় আছিল এইখিনিত!"

"নাই ছাৰ, —" ষ্টাফ ৰিপৰ্টাৰজনে ক'লে, — "কোনোপধ্যেই মানুহটোৰ ফটো এখন পোৱা নগ'ল। আমাৰ গোস্বামী আৰু লহকৰে বহু চেষ্টা কৰিলে, কিন্তু লাভ নহ'ল। আনকি পুলিচ ফাইলতো তাৰ ফটো পোৱা নগ'ল।"

"আচ্ছা—" চিফ এডিটৰে ছিগাৰেটৰ পেকেট খুলি এটাত অগ্নি সংযোগ কৰি ক'লে, — গোস্বামী, আপুনি থানাৰ লগত যোগাযোগ ৰাখিব। লহকৰে অন্য ধৰণে চেষ্টা কৰি থাকক। আপোনাৰ ছ'ৰ্ছবিলাকৰ পৰা যি খবৰ পায় প্ৰতিদিনে তাৰে বক্স নিউজ কৰক। মানুহটোক যদি এৰেষ্ট কৰা হয়, তাৰ প্ৰথমখন ফটো আমাৰ কাকতত্তেই উঠিব লাগিব। মুঠতে তাৰ গতি-বিধি সম্পৰ্কীয় সম্ভৱপৰ সকলো খা-খবৰ আমি আমাৰ বিডাৰসকলক জনাই থাকিম। মনত ৰাখিব, সমীৰণ বৰুৱা, — দা নেইম ছে'লছ!"

কাৰৰ কোঠাত টেলিপ্ৰিণ্টাৰৰ পৰা অহৰহ শব্দ ছিটিকি পৰিছে। বিভিন্ন ঠাইৰ টুকুৰা-টুকুৰি খবৰ। তলৰ ৰাস্তাৰ পৰা ভাহি আহে গাড়ী-মটৰৰ দীৰ্ঘ হুৰ্ণৰ শব্দ। কোনোবা এটা কোঠাত এটা টেলিফোনে ৰিং কৰি থাকে। ব্যস্তভাৱে ছাৰ এডিটৰ আৰু গোস্বামী উঠি গ'ল।

লহকৰে চকীখন এডিটৰৰ টেবুলৰ আৰু অলপ ওচৰলৈ টানি আনিলে। —

"এটা কাম কৰা যাওক নেকি ছাৰ?" — তেওঁ চাৰিওপিনে সতর্ক দৃষ্টি দি ক'লে। "মানুহটোকতো আমি লগ ধৰিব পৰা কোনো আশায়েই দেখা নাই। পুলিচেই বোলে কোনো ট্ৰে'ছ পোৱা নাই। ইয়ে কৰিলে কেনে হয়, — এটা ফেইক ইন্টাৰভিউ...।"

এডিটৰে ছিগাৰেটৰ ছাই পেলাবলৈ এছট্ৰে'টো খেপিয়ালে। তেওঁৰ চকু তেতিয়াও লহকৰৰ পিনে, — "ইউ মিন, আমাৰ কোনোবা এজনক সন্ত্ৰাসবাদীৰ গোপন ঘাটি এটালৈ লৈ যোৱা হ'ল — ব্লাইণ্ড ফ'ল্ডেড। তাত আমি — সমীৰণ বৰুৱাৰ সৈতে কথা পাতিলোঁ, তেওঁৰ পৰবর্তী কার্যকলাপৰ কথা সুধিলোঁ, আৰু সুধিলোঁ সীমান্তৰ সিপাৰে তেওঁৰ অভিজ্ঞতা, বর্তমান চৰকাৰৰ প্ৰতি তেওঁৰ মনোভাব...।"

"লগতে সমীৰণ বৰুৱা, তেওঁক লগ পোৱা কোঠাটোৰ এখন ধোঁৱা-ধোঁৱা অস্পষ্ট ফটো।" — উৎসাহেৰে লহকৰে ক'লে।

এডিটৰে ছিগাৰেটটো এছট্ৰে'ত গুজি দিলে। বহুদিনৰ নিউজপেপাৰ সম্পৰ্কীয় অভিজ্ঞতাৰ গাম্ভীর্য তেওঁৰ মুখলৈ আহিল, — "না, না, না — ইউ উইল কজ ট্ৰাবল, লহকৰ। মিছামিছি পুলিচৰ ইন্টাৰ'গেশ্যন, ক্ৰছকুৱেশ্যন ; — আৰু পাছত যদি জনাজনি হৈ যায় যে খবৰটো, মানে ইন্টাৰভিউটো বনোৱা, তেন্তে আমাৰ পেপাৰখনৰ ইমেজ নষ্ট হ'ব, মিছাতে।"

(তিনি)

প্ৰকাণ্ড ড্ৰেছিং আয়নাখনৰ সন্মুখত বৈ নীলাই চুলি আঁচুৰি আছিল। নিস্তব্ধ নির্জন এটা দুপৰীয়া। টেপৰেকর্ডাৰটোত খুব কম ভলিউমত ক্লিফ ৰিচার্ডৰ গান বাজি আছিল ; সেই কেছেটটোৰ ফিটাডালো ইতিমধ্যে শেষ হৈছে। কনকৰা ল'ৰাটো মেটিনি শ্ব' চাবলৈ বুলি ওলাই গৈছে। চাৰে চাৰি বজাৰ আগেয়ে তাইৰ স্বামী নীলম মহন্তৰো অহাৰ অভ্যাস নাই। মুখত ক্ৰীম ঘঁহি-ঘঁহি নীলাই প্ৰকাণ্ড ঘৰটোৰ শূন্যতা অনুভৱ কৰে। সমুখৰ খিৰিকীৰে দুপৰীয়াৰ ৰাস্তা দেখা যায়। জনহীন। মাথোঁ মাজে মাজে হঠাৎ এখন-দুখন গাড়ী-মটৰ গৈছে। উঠি আহি তাই বিছনাখনত গা এৰি দিলে। বালক্ৰকটোৰ পৰা দুপৰীয়াৰ অলস সময় খহি পৰিছে। পাতল বতাহত কঁপি কঁপি আছে খিৰিকীৰ পর্দা। ঠিক তেনেকুৱাতে — টেলিফোনটোৱে ঝনঝনাই উঠিল। জাঁপ মাৰি নীলা উঠি বহিল। টেলিফোনটোৰ পিনে চাবলৈকে যেন তাইৰ ভয় লাগিল। ঠিক কৰিব নোৱাৰিলে তাই কি কৰিব। বিছিভাৰটো দাঙি ল'বনে? কিন্তু ফোনটোৱে অবিৰাম ৰিং কৰি থাকে, সেই তীক্ষ্ণ শব্দত ঘৰটোৱেই যেন বাৰে বাৰে কঁপি উঠে।

অথিৰ-অৱিৰভাৱে তাই ফোনটোৰ ওচৰত থিয় দিলে। গোটেই শৰীৰত এটা শীতলতা। কঁপা-কঁপা হাত মেলি বিছিভাৰটো দাঙি ল'ব খোজাৰ আগেয়ে তাই ভাবিলে, যদি সিমুৰৰপৰা ভাহি আহে তাৰ মাত? সেই গভীৰ, কঠোৰ, পৌৰুষময় কণ্ঠ?

"হেল্লো—" নিজৰ মাতেই যেন তাই চিনি নাপালে।

"কি হ'ল নীলা — গা ভাল নহয় নেকি?"

আঃ! তাই স্বস্তিৰ নিশাহ এৰি দিলে। সেয়া তাইৰ স্বামীৰ মাত। বুকুৰ কঁপনি এতিয়াও মাৰ যোৱা নাই। নিজকে স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিবলৈ তাইৰ কেই ছেকেণ্ডমান লাগিল।

"কি হ'ল নীলা? ইজ ছামথিং ৰং?"

"নাই নাই, এই অকণমান শুইছিলোঁ।"

"ছিনেমা চাবা নেকি আজি? স্পেনবার্গৰ ভাল ছিনেমা এখন দিছে। তুমি ওলাই থাকিবা ; পোন্ধৰমিনিটমানৰ ভিতৰতে মই পামগৈ। সন্ধিয়া আকৌ ভট্টৰ ল'ৰাটোৰ বাৰ্থডেলৈ যাব লাগিব নহয়?"

চকু দুটা মুদি দিলে নীলাই। বিছিভাৰৰ ডায়েফ্ৰামৰপৰা অহা নীলমৰ মাতটোৰ মাজত তাই ডুবি যাব খোজে। যেন এক নিশ্চিত নিৰাপদ আশ্ৰয়।

— "আজি থাকক দিয়া। ই অনিলটোও ক'ৰবালৈ গ'ল। তুমি মাত্ৰ অলপ সোনকালে আহিবা। ইমান অকলশৰীয়া লাগিছে আজি।"

প্ৰকাণ্ড কোঠাটোৰ মাজেৰে নীলা লাহে-লাহে খোজ কাঢ়ি গ'ল। ভৰিৰ তলত কোমল কাৰ্পেট, চাৰিওফালে দামী কাঠৰ আচবাব. এটুকুৰা বৰফৰ দৰে এচুকত থিয় দি আছে এটা ৰিফ্ৰিজেৰেটৰ, প্ৰকাণ্ড বেলজিয়াম গ্লাছখনত প্ৰতিবিম্বিত হৈছে ৰঙীন টেলিভিশ্যনটো। খিৰিকীৰ সুদৃশ্য বৰ্ণাঢ্য পৰ্দা আঁতৰাই নীলাই দেখা পালে সেউজীয়া লনখনৰ সিমূৰে থকা গেৰেজটো, য'ৰ পৰা তেজ ৰঙা মাৰুতিখন লৈ কেইঘন্টামান আগেয়ে তাইৰ স্বামী নীলম মহন্ত কোম্পানিৰ অফিচলৈ ওলাই গৈছিল। ... কিন্তু, দুৰু দুৰু বুকুৰে নীলাই ভাবে, — কিন্তু এইবোৰ তাই নিশ্চিন্তভাৱে ভোগ কৰিব পাৰিবনে? এইবোৰৰ মাজত, এই বৰ্ণময় প্ৰাচুৰ্যৰ মাজত সি তাইক দুৰ্ভাবনাহীনভাৱে এৰি দিবনে? কোনোবা এদিন, হয়তো এনে এটা দুপৰীয়াতে, কলিং বেলৰ নিৰ্মম আহ্বান শুনি দুৱাৰ খুলি চাই তাই দেখিব সমুখত সি ৰৈ আছে।

"কি খবৰ নীলি?" সি সুধিব। মুখত তাৰ ক্ৰূৰ কুটিল হাঁহি। চুলিবোৰ অবিন্যস্ত; গালভৰা ঘন ডাঢ়ি, গাৰ কাপোৰ-কানি মলিয়ন, কিছু খীণাইছেও সি, জিঘাংসাৰে ৰাঙলী দুখন শীৰ্ণ হাত দুকাষে ওলমি আছে। হয়তো সি দুখোজ আগবাঢ়ি আহিব, শ্লেষ আৰু ঘৃণাৰ চকুৰে চাব সিহঁতৰ ঘৰৰ ভিতৰৰ চাৰিওফালৰ ঋদ্ধি আৰু প্ৰাচুৰ্যলৈ। হয়তো সি তাইৰ চকুলৈ কেই মুহূৰ্তমান চাই ৰ'ব। লাহে লাহে সি তাইক ক'ব, "তুমি ঘূৰি আহা নীলি। তুমি উভতি আহা মোৰ ওচৰলৈ।"

নীলা জিকাৰ খাই উঠিল। এৰা এদিন নহয় এদিন সিতো তাইৰ ওচৰলৈ আহিবই। ই অৱশ্যম্ভাৱী। তাই জানে সি তাইক পাহৰি যাব নোৱাৰে কেতিয়াও। তাই জানে সি কোনো বাধা নামানে, সমাজক তুচ্ছ জ্ঞান কৰে, মৃত্যুৰ সমুখতো সি নিৰ্বিকাৰ আৰু আজি সাত বছৰ সীমান্তৰ সিপাৰে কটাই, হাবি-জংঘল, জন্তু আৰু ক্ৰুদ্ধ মানুহ

কিছুমানৰ সৈতে থাকি সি আৰু চাগে' কিমান দুঃসাহসী হৈ পৰিছে।

নিজৰ ওপৰতে ঘৃণা জমি গ'ল নীলাৰ। ছিঃ ছিঃ। দহ বছৰৰ আগেয়ে কি কুক্ষণত তাই তাক লগ পাইছিল। যি গভীৰ আন্তৰিকভাৱে তাই তাৰ সৈতে কটাই দিছিল বহু সান্নিধ্যঘন মুহূৰ্ত, সেই আন্তৰিকতাৰ জন্ম তাইৰ বুকুত কিয় হৈছিল? প্ৰেম — শব্দটোলৈ ঘিণ লাগি গ'ল তাইৰ। ইয়াৰ বাবেইতো সি তাইৰ ওচৰলৈ উভতি আহিব। ক'তা, নীলমৰ সৈতেতো তাইৰ কোনো প্ৰেম নাছিল। কিন্তু নীলম মহন্তৰ দুবাহুৰ মাজত, ফ্ৰিজ, টি. ভি., গাড়ী, সুসজ্জিত ঘৰটোৰ মাজত কি নিশ্চিন্ত আনন্দেৰে তাইৰ জীৱন কাটি গৈছিল। আজি সি ঘূৰি আহিছে, প্ৰেম-কলুষিত সেই সম্বন্ধই আজি যি কোনো মুহূৰ্ততে ভাঙি চুৰমাৰ কৰি দিব পাৰে তাইৰ এই সজোৱা ঘৰ। খিৰিকীৰ ৰডত গাল থৈ নীলা থৰ লাগি বৈ থাকে।

সমীৰণ বৰকৰা আহি আছে।

(চাৰি)

কোনোবাই আৰু এটা হুইস্কিৰ বটল খুলিলে, কাৰোবাৰ হাত লাগি এটা গিলাছ টুং কৈ মজিয়াত বাগৰি পৰিল, এটা পাত্ৰত পানীয় ঢলাৰ কল-কল শব্দ শুনা গ'ল, কোনোবা এটাই বেসুৰা গলাৰে গাব খুজিলে এটা গান — ইটছ্‌ বিন এ হাৰ্ড ডেইজ নাইট, আই ছুড বি শ্লিপিং লাইক এ...। কোঠাটোৰ ভিতৰত জিৰ' পাৱাৰৰ এটা বাল্ব জ্বলিছে। কেইবাটাও ছিগাৰেটৰ ধোঁৱাৰে ধুমায়িত কোঠাটোত, অনুজ্জ্বল পোহৰত, বিশৃংখল কেইখনমান চকী-মেজ, এখন বিছনা আৰু কেইটামান ছায়ামূৰ্তি। সিহঁত বিপুল, অজিত, দুল, বগেন, ৰফিউল...। অজিত খিৰিকীখনৰ কাষলৈ গ'ল। সি মেলি দিলে খিৰিকীখন। ৰাতিৰ বতাহ আৰু আন্ধাৰ কোঠাটোৰ ভিতৰলৈ বৈ আহিল।

"গোটেই ৰাতিটো আমি সুৰাপান কৰিলোঁ। আন্ধাৰৰ স'তে সুৰাৰ এটা ককটেল...। কাৰণ আমিয়েইতো ৰাতিপুৱাব লাগিব!" — অজিতে ক'লে। সম্ভৱতঃ তাৰ কবিতাৰ এটা শাৰী। সি কবিতা লিখে। অসমৰ আগশাৰীৰ নবীন কবিসকলৰ এজন বুলি তাক ধৰা হয়।

"চুপ মূৰ্খ।" — বিৰক্ত কণ্ঠে বগেনে ক'লে। "তোৰ কবিতাৰ মই ইয়ে — কৰোঁ।" সি এটা অশ্লীল ভংগী কৰিলে।

দুলৰ এটা বিকৃত হাঁহিত কোঠাটো কঁপি উঠিল। "তাক তেনেকৈ কিয় কৰ পাৰ্টনাৰ? এই কবিতা লিখিয়েইতো সি কিমান আদৰণিৰ গামোচা লয়, কিমান ধুনীয়া ধুনীয়া ছোৱালীক অটোগ্ৰাফ দিয়ে, আৰু কিমান ধুনীয়া ধুনীয়া ছোৱালীক ই ছলাই..." — দুলৰ জিভা দোবোল খাই যায় ; স্খলিত গলাৰে সি কি ক'ব খোজে অস্পষ্ট হৈ যায়। "কি হ'ব ভাই কবিতা লিখি।" — বিমৰ্ষভাৱে অজিতে ক'লে। "মোৰ কবিতাৰ প্ৰতিটো শব্দই ছাল্লা মোকেই অপমান কৰে। পাৰ্ল্লিছিটি অফিচাৰৰ চাকৰিটোৰ কাৰণে কিমান চেষ্টা কৰিলোঁ, মোৰ কবিতা প্ৰকাশ হোৱা কিমান মেগাজিন ইণ্টাৰভিউ বৰ্ডক

দেখুৱালোঁ, ক'তা —? মাজতে ক'ৰ পৰা দুটামানে ফটকে আহি চাকৰি থাপমাৰি লৈ গুচি গ'ল।"

বাহিৰত এখন মটৰ চাইকেল আহি ৰ'ল। বুজা গ'ল, ঈশ্বৰ আহিছে। অভাৰছিজ স্কলাৰশ্বিপ এটা লৈ সি আমেৰিকাৰ বিশ্ববিদ্যালয় এখনত পঢ়িবলৈ যাব ; সেই উপলক্ষে আজি দুল-বগেনহঁতৰ মদৰ খৰচ সি দি দিছে।

"হেল'!" — ঈশ্বৰ সোমাই আহিল।

"আৰ ইউ লিভিং আছ, য়াং মেন?" কোনোবা এটাই সুধিলে, আন্ধাৰৰ মাজৰপৰা।

"য়াহ, — আয়াম লিভিং ইউ!" এক পেগ হুইস্কি হাতত লৈ ঈশ্বৰে লাহেকৈ এশোহা মাৰিলে। "ৰাতিপুৱা এয়াৰ প'ৰ্টলৈ তহঁত আহিবি, জৰুৰ আহিবি হাঁ —।"

ৰফিউল দুখোজ তাৰ পিনে আগবাঢ়ি গ'ল। অনিয়ন্ত্রিত খোজ। আলফুলে ঈশ্বৰৰ কান্ধত সি এখন হাত থ'লে। — "তই আমালৈ আমেৰিকাৰ পৰা কি পঠাবি ভাই? প্রমিজ কৰ যে তই আমালৈ পঠাবি — কেইটামান দামী মদৰ বটল, সাগৰৰ পাৰত ছানবাথ কৰি থকা উলংগ ডেকা-গাভৰুৰ পিকচাৰ কাৰ্ড, কেইখনমান হট পৰ্ণ...।

"আৰু বহুত ৰঙীন আবৰ্জনা।" — অজিতে শেষ কৰিলে।

"প্রমিজ কৰ, প্রমিজ কৰ, ছালা।" বিছনাত শুই থকা বিপুলে চিঞৰিলে।

"প্রমিজ। আই উইল ডু!" ঈশ্বৰে ম্লানভাৱে হাঁহিলে। খালি গিলাছটো সি টেবুলত নমাই থ'লে।

"যা — ছালা! তহঁত চব যাঁগে।" দুলে ক'লে। "পাঁচ বছৰৰ পাছত যেতিয়া ঘূৰি আহিবি তেতিয়া দেখিবি ইয়াত সকলো চেঞ্জ হৈ গৈছে। এক কুইন্টল চাউলৰ দাম বিছ টকা, এই যে এশ পঁচিছ টকাৰ মদৰ বটল, তাৰ দাম মে-স্কি-মা-ম ত্রিছ টকা, চিগাৰেট ফ্রি, গাভৰুহঁতে বিয়া কৰিবলৈ বিচাৰিব বেকাৰ যুবকক, ৰতাহত সৰা পাতৰ দৰে উৰি ফুৰিব টকা, — মানে যাক কয় ৰামৰাজ্য! কাৰণ আমি গম পাই গৈছোঁ...।"

'আচ্ছা — মই যাওঁ। আৰু কেইবা ঠাইতো সোমাবলগীয়া আছে। নীলিহঁতৰ ঘৰলৈও যোৱাই নাই। তহঁতক ৰাতিপুৱা এয়াৰপ'ৰ্টত লগ পাম।" খুব স্মাৰ্ট ভংগীৰে ঈশ্বৰে ক'লে।

"গুড বাই — য়াং মেন। উইছ ইউ অল দা বেষ্ট।" — আন্ধাৰ চুক এটাৰপৰা কোনোবা এটাই ক'লে। "কেতিয়াবা তোৰ লগত আমি বহুত ধৰণে ধেমালি কৰিছিলোঁ, — পাহৰি পেলাবি। বেয়া পাই নাথাকিবি। তয়োতো আমাৰ লগত কম ধেমালি কৰা নাছিলি। ৰিভলিউশ্যন, বিপ্লৱ, কিবা ছিষ্টেম চেঞ্জৰ কথাও কৈছিলি, — আমিতো সেইবোৰত মাইণ্ড কৰি থকা নাই। তই যে কৈছিলি, — গুলীয়াই দিব লাগে, মাৰি টেলিগ্রাফৰ প'ষ্টত ওলোমাই থব লাগে, যত চব ব্লেকমাৰ্কেটিয়াৰ, ঘোচখোৰ অফিচাৰ, লুভীয়া মন্ত্রী এম. এল. এ. ভুৱা প্রেমিকা...।"

"আই হেভ ছাট দা ডʼৰ অফ ৰেষ্টাৰডে, এণ্ড থ'ন দা কি এৱে!" — বিব্রত

হাঁহিৰে ঈশ্বৰে ক'লে। "আচ্ছা, গুড নাইট—।"

ঈশ্বৰ ওলাই যায়। তাৰ মটৰ চাইকেল ষ্টাৰ্ট কৰাৰ শব্দ হয়। আৰু ক্ৰমশঃ সেই শব্দ দূৰলৈ আঁতৰি যায়।

"লে বেক ইন দা আৰ্ম ছাম বোৰ্ন!" — ভগা গলাৰে বগেনে গাই উঠিল। আন্ধাৰৰ মাজৰপৰা সি থিয় হ'ল। অথিৰ খোজেৰে সি খোলা খিৰিকীখনৰ ওচৰলৈ গ'ল।

"ঠিক আছে ছালা"— দুলে চিঞৰি উঠিল। "চবকে গুলীয়াই দিম। নাইট প'ষ্টত ওলোমাই দিম চব ব্লেকমাৰ্কেটিয়াৰ, — মিনিষ্টাৰ এম. এল. এ., — ঘোচখোৰ অফিচাৰ, — ভুৱা প্ৰেমিকা..." সি মজিয়াৰ মাজলৈ বগুৱা বাই আহি থাকিল। এতিয়াহে ধৰিব পাৰিলে সি প্ৰায় উলংগ, মাত্ৰ আণ্ডাৰপেণ্টটোহে তাৰ গাত। সি অজিতহঁতৰ পিনে ঘূৰিলে। সম্পূৰ্ণ নিচাগ্ৰস্ত' — প্ৰায় উন্মাদেই বুলিব পাৰি। — "তহঁতে একো চিন্তা নকৰিবি ভাইহঁত। চব ঠিক হৈ যাব। ছ্যান্ চ্টেন-গান ল'ম, বোমা ল'ম...। অ' তহঁতে ভাবিছ এইবোৰ আমাক কোনে দিব। ভয় নকৰিবি ; — সমীৰণ বৰুৱা আহি আছে। হি উইল লিড আছ টু হেভেন।"

প্ৰচণ্ড হাঁহি এটা মাৰিবলৈ লৈ দুল বৈ গ'ল। মজিয়াৰ ফালে মুখ কৰি সি বমি কৰিবলৈ ধৰিলে।

(পাঁচ)

কেৰাচিন তেলৰ চাকিটোৰ মুমূৰ্ষু পোহৰে বাৰাণ্ডাখন পোহৰাব পৰা নাই। চাকিটো হাতত লৈ লৈ বাৰাণ্ডাত বৈ থকা মানুহজনীৰ ক্ষীণ অৱয়ব সেই অনুজ্জ্বল পোহৰত আৰু শীৰ্ণ যেন লাগিছে। পদূলিৰ জপনাখন খুলি মানুহজন সোমাই আহিল। এটাও শব্দ নোকোৰাকৈ তেওঁ দুৱাৰডলি পাৰ হৈ সোমাই আহিল। চাকিটোৱে তেওঁক অনুসৰণ কৰিলে, তেওঁ বৈ নোযোৱা পৰ্যন্ত। মানুহজনে গাৰ চোলাটো খুলিলে, বিছনাৰ পিনে দলিয়ালে। খুব ক্লান্ত তেওঁৰ মুখ-চুলিবোৰ খেলি-মেলি হৈ পৰিছে। হতাশ ভংগীৰে তেওঁ গাটো বিছনাত এৰি দিলে।

"সি হেনো ঘূৰি আহিছে। এৰা সকলোৱে তাকে কৈছে!" লাহে-লাহে তেওঁ ক'লে।

চাকিৰ শিখাটো কঁপি উঠিল। মানুহজনৰ মুখৰ ওপৰৰ ছাঁটো লৰিল। "কিয় সি ঘূৰি আহিল?" মানুহজনে আকৌ ক'লে। যেন স্বগতোক্তিহে কৰিলে। "মইতো সি মৰি গৈছে বুলিয়েই ধৰি লৈছিলোঁ। এই বুঢ়া বাপেকটোক সি কাহানিবা এটা পাতি-পইচাৰে সহায় কৰিব পাৰিলেনে? এতিয়া তিনিজনীকৈ তাৰ গাভৰু ভনীয়েকক বিয়া দিবলৈ আছে, সি ঘূৰি আহিলে সেইবোৰ সম্ভৱ হ'বগৈনে?" তেওঁৰ মাতটো অভিমান আৰু আৱেগেৰে আৰ্দ্ৰ হৈ পৰিল। "তাতকৈ... তাতকৈ সি মৰি নগ'ল কিয়? ইমানবোৰ জন্তু-জানোৱাৰ — গুলী-বোমা-বাৰুদে তাক মাৰি পেলাব নোৱাৰিলেনে?"

মানুহজনীয়ে চাকিটো খামুচি ধৰিলে। নীৰৱতা। তাৰ পাছত প্ৰথমবাৰৰ বাবে তেওঁৰ ক্ষীণ দুৰ্বল মাত শুনা গ'ল, — "মই জানো, সি ঘূৰি আহিব।"

(ছয়)

বিৰাট সুদৃশ্য টেবুলখনত কেইবাখনো বাতৰি-কাকত, আলোচনী, এটা এছট্ৰে', ছিগাৰেটৰ বাঁহ, দুই প্লেট কাজু বাদাম, চৰবতৰ গ্লাছ। টেবুলখন আগুৰি পাঁচজন মানুহ বহি আছে।

"ফুকনদা, তেতিয়া হ'লেতো আপুনি সমীৰণ বৰুৱাক খুব ভালকৈ চিনি পাব লাগে।" স্বাস্থ্যবান মানুহজনে সাৱধানে সুধিলে।

'য়াহ, আই ন' হিম, আই ন' হিম।" — যাক প্ৰশ্নটো কৰা হৈছিল তেওঁ ভোৰ ভোৰালে। তেওঁ এজন বৃদ্ধ, ৰাজ্যখনৰ সবাতোকৈ প্ৰবীণ আৰু অভিজ্ঞ ৰাজনীতিবিদ। ছোফাখনত আঁউজি তেওঁ বহি আছে, চকুত ৰূপালী ফ্ৰেমৰ চচমা, চোলাটোত দুটা সোণৰ বুটাম জিলিকি আছে, কাষৰ টেবুলখনত আঁউজাই থোৱা আছে তেওঁৰ ৱাকিং ষ্টিকডাল। "তাৰ দেউতাক আছিল মোৰ বন্ধু। স্বাধীনতাৰ আগেয়ে আমি একেলগে জেলত আছিলোঁ। স্বাধীনতাৰ পাছত, কিছু বছৰৰ পাছত মই যেতিয়া মন্ত্ৰী হ'লোঁ, সেই মানুহটোৰ কি হ'ল, ক'লৈ ছিটিকি গ'ল মই নাজানিলোঁ। খুব অভিমানী আছিল মানুহটো। প্ৰবল আত্ম-সন্মানবোধ আছিল। এৰা তেওঁ ৰাজনীতিৰ মানুহ নাছিল। বহুত বছৰ পাছত, গাঁও এখনত মিটিং কৰিবলৈ যাওঁতে তেওঁক মই লগ পাইছিলোঁ। গাঁওখনৰ স্কুলখনৰ তেওঁ হেডমাষ্টৰ। — "কি খবৰ ফুকন।" — এনেকৈ স্পষ্টভাৱে তেওঁ মোক সুধিছিল। লগত এটা সৰু ল'ৰা, চিনাকি কৰি দিছিল তেওঁৰ ল'ৰা বুলি — সমীৰণ বৰুৱা। সি নমস্কাৰ দিছিল, মোক খুৰা বুলি মাতিছিল, সেইদিনা আবেলিৰ চাহ মই সিহঁতৰ ঘৰতে খাইছিলোঁ। য়াহ আই ন' হিম...।"

"দে'ন হোৱাই ডন্ট ইউ" .. শ্ৰোতাকেইজনৰ এজনে সোৎসাহে সুধিলে, — "আপুনি আমাৰ দলৰ সপক্ষে তাক নকয় কিয়। তাক কওক বৰ্তমান চৰকাৰটোৰ বিপক্ষে যুঁজিবলৈ আমাৰ দলটোৱেই হ'ব তাৰ বেষ্ট প্লেটফৰ্ম।"

বুঢ়াৰ ওঁঠৰ কোণত এটা ক্ষীণ হাঁহি বিয়পি পৰিল।

"এৰা, আপুনি তাক লগ ধৰক। যেনেতেনে, যি কোনো প্ৰকাৰে। তাৰ সকলো খবৰ আমি আপোনাক গোটাই দিম। চাওক ফুকন দা, ৰাজ্যখনৰ ৰাজনীতিলৈ আমাৰ দলটোক ঘূৰাই অনাৰ ই এটা সুযোগ। এইটো হেৰুৱালে আমাৰ কোনো আশা নাই।"

"এৰা, মই সেইটো কৰিব পাৰোঁ। ইয়াৰ বাবে অলপ অভিনয়, অলপ ফাকিৰ দৰকাৰ হ'ব, কিন্তু মই সেইটো কৰিব পাৰোঁ।" বুঢ়াই ৱাকিং ষ্টিকডাল এনেয়ে হাতত ল'লে, পিটিকি চালে। "কাৰণ নিজকে মই বহু দূৰত এৰি থৈ আহিছোঁ। এনে এক দূৰৰ পৃথিবীত, য'ৰ পৰা আজি মই নিজৰ চিএৰ নিজেই শুনা নাপাওঁ। মই আজি আৰু মোৰ খবৰ লোৱাৰ প্ৰয়োজন বোধ নকৰোঁ।"

"বুঢ়াই আজি ক'ৰবাত অলপ বেছিকৈ ধৰি আছিছে।" শ্ৰোতাকেইজনৰ কোনোবা এজনে ফুচফুচাই ক'লে।

"মই ক'ম। তাক লগ পালে তাৰ কান্ধত মই হাত থ'ম, খুব সুন্দৰ অভিনয়েৰে, মাতত দৰদ আৰু সহানুভূতি সানি ক'ম, — সমীৰ, তই ঘূৰি আহ ; তই স্বাভাবিক জীৱনলৈ ঘূৰি আহ। কি পাবি এনেকৈ? এইবোৰ পথটো আমাৰ এই পৰিৱেশ, এই দেশৰ মানুহৰ বাবে নহয়। বাদ দে এইবোৰ। মোৰ লগত থাক। আমাৰ এই দলটোৰ সৈতে কাম কৰ, মানুহক কিবা দিয়াৰ চেষ্টা কৰ। তই আমাৰ লগত থাক সমীৰ। তইতো জানই তোৰ দেউতাৰৰ সৈতে মই কিমান দিনৰ পৰা।"

(সাত)

চাৰিআলিৰ হলটোৰ ওচৰত সমীৰণ আহি ৰ'ল। হলটো নতুন, প্ৰকাণ্ড, — তাৰ গাৰ ৰং চিক্‌মিকাই আছে। সমীৰণৰ মনত পৰিল, এই ঠাইডোখৰত আগেয়ে কুশমাষ্টৰৰ ঘৰ আছিল। মানুহ ঘৰ ক'লৈ গ'ল? তাৰ ঠাইত কি ভীষণ ঔদ্ধত্যৰে ছিনেমা হলটো থিয় দি আছে!

মহানগৰীখনত আহি সোমোৱা তাৰ আজি দুদিন হৈছে। বহু বছৰ পাৰ হৈ গৈছে, চাৰিওপিনে বহুত সলনি হৈছে। ৰাস্তাত আৰু এতিয়া কোনো চিনাকি মুখ দেখা নাযায়, দেখা নাযায় কোনো মানুহৰ মুখত বন্ধুতা, সহানুভূতি বা আন্তৰিকতা। চাৰিআলিটোৰ এইটো কোণত এজোপা প্ৰকাণ্ড আঁহত গছ আছিল। এতিয়া গছজোপা নাই, সম্ভৱতঃ কাটি পেলোৱা হৈছে। কাঠফুলাৰ দৰে চাৰিওপিনে গজি উঠিছে দোকান পোহাৰ অট্টালিকা; ৰাস্তাৰ দুইপাদত চাৰিওপিনে শ শ ব্যস্ত মানুহ, গাড়ী-মটৰো বাঢ়ি গৈছে হু-হুকৈ ; দুৰ্বাদল শব্দৰে পাৰ হৈ যোৱা ট্ৰাক, ছিটিবাছবোৰৰ তীক্ষ্ণ হৰ্ণ আৰু হেণ্ডিমেনৰ পৰিত্ৰাহি চিঞৰত গোটেই পৰিৱেশটো চৌচিৰ হৈ আছে।

লাহে লাহে সমীৰণ কাষৰ চাহ দোকানখনত সোমাল। পাতল ভিৰ ভিতৰত। চুকৰ টেবুল এখনত একাপ চাহ লৈ বহিল সি। দুৱাৰত তাৰ সতৰ্ক চকু। যোৱা দুৰাতি কোনো হোটেলত সি ৰাতি কটোৱা নাই। নিজৰ ঘৰতো বাদেই, কোনো বন্ধু বা সহকৰ্মীৰ ঘৰত আশ্ৰয় ল'বলৈও সি সাহস কৰা নাই। কাৰণ সি গম পাইছে, পুলিচে চহৰখনত তাৰ উপস্থিতি গম পাই গৈছে। চৌকিডিঙি আৰক্ষী চকীৰ নিশ্ছিদ্ৰ পহৰাৰ মাজেৰে সি কোনোৰকমেহে সৰকি আহিছে। লামডিঙৰ ৰেল ষ্টেচনতো তাৰ কেইজনমান সন্দেহজনক মানুহ, যিবোৰ চোৰাংচোৱা বিভাগৰ হোৱাৰ সম্ভাৱনাই বেছি, চকুত পৰিছে, আৰু...। তীব্ৰ হুইবেগেৰে দুখন ফায়াৰ বিগ্ৰেডৰ গাড়ী ৰাস্তাৰে পাৰ হৈ গ'ল। সি চমকি উঠিল, চাৰিওপিনে চালে। — নাই, সকলো নিস্পৃহ, গিলাছ কাপপ্লেটৰ টং-টাং, মেনেজাৰৰ কৰ্কশ মাত, এটা টেপৰেকৰ্ডাৰৰ পৰা ভাহি অহা হিন্দীগান, — এইবোৰ শব্দৰ মাজত সকলো ডুবি আছে। খালি কাপটো নমাই থ'লে সমীৰণে।

এৰা সি ঘূৰি আহিল। হাতত সি একো লৈ আহিব পৰা নাই। যিকেইটা টকা আছিল, সেইকেইটাও লাহে লাহে শেষ হৈ আহিছে। অলপ এমিউনিশ্যন গোখা গৈছে, যিখিনি অহা দুমাহৰ ভিতৰত এইখিনি পোৱাহি কথা, — যদিও গোটেই কথাবোৰ, নির্ভৰ কৰিছে মাথোঁ বিশ্বাসৰ ওপৰত। আৰু এতিয়া, বিশ্বাস বস্তুটোৰ ওপৰত সি ইমান নির্ভৰ কৰাটো সঠিক হ'লনে নাই, তাৰ লাহে লাহে সন্দেহ হৈছে। কাৰণ ইয়াত সি দেখিছে, তাৰ সহকর্মীবোৰ বহু দূৰলৈ ছিটিকি পৰিছে — পিনাক মহন্তই এতিয়া এটা খুব ভাল চাকৰি কৰে ; দ্বিপেন ফুকন এজন ডাঙৰ ঠিকাদাৰ ; ৰমেন এম. এল. এ. হৈছে; আৰু পৰহি ৰাতি সি গৈ দেখিলে তাৰ এসময়ৰ অন্তৰংগ বন্ধু দ্বিজেনৰ ঘৰৰ সমুখত কোনোবা এজন মন্ত্রীৰ গাড়ী ৰৈ আছে...। কি কৰিব এতিয়া সি? কাৰ ওচৰলৈ যাব? আচ্ছন্নৰ দৰে সি ইফালে-সিফালে ঘূৰি ফুৰিলে।

ৰাস্তাৰে এটা বিয়াৰ শোভাযাত্রা, খুব সজ্জিত কেইখনমান গাড়ী, ফুলৰ মালা আৰু টিউব লাইটৰ শাৰী, ক্লেৰিঅ'নেট আৰু ড্রাম বজাই বজাই ভাৱাতীয়া বাদ্যযন্ত্রীৰ দল, দুজনমান চেংেলীয়া আত্মহাৰা হৈ নাচিছে, প্রচুৰ কোলাহল আৰু পোহৰ — ৰাস্তাৰে পাৰ হৈ গৈছে। পাণদোকান এখনৰ সমুখৰ ডেকা ল'ৰাকেইটাৰ জুমটো পাৰ হৈ গ'ল সমীৰণ। ৰাস্তাৰে যোৱা কেইজনীমান ছোৱালীৰ প্রতি জুমটোৰ পৰা কিছু প্রায় অশ্লীল চিএৰ আৰু ভংগী উৰি আহিছে।

টি. ভি. দোকান এখনৰ সমুখত এটা ভিৰ, খ'কেছৰ টি. ভি.-ত এখন ক্রিকেট মেচ চলি আছে। ভিৰৰ পৰা কেইজনমানৰ ক্রিকোটৈৎসাহ ভাহি আহিছে। "আৰু এটা উইকেট পৰিল। ৰবি শাস্ত্রীয়ে খুব ভাল বলিং কৰিছে।" — উল্লাসেৰে কোনোবা এজনে ক'লে।

এইবোৰৰ মাজেৰে, সি, সমীৰণ ৰৰুৱা চহৰখনৰ মাজেৰে গৈ থাকে। খুব শ্রান্ত, নিঃস্ব নৈৰাশ্যপীড়িত তাৰ মুখ। সি দেখে অদূৰৰ ছিনেমা হলত শ' শেষ হৈছে, হিলদল ভাঙি জাক জাক মানুহ ওলাই আহিছে। সমুখৰ দেৱালত ছিনেমাৰ বিৰাট ৰঙীন প'ষ্টাৰ,— নায়িকাক ওপৰলৈ দাঙি নায়কৰ ভীষণ ৰোমাণ্টিক ভংগী, ছিগাৰেট — সংগীত সজ্জিয়া — জন্মনিৰোধকৰ প্রকাণ্ড প্রকাণ্ড বিজ্ঞাপন, ৰামলাল সেৱাদত্তৰ কাপোৰ দোকানৰ ওপৰত বিভিন্ন অন্তর্বাসৰ হ'র্ডিং ; — প্রায় উলংগ পুৰুষ-নাৰীৰ বিৰাট ছবি। নির্বিকাৰ উদাসীন মুখেৰে তাৰ তলেৰে চহৰৰ মানুহ পাৰ হৈ যায়। — হঠাৎ আর্তনাদৰ দৰে শব্দত চমকি উঠে সমীৰণ, দেখে যুৱক-যুৱতীৰে ভর্তি দুখন বাছ — দুয়োখনৰে পিছিত লাউড-স্পীকাৰৰ হৰ্ণ, য'ৰ পৰা তীক্ষ্ণ বিকট গলাৰ চিএৰ উৰি আহিছে, হয়তো এটা পিকনিক পার্টি—।

পৰিশ্রান্ত খোজেৰে সি কোলাহলৰ পৰা আঁতৰি আহে। হেলুনখনৰ সমুখত এটা বাদামৱালাই তাৰ পোহৰ মেলি ৰৈ আছে। তাৰ ওচৰত ৰ'ল সি। দুটকাৰ বাদাম কিনিলে। ইফালে-সিফালে চালে, নাই-কোনেও তাক মন কৰা নাই। খুব সহজ ভংগীৰে সি হেলুনখনৰ সমুখত ৰৈ এটা-দুটা বাদাম গলিয়ালেৰ ৰাস্তাৰ পৰা মাজে-মাজে শব্দ,

পোহৰ আৰু ধূলিৰ জাউৰি আহিছে। দূৰৰ বিজ্ঞাপনৰ হ'ৰ্ডিঙত হেল'জেন লাইট এবাৰ জ্বলিছে এবাৰ নুমাইছে ; হেলুনৰ এখন আয়নাত দেখা গৈছে তাৰ মুখ — গালৰ ডাড়ি পৰিচ্ছন্নকৈ সি কাটি পেলাইছে, চুলি দীঘল হৈছে, চকুত এযোৰ চচমা, মুখখন সেয়ে খুব ক্ষীণ, দুৰ্বল যেন দেখা গৈছে ; গালৰ হাড় ওলাই পৰিছে, হয়তো ক্ষীণাইছেও সি।...

তেন্তে, কাৰ বাবে সি ঘূৰি আহিল? কিহৰ কাৰণে সি দেশ-বিদেশৰ হাবি-বননি, জন্তু-জানোৱাৰ নৃশংস মানুহৰ মাজত কটাই আহিল? কিয় সি পুৰিব লগা হ'ল যৌৱনৰ বহু ৰঙীন সপোন? কাৰ কাৰণে? এই মানুহবোৰে, — সমীৰণে ভাবিলে, — এই মানুহবোৰে কি একো বিচৰা নাই? সিটো ভাবিছিল, ট্ৰেন দুৰ্ঘটনাত বিপৰ্যস্ত কোনো ডবাৰ ভিতৰত যেনেকৈ যন্ত্ৰণাত চট্‌ফট কৰি মুহূৰ্ত গণে সকলোৱে, তেনে এক অস্থিৰতাৰ মাজত সকলো বৈ আছে। কিন্তু ক'তা, কোনোতো সাজু হৈ থকা নাই! কি সহজ-সাবলীল গতিৰে সকলো গৈ আছে। চাৰিওপিনে কি প্ৰাচুৰ্য, বৈভৱ আৰু উল্লাস। এইবোৰৰ মাজত তাৰ প্ৰয়োজন আছেনে? এতিয়া যদি সৌ চাৰিআলিটোৰ মাজত বৈ সি চিএঞৰি উঠে — ময়েই সমীৰণ বৰুৱা বুলি, পুলিচৰ মানুহখিনিৰ বাদে কোনোবা তাৰ ওচৰলৈ আগবাঢ়ি আহিবনে?

"আপোনাক আৰু অলপ বাদাম দিম নেকি?" — বুঢ়া বাদামবালাটোৱে সুধিলে। ঠেলাগাড়ীখনৰ ওপৰত জীন ষ্টʼভ এটা জ্বলিছে, কঁপা-কঁপা হাতেৰে তাত সি বাদাম সেকি আছে, সেকা বাদামৰ গোন্ধ বতাহত ভাহিছে, জুইৰ শিখাটো অলপ অলপকৈ কঁপি আছে, চাৰিওপিনৰ নিৰ্মল শীতলতা সেই শিখাৰ উত্তাপে খেদি পঠাব পৰা নাই।

বুঢ়া বাদামবালাটোৰ পৰা সমীৰণে এমুঠি বাদাম ল'লে।

"আজি বিক্ৰী কেনেকুৱা হৈছে?" — সি এনেয়ে সুধিলে।

সোলা মুখখনেৰে বুঢ়াই হাঁহিলে, "—চলি গৈছে, সদায় চলি যায় এনেকৈয়ে।"

এটা-এটাকৈ বাদাম ভাঙি বিভ্ৰান্তৰ দৰে সমীৰণ বৈ থাকে। সি কি ঘূৰি যাব য'ৰ পৰা আহিছিল তালৈ? নতুবা তাৰ মাকৰ ওচৰলৈ? নহ'লে সি গতাই দিব নেকি নিজকে পুলিচৰ হাতত? বা সি গুচি যাব নেকি বহু দূৰৰ কোনো চহৰলৈ, আৰম্ভ কৰিব এক নতুন, স্বাভাৱিক, নিৰাপদ জীৱন?

লাহে লাহে সি আগবাঢ়ি যায়। মহানগৰ তেতিয়াও উদ্দাম আবেগেৰে চঞ্চল। শব্দৰ আৱৰ্তত চাৰিদিশ ভাসমান, চাৰিওপিনে বিজ্ঞাপনৰ ভৌতিক ভাস্বৰতা, হেল'জেন ষ্ট্ৰীট-লাইটবোৰে অবিৰাম বিচ্ছুৰণ কৰিছে হালধীয়া পোহৰ।

শেষ বাদামটো হাতত লৈ বাদাম বান্ধি দিয়া কাগজখন মোহাৰি পেলাবলৈ লৈ সমীৰণ বৈ গ'ল। কাগজখনত, বাতৰিকাগজৰ সেই টুকুৰাটোত স্পষ্ট এশাৰী ছপা আখৰ, এটা নিউজ হেডলাইন — সমীৰণ বৰুৱা আহি আছে।...

ভিতৰি-ভিতৰি সি কঁপি উঠিল। বিভ্ৰান্ত ভংগীৰে কাগজৰ টুকুৰাটো ধৰি

কেইটামান মুহূৰ্ত সি বৈ থাকে। মহানগৰীৰ ৰাস্তাৰে বৈ গৈছে অগণন গাড়ী-মটৰ-মানুহ। ৰাস্তাত বিয়পি পৰিছে হাঁহি-চিংকাৰ-গান। বৰ্ণময় পোছাক পিন্ধি পাৰ হৈ গৈছে কেইজনীমান যুৱতী, কেইগৰাকীমান ভদ্ৰমহিলা, এজাক সৰু সৰু ল'ৰা-ছোৱালী। পাণদোকানখনৰ সমুখৰ আড্ডাটো ভাগিছে ; ডেকা ল'ৰাৰ জাকটো ৰাস্তালৈ নামিছে ; মন্থৰ খোজেৰে কেইজনমান বৃদ্ধ ফুটপাথেৰে আহি আছে।...

হাতৰ কাগজৰ টুকুৰাটো সি এৰি দিলে।

সমীৰণ বৰবা আহি আছে — এজাক শুকান বতাহত উৰি উৰি সেই অমোঘ সংবাদ মহানগৰীৰ ব্যস্ত মানুহৰ মাজত মিলি যায়।



অপূৰ্ব কুমাৰ শইকীয়া

মনোহৰ বুঢ়াৰ পঢ়াশালি

মেটামৰফছিছ

মনোহৰ বুঢ়াৰ পঢ়াশালি

আজি বেলিৰ মনটো আমন-জিমন। পুহমহীয়া নাতিশীতোষ্ণ ৰ'দত বহি হৰেশ্বৰীয়ে উৰু সন্ধিলৈকে ওলমি পৰা চুলিখিনিত কাকৈখন সূতাত বাঁচ ভৰোৱাদি ভৰাই থৈছে।

"বোলো ৰ'দাইছা?"

এজন পুৰুষে যিকণ নিম্নতম কাপোৰ নিপিন্ধিলে নহয় তেনে স্বল্পবসন মনোহৰ বুঢ়াই নওলাৰ মুখৰ পৰা হৰেশ্বৰীক চিঞৰিবিলে। উত্তৰ এটা ঠিক নিদিলে নহয় আৰু এই ক্ষেত্ৰত প্ৰশ্নটোৰ শ্ৰাৱকনো প্ৰকৃততে কোন হ'ব লাগিছিল তাকো নিৰ্ণয় কৰাৰ কোনো প্ৰয়োজনীয়তা নাথাকে — এনে এক জড়তাৰে বৰুৱাই উত্তৰ দিলে, "ৰ'দাবানো কেনেকৈহে, আবতৰীয়া ডাৱৰৰ উৎপাতত।"

হঠাতে বৰুৱাৰ ভাব হ'ল — উৎপাতটো কেৱল কেইচপৰামান পাখি ডাৱৰৰে নহয়। উৎপাতটো বুঢ়াৰ অযৌন নগ্নতাৰো। এনে সময়তে বৰুৱাৰ অকণমান উচ্পিচনি উঠে। ৰাতিপুৱাটো ভালকৈ ভৰপক হৈ উঠাই নাই — গৰুবাটেদি দলনিলৈ যাওক চাবি বুঢ়া আহি আজি চহৰ পাবৰ হ'লেই। অন্ততঃ পত্নী হৰেশ্বৰীয়ে পুৰুষৰ এনে এক দৈহিক দীন-হীন অৱস্থা দিনৰ উচ্ছল পোহৰত পুতৌজনক দৃষ্টিৰে প্ৰত্যক্ষ কৰাটো বৰুৱাই নিবিচাৰে। কিছুমান বস্তু সম্ভাৱনাৰ মাজত লুকাই তাপ মাৰি থকাই বোধহয় ভাল।

বৰুৱাতকৈ পোন্ধৰ বছৰৰ আগতে পৃথিৱী নামৰ এই মুলুকলৈ মনোহৰ বুঢ়া আহিছিল। সেই হিচাবত এই মুলুকৰ মানুহে মনোহৰ বুঢ়াক বৰুৱাতকৈ পোন্ধৰ বছৰ ডাঙৰ বুলি কয়। কিন্তু যি মুহূৰ্তত বৰুৱাই 'মধ্যবয়সীয়া নীলা' বুলি বিশেষজ্ঞসকলে কোৱা সময়ছোৱা অতিক্ৰমি বং দৃষ্টিহীনতাত ভুগিছে — সেই সময়ছোৱাতে মনোহৰ বুঢ়াই পথাৰত বৰ্ণহীন ফুলৰ খেতি কৰিছে। তিলফুল, মাটিমাহৰ ফুল আৰু সৰিয়হৰ ফুল। পথাৰখনে এহাল গৰু আৰু এটা নাঙলসহ কেৱল উলংগ মানুহ এটাহে বিচাৰে বাবে বুঢ়াই দেহৰ কাপোৰ ক্ৰমশঃ কমাই নি আছে — কিন্তু তাৰ ক্ষতি পূৰণ হিচাপে মানুহজনৰ মুখৰ কথা ক্ৰমশঃ বাঢ়ি গৈ আছে।

সেইবুঢ়াই সিদিনা সুধিলে, "মেকুৰীয়ে গাখীৰ খাওঁতে চকুকেইটা কিয় মুদি লয় জানা?"

নাজানে। কথাটো বৰুৱাই নাজানে, অৱশ্যে উত্তৰটো বোধহয় মনোহৰ বুঢ়ায়ো নাজানে। মানুহজনৰ গম্ভীৰ দোবো সেইটোৱেই — এক নাভূত-নাশ্রুত প্রশ্নৰে তেওঁ শ্রোতাজনৰ, মকৰাৰ লেলাউটি জালৰ এটি নাচনী পৰুৱাৰ দৰে যি তেওঁৰ জালত পৰে, মন উদ্বেলিত কৰি তোলে, উত্তৰটো জানিবলৈ মন ব্যাকুল কৰি তোলে কিন্তু তাকে নিৰসন কৰাৰ দায়িত্বটো আকৌ তেওঁ নলয়। কেনে চূড়ান্ত দায়িত্বহীনতাৰ কথা। পিছে দায়িত্বহীনতাৰ দোষ কেৱল বুঢ়াৰে নাই। উত্তৰবিহীন অনন্ত প্রশ্নেৰে পৃথিৱীৰ জীৱজগতক ভাৰাক্রান্ত কৰি থৈছে স্বয়ং ৰঘুনাথে নিজে। 'চিঞৰি চিঞৰি মাতিলে তোমাক নামাতা দূৰৈৰ পৰা।' সেইজন ৰঘুনাথ।

যিমানেই সুস্বাদু আহাৰ নহওক কিয় বৰুৱাই আজিলৈকে সজ্ঞানে তাক চকুমুদি খাই পোৱা নাই। ৰাতি ভাত খাই থাকোঁতে বিজুলী গ'লেও বৰুৱা সাধাৰণতে এটা শিলৰ মূৰ্তিৰ দৰে নিশ্চল হৈ ৰৈ থাকে — আধা খোৱাকৈ, সেইখিনি সময়তে আকৌ হৰেশ্বৰীয়ে লেমটো জ্বলাই আনে। ভাতত পোক-কীট পৰাৰ ভয়ত লেমটোৰ যন্ত্রপাতিবোৰত হৰেশ্বৰীৰ হাতটো বৰ খৰকৈ চলে। বৰুৱাই 'খালোৱেই যেনিবা উঁই পৰুৱা এটি, কিনো নহ'বৰ হ'ব' বুলিলেও আচলতে তেৰোঁ পোক এটা আন্ধাৰতে খাব নোখোজে। গতিকে কোনো স্বাদিষ্ট ব্যঞ্জন জিভাৰে চাকি চাওঁতে বৰুৱাই চকুকেইটা মুদি কৃত্রিম আন্ধাৰ সৃষ্টি কৰাৰ কোনো প্রশ্ন নুঠে। তেন্তে জীৱৰ ক্রমবিকাশৰ সূত্রেৰে নৰ জীৱন লভা মানুহটোৱে এঁকা-বেঁকা ৰাস্তাৰে বাট কুৰি বাই আহোঁতে ক'ত বা মেকুৰীৰ এই একক প্রবৃত্তিটো হেৰুৱাই থৈ আহিল?

অতি আমোদজনকভাৱে বৰুৱাই অনুভৱ কৰিলে আজি একেৰাহে কেইবাবছৰ ধৰি তেওঁ প্রকৃততে সুস্বাদু বুলিব পৰা কোনো খাদ্য খাই পোৱা নাই। শাওণ মাহৰ গৰমত পানী সিঁচা পুখুৰীৰ গেদত গজা কুমলীয়া দূবৰিৰ সোৱাদ এজনী চেঁউৰি ছাগলীয়ে যেনেকৈ অজগ্রাসে ল'লেহেঁতেন তেনে আতুৰতাৰে কোনো খাদ্যৰ সোৱাদ তেওঁ বহু দিন ধৰি লৈ পোৱা নাই। কিনো হাতৰ যাদু আছিল — চকুৰ পলকতে কিনো মিহলাইছিল উতলি থকা মাটি মাহৰ আঞ্জাখিনিত — হয়তো দুটামান আধাপকা বগৰী, দুটামান নৰসিংহৰ পাত — আঞ্জাখন হৈ পৰিছিল অমৃত। সেই অমৃতৰ স্পৰ্শতে হ'বলা — মানুহজনী, বৰুৱাৰ মাক, প্রায় চাৰিকুৰি পোন্ধৰ বছৰ জীয়াই আছিল। লেলাই-ধেন্দাই নহয়, হুলস্থূলীয়া এক অৰ্থবহ উপস্থিতিৰে। বৰুৱাৰ এতিয়া নিজৰে মাজে-সময়ে সন্দেহ হয় — তেওঁ খোজ কাঢ়োতে খোজৰ ভৰত বেৰ-বাটামত লগাই থোৱা ৱালঘড়ীটো কঁপি উঠিছেনে? তেওঁ ক'ৰবাৰ পৰা আহি ঘপহকৈ বাটৰ গেটখন খোলোঁতেই শোৱনি কোঠাত দিনটোৰ কামৰ অন্তত জিৰণি লৈ থকা তেওঁৰ পত্নী ব্যস্ত সমস্ত হৈ পৰিছেনে?

জীৱনৰ সাঁচতীয়া টকাৰে ল'ৰা-ছোৱালীৰ বিয়া-বাৰুৰ খৰচ মিটোৱাৰ উপৰিও বৰুৱাই নগৰৰ উপকণ্ঠত ঘৰ এটা সজাইছে। মনৰ ইচ্ছা আৰু আৰ্থিক অৱস্থা দুয়োটাই লেজু টনা খেল খেলি সৰ্বশেষত সহমতেৰে জুইশলা বাকচৰ আকৃতিৰ ছয় কোঠলীয়া ঘৰ এটা থিয় কৰাইছে। নগৰৰ উপকণ্ঠৰ এই অঞ্চলটোক বৰুৱাৰ এটুকুৰা শুকান খৰৰ

পৰিসীমাটো যেন লাগে। আটাইতকৈ সক্ৰিয় অঞ্চলটো। খৰ টুকুৰাৰ দৰে নগৰখন বাঢ়িলেও এইবোৰ দিশেৰেই বিস্তাৰিত হ'ব লাগিব। ওপৰলৈ উলম্ব দিশে বঢ়াবলৈ চহকী মানুহখিনিৰ যিমান আৰ্থিক সামৰ্থ্যৰ প্ৰয়োজন — সেইখিনি নাই। নগৰখনো বাঢ়িছে অপৰিকল্পিতভাৱে — ৰজোনিবৃত্তি ঘটা এগৰাকী মেদযুক্ত মহিলাৰ দৰে। ইচ্ছাৰ অভাব, বৰুৱাৰ মনৰ সেউজখিনিৰ দৃষ্টি আকৰ্ষণৰ প্ৰতিযোগিতাৰ অভাৱ আৰু কিছু কৰ্মতৎপৰতাৰ অভাৱে হৰেশ্বৰীক দিনক দিনে যেনেকুৱাকৈ সজাই আনিছে — নগৰখনৰ গাটোৱে ঠিক তেনেৰূপ লৈছে। মাজে-সময়ে বৰুৱাৰ হেলিকপ্টাৰ এখনত উঠি নগৰখনক ওপৰৰ পৰা ইমূৰৰ পৰা সিমূৰলৈ চাবলৈ মন যায়; দেখাইছেনে তেওঁৰ ঘৰটোক নগৰখনৰ মুখৰ সৌন্দৰ্যবৰ্দ্ধক তিল এটাৰ দৰে বা এটা সেন্দুৰৰ ফোঁটৰ দৰে? অৱশ্যে বৰুৱায়ো জানে ভূ-পৃষ্ঠৰ পৰা দুই কিলোমিটাৰ ওপৰৰ পৰা চালে ঘৰবোৰক তেনেৰূপত দেখাটো একেবাৰে সম্ভৱ নহয়। কিন্তু আকাশীযানত কাহানিও উঠি নোপোৱা বৰুৱাৰ উদ্ভট আৰু কাব্যিক কল্পনাবিলাস কৰাত কোনো জ্ঞানজনিত বাধা নাই। অজ্ঞানতাৰ লাভ।

গাখীৰৰ বগা ৰঙটোৰ তীব্ৰতা মেকুৰী এজনীৰ চকুৱে সহ্য কৰিব নোৱাৰেনে কি? পিছে বগা ৰঙবো জানো তীব্ৰতা থাকিব পাৰে? এইটো হেনো এটা মৌলিক ৰঙেই নহয়। সাতোটামান ৰং লগ লাগিহে হেনো বিধবাৰ কাপোৰৰ শুভ্ৰতাখিনি সজাইছে-পৰাইছে — এক নিঃসীম শূন্যতাৰ দীঘ আৰু পবিত্ৰতাৰ বাণিৰে; এনে এটা ৰঙে মেকুৰী এটাক কেনেকৈ বিচলিত কৰিব পাৰে? বগা ৰঙটোৱে বৰুৱাৰ মনতনো কেনে এক ভাবৰ উদ্ৰেক কৰে? বৰুৱাৰ নিজৰেই দেহটোৰ ৰং সম্পৰ্কে খুব এটা উচ্চ ধাৰণা নাই। এনেকুৱা ধৰণৰ তৰল চিন্তা-ভাবনাতো বৰুৱাই এক প্ৰচ্ছন্ন হীনমন্যতা বোধেৰে অংশগ্ৰহণ কৰে। ওচৰ-পাঁজৰৰ মানুহে বৰুৱাৰ ছালৰ বৰ্ণক মাগুৰ বৰণীয়া বুলি কয়। কোনো কোনোৱে ভকতীয়া সুৰেৰে শ্যামবৰণীয়া বুলি কৈ বৰুৱাৰ বোধক উন্নীত কৰিবলৈ চেষ্টা কৰে। বৰুৱাৰ মতে এয়া মুখা পিন্ধা ভাৰতীয় বৰ্ণবিদ্বেষ। অৱচেতনৰ সুঁতিত ঘূৰা-পকা কৰি ফুৰে সি। অৱশ্যে এই সম্পৰ্কীয় কথা-বতৰাত নিৰ্লিপ্ত হৈ থাকি নিজৰ উচ্চ মানসিকতাৰ বোল মানুহক দেখুৱালেও বৰুৱাই ডেকা অৱস্থাত হৰেশ্বৰীক বিয়া পাতিছিল ছালৰ বৰণটো চাইহে। 'মোৰ ছোৱালী তইতে চাইছু চা; কিন্তু মোৰ এটাই কথা, আন গুণ থাকক নাথাকক ছোৱালী হ'ব লাগিব বগা।' দেশত বগা ছোৱালীৰ অভাব নাই বাবে বৰুৱায়ো বগা ছোৱালী এজনী সহজতে পালে। ছালখন বগা হোৱা বাবে হৰেশ্বৰীৰ শিক্ষা দুঢাপ নামিল, তাঁতশালৰ ব-তুলিব নোৱাৰা কথাটো তল পৰিল আৰু বিয়াৰ পিছত দুটা বছৰত নতুন কইনাই সহজাত মান-অভিমানবোৰ তিনিঢাপমান ওপৰলৈ উঠাই বৰুৱাক জলা-কলা কৰি ৰাখিলে। দুটামান বছৰৰ পিছত যেতিয়া বহুতো কথাৰ অৰ্থহীনতা হৃদয়ঙ্গম কৰি উঠি বৰুৱা দম্পতী আন দহ হাল দম্পতীৰ দৰে ভূমিপৃষ্ঠলৈ নামিল তেতিয়া বৰুৱা এটি কন্যা সন্তানৰ বাপেক হৈ উঠিছে।

সে বগা মেকুৰীটোৱে তাৰ নিজৰ গাৰ বৰণৰ গাখীৰখিনিৰ প্ৰতি কোনো

দুৰ্বলতা আৰু ঔৎসুক্য অনুভৱ নকৰা বাবেহে গাখীৰখিনি খাওঁতে চকুকেইটা মুদি ল'লে? মাগুৰ বৰণে কোনো ৰং সচেতনতাৰ জন্ম নিদিয়া হ'লে ৰবৰাবো কিজানি বগা ৰঙটোৰ প্ৰতি কোনো দুৰ্বলতা নাথাকিলহেঁতেন। কিন্তু মনোহৰ বুঢ়াই মেকুৰীটোকতো বগা মেকুৰী বুলি কোৱা নাই। নে মেকুৰী সাধাৰণতে বগা হয়েই বুলি আগতীয়াকৈ ধৰি লোৱা হৈছে? নে চকু বন্ধ কৰি মেকুৰীটোৱে গাখীৰৰ মাজতে এক ৰঙীন পানীয়ৰ সন্ধানত ব্ৰতী হৈছে?

ৰবৰাৰ লাহে লাহে মনোহৰ বুঢ়ালৈ খং উঠি আহিল। বুঢ়া হয়তো ইমান পৰে কন্দুৰা বুঢ়াৰ ঘৰত পদাৰ্পণ কৰি মোহনী ভাণ্ডৰ জুতি লৈছেগৈ। কৃত্তিবাসী ৰামায়ণলৈ সীতাদেৱী আৰু কামাক্ৰান্ত কাউৰী এটাৰ কাহিনীটো ক'ৰ পৰা আহিল, মূল ৰামায়ণতনো কথাটো কিয় নোসোমাল — এনে জাতীয় বিতৰ্কৰ আবৰ্ত এটাত মনোহৰ বুঢ়া হয়তো কন্দুৰা বুঢ়াৰ সৈতে সোমাই পৰিছে। আলোচনাৰ ছন্দ গৈ তুংগত উঠিছে আৰু এনে এটা সময়তে কান্দুৰী বুঢ়ীয়ে ঘৰত দুপৰীয়া সাঁজৰ বাবে মছন্দৰী আৰু মানকচু কেইডালমানৰ বাহিৰে যে কুটা এগছো নাই এই কথাটোৱে আলোচনাৰ ছন্দপতন ঘটাইছে। আৰু সেয়া এক মৃদু অনুযোগেৰে পৰিৱেশ নষ্টৰ বাবে কন্দুৰা বুঢ়াক দোষী সজাই দোৰোল খোৱা চকুৰ পতা আৰু পাতল মূৰ এটাৰে মনোহৰ বুঢ়া কন্দুৰাৰ ঘৰৰ পৰা এখুজি দুখুজিকৈ ওলাই আহিছে।

সাধাৰণতে সমালোচনাৰে কোৱাই-জাৰি থাকিলেও ৰবৰাই মনোহৰ বুঢ়াৰ প্ৰতি এক অব্যাখ্যেয় ঈৰ্ষাৰ লগতে এক আকৰ্ষণো অনুভৱ কৰে। এক আওকাণ কৰিব নোৱাৰা অৱস্থিতি, কাণৰ ওচৰত বেৰাজ কৰি থকা কিন্তু হিংসাত এক অনাও বিশ্বাস নকৰা এটি মহৰ দৰে উপস্থিতি। ভণ্ডুৰা মনোহৰ বুঢ়াৰ প্ৰতি ৰবৰাৰ ঈৰ্ষাটো অলপ বেছি। ৰবৰায়ো নভৱা নহয় — কাম-বন নকৰি অলসভাৱে মনে মিলা বন্ধু এটাৰ লগত বহি দিন দুপৰীয়া বন্ধ কোঠা এটাৰ ভিতৰত দীঘল চিলিম এটাত ভাং এপুৰীয়া ভৰাই আৰু তাকে জ্বলাই দীঘলকৈ হোঁপা এটা মাৰি কেনে লাগিব? বেয়াতো লাগিব নালাগে। এই বয়সতনো খোৱা বস্তুৰ নিষিদ্ধতা বুলি কিবা কথা থকাটো উচিত হ'বনে? তাকে খাই নিচাগ্ৰস্ত হৈতো ৰবৰাই ৰাস্তাত উত্তাল, ছন্দহীন নৃত্য প্ৰদৰ্শন কৰিবলৈ নাযায়। তথাপি কিয় জানো ৰবৰাৰ লাজ লাগে, আন বহুজনে ভবাৰ দৰে লাজৰ কেন্দ্ৰবিন্দু নাকটোত সৰ্বগ্ৰাসী কিবা এটাই হেঁচা মাৰি ধৰে। গোটেই প্ৰক্ৰিয়াটোৱেই দেখি হৈ গ'ল, লাজ ভঙাৰ বয়স কেতিয়াবাই পাৰ হৈ গ'ল। যথা সময়ত নিলাজ হ'ব নোৱাৰিলে বাবেই ৰবৰাই এতিয়া আক্ষেপ কৰি থকাটোও উচিত বুলি নাভাবে। আৰু নাকটোৰ গুৰুত্ব উশাহ লোৱা কামটোতেই শেষ হ'ব লাগিবনে? বাইবেলত মানুহৰ দেহৰ কোনটো অংগৰ কথা প্ৰথমেই উল্লেখ আছে? নাকটোৰে নহয় জানো? পিছে কিছুসময়ৰ আগতে মনোহৰ বুঢ়াই যে কন্দুৰা বুঢ়াৰ ঘৰত চিলিমত ধৰিছিল — বুঢ়াৰ মুখখন সেই সময়ত কেনে দেখাইছিল চাগৈ? তৃপ্তিৰ আবেশত মুখেৰে অনৰ্গল কথা বৈছিল, মূৰটো ভৰহীন হৈ উৰি যাব খুজিছিল আৰু চকুকেইটা কিছু ৰঙা পৰিছিল, এটা চকু ঈষৎ মুদি থকাৰ দৰে দেখা

গৈছিল; মুদি থকাৰ দৰে? গাখীৰ খাই থকা মেকুৰীটোৰ দৰে? — বৰুৱা জিকাৰ খাই উঠিল।

নাই, নহয়; বৰুৱা আঁকোৰগোঁজ হৈ পৰিল। এটা ভণ্ডুবাৰ চকুৰ লগত প্ৰশ্নটোৰ মূল চৰিত্ৰ মেকুৰীটোৰ চকুৰ কোনো সম্পৰ্ক থাকিব নোৱাৰে। মেকুৰীৰ নিমীলিত চকুত এক সহজ তন্ময়তা থাকে — মনোহৰ বুঢ়াৰ ভাণ্ডৰ আৱেশত নিমীলিত হোৱা চকুত সেই সহজতা নাই, থাকিব নোৱাৰে।

পিছে এবাতি গাখীৰৰ প্ৰতি বৰুৱাৰ দৃষ্টিভঙ্গী কেনেকুৱা? বহু দিন ধৰি বৰুৱাই ঠাইতে খীৰাই অনা পানী নিমিহলোৱা একাপ গাখীৰ খাই পোৱা নাই। একাপ পানীত চামুচৰ হিচাপেৰে কিমান গুড়ি গাখীৰ আৰু চাহপাত মিহলালে একাপ চাহৰ সৃষ্টি হ'ব বৰুৱাই সেই কথাটোহে এতিয়া ভালকৈ জানে। হওঁতে বৰুৱাই সৰুতে বহু পৰিমাণে ছাগলীৰ গাখীৰ খাইছিল। ছয়-সাতজনী ছাগলীৰে এটি ডাঙৰ ছাগলীৰ গড়াল আছিল বৰুৱাহঁতৰ ঘৰত। জৰাধানৰ পেনপেনীয়া ভাতৰ ওপৰত এবাতি গৰম গাখীৰ বাকি দিছিল মাকে। ভাত খাবলৈ বেলেগ চাউল নথকা বাবে বৰুৱাহঁতে মাজে-সময়ে বৰা চাউলৰ ভাত খাইছিল — ছাগলীৰ গাখীৰেৰে। দিনে-ৰাতিয়ে গলাধঃকৰণ কৰা সেই বস্তুবোৰ প্ৰকৃততে ভাতেই আছিলনে জলপানেই আছিল সেই সম্পৰ্কে বৰুৱা এতিয়াও সন্দিহান। মাংসৰ নামত দুই-এডাল গুই আৰু বহুদিনৰ মূৰত বজাৰৰ পৰা সস্তা দামত দেউতাকে কিনি অনা পঠা বা পাঠীৰ মূৰটোৰ ভিতৰৰ ঘিউখিনি বৰুৱাহঁতে খাইছিল। অকণমান গুড়ৰ লালি এবাতি ছাগলীৰ গাখীৰত মিহলালে হোৱা ৰঙটোৰ দৰে আছিল পঠাৰ মগজুৰ ৰং। সেই বৰুৱাই ডেকাবয়সত এদিন বজাৰত সোমাই বীট এটা সোঁহাতেৰে ধৰি 'এইটোনো কি' বুলি দোকানীক সোধাটো আচৰিতজনক কথা নহয়। গাঁৱলীয়া বোকাত লুতুৰি-পুতুৰি হৈ ঘেদালি থকা গৰৈ, চেঙেলি আদি কেইটামান অসংস্কৃতিৱান মাছৰ বাহিৰে আন বহুত অভিজাত মাছক ভালেমান বয়সলৈ বৰুৱাই চিনিয়েই পোৱা নাছিল। হৰেশ্বৰীয়ে মিৰিকা মাছ নাখায়। এদিন বজাৰৰ পৰা বৌ বুলি মিৰিকা মাছ দুটামান কিনি আনি কাউৰীয়ে-কুকুৰে নোখোৱাকৈ — হৰেশ্বৰীৰ গালি খোৱা বৰুৱাৰ এতিয়াও মনত আছে। খাদ্যৰ উপশ্ৰেণীৰ ক্ষেত্ৰত এনে ধৰণৰ পক্ষপাতদুষ্টতা বোধহয় মেকুৰীৰ নাই। গাখীৰ ভাল পোৱা মেকুৰীটোৱে মাছো ভাল পাব পাৰে তেহেলৈ সি লাগিলে যি মাছেই নহওক। এতিয়া মূল কথাটো হ'ল — মাছ এটা খাওঁতে মেকুৰীজনীয়ে চকু দুটা মুদি লয়নে নলয় আৰু যদি লয় তেন্তে গোটেই প্ৰশ্নটোৰ ভেটিটোৱেই থৰক-বৰক হৈ নপৰিবনে?

বৰুৱা অস্থিৰ হৈ পৰিল। আধাঘন্টাৰ মূৰে মূৰে তিনিকাপ ফিকাচাহ খুৱাইয়ো হৰেশ্বৰীয়ে বৰুৱাৰ স্থিৰতা ঘূৰাই আনিব নোৱাৰিলে। এটা তিনি বছৰীয়া ল'ৰাই বাপেকক তাৰ জন্মৰ ৰহস্যৰ সন্দৰ্ভত কৰা উজু-উত্তৰবিহীন প্ৰশ্ন এটাৰ দৰে প্ৰশ্নটো কৰি মনোহৰ বুঢ়াই বৰুৱাক অস্বস্তিত পেলাইছে।

'হেৰ' তোৰ বাপেৰেই দেখোন সদায় দিন দুপৰতে কানি খাই আধা টোপনিয়াই

হ্যমিয়াই-হিকটিয়াই বহি আছিল, তই পাহৰিলিয়েইনে?' — বৰুৱা গৰজি উঠিল। অৰ্থহীন আত্মসন্তুষ্টিৰ বাণী। তথাপি এজাউৰি দি উঠি বৰুৱাৰ মূৰটো কিছু পাতল যেন লাগিল। আৰু সৌৱা সেইজনী হৰেশ্বৰীৰ সাৰ-সুৰ নাই, মুঢ়া এটাত বহি আছে, পিছফালে থিয় হৈ নাতিনীয়েক ঐশানীয়ে তেওঁৰ মূৰৰ কেঁচা চুলিৰ মাজৰ পৰা পকা চুলি উঘালিছে। এনেকৈ কঠীয়া তোলাদি তুলিলে হৰেশ্বৰীৰ মূৰটো যে আৰু কিছুদিনৰ ভিতৰতে টকৌৰে খোৱা হ'বগৈ সি ধুৰুপ। পকা চুলি কেইডাল মূৰটোত উঠি থাকিলেনো কাৰ কি অসুবিধা হয় তাকে বৰুৱাই বুজি নাপায়। অৱশ্যে যত দোষ নন্দঘোষৰ দৰে বৰুৱানীৰ মূৰটো অনবৰতে খজুৱাই থকা কথাটোৰ বাবে তেওঁ পকাচুলিখিনিকে জগৰীয়া আৰু সেইমতে ব্যৱস্থাও গ্ৰহণ কৰে। বৰুৱাৰ দৃষ্টিৰ সীমাৰ ভিতৰত বহি হৰেশ্বৰীয়ে মূৰটো বাঁকুহি থকা দৃশ্যটো চকুত পৰিলে বৰুৱাৰ মনত এক অনিৰ্বচনীয় বিকৰ্ষণৰ ভাব এটাৰ সৃষ্টি হয়। এই ভাবটোৱে বৰুৱাৰ যৌৱনত অনুভূত হোৱা হৰেশ্বৰীৰ মূৰৰ চুলিৰ এক মাদকতাময় গন্ধৰ আকৰ্ষণটোৰ লগত কথা কটাকটি কৰে। বৰুৱাই এতিয়াও ক'ৰবাত শুনিছে — এই সংসাৰত প্ৰেম, মায়া, দয়া এই সময়পৰীক্ষিত ভাববোৰৰ ধাৰণাটোৱেই প্ৰকৃততে এক ডাঙৰ প্ৰহসন। তেন্তে সেইটোনো কি আছিল — বিয়াৰ কেইবছমানৰ এক তীব্ৰ পাৰস্পৰিক আকৰ্ষণৰ নামটো? সেইটো বোলে নাৰী দেহৰ পৰা নিৰ্গত হোৱা এক হৰম'নজনিত গোন্ধৰহে নাম আছিল। সেই গোন্ধটোৱেই বোধহয় বৰুৱাই হৰেশ্বৰীৰ চুলিৰ মাজত পাইছিল আৰু তাৰ দ্বাৰা আক্ৰান্ত হৈছিল। নাৰী দেহটোৰ ৰসায়নখিনি অলপমান সলনি কৰি দিব পৰা হোৱাহেঁতেন প্ৰেমৰ সমস্ত ব্যাপাৰটোৱেই বোধহয় সলনি হৈ গ'লহেঁতেন। তেতিয়া বৰুৱাৰো বোধহয় হৰেশ্বৰীয়ে মূৰ বাঁকুহি থকা দৃশ্যটো এতিয়াৰ দৰে ইমান অস্বস্তিৰে চাবলগীয়া নহ'লহেঁতেন। সৰুকালৰ সময়ছোৱাত আধাপেটীয়াকৈ থাকিয়েই অৰ্ধেকাংশ সময় পাৰ কৰি আহিছে বৰুৱাই — তথাপি বৰুৱাই ভাবে তেওঁ তাহানিতে প্ৰকৃততে দাৰিদ্ৰ পীড়িত নাছিল বৰঞ্চ তেওঁ দাৰিদ্ৰক উপভোগহে কৰিছিল। মেচেকা, শুই আৰু টোকোৰা পোৱালি সেই দাৰিদ্ৰৰ ভোগ আছিল। বৰুৱাৰ দেউতাক কপৰ্দকহীন আছিল তেওঁৰ দাৰিদ্ৰ অভ্যসনৰ বাবেহে — ধন আৰু ধানৰ অভাৱত নহয়। বৰুৱাই এতিয়া গম পাইছে মূৰৰ ভিতৰতো হেনো ভোকৰ এটা কেন্দ্ৰীয় কাৰ্যালয় আছে; সেই কাৰ্যালয়ত অসহযোগ কাৰ্যসূচীৰে তলাবন্ধ কৰিব পাৰিলে পৃথিৱীত ভোকেই নোহোৱা হৈ যাব। অৱশ্যে এই পৰিঘটনাটোৰ পাৰ্শ্ব প্ৰক্ৰিয়াখিনি বৰ সুখপ্ৰদ নহ'ব। বৰুৱাই তেতিয়া এতিয়াৰ দৰে সামান্য কাম-বন কৰাৰো কোনো প্ৰয়োজনীয়তা নোহোৱা হৈ যাব। পিছে মনোহৰ বুঢ়াই তেতিয়াও কাম কৰি থাকিব। মনোহৰ বুঢ়াৰ দৈহিক পৰিশ্ৰম সম্পূৰ্ণ ভোক নিৰপেক্ষ বাবে ই নিজৰ লয়লাস গতিত চলিয়েই থাকিব। নিজৰ কুঁহিয়াৰৰ মিঠৈৰ গৰম তাৱা নমাই ওচৰৰ ঘৰৰ বৰফুট লোৱা উতলা ৰহৰ তাৱাৰ তলত ভৰাবলৈ কলঠৰুৱা, বাঁহগাত আৰু জেওৰ বতা বিচাৰি বাঁহতলি, কলতলি চলাথ কৰিব। জীয়াই থাকোঁতে ভালকৈ কথা-বতৰা পাতিবলৈ সময়-সুবিধা নোপোৱা মানুহটো মৰিলেও মনোহৰ বুঢ়াই আগে আগে গৈ শ-যাত্ৰাত চাঙীৰ এফালে ধৰিব। সিটো চুবুৰীৰ

সাতোলানি বুঢ়ীৰ কাজৰ দিনা ভজা চাউল-দৈ খাবলৈ পটুৱা কাটি দুশ ভকতৰ বাবে দোনা সাজিব কোনে? কিয়, মনোহৰ বুঢ়া থাকোঁতে আকৌ কাৰ কথা কোৱা? হিৰণ্যকশিপু বধ ভাওনালৈ আছে মাত্ৰ ছঘণ্টা সময় — পলাশনি গাঁৱৰ নামঘৰ দিনৰ পৰাই দলদোপ হেন্দোলদোপ — মণ্ডলা গায়নবৰা শোৱাপাটীত পৰি আছে — কেঁচুমুৰীয়া বেমাৰটোৱে উক দিছে — বৰ-ধেমালিৰ বাবে এজন গায়ন কম পৰিছে — চিন্তা বিতত হ'বলৈ আৰু কিটো আছে, মনোহৰ বুঢ়াক মাতা, বুঢ়াইতো আগতে নিয়মীয়াকৈ খোলত ধৰিছিলেই, নান্দী-সুহাই তাল গাব পৰাকৈ বুঢ়াৰ ডিঙি এতিয়াও গলগলীয়া হৈ থকা নাই বুলি ভাবানে? কলঙৰ ডুবি এটা চাই দলঙৰ কাষতে জেং দি থোৱা হৈছে। বৰালি, ঢেকেৰা, শ'ল মাছে ঘৰ সাজিছে তাত। মাছধৰাৰ দিন যায় যায় — পমুৱা মাছুৱে অহা নাই কাৰণে কামটো হোৱা নাই — গাঁওখনৰ এশ দহঘৰ মানুহৰ ঘৰে পতি গড়ে পাঁচজনকৈ মানুহ, পিছে জেঙত মাছধৰা বিশেষজ্ঞ এজনো নাই। যাকে য'তে পালে তাকে থপিয়ালে, হাতত দুখন চ'তি জাল আৰু দহটামান পল লৈ যোৱা ডেকা মানুহৰ দল এটাক নেতৃত্ব দি কোনোবা এজন আগবাঢ়ি গ'ল — কলঙৰ পানীত জপংকৈ কোনোবা এজনে জাঁপ মাৰিলে, বুৰ মাৰিলে, তিনি মিনিটমান ডিঙিলৈকে পানীৰ তলত সোমাই থাকি আকৌ ওপৰলৈ উঠিল তেওঁ। সেইজন মনোহৰ বুঢ়া। হাতত এটা বৰালি।

বৰালি মাছটোৰ মুখখনৰ দৰে বহলকৈ মুখখন মেলিছে হৰেশ্বৰীয়ে। সোমাবনে নোসোমাব সিদ্ধান্ত ল'ব নোৱাৰি দোধোৰ-মোধোৰ অৱস্থাত এটা ভেনা মাখি উৰি আছে হৰেশ্বৰীৰ মুখৰ দুৱাৰডলিত। পকাচুলি কেইডালমান আঁতৰাই দিয়াত মুৰটোত বোধহয় সুত লাগিছে। চকুৰ পথত টোপনিৰ বাবে ৰঙা কাৰ্পেট পৰা হৈ গৈছে। অলপ পিছতে বোধহয় হৰেশ্বৰীৰ নাকে ঘোৰঘোৰাবলৈ ল'ব। পৰ্যাপ্ত পৰিমাণে শোৱাৰ পিছতো মানুহজনীয়ে কেনেকৈ পৌনঃপুনিকভাৱে টোপনিত পৰিব পাৰে তাকে ভাবি বৰুৱা আচৰিত হয়। আজি কিছুদিনৰ পৰা টোপনিয়ে বৰুৱাৰ লগত গৰমৰ বন্ধত স্কুলৰ ছাত্ৰীনিবাসৰ পৰা গাঁৱৰ ঘৰলৈ যোৱা প্ৰেমিকাৰ দৰে আচৰণ কৰিছে। অৱশ্যে ডাক্তৰৰ মতে বৰুৱাৰ টোপনিনো আহে ক'ৰ পৰা? আৰামী চকী আৰু মুঢ়াত দিনৰ দিনটো বহি চাৰিখন দৈনিক কাকতৰ 'এজেন্টৰ আৱশ্যক' জাতীয় বাতৰিও বাদ নিদিয়াকৈ পঢ়ি থকাটোৱেই দেখোন টোপনিৰ এক সম্প্ৰসাৰিত ৰূপ। ছেঃ বৰ বেয়া কথা হ'ল — গোটেই জীৱনৰ অৰ্দ্ধেকাংশ মানুহৰ লগত ফাইল সম্পৰ্কীয় লেন-দেন কৰি থাকোঁতেই গ'ল; ফাইলটোৰ নিৰ্জীৱ আখৰখিনিয়ে চৌপাশৰ মানুহখিনিতকৈ বেছি মনোযোগ কাঢ়ি ল'লে বৰুৱাৰ। কিন্তু এতিয়া অৱসৰ যাপনৰ সময়খিনিত তেওঁৰ চৌপাশে মানুহৰ অৱস্থিতি দেখি বৰুৱাই মনে মনে ভয় খাইছে। এই মানুহখিনিৰ লগত সৌহাৰ্দ্য স্থাপন নকৰি কোনো উপায় নাই কিন্তু অন্তৰংগতা স্থাপনৰ কোনো এটা চুটি ৰাস্তাও বৰুৱাই চিনি নাপায়। সকলো কথাই বৰুৱাৰ চকুৰ ৰাস্তাৰে সোমাই পোনপটীয়াকৈ হৃদয়লৈ নাযায়, মগজুৱে সি এটা লেচাৰি পাক দি আছে।

আচ্ছা, চকুমুদা মেকুৰীটোৰ লগত বালিত মুৰ গোজা উটপক্ষীটোৰ মনস্তত্ত্বৰ

কিবা সম্পৰ্ক আছে নে কি? এক শত্ৰুহীন পৰিবেশ সৃষ্টিৰ ব্যৱস্থাৰ প্ৰমাদ? কেতিয়াবা সপোনতে ভয় উদ্রেককাৰী কোনো প্ৰাণীৰ মুখামুখি হ'লে বৰুৱাই নিজেও এনেধৰণৰ ব্যৱস্থা এটা গ্ৰহণ কৰে। দুই মূৰীয়া, চাৰিচকুৱা প্ৰাণী এটাই বৰুৱাক উপলক্ষ্য কৰি খেদি আহিলে বৰুৱাই তেনেকৈয়ে সপোনতে চকুদুটা মুদি বিপদটো পাৰ হৈ যোৱালৈ বাট চায়। এক আধা কেঁচেলুৱা, অৰ্থহীন কচৰৎ, কিন্তু প্ৰয়োজনীয়। এতিয়াও বাটে-পথে সংঘটিত হৈ থকা নৃশংস ৰক্তপাতৰ ঘটনা কিছুমানৰ মুখামুখি হ'লে বৰুৱাই এনে শিশু সুলভ আচৰণ কৰে। ডেকা কালত বৰুৱাই হৰেশ্বৰীক — সজাই-পৰাই বিয়াত তুলি ফুৰাবলৈ নিওঁতে এনে এটা ব্যৱস্থাৰ প্ৰয়োজন হৈছিল। বাটে-পথে ঘূৰি ফুৰা হটঙা ডেকাকেইটাই তেওঁৰ পত্নীৰ ভীমকলৰ বৌখাৰ দৰে বগা আৰু পিছল গাল দুখনলৈ দৃষ্টিকটুভাৱে চাইছেনে কি তাকে ভাবি তেওঁ অস্বস্তি অনুভৱ কৰিছিল আৰু ইচ্ছাকৃতভাৱে তেওঁ এজন আংশিকভাৱে দৃষ্টিহীন লোকৰ দৰে আচৰণ কৰিছিল। বৰুৱাৰ অতি সংবেদনশীলতাৰ প্ৰায়েই বলি হৈছিল হৰেশ্বৰী। সেইবোৰ কথা এতিয়া খুঁচৰিলে তাৰ মাজত তেওঁলোক দুয়োৰে তয়ামযয়া যুঁজ এখনৰ উপাদান আজিও ওলাই পৰিব বুলি বৰুৱাই বিশ্বাস কৰে। অৱশ্যে এনেকৈ হামিয়াই-হিকটিয়াই থকাতকৈ এখন দীঘলীয়া মজলীয়া তীব্ৰতাৰ কাজিয়া কৰি বোধহয় বৰুৱাৰ বেয়া নালাগিলহেঁতেন। বহুদিন ধৰি বৰুৱাই হৰেশ্বৰীৰ চকুত চকুপানী দেখা নাই। দুদিনমান আগতে হৰেশ্বৰীৰ চকুৰ পৰা পানী পৰি থকা দেখি বৰুৱা আথে-বেথে ওচৰ চাপি গৈছিল তেওঁৰ। পিছে সেয়া হৰেশ্বৰীৰ চকুৰ বিষাণু সংক্ৰমণৰ বাবেহে ওলোৱা পানী আছিল। সেই চকুপানীত কোনো আবেগ-অনুভূতি জড়িত নাছিল আৰু এজন নিষ্প্ৰাণ চিকিৎসকে এটা মলমেৰে তেওঁৰ সেই বেমাৰটো ভাল কৰিছিল। আজি কিছুদিনৰ পৰা বৰুৱাই হৰেশ্বৰীৰ দুটোপাল চকুপানী তৰ্জনী আঙুলিটোৰে চুই চাবলৈ এক তীব্ৰ ইচ্ছা অনুভৱ কৰিবলৈ লৈছে।

নগৰখনৰ মানুহ, গছ-বন, পশু-পখী সকলো সলনি হৈ গৈছে। এখন আধুনিক নগৰৰ চৰিত্ৰ পৰিগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছে ঠাইখনে। দলঙৰ সিটোপাৰেই সেয়া বৰুৱাৰ পিতৃ-ভিঠা; খেতি-বাতি কৰা ভায়েক এজন বাস কৰে তাতে। বৰুৱা মাজে সময়ে ভায়েকৰ ঘৰলৈ যায়, খা-খবৰ ৰাখে, শস্য সামৰা দিনত দুমুনীয়া বস্তাৰে নিজৰ ভাগৰ ধান, মাহ আদি তেওঁৰ ঘৰলৈ কঢ়িয়ায়। সেইখিনিৰে বছৰটোৰ আধা দিন ধান, মাহ নিকিনাকৈয়ে চলে বৰুৱাৰ। ধান, মাহৰ কাৰণেহে সম্পৰ্কটো বৰ্তি আছেনে সম্পৰ্কটো থকা বাবেহে ধান, মাহকেইটা আহি আছে তাকে ভাবি বৰুৱাৰ কেতিয়াবা খেলিমেলি লাগে। দেউতাক ঢুকোৱাৰ ত্ৰিশ বছৰ পিছতো পৈতৃক মাটি-বাৰী নিজৰ নামত নামজাৰি কৰোৱাৰ কোনো প্ৰৱণতা দেখুওৱা নাই বৰুৱাই। এনেকৈয়ে চলি আছে — থাককচোন চলি। গাঁৱৰ নতুন প্ৰজন্মটোৰ লগতো বৰুৱাৰ যোগাযোগ কম। আজিকালি কোনেও কাৰো লগত উপযাচি আহি চা-চিনাকি নহয়, কথা-বতৰা নাপাতে। জ্যেষ্ঠ হিচাপে বৰুৱাই এনে উদ্যোগ প্ৰথমে ল'ব লাগিছিল যদিও বিশেষ কাৰণ নোহোৱাকৈয়ে বৰুৱাই ইয়াৰ বাবে কোনো আন্তৰিক ইচ্ছা অনুভৱ কৰা নাই। গতিকে এনেকৈয়ে চলি আছে —

ওপৰলৈ উঠি গৈ থাকিলে দিগন্ত সম্প্ৰসাৰিত হৈ গৈ থকাৰ দৰে — বয়সৰ লগে লগে বৰুবাৰ লগত পাৰিপাৰ্শ্বিকতাৰে সম্পৰ্কৰ ফাট বহল হৈ গৈ আছে। ফালুৱাৰ দিনা বৰুৱা ভায়েকৰ ঘৰৰ ৰান্ধাঘৰখনত বহি কিছুমান ৰঙীন বিপদ আমন্ত্ৰণ কৰি থাকোঁতেও কোনো এটা পিলিঙা আহি বৰুবাৰ মুখত ফাকুৰ বোল সানি নগ'লহি। সেইতাকৰ শ্ৰাদ্ধাদিত ঘৰলৈ গৈ বাইজৰ মাজত বহাৰ আগতে পিন্ধা ধুতিখনৰ গোন্ধটোও বৰুৱাই দেখাত গুৱনিকৈ মাৰিব নোৱাৰে। হৰেশ্বৰীও তথৈবচ। পুৰণিঘৰৰ সকাম-নিকামত শৌচৈখিনি মানুহ গোট খাই বাইজৰ আশীৰ্বাদ লোৱাৰ সময়ত গোৱা ঘোষাটোৰো আৰম্ভণি আৰু শেষখিনি কাণত পৰাকৈ গায় — ভাই বোৱাৰীয়েক হিমমালাইহে — ঘোষা কোৰাচৰ মাজৰ সময়খিনিত দুয়ো কিছুমান অবোধ্য শব্দেৰে অৰ্থহীনভাৱে বেলবেলাই থাকি বাইজ আৰু স্বৰ্গগত আত্মাৰ প্ৰতি সেৱা আগবঢ়ায়।

এই সকলোৰে বাবে বৰুৱাই এতিয়া কাকো দোষী সাব্যস্ত নকৰে। জীৱনৰ পৰিক্ৰমণত আগবাঢ়ি গৈ থাকোঁতে পথৰ দাঁতিৰ সকলোৰে লগত আত্মীয়তা স্থাপন কৰি গৈ থকাটো সম্ভৱ নহয় বাবে প্ৰয়োজনীয় বুলি ভাব হোৱা সম্পৰ্ককেইটা ৰক্ষা কৰা হ'ল মাত্ৰ। কিন্তু এক সুদীৰ্ঘ অৱসৰ জীৱনৰ বাবে এইখিনিয়েই যথেষ্ট নহয়। বৰুৱাক এতিয়া প্ৰতিটো ক্ষণতে চৌপাশৰ আৱৰ্তত এজাক আপোন মানুহৰ প্ৰয়োজন হৈছে। আৰু বৰুৱাৰ সাম্ভাব্য আপোন মানুহৰ তালিকাখনত মনোহৰ বুঢ়াৰ নামটোও সোমাবৰ বাবে যোগ্য যেন ভাব হৈছে বৰুৱাৰ।

পিছে মানুহটো হঠাতেই নোহোৱা হৈ গ'ল ক'লৈ? বৰুৱাৰ কঁকালত এগৰেকৰ পৰা বিষ যদিও আৰামী চকীখনৰ পৰা গিৰিসাই উঠি তেওঁ এইবাৰ চোতালখনলৈ ওলাই আহিল। এই মুহূৰ্ততে মানুহজনক লগ পোৱাটো প্ৰয়োজন, অনাখৰী মনোহৰ বুঢ়াৰ স্কুলখনতো বৰুৱাৰ বহুতো কথা শিকিবলগীয়া আছে। উভতি অহা লাভৰ প্ৰতি চকু-কাণ মুদি, দিনভিক্ষা প্ৰাণ ৰক্ষা কৰা সকলকো ভাল পাবলৈ আন্তৰিক আগ্ৰহৰ অনুভৱ কৰিব পৰাটোৱেই মনোহৰ বুঢ়াৰ স্কুলখনত ভৰ্তিৰ যোগ্যতা হ'ব পাৰে।

দলং পাৰ হৈয়েই কলঙৰ সমান্তৰালভাৱে এইটো লুংলুঙীয়া বাট নৈ পাৰৰ এৰাবাৰীলৈ গৈছে, তাৰ কাষতে সেইখন হাঁহিলা বিল। হাঁহিলা বিললৈ পৰিশ্ৰমী চৰাই আহিছে। তাকে চাই ঢেকুঢেকাই আপোনমনে হাঁহি থাকিবলৈ মনোহৰ বুঢ়া প্ৰায়ে আহে বুলি গাঁৱৰে কোনোবা এজনে ক'লে। এইকেইদিন হেনো বুঢ়াৰ গাত তত্ নাথাকে। হাতত অনা চাউলৰ টোপালাটোৰ পৰা চাউল ছটিয়াই বুঢ়াই চিনাকি-অচিনাকি চৰাইৰ জাকক ওচৰলৈ মাতে। মানুহৰ এনে এটা ৰূপ এইজাক চৰায়ে চিনি নাপায় বাবে সিহঁতো বুঢ়াৰ ৰব বেছি ওচৰ নাচাপে। এই কথালৈ বুঢ়াৰ অৱশ্যে আক্ষেপ নাই। শাৰীৰিক দুৰত্বক গুৰুত্ব দিয়া জাতীয় মানুহ মনোহৰ বুঢ়া নহয়।

কলঙৰ পাৰে পাৰে বৰুৱা খুপি খুপি আগবাঢ়িল। অচিন পিছল ৰাস্তা। এইখন এৰাবাৰীত প্ৰায় পঞ্চাশ বছৰৰ পিছত দ্বিতীয় শৈশৱ এটাৰে বৰুৱা লাহে লাহে ভিতৰলৈ সোমাল আৰু এটা সময়ত ওলাল, অদূৰতে থকা হাঁহিলা বিলৰ ৰূপালী প্ৰতিফলক

পানী-পৃষ্ঠ দেখি বৰুৱাই এক অপ্ৰাকৃতিক আনন্দেৰে অপলকভাৱে চাই ৰ'ল। জয়াৰ হাঁহিলাই প্ৰতিবছৰে বোলে এজনকৈ পুৰুষ লয়। যোৱা বছৰ গাঁৱৰে ভ-ৰামক ল'লে। ভ-ৰাম খেহ ৰোগী আছিল, সিও বাদ নপৰিল। এই বছৰ হাঁহিলাই বৰুৱাক ল'লে বাৰু কথাটো কেনে হয়, মৎসকন্যা হাঁহিলাৰ লগত উমলিবলৈ কম ভাল লাগিবনে? এক চাঞ্চল্যকৰ মৃত্যু কাহিনীৰ নায়ক হ'বলৈ পালে বৰুৱা ধন্য হ'ব। পিছে মনোহৰ বুঢ়া ক'ত?

কিছুদূৰত এপাল গৰুৰ জাক, ঠায়ে ঠায়ে সিঁচৰতি হৈ থকা দুই-এটা ছাগলী, হাঁহিলা বিলৰ পাৰে পাৰে পানী মেটেকা আৰু পানী ডিমৰুৰ গছ, সেইডাল ঢোৰাসাপে পানীৰ পৰা মূৰ দাঙি বৰুৱালৈ চালে; সেইটো থিয়গৰা, গৰুবাটটোৰ সিটো পাৰে। তাৰ কাষতে চৰি থকা গৰুটোৰ গলধনৰ ঘা ডোখৰৰ পৰা সেয়া বগলীজনীয়ে পুষ্টিকৰ কিবা এটা খালে।

তাৰো সিফালে অমৰাজোপাৰ তলত এক নিৰ্জান জাগাত সেইটো কোনোবা এটা শুই আছে। গাত কাপোৰৰ লেশমানো নাই। মহাদেৱ প্ৰভুৰ ওপৰত থিয় হৈ থকা কালী গোসাঁনীৰ দৰে বুঢ়ী ছাগলী এজনী মানুহটোৰ ওপৰত দণ্ডায়মান হৈ আছে। বৰুৱাই দেখিলে — এক অভিনৱ দৃশ্যৰ নায়ক হৈ সেইটো মনোহৰ বুঢ়া ওপৰলৈ মুখ কৰি ধোবাং দি পৰি আছে, বুঢ়াৰ বুকুখন উশাহ-নিশাহৰ লগে লগে উঠিছে, নামিছে, বুঢ়ী ছাগলীজনীয়ে বুঢ়াক এফালৰ পৰা চেলেকি গৈ আছে, তাই তাইৰ দাঢ়িখিনিৰে বুঢ়াক বিন্ধিছে আৰু এয়া তাই তাইৰ জিভাখনেৰে ওপৰলৈ গৈ গৈ বুঢ়াৰ ওঁঠত উঠিলগৈ আৰু বুঢ়াৰ গাল দুখনত চেলেকিবলৈ ধৰিলে।

আচৰিত কথা, বৰুৱাই দেখিলে, বুঢ়া নিঃসাৰ হৈ চকুমুদি পৰি থাকিলেও তেওঁ টোপনি যোৱা অৱস্থাত নাই, কাৰণ মাজতে বুঢ়াই হাতেৰে তেওঁৰ পেটত পৰা মহ নে মাখি এটা খেদাই পঠিয়ালে। যেন নীৰৱতাক পুনৰাবিষ্কাৰহে কৰিছে মনোহৰ বুঢ়াই।

কি এক অপূৰ্ব দৃশ্য — এতিয়া আৰু বৰুৱাৰ মনোহৰ বুঢ়াক একো প্ৰশ্নই সুধিবলগীয়া নাই। এটা সহজ উত্তৰৰ বাবেই এনে এটা দৃশ্যত বৰুৱাই ব্যাঘাত জন্মাব নোৱাৰে। তাতকৈ হেঁপাহ পলুৱাই যিমান বেছি সময় পাৰি তেওঁ এই মনোৰম দৃশ্যটোক চাব।

মনোহৰ বুঢ়া প্ৰকৃতিস্থ হোৱালৈ বাট চাই বৰুৱা গৰুবাটৰ গৰাটোত বহি ৰ'ল।

মেটামৰফছিছ

মই এজন একেবাৰে নীৰস মানুহ বুলি মোৰ চৌপাশৰ মানুহে কয়। কথাটো একপ্ৰকাৰ কৃতজ্ঞতা আৰু বিনয়তাৰে মই গ্ৰহণ কৰোঁ। এনে এটা কথা বেছিকৈ প্ৰচাৰ হ'লে মোৰ নিজৰেই সুবিধা হ'ব যেন পাওঁ। শুকান মলহা কুঁহিয়াৰৰ আগ খাবলৈ শিয়ালীকেইজনীয়েও বেছি আগ্ৰহ নেদেখুৱায়। আপাতদৃষ্টিত খহটা আৰু শুকান যেন লগা বনবৌটোক খাবলৈ বাঘিনীজনীয়েও সংকোচ কৰে। এক চূড়ান্তভাৱে অনীহ অৱস্থিতি, বিকৰ্ষক আৰু একক।

তুলতুলীয়া ৰসাল বস্তুৰ প্ৰতি মোৰ নিজৰো আগ্ৰহটো কম। ৰহ দিয়া চেনিচম্পা কল, বেছি পকা আতলচটো বা চৰ্বিসৰ্বস্ব সৰ্বভোজী গাভৰুগাৰাকীৰ পৰা মই দূৰতে বিদূৰ। প্ৰাচ্যৰ মজ্জাৰে মই মানুহটো নিৰ্মিত হ'লেও মোৰ সৌন্দৰ্যৰ সংজ্ঞা পশ্চিমীয়া ধাৰণাৰ লগত মিলি যোৱা ধৰণৰ। বিপৰীত সংযোগ। মধ্য ইউৰোপীয় গাভৰুৰ দৰে হনু ওলোৱা গাল, চকুৰ প্ৰতিমংগোলীয় হেলন, ডিঙিৰ উঠঙা হাড় দুডালেৰেহে মই ছোৱালী এজনীক ধুনীয়া দেখোঁ। আৰু এইটো সম্পূৰ্ণৰূপে সৌন্দৰ্য নিষ্কাম ধাৰণাহে। মোৰ কথা হ'ল তোমাৰ ঠাইত তুমি নিজে ধুনীয়া হৈ থাকা। মোৰ ঠাইত বাৰু মই দৰ্শকৰ আসনতে থাকোঁ। আহা আমি দুয়ো দুয়োকে আমনি নকৰাৰ চুক্তিপত্ৰ এখনত স্বাক্ষৰ কৰোঁ। বচ, ইমানেই। সৌন্দৰ্যপিপাসু বুলিব পৰা মন এটা মোৰ নাই। চুকভেকুলীৰ পেটটোও মই ধুনীয়া দেখোঁ, নাইপিয়াটোৰ ছালখনত সংসাৰৰ যতমানে নিমজতা বিচাৰি পাওঁ। মই নিজে বিয়া পাতোঁতেও মোৰ হ'বলগীয়া ঘৈণীজনীত কোনো পূৰ্ব নিৰ্ধাৰিত দৈহিক সৌন্দৰ্য বিচৰা নাছিলোঁ, তাইৰ মাজত কোঁহে-কোঁহে সোমাই থকা নাৰী-আত্মা এটাহে বিচাৰিছিলোঁ। সেইকাৰণেই যথাসময়ত যিজনী ছোৱালী চুচুক-চামাককৈ হোমৰ জুইকুৰাৰ কাষত মোৰ লগত জীৱনৰ পিছৰছোৱা কটাম বুলি সংকল্পবদ্ধ হৈ বহিলহি, তাইৰ ছালত জোখতকৈ বেছি ৰঙক, গাত জোখতকৈ কম মঙহ, দাঁতকেইটা মুখৰ ভিতৰৰ ঠাইখিনিৰ সীমাবদ্ধতাত অসন্তুষ্ট, আৰু এই সকলোখিনি অভাৱৰে ক্ষতিপূৰণ কৰাৰ অহংকাৰেৰে 'অভাৰ টাইম' খটা এখনি হৰিণীনয়না মুখ-অস্তিত্ব।

অতি সংশয়েৰে কেইবছৰমানৰ পৰা মই লক্ষ্য কৰিছোঁ যে এক অসাধাৰণ পৰিবৰ্তনে মোৰ বৰ্তমানৰ মানুহজনীক বিবাহপূৰ্ব ছোৱালীজনীৰ পৰা আঁতৰাই পেলাইছে। যিখিনি বস্তুৰ অভাৱে মোৰ মানুহজনীৰ কেৱল নাৰী-আত্মাক প্ৰোজ্জ্বল কৰি ৰাখিছিল, সেইজনী নাৰীয়েই বৰ্তমানে আগবাঢ়িছে এক সুন্দৰ আৰু মুখৰ দৈহিক অস্তিত্ব পৰিগ্ৰহ কৰাৰ পথত। মই ভীৰু মানুহজনে ভয় খাবলৈ ইয়াতকৈ স্পষ্ট কাৰণ আৰু কি লাগে। সুন্দৰ নাৰীদেহ এটাই আদৰ্শ নাৰী-আত্মাৰ ধাৰণাটোক হেনো স্বীকৃতি নিদিয়ে।

দেশৰ ভাল দিনত মোৰ জন্ম হোৱা নাছিল। মই জন্ম হোৱা বছৰটোতে হেনো ৰাজ্যখনত খৰাং, মাৰিমৰক মহামাৰীয়ে দেখা দিছিল। জন্মতেই মই হেনো আছিলোঁ হাড়তখোৱা, চেপেটা মুদ্ৰা এটাৰ দৰে। যৌৱনেও মোৰ দেহত ভালকৈ হাত নুবুলোৱাকৈয়ে আন কামলৈ গুলাল — গুৰুজনাৰ তিথিৰ প্ৰসাদৰ পাতখনলৈ অপেক্ষা কৰি থকা অৱস্থাত অসতৰ্ক দেউৰীজনে এখন পাতত মাহ-প্ৰসাদ দিবলৈ পাহৰি যোৱাৰ দৰে। অৱশ্যে এই সাধাৰণ কথাটোকে লৈ মুখ-ওফন্দাই বহি থকা জাতীয় ডেকা মই নাছিলোঁ। কোনো জৈৱিক অস্তিত্বৰ প্ৰতি যেনেকৈ মই প্ৰায়েই উদাসীন, কোনো বস্তুৰে প্ৰতি তীব্ৰ বিকৰ্ষণৰ ভাবো মোৰ নাই।

দেহৰ অংগ-প্ৰত্যংগসমূহৰ ভিতৰত মই অকণমান গৰ্ব অনুভৱ কৰিব পৰা অংগ বুলিবলৈ মোৰ জিভাখনেই। মুখৰ ভিতৰত একামোৰ অমৰা, এটা শিলিখা আৰু ডেৱাকঁঠালৰ গুলপীয়াখিনি কেনেবাকৈ পৰিলে মোৰ জিভাখনৰ গাত যেন দেওধনীহে উঠে। মেকডʼনাল্ড, কেন্টাকি চিকেন আৰু আন তথাকথিত 'গেষ্ট্ৰনমিক ডিলাইট' বা পাকলীৰ প্ৰিয়পাত্ৰসকল কেনেবাকৈ মোৰ মুখৰ ভিতৰত সোমালে মোৰ জিভাখনে জেঠৰ বাৰ খৰৰ গৰমত লাং খাই থকা কুকুৰটোৰ দৰে আচৰণ কৰে। ইয়াৰ বাবে মোৰ জিভাখনকো দোষ দিব নোৱাৰি। এক বহুমাত্ৰিক সোৱাদৰ অভিজ্ঞতা নোযোগোৱাকৈয়েই তাৰ বেলেগ-বেলেগ ৰুচিৰ সোৱাদ গ্ৰহণ আশা কৰা নাযায়। হাজাৰবাৰ পতিয়ন নিয়াবলৈ চেষ্টা কৰিলেও লেটিন আমেৰিকাৰ মানুহৰ মলৰ পৰা তৈয়াৰ কৰা মদ এচলুমান খাবলৈ মোৰ জিভাখনে মোক কাহানিও সহযোগ নকৰিব। এয়া তোমালোকে মোৰ বিষম স্বাদ বুলিয়েই কোৱা বা বোহেমীয় স্বাদ বুলিয়েই কোৱা, গৰ্ভৱতী গোলাপীহঁতক পোৰামাটি খোৱা বদঅভ্যাসটোৰ পৰা বাৰণ কৰাটো যিমান টান কাম, মোৰ জিভাখনক সৈমান কৰোৱাটোও সিমানেই টান কাম।

মোৰ ঘৰ ড্ৰইংৰুমত এখন 'প্ৰণব বৰুৱা' ওলমি থাকিলেও কোনো মনজিৎ বাৱা বা যতীন দাস ওলমি ৰোৱা নাই। ই অৱশ্যে মোৰ চিত্ৰৰস নথকা কথাটো বুজোৱাটো উচিত নহয়। কাৰণ বিভিন্ন কাৰণে এনে চিত্ৰবস্তু কিছুমান সংগ্ৰহ কৰা মোৰ হোৱা নাই। মোৰ ড্ৰইংৰুমত কেইখনমান এবষ্ট্ৰেক্ট আৰ্ট ওলমি থাকিব

আৰু মই নিজে মানুহটো নিচেই বাস্তৱিক হৈ তেল, চাউল আৰু কনডমৰ সমস্যাৰে উদ্‌ভ্ৰান্ত হৈ ঘূৰি ফুৰিম, এইধৰণৰ অসমঞ্জস অৱস্থা এটা মই আচলতে সৃষ্টি কৰিব খোজা নাই। সাধাৰণতে ঘোঁৰাৰ ছবি আঁকি ভালপোৱা মকবুল ফিদাৰ মনস্তত্বও মই বুজি নাপাওঁ। অতিপৌৰুষ অৱস্থা এটাৰ অন্বেষণত মানুহজন অনবৰতে মানসিকভাৱে ব্যস্ত থকা যেন লাগে। বিতৰ্কই লগ নেৰা শিল্পীজনৰ মৰ্বকামী মুখখন দেখিলে ভাব হয় বিতৰ্কৰ চাকনৈয়াত উৰন্তিপুঞ্জ হৈ থকাটোৱেই তেওঁৰ কাম্য। শিল্পী আৰু সাধাৰণ মানুহৰ বাবে নৈতিকতাৰ দুডাল মানদণ্ড থকা কথাটোও মোৰ কিবা অবোধ্য যেন লাগে।

আপাতদৃষ্টিত মোৰ মনৰ ছালখন হাতীৰ দৰে দুৰ্ভেদ্য যেন লাগিলেও মই ভিতৰৰ মানুহটো আচলতে অতি সংবেদী এডাল হাবুৰুকাৰ দৰে। মোৰ মুখখনো এখন টোপনিয়ে আমনি কৰা মুখৰ দৰে ভাবলেশহীন, জীৱনৰ সফলতা বা বিফলতাৰ তথাকথিত সূচকবোৰক মই মানি নলওঁ। জীৱন যুদ্ধত কোনো ৰূপৰ পদক নাথাকে বোলে কথাটোও মই নামানো। জীৱনব্যাপি চলি থকা সৰু বৰ যুদ্ধবোৰত মই ব্ৰঞ্জৰ পদক হাতত লৈও সন্তুষ্ট হ'বলৈ শিকিছোঁ। দিন আৰু ৰাতি নামৰ চৰম দুটাৰ মাজতে কালসন্ধ্যা থকাৰ দৰে জীৱন আৰু মৃত্যুৰ দোমোজাতো মৃত্যুতকৈ শ্ৰেষ্ঠ আৰু জীৱনতকৈ হীন এক অসংহত অস্তিত্ব থাকিব পাৰে।

এতিয়ালৈকে ঘটা মোৰ জীৱনৰ শ্ৰেষ্ঠতম ঘটনাটোনো কি? — মোৰ স্মৃতিৰ কৃষ্ণকোঠাত 'ডেভেলপ' নকৰাকৈয়ে মোৰ জীৱনৰ বাওঁতলিত এন্দুৰ গাঁত খান্দি সিহঁতৰ শস্যৰ ভঁৰালৰ পৰা ধানথোক কিছুমান উলিয়াই আনি ভ্ৰাম্যমাণ বেপাৰীক বেচা আৰু তাৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে কিতাপ কেইখনমান কিনা কথাটো মনত পৰে। তেনেকৈ কিনা কিতাপকেইখন পঢ়িয়েই তিনিটা বিষয়ত লেটাৰ পোৱা কথাটো মনত পৰে। পৰীক্ষাৰ ফলাফলৰ খবৰ পায়েই তিনি কিল'মিটাৰমান আঁতৰৰ তেতিয়ালৈকে কোনোধৰণৰ সম্বন্ধ নথকা শৰ্মা উপাধিৰ শিক্ষক এজন ঢপলিয়াই আমাৰ ঘৰলৈ অহা মোৰ মনত পৰে; তেখেতক ভৰিত ধৰি সেৱা কৰোঁতে তেওঁৰ ধুতিখনে তেওঁৰ দেহৰ নিম্নখণ্ডক বিশ্বাসঘাতকতা কৰি থকা কথাটো মনত পৰে। কলেজলৈ যোৱাৰ এমাহ আগতেহে জীৱনৰ প্ৰথম দীঘল পেন্টটো পিন্ধা কথাটো মনত পৰে। তাৰ আগেয়ে এটা হাফপেন্টৰে দুডাল তেলী কুঁহিয়াৰৰ দৰে সৰল মোৰ ভৰি দুটা সমগ্ৰ স্কুলীয়া জীৱনত ৰাইজক দেখুৱাওঁতেই গ'ল।

প্ৰেমজনিত বিশেষ ঘটনাৰ কথা এতিয়ালৈ আৰু মোৰ মনত নপৰে। জীৱনৰ লক্ষ্যপ্ৰাপ্তিৰ সাধনা আৰু প্ৰেমে হাতত ধৰাধৰিকৈ আগ নাবাঢ়ে বুলি কোনে জানো বদ্ধমূল ধাৰণা এটা মোৰ মগজুত সুমুৱাই দিছিল। সুযোগ পালেই মোৰ লগত দুটা মতা যৌনোন্মত্ত ঘৰচিৰিকাৰ দৰে কাজিয়া কৰিবলৈ অহা কুসুম নামৰ

ছোৱালীজনীৰ তেতিয়া বিশৃংখল কৰ্মবোৰো নিশ্চয় প্ৰেমৰেই নামান্তৰ আছিল। আগে নাজানিলোঁ, এবেসে জানিলোঁ। তাই মোৰ সমনীয়া আছিল আৰু বহুদিন একেলগে ধেমালি-ধুমুলা কৰাৰ পাছতো সম্পৰ্কৰ অনগ্ৰসৰতাত অতিষ্ঠ হৈ এদিন অকাৰণতে মোৰ গালত এটা প্ৰচণ্ড চৰ শোধাইছিল। এই চৰটোও বোধহয় উপেক্ষিত প্ৰেমৰ এক প্ৰচণ্ড ক্ষোভৰ প্ৰতীক আছিল। তেতিয়া মনৰ চকুৰে নমনিছিলোঁ, এতিয়া বয়স হৈছে, কথাবোৰ ভালকৈ মনিব পৰা হৈছোঁ। এতিয়া তাইৰ লগত বাটত কেতিয়াবা মুখামুখি হ'লে আকৰ্ণবিস্তৃত এখন মুখে প্ৰাধান্য লভা হাঁহি এটা মাৰে। হাঁহিটোৰে তাইৰ বয়সৰ বাধানিষেধো প্ৰত্যাখান কৰে।

"হে' বৌ, সেই বোন্দাচৰটোৰ কথা তোৰ মনত পৰেনে?"

"নহয়, সেইটো জাপচৰহে আছিল।"

"যি চৰেই নহওক, কথাটো খালি সদায় মনত ৰাখিবি। তই কিন্তু একে হৈয়েই আছ, তহঁতৰ মতা মানুহৰ ক্ষেত্ৰত আকৌ বয়সেও পক্ষপাতিত্ব কৰে। আমাৰ দুকুৰি হ'ল মানেই নিম্নখণ্ডৰ তেজময় তাৰুণ্য মৰুভূমিৰ নদীৰ দৰে শুকাই আহিলেই নহয়। মতাটোক ওচৰ চপাবলৈ এতিয়া আমাৰ বহুত সময় লাগে অ'। তই পিছে একেই আছনে?"

কুসুমৰ আকৌ এটা দাঁতে প্ৰাধান্য লভা হাঁহি।

"একেই মানে?"

"সেইটোও ক'ব লাগিবনে? বোলে অবুজনক বুজোৱা ঢেকুৰা ঠাৰি সিজোৱা।"

ঢেকুৰা ঠাৰি? বকবককৈ উতলা পানীত কিমান সময় লাগে এডাল ঢেকুৰা ঠাৰি সিজাওঁতে? নে সিজোৱাৰ এই সমগ্ৰ কৰাবাৰটোৱেই একপ্ৰকাৰ পণ্ডশ্ৰম? আজীৱন সিজাই থাকিলেও ঠাৰিডাল কেতিয়াও কোমল নহ'বগৈনে?

"তেনেহ'লে ঢেকুৰা ঠাৰি সিজোৱাৰ সহজ কিবা উপায় আছে বুলি তই জাননে কি?"

"থাকিব পাৰে। উতলা পানীত এচামুচ খোৱা ছ'ডা বা ফিটকিৰিৰ দৰে কিবা ৰাসায়নিক দ্ৰব্য মিহলালে বোধহয় কোমল নোহোৱাকৈ নাথাকিব। পিছে সি খোৱাৰ উপযুক্ত হৈহে নাথাকিবগৈ। উপায়টো মই নাজানিলোঁ আৰু সেইবাবেই তোত সোমাবও নোৱাৰিলোঁ। এতিয়া আৰু কি লাভ এইবিলাক কথাৰ? নে তই কি কৰ?"

চকুৰ তলৰ কঁচিজোনৰ দৰে ভেনিটি বেগ দুটা কোঁচ খুৱাই ঘোপা চকুৰে মোলৈ চাই থকা কুসুমক মই আৰু কি ক'ম। সমাজে ইতিমধ্যে স্বীকৃতি দিয়া মতেই মই এজন নীৰস মানুহ। এনে মানুহে প্ৰেম সংক্ৰান্ত কথাত কি মন্তব্য দিব পাৰে।

জীৱনটো ৰসে টো টো কৰাৱ উপায় কিমানজাই নজনা নহয়, জানো; পিছে

তাকে কাৰ্যকৰী কৰিবলৈ মই মোৰ ভিতৰৰ পৰা একধৰণৰ নিৰন্তৰ নিৰুৎসাহ অনুভৱ কৰোঁ। মোৰ লগৰ ৰফিকুলে পৃথিৱীৰ লেবৰেটৰিত তাৰ জীৱনৰ লগত বিভিন্ন সংপৰীক্ষা চলাই আছে। অকণমান বলিয়ালি, অকণমান বিক্ষ, কিছু দুঃসাহস, কিঞ্চিৎ অৰ্থহীনতা আৰু যৎসামান্য বহুবালি, এই সকলোখিনি উপকৰণেৰে সি জীৱনৰ এটা নতুন অৰ্থ বিচাৰি উলিয়াইছে।

অফিছৰ পৰা ঘৰমুৱা হওঁতে তাক সিদিনা বাটতে পালোঁ।

"হেৰৌ হেমন্ত, উধাতু খাই ক'লৈ যাৱ?"

"ক'লৈ যাবি আৰু ঘৰলৈকে যাওঁ।"

"ঘৰত ঘৈণীয়েৰে চাগে ওঁঠত লালি সানি তোলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে নহয়। এতিয়াও ঘৈণীয়েৰৰ দেহৰ তিল গণি শেষ হোৱাগৈ নাই?"

লাজ কৰিলোঁ নে ঈষৎ খং উঠিল নে হাঁহিৰ এটা ডাল-দৰিদ্ৰ ৰূপ মুখেৰে বাগৰি গ'ল, এনে এক মিশ্ৰ অনুভূতিৰে ৰফিকুলৰ মুখলৈ চালোঁ। তাৰ মুখখন তেজগোৰা হৈ আছে, বিয়া পতা নাই, কথাই পতি মুখত এটা মুদ্ৰাদোষ, কিবা এটা অচিনাক্ত শক্তিয়ে তাৰ মুখৰ সোঁকোণটোক মাজে-মাজে সোঁকাণৰ ফালে টানি লৈ যায় হঠাতে মই তাৰ প্ৰতি এক ঈষৎ ঈৰ্ষাৰ ভাব অনুভৱ কৰিলোঁ।

"আজি আদম আৰু ইভ খাবি ব'ল। ককটেইল খাই পাইছ কেতিয়াবা?"

"মই এইবিলাকৰ সোৱাদ একো বুজি নাপাওঁ।"

"ক'ত বুজি পাবি। মদৰ নামত তাড়ি অকণমানো কেতিয়াবা খাই পাইছ?"

"কিন্তু মই মদেইবা খাম কিয়? মোৰ কি দুখ আছে?"

"হে'ৰৌ মানুহে শুনিলে তোক হাঁহিব। মদ খাবলৈ কিবা কাৰণ লাগেনে কি? এক আউন্স নিষিদ্ধ ফলৰ ৰস, এক আউন্স জিন, এক আউন্স ব্ৰাণ্ডি আৰু এচামুচ নেমুটেঙাৰ ৰস মিহলাই খাই চাবিচোন, বেহেস্ত পাবি।"

মদৰ চিৰিৰে উপস্থিত হ'ব পৰা তেনেকুৱা স্বৰ্গ এখন মোক নালাগে। তেনেকুৱা স্বৰ্গতকৈ মোৰ ঘামযুক্ত, ক্লেদযুক্ত মৰতেই বহুত ভাল। যি স্বৰ্গসুখ অৰ্ধচেতন অৱস্থাতহে তইঁতে অনুভৱ কৰিব পাৰ, তেনে সুখ মই পূৰ্ণচেতন অৱস্থাতে প্ৰাত্যহিক অনুভৱ কৰোঁ।

গোকাট মিছা কথা। উচাট মাৰি মই লোভৰ মায়াজাল ফালি বাহিৰলৈ ওলাই আহিলোঁ। লোভে বহুবাৰ মোৰ ৰসনাৰ পৰীক্ষা লৈছে। বাৰে বাৰে জয় হৈছে মোৰেই। সেইটো ৰফিকুল মুখেৰে ভোৰভোৰাই মোৰ পৰা আঁতৰি গৈছে। স্বৰ্গযাত্ৰাৰ বাবে আজি তাৰ এজন সংগীৰ প্ৰয়োজন আছিল। মই তাক সংগ নিদিলোঁ; কাৰণ মই এজন তথাকথিত নীৰস মানুহ।

মোৰ দৰে মানুহ এজনৰ লগত সংসাৰ কৰি মোৰ পত্নী সুখীনে অসুখী আজিলৈকে তাকেই জনা নহ'ল। বিলৰ পৰা তুলি আনি চৰিয়াত জীয়াই দিয়া

মাগুৰজনীৰ দৰে তায়ো হয়তো দৈৱক ইতিমধ্যে স্বীকাৰ কৰি লৈছে। দৈৱ মানে মই নিজেই। তিনিটা ল'ৰা-ছোৱালীৰে পৰিবেষ্টিত হৈ থকা অৱস্থাত মোৰ যৌনজীৱনক লৈ মানুহে আৰু এতিয়া কোনো ঔৎসুক্য প্ৰকাশ নকৰে। এওঁলোকে যৌনতা আৰু সন্তান উৎপাদন ক্ষমতাক সমাৰ্থক বুলি ধৰে। এইবোৰ হেনো খাটিখোৱা মানুহৰ সংজ্ঞা, কিছু আছুতীয়া। বিবাহ ব্যতিৰেকী সন্তান বা সন্তান ব্যতিৰেকী বিবাহৰ দৰে পথভ্ৰষ্ট ধাৰণা তেওঁলোকৰ নাই। অৱশ্যে কেতিয়াবা তেওঁলোকৰো কোনোবাজনে সংজ্ঞা ভাঙে। মই তেনে এজন সংজ্ঞা অতিক্ৰম কৰা সাহসী মানুহ নহওঁ, মই এজন শুকান মানুহহে।

মই জন্মিলোঁ, বিয়া পাতি স্ফূৰ্তি কৰিলোঁ আৰু এতিয়া মৃত্যুলৈ অধীৰভাৱে বাট চাই আছোঁ। কাৰণ মই বিশ্বাস কৰোঁ পখিলা এটাৰ জীৱনচক্ৰৰ দৰে মানুহৰ জীৱনচক্ৰও, আৱেগ-অনুভূতিক একাষৰীয়া কৰি হ'লেও, স্পষ্ট হোৱা উচিত। প্ৰকৃতিৰ পৰিক্ৰমণত মই হেঙাৰ হ'ব নোৱাৰোঁ। মাজে-সময়ে ঘৰৰ ওচৰৰে শ্মশানখনত গৈ মই টহল দি আহোঁগৈ। আগতীয়া ছাৰ্ভে। আঃ কি অমোঘ শান্তি। দুৰ্নীতিপৰায়ণ বিষয়াসকলৰ ঘৰৰ আগে আগে একোখনকৈ শ্মশান থকাহেঁতেন দেশৰ পৰাই দুৰ্নীতি কিছু কমি গ'লহেঁতেন চাগে। শ্মশানখনৰ ওচৰতে প্ৰসূতি কেন্দ্ৰ এটাও আছে। কেনে এক বৈপৰীত্য, দেখিলে জীৱনে মৃত্যুৰ লগত ফেপেৰি পাতি অঘোষিত যুদ্ধ এখন চলাই থকা যেন ভাব হয়। এদিন জীৱনে এহাল যৌনোন্মত্ত ডেকা-গাভৰুৰ ৰূপত শ্মশানখনৰ জয়াৰ চুক এটাত প্ৰৱেশ কৰা দেখিছিলোঁ। জীৱনৰ এইটো অসামাজিক ৰূপ দেখি মই জঠৰ হৈছিলোঁ সেইদিনা। মৰিশালিৰ পৰা যোৱা বুলি গম পালে শ্ৰীমতীয়ে মোক দমকলটোৰ পাৰতে গাটো ধুৱাই ঘৰৰ ভিতৰলৈ প্ৰৱেশ কৰোৱায়। এডাল চেলাপেটী জোকৰ দৰে গাৰ ছালত লিপিট খাই মৃত্যু বোলা আপদটো আমাৰ ঘৰলৈও সোমাই বুলি শ্ৰীমতীয়ে ভয় কৰে। জন্মহীনতাৰ আদৰ্শমূলক ধৰ্মীয় ধাৰণাটোৰ লগে লগে মৃত্যুহীনতাও সম্ভৱ বুলি শ্ৰীমতীয়ে দুৰাশা কৰে। মোৰ সৰুটো ল'ৰাই বুদ্ধদেৱ আৰু মৃত্যুৰ অৱশ্যম্ভাৱিতাৰ লগত জড়িত 'এমুঠি সৰিয়হ' বোলা সাধুটো পঢ়িলে শ্ৰীমতীয়ে একো নুশুনা ভাও জুৰি বেলেগ গুৰুত্বহীন কাম এটাত নিজকে নিয়োগ কৰে। নিমখ বেছি খালে উচ্চ ৰক্তচাপ হয় বুলি শ্ৰীমতীয়ে কাৰোবাৰ পৰা শুনিছে। ওচৰ-চুবুৰীয়া কোনোবাজন এজন ঢুকালে কেইবাদিনলৈ মোৰ আঞ্জাত সাধাৰণতে নিমখ নাথাকে। সেই মৃত্যুৰ স্মৃতিৰ জোৰ কমি অহাৰ লগে লগে সমানুপাতিকভাৱে মোৰ আঞ্জালৈ নিমখৰ স্বাদ উভতি আহে।

মই হেনো খোলা মন এটা লৈ পৃথিৱীলৈ আহিব খোজা নাছিলোঁ। মই ওফোন্দ পাতি থকা অৱস্থাতে চেপেনা দুডালেৰে এজন অত্যুৎসাহী ডাক্তৰে মোক পৃথিৱীলৈ আঁজুৰি আনিছিল। পৃথিৱীত মোক আলে-ঙ্গাথানি হ'বলৈ এৰি দি সেই

দায়িত্বজ্ঞানহীন ডাক্তৰটো ক'লৈ পলাল মই নাজানো। দীৰ্ঘম্যাদী দায়িত্বৰ বোজা কোনেও নলয়। ঈশ্বৰৰ কথাই কোৱা বা আন কাৰোবাৰ কথাই কোৱা।

সপোনতে মই কেতিয়াবা মোৰ মৃত্যুক দেখা পাওঁ। এক পাচীয় মৃত্যু উৎসৱৰ মাজত নিজকে উপলক্ষ্য হিচাপে আৱিষ্কাৰ কৰোঁ। বিশুদ্ধকৰণৰ বাবে মোৰ মৃতদেহ গো-মূত্ৰেৰে ধুউৱা হয়। পুহকৰ গুচাবৰ বাবে কেইটামান কুকুৰৰ দৃষ্টিয়ে মোৰ মৃতদেহটো চেলেকি থাকে। জীৱনকালৰ মোৰ কল্পিত অপৰাধৰ বাবে মোৰ পৰম আত্মীয়সকলে স্বীকাৰোক্তি কিছুমান আবৃত্তি কৰে আৰু তাৰ মাজতে মৃত্যুৰ চতুৰ্থদিনা মোৰ আত্মাটোৱে শ্ৰীমতীহঁতৰ গালে-মুখে হাত বুলাই ক'ৰবালৈ যায়গৈ। ইয়াৰ পাছত আৰু মোৰ সপোনটো সাধাৰণতে আগ নাবাঢ়ে। সুহুৰিয়াই সুহুৰিয়াই মোৰ আত্মাটো এখন ফুলৰ প্ৰশস্ত দলঙেৰে গৈ বেহেস্তকেই পাবগৈ নে তৰোৱালৰ চোকা ফালটোৰে খোজকাঢ়ি গৈ তলৰ নৰকৰ দুখ-দুৰ্দশাৰ মাজতে এজোবোৰা মাৰিবগৈ এই কথা আগতীয়াকৈ জানিবৰ বাবে মোৰ কোনো আগ্ৰহ নাই। ইছলামীয় বেহেস্তত থকা মদৰ বটলকেইটা আৰু ক'লা চকুৰ ছোৱালীকেইজনীৰ প্ৰতিও মোৰ কোনো আগ্ৰহ নাই।

মই হেনো আজিকালি কিছুমান ভুল কথা ক'বলৈ আৰম্ভ কৰিছোঁ। মোৰ হেবাং পত্নীয়েনো বুজিব কেনেকৈ — ভুল আৰু শুদ্ধ বোলা কথাবোৰো আপেক্ষিক মাত্ৰ। একেটা শব্দই বেলেগ বেলেগ পৰিবেশত বেলেগ বেলেগ পোছাক পিন্ধে, ঠিক গোসাঁই ঘৰত সোমাওঁতে মই ধুতিখন পিন্ধা বা ডিফলু নৈত সাঁতুৰিবলৈ যাওঁতে লুঙিখন পিন্ধাৰ দৰে। অহৰহ ব্যৱহাৰ কৰি থকাৰ পাছতো যৌৱনৰ উদগ্ৰ শব্দবোৰ মোৰ এই প্ৰৌঢ়ত্বৰ দিনতো একেধৰণেৰে উগ্ৰ হৈ থাকিব বুলি এই মানুহজনীয়ে দুৰাশা কৰে।

মোৰ বাবে সংযমৰো অৰ্থ বেলেগ। সিদিনা শ্ৰীমতীয়ে আপত্তি কৰিছিল, "আপুনি আজিকালি মোৰ পৰা আঁতৰি আঁতৰি ফুৰে কিয়?"

"ক'ত আঁতৰি ফুৰিলোঁ মই? দুটা গুৱলা সাপৰ দৰে যোৰ পাতি থাকিব লাগিবনে এই গেলা গৰমত?"

"ছিঃ, আপুনি কথাবোৰ কিয় বেলেগ ফালে টানি লৈ যায়?"

"ক'লৈ টানিলোঁ মই? তিনিটা সন্তানেৰে হেঁপাহ পলোৱা নাই?"

শ্ৰীমতীয়ে চাদৰৰ আঁচলেৰে মুখ ঢাকি এসোঁতা কান্দিলে। অত্যাধিক ক্ষোভো হ'ব পাৰে বা চৰম লজ্জাতো তেনে কৰিব পাৰে। অযৌনভাৱে বেৰত পোক খাই থকা দুটা বেলেগ লিংগীয় জেঠীৰ দৰে ওচৰে-পাঁজৰে ঘূৰি ফুৰিব পাৰি বুলি মোৰ ভাব নহয়। অলপ ওচৰ চাপিলেই পত্নীয়ে মোৰ সুখ-স্বাচ্ছন্দ্যৰ বিৰুদ্ধে যৌনভাবুকি এটা কঢ়িয়াই অনা যেন পাওঁ।

আৰু এনেকৈয়ে মই জীয়াই আছোঁ। যিহেতু স্বৰ্গ মোক নালাগেই, মৃত্যুৰ

পাছৰ সময়খিনিত মই কাৰ মাজত জীয়াই থাকিম? বহু কচৰৎ কৰাৰ পাছতো শ্ৰীমতী পীড়িতা আৰু ত্যাগৰ প্ৰতিমূৰ্ত্তি হোৱাৰ আনন্দেৰে মৌলিকভাৱে মোৰ পত্নী হৈয়েই থাকিল। তেওঁৰ মানসতাৰ মোৰ স্তৰলৈ উত্তৰণ বা অৱতৰণ নঘটিল। মোৰ দুয়োটা ল'ৰাই দুটা এৰী পলুৰ দৰে জীৱনৰ সকলোখিনি ভক্ষ উচল কৰাত দিনে-ৰাতিয়ে ব্যস্ত। সিহঁতৰ ভিতৰত সোমাই মোৰ পৰকালটো পাৰ কৰিবলৈ সিহঁতে কোনো সুৰুঙা ৰখা নাই। মোৰ মৃত্যুৰ পাছতো মোক একেদৰে বহন কৰি থাকিবলৈ মোৰ অনাগ্ৰহী জীয়ৰীক মই বাধ্য কৰিব নোৱাৰোঁ। তাইৰ বাবেও মই এজন আদৰ্শ দেউতাক নহওঁ। আজিলৈকে তাই কেতিয়াও আনন্দৰ আতিশয্যত ঢপলিয়াই আহি মোক আঁকোৱালি ধৰাহি নাই। তেনে এক চুব নোৱৰা দূৰত্ব সৃষ্টি হৈ গৈছে আমাৰ দুয়োৰে মাজত।

ছোৱালীজনী পঢ়া-শুনাত ভালেই, সংস্কৃতিৱান মন এটাও তাইৰ আছে। মাজতে তাই বিহুনাচ শিকিছিল। পঢ়া-শুনাৰ মাজতে আবেলি সময়ত তাই নিয়মিতভাৱে বিহুনাচৰ অনুশীলন চলাই গৈছিল। মাজে-সময়ে মোৰ ভাব হৈছিল তাই ভৰিৰ উদ্দাম ছন্দ যেন ঢোলৰ তালতকৈ বহুদূৰ আগুৱাই গৈছিল। এদিন ছোৱালীজনীয়ে কিনো নাচিছে চাওঁ বুলি দুৱাৰখন মেলোঁতে দুটা ঢুলীয়াই দৃষ্টিকটুভাৱে মোৰ ছোৱালীৰ মুখৰ ওচৰত মুখ দুখন থৈ ঢোলৰ ছেওৰ লগত সংগতি ৰাখি বিহু গাই আছিল। এইটো বোধহয় বিহুনাচৰ এক পৰম্পৰাগত ঠাঁচ আছিল, কিন্তু মই অতিমাত্ৰা ভয় খাইছিলোঁ, এনেকৈ মুখকেইখনৰ আদৰ্শ দূৰত্ব কমি আহি থাকিলে এসময়ত মোৰ ছোৱালীৰ কি অৱস্থা হ'বগৈ। মাকৰ হকা-বাধাকো নেওচি তাইৰ হিয়া ভগা কান্দোনতো বিচলিত নহৈ মই লোৱা সিদ্ধান্তমতেই তাইৰ বিহুনাচৰ প্ৰশিক্ষণ বন্ধ হৈ গৈছিল। তাৰ পাছত বহুদিনলৈ তাই মোক মাত-বোল কৰা নাছিল আৰু পৰৱৰ্তী সময়ত এজন অশুভংকৰ মানুহৰ লগত কৰিবলগীয়া আচৰণৰ দৰে ব্যৱহাৰে মোৰ লগত সম্বন্ধ ৰক্ষা কৰিছিল।

মোৰ ইমানেই দুৰ্ভাগ্য যে ছোৱালীজনীৰ বাহিৰে আনকেইজনক মেৰামতি কৰি লোৱাৰ অৱস্থাটো বৰ্তমানে পাৰ হৈ গৈছে। সিহঁত নিজৰ-নিজৰ পথেৰে বহুদূৰ আগুৱাই গ'ল। পৰা যাব, ছোৱালীজনীকে বোধহয় সজাই-পৰাই ল'ব পৰা যাব। মই হাতেৰে এতিয়াও ঢুকি পোৱা দূৰত্বতে আছে তাই।

"চাওঁ মাজনী, এইফালে আহাচোন।"

"মোক মাতিছিলা দেউতা?"

"এৰা অ', কিনো কৰি আছিলা আন্ধাৰে-মুন্ধাৰে?"

"গোসাঁই থাপনাৰ ওচৰত ধূনা দিবলৈ গৈছিলোঁ।"

"হেৰৌ ইমান ধৰ্ম-কৰ্ম কৰিবলৈ তোমাৰ এতিয়াও বয়স হোৱা নাই নহয়। ঘৰখন আজিকালি বাৰেগঞ্জা ভাওনা হৈ যোৱাৰ পাছৰ নামঘৰটোৰ দৰে নিজম হৈ

থাকে দেখোন। ভিতৰতে সোমাই কিনো কৰি থাকা? গাভৰু ছোৱালী হৈ এনেকৈয়ে ৰাইজে গম নোপোৱাকৈ পকা অমিতাৰ ভিতৰত থকা গোককেইটাৰ দৰে সোমাই থাকিবানে। এইভাৱে থাকিলে তোমালৈ গ্ৰাহক এটানো ওলাব কেনেকৈ?"

"বেছি হুলস্থূল কৰিলে তুমিযে বেয়া পোৱা।"

"গুলী মাৰা মোৰ দৰে বুঢ়া এটাৰ কথা। বুঢ়া মানুহ হ'লোঁ বুলিয়েই মোৰ সকলো কথা যোল্ল অনাই শুদ্ধ হ'বনে, আৰু সকলো কথাৰেইনো একোটা কনক্লুছিভ বা সমাপ্তিসূচক উত্তৰ থাকেনে? তেইছক সাতেৰে হৰণ কৰিগৈ থাকিবাচোন বিছ বছৰৰ পাছতো তাৰ উত্তৰটো ওলাবগৈনে। চাওঁ আনাচোন ঢোলটোকে আনা, বৰচাঙত মৃত্যুক্ষণ গণি থকা ঢোলটোৱে কমখন কষ্ট পাই আছেনে, আনা, তাতে দুচাপৰমান মাৰোঁ।"

এইবাৰ মাজনী আচৰিত হোৱাৰ পাল। যথাযথভাৱেই তাই বিচূৰ্তি খাইছে। সেইজনী মাজনী মোৰ ফালে দৌৰি আহিছে, মোৰ কপালত তাইৰ হাতৰ তলুৱাখন ৰাখি উষ্ণতা জুখিছে, মই সপোনতে বেলবেলাই আছোঁনে কি তাকে জানিবলৈ মোৰ চকুকেইটা বন্ধ আছেনে খোলা আছে তাকো তাই পৰীক্ষা কৰিছে। অবিশ্বাস্য কিন্তু সঁচা কথা — ঢোল এটাৰ ডাইনা, বেঁৱা, টেমেকা চিনি নোপোৱা মানুহ এটাই ঢোলৰ মালিতা বজাব খুজিছে, তাকো ৰঙালী বিহুলৈ তিনি মাহ কাল থাকোঁতেই। ঘৰখনত দেৰিকৈ হ'লেও দৈৱঘটনা এটা ঘটিব খুজিছে বুলি তাই বোধহয় বিশ্বাস কৰিছে। সেইজনী মাজনী 'ক'ৰপানী ক'লৈ যায় চাওঁ' জাতীয় ভাব এটাৰে মুখখন পোহৰ কৰি ভিতৰলৈ গৈছে, তাই মুগাৰ মেখেলা পিন্ধিছে, খোপা বান্ধিছে, খোপাত এপাহ কৃত্ৰিম কপৌ ফুলো গুজি লৈছে। বহুদিনৰ আগতে হেৰাই যোৱা বুলি উপলব্ধি হোৱা আৰু এতিয়া যেন পুনৰ ঘূৰাই পোৱা সুৰ এটা গুণগুণাই তাই নাচি-নাচি আহি মোৰ কোঠাত প্ৰৱেশ কৰিছে। ঘটনাবোৰ ইমান শৃংখলিত আৰু তাৎক্ষণিকভাৱে ঘটিছে যে ই এক নাটকীয় ৰূপ লৈছে। মই ঢোল বজোৱাৰ নামত বৰচাঙৰ পৰা নমাই অনা ঢোলটোৰ দুয়োফালে হাতেৰে হোৱাই-নোহোৱাই চাপৰ মাৰি আছোঁ। কামটো মোৰ ব্যক্তিত্বৰ লগত একেবাৰে খাপ-নোখোৱা বিধৰ হৈছে, হয়তো মই প্ৰকৃততে এজন ভগ্ন ব্যক্তিত্বৰ পূৰ্ণ পাগলত পৰিণত হৈছোঁ আৰু এইটোনো মই কেনেকৈ আশা কৰা উচিত যে মোৰ ব্যক্তিত্বৰ পুনৰ্নিৰ্মাণৰ কাম মোৰ পুৰণি ব্যক্তিত্বৰ ভগ্নস্তূপৰ ওপৰত নহওক। এই মুহূৰ্তত কোনোবাই মোক বলিয়া হোৱা বুলি ক'লেহিও মই বোধহয় একো আপত্তি নকৰিম।

সদ্যহতে আৰম্ভণিটো ময়েই চলাই দিওঁ। পাছত ঢুলীয়াকেইজনক তামোল-পাণ দি সিহঁতৰ ঠেহ-পেচ ভাঙিব লাগিব, মাজনীৰ নৃত্যশিক্ষা যেনে-তেনে সম্পূৰ্ণ কৰিব লাগিব। সিহঁতকেইটাৰ ওচৰত কিছু সৰু হ'বলগীয়া হ'লেও হ'ম আৰু। এইখন পৃথিৱীত কোন সৰু, কোনেইবা ডাঙৰ। নাই, একোতো ভালগাৰ বা আদিম

যেন লগা নাই তাইৰ নাচটো। আদিমতা বোধহয় আধুনিক মানুহৰ চকুকেইটা আৰু তাৰ পিছফালে থকা থপ্‌থপীয়াখিনিতহে থাকে। এই সাধাৰণ কথাটোকে মই ইমানদিনে বুজা নাছিলোঁ। যোগাযোগৰ ব্যৱধানে কিমান অবহনীয় কৰি তোলে মোৰ দৰে মানুহৰ একাকীত্ব।

হয়, মই মাজনীৰ মাজতে জীয়াই থাকিব পাৰিম। মোৰ হাঁহি উঠিছে এইবাবে যে ইহকালটো ভালকৈ কটাব নোৱৰা মই মানুহটোৱে পাৰলৌকিক জীৱনলৈ বিস্তৃতিৰ কথা ভাবিছোঁ, কাৰণ এতিয়া আৰু মই এজন নীৰস মানুহ হৈ থকাগৈ নাই। মোৰ মেটামৰফছিছৰ প্ৰক্ৰিয়া আৰম্ভ হৈ গৈছে।

ইমবান হছেইন

জিঘাংসা

যাত্রা

জিঘাংসা

'আজিও ইমান দেৰি কৰিলেনে?'

কুঁৱলি নমা ঘন আন্ধাৰত টৰ্চৰ পোহৰ পেলাই পেলাই মহীচন্দ্ৰ কোনোমতে নঙলামুখ পাইছে মাত্ৰ, এনেতে আন্ধাৰতে বৈ থকা ঘৈণীয়েকৰ উচ্ছ্বাসভৰা অভিযোগত তেওঁ চক্ খাই উঠিল। জাৰৰ দিনকেইটাত গাঁওবুঢ়াৰ আগ-চোতালত জুই পুৱাই সদায় এনেকুৱা সময়তে মহীমাষ্টৰ ঘৰলৈ ওভতে। এয়া নতুন কথা নহয়। পিছে সদায় আমন-জিমনকৈ বহি থকা মানুহজনীৰ এনে উচ্ছ্বাসভৰা চেপা মাতটো আজি মহীচন্দ্ৰৰ কাণত নতুন নতুন লাগিল।

'কি হ'ল?' মহীচন্দ্ৰই অলপ আচৰিত হৈ সুধিলে, 'আজি দেখোন সোনকালেই আহিলা। সন্ধিয়া হৈছেহে?'

'ভিতৰলৈ সোমাই আহকচোন বেগাই।' এইবুলি লখিমীয়ে পাকঘৰৰ পিনে লৰ মাৰিলে। কি হৈছে একো অনুমান কৰিব নোৱাৰি মহীচন্দ্ৰ কেইমুহূৰ্তমান তাতে তভক মাৰি ৰ'ল। তাৰপাছত তেওঁ খৰখেদাকৈ লখিমীৰ পিছে পিছে পাকঘৰলৈ সোমাই আহিল।

চাকিৰ ক্ষীণ পোহৰত মহীচন্দ্ৰই দেখিলে, আজি বহুদিনৰ মূৰত লখিমীৰ মলিন মুখখনত এচেৰেঙা ৰ'দৰ দৰে হাঁহি বিৰিঙি উঠিছে। আদহীয়া মানুহজনীৰ বয়স হঠাতে যেন কমি গৈছে।

'কি হৈছে নোকোৱা কিয়?' মহীচন্দ্ৰই তাগিদা দিলে।

'হেৰি...' ওৰণিখন ঠিক-ঠাক কৰি কথা ক'বলৈ লওঁতে লখিমীৰ মাতটো জ্বলি থকা চাকিটোৰ দৰে কঁপি উঠিল, দুচকু চলচলীয়া হ'ল। চাকিৰ ক্ষীণ পোহৰতো তেওঁৰ চকুত দুটোপাল পানী চিক্‌মিকাই উঠিল। মুখখন ঘূৰাই লখিমীয়ে এবাৰ বাহিৰৰ পিনে চালে, এবাৰ চাহখোলাৰ পিনে চালে।

'সোণটি আহিছে, নহয় জানো?' গভীৰ প্ৰত্যয়েৰে মহীচন্দ্ৰই সুধিলে। তেওঁৰ প্ৰশ্নই ঘৈণীয়েকক বহুত সহজ কৰি দিলে। আঁচলতে আনন্দাশ্ৰু মচি লখিমীয়ে মূৰ দুপিয়ালে।

বহুদিনৰ মূৰত ল'ৰা অহাৰ খবৰ পাই মহীচন্দ্ৰৰ বৃদ্ধ বুকুখন আনন্দ আৰু

প্ৰশান্তিৰে ভৰি উঠিল। সোণটি এই অঞ্চলৰ গৌৰৱ; বৰ ভাল ৰিজাল্ট কৰি সি বিশ্ববিদ্যালয়লৈ গৈছে। প্ৰিভিয়াছতো বহুত নম্বৰ পাইছে, তথাপি সি মুঠেই সন্তুষ্ট হ'ব পৰা নাই। প্ৰথম বছৰত ঘনে ঘনে ঘৰলৈ অহাৰ কাৰণে হেনো তাৰ বহুত ক্ষতি হ'ল। সেয়েহে আজি প্ৰায় নমাহৰ মূৰত, ফাইনেল পৰীক্ষা দি উঠিহে ঘৰলৈ আহিছে।

'পৰীক্ষা?' অলপ ব্যগ্ৰ হৈ মহীচন্দ্ৰই সুধিলে।

'ভাল হোৱা বুলি কৈছে। বেছ খাটনি হৈছে তাৰ, ...বৰ খীণাইছে।'

'ক'ত আছে সি? মাত এষাৰো দিয়া নাই! ৰ'বা, ময়েই যাওঁ।' মাষ্টৰৰ পিতৃ মনটোৱে হাঁহাঁকাৰ কৰি উঠিল।

'ৰ'বচোন, এতিয়াই নালাগে। সি আহিয়েই শুইছে। চাহ এটোপাও নাখালে। একেবাৰে হেনো ভাত খাব। দিনটো গাড়ীত আহি ভাগৰ লাগিছে তাৰ। লগত আকৌ লগৰ ল'ৰা দুজনো আহিছে। সিহঁতেও ভাগৰ পলুৱাইছে।'

'ক'ৰ ল'ৰা?'

'গৌৰীসাগৰ ফালৰ। পৰীক্ষা দি আহিছে। বাবাৰ লগত একে হোষ্টেলতে থাকে। ৰাতিপুৱাই ঘৰলৈ যাবগৈ হেনো। যাওকচোন বেগাই, বেঙাৰ হতুৱাই পাৰযোৰ মৰাই আনক।' এইবুলি লখিমীয়ে পাকঘৰৰ পৰা ওলাই পিৰালিৰ চুকৰ পৰা পাৰ এযোৰৰ সৈতে খাং এটা মহীচন্দ্ৰৰ হাতত তুলি দিলে।

'এই ৰাতিখন পাৰ ক'ত পালা? খাওটো দেখোন ঘৰৰে যেন লাগিছে।' অকমানি খাওটোৰ ভিতৰত চট্‌ফট কৰা পাৰযোৰৰ পিনে চাই তেওঁ কৰুণভাৱে সুধিলে।

গিৰিয়েকৰ কৌতূহলত লখিমী অলপ সংকুচিত হৈ গ'ল। মনে মনে তেওঁ এইটোলৈকে ভয় কৰি আছিল। বাপেক-পুতেক একেই; পাৰ এটাকে মাৰিব নোৱাৰে। আৰু মৰাই আনকগৈ বুলি ক'লেও সাত জাঁপ মাৰে। তাতে আকৌ ঘৰৰে পাৰ, কি বা কয় এতিয়া?

'এই ৰাতিখন পাৰ ক'ত পাম আকৌ? ঘৰৰে পাৰ। ভোকে-পিয়াহে আহিছে ল'ৰাকেইটা; তাতে আকৌ আপুনিও ঘৰত নাই...' লখিমীয়ে আত্মৰক্ষা কৰিবলৈ কণ্ঠত অভিযোগ আৰু কৃত্ৰিম উষ্মা সানি ক'লে।

লখিমীৰ উত্তৰত মহীচন্দ্ৰ মুহূৰ্তৰ বাবে অপ্ৰস্তুত হ'ল। হয়তো, বিপদে-আপদে দুই-এটা বেচিলেও ঘৰৰ পাৰ লখিমীয়ে কেতিয়াও মাৰিবলৈ নকয়। কিন্তু আজিৰ নিচিনা অৱস্থাত অকলে মানুহজনীয়ে তাকে নকৰি কি কৰিব?

'যাওঁ ৰ'বা। ...পিছে এযোৰ পাৰবে কি হ'ব কোৱাচোন? আমি যেনিবা নাখাওঁয়েই; ইহঁত তিনিটাকে ডেকা ল'ৰা...।'

'ময়ো তাকে ভাবিছোঁ। বেঙাৰ মাকক সুধিবচোন পাৰ এযোৰ পায়েই নেকি? দুযোৰমান পালে ঘৰৰযোৰ ঘূৰাই আনিব দিয়ক।'

লখিমীৰ কথাষাৰ মহীচন্দ্ৰৰ বৰ পচন্দ হ'ল। এৰা, পালে সেই বুঢ়ীৰ তাতেই পোৱা যাব। আজি প্ৰায় পঁচিছ বছৰ ধৰি হাঁহ-পাৰ, বাৰীৰ লাও-কোমোৰা, শাক-পাচলি,

ইটো-সিটো ইঘৰে-সিঘৰে বেচি কোনোমতে দিনকেইটা নিয়াইছে বগীবায়ে। এসময়ত অৱশ্যে তেওঁলোকৰ দিন ভালেই আছিল; পিছে বিয়াৰ চৈধ্য বছৰৰ পাছত এদিন গিৰিয়েক ধৰ্মকান্ত মহলদাৰৰ লগত হাতী ধৰিবলৈ গৈ আৰু উভতি নাহিল। কিছুমানে কয়, দঁতাল হাতীয়ে মহতিয়ালে; কিছুমানে কয়, কাল নাগিনীয়ে খুঁটিলে; কিছুমানে কয়, নহয়; ল'ৰা-ছোৱালী নাই বাবে মনৰ দুখত দেশান্তৰী হ'ল।

বাঁৰী-বিধৱা মানুহ বগীবাই, তাতে আকৌ ইমান দিনে আই-বাই বুলি মত্ত বগুতেই ৰাতি শিয়ালৰ দৰে হোৱা দিবলৈ আৰম্ভ কৰিলে। সেই সময়ত একমাত্ৰ মহীচন্দ্ৰইহে বগীতৰাক নিঃস্বাৰ্থভাৱে সহায় কৰিছিল। পিছে পাছলৈ তেৰোঁ মানুহৰ নানান কথাত সিফালে নোযোৱা হ'ল। শেষত উপায় নাপাই বগীতৰাই ভনীয়েকৰ পাঁচ বছৰীয়া বেঙা ল'ৰাটোকে বুকুত তুলি ল'লে। নিশাৰ নীৰৱতাৰ মাজত অকমানি ল'ৰাটোৰ বুকুৰ ধপ্‌ধপনিতে যেন তাই সাত হাতীৰ বল পালে। ৰাংঢালী মানুহজনী ক্ৰমে গহীন হৈ গ'ল; কোমল মাত-কথা হুটা হ'ল আৰু বছৰকেইটাও পাৰ হৈ যাবলৈ ধৰিলে কোনোমতে। বছৰ বাগৰিল; বেঙা পিছে বেঙাই থাকি গ'ল। কাণেৰে কম শুনে, কথাবোৰ অস্পষ্ট। বৰ খঁক তাৰ; খাবলৈ পালে আৰু একো নালাগে। কোনোবাই পঁইতা-ভাত কেইটামান খাবলৈ দিলে সি দিনটো বন কৰি দিব পাৰে। সকলোৰে তাৰ এই দুৰ্বলতাটোৰ সুযোগ লয়। সামান্য কিবা এটাৰ বিনিময়ত বেঙাই প্ৰায় প্ৰতিদিনেই লোকৰ ঘৰত গেৰাবি খাটি দিয়ে।

খাণ্ডটো লৈ মহীচন্দ্ৰ আকৌ সেই টৰ্চৰ পোহৰ পেলাই পেলাই ওলাই আহিল। বাটেৰে গ'লে অলপ ঘূৰিব লাগে; সেয়ে বাট চমুৱাবলৈ মহীচন্দ্ৰই সন্মুখৰ ল'ৰাহঁতৰ বল-খেলা পথাৰেৰে পোনে পোনে বগীবাইৰ ঘৰলৈ বুলি খোজ ল'লে।

টৰ্চৰ পূৰ্ণিমাৰ জোন যেন পোহৰৰ বৃত্তটো ক্ৰমে দূৰৈত তৰা এটাৰ নিচিনা ফুট এটালৈ ৰূপান্তৰিত নোহোৱালৈকে লখিমী নঙলা-মুখতে ৰৈ থাকিল। তেনেকৈ চাই থাকোঁতে হঠাতে লখিমীৰ মনটো বেয়া লাগি গ'ল। বিটায়াৰ কৰাৰ পাছত মহীচন্দ্ৰৰ বয়স যেন বহুত বাঢ়ি গৈছে। তাতে আকৌ হাঁপানি বেমাৰটোও আছে। অলপ খোজ কাঢ়িলেই তেওঁৰ উশাহ চুটি হৈ আহে; বুকুখন ধৰফৰ কৰে। সেয়ে গিৰিয়েক অহাৰ আগেয়েই লখিমীয়ে ওচৰৰ দুই-এজনৰ হতুৱাই পাৰযোৰ মৰাবলৈ চেষ্টা কৰি চাইছিল; কিন্তু লাভ নহ'ল। মহৰীৰ মাজু ল'ৰাটোৱেতো মুখতে ক'লে, সোণটিৰ হতুৱাই নমৰায় কেলেই? ফাকৰুৰ আকৌ বেলেগ অজুহাত। তাৰ ঘৈণীয়েক হেনো গা-ভাৰী। অৱশ্যে ঘৈণীয়েকৰ গাত লেঠা থাকিলে গিৰিয়েকে পশু-পক্ষী একোকে মাৰিব নাপায়; অমংগল হয়। এইবিলাক কথা আন দহজনৰ দৰে লখিমীয়েও বিশ্বাস কৰে। সেয়ে ফাকৰুৰ যুক্তিটো তেওঁ মানি ল'বলগীয়া হ'ল। ইচ, যদি বাপেক-পুতেক কোনোবা এজনে পাৰযোৰ মাৰিব পাৰিলেহেঁতেন, তেনেহ'লে এই ৰাতিখন মহীচন্দ্ৰ এনেকৈ ওলাই যাব লগা নহ'লহেঁতেন। বেঙাও বা ঘৰত আছে নে নাই?

লখিমীৰ দুশ্চিন্তা একেবাৰে অমূলক নহয়। মহীচন্দ্ৰই পদূলিমুখৰ পৰাই 'বেঙা, বেঙা' বুলি মাত দিওঁতেই পঁজাৰ ভিতৰৰ পৰা বগীবাইৰ হুটা মাত ভাহি আহিল, 'বেঙা

ঘৰত নাই। কোন অ' এই ৰাতিখন?'

'বাই, মইহে — মহীচন্দ্র।' বায়ে স্বভাবসিদ্ধ কিবা অভইচ মাত মতাৰ আগতেই মহীচন্দ্রই খৰখেদাকৈ উত্তৰ দিলে।

মাষ্টৰৰ নাম শুনাৰ লগে লগে বুঢ়ীৰ মাত সলনি হৈ গ'ল, 'অ' মুহী; ৰ, গৈছোঁ।'

খন্তেক পাছতে জঁপনাখন মেলি মাটিৰ চাকিটো লৈ বগীবাই ওলাই আহিল। তেওঁৰ ধূসৰ চকু দুটাই মহীচন্দ্রক ইফালে-সিফালে খেপিয়াবলৈ ধৰিলে।

'বেঙা কেনি গ'ল?' মহীচন্দ্র দুখোজমান আগুবাই গ'ল। তেওঁ কণ্ঠস্বৰ অনুসৰণ কৰি বায়ে তেওঁৰ পৰিচিত অৱয়বটো দেখা পালে।

'বেঙা নাই, ৰাতিপুৱাই সদৰলৈ গ'ল। আহচোন ভিতৰলৈ।'

মহীচন্দ্রই দ্রুত, ব্যস্ত কণ্ঠেৰে ক'লে, 'নাই নাই, আজি আৰু নবহোঁ। ঘৰত আলহী। এই পাৰযোৰ মৰাবলৈহে আহিছিলোঁ। ই ইমানপৰেও আহি পোৱা নাই, কি কাম তাৰ সদৰত?' তেওঁৰ কণ্ঠত কিঞ্চিত বিৰক্তিৰ ভাব ফুটি উঠিল।

'ঠেলাত মাছ লৈ গৈছে খৰ্গেশ্বৰৰ লগত। গধূলিয়েইচোন আহি পাব লাগিছিল।' বগীতৰাৰ কণ্ঠত দুশ্চিন্তাৰ ছাঁ।

খৰ্গেশ্বৰৰ লগত যোৱা বুলি শুনি মহীচন্দ্রৰ খং উঠিল। মাছৰ বেপাৰ কৰি টকা হৈছে মানুহটোৰ। সদৰলৈ গ'লে বেপাৰীকেইটাৰ লগত তাচত বহে; কেতিয়াবা আকৌ তাতে থাকিও যায়। আজি-কালি আকৌ সেই গেলাসোপাতো ধৰিছে। সেইসোপা খায়েই সিদিনা মেলত সি মহীচন্দ্রক কম অপমান কৰা নাই। আগে-পাছে মহী মাষ্টৰক কোনেও অপমান কৰিবলৈ সাহ কৰা নাছিল। সেইব্যাবেই সেই অপমানৰ জ্বালা এতিয়াও তেওঁ পাহৰিব পৰা নাই আৰু সম্ভৱতঃ কোনোদিনেই পাহৰিব নোৱাৰিব। বিৰক্তি, ঘৃণা আৰু দুশ্চিন্তাত তেওঁৰ চেলাউৰি দুটা কপালত থূপ খালে। নিজকে কোৱাৰ দৰে তেওঁ কৈ উঠিল, 'ছেঃ মদাহীটোৰ লগত গৈ ল'ৰাটোৰ কি বা অথন্তৰ হ'ল।'

'এৰা, বহি বহি তাকেই চিন্তা কৰি আছোঁ', বুঢ়ীয়ে হুমুনিয়াহ কাঢ়িলে, 'তাৰ লগত যাবলৈ মই মানাই কৰিছিলোঁ। পিছে সি শুনিলেহে। খৰ্গেই হেনো তাক ছিনেমা দেখুৱাব বুলি কৈছে।'

এইবোৰ কথা পাতি থাকিলে পলম হ'ব বুলি ভাবি মহীচন্দ্রই কামৰ কথাকে উলিয়ালে। ক'লে, 'বাই, আছে যদি পাৰ এযোৰ দেচোন, ঘৰত আলহী।'

বুঢ়ীয়ে হায় হায় কৰি উঠিল, 'ভাল কথা কৈছ। বেঙাৰ উৎপাতত পাৰ থাকিলেহে। কিমান যতন কৰি পাৰকেইটা ডাঙৰ কৰিলোঁ; সিদিনা ভেদোৰ টান বুলি শুনি খবৰ এটা লওঁ বুলি গ'লোঁ, আহি দেখোঁ গোটেই পাৰকেইটা সি মাৰি খাই থৈছে। এটা একলীয়াহে আছে হ'বলা; সেইটোকে লৈ যা।' এইবুলি বুঢ়ীয়ে থৰক-বৰক খোজেৰে ঘৰৰ পিছফালে অদৃশ্য হ'ল।

মহীচন্দ্রই আন্ধাৰত থিয় হৈ 'ক'ত পাৰকেইটা খাবাওঁ, ক'লৈ যাওঁ, কি কৰোঁ'

ইত্যাদি ভাবি থাকোঁতেই তেওঁ উভতি আহিল। অকস্মাৎ একণীয়া পাব এটা মহীচন্দ্ৰৰ পিনে আগুৱাই দি কিঞ্চিত বিৰক্তিৰ সুৰত বগীবাইয়ে সুধিলে, 'কোন আলহী আহিল অ' এই ৰাতিখন?'

'সোণটি আহিছে বাই। লগত লগৰ ল'ৰা দুটা।' মহীচন্দ্ৰই দেখিলে সোণটিৰ নাম শুনি মকৰাজালেৰে আবৰি থকা বুঢ়ীৰ বিৰক্তিভৰা মুখখন হঠাতে উজ্জ্বল হৈ উঠিল।

'আই অ' দেহি! সোণটোক কিমান দিন দেখা নাই। কাইলৈ মানে দিখিচোন পঠিয়াই তাক।' বগীবাইৰ কথাকেইটাত স্নেহৰ সুৰ নিগৰি নিগৰি সৰিল।

'অ, ক'ম বাক। এইটো লচোন।' পলম হোৱা যেন পাই খৰখেদাকৈ মাষ্টৰে জেপৰ পৰা দুই টকীয়া নোট এখন উলিয়াই বগীবাইৰ পিনে আগবঢ়াই দিলে।

অভাৱী চকুহাল মেলি বুঢ়ীয়ে কেইমুহূৰ্তমান নোটখনৰ পিনে চাই ৰ'ল। তাৰ পাছত তেওঁ লাহেকৈ, কঁপা কঁপা মাতেৰে ক'লে, 'আজি পইছা নলওঁ দে মুহী। নাতিটো আহিছে বহু দিনৰ মূৰত... বেয়া নাপাবি, এইবাৰ পাব দিব পাৰিলোঁ। বেয়াই নোখোৱা হ'লে...' পাছৰ পিনে গৈ বুঢ়ীৰ মাতটো সেমেকি উঠিল। চকিৰ ক্ষীণ পোহৰত তেওঁৰ চল্‌চলীয়া চকুহাল দেখি মাষ্টৰে কথা বঢ়াবলৈ সাহস নকৰিলে। ৰাতিপুৱাই সোণটিক পঠিয়াই দিব বুলি কথা দি তেওঁ বাহিৰ পৰা বিদায় ল'লে।

বাটত ভৰি দিয়াৰ লগে লগে পাবকেইটাৰ চিন্তাই মহীচন্দ্ৰক জুমুৰি দি ধৰিলে। গাঁওবুঢ়াৰ ঘৰত লগুৱা-হালোৱা কোনোবা এটাৰ হতুৱাই পাবকেইটা মৰাব পাৰিব বুলি ভাবি তেওঁ সেইপিনে আগবাঢ়িল।

বগীবাইৰ ঘৰৰ সিফালে থকা জাবণিভৰা পাব নহওঁতেই চাইকেলৰ টিলিঙাৰ টিলিং টিলিং শব্দত মহীচন্দ্ৰ সজাগ হৈ উঠিল। চিনাকিয়েই কোনোবা নে? ইমান ঘিট্‌মিটীয়া আন্ধাৰ যে এহাত দূৰৈৰ বস্তুও মনিব নোৱাৰি। মুখলৈ টৰ্চ মৰাও ভাল কথা নহয়। কি কৰিব একো ঠিক কৰিব নোৱাৰি মহীচন্দ্ৰই বাট এৰি একাষে থিয় দিলে। কিন্তু চাইকেল আৰোহী তেওঁৰ সকলো কৌতূহলৰ অৱসান ঘটাই ওচৰতে নামিল।

'ছাৰ, কেনি যায়?'

'কোন? এবা আন্ধাৰত...।' খোজ কাঢ়ি মহীচন্দ্ৰৰ ভাগৰ লাগিছিল; সেয়ে আগন্তুকৰ পিনে চাই তেওঁ অলপ ফোপালে।

'ছাৰ, মইহে — তীৰ্থ।'

'অ' তীৰ্থ। বৰ ভাল হ'ল তোমাক লগ পাই। মই আকৌ সেই বেঙাক বিচাৰি গৈছিলোঁ। এই পাবকেইটা...। সি আকৌ নাই; পুৱাই সদৰলৈ গ'ল।'

মহীচন্দ্ৰই আৰু কিবা কোৱাৰ আগতেই তীৰ্থই প্ৰায় চিঞৰিয়েই উঠিল, 'কেঙা এতিয়াও আহি পোৱা নাই নেকি ছাৰ? টাউনত সেইখন বৰ গোলমাল লাগিছে!'

'কি কোৱা হে?' মহীচন্দ্ৰৰ প্ৰশ্নত ভয় আৰু বিস্ময়ৰ সুৰ এনেকৈ ওলাল যেন তেওঁ আগতে গোলমালৰ কথা কোনোদিনেই শুনা নাই।

তীৰ্থই অলপ কাষ চাপি আহি অনুচ্চ স্বৰত ক'লে, 'উগ্ৰপন্থীৰ ল'ৰাই সেনা

বাহিনীৰ কোনোবা আমোলা এজনক গুলীয়াই মাৰিলে। যৈণীয়েকৰ লগত বজাৰ কৰি আছিল হেনো। যৈণীয়েকৰ গাতো গুলী লাগিছে। তেওঁৰ কণমানি ল'ৰাটো কোনোমতেহে বাচিল বোলে।'

হত্যাৰ কথা শুনি মহীচন্দ্ৰৰ শান্তিপ্ৰিয় মনটোৱে হাঁহাঁকাৰ কৰি উঠিল। কি দোষ আছিল আমোলাজনৰ? সেনা বাহিনীত চাকৰি কৰাটো? ইচ! তেওঁৰ ল'ৰাটোৰ গাতো গুলী লাগিব পাৰিলেহেঁতেন। আমোলাজনৰ সলনি তেওঁৰ ল'ৰাটোৰ কথা ভাবি মহীচন্দ্ৰ উৎকণ্ঠিত হ'ল। তেওঁৰ দুচকুত ছাঁৰ দৰে অস্পষ্ট এটি শিশুৰ মুখ ভাহি উঠিল। মুহূৰ্ততে সেই অচিনাকি মুখখন এখন অতি চিনাকি মুখলৈ পৰিবৰ্তিত হ'ল। পুৰণি এলবাম এখনত লগাই থোৱা সোণটিৰ উবলি যোৱা ক'লা-বগা ছবি এখনে তেওঁলৈ চাই কান্দিবলৈ ধৰিলে।

'ছাৰ!'

'অ' যোৱা নেকি?' প্ৰাক্তন ছাত্ৰৰ মাতত মহীচন্দ্ৰৰ সম্বিৎ ঘূৰি আহিল। কেইমুহূৰ্তমানৰ বাবে তেওঁ বৰ অসহায় হৈ তীৰ্থৰ পিনে চাই ৰ'ল। তাৰ পাছত চাইকেলখনৰ গাত টৰ্চৰ পোহৰ পেলাই তেওঁ কিঞ্চিৎ অনুৰোধমিশ্ৰিত আদেশৰ সুৰত ক'লে, 'পাৰকেইটা তুমিয়েই মাৰি দিয়াচোন। আগ নাবাঢ়ো আৰু। বৰ জাৰ লাগিছে।'

ইমান সময় সদৰত ঘটা হত্যাকাণ্ডটোৰ চেপা উত্তেজনাটোৱে তীৰ্থৰ মনটো গ্ৰাস কৰি আছিল। সেয়ে মহীচন্দ্ৰৰ অনুৰোধত সি থতমত খালে। পাৰৰ মাংস প্ৰিয় হ'লেও সি মাৰিবলৈ বৰ টান পায়। প্ৰয়োজন হ'লে সৰু ভায়েকটোৱে মাৰে। কিন্তু বৰ আগ্ৰহেৰে তীৰ্থৰ পিনে আগুৱাই অহা মহীচন্দ্ৰৰ প্ৰশ্নবোধক চিহ্নৰ দৰে দীঘল, বেঁকা অৱয়বটোৱে তাক আৰু বিহ্বল কৰি তুলিলে। কওঁ-নকওঁকৈ সি ক'লে, 'ছাৰ... মই', শিক্ষকৰ প্ৰতি থকা পুৰণি সম্ভ্ৰমবোধটোৱে তাৰ মাতটোক কিঞ্চিৎ কঁপাই তুলিলে।

'কি হ'ল? কিবা অসুবিধা আছে নেকি?' মহীচন্দ্ৰই অসহায়ভাৱে সুধিলে আৰু টৰ্চটো নুমুৱাই আন্ধাৰতে বৰ আশাৰে তীৰ্থৰ পিনে চাই ৰ'ল। তীৰ্থই তেওঁক কথাটো কেনেকৈ ক'ব তাকে ভাবি পোৱা নাছিল। সেয়ে মহীচন্দ্ৰৰ সৰল প্ৰশ্নটোতে সি যেন এটা অৱলম্বন পালে। তদুপৰি উলটি অহা নিশ্চিদ্ৰ অন্ধকাৰে পৰিৱেশটো আৰু সহজ কৰি দিছিল। সেইবাবেই কিজানি তীৰ্থই এইবাৰ কথাখিনি প্ৰায় মুখস্থৰ দৰেই ক'ব পাৰিলে, 'পাৰ মাৰিবলৈ মই বৰ টান পাওঁ ছাৰ। আগে-পিছে মাৰিও পোৱা নাই। বৰ বেয়া লাগে ছাৰ। ভাইটিয়ে মাৰে, বৰ অঘাইতং নহয় সি।'

আন্ধাৰ ভেদি উজাই অহা এটা দীঘল হুমুনিয়াহৰ শব্দত তীৰ্থ বিচলিত হ'ল। সি তাৰ চাইকেলৰ হেণ্ডেলডালত থোৱা সোঁহাতৰ কিৰ্‌কিৰিয়া নোমবোৰৰ ওপৰেদি মহীচন্দ্ৰৰ তপত নিশ্বাস বাগৰি যোৱা যেন পালে।

'বেয়া লাগে যদি হ'ব দিয়া। গাঁওবুঢ়াৰ ঘৰলৈকে যাওঁ।' মহীচন্দ্ৰৰ কণ্ঠস্বৰটো প্ৰথমৰ পিনে কঁপা, অভিমানমিশ্ৰিত আৰু শেষৰ পিনে যেন কৰুণ হৈ গ'ল।

'বেয়া পালে নেকি ছাৰ?' আচৰিতভাৱে তীৰ্থৰ কণ্ঠস্বৰটো তেওঁতকৈ কৰুণ শুনা গ'ল।

এসময়ত তীৰ্থ মহী মাষ্টৰৰ বৰ প্ৰিয় ছাত্ৰ আছিল। সেয়ে তাৰ অসহায় করুণ সুৰটোৱে তেওঁৰ অভিভাবকসুলভ মনটো মুহূৰ্ততে কোমলাই পেলালে। ক'লে, 'নাই নাই, কিয় বেয়া পাম? মোৰ নিজৰ ল'ৰাটোও এনেকুৱা। ময়ো সেই একেই। নহ'লেনো এই জাৰত...।'

এনেতে বাটেৰে কোনোবাই গৰু খেদি অনা 'হুৰ হুৰ, হুট হুট' শব্দত তেওঁলোক দুয়ো সচকিত হ'ল। এই ৰাতিখন গৰু খেদি আনে কোন গৰখীয়াই? ওচৰ পাওঁতেই মহীচন্দ্ৰই টৰ্চৰ পোহৰ পেলাই সুধিলে, 'কোন অ'?'

'অ' মুহীকাই দেখোন। হাতত খাং লৈ কোনফালে?' আগন্তুকৰ আন্তৰিক, ধেমেলীয়া আৰু গলগলীয়া মাততে মহীচন্দ্ৰই ধৰিব পাৰিলে সেয়া ৰজনীকান্ত বৰুৱা। মহীচন্দ্ৰতকৈ চাৰি-পাঁচ বছৰে সৰু কিজানি। যি কি নহওক, এতিয়া দুয়োজনেই বৃদ্ধৰ শাৰীত। সেয়ে দুয়োৰে মাজত অলপ-অচৰপ ধেমালি-ফূৰ্তিও চলে।

'তোমাকে বিচাৰি আহিছোঁ। তুমি আকৌ এই ৰাতিখন গৰু বিচাৰি ফুৰিছা দেখোন!' বৰুৱাৰ ধেমালিৰ লগতে সুৰ মিলাই মহীচন্দ্ৰই অলপ ৰগৰ কৰি ক'লে।

'এঃ নক'ব আৰু। দুৰ্দিনমান হ'ল গৰুটো কিনিছোঁ। সমস্যা হ'ল, ই ঘৰত থাকিবই নোখোজে, পুৰণা গৰাকীৰ ঘৰলৈ বুলি বাট লয়। অলপ আগতে চাওঁ গোহালিত নাই। ল'ৰাটোও ঘৰত নাই, ডাঙৰ মোমায়েকৰ তাত আছেগৈ। ময়ে এই বুঢ়া দেহাটোৰে দৌৰিলো। সেই আগত গৈ চাওঁ মতিৰামে দেখা পাই বান্ধি থৈছে। নহ'লে গৈছিলেই।' উচ্ছ্বাসত বৰ গলগলীয়া মাতেৰে কথাখিনি কৈ ৰজনী বৰুৱাই খাণ্ডটোৰ পিনে টৰ্চৰ পোহৰ পেলাই বৰ আন্তৰিকভাৱে ধেমেলীয়াকৈ ক'লে, 'বাঃ বঢ়িয়া। যাম নেকি আজি?'

'আহিব পাৰা। কিন্তু খাব খুজিলে মাৰিবও লাগিব।' ধেমালিৰ সুৰেৰে মহীচন্দ্ৰই তেওঁক টুকুৰিয়াব খুজিলে।

'তেতিয়া হ'লে নাযাওঁ ভাই। হেঃ হেঃ...' ঢেক্‌ঢেককৈ হাঁহি ৰজনী বৰুৱা যাবলৈ উদ্যত হ'ল।

'ৰ'বাহে, ক'লৈ যোৱা? মহীচন্দ্ৰই মৃদু ধমকি এটা মাৰিলে, 'পাৰকেইটা মাৰি দি যোৱা। ঘৰত আলহী বুজিছা। অথনিৰে পৰা মানুহ বিচাৰি ফুৰিছোঁ। তোমাৰ গৰুটো তীৰ্থই চম্ভালিব দিয়া।'

'এঃ, ডেকা ল'ৰাটো লগত থাকোঁতে মোক আকৌ কিয় কৈছে মুহীকাই?'

'তীৰ্থই পাৰিলে মই আৰু তোমাক কওঁনে? তাৰ হেনো বেয়া লাগে।'

'বেয়া লাগে। হেৰৌ তীৰ্থ, আজিকালিৰ ডেকা ল'ৰাই মানুহ মাৰি ফুৰিছে। আজিও কোনোবা এজনক মাৰিলে টাউনত।' ৰজনীকান্তই তীৰ্থক মৃদু ভৰ্ৎসনা কৰিলে। তাৰ পাছতে সুৰ সলাই মহীচন্দ্ৰৰ পিনে চাই ক'লে, 'যোৱা তিথিত মই শৰণ ল'লোঁ নহয় মুহীকাই। এতিয়া আৰু এইচৰ নোৱাৰোঁ, বুজিছেই নহয়। ...হেৰি, গৰুটোৱে বৰ দিগদাৰ দি আছে। আৰৈ দিয়ক। বেয়া নাপাব। কাম এটা কৰক নহ'লে — বেজৰ তালৈকে যাওক।' এইবুলি অথনিৰে পৰা থিৰে নথকা গৰুটোক পথাৰে একোব দি ৰজনী বৰুৱা আগবাঢ়িল।

ইমান সময় ধেমালি-ফূৰ্তিৰে গম্‌গমাই থকা পৰিৱেশটো আকৌ আগৰ দৰে গোমা হৈ গ'ল। ৰজনী বৰুৱা যোৱা পিনে চাই মহীচন্দ্ৰই ধীৰ কণ্ঠে ক'লে, 'তুমিও যোৱা তীৰ্থ। দিন-কাল বেয়া। ঘৰত চিন্তা কৰিব।'

তীৰ্থই মহীচন্দ্ৰৰ দুৰ্দশাৰ বাবে নিজৰ দুৰ্বল, কোমল মনটোকে ধিক্কাৰ দিলে। লাজতে তাৰ ভৰি দুখন যেন মাটিত পোত খাই গৈছে। অলপ ইতস্ততঃ কৰি সি চাইকেলত উঠিল। গাঁৱৰ ওখ-চাপৰ বাটেটোৰে তীৰ্থৰ পুৰণি, ভগ্নপ্ৰায় চাইকেলখন কেঁকাই কেঁকাই আগবাঢ়ি গ'ল। আৰু তাৰ পিছে পিছে মন্থৰ গতিত আগবাঢ়ি গ'ল মহীচন্দ্ৰৰ ভগ্নপ্ৰায় বৃদ্ধ দেহাটো।

আগৰ কেঁকুৰিটো পাৰ হ'লেই গাঁওবুঢ়াৰ ঘৰ। মহীচন্দ্ৰৰ দৃঢ় বিশ্বাস যে তালৈ গ'লে নিশ্চয় কিবা এটা ব্যৱস্থা হ'ব। ৰাতিও বহুত হ'ল। ল'ৰাকেইটাৰ ভোক লাগিছে চাগৈ। লখিমীয়ে চিন্তা কৰিছে কিজানি। এইবোৰ কথা ভাবি তেওঁ অলপ বেগাই খোজ দিলে। ইতিমধ্যে তেওঁৰ যথেষ্ট ভাগৰ লাগিছিল। সেয়ে তেওঁ বেছি সময় বেগাই যাব নোৱাৰিলে। কেঁকুৰিটোৰ ওচৰ পাওঁতেই তেওঁৰ ভীষণ কাহ আৰম্ভ হ'ল। গাটোও হঠাতে বৰ বেয়া লাগি আহিল। উপায়বিহীন হৈ তেওঁ বাটতে বহি ফোঁপাবলৈ ধৰিলে। কিছু সময় বহি থকাৰ পাছত তেওঁ অলপ ভাল পালে। কিন্তু নিজৰ ওপৰতে তেওঁৰ বিতৃষ্ণা আৰু খং উঠিল। আৰু অকস্মাৎ তেওঁৰ গোটেইখিনি খং সেই পাৰকেইটাৰ ওপৰত পৰিলগৈ। মানুহক ইমান কাকুতি-মিনতি কৰাতকৈ নিজে মৰাই ভাল। খাওটোৰ পৰা মহীচন্দ্ৰই অস্থিৰভাৱে একণীয়া পাৰটোকে উলিয়াই আনিলে। কিন্তু নাই, পাৰটোৰ অকমানি বগা দেহাটো আৰু তাৰ মৰমলগা সৰু সৰু চকু দুটা দেখি সদায় বেয়া লগাৰ দৰে আজিও তেওঁৰ বেয়া লাগি গ'ল। যেনেকৈ বৰ অস্থিৰভাৱে তেওঁ খাওটোৰ পৰা পাৰটো উলিয়াই আনিছিল, ঠিক তেনেকৈয়ে আকৌ পাৰটো তাতে সুমুৱাই থ'লে। টৰ্চটো নুমুৱাই তেওঁ লাহেকৈ থিয় হ'ল।

দূৰৈত দুই-এটা জুপুৰিৰ টিমিক্‌-টামাক্ পোহৰৰ বাহিৰে আঁউসীৰ নিচ্ছিদ্ৰ আন্ধাৰ। চাৰিওপিনৰ ঘন জাৱণি, বাঁহনি আৰু নৈঃশব্দ্যই ৰাতিটোক আৰু জয়াল কৰি তুলিছে। নিশাৰ এই বিশাল নীৰৱতাৰ মাজত মহীচন্দ্ৰই নিজকে বৰ অকলশৰীয়া অনুভৱ কৰিলে। এনেতে সোঁ-সোঁৱাই অহা বতাহ এজাকত বাঁহে বাঁহে ঘঁহনি খাই অদ্ভুত শব্দ হ'ল। চক্ খাই তেওঁ ওচৰৰ বাঁহনিডৰাৰ পিনে চালে। সেইখিনিতে গোটেই আন্ধাৰখিনি যেন গোট মাৰিছে। গাঁওবুঢ়াৰ ঘৰৰ পৰা সন্ধিয়া সদায় এই বাটেৰেই মহীমাষ্টৰ ঘৰলৈ ওভতে। তথাপি আজি যেন তেওঁৰ গাটো কিবা অচিন ভয়ত শিয়ৰি উঠিল। বাঁহনিৰ তলসৰা পাতবোৰ খৰ্‌খৰাই উঠা যেন পালে। আৰু অকস্মাৎ নিশাৰ সকলো নিস্তব্ধতা বিদাৰি তাৰ পৰা এক অদ্ভুত চেপা কান্দোনৰ সুৰ ভাহি আহিল। কৃত্ৰিম কাহ এটা মাৰি মহীচন্দ্ৰই কেইখোজমান পিছুৱাই নিম্ন, ভীত স্বৰত ক'ব নোৱৰাকৈয়ে কৈ উঠিল, 'কোন?'

লগে লগে কান্দোনৰ শব্দটো বন্ধ হৈ গ'ল আৰু তেওঁৰ প্ৰশ্নৰ উত্তৰত সৰাপাতবোৰ আকৌ খৰ্‌খৰাই উঠিল। সাহ কৰি মহীচন্দ্ৰই বাঁহ গছৰ গুৰিলৈ টৰ্চৰ পোহৰ

মাৰি পঠিয়ালে। আচৰিত হৈ তেওঁ দেখিলে, বাঁহনিৰ মাজত বহি বেঙাই কান্দি আছে; কিন্তু কান্দোনৰ কোনো শব্দ নাই, অদ্ভুত বোবা সেই কান্দোন। মুহূৰ্তৰ বাবে হতভম্ব হৈ মহীচন্দ্ৰ কেইখোজমান আগুৱাই গ'ল। বেঙাৰ নাকে-মুখে তেজ গোট মাৰি ক'লা হৈ গৈছে। কপালত এটা গভীৰ ক্ষত। আৰু মুখখনো ফুলি গৈছে অদ্ভুত ধৰণে। বেঙাই তাৰ পিংগল চকু দুটা কোনোমতে মেলি জ্বলি থকা টৰ্চটোৰ পিনে কেইমুহূৰ্তমানৰ বাবে অৰ্থশূন্যভাৱে চাই ৰ'ল। তাৰ পাছতে হঠাতে তীক্ষ্ণ চিএৰ এটা মাৰি সি বাঁহনিৰ মাজেৰে দৌৰিবলৈ আৰম্ভ কৰিলে আৰু নিমিষতে আন্ধাৰত অদৃশ্য হৈ গ'ল।

বেঙাৰ এনে আচহুৱা আচৰণত মহীচন্দ্ৰই থতমত খালে। গোটেই ঘটনাটো তেওঁৰ এটা দুঃস্বপ্নৰ দৰে লাগিল। কি হৈছে বেঙাৰ? কোনোবাই তাক মাৰিলে নেকি? এনেকৈয়ে বা সি দৌৰিলে কিয়? মুখত টৰ্চ মৰাৰ বাবে সি তেওঁক ধৰিব নোৱাৰিলে নেকি? ইত্যাদি প্ৰশ্নবোৰে মহীচন্দ্ৰৰ মনত প্ৰবলভাৱে ঘূৰা-পকা কৰি থাকিল আৰু টোপনিত খোজ কঢ়া মানুহৰ দৰে কেতিয়া তেওঁ গাঁওবুঢ়াৰ ঘৰ পালে ক'বকে নোৱাৰিলে।

গাঁওবুঢ়াৰ ঘৰ পাই মহীচন্দ্ৰই দেখা পালে চোতালত বহুত মানুহ। জুইৰ চাৰিওপিনে বহি মানুহবোৰে ভুনভুনকৈ কথা পাতিছে। তেওঁক দেখাৰ লগে লগে সিহঁতৰ ভুনভুননি বন্ধ হৈ গ'ল।

মহীচন্দ্ৰৰ থমথমীয়া, চিন্তিত মুখখন দেখি গাঁওবুঢ়াই আথে-বেথে ওচৰৰ পীৰাখন তেওঁলৈ আগুৱাই দি ক'লে, 'কিবা অথন্তৰ হ'ল নেকি মাষ্টৰ? ফোঁপাই-জোপাই এই ৰাতিখন? আহি পিছে ভালেই কৰিলা। মই তোমাৰ কথাকে ভাবি আছিলোঁ।'

'অথন্তৰ নহয় নো কি? অথনিবে পৰা... এই পাৰ তিনিটা মৰাবলৈ মানুহ বিচাৰি হাবাথুৰি খাইছোঁ। চৰৰে... কিবা নহয় কিবা অসুবিধা। হেৰি ...প্ৰথমতে সেই ...বেঙাৰ তাতে সোমালোঁ। ঘৰত নাই... টাউনলৈ গৈছে। ...আহি আহি তাকে আকৌ সেইখিনিতে পালোঁ। ...বাঁহনিৰ মাজত বহি কান্দি...।'

'ইচ, নক'বাহে। নিৰ্দোষী ল'ৰাটোক আৰ্মিয়ে বৰ বেয়াকৈ মাৰিলে নহয়। হোজা গএৰ বেলিকাহে সিহঁতৰ বল। খৰ্গেশ্বৰ আহিছিল অলপ আগতে। তাৰ পৰাই চব শুনিলোঁ। তুমি বাৰু আজিৰ ঘটনাটো শুনিছা নে নাই?'

'এই অলপ আগতে শুনিলোঁ। কিন্তু বেঙা আকৌ এইবোৰত... কেনেকৈ সোমালগৈ?' মহীচন্দ্ৰ অধৈৰ্য হ'ল।

গাঁওবুঢ়াই কিবা কোৱাৰ আগতে জুমৰ মাজৰ পৰা জীৱন মহৰীয়ে বৰ আগ্ৰহেৰে ডিঙিটো মহীচন্দ্ৰৰ পিনে আগুৱাই অনুচ্চস্বৰে ক'লে, 'পগলাটোৰ কথানো কি ক'ব স্যৰ! ঘটনাটো ঘটাৰ লগে লগে মানুহ পলাই পত্ৰং দিলে, আৰু মূৰ্খকটো তাতে থাকিল। প্ৰথমতে ইয়াক হেনো হিন্দীতে কিবা-কিবি সুধিছিল। সি অসমীয়াই ভালকৈ ক'ব নোৱাৰে, হিন্দীনো কেনেকৈ কব? সেইটোৱেই তাৰ কাল হ'ল। তাক হেনো বন্দুকৰ কুন্দাৰে মাৰিলে, বুট জোতাৰে গুৰিয়ালে। বহুত পাছতহে বেঙা কুলি গম পাই এৰি দিলে বিজানি!'

মহবীৰ কথাখিনি শুনি মহীচন্দ্ৰ শিয়ৰি উঠিল। বেঙাক আৰ্মিয়ে নিৰ্মমভাৱে মৰা দৃশ্যটো তেওঁ যেন চকুৰ আগতে দেখা পালে ঃ আৰ্মিয়ে বন্দুকৰ কুন্দাৰে কোবোৱাৰ লগে লগে সি মাটিত বাগৰি পৰিল; সকলোৱে তাক বুটেৰে গুৰিয়াবলৈ ধৰিলে। সিহঁতৰ অকথ্য গালি-শপনি, বেঙাৰ চিঞৰ-বাখৰ, আনকি তাৰ অস্থিৰ, দ্ৰুত শ্বাস-প্ৰশ্বাসৰ শব্দও মহীচন্দ্ৰৰ কাণৰ ওচৰেদি বাগৰি গ'ল। আৰু ক'ব নোৱাৰাকৈ মহীচন্দ্ৰই কৈ উঠিল, 'ইচ! মানুহে মানুহক এনেকৈ মাৰিব পাৰেনে? আৰু অলপ হ'লে ল'ৰাটো মৰিয়েই গ'লহেঁতেন কিজানি। আমাৰ বিপ্লৱীকেইটা ক'ত আছিল তেতিয়া? কাম এটা কৰি সিহঁতে পলাই পত্ৰং দিব, আৰু মৰিব হোজা গএল।'

আজি কিছুদিনৰ পৰা মহীচন্দ্ৰ উগ্ৰপন্থী সংগঠনৰ হিংসামূলক কাৰ্য-কলাপত তিক্ত-বিৰক্ত হৈ পৰিছিল; সেয়ে পাছৰ পিনে তেওঁৰ গোটেই খঙটো গৈ পৰিল সেই সংগঠনৰ ল'ৰাকেইটাৰ ওপৰত। বহিৰ খুজিও বৰ অস্থিৰভাৱে তেওঁ পীৰাখন আঁতৰাই থিয় হ'ল।

'বহাচোন মাষ্টৰ, ক'লৈ যোৱা? কথা আছে তোমাৰ লগত।' গাঁওবুঢ়াও আঁঠুত ভৰ দি থিয় হ'ল। তেওঁলোক থিয় হোৱাৰ লগে লগে উপস্থিত ৰাইজ সজাগ হৈ পৰিল। এটা অৰ্থ ঘন, ৰহস্যময় ইংগিত তেওঁলোকৰ চকুৱে চকুৱে বাগৰিবলৈ ধৰিলে।

'নাই; এতিয়া আৰু নবহোঁ। মাতাচোন কোনোবা এটাক। পাৰকেইটা মৰাই লৈ যাওঁ। ঘৰত আলহী।'

'ৰ'বাচোন। গোবিন পিছপিনে খৰি আনিবলৈ গৈছে; আহিব এতিয়াই। আহাচোন এইফালে, কথা আছে তোমাৰ লগত।' এই বুলি গাঁওবুঢ়াই বৰ অন্তৰংগভাৱে মহীচন্দ্ৰক অলপ আঁতৰলৈ মাতি লৈ গ'ল।

'কি কথানো? কোৱাচোন সোনকালে।' মহীচন্দ্ৰই তাগিদা দিলে।

একো নকৈ গাঁওবুঢ়াই মহীচন্দ্ৰৰ মুখলৈ বৰ অসহায় হৈ চাই ৰ'ল। তেওঁ যেন কথা ক'বলৈ বৰ ইতস্ততঃবোধ কৰিছে।

'কি হ'ল কোৱা।' এইবাৰ মহীচন্দ্ৰ অলপ বিৰক্ত হ'ল।

'হেৰি নহয়, এই সংগঠনৰ ল'ৰাকেইটাক সোনকালে ভাতকেইটা খুৱাই ৰাতিটোৰ ভিতৰতে পঠিয়াই দিয়াগে। আজি ৰাতিয়েই গাঁৱত আৰ্মি সোমাব।' গাঁওবুঢ়াৰ কণ্ঠত উৎকণ্ঠা, বিপদ আৰু ভয়ৰ সুৰ স্পষ্ট হৈ উঠিল।

তেওঁৰ কথা শুনি মহীচন্দ্ৰৰ খং উঠিল। আজিকালি ৰাতি আলহী অহা বুলি শুনিলে বহুতে আকৌ উগ্ৰপন্থী সংগঠনৰ ল'ৰাই আশ্ৰয় লোৱা বুলি ভাবে। অৱশ্যে গাঁৱত এইবোৰ একেবাৰে নোহোৱা-নোপোজা কথাও নহয়। সেয়ে ধৈৰ্য সহকাৰে মহীচন্দ্ৰই তেওঁৰ কৌতূহলৰ অৱসান ঘটাবলৈ যত্ন কৰিলে, 'নহয়হে, সোণটি আহিছে। লগত একে হোষ্টেলৰ বন্ধু দুজন।'

'তোমাৰ ল'ৰা কেতিয়াবাই সংগঠনত সোমাল নহয় মাষ্টৰ।' গাঁওবুঢ়াই লাহেকৈ শুনা-নুশুনা মাতেৰে কওঁ-নকওঁকৈ কথাখিনি ক'লে।

কি কোৱা হে?' অবিশ্বাস, বিস্ময় আৰু উত্তেজনাত মহীচন্দ্ৰৰ ভাগৰুৱা, দুৰ্বল কণ্ঠস্বৰ অস্বাভাৱিকভাৱে তীক্ষ্ণ হৈ পৰিল। সোণটি এই গাঁৱৰ গৌৰৱ; তাৰ দৰে নম্ৰ, শান্ত ল'ৰা ওচৰৰ সাত গাঁৱত বিচাৰিলেও পোৱা নাযাব। ইমান ডাঙৰ হ'ল সি, কিন্তু আজিলৈকে তাৰ কাৰণে কাৰো পৰা এবাৰ কথা শুনিবলগীয়া হোৱা নাই। হতবাক হৈ মহীচন্দ্ৰই গাঁওবুঢ়াৰ পিনে চাই ৰ'ল।

আন্ধাৰ আৰু অস্বস্তিকৰ নীৰৱতাৰ মাজেদি কেইটামান দীঘলীয়া মুহূৰ্ত পাৰ হৈ গ'ল। গাঁওবুঢ়াই শেষত নীৰৱতা ভাঙি ধীৰ আৰু দ্বিধাগ্ৰস্ত কণ্ঠেৰে ক'লে, 'কথাটো ইমানদিনে ঘুনুক-ঘানাকহে শুনি আছিলোঁ। আজিৰ ঘটনাটোত সোণটিও আছে যেতিয়া, তোমাক নক'লেও নহয়।'

গাঁওবুঢ়াৰ কথাকেইটাই মহীচন্দ্ৰৰ কাণত যেন তপত সীহ ঢালি দিলে। তথাপি সেই শব্দকেইটাৰ মাজত থকা আওপুৰণি আন্তৰিকতাৰ সুৰটো মহীচন্দ্ৰৰ কাণত ধৰা নপৰাকৈ নাথাকিল। এইবোৰতো তেওঁ সাজি কোৱা কথা নহয়।

'কোনে কৈছে তোমাক? কাৰ পৰা শুনিলা কোৱা।' অদ্ভুত এক চেপা সুৰত তেওঁ কৈ উঠিল।

মহীচন্দ্ৰৰ প্ৰতিক্ৰিয়াত গাঁওবুঢ়াই থত্‌মত্ খালে। সংবাদৰ উৎস তেওঁ ক'ব খোজা নাছিল যদিও বাল্যবন্ধুৰ অস্থিৰতাত তেওঁৰ সকলো প্ৰতিৰোধ শিথিল হৈ গ'ল। অপৰাধীৰ দৰে তলমূৰ কৰি তেওঁ ক'লে, 'গুলীয়াবৰ সময়ত বেজৰ ওচৰত আছিল নহয়। সি বোলে উগ্ৰপন্থী ল'ৰাকেইটাৰ লগত সোণটিকো দেখা পালে। উভতি আহোঁতেহে সি খৰ্গেশ্বৰক কথাটো ক'লে। খৰ্গেশ্বৰে আকৌ অলপ আগতে ...অৱশ্যে তাৰ কথা...।' গাঁওবুঢ়াৰ খোকোজা লাগিল।

খৰ্গেশ্বৰৰ নাম শুনাৰ লগে লগে মহীচন্দ্ৰৰ পুৰণি অপমানৰ জ্বালাটোৱে উক দিলে। পুতেকৰ প্ৰতি মুহূৰ্তৰ বাবে উদয় হোৱা অবিশ্বাসৰ সলনি এটা কুৎসিত ষড়যন্ত্ৰৰ সম্ভাৱনাই তেওঁৰ পৰিশ্ৰান্ত মগজটো উতলাই পেলালে। তেওঁৰ তালুৰ পৰা ভৰিলৈকে উষ্ণ প্ৰবাহ বৈ গ'ল আৰু তেওঁ সকলো সংযম হেৰুৱাই পেলালে, 'এতিয়া বুজিছোঁ, এইবোৰ খৰ্গেশ্বৰে ৰটাইছে। চালা বদমাচ! চোৰৰ পুতেক! গোলামৰ সঁচ! সোণটিক টাডাত পেলাই বং চাবৰ মন? তুমিও সেই মদাহীটোৰ কথা বিশ্বাস কৰিছা? মোৰ ল'ৰাই আন কিবা কৰিলেও হত্যা কৰিব নোৱাৰে, সেইটো ঠিক জানিবা। যাওঁ মই।' এইবুলি এখী চাদৰখন অস্থিৰভাৱে গাত মেৰিয়াই লৈ মহীচন্দ্ৰ খৰতে কোবাকুবিকৈ বাটলৈ ওলাই আহিল।

মহীচন্দ্ৰৰ হিলে ফুটা দি ফুটা শব্দৰ বিস্ফোৰিত গাঁওবুঢ়াই অলপ লাজ পালে। এৰা, হয়তো; মদাহীটোৰ কি ঠিক। সি কথাবোৰ সাজি সাজিয়েই ক'লে নেকি? তদুপৰি বেজ ল'ৰাটোৰ কথাতেই বা কি ভৰসা। কি বা দেখিছে, কি বা কৈছে, খৰ্গেশ্বৰেই বা কি বুজিছে? ক্ৰমে ঘটনাটোৰ সত্যতা সম্পৰ্কে তেওঁৰো সন্দেহ ওপজিল। কিন্তু গাঁওবুঢ়াই মহীচন্দ্ৰক পিছপিনৰ পৰা মাতিবলৈ সাহস নকৰিলে। মহীচন্দ্ৰৰ অস্থিৰ পদশব্দ ক্ৰমশঃ মিলিত

আন্ধাৰত মিলি যোৱাৰ লগে-লগে এক মুহূৰ্তৰ বাবে গাঁওবুঢ়াৰ চোতাল কাঁহ পৰি ক্ষীণ যোৱাৰ দৰে হ'ল; কিন্তু পাছমুহূৰ্ততে আকৌ বাইজৰ গুণগুণনিত উষ্ণ হৈ উঠিল।

গুণগুণনি মহীচন্দ্ৰৰ বুকুতো। নিজৰ ভিতৰতে বিশ্বাস-অবিশ্বাসৰ গুণগুণনি। সোণটি উগ্ৰপন্থী সংগঠনত সোমোৱা নাইতো? বৰ আবেগিক নহয় সি। কি ঠিক? পঢ়িবলৈ গৈ সংগঠনৰ লগত ঘনিষ্ঠতা হ'ল কিজানি। নাই নাই, তাৰ দৰে শান্ত, ভয়াতুৰ ল'ৰাই কেতিয়াও মানুহ মাৰিব নোৱাৰে। তেতিয়া হ'লে খৰ্গেশ্বৰে ক'লে কিয়? পুৰণি শত্ৰুতা? দুশ্চিন্তা আৰু অশান্তিয়ে তেওঁৰ শান্তিপ্ৰিয় মনটোক কুট্‌কুটাই কামুৰি থাকিল।

এইবোৰ কথা ভাবি ভাবি মহীচন্দ্ৰ কোনোমতে ঘৰ পালে। নঙলামুখত লখিমী আগৰ দৰেই বৈ আছিল। তেওঁক দেখা পোৱাৰ লগে লগে লখিমীয়ে চিঞৰি উঠিল, 'ইমান দেৰি কৰিলে? সোণটিয়ে আপোনাক চাবলৈ অস্থিৰ হৈ আছে। অথনিৰে পৰা এই ৰাতিখন দেউতাক কিয় পঠালা বুলি মোক বকি আছে।'

মহীচন্দ্ৰই ঘৈণীয়েকৰ প্ৰশ্নৰ একো উত্তৰ নিদি ভিতৰলৈ পৰিশ্ৰান্ত খোজেৰে সোমাই গ'ল। পিৰালিৰ চুকত খাণ্ডটো থৈ তেওঁ ধীৰ কণ্ঠেৰে সুধিলে, 'সোণটি ক'ত?'

'ঘৰতে আছে। ইমান সময় সি বাহিৰতে বৈ আছিল। এইমাত্ৰ আপোনাক বিচাৰি যাওঁ বুলি গৰম কাপোৰ পিন্ধিবলৈ সোমাইছে।'

লখিমীৰ কথাত মহীচন্দ্ৰৰ সংকল্পবদ্ধ কঠিন মনটো দুৰ্বল হৈ পৰিল। কিমান দিন দেখা নাই তাক। সোণটিক এপলক চাবলৈ তেওঁৰ মনটো হঠাতে বৰ ব্যগ্ৰ হৈ পৰিল। ধূসৰ চকুহাল মেলি বৰ অস্থিৰভাৱে তেওঁ বৰঘৰৰ জপনাৰ পিনে চালে। লখিমীয়ে গিৰিয়েকৰ মনৰ কথা বুজি পাই বৰঘৰৰ পিনে আগবাই গ'ল। আৰু পিৰালিত থোৱা হাৰিকেনৰ পোহৰটো অলপ বঢ়াই দি তেওঁ চিঞৰিলে, 'সোণটি, দেউতাৰা আহিছে।'

মতাৰ লগে লগে জপনাখন মেলি উজ্জ্বল হৈ সোণটি ওলাই আহিল। খালি গা, পিন্ধনত লংপেণ্ট। সম্ভৱতঃ দেউতাকৰ মাত শুনি কাপোৰ আধা পিন্ধাকৈয়ে ওলাই আহিছে। মহীচন্দ্ৰই মন কৰিলে যথেষ্ট খীণাইছে সি। তাৰ পিছে পিছে তাৰ নিচিনা খীণ-মীন ডেকা ল'ৰা দুটা ওলাই আহিছে।

দেউতাকক সেৱা কৰি উঠি তেওঁৰ শেঁতা পৰা পৰিশ্ৰান্ত মুখখন দেখি সোণটিয়ে বন্ধ, অভিমানমিশ্ৰিত কণ্ঠেৰে ক'লে, 'এই অসুখীয়া গাৰে কিয় ওলাই গৈছিলা দেউতা? আজি দাইল-ভাত খালেওতো হ'লহেঁতেন।'

মহীচন্দ্ৰৰ গাটো ক্ৰমে বেয়া লাগি আহিছে। তথাপি শুকান হাঁহি এটা মাৰি তেওঁ ক'লে, 'অ, আজি দাইল-ভাতেই খাব লাগিব। উপায় নাই। পাৰকেইটা মৰাব নোৱাৰিলোঁ। কিমান ঠাইলৈ গ'লোঁ, কিমানক ক'লোঁ...।' মহীচন্দ্ৰই কথাষিনি শেষ কৰিব নোৱাৰিলে। অকস্মাতে তেওঁৰ কাহ আৰম্ভ হ'ল আৰু কাহৰ লগে লগে থেকাৰো উজাই আহিবলৈ ধৰিলে। লখিমীয়ে দৌৰি গৈ তেওঁৰ বুকুখন মোহাৰিবলৈ ধৰিলে।

সোণটিয়ে মাকৰ পিনে চাই ক'লে, 'দেউতাচোন কেনেকৈ কাহিছে। অসুখীয়া গাৰে কিয় ওলাই যাব লাগে এই ঠাণ্ডাত? দেউতা আৰু সলনি নহ'ল। ময়েতো পাৰোঁ

পাৰকেইটা মাৰিব। কিয় লোকক খাটিব লাগে।' এইবুলি সোণটিয়ে মুখটো ঘূৰাই ইফালে-সিফালে খাণ্ডটো বিচাৰিবলৈ ধৰিলে। পিৰালিৰ চুকত খাণ্ডটো দেখা পাই দ্রুতগতিত সি সেইটো চোতাললৈ দাঙি আনিলে। তাৰপাছত সি পাৰকেইটা এটা এটাকৈ উলিয়াই দুই হাতেৰে মূচৰি মূচৰি মাৰিবলৈ ধৰিলে।

মহীচন্দ্ৰৰ চকুৰ আগতে পাৰকেইটা থপ্‌থপ্‌কৈ মাটিত পৰিল। তেওঁ দেখিলে হাৰিকেনৰ ক্ষীণ পোহৰতো সোণটিৰ চকুদুটা অদ্ভুতভাৱে জ্বলিছে। তেওঁৰ মুখটো আচন্দ্ৰাই কৰি উঠিল, ভৰিৰ তলৰ মাটি কঁপিবলৈ ধৰিলে। জঠৰ হৈ তেওঁ পুতেকৰ বজা, অচিনাকি চকুহাললৈ চাই ৰ'ল।

যাত্ৰা

দীঘল উকি এটা মাৰি ৰঙা পেচেঞ্জাৰ ৰেলখন হুৰহুৰাই বাঁহবাৰী ষ্টেচনত সোমাবাৰ লগে লগে চাৰিওপিনে হুলস্থূল লাগি গ'ল। নানা ধৰণৰ ধাতৱ শব্দ, যাত্ৰীসকলৰ অহেতুক খৰখেদা, কোলাহল আৰু ফেৰিৱালাৰ আচহুৱা চিঞৰ-বাখৰত নিতাল মাৰি থকা সৰু ষ্টেচনটো হঠাতে সাৰ পাই উঠিল।

গাৰ ওচৰতে থমকি ৰোৱা তৃতীয় শ্ৰেণীৰ ডবাটোৰ দুৱাৰমুখত যুলবানুৰ পিছে পিছে ৰাবেয়াই ল'ৰা-ঢপৰাকৈ খৰিৰ বোজা কেইটামান উঠালে। আৰু উঠোৱাৰ লগে লগেই গাড়ীৰ যাত্ৰীসকল চিঞৰি উঠিল, ' ইয়াত আকৌ খৰি-চৰি কিয় ? নমা, নমা। বেলেগ ঠাইলৈ যা।'

দুৱাৰৰ কাষত ভেজা দি থিয় হৈ থকা বিটল জোতা পিন্ধা চেঙেলীয়া ল'ৰা এজনে একেবাৰে সস্তীয়া হিন্দী ছিনেমাৰ হিৰোৰ কায়দাত গুৰিয়াই তাইৰ দুবোজামান খৰি তলত পেলায়েই দিলে। কিন্তু ৰাবেয়াই বা এৰি দিব কিয়? এইয়া হ'ল চৰকাৰৰ ট্ৰেইন; ক'বলৈ গ'লে আমাৰ গাড়ী। যাত্ৰী সৰহভাগ তাইৰ দৰেই টিকেটবিহীন।

'ওই চেংৰা, খৰি পেলালু কেনে?' দপ্‌দপাই উঠিল তাই।

'কি হৈছে? টিকেট আছে টিকেট?'

'এই তুই কাইৰে, টিটি নেকি? তোৰ টিকিট আছে, হাচ্‌তে দেখতো জেপত?' অদ্ভুত নাটকীয় ভংগীত গাটো নচুৱাই ৰাবেয়াই কৈ উঠিল।

তাইৰ প্ৰশ্নত ল'ৰাজনে থত্‌মত্‌ খালে; লাজো পালে অলপ। সেয়ে মুখখন ঘূৰাই ভোৰ্‌ভোৰালে, 'দুইটকাৰ মাইকী, বৰ বৰ কথা।'

'মুখত লাগাম বান্ধিসবে চেংৰা। মোৰ নাম ৰাবেয়া। মোৰ মুখ খুললে এলা লেংটি তুলি দৌৰ মাৰবু। তুই টিকিট কাটিস? ওইদিন টিটিক দেখা পায়া না পায়খানাত সোন্দালু?' ৰাবেয়াই তাইৰ আটিল, মেহনতী শৰীৰটোৰে লেতেৰা শাৰীখন মেৰিয়াই দুখোজমান আগবাই আহিল।

তাইৰ ৰণচণ্ডী মূৰ্তিত লেউ-সেউ হৈ ল'ৰাজন বেকাৰ এচুকত সেমেনা-সেমেনিকৈ বহিলগৈ। আন যাত্ৰীসকলেও তাইৰ লাউপাত্ত্ব কচুপাত মুখখন দেখি মনে

মনে থাকিল। মাথোঁ খিৰিকীৰ ওচৰত 'আনন্দ বাজাৰ পত্ৰিকা'-ত মুখ গুজি থকা বঙালী ভদ্ৰলোকজনে খন্তেকৰ বাবে মুখখন তুলি বিৰক্তিৰে ক'লে, 'আহ্হা। হেৰা, হেৰা, আহিবলৈ দিয়াহে। ওৰা তো ওই কৰেই খায়।' তাৰ পাছত ৰাবেয়া আৰু ফুলবানুক উদ্দেশ্য কৰি শাসনৰ ভংগীত ক'লে, 'ওই, একদম হাল্লা কৰবি না, চুপ-চাপ যাবি।'

দুৱাৰৰ কাষৰ সংকীৰ্ণ কৰিড'ৰটোত খৰিৰ বোজা, বাকচ, টোপোলা আদিৰ মাজত পোত খাই দুলালীয়ে ভেবা লাগি নাটকখন চাই আছিল — বাঃ, ৰাবেয়ামাহীৰ তেজ কম নহয়। টাউনীয়া ল'ৰাক একেবাৰে পেপুৰা লগাই দিলে। ইমানদিনে তেওঁ মাহীয়েকৰ মুখখন গাঁৱৰ চাৰিসীমাৰ ভিতৰত মেল খাই বুলি ভাবিছিল। পিছে আজিহে বুজিলে মাহীৰ জিভাখন দুফালে ধাৰ থকা কটাৰীৰ দৰে — ইফালেও কাটে, সিফালেও কাটে। কোনে ক'ব এইজনী ৰাবেয়াই সেইজনী! গিৰিয়েকে তালাক দিয়াৰ তিনিবছৰৰ ভিতৰতে কিমান যে সলনি হৈ গ'ল মানুহজনী।

সিদিনাখনৰ কথা দুলালীয়ে কেতিয়াও পাহৰিব নোৱাৰে। ৰাবেয়াৰ গিৰিয়েক হান্নানে কেৰামত মৌলবীক জিয়াফত কৰিছিল ঘৰৰে হাঁহ এজনী জবাই কৰি। পাকঘৰতে মাহীয়েকৰ গাৰ ওচৰতে বহি লৈ দুলালীয়ে লাচনি-পাচনিখিনি কৰি আছিল। আৰু বেৰৰ ইফালে শোৱা কোঠালিটোত বহি মগৰিবৰ নামাজৰ পাছৰে পৰা ইছাৰ নামাজৰ আগলৈকে নানা ধৰণৰ ধৰ্মীয় কথাৰ মহলা মাৰি তেওঁলোকে আজৰি সময়খিনি পাৰ কৰি আছিল। প্ৰথমতে ঈশ্বৰৰ প্ৰতি বিশ্বাস নথকা বে-নামাজি কাফেৰহঁত নৰকত কি ভয়ানক শাস্তিৰ সন্মুখীন হ'ব তাকে মৌলবী চাহাবে হান্নানক 'বয়ান' কৰি আছিল। কিন্তু ক্ৰমেই তেওঁলোকৰ আলোচনা দোজখৰ বৰ্ণনাৰ পৰা নামাজ-ৰোজা, হজ-জাকাত, ছৰিয়ত-হদিছ, হাৰাম-হালাল, হায়েজ-নাফেছ, জানাজা-কেয়ামত হৈ বেহেস্ত্ পালে আৰু বেহেস্তৰ অপৰূপা হুৰসকলৰ ৰূপ বৰ্ণনাতে মছগুল হৈ পৰিল। ইকবাৰ বেৰৰ ফাঁকেদি ভাহি আহিল কেৰামত মৌলবীৰ উল্লাসিত কণ্ঠস্বৰ, 'আৰে হান্নানভাই শোনেন। হাদিছত আছে 'মা লা আয়নুৰ ৰায়াতুঁও ৱালা উজোনুন ছামায়ত' অৰ্থাৎ হুৰেৰ এমন ৰূপ কাইও চোখ দিয়া দেখেও নাই, কান দিয়া শোনেও নাই। আল্লাহ-তাআলা ইনচানক বানাইছে মাটি দিয়া আৰ হুৰক বানাইছে সুগন্ধী মেস্ক, জফৰান, কস্তুৰী দিয়া। আহ্হাৰে, তাহালে ভাবেন কেমন খুবচুৰত হইবে। আৰে, মানুষেৰ কথা বাদ দেন বাহে, একবাৰ স্বয়ং জিব্ৰাইল আলায়েহেচ্ছালামাই বেহস্তী হুৰক দেখিয়া অজ্ঞান হয়া গেছিল।'

'মৌলবীসাব, পৰকালত একজন ইমানদাৰ মোছলমান কয়জন কৰি এমন খুবচুৰত হুৰ পাইবে? কেতাবত কি লেখা আছে?'

'হাদিছত আছে নিজেৰ বিবাহিত স্ত্ৰীৰ ওপৰে সত্তৰজন কৰি হুৰ পাইবে। দুনীয়াৰ স্ত্ৰীৰ থাকি সত্তৰগুণ বেশী আনন্দ ...।'

'আৰে বাদ দেন দুনীয়াৰ স্ত্ৰীৰ কথা। স্বামীক সুখ দিবেৰ জানে নেকি দুনীয়াৰ

স্ত্ৰী? যত সব বেহায়া, বেয়াদব...।' বিৰক্তি আৰু ঘৃণাত হান্নান সাপৰ দৰে হিচ্‌হিচাই উঠিল। কিন্তু পাছমুহূৰ্ততে সুৰ মোলায়ম কৰি মৌলবীক ক'লে, 'বাইৰে আসেন মৌলবীসাব। ওজুটা সাৰি নেন তাড়াতাড়ি, নামাজেৰ সময় হইল বোধহয়।'

খৰখৰকৈ বাহিৰলৈ ওলাই আহি পিৰালিৰ চুকত অজু কৰা বদনাটোত পানী নেদেখি দুলালীৰ মহায়েকে চিঞৰি উঠিল। আৰু তাৰ লগে লগে হবৰ সুকজনাত মজি থকা তেওঁৰ কামনা-বিভোৰ চকুহালত বাবেয়াৰ কুৎসিত, দাঁত উচলা, ক'লা চেহেৰাটো ভাহি উঠাত চিঞৰটোৱে পাছৰ পিনে অবাইছ গালিৰ ৰূপ ল'লে।

দৰাচলতে সদায়ে কণী পৰা হাঁহজনী বৰ প্ৰিয় আছিল বাবেয়াৰ। দিনটো পাছপিনৰ ডোবাটোত সাঁতুৰি-নাদুৰি থাকিলেও তাই 'তৈ, তৈ আহ্ আহ্' বুলি মাতিলে হাঁহজনী থপথপাই দৌৰি আহিছিল। কেতিয়াবা কিবা খোৱাৰ আশাত বাবেয়াৰ পাছে পাছে গোটেই চোতালখনতে ঘূৰি ফুৰিছিল। সেয়ে হাঁহজনী জবাই কৰোঁতে সন্ধিয়াৰে পৰা তাইৰ মনটো ভিতৰি ভিতৰি মৰি আছিল। সেইবাবেই হ'বলা সময় মতে অজুৰ পানী দিবলৈ পাহৰিলে। যি কি নহ'ক। গিৰিয়েকৰ চিঞৰত তৎ হেৰুৱাই লৰালৰিকৈ পাকঘৰৰ পৰা ওলাই বদনাটো ল'বলৈ যাওঁতেই আন্ধাৰত কেনেবাকৈ মৌলবীৰ গাতে তাই খুন্দা খালে। এইবাৰ সদায়ে কৰা কামটো হান্নানে মৌলবীৰ সন্মুখতে কৰিলে। 'বেহায়া, বেপৰ্দা আওৰত বুলি চিঞৰি উঠি অজু কৰা বদনাটোৰে তাইক মাৰিবলৈ ধৰিলে। মাৰৰ কোবত তাইৰ সন্মুখৰ দাঁত এটা ভাগিয়েই পৰিল। লগে লগে গোটেই মুখখন তেজেৰে ৰাঙলী হৈ গ'ল। বাবেয়া কিন্তু আগৰ দৰেই নীৰৱ। দাঁত ভগা ৰক্তাক্ত মুখখনৰে সৈতে চল্‌চলীয়া চকুহাল মুৰত কাপোৰ দিয়াৰ ছলেৰে ঢাকি লৈ বদনাটো লৈ গৈছিল সেই কুঁৱাৰ পিনে।

পাকঘৰৰ বেৰৰ ফুটাৰে এই দৃশ্যবোৰ দেখি দুলালী ভয়তে বিবৰ্ণ হৈ গৈছিল। দৌৰি যেন ঘৰলৈ পলাই যাব এনে লাগিছিল তাইৰ। পিছে মাহীয়েকক এৰি তাইৰ আৰু ঘৰলৈ যোৱা নহ'ল। ওৰে নিশাটো কিছু অবৰ্ণনীয় অত্যাচাৰৰ সাক্ষী হৈ শুবলৈ পাৰি লোৱা ৰক্তাখনতে তাই বহি থাকিবলগীয়া হ'ল।

ঢলফাট দিয়াৰ আগে আগে হান্নানে ফজৰৰ নামাজ পঢ়িলে আৰু ধীৰ পদক্ষেপেৰে বা-মাৰলিৰে জুৰুলা কৰি পেলাই যোৱা শীৰ্ণ গছ এজোপাৰ দৰে নিসাৰ হৈ পৰি থকা বাবেয়াৰ কাষত থিয় হৈ তালাক দিলে —

'আয়েন তালাক বায়েন তালাক

তালাক তালাক তিন তালাক

তালাক তালাক তালাক'

তাৰ পাছতে বাবেয়াই মুখ গুজি উচুপি থকা গাৰুটোৰ তলত দেন মোহৰৰ (১) এৰৈছ টকা গুজি দি তেৰবছৰে সংসাৰ কৰা মানুহজন চিৰদিনৰ বাবে পৰ হৈ গ'ল।

'হয়ৰে হা-মেলি কি চায়া আছিছ? হেইনে গাড়ী ছাড়ে, বোজা গুলে তোল

তাড়াতাড়ি।'

মাহীয়েকৰ ভেকাহিত উচাপ খাই দুলালী তততাতেয়াকৈ আকৌ প্লেটফৰ্মত নামিল। মাটিতে পৰি থকা বোজা তিনিটাৰ এটা বোজা কোনোমতে ঠেলি-হেঁচুকি তোলোঁতেই সশব্দে জোকাৰ এটা মাৰি ৰেলগাড়ীখন চলিবলৈ আৰম্ভ কৰিলে। ডবাত উঠিব নোৱাৰে বুলি দুটা বোজা তলতে এৰি থৈ তাই দৌৰি গাড়ীত উঠিল।

ডবাত মাথোঁ এটাহে বোজা তোলা দেখা পাই বাবেয়াই কণ্ঠত উষ্মা সানিলে, 'একটা ক্যানে? বাকি দুইটে কই?'

মাহীয়েকৰ প্ৰশ্নত দুলালীয়ে থত্‌মত্‌ খালে, মুখৰ ৰং সলনি হ'ল। কি ক'ব একো ভাবি নাপাই ওকণিৰে পিৰ্‌পিৰাই থকা মুৰটোকে খজুৱাবলৈ ধৰিলে।

'কি হইল, চুপ কৰি আচিস যে?' জেঙেৰা মাৰি উঠিল বাবেয়া।

'গাড়ীটা ছাড়ি দিলেক...।' দুলালীয়ে মেনমেনালে, মাতটো কোনোমতেহে ওলাল।

'শোন জমিদাৰনীৰ কথা, এক বোজা খৰিৰ দাম কতো তা হিসেব আছে? কিৰে ঝিত্‌ কৰি আসিস যে?' দাঁত ভগা মুখখন বিকটাই ৰাবেয়াই অদ্ভুত ভংগী এটা কৰিলে।

মানুহে-দুনুহে ভেকাহি খাই লাজতে তাইৰ বগা মুখখন ৰঙা হৈ গ'ল। জিলিকি থকা অকমানি নাক-ফুলটোৰ দৰেই তাইৰ জোঙা নাকটোৰ ওৰিত বিন্দু বিন্দু ঘামৰ কণিকা জিলিকি উঠিল। দুলালীৰ সেমেকি যোৱা অসহায় মুখখন দেখি ৰাবেয়াৰ হঠাৎ নিজৰে ঢুকাই থকা একমাত্ৰ ছোৱালীজনীলৈ মনত পৰি গ'ল। সুতত ধাৰ লৈ শোধ কৰিব নোৱাৰি বাপেকে জোৰ কৰি কাবুলিৱালাজনৰ লগতে তাইক বিয়া দিছিল। কিন্তু তাই কুমলীয়া, অপেণত দেহাটোৰে ষাঁড়ৰ দৰে হৃষ্ট-পুষ্ট, মজবুত মানুহজনক সহ্য কৰিব নোৱাৰিলে। বিয়াৰ ৰাতিয়েই কাবুলিৱালাৰ বিছনাখনত তেজ বোৱাই তাই ঢুকাই থাকিল। বিছনাৰ একাষে থৰ হৈ পৰি থকা তাইৰ অসহায় মুখখন দিনটোত ৰাবেয়াৰ কেইবাৰাৰো মনত পৰে। আৰু মনত পৰিলেই এটা দীঘল হুমুনিয়াহ বুকুৰেদি হাঁহাকাৰ কৰি উজাই আহে। আজিও আহিল।

ৰাবেয়াই দুলালীৰ মুখৰ পিনে খন্তেক চাই বৈ কণ্ঠত মৰম সানি ক'লে, 'হইছে গোসা হবাৰ নালাগে। কাটা কপালত যা আছিল তা হৈছে। আয়, বইস এইপাকে।'

দুলালীয়ে ডবাটোৰ চাৰিওপিনে চকু ফুৰালে। বহিবলৈ ক'তো অকণ ঠাই নাই। মুখামুখিকৈ থকা বেঞ্চ দুখনত মুখামুখিকৈ বহিছে নানা ধৰণৰ চোলা পিন্ধা মানুহ। ধুতী পিন্ধা বঙালী ভদ্ৰলোক, কলডিলীয়া খোপা আৰু ৰঙচৰীয়া শাৰী পিন্ধা কম বয়সীয়া মাইকী মানুহ এজনী, তাইৰ লগতে শৰুত-আবৰত, গম্ভীৰ মুখৰ চচমা পিন্ধা আদহীয়া মহিলা এগৰাকী। ওলটা কালৰ বেঞ্চখনত মুখত বসন্তৰ দাগ থকা ভপামুৰীয়া মাৰোৱাৰী ব্যৱসায়ী এজন। আৰু তেওঁৰ লগত সেই জোঙা জোতা পিন্ধা দন্দুৰা ল'ৰাজন ভৰিৰ ওপৰত ভৰি তুলি লৈ বহিছে। সেইখিনিতে বহিবলৈ ঠাই অকণ

থাকিলেও দন্দুৰা ল'ৰাজনৰ লগত বহিব লাগে বুলি দুলালী মজিয়াৰ একাষে খোৱা খৰিৰ বোজা এটাৰ ওপৰতে বহিলগৈ।

খৰিৰ বোজা দুটা বাঁহবাৰীতে এৰি থৈ অহাৰ বাবে নিজকে বৰ অপৰাধী যেন লাগিছে তাইৰ। বনে বনে খৰি লুৰা কম কষ্ট নে? ৰ'দে-বৰষুণে খকুৱা বনৰক্ষী কেইজনৰ চকুত নপৰাকৈ জংগলৰ লুংলুঙীয়া বাটেৰে ভিতৰে ভিতৰে সোমোৱা, তলতে পৰি থকা শুকান ডালবোৰ গোটাই একগোট কৰা, ভাগে ভাগে বোজা বন্ধা; তাৰ পাছতে তিনিটা-চাৰিটাকৈ বোজা মূৰৰ ওপৰত লৈ আকৌ গছৰ আঁৰে আঁৰে কুকুৰখুজীয়া লৰ মাৰি ঘৰলৈ উভতি অহা। কেনেবাকৈ বনৰক্ষীৰ হাতত ধৰা পৰিলে খৰিও গ'ল ইজ্জতো গ'ল। দুদিনমান মাহীয়েকৰ লগত গৈয়ে দুলালীয়ে হাড়ে হাড়ে বুজিছে বনে বনে খৰি লুৰা সহজ কথা নহয়। আৰু এনেহেন কষ্টৰ খৰি তাই পেলাই আহিল ষ্টেচনত। নিজকে বৰ দোষী যেন লাগিল দুলালীৰ। শাওণৰ মেঘৰ দৰে থম্‌থমীয়া মুখখন খিৰিকীৰ পিনে ঘূৰাই তাই বাহিৰলৈ চাই ৰ'ল। হৰহৰাই পিছপিনে দৌৰিছে গছ-গছনি, সেউজীয়া পথাৰ, পথাৰৰ মাজে মাজে লাইন টনা টেলিগ্ৰাফৰ খুঁটা, খুঁটাৰ ওপৰত জুপুকা মাৰি বহি থকা অকলশৰীয়া চৰাই...।

ডিগুিত কেলাৰ হৈ দুলালীৰ বাপেক ঢুকোৱা প্ৰায় দুবছৰমানেই হ'ল। কোনো দিনেই কাৰো মনত দুখ নিদিয়া মানুহজন শেষত যমৰ যাতনা পাই তিল্‌তিলকৈ ঢুকাল। শেষ দিনকেইটাত ভাত এগৰাহো সৰকা নাছিল তেওঁৰ ডিগুিয়েদি। এনে অৱস্থাতো তেওঁৰ ঘৈণীয়েক আৰু ছোৱালী তিনিজনীৰ চিন্তা। সৰু দুজনীক বাৰু কিবা অকণ খোৱাই শুৱাই থ'লেও দুলালী আৰু মাকৰ মুখেদি ভাত যায় কোন সুখত? নাই, নহ'ব; তেওঁ নৰিয়া গাৰেই পাকঘৰলৈ আহি গেঙনিৰ সুৰত খং কৰিব। ঢুকোৱাৰ আগদিনাখনৰ পৰা সেই গেঙনিও বন্ধ হ'ল। মাথোঁ চাঙত দীঘল দি শুই দুলালীৰ মাক ছাকীতনৰ মুখলৈ চাই বৈছিল অসহায় আৰু বোবা দৃষ্টিৰে। ছাকীতনে পানী অকণ খুৱাবলৈ যাওঁতে যেতিয়া তেওঁৰ ওঁঠৰ কাষেদি চকুলো বাগৰাৰ দৰে পানীখিনি নিগৰি আহিছিল, তেতিয়াহে হুৰা-দুৰা লাগিল। তেওঁক মাটিৰ তলত শুৱাই থোৱাৰ পাছত ছোৱালী তিনিজনী আৰু দুকুৰি চুও চুও এই উজান এই ভাটি কৰা শৰীৰটো লৈ ছাকীতনে কম যাতনাখন ভুগিলে নে? তাইৰ শৰীৰটো খুলি খুলি খাবলৈ সিহঁতৰ অকলশৰীয়া ভগা জুপুৰিটোৰ চাৰিওপিনে কত যে শগুনৰ পাকঘূৰণি। নিৰুপায় হৈ ছাকীতনে শেষত আদহীয়া বৰলা ৰাজমিস্ত্ৰী এজনৰ লগতে নিকাহত বহিল। হামিদ মিস্ত্ৰী আদহীয়া হ'লে কি হ'ব? তাৰো খক্ সেই শগুনৰ দৰেই। ওৰে নিশাটো শুবলৈ নিদিয়ে ছাকীতনক।

সিহঁতৰ ভাবালে লোৱা জুপুৰিটোত কোঠালি বুলি ক'লে এটাই। নতুন বাপেক অহাৰ পাছত চাঙৰ সলনি কণ কণ ভনীয়েক দুজনীক লৈ দুলালীয়ে মজিয়াতে বস্তা পাৰি শোৱে। দিনটোৰ ওমলি ফুৰাৰ ভাগৰত সিহঁত শোৱাৰ লগে লগে লালকাল দিয়ে। পিছে দুলালীৰ টোপনি বৰ পাতল, অলপ শব্দ হ'লেই টোপনি ভাঙে। সেয়ে

কৈকাই থকা চাঙখনৰ লগতে ৰাতিটো তাই সাৰে থাকিবলগীয়া হয়। কেইদিনমান লাজতে কুঁচি-মুচি খাই মাজনিশালৈকে, কেতিয়াবা পুৱতি নিশালৈকে উলকা মাৰি থকাৰ পাছত নানান অজুহাত দেখুৱাই মোমায়েকৰ ঘৰতে তাই ৰাতি থাকিবলৈ ল'লে। কিন্তু সদায় তাতে থাকিবলৈ লোৱাত ছাকীতনে আপত্তি কৰিলে। মোমায়েকৰ ঘৰ হ'লে কি হ'ব — তাতো হৈছে জোৱালী। উপায় নাই দুলালীয়ে মাহীয়েকৰ লগত খৰি বেচিবলৈ যাব বুলি জিদ ধৰিলে, পিছে তাতো মাক মান্তি নহ'ল। ক'লে, 'বাবেয়াৰ ভাতাৰ নাই, ওই খৰি বেচপাৰ যাউক। তোৰ খাওয়া খায় কেনে? হবে, বৈতেলী হবাৰ শখ হইছে নেকি? বাপে খাবাৰ নাদেয়?'

ইমান কথাৰ পাছতো উৎপাত কৰাত ছাকীতনে তাইৰ দুগালত দুটামান চৰ শোধাই ঘৰলৈ চোঁচোৰাই লৈ গৈছিল। বায়েকৰ ভেম দেখি বাবেয়াৰ খং উঠিছিল পেটে পেটে। মুখতে একো ক'ব নোৱাৰি পাকঘৰতে ভোৰ্‌ভোৰাইছিল, 'নয়া ভাতাৰ পায়া বৰ দেমাক হইছে ৰে। দেখিমনে সতাল বেটিক কয়দিন খোৱায়?'

বাবেয়াই খণ্ডতে কোৱা কথাবোৰ এমাহ নহওঁতেই আচৰিত ধৰণে ফলিয়ালে। যোৱা হাটবাৰে চাহ একাটি খাওঁ বুলি ৰাতিপুৱাই চেঁকেলিত পানী বহাই ফু-চুঙাৰে ফুৱাই থাকোঁতেই দুলালীক লগত লৈ ছাকীতন সোমাই আহিছিল। বাবেয়াই 'কি হইলবে বু? মুখখান হাড়ীৰ টিকেৰ নাহান কালা নে?' বুলি সোধাত তাই চৌকাৰ ওচৰত বহি লৈ উচুপিবলৈ ধৰিলে। কি হ'ল একো আও-ভাও নাপাই বাবেয়াই তাইৰ মুখৰ পিনে ভেবা লাগি চাই ৰ'ল।

ছাকীতনে তলমূৰ কৰি উমি উমি জ্বলি থকা জুইকুৰাৰ পিনে অদ্ভুত করুণ দৃষ্টিৰে খন্তেক তন্ময় হৈ চাই বিশেষ ভূমিকা নকৰাকৈ পোনে পোনে ক'লে, 'দুলালীক তোৰ সাথে খৰি বেচপাৰ নে, নিজেৰ কামাই নিজে কৰি খাউক। ৰাজমিস্ত্ৰী কৈছে, আগেৰ স্বামীৰ ছাওৱা-পোৱাৰ দায়িত্ব ওই নিবেৰ নাহয়। মুই তিন-তিনটা ছাৱাক ভাত কোটাই থাকি দিম? মিস্ত্ৰী কয় দুলালীক বিয়ে দে।'

বায়েকৰ ওপৰত খং উঠি থাকিলেও তাইৰ দুখৰ কথা শুনি বাবেয়াৰো চকুহাল চল্‌চলীয়া হ'ল। দুলালী দিনে দিনে চকুত লগা হৈ আহিছে — সমস্যা বহুত। তথাপি শেষত ছাকীতনৰ কথাত বাবেয়া ৰাজি হৈ গৈছিল। আগতে মাহীয়েকৰ লগত কলত খৰি বুটলিবলৈ গ'লেও আজিহে দুলালী প্ৰথম ধুবুৰী চহৰত খৰি বেচিবলৈ ওলাইছে। ঘৰৰ পৰা ওলাবৰ সময়ত চেপা আনন্দত তাইৰ মনটো আজি ভেও দি উঠিছিল। ৰাতি ৰাতি সেই উশাহ বন্ধ হোৱা ঘুপুৰিটোত থাকিব নালাগিব। প্ৰতিদিনেই বেলেগে ধুবুৰী চহৰলৈ যাব পাৰিব, তদুপৰি দুপইছা আৰ্জিলে সতীয়া বাপেকৰো বল মৰা কথা বন্ধ হ'ব। কলত খৰি লুৱা, ধুবুৰী চহৰলৈ অহা-যোৱা কৰা বাবদ মাহীয়েকক নহ'লেও দৈনিক চাৰি-পাঁচ টকাকৈ দিব। আজি কিজানি সেয়াও গ'ল। একোজা খৰিৰ দাম চাৰি-পাঁচ টকাৰ কম নিশ্চয় নহ'ব।

'কি ৰে দুলালী, মন বেজাৰ কৰি কি আকাশ-পাতাল ভাবি আসিছ?' ইমান

পৰেও তাইক গালে-মুখে হাত দি বহি থকা দেখা পাই ৰাবেয়াই নৰম সুৰত, সাৱধানে সুধিলে।

'নাই, মানে তোৰ বোজাদুইটে ফেলে আসনু ...'

'ধেৎ বুৰ্বক, প্ৰথ্থম প্ৰথ্থম এমন হয়েই। মোৰ কত হইছিল,' মৰমসনা, কৃত্ৰিম ভেকাহি এটা মাৰি ৰাবেয়াই আকৌ ক'লে, 'অকামৰ কথা ভাবি থাকাৰ থাকি একতা কাম কৰ — দৰ্জাৰ সামনেৰ খৰি গুলে টানি-টুনি পায়খানাত ৰাখ।'

মাহীয়েকৰ কথাত দৰ্জাৰ আশে-পাশে থোৱা খৰিৰ বোজা তিনিটা ডবাৰ সোঁৱে-বাঁৱে থকা পায়খানাত সুমুৱাবলৈ যাওঁতেই উৎকট দুৰ্গন্ধত তাইৰ উকালি আহিল, এনে লাগিল যেন পেটৰ নাড়ি-ভুৰুহে ওলাই আহিব। তথাপি বাওঁহাতেৰে নাকত সোপা দি সোঁহাতেৰে ঠেলি-হেঁচুকি কোনোমতে দুবোজা খৰি সুমুৱালে। পায়খানাত ফুলবানু আৰু অইন খৰিৱালী দুজনীয়েও খৰি সুমুৱাইছে; আৰু থ'বলৈ ঠায়েই নাই। সেয়ে এবোজা খৰি কৰিড'ৰৰ একাষে টানি থৈ মাহীয়েকৰ কাষ পালে।

ৰাবেয়াই তাইক উভতি অহা দেখা পাই আধা-হোপা বিড়িটোত এটি দীঘলীয়া হোপা মাৰি নিৰ্দেশ দিলে, 'হুৱৈ দুলালী, ছীট খালি আছে। এটি বসি থাক ঝিত্ কৰি।'

লাইটৰ ম্লান পোহৰত দুলালীয়ে দেখিলে, ওলোটা ফালৰ বেঞ্চখনত মুখত বসন্তৰ দাগ থকা মাৰোৱাৰী ভদ্ৰলোকজন দীঘল দি শুইছে আৰু তেওঁৰ ভৰিৰ ওচৰত অকণমান ঠাই খালি আছে। এইখিনিতে জোঙা জোতা পিন্ধা দন্দুৰা ল'ৰাজন বহিছিল। তাতে বহিব নে নাই ভাবি থাকোঁতে দুৱাৰ-মুখত হাঁহি-খিকিন্দালিৰ শব্দ শুনি মুখখন ঘূৰাই দুলালীয়ে দেখিলে দৰ্জাৰ ৰডডালত ওলমি জোঙা জোতাই সমবয়সীয়া লেতেৰা জিন পেন্ট এটাৰ লগত হাঁহি-ধেমালিত মজগুল হৈছে। বহোঁ-নবহোঁকৈ সেই মাৰোৱাৰী ভদ্ৰলোকজনৰ ভৰিৰ ওচৰতে তাই সোঁত-মোঁচ খাই বহিলগৈ।

মন্থৰ গতিত চলা ৰেলগাড়ীখনৰ মৃদু ঘাটাক-ঘুটুক জোকাৰণিয়ে দুলালীৰ গাত অজস্ৰ সুখ-কম্পনৰ সৃষ্টি কৰিলে, জোকাৰণিৰ লগে লগে গাড়ীৰ ঝিক্ ঝিক্ ছন্দময় শব্দত তাইৰ ভাগৰুৱা চকুহালত তন্দ্ৰাৰ আবেশ নামি আহিল। তদুপৰি অবিৰাম গতিত কথা পাতি থকা যাত্ৰীসকলৰ নানা কথাৰ পাক-ঘূৰণিত তাইৰ কিবা নিচা লগাৰ দৰে লাগিল। তেওঁলোকৰ ভাহি অহা, ছিটিকি অহা, ওপঙি অহা কথাৰ টুকুৰাবোৰে তাইৰ ওকণিৰে পিল্পিলাই থকা মূৰটোৰ ভিতৰত আউল লগালে। ফলত তন্দ্ৰাৰ আবেশ আৰু ঘন হৈ আহিল। দুলালীৰ ভাগৰুৱা, গধুৰ চকুহাল নিশ্চিন্তে জাপ খাবলৈ লওঁতে উৰুৰ ওচৰত এক অদ্ভুত স্পৰ্শত তাই সচকিত হৈ উঠিল। চকু মেলি দেখিলে, ম্লান লাইটৰ ছাঁ-পোহৰ আৰু ৰেলৰ জোকাৰণিৰ চেলু লৈ দীঘল দি শুই থকা মাৰোৱাৰী ব্যৱসায়ীজনে ভৰিৰে তাইৰ উৰু ঘৰ্ষণ কৰিবলৈ লৈছে। দুলালীয়ে সিমানেই সোঁত-মোঁচ খাই আঁতৰি বহে, মাৰোৱাৰীৰ সেই খেলখেলীয়া ভৰিৰ আগটো সিমানেই এক অদ্ভুত কায়দাত তাইৰ মলিন ফ্ৰকৰ তলেদি কুমলীয়া কলজনৰ কাষ চাপি আহে। পোন্দোৰাকৈ তাই মাহীয়েকৰ পিনে চালে। দেখিলে, অকণমানি বোজাটোৰ ওপৰত

বহিয়েই ৰেলৰ মৃদু জোকাৰণিৰ লগত এক আচৰিত ভাৰসাম্য ৰক্ষা কৰি জুলুকীয়াই আছে। তাইৰ গাতে আঁউজি ফুলবানুও টোপনিত। উপায় নাপাই দুলালী উঠি গৈ আগতে বহা খৰিৰ বোজাটোৰ ওপৰতে বহিলগৈ।

কিছু সময় পাছতেই ৰেলগাড়ীখন সেউজীয়া ছিগনেল, কেইটামান লেভেল ক্ৰছিং, কেইটামান বগা ৰেলৰে কোৱাৰ্টাৰ এৰি হঠাতে হুঁ-পোহৰৰ চিক্‌মিকনি আৰু ব্যস্ত কোলাহলৰ মাজেৰে গোলকগঞ্জ ষ্টেচনত সোমাল। ইয়াৰ পৰা মাথোঁ দুটা সৰু ষ্টেচন পাৰ হ'লেই ধুবুৰী চহৰ। পিছে ইঞ্জিনটো ঘূৰাই ওলোটা ফালে লগাব লাগে, সেয়ে ইয়াত আধাঘণ্টামানৰ বাবে গাড়ীখন ৰয়। এই সময়ছোৱাত ডবাত কত মানুহ সোমাল, কত ওলাল, কত ফেৰীবালাই চিঞৰ-বাখৰ কৰিলে, কত চাহবালাই ভুমুকি মাৰিলে। তেঁও ৰাবেয়াৰ হুচ নাই, টোপনিত লালকাল। খিৰিকীৰ কাষেৰে ইঞ্জিনটো ঝক্‌ঝক্‌কৈ গৰম উশাহ আৰু চুটি চুটি উকি মাৰি গাৰ ওচৰেদি খানাটিং কৰি পাৰ হৈ গ'ল, কিছুসময় পাছত ঘূৰি আহি পিছফালে খটলং কৈ খুন্দা এটা মাৰিলে, কিছু সময় পাছত চলিবলৈও আৰম্ভ কৰিলে। তথাপি তাই অলৰ, অদ্ভুত কায়দাত টোপনিত মছগুল। কিন্তু আধাঘণ্টামান পিছত দীঘল উকি মাৰি ৰেলগাড়ীখন ধুবুৰী ষ্টেচনত সোমাবলৈ লওঁতে ৰাবেয়াই উচাপ খাই চিঞৰি উঠিল, 'দুলালী যা, পায়খানাৰ খৰিগুলে নামাও তাড়াতাড়ি...।'

মাহীয়েকৰ নিৰ্দেশত লৰালৰিকৈ পায়খানাৰ পিনে যাওঁতে ঠাই নোহোৱাত অথনিয়েই কৰিড'ৰত থোৱা খৰিৰ বোজাটো নেদেখি দুলালীয়ে চিঞৰিবলৈ ধৰিলে। দুলালীৰ মাত শুনি ৰাবেয়া তাইৰ ওচৰলৈ দৌৰি গ'ল। কৰিড'ৰত খৰিৰ বোজাটোৰ লগতে সেই দন্দুৰা ল'ৰাজনক ক'তো নেদেখি ৰাবেয়াৰ সন্দেহ হ'ল — সিয়ে কিজানি চলন্ত গাড়ীৰ পৰা বোজাটো ক'ৰবাত পেলাই দি নামি গৈছে। এনেকুৱা ঘটনা আগতেও ঘটিছিল, সেয়েহে ৰাবেয়াৰ সন্দেহটো মুহূৰ্ততে বিশ্বাসলৈ ৰূপান্তৰিত হ'ল। লগে লগে দুখ, যন্ত্ৰণা আৰু অভাৱত হাঁহাকাৰ কৰি থকা বুকুখনৰ ভিতৰত ভমক্‌কৈ জুই একুৰাহে জ্বলি উঠিল। জুইকুৰাই তৎক্ষণাৎ বুকুৰ জমুনিয়াহবোৰ ঠেলি বাট উলিয়াই ল'লে, 'মোৰ খৰি ফেলে তোৰ কি লাভ হইলবে নটীৰ বাচ্চা। শালা, জাকৰে গোলাম...।'

ৰাবেয়াৰ কিৰিভতিৰ দৰে ছিটিকি অহা গালিবোৰে গোটেই ডবাটোতে কোলাহল তুলিলে। সেই কোলাহলৰ মাজেদি গালিবোৰ ঠেলি-হেঁচুকি যাত্ৰীসকল এজন এজনকৈ বাহিৰলৈ ওলাই আহিল। যাত্ৰীবিহীন শূন্য ডবাটোত ৰাবেয়াৰ অশ্লীল গালিবোৰ কিছুসময় ধৰি ঘূৰি থাকিল। তাৰ পিছতে চাৰিবোজা খৰি, দুলালী আৰু ৰাবেয়াৰ লগতে সেইবোৰো ধুবুৰী প্লেটফৰ্মত নামিল।

আহোঁতে মূৰত খৰিৰ বোজা লৈ কুকুৰখুজীয়া লৰ দিয়াৰ সময়ত দুলালীয়ে এইছোৱা বৰ কষ্টেৰে খোজ কাঢ়িবলগীয়া হৈছিল, খনে খনে ৰেলগাড়ীৰ আলিত উজুটি খাইছিল। এতিয়া মূৰত বোজা নথকাত পাতল পাতল লাগিছে যদিও তাইৰ

মনটো গধুৰ। তাই নিজকে বুজনি দিছিল গাড়ীত যি অথন্তৰ হ'ল সেয়া ক'ত সদায় হ'ব? তদুপৰি চহৰত পটককে বোজাকেইটা ভাল দামত বিক্ৰী হ'লে সেইবোৰ পাহৰিব পাৰি। বোজা চাৰিটা পটককে বিক্ৰী হ'লে হৈ গ'ল, পিছে ভাল দাম পোৱা নগ'ল। তিনি আলিত চিগাৰেট হুপি মহলা মাৰি থকা ডেকা ল'ৰা এজনে মাহীয়েকৰ মুখৰ পৰা জোৰ কৰি দুবোজা খৰি নমাই লৈ হাতত চাৰি টকা গুজি দিলে। বাবেয়াই বান্তাৰ দাঁতিত অদ্ভুত ধৰণে লেপেটা কাঢ়ি বহি লৈ দুহাতেৰে খৰিৰ বান্ধ খামোচ মাৰি ছটা মাতেৰে কাজিয়াৰ ভংগীত, তাৰ পাছতে সুৰ সলাই অনুনয়ৰ ভংগীত দামটো বঢ়াবলৈ চেষ্টা কৰিছিল। পিছে কোনো লাভ নহ'ল,ওলোটাই গতা খাই আঁতৰি আহিবলগা হ'ল। এবোজা খৰি অৱশ্যে ভাল দামতে বিক্ৰী হ'ল। কিন্তু শেষ বোজাটো বিক্ৰী কৰিবলৈ যাওঁতেই দুলালীৰ জীউটো যাওঁ যাওঁ হৈছিল। মাহীয়েকে তৃতীয় বোজাটো বেচাত ব্যস্ত থকাত আদহীয়া মানুহ এজনে দুলালীক মূৰৰ বোজাটো ঘৰত থৈ আহিবলৈ ক'লে। দুলালীয়ে অলপ ইতস্ততঃ কৰি মানুহজনৰ পাছে পাছে আন্ধাৰ গলিৰ ভিতৰত তেওঁৰ জপনামুখ বুলি সোমাই আহিছিল। ঘৰ পাওঁতেই মানুহজনে তাইৰ হাতত খৰিৰ দাম গুজি দিয়াৰ ছলেৰে কপ্‌কপীয়াকৈ ধৰি ফুচফুচালে, 'এলা ক' তোৰ দাম কত?' প্ৰথমতে কথাটো তাই বুজি পোৱা নাছিল। কিন্তু মানুহজনে তাইক টনা-আঁজোৰা কৰোঁতে দুলালীয়ে ভয়তে চিঞৰ মাৰিলে। থত্‌মত্ খাই মানুহজনে হাতখন এৰি দিয়াত দৌৰি তাই মাহীয়েকৰ কাষ পাইছিলগৈ। বাবেয়াই মানুহজনৰ ঘৰৰ আগত বহুত চিঞৰ-বাখৰ কৰিলে, অশ্লীল ভাষাত গালি-শপনি পাৰিলে। পিছে মানুহজন হ'লে বাহিৰলৈ ওলাই নাহিল।

যি কি নহওক, ঘটনাটোত দুলালী বৰ সংকুচিত হৈ গৈছিল। যিটো আনন্দত তাই ওলাই আহিছিল সেয়া সম্পূৰ্ণৰূপে নাইকিয়া হৈ তাৰ সলনি মনটো গধুৰ হৈ গৈছিল। মাহীয়েকক তাই দ্বিধাহীনভাৱে কৈছে আৰু খৰি বেচিবলৈ নাহে বুলি। বহুত বুজনি দিওঁ একো লাভ নোহোৱাত খঙতে বাবেয়াই প্লেটফৰ্মলৈ বুলি কোব ল'লে।

অচিনাকি বাট, তাতে চৌদিশৰ পৰা আগুৰি অহা ঘন কুঁৱলিয়ে আন্ধাৰখিনিক থূপ খোৱাই নিশাটোক আৰু নিবিড় কৰি তুলিছে। দুলালী একো মাত-বোল নকৰাকৈ মাহীয়েকৰ পাছে পাছে খেপিয়াই খেপিয়াই আগবাঢ়িল। কিছুদূৰ যাওঁতেই দুলালীয়ে মন কৰিলে ওলোটা ফালৰ পৰা তৰাৰ দৰে ক্ষুদ্ৰ পোহৰৰ কণিকা এটি সিহঁতৰ পিনে দ্ৰুত গতিত আগবাঢ়ি আহিছে। আন্ধাৰত সেই পোহৰৰ কণিকাটো কি একো উমান নাপায় দুলালীয়ে মাহীয়েকৰ আঁচলকে খামুচি ধৰিলে। কণিকাটো গাৰ ওচৰ পাওঁতেই থমকি ৰ'ল; খন্তেকৰ বাবে ফুৰাই দিয়া এজনৰ দৰে উজলি উঠিল। কোনোবাই বিড়ি হুপিছে। দুলালীয়ে দেখিলে বিড়িৰ নিষ্প্ৰভ পোহৰৰ বলয়ত ভাহি উঠিছে এখন অস্পষ্ট মুখ। তাই মাহীয়েকৰ হাতত ধৰি সেইফালে খৰখেদাকৈ আগবাঢ়ি যাব খুজিলে। কিন্তু হঠাতে বাবেয়া থমকি ৰ'ল আৰু ধীৰে মাতেৰে চিঞৰি উঠিল, 'কিস আইছেন আপনে। মুই নে ওই দিলেই মানা কইৰচোং। যাত্তা যাছেন তাড়াতাড়ি।'

এটা দীঘল হুমুনিয়াহ আজ্ঞাৰ ভেদি হমূহমাই গ'ল, 'ৰাবেয়া'।

চিনাকি মাত। এটি শীতল স্রোতে দুলালীক তলুৰ পৰা ওলুৱালেকে সিৰ্‌সিৰাই নিলে — এয়া ৰাবেয়াৰ তালাক দিয়া গিৰিয়েক হান্নান।

'মোৰ খুব অসুখ, ভাল কৰি খাবাৰ নাপাং, ভাল কৰি চইলবৰে নাপাং। একটু কাম কইবলে মাথা চক্কৰ মাৰে। যা হবাৰ হৈছে, পুৰেণা কথা ভুলি যা। তুই ফিৰ মোৰ সংসাৰত ঘুৰি আয় ৰাবেয়া... যে কয়তা দিন বাচি আছি ...।' হান্নানৰ কণ্ঠত করুণ আকুতি।

'অ, এলা চইলবৰে নাপান তা ৰাবেয়াৰ কথা মনে পইৰছে। তালাক দিবে সময় ওটা মনে নাছিল? কেনে, গৌৰীপুৰত না নিজেৰ বেটিৰ নাহান ছেট্‌টো চেংৰী একটাক নিকে কৰিছিলেন, তাই আপনাক দেখে না?' ৰাবেয়াই চোবাই চোবাই কোৱা কথাকেইটাত তাচ্ছিল্যৰ সুৰ স্পষ্ট, তাৰ লগতে পুৰণি অপমানৰ জ্বালাটোও থিক্‌মিকাই ওলাইছে।

'উৱেৰ কথা বাদ দে তো। নাই ওটা, কত দিনে না পালাইছে। '

'পালাইছে, না তালাক দিলেন?' ৰাবেয়াই খোঁচ মাৰিলে।

'নাহ্‌, পালাইছে গো', অধৈৰ্যভাৱে, স্রস্ত সুৰত হান্নানে কৈ উঠিল। তাৰ পাছতে ঘুকুৰ-ঘুকুৰকৈ দুটামান কাহ মাৰি অসহায়ভাৱে ক'লে, 'পালায়া খোদাৰ চৰেৰ দেৱানীৰ সাথে নিকে বইস্‌চে আইজ এক বৎসৰ হইল।'

হান্নানৰ কথাকেইটাই ৰাবেয়াৰ মনত অভূতপূৰ্ব আনন্দৰ লহৰ তুলিলে। এক আচৰিত ঘৃণা মিশ্রিত আনন্দৰ লহৰ। সেই লহৰতে গাটো নচুৱাই তাই কৈ উঠিল, 'পালাইছে? খুব ভাল কইৰছে। বাপেৰ বয়সী মানুষেৰ সাথে সংসাৰ কৰাৰ থাকি পালায়া চক্কত ভাতাৰ ধৰায় ভাল।' তাৰপাছতে দুলালীৰ কাঁধত গতা এটা মাৰি ক'লে, 'ওই হাটেক তাড়াতাড়ি।' আৰু হন্‌হনাই প্লেটফৰ্মলৈ বুলি কোৰ ল'লে।

হান্নানে তেতিয়াও লগ এৰা নাই। সিহঁতৰ পিছে পিছে তেৱোঁ প্লেটফৰ্মত উঠিল আৰু অকমান বেগাই খোজ কাঢ়ি সিহঁতৰ মুখামুখি কৈ থিয় হ'ল। ৰাবেয়াই কাষেৰে পাৰ হৈ যাব খোজোঁতেই হান্নানে খপকৈ তাইৰ হাত এখনত আঁজুৰি ধৰিলে। লগে লগে ৰাবেয়াই চিঞৰি উঠিল, 'মোৰ গাত হাত দিছেন কেনে? ছাড়েন। মুই আপনাৰ বৌ নাহং, ছাড়েন জলদি।'

কিন্তু এৰি দিয়াৰ সলনি ডুবিবলৈ ধৰা মানুহে খেৰ-কুটা এডালকে আকুলকৈ সাৱটি ধৰাৰ দৰে তেওঁ ৰাবেয়াৰ হাতখন বুকুৰ ওচৰলৈ টানি আনিব খুজিলে। আচৰিত হৈ তাই হান্নানৰ পিনে চালে। কেইদিনৰ মূৰত প্ৰায় এযুগ ধৰি সংসাৰ কৰা মানুহজনক একেবাৰে অচিনাকি যেন লাগিল তাইৰ। এই দুবছৰে তেওঁৰ বয়স যেন কেতবিনি বাঢ়ি গৈছে। খীণাইছেও বহুত। মলিয়ন পাঞ্জাবীটোৰ তলত শৰীৰ আছে নে নাই বুজাই নাযায়। প্লেটফৰ্মৰ ম্লান পোহৰত বগা টুপী আৰু দীঘল দাড়িৰে আগুৰি থকা তেওঁৰ মুখখন কোনোমতেহে দেখি। তথাপি সেইকণ পোহৰতে ৰাবেয়াই হান্নানৰ

ওঁঠ দুটা খন্তেকৰ বাবে থৰ্থৰকৈ কঁপি উঠা দেখা পালে। সেই কম্পনে ৰাবেয়াৰ মনতো কম্পন তুলিলে। অজস্ৰ বেদনাৰ ঢৌ তাইক চুই বিণি বিণি বাগৰি গ'ল। সেই বেদনা-গধুৰ ঢৌবোৰৰ মাজত তাই ক্ৰমান্বয়ে তল যাব ধৰিলে আৰু ভিতৰি ভিতৰি দুৰ্বল হৈ পৰিল। কোনোবাই তাইৰ মুখেদি ফুচফুচাই উঠিল, 'ছাড়েন, মানুষ দেখে।'

কিন্তু হান্নানে ৰাবেয়াৰ ফুচফুচনিত আসে পাই হাতখন আৰু কপ্‌কপীয়াকৈ ধৰি ঘনিষ্ঠ সুৰত ক'লে, 'কেৰামত মৌলবীক মুই ৰাজী কৰাইছোং... তিন হায়েজত (২) তোক তিন তালাক দিবে। তুই মৌলবীৰ সাথে নিকে বইস ৰাবেয়া।'

'ওই বুঢ়ে শয়তানটাৰ সাথে!' আৰ্তনাদ কৰি উঠিল ৰাবেয়া।

'তোক কাৰো না কাৰো সাথে নিকে বসাই লাইগবে। দ্বিতীয় স্বামী তালাক দেওবাৰ এক ইদ্দত (৩) বাদ প্ৰথথ্‌ম স্বামী ফিৰ নিকে কইৰবেৰ পাইবে — এটাই হাদিছ-কোৰানেৰ নিয়ম।' অভিভাৱকৰ সুৰত তেওঁ কৈ উঠিল।

'অসম্ভৱ। মুই আৰু কাৰো সাথে নিকে বসিম না। অতই যদি দৰদ মোক পালায়া নিয়ে যান, যাইবেন?' অভাৱনীয় প্ৰস্তাৱ এটা হান্নানৰ ওপৰত দলিয়াই দি ৰাবেয়াই তেওঁৰ ধূসৰ চকুহাললৈ পোনে পোনে চাই ৰ'ল।

তাইৰ প্ৰস্তাৱত হান্নানে থত্‌মত্‌ খালে, কিঞ্চিৎ বিচলিতও হ'ল। তথাপি তেওঁ আশা নেৰিলে, নিলাজৰ দৰে নিঃশব্দ হাঁহি এটা মাৰি মেনমেনালে,'তা কি হয়? শৰিয়তেৰ বাইৰে আমৰা কি আৰ যাবাৰ পাই!'

'মুই না মানোং এইগ্‌লে নিয়ম। ছাড়েন মোৰ হাত, ছাড়েন।' এইবুলি ফোপাই উঠি ৰাবেয়াই নিজৰ হাতখনকে অকাই-পকাই তেওঁৰ হাতৰ পৰা এৰুৱাবলৈ প্ৰাণপণে চেষ্টা কৰিবলৈ ধৰিলে। টনা-আঁজোৰাত দুযোৰমান কাঁচৰ চুৰী ঝন্‌ঝন্‌কৈ ভাগি পৰিল, দুলালীয়েও মাহীয়েকৰ বাহুত ধৰি টানিবলৈ ধৰিলে। তথাপি তেওঁৰ হাতৰ পৰা ৰাবেয়া ওলাই আহিব নোৱাৰিলে। হান্নানে তাইৰ হাতখন ওলাব নোৱাৰাকৈ আৰু কপ্‌কপীয়াকৈ ধৰি দ্ৰুত কণ্ঠৰে বুজনি চলাই থাকিল, শোন ৰাবেয়া 'শোনতো মোৰ কথা । পাগলামি নাকৰিস। মৌলবী সাহাবে কথা দিছে তোৰ গাত হাত দিবে না... তিন মাসেৰ মধ্যে খালি একটা ৰাইতেৰ জন্যে তুই মৌলবী সাহাবেৰ সাথে ৰাইত থাকা লাইগাবে, না হইলে 'হিল্লা'(৪) হইবে না। মাত্ৰ একটা ৰাইত... আল্লাৰ ওৱাস্তে তুই ৰাজী হয়া যা।'

হান্নানৰ নেৰানেপেৰা বুজনিৰ মাজতো ৰাবেয়াই নানা কৌশলেৰে তেওঁৰ বজ্ৰমুঠিৰ পৰা ওলাই আহিবলৈ যুঁজি আছিল। কিন্তু তেওঁৰ কথাকেইটা শেষ হোৱাৰ লগে লগে হঠাতে তাই যুঁজিবলৈ এৰি দিলে। পোন হৈ থিয় দি অদ্ভুত দৃষ্টিতে তাই হান্নানৰ মুখলৈ চাই ৰ'ল। অস্পষ্ট ম্লান-পোহৰৰ ছাঁয়াময়াত তাইৰ ওৰণি নোলোৱা মুখখন আচৰিত ৰহস্যময় হৈ উঠিল। ৰাবেয়াৰ মনৰ খবৰ ল'বলৈ হান্নানেও তাইৰ পলকহীন চকুত চকু থ'লে। তৰাৰ দৰে তিৰ্‌বিৰাই জ্বলিছে তাৰ চকুহাল। কৌতূহলতে ক'ব নোৱাৰাকৈ হান্নানৰ ডিঙিটো ৰাবেয়াৰ পিনে ঈষৎ আগবাঢ়ি গ'ল। তেওঁ দেখিলে

তাইৰ ওঁঠৰ কোণত এমোকোৰা দুৰ্বোধ্য হাঁহি বিৰিঙি উঠিছে। হাঁহিটো তেওঁৰ কাণৰ ওচৰলৈ আগুৱাই আহি ফুচফুচালে। 'মাত্ৰ একটা বাইত?'

আধা সাঁথৰ, আধা সিদ্ধান্তৰ দৰে ওলমি থকা শব্দ তিনিটাত বিবুদ্ধি হৈ কি ক'ব ভাবি নাপাই হান্নানে অঁকৰাৰ দৰে হাঁহিলে আৰু লগে লগে তেওঁৰ আধা মেল খোৱা মুখত এসোপা থু থপ্‌কৈ পৰিলহি।

জোকৰ মুখত চুণ পৰাৰ দৰে কেঁকুৰি গ'ল হান্নান। ৰাবেয়াৰ হাতখন এৰি দি এহাতমান দূৰলৈ পিছুৱাই গৈ তেওঁ আৰ্তনাদ কৰি উঠিল, 'মোৰ মুখত থু দিলু!' তাৰ পিছতে পাঞ্জাবীৰে মুখখন মোহাৰি সাপৰ দৰে ফোঁচফোঁচাই উঠিল, 'ছিনেল মাগী, দুই পইসে কামাই কৰি বৰ দেমাগ হৈছে না। ৰ, তুই কেমনে ধুবুৰীত খৰি বেচ্‌পাৰ আসিস্ মুই দেখিম। আৰ ভাবছিস্ কি? মুই চেংৰী পাবাৰ নাহং।' একমাসেৰ মধ্যে দুলালীৰ মতন অবিয়া চেংৰীক যদি নিকে কইৰবেৰ নাপাং মুই এক বাপেৰ বেটা নাহং।' এইবুলি কৈ হান্নানে কোবাকুবিকৈ প্লেটফৰ্মৰ তললৈ নামি ৰেলগাড়ীৰ আলিবোৰ পাৰ হ'ব ধৰিলে।

ৰাবেয়াই জানে সেয়া ঢোৰাসাপৰ ফোঁচফোঁচনি। তাই ইঞ্জিনৰ দীঘলীয়া উকিটোৰ দৰে তীক্ষ্ণ সুৰত চিঞৰি উঠিল। 'কাই কইছে আপনে এক বাপেৰ বেটা। মানুষ জাৰুৰে নাহইলে বেটীৰ নাহান চেংৰীক বিয়ে কইৰবেৰ চায়? আগতো না একটা কইৰছিলেন, বেহেস্তেৰ হুৰী? কি হইল? মুখত লাত মাৰি না চৰত ভাতাৰ ধৰিল যায়া।'

ৰাবেয়াই হয়তো আৰু কিবা ক'লেহেঁতেন, কিন্তু পিছপিনৰ পৰা দুলালীয়ে তাইৰ হাতখন আঁজুৰি ধৰি সেইবোৰ বাদ দিবলৈ ক'লে। কিন্তু লগে লগে তাই ওলোটাই দুলালীৰ ওপৰতে চিঞৰি উঠিল, 'কেনে বাদ দিম? কি কয়া গেইল শুনিস নাই? তোৰ মতন অবিয়া চেংৰীক বোলে নিকা কইৰবে। বসবু বুঢ়েৰ সাথে নিকে? তুই খালি কাম বাদ দিয়ে বাড়ী যা। তোৰ সতাল বাপে এমন বুঢ়েৰ সাথে তোৰ বিয়া নাদিছে তা মোৰ নাম ৰাবেয়া নাহয়, বসবু বিয়ে?'

'না বসিম।' শংকিত কণ্ঠৰে তাই কৈ উঠিল।

'বিয়েও বসবু না, খৰিও বেচাবু না। তাহালে তুই চলবু কেমনেৰ বৈতেলী?

'মনেৰ মতন মানুৰ পাইলে বিয়ে বসিম, নাহইলে থাকিম এমনে। খৰি বেচে খাইম। তোৰ সাথে কয়েক দিন আসা-যাবা কইৰলে পৰে একলাই বেচপাৰ পাইম।' বহুত বছৰ গৰকি যোৱা অভিজ্ঞ মানুহৰ দৰে ধীৰে ধীৰে তাই কৈ উঠিল।

'খৰি বেচোৱা অত সহজ নহয়। মোৰ মতন শক্ত হয়া চইলবৰে পাবু? মোৰ মতন মুখ চলাবাৰ পাবু?' ৰাবেয়াৰ কণ্ঠত অবিশ্বাসৰ সুৰ।

দ্বিধাহীনভাৱে দুলালীয়ে উত্তৰ দিলে, 'পাইম।'

ৰাবেয়াই খন্তেক তাইৰ পিনে তভক মাৰি চাই ৰ'ল। তাৰ পিছতে হঠাৎ ৰেলগাড়ীৰ সিপাৰে গৈ থকা হান্নানৰ অস্পষ্ট অবয়বটোৰ পিনে ইংগিত দি ক'লে, 'ওই

মানুহটো মোক অনেক অপমান কৰিছে, অনেক অত্যাচাৰ কৰিছে। সে তো গাইল ওই মানুষটেক।'

একমুহূৰ্ত পলম নকৰি নিশাৰ নিস্তব্ধতা, আন্ধাৰ আৰু গোট মৰা কুঁৱলি ফালি দুলালীয়ে চিঞৰি উঠিল, 'ওই জাকৰে গোলাম। তোক যদি আৰো এইপাকে দেখং খৰি দিয়ে চাপাৰ দাঁত খসাইম... ওই নটীৰ বাচ্চা...।'

ৰাবেয়াই আচৰিত হৈ দুলালীৰ মুখলৈ চালে। আগতে কাহানিও নেদেখা শিলত খোদাই কৰা এখনি ৰুক্ষ মুখ দেখি তাই চমকি উঠিল।

<u>টোকা</u> :

১. *দেন-মোহৰ বা মোহৰ :* বিবাহৰ সময়ত স্ত্ৰীক যি মূল্য দিয়া হয় বা দিবলৈ প্ৰতিশ্ৰুতি দিয়া হয় তাকেই মোহৰ বোলে। স্বামীয়ে তালাক দিলে বাকী থকা মোহৰ স্ত্ৰীক পূৰাকৈ দি দিয়া নিয়ম।
২. *হায়েজ :* মাহেকীয়া ঋতুস্ৰাব।
৩. *ইদ্দত :* ছৰিয়ত অথবা ইছলামী আইন মতে তালাক দিয়া স্ত্ৰীয়ে তিনিটা ঋতুস্ৰাবলৈকে তালাক দিয়া স্বামীৰ ঘৰতে নিৰ্জন বসবাস কৰি শোক পালন কৰিব লাগে। এই সময়ছোৱাক ইদ্দত বোলে। ইদ্দতকালত স্ত্ৰীয়ে সুগন্ধি তেল, জেতুকা ৰেছমী কাপোৰ আদি বিলাসী দ্ৰব্য ব্যৱহাৰ কৰা ; তামোল-পাণ খাই ওঁঠ ৰঙা কৰা ; প্ৰতিবেশী অথবা আপোন-পৰিয়ালৰ ঘৰলৈ অহা-যোৱা কৰা আৰু অইন পুৰুষৰ লগত বিবাহ পাশত আবদ্ধ হোৱা নিষেধ।
৪. *হিল্লা :* তালাক দিয়া স্বামীক পুনৰ গ্ৰহণ কৰিব খুজিলে স্ত্ৰীক অইন পুৰুষৰ লগত দ্বিতীয় বিবাহৰ দ্বাৰা শুদ্ধি বা হালালী কৰি ল'ব লাগে। দ্বিতীয় স্বামীয়ে বিবাহ আৰু সম্পূৰ্ণ যৌন সম্বন্ধৰ পাছত তালাক দিলেহে স্ত্ৰীয়ে ইদ্দত পালনৰ পাছত ইচ্ছা কৰিলে পুনৰ প্ৰথম স্বামীৰ লগত নিকাহত বহিব পাৰে। এই নিয়মটোক ছৰিয়তত হিল্লা বুলি কয়।

নবনীতা গদ্যে

নীলা চবাই

তামসিক

নীলা চৰাই

এবুকু ভাবাৱেগৰ উদুলি-মুদুলিত তৰুলতা নিশা চাৰে সাত-আঠমান বজাত চিত্তৰঞ্জনৰ সমাধিত গৈ উপস্থিত হ'ল আৰু তাত চাকি দি মূৰ দোঁৱালে। ভালেমান পৰ তাত সেৱা কৰিলে তেওঁ। যিদিনা কোনো বিশেষ অনুভৱত ডুবি তুলি থাকে — সেইদিনা সন্ধিয়া-দুপৰীয়া-মাজনিশা বুলি কোনো কথা নাই, অনুভৱে দোলাই দিয়াৰ মুহূৰ্ত্ততে তৰুলতা হাতত চাকি লৈ চিত্তৰঞ্জনৰ সমাধিলৈ যায়, চাকি দি আকুল হৈ মাৰ্বলৰ খটখটিত মূৰ থৈ সেৱা কৰি অদেখাজনক উদ্দেশ্যি মনৰ কথা কয়। আজি পোন্ধৰ বছৰে তৰুলতাই নিয়মীয়াকৈ সন্ধ্যা চিত্তৰঞ্জনৰ সমাধিত চাকি দি আহিছে।

তৰুলতাক দেখিলে ভাব হয়, সঁচাই এয়া এক অতিজাগতিক সম্বন্ধ। আজিৰ পৰা পোন্ধৰ বছৰৰ আগতে, ব'হাগ মাহৰ তিনি তাৰিখে, এটি কোমল পুৱা এইখিনিতে, চিত্তৰঞ্জনে আটোমটোকাৰিকৈ সজোৱা এই ঘৰটোৰ সন্মুখতে অজস্ৰবিধ ফল-ফুলৰ গছেৰে পৰিপূৰ্ণ বাৰীখনৰ সোঁমাজতে চিত্তৰঞ্জনৰ চিতাৰ জুই দপ্‌দপকৈ জ্বলিছিল। চিতাৰ জুই নুমাল। দুটামান স্ফুলিংগ কেৱল তৰুলতাৰ বুকুৰ মাজত জ্বলি থাকিল। সৰ্বতাপহৰ সময়ে সেয়া নুমুৱাব নোৱাৰিলে।

সমাধিটো যথেষ্ট ওখ। মাটিৰ পৰা অন্ততঃ পাঁচ ফুট উচ্চতাত ইয়াক এনেকুৱাকৈ সজোৱা হৈছে যাতে প্ৰকাণ্ড বাৰীখনৰ যিকোনো এঠাইত থিয় দিলেই ইয়াৰ সৌধ চকুত পৰে। যাতে দৰকাৰ হ'লেই বাৰীখনৰ যিকোনো এঠাইৰ পৰাই তৰুলতাই গিৰিয়েকৰ উদ্দেশ্যে নিজক ব্যক্ত কৰিব পাৰে।

চিত্তৰঞ্জনৰ বিশিষ্ট বন্ধু অম্বিক আহ্লুৱালিয়াই তৰুলতাৰ কাণে কাণে যেতিয়া আগবঢ়াই দিওঁতেই তৰুলতাই চাকি এগছি দি গিৰিয়েকক কথাটো জনাই থ'লে।

চাহপুলিৰ ব্যৱসায়ৰ সূত্ৰে তৰুলতা, তেওঁৰ ল'ৰা-ছোৱালী, সকলোৰে লগতে অম্বিকৰ বন্ধুত্বৰ সম্পৰ্ক নিকপকপীয়া হৈছে। অম্বিক মানুহজন আচৰিত। কাৰো আংকল, ভাইজানৰ হ'বলৈ নিবিচাৰে। আনকি তৰুলতাৰ নাতি নিতু-নিলুৰেও তেওঁৰ আদেশ মানি তেওঁক অম্বিক বুলিয়ে মাতে। প্ৰথমতে সকলোৱে এই কথাত আপত্তি কৰিছিল। তেতিয়া তেনেই কল-কল হৈ থকা ল'ৰা -ছোৱালী হালৰ ওপৰত কথাটোৰ

প্ৰভাৱ পৰিব বুলি। কিন্তু কোনো আপত্তি নৰজিল। তেওঁৰ কথামতেই সকলোৱে তেওঁক অম্বিক বুলি মাতে।

চিত্তৰঞ্জনৰ কোনো এক বাৰ্ষিক শ্ৰাদ্ধৰ দিনা অম্বিক বহি আছিল তৰুলতাৰ পৰিয়ালৰ সমূহ সদস্যৰ সৈতে। শ্ৰাদ্ধ শেষ হোৱাৰ পিছত তেওঁলোকে চ'ৰাঘৰত জিৰণি লৈছিল। কথাই কথাই আবিষ্কাৰ হ'ল অম্বিক আৰু তৰুলতাৰ জন্ম একেদিনাই। একেই চন, একেই মাহ-তাৰিখ। অম্বিক সৰু ল'ৰাৰ দৰে উচ্ছ্বাসিত হৈ উঠিল, 'I have so long been awaiting an occasion!' অৰ্থাৎ স্ফূৰ্তিৰ অ'কেজন। 'Lets celebrate this time'

অম্বিকৰ জন্মদিন পাতিবলৈ, জন্মদিনৰ দিনা পুৱাই শুভেচ্ছা জনাবলৈ তেওঁৰ কোনো নাই। বহু বছৰৰ আগেয়ে প্লেন-ক্ৰেশ্ব হৈ তেওঁৰ পত্নী আৰু দুই পুত্ৰৰ মৃত্যু ঘটিছে। তৰুলতাৰ দৰে তেৰোঁ এটা দুমহলীয়া ঘৰত এটা কাম কৰা মানুহৰ সৈতে থাকে। নিঃসংগতা দূৰ কৰিবলৈকে বোধহয় তেওঁ ব্যৱসায় বঢ়াই নি আছে।

এসপ্তাহমানৰ পিছত জন্মদিনৰ দিনা তৰুলতাৰ ঘৰতে অদীপ-মিতাৰ পৰিয়ালৰ উপস্থিতিত বৰ সুন্দৰ গ্ৰেণ্ড্ পাৰ্টি দি দিলে তেওঁ। তৰুলতাক উপহাৰ দিলে নিজৰ মৰমৰ, আপুৰুগীয়া, ইটালিয়ান ৰেডিঅ'গ্ৰামটো।

ৰেডিঅ'গ্ৰামৰ লগত থকা ৰেকৰ্ড-ডিস্কবোৰত পঞ্চাশ-ষাঠিৰ দশকৰ গান আছিল। সিদিনা কোনেও নবজালে সেইবোৰ।

পিছত এদিন অকলে অকলে থাকোঁতে তৰুলতাৰ গান শুনিবৰ মন গ'ল। প্ৰথমবাৰ প্ৰথমখন ডিস্ক লগাওঁতেই অশৰীৰী স্বৰ ভাহি আহি তৰুলতাক উচপ খুৱাই দিলে,

'....জানেৱালে' ক' ভুল যা ভুল যা....'

কাক পাহৰি যাব তেওঁ? চিত্তৰঞ্জনক? চিত্তৰঞ্জনক পাহৰি যোৱাৰ পিছত আন কাৰোবাক মনত ৰখাৰ শক্তি ৰ'বগেনে তৰুলতাৰ?

একমাত্ৰ ছোৱালী মিতাৰ ঘৰলৈ তৰুলতা প্ৰায়ে গৈ থাকে। তালৈই গ'লেই স্বস্তিৰ দীঘলীয়া নিশাহ এৰি মিতাই মাকক কয়, 'মা এইবাৰ যাওঁ যাওঁকৈ নাথাকিবি। কিনো কৰবিগে তাত? চৰ চিজিল লাগিয়ে আছে। ধাননি চাবলৈ, চাহপুলি চাবলৈ মোটা দৰমহা দি বেলেগ বেলেগ মেনেজাৰকেইটা ৰাখিছ কিহলৈ নিজে যদি অকণো বেষ্টেই নলব? এইবাৰ ইয়াত দহদিনমান ৰেষ্ট লৈ যা।'

ৰেষ্ট!

ৰেষ্টৰ অৰ্থ বুজে তাই? মাকক তাই ৰেষ্টৰ অৰ্থ বুজাবলৈ আছে?

তৰুলতাই একো নকয়। কৰবলৈ একো নাথাকে। মিতাই তেওঁক দিব খোজা ৰেষ্টৰ অৰ্থ তেওঁ জানে। হয়তো মিতাও উপায়হীন। আচলতে উপায়হীনতাৰ দোহাই দিয়াটোৱেই আটাইতকৈ সহজ কথা। কোনো ফ্ৰিাস-নিকাচৰ অজালত সোমাব নালাগে।

তৰুলতা সেইকেইদিন নাতি-নাতিনী দুটাৰ ঘাটো হৈ থাকে।

নিকুৰ স্কুলৰ কিবা প্ৰজেক্ট কৰিব লগা হ'ল। 'আইতা, এই বৰ্ডখনত এই কাগজখন একদম ক্ৰিজ নোহোৱাকৈ ষ্টিক কৰি দিয়াচোন।'

পিনজু শাৰী পিন্ধি বান্ধৱীৰ ওচৰলৈ যাব, 'আইতা প্লিজ-প্লিজ-প্লিজ শাৰীখনৰ প্লেইটকেইটা মিলাই দিয়াচোন।'

'আইতা, এয়াৰত পাৰফিউম স্প্ৰে' কৰাচোন। মই তাৰ মাজেদি পাৰ হৈ যাম। পাৰফিউম বোলে এনেকৈহে লগাব লাগে, জানা আইতা?'

নিকুৰ আবদাৰ, 'আইতা, বাটাৰ-চিকেন মচলা কৰাই খ'বা দেই।'

পিনজুৰ দীঘলীয়া প্লিজ যুক্ত দাবী, 'আইতা, মোৰ ক'লা চাটিনৰ জেকেটটোত এইখিনি, এই গোটেইখিনি, প্লিজ লগাই থ'বা।' তৰুলতাৰ কোলাত পিনজুৰ হাতৰ পৰা ঝৰঝৰকৈ সৰি পৰে এসোপা ঝমক্-ঝমক্ ড্ৰেছ-মেটিৰিয়েল।

নিকু জক্জকাই উঠে, 'এইজনী খালি প্লিজ-প্লিজাই থাকিব! আইতাক ৰ'ব কৰি মাৰিছ।'

'ইস্! তাৰ চব কাম আইতাই কৰি দিব আৰু মোৰবোৰ? তুমি তাৰ কথাত প্লিজ পাট্টা নিদিবা আইতা। মোৰ জেকেটটো আজি ৰাতিৰ ভিতৰতে হ'বই লাগিব কিন্তু।'

পিছদিনা ৰাতিপুৱা পিনজুৰ পিক্নিক।মিতাই তৰুলতা থকাকেইদিন আনকি সৌৰভৰ খোৱা-বোৱাতো তেনেকৈ চকু দিব নোৱাৰা হয়। সেইকেইদিন তাই এগৰাকী পুৰাপুৰি ইউনিভাৰচিটিৰ লেকচাৰাৰ হৈ যায়।

বহুত কল্পনা আৰু সময় খৰচ কৰি পিন্জুৰ জেকেট বনোৱাৰ ফাঁকে ফাঁকে নিকুৰ প্ৰজেক্ট, বাটাৰ - চিকেনৰ ফাঁকে ফাঁকে তৰুলতাই জোঁৱায়েকে ভালপোৱা আমৰ গুড়া-নহৰুৰ চাটনি কৰি দিয়ে।

আটাইতকৈ আৰাম হয় মিতাৰ বান্ধনি বশিষ্ঠৰ। বান্ধনি হিচাপে বশিষ্ঠৰ মান কিমান তলত, মিতাই যে বশিষ্ঠৰ হাত-লৰ স্বভাবটো নাই বাবেহে তাক বছৰৰ পিছত বছৰ ধৰি ৰাখিছে, এই কথা মাকৰ কাণত পেলাই থাকে। অকল মিতাইনে? সকলোৱে। নিকু-পিনজু, জোঁৱায়েক সৌৰভ সকলোৱে বশিষ্ঠ নহয়, সেইকেইদিন তৰুলতাৰ হাতৰ বন্ধাহে খাব। বশিষ্ঠই কেৱল বজাৰ কৰিব আৰু বাচন ধুব। বাকী ভাত-দাইলকেইটা পৰ্যন্ত তৰুলতাই বশিষ্ঠক বন্ধোৱাব নোৱাৰিব। বশিষ্ঠৰ ভাত জবজবীয়া নহয়, বশিষ্ঠই বন্ধা দাইলৰ হালধিৰ গোন্ধেই নমৰে।

কিন্তু তৰুলতাৰ পচন্দৰ ল'ৰা পঁচিশ বছৰীয়া পাহোৱাল ডেকা বশিষ্ঠ। তৰুলতাৰ কাৰ্যত সৎ কৰ্মচাৰী নথকা নহয়। তথাপি বশিষ্ঠকে ভাল লাগে। তৰুলতাই নিজৰ লগত কথা হোৱালীজনী, মিনিৰ লগত বশিষ্ঠৰ সম্বোধন পাতি দি সিহঁতক নিজৰ লগত নিগাজিকৈ ৰখাৰ কথাও ভাবে। সেয়ে জী-জোঁৱাই-নাতি ল'ৰাই বশিষ্ঠৰ দোষ খুঁচৰি থকা দেখি তেওঁ মনে মনে কিছু দুখ হয় যদিও দিক্‌ভ্ৰান্তৰ্ভাবে ভাবে—এই সুবিধাটো যেখোন ল'ব পৰা যায়। 'বশিষ্ঠক যদি মই লগত ৰাখোঁ? এটা বিশ্বস্ত সংগৰ?'

তেওঁ তভাতেৱাকে জীয়েকক মুখ পাতি ধৰে, 'তেন্তে তইঁতে ইয়াক ৰাখিছ কিয়? বশিষ্ঠ। আজিৰ পৰা তোৰ এইখন ঘৰৰ বাহুনিৰ চাকৰি গ'ল। যা, মই পঠাই দিছোঁ তোক। মোৰ লগত থাকি ফাৰ্মৰ কামত সহায় কৰিলে বুঢ়াচাহাবে তোক স্বৰ্গৰ পৰা আশীৰ্বাদ দিব। কেতিয়া যাবি ক।' তৰুলতা বশিষ্ঠৰ ওচৰ চাপি যায় আৰু কথাটো চিৰিয়াছলি আলোচনা কৰিব খোজে। হঠাৎ ভিতৰৰ পৰা উৰি অহাদি আহে মিতা।

'মা অ'। মাৰিব খুজিছ মোক? তই নিকু, পিন্‌জু কোনোবা এটাকে লৈ যা। বশিষ্ঠক নিব নোৱাৰ। মই মৰি যাম। হঠাৎ ইমান সোনকালে আৰু এটা মানুহ ক'ৰ পৰা পাম।'

এইবাৰ বশিষ্ঠলৈ চাই তাই কয়, 'এই ল'ৰা , চা তোৰতো মই পঢ়া-শুনাও কণ্টিনিউ কৰালোঁ, তই এইবাৰ হায়াৰ ছেকেণ্ডেৰী পাছ কৰিবৰ যত্ন কৰ; ধৰি ল, এই ইউনিভাৰচিটিতে তোৰ কিবা এটা চাকৰি হৈ গ'ল।'

তাই অলপ বৈ কিবা এটা মনত পৰাৰ দৰে ভিতৰলৈ যায়। ভিতৰৰ পৰা তৰুলতাৰ ওচৰত থিয় দি থকা বশিষ্ঠক চিএঞৰি মাতে, 'বশিষ্ঠ, বশিষ্ঠ। চাওঁ খৰকৈ আহচোন।'

তৰুলতাৰ হাতত পিন্‌জুৰ জেকেট। জাবৰ ব'দ পুৰাওঁ বুলি তেওঁ ম'ৰাবেৰে চিকুণাই থোৱা ঘাঁহনিত বহিছিল। ব'দৰ চোক বাঢ়ি আহিলত তেওঁ ভিতৰলৈ উঠি আহিবই খুজিছিল। কিন্তু তেওঁ শালখনেৰে ওৰণি লৈ মুখখন, মূৰটো ব'দৰ পৰা আঁৰ কৰি বহাতে থাকিল। উঠি আহিবলৈ তেওঁ প্ৰস্তুত হ'ব নোৱাৰিলে। কাৰণ তেওঁ এনে এটুকুৰা ঠাইত বহি আছে, য'ৰ পৰা উঠি আহিলেই হয় তেওঁ পাকঘৰৰ মাজেদি ভিতৰ সোমাব লাগিব, নহয় পিছফালৰ গেট খুলি দীঘলীয়াকৈ এপাক ঘূৰি আগফালেদি। পাকঘৰৰ মাজেদি তেওঁ ভিতৰ সোমাব, কিন্তু অকণমান পিছত। এতিয়া তেওঁ জানে মিতাই বশিষ্ঠৰ লগত কি কথা পাতি আছে। তৰুলতাই সেই কথা-বতৰাৰ মুখামুখি হয় কেনেকৈ?

বশিষ্ঠই তৰুলতাক মেমচাব আই বুলি মাতে। সি জানে তৰুলতা কিমান ডাঙৰ এজন পুলিচ অফিচাৰৰ পত্নী আছিল। সি জানে তৰুলতাৰ কিমান একৰ মাটিত ধানখেতি, চাহখেতি, চিত্ৰনলাৰ খেতি আছে। সি আৰু জানে, ফাৰ্মৰ বঙলাত তৰুলতাই কিদৰে চিত্তৰঞ্জনৰ প্ৰকাণ্ড প'ৰ্ট্ৰেইটৰ সমুখত গধূলি গধূলি অকলশৰে বহি গীতা-ভাগৱত পঢ়ি সময় কটায়।

তৰুলতাৰ ফাৰ্মত বঙলাৰ পিছফালে দুশাৰী মজবুত খেৰীঘৰ ফাৰ্মত কাম কৰা মানুহৰ ল'ৰা-ছোৱালীৰ কলৰবেৰে চৌবিশ ঘণ্টা উজ্জ্বল হৈ থাকে। সিহঁত বঙলাৰ বাহিৰত থাকিলেও সেই হাঁহি-আন্দোলনৰ মুখৰতা সেই ল'ৰা-ছোৱালীজাকৰ সজীৱ অস্তিত্বই তৰুলতাৰ বুকুৰ ভিতৰত ঘৰ সাজি লৈছে। তথাপিও, সেই প্ৰকাণ্ড দুমহলীয়া ঘৰটোৰ ভিতৰত, ওপৰ মহলাৰ বেলকনিত বহি দূৰত্ব আকাশত দিনৰ তৰা বিচাৰি ফুৰে তৰুলতাৰ দুচকুৱে। বশিষ্ঠই বুজি পায়, সেই ল'ৰা-ছোৱালীবোৰে কোলাহল কৰি

থকা অৱস্থাতো যে তৰুলতাৰ বুকুৰ এটুকুৰা আচলতে গুদা হৈ থাকে। মূলতঃ একোৱেই প্ৰৱেশ কৰিব নোৱাৰে সেই নিজানত। বশিষ্ঠই তাৰ নিজস্ব ভাবাবে বুজি পায়। সি ভাবে, সিয়েই সেই নিজানলৈ খোজ এটা আগবঢ়াই চাব নেকি। তৰুলতাৰ ল'ৰা অদীপ থাকে দূৰৈত। চান্তাক্ৰুজত। কেতিয়াবা তৰুলতা গৈ নিঃসন্তান পুত্ৰ-বোৱাৰীৰ লগত থাকি আহেগৈ। পুতেক কামলৈ ওলাই যোৱাৰ পিছত তৰুলতাই বৰ অসহায় অনুভৱ কৰে। নিঃসন্তান বোৱাৰী অনুৰাধাৰ চিকমিক কৰি থকা পিছল গাল দুখন যেন চকুপানীৰে চপচপীয়া হৈ আছে এনে লাগে তৰুলতাৰ। অনুৰাধাৰ মুখামুখি হৈ বহাৰ সময়ত তাইৰ গাল দুখন যেন তৰুলতাৰ সম্মুখত স্বচ্ছ দাপোণ হৈ জিলিকে। কি কথা পাতিব দুয়ো? ঘৰৰ কথা পাতিবলৈ ল'লেই ওলায় গতানুগতিক মিতাইতৰ কথা। মৃত চিত্তৰঞ্জনৰ কথা। অনুৰাধাৰ মৃত পিতৃ-মাতৃৰ কথা। অথবা শিশুৰ কাকলিবিহীন অদীপ, অনুৰাধাৰ সজ্জিত বাংল'টোৰ দুষ্প্ৰাপ্য এন্টিক, অৰ্কিড আদিবোৰৰ কথা। তাৰ মাজে মাজে একোটা সশব্দ বিৰতি। আকাশৰ বুকু ফালি-চিৰি গৰ্জি উঠে বিমান। কেৱল নৈৰাজ্যৰ কথা আৰু কিমান পাতিব দুয়ো? আজিকালি দুয়ো মুখামুখিকৈ নবহিবলৈ চেষ্টা কৰে। তৰুলতা গৈ চান্তাক্ৰুজত থকাকেইদিন অথবা অদীপহঁত আহি অসমত মাকৰ ওচৰত থকা কেইদিন অনুৰাধা যদি চাহপুলি কিমান গুধ হৈছে চাবলৈ যায়, তৰুলতা যায় ধাননিলৈ। তৰুলতা যদি আলোচনী মেলি বহিছে, অনুৰাধা পাকঘৰত। চিএৰি, চিএৰি দূৰৰ পৰা কথা-বতৰা পতাটো তেওঁলোকৰ এতিয়া অভ্যাসত পৰিণত হৈছে।

চান্তাক্ৰুজত তৰুলতা প্ৰায়ে আপোন-পাহৰা হৈ বিচৰণ কৰে অদীপৰ বাংল'ৰ অৰ্কিডময় হৈ থকা সুদীৰ্ঘ বেলকনিত। সিহঁত টপফ্ল'ৰত থাকে, সেয়ে এইখন সিহঁতৰ বেলকনিও বাৰাণ্ডাও।

'এই বেয়াৰ স্পেচিটো ক'ত পালা অক?' তৰুলতাই অৰ্কিডলৈ চাই সোধে।

অনুৰাধাই ভিতৰৰ পৰাই চিঞৰি কয়, 'কিয় এইবাৰ দেউতাৰ শ্ৰাদ্ধত যাওঁতে আপোনাকো দি থৈ আহিব খোজা নাছিলোঁ জানো? আপুনি যে মেন্টেইন কৰিব নোৱাৰিব বুলি নাৰাখিলে? পাহৰিলে? কিয় জোৰাইলে গৈছিলোঁ যে ভেতিয়াই অনা।'

এৰা, তৰুলতাৰ বয়স হৈছে। আজিকালি কথাবোৰ পাহৰি যায় তেওঁ। অনুৰাধাই সঁচাকৈ তেওঁক ব্লু-ভেণ্ডা অৰ্কিডৰ এই সঁচটো দিব খুজিছিল নেকি? তেওঁ কোনোপধ্যেই মনত পেলাব নোৱাৰিলে। মনত পেলাব খুজি অজানিতে তেওঁৰ মনত এক পৰস্পৰবিৰোধী আবেগৰ সংঘাতবহে সৃষ্টি হ'ল। হাজাৰজোপা গছ মেন্টেইন কৰা তৰুলতাই মেইন্টেনাঞ্চৰ দোহাই দি অনুৰাধাই দিয়া অৰ্কিড নাৰাখিলে?

দূৰৰ পৰা ইজনে সিজনলৈ চিএৰি চিএৰি পাতি থকা তেওঁলোকৰ কথা-বতৰা ডাইমেনচনবিহীন হ'লেও বহু পৰলৈকে চলি থাকে।

একোবাৰ তৰুলতা একোজোপা অৰ্কিডৰ দুখত কাতৰ হৈ উঠে। 'অক, চাইম্ৰিপেডিয়ামক ইমান ৰ'দ নালাগে নহয়। চোৰাচোন জনবাৰ্ণ হৈছে।'

একেবাৰ তেওঁ চপলা কিশোৰীৰ দৰে ভেনিলা প্লেনিকলিয়াৰ নিচেই কাষলৈ গৈ ভেনিলাৰ সুবাস টানি টানি লয়।

ভাত খাওঁতে হঠাৎ কোনোদিনা তৰুলতাৰ মনত পৰে তেওঁৰ ফাৰ্মখনলৈ। চিত্তৰঞ্জনৰ অস্তিত্ব তৰুলতাৰ বাবে ভূমাত মিহলি হৈ যোৱা নাই। সেই অস্তিত্ব মিহলি হৈ আছে ফাৰ্মখনত। বহু দূৰৰ পৰা জিলিকি থকা গেৰুৱা-হালধীয়া আখৰেৰে ফাৰ্মৰ পদূলিমুখত ক'লা প্লেটত লিখা আছে 'ৰেচিচ'। দীঘল বাটচ'ৰাটোত ৰূপক ৰবাই ৰুই থৈ যোৱা শাৰী শাৰী চেগুন আৰু কদমৰ গছ। ৰূপকে ৰোৱা গছ। সেয়া অন্য এটা কাহিনী—।

তৰুলতাৰ বুকুৰ নিজান এই ৰেচিচ। চকুমুদি দীঘল উশাহ লৈ সুদূৰ চান্দ্ৰকুঞ্জৰ পৰাই তৰুলতাই সেই নিজানৰ, মকৰন্দানৰ সুগন্ধ পায়।

'অৰু!' তেওঁ চিঞৰি মাতে।

অনুৰাধা উঠি গৈছে পাকঘৰলৈ। তৰুলতাই তেওঁক চিঞৰি চিঞৰি পাকঘৰ পায়গৈ। 'অৰু! মোৰ ভাত, মানে ফাৰ্মত, পিছফালৰ বাৰীৰ নাৰিকল কেইজোপাত ষ্টেম ব্লিডিং হৈ আছিল। তেতিয়াই দেখি আহিছিলোঁ, আলকতৰা সনাই নহ'ল। মই যাবগৈ লাগিছিল। ই-স! বৰ বেয়া কথা হ'ল চিত্ৰনলাডৰাৰ ওচৰত আমজোপাত ডাইবেক্ দেখাৰ নিচিনা লাগিছিল? ইস্ ইস্। ই অদীপ কেতিয়া পাবহি?'

অনুৰাধা লগে লগে ব্যস্ত হৈ উঠে, 'কিয় মা, আপুনি যাবগৈ খুজিছে নেকি?... আমাতকৈ আপোনাৰ আম-নাৰিকলৰ গছ কেইজোপাহে আপোন হ'লগৈ?'

'আপোন-পৰৰ কথা নাই অ'। দেউতাৰৰ জীউটো আছে বাৰীখনত।' তৰুলতায়ো সমান ব্যস্তভাৱে কয়। নাতি-নাতিনী নোহোৱা ঘৰখনত দিনটো অনুৰাধাৰ লগত ঘন ঘন বিমানৰ গৰ্জন শুনি শুনি, আচলতে তৰুলতাৰ মনো নবহে। 'মই অদীপলৈ ফোন এটাকে কৰোঁ। টিকট বিচাৰক। মই সোনকালে যাওঁগে।'

এনেদৰেই ফাৰ্মলৈ মনত পৰিলেই আগতীয়া নটিচ নিদিয়াকৈ তালি-টোপোলা বন্ধাটো তৰুলতাৰ নিয়ম। অদীপ সংবেদনশীল ল'ৰা। মাকক আৰু দুটা দিন থাকি যাবলৈ সি জোৰ নকৰে। পিছদিনাই মাকলৈ বুলি প্লেনৰ টিকট বিচাৰে সি।

তৰুলতা যেতিয়া ধাননি পথাৰত নামে, পথাৰত সেই সময়ত কাম কৰি থকা মানুহবোৰ ভীত, উৎসাহিত দুয়োটা সমানে হয়। পঁয়ষষ্ঠি বছৰীয়া তৰুলতাৰ গাত সেই সময়ত থাকে চাদৰ আৰু আঁঠুৰ তলতে পৰা মেখেলা, ভৰিত আঁঠুলৈকে উজাই অহা বুটজোতা। তেওঁ নিজ হাতেদি চব কামৰ তদাৰক কৰে। ধান চপাবৰ হোৱাৰ ঠিক আগে আগে তেওঁ খেতিডৰাৰ বিভিন্ন অংশৰ পৰা একোটাকৈ ধানৰ থোক আনি পৰীক্ষা কৰে, প্ৰতিটোতে অন্ততঃ আঢ়েশ ধানগুটি আছেনে নাই। সেইবাবেই মেমচাৰ আইতা সকলোৰে ইমান সমীহৰ, ইমান আদৰৰ।

বশিষ্ঠৰো অতি আদৰৰ-হেঁপাহৰ মেমচাৰ আই।

মিতাৰ ঘৰত বশিষ্ঠ অন্ততঃ আঠ বছৰ ধৰি আছে। তৰুলতাৰ বাবে অমিয়া

সনা এই সম্বোধন 'মেমচাব আইতা' — স্নেহ অমিয়া আনকি নিকু-পিন্তুৰ আইতা সম্বোধনতো নাই।

চিত্তৰঞ্জনৰ প্ৰকাণ্ড পৰ্ট্ৰেইটখনলৈ একেথৰে চাই থাকিলে আজি ইমান বছৰৰ পিছতো তৰুলতাই চকুপানী সামৰিব নোৱাৰে। তৰুলতা এতিয়া সপোনৰ জগতত বাস কৰে। এই গছবোৰ তুমিনে... এই মাটি তুমিনে... এই ফাৰ্মৰ মানুহবোৰ তুমিনে...তুমিনে? কিমানদিন আৰু স্বপ্নৰ আৱৰ্তত বাস কৰিব তৰুলতা।

বশিষ্ঠ আৰু মিতাই পাকঘৰত কথা পাতি আছে। প্ৰকৃততে মিতাই কৈ আছে, বশিষ্ঠই শুনি আছে। ব'দে তৰুলতাৰ পিঠিখন পুৰি নিয়াৰ দৰে কৰিছে। তথাপি এতিয়া ভিতৰলৈ উঠি যাবলৈ তেওঁৰ কোনো উপায় নাই। বশিষ্ঠক মিতাই ভুন-ভুনকৈ কৈ থকা কথাৰ স্বৰ মিতাৰ অজানিতেই ওপৰলৈ উঠে। মিতাৰ কথা মাকৰ কাণত স্পষ্টভাৱেই পৰে। ব'দে পিঠিখন আৰু মিতাৰ কণ্ঠই তেওঁৰ কাণৰ পৰ্দা সমানেই ডেই-পুৰি নিয়ে। তৰুলতাৰ আলসুৱা ইগো ক্ষত-বিক্ষত হোৱা এনেবোৰ অভাৱনীয় মুহূৰ্তত তৰুলতাই কাৰো মুখামুখি হ'বলৈ প্ৰস্তুত হ'ব নোৱাৰে। সেই কথা-বতৰাৰ বিষয়বস্তু, মিতাই বশিষ্ঠক কিবা দৰকাৰী কামৰ বাবেহে ভিতৰলৈ চিএৰি মাতি নিয়াৰ নিচিনা কৰাৰ কাৰণ, এইবোৰ গম পাই যোৱাৰ পিছত পিন্তুৰ জেকেটটোতে মনোনিবেশ কৰিবলৈ তেওঁ আপ্ৰাণ চেষ্টা কৰে। গোটেই সময়খিনিত বশিষ্ঠই মুখেৰে এটাও শব্দ কৰা নাই। মিতাই কৈ আছে, 'তোৰ মেমচাব আইৰ লগত গৈ মৰিব খুজিছ? একো কথা নুশুনিবি। দ পথাৰৰ বোকাত নি নমাই দিবগৈ তোক। ইয়াত ইমান আৰামত আছ, খাইছ। ফাৰ্মত কিমান কাম তই জানো নাজান?' এইবাৰ তাই স্বগতোক্তি কৰাৰ দৰে কৰে, 'মাও যে কি আৰু! সংসাৰৰ মানুহখন চলাই লৈ সাম্ৰাজ্য পাতি বহি লৈছে, সেয়াই জোৰাগৈ নাই। ইয়াকো মোৰ ঘৰৰ পৰা ভণ্ডাই-মেলি লগত নিলেহে হয়। এই মানুহবোৰ — কাৰো পৰা উপায় নাই। চব স্বাৰ্থপৰ। চেল্ফ-চেন্টাৰ্ড!'

মিতাই তৰুলতাৰ পৰা যথেষ্ট দূৰত্বতে এইদৰে বক্‌বক্ কৰি থাকে। কিন্তু মিতাৰ শৈশৱৰ স্বভাৱ — সৰু মাতেৰে আৰম্ভ কৰা কোনো এটা কথাৰ স্বৰগ্ৰাম উত্তেজনাৰ লগে লগে কেতিয়া ওপৰলৈ উঠে, তাই গম নাপায়। মাকে কথাবোৰ শুনিবও পাৰে বুলি এই মুহূৰ্তত তাই সচেতন হৈ থকা নাই। এই কথা জানে বাবেই তৰুলতাই এয়া মুখপাতি ধৰা নাই। এই কথা জানে বাবেই চোকা হৈ অহা ব'দৰ পৰা ৰক্ষা পাবলৈ মুখ ঢাকি মূৰলৈ তুলি লোৱা শালখনৰ আঁৰত পিন্তুৰ জেকেটটোৰ ওপৰত চকুৰ পৰা টপৰ টপৰকৈ অবিৰাম চকুপানী পৰি থাকে।

পিছে তৰুলতা আৱেগ চম্ভালি লোৱাত, তেওঁৰ প্ৰতিটো আৱেগিক মুহূৰ্ত আনৰ পৰা আঁৰ কৰি ধৰাত সিদ্ধহস্ত। বাপেক ৰবাই যেতিয়া তেওঁৰ ডিঙিৰ গধুৰ সাতসৰী, হাতৰ বিশুদ্ধ সোণৰ খাৰু-জোকা, ফুলশয্যাৰ নিশা চিত্তৰঞ্জনে দিয়া হীৰাৰ আঙুঠি, হীৰাৰ কাণফুললৈ চকু দিয়াৰ কথা তেওঁ বিশ্বজনৰ মুখে গম পাইছিল, তেতিয়াও তেওঁ এই এনেকৈয়ে দীঘল ওৰণিৰে মুখ লুকুৱাই কান্দিছিল। এই একেই

অপমানমিশ্রিত, লজ্জামিশ্রিত দুখ। সেয়া লাগে গৰ্ভজাত সন্তানে দিয়াই হওক বা আন কোনো প্ৰিয় ব্যক্তিয়ে দিয়াই হওক। তৰুলতাই এনে আঘাত সমান তীব্ৰতাৰেই অনুভব কৰে।

মৃদু স্বভাৱৰ তৰুলতাৰ এটি সযতনে লালন কৰা ইগো আছে। সেই তেতিয়া ৰূপক বৰাৰ অভিসন্ধিৰ কথা জনাজনি হোৱাৰ দৰে এতিয়াও মিতাৰ অসতৰ্ক মুহূৰ্তৰ মাত কাণত পৰাত তৰুলতাৰ আলসুৱা ইগো আহত হ'ল।

একোটা মানুহৰ সাধাৰণ প্ৰকৃতি যেনেকুৱাই নহওক কিয়, সি পৃথিৱীত কিবা নহয় কিবা অলপ ভাল স্মৃতি এৰি থৈ যায়। ৰূপকেও তৰুলতাৰ ওচৰত বহু ভাল স্মৃতি এৰি থৈ গৈছে। ফাৰ্মৰ নাম ফলিখনৰ পৰা আৰম্ভ কৰি বাংলৈলৈকে এই পথছোৱাত ৰূপকে পথৰ দুয়োকাষে ৰুই থৈ গৈছে চেগুন আৰু কদমৰ গছ। তৰুলতাৰ গছ-প্ৰীতিৰ কথা জানিয়েই সি এই কাম কৰিছিল। তৰুলতাৰ সমস্ত দুৰ্বলতাৰ কথা সি জানিছিল। তৰুলতাই খোৱাই ভাল পায়। গতিকে খাবৰ পৰত সি কেতিয়াও বাহিৰত থকা নকৰিছিল। তৰুলতাই তাক বন্ধু-বান্ধৱ বিবৰ্জিত হৈ থকাটোকে, তেওঁৰ ওচৰত সি সম্পূৰ্ণ ৰূপে সমৰ্পিত হৈ থকাটোকে বিচাৰিছিল। সিও সেইমতেই চলিছিল। আনকি কেতিয়াবা সি বিহুৰে-সংক্ৰান্তিয়ে ঘৰলৈ নগৈ নিঃসংগ তৰুলতাৰ ঘৰ হৈ-হাল্লাৰে ভৰাই ৰাখিছিল।

এদিন তৰুলতাই তাক ক'লে, 'তুমিনো কি অইন মানুহৰ নিচিনাকৈ মোক এক তাৰিখে এক অৰিখে ঘৰ ভাৰা দিয়াহে? বেংকত থৈ দিবা টকাকেইটা। তোমাৰ বিয়াত সেই পইছাৰে ন-ছোৱালীক ভাল বস্তু এপদকে দিবাচোন।'

ৰূপকে ধেমালিৰ ছলেৰে টপৰাই কৈছিল, 'আইতাই তাৰ মানে মোৰ বিয়াৰ খৰচ মই দিয়া ঘৰ ভাৰাৰ পইছাৰেই মাৰিব খুজিছে?'

তৰুলতা আৱেগিক হৈ উঠিল, 'নহয় নহয়, তেনেকৈ নক'বা। চব কথা জানিও এনে কথা কোৱানে?'

চব কথা মানে?

চব কথা মানে—মাত্ৰ বাঠি কিলোমিটাৰ দূৰৈত থকা মিতাইত ল'ৰা-ছোৱালীৰ পঢ়া, মিতাৰ একাডেমিক কাম-কাজ, সৌৰভৰ গাত আঠা হৈ লাগি থকা বিশাল ব্যৱসায়ৰ অজুহাতত অকলশৰীয়া মাকৰ ওচৰলৈ দীৰ্ঘদিন নহাকৈ থকাৰ কথা, অদীপৰ প্ৰমোচন হোৱাৰ পিছত সঘনে চাণ্ডাক্ৰুজ এৰি ঘৰলৈ আহি থাকিব নোৱাৰাৰ কথা, ধানখেতি, চাহখেতিৰ পথাৰলৈ তাঁত-বাটি কৰি, এশ এটা কাম কৰা মানুহৰ কাম-কাজত চকু দি পঁয়বষ্টি বছৰীয়া তৰুলতা কেতিয়াবা ভাগৰি পৰাৰ কথা।

তৰুলতাৰ কাষ চাপি অহাত ৰূপকৰ এটা দুৰভিসন্ধি আছিল, ঠিক কথা। কিন্তু সি বোধহয় নিজেও গম পোৱা নাছিল কিদৰে তিলে তিলে সি ফাৰ্মখনৰ লগত স্বয়ং তৰুলতাৰ লগত একাত্ম হ'বলৈ আগ বাঢ়িছিল। সেইু গছবোৰ কৰৰ পৰত সি গম নোপোৱাকৈ তাৰ পিছফালে থিয় হৈ তাৰফালে মৰমেৰে চাই মুগ্ধ হৈ থকা তৰুলতাই

শুনিছিল, সি নিবিষ্ট চিত্তেৰে গুণগুণকৈ গান গাই আছে। গছে যে সংগীতৰ মূৰ্চ্ছনাত লহপহীয়া হৈ বঢ়াৰ প্ৰেৰণা পায়, এইকথা সিও জানিছিল নেকি?

মাক ঢুকোৱাৰ পিছত শ্ৰাদ্ধ আদিৰ পিছত যিদিনা ৰূপক ঘূৰি আহিছিল, সেইদিন ধৰি ৰূপকে আৰু বন্ধা-বঢ়া কৰিব লগা হোৱা নাছিল। আগতেও প্ৰায় প্ৰতিসাজ আহাৰৰ লগতে ৰূপকে তৰুলতাৰ হাতৰ ব্যঞ্জনৰ স্বাদ পাইছিল; তথাপি মালিক আৰু ভাৰাতীয়াৰ অন্ততঃ দুটা সুকীয়া চৰু আছিল। ৰূপকৰ মাক ঢুকোৱাৰ পিছত তৰুলতাই আৰু সেই কথা ভাবিব নোৱাৰা হ'ল। ৰূপক তেওঁৰ আৰু কাষ চাপি আহিল।

ব'হাগৰ বিহু পালেহি।

দুদিন আগে-পিছাকৈ অদীপ আৰু মিতাই মাকলৈ ফোন কৰিলে। অদীপ আহিব নোৱাৰাটো হেনো সাধাৰণ কথা। সি মাকক ক'লে, মাকে যেন বিহুটো মিতাৰ ঘৰতে কটায়। মিতায়ো ক'লে, তাইৰ অজস্ৰ লেঠা, মাকেই যেন তাইৰ তালৈ বিহুটোত থকাকৈ যায়।

তৰুলতাই কথাষাৰ প্ৰথমতে মানি ল'বলৈকে টান পালে। অদীপ বিহুত নহা মানে দেউতাকৰ শ্ৰাদ্ধতো নহা। ব'হাগৰ বিহুৰ দুদিন পিছতেইতো শ্ৰাদ্ধ। অদীপৰ ওচৰত মাকৰ মনটো পৰি থাকিলেও যাওঁ বুলিয়ে তালৈ যোৱাটো, বা গৈ তাতে শ্ৰাদ্ধভাগ পতাটো এটা প্ৰায় অসম্ভৱ কথা। আৰু মিতা?

তেওঁ বহুপৰ দাঁত দুপাৰি টানকৈ কামুৰি ধৰি টেলিফোনটোৰ কাষতে বহি থাকিল। বহু বছৰৰ আগেয়ে যেতিয়া চিত্তৰঞ্জনৰ হাজাৰ মাইল দূৰৈত চাকৰি আছিল, তৰুলতা মিতা-অদীপক লৈ এই ফাৰ্মত আছিল, বিহুৰ দুদিনমান আগৰ পৰা আজৰি পালেই তৰুলতাই এনেদৰে ফোনটোৰ কাষতে বহি থাকি চিত্তৰঞ্জনৰ কললৈ অপেক্ষা কৰিছিল। নাইবা তেওঁ নিজে গিৰিয়েকৰ অফিচৰ নম্বৰ ডায়েল কৰিছিল। এইখিনিতে বহি।

হঠাৎ তৰুলতাই এটা বৰ শিশুসুলভ কাম কৰি পেলালে।

তেওঁ তাহানিৰ সেই নম্বৰ ডায়েল কৰিলে। চিত্তৰঞ্জনৰ নম্বৰ। অৱশ্যে, সিফালে ৰিং হোৱাৰ লগে লগেই তেওঁ চিত্তৰঞ্জনৰ প'ট্ৰেইটলৈ চাই ৰিচিভাৰ নমাই থ'লে।

নাই। তেওঁ মিতাৰ ঘৰলৈ নাযায়।

ৰূপকৰ লগতে ব'হাগৰ বিহু পাতিব।

চিত্তৰঞ্জনৰ শ্ৰাদ্ধও পাতিব। বিহুত 'নাহো' বোলা জীয়েকক তেওঁ দেউতাকৰ শ্ৰাদ্ধৰ দিনা 'দেখা এটা দিবিহি' বুলিও নক'লে। তাই উপযাচি, দিন- বাৰ বুজি ওলায়হি যদি বেলেগ কথা।

মাক নোহোৱা ঘৰখনলৈ বিহুত ৰূপক নগ'ল। এইবাৰ ফাৰ্মৰ মানুহবোৰে বিহুটোত তৰুলতাক যেন একেবাৰে নিজাৰবীয়াকৈ পালে। সিহঁত ইমান উল্লসিত হ'ল

যে তৰুলতাৰ পাকঘৰ আৰু গেষ্টৰুমটোৰ একাল ফাৰ্মৰ মানুহ আৰু গাঁৱৰ মানুহে দিয়া জলপান, পিঠা-পনাৰে উপচি পৰিল। দোকানৰ পৰা কাগজৰ বাকচ অনাই সেই পিঠা-পনা থ'ব লগা অৱস্থা হ'ল। নক'লেও হ'ব, সেই খাদ্যৰ একাল পকন্বা-পইভাচোৰাই ধ্বংস কৰিলে। কিন্তু স্ফূৰ্তিৰ জোৱাৰত সেই আফচোচ উটি গ'ল।

তৰুলতাই হুমুনিয়াহ এৰে।

এটা সৰু সাময়িক আফচোচ উটি গ'ল। এটা ডাঙৰ আফচোচ তৰুলতাৰ কোলাত মূৰ থৈ শুবলৈ চিৰদিনলৈ উভতি আহিল।

ৰূপকে বোলা কদম, চেগুন সকলো এতিয়া লহ্‌পহকৈ ওখ হৈছে। সেই গছবোৰৰ ফালে চালেই তৰুলতাৰ ইগোটো পুনৰবাৰৰ বাবে ক্ষত-বিক্ষত হয়। এটা অতি আবেগিক মুহূৰ্তৰ স্মৃতি; তৰুলতাৰ কোলাত মূৰ থৈ শুই থকা আফচোচ! সেই যে তেওঁৰ যোৱপত্তা দুহাতৰ অঞ্জুবাত পুত্ৰৱৎ তুলি লৈছিল ৰূপকৰ কিশোৰ মুখখন! বিহুৰ দিনা ৰূপকে তেওঁক সেৱা কৰিব খোজোঁতে তৰুলতাই তাৰ মুখখন দুহাতৰ আঁজলিত তুলি লৈ, তাৰ কপালক অদীপৰ কপালখনৰ সৈতে একাকাৰ কৰি লৈ চুমা এটা খাইছিল। নিকু-পিনজুলৈ কৰি থোৱা মাখন কোমল চকলেট কেক কাটি প্ৰথম টুকুৰা ৰূপকৰ মুখত গুজি দি বাকীখিনি ফাৰ্মৰ কণমানিহঁতৰ মাজত বিলাই দিছিল।

আনন্দ-আনন্দ-আনন্দ — মেমচাৰ আইতাৰ ৰেচিচত সেইটো বিহুত কেৱল আনন্দৰ ঢৌ! ব'হাগৰ বিহু পুত্ৰ-পৰিজনবিবৰ্জিত হোৱাই তেওঁক স্পৰ্শ কৰিব নোৱাৰিলে। এক ব্যাখ্যাতীত প্ৰাপ্তিয়ে তেওঁক আবৰি থাকিল।

পিছে সেই আনন্দ দুকূল উপচাই বৈ নাছিল। দুদিন পিছতে সকলো জলাশয়ত পৰিণত হ'ল।

বিহুৰ দিনাই গধূলিলৈ অফিচৰ দুজনমান সহকৰ্মীৰ লগত তৰুলতাৰ ফাৰ্মৰ পৰা কিছু নিলগত, এটা আওহতীয়া ঘৰত বহি অকণমান বিহুৰবীয়া নিচা কৰিবৰ মন গ'ল ৰূপকৰ। সেই আড্ডাতে অন্তৰংগসকলৰ আগত বঙীন নিচাত ডুবি মন খুলি কথা পাতিলে সি। আৰু পিছদিনাই সি মনখুলি কোৱা সকলোবোৰ কথা বতাহৰ কান্ধত উঠি তৰুলতাৰ ওচৰ পালেহি। বতাহৰ কান্ধত ৰূপকে কোৱা প্ৰতিটো শব্দই উঠি আহিল।

'পুতেক-জীয়েকৰতো খবৰেই নাই। বুঢ়ীৰ যি পৰিশ্ৰম কৰাৰ কোৰ, কোনোবা দিনা ফৎকৰে মৰি থাকিব, চাই থাকিবা। পুতেকে পাবনে জীয়েকে পাব? মই পাম, মই!' ফুকুত থপৰিয়াই থপৰিয়াই চিঞৰিলে সি, 'মৰিবৰ পৰত মুখত পানী দিম — মই। খৰি দিম মই। তাৰ পিছত? তাৰ পিছত ৰূপক ৰবাই সোণৰ গহনা হীৰাৰ গহনা কাবো সৈতে ভাগ-বটোৱাৰা নকৰে দেই, চাই থাকিবা। তোমালোকে চাই থাকিবা।'

বতাহে খবৰ দি যোৱাৰ পিছত পিছদিনা বাতিপুৱা তৰুলতাই ৰূপকৰ কিশোৰ-সুলভ মুখখনলৈ সঁচাকৈয়ে বহু পৰ চাই থাকিল। এইখন মুখতে বছৰেকৰ বিহুৰ দিনা

তেওঁ চুমা খালে। এইটো মুখতে ধৰি তেওঁ বহুবটোলে আশীৰ্বাদ দিলে তাক। তই মোৰ একো বস্তুৱেই লুটি নিব নোৱাৰ ঠিক কথা। এইহেন শৌৰ্য তোৰ নাই। এইবোৰ নিচাখোৰৰ প্ৰলাপ মাথোন। কিন্তু এনে কথা উচ্চাৰণ কৰাৰ সাহ তই ক'ত পালি? আস্!

নাই। তেওঁ এদিনো অপব্যয় নকৰে। ক'ৰ লগাখিনি তেওঁ সেইদিনাই ৰূপকক কৈ পেলাবলৈ ঠিক কৰিলে। তাৰ আগেয়ে কিবা ভাবি তেওঁ গাৰ পৰা সোণ-হীৰাৰ সমস্ত গহনা খুলি থ'লে।

'ৰূপক!'

ইমান যান্ত্ৰিকভাৱে ৰূপকক তেওঁ কোনোদিনেই মতা নাই। সেইবাবে এইটো মাতত ৰূপকৰ নামটো বৰ কিবা শুনা গ'ল। 'ৰূপক! তুমিতো জানাই তুমি মোৰ কিমান মৰমৰ। তুমি থাকিলে মই অদীপ-মিতা কাৰো অভাৱ অনুভৱ নকৰোঁ। তথাপি মই কিবা কাৰণত তোমাৰ লগত মোৰ সম্বন্ধটো চিৰদিনীয়া কৰিবলৈ বিচৰা নাই। কাৰণটো মোক নুসুধিবা। ইমানদিনে তোমাক মই বহুত মৰম কৰিলোঁ। নাই কৰানে?'

ৰূপকে একো বুজিব নোৱাৰি, তথা লাগি তৰুলতাৰ আনদিনে নেদেখা মুখখনলৈ চাই কথা শুনি আছিল। হঠাৎ 'নাই কৰানে' প্ৰশ্নটোত সি থত্‌মত্ খাই গ'ল। উত্তৰত সি 'কৰিলে' - 'নাই কৰা' একো ক'ব নোৱাৰিলে।

'কাৰণটো মোক নোসোধাকৈ থাকিলেই তুমি মোৰ মৰমৰ প্ৰতিদান দিয়া হ'ব। মই তলৰ মহলাটো খালি কৰিব বিচাৰিছোঁ। যিমান সোনকালে পাৰা আজৰি কৰি দিবা।'

ৰূপকে কিবা ক'বলৈ পোৱাৰ আগতে তৰুলতাই দীঘল ওৰণিৰে মুখখন ঢাকি খৰ খোজেৰে চিৰি বগাই ওপৰলৈ উঠি গ'ল। গভীৰ ৰহস্যত ডুব গৈ থকা ৰূপকে সেই চিৰি বগাই তেওঁক অনুসৰণ কৰিবলৈ সাহ কৰিব নোৱাৰিলে। সি নেদেখিলে তৰুলতাৰ চকুৰ পানীয়ে যে সেই চিৰিৰ প্ৰতিটো চাপ তিয়াই গ'ল।

ইয়াৰ পিছত যিকেইদিন ৰূপক ৰেচিচত থাকিল, সেইকেইদিন তৰুলতাই মাথোন ফৰ্মেলিটিৰ খাতিৰতহে তাক মাতবাৰ দি থাকিল। খোৱা টেবুলতো তেওঁ তাৰ মুখামুখি নহ'ল।

ৰূপকক ইংগিত দিবলৈকে হওক বা আন কাৰণতে হওক, তেওঁ সেই গোটেই কেইদিন সচৰাচৰ পিন্ধি থকা মূল্যবান গহনা খুলি সম্পূৰ্ণ নিৰাভৰণ হৈ থকাটো সকলোৰে চকুত পৰিল।

আৰু —

আৰু এই কথাও বহুতে মন কৰিলে যে ৰূপকে টালি-টোপোলা বান্ধি ফাৰ্ম এৰি যোৱাৰ পিছতে তেওঁ, দেখাত অনাড়ম্বৰ কিন্তু অত্যন্ত মূল্যবান পুৰণি গহনাবোৰ আকৌ পিন্ধি ল'লে। এইবাৰ তেওঁ অম্‌ৰিকৰ ৰেডিঅ' গ্ৰাম বজাই সেই অশৰীৰী স্বৰ শুনো বুলি শুনিলে, '...জানেৱালে' ক' ভুল যা ভুল যা...'

সেই ঘটনাৰ পিছত দুটা বছৰ বাগৰি গৈছে। ভাল স্মৃতি হৈ আকাশলৈ চাই গছবোৰ বৈ আছে। বেয়া স্মৃতিবোৰ তৰুলতাই সাৰ-পানী দি লহপহীয়া কৰিব খোজা নাই। কোনোদিনেই নোখোজে। সেইবাবেই তেওঁ শুদা বুকু আকৌ ভৰাই তুলিবলৈ মিতাৰ লগত বশিষ্ঠক লৈ টনা-আঁজোৰা কৰিব খোজে।

পিছে এদিন জীয়েকৰ লগত হোৱা শীতল টাগ-অফ-ৱাৰত তৰুলতা জিকি গ'ল। জিকাৰ পিছত তেওঁ সুখী হ'ল, নে পুনৰ জলাশয়ত ডুব যাবলৈ সাজু হ'ল, সেইটো পিছৰ কথা। মুঠতে এদিন সৰু চুটকেছ এটা হাতত লৈ বশিষ্ঠ আহি তৰুলতাৰ ফাৰ্মত উপস্থিত হ'লহি।

সি এনেয়ো প্ৰায়ে তৰুলতাৰ ওচৰলৈ আহে। মিতাৰ দৰকাৰতে আহে। কিন্তু এইবাৰ তাক দূৰতে দেখিয়েই তৰুলতাই বুজি পালে যে এইবাৰ এই ল'ৰাটো মিতাৰ দৰকাৰত অহা নাই। সি আহিছে পিনুজুৰ জেকেটত টপৰ টপৰকৈ পৰা তৰুলতাৰ চকুপানীৰ মান ৰাখিবলৈ। টাগ-অফ-ৱাৰত তৰুলতাক জিকাবলৈ।

বহু সময় সি বাৰাণ্ডাৰ খট্‌খটিতে বহি থাকিল। তৰুলতা বাহিৰলৈ, তাৰ সন্মুখলৈ ওলাই আহিল যদিও কিছু সময়লৈ তেওঁ মাত দিব নোৱাৰিলে। তৰুলতাৰ নীৰৱতাত বিব্ৰত হৈ বশিষ্ঠই মাত দিলে, 'আইতা, মই ভাৰপৰা নিজৰ খুচিমতে গুচি আহিছোঁ। বাইদেৱে খেদাই দিয়া নাই।'

তৰুলতাই একো নামাতিলে।

অক চাহ-তাহ দি উঠাৰ পিছতহে তেওঁ পৰম আগ্ৰহেৰে সুধিলে, 'কচোন, নিকু-পিনুজুৰ কথা ক।'

বশিষ্ঠই নিকু-পিনুজুৰ কথা অৱশ্যেই ক'লে। কিন্তু সেইবোৰ আগ্ৰহ, আন্তৰিকতা, স্নেহ, বাৎসল্য ইত্যাদিৰ প্ৰত্যুত্তৰত ক'ব লগা কথা নহয়।

নিকুহঁতে মাকক কৈছিল, সিহঁতৰ আইতাকজনী কিমান স্বাৰ্থপৰ। সিহঁতে মাকৰ সুৰত সুৰ মিলাই কৈছিল, আইতাকে বশিষ্ঠৰ ব্ৰেইন-ৱাচ কৰি তাক নিজৰ ফলীয়া কৰি থৈ গৈছে। সেই কাৰণেহে ইমান শান্ত ল'ৰাটোৱে সিহঁতৰ মাকৰ লগত সমানে মুখ বজাই কাজিয়া কৰি গুচি যাবলৈ লৈছে। সিহঁতৰ মাকৰ যে এতিয়া কিমান দিগদাৰ হ'ব। এনেকুৱা আইতাকবোৰ নাহিলেই ভাল। সিহঁতো আৰু আইতাকৰ ওচৰলৈ নাহে।

তৰুলতা অলপ বিচলিত হৈছিল যদিও পিছমুহূৰ্ততে তেওঁ সুধিলে, 'বাৰু, সেইবোৰ বাদ দে। তই কেলেই মিতাৰ লগত কাজিয়া লাগিলি এতিয়া সেইটো ক।'

বশিষ্ঠৰ এইবাৰ হাঁহি উঠি গ'ল।

পুৰাবে পৰা সি অতি সচেতনভাবেই খুব খং উঠাৰ ভাও জুৰি আছিল। কাজিয়া কৰিম বুলি সাজু হৈ থকা মানুহৰ লগত কাজিয়া নকৰাকৈ থকাৰতো কোনো উপায় নাই। মিতাৰ সৈতে তেনেকুৱা মানুহ এটাৰ দাঁতে-ওঁঠে লাগিবলৈ কিমান সময় লাগিছে? সৰুৰে পৰা তাই খিংখিঙীয়া স্বভাৱৰ। সেইবাবে বশিষ্ঠৰ বাবে লাগো বোলা কাজিয়াখন লগাটো অতি সহজ হৈ উঠিল। বশিষ্ঠই মিতাক আজি আঠ বছৰে

এবাৰলৈও ফেপেৰি পাতি ধৰা নাই। কিন্তু সিদিনা মিতাই 'এনেকৈ বোন্দা লাগি লাগি কাম নকৰিবি দেই বুলি ক'বলৈহে পালে, সি খটি বেলি আছিল, দিলেই বেলনাখন থেকেচা মাৰি। তাৰ পিছত পাকঘৰৰ বাহিৰৰ চুকটোতে থিয় দি থাকি ভালেমান পৰ নীৰৱে মিতাৰ বকনি শুনিলে। সৌৰভ নিকু-পিন্‌জু — পুৱাবেলা সকলো ঘৰতে আছিল। পৰিবেশ সহজেই উত্তপ্ত হৈ উঠিল। নিকু-পিন্‌জুৰ লগ লাগি মিতাই উদ্ধাৰ কৰিলে, বশিষ্ঠই এই অগতানুগতিক আচৰণ কৰাৰ মূলতে তৰুলতা।

সেই চুকটোতে মনে মনে থিয় দি থাকোঁতে মিতাৰ গালি শুনি বশিষ্ঠৰ কাণ-মূৰ ভম্‌ভমাই গৈছিল। সেই গালিৰ উত্তৰত তাৰ মুখৰ পৰা মুঠেই দুটা শব্দ উফৰি ওলাই আহিছিল, তাতে যেতিয়া সৌৰভে তাৰ গালত ঠাঁচ্‌কৈ এচৰ বহুৱাই দিলে, সি সুবিধাই পালে। লৰালৰিকৈ টালি-টোপোলা বান্ধি এয়া সি ইয়ালৈ গুচি আহিছে।

বৰ বেয়া কথা হ'ল। তৰুলতাৰ ভাল নালাগিল। ঘটনাটো ঠিক এনেকুৱা হ'বগৈ বুলি তেওঁ ভাবিব পৰা নাছিল। সন্দেহ নাই, বশিষ্ঠৰ নিচিনা ল'ৰা এটাকে — নহয় বশিষ্ঠকে, বশিষ্ঠকে বিচাৰিছিল তেওঁ। কিন্তু ঠিক এনেকৈ নহয়। এই বাস্তাৱে নহয়।

এতিয়া উপায় নাই। পলম হৈ গ'ল।

বশিষ্ঠ থাকি গ'ল বেচিচন্ত।

এই ঘটনাৰ পিছত মিতাহঁতৰ মাকৰ ওচৰলৈ অহাটো দূৰৰ কথা, দেওবাৰে দেওবাৰে নিকু-পিন্‌জুৱে আইতাকৰ লগত ফোনত বহু পৰলৈ যি কথা পাতি থাকে, সেয়াও বন্ধ হ'ল। তৰুলতায়ো মিতাৰ নম্বৰ ডায়েল কৰিবলৈ সাহস নকৰিলে। জীয়েক-নাতিয়েকৰ উদ্দেশ্যে ফোনটোৰ ফালে নামি অহা হাতে বাৰে বাৰে ডায়েল কৰিলে অম্বিকৰ নম্বৰ। বাৰে বাৰে নাতি-নাতিনীলৈ মৰমেৰে গদ্‌গদ্ হৈ থকা মাতটো চম্ভালি লৈ তেওঁ অম্বিকৰ লগত ব্যৱসায় শুষ্ক কথা-বতৰা পাতিলে।

বশিষ্ঠ আৰু মিনিয়ে তৰুলতাৰ ঘৰ ভৰাই ৰাখিলে। তেওঁ সপোন দেখিলে, অদূৰ ভৱিষ্যতত মিনিৰ কপালত দগ্‌মগাইছে সেন্দুৰ। তেওঁৰ দুমহলীয়া খালি ঘৰ বশিষ্ঠ মিনিৰ এজাক ল'ৰা-ছোৱালীৰ কোৰ্হালত তল-ওপৰ হৈছে। পিছে তৰুলতাৰ ৰেডিঅ'গ্ৰামত 'জানেৱালে' ক' ভুল যা' বাজিবলৈ এইবাৰো বেছিদিন নালাগিল।

তেওঁ এইবাৰো এটা ভুল সপোন দেখিছিল। বশিষ্ঠ তেওঁৰ চকুপানীৰ মান ৰাখিবলৈ অহা নাছিল।

বছৰ নৌ ঘূৰোঁতেই তৰুলতাৰ হাত ধৰি লিগিৰি মিনিক লৈ বশিষ্ঠ উধাও হ'ল। হাত-সৰ নহয় বুলি তাৰ এটা সুনাম আছিল। মিতাৰ ঘৰৰ পৰা ওলাই আহোঁতেও সি নিজৰ লাম-লাকটুকেইটাৰ বাদে কুটা এগছো উঠাই অনা নাছিল।

কিন্তু তৰুলতাৰ ঘৰৰ পৰা ওলাই যোৱা ল'ৰাটো এটা বেলেগ বশিষ্ঠ। এইবাৰ সি ভৃত্যৰ জীৱন এৰি এই পৃথিৱীত এটা স্বকীয় ভূমিকা পালন কৰিবলৈ বুলি ওলাই গৈছে। সেয়ে, তৰুলতাই সিহঁত দুয়োটাকে বেলেগে বেলেগে বঁটাগৰ বিহুত হাত-খৰচ

বুলি দিয়া টকা কেইশৰ উপৰি সি তৰুলতাৰ হাতবেগত থকা তিনিহাজাৰ টকাও লৈ গৈছে। তৰুলতাই বেগত আগতেও টকা-পইছা সৰহকৈ ৰাখে। তেওঁৰ ৰেচিচ এনে এক প্ৰশান্তিৰ নিলয় যে চুৰ কৰাৰ কথা কোনেও নাভাবে, কাৰণ তৰুলতাই কাকো বুভুক্ষাত নাৰাখে। কিন্তু এতিয়া তেওঁৰ নিজৰ ওপৰতে সন্দেহ ওপজিল — বশিষ্ঠ আৰু মিনিক তেওঁ বাৰু বুভুক্ষাতে ৰাখিলে নেকি?

এইবাৰ ৰেডিঅ'গ্ৰাম বজাই অশৰীৰী কণ্ঠ শুনিবলৈ আৰু তেওঁৰ ধৈৰ্য নাথাকিল। ঘৰটোৰ ভিতৰৰ নিবন্ধ নিৰ্জনত এতিয়া তেওঁতো আক্ষৰিক অৰ্থতে অকলশৰীয়া হৈ পৰিল। ওৰণিৰে মুখ লুকোৱাৰো প্ৰয়োজন নহ'ল। তেওঁ হুকহুকাই কান্দিবলৈ ধৰিলে।

তেওঁ কত দিন ভাবিছিল মিনি আৰু বশিষ্ঠক বিয়া পাতি দিয়াৰ কথা। কিন্তু তেওঁ বাৰু মাত্ৰ ভাবিয়ে থাকিল কিয়? সিহঁতে তেওঁৰ সন্মুখতে মিলা-মিছা কৰাতো তেওঁ বাধা নিদিছিল। কৌতুকৰ ছলেৰে কতদিন তেওঁ উৎসাহ দিছিল সিহঁতক।

এনেকুৱা বিহুৰ বতৰতে এদিন চিত্তৰঞ্জন আঁতৰি গৈছিল। ৰূপককো তেওঁ বিহুৰ বতৰতে অপসাৰিত কৰিছিল।

সিদিনা বহুদিন — বহুদিনৰ মূৰত মিতাই মাকলৈ ফোন কৰিছিল। বিহুলৈ আৰু তিনিদিন আছে। তাই শীতল মাত এটাৰে মাকক বিহুত তাইৰ ঘৰতে থাকিবলৈ যাবলৈ ক'লে। ক'লে, তাই আহি লৈ যাবহি তেওঁক। তাৰ পিছত দেউতাকৰ শ্ৰাদ্ধলৈ বুলি সিহঁতো মাকৰ লগত একেলগেই ওলাই আহিব।

তৰুলতাই লগে লগে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি দিলে। তেওঁৰ মাতত হতাশাৰ ভাব ফুটি উঠা নাছিল। অভিমানৰ চিনো নাছিল তাত। তাত প্ৰকট হৈ উঠিছিল সঠিক সময়ত সাৰ পাই উঠা তেওঁৰ ইগোটো। তেওঁ লগে লগেই ভাবি পেলালে, বিহুনো কি? লগ-সংগেইতো বিহু। তেওঁৰ দুটা অতি বিশ্বস্ত অনুচৰ — বশিষ্ঠ আৰু মিনি আছেই। তাৰেই চলি যাব।

মিতাও তৰুলতাৰে তেজ-মঙহ। তাই ভালদৰেই মাকৰ বিভিন্ন সময়ৰ বিভিন্ন মাতবোৰ চিনি পায়। সেয়ে, তৰুলতাৰ কথাবোৰে নহয়, মাতটোৰেহে তাইক টেলিফোনটোৰ মাজেদিয়েই খোঁচ মাৰি দিয়াৰ দৰে লাগিল। যথেষ্ট শব্দ কৰি তাই ক্ৰেড্‌লত ৰিচিভাৰ নমাই থ'লে।

আৰু তাৰ অব্যৱহৃত পিছতে এতিয়া?

এতিয়া বিহুলৈ দুটা দিন বাকী থাকোঁতে সেই বিশ্বস্ত অনুচৰ দুটাই —। তেওঁৰ বেগ পৰ্যন্ত খুলি সিহঁত দুটাই —। তৰুলতাৰ কাৰ্মত, এই সমাহিত পৰিৱেশত প্ৰথমবাৰৰ বাবে এনে অভাৱিত ঘটনা ঘটিল।

কান্দি কান্দি হেঁপাহ নপলাল তৰুলতাৰ। দুমহলীয়া ঘৰটোৰ আটাইতকৈ নিভৃত নিজান শোৱনি কোঠালৈ তৰুলতা এখোজ-দুখোজকৈ সোমাই গ'ল। গৈ তেওঁ থিয় হ'লগৈ সম্পূৰ্ণ গোলাকাৰ, প্ৰকাণ্ড আইনাখনৰ সন্মুখত। শিণ্ড গছৰ কাঠেৰে সজা,

কুণ্ডত কঁঠা ক্ৰেমৰ অগতানুগতিক ডিজাইনৰ এই আইনা কোনো এক বিবাহ বাৰ্ষিকীত চিত্তৰঞ্জনে তেওঁক চাৰ্প্ৰাইজ গিফ্‌ট হিচাপে দিছিল। প্ৰতাপী জমিদাৰৰ একমাত্ৰ আলসুৱা কন্যা তৰুলতা বিয়াৰ পিছত আৰু বেছি প্ৰাচুৰ্যৰ মাজলৈ ক্ৰমে সোমাই গৈ থাকিল... গৈ থাকিল... গৈ থাকিল...

বহু বছৰৰ মূৰত আইনাখনৰ মাজেদি এয়া তেওঁ সেই সপোনৰ পথেদি আকৌ মন্ত্ৰমুগ্ধৰ দৰে খোজ কাঢ়িবলৈ ধৰিলে। খোজ কাঢ়ি গৈ থাকোঁতে তেওঁ শৰীৰৰ বস্ত্ৰবোৰ এখন এখনকৈ খুলি যাবলৈ ধৰিলে। প্ৰথমে কাপৰ কাটা খুলি তেওঁ আধাকেঁচা-আধাপকা চুলিকোচা খুলিলে। তাৰপিছত সমস্ত আচ্ছাদন। বহুদিন তেওঁ নিজলৈ এনেদৰে চোৱা নাই। তৰুলতাই ৰ লাগি আইনাত নিজৰ নগ্ন মূৰ্তিটো চালে। উত্তৰ ভাৰতীয় ছোৱালীৰ গঢ়ৰ তেওঁৰ অতীজ উন্নত স্তনযুগল চেঁচা হৈ তললৈ হাউলি পৰিছে। যেন বহি থকাতে মৃত্যু ঘটা দুটি শিশুৰ হাউলি পৰা মূৰ। কপালৰ পৰা ভৰিৰ তলুৱালৈকে নিমজ তেওঁৰ গাৰ ছালখনত কোন শিল্পীয়ে চাৰু হাতেৰে আঁকি দিছে এই এবষ্ট্ৰেক্ট ছবি। অজস্ৰ অজস্ৰ অজ্যামিতিক ৰেখাই তেওঁৰ পাতল শৰীৰটো সাৰটি আছে। তেওঁ কিন্তু হাতৰ-কাণৰ গহনা সোলোকাবলৈ অকণো চেষ্টা নকৰিলে। প্ৰাণভৰি তেওঁ নিজলৈ চালে। পঁয়ৰষ্টিটা বসন্তই সেই ছবিখনত কোলাহল কৰি উঠিল। সেই কোলাহলতে অংশ লৈ চকু ছাট মাৰি ধৰাকৈ তৰুলতাৰ গাৰ মহামূল্য গহনাবোৰো জিলমিলাবলৈ ধৰিলে।

বহু সময়ৰ পিছত কাপোৰ-কানি পিন্ধি তৰুলতা শোৱনি কোঠাৰ পৰা বাহিৰ ওলাল।

দুদিন আগৰ পৰা আয়োজন কৰি কৰি তেওঁ উৰুকাৰ দিনা ৰাতিলৈ নিজৰ সমগ্ৰ ৰন্ধন-চাতুৰ্য খটুৱাই অসংখ্য বিধৰ সুস্বাদু খাদ্য প্ৰস্তুত কৰিলে। তাৰে সৰহভাগ ফাৰ্মৰ মানুহক বিলাই উঠি বাকীখিনি ভালকৈ পেকেট কৰিলে।

এইখিনি কৰি উঠি তৰুলতা হাতত চাকি এগছি লৈ চিত্তৰঞ্জনৰ সমাধিলৈ গ'ল। বহু সময় ধৰি তেওঁ গিৰিয়েকৰ উদ্দেশ্যে সেৱা কৰিলে।

তেতিয়া সন্ধিয়া চাৰে সাতমান বাজিছিল।

তৰুলতাই ড্ৰাইভাৰক নামাতিলে। নিজেই গেৰেজৰ পৰা গাড়ী উলিয়ালে। খোৱা বস্তুৰ পেকেটবোৰ পিছৰ ছীটত ভৰালে। তাৰ পিছত ৰাতিয়েই তেওঁ তিনিকিলোমিটাৰমান আঁতৰত থকা অম্বিকৰ ঘৰলৈ বুলি বাওনা হ'ল।

মন্তব্য ঃ

অম্বিকৰ ঘৰত প্ৰায় এসপ্তাহ হ'লহি তৰুলতাৰ। ইয়াৰ মাজতে চিত্তৰঞ্জনৰ শ্ৰাদ্ধৰ দিনটো পাৰ হৈ গৈছে। তেওঁ তাৰপৰা বেটিচলৈ এদিন ঘূৰি আহিবই। ঘূৰি অহাৰ পিছত তেওঁৰ মান-সন্মান কমৌতাৰ অভাৱ হ'ব বুলিও নকওঁ। কিন্তু তাত থকা দিনবোৰত তেওঁৰ অন্ততঃ নীলা চৰাই বিচাৰি ফুৰিব লগা হোৱা নাই।

তামসিক

শ্ৰীলতা চৌধুৰী আৰু তেওঁৰ পুত্ৰ অসিতাভৰ প্ৰসংগ ওলালেই প্ৰভা বাইদেউহঁতৰ কণ্ঠস্বৰবোৰ উত্তেজনাত কঁপি উঠে। তেওঁলোকৰ আলোচনা শেষ হয় খেলিমেলিভাৱে। আৰু মোৰ চকুৰ আগত ভাহি উঠে তাহানিৰ দুৰন্ত কিশোৰ অসিতাভৰ মুখ। স্কুলৰ কোঠাবোৰত টিফিন পিৰিয়ডত সাধাৰণতে দুই-এজনী ছোৱালীৰ বাদে আন কোনো সোমাই নাথাকে। এদিন টিফিন পিৰিয়ডত মই অকলে ক্লাছৰুমত সোমাই থাকোঁতে অসিতাভে মূৰত ম'হৰ শিঙৰ দৰে শিং এযোৰ পিন্ধি মোৰ ফালে হা-হাঁকৈ খেদি আহিছিল। শিংযোৰেৰে সৈতে ঘোৰ শ্যাম বৰণীয়া অসিতাভক সঁচাই বৰ ভয়ংকৰ দেখা গৈছিল। সিদিনাই দুৰ্ঘটনাক্ৰমে শিংযোৰেৰে কোনোবা এটাক আঘাত কৰাৰ বাবে প্ৰিন্সিপাল ছাৰে অসিতাভক শাস্তি দিছিল। কাঠৰ পুতলাৰ নিচিনাকৈ প্ৰিন্সিপাল ছাৰৰ কোঠাৰ সমুখত আঁঠুকাঢ়ি আছিল সি। তাৰ এনে এটা শাস্তি হোৱাত আমি কোনেও মনত বিশেষ দুখ পোৱা নাছিলোঁ। কাৰণ কাৰো সৈতেই অসিতাভৰ বন্ধুত্ব নাছিল; অকলশৰে থাকিয়ে ভাল পাইছিল সি। কিন্তু আমি স্ফূৰ্তিও পোৱা নাছিলোঁ, কাৰণ সি আছিল এজন অতি মেধাৱী ছাত্ৰ। শিক্ষকসকলে কৈছিল, অসিতাভৰ মগজু হেনো কেমেৰাৰ দৰে। পিছে অভাৱনীয়ভাৱে সেইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কোনোমতে দ্বিতীয় বিভাগত পাছ কৰিছিল অসিতাভে। তাৰ পিছত যোৱা বাৰ বছৰে স্কুলৰ সহপাঠী কোনো এজনৰ সৈতেও মোৰ যোগাযোগ নাই। অসিতাভৰ দৰে নিঃসংগতাপ্ৰিয় এজনৰ খবৰ পোৱাৰতো প্ৰশ্নই নুঠে।

আজি প্ৰায় বাৰ বছৰৰ মূৰত সেইখন স্কুলতে মোৰ শিক্ষক জীৱন আৰম্ভ কৰিছোঁ। সহপাঠী বন্ধু মিত্ৰা, ধীৰাজহঁতৰ লগতে অসিতাভৰ মুখৰ ছবিও স্মৃতিৰ লেন্সত ওপঙি উঠে। অসিতাভ-দা গ্ৰেট ল'নাৰ। মই কোনোদিন ভবা নাছিলোঁ যে এসময়ৰ এই ব্যতিক্ৰম ব্যক্তিত্বৰ সহপাঠীজনৰ বিষয়ে এদিন এনেদৰে কৌতূহলী হৈ উঠিম। জাক জাক ল'ৰা-ছোৱালীৰ মাজতে থাকিও সি যেন কিবা নিৰুদ্দেশ হৈহে আছিল। ক্লাছ টেনৰ প্ৰথম পিৰিয়ডত ৰ'ল কল কৰোঁতে অসিতাভে 'প্ৰেজেন্ট ছাৰ' বুলি কোৱাৰ লগে লগেই দত্ত ছাৰে প্ৰায় 'বায়োলজিকেল এবচেন্ট' বুলি কৈ তাৰ মূৰটো গৰম কৰি দিছিল। কি

যে অদ্ভুত অদ্ভুত বস্তুবোৰ দেখুৱাইছিল সি আমাক; শকত কিতাপৰ তলত থৈ চেপেটা কৰা চুঙা বাদুলী, গঁড়ৰ দাঁত আৰু কত কি! মুঠতে সাধাৰণতে পঢ়া-শুনাত চোকা ল'ৰা-ছোৱালীয়ে নকৰা কামবোৰ সি কৰিছিল।

সিদিনা শ্ৰীলতা চৌধুৰী আহি আমাৰ কমনৰুমত ওলালহি। অসিতাভৰ মাক শ্ৰীলতা চৌধুৰীক ইয়াৰ আগৰবাৰ যেতিয়া দেখোঁ তেতিয়া তেওঁ এগৰাকী পৰমা সুন্দৰী মহিলা। এতিয়া তেওঁৰ গাৰ ৰং পোৰা মাটিৰ দিচিনা হৈ গৈছে। কাপোৰ-কানি লেতেৰা আৰু অসংযত। থুঁতৰিৰ তল আৰু কঁকালত চৰ্বিৰ ডাঠ প্ৰলেপ। তেওঁ আহি প্ৰভা দেৱী প্ৰমুখ্যে তেওঁৰ সমবয়সীয়া শিক্ষয়িত্ৰীসকলৰ হাতত অথবা বাহুত সাৱটি ধৰি কান্দি-কাটি অসিতাভৰ চিকিৎসাৰ বাবে আৰ্থিক সাহায্য বিচাৰিব ধৰিলে। মই স্বাভাৱিকতে বিচলিত হ'লোঁ সেই দৃশ্য দেখি। মানুহগৰাকী ওলাই যোৱাৰ পিছতে প্ৰভা বাইদেউহঁতৰ খং দেখি মই অতি আচৰিত হ'লোঁ। প্ৰভা বাইদেৱে কৈ দিলে, "এই যে মানুহজনীয়ে শাৰীৰ লগত ব্লাউজৰ সলনি মতা মানুহৰ চাৰ্ট একোটা পিন্ধি ফুৰে, দেখিলে মোৰ সেইটো চিৰাচিৰ কৰি ফালিবৰ মন যায়। চাৰ্টৰ বহল বহল স্লিভৰ ফাঁকেৰে ওলাই থকা বাহু দুটালৈ চাবাচোন বেজীৰে খুঁচি-বিন্ধি কেনে ঘিণ লগা কৰি থৈছে। এই অনাচাৰীজনীৰ মুখ চাব নেপায়।" মই মনে মনে অভিভূত হৈ উঠিছিলোঁ; কি হৈছে আচলতে অসিতাভৰ? মাকে কৈছে তাৰ সাংঘাতিক ডায়েবিটিচ। অথচ চিনিয়ৰ শিক্ষয়িত্ৰীসকলে সেই ডায়েবিটিচক উৰ্দ্ধকমাৰ ভিতৰত বেমাৰ বুলি কৈ ঠাট্টা আৰু বিৰক্তি প্ৰকাশ কৰিছে। কি ৰহস্য আছে তাত? কি অসুখ অসিতাভৰ?

প্ৰভা বাইদেউৰ ঘৰ ওলালগৈ এদিন শ্ৰীলতা চৌধুৰী। বাইদেৱে পৰীক্ষাৰ বহী এজাপ চাই আছিল। শ্ৰীলতাই হঠাতে তেওঁৰ ভৰি দুটাত ধৰি হুৱাওবাৱে কান্দিব ধৰিলে। পিছদিনা তেওঁৰ মাকৰ মৃত্যুবাৰ্ষিকী; হাতত হেনো এটাও পইচা নাই। প্ৰভা বাইদেউ অতি ভদ্ৰ, অতি সৌম্য ব্যক্তিত্বৰ মানুহ। তেখেতে শ্ৰীলতাক চাহ-তাহ খুৱাই চাবিশ টকা দি পঠালে। বহুদিন পাৰ হ'ল। প্ৰভা বাইদেউক বাটে-পথে লগ পালে মানুহজনীয়ে নেদেখা ভাও জোৰা হ'ল। শুনিছোঁ, চহৰৰ মাজ-মজিয়াত থকা অফিছকেইটালৈও শ্ৰীলতা মাজে মাজে যায়। কেতিয়াবা একোজন পুৰণি চিনাকি মানুহৰ গাতে ঢলি পৰি হুৰুৰুকৈ কান্দি দিয়ে। মানুহজনে অথবা মানুহগৰাকীয়ে পেণ্ট-চাৰ্টৰ পকেট অথবা ভেনিটি বেগ, য'ত যিমান পইচা থাকে দি শ্ৰীলতাক বিদায় দিয়ে। অস্বস্তিকৰ দৃশ্য এটা ৰচনা কৰি উঠি পইচাকেইটা হাতত লৈ প্ৰসন্ন চিত্তেৰে গুচি যায় শ্ৰীলতা। মই নীৰৱে সকলো কথোপকথন শুনি ৰওঁ। অসিতাভৰ খবৰ পাবলৈ ভিতৰি ভিতৰি মোৰ ভীষণ কৌতূহল হয়। কিন্তু কাকো একো কথা নুসুধি ঠিৰাং কৰোঁ মই নিজেই তাৰ খবৰ গোটাম।

স্কুল ছুটীৰ পিছত এদিন শ্ৰীলতা চৌধুৰীৰ ঘৰৰ আগেদি ৰিক্সা ঘুৰাই ল'লোঁ। ক্লাছ টেনত পঢ়ি থাকোঁতেই এবাৰ সৰস্বতী পূজা দিনা এই বাস্তাৰে আহিছিলোঁ। অসিতাভৰ বাবে সৰস্বতী পূজাৰ দিনটো আছিল বছৰৰ দিন। সি ঘৰৰ পৰা নাতিদূৰত থকা বিলৰ পাৰত এছটা প্ৰকাণ্ড শিলৰ ওপৰত বহি আছিল। অসিতাভৰ দেউতাক বজত

চৌধুৰী আছিল এক শিল্পীসুলভ মনৰ অধিকাৰী। ঘৰৰ বিশাল চৌহদত তেওঁ এখন অনুপম শৈলোদ্যান গঢ়ি তুলিছিল। সৰু-বৰ নানান আকাৰৰ নানান ৰঙৰ শিলবোৰৰ ফাঁকত মাটি দি তাত ফুলৰ খেতি কৰিছিল। এক স্বপ্নময় পৰিবেশ বিৰাজ কৰিছিল সেই চৌহদত। এই শিলছটাও নিশ্চয় উদ্যানত থ'বৰ বাবেই অনাইছিল ৰজত চৌধুৰীয়ে। সিদিনা সি শিলছটাত বহি বিলৰ পানীলৈ কিবাকিবি দলিয়াই আছিল। আমি কেউজনী কিশোৰীৰ উচ্ছল কথা-বাৰ্তা, হাঁহিলৈ সি মনেই নকৰিলে। আন কোনো সহপাঠী হোৱা হ'লে চিএৰি মাতিলোঁহেঁতেন। কিন্তু সেয়া আছিল অসিতাভ চৌধুৰী। শিলাখণ্ড এতিয়াও সেই ঠাইতে আছে। আৰু অসিতাভো বহি আছে ঠিক সেই একে ঠাইতে, একে ভংগীৰে। মাজত যেন ইমানবোৰ বছৰ পাৰ হৈ যোৱাই নাই! সি পিন্ধি আছে এটা মলিয়ন বগা পোছাক। এয়া যেন এক জাতিস্মৰ কাহিনীহে পঢ়ি উঠিলোঁ মই। মোৰ মনৰ সকলো কৌতূহলৰ ঠাই ল'লেহি গভীৰ শূন্যতাই।

কান্ধত ভধলা বেগ এটি আঁৰি লৈ চহৰৰ ইটো প্ৰান্তৰ পৰা আনটোলৈ শ্ৰীলতা চৌধুৰী ঘূৰি ফুৰে। কোনোদিনা তেওঁ ৰিক্সাবালা একোজনক কাবৌ-কোকালি কৰি থাকে, 'মোক ঘৰত থৈ অহা ভাই।' ৰিক্সাবালাই জানে এইজন যাত্ৰীয়ে কেতিয়াও পইছা নিদিয়ে। সি তেওঁক উঠাই ল'বলৈ মান্তি নহয়। শ্ৰীলতাই আকৌ কৈ উঠে, 'তোমাক যিমান লাগে সিমান পইছা দিম। ব'লা ভাই।.... এয়া চোৱা ঘূৰি ঘূৰি ভৰি ফুলি উঠিছে' (ৰাজপথৰ মাজতে তেওঁ যথেষ্ট ওপৰলৈ শাৰী কোঁচাই ধৰে, ৰিক্সাবালাই বিব্ৰত হৈ মুখ ঘূৰায়। সেই সুযোগতে শ্ৰীলতা ৰিক্সাত উঠি পৰে।) উপায়হীন ৰিক্সাবালাই ৰিক্সাখন চলাই নিয়ে। অৱশ্যে ভাৰা আৰু দিয়া হৈ নুঠে শ্ৰীলতাৰ।

আমি স্কুলত থাকোঁতেই এদিন শুনিছিলোঁ, অসিতাভৰ মাক লাখপতি স্বামী ৰজত চৌধুৰীক এৰি তেওঁৰ কোনো এংলো-ইণ্ডিয়ান বন্ধুৰ সৈতে দ্বিতীয় সংসাৰ ৰচনা কৰিবৰ বাবে গুচি গৈছে। ৰজত চৌধুৰী সেই সময়ত সঘনে বোম্বাইলৈ চিকিৎসাৰ বাবে গৈ থাকে। দুৰাৰোগ্য অসুখ হৈছিল তেওঁৰ। শ্ৰীলতা গুচি যোৱাৰ পিছত এদিন বোম্বাইৰ পৰা বিমানত আহি পাইছিল ৰজত চৌধুৰীৰ অস্থিসাৰ মৃতদেহ। কিবা কাৰণত দ্বিতীয় সংসাৰৰ বন্ধন ছিঙি শ্ৰীলতাও পুনৰ ঘূৰি আহিছিল অসিতাভৰ ওচৰলৈ।

এতিয়া শ্ৰীলতা চৌধুৰীয়ে যে এনেকৈ স্থান-কাল পাহৰি হঠাৎ একোজনক সাৰট মাৰি ধৰি পেল্ পেল্ কৰিবলৈ ধৰে—এই কথাটো শুনালেই প্ৰভা বাইদেউৰ কাণৰ লতি আৰু নাকৰ আগটো খঙত টিক্‌টিককৈ ৰঙা পৰি যায়। সঁচাই বৰ অসংযত ব্যৱহাৰ কৰে মানুহজনীয়ে। ইটো-সিটো অজুহাত উলিয়াই পইছা বিচাৰি কাবৌ-কোকালি কৰি থকা অৱস্থাত আনৰ হাতে-পাতে, গালে-মুখে যে তেওঁ হাত ফুৰাবলৈ ধৰে। চুমা খাব ধৰে! খঙত ৰঙা হৈ প্ৰভা বাইদেৱে কয়, "ছিঃ। অসভ্য ক'ৰবাৰ। মোৰ কোনো সহানুভূতি নাই এইচবৰ প্ৰতি। ফাঁচী দি দিব লাগে এইচবক।' মই ভাবি ওৰ নেপাওঁ—প্ৰভা বাইদেউৰ দৰে শান্ত - সৌম্য মানুহবনো এনেকৈ খং উঠেনে? হ'ব পাৰে শ্ৰীলতা চৌধুৰী ড্ৰাগ-এডিক্ট। কিন্তু কেৱল এই কাৰণেই? আকৌ ৰহস্য। ইতিমধ্যে মোৰ এটা ৰহস্যৰ ঘোৰ

কাটি গৈছে। অসিতাভৰ ডায়েবিটিচ হোৱা নাই। সি সম্পূৰ্ণৰূপে নিচাসক্তহে হৈ গৈছে। অনবৰত চিৰিঞ্জ এটা হাতত লৈ গাৰ মঙহবোৰ খোঁচা-বিন্ধা কৰি থাকে সি। হাত ভৰিৰ অ'ত-ত'ত খুব ঘন ঘনকৈ ক'লা ক'লা টেমুনা উঠিছিল তাৰ। লগতে ভৰিৰ তলুৱাত প্ৰচণ্ড বিষ। বিছনাত ভাগেমান দিন পৰি আছিল সি। তাৰ চিকিৎসাৰ বাবেই পইচা বিচাৰি ফুৰিছিল মাকে। উৰ্দ্ধকমাৰ ভিতৰৰ অসুখ সেইটোৱেই। কিন্তু প্ৰভা বাইদেউৰ খঙটো যে দুখমিশ্ৰিত। কি ৰহস্য আছে আৰু? মোৰ মাৰ বয়সীয়া প্ৰভা বাইদেউ। তাতে তেখেত মোৰ এসময়ৰ শিক্ষকো। সকলো কথা সোধাৰ সাহস নহয়। বাবে বাবে সৰুদাদাৰ কথা মনলৈ আহে মোৰ। অসিতাভৰ দৰে ব্যতিক্ৰম মেধাৰ ছাত্ৰ আছিল সি। এদিন সি চকু ৰঙা কৰি ঘৰ সোমাইছিলহি। নাই, সি টলং-পলং কৰা নাছিল। কথা-বতৰাও সংযতভাৱেই পাতিছিল। কেৱল সি খুব কথা পাহৰিছিল আৰু সোপাসোপে মিঠাই খাইছিল। প্ৰথমে মই তাক তেনেকৈ সোপাসোপে মিঠাই খোৱা দেখি হাঁহিছিলো। কিন্তু ক্ৰমে সি ল'ৰাটো অন্য ধৰণৰ হৈ পৰিছিল। বহুদিনৰ পিছত এদিন তাৰ মনটো চিজিল লগাৰ পিছত সি মোক ওচৰতে বহুৱাই লৈ বহুত কথা কৈছিল। আমি মা-দেউতাৰ মৰমৰ ডেউকাৰ উমত ডাঙৰ হোৱা ল'ৰা-ছোৱালী। পৰিয়ালত মৰম-স্নেহৰ অভাৱ হোৱাৰ বাবেই সৰুদাদাৰ পেণ্টৰ পকেটত সেই সৰু সৰু পুৰিয়াবোৰ সোমাইছিলহি বুলি কোনেও ক'ব নোৱাৰে। অথবা আমাক পৰিমিতভাৱে শাসন কৰাৰ পৰাও কোনোদিনে বিৰত থকা নাছিল মা-দেউতা। তথাপি ...। আচলতে, কেতিয়াবা কিছুমান কাম মানুহে নিজে কৰিব নালাগে, হৈ যায় নিজে নিজে। মানুহ বুদ্ধিমান, এক অতিশয় কৌতূহলী জীৱ। এইদৰে কৌতূহলী আৰু ধীশক্তিমান জীৱ এটা অনবৰত এটা নিয়ম-নিয়ন্ত্ৰণত থাকিবই বুলি কেনেকৈ ভাবিব পাৰি? হয়তো মনত জমা হোৱা পাপবোধবোৰ পখালি পেলাবৰ মনেৰেই সৰুদাদাই মোক সেই দুটা বছৰৰ অভিজ্ঞতাবোৰ কৈছিল। কেইজনমান শুভাকাংক্ষী বন্ধুৰ কল্যাণ স্পৰ্শত এদিন সি পুনৰ সুস্থ হৈছিল; আকৌ পঢ়া টেবুলত বহিছিল আৰু অসাধাৰণ কৃতিত্বৰে এম এছ চি পাছ কৰিছিল।

সি ভাৰাঘৰত অকলে থাকি পঢ়িছিল। প্ৰথমে পঢ়িছিল আৰু পাছলৈ মাতাল হৈছিল স্বপ্নপুৰীৰ স্বাদ-গন্ধত। সিহঁত তিনিটা ল'ৰাই প্ৰায়েই এখন মটৰ চাইকেলত উঠি তীব্ৰ বেগত সেইখন চলাই লৈ ফুৰিছিল। এক বিশেষ ড্ৰাগ লোৱাৰ পিছত এনেদৰে তীব্ৰবেগে মটৰ চাইকেল চলালে যেতিয়া মুখত কোবাল বতাহ লাগে তেতিয়াহে হেনো বেছি ভালকৈ সেই অমৃতৰ স্বাদ অনুভৱ কৰিব পাৰি। মোৰ বিস্ময়ত অভিভূত মুখলৈ নোচোৱাকৈ দাদাই আৰু এটা সাংঘাতিক কথা কৈ দিলে। সিদিনা আছিল মাঘৰ বিহুৰ উৰুকা। পৰিকল্পনামতেই সিহঁত আঠটা ল'ৰা তাৰ ভাৰাঘৰত গোট খালে। বটলৰ ঝনঝননিত তাৰ কুঠৰী মুখৰ হৈ উঠিল। ৰাতি সি ক্লান্ত হৈ মজিয়াত পৰি আছিল। অলপপৰ পৰি থকাৰ পিছত তাৰ কপালত এটা অচিনাকি হাতৰে স্পৰ্শ কৰিলে। সি জোৰকৈ চকু দুটা মেলিবৰ চেষ্টা কৰিলে। চকু দুটা পুনৰবাৰ ধৰিছিল, হঠাৎ বাহুত, পিঠিত, এয়া কি অচিনাকি স্পৰ্শ? এজনী ছোৱালী? সি পিয়ৰি উঠিল। সৰ্বশক্তিৰে

জাঁপিয়াহি উঠি সি থিয় হ'ল। সঁচাই তাৰ কাষত বহি আছেহি এজনী অচিনাকি ছোৱালী। ইমান দূৰলৈ গুচি আহিলনে সি? আই তেতিয়াও ৰঙীন দোপাট্টা নচুৱাই নচুৱাই হাঁহি হাঁহি মজিয়াত বহি আছে। তালৈ একেথৰে চাই আছে তাই। আৰু তাৰ পঢ়া টেবুলত এটা, চকীখনত এটা, বিছনাত দুটা —অ'ত এটা ত'ত এটা হৈ মদৰ বটলকেইটাৰ দৰেই পৰি আছে তাৰ ভোগালী উৰুকাৰ সংগীহঁত। ইমান স্পৰ্দ্ধা ইহঁতৰ? ছোৱালী তুলি আনে বাস্তাৰ পৰা তাৰ ঘৰলৈ? সি বিকটভাৱে চিঞৰি একেজাঁপে গৈ ইটো কোঠাৰ পৰা মঙহ কটা জোঙা আৰু ধাৰাল দাখন লৈ আহিল। দাখন হাতত লৈ সি কঁপিবলৈ ধৰিলে থৰ্‌থৰ্‌কৈ। তাৰ চিঞৰ শুনি চাপি অহা প্ৰতিবেশীসকলৰ আঁৰ লৈ ছোৱালীজনী আৰু ল'ৰাৰ জাকটো অদৃশ্য হ'ল। সি কয়, সেই তেৰ-চৈধ্য বছৰ বয়সৰ ছোৱালীজনীয়ে সিদিনা পুহমহীয়া জাৰৰ মাজনিশা চেঁচা মজিয়াত বহি, চাৰিওফালে এজাক অসুৰৰ উপস্থিতিত সেই যে জোৰকৈ ওঁঠলৈ হাঁহি এটা আনিছিল, তেনেকুৱা করুণ ছবি সি আৰু জীৱনত কেতিয়াও দেখা নাই। সেই সময়ত মুহূৰ্তৰ উত্তেজনাত সি হয়তো তাইক দাখনেৰে ঘাপ মাৰিয়ে দিলেহেঁতেন। কিন্তু স্মৃতি যে সহজে বিধ্বস্ত নহয়। সেই হাঁহিটো পৃথিৱীৰ সমস্ত করুণতাৰ প্ৰতীক হৈ তাৰ দুচকুত আজিও জিলিকে। মই ভাবোঁ, ভাবি আচৰিত হওঁ — সেই পিচ্ছিলতাৰ কবলৰ পৰা, তাকো সেইহেন সংগীন মুহূৰ্তত সৰুদাদা কেনেকৈ মুক্ত হৈ আহিল? সমগ্ৰ স্নায়ুতন্ত্ৰতে সংক্ৰমণ হোৱাৰ পিছতো তাৰমানে তেজ উভতি বয়? এসোঁতা ভাল তেজ? এই শুভ শক্তি অসিতাভৰ তেজতো থাকিব নোৱাৰেনে? প্ৰভা বাইদেউহঁতৰ বিমানে খং নুঠক কিয় পৃথিৱীৰ সকলোবোৰ নিচাগ্ৰস্ত মানুহকে মই কেতিয়াও নিৰ্বিচাৰে ঘিণ কৰিব নোৱাৰোঁ, যেনেকৈ ঘিণ কৰিব নোৱাৰোঁ সৰুদাদাক অথবা ভুল বিচাৰত কাৰাৰুদ্ধ হোৱা কয়দীৰ দৰে আহত ম্ৰিয়মাণ চকুযুৰিৰে অট্টাচাৰ্য ছাৰক। ছাৰ সোমাই আহিলেই আমি মেজৰৰ ক্লাছ কৰা কণমানি কোঠাটোত বিয়পি যায় মদ-চিগাৰেট আৰু কেঁচা পিঁয়াজৰ দুৰ্গন্ধ। আধা-আধি সংজ্ঞাহীন অৱস্থাতেই ছাৰে কি সুন্দৰকৈ পঢ়াইছিল কোলৰিজৰ ডিজেক্‌চন অথবা যেতিয়া তেওঁ গদ্‌গদ্ কণ্ঠেৰে উদ্ধৃত কৰিছিল টেনিচনৰ ইউলিচিচ : 'Tis not too late to seek a newer world!' মই এনেবোৰ মানুহক কেৱল শৰীৰৰ দুৰ্গন্ধৰ বাবেই কেতিয়াও ঘিণ অথবা অৱজ্ঞা কৰিব নোৱাৰোঁ।

প্ৰায়েই অহাৰ দৰে এদিন আমাৰ কমনৰুমত আহি ওলাল শ্ৰীলতা চৌধুৰী। আনদিনাৰ দৰে চকুলো টুকি টুকি মানুহৰ হাতে-ভৰিয়ে ধৰি পইচা বিচাৰিলেহি। কোনোবা বিৰক্তিত উচাৎ মাৰি আঁতৰি গ'ল। কোনোবাই বেগৰ তলি খুচৰি তেওঁৰ হাতত দুই এটকা গুজি দিলে। মোৰ কাষৰ চকীতে বহে প্ৰভা বাইদেউ। শ্ৰীলতা চৌধুৰী ওলাই যোৱাৰ পিছত বাইদেউৰ গোমা মুখলৈ চাই বেছ সাহসেৰে মই মাত লগালোঁ, "আমি পাত্ৰিকে এনেবোৰ লোকক কেৱল ঘিণ কৰিবহে জানো। এওঁলোকক শুদ্ধ পথলৈ অনাটো দেখোন আমাৰ নিচিনা সুস্থ নাগৰিকবিলাকৰে কৰ্তব্য। বিশেষকৈ অসিতাভৰ নিচিনা টেলেন্ট এটা চকুৰ আগতে তিলে তিলে নষ্ট হ'বলৈ ধৰা দেখিলে কিনা লাগে"

মোৰ মুখৰ ফালে ভালকৈ চাই প্ৰভা বাইদেৱে ক'লে, 'তুমি আচলতে এওঁলোকক খুব দুৰৰ পৰা দেখিছা। ইমান দুৰৰ পৰা সহানুভূতি দেখুৱাই থাকিলে কাৰো একো লাভ নহয়। শ্ৰীলতা একালত মোৰ ভনীৰ দৰে আছিল। মই বহু চেষ্টা কৰিলোঁ সিহঁতক বোকাৰ পৰা বুটলিবলৈ। সকলো বিফল হৈছে। এতিয়া আন উপায় নাই। তুমি যদি সঁচাই সিহঁতৰ শুভাকাংক্ষী হোৱা তেন্তে ঈশ্বৰৰ ওচৰত সিহঁতৰ অচিৰেই মৃত্যু কামনা কৰা।'

বহু শুভাকাংক্ষীয়ে শ্ৰীলতা চৌধুৰী আৰু অসিতাভক পোন বাটলৈ ঘূৰাই আনিবলৈ বহু চেষ্টা কৰিছিল। তেওঁলোকৰ প্ৰত্যেকেই এতিয়া কয় সিহঁতৰ ওচৰলৈ গৈ গৈ নৰক দৰ্শন কৰাহে হ'ল, আন একো নহ'ল। আন দুগৰাকীয়ে সকৰুণ ভাষাৰে তেওঁলোকৰ এটা সন্ধ্যাৰ আতংকৰ বৰ্ণনা দিলে। এদিন তেওঁলোকো গৈছিল দুখৰ দিনত শ্ৰীলতাক মাত এষাৰ দিওঁ বুলি। মজিয়াৰ লেতেৰা কাৰ্পেটৰ ওপৰত মাক-পুতেক দুয়ো পৰি আছিল। অতিথিয়ে তেওঁলোকক গাত ধৰি মজিয়াৰ পৰা তুলিলে। কিছু পৰৰ পিছত শ্ৰীলতাই ক'লে, 'আন্ধাৰেই হ'ল। অসিত, যা। তই এওঁলোকক আগবঢ়াই থৈ আহ।' অসিতাভৰ চকু তেতিয়াও ভালকৈ মেলেই খোৱা নাই। সি একেবাৰতে থিয় দি মাতৃ আজ্ঞা পালনৰ বাবে সাজু হ'ল আৰু মানুহ দুগৰাকীক ঘৰৰ বাহিৰ ওলাবলৈ কুটুৰিবলৈ ধৰিলে। পৰস্পৰৰ মুখলৈ চোৱা-চুই কৰি তেওঁলোক বাহিৰ ওলাল। তেওঁলোকে আন্ধাৰ বাটটাই দি বিমান পাৰি বেগ দি খোজ কাঢ়িবলৈ ধৰিলে কিন্তু দীঘল দীঘল ভৰি দুটাৰে দীঘল দীঘল খোজ পেলাই অসিতাভো তেওঁলোকৰ ঠিক পাছে পাছেই আহি আছে যে। টলং-পলং কৰিলেও সি কিন্তু লক্ষ্যহীন হৈ পৰা নাই। কিন্তু সি ইমান বেগত খোজ কাঢ়িছে যে মাজে মাজে তাল মিলাব নোৱাৰি হয় তেওঁলোকৰ ভৰিতে উজুটিয়াইছে, নহয় তেওঁলোকৰ গাতে ভেজা দি খোজ কঢ়াৰ দৰে কৰিছে। ছপ্ফুটতকৈ বেছি ওখ অসিতাভক ঘন কুঁৱলি আৰু ষ্ট্ৰীটলেম্পৰ টিউবৰ পোহৰত দৈত্য এটাৰ দৰে দেখা গৈছিল। দৈত্য—তাতে নিচাখোৰ। আতংকত প্ৰায় কান্দি উঠিল মানুহ দুগৰাকীয়ে। আহি আহি এঘৰ মানুহৰ সন্মুখ পালেহি তেওঁলোক। এইবাৰ তেওঁলোকে তাক মিছাকৈয়ে ক'লে যে এই মানুহঘৰতে তেওঁলোকৰ বিশেষ এটা কাম আছে গতিকে সি এতিয়া ঘৰলৈ উভতি যাওক। তেওঁলোকে নিজ নিজ ঘৰলৈ অকলেই যাব পাৰিব। কিন্তু অসিতাভে কোনোমতেই মাকৰ কথা নেপেলায়। সি বাটৰ ওপৰতে ষ্ট্ৰীট লাইটৰ তলত ঢপ্‌কৈ ভৰি মেলি বহি পৰিল আৰু ক'লে যে তেওঁলোকৰ কাম শেষ নোহোৱালৈকে সি তাতেই অপেক্ষা কৰিব। মানুহ দুগৰাকী ঘৰটোলৈ সোমাই গ'ল আৰু ঘৰটোৰ বাসিন্দাসকলক থুলমূলকৈ পৰিস্থিতিটো বুজাই দি তেওঁলোকে পাছফালৰ দুৱাৰ খুলি তৰা-নৰা ছিঙি দৌৰ দিলে। তেওঁলোকৰ অৱস্থাটো কল্পনা কৰি আমি হাঁহি উঠিলোঁ। প্ৰভা বাইদেৱে নাহাঁহিলে। তেওঁ নিজকে কোৱাৰ দৰে ক'লে, "ইস। মাকৰ কথা নেপেলায়। ভক্তি নে কি? মাকজনীয়ে কি কয় আমাৰ আগত? আমি তাইক ঘৰত গৈ কি অৱস্থাত লগ পাওঁ? এয়া তাইৰ বাৎসল্য?' প্ৰভা বাইদেৱে সকলো কথাই খুলি কৈছিল মিনিনা। সেই কথাবোৰ কৈ থকাৰ সময়ত তেওঁ কিন্তু কাৰো মুখলৈ চাব পৰা

নাছিল। শ্ৰীলতাৰ লগত ঘনিষ্ঠ সম্বন্ধ থকা প্ৰায়বোৰ মানুহেই জানিছিল এই কথা। মোৰ উশাহ-নিশাহ বন্ধ হ'বৰ উপক্ৰম হৈছিল এইবোৰ শুনি।

শ্ৰীলতাই শুভাকাংক্ষীসকলক কয়, 'জীৱনত আৰু কোন আছে অসিতাভৰ বাদে?' আঠাইশ বছৰীয়া দীৰ্ঘদেহী যুৱক অসিতাভ। তেজ-মঙহৰ অসিতাভ শ্ৰীলতা চৌধুৰীতো একেবাৰেই এডিক্ট হৈ গৈছে। এই দিনৰ পোহৰবোৰ ঘোৰ শত্ৰু তেওঁৰ। হাত ভৰি চৰ বন্ধা হৈ যায় পোহৰত। সকলো স্মৃতি জাগ্ৰত হৈ থাকি উপায়হীন কৰি তোলে মানুহক। কিন্তু এসময়ততো আন্ধাৰ নামে। আন্ধাৰতো নামিবই। আন্ধাৰত বিজয়ৰ উল্লাস জিলিকে শ্ৰীলতাৰ চকুত। আন্ধাৰত তেওঁৰ কোঠাৰ ভিতৰত প্ৰতিটো প্ৰহৰৰ সাক্ষী আৰু সংগী হৈ যি দ্বিতীয় প্ৰাণী অহৰহ মজুত থাকে, সেই অসিতাভৰ মুখ তেতিয়া শ্ৰীলতাৰ চেতনৰ কোনো বিন্দুতেই স্থিৰ হৈ নাথাকে। তেওঁ তাক চিনি নোপোৱা হৈ উঠে। বিলুপ্ত হয় সমগ্ৰ স্মৃতি আৰু শ্ৰীলতা চৌধুৰী প্ৰৱেশ কৰে মায়াপুৰীত। সকলো স্মৃতিৰ পৰা মুক্ত হৈ শ্ৰীলতাই প্ৰতিনিশা দাউ দাউকৈ নিজহাতে জ্বলাই দিয়ে অসিতাভৰ বাল্যকাল। জ্বলাই দিয়ে নিজৰ গৰ্ভযন্ত্ৰণা আৰু মাতৃত্বৰ সকলো সোঁৱৰণী। তেওঁ জুবি হৈ উটি যায়। আৰু সুঁতিৰ তলত শিল হৈ থৰ লাগি থাকে অসিতাভ। খৰস্ৰোতা জুৰিয়ে শিলৰ ধাৰ ক্ৰমে কমাই আনে। সি ঘূৰণীয়া হৈ ক্ৰমাৎ পিচ্ছিল আৰু বেছি পিচ্ছিল হৈ উঠে।

মোৰ মনটো খুব বেছি বিক্ষিপ্ত হৈ নুঠিল। মাথোঁ বাৰে বাৰে অসিতাভে মূৰত পিন্ধি লোৱা আন্ধাৰৰ সেই শিংবোৰৰ কথাই মনলৈ আহিবলৈ ধৰিলে। এটা দীঘল আন্ধাৰ কবিতাবেদি সি যেন বাহিৰলৈ ওলাই আহিছে। মূৰত শিংবোৰ! গতি কিন্তু অত্যন্ত ধীৰ। পানীত ওপঙাৰ দৰে ওপঙিছে সি। মোৰ হাতৰ আঁজলিত এটা মাটিৰ চাকি জ্বলি উঠিছে আৰু পোহৰৰ গোন্ধ পাই তৎক্ষণাত আন্ধাৰলৈ আঁতৰি গৈছে। তাৰপিছত একো দেখা নাই। চাৰিওফালে মোক ডাঠ কুঁৱলিয়ে ঘেৰি ধৰিছে। আন্ধাৰ আৰু কুঁৱলিৰ মাজত এখন পেইন্টিঙৰ দৰে নিথৰ হৈ গৈছে চাকিটো।

শুভাকাংক্ষী হিচাপে এতিয়া মই অসিতাভৰ মৃত্যু কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোঁনে বাৰু? কৰোঁনে? সেই সিদ্ধান্তই মই ল'ব পৰা নাই।

প্রশান্ত কুমার দাস

মহানির্বাণ

মজো কাকার কাহিনী

মহানির্বাণ

অপাৰ বিষণ্ণবোধে স্বপনক ভাৰাক্ৰান্ত কৰিছিল।

এদিন নিশা এজাক বৰষুণৰ পাছতে প্ৰায় নিৰ্জন গলিটোৰে স্বপন ঘৰলৈ উভতিছিল। গ্ৰীষ্মকাল আৰম্ভ হৈছে মাত্ৰ। স্বপনে আড্ডাৰ পৰা নিচাসক্ত হৈ প্ৰায়ে এইদৰে ওভতে ঘৰলৈ। আজি তাৰ নিচা প্ৰায় টুটি গৈছে, আড্ডাৰ পৰা প্ৰস্থানৰ পথত এটা ভয়াবহ ঘটনা। স্বপনে নিচাগ্ৰস্ত অৱস্থাৰে প্ৰত্যক্ষ কৰিছিল দৃশ্যটো ঃ কাষত ছয় কি সাত বছৰীয়া এটা শিশুৰ, সম্ভৱতঃ তিৰোতাজনীৰ সন্তান ; দুৰ্বল, কৃশাংগী, অস্থি চৰ্মসাৰ চেহেৰা তাইৰ ; কাপোৰৰ টোপোলাটোৰ পৰা সিঁচৰিত হৈ পথৰ মধ্যস্থলতে পৰি যোৱা চাউলবোৰ তিৰোতাজনীয়ে খৰধৰকৈ বুটলিছিল। স্বপনে এক মুহূৰ্ত বৈ বিহুল দৃষ্টিৰে তাইলৈ চাইছিল। সম্ভৱতঃ গাড়ী অহাৰ আগতেই সিহঁতে অতিক্ৰম কৰিব খুজিছিল ৰাস্তাটো। তাইৰ পৰা অদূৰত থিয় হৈ আছিল ল'ৰাটো।

স্বপ্নতৰংগত প্ৰকাশিত চিত্ৰৰ দৰে অতীতৰ সেই নিৰ্মম মুহূৰ্তবোৰ অকস্মাতে ভাহি উঠিছিল স্বপনৰ মনত। 'আস্, হয়তো তাই এই চাউলকেইটাৰ বাবেই আজি সমগ্ৰ দিনটো ক'ৰবাত গেবাৰি খাটিছিল।' বুকুৰ মাজত সহানুভূতিৰ উদ্ৰেক হোৱা স্বপনে পুনৰ খোজ লৈছিল মাত্ৰ। হঠাৎ ঘটি গ'ল ঘটনাটো। এখন দ্ৰুত কেন্টাৰৰ শব্দত তাইৰ মৃত্যু চিৎকাৰ তৎমুহূৰ্ততে বিলীন হৈ গৈছিল। অৰ্ধেক ভ্ৰম আৰু চেতনাৰ মাজৰ পৰা তাৰ অজ্ঞাতেই প্ৰকৃতিস্থ হৈ পৰিছিল সি। নিমিষতে হুৰা-দুৰা লাগিল। ক'ৰ মদৰ নিচা যে ক'লৈ গ'ল!

ঠাইখিনিত সন্ধিয়াৰ কাজল কৰ্বৰ অস্বচ্ছ প্ৰলেপ। অ'ত ত'ত দুই-এটা বিজুলী চাকি জ্বলিছে মাত্ৰ। ঠিক আন্ধাৰ নহয় ; কিন্তু আন্ধাৰৰ প্ৰায় জন্ম মুহূৰ্ত সেয়া। চতুৰ্দিশে অপাৰ ব্যস্ততা।

ভিৰ ঠেলি মানুহৰ বৃত্তৰ ভিতৰত প্ৰবেশ কৰি সি দেখিছিল সেই ভয়ংকৰ দৃশ্যটো। লাওখোলা থেতেলি লপ্‌থপীয়া মগজুৰ ধূসৰ শুভ্ৰতা মৃতদেহৰ চতুৰ্দিশে ছিটিকি পৰিছিল। অধঃ হনু ভাঙি বিকৃতভাৱে ওলাই আছিছে তাইৰ দাঁতবোৰ, ৰক্তাহত লুণীয়া গোজ ছটিয়াই তেজ নিঃসৰিত হৈছিল অবিৰত। আৰু সেই উদভ্ৰান্ত কিশোৰে চাউলে-তেজে লুতুৰি-

পুতুৰি হৈ মৃতদেহটো সাৱটি ধৰি এক অদ্ভুত কণ্ঠস্বৰত সমস্ত শক্তিৰে চিঞৰিছিল।

স্বপন আগবাঢ়ে অসংগত পদ সঞ্চালনেৰে, অসম্ভৱ ক্লান্ত, নিঃশক্ত সেই গমন। ঘৰে-দুৱাৰে, ৰাস্তাই-ঘাটে — সকলোতে জোনাকৰ অকাৰ্পণ্য শ্ৰৱণ। মেঘ আঁতৰি গৈছে আকাশৰ পৰা। জোনাকত ৰাস্তাৰ পানীৰ ডোঙাবোৰ সীহৰ ফলকৰ দৰে জিলিকিছে। সৰীসৃপৰ দৰে ক্ৰমশঃ আগুৱায় গলিটোৰে সি। ঘটনাস্থলিৰ পৰা আঁতৰি আহি কাষৰ চিনেমা হলটোত সোমাই সি দুৰ্বল, ক্লান্ত-অথিৰ মনটোক জিৰণি দিবলৈ চেষ্টা কৰিছিল। তাৰ আগতেই চিনেমা আৰম্ভ হৈছিল। চকীত বহি ব্যৰ্থ যত্ন কৰিছিল শুবলৈ। শোৱা আৰু তাৰ নহ'ল, অৰ্থহীনভাৱে অগ্নিদগ্ধ প্ৰাণীৰ দৰে চট্‌ফটাই বহি থাকিল সি প্ৰায় তিনি ঘণ্টা।

শ শ ব্যক্তিৰ ভিৰ ঠেলি স্বপনে হলটোৰ পৰা ওলাই আহিয়েই সিদ্ধান্ত ল'লে, লালুৰ তালৈ যোৱা হওক। ঘামেৰে লিপিট খাই গৈছিল তাৰ গেঞ্জি। গণেশগুৰি চাৰিআলিত ৰিক্সাৰ পৰা নামিয়েই সি লালুৰ দোকান পাইছিল। লালুৱে দোকান বন্ধ কৰিব খুজিছিল মাত্ৰ। এখন সৰু দোকান লালুৰ, বিদেশী চিগাৰেটৰ পৰা বিদেশী কনডমলৈকে বহু বিদেশী ইলেক্ট্ৰনিক্স সামগ্ৰী চোৰাংভাৱে বিক্ৰী কৰে সি। ঠিক কেতিয়া, ক'ত, কিদৰে লালুৰ স'তে পৰিচিত হৈছিল তাৰ মনত নাই। প্ৰায়ে সি লালুৰ দোকানত বৈ চিগাৰেট হুপায়। কেতিয়াবা খুচুৰা পইছাকেইটা ওভতাই দিব খোজা লালুক স্বপনে কৈ উঠে, 'ৰাখ তয়ে ৰাখি থ।'

গেট খুলি স্বপনে তাৰ ভাৰায়ৰ চৌহদত ভৰি দিয়ে। পেটত তাৰ সামান্য ক্ষুধা। এনেকৈ পিচাগ্ৰস্ত হৈ ঘৰলৈ ওভতাৰ পিছত স্বপনৰ আচলতে ঘৰত আহাৰ খোৱা নহয়েই। ভোক তাৰ ঠিকেই লাগে; কিন্তু আহাৰ পেটলৈ নাযায়। দিনক দিনে খাদ্যৰ প্ৰতি ৰুচি তাৰ কমি আহিছে। ঘৰখনতো কোনো শান্তি বিচাৰি নাপায়। স্নায়ু ৰোগত আক্ৰান্ত লেৰেজান কণমানি শিশুটোৰ প্ৰতিও তাৰ মায়া কমি আহিছে। তাৰ পত্নী জয়িতা সুন্দৰী হ'লেও নষ্ট চৰিত্ৰ। গলিৰ অবিবাহিত ডেকা এটাৰ স'তে তাইৰ গোপন প্ৰেম। স্বপনে কোনো দিনেই প্ৰতিবাদ কৰা নাই, তথাপি সি প্ৰায়ে ভাবে যি ইচ্ছা কৰক তাই, তথাপি তাই এনে কৰাটো উচিত নাছিল। মাজে মাজে সি সিদ্ধান্তলৈ আহে, শীঘ্ৰেই বিবাহ বিচ্ছেদ কৰিব। কিন্তু প্ৰমাণ ক'ত জয়িতাৰ বিৰুদ্ধে? সম্ভৱতঃ জয়িতায়ো এই মুহূৰ্তত বিচ্ছেদ হ'বলৈ বিচৰা নাই, কিন্তু ভালকৈয়ে জানে এদিন অকস্মাতে তাই ডেকাটোৰ স'তে পলাই যাব। হয়তো কিবা সুযোগ, কিবা এক মুহূৰ্তৰ বাবে দুয়ো অপেক্ষাৰত। আৰু তেনে এক ঘটনাৰ পিছতে তাৰ শেষকণ সন্মানবোধ, অহংবোধ দুৰ্বল প্ৰাসাদৰ দৰে হঠাৎ খহি পৰিব।

নীৰস, নিশ্চেষ্ট জীৱন তাৰ। যেন জীয়াই থাকি সি আৰু ক্লান্ত। ক'তোৱেই সুখ নাই, নাই উল্লাস; কি ঘৰ, কি আড্ডা, কি অফিচ, কি নিৰ্জন পথ, কোনো স্থানতে সি এক মুহূৰ্তৰ বাবেও নিজক সুখী অনুভৱ কৰা নাই, কেতিয়াও। তাৰ স্পষ্ট মনত আছে সেই কৈশোৰ, শৈশৱৰ দুৰ্দশা-পীড়িত দিনবোৰ। অতি সৰুতেই তাৰ মৰমৰ সৰু ভায়েকটো অন্তৰ্ধান হৈছিল। ওচৰৰে দুৰ্বৃত্তৰ হাতত কুমাৰী ভনীয়েকে গৰ্ভধাৰণ কৰিছিল, তাৰ পিছতে হঠাৎ এদিন তাইৰ আত্মহত্যা। উচ্ছৃংখল মদাহী ককায়েকটোৱে বুঢ়া বাপেকক দাৰে ঘপিয়াই হত্যা

কৰিছিল নির্মমভাৱে।... প্ৰমাণ আৰু সাক্ষ্যৰ অভাৱত সোনকালে ওলাই আহিছিল কৰায়েকটো জেলৰ পৰা। সি গাঁৱৰ ঘৰৰ পৰা বিতাড়িত কৰিছিল স্বপনক, বঞ্চিত কৰিছিল নামমাত্ৰ পৈতৃক সম্পত্তিৰ পৰা। মাকৰ স'তে পেহাকৰ ঘৰত আশ্ৰয় লৈছিল সি, তাতেই সি আৱিষ্কাৰ কৰি পেলাইছে, মাকৰ মস্তিষ্কৰ ক্ৰমশঃ বিকৃতি ঘটিবলৈ ধৰিছে। এদিন তেজপুৰত থোৱা হ'ল মাকক আৰু মাত্ৰ সিদিনা খবৰ আহিছে, মাক ঢুকাল।

ঠিক তিনিদিনৰ পিছত এদিন স্বপন অফিচৰ পৰা যোৱাৰ পথত গণেশগুৰিত চিটি বাছৰ পৰা নামি লালুৰ দোকানত উপস্থিত হ'ল। চিগাৰেট এটা জ্বলায়ে সি তাক সুধিলে : কি হ'ল পালিনে নাই?

— নাই। কৈছো নহয় আপোনাক, বস্তু আহিব দুই-এদিনতে, আহিলেই আপোনাক খবৰ দিম।

— দুই-এদিন, দুই-এদিনকৈ কত দিন গ'ল।

— মই কি কৰিম, ইটালিয়ান এটা আহিল বিশ বাউণ্ডৰ ; আপোনাক আকৌ নালাগে।

— আস্, ইমান দামী, কৰিম কি। ছয় বাউণ্ড হ'লেই যথেষ্ট।

— ঠিক আছে, মই খবৰ কৰিম। অলপ বিপদ আছে, সিদিনা ল'বা এটাক ধৰিলে পুলিচে।

লালুৰ স'তে কথা পতা বাদ দি স্বপনে চিগাৰেট হোপে নীৰৱে। নীৰস, নিঃসঙ্গ, উপেক্ষিত হোৱাৰ যন্ত্ৰণাই বুকুৰ মাজেৰে দ্ৰুত বিয়পি আহে তাৰ। কত বছৰ ধৰি সি উপভোগৰ বাবে চিনেমা চোৱা নাই। শুনা নাই গান, কোনো উৎসৱ-পাৰ্বণত যোগ দিয়া নাই সি। একোৱেই কিয় ভাল নালাগে তাৰ? অথচ ভাল চাকৰি তাৰ, দৰমহা হিচাপে যিকেইটা টকা পায় তাৰেই চলি আছে ভালভাৱে। কোনো দিনেই সি বেলেগে পইচাৰ বাবে চিন্তা কৰা নাই, গণেশগুৰি চাৰিআলি পাৰ হৈ গলি এটাত তাৰ সাধাৰণ ভাৰাঘৰ। তিনি বছৰ আগতে তাৰ বিয়াখন অনুষ্ঠিত হৈছিল। পেহীয়েকে পাতি দিছিল পেহাকে। পেহাকেই পচন্দ কৰিছিল জয়িতাক। জয়িতাৰ স'তে এতিয়া তাৰ আত্মিক সম্পৰ্ক তেনেই নামমাত্ৰ, যান্ত্ৰিক। সততে আলপৈচান ধৰে তাক বনকৰা ছোৱালীজনীয়ে। তাইৰ পৰাই স্বপনে খবৰ পায়, সি অফিচলৈ যোৱাৰ পিছত প্ৰায়ে জয়িতা সাজি-কাচি ওলাই যায় ক'ৰবালৈ। নিম্ন মধ্যবিত্ত পৰিয়ালত পালিত হোৱা জয়িতাই চুলিখিনি চুটি কৰি পেলাইছে, ব্যায়াম শিকিছে, চৰ্বি বঢ়াবলৈ মাজে মাজে বিয়েৰ খাবলৈ লৈছে। নিজৰ বয়সক সীমাবদ্ধ কৰি ৰাখিবলৈ জয়িতাৰ কি যে আপ্ৰাণ প্ৰয়াস! স্বপনৰ তাইৰ প্ৰতি থকা দায়িত্ববোধ, স্নেহ — সকলো যেন শেষ হৈ অন্ত পাইছে। আনকি কাচিৎ একেলগে ৰাত্ৰি যাপন কৰে দুয়ো।

দিনটোত কিঞ্চিত বাক্যৰ বিনিময় হয় দুয়োৰে। জয়িতাই বৰা মহিলা বজালী আলোচনীখনো কোনো দিনেই সি লুটিয়াই পোৱা নাই। ঘৰৰ বহু বস্তু জয়িতাই নিজেই পচন্দ কৰি কিনি আনিছে বজাৰৰ পৰা। প্ৰায়ে দীৰ্ঘতৰ সময় চাঁট্ফটনিৰ অন্তত ৰাতি টোপনি আহে তাৰ, সাৰ পায় ৰাতিপুৱা বহু পলমকৈ। বিছনাৰ পৰা নামে উদাসীনভাৱে, খৰখৰকৈ

স্নান কৰে, আহাৰ খায়, অফিচলৈ ওলাই আহে, যেন ঘৰৰ বাহিৰ হ'লেই স্বস্তি। সপ্তাহটোৰ অধিক দিনেই অফিচ ছুটীৰ পিছতে মদ পান কৰিবলৈ উপস্থিত হয় আড্ডাত। কেতিয়াবা লেবেজান নোহোৱালেকে সি পান কৰি যায় মদ। এনেকুৱাও ঘটিছে কেতিয়াবা, যে সি অফিচলৈ ওলাই আহি গুচি গৈছে চিৰিয়াখানলৈ, অথবা ঘণ্টাৰ পিছত ঘণ্টা কটাইছে পার্ক কিম্বা শ্যাম মন্দিৰত। নিবল, নীৰৱ এটুকুৰা ঠাইত নিঃসঙ্গ-নিশ্চুপ হৈ বহি পাৰ কৰিছে যন্ত্ৰণাগধুৰ সময়, অথবা টোপনিয়াইছে কিহবাত আঁউজি। ঘৰখনেই তাৰ বাবে আটাইতকৈ নিৰাপত্তাহীন আশ্ৰয়স্থল, — ইটো কোঠাৰ পৰা সিটো কোঠালৈ, সিটো কোঠাৰ পৰা ইটো কোঠালৈ উদভ্ৰান্তৰ দৰে পায়চাৰি কৰিছে, কিম্বা বিছনাত শিলাখণ্ডৰ দৰে পৰি থাকি কৰিছে তন্দ্ৰাচ্ছন্ন হ'বলৈ অনন্ত ব্যৰ্থ প্ৰয়াস। আনটো কোঠাত হয়তো জয়িতাই ৰেডিঅ'ত অনুচ্চগ্ৰামত গান শুনিছে, অথবা কৰিছে ব্যায়াম। জয়িতায়ো বিশেষ যত্ন নলয় শিশুটোৰ। তাইৰ গৰ্ভৰ পৰাই জন্ম পোৱা বাবেই হয়তো শিশুটোৰ প্ৰতি স্বপনৰ কোনো আসক্তি নাই। সি যেন এক তীক্ষ্ণ শেলৰ দৰে অহৰহ বিদ্ধ কৰে তাক ঘোৰতৰ সন্দেহে ঃ হয়তো শিশুটোৰ জন্মত তাৰ কোনো অৱদানেই নাই!

— আচ্ছা লালু, মই অহা সপ্তাহত খবৰ এটা কৰিম।

— হ'ব হ'ব, মই নিজেই আপোনাৰ ঘৰত ওলামগৈ।

চিটিবাছ ষ্টপেজত থিয় হৈ এক মুহূৰ্ত স্বপনে ভাবিলে, যাব জানো সি আজি অফিচলৈ! নিৰুদ্বেগ, নিশ্চিন্তিত সহকৰ্মীৰ মাজত চকীত বহি ফাইল মেলাৰ কথা ভাবিলে সি আৰু অধিক হতাশ হৈ পৰে। সময় কিমান হ'ব বা? ঘড়ীটোও পিন্ধি অহা নহ'ল আজি। ঠিক অৱচেতন মনৰ ক্ৰিয়াৰ ফলতেই যেন সি আহি জু লৈ যোৱা চিটিবাছ এখনত উঠিল। চিৰিয়াখানাৰ চিলড্ৰেন পাৰ্কত পুখুৰীৰ কাষত গছ এজোপাত আঁউজি বহি সি শুবলৈ যত্ন কৰিছিল মাত্ৰ, হঠাৎ বিয়াজৰ আবিৰ্ভাৱ। তাৰ স'তে দুজনী কিশোৰী।

— এই যে কুম্ভকৰ্ণ!

— বিয়াজ?

— শুইছ? তোৰ আৰু এই পাগলামি নুগুচিল। শোৱ, ঘৰতেই শুবি। অফিচ নকৰিলি আজি?

অস্বাভাৱিক শুকান হাঁহি স্বপনৰ। এদিন শুনিবি চাকৰি বাদ দিলোঁ।

— কিয় কিয়? বিয়াজ বহি পৰে কাষত।

— ভাল নালাগে। ভৰি দুটা বহলকৈ মেলি দিয়ে স্বপনে। অদূৰত নিজৰ স'তে কথাত ব্যস্ত হয় বিয়াজৰ কিশোৰী সংগিনী।

— আচ্ছা কচোন, প্ৰব্লেম কি? ইমান কিয় ডিপ্ৰেছড্ হৈ পৰিছ? হাইফাই জব, সুন্দৰী ৱাইফ, নাই ট্ৰাবল, নাই প্ৰব্লেম। কচোন ক, কিয় ইমান ডিটেষ্ট?

বহুদিন বিয়াজৰ স'তে স্বপনৰ দেখা-দেখি হোৱা নাছিল। সি আড্ডালৈ আহিছিল মাজে মাজে, এনেকৈ মদ খায় সি যেন ক'ম্প্লিমেণ্ট পান কৰিছে। দেহটো যেন কল-কজাবহে, —কি কণ্ট্ৰোল, কি বেলেন্স তাৰ। তাৰ দীৰ্ঘদিন বেকাৰ জীৱনৰ পিছত হঠাৎ

এদিন এটা চাকৰি পালে এখন মফচল চহৰত। আজি তাৰ বহু পৰিবৰ্তন হৈছে। কেনে বিভ্ৰান্ত, চঞ্চল আৰু নিৰ্লিপ্ত ব্যক্তি আছিল সি, নিজৰ সাজ-সজ্জাৰ প্ৰতি কোনো খেয়াল নাছিল তাৰ, ডাঢ়ি-গোঁফ বাঢ়ি বাঢ়ি অসহ্য বোধ হ'লেহে কমাইছিল। নাছিল কোনো ছোৱালীৰ প্ৰতি আসক্তি, নাছিল কোনো উচ্চাকাংক্ষা, আজিৰ ঠিক স্বপনৰ দৰে।

চুলিবোৰ চুটিকৈ কাটিছে বিয়াজে, ফ্ৰেন্স কাট ডাঢ়ি, চকুহাল ঢাক খাই আছে চান গ্লাছযোৰেৰে, পিন্ধনত পৰিষ্কাৰ পোছাক। পাতৰ মাজেৰে সৰকি অহা ব'দৰ অশৰীৰ টোপালত তাৰ হাতৰ দামী ঘড়ীটো জিলিকিছে। বিয়াজৰ বিগলিত প্ৰশান্ত স্বপন হেৰাই যাব খুজিছিল।

— আই এম বান অব দা মোষ্ট ডিপ্ৰেছ্‌ড পাৰ্চন।

ধূসৰ স্বপ্ন ছবিৰ দৰে হাঁহি উঠে বিগত জীৱনৰ বিক্ষিপ্ত ঘটনা স্বপনৰ মনত। বাপেকৰ স'তে কি যে বন্ধুত্বসুলভ সম্পৰ্ক আছিল, পথাৰৰ পৰা আহি বাপেকে তাৰ কাষত থিয় হৈ উৎসাহ দিছিল, — পঢ়, বাবা পঢ়। ই বেটা ধীৰুৱে ঘৰখন নাশ কৰিলে, তয়ে আৰু আমাক উদ্ধাৰ কৰিবি! সেই বাপেককে ধীৰুৱে নৃশংসভাৱে দাৱে ঘপিয়াই ওফৰাই পেলাইছিল মূৰটো।... ছিণ্ডা বুটামবোৰ সী দিছিল ভনীয়েক কল্যাণীয়ে। শান্ত, নম্ৰ, লাজুক সেই চালুকীয়া ছোৱালীজনীক কোনে কেনেকৈ এনে কুকৰ্মৰ বাবে সাহস যোগাইছিল হয়তো কোনো দিনেই স্বপনে বুজি নাপাব। সেই দৃশ্যটো..., আস্, গোহালি ঘৰত ফাঁচ লাগি ওলমি আছিল তাইৰ নিষ্প্ৰাণ দেহটো।...

পেহাকৰ ল'ৰাটোৱে প্ৰায়ে দুৰ্ব্যৱহাৰ কৰিছিল স্বপনৰ মাকক। চাকৰি পাইছিল বহু কষ্টকৰ সন্ধানৰ অন্তত। মানসিক হাস্পতালত বখাৰ পিছত পাইলে লাহে লাহে সি মাকক সাক্ষাৎ কৰিবলৈ এৰি দিছিল। নঙঠা কংকালসাৰ মাকে পিঞ্জৰা যেন এটা কোঠাৰ চুকত পুতিগন্ধিময় পচা আহাৰৰ মাজত এডাল কুমজেলুকাৰ দৰে নিঃসাৰে শুই আছিল। স্মৃতি শক্তি সম্পূৰ্ণ লোপ পাইছিল মাকৰ। সেই মাকৰ মৃত্যুৰ খবৰটো পাই হঠাৎ হাঁহাকাৰ কৰি উঠিছিল তাৰ বুকু। কি যে দুখ-যন্ত্ৰণা, অনাদৰ-অৱহেলাত শেষ হৈ গ'ল তাৰ মাকৰ জীৱন। শেষ মুহূৰ্তত মুখখনো দৰ্শন কৰা নহ'ল তাৰ।

— একোতেই ভাল নালাগে মোৰ। ভাবি নাপাওঁ তইঁতে কিহৰ বাবে ইমান আশাৰে বাচি আছ? জীৱনটো কিয় ইমান নীৰস, জীৱনটো কিয় ইমান অৰ্থশূন্য। বুইছ, বাৰে বাৰে সিদিনাৰ এক্সিডেন্টৰ কথাটো মনত পৰে। সঁচা,সঁচা আচলতে একোৱেই নাই, এনেয়ে তইঁতে মোহাবিষ্ট হৈ চলাইছ জীয়াই থকাৰ প্ৰতিযোগিতা। সকলো ভঙুৰ, ক্ষণস্থায়ী, নিৰৰ্থক। — সি ক'ব খুজিছিল বিয়াজক —। জান মই কিজানি শীঘ্ৰেই আত্মহত্যা কৰিম। বাচি থকাৰ যন্ত্ৰণা মই আৰু সহ্য কৰিব নোৱাৰোঁ।

হঠাৎ চকু খোৱাৰ দৰে হ'ল স্বপন। ভাবোচ্ছ্বাসত সি কি বিলীন হৈ যাব খুজিছিল? বাঃ কি হ'ব সেই কথা কৈ? কি লাভ। সি বুজি দিয়ে নিজকে।

বিয়াজে ওঁঠৰ কাঁকৰ চিগাৰেটটোত অগ্নি সংযোগ কৰে। — মোৰ ভাবাৱেগৰ মালিকৰ জীয়েকক পতাই দিলোঁ নহয়। মালদাৰ মানুহ। এতিয়া আমাৰ বৈদ্য প্ৰেম।...

বিয়াজে উৎসাহেৰে বৰ্ণাবলৈ আৰম্ভ কৰে তাৰ প্ৰেম কাহিনী। বাধা দিয়াৰ দৰে লগে লগে স্বপনে কৈ উঠিল, (বিৰক্তি মিশ্ৰিত তাৰ সুৰ) মোৰ ভাল নালাগে বুইছ এইবিলাক।

— কোনবিলাক?

— এই ভাল পোৱা, কিবা পোৱা।

— হাঃ হাঃ হাঃ। ফাটি পৰে হাঁহিত বিয়াজ। হাঁহি শেষ কৰি অকস্মাতে প্ৰসংগ তল পেলাই সি তাৰ দুয়োজনী কিশোৰী সংগিনীলৈ চালে, — জেচমিন, ব'ৰ হৈছে নেকি? ৰ'বি অলপ। স্বপনৰ ফালে মুখ ঘূৰালে সি, — মামাৰ ছোৱালী বুইছ। জুলৈ আহোঁ আহোঁ কৰি আছিল, আজি লৈয়ে আহিলোঁ। হঠাৎ ব্যস্ত হৈ উঠে, তাৰ চকুৱে-মুখে ছিটিকি পৰে চপলতা।

— আচ্ছা ভাই, লগ পাম ভালকৈ ক'ৰবাত। আড্ডা আছেনে নাই তইঁতৰ। পাৰিলে যাম যা এপাক। বিয়াজ আঁতৰি যায়।

নাই, স্বপনৰ তন্দ্ৰাৰ নিচা আৰু কৰ্পূৰৰ দৰে হেৰাই গৈছে। আকৌ তাৰ সেই চিৰন্তন উচ্‌পিচনি। ঈৰ্ষা, ঘৃণাৰ দৰে কিবা এক অনুভূতি শিপাই আছে তাৰ বুকুত। সঁচা, কিয় বিয়াজহঁত তাত সুখী, তাত ব্যস্ততা। বহাৰ পৰা উঠিল সি, ইয়াত থাকি অকণো ভাল লগা নাই।

খুব সন্তৰ্পণে মেঘ জমিছে আকাশত। কাজল মেঘৰ মাজত ক্ৰমশঃ নিস্তেজ হৈ আহিছে সূৰ্যটো। স্বপনে অফিচ কেন্টিনৰ পৰা উদাসীনভাৱে চালে আকাশলৈ। এতিয়াও সিদ্ধান্ত ল'ব পৰা নাই — আড্ডালৈ গৈ মদ খাব জানো সি আজি। যোৱা ৰাতিৰ পৰা তল পেটত সামান্য বিষৰ উদ্ৰেক হৈছে। কিড্‌নি নষ্ট হৈ গৈছে তাৰ! লিভাৰ ফাংছন পচি গৈছে? ভাব হয়, সি যেন ক্ৰমশঃ দুৰ্বল হৈ আহিছে শাৰীৰিকভাৱে। মাজে মাজে জ্বৰ জ্বৰ লাগে গাটো, ধাৰণা হয়, তাৰ যেন লিউকোমিয়া হৈছে। কেতিয়াবা সামান্য মূৰৰ বিষতে মগজুত টিউমাৰ হোৱা যেন অনুভৱ হয়। কেণ্টিনৰ বেৰত আঁউজি সি চকু মুদি ভাবে: হওক তাৰ লিউকোমিয়া। ক্ৰমশঃ নীলা পৰি আহক তাৰ শৰীৰ, জঁকা এটাৰ দৰে বিছনাত পৰি ৰওক তাৰ দুৰ্বল, কগ্ন দেহ। আৰু তাকে দেখি অন্ততঃ এবাৰ জয়িতাই তাৰ হাতত খামুচি চকুপানী টোকক। এবাৰ মাত্ৰ ধীৰে আহি কওক, — মই তোৰ বহু অন্যায় কৰিছোঁ। অথবা বিগলিত কণ্ঠে পেহাকৰ ল'ৰাটোৱে অনুশোচনা কৰক, — মই মামীক দুখ দিব নালাগিছিল। মোক মাফ কৰা স্বপনদা।

শীঘ্ৰেই যেন তাৰ মৃত্যু হ'ব। কথাবাৰ ভাবি ভাল লাগি যায় তাৰ। চাহৰ কাপত চুমুক দিলে সি। কাষৰ চকী দখল কৰি আৰামেৰে উপবেশন কৰে বীৰেন দাস, স্বপনহঁতৰ অফিচৰ টাইপিষ্ট।

— অসুখ?

— নাঃ স্বপনে চাহৰ কাপ থৈ উত্তৰ দিলে।

— বেমাৰী যেন লাগিছে আপোনাক।

নিৰ্বাক ভাবাত স্বপনে চিঞৰি উঠে: মোৰ লিউকোমিয়া। মোৰ লিউকোমিয়া!

শীঘ্ৰেই মই জগতৰ পৰা মুক্তি পাম।

— মানুহক স্বাস্থ্যটো লাগে বুইছে, শইকীয়া। আপোনাৰ আৰু স্বাস্থ্যটো নহ'ল। খুব খাব লাগে, মাছে-মাংসই। তাজা কৰি ৰাখিব লাগে দেহা। দাসে হাঁহে নিৰৰ্থকভাৱে, কাৰ্টুন এটাৰ দৰে দেখা গ'ল তেওঁক।

— আত্মহত্যাৰ আটাইতকৈ সহজ উপায় কি দাস? অনুচ্চ কণ্ঠস্বৰ স্বপনৰ।

— আত্মহত্যাৰ? পোন্দোৰাকৈ এক মুহূৰ্ত স্বপনৰ ফালে চাই মুখ ঘূৰালে বীৰেন দাসে। এই পোৰালি, চাহ এটা, খুৰমা এটা লৈ আহ। চকুৰ চচমা খুলি থৈ তেওঁ উৎসাহ দেখুৱালে,

— ভাল মনত পেলাই দিছে। বাটীলে ৰাওঁতে মই এখন কিতাপ কিনিছিলোঁ। ইংৰাজী কিতাপ। তাতে কিটিপ্‌বোৰ দিয়া আছে। তাৰে এটা উপায় মোৰ বৰ পচন্দ হৈছিল। কেতিয়াবা যদি আত্মহত্যা কৰো, সেই কিটিপ্‌টোকেই বাছি ল'ম। বৰ সহজ, নাই কোনো যন্ত্ৰণা, নাই কোনো ফিলিং, আপুনি গমেই নাপাব, আপুনি যে মৰিল। হঠাৎ পাতলকৈ হাঁহে দাসে, কিয়, আপুনি আত্মহত্যা কৰিব?

নীৰস, শান্ত, নিঃশব্দ হাঁহি এটা বাগৰি আহে স্বপনৰ ওঁঠেৰে, ঃ হয়তো কৰিব পাৰোঁ।

— বঢ়িয়া! দাসৰ উৎসাহ দুগুণ হয়, তেন্তে উপায়টো কৈছোঁ...।

হঠাৎ ঠিক সেই মুহূৰ্ততে ডিৰেক্টৰৰ পিয়নটো আহি উপস্থিত হয় দাসৰ সমুখত। বীৰেন দাসে কথা বন্ধ কৰিলে, তেওঁ বুজিলে, পিয়নটোৱে কিবা ক'ব খুজিছে।

পিয়নটোৱে খবৰ দিলে, এই মুহূৰ্ততে ডিৰেক্টৰে দাসক বিচাৰিছে। আৰ্জেণ্ট। দাস ততাতৈয়াকৈ ওলাই গ'ল কেণ্টিনৰ পৰা। স্বপন হতাশ হয়, বিৰাগবোধ জাগি উঠে। ডিৰেক্টৰৰ প্ৰতি। চাল্লা, মানুহজনে আৰু সময়েই নাপালে। তথাপি সি আশাৰে বহি ৰ'ল, কিজানি সোনকালেই উভতি আহেই দাস পুনৰ কেণ্টিনলৈ।

শ্ৰান্ত, অলস ভংগীত কেণ্টিনৰ বেৰত সি আঁউজে। আকৌ তাৰ মনলৈ আহে নীলাৰ কথা, কলেজৰ শেষৰ বছৰটোতে সি তাইক অতি ঘনিষ্ঠভাৱে লগ পাইছিল। সেই যে তাই তাৰ হাতত খামুচি ধৰি কৈছিল ঃ তোমাৰ অবিহনে মই কেনেকৈ বাছি থাকিম! আহা, কিয় যে হেৰাই গ'ল সেইবোৰ দিন, সেইবোৰ স্বপ্ন! অপাৰ দুখ আৰু অসহনীয় পাৰিবাৰিক সংঘাতে বিধ্বস্ত কৰি তোলা স্বপনে তাইৰ কাষ পালেই কল্পলোকত বিচৰণ কৰা যেন লাগিছিল। ইমান বাস্তৱিক নিৰাশ্ৰয়, অনিশ্চয়তাৰ মাজতো কিয় বাৰু তাক মাত্ৰ তাইৰ সংগই আনি দিছিল নিৰাপত্তাবোধৰ অনুভূতি। যেন কোবাল টৌৱে তাক উটুৱাই আনি থৈ গৈছিল তাইৰ প্ৰেমাঘাটত। ... এতিয়া নিজকে বৰ নিৰ্বোধ যেন লাগে, সি যে অলপ অলপকৈ সাজি উলিয়াইছিল তাৰ কল্পনাৰ অভ্ৰভেদী প্ৰাসাদ। আৰু সেই প্ৰাসাদ খহি পৰিছিল মাত্ৰ এটা মুহূৰ্তত, ... নীলাৰ বিয়া হৈ গৈছিল এজন ডাক্তৰৰ স'তে।

বীৰেন দাসলৈ বৈ বৈ স্বপনে ভাবে ঃ আজি এবাৰ আকৌ লাজুৰ তাত খবৰ ল'ব লাগিব। আহিল নে নাই পিয়নটো।

পিষ্টল? স্বপনে বুজি নাপায়, ঠিক কিহৰ বাবে সি পিষ্টল বিচাৰিছে? সি কি নিজকে গুলীয়াব? এন্দুৰ মৰা বিষ, ফেনাইল... কেৰাচিন..., অথবা ৰেলৰ লাইন... বহু পথেই আছে তাৰ সমুখত...।

হঠাৎ হৈ চৈ লাগি পৰিল। অফিচৰ কৰ্মীবোৰে চেপা উত্তেজনা, উৎকণ্ঠাৰে কেণ্টিনত প্ৰবেশ কৰিছে। কোনোবাই উত্তেজিত কণ্ঠে চিঞৰিছে। স্বপনে নিৰুদ্বেগচিত্তে উমান ল'বলৈ চেষ্টা কৰে। হৈছে কি?

এজনে ক'লে, ডিৰেক্টৰে বীৰেন দাসক ঘুচিয়াইছে। নাক-ওঁঠ কাটি-তেজ বাহিৰ হৈ গৈছে। চোলাটোও ফালি পেলাইছে দাসৰ।

স্বপন বহাৰ পৰা থিয় হয়, তাৰ মানে কি আত্মহত্যাৰ উপায় গুনা নহ'ব?

— দাস ক'ত? স্বপনে কৰ্মচাৰীজনক প্ৰশ্ন কৰে।

— দাসে চিঞৰ-বাখৰ কৰি আছে, ডিৰেক্টৰৰ কোঠাৰ সমুখত। কণ্ট্ৰ'ল কৰাই মস্কিল। সেয়া, সেই যে দাস আহিছে।

বীৰেন দাসে এক ৰক্তাপ্লুত চেহেৰাৰে ওলাই আহিছে বাহিৰলৈ। তেওঁক বেৰি ধৰিছে এজাক কৰ্মচাৰীয়ে।

— হাৰে, কি কাৰবাৰ। স্বপনৰ দৃষ্টিত বিস্ময়। ধীৰে ধীৰে সি আগবাঢ়ি গ'ল জুমটোৰ কাষলৈ। ভিৰ ঠেলি গৈ সি দাসৰ কাষ পালে, ঘটনাটো কি?

ডিৰেক্টৰৰ ওপৰত মই কেচ কৰিম। আমি কি তেওঁৰ ক্ৰীতদাস যে প্ৰহাৰ কৰিব? সি চৰকাৰী চাকৰি কৰে, আমিও কৰোঁ। হ'ব পাৰে মোৰ বচ; কিন্তু সি এই ডিপাৰ্টমেণ্টৰ ৰজা নহয়, একচ্ছত্ৰী ঠিকাদাৰ নহয়। কৰ্মচাৰীক মাৰ-ধৰ কৰাৰ সি বেটাই অধিকাৰ ক'ত পাইছে?

— বিলেন্স দাস, বিলেন্স। আচল কথাটো ধৈৰ্য ধৰি কওক।

— চাওক, আপোনালোকে জানে নে নাই নাজানো, কালিৰ কাকত এখনত এটা নিউজ প্ৰকাশ পাইছে। মোৰ এটা ইণ্টাৰভিউ লৈছিল। সাংবাদিকজনে আমাৰ ডিপাৰ্টমেণ্টৰ দুৰ্নীতিৰ বিষয়ে এটা খাতৰি লিখিছিল। আপোনালোকে দেখিয়েই আছিছে, আমাৰ চকুৰ আগতে কবেল ডেভেলপমেণ্টৰ নামত অহা পইচা উধাও হৈছে। আজি কেবাবছৰ ধৰি কাওঁৰ বহু লাখ টকা আত্মসাৎ কৰিছে। আৰু কোনে কৰিছে তাকোতো আমি বহুতে জানো। সাংবাদিকজনে মোকেই লগ কৰিলে, মই ক'লোঁ যে ইয়াত দুৰ্নীতি চলিছে। ঠিক মতে ডেভেলপমেণ্টৰ কাম কৰা হোৱা নাই। এই দুৰ্নীতি বাঢ়ি গৈ আছে। আৰু ইয়াক বন্ধ কৰিব নোৱাৰিলে বিপদ হ'ব। আৰু সি বেটা ডিৰেক্টৰে ইণ্টাৰভিউটো পঢ়ি তাৰ পিয়নটোৰে স'তে লগ লাগি মোক এই অত্যাচাৰ কৰিলে। মই কেচ দিম, চোৱাৰ কা বাচ্চা ডিৰেক্টৰ।

— আস্ দাস, উত্তেজিত হৈছে কিয়? আপোনাৰ চাকৰিৰ কথা আছে।

— মাৰক গুলী মোৰ চাকৰি। কোনে কাৰ চাকৰি খায় দেখা যাব। মই অন্যায় সহ্য কৰি থাকিব নোৱাৰোঁ। মোৰ দোষ হৈছে বুলিলে আইনমতে ব্যৱস্থা লওক, প্ৰহাৰ কৰাৰ তাৰ কি অধিকাৰ আছে?

স্বপনৰ কাষলৈ ঘূৰি চাই দাসে প্ৰশ্ন কৰিলে, কওক শইকীয়া, মই কিবা ভুল কৰিছিলোঁ?

— নাই, সব ঠিক আছে। এইবোৰ সহ্য কৰা নাযাব।

— মোৰ হাতত বহু প্ৰমাণ আছে, মই সব লিক-আউট কৰি দিম।

চাৰিওপিনে চাঞ্চল্য, উত্তেজনা। বেছিভাগ কৰ্মচাৰীয়ে ডিৰেক্টৰৰ বাঢ় ব্যৱহাৰত ক্ষুব্ধ হ'ল। স্বপনে জানে, হয় ডিপাৰ্টমেন্টত সাংঘাতিক দুৰ্নীতি চলিছে, ডিৰেক্টৰ হৈছে ইয়াৰ মূল নায়ক। স্বপনৰ হাতত হিচাব-নিকাচৰ বহু ৰেকৰ্ড ফাইল আছে। ৰুৰেল ডেভেলপমেন্টৰ নামত মঞ্জুৰ কৰা বহু লাখ চৰকাৰী টকা আত্মসাৎ কৰা হৈছে। স্কুল, পানী যোগান, চিকিৎসালয় আদিৰ নামত অহা বহু টকা ডিষ্ট্ৰিবিউচন কৰা হৈছে বুলি মিছা প্ৰমাণ ডিৰেক্টৰে তৈয়াৰ কৰিছে। ডিৰেক্টৰে স্বপনক প্ৰায়ে ইংগিত দিয়ে, পইছা-পাতিৰ দৰকাৰ হ'লে মোক ক'ব, মিঃ শইকীয়া। আপুনি অফিচৰ কাম খুবেই চিনচিয়াৰলি কৰি আছে। মই ভাল পাইছোঁ। কেতিয়াও স্বপনে পইছা বিচাৰি যোৱা নাই ডিৰেক্টৰৰ ওচৰলৈ, হ'ব খোজা নাই অবৈধ টকাৰ অংশীদাৰ। প্ৰয়োজন তাৰ সীমিত, কি কৰিব টকা-পইছাৰে? নাই কোনো তাৰ সক্ষম উত্তৰাধিকাৰী, নাই তাৰ কোনো উচ্চাকাংক্ষা, দুদিন পিছতে তাক ত্যাগ কৰি আঁতৰি যাব জয়িতাই। হয়তো পংগু কেঁচুবাটোৰ অবহেলা-অযত্নত মৃত্যু হ'ব। আৰু সি নিজেও ঢুকাব দুৰাৰোগ্য ৰোগত অতি শীঘ্ৰেই..., কোনো দিনেই তাৰ বিলাস আকাংক্ষা নজন্মিল। ইচ্ছা কৰাহেঁতেন স্বপনে বহু আগতেই এনে কেলেংকাৰীৰ কথা প্ৰকাশ কৰি দিব পাৰিলেহেঁতেন; কিন্তু নৈতিক আদৰ্শই তাক কোনো ক্ৰিয়া নকৰে। চিৰ উদাস্য, সদা নিৰাসক্ত স্বপন, — য'ত যি ঘটে ঘটি থাওক, প্ৰতিবাদ কৰি তাৰ কি হ'ব?

দুজনমান বয়োজ্যেষ্ঠ দ্বিতীয় শ্ৰেণীৰ কৰ্মচাৰীয়ে ঠিক কৰিলে, এই ঘটনাটো ইমান সহজে মানি লোৱা অনুচিত। ইয়াৰ এটা বাজহুৱা প্ৰতিবাদ হ'ব লাগে। কৰ্মচাৰী পৰিষদক কথাটো জনোৱা উচিত।

স্বপনে একাষে থিয় হৈ ভাবিলে : দাসে কি তেওঁৰ কিটিপ্‌টো আৰু ব্যক্ত নকৰিব নেকি? নাই, সি দাসৰ ঘৰলৈকে গৈ কিতাপখনকে লৈ আহিব। কিন্তু এনে এটা পৰিস্থিতিত কিতাপ এখন বিচাৰি যোৱাটো হয়তো গৰ্হিত কাম হ'ব।

বীৰেন দাসে স্বপনক অনুৰোধ কৰিলে, শইকীয়া, অনুগ্ৰহ কৰি আপুনিও সহযোগ কৰক। এনে এটা দুৰ্নীতিৰ বিৰুদ্ধে আমি অফিচৰ মানুহবোৰেই প্ৰথমে লাগিব লাগিব। আমিতো সকলো দেখি আছোঁ। ডিৰেক্টৰক চাকৰিৰ পৰা খেদিবই লাগিব।

পিছদিনা এঠাইত সংবাদমেল আহ্বান কৰা হ'ল। কৰ্মচাৰী পৰিষদৰ দুজনমান নেতাকো আমন্ত্ৰণ জনোৱা হ'ল। স্বপন উপস্থিত থাকিল বীৰেন দাসৰ একান্ত অনুৰোধত, কাৰণ দাসে জানে স্বপনৰ হাতত ডিৰেক্টৰৰ বিৰুদ্ধে বহু প্ৰমাণ আছে। সভাখন উত্তপ্ত হৈ পৰিল প্ৰতিবাদ ধ্বনিৰে। ক'ব নোৱাৰাকৈয়ে স্বপন উত্তেজিত হৈ যায়। সি সমৰ্থন আগবঢ়ায় দাসক ; হয় কৰাপচন চলিছে, দুৰ্বোধ কৰাপচন। ইয়াত ডিৰেক্টৰৰ প্ৰত্যক্ষ হাত আছে। দৰকাৰ হ'লে তেওঁ সময়ত প্ৰমাণ দিব।

ক্লান্ত, অৱসাদগ্ৰস্ত স্বপন যেতিয়া সভাৰ পৰা সন্ধিয়া ঘৰলৈ উভতি আহিল, তেতিয়া

সি দেখিলে বাহিৰত বিদেশী মডেলৰ ডিৰেক্টৰৰ চিনাকি কাৰখন। ডিৰেক্টৰে স্বপনৰ বাবে অপেক্ষা কৰিছে। খুব সন্তৰ্পণে সি ঘৰৰ পৰা আঁতৰি গ'ল ; আৰু ডিৰেক্টৰ আঁতৰি যোৱালৈ বাহিৰত গোপনে অপেক্ষা কৰিলে।

তাৰ পিছদিনাই অফিচৰ পৰা স্বপনে দুটা ফাইল চুৰ কৰিলে। কিন্তু আশ্চৰ্যজনকভাৱে কেৰাটাও ৰেকৰ্ড-ফাইল অন্তৰ্ধান হৈছে। লোৰ আলমাৰী খুলিছে কোনোবাই। ডিৰেক্টৰ সিদিনা অনুপস্থিত, জনা গ'ল দিচপুৰত উচ্চ পৰ্যায়ৰ জৰুৰী মিটিং আছে। অফিচৰ পৰা উভতি গণেশগুৰিত ফাইলৰ বহু কাগজ-পত্ৰ সি জেৰক্স কৰি প্ৰস্তুত কৰিলে। কাম শেষ কৰি স্বপনে এবাৰ ভাবিলে ঃ আড্ডালৈ যাব নেকি। ইচ্ছা-অনিচ্ছাৰ মাজেৰেই সি চিটিবাছত উঠিল ; নাই, অন্ততঃ দুটা পেগ পি অহা যাওক। ভাল লাগিব। যোৱা দুদিনে সি আড্ডালৈ অহা নাই। আড্ডা হ'ল এখন জৰাজীৰ্ণ কাঠৰ হোটেল। পিছফালে আন্ধাৰ খুপুৰি এটাত সিহঁতে মদ্যপান কৰে। ভৈৰব, পুতুল দাসহঁতে গিলাছত স্বপনলৈ আগবঢ়াই দিয়ে। সিহঁতে বেসুৰা গীত গায়, তৰ্ক কৰে উচ্চ স্বৰত, কোনোবা এজন হয়তো বেহুচ হৈ ঢলি পৰে। আৰু স্বপনে আঁতৰত একাষৰীয়াকৈ বহি নীৰৱে, অতি নীৰৱ, নিস্তেজ হৈ ডিঙিত বাকি লয় পানীয়। আঙুলিত গন্তি কৰিব পৰা দুটা-এটা শব্দ উচ্চাৰণ কৰে। সি। তাৰ প্ৰবেশ কিম্বা প্ৰস্থানত কোনেও একো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰে।

স্বপন আহি বহে আড্ডাত। সুৰা পান কৰি সি ক্ৰমশঃ আচ্ছন্ন হৈ আহে। এটা কেঁচা বুট জিভাত তুলি লৈ সি ক'লে অকস্মাতে, হঠাৎ মোৰ কি ভাব হৈছে, জান? ভাব হয়, এই যে আমি মদ খাইছোঁ দিনে-ৰাতিয়ে, পাহৰি থাকিব খুজিছোঁ বাস্তৱক। মোৰ কি ভাব হৈছে জান? হয়তো এয়া কিজানি মুৰ্খামি। হয়তো আমি কিজানি বাচি থাকিব জনা নাই ঠিক মতে। বাচি থকাৰ হয়তো আৰু বহুতো সহজ কৌশল, সহজ উপায় আছে।

—হাঃ হাঃ হাঃ।

সমস্বৰে হাঁহে দুজনে। বিব্ৰত খোজ পেলাই আগবাঢ়ি আহি বাজেনে স্বপনৰ কান্ধত হাত থ'লে। আনবোৰ সংগীলৈ চাই সি নিচাগ্ৰস্ত কণ্ঠেৰে কয়, হাজাৰ হাজাৰ বছৰৰ মূৰ্তি এটাই প্ৰাণ পাই উঠাৰ দৰে নালাগিছেনে?

হাঁহিৰে ভৰি পৰে অনুজ্জ্বল, ব্যাপৃত কোঠাটো। স্বপনে আৰু কোনো মন্তব্য নকৰে। ঠিক আধাঘণ্টা পিছতেই সি আড্ডাৰ পৰা ওলাই আহি ৰাস্তাত ভৰি দিলে। এতিয়াও চলি আছে দুই-এখন চিটিবাছ। দেহলৈ স্থিৰতা আনিবলৈ আপ্ৰাণ চেষ্টা কৰি সি জঁপিয়াই উঠে চিটিবাছত। প্ৰায় শূন্য গাড়ীৰ দুৱাৰমুখত থিয় হৈ বিস্ময়াভিভূত দৃষ্টিৰে প্ৰথম দৰ্শনৰ দৰে চাই ৰয় ৰাতিৰ দেদীপ্যমান মহানগৰী। ৰং-বিৰঙী লাইটৰ পোহৰত মায়াবী হৈ উঠিছে সমগ্ৰ ঠাই ডোখৰ। চলন্ত গাড়ী-মটৰ, মানুহৰ অদ্ভুত কলৰৱ। মানুহৰ ব্যস্ততা যেন অনাদি অনন্ত।

ঘৰ সোমাৱাৰ লগে লগেই ৰন কৰা ছোৱালীজনীয়ে চিঠি এখন তাৰ হাতত তুলি দিলে। মানুহ দুজন আজিও আহিছিল। চিঠিখন দি গৈছে।

চিঠিখন খুলি চোৱাৰ কোনো প্ৰয়োজন অনুভৱ নকৰিলে সি। সযত্নে ফাইলৰ মাজত

সুমুৰাই থয়। আৰু এটা নিৰ্ভৰযোগ্য প্ৰমাণ।

বাতিৰ আহাৰৰ পিছত শুবৰ মুহূৰ্ততে বীৰেন দাস আহি ওলাল। লগত এজন সাংবাদিক। উদ্বিগ্ন, বিভ্ৰান্ত মুখাবয়ৰ দুয়োৰে। বীৰেন দাসে ক'লে, ঘটনাটো পলিটিকেলাইজড্ হৈ গৈছে। বিৰোধী ৰাজনৈতিক দলে দাসক গিনিপিগৰ দৰে ব্যৱহাৰ কৰিব খুজিছে। ডিপাৰ্টমেন্টৰ টকাৰ দুৰ্নীতিত এজন মন্ত্ৰীও জড়িত বুলি প্ৰমাণ পোৱা গৈছে।

— ডিৰেক্টৰৰ লগতে মন্ত্ৰীয়েও ভয় খাইছে। ডিৰেক্টৰে জানি গৈছে যে আপুনি আমাৰ লগত, মানে সততা-ন্যায়ৰ পক্ষত আছে আৰু সেয়ে আপোনাক প্ৰলোভন দেখুৱাবলৈ চেষ্টা কৰিব। হয়তো ভাবুকিও দিব, ইতিমধ্যে গুণ্ডা বাহিনী নামি পৰিছে।

দাসে কাতৰভাৱে স্বপনৰ মুখলৈ চায় — আপুনি আমাৰ এক ডাঙৰ সাৰথি, আপুনি আমাৰ সৈতে এই অন্যায়ৰ বিৰুদ্ধে যুঁজক।

স্বপনে হাতৰ তলুৱা দুখন ঘৰ্ষণ কৰে। এটা শিহৰণ বৈ আছে তাৰ দেহৰ মাজেৰে। সি হাঁহে ঃ ইন্টাৰেষ্টিং, ভেৰি ইন্টাৰেষ্টিং! আই মাষ্ট কো-অপাৰেট উইথ ইউ। সঁচাকৈয়ে মোৰ ভাল লাগিছে।

স্বপনে ডিৰেক্টৰৰ চিঠিসহ জেৰক্স কপিৰ ফাইল দুটা বীৰেন দাসক অৰ্পণ কৰিলে। সাংবাদিকজনে স্বপনক সতৰ্ক কৰি দিলে, চাব, আপুনি সাৱধান হ'ব, অফিচৰ নথি-পত্ৰ চুৰ কৰাৰ অপৰাধত আপোনাৰ চাকৰি পৰ্যন্ত যাবগৈ পাৰে। কোনেও যাতে নাজানে।

পিছদিনা অফিচলৈ গৈ আচল ফাইল দুটা যথাস্থানত থৈ দিলে সি। ইফালে গোটেই অফিচটোত কাম-কাজত স্থবিৰতাই দেখা দিছে। বহু কৰ্মচাৰী অনুপস্থিত, কিছুমান ডিৰেক্টৰৰ বিৰুদ্ধে, আৰু আন এচামে পলায়নবাদী মনোভাৱেৰে নিজকে এই সকলোবোৰৰ পৰা আঁতৰাই ৰাখিছে। ডিৰেক্টৰ আজিও অনুপস্থিত। স্বপন অফিচৰ পৰা বীৰেন দাসৰ ঘৰলৈ বুলি ওলাই আহিল।

ইয়াৰ পিছত স্বপনে যোৱা তিনিটা দিনেই অফিচলৈ যোৱা নাই। কালি চৰকাৰী বন্ধৰ দিন আছিল। ঠিক ক'ব নোৱাৰাকৈ স্বপনে এক উত্তেজনাময় ব্যস্ততাৰ ব্যূহত সোমাই পৰিছে। প্ৰেছ কনফাৰেন্স পাতিছে, পেপাৰত বিজ্ঞপ্তি দিছে, ধৰ্ণা দিছে, মিছিল উলিয়াই জনতা ভৱনলৈ গৈছে, শ্লোগান দিছে, কৰিছে সকলো ধৰণৰ প্ৰতিবাদ। তাৰ অজ্ঞাতসাৰেই স্বপন স্বতঃস্ফূৰ্তভাৱে ক্ৰমশঃ হৈ পৰে প্ৰতিবাদী কৰ্মীবোৰৰ নেতা। আৰু যিমানে এই প্ৰতিবাদ দৃঢ়তৰ হয়, সিমানেই ঘটনাবোৰ হৈ পৰে জটিলৰ পৰা জটিলতৰ। আলোড়নৰ সৃষ্টি হয় ৰাজ্যজুৰি, ওহো, এয়াচোন কেৱা লাখ টকাৰ কেলেংকাৰী। উচ্চপদস্থ বিষয়াই জড়িত নহয় কেৱল, জড়িত দুজনমান বাইজৰ নেতাও। চাঞ্চল্যকৰ তথ্য এটাৰ পিছত পেপাৰৰ বক্স নিউজত প্ৰকাশ পায় ঃ দৰিদ্ৰ জনসাধাৰণৰ কল্যাণৰ পইছা বাইজৰ নেতাৰ দ্বাৰা আত্মসাৎ...!

আৰু এদিন ৰাতি বীৰেন দাসৰ ঘৰৰ পৰা উভতি অহাৰ পথত এদল গুণ্ডাৰ হাতৰ পৰা কোনোমতে পলাই আহিল স্বপন। ঘামত তিতি গৈছে তাৰ চোলা, অৱসাদগ্ৰস্ত শৰীৰ চকীত এৰি বহু সময় বহি ৰ'ল সি। গাটো দুৰ্বল, সামান্য জ্বৰ জ্বৰ ভাব অনুভূত হৈছে।

অজান ভীতিবোধ এটাই তাক গ্ৰাস কৰিব খোজে। সঁচাই কি তাৰ লিউকোমিয়া হৈছে? পিছদিনা ৰাতিপুৱা সোনকালে সাৰ পালে স্বপনে বীৰেন দাসৰ স'তে দুজনমান মানুহ অহাৰ কথা। তাৰ আগে আগে সি গাটো ধুই ল'লে, গাটো ধুই আহি সি বাৰাণ্ডাত বহিল।

বনকৰা ছোৱালীজনী আহি থিয় হ'ল স্বপনৰ কাষত, এক শংকা, দ্বিধাগ্ৰস্ত আৰু সহানুভূতি মিশ্ৰিত সুৰত আহি ক'লে ঃ দাদা, দুদিন হ'ল, বাইদেউ যে নাহিল...। হয়তো আৰু নাহিব, বহু কাপোৰ-কানিও লৈ গৈছে।

—হা?

স্বপনৰ খিয়ালেই হোৱা নাছিল কথাটো। হয়তো, আজি দুদিন হ'ল কৈচুৰাটোৰ স'তে জয়িতা অন্তৰ্ধান হোৱাৰ। বনকৰা ছোৱালীজনীক সি কিবা এটা ক'ব খুজিছিল মাত্ৰ, হঠাৎ তাৰ চকুত পৰিল, গেট খুলি দাসৰ ঘৰৰ চৌহদত ভৰি দিছে কেবাজনো আগন্তুক। সি তাইৰ ফালে চালে, — আপী, মানুহবোৰৰ বাবে চাহ কৰিবি। আৰু শুন, মোৰ কাৰণে ধুনীয়াকৈ একাপ কফি। কফি আছে নহয় ঘৰত? চেনি কমাই দিবি বুজিছ? যা।

সি মানুহবোৰৰ লগত ব্যস্ত হৈ পৰিল। ভিতৰৰ কোঠাত বহি সিহঁত সিহঁতৰ আন্দোলনটো সম্পৰ্কে গভীৰ আলোচনাত মত্ত হৈ পৰিল। হঠাতে স্বপনৰ পৰ্দাৰ ফাঁকেৰে দৃষ্টিগোচৰ হ'ল, বাৰাণ্ডাত লালুৰ মুখৰ একাংশ। চকুৰে চকুৰে পৰিল দুয়োৰে। চকুৰ ঠাৰেৰে স্বপনক মাতিলে সি। স্বপনে কোনো গুৰুত্ব অনুভৱ নকৰে তাৰ উপস্থিতিত। মানুহবোৰে চাহ পান কৰাৰ সময়ছোৱাত সি ওলাই আহিল বাৰাণ্ডালৈ।

—অসহ্য লাগি গৈছিল বুইছে, দাদা। এই বাৰলৈ ওলাইছিলোঁৱেই।

—ক'চোন কি হ'ল?

—হ'ল মানে? মোৰ নহয়, আপোনাৰ কামতেই আহিছোঁ।

এক মুহূৰ্ত ৰ'ল সি, ধূসৰ সন্দিগ্ধ আৰু ভীতিগ্ৰস্ততাৰ চিহ্ন বিয়পি পৰিল তাৰ কোমল মুখত। একাষৰীয়াকৈ সি স্বপনক মাতি নিলে, হেৰি হ'ল, মাল এটা পাইছোঁ চাইনিজ। ছয় ৰাউণ্ডৰ। কিন্তু মালটো মই ৰাখি থ'ব নোৱাৰোঁ। মানুহ এটাই লৈ আনিছে। সেই গুমটি দোকানখনৰ কাষতে তাক থৈ আহিছোঁ। আপুনি সোনকালে মাল দি হেণ্ড অভাৰ কৰা ভাল!...

অবাক ভংগীৰে চোৱাৰ দৰে সি এক মুহূৰ্ত লালুৰ ফালে চালে। নিস্পৃহ কণ্ঠস্বৰত শান্তভাৱে সি উত্তৰ দিলে ঃ কি কৰিম মই পিষ্টলেৰে? নালাগে মোক পিষ্টল।

মজো কাকাৰ কাহিনী

তেনেদৰেই ঘটিছিল এই সকলোবোৰ। আৰু এদিন তেনেদৰেই এই একঘেয়ামি ক্লান্তিকৰ জীৱনটোৰ পৰা মুক্তি পাবলৈ ব্যাকুল হৈ পৰিছিল মজো কাকা। সেইবাবেই তেওঁ দুটা গাধ কিনি আনিছিল আৰু একান্ত দৰকাৰী বস্তু-বাহানিবোৰ পিঠিত তুলি দি, সকলোৰে মায়া এৰি গুচি আহিছিল এই ঠাইলৈ। তেওঁ আহি যেতিয়া এই ঠাইত ভৰি দিছিল, তেতিয়া পুলকিত হৈ উঠিছিল মন, কিয়নো তেওঁতো আজীৱন এনে এখন ঠাইৰে সন্ধান কৰিছিল, য'ত তেওঁ জীয়াই থাকিব পাৰে তেওঁৰ সমস্ত অভ্যাস আৰু আচৰণৰ মাজেৰে, য'ত ভাবনা-চিন্তা কৰিব পাৰে নিজৰ দৰে, আৰু নিজৰ দৰেই তেওঁ গ্ৰহণ বা অগ্ৰাহ্য কৰাৰ সিদ্ধান্ত ল'ব পাৰে।

ইয়াত আছিল এখন থিয় পাহাৰ, গাৰে নামি আহিছিল এটি কৃশাংগ নদী, যি শান্ত আৰু নিজৰ দৰে। আৰু আছিল এখন সেউজীয়া পথাৰ আৰু ওখ ওখ কৃষ্ণচূড়া, গ্ৰীষ্মত যিয়ে ৰক্তিম কৰি তোলে আমাৰ ভাবনা। আৰু সেইবাবেই এই নদীৰ পাৰতে কাকাই সাজিছিল এটা ফাৰ্ম হাউচ, কাৰণ তেওঁতো নদীৰ পাৰতে ফাৰ্ম হাউচটো সাজিব বিচাৰিছিল পূৰ্বৰ দৰে। আৰু তেওঁ বেৰবোৰত পূৰ্বৰ দৰে সানিছিল বগা ৰং — কিয়নো বগাই আছিল তেওঁৰ সবাতোকৈ প্ৰিয় ৰং।

কাকাৰ নাছিল একো চাকৰি-বাকৰি, পেছাদাৰী শিল্পী-সাহিত্যিকো নাছিল, সেইবাবে পেটৰ তাগিদাত আৰম্ভ কৰিছিল শাক-পাচলিৰ খেতি, পুহিবলৈ লৈছিল এপাল গৰু-ছাগলী আৰু এজাক হাঁহ-কুকুৰা। শনিবাৰৰ হাটত কাকাই বেচিছিল বাৰীৰ পাচলি, গাখীৰ আৰু কণী। কাৰণ তেওঁ এই কামবোৰেই ভালকৈ জানিছিল আৰু এই কামবোৰৰ মাজেৰেই তেওঁ জীয়াই থাকিব বিচাৰিছিল তেওঁৰ দৰে, যিবোৰ কামত তেওঁ আছিল বেছি অভ্যস্ত।

মজো কাকাৰ আছিল মধুমেহ ৰোগ, স্বাভাৱিকতে তেওঁক প্ৰয়োজন হৈছিল এজন কম্পাউণ্ডাৰৰ, তেওঁ আহি কাকাক ইনছুলিনৰ বেজি দিছিল নিতৌ সন্ধ্যা, আৰু বাকী গোটেই দিনটো ফাৰ্ম হাউচটোৰ কাম-কাজ তদাৰক কৰিছিল কাকাই। যিহেতু কাকাৰ অলপতে ভাগৰ লাগে, কৰিব নোৱাৰে কঠিন পৰিশ্ৰম, সেইবাবেই তেওঁ

মাহিলি বন্দৱস্তিত নিযুক্তি দিছিল এজন স্থায়ী লগুৱা, গৰু-ছাগলীৰ গাখীৰ খীৰাবলৈ এজন গোৱাল আৰু বান্ধনি ভাত বান্ধিবলৈ। কাকাই কুকুৰ পুহিবলৈ ভাল পাইছিল, ডলমেছিয়ান আছিল তেওঁৰ প্ৰিয় জাত, আৰু টমি নামটো বৰ পচন্দ কৰিছিল। আৰু সেইবাবেই কাকাই দূৰৰ বজাৰৰ পৰা কিনি অনা ডলমেছিয়ান কুকুৰটোৰ নাম ৰাখিছিল টমি। অৱসৰৰ সময়ত কাকাই টমিৰ স'তে খেলিছিল বল দলিওৱা খেলা। কাকাই দূৰলৈ বলটো দলিয়াই দিয়ে, টমিয়ে খেদি গৈ আনে মুখেৰে কামুৰি, কাকাই পুনৰ বল হাতত লয়, আৰু টমিয়ে কাকাৰ দুভৰিৰ মাজত সোমাই উত্তেজনাৰে নেজ জোকাৰে — খেলটোৰ পুনৰাবৃত্তিৰ আশাৰে। টমিৰ সৈতে খেলা এই পৌনঃপুনিক খেল দিনে দিনে ইমান মজাদাৰ হৈ উঠিছিল যে কাকাই সমস্ত কাম-কাজ এৰি থৈ ঘন্টাৰ পাছত ঘন্টা খেলতেই মত্ত হৈ থাকিছিল। আৰু যেতিয়া একো কাম-বন নাছিল, তেতিয়াও খেলিছিল এই খেল অথবা কোলাত তুলি লৈ টমিৰ গাৰ ক'লা ফোঁটবোৰ গণ্টি কৰি উলিয়াইছিল ১০৭টা ফোঁট, যিটো সংখ্যা তেওঁ সদায়ে নিৰ্ভুলভাৱে হিচাব কৰি উলিয়াই তৃপ্তি পাইছিল।

এয়াই আছিল কাকা।

আৰকালি পুৱৰ বাৰাণ্ডাত বহি ৰ'দ পুৱায় আৰু গ্ৰীষ্মত কৃষ্ণচূড়াৰ তলত আৰামী চকীত বহি পঢ়ে বৰ্হেছ অথবা 'কুকুৰা পালনৰ এশ এটা কিটিপ্'। মন গ'লে কেৱলত চাই গোবিন্দাৰ 'জব্বকা গোলাম' বা অমিতাভৰ 'অগ্নিপথ'।

ৰাতিপুৱা কুকুৰাৰ ডাকত কাকা সাৰ পায়, বিছনা এৰে, নিয়ৰসিক্ত ল'নত 'মৰ্ণিংৱাক', গা-তগুৰুস্ত ৰাখিবলৈ দুটামান ফ্ৰীহেণ্ড বেণ্ডিং, তাৰ পাছত আহি বহে আগফালৰ বাৰাণ্ডাত। গোৱালে গাখীৰ খীৰায়, লগুৱাই খেতিত লাগে আৰু কামলৈ ওলাই যোৱা গওঁৱাই চিঞৰি মাত দিয়ে — "কাকা, ভালনে?" স্মিতহাস্য বদনে মূৰ দুপিয়াই কাকাই। তেওঁ ভাবি ভাল পায় যে এয়াই হৈছে সেই আকাংক্ষিত জীৱন, এয়াই সেই বাচি থকা। আৰু তেওঁ ইয়াকো ভাবি তৃপ্ত হয় যে একোৱেই আৰু 'মিছ' কৰিবলগীয়া নহ'ল ইয়াত। ইয়াতো সেই সমস্তবোৰ আছে পৰিপূৰ্ণ হৈ আগৰ দৰে। গতিকে এই 'খুচি খুচি' মন লৈ কাকাই বৰ্হেছ পঢ়ে, কিংবা পঢ়ে হাঁহ-কুকুৰা পালনৰ এশ এটা কিটিপ্, কেৱলত চায় 'জব্বকা গোলাম' বা 'অগ্নিপথ'। আৰু যেতিয়া একো কাম নাথাকে, তেতিয়া টমিৰ সৈতে খেলে বল দলিওৱা খেলা অথবা নিৰ্ভুল হিচাব কৰি উলিয়াই সদায় যে টমিৰ গাত আছে ১০৭ টা ক'লা ফোঁট। টমিৰ সৈতে এই কাৰবাৰবোৰ কৰি তেওঁ ইমানেই আপোন পাহৰা হৈ যায় যে বহু জৰুৰী কাম তেওঁৰ কৰা হৈ নুঠে।

যিহেতু কাকাই একো কামেই ভালদৰে নাজানিছিল, সেইবাবে তেওঁ জীৱিকাৰ তাড়নাত কৰিছিল শাক-পাচলিৰ খেতি। বাৰীত পুৰঠ হোৱা তৰমূজ, ফুলকবি, বন্ধাকবি আৰু ভোল আৰু লাওবোৰ বস্তাত বোজাই কৰি শনিবাৰে হাটলৈ লৈ যায় কাকাই। ক্ৰেতা গওঁৱাই কাকাক ভাল পায়, কাকায়ো তেওঁলোকক বেয়া নাপায়। গওঁৱাই ভাল

পায় কাৰণ—কাকাৰ পাচলি সতেজ আৰু সস্তা আৰু কাকাৰ নাই কোনো ফাঁকিবাজি বা তালিবালি। কাকাই বস পাই তেওঁলোকৰ নিবুদ্ধিতা আৰু উৎসুকতাত — তুচ্ছাতি তুচ্ছ কথাবোৰো জনাৰ বাবে যি আছিল অন্তহীন আগ্ৰহী। যেনে কাকাই 'কেৰল'ৰ ভাড়া মাহে কিমান দিয়ে, যোৱা নিশা মাছ খাইছিল নে দাইল, অথবা কাকায়েকৰ বিয়াত কাকা যোৱা নাছিল নেকি? ইত্যাদি—এইসব। কাকাই ভাবে — এয়াই, এয়াই সব, এইবোৰ জিজ্ঞাসা আৰু কৌতূহলেৰেই সমস্ত মানুহ, যাক লৈ কাকা থাকিব লাগিব চিৰকাল পূৰ্ব্ব দৰেই। সেইবাবেই মানুহবোৰে যেতিয়া কাকাক কিবা সোধে, কাকাই কিবা উত্তৰ দিয়ে সেই উত্তৰ মানুহে কিয় বিশ্বাস কৰে বা নকৰে — সেই বিষয়ক লৈ কাকাৰ কোনো সন্তুষ্টি বা অসন্তুষ্টি নাই। কাকাই শনিবাৰে হাটত পাচলি বেচে, হাটত লগ পোৱা মানুহৰ সৈতে কথা পাতে, আৰু হাটত বেচি পোৱা টকাবোৰ সঞ্চয় আৰু সুৰক্ষিত কৰি ৰাখিবলৈ কাকাই প্ৰাগজ্যোতিষ গাঁওলীয়া বেংকত জমা থয়। আৰু উইড্ৰ কৰিবলৈ হাতত 'টোকেন' লৈ লাইন পাতে প্ৰায়ে।

এইদৰে, এইধৰণৰ সমস্ত কাম-কাজৰ মাজেৰে উপলব্ধি হোৱা জ্ঞান আৰু সুখানুভূতি দিনে দিনে ইমানেই তীব্ৰতৰ হ'ব ধৰিছিল যে ইয়াক এনে এটা অনন্ত বোজাৰ দৰে লাগিছিল, যি আছিল ভাৰহীন অথচ শ্বাসৰুদ্ধকৰভাৱে অসহনীয়। চেনিতকৈ ছশ গুণে মিঠা, কিন্তু সহ্যাতীত তিতা সোৱাদৰ চেকাৰিনৰ দৰেই আছিল কাকাৰ এই ৰোমাঞ্চকৰ অনুভূতি। জীৱনটো সাঁচ এটা হৈ কাকাৰ সত্তাক চেপি-খুন্দি যেন সুনিৰ্দিষ্ট এটা গঢ় দিব খুজিছিল — ঠিক সেই জিপচীবোৰে ৰাবাৰৰ সাঁচত নিৰ্মাণ কৰা প্লাষ্টাৰ অব পেৰিচৰ প্ৰতিমাবোৰৰ দৰে। কিন্তু সাঁচত নিৰ্মিত এই প্ৰতিমাবোৰ অপাংক্তেয় আৰু সাঁচৰ দাস — কাকাই ভাৱিছিল এনেদৰে। আৰু তেওঁ ভাৱিছিল — মই প্ৰসাৰিত হ'ব খোজোঁ — মুক্ত কৰিব খোজোঁ মোৰ ভাৱনাক এই গন্দ-গণ্ড পাৰিপাৰ্শ্বিকতাৰ পৰা।

কাকা প্লাষ্টাৰ অব পেৰিচৰ সেই প্ৰতিমাবোৰ হ'ব খোজা নাছিল, তেওঁ হ'ব খোজা নাছিল তাৰ মৌলিক কণাবোৰো, যি এটা সুনিৰ্দিষ্ট পৰিসৰৰ পৰিমণ্ডলত পৰাধীনৰ দৰে চক্ৰৱৎ কেন্দ্ৰটোক প্ৰদক্ষিণ কৰি ৰয় নিৰন্তৰ। কাকা হ'ব খুজিছিল কাকাৰ দৰে, যি স্বয়ং।

আৰু কাকাই বুজিছিল — ক'ৰবাত সকলোৰে এই চূড়ান্ত অৱস্থা থাকে, থাকে এটা শেষ, কিন্তু এই চূড়ান্ত অৱস্থা বা শেষৰ আৰম্ভণি সঠিক ক'ব পৰা আৰম্ভ হয় অথবা এই শেষৰ সমাপ্তি হয় ক'ত — কাকাই অনুমান কৰিব পৰা নাছিল। হয়তো কাকাই সেইবাবে উমান পাব পৰা নাছিল — কিয় ৰাতিপুৱা এটা সদায়ে ৰাতিপুৱা, কিয় সদায়ে ৰাতিপুৱা এই কুকুৰাৰ ডাক, আৰু কুকুৰাৰ ডাক সদায়ে কিয় ৰাতিপুৱা। বিছনাৰ পৰা উঠা, নিয়ৰসিক্ত বনত খোজ কঢ়া, বাৰাণ্ডাত বিশ্ৰাম লোৱা, বাৰাণ্ডাৰ পৰা দেখা জগতৰ সেই একেই মন ভুলোৱা দৃশ্য, সেই একেই কৌতূহলী প্ৰশ্ন পথচাৰীৰ, আৰু কামলৈ যাওঁতে আৰু কামৰ পৰা আহোঁতেও সেই একেই প্ৰশ্ন — কাকা ভালনে? কাকাই উত্তৰ নিদি মুখ ঘূৰাই দিয়ে। ভাবে —তুমিও দিনটোত মহলাৰ অন্য-বোৰ

কৰিবা, আৰু দহবাৰেই একেটা উত্তৰ দিয়াৰ দৰকাৰ কি? কাকাই উঠি আহি টিভিৰ ছুইচ টিপে — সেই একেই হাঁহিত বাগৰি পৰিবলগা 'জবকা গোলাম' কিংবা সেই একেই উত্তেজনা জগোৱা 'অগ্নিপথ'। কাকাই বন্ধ কৰি দিয়ে টিভিৰ ছুইচ — চকু মুদে আৰু মেলে, দেখে বেৰতো সেই একেই তেওঁৰ প্ৰিয় ৰঙা ৰং — সদায়ে এই একেই ৰঙা ৰং বেৰবোৰত। পুৱা শুই উঠিও চকুত পৰে ৰঙা, শুবলৈ চকু মুদাৰ আগতেও তেওঁ দেখা পায় ৰঙা। কাকা বিৰক্ত হয় — তেওঁ মৰমৰ টমিক মাতে 'টমি টমি'কৈ আৰু ভাবে টমি সদায়ে কিয় টমি। টমি কাকাৰ দুভৰিৰ মাজত নেজ জোকাৰি জোকাৰি থিয় হৈ ৰয়, কাকাই কোঠাৰ এচুকলৈ দলিয়াই দিয়ে বলটো — টমি দৌৰ দিয়ে চিকাৰ খেদাৰ দৰে, মুখেৰে কামুৰি কাকাৰ কাষলৈ লৈ আনে বলটো, আৰু কাকাৰ দুভৰিৰ মাজত নেজ জোকাৰি জোকাৰি থিয় হৈ ৰয় পৰম প্ৰত্যাশাৰে — কাকাই কোঠাৰ এচুকলৈ আকৌ দলিয়াই দিয়ে বলটো, টমি দৌৰি যায় বলটো খেদি খেদি, আকৌ মুখেৰে কামুৰি লৈ আনে কাকাৰ কাষলৈ, নেজ জোকাৰে — আকৌ খেলিবলৈ পোৱাৰ প্ৰত্যাশাৰে। কাকাৰ ক্লান্তি নামে, আৰু ভাবে বিৰক্তিৰে — এয়াও কি খেলা? আৰু যেতিয়া সাঁচা-সাঁচিকৈ একোৱেই ভাল নালাগে, মন নাযায় একোকে কৰিবলৈ, তেতিয়া টমিক কোলাত তুলি কাকাই গণ্টি কৰে গাৰ ক'লা ফোঁটবোৰ। ১০৭ টা ফোঁট — সদায়েই এই একেই হিচাব ওলায় আৰু কাকাই বিৰক্তিৰে ভাবে — কিয় সদায়ে ফোঁট এই ১০৭ টা? বিৰক্তিত কাকা উঠি আহে বাৰাণ্ডাত শীতৰ ৰ'দ পুৱাবলৈ, অথবা গ্ৰীষ্মত কৃষ্ণচূড়াৰ ছাঁয়াত আৰামী চকীত বহি মেলি লয় 'বৰ্হেছ' কিংবা 'হাঁহ-কুকুৰা পালনৰ এশ এটা কিটিপ্'। কিন্তু সেই একেইতো বৰ্হেছ আৰু সেই একেই পুৰণা কিটিপ্। কিতাপ জপাই থয় কাকাই আৰু ঘৰৰ এই দমবন্ধ পৰিবেশৰ পৰা মুক্তি বিচাৰি শনিবাৰে ওলাই আহে হাটলৈ — হাটত লগ পোৱা মানুহে সোধে — 'কাকা, আপোনাৰ পৰা কেবুলবালাই কিমান লয়?' আৰু 'যোৱা ৰাতি মাছ নে দালি'? — এইসব সোধে। কাকাই উত্তৰ দিয়ে। পাছৰটো শনিবাৰে আকৌ সেই একেবোৰকে সোধে সিহঁতে, আকৌ সেই একেবোৰকে উত্তৰ দিয়ে কাকাই।

এইবোৰ উত্তৰ দি, টকা জমা থ'বলৈ বা উইড্ৰ কৰিবলৈ বেংকত লাইন পাতি, ইনছুলিন লৈ, জবকা গোলাম বা অগ্নিপথ চাই কিংবা বৰ্হেছ পঢ়ি, টমিৰ সৈতে খেলি বা বেৰৰ ৰঙা ৰংবোৰ দেখি দেখি কাকাই ভাবে — এইবোৰৰ মাজেৰে তেওঁ আৰু তেওঁৰ দৰে হৈ থকা নাই, এই সমস্তবোৰ সাঁচ এটা হৈ কাকাৰ সত্তাক এটা সুনিৰ্দিষ্ট আকাৰ দিবলৈ ধৰিছে। কিন্তু কাকাইতো এনে হ'ব বিচৰা নাছিল — তেওঁ জীয়াই থাকিব বিচাৰিছিল নিজৰ দৰে, নিজৰ ধৰণে। তেওঁ বুজি উঠিলে — ইয়াত থকাটো আৰু তেওঁৰ বাবে সম্ভৱপৰ নহয়, সেইবাবেই এদিন, বিদৰে ইয়ালৈ আহিছিল সমস্ত মায়া-মোহ বিসৰ্জন দি তেনেকৈয়েই দুটা গাখৰ পিঠিত লাগতিয়াল বস্তু-বাহানিবোৰ তুলি দি যাত্ৰা কৰিলে এনে এখন ঠাইৰ সন্ধানত — য'ত তেওঁ তেওঁৰ দৰে জীয়াই থাকিব পাৰে। সাতদিন সাতৰাতি নিৰন্তৰ যাত্ৰাৰ অন্তত তেওঁ আহি বি টুকুৰা ঠাইত ভৰি

দিলে, তেতিয়া পুলকিত হৈ উঠিল তেওঁৰ মন। কিয়নো কাকাইতো আজীৱন এনে এখন ঠাইৰে সন্ধান কৰিছিল। ঠাইখনৰ উত্তৰে আছিল এখন থিয় পাহাৰ, য'ৰ পৰা নামি আহিছিল এখন শান্ত আৰু কৃশাংগ নদী। কাকাই নদীৰ পাৰতে সাজি ল'লে ফাৰ্ম হাউচটো, কিয়নো কাকাই মনত আজীৱন ইচ্ছা এটা পুহি ৰাখিছিল যে তেওঁৰ এখন ফাৰ্ম হাউচ থাকিব আৰু ফাৰ্ম হাউচটো থাকিব এখন নদীৰ পাৰত। আৰু তেওঁ সজা ঘৰটোৰ বেৰত পৰম আন্তৰিকতাৰে সানিছিল ৰঙা ৰং — কিয়নো ৰঙা ৰঙৰ বাদে আৰু কোনো ৰঙেই তেওঁ পচন্দ নকৰিছিল। কাকাই ঘৰটোৰ চালতো সানিছিল ৰঙা, বেৰতো সানিছিল ৰঙা, আৰু দুৱাৰ-খিৰিকীবোৰত, আকাশলৈ প্ৰসাৰিত চিমনিটোতো ৰঙা আৰু ৰঙা ৰং সানিছিল সকলোতে।

কাকাই আন একো কামেই বিহেতু নাজানিছিল, সেইবাবেই তেওঁ জীৱিকাৰ তাড়নাত আৰম্ভ কৰিছিল শাক-পাচলিৰ খেতি, গৰু-ছাগলী পুহিছিল আৰু কণী আৰু মাংস বজাৰত বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰিবৰ বাবে পুহিছিল এপাল হাঁহ-কুকুৰা। কাৰণ এই কামবোৰৰ মাজেৰেই তেওঁ তেওঁৰ দৰে জীয়াই থাকিব বিচাৰিছিল, যিবোৰ কামত তেওঁ আছিল বেছি অভ্যস্ত।

কাকা আছিল যিহেতু মধুমেহ ৰোগী, গতিকে ইনচুলিন ল'বলৈ শীঘ্ৰেই তেওঁৰ প্ৰয়োজন হ'ল এজন কম্পাউণ্ডাৰৰ, তেওঁ আহি কাকাক বেজি দিছিল নিতৌ সন্ধিয়া। আৰু বাকী গোটেই দিনটো তেওঁ তদাৰক কৰিছিল ফাৰ্ম হাউচটোৰ। যিহেতু কাকাৰ অলপতে ভাগৰ লাগে, কঠিন পৰিশ্ৰম কৰিব নোৱাৰে, সেইবাবেই কাকাক দৰকাৰ হ'ল এজন স্থায়ী লগুৱাৰ, গৰু-ছাগলীৰ গাখীৰ খীৱাবলৈ এজন গোৱালৰ আৰু এজন ৰান্ধনিৰ, যিয়ে কাকাৰ মন পচন্দৰ আহাৰ তৈয়াৰ কৰিব। কুকুৰ পোহাটো আছিল কাকাৰ ভীষণ চখ, ডলমেছিয়ান আছিল তেওঁৰ প্ৰিয় জাত, সেইবাবেই তেওঁ এটা ডলমেছিয়ান কুকুৰ আনি পুহিবলৈ ল'লে। নাম দিলে টমি — কিয়নো কাকাৰ এই নামটোৱেই সবাতোকৈ বেছি পচন্দৰ আছিল। অৱসৰৰ সময়ত কাকাই টমিক দিছিল খেলৰ প্ৰশিক্ষণ — দূৰলৈ দলিয়াই দিছিল টেনিছ বলটো, আৰু উৎসাহী খেলুৱৈৰ দৰে টমিয়ে সেইটো মুখেৰে কামুৰি পুনৰ ওভতাই লৈ আনিছিল কাকাৰ ওচৰলৈ। টমিয়ে মুখত বলটো লৈ কাকালৈ নেজ জোকাৰি জোকাৰি চাই ৰৈছিল তীব্ৰ প্ৰত্যাশাৰে — কাকাই বলটো লৈ পুনৰ দলিয়াই দিছিল দূৰলৈ। দৌৰ মাৰি টমি খেদি গৈছিল পিছে পিছে। এনেদৰেই ঘণ্টাৰ পাছত ঘণ্টা ধৰি পুনৰাবৃত্তি চলিছিল টমিৰ এই প্ৰশিক্ষণ। টমিৰ সৈতে খেলা এই খেল ধীৰে ধীৰে ইমানেই মজাদাৰ হৈ উঠিছিল যে কাকাই জৰুৰী কাম-বনো পাহৰি গৈছিল। আনকি যেতিয়া একো কাম-বনো নাছিল, তেতিয়াও খেলিছিল এই খেল অথবা মনোযোগেৰে গণ্টি কৰি উলিয়াইছিল টমিৰ দেহৰ ফোঁটবোৰ। ১০৯ টা ফোঁট, এবাৰতে নিৰ্ভুল হিচাব কৰি উলিয়াই কাকাই তৃপ্তি পাইছিল।

এনেকৈ আছিল কাকা। সহজ-সৰল আৰু নি একান্ত নিজৰ খুচিমতে জীয়াই থাকিব বিচাৰে। অৰ্থহীন চিন্তা কৰি তেওঁ সময় পাৰ কৰিব বিচৰা নাছিল। কাৰণ

মাজেৰেই অনুভৱ কৰিব বিচাৰিছিল জীৱনটো। তেওঁ পঢ়া-শুনা কৰিছিল আৰু ভাল পাইছিল 'বৰ্হেছ'ৰ সাহিত্য-কৃতি। সেইবাবেই তেওঁ ডাকযোগে মাগি আনিছিল বৰ্হেছৰ হিন্দী অনুবাদ 'চাকু আইনা আৰু ভুল ভুলেয়া', আনিছিল 'হাঁহ-কুকুৰা পালনৰ এশ এটা কিটিপ্' এখনো। আবকালি পুৱৰ বাৰাণ্ডাত কাকাই গাত ৰ'দ লৈ আৰু গ্ৰীষ্মত চোতালৰ ৰাধাচূড়াৰ তলত আৰামী চকী পাতি পঢ়ে 'বৰ্হেছ' আৰু 'হাঁহ-কুকুৰা পালনৰ এশ এটা কিটিপ্'। পূৰ্বৰ টিভি চোৱা অভ্যাস এৰিব নোৱাৰা বাবেই কাকাই কিনি আনিছিল এটা ২১ ইঞ্চিৰ অনিডা আৰু লৈছিল কেবল কানেকচন। অমিতাভ-গোবিন্দৰ চিনেমাৰ নামত কাকা আছিল পাগল। মন গ'লেই তেওঁ কেবলত চাইছিল জকজা গোলাম অথবা অগ্নিপথ।

ৰাতিপুৱা কুকুৰাৰ ডাকত মজো কাকা সাৰ পায়, শোৱাপাটি এৰে আৰু ঘণ্টাজোৰা ল'নত 'মৰ্ণিংৱাক' আৰু গা তগুকষ্ট ৰাখিবলৈ দুটামান ফ্ৰী হেণ্ড বেণ্ডিং। তাৰ পাছত অভ্যাসবশতঃ তেওঁ বিশ্ৰাম লয় আগফালৰ বাৰাণ্ডাত। গোৱালে গাখীৰ খীৰায়, লগুৱাই বাৰী পৰিষ্কাৰ কৰে আৰু ৰাস্তাৰে কামলৈ ওলাই যোৱা প্ৰতিবেশী গএগই চিএৰি মাত দিয়ে - কাকা, ভালনে? স্মিতহাস্য বদনে কাকাই মূৰ দুপিয়ায়। তেওঁৰ ভাল লাগে। ভাল লাগে এই ভাবি যে এয়াই হৈছে সেই পৰম আকাংক্ষিত জীৱন, যাক পাবলৈকে তেওঁ পূৰ্বৰ সমস্ত জগত এৰি থৈ আহিছে। তেওঁ তৃপ্ত হয়। কিয়নো ইয়াত একোৱেই আৰু মিছ কৰিবলগা নহ'ল। গতিকে এই তৃপ্তি লৈয়ে কাকাই বৰ্হেছ পঢ়ে, কিংবা পঢ়ে হাঁহ-কুকুৰা পালনৰ এশ এটা কিটিপ্। মন গ'লেই কেবলত চায় জকজা গোলাম অথবা অমিতাভৰ অগ্নিপথ। আৰু যেতিয়া একো কাম নাথাকে হাতত — তেতিয়া টমিৰ সৈতে খেলে বল দলিওৱা খেলা। অথবা তেওঁ নিৰ্ভুল হিচাব কৰি উলিয়ায় যে টমিৰ গাত আছে ১০৯ টা ক'লা ফোঁট। টমিৰ সৈতে এইবোৰ তামাচা কৰি মজো কাকা ইমানেই আপোনপাহৰা হৈ যায় যে দিনটোৰ বহু কামেই তেওঁৰ কৰা হৈ নুঠে।

শাক-পাচলিৰ খেতি কৰা অথবা গৰু-ছাগলীৰ পালনত বাদে আৰু কোনো কামৰে লায়ক নাছিল মজো কাকা। সেইবাবে পেটৰ আগিদাত দু-পইছা আৰ্জিবলৈ এই কামখিনিকে কৰিছিল নিষ্ঠাৰে। তেওঁ বাৰীত হোৱা শাক-পাচলিবোৰ বস্তাত বোজাই কৰি নিজেই লৈ যায় গুৰুৱবাৰৰ হাটলৈ। বেপাৰী হিচাপে সৎ আছিল বাবেই গএগ ক্ৰেতাই ভাল পাইছিল কাকাক। কাকাৰ পাচলি আছিল তাজা আৰু সেইবোৰ বেচিবলৈ তেওঁ কোনো ফাকিফুকাৰ আশ্ৰয় নলৈছিল। আৰু কাকাই নিজেও বেচা-কিনাৰ এই কামটো উপভোগ কৰিছিল খুব, তেওঁ ৰস পাইছিল মানুহৰ উৎসুকতা আৰু নিৰ্বুদ্ধিতাত — তুচ্ছাতি তুচ্ছ কথাবোৰো জনাৰ বাবে যি আছিল অন্তহীন আগ্ৰহী। যেনে কাকাই কম্পাউণ্ডাৰক পইছা মাহেকত দিয়ে নে দৈনিক দিয়ে, কিংবা কাকাই 'থাৰ্টি প্লাছ' খায় নেকি? — এইসব সোধে গএগই। মজো কাকাই ভাবে — এয়াই, এইখনৰ কাম-কাজ, এইখনৰ প্ৰশ্ন আৰু এইখনৰ প্ৰশ্নৰ উত্তৰ —এইবোৰৰ মাজেৰেইতো জীৱন।

আৰু এই জীৱনটোকে ধাৰণ কৰিবলৈ মজো কাকা যায় শুকুৰবাবৰ হাটলৈ। শাক-পাচলি বেচে আৰু উপাৰ্জিত টকা জমা থয় প্ৰাগজ্যোতিষ গাঁৱলীয়া বেংকত। আৰু যেতিয়াই দৰকাৰ হয়, লাইন পাতি সেই টকা উইড্ৰ কৰে।

এইদৰে এইধৰণৰ সমস্ত কাম-কাজৰ মাজেৰে উপলব্ধি হোৱা জ্ঞান আৰু সুখানুভূতি দিনে দিনে ইমানেই তীব্ৰতৰ হ'ব ধৰিছিল যে ইয়াক এনে এটা অনন্ত বোজাৰ দৰে লাগিছিল, যি আছিল ভাৰহীন, অথচ শ্বাসৰুদ্ধকৰভাৱে অসহনীয়। চেনিতকৈ ছশ গুণে মিঠা, কিন্তু সহ্যাতীত তিতা সোৱাদৰ চেকাৰিনৰ দৰেই আছিল কাকাৰ এই ৰোমাঞ্চকৰ অনুভূতি। জীৱনটো সাঁচ এটা হৈ কাকাৰ সত্তাক চেপি-খুন্দি যেন সুনিৰ্দিষ্ট এটা গঢ় দিব খুজিছিল—ঠিক সেই জিপচীবোৰে ৰাবাৰৰ সাঁচত নিৰ্মাণ কৰা প্লাষ্টাৰ অব পেৰিচৰ প্ৰতিমাবোৰৰ দৰে। কিন্তু সাঁচত নিৰ্মিত এই প্ৰতিমাবোৰ অপাংক্তেয় আৰু সাঁচৰ দাস — কাকাই ভাবিছিল এনেদৰে। আৰু তেওঁ ভাবিছিল — মই প্ৰসাৰিত হ'ব খোজোঁ — মুক্ত কৰিব খোজোঁ মোৰ ভাবনাক এই গল-গণ্ড পাৰিপাৰ্শ্বিকতাৰ পৰা।

কাকা প্লাষ্টাৰ অব পেৰিচৰ সেই প্ৰতিমাবোৰ হ'ব খোজা নাছিল, তেওঁ হ'ব খোজা নাছিল তাৰ মৌলিক কণাবোৰো, যি এটা সুনিৰ্দিষ্ট পৰিসৰৰ পৰিমণ্ডলত পৰাধীনৰ দৰে চক্ৰবৎ কেন্দ্ৰটোক প্ৰদক্ষিণ কৰি বয় নিৰন্তৰ। কাকা হ'ব খুজিছিল কাকাৰ দৰে, যি স্বয়ং।

আৰু কাকাই বুজিছিল — ক'ৰবাত সকলোৰে এটা চূড়ান্ত অৱস্থা থাকে, থাকে এটা শেষ, কিন্তু এই চূড়ান্ত অৱস্থা বা শেষৰ আৰম্ভণি সঠিক ক'ৰপৰা আৰম্ভ হয় অথবা এই শেষৰ সমাপ্তি হয় ক'ত — কাকাই অনুমান কৰিব পৰা নাছিল। হয়তো কাকাই সেইবাবে উমান পাব পৰা নাছিল — কিয় ৰাতিপুৱা এটা সদায়ে ৰাতিপুৱা, কিয় সদায়ে ৰাতিপুৱা এই কুকুৰাৰ ডাক, আৰু কুকুৰাৰ ডাক সদায়ে কিয় ৰাতিপুৱা। বিছনাৰ পৰা উঠা, নিয়ৰসিক্ত বনত খোজ কঢ়া, বাৰাণ্ডাত বিশ্ৰাম লোৱা, 'কাকা ভালনে' বোলা পৌনঃপুনিক প্ৰশ্নৰ মুখামুখি হোৱা সদায়ে। কাকাৰ ৰোমাঞ্চকৰ এই দৈনন্দিনতা ধীৰে ধীৰে ধীৰে পুৰণি হ'ব ধৰিছিল, সেই একেই সৰস কৌতূহলী প্ৰশ্ন গঞাৰ। আৰু সেই উত্তেজনাপূৰ্ণ বেংকৰ লাইন — টকা জমা থোৱা আৰু উইড্ৰ কৰাৰ।

কাকাৰ ক্লান্তি নামে, তেওঁ টিভিৰ ছুইচ অন কৰি দিয়ে — টিভিতো গোবিন্দাৰ সেই একেই জমনি চিনেমা 'জৰুকা গোলাম'। বিৰক্ত হয় কাকা। টিভিৰ ছুইচ অফ কৰি দি চকু মুদে কাকাই। চকু মেলি দেখে — ধৰমন্ন উজ্জ্বল ৰঙা ৰং। অসহ্য। টমিয়ে কাকাৰ বিৰক্তি দূৰ কৰিবলৈ কাকাক দুয়ো ভৰিৰ মাজত থিয় হৈ নেজ জোকাৰে। কাকাই বলটো দলিয়াই দিয়ে কোঠাৰ একুকলৈ, টমিয়ে খেদা মাৰি যায়, মুখৰে কামুৰি বলটো লৈ আনে পুনৰ, নেজ জোকাৰি কাকাৰ মুখলৈ চায় গভীৰ প্ৰত্যাশাৰে, কাকাৰ ক্লান্তি দ্বিগুণ হয়, ভাবে — এই আৱদ্ধৰ পৰা জানো কাহানিও তেওঁৰ মুক্তি নাই?

এই অক্লান্ত খেলপ্ৰিয় টমি, বেৰৰ ৰঙা ৰং, পথচাৰীৰ প্ৰশ্ন, ৰাতিপুৱা কুকুৰাৰ ডাক, ইনছুলিন, সেই একেই আগচোতাল, সেই একেই পাছচোতাল, ফুলকবি, বন্ধাকবিৰ খেতি আৰু শনিবাৰৰ হাটত মানুহৰ ভিৰ আৰু তুচ্ছাতিতুচ্ছ কৌতূহল, বেংকৰ কিউ আৰু কেৱলত দিয়া গোবিন্দা-অভিতাভৰ চিনেমা আৰু 'বৰ্হেছ'ৰ সেই একেই ব্যাখ্যা! আৰু কি কোনো নতুন কথা নাই? নাই নতুন ভাবনাৰ আধাৰ? অথবা এই বাচি থকাৰ কোনো নতুন উদ্দীপনা? বাচি থকাৰ এই সমস্ত কাণ্ড-কাৰখানাৰ মাজত কাকা যেন এনে এটুকুৰা ৰবৰত পৰিণত হৈছে — যি এক নিৰ্দিষ্ট উষ্ণতাত হেৰুৱাই পেলাইছে পূৰ্বৰ আকাৰ — কাকাই ভাবে। কিন্তু কাকাইতো এনে হ'ব বিচৰা নাছিল — তেওঁ জীয়াই থাকিব বিচাৰিছিল নিজৰ দৰে, নিজৰ ধৰণে। তেওঁ বুজিলে — ইয়াত এনেদৰে একঘেয়ামি জীৱন অতিবাহিত কৰাটো আৰু সম্ভৱ নহয়, আৰু সেইবাবেই তেওঁ এদিন কিনি আনিলে দুটা গাধ, তেওঁৰ দৰকাৰী বস্তুবোৰ যেনে — বৰ্হেছৰ কিতাপ, টিভি, ইনছুলিন, ৰঙৰ টেমা, টমিৰ সৈতে খেলা বল, ফুলকবি-বন্ধাকবিৰ বীজ, প্ৰাগজ্যোতিষ গাঁৱলীয়া বেংকৰ চেকবুক আদি বস্তুবোৰ গাধ দুটাৰ পিঠিত বান্ধি যাত্ৰা আৰম্ভ কৰিলে, এই যাত্ৰা এনে এখন ঠাইৰ সন্ধানত, য'ত তেওঁ আচল জীৱন-যাপন কৰিব পাৰে।



মৌচুমী কন্দলী

লাম্বাদা নাচৰ শেষত

দলঙৰ ওপৰৰ কথোপকথন

লাম্‌বাদা নাচৰ শেষত

সৃষ্টিৰ আদিতে যেতিয়া পৃথিৱী আছিল নিষ্প্ৰাণ, প্ৰাচীন গোহৰবোৰৰ সেই অপাৰ নৈঃশব্দত, এদিন এটা আশ্চৰ্যময় মুহূৰ্তই পোখা মেলিলে। শূন্যলৈ বিস্তাৰিত অজস্ৰ শাখা-প্ৰশাখাৰে, এডাল বিচিত্ৰ থাংথাং অৰ্থাৎ পানী-অমৰা গছৰ ছাঁলৈ, এটা বিশাল আকাৰৰ জটায়ু পক্ষী ধপ্‌ধপাই নামি আহিল। ৰ'ম্লাকপি নামৰ পক্ষীটিয়ে সেই মুহূৰ্ততে কেইটামান কণী পাৰিবলৈ আৰম্ভ কৰিলে। কণীবোৰ ফাটিল। আৰু তাৰ পৰা একোটাকৈ মানুহৰ সৃষ্টি হ'ল। বিভিন্ন প্ৰজাতিৰ আদি পিতাস্বৰূপ সেই মানুহকেইটা, কালক্ৰমত পৃথিৱীৰ চাৰিওদিশে বিয়পি পৰিল। আটাইতকৈ শেষৰ কণীটো আছিল আকৃতিত সবাতোকৈ ডাঙৰ। অতি মসৃণ আৰু মনোৰম। সেই কণী ফাটিয়েই সৃষ্টি হ'ল মানুহৰ শেষ প্ৰজাতি — কাব্‌বি।

পাতল কুহুমবুলীয়া চেগুন ফুলবোৰৰ ফাঁকে ফাঁকে সৰকি অহা ৰ'দৰ ৰেখাবোৰত বাতিপুৰাটো তিৰ্‌বিৰাই উঠিছে। কুঁৱলিৰ ধূসৰ আবৰণৰ মাজেৰে জিলিকি উঠা পুৱাটো — যেন শামুকৰ পেটৰ এটা উজ্জ্বল মুকুতা। উৰিয়ামজোপাত এটা বাটৈটোকা চৰায়ে মাতি উঠিল। চাংঘৰৰ তলৰপৰা এজাক গাহৰি যোৎযোৎকৈ পাহাৰৰ নামনিলৈ নামি গ'ল। ৰং-বিৰঙৰ পাখি আৰু মূৰৰ টিক্‌টিকীয়া ৰঙা ফুলটোৰে মত্ত কুকুৰা এটাই অহংকাৰী খোজত কক্‌কক্কাই উঠিল। আৰু, বহল চোতালখনৰ একোণত, জাখিলিআঠনৰ তলত বহি চাৰ্থে বুঢ়াই সৃষ্টিতত্বৰ পবিত্ৰ মন্ত্ৰ মুছেৰোকেহিৰ সুৰ লগাই মাতিবলৈ ধৰিলে। চমাংকানৰ তৃতীয় দিনা, উৎসৱৰ আনন্দময় পুৱা উচ্চাৰিত আদিকথাৰ সেই গভীৰ আবেগসিক্ত সুৰ, তুলসী আৰু ধূনাৰ ধোঁৱাময় গোন্ধৰ স'তে পাক লাগি লাগি পাহাৰৰ সিপাৰলৈ বিস্তাৰিত হৈ গৈ থাকিল। সাগৰীয় ঢৌৰ দৰে গভীৰ উত্তাল ধ্বনিৰ সেই সুৰটোৱে গোটেই অৰণ্যখন আৰু পাহাৰবোৰ বুৰাই পেলালে।

সুৰটোৰ লগে লগে নিজৰ খোজেৰে ডিবোতাজনী হৈ আহিল। পাহাৰীয়া বাটটো একা-বেঁকা, লুংলুঙীয়া। বাটৰ দুয়োকাষে ওখ-চাপৰ বিভিন্ন [illegible] গছবোৰ, বাঁহ আৰু বনৰীয়া লতাবোৰ। পুৱাৰ ধূসৰ পোহৰত আৰু [illegible] হৈ অহা [illegible]

আন্ধাৰ। বাটটোৰ এটা ভাঁজত , সহস্ৰফণা মেলি থকা সাপৰ দৰে অদ্ভুত আকৃতিৰ ফুলবোৰবে এজোপা জক্‌মক্ নাগচম্পা। তললৈ হাউলি তাই এটা সৰি পৰা ফুল বুটলি ল'লে। তাইৰ হাতৰ তলুৱাত ৰঙা-ৰঙা অজস্ৰ শুঙৰ এখন সমতলত এটা হালধীয়া সাপে কুণ্ডলি পকাই লৰচৰ কৰি উঠিল।

ৰঙা ৰংটোৱে তাইৰ মনলৈ এটা ভয়ঙ্কৰ ইন্দ্ৰিয়গ্ৰাহ্যতাৰ আবেদন লৈ আহে। উগ্ৰ, প্ৰগাঢ়। উত্তেজনাৰে ভৰা অথচ কি অনন্য সুন্দৰ। ডালিম ফুলবোৰ, বুৰ যাব খোজা বেলিটো, গাহৰিৰ কটা ভাঁজটোৰপৰা টপ্‌টপকৈ নিগৰি পৰা তেজৰ টোপালবোৰ। ৰঙাৰ সেই ভয়ঙ্কৰ উত্তেজক ৰূপটো তাই প্ৰথম দেখিছিল এদিন দুপৰীয়া। কলগছৰ শাহটোৰ দৰে পাতল কেঁচা বৰণীয়া তাইৰ নিমজ ভৰিখনেদি সেইদিনা এসোঁতা উষ্ণ তেজৰ স্ৰোত তললৈ বৈ আহিছিল। ভয় আৰু শংকাত হিম হৈ তাই উচুপি উঠিছিল। এনেতে পিঠিৰ খাংটোত এবোজা জেংখৰি, বনৰীয়া কচু আৰু বাঁহৰ হোৰাত পানী ভৰাই, হাবিৰপৰা উলটি অহা আয়ে তেজৰ চেঁকুৰাবোৰ দেখি আটাহ পাৰি উঠিল। কিবা গুপুত মন্ত্ৰ উচ্চাৰণ কৰাৰ দৰে আয়ে ফুচ্‌ফুচাই ক'লে, অই, তই মানুহ হ'লি ঐ বুজিছ, এতিয়াৰপৰা তই এজনী তিৰোতা হ'লি!

... পূৰ্ঠ হ'লে ডামিল ফাটি পৰে। পছৰ নাভিৰ গোন্ধ চাৰিওফালে বিয়পি পৰে। বৰষুণ দিলেঁ বোকাত ধান গজে। তিৰোতাৰ শৰীৰো গছৰ দৰে, মাটিৰ দৰে। গছ, মাটি, তিৰোতা সকলোৰে ভিতৰত এটা তেজৰ স্ৰোত বৈ থাকে। যেতিয়ালৈকে সেই তেজৰ স্ৰোত বৈ থাকিব, তেতিয়ালৈকে ঈশ্বৰৰ পৃথিবীত ফুল ফুলিব, ফল লাগিব, পাহাৰবোৰ সেউজীয়া হৈ থাকিব।

বহুদিনৰ আগৰ কথা সেয়া। বুকুত বনৰীয়া বগৰীৰ দৰে দুটা সৰু সৰু চিন প্ৰথম ফুটি উঠা দিনৰে। এতিয়া তাইৰ মুখত মকৰা জালৰ দৰে অজস্ৰ আঁক-বাঁক ৰেখা ; শৰীৰত শোটোৰা-শোটোৰ ভাঁজ। তাইৰ ভিতৰৰ তেজৰ সোঁতটো শুকাই গৈছে। নদীৰ কোবাল ঢৌৱে চপৰা-চপৰে খহাই অনা পাৰৰ মাটিৰ দৰে তাইৰ দিনবোৰো ক্ৰমে খহি আহি আছে। বাটত পৰি থকা হালধীয়া সৰাপাতবোৰ একোটা সত্য হৈ তাইৰ সমুখত নাচি উঠিছে।

“ফী, ঐ ফী, চমাংকানলৈ গৈছিলি নেকি? হাংমিজি যোৱা নাই?” এটলীয়া বাটটোৰে বিৰি হঁপি হঁপি পাহাৰটোৰপৰা নামি অহা লংকীয়ে তিৰোতাজনীক সুধিলে।

“তইনো ক'লৈ যাব?”

“বংনিহাঙলৈ, মিটিং আছে তাত — অহ' মোৰ দেৰিয়ে হৈছে —”

হয়, দেৰিয়ে হৈছে, হালধীয়া পোহৰবোৰ ছটিয়াই বেলিটো পাহাৰৰ ওপৰ পালেহি। বেলিটোনো কিমান দূৰ আকাশ পালেহি, তাই নিজা নিয়মতে হিচাব কৰিলে। বাৰ ফুটীয়া বাঁহৰ নল এডালেৰে যদি সেই পাহাৰটোৰ নামনিৰ মাটিৰ পৰা আকাশৰ বেলিটোৰ মাজৰ খালি ঠাইখিনি জোখা হয়, তেনেহ'লে মুঠতে তিনিডাল বাঁহৰ নল লাগিব। উত্তৰ দিশৰপৰা সোঁ-সোঁকৈ এজাক বতাহ বলিছে। পকা সোমথানৰ গোন্ধ

কৰিয়াই অনা বতাহজাকত গীৰ্জাৰ ঘণ্টাধ্বনিটোও ক্ৰমে ভাহি আহিছে। পুৰণি গীৰ্জাটোৰ ক্ৰছডাল পাহাৰচূড়াত জিলিকি উঠিছে। বগাচাহাববোৰে পিন্‌পিনাই কুৱা দিনৰে গীৰ্জা সেইটো। সেই তেতিয়াৰেপৰা লখিমী উৎসৱ হাচাকেকানৰ মন্ত্ৰৰ সঁতে গীৰ্জাৰ ঘণ্টাধ্বনি আৰু কেৰুলৰ সুৰবোৰো একেলগে বৈ আহে।

যেতিয়া ঘন কুঁৱলিয়ে পাহাৰবোৰ ছানি ধৰে, থক্‌ থককৈ কঁপি থকা মানুহবোৰে জুইৰ কাষত ঠেৰেঙা লাগি বহি থাকে তেনে এটি শীতৰ ৰাতিতে, গীৰ্জাৰ চূড়াত এটা উজ্জ্বল তৰাই তিৰ্‌বিৰাই উঠে। সেয়া বৰদিনৰ তৰা! আৰু তেতিয়াই কাথাৰ গাঁওবুঢ়াৰ ঘৰত, ৰাতিপুৱাৰ প্ৰাৰ্থনা সভাৰ পিছত সেই খ্ৰীষ্টমাছৰ ভোজ হয়। পাহাৰটোৰ সিপাৰেই কাথাৰ গাঁওবুঢ়াৰ গাঁওখন। কাথাৰ বুঢ়াৰ বাঁহৰ চাংঘৰটোৰ চ'ৰা ঘৰৰ বেৰত মহাৰাণী ভিক্টোৰিয়া আৰু ৰজা পঞ্চম জৰ্জৰ ফটো ওলোমাই থোৱা আছে। তাৰ কাষতে আৰু এখন ধূসৰ ক'লা-বগা ছবি ওলমি আছে। বহু পুৰণি। ওখ আটিল শৰীৰ আৰু অমিতা ফুল বৰণীয়া দুজন মিছনেৰি চাহাবৰ মাজত, বাঁহৰ টুপী, বগা হাফছাৰ্ট আৰু হলৌ হাফপেন্ট পিন্ধি বৈ থকা তজবজীয়া ডেকাটোৱে এতিয়াৰ কাথাৰ বুঢ়া।

এবাৰ যে লুঙ্কে বুঢ়াৰ কঁপি কঁপি জ্বৰ উঠিছিল আৰু এটা ক'লা মুৰ্গী আৰু হৰলাগুৰে দেওপূজা দিয়াৰ পাছতো মানুহটোৰ যে একেবাৰে জকজককৈ হাড়-ছাল ওলোৱাৰ উপক্ৰম হৈছিল, সেই তেতিয়াই ছবিখনৰ বগাচাহাব দুটাক তাই প্ৰথম দেখা পাইছিল। পছৰবৰণীয়া কোটচোলা, হলৌ পতলুং আৰু ৰবৰৰ গধপা জোতাৰে সেই চাহাব দুটাক দেখি প্ৰথমতে তাই বিস্ময়ত থৰ লাগি গৈছিল। গুকান চামবাৰ বেগ এটাৰপৰা সিহঁতে কিবা তিতিকি বস্তু এটা তাইৰ পিতাক লুঙ্কে বুঢ়াক খাবলৈ দিছিল। কিমান যে বস্তুৰে ভৰি আছিল সিহঁতৰ সেই চামবাৰ বেগ। যীশুৰ পবিত্ৰ বাণী খোদিত কৰা এখন বাইবেল, কেতবোৰ বিস্ময়কৰ বৰ্ণনাৰে ভৰি থকা টোকাৰহীখন, সোণালী ৰঙৰ ঘড়ীটো, কুইনাইনৰ বড়ি কিছুমান। সিহঁতৰ আগচোতালৰ শিমলুজোপাৰ তলতে বহি, কি তন্ময়তাৰে চাহাব দুটাই শুনি গৈছিল লুঙ্কে বুঢ়াৰ মুখত কাৰ্বি ৰামায়ণ ছাবিন-আলুনৰ সুমধুৰ কাহিনী। হয়, হয়, ছাবিন-আলুনৰ সেই মনোৰম বৰ্ণনা — "... জনক ৰজাৰ বাঁহৰ চাংঘৰটো অতি বিশাল, চাংঘৰৰ মজিয়াত বহি সীতা কুঁৱৰীয়ে তাঁতশালত ধুনীয়া ধুনীয়া কাপোৰ বয়, এতিয়াও কোনোবা পাহাৰৰ মাজত শিলৰ সেই তাঁতশাল পৰি আছে। কঁকালত ক'লা ৰঙৰ কাৰ্বি কাপোৰ পিনি আৰু বুকুত ৰং-বিৰঙৰ আঁক-বাঁক থকা কাৰ্বি চাদৰ পেকক মেৰিয়াই লৈ বাঁহগাজ বৰণীয়া উদং বাহুৰে সীতা কুঁৱৰীয়ে কাঁচিখন হাতত লৈ পথাৰলৈ যায়। আৰু ৰাতিপুৱা চোতাল সাৰি সাৰি কেনেকৈ তাই জনক ৰজাৰ সেই লোহাৰ ধনুখন আঁতৰাই থয়। উস্‌ কি অপূৰ্ব সুন্দৰ সীতাকুঁৱৰী ৰূপ, কি কমঠ তাইৰ শৰীৰ। আৰু পাহাৰৰ দুৰ্গম অৰণ্যৰ মাজে মাজে কুলাম লেংটি পিন্ধি হাতত ধনু-কাঁড় লৈ ক্ষিপ্ৰবেগে পহু চিকাৰ কৰি ফুৰা দশৰথ ৰজাৰ ল'ৰা দুটি — আহ্‌, কি পাহাৰাল কেনে মনোহৰ সেই কাল।"

হঠাৎ, জলক-তপক চকুৰ তিৰোভাজনীয়ে যেন সেই পাহৰাল ডেকা দুটিক সমুখতে দেখা পালে। প্ৰকাণ্ড শিল দুটাৰ মাজেৰে ঝৰঝৰকৈ তললৈ বাগৰি অহা মিহি জলস্ৰোতটো জাঁপিয়াই পাৰ হৈ ল'ৰা দুটি তাইৰ ফাললৈকে আগুৱাই আহিছে। দুয়োটাৰে গাত হলৌ টি-ছাৰ্ট আৰু টাইট জিন্‌ছ!! আহ — সেয়া হাংমিজি আৰু চেমচন! তাইক দেখি হাংমিজি নামৰ ল'ৰাটোৱে চিঞৰি দিলে — "অ' ফী, তই দেখোন গুচিয়ে আহিলি, আমি আকৌ আহিছোঁহে যাবলৈ, ৰাতি হ'লে তাত নেথাকোঁ দেই আজি, চমাং আহিছে নহয় ফী, ডাঙৰ চহৰৰপৰা, তাক লগ কৰিবলৈ যাম —" চমাংকানলৈ গৈ থকা তাইৰ নাতি ল'ৰা হাংমিজি আৰু লগৰটোলৈ তাই একেথৰে চাই থাকিল।

... "ল'ৰা দুটাৰ পোছাকবোৰ সাইলাখ সেই চাহাব দুটাৰ দৰেই। তাহানিৰ সেই বাম-সখিমনৰ দৰে লেংটি মাৰিবলৈ আজিকালিৰ ল'ৰাজাকে লাজেই পোৱা হ'ল। হ'লেও, সিহঁতৰ পোছাকবোৰহে চাহাবৰ দৰে হ'ল — কামবোৰ জানো সেই চাহাব দুটাৰ দৰে হ'ল?"

দুৰ্গম পাহাৰীয়া বাটেৰে, নিশ্চিদ্ৰ অৰণ্যত এটা আদিম জনগোষ্ঠীৰ মাজত ঘূৰি ফুৰা সেই মিছনেৰি চাহাব দুজন! কিহৰ তাড়নাত সেই মিছনেৰি চাহাবে হাজাৰটা পাহাৰৰ সিপাৰে থকা সিহঁতৰ দেশৰপৰা আহি এনেদৰে ভ্ৰমি ফুৰিছিল, সহজ-সৰল আখৰ পঢ়িব নজনা মানুহবোৰক শিক্ষাৰ পোহৰ বিলাইছিল — ভাবিলে তাই আচৰিত হৈ যায়। ব'প্ৰাক্‌পি নামৰ জটায়ু পক্ষীটিয়ে পৰা কণীৰপৰাই ভিন ভিন জাতিবোৰৰ উৎপত্তি হৈছিল। হয়, হয় সকলো মানুহতো এবেটি চৰাইৰ কণীৰপৰাই জন্মিছে। সেই কাৰণেই সকলোৰে অন্তৰবোৰ, এখনৰপৰা ইখনলৈ কিছুমান নেদেখা সূতাৰে বান্ধি থোৱা থাকে। বৈঠালাংচুৰ কাষৰ টিকা পাহাৰৰ নামনিত মাটিকপৌৰে আৱৰি থোৱা এটা শিলৰ তলত হটুন চাহাবৰ কবৰটো এতিয়াও আছে। মুকিন্দন পাহাৰটো পাওঁতে হটুন চাহাবে বাৰু কাচাৰ্হে তিৰোতাৰ করুণ কিনিটো শুনা পাইছিলনে।

যেতিয়া কোনো আত্মাই পৃথিৱী এৰি গুচি যায়, তেওঁৰ মৃতদেহক এটা কোঠাত শুৱাই দিয়া হয়। মৃতকৰ মূৰৰ শিতানত সজাই থোৱা হয় পাণ-তামোল, গুকান লাওৰ পাত্ৰত হৰলাং। আৰু মৃতদেহৰ কাষত কাচাৰ্হে তিৰোতাবোৰে অতি করুণ সুৰত ইনাই-কিনাই মৃতকৰ যাত্ৰা পথৰ বৰ্ণনা কৰি গীত জুৰে। পৃথিৱীৰ সীমাৰ সিপাৰে দুটা বাটৰ আলি দোমোজাতে আছে মুকিন্দন পাহাৰ। সোঁফালৰ বাটটো সৰগৰ, আৰু বাওঁফালৰ আনটো বাট নৰকৰ। ভগা দোতাৰাৰ বেপনিৰ দৰে সেই কিনিৰ সুৰ এদিন তাইৰ চোতালতো শুনা গৈছিল।

একুৰা দগ্‌মগীয়া জুইৰ কাষে কাষে, কৃষ্ণপক্ষৰ তিনি ৰাতি চমাংকানৰ ঢোলৰ ছেৱে ছেৱে মাতাল হৈ নচাৰ পিছত, যেতিয়া সুস্বাদু গাহৰিৰ মঙহ আৰু হৰলাঙৰ পিচাসত গোটেবে বভাহ উদ্‌যাপন কৰি আছিল, তেতিয়াই এটা মানুহৰ আগে আগে, প্ৰকাণ্ড এটা কুকুৰৰ ভুকভুকনি আৰু এজাক কুকুৰাৰ কেৰ্‌কেৰণিৰ মাজেৰে খোজকাঢ়ি আহি আহি এটা চাংঘৰৰ জখলাত তাই ভৰি দিছিল। তাৰ পিছত দিনবোৰ, উকলত ধম্

ধম্ ধান খুন্দাৰ শব্দ, তাঁতশালৰ খট্ খট্ আৰু ৰাতি ৰাতি বাঁহৰ চাঙৰ কেৰ্ কেৰ্ কেৰ্ — এনে অজস্ৰ শব্দেৰে ভৰি গৈছিল। একুৰা, দুকুৰাকৈ চাৰিটা পাহাৰত চাৰিকুৰা জুম খেতিৰ জুই জ্বলাওঁতেই এদিন হঠাতে তাইৰ মানুহটোৱে মুকিন্দন পাহাৰটো দেখা পালে। আৰু ভগা দোতাৰাৰ কেপনিৰ দৰে সেই কিনিনিৰ সুৰ তাইৰ চোতালতো বাজি উঠিল।

হঠাতে এটা তীক্ষ্ণ গোঙনিৰ শব্দত তাই উচপ্ খাই উঠিল। কোনোবাই খাবলৈ গাহৰি মাৰিছে ক'ৰবাত। মাটিত ওপৰমুৱাকৈ পেলাই লোৱা গাহৰিটোৰ বুকুৰপৰা পেটলৈকে চিৰ চিৰকৈ ফালি, ধপ্‌ধপাই থকা হৃৎপিণ্ডটোৰ মাজলৈ ধাৰাল ছুৰিখন হানি দিয়া হয়। আৰু তেতিয়াহে মৰা গাহৰিৰ বতাহ তাল-ফাল লগোৱা তীক্ষ্ণ গোঙনিটো ভাহি উঠে। কেইদিনমানৰ আগতে মৰা গাহৰিৰ দৰে হানি পেলোৱা এটা মানুহ, গাঢ় তেলেতীয়া তেজৰ চেঁকুৰাবোৰেৰে হাবিৰ মাজত চিৎভোলোঙা খাই পৰি আছিল। সেইটো পাহাৰত কাহানিও নোহোৱা নোপোজা ঘটনা! লাহে লাহে যেন দিন-কালবোৰ সলনি হ'বলৈ ধৰিছে। বাহিৰত নিজম পৰি থাকিলেও ভিতৰত কিবা এটা গুম্‌গুমাই আছে। ককাকে সৰুতে কোৱা কথা এটা তাইৰ মনত পৰিল। অৰণ্যৰ মাজৰ বিয়াগোম গছবোৰৰ ফেৰেঙণিত ৰুনীয়া মকৰাই জাল গোঁঠে। পাতৰ ফাঁকে ফাঁকে সৰকি অহা নমনীয় পোহৰত পাতল মিহি জালবোৰ চিক্‌মিককৈ জিলিকি থাকে। এবাৰ তেনে এখন পাতল জালতে এটা চৰাই লাগি ধৰা অদ্ভুত অস্বাভাৱিক দৃশ্য এটা তাইৰ ককাকে দেখা পাইছিল। এখন পাতল মকৰা জালত এটা ধপ্‌ধপাই থকা চৰাই! কি বিস্ময়কৰ! ককাকে কৈছিল, এনেদৰে মকৰাজালত চৰাই লগা দেখা পালে পৃথিৱীত নোহোৱা-নোপোজা ঘটনাবোৰ ঘটিবলৈ ধৰে। তাইৰ ভাব হ'ল, ক'ৰবাত যেন এটা চৰাই মকৰাজালত লাগি ছট্‌ফটাই আছে। যেন সাতদিন সাতৰাতি মেঘে-গাজনিৰে ধাৰাসাৰে বৰষুণ দিয়া মহাপ্ৰলয় হ'ব। তাইৰ শেষ হৈ যোৱা ঋতুস্ৰাৱৰ দৰে যেন মাটিৰ ভিতৰৰ তেজৰ স্ৰোতটোও শুকাই যাব। অৰণ্যখন মৰি যাব। কাৰ্বি আদি ৰজা হং বেচ'ই ভৱিষ্যদ্বাণী কৰিছিল : "প্ৰজাৰ মাজত যেতিয়া খামখেয়ালি, মাৰিমৰক হ'ব, তেতিয়া এদিন ভীষণ অৰাজক অৱস্থাৰ সৃষ্টি হ'ব। কণীৰপৰা গছ গজিব, পানীত শিল ওপঙিব, জলকীয়াবোৰৰ আকাৰ বাঢ়ি আহিব, আকাৰত সিহঁত মানুহতকৈ ডাঙৰ হৈ পৰিব।" তাইৰ গাটো জিকাৰ খাই উঠিল। অস্ফুট স্বৰত তাই বিৰ্‌বিৰকৈ উচ্চাৰণ কৰিলে, হে প্ৰভু, হেম্ফুদেৱতাই যেন পৃথিৱীখন ৰক্ষা কৰে। আৰু পৃথিৱীৰ মঙ্গল কামনাত তাইৰ চকুহাল প্ৰাৰ্থনাৰ ভঙ্গীত মুদ খাই আছিল।

পৃথিৱী নামৰ এই ঘূৰ্ণায়মান গোলকটোৰ বৰ্ণময় বিস্তাৰত, বিভিন্নতা আৰু বৈচিত্ৰ্যৰ অনেক সমান্তৰাল ছবিচিত্ৰ অংকিত হৈ আছে। দুপৰীয়াৰ জাৰৰুৱীয়া উৎকট বেলিটো আৰু তাৰ তলৰ অপৰূপ নৈসৰ্গৰ মাজেৰে, সৃষ্টিৰ মুহূৰ্তবোৰকেইটিৰ লহমাৰপৰা কাচাৰ্হেৰ কমল কিনিনিৰ সুৰলৈকে বিয়পি থকা নিমজ অৰণ্যত, পাহৰীয়া একা-বেঁকা বাটটোৱে জাহি থকা তিৰোতাজনী, পৃথিৱী নামৰ এই ঘূৰ্ণায়মান

গোলকটোত অংকিত এনেবোৰ ছায়াচিত্ৰবেই এখন। সহজ, সৰল পুৰাতন চিত্ৰশৈলীত অংকিত। ধাতৱ যান্ত্ৰিকতাৰ উশাহ চেপি ধৰা ক্ষিপ্ৰতা আৰু সংকোচনৰপৰা যোজন মাইল নিলগত। নিভাঁজ শান্ত নৈৰাজ্যত জীৱন ধীৰ শিথিল গতিত গৈ থাকে। উত্তেজনাহীন অথচ সাৱলীল। নিস্তৰংগ অথচ গভীৰ ছন্দোবদ্ধতাত বান্ধ খাই থকা। প্ৰকৃতিৰ বহুমাত্ৰিক সংৰচনাশৈলীত জীৱন ইমান নিবিড়ভাৱে তাত একাত্ম হৈ থাকে যে তাৰ স্বকীয় স্বাচ্ছন্দ্যক অনুভৱ কৰিবই নোৱাৰে। এটা জোনাকী পৰুৱাৰ দৰে। শৰীৰত জ্বলি থকা ৰূপালী পোহৰটোৰ স'তে ই ভিৰ্‌বিৰাই উৰি ফুৰে — অথচ তাৰ শৰীৰৰপৰা নিৰ্গত সেই পোহৰৰ উৎস, ৰাসায়নিক সংশ্লেষণৰ জটিল প্ৰক্ৰিয়াটোৰ বিষয়ে অৱগত হোৱাৰ তাৰ কোনো অৱকাশ নাথাকে।

জোনাকী পৰুৱা এটাৰ দৰে সেই তিৰোতাজনীয়েও তাৰ সৰল বৈখিক ভাৱনাৰে, সেই প্ৰকৃতিৰ মাজৰ উপবিষ্ট তাইৰ জীৱনৰপৰা, আত্মলব্ধ পোহৰৰ দ্যুতিৰে ভৰি থকা কেতবোৰ সৰু সৰু সত্য আহৰণ কৰিছিল। আৰু তাইৰ কাষে কাষে লৰৰি ফুৰা, হাংমিজি নামৰ এটা তজ্‌বজীয়া ল'ৰাই তাই কৈ থকা কথাবোৰ শুনি আছিল। গছত ফল লগাৰ গুপুত ৰহস্যৰ কথা, ৰংবোৰত নিহিত থকা অৰ্থবোৰৰ কথা, গছৰ ফেৰেঙণিৰ পাতল মকৰাজালত লাগি ধৰা চৰাইৰ কথা —। কথাবোৰ তন্ময় হৈ শুনি থকাৰ মাজে মাজে সি একোবাৰ বৰ অন্যমনস্ক হৈ পৰে। মানসিক অৱস্থাৰ জোখত, সি বৰ্তমান সেই অংশত বৈ আছে, য'ৰপৰা দুই মেৰুলৈ সমান দূৰত্ব। এফালে আৱদ্ধক ৰহস্যময়তাৰ নিভাঁজ নৈসৰ্গিক সেই তিৰোতাজনী আৰু আনটো মেৰুত, ধাতৱ পাৰিপাৰ্শ্বিকতাত বৈদ্যুতিক পোহৰ আৰু ইলেকট্ৰনিক চিম্ফনিৰে মুখৰিত উচ্ছল উন্মাদ যান্ত্ৰিক দৃশ্যাৱলী। এটা দুৰ্বাৰ ইচ্ছা, দুটামান সপোন আৰু দ্বিধা-দ্বন্দ্বৰ কেইটামান বোধৰ টনা-আঁজোৰাত অস্থিৰ হৈ সি সেই দুটা মেৰুৰ মধ্যবিন্দুত বৈ আছে।

বাঁহনিডৰাৰ সিপাৰে বেলিটো লাহে লাহে বুৰ গ'ল। জি-জি-জি কৈ বাজি উঠা জিলিৰ মাতটোৱে আন্ধাৰবোৰ নমাই আনিলে। জিলিৰ মাতে চাৰিওকাষৰ নৈঃশব্দক আৰু গভীৰ কৰি তুলিছে। জুহালৰ কাষত বহি কুকুৰটোৱে কুঁ-কুঁৱাই উঠিল। এনেতে, গধপা জোতাৰে চাংঘৰটো কঁপাই, ফী ঐ ফী — বুলি আইতাকক চিএৰি চিএৰি গপ্‌গপ্ খোজেৰে হাংমিজি ওপৰলৈ উঠি আহিল। বাহিৰৰ চোতালত, টুং টুং টাং টাং শব্দ, হাঁহি আৰু গল্‌গলীয়া মাতৰ চিএৰ। তিৰোতাজনী বাহিৰলৈ ওলাই আহিল। অ'হ' — সিহঁতে গীটাৰ লৈ আহিছে। হাংমিজিৰো এই বাজনাটো আছে। চিএৰা কংকালৰ দৰে ভাঁজ এটাৰে মুগাবৰণীয়া এই চিক্‌মিকীয়া বাজনাটো যেতিয়া হাংমিজিয়ে চহৰৰপৰা প্ৰথম লৈ আহিছিল, তাই আচৰিত হৈ চাইছিল। মনৰ আনন্দতে, বাজনাটো সমুখত হেলনীয়াকৈ ধৰি তাঁৰকেইডালত টুং টুং কৈ আঙুলি বুলাই সি সেই চিনাকি সুৰটো বজাই দিছিল — সৰুতে আইতাকে গাই শুনোৱা জুনু চৰাইৰ মাতৰ নিচুকনি গীতটো —

জুনু। লিলি-জুনু।

বিক্ৰণ পিথা ছাইদু
ছাইনি পিথা ছাইদু — দুদু...

ডিঙ্গিলেকে পানীৰে চল্‌চলকৈ ভৰি থকা এটা মাটিকলহৰ দৰে তাইৰ অন্তৰখন ল'ৰাজাকৰ প্ৰতি মৰমেৰে উপচি পৰিল। চোতালত হৈ-চৈ কৰি থকা ল'ৰাজাক — আ ঐ দেহি — যেন কিচিৰ্‌মিচিৰ্ কৰি থকা শালিকা এজাকহে! তাইক দেখা পাই শালিকাজাকে কোৰ্হাল কৰি উঠিল — "অ' ফী, আজি ৰাতি আমি পাৰ্টি কৰিম দেই, শুকান মাছ আছে নাই? আৰু মুৰ্গীও মাৰিব লাগিব। চমাঙে গাহৰিৰ মঙহো লৈ আহিছে।"

কৃষ্ণপক্ষৰ আন্ধাৰ ৰাতি, জিলিৰ মাতটো তল পেলাই গীটাৰৰ মাত ভাহি উঠিল। চাংঘৰটোৰ কাষতে, চোতালৰ একোণত থকা হাংমিজিৰ অকলশৰীয়া কোঠাটোৰ মজিযাত জ্বলি থকা জুইকুৰাৰ ইফালৰপৰা সিফাললৈ অস্থিৰভাৱে কঁপি থকা সোণালী ৰঙৰ শিখাবোৰ চাই চাই, চমাঙে ঢাৰীখনতে বাগৰি পৰি আছে। আজি কিমান দিনৰ মূৰত সি গাঁৱলৈ আহিল। নষ্টালজিক ভাবনাত তাৰ মনটো সেমেকি উঠিছে। শ্বিলঙৰ ছেন্ট এডমাণ্ডত পঢ়ি থাকোঁতে, জাৰকালিৰ বন্ধত সি প্ৰায়ে গাঁৱলৈ আহিছিল। চাৰি বছৰৰ আগতে, এদিন ৰাজধানী এক্সপ্ৰেছৰপৰা নামি দিল্লী মহানগৰীৰ গ্ৰেটাৰ কৈলাশৰ কাৰ্বি ভৱনৰ ডৰমেটৰিটোৰ দুৱাৰমুখত থিয় হোৱাৰপৰা আৰু সি গাঁৱলৈ অহা নাই। ডৰমেটৰিৰপৰা দিল্লী বিশ্ববিদ্যালয়ৰ নৰ্থ কেম্পাছত থকা ছেন্ট ষ্টিফেন্সৰ হোষ্টেললৈ কেইদিনমানৰ পিছতে সি গুচি গৈছিল।

"Hey Chomang-come on-dance" কোনোবা এটাই ভাক টান মাৰি নিলে।

বেটেৰি টেপৰেকৰ্ডাৰটোত বাজি উঠা হাৰ্ডৰক'ৰ দ্ৰুত উচ্ছল সুৰৰ মূৰ্চ্ছনাত ৰাতিটো যেন দুলিবলৈ ধৰিছিল। হুইস্কি আৰু ৰাইনৰ গোলাপী নিচাত ৰিম্‌ঝিম্ কৰি উঠা মাতাল শৰীৰৰ ল'ৰাবোৰে উন্মাদৰ দৰে উদ্দাম গতিত হালি-জালি নাচিবলৈ ধৰিলে। সাপৰ দৰে গা মুচৰি, মজিয়াত দীঘল দীঘলকৈ পাক মাৰি টোৰ দৰে শৰীৰটো একোবাৰ উঠা-নমা কৰি এক অপূৰ্ব লয়লাস ভংগিমাত চমাঙে নাচি নাচি, এবাৰ লেডাৰৰ জেকেটটো দলিয়াই পেলালে, তাৰ আটিল মেদহীন ঘৰ্মাক্ত শৰীৰ জুইৰ পোহৰত জিলিকি উঠিল। দিল্লীৰ ডাল ম্বুল এখনত সি ডিস্কু'থেকৰ, বলৰুমৰ বাহিৰেও বেলেগ বেলেগ দেশৰ কিছুমান ভিন ভিন নাচ শিকিছে। প্ৰথমে সি বলৰুমৰ নাচবোৰ নাচি গ'ল — ব্ৰেক, জাইভ, ৰক এন ৰ'ল, গ'গ, বুগি, ৰলজ আৰু তাৰ পিছত লোকনাচবোৰ — স্পেনিচ পলাৰ', লেটিন আমেৰিকান চাম্বা —। বিস্ময়কৰ! এটাৰ পিছত এটাকৈ অবিৰাম গতিত, সাংঘাতিক ক্ষিপ্ৰতা আৰু অদ্ভুত শৰীৰী সঞ্চালনেৰে সি নাচবোৰ ক্ৰমে নাচি নাচি গৈ আছে। একোবত, মাটিৰপৰা মাত্ৰ কেইইঞ্চিমান ওপৰত ধৰি থকা এডাল বাঁহৰ তলেৰে এটা সৰীসৃপৰ দৰে সি সৰকি পাৰ হৈ গ'ল। সিহঁতে মন্ত্ৰমুগ্ধৰ দৰে থৰ হৈ চাই থাকিল। কি আশ্চৰ্য! চমাং যেন

ক্রমে এক অপৰিচিত, কোনো অনন্য এটা মানুহলৈ ৰূপান্তৰিত হৈছে, তাৰ শৰীৰৰ সৌন্দর্য আৰু অদ্ভুত ক্ষিপ্ৰভাৱে। অবাক বিস্ময়ত ল'ৰাবোৰৰ মন অভিভূত হৈ পৰিল। আৰু শেষত, মাজনিশাৰ আন্ধাৰ কঁপাই এক অচিন দুৰ্বোধ্য সুৰ বাজি উঠিল বতাহত। লাম্বাদা!! ব্ৰাজিলিয়ান লাম্বাদা।

এনেদৰে উন্মাদৰ দৰে এটা অচিন সুৰৰ তালে তালে, আৰু এদিন চমাঙে নাচিছিল। অচ্‌লা চাঙে নামৰ অপূৰ্ব, upto date vital statistics-অৰ সেই নৃতত্ত্বৰ ছাত্ৰীজনীৰ সমুখত, এক মিড্‌নাইট ডিস্ক'থেকৰ নাচৰ মজিয়াত। তাৰ মঙ্গোলীয় মুখৰ অৱয়ব, প্ৰাচীন তেজ বৈ থকা আটিল সুঠাম শৰীৰটো তাইৰ অবাক দৃষ্টিয়ে লেহন কৰি গৈছিল। হয়, হয়, বৌচনাৰা বাগ, বুদ্ধা গাৰ্ডেন, মোগল বাদচাহৰ মকবাৰা, সাবিত্ৰী টকিজৰ "ব্লু লেগুন", কনাৰ্ট প্লেচৰ 'নিৰোলাজ' আৰু লা-ৰহেইমৰ কক্-অ'-ভিনৰ সোৱাদেৰে ভৰি থকা সেই নিবিড় ৰোমাঞ্চকৰ মুহূৰ্তবোৰৰ মাজে মাজে সেই ছোৱালীজনীৰ স'তে ঘূৰি ফুৰাৰ সময়তো সি যেন সেই অচিন সুৰৰ তালে তালে নাচিয়েই আছিল। নাচিয়েই আছিল। অবিৰামভাৱে!

চমাঙৰ স'তে তাই এইবাৰ গাঁৱলৈ আহিবই খুজিছিল। নৃতত্ত্বৰ গৱেষণাৰ বাবে সমল বিচাৰি। লগতে আৰু অলপ চেঞ্জ, অলপ ৰহস্য, অলপ বন্যতা আৰু কিছু এডভেঞ্চাৰৰ সন্ধানত। এদিন অচ্‌লাই তাক এটা প্ৰাইভেট কোম্পানিৰ মেনেজাৰৰ কাষলৈ লৈ গৈছিল। কোম্পানিটোৱে ফেশ্বন, মডেলিং শ্ব'বোৰ স্পনছৰ কৰে। মেনেজাৰজনক চমাঙৰ বাবে কিছু মডেলিঙৰ এছাইনমেণ্ট দিবলৈ তাই অনুৰোধ কৰিছিল। নীলা ফেডেড্‌ জীন্‌ছটোৰ ওপৰত তাই পিন্ধি যোৱা চমাঙৰ কাৰ্‌বি জেকেটটো এবাৰ হাতেৰে চুই চাই মেনেজাৰ চাহনীয়ে অচ্‌লাৰ গালতে টোকৰ এটা মাৰি কৈছিল — Ethnic! How beautiful! সেইদিনা সন্ধিয়াই, লিড'ৰাৰত খন্তেক বহি তাইৰ কমটোলৈ উলটি অহাৰ পাছতে অচ্‌লা চাঙেই তাক আৰু এটা চাৰপ্ৰাইজ উপহাৰ দিছিল!

বৰ্ণময় চাক্‌চিক্যৰে ভৰা এখন অন্য জগতৰ কল্পনাত বিভোৰ, উত্তেজিত চমাঙে ঘোট-ঘোটকৈ অৱশিষ্ট হুইস্কিখিনি ডিঙিত ঢালি তাৰ সেই বিশেষ নিষিদ্ধ অভিজ্ঞতাটোৰ বৰ্ণনা দিবলৈ ধৰিলে। লিড'ৰাৰৰ সন্ধিয়াটো সি এটা ব্লেক ডগৰ বটল আৰু তাই old fashioned-ৰ কেইটামান পেগ লোৱাৰ পিছত নীলাভ পোহৰৰ কোঠাটোত ঘন ঘন নিশাহৰ মজিয়াত, সিহঁতৰ শৰীৰী বিন্যাসটোৰ স্থিতিস্থাপকতাক মুনলাইট ছ'নাটাৰ চিম্ফনিটোৱে মেৰিয়াই ধৰিছিল। এটাৰ পিছত এটাকৈ সি নিষিদ্ধ মুহূৰ্তবোৰৰ সাবলীল বৰ্ণনা দি গ'ল। কেৱল, প্ৰাপ্তিৰ চৰম মুহূৰ্তৰ শেষত, অৱৰোহণৰ অলস ভাগৰুৱা আমেজত, অস্ফুটস্বৰে তাই কৈ যোৱা কথাখিনিৰ বৰ্ণনা দিবলৈ সি অসমৰ্থ হ'ল।

পাতল গুলপীয়া বস্তৰ বেডক'ভাৰখনেৰে গাটো মেৰিয়াই তাই অলসভাৱে বিছনাত পৰি থাকি তাক ৰাঘবনৰ কথা কৈছিল। চৈন্নাইত থকা ৰাঘবন এটা বৃহৎ

কম্পিউটাৰ ফাৰ্মৰ মেনেজাৰ। তাৰো এক নিজস্ব ষ্টাইল, নিজস্ব বৰ্ণভিজন আছে। এইযে টেম্বাছুত বাঘবন থাকে, অহৰ্নিশে অবুৰন্ত পৰিশ্ৰম কৰে, তাতভো সি নিশ্চয় বিলাসচেচনৰ বাবে অনবৰতে ঘৰতে শুই-বহি 'বাৰ এণ্ড পিচ' বা 'সঞ্চয়িতা' পঢ়ি পঢ়ি কটাই নিদিয়ে। তজ্বজীয়া সেই সুঠাম পুৰুষ বাঘবনে তাত সময়বোৰ কেনেদৰে কটায়, সেয়া তাই নিশ্চয় নিৰ্ধাৰণ কৰি দিব নোৱাৰে। দিয়াটো সম্ভৱ বা উচিতো নহয়। "But, yes, though he is my fiancee!" মুঠতে বাঘবন আৰু তাইৰ মাজত সেই বুজা-পৰাখিনিৰ প্ৰয়োজনীয় কথাবোৰ তাই লাহে লাহে তাক কৈ গৈছিল সেইদিনা। কোনেও কাৰো অধিকাৰ খৰ্ব নকৰা, আৰু নিজস্ব অধিকাৰ আৰু দাবীবোৰৰ বিষয়ে প্ৰশ্ন নকৰাৰ সেই চুক্তিখনৰ কথা। এনে ধৰণৰ অদ্ভুত চুক্তি এখনৰ ভাষা, অনুচ্ছেদ আৰু উদ্দেশ্যক অনুধাৱন কৰাৰ মানসিক স্তৰ আৰু চিন্তাৰ দৈৰ্ঘ্য, তাৰ চাৰিওকাষে বহি থকা এই সহজ-সৰল ল'ৰাবোৰৰ এতিয়াও হোৱা নাই। চিন্তাৰ সেই বিন্দুটো পাবলৈ সিহঁতে আৰু অলপ ভণ্ডামি আৰু আত্মকেন্দ্ৰিকতাৰ হিচাব-নিকাচ কৰিবলৈ জানিব লাগিব।

"বাহ্ তাই তোক বিয়া কৰাব, কি লাক!"

চমাণ্ডে একো উত্তৰ নিদিলে। উত্তৰটো দিবলৈ গ'লেই সিহঁতক চাৰমনাইজ কৰিবলৈ যোৱা হ'ব। এটা পেডাণ্টৰ দৰে। আঁক-বাঁক অজস্ৰ পাক লগা সূতাৰ আউল ভাঙিবলৈ গ'লে, কেতিয়াবা সূতাডালেই ছিঙি যোৱাৰ সম্ভাৱনা থাকে। এতিয়া কোনো বস্তুৰেই নিৰ্দিষ্ট পৰিমাপেৰে নিৰ্ণয় কৰিব পৰা নিশ্চিত সংজ্ঞা হৈ থকা নাই। কথাটো অসম্ভৱ হৈ পৰিছে। 'এছিয়ান এজ' নামৰ বাতৰি কাকতখনৰ দেওবৰীয়া পৰিপূৰিকাত প্ৰকাশ হৈ থকা সেই what's in– what's out শিতানটোৰ দৰে। প্ৰতি সাতদিনৰ মূৰে মূৰে in বোৰ out, out বোৰ in!

"তই তাৰমানে আৰু উলটি নাহ, তাতেই থাকি যাবি? কিন্তু কথাবোৰ ইমান সহজনে? যেন গাহৰি ভাজি থৈ দিছে, গৈ মুখত ভৰাই দিলেই হ'ল —" কলপৰৰ মূৰত হাংমিজিয়ে সুধিলে। সেইযে এসময়ত সিহঁতে কিছুমান কাম কৰিম বুলি ভাবিছিল, গাঁৱখনৰ কাৰণে, ঠাইখনৰ কাৰণে, মানুহবোৰৰ কাৰণে, সৰু সৰু কাম কিছুমান — পুৰণি সেই কথাবোৰৰ কথাটোও চমাণ্ডক সুধিবৰ ভীষণ ইচ্ছা হৈছিল হাংমিজিৰ। কিন্তু সি মনে মনে থাকিল।

"ব'ৰ নকৰিবি হাংমিজি — কোনে কৈছে সহজ বুলি, আজিকালি K.G.ৰ বাচ্ছায়ো জানে — survival of the fittest, চেষ্টা কৰিব লাগিব। কিন্তু তোৰতো সেই ইচ্ছাটোও নাই। কিমান এটা ডাঙৰ এচিভমেণ্ট হ'ব — আমাৰ লগৰে এটাই মিলিন্দ চুমন, মাৰ্ক ৰবিনচনৰ লগত গ'জ দিব, সি কি ইয়াত পচি থাকিব লাগে? তই এটা চিনিক চয়তান — আচলতে তোৰ কমপ্লেক্স হৈছে, তই জলিছ, চমাণ্ডে ইমান হাই-ফাই বস্তু এটা মৌজ কৰিব পাৰিছে — ইকালে চাবি — ৰাতি সি তাইৰ কথা ভাবি ভাবিয়েই সেই কামটো কৰিব —" দোবোল খোৱা জিভাৰে চেমচনে কৈ গ'ল।

লাহে লাহে জুইকুৰা নুমাই আহিল। ফুটছাইবোৰৰ মাজে মাজে কেৱল ফিৰিঙতিবোৰ জ্বলি থাকিল। আৰু উহুৰৰ শেষত ক্লান্ত খোজেৰে ঢলং-পলংকৈ ল'ৰাজাক আন্ধাৰৰ মাজেৰে উলটি গ'ল। নিজম নিস্তব্ধ ৰাতিৰ গভীৰতাক আৰু বাংময় কৰি জিলিৰ মাতটো বাজি থাকিল। মাজে মাজে হুদু এটাই আটাহ পাৰি উঠে।

বাঁহ চাঙত অকলশৰে পৰি থকা হাংমিজিৰ টোপনি অহা নাই। ধুঁৱলি-কুঁৱলি চিন্তাৰ গধুৰ গধুৰ পাকলগা কিছুমান দ্বিধা-দ্বন্দ্বৰ বোধৰ টনা-আঁজোৰাত সি আকৌ সেই দুই মেৰুৰ মধ্যবিন্দুত অস্থিৰ খোজেৰে থিয় দিছে। দুই মেৰুৰ মাজৰ দৈৰ্ঘ্যৰ শূন্যতাত ৰছী টনা খেলৰ গাঁঠিটোৰ দৰে দুটা বিপৰীত শক্তিৰ টনাটনিত সি ক্ৰমে বিধ্বস্ত হৈ পৰিছে। এটা মেৰুত, সেই নীৰৱ নৈসৰ্গত ৰৈ থকা তিৰোতাজনী, তাইৰ নিচুকনি গীতবোৰ, চমাংকান মুছেৰাকেছিৰৰ পৱিত্ৰ মন্ত্ৰৰে অৰণ্য আৰু পাহাৰবোৰৰ মাজত এটা প্ৰাচীন জনগোষ্ঠী, যি ক্ৰমে বিবৰ্তিত হ'ব ধৰিছে এক অন্য সংমিশ্ৰিত ৰূপলৈ অথবা কোনো পৰ্যটন কোম্পানিয়ে প্ৰস্তুত কৰা বিশেষ আঁচনিৰ প্ৰতিলিপিত, যি ক্ৰমে হৈ পৰিব এক পণ্য Commodity আৰু — আৰু — এনে অনেক ধূসৰ ছায়াছবি —। আৰু তাৰ আনটো মেৰুত, ধাতৱ চিক্‌মিকনি, বৈদ্যুতিক পোহৰ, আৰু ইলেক্‌ট্ৰনিক চিম্ফনিৰ উচ্ছলতা আৰু চাক্‌চিক্যৰে ভৰা এক যান্ত্ৰিক দৃশ্যাৱলীৰ উজ্জ্বল ৰঙীন ছায়াছবি।

লাহে লাহে এটা অচিন সুৰৰ লহমাত যেন সিয়ো নাচিবলৈ আৰম্ভ কৰিছে। আৰু সেই সুৰটোৱে তাক তাৰ মধ্যবিন্দুৰ স্থিতিৰপৰা এটা মেৰুৰ চিক্‌মিক্ পোহৰৰ মাজলৈ টানি নিবলৈ ধৰিছে—।

ধুঁৱলি-কুঁৱলি চিন্তাৰ পাক লগা টনাটনিৰ মাজত ওৰে নিশা সাৰে থকাৰ পিছত, শেষ ৰাতি তাৰ টোপনি আহিল। আৰু সি এটা সপোন দেখিলে —

দুটা পথৰ আলিদোমোজাত, এটা পাহাৰৰ নামনিত সি ৰৈ আছে। এটা বাট সোঁফালে গৈছে, আনটো বাওঁফালে। এনেতে ভগ্ন দোতাৰাৰ কেঁপনিৰ দৰে এটা করুণ সুৰ ভাহি আহিছে।

তাৰ ঘাইজনীয়ে ক'ৰবাৰপৰা কাচাৰ্হেৰ কিননিৰ সুৰত যেন ধীৰে ধীৰে গাইছে—

"হে পৱিত্ৰ আত্মা,
তুমি গৈ গৈ মুকিন্দন পাহাৰটো পাবা
তাৰ নামনিতে দুয়োফালে দুটা বাট
বাঁওফালে নেযাবা
বাঁওফালে নেযাবা
সোঁফালে নৰকৰ বাট —"

দলঙৰ ওপৰৰ কথোপকথন

Being pregnant is like crossing a narrow bridge. People can accompany you to the bridge. They can greet you on the other side. But you walk that bridge alone.

– African Proverb.

দলংখনত ভৰি দিয়াৰ লগে লগেই গধুৰ গধুৰ অতিকায় ডেউকা দুখনেৰে তাই ধপ্ধপাই উঠিল। বহুদিন হ'ল — ডেউকাত ঘন আন্ধাৰৰ হেন্দোলনি তুলি হাৰ্পি নামি অহাৰ। বুকুৰ জঁয়াল খোৰোঙত বাহ সাজি লোৱাৰ। ... বুকুত হেঁচা দি হাৰ্পি। হাৰ্পি উমনিত বহে। কণীবোৰ পুৰঠ হয়। ভয় আৰু শংকাৰ কণী। কণী ফুটে। ভয়ৰ পোৱালি জগে। জগি উঠা ভয়ৰ পোৱালিহঁতৰ আৰাওৱে গোটেইখন তালফাল লাগে ...

মনত আছে — দেওপানীৰ দেৱীদৌলৰ সেই সন্ধিয়াৰ কথা? দেৱীদৌলৰ আঙিনাৰ সেই প্ৰাচীন বটবৃক্ষৰ কথা? সহস্ৰ ফণা মেলি থকা বাসুকীনাগৰ দৰে বটবৃক্ষৰ সেই শিপাবোৰৰ কথা? শিপাৰ সেই সহস্ৰফণাৰ জালত যে ধৰ্ফৰাই সেইদিনা এজাক চৰায়ে আৰাওৰ ঘূৰ্ণি তুলিছিল! মনত আছে? কালৰ কণ্ঠুৰ ভেদি চিৰকালৰ বাবে চেতনাত বাহৰ পাতি বৈ যোৱা সেই ঘূৰ্ণিৰ কথা? বাইদেউৰ বিয়াৰ বাবে দেৱীদৌললৈ আগ কৰি থোৱা চাকিগছি জ্বলাবলৈ আমি আইৰ স'তে সেই দেৱীথানলৈ গৈছিলোঁ। ৰঙা কৌপিন পিন্ধা এটি জটাধাৰী বাবাজীয়ে ধুনি জ্বলাইছিল। বাবাজীৰ চকু দুটাত দপ্দপাই জ্বলি উঠা সেই ধুনিৰ জুইকুৰা — মনত আছে? আৰাওৰ ঘূৰ্ণিটোলৈ আঙুলি টোঁৱাই সেই জটাধাৰীয়ে যে আত্ৰাহি উঠিছিল — জগৎ নিৰাকাৰ — সংগুৰু নিৰাকাৰ—

দলংখনত ভৰি থোৱাৰ পৰাই চেতনাত বাহৰ পাতি থকা সেই ঘূৰ্ণিৰ আৰাও উজাই আহিছে। আৰু সেই ঘূৰ্ণিক সংগত কৰিছে ভয়ৰ পোৱালিহঁতৰ চিএৰে। সহস্ৰফণা মেলি সেই ভয়ৰ মাতবোৰে যেন দুভৰি জগটিয়াই ধৰিছে। এয়া ... এয়া কোন দলঙত ভৰি থ'লোঁহি? কি এই দলং? এটি, দুটি, নটি কালস্তম্ভৰে সজোৱা? বাস্তি মাজ নে

কাহিলিপুৰা? দুৰ্ঘটনাৰ পম খেদিহে আহিলোঁনে? নে অচেতনত খাপ পাতি থকা ইন্দ্ৰিয়বোৰৰ হাত ধৰি আহিলোঁ? দলংখনত ভৰি দিয়াৰ পৰাই নাভিৰ তলত এটা ধপ্‌ধপনিয়ে অবিৰাম হাতুৰী কোবাইছে — কিবা এটা উঠিছে — নামিছে, কিবা এটা তৰল — কিবা এটা গোটা। পঞ্চভৌতিক তত্ত্বৰে জ্বলি উঠা কিবা এটা। গন্ধ-স্পৰ্শ-স্বাদৰ অতিসংবেদী হেজাৰখন ইন্দ্ৰিয়জ জিভাৰে সি মোক লেহন কৰিবলৈ ধৰিছে। আৰু, আৰু মোৰ ভিতৰতে স্ফীত হৈ উঠিছে এক লুণীয়া পানীৰ হ্ৰদ — আৰু সেই পানীৰ বিছনাত খল্‌খলাই উঠিছে এটি কণমানি গুলপীয়া মাছ।... যিমানেই খুপি খুপি আগুৱাইছোঁ একাকীত্বৰ এই দলংডেদি, যিমানেই ওফন্দি উঠিছে সেই লুণীয়া হ্ৰদৰ জলৰাশি, যিমানেই উচ্ছল খলখলনিৰে সেই জলৰাশিত ঢৌ খেলি উঠিছে সেই কণমানি জীৱন্ত মাছ — সিমানেই মই হৈ পাৰিছোঁ চেঁচা। বৰফৰ দৰে চেঁচা — আৰু জঠৰ। কাৰণ, ঘূৰ্ণিৰ সেই আৱাৰে তাকো বুৰাই পেলাব বুলি, হাৰ্পিৰ পোৱালিহঁতে তাকো খুঁটিয়াই নেফানেফ কৰি পেলাব বুলি মই অভ্যন্তৰৰ অতল তলিলৈকে কঁপি উঠিছোঁ...

ঃ উসঃ কি আচৰিত, কি আচৰিত। এই দলংডত ভৰি থৈ আন কোনোবা এনেকৈ চেঁচা পৰি গৈছেনে বাৰু? আনন্দ আৰু উত্তেজনাত পকা ডালিমৰ দৰে ফাটি পৰাহে দেখিছোঁ। তেনে ভয়ৰ পোৱালিবোৰে কিয় আটাহ পাৰে তোৰ ভিতৰত? কিয় বাৰে বাৰে তোৰ ভিতৰতে জগি উঠে হাৰ্পিৰ পোৱালি? প্ৰথম কেতিয়ানো জগিছিল সেই হাৰ্পিৰ পোৱালি?

ঃ জানো—কি চন, কি বাৰ আছিল সেইদিনা। সি আছিল এটা পুৰণি দিন। তেতিয়া সময় বৰ বেলেগ আছিল অ'। দিন-দুপৰতে নঙলাত দাং, দুৱাৰত শলখা দিবলৈ কোনেও শিকা নাছিল। কাৰণ, সময়বোৰ আছিল নিশ্চিন্ত। নিৰাপত্তাৰ উমাল নিহালিত চকু জাপ খাই থকা। আচলতে — চাৰিওকাষৰ পাহাৰবোৰ, শাৰী শাৰী চেগুন আৰু সৰলৰ মাজেৰে সৰকি অহা পোহৰ আৰু বতাহবোৰ, হেজাৰটা নক্ষত্ৰৰ গঁজালেৰে নিকপ্‌কপীয়াকৈ ধৰি ৰখা আকাশখন, দূৰৈৰ পৰা ভাহি অহা কাথাৰাতি, দুইতাৰাৰ সুৰ আৰু শিয়াল-হুদুৰ ৰহস্যময় বৃন্দগান — এই সকলোবোৰে সময়ক এক নিৰাপত্তাৰ নিহালিত শুৱাই থৈছিল। তাৰেই ছাঁত আছিল আমাৰো ঘৰ। তাৰেই চোতালত আমি নিশ্চিন্ত মনে হৈ-চৈ হাঁহি-খিকিন্দালি কৰি থাকোঁতেই — হঠাৎ সেয়া কিহৰ গুম্‌গুমনি উঠিছিল? জুইত বাঁহ ফুটাৰ ফট্‌ফট্ শব্দ, এজাক গৰুৰ হেম্বেলনি, ঘোঁৰাৰ হেঁহনিৰ দৰে পিতাৰ বিকট চিঞৰ। অমৰা, চন্দ্ৰিনা, তিতাচম্পাৰে গিজ্‌গিজাই থকা আমাৰ বাৰীৰচুকৰ গোহালিঘৰটো দাউ দাউকৈ জ্বলি উঠিছিল, খুঁটাকেইটাৰ চাৰিওফালে পাক লাগি লাগি মূৰ আফলিয়াইছিল কাজলী আৰু কাজাই, পোৱা মণ্ডহৰ কেচেমাকেচেম্ অকটা গন্ধৰ স'তে আঁট খাই বতাহত চেণ্ডালুটি পাৰি উঠিছিল এটি জ্বলন্ত জুইৰ পিণ্ড — কাজলীৰ গুধবগা ধকৃধকীয়া পোৱালি ফুটুকা। গোহালিৰ কাষতে জক্‌মকাই ফুলি

থকা কপাহভৰাৰ কপাহবোৰ হৈ পৰিছিল একো একোটা জ্বলন্ত অগ্নিপিণ্ড — কৃষ্ণবৰ্ণ আকাশৰ সেই আন্ধাৰ বাত্তিৰ কেন্দ্ৰাংশত, দপ্‌দপাই জ্বলি উঠা এনে অজস্ৰ অগ্নিপিণ্ডৰে কপাহগছবোৰ যেন ৰূপান্তৰিত হৈছিল একো একোগছি অতিকায় দীপাধাৰলৈ — যেন বিধ্বংসৰ সেই যজ্ঞৰ বাবেই প্ৰজ্বলিত হৈছিল সেই শাৰী শাৰী দীপাধাৰ! উসঃ — বিধ্বংসৰ এনে অবিস্মৰণীয় ৰূপৰ স'তে সেয়াই আছিল আমাৰ প্ৰথম সাক্ষাৎ। তেনেতে যোচেফ বাৰ্লোকায়ে খোঁপাই-জোঁপাই দৌৰি আহি পিতাক কৈছিলহি — সৌ পাহাৰৰ এটলীয়ায়েদি কোনোবা দুটামানক দুপদুপাই নামি যোৱা দেখিছোঁ ...

আমাৰ গোহালিটো পুৰি ছাৰখাৰ হোৱা ঘটনাটো আছিল অনাগত দিনত নিৰন্তৰে চলি থাকিব লগা এখন অন্তহীন ভাওনাৰ প্ৰথম আখৰা। দৰাচলতে, গোহালিৰ ভগ্নস্তূপটো আছিল সেই ভাওনাৰ সূত্ৰধাৰসকলে আমাক আমাৰ পাহাৰবোৰ চিৰদিনৰ বাবে ত্যাগ কৰিবলৈ দিয়া এক প্ৰতীকী নিৰ্দেশনা। তেওঁলোকৰ মতে সেই পাহাৰবোৰত আমাৰ কোনো মালিকীস্বত্ব নাছিল। মালিকীস্বত্ব সাব্যস্ত হয় জন্মৰ অধিকাৰতহে — হৃদয়ৰ অধিকাৰত নহয়। সেই প্ৰতীকী সূচকবোৰৰ অৰ্থ পাঠোদ্ধাৰ কৰাৰ লগে লগেই — অ, লগে লগেই — ডেউকাত ঘন আন্ধাৰৰ হেন্দোলনি তুলি হাৰ্পি নামি আহিল — বুকুৰ জঁয়াল খোৰোঙত বাহ সাজি নিগাজিকৈ বহিল — এটা কণী পাৰিলে — আৰু সেই কণী ফুটি ধপ্‌ধপাই উঠিল হাৰ্পিৰ প্ৰথম পোৱালি — হয়, তেতিয়াই — ঠিক তেতিয়াই উপজিল ভয়ৰ প্ৰথম পোৱালি! আৰু — আমি চিৰদিনৰ বাবে হেৰুৱালোঁ আমাৰ পাহাৰবোৰ — আমাৰ সুতিকাঘৰ, আমাৰ ভেটি, সত্বাৰ ভূমি। কেতিয়া ক'ত কেনেকৈ নিশ্চিন্ততাৰ সেই নিহালিখন সন্দেহৰ নিগনিবোৰে নেফা-নেফ কৰি পেলালে, কেতিয়া ক'ত কেনেকৈ প্ৰেমৰ বিছনাত ঘৃণা আৰু জিঘাংসাৰ উৰহবোৰে পিনাপিন দিবলৈ ধৰিলে — আমি গমেই নেপালো অ'। তাৰপাছত? অ' — তাৰপাছত— হেৰাই যোৱা সৌবোৰ পাহাৰ, জিলিৰ মাত, দোতাৰাৰ ৰেপনি মৃতভৰাৰ মৰাশবোৰ কান্ধত কঢ়িয়াই ফুৰিছোঁ — কঢ়িয়াই ফুৰিছোঁ খোৰোঙত বাহ সাজি থকা হাৰ্পিৰ পোৱালিইঁতক। কঢ়িয়াই ফুৰিছোঁ সেইবোৰ চকুৰ স্মৃতিক — পকা অঙঠাৰ দৰে সেইবোৰ চকুৰ স্মৃতিক। কোনে জ্বলাই থৈ গ'ল এইবোৰ পকা অঙঠা? কোনে? তেওঁলোকে নেকি — যি আমাৰ আগতে এই পাহাৰ বগাইছিল? তেওঁলোক, আমাৰেই পূৰ্বজ যি — তেওঁলোকেই অবিশ্বাসৰ শিলবোৰ ঘঁহিয়াই ঘঁহিয়াই সেইবোৰ জুই জ্বলাই গ'ল নেকি? পাহাৰৰ কেঁকুৰিত পেলাই থৈ গ'ল তেওঁলোকে ভোগ কৰা নিষিদ্ধ ফলৰ বীজ আৰু অজস্ৰ পাপৰ সাঁচ? সেইবোৰ সাঁচেই গজি-বাঢ়ি বিস্তাৰি দূষিত কৰি পেলালে নেকি আমাৰ পাহাৰবোৰ, অৰ পবিত্ৰ বতাহ আৰু পোহৰবোৰ? যুগেই যুগে আমাই ৰক্ষা কৰি থকা সেই পাহাৰবোৰ পোহৰাই তোলা সৌবোৰ জকমক বগা-গুলপীয়া চেৰী ফুল! বিলাতী নৰা বগৰী আৰু সুমিষ্ট নাচপতিবোৰ! ক'ত — সেই গছবোৰোতো

আহিছিল সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা। অথচ কেনেদৰে নিমিষতে আপোন কৰি পেলালে পাহাৰবোৰক। কিয় আমাৰ পূৰ্বজসকলো হ'ব নোৱাৰিলে একোপাহ চেৰীফুল? নৰ্ত্তকী আৰু নাচপতিবোৰ? পিতা-প্ৰপিতামহসকলৰ পাপৰ বোজা আমি লাভ কৰোঁ উত্তৰাধিকাৰে। যেনেদৰে আদিমাতা ইভৰ পাপৰ বোজা এতিয়াও আমি কঢ়িয়াই ফুৰিছোঁ আমাৰ কান্ধত ...। উত্তৰাধিকাৰসূত্ৰে লাভ কৰা এইবোৰ পাপৰ বোজা তোৰ কান্ধলৈকো নিক্ষেপিত হ'ব নেকি? পকা অণ্ঠাৰ দৰে সেই দৃষ্টিয়ে তোকো লেহন কৰিব নেকি? আশংকাত মোৰ ভিতৰতে আৰু এটা কণী ফুটে, আৰু এটা ভয়ৰ পোৱালি জগে। হাৰ্পিৰ পোৱালি। কাৰণ — ঘৃণা সংক্ৰামক। ভয়ৰ দৰেই। পাৰ্থেনিয়ামৰ দৰে বৰ সহজতে অতি দ্ৰুতভাৱে বাঢ়ি আহে ঘৃণাৰ সাঁচ। আৰু বিহমেটেকাৰ দৰে ঢাকি পেলাই পানীৰ স্বচ্ছপৃষ্ঠ। কিমান দেখিলোঁ — বিহমেটেকাই ঢাকি পেলোৱা সেউজীয়া পুখুৰী — ঘৃণাৰ জাবৰে পুতি পেলোৱা একোখিনি জীৱন্ত ভৰলু। ক'ত দেখিছিলোঁ? পল্টন বজাৰৰ বাছষ্টেণ্ডত জঠৰ হৈ পৰি থকা সেই এঙেৰুৱা শৰীৰবোৰত? তাৰে কোনোবা এজনৰ মৃত ওঁঠত যে এটা ভাত লাগি আছিল। নে বিশ্বটোৰ স্কেলত লাটুৰৰ ভুঁইকঁপতকৈ তীব্ৰ জোকাৰণিৰে নামি অহা মাৰৰাৰৰ সেই বাতিৰ ৰেলৰ ভূমিকম্পত? এজাক হতচকিত চকুৰ সমুখতে ত্ৰিশূলধাৰীহঁতে অকস্মাতে চোঁচৰাই নি ৰেলৰ ধাতৱ পটাত গতিয়াই পিহি পেলোৱা হামিদ ভাইৰ শৰীৰৰ সেই লপ্‌থপ্ ৰঙা মাংসপিণ্ডত? ... লপ্‌থপ্ এটা ৰঙা মাংসপিণ্ডলৈ পৰিণত হোৱাৰ অলপ আগতে হামিদ ভায়ে সিহঁতলৈ আগবঢ়াই দিয়া আখৰোট আৰু বাদাম চোবাই চোবাই সেই ত্ৰিশূলধাৰীহঁত জঁপিয়াই মিলি গৈছিল আন্ধাৰ ৰাতিৰ গহ্বৰত। মাৰৱাৰ পাৰ হৈ ৰাতিৰ সেই ৰেল আন্ধাৰ ফালি ফালি গৈ আছিল অনিশ্চয়তাৰ এটি ষ্টেচনলৈ। আৰু — ওৰেটো বাট হাৰ্পিয়ে পাৰি গৈছিল এটা-দুটা-অজস্ৰটা ভয়ৰ পোৱালি ... এৰা — ৰাতিৰ সেই ৰেলৰ দৰেই যেন ভয় আৰু শংকাৰ অজস্ৰ অন্তহীন ভৰাৰে এতিয়া ভৰি পৰিছে আমাৰ জীৱন ... ভয় আপোন পাহাৰ আৰু নদীবোৰ চিৰকালৰ বাবে হেৰাই পেলোৱাৰ ভয়, পোৰা অণ্ঠাৰ দৰে দৃষ্টিয়ে চেলেকি ছাই কৰি দিয়াৰ। চাৰিওফালে ক্ৰমে বাঢ়ি অহা অলংঘনীয় দেৱালবোৰৰ ভয় — আৰু — আৰু এই সকলোবোৰ ভয় তোলৈ সংক্ৰমিত হোৱাৰ ভয়। আসঃ — যেন এতিয়াই ভয়ৰ পোৱালিহঁতে তোক জপটিয়াই ধৰিব। যেন এতিয়াই হাৰ্পিয়ে তাৰ সবাতোকৈ বৃহৎ কণীটোৰ উমনিত বহিব যি কণী ফুটি জাগিব সবাতোকৈ অতিকায় ভয়ৰ পোৱালি।

ঃ সবাতোকৈ ডাঙৰ ভয়ৰ পোৱালি? কি সি? ক'ত গজে তাৰ বীজ? কোনে কৰ্ষণ কৰে তাক?

ঃ সবাতোকৈ ডাঙৰ ভয়ৰ পোৱালিটি জগে মানুহেই নিৰ্দ্ধাৰণ কৰা দেহজ সংৰচনাৰ পৰিসীমাত। কোনো ঊৰ্দ্ধদৈহিক চেতনাৰ [illegible]নাত নহয়। তাক সাৱণানী

বতাহৰ যোগান ধৰে কেতবোৰ গতিহীন আওপুৰণি চিন্তাৰ সুঁতিয়ে। মৰনৈ মৰাসুঁতিৰ ৰূপ লোৱা চিন্তাৰ এই ধাৰাই পোৱালিটিক আধান দিয়ে, তাকে খাই ঠন ধৰি উঠে তাৰ কায়া ... বাৰু কচোন — সত্তাৰ কোনো পৰিমাপক দণ্ড থাকেনে? আৰু দেহ হ'ব পাৰে নেকি সেই সত্তাৰ পৰিমাপক দণ্ড? নাই। সত্তাৰ কোনো দেহ, কোনো লিঙ্গ নেথাকে। কিন্তু পৃথিৱীৰ মঞ্চত যেতিয়া সত্তাই দেহজ পোছাক পিন্ধি প্ৰৱেশ কৰে, তাৰ অৱস্থিতি নিৰূপণ কৰে লিঙ্গই। আত্মাৰ ওজন লোৱা হয় দেহৰে। হয় — কি আচৰিত, কি আচৰিত! দেহশিল্পৰ তত্ত্বৰে নিৰ্মিত হয় সত্তাৰ অৱস্থিতি — দেহজ পৰিমাপৰে জোখা হয় সত্তাৰ উচ্চতা! ... যদি, যদি তোৰ শৰীৰেও মঞ্চ প্ৰৱেশৰ কালত পৰিধান কৰি লয় মোৰ দেহজ অনুৰণনক? যদি তোৰ শৰীৰতো গজি উঠে দুটা নাচপতি? এটা শংখফুল? হে ঈশ্বৰ! তেতিয়া মোৰ দৰেই তয়ো খোজ কাঢ়িব লাগিব নেকি সৌবোৰ অসূয়া বাটেৰে? তোৰ শৰীৰলৈয়ো বগাব নেকি সৌবোৰ কুমজেলেকুৰা? তোৰো বাটত ফান্দ পাতি ৰ'ব নেকি সৌবোৰ অজস্ৰ দেহজ প্ৰলোভনৰ গাঁত? আৰু এদিন— একাকীত্বৰ এই দলঙত ভৰি দি মোৰ দৰে তয়ো চেঁচা হৈ পৰিবি নেকি? ... এতিয়া মই কি কৰোঁ? ভয়ৰ এই পোৱালিহঁতৰ আৱাওৰ পৰা কেনেকৈ ৰক্ষা কৰোঁ তোক? কেনেকৈ?

ঃ মোক ৰক্ষা কৰিবৰ বাবে আৱাওৰ সেই ঘূৰ্ণিৰ পৰা আগতে তই নিজে মুক্ত হৈ ল'ব লাগিব। দেখিছোঁ — ক্ৰমশঃ চেঁচা হৈ পৰা তোৰ শৰীৰ — ৰ'দ কাহানিও চুই নোপোৱা শিলৰ তলৰ ঘাঁহৰ দৰে শেঁতা-সেমেকা তোৰ মুখ। এইটো চেঁচা শৰীৰেৰে — এইখন শেঁতা মুখেৰে তই কেনেকৈ ৰক্ষা কৰিবি মোক? তোৰ পৰা বিচ্ছিন্ন হৈ যোৱাৰ লগে লগেই চৌপাশৰ বীজাণুবোৰে আক্ৰান্ত কৰিব বুলি তোৰ ভয়—। কিন্তু তোৰ ভিতৰতো দেখোন অজস্ৰ কিল্‌বিল্ ভয়ৰ বীজাণু! কিয় তই লালন কৰিছ সিহঁতক? কিয় কঢ়িয়াই ফুৰিছ কেৱল ভয়ৰ স্মৃতি? ভয়ৰ পোৱালি? ... এতিয়া তই এই দলঙত — চেতনাৰ জলস্ৰোতত চাচোন এবাৰ নিজৰে প্ৰতিবিম্ব—। চা এবাৰ নিজৰ ভিতৰলৈ — দ, গভীৰ এন্ধাৰ নাদ এটাৰ ভিতৰলৈ জুপি জুপি চোৱাৰ দৰে। দেখিছ — অজস্ৰ অতিসংবেদী অনুভূতিৰ তাঁৰেৰে তই কেনেদৰে ঘনে ঘনে তৰঙ্গিত হৈ উঠিছ। তোৰ ইন্দ্ৰিয়জ চেতনা হৈ পৰিছে তীক্ষ্ণ—ক্ষুৰধাৰ—। সকলোবোৰ বিশুদ্ধ, খাটি — বেছিক সাৰাৎসাৰৰে তই চেতনাৰ আদিম স্তৰৰ মজিয়াত থিয় হৈছগৈ—। নাঃ — এয়া কোনো 'মিথিক ফেমিনাইনৰ' সংজ্ঞা নিৰ্মাণৰ প্ৰয়াস নহয় — না কোনো শৰীৰী ৰহস্যবাদিতাৰ আচ্ছাদন — অথচ, ফুঃ মাৰি উৰৱাই দিব পৰাকৈ নিচক হৰম'ন নিঃসৰণৰ এক ব্যাপাৰো নহয়—। তেন্তে এইবোৰ কি? সদ্যহতে বিশ্লেষণ বিতচকুবোৰ খুলি কেৱল অনুভৱ কৰ বিচিত্ৰ এই সকলো অনুভূতি—ভাৱনা—ভংগিমা—যি ক্ৰমশঃ তোক আচ্ছাদিত কৰিবলৈ ধৰিছে ... । হয়, বচা বচা মহিমাময় শব্দৰে মিষ্টিফিকেচনৰ আভৰণ তৰি এই সমস্ত প্ৰক্ৰিয়াক কেৱল আনন্দ আৰু গৌৰৱহেৰ্ণ দিয়া হয়। সেই প্ৰবিফাইড শব্দগুচ্ছৰ

আভৰণ ভেদি দেহ-মনৰ সংগোপনত ক্ষণে ক্ষণে ভক্‌ভকাই জ্বলি উঠা জ্বালাৰ কণ্ঠস্বৰবোৰ — পানীৰ ডোঙাত ওফন্দি খেন্দাকাৰ দিয়া যন্ত্ৰণাদগ্ধ আঙুলিবোৰৰ জঠৰ গেঙনিবোৰ — দ্বিতীয় অস্তিত্বই আগ্ৰাসী অনা প্ৰথম অস্তিত্বৰ অনুচ্চ কেঁকনিবোৰৰ মাত শুনা নেবায়। তথাপিও, অ-তথাপিও সেইবোৰ গেঙনি, সেইবোৰ দগ্ধ মাতৰ জপনা দেই এবাৰ অনুভৱ কৰচোন — অতিসক্ৰিয় হৈ উঠা তোৰ ইন্দ্ৰিয়জ — অতিইন্দ্ৰিয়জ চেতনাৰে অনুভৱ কৰ — কেনেদৰে পৃথিৱীৰ সমস্ত গন্ধবোৰ সাৰ পাই উঠিছে — কেনেদৰে সৰস হৈ উঠিছে সকলো স্পৰ্শানুভূতি — কেনেদৰে বাঢ়িব ধৰিছে তোৰ ভোকবোৰ — আগ্ৰাসী জিভাৰ ৰসনা—। দূৰ ৰাজপথৰ দাঁতিৰ দেৱালৰ তলত ডোঙা বন্ধা পেচাবৰ গন্ধ অথবা নিশিগন্ধাৰ মৃদু সুবাস — এইঁ গোন্ধবোৰৰ এক অনায়াস তাৎক্ষণিক স্কেভেঞ্জাৰ হান্টৰ বাবে এয়া তই হৈ পৰিছ সিদ্ধহস্ত — মাওফ্লাঙৰ শেলাই ধৰা শিলৰ গাত গালখন আকৌ এবাৰ হেঁচি ধৰিবলৈ তই হৈ পৰিছ উদ্‌গ্ৰীৱ — আৰু তই উদ্‌বাউল হৈছ কুমাৰৰ চাকত পেৰি উলিওৱা মাটিৰ মলাবোৰ চোবাবলৈ — জুইত পুৰি ভকুৰা হৈ উঠা সিহঁতৰ মহমহীয়া গন্ধটো নাকেৰে উজাবলৈ—! আচলতে, এইবোৰ অনন্য স্বাদ-গন্ধ-স্পৰ্শই তোক জীৱনৰ সেই অন্য ঠিকনাৰ বাৰ্তা দিছে — যাক তই পাহৰি গৈছ — যাক তই কাহানিও সন্ধান কৰা নাই। এয়াই জীৱনৰ সাৰাৎসাৰ। জীৱনৰ সত্য। জীৱনৰ এন্টিবডি — যি এন্টিবডিৰে ভয় আৰু শংকাৰ বীজাণুবোৰ প্ৰতিহত কৰিব পাৰি। এবাৰ কাণ পাতি শুনচোন। শুনিছনে — সৈন্যবোৰে বাহৰ পাতিছেহি তোৰ পঞ্চভৌতিক জিভাত, চকুত, ছালত, স্তনৰ চূড়াত। সিহঁতৰ তম্বুৰ নিচাল আধিভৌতিকতাৰ আকাশ খিয়াই কঁপিছে ... এতিয়া বোধৰ পোহৰৰ জোঁৰৰে চেতনা আৰু স্মৃতিৰ আন্ধাৰবোৰ চলাথ কৰি বুটলি আন জীৱনৰ খনিজ — স্মৰণ কৰ সকলোবোৰ শুভ-পৱিত্ৰ-সুন্দৰ স্বাদ-স্পৰ্শ-গন্ধক- যি তিলে তিলে গঢ় দিছিল জীৱনৰ সত্যক। স্মৰণ কৰ ৰঙমিমপ্ৰান্তৰ সেই পকা অমৰাৰ গন্ধ, কাথাৰ গাঁওবুঢ়াৰ বাগিছাৰ সেই সুমিষ্ট-সৰস আঙুৰবোৰ ... মনত পৰিছে? মনত পৰিছে মূৰত কচুপাত একোটাৰে জুৰুলি-জুপুৰি হৈ মৌলবী নানাৰ গাঁৱলৈ যোৱাৰ সেই বৰষুণমুখৰ দুপৰীয়াৰ কথা? মূৰৰ পৰা ভৰিলৈকে একোডাল ৰঙাসূতাৰে জুখি মৌলবী নানাই মঙ্গল চোৱাৰ কথা? চকুৰ পচাৰতে যে সূতা দুডাল চুটি হৈ গৈছিল — আৰু নানাই মন্ত্ৰ মাতি মাতি ডিঙিত আঁৰি দিছিল দুটা তামৰ মাদুলি আৰু গোবৰে লিপা নিকা মজিয়াত নানীয়ে আগবঢ়াই দিয়া সেই এনামেলৰ দুকাঁহি ভাত। পঠা-মাংসৰ সেই ফুৰ্‌ফুৰীয়া গন্ধ! আৰু — আৰু — ফতেহগঞ্জৰ ঠেক জেকা খুপ্‌নিটিৰ মজিয়াত বহি শ্ৰীলংকাৰ সেই ৰিফিউজী তামিল যুৱকে মাতি যোৱা কবিতাৰ শাৰীবোৰ —We are not the first one who have wept by the sea — কেৰাচিন তেলৰ স্তভ ফুৰাই ফুৰাই অহিলন পাকিয়ানাথনৰ আম্মাই যে সেই খুপ্‌নিৰ চুকত সুস্বাদু পায়েসম্ বান্ধিছিল। মনত পৰিছে? ... আমি

বিশুদ্ধ অন্তৰেৰে হাতত তুলি লোৱা কটিব টুকুৰাবোৰেই যীশুৰ শৰীৰ, আমাৰ পিয়াহৰ পানীয়েই হৈছে যীশুৰ পবিত্ৰ তেজ। জীৱনৰ সকলোবোৰ পবিত্ৰ-বিশুদ্ধ ভাবনাৰ খাদ্যৰে সৃষ্টি হোৱা এই তেজ আৰু গাখীৰেই মানুহক সিঁচি লালন কৰে, আৰু ৰক্ষা কৰে চয়তানৰ ক'লাচকুৰ পৰা—। জেনবৌদ্ধ সাধুসকলে একেলগে পান কৰা চাহৰ পাত্ৰতেই জিলিকি উঠে বুদ্ধিসত্ত্বৰ প্ৰতিমাকল্প। চাহঘৰৰ নীৰৱ মজিয়াত উতলি থকা সেই চাহৰ লোহাৰ কেটলীটিৰ ছন্দোময় ধ্বনিতেই তেওঁলোকে শুনা পাই বিজুলীৰে ঠেকা খোৱা মেঘৰ গৰ্জন, সাগৰ পাৰৰ শিলৰ বুকুত মূৰ আফালিওৱা ঢৌৰ আত্ৰানি — বাঁহৰ গহন অৰণ্যৰ মাজেৰে সোঁ-সোঁৱাই কাঁড়ৰ দৰে সৰকি যোৱা ধুমুহাৰ কঁপনি — অথবা পাহাৰৰ হেলনীয়াত মাজৰাতি বাজি উঠা শ শ পাইনৰ সুৰৰি ... তেনেহ'লে তইনো বাৰে বাৰে কিয় কেৱল শুন হাৰ্পিৰ পোৱালিহঁতৰ চিএৰ? নাইনে তোৰো কোনো প্ৰিয় গানৰ স্মৃতি? নে হাৰ্পিৰ চিএৰবোৰলৈ কাণ উনাই থাকোঁতে থাকোঁতে তই হৈ পৰিলি একমাত্ৰিক। আৰু আনবোৰ শুভ শব্দ, আৰু গান সকলোৱে তোক পৰিত্যাগ কৰি তোৰ সত্ত্বাৰ বেঞ্জৰ বাহিৰলৈ গুচি গ'ল। এতিয়া এই দলঙৰ ওপৰত থিয় দি আকৌ স্মৰণ কৰ সিহঁতক — তোৰ সমস্ত ইন্দ্ৰিয়জ অতিইন্দ্ৰিয়জ চেতনাৰে — নাম কাঢ়ি মাত সিহঁতক আৰু গধূলি নিজ গোহালিলৈ উভতি অহা আপোন গৰুবোৰৰ দৰে পুনৰ উভতাই আন সত্ত্বাৰ গোশাললৈ ... শুনিছনে, সিহঁতৰ খোজৰ শব্দ, শুনিছনে?

ঃ — শুনিছোঁ। সেয়া বহুদিনৰ মৃত পিতাৰ মাতটো শুনিছোঁ। গোসাঁইঘৰৰ পৰা ত্ৰিসন্ধ্যা কৰি আহি সেইদিনা সন্ধিয়া যে পিতাই কৈছিল — আইজনী, মন্ত্ৰোচ্চাৰণ কেৱল মাত্ৰ আচাৰ-বিধি নহয় অ' — ই কথোপকথন। আত্মাৰ স'তে পৰমাত্মাৰ। সূক্ষ্ম চেতনাৰ স'তে স্থূল সত্ত্বাৰ। ভূমিৰ স'তে ভূমাৰ। কাব্য আৰু প্ৰজ্ঞাৰ এক একীভূত সংজ্ঞাৰ বিৰল মুহূৰ্তত, অথবা নিৰ্ভাঁজ আনন্দ আৰু ৰহস্যময় চৈতন্যৰ আবেগঘন ক্ষণত মানুহ এনে কথোপকথনকত নিমগ্ন হয়। তেতিয়াই সৃষ্টি হয় মন্ত্ৰৰ — যি মন্ত্ৰৰ বীজ নিহিত থাকে শব্দত, শব্দৰ শক্তিত — নাদম্ ব্ৰহ্ম! ... এৰা — এই একাকীত্বৰ দলঙেৰে খুপি খুপি গৈ থাকোঁতে ময়ো মন্ত্ৰ মাতিব লাগিব — কথোপকথনৰ মন্ত্ৰ। সেই মন্ত্ৰৰে জাৰি খেদি পঠাব লাগিব ভয়ৰ পোৱালিহঁতক। জানো, উকথা ঘৰৰ জলঙা গোবৰ মাটিৰে লেপি ঢাকি থোৱাৰ দৰেই আমিও কেতিয়াবা শব্দৰে বিভ্ৰমৰ জাল গোঁঠো আৰু ঢাকি থওঁ বাস্তৱ সত্যৰ কাঢ়তাক। সৃষ্টি কৰোঁ সত্যক আভুৰাওঁৰা কেতবোৰ মিথ্যাৰ মন্ত্ৰ। কিন্তু আত্মাৰ মুহূৰ্তবোৰত ঘুমটিয়াই ফুৰোঁতে, নিভৃতৰ সেই গোহৰৰ বাহিৰে আৰু কোন আমাৰ সাৰথি হ'ব পাৰে, যি গোহৰ নিগৰি আহে বোধ আৰু বিশ্বাসৰ শব্দৰ পৰা। — এদিন দলঙৰ সিপাৰত বিচ্ছিন্ন হৈ পৰিব আমাৰ পথ। এদিন তই হয়তো মোৰ মাতটো নুশুনা হৈ যাবি — মোৰ আঙুলিৰ ফাঁকত তোলে গজি উঠা অদৃশ্য সূতাডালে তোক আৰু পাছলৈ নটনা হ'ব — পৃথিৱীৰ নিৰ্দয় স্নেহ'লবোৰত

থহি নপৰাকে — কঠিন আৰু কাঁইটীয়া ফুটপাথৰে গৈ থাকোঁতে থাকোঁতে তই হয়তো পাহৰি যাবি দলঙৰ ওপৰৰ আমাৰ এই যুগ্মযাত্ৰা — পাহৰি যাবি আমাৰ এই নিবিড় গোপন কথোপকথনৰ অনুচ্চ শব্দবোৰ ... তথাপিও — যদি কেতিয়াবা থিয় দিয় জীৱনৰ আলিদোমোজাত — আৰু যদি কোনো অবাটে হাত বাউলি মাতে তোক — কি ঠিক, শুনা-নুশুনা এই অনুৰণনেই হয়তো তোক পিছফালৰ পৰা খামুচি ধৰিব — আৰু যদি হাৰ্পিৰ পোৱালিইঁতে ফুচুলাই লৈ যায় তোক — কি ঠিক মোৰ এই নিঃস্ব কণ্ঠস্বৰৰ অস্ফুট ধ্বনিয়েই হয়তো তোক হাত ধৰি উদ্ধাৰি আনিব আৰাওৰ সেই ঘূৰ্ণিৰ পৰা ! ...

লেখক-পরিচিতি

লেখক-পৰিচিতি

ৰমা দাশ (১৯০৯- ১৯৮১) : আৱাহন যুগৰ গল্পকাৰ। গল্প সংকলনসমূহ হ'ল: *ৰমা দাশৰ শ্ৰেষ্ঠ গল্প* (১৯৫২), *বৰ্ষা যেতিয়া নামে* (১৯৬২), *জাহ্নৱী* (১৯৬৫) আৰু *অচল টকা* (১৯৭০)। ইয়াৰ উপৰি জনজাতীয় সাধু, ৰম্য ৰচনা, কবিতা, অনাতাঁৰ নাটক, প্ৰবন্ধ আৰু *শব্দতত্ত্ব* নামৰ এখন অভিধানো ৰচনা কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰেছিডেন্সি কলেজৰ পৰা ১৯৩৩ চনত বি.এ. পাছ কৰি ১৯৩৪ চনত অসম সচিবালয়ৰ ট্ৰেন্সলেটৰ আৰু লাইব্ৰেৰিয়ান পদত যোগ দিয়ে। পাছত বিত্ত বিভাগৰ উপ-সচিব পদৰ পৰা অৱসৰ গ্ৰহণ কৰে।

কৃষ্ণ ভূঞা (১৯১৪-২০০০) : আৱাহন যুগৰ গল্পকাৰ। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৪১ চনত এম.এ. পাছ কৰি অসম চৰকাৰৰ সমবায় বিভাগত যোগদান কৰে। *ৰামধেনুৰ ৰং* (১৯৬২), *ফুল আৰু জাবৰ* (১৯৮৮) গল্প সংকলন দুটাৰ উপৰিও *কৃষ্ণ ভূঞাৰ গল্প সংগ্ৰহ* (১৯৯৮) প্ৰকাশ পাইছে। *উত্তৰ মেঘ*, *আপোন ঘৰ* আৰু *বিভোপন কাকতিৰ আত্মকথা* আদি তেওঁৰ উপন্যাস। তেওঁ কেইবাখনো অনাতাঁৰ নাটকো ৰচনা কৰিছিল।

স্নেহ দেৱী (১৯১৬-১৯৯০) : জন্ম যোৰহাটত। যোৰহাট চৰকাৰী বালিকা বিদ্যালয়ত পঞ্চম শ্ৰেণীলৈকে পঢ়িছিল। সেই সময়তেই বিবাহপাশত আবদ্ধ হোৱাত আনুষ্ঠানিক শিক্ষাৰ সমাপ্তি ঘটে। তেওঁৰ গল্প সংকলনসমূহ হ'ল : *কৃষ্ণা দ্বিতীয়াৰ জোনাক* (১৯৫৮), *স্নেহ দেৱীৰ গল্প* (১৯৬৪), *স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প* (১৯৮১) আৰু *স্নেহ দেৱীৰ একুঁকি গল্প* (১৯৮৮)। ১৯৮৭ চনত অসম সাহিত্য সভাৰ বাসন্তী বৰদলৈ বঁটা আৰু ১৯৯০ চনত *স্নেহ দেৱীৰ একুঁকি গল্প* নামৰ গ্ৰন্থখনৰ বাবে মৰণোত্তৰভাৱে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল।

চৈয়দ আব্দুল মালিক (১৯১৯-২০০০) : গল্প সম্ৰাট অভিধাৰে বিভূষিত। বাঁহীৰ পৰা গৰীয়সীলৈকে সকলোকেইখন অসমীয়া সাহিত্য আলোচনীত গল্প প্ৰকাশ পাইছিল।

১৯৪১ চনত কটন কলেজৰ পৰা ইংৰাজীত অৰ্নাছ সহ বি.এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া সাহিত্যত এম.এ. (১৯৫১)। আবকাৰী বিভাগৰ সহকাৰী পৰিদৰ্শক,সৈন্য বিভাগত চিভিলিয়ান চেল্সৰ, যোৰহাট কলেজৰ পালী ভাষাৰ প্ৰবক্তা, শ্বিলং-গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত অনুষ্ঠান সহকাৰী, ঢেকীয়াল হাইস্কুলৰ সহকাৰী শিক্ষক, কুৰালগুৰি হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আৰু যোৰহাট জগন্নাথ বৰুৱা কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক আদি বিভিন্ন কৰ্মক্ষেত্ৰত জড়িত আছিল। ৬৭ খন উপন্যাস আৰু একুৰিৰো ওপৰ চুটি গল্প সংকলন প্ৰকাশ পোৱা মালিকে অসমীয়া সাহিত্যৰ প্ৰতিটো বিভাগলৈকে অৱদান যোগাইছে। উল্লেখযোগ্য গল্প সংকলনসমূহ হ'ল ঃ *পৰশমণি, এজনী নতুন ছোৱালী, ৰঙাগড়া, ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ, মৰম মৰম লাগে, মৰহা পাপৰি, শিল আৰু শিখা, বীভৎস বেদনা, বহুত বেদনা এটোপা চকুলো, হাঁহি আৰু চকুলো* আদি। ভাৰত চৰকাৰৰ পদ্মশ্ৰী (১৯৮৪) আৰু পদ্মভূষণ (১৯৯২) উপাধিৰে বিভূষিত মালিকে ১৯৭৭ চনত ছোভিয়েট দেশ নেহৰু বঁটা, ১৯৮১ চনত পশ্চিমবংগ চৰকাৰৰ পৰা ভাৰত সংস্কৃতি-সাহিত্য বঁটা, ১৯৯৪ চনত মেগৰ অসম উপত্যকা সাহিত্য বঁটা আৰু ১৯৯৯ চনত শংকৰদেৱ বঁটা লাভ কৰিছিল।

শীলভদ্ৰ (১৯২৩) ঃ প্ৰকৃত নাম ৰেৱতীমোহন দত্ত চৌধুৰী। গোৱালপৰীয়া ভাষাক অসমীয়া সাহিত্যত এক মৰ্যাদাপূৰ্ণ স্থান দিয়া গল্পকাৰ আৰু ঔপন্যাসিক। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা 'পিঅ'ৰ মেথেমেটিক্স'ত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান অধিকাৰ কৰি কটন কলেজত প্ৰবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। পাছত ঠিকাদাৰ, দ্য আছাম ট্ৰিবিউন কাকতৰ উপ-সম্পাদক, চাহ বাগিছাৰ সহকাৰী পৰিচালক আৰু শেষলৈ অসম ইঞ্জিনিয়াৰিং কলেজৰ প্ৰবক্তা আৰু অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। তেওঁৰ গল্পসংকলন সমূহ হ'ল ঃ *বাস্তৱ, সমুদ্ৰতীৰ, তৰুৱা কদম, বীৰ সৈনিক, শীলভদ্ৰৰ কুৰিটা গল্প, মেজাজ, প্ৰতীক্ষা, উত্তৰণ, বিশ্বাস আৰু অন্যান্য গল্প, জীৱন* আৰু *অন্যান্য গল্প, আকৌ মধুপুৰ, মধুপুৰ বহুদূৰ, তৰ্পণ, চিঠি আৰু অন্যান্য গল্প, নিৰ্বাচিত গল্প, অন্য এক মধুপুৰ, উত্তৰ নাই, মধুপুৰ মধুকৰ, জীৱনৰ ৰং* আদি। তেওঁ ইতিমধ্যে ভাৰতীয় ভাষা পৰিষদৰ বঁটা (১৯৯০), অসম প্ৰকাশন পৰিষদৰ বঁটা (১৯৯০) আৰু সাহিত্য অকাডেমী বঁটা (১৯৯৪) লাভ কৰিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য (১৯২৪-১৯৯৭) ঃ জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথমগৰাকী অসমীয়া সাহিত্যিক। একেৰাহে ঔপন্যাসিক, গল্পকাৰ, কবি, প্ৰবন্ধকাৰ, সাংবাদিক আৰু সমাজবাদী নেতা। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া সাহিত্যৰ এম.এ. (১৯৫৬)। মাধৱ বেজবৰুৱা সম্পাদিত বাঁহী আৰু ইংৰাজী কাকত এড়ভান্সৰ সহকাৰী সম্পাদক হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক অসমীয়াৰ বাৰ্তা সম্পাদক আৰু পিছলৈ ৰামধেনু আৰু সাদিনীয়া নৱযুগৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰে। *ইয়াৰুইংগম* উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা (১৯৬১) আৰু *মৃত্যুঞ্জয়*ৰ বাবে জ্ঞানপীঠ বঁটা

(১৯৭৯) লাভ কৰিছিল। তেওঁৰ সৰ্বমুঠ উপন্যাস তেৈছখন। *কলং আজিও বয়* আৰু *সাতসৰী* তেওঁৰ গল্প সংকলন।

মহিম বৰা (১৯২৪) : গল্পকাৰ আৰু কবি 'কাঠনিবাৰী ঘাট' নামৰ গল্পটোৰ বাবে সুপৰিচিত মহিম বৰাৰ গল্প সংকলন সমূহ হ'ল : *কাঠনিবাৰী ঘাট, দেহাগৰকা প্ৰেম, মই পিপলি* আৰু *পূজা, বহুভুজী ত্ৰিভুজ, বাতিফুলা ফুল, বৰযাত্ৰী* আৰু *মোৰ প্ৰিয় গল্প*। *বগ্‌ৰাজিঁয়া* তেওঁৰ একমাত্ৰ কবিতা সংকলন। *বাতিফুলা ফুল* গল্প সংকলনটোৰ বাবে প্ৰকাশন পৰিষদৰ বঁটা আৰু *এধানী মাহীৰ হাঁহি* উপন্যাসখনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰা মহিম বৰাই ১৯৯৮ চনত অসম উপত্যাক বঁটা লাভ কৰিছিল। ১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া সাহিত্যৰ এম.এ. ডিগ্ৰী লাভ কৰি প্ৰথমে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত আৰু পাছত স্থায়ীভাবে নগাঁও মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগ দিয়ে। তেওঁ বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত শিশু আলোচনী বংঘৰ আৰু নতুন অসমীয়া কাকতৰ সম্পাদনা বিভাগৰ লগতো জড়িত আছিল।

যোগেশ দাস (১৯২৮-১৯৯৯) : প্ৰখ্যাত কথা সাহিত্যিক, *ডাৱৰ আৰু নাই* উপন্যাসখনৰ বাবে সু-পৰিচিত যোগেশ দাসৰ গল্প সংকলনসমূহ হ'ল : *পপীয়া তৰা, আন্ধাৰৰ আঁৰে আঁৰে, ত্ৰিবেণী, মদাৰৰ বেদনা, হাজাৰ লোকৰ ভিৰ* আৰু *পৃথিৱীৰ অসুখ*। ১২ খন উপন্যাসৰ স্ৰষ্টা এইজন লেখকে *পৃথিৱীৰ অসুখ* গল্প সংকলনটোৰ বাবে সাহিত্য অকাডেমী বঁটা (১৯৮০) আৰু অসম উপত্যকা সাহিত্য বঁটা (১৯৯৪) লাভ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ যোগেশ দাসে গুৱাহাটীৰ বি. বৰুৱা কলেজৰ অসমীয়া বিভাগৰ প্ৰবক্তা (১৯৫৩-১৯৮৮) হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও নতুন অসমীয়া কাকতৰ সম্পাদক (১৯৪৭-১৯৫৩) আৰু দৈনিক অসম কাকতৰ জন্মলগ্নত সহকাৰী সম্পাদকৰ দায়িত্বও গ্ৰহণ কৰিছিল।

সৌৰভ কুমাৰ চলিহা (১৯৩০) : এজন প্ৰখ্যাত অসমীয়া সাহিত্যিকৰ ছদ্মনাম। ১৯৪৪ চনত পাৰিজাত নামৰ আলোচনীখনৰ দ্বিতীয় বছৰ তৃতীয় সংখ্যাত প্ৰকাশিত *'পল্লাৰ সীমান্তৰ সহযাত্ৰী'* শিৰোনামৰ গল্পটোতে পোনতে সৌৰভ কুমাৰ চলিহা নামটো প্ৰকাশ পায়। এই ছদ্মনামৰ আঁৰৰ মানুহজনৰ জন্ম ১৯৩০ চনত দৰং জিলাৰ মঙ্গলদৈত। কটন কলেজিয়েট স্কুলত ছাত্ৰ জীৱন আৰম্ভ কৰি কটন কলেজৰ পৰা স্নাতক। লণ্ডন আৰু জাৰ্মানীত পদাৰ্থ বিজ্ঞান অধ্যয়ন কৰি উভতি আহি অসম ইঞ্জিনিয়াৰিং কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগত অধ্যাপক হিচাপে যোগ দিয়ে। তেওঁৰ গল্প সংকলনসমূহ হ'ল : *অশান্ত ইলেক্ট্ৰন* (১৯৬২), *দুপৰীয়া* (১৯৬৩) *এহাত ডবা* (১৯৭২), *গোলাম* (১৯৭৩), *কবি* (১৯৯৯), *আজি শুক্ৰবাৰ* (১৯৯২) *দহটা বিদেশী গল্পৰ অনুবাদ*। ১৯৭৪ চনত *'গোলাম'* নামৰ গল্প সংকলনখনৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা আৰু ১৯৯৫ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰে।

ভবেন্দ্ৰ নাথ শইকীয়া (১৯৩২-২০০৩) : আবাহন যুগত আত্মপ্ৰকাশ কৰা ৰামধেনু, মণিদীপ, অসমীয়া আৰু প্ৰকাশৰ দৰে সাহিত্য আলোচনীৰ প্ৰসিদ্ধ গল্পকাৰ। *প্ৰহৰী* (১৯৬৩), *বৃন্দাবন* (১৯৬৫), *গহ্বৰ* (১৯৬৯), *সেন্দুৰ* (১৯৭১), *শৃংখল* (১৯৭৫), *তৰংগ* (১৯৭৯), *এই বন্দৰৰ আবেলি* (১৯৮৮), *আকাশ* (১৯৮৮), *উপকণ্ঠ* (১৯৯২) আৰু *সান্ধ্যভ্ৰমণ* (১৯৯৮) তেওঁৰ গল্প সংকলন। *অন্তৰীপ* (১৯৮৬) আৰু *বন্যভূমি* তেওঁৰ উপন্যাস। কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা পদাৰ্থ বিজ্ঞানৰ এম. এছ্. চি. আৰু লণ্ডন বিশ্ববিদ্যালয়ৰ পি. এইচ. ডি. ভবেন্দ্ৰ নাথ শইকীয়াই শিৱসাগৰ কলেজৰ প্ৰবক্তা হিচাপে কৰ্ম জীৱন আৰম্ভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক, সেই বিশ্ববিদ্যালয়তে আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব আৰু ৰেলৱে ছাৰ্ভিচ কমিছনৰ চেয়াৰমেন ৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। বাৰ্তা আলোচনী প্ৰান্তিক আৰু শিশু আলোচনী সঁফুৰাৰ প্ৰতিষ্ঠাপক সম্পাদক ভবেন্দ্ৰ নাথ শইকীয়াই *'শৃংখল'* গল্প সংকলনৰ বাবে সাহিত্য অকাডেমী বঁটা (১৯৭৬) আৰু প্ৰথম অসম উপত্যকা সাহিত্য বঁটা লাভ কৰিছিল। প্ৰসিদ্ধ চলচিত্ৰ নিৰ্মাতা ভবেন্দ্ৰ নাথ শইকীয়াৰ সাতখন চলচিত্ৰই ৰজত কমল বঁটা আৰু *অগ্নিস্নানৰ* বাবে শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা লাভ কৰিছিল।

হোমেন বৰগোহাঞি (১৯৩২) : গল্পকাৰ, কবি, ঔপন্যাসিক আৰু সাংবাদিক। তেওঁৰ গল্প সংকলনসমূহ হ'ল : *বিভিন্ন কোৰাছ, প্ৰেম আৰু মৃত্যুৰ কাৰণে, গল্প আৰু নক্সা* আৰু *বিভিন্ন নৰক*। *সুবালা* (১৯৬৩), *তান্ত্ৰিক* (১৯৬৭), *কুশীলৱ* (১৯৭০), *হালধীয়া চৰায়ে বাওধান খায়* (১৯৭৩), *পিতাপুত্ৰ* (১৯৭৫), *তিমিৰ তীৰ্থ* (১৯৭৫), *অন্তৰাগ* (১৯৮৬), *সাউদৰ পুতেকে নাও মেলি যায়* (১৯৮৭), *মৎস্যগন্ধ্যা* (১৯৮৭) আদি তেওঁৰ উল্লেখযোগ্য উপন্যাস। ইয়াৰ বাহিৰেও ভিন্নধৰ্মী ৰচনা আৰু প্ৰবন্ধৰ বহুতো সংকলন আৰু সম্পাদিত গ্ৰন্থ প্ৰকাশ পাইছে। কটন কলেজৰ ইংৰাজীৰ স্নাতক (১৯৫৪) হোমেন বৰগোহাঞিয়ে শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰি প্ৰশাসনীয় সেৱাত যোগ দিছিল। নীতিগত কাৰণত সেই চাকৰি ইস্তফা দি সাংবাদিকতাৰ সৈতে জড়িত হৈ পৰা বৰগোহাঞিয়ে নীলাচল (১৯৬৮-৭০), নাগৰিক (১৯৭৭-৮০), লোকায়ত (১৯৮০), সমকাল (১৯৮৭), সূত্ৰধাৰ (১৯৮৯-৯২), কিশোৰ (১৯৯১-৯২), অসমবাণী (১৯৯৪-৯৭), আমাৰ অসম (১৯৯৭-২০০৪) আদি কাকত-আলোচনীৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বৰ্তমান তেওঁ সাতসৰী নামৰ আলোচনীখনৰ সম্পাদক। পিতাপুত্ৰ উপন্যাসৰ বাবে ১৯৭৮ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰা হোমেন বৰগোহাঞিয়ে ১৯৯২ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰিছে।

লক্ষীনন্দন বৰা (জন্ম ১৯৩২) : গল্পকাৰ আৰু ঔপন্যাসিক। ৰামধেনুত প্ৰকাশ পোৱা *ভাওনা* (১৯৫৪) নামৰ গল্পটোৰে আত্মপ্ৰকাশ। একুৰিৰো অধিক গল্প সংকলনৰ উল্লেখযোগ্য হ'ল : *দৃষ্টিৰূপা* (১৯৫৮), *সেই সুৰে উতলা* (১৯৬০), *গৌৰীৰূপক,*

গোপন, গধূলি, কাঁচিয়লিৰ কুঁৱলি (১৯৬১), *এই ৰূপ এই ছন্দ* (১৯৬৩), *অচিন কইনা* (১৯৬৩), *দেৱতাৰ ব্যাধি* (১৯৬৬), *কঠিন মায়া* (১৯৬৬), *এবাৰ্থাৰীৰ লেছেৰি* (১৯৮৩) আৰু *সেহি অনুৰাগে* (১৯৮৩) উল্লেখযোগ্য। পঁচিছখনৰো অধিক উপন্যাসৰ ৰচয়িতা বৰাই ১৯৮৮ চনত *পাতাল ভৈৰৱী* নামৰ উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ এম. এছ. চি. (১৯৫৪) আৰু অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ ডক্টৰেট লক্ষীনন্দন বৰা প্ৰথিতযশা কৃষি-বতৰ বিজ্ঞানী। ১৯৫৮ চনত অসম কৃষি বিশ্ববিদ্যালয়ত প্ৰবক্তা হিচাপে যোগ দিয়াৰ আগতে শ্বিলঙৰ ছেইণ্ট এড্‌মণ্ড্‌জ কলেজ, যোৰহাট জগন্নাথ বৰুৱা কলেজ, নগাঁও কলেজ, কটন কলেজ আৰু ধুবুৰীৰ ভোলানাথ কলেজত অধ্যাপনা কৰিছিল। জাৰ্মানীৰ মাইনছৰ জোহান গুটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ ভূগোল-বিজ্ঞান বিভাগত কিছুদিনৰ বাবে জলবায়ু বিজ্ঞানৰ ভিজিটিং প্ৰফেছৰৰ দায়িত্ব পালন কৰা লক্ষীনন্দন বৰাই ইণ্ডো-জাৰ্মান গবেষণা প্ৰকল্পৰ (১৯৮৯-৯২) সঞ্চালক হিচাপেও সেৱা আগবঢ়াইছিল।

নিৰুপমা বৰগোহাঞি (জন্ম ১৯৩২) : গল্পকাৰ আৰু ঔপন্যাসিকা। ১৪ বছৰ বয়সতে প্ৰথমটো গল্প *'শান্ত ছোৱালীজনী তাই'* প্ৰকাশ পায়। প্ৰকাশিত বাৰখন গল্প সংকলনৰ ভিতৰত : *অনেক আকাশ, জলছবি, শূন্যতাৰ কাব্য, জননীৰ সন্ধানত এজন ডেকা মানুহ, খিৰিকী কাষৰ গছ, ইপাৰ সিপাৰ* আৰু *প্ৰেমৰ বাবে স্বপ্নৰ বাবে* উল্লেখযোগ্য। তেওঁৰ উপন্যাস-উপন্যাসিকাৰ সংখ্যা ত্ৰিছখন। *অভিযাত্ৰী* উপন্যাসৰ বাবে ১৯৯৬ চনত তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে। কলিকতা বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ (১৯৫৪) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া সাহিত্যৰ এম. এ. (১৯৬৫) নিৰুপমা বৰগোহাঞিয়ে কলেজত শিক্ষকতাৰে (১৯৫৪-১৯৬৫) কৰ্মজীৱনৰ আৰম্ভ কৰি ১৯৬৮ চনৰ পৰা ১৯৮০ চনলৈকে সাপ্তাহিক নীলাচলৰ সহকাৰী সম্পাদিকা আৰু ১৯৮১ ৰ পৰা ১৯৮৪ ৰ কালছোৱাত সাপ্তাহিক জনজীৱন, সাপ্তাহিক সাঁচিপাত আদি কাকতৰ সম্পাদনাৰ দায়িত্ব বহন কৰে।

অতুলানন্দ গোস্বামী (জন্ম ১৯৩৫) : *হামদৈ পুলৰ জোন* নামৰ গল্পটোৰ বাবে প্ৰখ্যাত। তেওঁৰ গল্প সংকলনসমূহ হ'ল : *হামদৈ পুলৰ জোন* (১৯৬৬), *গল্প* (১৯৬৭), *ৰাজপাট* (১৯৭৬), *পলাতক* (১৯৮৩) আৰু *আশ্ৰয়* (১৯৯৩)। তেওঁৰ একমাত্ৰ উপন্যাসখন হৈছে *নামঘৰীয়া*। তেওঁ এজন সফল অনুবাদকো। কলা আৰু বিজ্ঞানৰ স্নাতক গোস্বামীয়ে অসম চৰকাৰৰ বিত্ত বিভাগত চাকৰি কৰি অৱসৰ গ্ৰহণ কৰিছে। ১৯৯২ চন *বলিয়া হাতী* নামৰ গল্পটোৰ বাবে তেওঁ কথা বঁটা লাভ কৰে।

নগেন শইকীয়া (জন্ম ১৯৩৮) : ৰামধেনুৰ শেষৰ কালে আত্মপ্ৰকাশ কৰা গল্পকাৰ, ঔপন্যাসিক, কবি আৰু প্ৰবন্ধকাৰ। তেওঁৰ চুটিগল্পৰ সংকলনসমূহ হ'ল : *কুৱেৰ হাতীৰকৰা* (১৯৬৭), *ছবি আৰু ফ্ৰেম* (১৯৬৯), *বন্ধ কোঠাত ধুমুহা* (১৯৭১), *মাটিৰ চাকিৰ জুই* (১৯৭৬), *অস্তিত্বৰ শিকলি* (১৯৭৬), *অপাৰ্থিৱ-পাৰ্থিৱ* (১৯৮২), *আন্ধাৰত*

নিজৰ মুখ (১৯৯১)। *'আন্ধাৰত নিজৰ মুখ'* সংকলনটোৰ বাবে ১৯৯৭ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। অন্যান্য বিষয়ক বহুতো গ্ৰন্থও প্ৰকাশ পাইছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ৰ স্নাতকোত্তৰ (১৯৬৪) শইকীয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত যোগ দিয়াৰ আগতে হাতীয়েখোৱা গাঁৱৰ হাইস্কুল (১৯৫৯), ঢেকীয়াল হাইস্কুল (১৯৬১), ডিফু মহাবিদ্যালয় (১৯৬৫) দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ত (১৯৬৭) প্ৰৱক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ৰাজ্যসভাৰ এটা কাৰ্যকালৰ সদস্য নগেন শইকীয়াই 'এ ক্ৰিটিকেল ষ্টাডি অব দি ছ'চিয়েল এণ্ড ইন্‌টেলেকচুৱেল বেক-গ্ৰাউণ্ড অব আছামিজ লিটাৰেচাৰ ১৮২৬-১৯০৩' বিষয়ত গৱেষণা কৰি ডক্টৰেট লাভ কৰিছিল।

মামণি ৰয়ছম গোস্বামী (জন্ম ১৯৪১) ঃ ঔপন্যাসিকা, গল্প-লেখিকা আৰু ৰামায়ণৰ গৱেষক মামণি ৰয়ছম গোস্বামী জ্ঞানপীঠ বঁটা বিজয়ী দ্বিতীয়গৰাকী অসমীয়া। তেওঁৰ প্ৰকাশিত গল্প সংকলনসমূহ হ'ল ঃ *চিনাকী মৰম* (১৯৬২), *কইনা* (১৯৬৬), *হৃদয় এক নদীৰ নাম* (১৯৯০) আৰু *মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প* (১৯৯৮)। *মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাসৰ* বাবে তেওঁ ১৯৮২ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। মামণি ৰয়ছম গোস্বামীৰ জন্ম গুৱাহাটীত। লতাশিল প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত এম. এ. পাছ কৰা গোস্বামীয়ে গোৱালপাৰা সৈনিক স্কুলত শিক্ষয়িত্ৰী (১৯৬৯) হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। ১৯৭৩ চনত *মাধৱ কন্দলী আৰু তুলসী দাসৰ ৰামায়ণৰ তুলনা* নামৰ গৱেষণা গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। গোস্বামীয়ে পাছত দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগ দি শেষত বিভাগীয় মুৰব্বীৰ দায়িত্ব পালন কৰে।

অপূৰ্ব শৰ্মা (জন্ম -১৯৪৩) ঃ শোণিতপুৰ জিলাৰ হেলেমত জন্ম। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিষয়ৰ স্নাতকোত্তৰ। সাংবাদিক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি নগাঁও ছোৱালী কলেজত যোগ দি পিছলৈ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰি অৱসৰ লয়। প্ৰকাশিত গল্প সংকলন চাৰিটা ঃ *বন্ধুৰ পথত কেইজনমান ডেকা মানুহ, শুভবাৰ্তা, বাঘে টাপুৰ ৰাতি আৰু অন্যান্য কাহিনী* আৰু *বিপুলৰ যুদ্ধসজ্জা*। ২০০০ চনত *বাঘে টাপুৰ ৰাতি* সংকলনখনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে। চলচ্চিত্ৰ সমালোচক শৰ্মাই এই বিষয়ৰ গ্ৰন্থ *চলচ্চিত্ৰৰ ছাঁ-পোহৰৰ* বাবে ৰজত কমল বঁটা লাভ কৰিছিল।

হৰেকৃষ্ণ ডেকা (জন্ম - ১৯৪৩) ঃ কবি, গল্পকাৰ, সমালোচক হৰেকৃষ্ণ ডেকাৰ জন্ম তিনিচুকীয়াত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি গুৱাহাটী কৰ্মাচ কলেজত প্ৰৱক্তা হিচাপে যোগ দিয়ে। ১৯৬৮ চনত ভাৰতীয় আৰক্ষী সেৱালৈ নিৰ্বাচিত হয় আৰু অসম পুলিচৰ সঞ্চালক পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। প্ৰকাশিত গল্প সংকলন সমূহ হ'ল ঃ *প্ৰাকৃতিক আৰু অন্যান্য, মধুসূদনৰ দলং, ৰুদ্ধীয়াৰ* আৰু *পোষ্টমৰ্ডাৰ্ণ অথবা গল্প*। চাৰিখন কাব্য সংকলন প্ৰকাশ পোৱা হৰেকৃষ্ণ ডেকাই

আন এজন নামৰ কাব্য সংকলনখনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। *আধুনিকতাবাদ আৰু অন্যান্য প্ৰবন্ধ* আৰু *বীক্ষণ আৰু সন্ধান* তেওঁৰ প্ৰবন্ধ সংকলন।

দেবব্ৰত দাস (জন্ম - ১৯৫০) ঃ জন্মস্থান - গুৱাহাটী। ইঞ্জিনিয়াৰিঙৰ স্নাতক। বৰ্তমান ভাৰতীয় ষ্টেট বেংকত কৰ্মৰত। প্ৰকাশিত গল্প সংকলন ঃ *অৰ্পিতাৰ এবাতি, হয়তোবা ভেশাহল, অৰ্পিতাৰ অন্য এবাতি, বিষয়বস্তু প্ৰেম* আৰু *নিৰ্মালিৰ সপোন*। জনপ্ৰিয় গদ্য ৰচনা *হিয়াৰ পখিলাৰ* উপৰিও কেইবাখনো উপন্যাস-উপন্যাসিকাৰ ৰচয়িতা।

মনোৰমা দাস মেধি (জন্ম - ১৯৫০) ঃ ভূটান পাহাৰৰ সমীপবৰ্তী বেংবাৰী গাঁৱত। ১৯৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ. ডিগ্ৰী লাভ কৰি বৰ্তমান টংলা কলেজৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা হিচাপে কৰ্মৰত। প্ৰকাশিত গল্প সংকলন তিনিখন ঃ *কাঠগড়াত ঈশ্বৰ, প্ৰেমগাঁথা* আৰু *সপোনৰ সোণাৰু*।

ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য (জন্ম - ১৯৫১) ঃ নলবাৰীৰ পশ্চিম চামতা। বৰ্তমান আৰ্য বিদ্যপীঠ কলেজৰ উদ্ভিদ বিজ্ঞানৰ অধ্যাপক। উল্লেখযোগ্য গল্প সংকলন ঃ *দালাল, ঘৰাপাক, গৰম বতাহ, ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্যাস্ত*। *মৰুদ্যান* আৰু *নৰককুণ্ডত কেইজনমান অতিথি* দৰে উপন্যাসৰ ৰচয়িতা। এজন চিত্ৰশিল্পী হিচাপেও প্ৰতিষ্ঠিত।

বিপুল খাটনিয়াৰ (জন্ম - ১৯৫৩) ঃ জন্মস্থান - তিনিচুকীয়া জিলাৰ দেওশাল চাহ বাগিছা। ১৯৭৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ভূ-তত্ব বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি অসম চৰকাৰৰ ভূ-তত্ব আৰু খনি বিভাগত যোগ দিয়ে। প্ৰকাশিত গল্প সংকলন ঃ *চিনাকি মুখৰ ছবি, খোজৰ শব্দ* আৰু *দখাৰ*।

শিৱানন্দ কাকতি (জন্ম - ১৯৫৬) ঃ জন্মস্থান - নগাঁৱৰ শেতালী। নগাঁও কলেজৰ বিজ্ঞানৰ স্নাতক আৰু বৰ্তমান ভাৰতীয় ষ্টেট বেংকত কৰ্মৰত। নাট্য-চৰ্চাৰে সাহিত্য জগতত প্ৰবেশ কৰা তেওঁৰ গল্প সংকলন কেইখন হ'ল ঃ *আমৃত্যু অমৃত, বৰদৈচিলা* আৰু *গাগিনী পানী তোৰ কিমান...*।

অৰূপা পটংগীয়া কলিতা (জন্ম - ১৯৫৬) ঃ জন্মস্থান - গোলাঘাট। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ৰ স্নাতকোত্তৰ আৰু বৰ্তমান টংলা কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক। প্ৰকাশিত গল্প সংকলন ঃ *মৰুযাত্ৰা আৰু অন্যান্য, মৰুভূমিত মেনকা আৰু অন্যান্য, দেওপাহাৰৰ ভগ্নস্তূপত, পাহচোতালৰ কথকতা* আৰু *মিলেনিয়ামৰ সপোন*। *অয়নান্ত* আৰু *ফেলানী* উল্লেখযোগ্য উপন্যাস। *অয়নান্ত* নামৰ উপন্যাসৰ বাবে ১৯৯৫ চনত ভাৰতীয় ভাষা পৰিষদৰ বঁটা লাভ কৰে।

জয়ন্ত কুমাৰ চক্ৰৱৰ্তী (জন্ম - ১৯৫৭) ঃ জন্মস্থান - ওৰাংকুৰি চাহ বাগিছা। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ৰ স্নাতকোত্তৰ আৰু বৰ্তমান টংলা কলেজৰ প্ৰবক্তা। প্ৰকাশিত গল্প সংকলন ঃ *সংগমত এসাঁতোৰ* আৰু *সূৰ্যাস্তৰ ৰং*।

জ্যোতিষ শিকদাৰ (জন্ম - ১৯৫৯) ঃ জন্মস্থান - গুৱাহাটী। বি বৰুৱা কলেজৰ পৰা কলাৰ স্নাতক। প্ৰকাশিত গল্প সংকলন চাৰিখন ঃ *গান ভাল পোৱা ছোৱালীজনী, স্বপ্ন বিবাদ জীৱন, সেউজীয়া পৃথিৱী* আৰু *শৈশৱ*।

কুল শইকীয়া (জন্ম - ১৯৫৯) ঃ জন্মস্থান - বতীয়া। দিল্লী স্কুল অৱ ইকনমিক্সৰ পৰা অৰ্থনীতি বিষয়ৰ স্নাতকোত্তৰ। দিল্লী বিশ্ববিদ্যালয়ৰ হিন্দু কলেজত অধ্যাপনা। পৰৱৰ্তী সময়ত ভাৰতীয় অৰ্থনীতি সেৱা আৰু ভাৰতীয় ৰেল সেৱাত আৰু স্থায়ীভাৱে ভাৰতীয় পুলিচ সেৱাৰ বিষয়া হিচাপে কৰ্মৰত। প্ৰকাশিত গল্প সংকলন দহখনৰ উল্লেখযোগ্য দুখনমান হ'ল ঃ *গ্ৰহান্তৰ, গল্পৰ আঁৰৰ মানুহ, মৃত্যুহীনতা আৰু অন্যান্য গল্প,* আৰু *কেইটামান গল্প আৰু আড্ডা*। গল্পকাৰ এজন নাট্যকাৰো, পৰিচালকো।

ৰবীন শৰ্মা (জন্ম ১৯৬০) ঃ জন্মস্থান - গুৱাহাটী। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ৰ স্নাতকোত্তৰ। বৰ্তমান দমদমা কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক। প্ৰকাশিত গল্প সংকলন তিনিখন ঃ *পাঞ্চাৰ পাঁচালী, চং* আৰু *কথা ভগীৰথ*। লোক-সংস্কৃতি বিষয়ৰ ডক্টৰেট ৰবীন শৰ্মাৰ *সাংস্কৃতিক সংবীক্ষণ* এখন প্ৰবন্ধ সংকলন।

মনোজ কুমাৰ গোস্বামী (জন্ম ১৯৬২) ঃ জন্মস্থান - নগাঁও। পদাৰ্থ বিজ্ঞানৰ স্নাতক। প্ৰকাশিত গল্প সংকলন সাতখনৰ ঃ *ঈশ্বৰহীনতা, সমীৰণ বৰুৱা আহি আছে, স্বাধীনতা, প্ৰেমহীনতা* আৰু *মই ৰাজেন বৰুৱাক সমৰ্থন কৰোঁ* উল্লেখযোগ্য। বৃত্তিত সাংবাদিক গোস্বামীয়ে নতুন দৈনিক কাকতত যোগদানৰ যোগেদি সক্ৰিয় সাংবাদিকতাৰ ক্ষেত্ৰত প্ৰৱেশ কৰি আজিৰ বাতৰি আৰু আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদকৰ দায়িত্ব পালন কৰিছিল। বৰ্তমান দৈনিক জনসাধাৰণ কাকতৰ সম্পাদক।

অপূৰ্ব কুমাৰ শইকীয়া (জন্ম ১৯৬২) ঃ জন্মস্থান - নগাঁৱৰ ডিফলু। বৃত্তিত চিকিৎসক। প্ৰকাশিত গল্প সংকলন তিনিখন ঃ *ব্যৰ্থ নায়ক, বিষয় প্ৰেমৰ সংবিধান* আৰু *মাটি আখৰা*।

ইমৰান হুছেইন (জন্ম ১৯৬৬) ঃ জন্মস্থান - ধুবুৰী। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ স্নাতকোত্তৰ আৰু বৰ্তমান ছিপাঝাৰ কলেজত কৰ্মৰত। একমাত্ৰ গল্প সংকলন ঃ *হুমদেউ আৰু অন্যান্য গল্প*।

নৱনীতা গগৈ (জন্ম ১৯৬৭) ঃ জন্মস্থান - শিৱসাগৰ জিলাৰ জাঁজি। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিষয়ৰ স্নাতকোত্তৰ, বৰ্তমান ডুলীয়াজান অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। প্ৰকাশিত গল্প সংকলন দুখন ঃ *দুই-পোহৰত অকলে* আৰু *মই তোৰ নীলা চৰাই* (মৃদুল বৰুৱাৰ লগত যুটীয়াভাৱে গল্প-কবিতাৰ সংকলন)।

প্ৰশান্ত কুমাৰ দাস (জন্ম ১৯৭১) ঃ জন্মস্থান - শিলং। বিজ্ঞানৰ স্নাতক। সাংবাদিকতাকে বৃত্তি হিচাপে গ্ৰহণ কৰি বৰ্তমান সাদিন কাকতৰ সাংবাদিক হিচাপে কৰ্মৰত। প্ৰকাশিত গল্প

সংকলন তিনিটা : *এটা শদিয়াৰ গল্প আনটো পৃথিৱীৰ, কাহিনী এটাৰ কাহিনী আৰু* ।

মৌচুমী কন্দলী (জন্ম ১৯৭৪) : জন্মস্থান - ডিব্ৰু । গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিষয়ত স্নাতকোত্তৰ আৰু বৰোদাৰ এম. এচ. ইউনিভাৰ্চিটিৰ পৰা চিত্ৰকলা সমালোচনা বিষয়ত ডিগ্ৰী প্ৰাপ্ত। একমাত্ৰ গল্প সংকলন : *লামৃবাদা নাচৰ শেষত*।